ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিয়াবৰৰ ভূমিকা

(এটি সামান্য ৰেঙনি)

নৰেন্দ্ৰ নাথ বৰা

Bharatar Swadhinata Sangramat Kaliaborar Bhumika (Eti Samanya Rengani) written by **Shri Narendra Nath Bora**, Kharghuli Guwahati-781 004 and published by the Kaliabor Mukti Jujaru Sanmilan Kuwaritol, Nogaon, Asom

প্রকাশক ঃ
কলিয়াবৰ মুক্তি যুজাৰু সন্মিলন
কুৱৰীটোল, নগাওঁ অসম

প্রথম প্রকাশ ঃ নভেম্বৰ, ১৯৯৯ চন

মূল্য ঃ ১৪০.০০ টকা

ডি টি পি কম্পোজিং আৰু মুদ্রণ
[illegible]
পথাৰজাৰ [illegible]

পাতনি

ভাৰতৰ স্বাধীনতা আন্দোলনত কলিযাবৰ কংগ্রেছৰ কি ভূমিকা আছিল তাৰ এটি চমু বিৱৰণ ৰাখিব পাৰিলে উত্তৰ পুৰুষৰ বাবে কামত আহিব বুলি মনতে দকৈ সাঁচ বহিছিল। কিন্তু মোৰ ভাষা সাহিত্যৰ জ্ঞান নথকাত কেইবাজনো সদাশয় লোকক মোৰ ভাবৰ কথা প্রকাশ কৰিছিলো, কিন্তু তেওঁলোক কোনেও সহাঁৰি নিদিলে।

শ্রীমান নৱেন বৰা ১৯৮৩ চনৰ অক্তোবৰৰ কোনোবা এটা দিনত মোৰ ওচৰ পালেহি। তেওঁ ক'লে "খুৰাদেউ, কলিযাবৰ কংগ্রেছৰ ভাৰতৰ স্বাধীনতা আন্দোলনত কি ভূমিকা আছিল তাৰ বিবৰণ লিখি ছপা কৰি ৰাইজৰ আগলৈ উলিযাই দিযা ভাল হ'ব বুলি ভাবিছো। এনে এটা কাম কৰিলে কলিযাবৰৰ সেই সময়ৰ প্রকৃত ঘটনাৱলীৰ কথা আমাৰ ভৱিষ্যৎ বংশধৰ সকলে জানিব পাৰিব। ইতিমধ্যে প্রকৃত কথাবোৰ বিকৃত ভাৱে প্রকাশ পাবলৈ আৰম্ভ কৰিছে তাৰোপৰি মই ভাবো তেতিযাৰ তথ্য পাতিবোৰ যেনে আছে তেনেকৈযে ছপা কৰি থ'লে এটা ডাঙৰ কাম হ'ব। আপোনাৰ হাতত ভালেখিনি তথ্যপাতি আছে, তথ্যপাতি খিনি দি মোক সহায কৰিবনে?"

শ্রীমান নৱেনক মই সৰুৰে পৰাই জানো। তেওঁৰ আগ্রহ দেখি মোৰ আশা পূৰণ হ'ল বুলি মযো আগ্রহী হৈ যি তথ্য পাতি আছে সকলো দিম বুলি ক'লো। পিছে বহুত কাগজ পাতি নষ্ট হ'ল। পলাতক অৱস্থাত কিছু কাগজ পত্র বালিটিকাৰ শ্রীযজ্ঞেশ্বৰ বৰাৰ ঘৰত লুকুবাই থৈছিলো। বেচি খিনিযেই নষ্ট হ'ল। যি আছিল তাকে আনি থৈছো, সেইখিনিকে লৈ যোৱা।

সেই সকলো কাগজ পাতি চালি-জাৰি চাই আৰু বিভিন্ন মুক্তি যুঁজাৰুৰ লগত আলোচনা কৰি (তেওঁ নিজেও যেহেতু এজন মুক্তি যুঁজাৰু আছিল) আৰু নিজৰ অভিজ্ঞতাৰ পৰাও সামান্য ভাবে কিছু কথা লিখি, সেই সময়ৰ তথ্য পাতিবোৰ বুলেটিন, গোহাৰি, চিঠি পত্র আদি যথা স্থানত ঠাই দি কিতাপ আকাৰে প্রকাশৰ উপযোগী কৰি উলিযাইছে। আন্দোলনটোৰ গৰি কথানো কি আছিল আৰু কোন সময়ত ভাৰতৰ স্বাধীনতা সংগ্রাম খনে কেনে ৰূপ লৈছিল সেইবোৰ লিখি আমাৰ কলিযাবৰ কংগ্রেছে কোন পর্য্যাযত কি ব্যবস্থা লৈছিল আমাৰ তথ্য পাতিৰে সৈতে বর্ণনা কৰাত এখন চৰি ওলাই পৰিছে।

কলিযাবৰৰ কোন গাঁৱত কোন ঠাইত কি হৈছিল, তেতিযা আমাৰ লগতে তেওঁ বহুত কথা জানিছিল। যিখিনি তথ্য পাতি হাতত আছে সেইখিনি হুবহু লিখাৰ বাহিৰে তেতিযাৰ তথ্য পাতি হাতত নথকা ঘটনাবোৰ বাদ দি যাব লগা হৈছে, কাৰণ কোনোবাই বাজিলে তেওঁ প্রকৃত তথ্য দেখুবাব নোৱাৰিব।

এতিযা বহুত কথাই আমাৰ পৰা হেৰাই গ'ল। যিখিনি লিখা হৈছে, মই মোৰ আশা

কিছু পৰিমাণে পূৰণ হোৱাত মই আনন্দ পাইছো, সুখী হৈছো, এটা ভাল কাম হৈছে বুলি ভাবিছো।

আজি কেইবা বছৰো ধৰি তেওঁ এইখিনি লিখিছিল। মাজে মাজে মোৰ ওচৰলৈ আহি আলোচনা কৰিছিল। কিন্তু ধনৰ অভাৱত প্ৰকাশ কৰিব নোৱাৰি পেলাই থ'ব লগা হ'ল। এতিয়া ভাৰতৰ স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষ। এতিয়া তেওঁ আকৌ উদ্যম লৈছে। আশাকৰোঁ সদাশয় ৰাইজ আৰু বিশেষকৈ চৰকাৰে কলিযাবৰৰ এই আপুৰুগীয়া সম্পদটি ৰক্ষা কৰিবলৈ আগবাঢি আহিব।

পূবথৰীযা
২৭/১১/৯৭

সেৱাৰে
শ্ৰীসোমেশ্বৰ বৰা

Lakshyadhar Chaudhury
Ex Chairman, G M
Ex Mayor G M C
Ex Minister Assam

Ambari, Lamb Road
Guwahati-781 001
Phone 546101

আমাৰ একেষাৰ

ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিযাবৰৰ ভূমিকা (এটি সামান্য ৰেঙনি) শিতানেৰে শ্ৰীযুত নৰেন্দ্ৰ নাথ বৰাৰ সংগৃহিত লিখা খিনি হাতে লিখা অবস্থাতে পঢি অভিভূত হ'লো।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ বুৰঞ্জী সহজে পাবলৈ টান। বিশেষকৈ ভাৰত ত্যাগ আন্দোলনৰ প্ৰমাণ্য বুৰঞ্জী পোবা আৰু কঠিন, কিযনো এই আন্দোলন আছিল অতি ব্যাপক আৰু বিস্তৃত।

তদুপৰি দেশৰ নেতৃবৃন্দ কাৰাগাৰত নিক্ষেপ কৰাৰ পিছত ঠাযে ঠাযে চুবুৰীযে চুবুৰীযে জনতাই নিজেই এই আন্দোলনত জপিযাই পৰিছিল। কেন্দ্ৰীয ভাৱে এই আন্দোলনৰ নিৰ্দ্দেশ ঘাইকৈ আছিল মহাত্মা গান্ধীৰ কাৰাবৰণৰ সমযত ৰাইজক উদ্দেশি কোৱা সেই মন্ত্রযাৰেই "কৰেঙ্গে এ্যা মৰেঙ্গে" অৰ্থাৎ "কৰিম নহ'লে মৰিম।"

সেযে এই আন্দোলনক আন্দোলন নুবুলি গণ বিপ্লৱ বুলিহে অভিহিত কৰা হৈছে।

অসমতো এই আন্দোলনে ব্যাপক আৰু বিশেষ উগ্ৰবৃত্তি ধাৰণ কৰিছিল। বিভিন্ন ঠাইত জনতাৰ চৰকাৰ প্ৰতিষ্ঠিত হৈছিল। সেইবোৰৰ সমাক খতিযান শেষত পাবলৈ নোহোৱা হ'ল।

সেযে শ্ৰীযুত বৰাই এই বিপ্লৱৰ বহু কথা আনকি সভাৰ বিৱৰণী আদিও উদ্ধাৰ কৰি যি আদৰণীয কাম কৰিছে তাৰ বাবে তেওঁ সকলোৰে শলাগৰ পাত্র।

কলিযাবৰৰ এই স্বাধীনতা সংগ্ৰামৰ ই আংশিক বুৰঞ্জী হ'লেও এক অনুপম অধ্যায। শ্ৰীযুত বৰাৰ প্ৰতি আমাৰ আন্তৰিক অনুৰোধ এইখিনি প্ৰমাণ্য বুৰঞ্জী ছপা কৰি ৰাইজৰ আগত ইযাক দাঙি ধৰাতো। কিযনো এই কাৰ্য্যই হযতো বহুতো অঞ্চলৰ লোকক এনে পুৰণি তথ্যপাতি সংগ্ৰহ কৰাৰ কাৰণে অনুপ্রাণিত কৰিব।

এই ক্ষেত্রত শ্ৰীযুত বৰাক আৰ্থিক সাহায্য দানেৰে সহায কৰিবলৈ আমাৰ চৰকাৰো আগবাঢি আহিব বুলি আমি আন্তৰিক অনুৰোধ জনালো।

লক্ষ্যধৰ চৌধুৰী
২৭/১২/৯৭

পৰিচিতি

দুশ বছৰীয়া বৃটিছ শাসনক ভাৰতৰ পৰা উচ্ছেদ কৰাৰ বাবে ভাৰতত চলা সংগ্ৰামৰ ইতিহাস বৰ দীঘলীয়া। তাৰে শেহৰ সময়ত জাতীয় কংগ্ৰেছৰ যোগেদি চলা স্বাধীনতাৰ সংগ্ৰামেই আছিল প্ৰকৃততে সন্মিলিত সংগ্ৰাম। এই সংগ্ৰামেও চূড়ান্ত সামগ্ৰিক সংগ্ৰামৰ ৰূপ পাবলৈ ৰ'ব লগা হৈছিল ১৯৪২ চনলৈ। তেতিয়ালৈকে কংগ্ৰেছৰ নেতৃত্বত চলি থকা সংগ্ৰাম আছিল অনুশীলনৰ পৰ্য্যায়ৰহে আৰু সেইবাবে সেইবোৰ আছিল স্বাধীনতাৰ বাবে আন্দোলন। মহাত্মা গান্ধীযে কেৱল নৈতিক শক্তি আৰু ত্যাগকে সৰ্বোত্তম অস্ত্ৰ কৰি এখন উপমহাদেশৰ মানুহক অপৰাজিত যুঁজাৰু হ'বলৈ প্ৰস্তুত কৰোৱাৰ দৰে দ্বিতীয় এটা উদাহৰণ পৃথিৱীৰ ইতিহাসত পাবলৈ নাই। ১৯৪২ চনত কংগ্ৰেছৰ স্বাধীনতা আন্দোলনে নাম গ্ৰহণ কৰিলে স্বাধীনতাৰ বিপ্লৱ বুলি। যথাৰ্থতে 'বিপ্লৱ' বোলা এই কথাষাৰৰ মাজতেই বিযাল্লিশৰ গণ-বিপ্লৱৰ প্ৰকৃত স্বৰূপ আৰু চৰিত্ৰটো সোমাই আছে।

মানুহৰ ইতিহাসত বিপ্লৱ ক'লৰাত আৰু কেতিযাবাহে হৈছে। সামগ্ৰিক অভ্যুত্থানেই হৈছে বিপ্লৱ। পৃথিৱীৰ ইতিহাসত বিভিন্ন চৰিত্ৰৰে এনে বিপ্লৱ হৈছে। কিন্তু বিযাল্লিশৰ গণ বিপ্লৱৰ চৰিত্ৰ দান কৰাত মহাত্মা গান্ধীৰ পূৰ্ণ প্ৰভাব আছিল। তেওঁ মাত্ৰ কেইষাৰমান তাৎপর্যপূর্ণ কথাকে বিপ্লৱৰ মন্ত্ৰ হিচাপে দিছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হৈছে গান্ধীযে সেই মন্ত্ৰ নেতা সকলক বা তেওঁলোকৰ যোগেদি কাৰো দিযা নাছিল। তেওঁ পোনে পোনে কেৱল জনসাধাৰণকহে দিছিল। তেওঁ কৈছিল যে এই সংগ্ৰামেই হ'ব স্বাধীনতাৰ শেষ সংগ্ৰাম আৰু স্বাধীনতা লাভ 'কৰিম অথবা মৰিম'বুলি জপিযাই পৰৰ। তেওঁ কোৱা সকলোতকৈ গুৰুত্বপূৰ্ণ কথাটো আছিল যে এই সংগ্ৰামৰ কোনো নেতা নাথাকিব। ৰাইজেই ৰাইজৰ নেতা। ইযাৰ আগেযেও আগন্তুক সংগ্ৰাম সম্পর্কত গান্ধীযে অহিংসা আৰু হিংসাৰ প্ৰতিৰোধ, সংযম আৰু আত্ম-বিচাৰবোধ ইত্যাদি বিষযে বহুতো তাৎপর্যপূর্ণ কথা কৈছিল, যি বোৰকো সৰ্ব্ব সাধাৰণ ৰাইজে বিপ্লৱৰ কার্য্যসূচীৰ মন্ত্ৰ হিচাপে ব্যৱহাৰ কৰি গৈছিল।

কংগ্ৰেছে আন্দোলন ঘোষণা কৰিলে নেতাসকল সদায জেললৈ যায। অসহায ৰাইজ বাহিৰত থাকি কি কৰিব লাগে ভাবি নাপায। সেযে গান্ধীৰ মন্ত্ৰ সাৰোগত কৰি সাধাৰণ ৰাইজে নিজেই আন্দোলনৰ কার্যসূচী নির্দ্ধাৰণ কৰিলে। জেলৰ পৰা আঁতৰি আত্মগোপন কৰিলে, চৰকাৰী সন্ত্ৰাসৰ মনোবল ভাঙিবলৈ প্ৰতিৰোধ থিয কৰিলে, ৰে'ল বগাৰোবাৰ দৰে নাশকতামূলক কামত হাত দিলে, টেক্স বন্ধ কৰিলে, চৰকাৰী সকলো ব্যৱস্থাকে অমান্য কৰিলে। আনকি নগাওঁ জিলাত বন্দুক চুৰিৰ দৰে বিপ্লৱী মনস্তাত্ত্বিক কার্য্যসূচীৰে ৰাজ বিদ্রোহৰ এটা জাগৰণৰ ভেটি তৈযাৰ কৰিলে। আৰু এইদৰে কংগ্ৰেছে

আন্দোলন কৰিলেই বৃটিছ ৰাজে ৰাইজৰ ওপৰত মেলি দিযা অত্যাচাৰৰ জবাব দুগুণে ওলোটাই দি বৃটিছ শাসন যন্ত্রক বুজিবলৈ বাধ্য কৰিব খোজা হ'ল স্বাধীনতাৰ প্রতি নিজৰ দেশৰ মানুহৰ আকাঙ্খাৰ কথা আৰু সেই স্বাধীনতা লাভৰ হকৰ কথা। বিযাল্লিশৰ গণ বিপ্লৱৰ এইটোৱেই আছিল মর্মকথা আৰু এইটোৱেই আছিল ইযাৰ ঐতিহাসিক চৰিত্র। পৃথিৱীৰ ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ সমযত হোৱা বহুতো গণবিপ্লৱৰ স্বৰূপ আৰু চৰিত্রৰ পৰা গুণগত আৰু বস্তুগত কাৰণত সম্পূর্ণ পৃথক হোৱা ভাৰতৰ এই গণ বিপ্লৱৰ ইতিহাস নিশ্চয লিখা হৈছে আৰু স্বাভাৰিকতে হযতো সেই ইতিহাসৰ ওপৰত নতুন নতুন আলোকপাত হৈ থাকিব। এনে বহুতো তথ্য আকৌ ওলাই আহিব, যাৰ যথোচিত চিত্রণ হৈ উঠা নাই আৰু যি বোৰৰ বহল মূল্যাযণৰ প্রয়োজন। পূর্ণ ইতিহাস ৰচনাৰ ক্ষেত্রত এইবোৰ অপৰিহার্য্য কথা। কাৰণ ইতিহাসৰ ক'তো সমাপ্তি নাই।

ওপৰোক্ত কথাৰ ভিত্তিত একোখন পূর্ণ ইতিহাসৰ প্রস্তুতিত আঞ্চলিক সমলেহে যথোচিত সহায কৰিব পাৰে। স্বাধীনতাৰ সংগ্রাম সুদীর্ঘ কালৰ। বিযাল্লিশৰ বিপ্লৱৰ স্বৰূপ আৰু চৰিত্রটো আছিল বাস্তৱত বিপ্লৱতকৈযো এখোজ আগবঢ়া ধৰণৰ। গোটেই দেশখনৰ হালোৱা-হজুৱা নিৰক্ষৰ দৰিদ্র সাধাৰণ মানুহে নিজৰ নিজৰ জ্ঞান-বিবেচনা আৰু সংকল্প দৃঢ়তাৰে স্বাধীনতা নামৰ কেতিযাও ভোগ কৰিবলৈ নোপোৱা এটা আকাঙ্খা পূৰণৰ বাবে আগ বাঢিছিল শেষ বাৰলৈ বুলি, আৰু কেৱল এজন মহাপুৰুষৰ কথাখিনিকে সাৰোগত কৰি। ভাবি চালে এনেকুৱা এটা সন্মিলিত আৰু সংগঠিত জাগৰণ আছিল অকল্পনীয কথা। স্বাধীনতাৰ সংগ্রামৰ ইতিহাসত কলিযাবৰৰ ঐতিহ্যপূর্ণ ভূমিকা সদায বিদ্যমান। বিযাল্লিশৰ বিপ্লবৰ সমযতো সেই ভূমিকা আছিল শত গুণে মূর্ত। কলিযাবৰৰ দৰে অন্যান্য অঞ্চলতো মূর্ত হৈ উঠিছিল একেই ৰূপ। সেই সকলোবোৰ আঞ্চলিক ভূমিকাৰ ৰূপৰ এটা যথোচিত সমাহাৰ ঘটিলেহে অসমৰ সেই অবিস্মৰণীয বিপ্লৱ-পৰিক্রমাৰ এটা পূর্ণ স্বৰূপ আৰু পূর্ণ মূল্যাযণ হৈ উঠিবগৈ।

শ্রীমান নৰেন্দ্র নাথ বৰাই কলিযাবৰৰ স্বাধীনতা সংগ্রামৰ যথা সম্ভৱ প্রাপ্ত বিস্তৃত তথ্যাদিৰে এখন আঞ্চলিক ইতিহাস লিখি উলিযাই সেই কাম কৰাটো সহজ কৰি তুলিছে। এই গ্রন্থখন প্রস্তুত কৰোতে তেওঁ যথা সাধ্যে ইতিহাসকাৰৰ দাযিত্ববোধ সম্পর্কে সচেতন হৈ আগ বাঢিছে। তেওঁৰ সীমাৱদ্ধতা সম্পর্কেও তেওঁ জ্ঞাত। তেওঁ মাত্র হেৰাই যোৱাৰ পৰা কিছুমান মূল্যবান সংবাদ বিচাৰি উলিওৱাৰ চেষ্টা কৰিছে, যিবোৰ আচলতেই এটা কালৰ আৰু এটা সামাজিক মনস্তত্বৰ আত্মা নিৰূপন কৰাৰ বাবে অমূল্য সম্পদ। আঞ্চলিক সকলো কথাই সামগ্রিক সাজ এটাত ঠাই নাপায, কিন্তু সেই সমগ্রটোক সঠিক ৰূপত বহলাই চোৱাত সহায কৰাৰ বাবে এনে আঞ্চলিক ইতিহাসৰ প্রযোজন। শ্রীমান নৰেন্দ্র নাথ বৰাই সেই আৱশ্যকতা যথার্থভাৱে পূৰণ কৰিলে।

১/১০/৯৯

তিলক হাজৰিকা

প্ৰকাশকৰ একেষাৰ

১৯৪২ চনৰ নথি পত্ৰৰ ওপৰত ভিত্তি কৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিযাবৰৰ ভূমিকা সম্বন্ধে স্বাধীনতা সংগ্ৰামী শ্ৰীনৰেন্দ্ৰ নাথ বৰাই কে'বা বছৰৰো আগতেই এখনি পুথি যুগুতাই উলিযাইছে। প্ৰকাশকৰ অভাৱত পৰি থকা এই পুথিখনি প্ৰকাশ কৰিবৰ কাৰণে ১৯৯৯ চনৰ জানুবাৰী মাহত তেওঁ কলিযাবৰ মুক্তি যুঁজাৰু সম্মিলনৰ ওচৰত আবেদন জনায়।

সম্মিলনে সাধাৰণ সভা আহ্বান কৰি তিনি দিন ধৰি আৰম্ভণিৰে পৰা শেষলৈকে পাঠ কৰাই শুনি সকলো খুতি নাতি চালি জাৰি চাই আলোচনা কৰি কিছু পৰামৰ্শ আগ বঢ়ায় আৰু প্ৰকাশৰ কাৰণে সম্মিলনে গাত ল'বৰ বাবে অনুমোদন জনায়।

ইযাৰ আগতে কলিযাবৰ মুক্তি যুঁজাৰু সম্মিলনে কলিযাবৰৰ স্বাধীনতা সংগ্ৰামৰ এখনি বুৰঞ্জী লিখি উলিযাই প্ৰকাশ কৰিবৰ কাৰণে কেই গৰাকীমান প্ৰবীণ মুক্তি যুঁজাৰুক দায়িত্ব দিছিল। তেখেত সকলেও বুৰঞ্জী খনি লিখি উলিযাই প্ৰকাশৰো যো জা কৰিছিল। কিন্তু যি কাৰণেই নহওক বুৰঞ্জীখনি প্ৰকাশ নহ'ল। ইতিমধ্যে কে'বা গৰাকীৰো পৰলোক প্ৰাপ্তি ঘটিল।

বৰ্ত্তমান সম্মিলনে প্ৰকাশ কৰি উলিওবা এই পুথিখনি ৰাইজে আদৰি ল'ব বুলি আশা কৰিলোঁ।

সেৱাৰে

কলিযাবৰ মুক্তি যুঁজাৰু সম্মিলনৰ হৈ

শ্ৰীহেমকান্ত হাজৰিকা, সভাপতি

শ্ৰীদুৰ্ল্লভ চন্দ্ৰ বৰা]
শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা] যুটীযা সম্পাদক

২৮/৮/৯৯

১১ ভাদ, ৫৫০ শঙ্কৰাব্দ

আগকথা

১৯৪২ চনৰ ভাৰতৰ স্বাধীনতা আন্দোলনত কলিযাবৰৰ ভূমিকা সম্বন্ধে লিখিবৰ কাৰণে মুক্তি যুঁজাক পূবথনীযাৰ শ্রীসোমেশ্বৰ বৰাদেৰে ইচ্ছা কৰাৰ কথা ১৯৫৫ চনতে জানিব পাৰিছিলো। পিছৰ বছৰেই চাকৰি জীৱনত সোমাই পৰিলো আৰু সম্পূর্ণ ব্যস্ত হৈ থাকিব লগা হোৱাত সেই কথা তল পৰিল।

৬ বছৰীযা বিদেশী বিতাৰণ আন্দোলনত সক্রিয অংশ গ্রহণ কৰাৰ অপৰাধত ১৯৮৩ চনৰ ১ চেপ্টেম্বৰত মোক চাকৰিৰ পৰা নিলম্বিত কৰিলে। মাজে মাজে ঘৰলৈ (কলিযাবৰ) যাওঁ। বাকচৰ পুৰণি কাগজৰ মাজত ১৯৪২ চনৰ স্বাধীনতা সংগ্রামৰ সময়ৰ কেইখন মান বুলেটিন, গোহাৰি আৰু ভালেখিনি নথি পত্র পাই শ্রীসোমেশ্বৰ বৰাদেৰৰ তাহানিৰ মনৰ কথা মনত পৰি তেখেতৰ ওচৰ পালোগৈ। তেখেতে ভবা মতে একো কৰিব পৰা নাই বুলি কোবাত তেখেতৰ হাতত থকা তেতিযাৰ ফাইল, ৰেজিষ্টাৰ বহী আদি তথ্য পাতি থিনি দিবনে সোধাত তেখেতে অতি আনন্দ মনে গোটেই বোৰ মোক দি দিলে।

বহুত নথি পত্র, চিঠি আৰু অন্য কাগজ পাতি বহুত ঠাইত পোকে কুটিলে, বগা কাগজত শুবৰুৱা ৰং ধৰিলে, বহুবোৰ উৰুলি গ'ল, আখৰৰ চিযাহী বিযপিল আৰু আখৰ উৰি গ'ল, পঢিব নোৱাৰা হ'ল, কাগজৰ ভাঁজত চিগি এৰাই গ'ল। ৰ'দত বা বেচি পোহৰৰ বিজুলি চাকিৰ তলত 'মেগনি ফাইং গ্লাছ' ৰ সহাযত জুপি জুপি বাৰে বাৰে চেষ্টা কৰি পঢি উদ্ধাৰ কৰি লিখি ল'লো।

১৯৮৫ চনৰ আগ ভাগতে কলিযাবৰ মুক্তি যুঁজাক সকলক লাগে বুলি জনোৱাত মূল ৰেজিষ্টাৰ বহী সহ ভালেখিনি নথি পত্র ঘূৰাই পঠিযালো। ইতিমধ্যে পুনৰ চাকৰিত যোগ দি আকৌ ব্যস্ত হৈ পৰিলো। কামটো ৰৈ গ'ল।

অৱসৰ গ্রহণৰ পিছত মোৰ হাতত ৰৈ যোৱা আৰু লিখি লোৱা সমল খিনিকে সাৰোগত কৰি ভাৰতৰ স্বাধীনতা সংগ্রামত কলিযাবৰৰ ভূমিকা আৰু অৱদান কি আছিল তাৰ এটি চমু বিৱৰণী লিখাৰ উদ্দেশ্য আগত ৰাখি কামত আগ বাঢিবলৈ চেষ্টা কৰিলোঁ। মই ঘূৰাই পঠিওৱা নথি পত্র খিনি বিচাৰি আকৌ শ্রীসোমেশ্বৰ বৰাদেৰৰ ওচৰ পালোগৈ। কিন্তু দুর্ভাগ্য বশতঃ সেই নথি পত্রবোৰৰ বেচি ভাগেই এতিযা তেখেতৰ হাতত নাই। কে'বাজনেও সমল বিচাৰি তেখেতৰ ওচৰলৈ আহি কোনোবাই নি ঘূৰাই নিদিলে। কোনো কোনোৱে ঘূৰাই দিছিল যদিও অন্য কোনো জনে নিলে। কোনে ঘূৰাই দিলে বা নিদিলে তেখেতৰ একেবাৰেই মনত নপৰে। কলিযাবৰৰ প্রতিজন কৰ্ম্মী, মুক্তি যুঁজাক আৰু কোনে কি কি কৰিছিল আৰু কোনে কিমান দিন জেল খাইছিল সকলো কথা সামৰি ১৯৪৩-৪৪ চনৰ ভিতৰত তেখেতে লিখা 'জেইল ডাযেৰী' খনো শ্রীতুৰাকান্ত গোস্বামী দেৱে নি

হেৰুৱালে বুলি মোক ক'লে (সেইখন মই দেখা নাছিলো, আগতেই নিছিল)। হেৰোৱা নথি পত্ৰৰ কিছু সংখ্যক ভালে আছিল আৰু সেইবোৰ মই টুকি লোৱা নাছিলো। এনে এটা পৰিস্থিতিত মই ভবা মতে কামত আগ বাঢিবলৈ অসুবিধা হ'ল।

হেৰোৱা নথি পত্ৰবোৰৰ কথাবোৰ সুধি উলিয়াই প্ৰকৃত সত্য কথা খিনি লিখি ল'বৰ বাবে শ্ৰীবৰাদেৱৰ ওচৰলৈ বহুত বাৰ গৈ চেষ্টা চলালো। তেখেতৰ বয়স এতিয়া ৮৭ বছৰ। কে'বা বছৰো আগৰে পৰাই তেখেতে কথাবোৰ পাহৰা হৈছে। কিন্তু মনত পেলাই দিলে আৰু আলোচনাৰ মাজত পৰিবেশ সৃষ্টি কৰিব পাৰিলে, কথা বোৰৰ আঁত ধৰি দিব পাৰিলে, তেখেতে এফালৰ পৰা সুন্দৰকৈ কৈ যাব পাৰে। এই পুথি খনিত তেখেতৰ বিষয়ে লিখা প্ৰায় সকলো কথাই এইদৰে উলিওৱা হৈছে। সেইবোৰ তেখেতৰ ডায়েৰী বা টোকা বুলি কোৱা হৈছে। হাতত থকা বহুতো নথি পত্ৰৰ কথাৰ লগত তেখেতে কোৱা কথা বোৰৰ সম্পূৰ্ণ মিল আছে। ঠিক একেদৰেই বহু কেইগৰাকী মুক্তি যুঁজাৰুৰ লগত আলাপ-আলোচনা কৰি অনেক ঘটনাৰ সম্ভেদ উলিওৱা হৈছে।

১৯৯৩ চনত এটি সজা তৈয়াৰ কৰা হ'ল। কিন্তু সমস্যা হ'ল ধন নহ'লে প্ৰকাশ কৰিব নোৱাৰো। প্ৰায় ৩০০ পৃষ্ঠাৰ এখন কিতাপ ছপা কৰিবলৈ বহুখিনি ধনৰ প্ৰয়োজন। পেলাই থ'লো।

এই পুথি খনিত আমাৰ হাতত ক্ষত বা অক্ষত অৱস্থাত থকা নথি পত্ৰবোৰৰ হুবহু নকল প্ৰকাশ কৰাতহে জোৰ দিয়া হৈছে। এইবোৰ বুলেটিন, গোহাৰি, আবেদন-নিবেদন, চিঠি-পত্ৰ তেতিয়াৰ কংগ্ৰেছ কমিটিৰ প্ৰস্তাৱ, নিৰ্দ্দেশ আদি তথ্য পাতিবোৰ পঢিলেই সেই সময়ৰ অনেক প্ৰকৃত সত্য ঘটনাৰ বিষয়ে জানিব পাৰি। আমি এইবোৰ **ঐতিহাসিক দলিল** বুলি বিবেচনা কৰোঁ আৰু এইবোৰ যেনে আছে তেনেকৈয়ে ৰাইজৰ আগলৈ উলিয়াই দিয়াটোৱেই আমাৰ প্ৰধান উদ্দেশ্য। সেই সময়ত লিখা ভাষা, বানান একেদৰেই ৰখা হৈছে। অনেক জনা ঘটনাৰ কথাও তথ্যপাতি বা সমৰ্থন কৰিবলৈ এতিয়া কোনো নথকাত লিখা নাই। সেইবোৰ লিখিলে অতিৰঞ্জিতৰ দোষে চুব। জবাবদিহি হ'ব লাগিব।

কলিযাবৰত যুদ্ধৰ ঘাটি পাতি মিলিটাৰী ৰাখিলে। যিমান নিৰ্য্যাতন আৰু নিৰ্ম্মম অত্যাচাৰ কৰিলে, মহিলাৰ সতীত্ব নষ্ট কৰিলে, মহাত্মা গান্ধীৰ নামত কলিযাবৰৰ ৰাইজে সেইবোৰ নীৰৱে সহ্য কৰিলে। কংগ্ৰেছ কমিটিৰ নিৰ্দ্দেশ বোৰ পালন কৰাৰ সময়ত কৰা অত্যাচাৰ বোৰৰ বিষয়ে বিতং ভাৱে ওপৰ মহলকৈ লিখিত ভাৱে জনাই দিয়াৰ কথাও চিন্তা নকৰিলে। যিখিনি লিখিছিল তাৰো কোনো তথ্য পাতি নাই। সকলো নিৰ্য্যাতনকে মাতৃ পূজাৰ পবিত্ৰ নিৰ্ম্মালি বুলি গ্ৰহণ কৰিলে। বহুতো ঘটনাৰ কথা বিস্মৃতিৰ গৰ্ভত লুকাই গ'ল।

আমাৰ এই প্ৰচেষ্টাৰ আধাৰ আৰু চালিকা শক্তি পূজনীয় শ্ৰীসোমেশ্বৰ বৰাদেৱৰ এই অভাজনৰ প্ৰতি থকা অকৃত্ৰিম মৰম-চেনেহ, অতল বিশ্বাস আৰু প্ৰতিটো খোজতে দিয়া উদগনি। তেখেতৰ পৰা এই ঐতিহাসিক দলিল বোৰ নোপোৱা হ'লে (নিশ্চিত আৰু স্বাভাৱিক ভাৱেই নষ্ট হৈ হেৰাই যাব ধৰা) কলিযাবৰৰ এই অধ্যায়ৰ কথা, যদিও অতি

সামান্য অংশহে, কোনো কালেই লিখা নহ'লহেতেন। ইয়াৰ বাবে এই অভাজনৰ লগতে কলিযাবৰ প্ৰেমী সকলোৱেই তেখেতৰ ওচৰত মহা ঋণী হৈ থাকিব। যি কেইগৰাকী মুক্তি যুঁজাৰুৱে নিজৰ পুৰণি অভিজ্ঞতাৰ পৰা আঁজুৰি আনি আমাক সমল যোগালে তেখেত সকলৰ ওচৰতো চিৰ কৃতজ্ঞ হৈ থাকিম। ইতিমধ্যে আমি লগ ধৰা সকলৰ ৬ গৰাকী মুক্তি যোদ্ধাই ইহ সংসাৰ ত্যাগ কৰিলে। দুবছৰৰ আগতেই শ্ৰীবৰাদেৱে পাতনি লিখি দিযাৰ পিছতো আমি বৈ যাব লগা হ'ল।

অন্তৰ উজাৰি আমাক উৎসাহ আৰু উদগনি দিযা পৰম শ্ৰদ্ধাভাজন শ্ৰীযুত লক্ষ্যধৰ চৌধুৰীদেৱে একেষাৰ লিখি দি যিমান সোনকালে পাৰি পুথিখনি প্ৰকাশ কৰিবলৈ আমাক টানি ধৰা সত্ত্বেও ধনৰ অভাৱতে আকৌ দুবছৰ বৈ গ'ল।

স্বাধীনতাৰ সোণালী জযন্তী বৰ্ষতেই পুথিখনি প্ৰকাশ কৰাৰ হেপাহ আছিল, কিন্তু নহ'ল। এনেবোৰ আঞ্চলিক কথাৰে লিখা কিতাপ যেযে সেযে ছপা কৰি প্ৰকাশ কৰিব নোখোজে। চৰকাৰৰো ধন নাই। শ্ৰীযুত চৌধুৰীদেৱ নিজে এগৰাকী আগ শাৰীৰ মুক্তি যোদ্ধা। তেখেতে আমাৰ প্ৰতি দেখুওৱা আন্তৰিক উৎসাহ উদ্দিপনাই আমাক প্ৰতি মূহুৰ্ত্ততে কৰ্ত্তব্যৰ প্ৰতি সোঁৱৰাই আছিল। তেখেতলৈ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

অগ্ৰজ সহোদৰোপম শ্ৰীযুত তিলক হাজৰিকাদেৱে পাণ্ডুলিপিখনি চাই আমাক দিয়া তথ্য, উপদেশ আৰু উদগনিযে আমাক যথেষ্ট উপকৃত কৰিলে। তেখেতলৈকো হিযাভৰা প্ৰণাম জনালো।

কলিযাবৰৰ মাননীয বিধাযক তথা অসমৰ উদ্যোগ মন্ত্ৰী শ্ৰীগুণীন হাজৰিকাদেৱে পাণ্ডুলিপি অৱস্থাতে পঢ়ি চাই ছপা কৰি উলিযাবলৈ আমাক উৎসাহ যোগাইছে। তেখেতৰ অনুপ্ৰেৰণাই আমাৰ চিন্তাক বহুখিনি আগুৱাই দিলে। তেখেতৰ পৰামৰ্শ আৰু উৎসাহৰ বাবে আমি চিৰ কৃতজ্ঞ হৈ থাকিম।

অৱশেষত কলিযাবৰ মুক্তি যুঁজাৰু সন্মিলনে কিতাপ খনি প্ৰকাশ কৰাৰ দাযিত্ব লৈ আমাক কৃতাৰ্থ কৰিলে। তেখেত সকলৰো সঞ্চিত পুঁজি নাই। তথাপি আমাক উদগনি দি কামত আগ বাঢিবলৈ উৎসাহ যোগাইছে। সন্মিলনৰ কৰ্ম্মকৰ্ত্তা সকললৈ শ্ৰদ্ধা ভক্তি জনালো।

পাঠক সাহিত্যিক সকলে কিতাপ খন আদৰি ল'লে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব। টেকনপ্ৰিণ্টৰ স্বত্ত্বাধিকাৰী শ্ৰীমধু তামুলীদেৱে অতি কম সময়ৰ ভিতৰতে কিতাপখন ছপা কৰি উলিয়াই দিযাত তেখেত আৰু তেখেতৰ কৰ্ম্মচাৰী শ্ৰীবঙ্কিম চন্দ্ৰ দাস আৰু শ্ৰীনীৰৱ কুমাৰ তামুলীৰ ওচৰত কৃতজ্ঞ হৈ থাকিম।

নৰেন্দ্ৰ নাথ বৰা

ইং ২/১০/৯৯

সূচীপত্র

পৃষ্ঠা

প্রথম ভাগ

১। স্বাধীনতা সংগ্রামৰ আৰম্ভনি ১
২। কলিযাবৰত মহাত্মা আৰু অসহযোগ আন্দোলন ৪
৩। অসমত প্রথম কংগ্রেছ অধিবেশন (পাণ্ডু) ৯
৪। কলিযাবৰত স্বেচ্ছাসেৱক বাহিনী গঠন আৰু আইন অমান্য আন্দোলন ১০
৫। দ্বিতীয় ঘূৰণীযা মেজমেল ১৬
৬। কানিংহাম চাৰ্কুলাৰ ১৭
৭। কলিযাবৰত প্রচাৰ কার্য্য ঃ আইন অমান্য ১৭
৮। মহাত্মা গান্ধীৰ অসম ভ্রমণ ১৯
৯। অস্পৃশ্যতা বর্জ্জনত ব্যাঘাত ২০
১০। কুৰ্ত্তীটোলত জৱহৰলাল (১৯৩৪ চন) ২১
১১। দাৱোগাৰ দম্ভ ঃ অবিবেচক বগা চাহাব ২২
১২। কলিযাবৰত প্রথম প্রাথমিক কংগ্রেছ গঠন ২৩
১৩। কংগ্রেছ সভাপতি সুভাষ বসু ঃ অসমত ৰৰদলৈ মন্ত্রীসভা ২৪
১৪। সুভাষ বসুৰ বিপর্য্যয ঃ কংগ্রেছৰ পৰা বহিস্কাৰ, পলাযন ২৫
১৫। দ্বিতীয় মহাসমৰ আৰু যুদ্ধ বিৰোধী মহাত্মা ২৮
১৬। কলিযাবৰত সত্যাগ্রহ আন্দোলন ৩০
১৭। কলিযাবৰত ৰাজস্বৰা সভা ৩৪
১৮। কলিয়াবৰত ৰাষ্ট্রীয সম্মিলন ৩৪
১৯। কলিযাবৰত যুদ্ধৰ ঘাটি ৩৫
২০। চীনা প্রেচিডেণ্টৰ ভাৰত ভ্রমণ ৩৬
২১। ক্রীপচ মিচন ৩৮

দ্বিতীয ভাগ

২২। ঐতিহাসিক দলিল (কলিযাবৰৰ নথি পত্র বোৰ) ৪০
২৩। প্রাথমিক কংগ্রেছ কমিটি আৰু শান্তিসেনা বাহিনী গঠন ৪২
২৪। প্রাথমিক সমূহৰ তালিকা ৪৪
২৫। শান্তিসেনা বাহিনীৰ তালিকা ৬১
২৬। যতৰ বিতৰণ ৭৭
২৭। নাযক প্রশিক্ষণ ঃ প্রচাৰ কার্য্য ৭৭

২৮।	শান্তিসেনা শিবিৰ	৮০
২৯।	হাইস্কুল ত্যাগ কৰা প্ৰথম দল ছাত্ৰ	৮২
৩০।	ভাৰত ত্যাগ প্ৰস্তাব	৮৩
৩১।	ৰণোন্মত্ত কলিযাবৰ	৮৬
৩২।	১২ আগষ্টৰ ঐতিহাসিক শোভাযাত্ৰা	৮৮
৩৩।	শ্ৰীঠানুৰাম ভূঞাৰ গ্ৰেপ্তাৰ	৯০
৩৪।	গান্ধী পথাৰত প্ৰতিবাদ সভা	৯১
৩৫।	শ্ৰীহলধৰ ভূঞাৰ গ্ৰেপ্তাৰ	৯২
৩৬।	কলিযাবৰৰ মৃত্যু বাহিনী গঠন	৯৩
৩৭।	বজাৰ বন্ধ প্ৰসঙ্গ ঃ গ্ৰেপ্তাৰ	৯৪
৩৮।	কলিযাবৰৰ ডাযেৰী (সাপ্তাহিক)	৯৯
৩৯।	শ্ৰীদণ্ডিৰাম বৰুৱা	১০১
৪০।	শ্ৰীপূৰ্ণ শৰ্ম্মাৰ আক্ষেপ (চিঠি)	১০৫
৪১।	কলিযাবৰত প্ৰথম ১৪৪ ধাৰা ভঙ্গ	১০৬
৪২।	বাটে পথে মাৰকিল	১১০
৪৩।	বেৰেজিযাৰ ঘটনা	১১২
৪৪।	ছাত্ৰ সম্মিলনৰ শোভাযাত্ৰা ঃগ্ৰেপ্তাৰ	১১৩
৪৫।	কলিযাবৰত কুটাঘাতমূলক কাৰ্য্য	১১৭
৪৬।	ৰে'ড ক্ৰচ ট্ৰেইনিং	১২৩
৪৭।	ধৰমপুৰৰ ঘটনা	১২৪
৪৮।	গোপন কৰ্ম্মী সম্মিলন	১২৬
৪৯।	ঐতিহাসিক দলিল (নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ গোহাৰি, নিৰ্দ্দেশ, নিবেদন আদি)	১২৭
৫০।	হাইস্কুল ত্যাগ কৰা দ্বিতীয় দল ছাত্ৰ	১৩২
৫১।	কৰ্ত্তব্যৰ প্ৰতি নগাৰ্বৰ নিৰ্দ্দেশ	১৩২
৫২।	কলিযাবৰত ১৪৪ ধাৰাৰ পুনৰ জাননী	১৩৫
৫৩।	এটা ইতিহাস ৰচনাকাৰী স্মৰণীয় দিন	১৩৭
৫৪।	মৃত্যু বাহিনীৰ গোপন শিবিৰ	১৪৪
৫৫।	শ্ৰীভাবিৰাম বৰা আৰু শ্ৰীকমল মহন্তৰ গ্ৰেপ্তাৰ	১৪৬
৫৬।	কলিযাবৰত পাইকাৰী জৰিমণা	১৪৭
৫৭।	চৰকাৰী কৰ্ম্মচাৰীলৈ নিঃ ভাঃ কং কমিটিৰ নিৰ্দ্দেশ	১৪৮
৫৮।	বাটে পথে মিলিটাৰীৰ অত্যাচাৰ	১৫০
৫৯।	১১/৯/৪২ তাৰিখৰ সভা	১৫১
৬০।	কলিযাবৰত কলেৰা	১৫২
৬১।	গহপুৰৰ গুলি চালনা	১৫৩
৬২।	আন্দোলন চলোৱাৰ নীতি সলনি ঃ শ্ৰীদেৱ কান্ত বৰুৱাৰ (সম্পাদক অসম প্ৰদেশ কং কমিটি) নিৰ্দ্দেশ	১৫৫

৬৩। কলিযাবৰত কোনো শ্বহীদ নহ'ল ১৫৮
৬৪। স্থানীয় মনো মালিন্য ঃ- (১) সোণাৰি গাৰঁত (২) পঞ্চৰীৰ দিবস সংক্রান্তত ১৬১
৬৫। গ্রেপ্তাৰ সন্ত্রাস আৰু ১৬৮
৬৬। বহৰমপুৰৰ ঘটনা ১৭৬
৬৭। বিক্ষিপ্ত ঘটনা ১৭৮
মৌজাৰ নথি-পত্রত জুই, ব্যক্তিগত ঘৰত জুই, চোৰাংচোৰা
৬৮। মুৰে ভৰি কঢা মনোৰঞ্জন ১৮৩
৬৯। জাৰ্ম্মানীত আজাদ হিন্দ আন্দোলন ১৮৫
৭০। নগাওঁ জিলা কংগ্রেছ অফিছ ১৮৭
৭১। তেজপুৰ মহকুমাত কুটাঘাত মূলক কার্য্য ১৯০
৭২। ভাৰত ত্যাগ ধ্বনি ঃ গ্রেপ্তাৰ ১৯১
৭৩। পলাতকৰ পযমাল ১৯২
৭৪। সমান্তৰাল সমৰ সজ্জা ১৯৭
৭৫। পৰিচালনা কমিটিৰ সভা ১৯৮
৭৬। ১৯৪৩ চন ২০০
৭৭। স্বাধীনতা দিবস (১৯৪৩) পালন ২০০
৭৮। কলিযাবৰ হাইস্কুলত অগ্নি সংযোগ ২০৪
৭৯। ক্লে'বাজনো ধৰা পৰিল ২০৫
৮০। নগাওঁ জিলা পূৰ্ব্বাঞ্চল কংগ্রেছ কমিটি ২০৭
৮১। কলিযাবৰত বিমান কোঠ (?) ২০৮
৮২। কলিযাবৰৰ মানুহ উচ্ছেদৰ যো-জা ঃ শ্রীলক্ষ্মীপ্রসাদ গোস্বামীৰ চিঠি ২০৯
৮৩। মিলিটাৰী কনভয ২১৪
৮৪। আন্দোলনৰ শেষ পর্য্যায়ৰ গ্রেপ্তাৰ ২১৫

তৃতীয় ভাগ
৮৫। মুক্তি যুঁজাৰু কোন? ২১৯
৮৬। অতুলনীয় দুজন ২২৩
৮৭। কেই গৰাকীমান মুক্তি যুজাৰুৰ টোৰাৰ পৰা ২২৩
৮৮। বিৰতিৰ সময ২৩০
৮৯। মিলিটাৰী কেম্পত জুই ঃ পুনৰ অত্যাচাৰ ২৩১
৯০। কলিযাবৰত শ্রী শিক্ষাৰ পাতনি ২৩৩
৯১। অৰুণ সেৱা সমিতি, প্রকাশ সংঘ ২৩৫
৯২। আদর্শ ছাত্র সমাজ ২৩৫
৯৩। ধৰমপুৰত প্রাথমিক স্কুল ২৩৬
৯৪। মহাত্মা গান্ধীৰ গঠন মূলক কাম ২৩৭
৯৫। নগাওঁ জিলা পূব অঞ্চল ৰাষ্ট্রীয় সম্মিলন ২৪০
৯৬। কলিযাবৰত পণ্ডিত নেহৰু (১৯৪৫) ২৪২

৯৭। অসম ব্যৱস্থাপক সভাৰ প্ৰস্তুতি ২৪৫
৯৮। কলিযাবৰ কেন্দ্ৰীয় পঞ্চায়ত (বিচাৰ সভা) গঠন ২৪৭
৯৯। আদৰ্শ আশ্ৰম ২৪৯
১০০। কলিযাবৰ কংগ্ৰেছ কমিটিৰ পুনৰ গঠন ২৫০
১০১। কেবিনেট মিচন আঁচনি ২৫২
১০২। গুপিণ্ডৰ বিপক্ষে অসম (কলিযাবৰত প্ৰতিবাদৰ জোৱাৰ) ২৫৪
১০৩। মহাত্মাৰ ওচৰলৈ কটকী ২৫৭
১০৪। কংগ্ৰেছ সভাপতি নেহৰুৰ প্ৰেছমেল ২৫৯
১০৫। কলিযাবৰত ছাত্ৰ কংগ্ৰেছ ২৫৯
১০৬। জিন্নাৰ প্ৰত্যক্ষ সংগ্ৰাম (Direct Action) ২৬৩
১০৭। কলিযাবৰত ৰাম মনোহৰ লোহীযা ২৬৫
১০৮। কলিযাবৰত আজাদ হিন্দ ফৌজ ট্ৰেইনিং ২৬৬
১০৯। মধ্যবৰ্ত্তী চৰকাৰ আৰু পেটেল-লিযাকত ২৬৭
১১০। কলিযাবৰত মুচলিম লীগৰ তৎপৰতা ২৬৮
১১১। কেবিনেট মিচন আচনিৰ ব্যাখ্যা লৈ মতান্তৰ ২৭০
১১২। লৰ্ড ওৱাভেলৰ পদত্যাগ আৰু লৰ্ড মাউণ্ট বেটেনৰ আগমন ২৭৩
১১৩। কলিযাবৰত লীগৰ সভা আৰু ৰাইজৰ আতঙ্ক ২৭৫
১১৪। পমুৰা উচ্ছেদ ঃ সাম্প্ৰদাযীক সংঘৰ্ষ নহ'ল ২৭৭
১১৫। ভাৰত বিভাজনৰ বুনিযাদ ৰচনা ২৮০
১১৬। মহাত্মা গান্ধীৰ মত আৰু পৰামৰ্শ ২৮১
১১৭। অসম কেনেকৈ ৰক্ষা পৰিল ২৮৪
১১৮। ১৫ আগষ্ট ১৯৪৭ চন ২৮৬
১১৯। নগাওঁ টাউনত স্বাধীনতা দিবস ২৮৬
১২০। কলিযাবৰত প্ৰথম স্বাধীনতা দিবস ২৮৭
১২১। মহাত্মাৰ কি হ'ল ২৮৯

চতুৰ্থ ভাগ (ওপৰঞ্চি)

১২২। স্বাধীনতাই কাক কি দিলে ২৯০
১২৩। দেশ বিভাজনৰ পৰিণতি ২৯২
১২৪। মহাত্মাৰ গান্ধীৰ অন্তিম অনশন ২৯৩
১২৫। গান্ধী হত্যা আৰু পৰৱৰ্ত্তী ঘটনা ২৯৫
১২৬। কংগ্ৰেছ সম্বন্ধে গান্ধীজীৰ পৰামৰ্শ ৩০৪
১২৭। দুগাবাঈ মহিলা কৰ্ম্মী ৩০৫
১২৮। কলিযাবৰৰ জেল যাত্ৰী আৰু সক্ৰিয কৰ্ম্মী ৩০৬
১২৯। কলিযাবৰৰ মুক্তি যুজাৰু পেঞ্চন পাওতা সকল ৩১২
১৩০। কলিযাবৰ মুক্তি যুঁজাৰু স্মৃতি ভৱনৰ ইতিবৃত্ত ৩১৬
১৩১। সামৰণিত একাষাৰ ৩১৮

প্ৰথম ভাগ

স্বাধীনতা সংগ্ৰামৰ আৰম্ভণি

১৮২৬ চনৰ আগলৈকে যদিও ভাৰতৰ অন্য সকলো প্ৰদেশেই বৃটিছ শাসনৰ অধীনত আছিল অসম কিন্তু তেতিয়াও স্বাধীন দেশ হৈয়েই আছিল। ঘৰ বিভিষণ বদন বৰফুকনে অসমৰ ৰজা প্ৰজা সকলোৰে বিপক্ষে গৈ ঘৰুৱা কন্দলৰ অযুহাতত আৰু নিজৰ ক্ষুদ্ৰ স্বাৰ্থ পূৰণৰ বাবে ব্ৰহ্মদেশৰ পৰা মান সকলক আনিলে। মানে অসমৰ প্ৰজাৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলালে। তেওঁলোকে নগাওঁ জিলাৰ মানুহৰ ওপৰতে অতি বেচি অত্যাচাৰ কৰিলে। ইয়াতেই মানৰ লগত অসমীয়াৰ যুঁজ হ'ল। মান জিকিল। তাৰ পিছত ইংৰাজ সৈন্য অহাত মান পিছুৰাই কলিযাবৰ পালেহি। ইযাতো মানৰ লগত আকৌ যুদ্ধ হ'ল। হাটবৰতো মানৰ লগত যুঁজ হৈছিল। এই কথা সদৰামিনৰ বুৰঞ্জীত লিখা আছে। মানুহে ঘৰবাৰী এৰি পলাল। কলিযাবৰৰ বহুতো মানুহ পলাই গৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে জামুগুৰি, চতিযা, বিশ্বনাথ চাৰি আলিলৈকে গৈ পিছত তেওঁলোকৰ নিজৰ নিজৰ গাঁৱৰ নাম দি গাওঁ পাতি বহিলগৈ।

মানৰ আক্ৰমণ আৰু অত্যাচাৰৰ পৰা হাত সাৰিবলৈ আহোম ৰজাই বৃটিছ ৰাজৰ সহায বিচাৰিলে। ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত হোৱা ইযেণ্ডাবু সন্ধিৰ চুক্তি মতে অসমৰ শাসন ভাৰ সাময়িক ভাৱে বৃটিছৰ ইষ্ট ইণ্ডিযা কোম্পানীৰ হাতলৈ গ'ল। কিন্তু কুটনীতিবে ভৰা বৃটিছ সকলে অসমত গোজেই গজালি হৈ অসমৰ স্বাধীনতা হৰণ কৰিলে। অসমৰ সমাজ ব্যৱস্থাৰ ওপৰতো তেওঁলোকে হাত দিলে।

মোগল সম্ৰাট সকলে ১৭ বাৰকৈ যুঁজিও পৰাজিত কৰিব নোৱাৰিলে অসমীযা জাতিক। অসম অধিকাৰ কৰিব নোৱাৰিলে। সামযিক ভাৱে যি দুই এঠাইত অসমীয়াৰ পৰাজয ঘটিছিল শেষত সেই পৰাজয়বো পোটক তুলি অসমীয়া সেনাই মোগল সৈন্যক

অসমৰ পৰা বাহিৰ কৰি খেদি পঠিয়ালে। আহোম ৰজা সকলৰ দিনত কলিয়াবৰত মোগলৰ বিপক্ষে হোৱা কে'বাখনো ৰণৰ কথা বুৰঞ্জীত লিপিবদ্ধ হৈ আছে। শিলঘাটৰ দুইমুনি শিলাৰ ওচৰত তুৰ্বকৰ অনেক সেনা ডুবাই মাৰিলে আৰু বন্দী কৰিলে। হাটবৰৰ বিখ্যাত ৰণত কলিয়াবৰীয়াৰ বিক্ৰম আৰু মূলা-গাভৰুৰে নাৰী বাহিনী গঠন কৰি মোগলৰ লগত যুঁজ কৰাৰ কথা এতিয়াও মানুহৰ মুখে মুখে। চামধৰা গড, কচুকটা গড, ৰাঙলি গড়, সন্দিকৈ গড়, মিচা কোঠ আদি এতিয়াও সাক্ষী হৈ আছে।

ইয়েণ্ডাবু সন্ধিৰ চুক্তিৰ বিপৰিতে গৈ ইংৰাজ সকলে অসম দখল কৰি বহি গ'ল। অসমীয়াৰ সকলো সম্পদ লুটি নিবলৈ ধৰিলে। শেষত আনকি আহোম স্বৰ্গদেউ সকলৰ মৈদাম বোৰ খান্দি তাৰ পৰা ধন সোণ মণি মুকুটা উলিয়াই নিলে। অসমীয়া প্ৰজা জকি উঠিল।

তিনি বছৰৰ ভিতৰতে ১৮২৮ চনত অসমৰ এজন সাহসী ডেকা গোমধৰ কোঁৱৰে বৃটিছ সকলৰ বিপক্ষে ৰাইজক একমুঠ কৰি বিদ্রোহ আৰম্ভ কৰিলে।

ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰম্ভ হৈছিল প্ৰকৃততে ১৮৫৭ চনৰ চিপাহী বিদ্রোহৰ সময়ত। বৃটিছে দেশ শাসন কৰিবলৈ নিযোগ কৰা নিজৰ অধীনৰ চিপাহী সকলেই তেওঁলোকৰ বিপক্ষে বিদ্রোহ কৰিলে। অসমত কিন্তু বৃটিছৰ বিপক্ষে তাৰ বহু আগৰে পৰাই বিদ্রোহ আৰম্ভ হৈছিল।

চুক্তি মতে ইংৰাজে অসম খন এজন উপযুক্ত ৰজাৰ হাতত গটাই দি গুছি যোৱাৰ কথা আছিল। কিন্তু চতুৰ ইংৰাজে ৰজা পুৰন্দৰ সিংহই সময় মতে ইংৰাজক কৰ দিব নোৱাৰাৰ সুবিধা লৈ ৰাজ্য কাটি লোৱাত অসমীয়াৰ হিয়াৰ আমঠু মণিৰাম দেৱানে বৃটিছৰ এই কাৰ্য্যৰ দুৰ্ঘোৰ প্ৰতিবাদ জনালে। অসমীযাৰ দুখ দুৰ্গতি, বৃটিছ চৰকাৰৰ অন্যায় আচৰণ আদি কথা বৰ্ণাই কলিকতাত থকা ৰাজ প্ৰতিনিধি গবৰ্ণৰ জেনেৰেলৰ ওচৰত মণিৰামে স্মাৰক পত্ৰ দাখিল কৰিলে। বৃটিছৰ কু-শাসনৰ ওৰ পেলাই অসম খন আহোম ৰজাৰ হাতত গটাই দিবলৈ দাবী জনালে। তেতিযা ভাৰতৰ কোনো এজন নেতাযে মণিৰাম, পিযলী, জিউৰাম, গোমধৰৰ দৰে স্বাধীনতাৰ কাৰণে ইংৰাজৰ বিপক্ষে এইদৰে মুকলি বিদ্রোহ কৰা নাছিল। মণিৰাম ঘুৰি অহাৰ পিছত ৰাজদ্রোহৰ অপৰাধত ১৮৫৮ চনত ২৩ ফেব্রুৱাৰীৰ দিনা যোৰহাটত ফাঁচি দিলে। পিযলী ফুকন আৰু জিউৰাম দুলিযা বৰুৱাকো একে অপৰাধতে ফাঁচি কাঠত তুলিলে। গোমধৰ কোঁৱৰক বহু বছৰ ৰংপুৰত বন্দী কৰি ৰাখিলে। তেওঁৰ পিছত কি অৱস্থা কৰিলে জনা নগ'ল।

মোগলৰ বিপক্ষে মহা পৰাক্ৰমেৰে যুঁজ দিযা লাচিত বৰ ফুকনৰ দৰে বীৰ সেনাপতি, বৃটিছৰ বিপক্ষে স্বাধীনতা বিচাৰি মুকলি বিদ্রোহ কৰি যুঁজ কৰা মণিৰাম, পিযলী, জিউৰাম, গোমধৰহঁতৰ দেশপ্ৰেম, ত্যাগ আৰু বীৰত্বৰ কথা ভাৰতৰ কোনো মানুহে তেনেকৈ নাজানে- যেনেকৈ জানে ভগত সিং, খুদিৰামহঁতৰ কথা। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰথম শ্বহীদ কোন (?) এই কথা এতিযাও তল পৰি আছে। অসম বুৰঞ্জী তথা

ভাৰতৰ স্বাধীনতাৰ বুৰঞ্জীৰ এই অধ্যায়টো এতিয়াও ভাৰতবাসীৰ আগোচৰ হৈয়ে আছে।

১৮৮৫ চনত বোম্বাই মহা নগৰীত ভাৰতৰ জাতীয় কংগ্ৰেছৰ জন্ম হয়। এই অনুষ্ঠানটোৱেই কাল ক্ৰমত ভাৰতৰ স্বাধীনতা সংগ্ৰাম খন চলাই যোৱা আৰু অৱশেষত বৃটিছ চৰকাৰৰ লগত আপোচ কৰি দ্বিখণ্ডিত ভাৰতৰ স্বাধীনতা পোৱালৈকে একমাত্ৰ অনুষ্ঠান হৈ থাকিল।

১৯১৫ চনৰ জানুৱাৰী মাহত, দক্ষিণ আফ্ৰিকাৰ পৰা ঘুৰি আহি, মহাত্মা গান্ধীয়ে ভাৰতৰ মাটিত ভৰি দিলেহি। ভাৰত বাসীক জানিবৰ কাৰণে গোটেই ভাৰততে তেওঁ একছৰ ঘুৰি ফুৰিলে। ইতিমধ্যে আহমেদাবাদৰ ওচৰৰ সবৰমতী নদীৰ পাৰত এখন আশ্ৰম খুলিলে। ইয়াতেই পিছত কংগ্ৰেছৰ সকলো বোৰ প্ৰধান প্ৰধান সিদ্ধান্ত লোৱা হৈছিল। কংগ্ৰেছৰ নেতাসকল তালৈকে গৈছিল।

১৯১৯ চনৰ অমৃতচৰ কংগ্ৰেছত গান্ধীজীয়ে অহিংস আৰু অসহযোগ আন্দোলনৰ কথা উলিয়ালে। সেই চনতে বৃটিছ চৰকাৰে ৰৌলত আইনৰ দ্বাৰা ভাৰতীয়ৰ সামাজিক স্বাধীনতা অস্বীকাৰ কৰিলে। তেতিয়াই প্ৰত্যক্ষ ভাৱে গান্ধীজী ভাৰতীয় ৰাজনীতিত জড়িত হৈ পৰিল। এই আইনৰ প্ৰতিবাদ কৰিলে। গান্ধীজীৰ আহ্বানত এই আইনৰ প্ৰতিবাদত গোটেই ভাৰততে ৬ এপ্ৰিলত হৰতাল পালন কৰা হ'ল। হিন্দু-মুচলমান সকলোৱেই যোগ দিলে। সত্যাগ্ৰহ আৰম্ভ হ'ল। গান্ধী পাঞ্জাৱলৈ যাওঁতে বাটতে গ্ৰেপ্তাৰ কৰিলে। ভাৰতবাসী জকি উঠিল। ৰাইজে শান্তি শৃঙ্খলা ভঙ্গ কৰিলে। ৰেল লাইন উঠালে, টেলিগ্ৰামৰ টাৰ চিঙিলে। এজন পুলিছ বিষযাক মাৰি পেলালে আহমেদাবাদত। গান্ধীজীয়ে সত্যাগ্ৰহ বন্ধ কৰিলে। ৩ দিনৰ বাবে অনশন কৰিলে। মানুহ শান্ত হ'ল।

সেই চনৰে ১৩ এপ্ৰিল তাৰিখে পাঞ্জাৱৰ জালিগানৱালা বাগৰ এখন সভাত জেনে�ৰেল ডায়াৰ চাহাবৰ হুকুমত নিৰস্ত্ৰ জনতাৰ ওপৰত গুলি চলিল। গান্ধীজীৰ তদন্ত মতে প্ৰায় ১২০০মানুহ গুলিত মৰিল আৰু ৩৬০০ জন ঘৃণীয়া হ'ল। (১)

১৯২০ চনৰ পৰা গান্ধীৰ জীৱন বুৰঞ্জী আৰু কংগ্ৰেছৰ বুৰঞ্জী একাকাৰ হ'ল। তেতিয়াৰে পৰা হাতে কটা খদ্দৰৰ বাহিৰে অন্য কাপোৰ গান্ধীয়ে নিপিন্ধা হ'ল। আঠুৰ মূৰত চুৰিযা পিন্ধা হ'ল আৰু উদং গাৰে থকা হ'ল। ভাৰতৰ অগণন মানুহে এখন কাপোৰো ল'ব নোৱাৰে।

১৯২১ চনত মহাত্মা গান্ধীয়ে সমগ্ৰ ভাৰত ভ্ৰমণ কৰি অসহযোগ আন্দোলনৰ তাৎপৰ্য্য বুজাবলৈ ৰাইজক লগ ধৰিলে। কানি ভাং মদ এৰিবলৈ, সুতা কাটি কাপোৰ বৈ ল'বলৈ আহ্বান জনালে। কানি ভাং মদৰ দোকানত পিকেটিং কৰিবলৈ, বিদেশী বস্ত্ৰ বৰ্জন কৰিবলৈকো আহ্বান জনালে। এযা গান্ধীজীৰ 'অসহযোগ আন্দোলন।'

সেই চনতে গান্ধীজীয়ে ভাৰত বাসীৰ বাবে এখন নিজা পতাকা তৈযাৰ কৰিলে।

---

(১) Mahatma Gandhi- His Life in Pictures

ওপৰত সুমথিৰা বা গেৰুৱা ৰং- ত্যাগৰ প্ৰতিক, মাজত বগা- শান্তি আৰু তলত সেউজীয়াই - সাহস আৰু সজীৱতা প্ৰকাশ কৰে। মাজত যঁতৰ, ই হ'ল দুখীয়াৰ এক মাত্ৰ সম্বল। (২)

আন্দোলন আৰম্ভ হ'ল। সমগ্ৰ ভাৰততে শান্তিপূৰ্ণ ভাৱে আন্দোলন চলিল। চৰকাৰে মাৰ পিট গ্ৰেপ্তাৰ আদি অত্যাচাৰ কৰিলে। সেই চনতে ইংলণ্ডৰ যুৱৰাজ, প্ৰিন্স অব্ ৱেলচ ভাৰতলৈ আহিছিল। কংগ্ৰেছে তেওঁক সম্মাণ নজনালে। 'বয়কোট' কৰিলে। সেই সময়তে বিদেশী কাপোৰ বেচা দোকানৰ সমুখত পিকেটিং কৰোঁতে পণ্ডিত জৱহৰলাল নেহৰুক গ্ৰেপ্তাৰ কৰি জেল দিয়ে। সমগ্ৰ ভাৰততে অসহযোগ আন্দোলনে ব্যাপক ৰূপ ল'লে।

১৯২২ চনৰ ফেব্ৰুৱাৰী মাহত উত্তৰ প্ৰদেশৰ চৌৰী-চৌৰাত উন্মত্ত পুলিছ বিষযাই বাইজৰ ওপৰত অৱৰ্ণনীয় অত্যাচৰ চলালে। অতিষ্ঠ হৈ জনতাই তাৰ থানাখনত জুই লগাই দিলে। ৩৫ জন পুলিছৰ মানুহক বধ কৰিলে। কে'বাজনো জীযাই জীযাই পৰি মৰিল।

আন্দোলন তুঙ্গত উঠিছে। সমগ্ৰ ভাৰত বাসী স্বাধীনতাৰ বাবে উদ্গীৰ হৈ পৰিছে। বৃটিছ চৰকাৰৰ চকুত টোপনি নোহোৱা হ'ল। কিন্তু মহাত্মা গান্ধীয়ে চৌৰী চৌৰাৰ ঘটনাত অতি দুখ পালে। আন্দোলন বন্ধ কৰিলে। ভাৰত বাসী এতিযাও অহিংস ভাৱে আইন অমান্যৰ বাবে প্ৰস্তুত হোৱা নাই। নিজকে দোষী কৰি তেখেতে ৫ দিনৰ বাবে অনশন কৰিলে। বহুতো কংগ্ৰেছী নেতাই আন্দোলন বন্ধ কৰাত বেযা পালে, গান্ধীৰ সমালোচনা কৰিলে। কিন্তু তেওঁ অচল অটল। আন্দোলন বন্ধ হ'ল।

১০ মাৰ্চৰ ৰাতি গান্ধীজীক গ্ৰেপ্তাৰ কৰি ৬ বছৰ জেল দিলে। (৩)

কলিয়াবৰত মহাত্মা আৰু অসহযোগ আন্দোলন

১৯২১ চনত মহাত্মা গান্ধীযে গোটেই ভাৰতবৰ্ষ ভ্ৰমণ কৰে। অসমত তেখেতে ৭ দিন ভ্ৰমণ কৰিলে। ১৮ আগষ্ট তাৰিখে তেখেত গুৱাহাটী পালেহি (১)।

আগষ্ট মাহৰ তৃতীয সপ্তাহৰ কোনো এটা দিনত মহাত্মা গান্ধী তেজপুৰৰ পৰা জাহাজত শিলঘাটলৈ আহিল। তাৰপৰা তেখেত যোৰহাটলৈ যাব। শিলঘাট লোকাৰণ্য হ'ল। আগদিনাৰে পৰা মানুহে জাহাজ ঘাটত খাপ দি থাকিল। কলিয়াবৰৰ কে'বাজনো

---

(২) গান্ধীজীৰ জীৱনী - পৃঃ ৪৪ - অমিয কুমাৰ দাস

(৩) Mahatma Gandhi- His Life in Pictures

(১) লোকনাযক অমিয কুমাৰ- সমীন কলিতা (অমিয় ডাযেৰীত- পৃঃ ৯২)।

ব্যক্তিযে গান্ধীজীৰ ভৰি চুই কংগ্ৰেছৰ কাৰণে সকলো ত্যাগ কৰি জীৱন পণ কৰিবলৈ শপত ল'লে। এই সকলৰ ভিতৰত কলিযাবৰৰ সু-সন্তান, কুঁৱৰীটোল চাৰিআলিৰ, নিৰ্ভিক, সত্যবাদী, মহা ত্যাগী পুৰুষ, মুক্তিযোদ্ধা, শ্ৰীঠানুৰাম ভূঞা দেৱ প্ৰধান।

শিলঘাটৰ পৰা মহাত্মাক অনা হ'ল কুঁৱৰীটোলৈ। কলঙৰ উত্তৰ পাৰে মুকলি বাকৰি দৰাতে এখন বিৰাট ৰাজহুৱা সভাত মহাত্মা গান্ধীযে ভাষণ দিলে। তেতিযাৰে পৰা বাকৰি দৰা গান্ধী পথাৰ নামে জনাজাত হ'ল। তেতিযা তাত কোনো ঘৰ বাৰী নাছিল। বিৰাট মুকুলি ওখ পথাৰ। কলেজখন মাথো সৌ সিদিনাহে হৈছে। তাৰ পিছতহে সাহিত্য সভা ভৱন, মুক্তি যুজাঁক ভাৱন আদিবোৰ আৰু ওচৰে-পাজৰে মানুহৰ ঘৰ হৈছে। দুঘৰমান অৰশ্যে আগতেও আছিল। সৰু জুপুৰী ঘৰত।

সেই সময়লৈকে মহাত্মা গান্ধীযে অসমৰ মানুহক দক্ষিণ ভাৰতৰ হুণ, পিণ্ডাৰী আদিৰ দৰে পাহাৰীযা মানুহ বুলি ভাবিছিল। অসমলৈ আহিহে তেখেতৰ ভুল ভাগিল। এই বিষযে অসমীয়া মানুহৰ ওচৰত দোষ স্বীকাৰ কৰি ক্ষমা খুজি তেখেত নিজৰ সম্পাদিত কাকত ইযং ইণ্ডিযাত লিখিছিল।

(গান্ধীজীৰ কলিযাবৰ ভ্ৰমণ সম্পৰ্কে কেইজনমান বযোজ্যেষ্ঠ ব্যক্তিৰ পৰা শুনি লিখা হৈছে)

১৯২১ চনৰ অসহযোগ আন্দোলনত কলিযাবৰ বাসীযে লোৱা ভূমিকাৰ বিষযে আমাৰ হাতত কোনো লিখিত নথি পত্ৰ বা তথ্য নাই। কিন্তু সেই সময়ৰ কে'বা গৰাকীও বৰীযান ব্যক্তিৰ পৰা কিছু কথা জানিব পৰা হৈছে। শ্ৰীঅভিৰাম ভূঞা দেৱৰ লগত আলোচনা কৰা বহুত কথাৰ ভিতৰত সেই চনৰ আন্দোলনটোৰ কিছু কথা লিখি থৈছিলো।

শ্ৰীভূঞা দেৱে কৈছিল-

"তেতিয়া আন্দোলনটো চলিছিল কলিযাবৰ কংগ্ৰেছ অনুষ্ঠানটোৰ তত্বাবধানত। ১৯২১ চনত মহাত্মা গান্ধী অহাৰ পিছত তেখেতৰ বিষযে বহুত কথা প্ৰচাৰ কৰা হ'ল। দক্ষিণ আফ্ৰিকাত গান্ধীয়ে তাত থকা ভাৰতীয সকলৰ ওপৰত বৃটিছ সকলে কৰা অত্যাচাৰৰ প্ৰতিকাৰ কৰিবলৈ আদালতৰ সহায় লৈ জযী হোৱা, তেখেতৰ ওপৰত শিলগুটি দলিয়াই অত্যাচাৰ কৰা, ৰগা বঙাল বৃটিছৰ মানুহে ৰেল গাড়ীৰ পৰা গতিয়াই উলিযাই দিয়া আদি কথাবোৰ শুনাৰ পিছত গান্ধীজীৰ প্ৰতি মানুহৰ এক ৰোমাঞ্চকৰ ভাব জাগি উঠিল। মহাত্মা গান্ধীৰ প্ৰতিটো কথাই মানুহৰ মন স্পৰ্শ কৰে। কংগ্ৰেছ অনুষ্ঠানটো মানুহৰ আপোন হৈ পৰে। পিছলৈ গাঁৱে-ভূঞে মানুহে কংগ্ৰেছ মানেই গান্ধী বুলি ধাৰণা কৰিবলৈ ল'লে।"

গান্ধীজীৰ নামত আৰু তেখেতৰ আহ্বানত মানুহে কেনেকৈ সকলো ত্যাগ কৰিবলৈকো প্ৰস্তুত হৈছিল সেইবোৰ কথাও শ্ৰীভূঞাদেৱে বৰ্ণনা দিছিল-

"কানি বৰ বিহ, মদ, ভাং আদিযে কেনেকৈ আমাৰ মানুহক পঙ্গু কৰি পেলাইছে, সেইবোৰ বিক্ৰী কৰি আমাৰ মানুহৰ পৰা বিশেষকৈ খেতিযক সকলৰ পৰা ধন লুটি নি বৃটিছ চৰকাৰে কেনেকৈ নিজৰ দেশ ইংলণ্ডৰ উন্নতি সাধন কৰিছে আৰু ইহাতেদি আমাৰ মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিছে, সেইবোৰ কথা প্ৰচাৰ কৰি তেনেবোৰ দোকান উঠাই দিবলৈ আৰু তাত পিকেটিং কৰিবলৈ গান্ধীজীয়ে আহ্বান জনাইছে বুলি প্ৰচাৰ কৰা হৈছিল।"

এইখিনিতে উল্লেখ কৰিব খুজিছো যে ১৯২১ চনত অসমত কমেও ১২০০ মোন কানি বিক্রি কৰি খাজনা হিচাপে ৪৪ লাখ টকা বৃটিছ চৰকাৰে সংগ্রহ কৰিছিল। হোজা অসমীয়া মানুহক ঠগিবলৈ বৃটিছ চৰকাৰৰ ইংৰাজ ডাক্তৰ সকলে প্রচাৰ কৰিছিল যে গ্রহণী আৰু মেলেৰীয়াৰ পৰা হাত সাৰি জীয়াই থাকিবলৈ অসমীয়া মানুহে কানি খাবই লাগিব। অসমীয়া সকলে ইয়াকে বিশ্বাস কৰিলে। কিন্তু ইযাৰ অপকাৰ কি সেই বিষযে একো নক'লে। কানি নোখোৱাকৈ মানুহ থাকিব নোৱাৰা হ'ল। সর্ব্বস্বান্ত হোৱাৰ পিছত এজন মানুহে ঘৈণীযেকে মাগি খুজি আনি ৰান্ধিবলৈ লোৱা চাউলকে মনে মনে আনি দোকানত দি কানি নি খাবলৈ বহিল। এনেতে ঘৈণীয়েক লৰি লৰি আহি কান্দি কাটি মানুহ জনক কিবা কিবি ক'লে আৰু ওচৰতে থকা সকলক ক'লে যে মানুহজনে চাউলৰ অভাৰত কে'বা সাজো ভাত খোৱা নাই, লঘোণে আছে, আৰু এতিয়া ল'ৰা ছোৱালী কেইটাৰ মুখত দিবলৈ মাগি অনা চাউল খিনিকে আনি কানি কিনিলেহি। 'মই সদায় মাগি মাগি ল'ৰা-ছোৱালী কেইটা পুহিছো।' কথাবোৰ কৈ থাকোঁতেই মানুহ জন মূর্চ্চা গ'ল- মানুহ জনীৰ কান্দোন চৰিল।

এই ঘটনাটোৰ কথা যোৰহাটৰ হৰিজন বন্ধু শ্রীকৃষ্ণ শর্ম্মাদেৱৰ ডায়েৰীত ধুনীযাকৈ ৱর্ণনা দিযা আছে। শিৱসাগৰৰ বামুণ পুখুৰী কানি মহলত ঘটা এই ঘটনাটো শ্রীশর্ম্মাদেৱে নিজে দেখা। (২) গোটেই অসমীযা সমাজতে কাণীযা ভৰি পৰিল।

সকলো বিদেশী বস্তু বর্জন কৰিবলৈকো গান্ধীজীয়ে ভাৰত বাসীৰ প্রতি আহ্বান জনাইছে আৰু চৰকাৰৰ লগত অসহযোগ কৰিবলৈ কৈছে বুলি প্রচাৰ কৰা হ'ল।

"মাটিৰ খাজনা আৰু বজাৰৰ কৰ নিদিবলৈ ৰাইজক সজাগ কৰি দিয়া হৈছিল। খেতিয়ক ৰাইজে খাজনা দিয়া বন্ধ কৰাত ৰৰভগীযা মৌজাত গণ্ডগোল বেচিকৈ লাগিল। মৌজাদাৰ শ্রীমুক্তাৰাম বৰুৱাই চৰকাৰৰ পুলিছৰ সহায় লৈ জোৰ জুলুম কৰি খাজনা আদায় কৰে। ৰৰভগীযা গাঁৱঁৰ ৰাইজ একমুঠ হৈ খাজনা দিয়া বন্ধ কৰিলে। জখলাবদ্ধা আৰু শিলঘাট বজাৰৰ কৰ দিয়া বন্ধ কৰা হ'ল। কলিয়াবৰৰ প্রায় সকলো বোৰ গাঁৱঁতে মেল মিটিং পাতি ৰাইজক আন্দোলনৰ বিষয়ে বুজাই দিয়া হ'ল। ৰাইজে কংগ্রেছৰ কথা মহাত্মাৰ বাণী বুলি বিশ্বাস কৰিলে। বৃটিছ চৰকাৰে সমগ্র কলিযাবৰতে 'পিউনিটিড টেক্স' বহুৱালে।" শ্রীভূঞাদেৱে বর্ণনা দিছিল এইদৰেই।

এই চনতে নগাঁৱঁৰ বেবেজিযাৰ পণ্ডিত কণক চন্দ্র শর্ম্মাদেৱ কলিযাবৰলৈ আহি মিচাৰ পৰা কুঠৰীলৈকে (বগৰি পর্য্যন্ত) ভ্রমণ কৰি সভা সমিতি পাতে, মদ আৰু কানি বৰ বিহৰ কথা ৰাইজক বুজাই দিযে। কুঠৰীৰ ৰাজহুৱা সভাত মানুহে নিজৰ ঘৰৰ পৰা শই শই কানি খোলা ভাঙৰ চিলিম আনি ৰাজহুৱা ভাৱে ভাঙি চিঙি দাহ কৰে। কুঠৰীৰ শ্রীমাণিক শর্ম্মা আৰু শ্রীপ্রিয় মণ্ডলে (ৰাজখোৱা) অতিথি সকলক আদৰ-সাদৰ কৰি শুশ্রূষা কৰে। বুঢ়া পাহাৰ চাহ বাগিছাৰ তেতিয়াৰ মেনেজাৰ শ্রীমহীচন্দ্র বৰাই কংগ্রেছ কর্ম্মী সকলক সহায় কৰিছিল। পণ্ডিত কণক শর্ম্মা কলিযাবৰলৈ আহিলে বেচি ভাগেই কুঁৱৰীটোলৰ শ্রীনবীন শর্ম্মা দেৱৰ (বর্ত্তমান শ্রীডিম্বেশ্বৰ শর্ম্মা) ঘৰত আলহি আছিল। কলিয়াবৰৰ

(২) কৃষ্ণ শর্ম্মাৰ ডাযেৰী (পৃঃ ৮৮,৮৯) অসম প্রকাশন পৰিষদ।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত কলিয়াবৰৰ ভূমিকা

সকলো কংগ্ৰেছ কৰ্ম্মীযেই এই অভিযান বোৰত সক্ৰিয় ভাৱে যোগ দিছিল। (শ্ৰীনলিনীকান্ত শইকীয়াদেৱৰ পৰা এই কথা জানিব পৰা হৈছে।)

শ্ৰীভূঞাদেৱে কৈছিল-

"সক্ৰিয অংশ গ্ৰহণ কৰা সকলৰ ভিতৰৰ ২৫ জনক গ্ৰেপ্তাৰ কৰি জেললৈ নিছিল।

১।	শ্ৰীঈশেশ্বৰ গোঁহাই	(বৰিগাওঁ, হাটবৰ)
২।	শ্ৰীঠানুৰাম ভূঞা	(কুৱঁৰীটোল চাৰিআলি)
৩।	শ্ৰীমাণিক চন্দ্ৰ মহন্ত	(শ্ৰৱণীসত্ৰ)
৪।	শ্ৰীৰজনীকান্ত গোস্বামী	(ভলাগুৰি)
৫।	শ্ৰীলক্ষ্মীপ্ৰসাদ বৰা	(পিছলৈ গোস্বামী- জখলাবন্ধা)
৬।	শ্ৰীভূবন চন্দ্ৰ বৰা	(পূবথৰীযা)
৭।	শ্ৰীমহবুব আলি, বি. এ.	(দলগাওঁ, হাটবৰ)
৮।	শ্ৰীগনেশচন্দ্ৰ বৰঠাকুৰ	(জখলাবন্ধা)
৯।	শ্ৰীনন্দেশ্বৰ বৰা	(জোঙানি চুক, ভলাগুৰি)
১০।	শ্ৰীগগন চন্দ্ৰ খাওন্দ	(জখলাবন্ধা)
১১।	শ্ৰীকালী প্ৰসাদ বৰা	(বাঘজান, জখলাবন্ধা)
১২।	শ্ৰীকালীনাথ ভূঞা	(ভলাগুৰি- বৰ্ত্তমান শিঙৰী, ঢেকীয়াজুলি)
১৩।	শ্ৰীনীল গোঁহাই	(জখলাবন্ধা)
১৪।	শ্ৰীপুহিৰাম কলিতা	(জখলাবন্ধা)
১৫।	শ্ৰীগোলোক চন্দ্ৰ হাজৰিকা	(চামধৰা)
১৬।	শ্ৰীগোপন হাজৰিকা	(চামধৰা)
১৭।	শ্ৰীনুৰুদ্দিন আহমদ	(দলগাওঁ, হাটবৰ)
১৮।	শ্ৰীগোলাপ বৰুৱা	(বৰুৱা চুক)
১৯।	শ্ৰীকমল চন্দ্ৰ ভূঞা	(পূবথৰীযা)
২০।	শ্ৰীফটিক বৰা	(চতিযাল)
২১।	শ্ৰীমহবুব দেৱান	(কুৱঁৰীটোল, চাৰিআলি)
২২।	শ্ৰীউত্তম চন্দ্ৰ বৰা	(বালিটিকা)
২৩।	শ্ৰীভোগৰাম বৰা	(ভিএৰি চুক)
২৪।	শ্ৰীবকুল ভূঞা	(ভিএৰি চুক)
২৫।	অভিৰাম ভূঞা (মই)	(বাণীপুৰ, জখলাবন্ধা)

এই সকলৰ ভিতৰত শ্ৰীলক্ষ্মীপ্ৰসাদ (বৰা) গোস্বামীৰ একছৰ জেল আৰু ৫০ টকা জৰিমনা হৈছিল। শ্ৰীকালীনাথ ভূঞাৰ ৯ মাহ জেল হৈছিল। বাকীসকলক ৬ মাহকৈ জেল দিছিল। জেলৰ পৰা ওলাই অন্ন সংস্থানৰ বাবে বেছি ভাগেই চাহ বাগিছাৰ চাকৰি ল'লে। থকা সকলবো প্ৰায় ভাগেই পিছৰ কোনো আন্দোলনতে ভাগ নল'লে। একেধাৰে লাগিল থাকিল- শ্ৰীঠানুৰাম ভূঞা, শ্ৰীৰজনীকান্ত গোস্বামী, শ্ৰীনন্দেশ্বৰ বৰা আৰু

শ্ৰীগণেশচন্দ্ৰ শৰ্ম্মা বৰঠাকুৰ এই কেইজনহে। এখেত সকল ১৯৪২ চনৰ আন্দোলনকৈ সক্ৰিয় হৈ থাকিল। মই নিজেও চাকৰিত সোমালো। অৱশ্যে চাকৰি লোৱাৰ আগতে জখলাবন্ধাত জাতীয় বিদ্যাপীঠ পতাত আগভাগ লৈছিলো আৰু কিছুদিন তাত মাষ্টৰীও কৰিছিলো। বিদ্যাপীঠ খন পিছত উঠি গ'ল।" শ্ৰীউত্তম বৰাদেৱে ১৯৪২ চনত যোগ দিছিল।

ইয়াৰ উপৰিও আৰু কে'বাজনো মানুহৰ নাম ভূঞা দেৱে কৈছিল। "সক্ৰিয় অংশ গ্ৰহণ কৰা সকলৰ ভিতৰত আছিল- শ্ৰীভোগেশ্বৰ বৰা (কেনকেনিয়া-নসত্ৰ) শ্ৰীদণ্ডিৰাম বৰুৱা (চতিয়াল) শ্ৰীগুণাৰাম বৰা (দাঁত কটা- হাটৰব) শ্ৰীৰমাকান্ত বৰা (গাৰিকুৰি) শ্ৰীৰবি মহন্ত (মইনা মহন্ত - তেলিয়াগাওঁ) শ্ৰীলক্ষ্মীকান্ত মহন্ত (ৰঙ্গনীসত্ৰ)।"

শ্ৰীসোমেশ্বৰ বৰাদেৱে নগাঁৱৰ পৰা প্ৰকাশিত গণতন্ত্ৰ নামৰ বাতৰি কাকতত ১৯৭২ চনত (বুধবাৰ, ৩ শাওন) 'নগাওঁ জেইলত পোৱা নথি পত্ৰৰ পৰা' বুলি প্ৰকাশ কৰাৰ পৰা লিখি ৰখা টোকাতো এই নাম বোৰ আছে বুলি দেখুৱালে।

শ্ৰীভূঞাদেৱে দিয়া তালিকাত থকা শ্ৰীকালীপ্ৰসাদ বৰা, শ্ৰীগোলোক হাজৰিকা, শ্ৰীভোগৰাম বৰা আৰু শ্ৰীৰকুল ভূঞা এই চাৰি জনৰ নাম গণতন্ত্ৰত প্ৰকাশ পোৱা নাই। আনহাতে শ্ৰীলক্ষ্মীকান্ত ৰৰকটকী, শ্ৰীধৰণী মজুমদাৰ আৰু শ্ৰীভগীৰথ ভূঞা এই তিনি জনৰ নাম আঁছে। কেই জনমানৰ ক্ষেত্ৰত উপাধীবো তাৰতম্য ঘটিছে। গণতন্ত্ৰত শ্ৰীভূবন চন্দ্ৰ কলিতা, শ্ৰীপুহিৰাম শইকীযা, শ্ৰীনুৰুদ্দিন চেখ আৰু শ্ৰীমহবুব আলি (কুঁৰৰীটোল) বুলি প্ৰকাশ পাইছে।

শ্ৰীভূঞাদেৱৰ তালিকাত থকা শ্ৰীকালীপ্ৰসাদ বৰাৰ পৰিবাৰে পেঞ্চন পাইছিল আৰু তেখেতৰ পিছত অবিবাহিতা জীযেক দুগৰাকীযে এতিযাও মুক্তি যুঁজাৰৰ পৰিয়াল পেঞ্চন পাই আছে। নগাওঁ জেলৰ ৰেকৰ্ডখিনি গণতন্ত্ৰই সম্পূৰ্ণকৈ পালেনে নাই সেযাও সন্দেহৰ উৰ্দ্ধত নহয। আকৌ শ্ৰীভগীৰথ ভূঞা, শ্ৰীধৰণী মজুমদাৰ এই দুজন জেললৈ যোৱা কথা অন্য ঠাইত থকা টোকাই সমৰ্থন কৰে। গতিকে আমি দুযোখন তালিকাকে শুদ্ধ বুলি ধৰিব পাৰো।

১৯২২ চনত নগাৱঁৰ পৰা শ্ৰীমহেন্দ্ৰ হাজৰিকা (স্বাধীনতাৰ পিছত মন্ত্ৰী) কলিযাবৰলৈ আহি কানি আৰু মদৰ দোকানত জখলাবন্ধাত পিকেটিং কৰে। তেখেতৰ লগত স্থানীয় কংগ্ৰেছ কৰ্ম্মী সকলে সম্পূৰ্ণ সহযোগ কৰে। মদৰ দোকানৰ সন্মুখত অনুৰোধ কৰাত চিকনি চাহ বাগিছাৰ মজদুৰ সকলে মদ নিকিনিলে। কিন্তু কেইজনমান নেপালি লোক আগবাঢি আহিল। শ্ৰীহাজৰিকা আৰু আন সকলে মদ নিকিনিবৰ কাৰণে আঠুকাটি ভৰিত ধৰি অনুৰোধ কৰিলে। ঠিক সেই মুহুৰ্ত্ততে কুঠৰী আৰু চিকনি চাহ বাগিছাৰ ইংৰাজ মেনেজাৰ দুজন আহি পাই স্বেচ্ছাসেৱক সকলক গোৰ-চৰ মাৰি পঘাৰে বান্ধি লৈ গ'ল। শ্ৰীভূমি মূদৈ আৰু শ্ৰীগিৰিশ বৰুৱাক কেইদিন মান হাজোতত ৰাখি এৰি দিয়ে।

অসমত কংগ্ৰেছ অধিবেশন (প্ৰথম)

১৯২৬ চনত গুৱাহাটীৰ পাণ্ডুত নিখিল ভাৰত জাতীয় কংগ্ৰেছৰ অধিবেশন বহে। তেতিযা অসম কংগ্ৰেছৰ মুকুট বিহীন সম্ৰাট আছিল দেশভক্ত তৰুণৰাম ফুকন। মহাত্মা গান্ধী তেখেতৰ ঘৰতে আছিলহি। কৰ্ম্মবীৰ নবীন চন্দ্ৰ ববদলৈকে আদি কৰি অসমৰ সকলো কংগ্ৰেছ নেতাই নিজৰ অনেক ত্যাগ কৰি অধিবেশন সাফল্যমণ্ডিত কৰি তুলিছিল।

পাণ্ডু কংগ্ৰেছৰ ইমান ডাঙৰ ৰঙাখন খদ্দৰৰ কাপোৰেৰে চাৰিওফালে ওপৰে তলে সজাই পৰাই তৈয়াৰ কৰাত মহাত্মা গান্ধীকে আদি কৰি সৰ্ব্বভাৰতীয় নেতাসকল আচৰিত হৈ অভিভূত হৈ পৰিছিল। তেওঁলোকে 'অসমখন অতি পিছপৰা ঠাই- ইয়াত কংগ্ৰেছৰ নিচিনা এটা ডাঙৰ অনুষ্ঠানৰ অধিবেশন কোনো পধ্যেই সম্ভৱ নহয়' বুলি মত পোষণ কৰিছিল। তেওঁলোকৰ ভুল ভাগিল।

অধিবেশন আহ্বান কৰিবলৈ যোৱা যোৱহাটৰ শ্ৰীকৃষ্ণ শৰ্ম্মাদেৱে শ্ৰীটুনীৰাম বৰুৱা আৰু শ্ৰীচন্দ্ৰমোহন বিশ্বাসক লগত লৈ গোটেই নগাওঁ জিলাতে গাৱেঁ গাৱেঁ কপাহ বিলাই (বিশেষকৈ নগাৱঁৰ পশ্চিম অঞ্চলত) দি অসমীয়া শিপিনীৰ হতুৱাই সুতা কটাই খদ্দৰৰ কাপোৰ বোৱাইছিল। শ্ৰীকণক শৰ্ম্মাদেৱো গাৱেঁ গাৱেঁ ওপৰোক্ত সকলৰ লগত ঘুৰি ফুৰিছিল। (১)

খদ্দৰৰ প্ৰদৰ্শনীত অসমৰ খাদী কাপোৰৰ গুণ দেখি সকলোৱে শলাগিছিল। এই অধিবেশনে সমগ্ৰ অসমতে যি আলোড়নৰ সৃষ্টি কৰিলে সেয়ে অসমৰ মানুহৰ মনত সুতা কটাৰ প্ৰতি, খদ্দৰ প্ৰচলনৰ প্ৰতি, আগ্ৰহ জন্মালে। কলিযাবৰত এই অধিবেশনৰ কাৰ্য্যাৱলীয়ে বাৰুকৈযে প্ৰভাৱ পেলালে। মানুহে কপাহৰ খেতি কৰিবলৈ আৰম্ভ কৰিলে। ড০ ৰাজেন্দ্ৰ প্ৰসাদজী নগাৱঁলৈ আহি শিপিনী সকলে তাঁত বোৱা চাই গৈছিলহি।

"কংগ্ৰেছৰ সময়ত কৰা কামৰ বাবে নগাৱঁত যি উদ্দিপনা হ'ল সেই উদ্দিপনা থাকি গ'ল। নগাওঁ জিলাৰ বাই জনী সকলৰ কীৰ্ত্তিক গুৱাহাটী কংগ্ৰেছত মহাত্মাজীৰ মন্তব্যই যুগমীয়া কৰি থৈ গ'ল। এতিয়াও নগাৱঁত অতি সুন্দৰ ৰূপে খদ্দৰৰ কাম চলি আছে।" এয়া আছিল শ্ৰীকৃষ্ণ শৰ্ম্মাদেৱৰ ডাযেৰীত লিখা কথা। তেখেতৰ ডাযেৰীত আৰু লিখিছিল- "শ্ৰীযুত ৰাজেন্দ্ৰ প্ৰসাদজীয়ে মোলৈ লিখিছিল- 'প্ৰিয় শৰ্ম্মা, আপোনালোকৰ অসমত যি দৰে সুতা কটা আৰু তাঁত বোৱাৰ প্ৰথা আছে তেনেকৈ আন কোনো প্ৰদেশত নাই। মহাত্মাজীয়ে যি দৰে ঘৰে ঘৰে যতঁৰ প্ৰতিষ্ঠা কৰিব খুজিছে সেইটো অসমত একপ্ৰকাৰ আছেই কাপোৰ আদি বোৱা প্ৰথাটো ইযাত অভ্যাসত পৰিণত হৈছে, শিপিনী সকলেও আধি কপাহ লৈ এখন কাপোৰ দিয়ে আৰু আনখন বিক্ৰী কৰে, কিন্তু মই এই কথা ভাবি দুখীত হৈছো যে অসমত অসমীযা মানুহে নিজে খদ্দৰ নিপিন্ধি কিয বিলাতী কাপোৰ পিন্ধে।"

---

(১) কৃষ্ণ শৰ্ম্মাৰ ডাযেৰী, পৃঃ ১৫০, ১৫১- অসম প্ৰকাশন পৰিষদ

কলিয়াবৰত স্বেচ্ছাসেৱক বাহিনী গঠন
আৰু
আইন অমান্য আন্দোলন

১৯২৯ চনত পণ্ডিত জৱহৰলাল নেহৰুৰ সভাপতিত্বত লাহো�ৰত বহা নিখিল ভাৰত কংগ্ৰেছ অধিবেশনত ৩১ ডিচেম্বৰৰ মাজনিশা ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এবছৰৰ ভিতৰত যদি বৃটিছ চৰকাৰে ভাৰতৰ জাতীয় দাবী মানি নলয় তেন্তে আন্দোলনৰ পথ ল'ব। ২৬ জানুৱাৰীৰ দিনটো স্বাধীনতা দিৱস হিচাপে ঘোষণা কৰে।

কলিয়াবৰৰ লগত নগাঁৱৰ শ্ৰীপূর্ণ শর্ম্মাদেৱৰ নিবিড় সম্বন্ধ। তেখেতৰ কথাৰেই প্ৰকৃততে কলিয়াবৰেই আছিল তেখেতৰ প্ৰধান কৰ্ম্মভূমি। তেখেতে নগাঁৱৰ পৰা ৭/৮ জন মান স্বেচ্ছাসেৱক লগত লৈ পদব্ৰজে শোভাযাত্ৰা কৰি কলিয়াবৰলৈ আহে। ঠায়ে ঠায়ে মেল মিটিং কৰি স্বেচ্ছাসেৱক বাহিনী গঠন কৰে। পূবথৰীয়াৰ ভিঞ্ঞৰি নামঘৰতো সভা পাতে। শর্ম্মাদেৱৰ ওজস্বিনী ভাষণে ডেকা সকলৰ মন আকর্ষণ কৰে।

"পৰাধীন হৈ থকাতকৈ ভাৰত মাতৃৰ মুক্তিৰ
কাৰণে জীৱন উচর্গা কৰাই ভাল।"

এই কথা শুনি তেতিয়া কুৱঁৰীটোল এম. ই স্কুলৰ ষষ্ঠ মানত পঢ়ি থকা শ্ৰীসোমেশ্বৰ বৰা আৰু পাঁচ জন, শ্ৰীবিষ্ণু ভূঞা, শ্ৰীৰবি ৰাম ভূঞা, শ্ৰীমহেশ্বৰ বৰা, শ্ৰীপূর্ণ ভূঞা আৰু শ্ৰীনন্দিৰাম ভূঞা এই আটাই কেইজনে একেলগে আঁঠু ল'লে। বাইজে হৰিধ্বনি দি আশীর্ব্বাদ দিলে। তেওঁলোক আৰু ঘৰলৈ ঘুৰি নগ'ল, পোনে পোনে গৈ জখলাবন্ধা শিবিৰ পালেগৈ। ঘৰৰ মানুহে কন্দা কটা কৰিলে, কিন্তু আশীর্ব্বাদ দিলে।

জখলাবন্ধাৰ শ্ৰীগনেশচন্দ্ৰ বৰঠাকুৰ দেৱৰ দোকান ঘৰটোতে শিবিৰৰ কার্য্যালয়। কাষতে প্ৰশিক্ষণ দিয়া ঠাঁই। এই স্বেচ্ছাসেৱক শিবিৰতে কংগ্ৰেছৰ আঁচনিও তৈয়াৰ কৰা হৈছিল। এই শিবিৰলৈ নগাঁৱৰ পৰা শ্ৰীমহী বৰা, শ্ৰীমতিৰাম বৰা, শ্ৰীদেৱকান্ত বৰুৱা আৰু বিমলা বৰা আদি সকল আহিছিল। তেজপুৰৰ পৰা লোকনায়ক শ্ৰীঅমিয় কুমাৰ দাস, শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্ৰীগহন চন্দ্ৰ গোস্বামী আৰু গুৱাহাটীৰ পৰা শ্ৰীলীলা বৰুৱা আহি এই শিবিৰত আছিলহি।

সেই সময়ত কলিয়াবৰ কংগ্ৰেছ কমিটিৰ সভাপতি আছিল শ্ৰীগনেশচন্দ্ৰ বৰঠাকুৰ আৰু সম্পাদক আছিল শ্ৰীতুৰাকান্ত মহন্ত (পিছত গোস্বামী)।

গান্ধীজীৰ আইন অমান্য আন্দোলনৰ কথা কাগজত পঢ়ি তেতিয়া দৰং জিলাৰ পাভৈ চাহ বাগিছাৰ চাকৰি এৰি গুচি আহি জখলাবন্ধা কেম্পত যোগ দিয়েহি কুৱঁৰীটোলৰ

শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱেও। শ্ৰীঠানু ভূঞাকে আদি কৰি কলিয়াবৰৰ আন সকলে ইতিমধ্যে শিবিৰত প্ৰশিক্ষণ লৈছেই।

শ্ৰীপূৰ্ণ শৰ্ম্মাদেৱৰ নেতৃত্বত কলিযাবৰৰ ১৫০ জন স্বেচ্ছাসেৱকৰ (শ্ৰীসোমেশ্বৰ বৰাদেৱৰ টোকা মতে) এটা সমদল শোভাযাত্ৰা কৰি খোজ কাঢ়ি নগাওঁ টাউনলৈ যায়। এই শোভাযাত্ৰাকাৰী সকলৰ ভিতৰত আছিল ঃ

সৰ্ব্বশ্ৰী- ঠানুৰাম ভূঞা, বদন চন্দ্ৰ বৰদলৈ, তুৰাকান্ত মহন্ত, পূৰ্ণ ভূঞা, বকুল ভূঞা, হৰেন শৰ্ম্মা, নন্দিৰাম ভূঞা, ৰবিৰাম ভূঞা, ভোগৰাম বৰা, বিনদ শইকীয়া, নন্দিৰাম কোছ, ঈশেশ্বৰ গোহাঁই, গুণাৰাম বৰা, ৰমাকান্ত বৰা, গিৰিকান্ত মহন্ত, ৰামেশ্বৰ হাজৰিকা. সোমেশ্বৰ বৰা, ভোগেশ্বৰ বৰা, বিষ্ণু ভূঞা, ৰঙনীকান্ত গোস্বামী, ৰতিন্দ্ৰ নাথ বেনার্জি, গনেশচন্দ্ৰ বৰঠাকুৰ, মহবুব দেৱান, পুনিৰাম শইকীযা, গোলোক চন্দ্ৰ বৰঠাকুৰ, মুহিৰাম নাথ, উপেন চৌধুৰী, জয়ৰাম বৰা, শশীকান্ত বৰদলৈ, মুক্তি নাথ গোস্বামী, দণ্ডিৰাম শইকীয়া, বগীৰাম বৰা, বিৰহ চন্দ্ৰ বৰা, মিনাৰাম ভূঞা, ভুৱন চন্দ্ৰ হাজৰিকা, টঙ্কেশ্বৰ গোস্বামী, গোলাপ চন্দ্ৰ বৰুৱা, ভুমিধৰ মুদৈ, গিৰিশ চন্দ্ৰ বৰুৱা, কাৰ্ত্তিক চন্দ্ৰ পাটোৱাৰী, তুৰাৰাম কছাৰী (তুৰাই), ভগীৰথ দাস, উপেন্দ্ৰ নাথ বৰুৱা, লব চন্দ্ৰ গোস্বামী, লক্ষীকান্ত গোস্বামী, দণ্ডিৰাম বৰুৱা, ভদৰাম বৰা, সোণাৰাম বৰা, দণ্ডিধৰ শৰ্ম্মা আদিসকল।

কলিয়াবৰৰ পৰা শ্ৰীযুতা গুনেশ্বৰী বৰঠাকুৰৰ নেতৃত্বত মহিলাসকলৰ এটা দলেও শোভাযাত্ৰা কৰি, খোজকাঢ়ি, নগাওঁ টাউনলৈ যায়। এই শোভাযাত্ৰী মহিলা সকলৰ ভিতৰত আছিল ঃ

সৰ্ব্বশ্ৰীমতী- মোহিনী গোঁহাই (জখলাবন্ধা), গুণেশ্বৰী বৰা (বৰদলৈ) (পটানী-দাঁতকটা, হাটবৰ), পদুমী বৰা- ভূঞা (গাৰিকুৰি), মনেশ্বৰী নেওগ (গাৰিকুৰি), সবাহী কোছ (পুৰণি সত্ৰ), সৰুমাই বৰুৱা (ওপৰ চতিয়াল), মোলানী খাটনিয়াৰ (পুৰণিসত্ৰ), ডালিমী শইকীয়া, পুতুল ভূঞা (দুয়ো পুবথৰীয়াৰ), ঘুনুচা বৰা (বালিডোৱা), পখিলী ভূঞা (ভলাগুৰি), বৰকণ পুৰণিঘৰীয়া, ৰূপহী ভূঞা (ভিঞাৰি চুক), নৰন্দী হাজৰিকা (মিছামুখ-হালোৱা গাওঁ), অকনি কোছ (উলুৱনী), গেৰেলী কোছ (পুৰণি সত্ৰ), বিলাতী বৰুৱা (?), পুতুমাই হাজৰিকা (?) আদি সকল।

ওপৰোক্ত দুয়োখন তালিকা শ্ৰীতুৰাকান্ত গোস্বামী আৰু শ্ৰীনলিনীকান্ত শইকীয়া দুয়ো গৰাকীয়ে ৰখা তালিকাৰ পৰা সংগ্ৰহ কৰা হৈছে। তাৰোপৰি শ্ৰীসোমেশ্বৰ বৰাদেৱে ৰখা তালিকাতো এই সকলৰ বেচি ভাগৰে নাম আছে। পুৰুষ সকলৰ ১৫০ জনৰ সম্পূৰ্ণ নাম পোৱা নগ'ল। মহিলা সকলৰো কিমান গৰাকীযে শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিছিল সেই বিষয়েও উল্লেখ থকা কোনো নথি পত্ৰ পোৱা নগ'ল।

১৯৩০-৩১ চনৰ অসহযোগ আন্দোলনত ওপৰোক্ত সকলৰ বহুতে জেল খাইছিল। জেলখোৱা সকলৰ সম্পূৰ্ণ তালিকাও ক'তো সংৰক্ষিত হৈ থকা নাই। কিন্তু সংখ্যকৰ নামত অৱশ্যে জেল খোৱা-বুলি লিখা আছে। এই আন্দোলন ১৯৩২ চনলৈকে চলিছিল বাবে

শোভাযাত্ৰাকাৰী বা স্বেচ্ছাসেৱক শিবিৰত নথকা কে'বা জনৰো জেল হৈছিল।

কলিযাবৰৰ পৰা খোজকাটি নগাওঁ টাউনলৈকে যোৱা পুৰুষ আৰু মহিলা শোভাযাত্ৰা কাৰী সকলে জাতীয সঙ্গীত গাই গাই যাওঁতে গোটেই বাট চোৱাতে মানুহৰ মনত এক নতুন জাগৰণৰ সৃষ্টি কৰিলে। নগাওঁ টাউনৰ ভিতৰতো শোভাযাত্ৰা কৰি আলোড়ন তুলিলে। বাটত যাওঁতে তেলিযা পহুকটা গাৱঁৰ নামঘৰত সকলোকে থকা খোৱাৰ সু-বন্দবস্ত কৰি সেই গাৱঁৰ ৰাইজে মহৎ উপকাৰ কৰিলে। নগাওঁ টাউনত আমোলাপট্টি নাট্য মন্দিৰত সকলোৰে থকা খোৱাৰ ব্যৱস্থা কৰা হৈছিল। ৰাতিটো থাকি পিছৰ দিনা শোভাযাত্ৰা কৰি গৈ জাজৰি মাজগাওঁ পাযগৈ। তাতে ৰাতিটো কটাই পিছৰ দিনা পাথৰি হৈ শোভাযাত্ৰা পুনৰ নগাওঁ টাউনলৈ আহে।

জাতীয সঙ্গীত গাই গাই কলিযাবৰীযা স্বেচ্ছাসেৱক সকলে যি আলোড়ন তুলিলে সেয়া আছিল অভূতপূৰ্ব্ব হৃদযগ্ৰাহী। শ্ৰীপূর্ণ শৰ্ম্মা ডাঙৰীযাৰ তত্বাৱধানত কলিয়াবৰৰ শ্ৰীঠানুৰাম ভূঞা আৰু শ্ৰীবদন চন্দ্ৰ বৰদলৈৰ নেতৃত্বত শোভাযাত্ৰা চলিছিল। শ্ৰীমতী গুণেশ্বৰী বৰঠাকুৰে মহিলা শোভাযাত্ৰাৰ নেতৃত্ব দি নগাওঁ জিলাৰ মহিলা সকলক উদ্বুদ্ধ কৰিছিল।

নগাৱঁৰ জুবিলী পথাৰত অগণন নৰ-নাৰী সমবেত হৈ কংগ্ৰেছৰ পতাকা উত্তোলন কৰে। কিন্তু এই সংক্ৰান্তত কাৰোবাক গ্ৰেপ্তাৰ কৰাৰ কোনো তথ্য পোৱা নাই। যি কেই গৰাকীৰ স্মৃতি লেখা বা টোকাৰ পৰা আমি বহু কথা সংগ্ৰহ কৰিছো তাতো গ্ৰেপ্তাৰ সম্বন্ধে উল্লেখ নাই। শ্ৰীনলিনী শইকীযাৰ টোকাত অৱশ্যে লিখা আছে যে সকলোকে গ্ৰেপ্তাৰ কৰি সন্ধ্যা এৰি দিযে।

বছা বছা ভলণ্টিযাৰ সকল নগাৱঁতে ৰৈ গ'ল। বাকী সকল আকৌ শোভাযাত্ৰা কৰি কলিযাবৰলৈ ঘুৰি আহিল।

যিসকল স্বেচ্ছাসেৱক থাকি গ'ল তেওঁলোকক নগাৱঁৰ আমোলপট্টি ষ্টেজত থকাৰ ব্যৱস্থা কৰিলে। তাৰ পিছত এই সকলক নিযা হ'ল কলিযাবৰৰে দ'লাল মাধৱৰ শ্ৰীভোলাই শ্ৰুতিকৰ দেৱৰ ওচৰৰে কলংপাৰত (নগাওঁ) থকা টিনৰ বঙলা ঘৰটোলৈ। শ্ৰীপূর্ণ শৰ্ম্মাদেৱে এই ঘৰটো কেম্পৰ বাবে বন্দবস্ত কৰে।

কে'বাটাও সৰু সৰু ভাগ কৰি একোজন পৰিচালকৰ তলত মদ ভাং কানিৰ দোকানত পিকেটিং কৰিবলৈ দিয়ে। নগাৱঁৰ ইফালে-সিফালে বহুত ঠাইত এই সকলে পিকেটিং কৰিছিল।

"পিকেটিং কৰোঁতে ইজনৰ পিছত সিজনকৈ কানিৰ দোকানৰ পদুলিৰে পৰা পথালিযে শুই পৰি থকা হয। পুলিছে কেতিযাবা গালি গালাজ কৰি হাত এটাত ধৰি, কেতিয়াবা ভৰি এটাত ধৰি চোচোৰাই নি ওচৰত থকা ভগা চিচা টেমা দিবে ভৰা খাৰৈত পেলাই দিয়েগৈ। গতিকে বহুত সহকৰ্মীৰ ভৰি হাত, গা ক্ষত বিক্ষত হৈছিল। মোৰো সোঁ-বাওঁ দুযো ভৰিতে ভগা চিচা ভগা টেমাই কটাৰ দাগ আজিও মোটা হৈ আছে।" এযা শ্ৰীসোমেশ্বৰ বৰাদেৱৰ ডাযেৰীৰ কথা।

ইতিমধ্যে বৃটিছ চৰকাৰে ভাৰতৰ স্বাধীনতা মানি নোলোৱাত গান্ধীজীয়ে যি আইন অমান্য আন্দোলনৰ সূচনা কৰিলে তাৰ প্ৰতি মানুহে সম্পূর্ণ সঁহাৰি জনাই কামত আগ

বাঢ়িছে। মহাত্মা গান্ধীয়ে লোণ আইন ভঙ্গ কৰিবলৈ সিদ্ধান্ত লয়।

ভাৰত বাসীৰ দুৰবস্থা আৰু তেওঁলোকৰ প্ৰতি অন্যায কৰি ইংৰাজ সকলে নিজৰ সুখ সুবিধাৰ বাবে কৰা কামৰ এখন চবি দাঙি ধৰি মহাত্মা গান্ধীযে ভাৰতৰ গবণৰ জেনেৰেল ৰৰলাটলৈ লিখিছিল যে ভাৰতীয মানুহৰ দৈনিক গড আয যেতিযা দু অনা মাত্ৰ, তেতিয়া মহামান্য ৰৰলাটৰ মাহে দৰমহা ২১০০০ (একৈশ হেজাৰ) টকা, অৰ্থাৎ এখেতৰ দৈনিক দৰমহা ভাৰতৰ মানুহৰ দৈনিক আযৰ পাঁচ হেজাৰ গুণৰো বেছি। ইযাৰ উত্তৰত ৰৰলাটে লিখিছিল যে গান্ধীয়ে কৰিবলৈ ওলোৱা কাম আইন বিৰোধী। গান্ধীযে তেতিযা কৈছিল 'মই আঁঠুকাটি এডোখৰ ৰুটি খুজিছিলো কিন্তু তাৰ পৰিবৰ্ত্তে পালো এটা শিলগুটি।' (১)

১৯৩০ চনৰ ১২ মার্চ তাৰিখে সবৰমতি আশ্ৰমৰ পৰা যাত্ৰা আৰম্ভ কৰি মহাত্মা গান্ধীযে ৭৮ জন আশ্ৰমৰ সেৱকক লৈ ২৪১ মাইল বাট ২৪ দিনত খোজকাটি গৈ ৫ এপ্ৰিলত ডাণ্ডি পাযগৈ। গুজৰাটৰ ডাণ্ডিত যাত্ৰা শেষ কৰি গান্ধীজীযে ৬ এপ্ৰিলৰ পুবাতেই হাতত এমুঠি লোণ তুলি লৈ আইন ভঙ্গ কৰে। মানুহক কৰ নিদিবলৈ আৰু নিজে লোণ তৈয়াৰ কৰিবলৈ উদ্বুদ্ধ কৰে।' ' অসমৰ যোৰহাটৰ শ্ৰীকৃষ্ণ শৰ্ম্মাদেৱো গান্ধীজীৰ লগত পদযাত্ৰা কৰি যায।

বৃটিছ চৰকাৰে নিঃ ভাঃ কংগ্ৰেছ কমিটি অনুষ্ঠানটোকে আইন বিৰোধী বুলি ঘোষণা কৰিলে। কংগ্ৰেছ সভাপতি আৰু কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ সকলো সদস্যকে গ্ৰেপ্তাৰ কৰে। ৪ মে তাৰিখে গান্ধীজীকো গ্ৰেপ্তাৰ কৰিলে।

এইবোৰ কথাই কলিযাবৰৰ স্বেচ্ছাসেৱক সকলক আইন অমান্য আন্দোলন কৰিবলৈ উদগনি দিলে।

জখলাবন্ধা কেম্পৰ ভলণ্টিযাৰ সকলৰ ওপৰত শ্ৰীবদন চন্দ্ৰ বৰদলৈক কেপ্টেইন পাতে। জখলাবন্ধা বজাৰত পিকেটিং কৰোঁতে পুলিছে স্বেচ্ছাসেৱক সকলক মাৰধৰ কৰে। জখলাবন্ধা বজাৰতে শ্ৰীঠানু ভূঞাদেৱৰ সভাপতিত্বত এখন বিৰাট ৰাজহুৱা সভা বহে। এই সভাত শ্ৰীবদন বৰদলৈদেৱে জীৱনৰ প্ৰথম বক্তৃতা দিযে বুলি লিখি থৈ গৈছে।

মদ ভাং কানিৰ দোকানত পিকেটিং কৰাৰ উপৰিও কানীযা ৰূপত ভেশচন কৰি কানীযা ভণ্ডুৰাক ধৰা পেলাই উৰাই ঘুৰাই পিটে। চোৰাংচোৰা হৈযো কানীযাৰ মাজত সোমাই লয। "কানীযা মাইকী মানুহে গুপ্ত অঙ্গৰ স্থানত কানি লৈ আহে, কিন্তু আমালোকে খানাতালাচ কৰি তাৰ পৰাও কানি উলিয়াওঁক।" বৰদলৈদেৱে লিখা কথা এয়া। এদিন চিকনি চাহ বাগিচাৰ পৰা চাহাবে মজদুৰৰ এটা দল পঠিযাই স্বেচ্ছাসেৱক সকলক মাৰপিট কৰোৱায়। বৰদলৈ সহ বহুতো স্বেচ্ছাসেৱকে আঘাত পায়।

এদিন কুৰৱীটোলৰ পৰা মিলিটাৰী লৈ পুলিছ চাহাব যোৱা গম পাই বৰদলৈদেৱো

---

(১) কৃষ্ণ শৰ্ম্মাৰ ডাযেৰী- পৃঃ ১৭৫- অসম প্ৰকাশন পৰিষদ।

(২) Mahatma Gandhi- His Life in Pictures

জখলাবন্ধা পালেগৈ। লগত স্বেচ্ছাসেৱক লৈ কানি দোকানলৈ যাত্ৰা কৰে পিকেটিং কৰিবলৈ। দেখা পাযেই পুলিছ চাহাবে হুকুম দিলে লাঠি চার্জ কৰিবলৈ। ছত্ৰভঙ্গ দিয়াব নোৱাৰি বদন বৰদলৈ, ৰামেশ্বৰ হাজৰিকা সহ ১১ জনক নাৰিকলৰ ৰচিৰে ককালে ককালে সাঙুৰি বান্ধি গ্ৰেপ্তাৰ কৰে আৰু তেনেকৈযে গোটেই দিনটো মাৰোৱাৰী দোকানত ৰাখি সন্ধ্যা সময়ত সেই সাঙুৰি থোৱা অৱস্থাৰেই জখলাবন্ধা ষ্টেচনত ৰেলত তুলি নগাৱঁলৈ চালান দিযে।

"বিচাৰত প্ৰত্যেককে ৬ মাহকৈ সশ্ৰম কাৰাদণ্ড দিলে। এসপ্তাহৰ পিছত যোৰহাট জেললৈ নিয়ে। জেলৰ ভিতৰ সোমোৱাৰ লগে লগে গেটতে চুলি খৰাই দাগী কযদীৰ পোছাক পিন্ধাই 'চি ডিভিজনত' থাকিবলে দিলে। সৰু-ডাঙৰ লোহাৰ বাতি দুটাকৈ গাইপতি দিয়ে। দুই-তিনিজন একেলগে থিয হৈ প্ৰস্ৰাব কৰিব লাগে, ৬০/৭০ জন মুখামুখিকৈ বহি পাযখানা কৰিব লাগে। আঁৰবেৰ একো নাই ভযানক দুগন্ধ। খানিত তেল পেৰিব লাগে ধান বুদি চাউল উলিযাব লাগে। বহুৰ মচুৰৰ আধা সিজা পানী, কলগছ আদিৰ আধা সিজা তৰকাৰী খাবলৈ দিয়ে। এটা অতি জঘণ্য কাৰবাৰ। এক নৰকৰ যাতনা জেলৰ ভিতৰত। মামৰে ধৰা লোহৰ বাচনত খাবলৈ দিয়ে।" এয়া আছিল শ্ৰীবদন বৰদলৈ দেৱৰ ডাযেৰী পাতত লিখা কথা।

যি ১১ জনক পঘাৰে সাঙুৰি গ্ৰেপ্তাৰ কৰিছিল সেই সকলৰ বাকী ৫ জনৰ নাম ক'তো বিচাৰি পোৱা নগ'ল। শ্ৰীনলিনী কান্ত শইকীয়াৰ স্মৃতি লেখাত চামধৰাৰ শ্ৰীদণ্ডি শৰ্ম্মা, বিনদ শইকীযা ভৰালিচুকৰ শ্ৰীমাণিক বৰা আৰু চতিযালৰ শ্ৰীজযৰাম বৰাৰ নাম উল্লেখ আছে।

গান্ধী আৰউইন চুক্তিমতে সকলো ৰাজনৈতিক বন্দীকে মুক্তি দিলে। বৰদলৈ সহ সকলোকে, জেলৰ পৰা ওলাওতে, যোৰহাটৰ শ্ৰীকুলধৰ চলিহা আদি নেতাসকলৰ লগতে ৰাইজে কলিযাবৰীযা সকলক বিপুল সম্বৰ্দ্ধনা জনায বুলি বৰদলৈ দেৱে লিখি থৈ গৈছে। ১৯৩১ চনত ৭ মাহৰ পিছত তেখেত সকল ঘৰ পাযহি।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ অংশ হিচাপে কানি ভাং মদৰ লগতে বিদেশী বস্তু সকলো বৰ্জন কৰাৰো ব্যৱস্থা দিছিল।

সমগ্ৰ কলিযাবৰতে বিদেশী বৰ্জনৰ প্ৰচাৰ কাৰ্য্য চলোৱা হৈছিল। গাৱঁে-ভূএঁে সকলোতে মেল মিটিং পাতিছিল। ৰাইজে অভূতপূৰ্ব্ব সহাৰি জনাই ওলাই আহিছিল। নগাৱঁৰ পৰা শ্ৰীকনক চন্দ্ৰ শৰ্ম্মাদেৱ আহি প্ৰচাৰ কাৰ্য্য চলোৱাত সহায কৰিছিল। কুৰঁৰীটোলৰ এজোপা বিৰাট ভেলেউ গছৰ তলত (তেতিযা থকা) এখন বিৰাট ৰাজহুৱা সভাত শ্ৰীশৰ্ম্মাদেৱে সভাপতিত্ব কৰিছিল। বিদেশী সূতাৰে কাপোৰ নবওঁ বুলি শিপিনীসকলে ৰাজহুৱা ভাবে শপত খাইছিল।

১৯৩০ চনত শ্ৰীসোমেশ্বৰ বৰাদেৱে লগত সৰ্ব্বশ্ৰী- পূর্ণ ভূঞা, বিষ্ণু ভূঞা, মহবুব দেৱান (আলি) এই সকলক লৈ নগাৱঁৰ পশ্চিম অঞ্চলৰ বহুত ঠাইত প্ৰচাৰ কাৰ্য্য চলাইছিল। চাৰিদুৱাৰ শিঙিমাৰী অঞ্চলত তেতিযা ৭০০ ঘৰ মানুহ আছিল। এই প্ৰচাৰ কাৰ্য্যত বহুতো মানুহৰ পৰা বাধা পাইছিল। আন হাতে বহু কেইজন ব্যক্তিযে আকৌ সম্পূর্ণ সহযোগ কৰি মিটিং পতাত সহায কৰিছিল। সেই উদ্যোগী ব্যক্তিসকল আছিল -

চাৰিদুৱাৰৰ (নগাওঁ জিলাৰ শিঙিমাৰীৰ পৰা পশ্চিমে ব্ৰহ্মপুত্ৰৰ ফালে যাব লাগে) শ্ৰীগনেশচন্দ্ৰ মৌল্লিক (তেখেতে এসাজ ভাতো খুৱালে), ৰূপহীৰ নিত্যানন্দ দত্ত, ৰূপহী ভকত গাঁৱৰ শ্ৰীআনন্দ ভূঞা, লতাই মাৰিৰ শ্ৰীপূর্ণ চন্দ্ৰ শইকীয়া আৰু শ্ৰীপদৰাম শইকীয়া, অকণাৰ শ্ৰীমনভাল বৰা আৰু মনিপদ (এম ভি স্কুলৰ হেড্ পণ্ডিত), লখনা বন্ধাৰ শ্ৰী (?) সেইগাঁৱৰ গাওঁবুঢ়া, ভৰিধোৱাৰ শ্ৰীযতীন চৰকাৰ, পশ্চিম সোৱালনীৰ শ্ৰীযুধিষ্ঠিৰ ৰায, কাঠপাৰাৰ শ্ৰীহৰি চৰণ বিশ্বাস আমবাগানৰ শ্ৰীঅধৰ সিংহ চক্ৰৱৰ্ত্তী আৰু শ্ৰীৰবি সিংহ, লাওখোৱাৰ শ্ৰীবিজয ভট্টাচার্য্য।

এই আন্দোলনত কলিয়াবৰৰ সকলো কংগ্ৰেছ কর্ম্মীযেই ওতঃপ্ৰোত ভাৱে জড়িত হৈছিল। বিভিন্ন-পর্য্যাযত বিভিন্ন জনক গ্ৰেপ্তাৰ কৰিছিল।

শ্ৰীমুক্তিনাথ গোস্বামী, শ্ৰীপদুম হাজৰিকা, শ্ৰীঠানু ৰাম ভূঞা, শ্ৰীশশী বৰদলৈ, শ্ৰীজালিৰাম শইকীয়া আৰু শ্ৰীগিৰিকান্ত মহন্ত- এইসকলৰ বিষয়ে নথিত লিখা আছে এইদৰে-

'কুৰ্ৱীটোল থানাৰ দাৰোগা আব্দুল ৰহিম চৌধুৰীয়ে তেখেত সকলক এৰেষ্ট কৰে।'

এই সকলৰ ভিতৰত শ্ৰীপদুম হাজৰিকা 'চুক্তিত খালাচ, তিনিমাহৰ পিছত' বুলি লিখা আছে। শ্ৰীগিৰিকান্ত মহন্তই তিনি মাহ আৰু বাকী সকলে ৬ মাহৰ পৰা ৮ মাহলৈকে জেল খাইছিল। ইয়াৰ উপৰিও অন্য এটা টোকাত থকা মতে এই আন্দোলনত নিম্ন লিখিত সকলক হাজোতত ৰাখি পিছত জেল দিছিল।

১।	শ্ৰীৰতিন্দ্ৰ নাথ বেনার্জি	২৮ দিন হাজোত (নিউমুনিয়া হোৱাত এৰি দিলে)
২।	শ্ৰীদণ্ডিৰাম বৰুৱা	১৪ দিন হাজোত ৬ মাহ জেল।
৩।	শ্ৰীতুৰাই কছাৰী	২৮ দিন হাজোত ৩ মাহ জেল।
৪।	শ্ৰীমইনা (ৰবিকান্ত) মহন্ত	২৮ দিন হাজোত ৬ মাহ জেল।

ইযাৰ পিছত আন্দোলনৰ চোক কমি আহিল।

শ্ৰীসোমেশ্বৰ বৰাদেৰে নগাওঁ গৱর্ণমেণ্ট হাইস্কুলত আকৌ নাম লিখিলে ষষ্ঠ মানতে। সেই সময়ত নগাওঁ আমোলাপট্টি ষ্টেজতে কংগ্ৰেছ সেৱাদলৰ প্ৰতিষ্ঠাপক এন এচ হর্ডিকাৰৰ তত্বাৱধানত হাটিঙ্গা (?) নামেৰে এজন মাদ্ৰাজী যুৱকে কুচকাৱাজৰ প্ৰশিক্ষণ দিছিল। কলিযাবৰৰ সর্ব্বশ্ৰী বদন বৰদলৈ, পদ্মকান্ত গোস্বামী, ৰামেশ্বৰ হাজৰিকা আদিয়েও তাত প্ৰশিক্ষণ লৈছিল। কুষ্টি কৰা, লাঠি চালনা, তৰোৱাল খেল, দেগাৰ খেল আৰু অন্যান্য বহুধৰণৰ খেল শিকাইছিল। মিলিটাৰীৰ দৰে কঠোৰ নিয়ম শৃঙ্খলা ৰাখি প্ৰতি মুহুর্ত্ততে নিজক প্ৰস্তুত কৰি ৰখা আদি সকলো ধৰণৰ প্ৰশিক্ষণ দিয়া হৈছিল। ৬ মাহৰ পিছত হোৱা পৰীক্ষাত গোটেই অসমৰ ভিতৰত শ্ৰীবদন বৰদলৈ প্ৰথম হয।

শ্ৰীবৰদলৈ আৰু শ্ৰীৰামেশ্বৰ হাজৰিকাই পদব্ৰজে নগাৱঁৰ পৰা যাত্ৰা কৰিলে।

কঠিযাতলি ননৈ আদি হৈ যাওঁতে ভলণ্টিয়াৰ বুলি কোনেও আশ্ৰয় নিদিয়ে। ৰঙ্গামাটি চাহ বাগিছাৰ কলঘৰৰ ওচৰৰ এজোপা গছৰ তলতে ভোকে লঘোণে ৰাতি পৰি থাকিব লগা হ'ল। পিছদিনা তেনেকৈযে আহি ধৰ পাযহি। শিলঘাটত জাহাজত উঠি গমিৰি হৈ গহপুৰ পাযগৈ। কলাবাৰিত আহোম মানুহ এঘৰত শুকান মাছৰে ভাত খাই অৱস্থা কাহিল হয বমি কৰি। এইদৰেই প্ৰচাৰকাৰ্য্য চলাই যায। ঘুৰি আহোঁতেও কোনেও আশ্ৰয় নিদিযে চাকৰি যোৱাৰ ভযত। এদিন ৰৰগাং পোষ্ট অফিচৰ পোষ্টমাষ্টৰে অতি গোপনীয়ভাৱে ৰাখি দোকমোৰালিতে বিদায় দিলে।

দ্বিতীয় ঘূৰণীয়া মেজ মেল

আন্দোলন চলি থকা অৱস্থাতে লর্ড আৰউইনে মহাত্মা গান্ধীক মুক্তি দি চুক্তি কৰাত সকলো ৰাজনৈতিক বন্দীকে মুক্তি দিযা হ'ল। ইযাৰ পিছত ভাৰতৰ স্বাধীনতাৰ বিষয়ে আলোচনা কৰিবলৈ গান্ধীজীকে একমাত্ৰ প্ৰতিনিধি কৰি ভাৰতীয় জাতীয় কংগ্ৰেছে লণ্ডনলৈ পঠিযালে। ভাৰতবৰ্ষৰ গভীৰ অৱস্থাৰ মুক্ত প্ৰকাশ কৰিলে মহাত্মা গান্ধীযে। ইংলণ্ডৰ ৰৰফ পৰা অৱস্থাত হাড় কপোঁৱা জাৰত গান্ধীজী শুদা গাৰে এখন মাত্ৰ কাপোৰ গাত লৈ আঁঠুৰ মূৰত চুৰীযা পিন্ধি ঘুৰণীযা মেজ মেলত বহিল। ইংলণ্ডৰ প্ৰধান মন্ত্ৰীযে এজন নঙঠা ভাৰতীয ফকিৰ বুলি গান্ধীজীক আখ্যা দিলে। ৰজা ঘৰৰ চাহ মেলতো তেনেকৈযে বহিলগৈ। ইংলণ্ডৰ প্ৰজা সকলে গান্ধীজীক প্ৰণাম জনালে দৰিদ্ৰ নাৰাযণ বুলি।

২য ঘূৰণীযা মেজ মেল ব্যৰ্থ হ'ল। গান্ধীজী শুদা হাতে ঘুৰি আহিল। লগে লগে আকৌ ৰৰলাটৰ লগত যোগাযোগ কৰিলে ইতিমধ্যে লর্ড উইলিংডন ভাৰতৰ নতুন গৰ্ণৰ জেনেৰেল হ'ল। তেওঁ অতি কঠোৰ মনোভাৰ ল'লে। সকলো কংগ্ৰেছ কৰ্ম্মীৰ ওপৰতে পুনৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে। ১৯৩২ চনৰ জানুৱাৰী মাহত গান্ধীজীক গ্ৰেপ্তাৰ কৰিলে। ৰাইজৰ ওপৰত পুনৰ নিৰ্য্যাতন আৰম্ভ কৰিলে। আন্দোলনৰ তীব্ৰতা আকৌ বাঢিল।

ইহাতেদি বৃটিছ চৰকাৰে ভাৰতৰ কাৰণে নতুন সংবিধান ৰচনা কৰিবলৈ উদ্যোগ ল'লে। এইবাৰ অকল মুচলমানৰ বাবেই নহয, অস্পৃশ্য সকলৰ বাবেও বেলেগে নিৰ্ব্বাচন পতাৰ ব্যৱস্থা কৰিলে। ইযাৰ প্ৰতিবাদ কৰি চেপ্টেম্বৰ মাহৰ ২০তাৰিখ মঙ্গলবাৰে গান্ধীজীযে আমৰণ অনশন আৰম্ভ কৰিলে। গোটেই ভাৰততে তোলপাৰ লাগিল। উচ্চ হিন্দুসকলে ৫ দিনৰ ভিতৰতে উদ্যোগ ল'লে। অস্পৃশ্য সকলৰ লগত মিলা প্ৰীতি দেখা গ'ল। পিছৰ দিনা ডাক্তৰে ক'লে গান্ধীৰ অৱস্থা অতি বেযা হৈ পৰিছে। সেই দিনাই বৃটিছ চৰকাৰে নিজৰ আঁচনি ত্যাগ কৰি গান্ধীৰ আঁচনি গ্ৰহণ কৰিলে। গান্ধীজীযে আবেলি অনশন ব্ৰত ভঙ্গ কৰিলে। বহুতো হিন্দুৰ মন্দিৰত হৰিজনৰ প্ৰবেশ ঘটিল। (১)

---

(১) Mahatma Gandhi- His Life in Pictures

ইযাৰ পিছৰ ৬ বছৰ গান্ধীজীয়ে হৰিজন উন্নয়নৰ কামত লাগিল। হিন্দু মুচলমানৰ একতাৰ বাবে কাম কৰিলে।

কানিংহাম চাৰ্কুলাৰ

এই সময়তে অসমৰ ডি পি আই কানিংহামে অসমৰ স্কুল কলেজলৈ এখন চাৰ্কুলাৰ দিলে। কানিংহাম চাৰ্কুলাৰ নামে জনাজাত এই খনৰ মতে কোনো ছাত্ৰই জাতীয় পতাকা লৈ শোভাযাত্ৰা কৰিব নোৱাৰিব, জাতীয় সঙ্গীত গাব নোৱাৰিব, কোনো আন্দোলনত যোগ দিব নোৱাৰিব বা কোনো প্ৰকাৰে সহায় কৰিব নোৱাৰিব।

এই চাৰ্কুলাৰ পোৱাৰ লগে লগে গুৱাহাটীৰ কটন কলেজত হুলস্থুল লাগিল, বহুতো ছাত্ৰই কলেজ এৰি গুছি গ'ল। অসমৰ প্ৰায়বোৰ স্কুলৰে ছাত্ৰই স্কুল ত্যাগ কৰি আন্দোলনত জপিয়াই পৰিল।

শ্ৰীসোমেশ্বৰ বৰাদেৱে ইতিমধ্যে ৭ম শ্ৰেণীৰ পৰা ৬ মহীয়া পৰীক্ষা দিছিল। তেখেতেও স্কুল ত্যাগ কৰি গুছি আহিল আৰু কুৰৱীটোলৰ স্বেচ্ছাসেৱক বাহিনীত যোগ দিলেহি। এই সময়তে কলিয়াবৰৰ আৰু কে'বাজনেও স্কুল ত্যাগ কৰি ওলাই আহিল। শ্ৰীতুৰাকান্ত মহন্ত (পিছত গোস্বামী) দেৱে ৯ম শ্ৰেণীৰ পৰা স্কুল ত্যাগ কৰিলে।

শ্ৰীতুৰাকান্ত গোস্বামীদেৱে ২০/৯/৭৬ তাৰিখে দিয়া প্ৰমাণ পত্ৰত লিখিছে যে ১৯৩০ চনত জখলাবন্ধাৰ শ্ৰীগিৰিশ খাউন্দে জাতীয় স্কুলৰ তলৰ শ্ৰেণীত পঢ়ি আছিল আৰু তেতিয়াই তেখেতে স্কুল ত্যাগ কৰি কংগ্ৰেছ স্বেচ্ছাসেৱক বাহিনীত যোগ দিয়ে। ১৯৪২ চনতো তেখেতে অংশ গ্ৰহণ কৰে বুলি কোৱা হৈছে। শ্ৰীপূৰ্ণ চন্দ্ৰ শৰ্ম্মাদেৱে ২৩/৯/৭৬ তাৰিখে দিয়া প্ৰমাণ পত্ৰত লিখিছে, "Both father and son Shri Girish were actively associated with us in the civil disobedience movement of 1930 "

কুঁৱৰীটোলৰ কেম্পৰ দায়িত্বত সেই সময়ত আছিল শ্ৰীগঙ্গা ৰাম ৰৱদলৈ। স্বেচ্ছাসেৱক বাহিনীৰ নায়ক আছিল শ্ৰীমুক্তি নাথ গোস্বামী।

কলিয়াবৰত প্ৰচাৰ কাৰ্য্য ঃ আইন অমান্য

এইখিনি সময়ত কংগ্ৰেছ কৰ্ম্মী সকলে মহাত্মা গান্ধীৰ ১৩ দফীয়া কাৰ্য্যসূচীৰ

ৰূপায়নত মনোনিবেশ কৰে। প্ৰচাৰ কাৰ্য্য পূৰ্ণোদ্যমে চলাই যায়। এইবাৰো সৰ্ব্বশ্ৰী পূৰ্ণ ভূঞা, বিষ্ণু ভূঞা আৰু মহবুব আলিক লগত লৈ শ্ৰীসোমেশ্বৰ বৰাদেৰে প্ৰচাৰ কাৰ্য্য চলায়। এইবাৰো সেৰাদলৰ মানুহক কোনেও ঠাই দিব নোখোজে। এচাম মানুহে কোৱা হ'ল- ঘৰত কাম কৰিব লাগে বুলি এই ল'ৰাবোৰ ভলণ্টিযাৰ হৈছে। এইদৰে অপপ্ৰচাৰো চলোৱা হ'ল।

তৃণমূল পৰ্য্যাযৰ মানুহ খিনিক কেনেকৈ সজাগ কৰিব লাগে মহাত্মা গান্ধীযে তাৰ দিহা দিলে। প্ৰচাৰ কাৰ্য্য চলাই লগতে মুষ্টি ভিক্ষা কৰি গাৱেঁ গাৱেঁ ফুৰিব লাগে। সুতা কটা, মাদক দ্ৰব্য বৰ্জন, অস্পৃশ্যতা বৰ্জন, কাপোৰকে ধৰি সকলো বিদেশী বস্তু বৰ্জন কৰাৰ বিষযে ৰাইজক বুজাব লাগে। ৬/৭ জন মিলি দল বান্ধি যোৱা হয়। "বৰ কম লোকেহে আগ্ৰহেৰে এমুঠি চাউল দিযে। বহুতে ওলাই মাতকে নিদিযে। আমিও সহজে নেযোঁ। 'অ ভাই কানীযা দেশৰে লাগিযা শুনা শুনা সবে ' আদি গান গাই খলক লগাই দিও। গৃহস্থই উপায নাপাই উখৰা মুখৰাকৈ এজোলাকা দি এমুঠি দিহে পাৰে। ভিক্ষা কৰি অনা চাউলেৰে কেতিযাবাহে এসাজ পেট পুৰাই খাব পাৰি।" এযা শ্ৰীসোমেশ্বৰ বৰা দেৱৰ স্মৃতিৰ পৰা কোৱা কথা।

কোনো কোনো গাৱঁত সহায কৰা মানুহো আছে। চুলুঙৰ শ্ৰীদৰ্ধৰাম উপাধ্যায, গৰৈমাৰিৰ (আমবাগান) শ্ৰীৰাম ধনী ৰাজভৰ (গাওঁবুঢ়া, তেখেতে সহায় কৰাৰ বাবে পুলিছৰ মাৰো খালে), শিলঘাটৰ শ্ৰীশিওৰাম (?), গাৰীৰে খাটিৰ শ্ৰীৰঙাই শইকীযা (তেখেতে বাঘৰ চুকৰ পৰা গৈ তাত আছিল) এই সকলে সকলো প্ৰকাৰে প্ৰচাৰ কাৰ্য্যত সহায কৰিছিল।

শান্তিপুৰৰ শ্ৰীমুক্তি গোস্বামীদেৱৰ ঘৰৰ সমুখৰ মাটিত এটা ঘৰ সাজি প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছিল। সেই সময়তে তেতিয়াৰ অসমৰ গৱৰ্ণৰ মষ্টনলেল বিন চাহাব বঁৰবাটোল শিলঘাট হৈ তেজপুৰলৈ যোৱাৰ বাটত কে'বাঠাইতো স্বেচ্ছা সেবক সকলে ক'লা পতাকা দেখুৱালে। ইয়াতে অপমান পাই পুলিছে কলিযাবৰীযা ৰাইজৰ ওপৰত অত্যাচাৰ চলালে। ইযালে মাটিৰ মালিকক পুলিছে হেঁচা দিযাত গৃহস্থই স্বেচ্ছাসেবক সকলক শিবিৰ এৰি যাবলে বাধ্য কৰিলে।

প্ৰচাৰ কৰা হ'ল- আমাৰ ভাৰতৰ পৰা কপাহ নি ইংলণ্ডৰ মিলত সুতা কাটি ভাৰতলৈ পঠিযায। এইবোৰ সুতাকেই আমাৰ শিপিনীযে তাঁতত লগাই কাপোৰ বয। এনেকুবা সুতাৰে কাপোৰ নৰ'বলৈ গোটেই কলিযাবৰতে স্বেচ্ছাসেবৰ সকলে বুজাই যুৰে আৰু ঘৰৰ খেতিৰ কপাহেৰে সুতা কাটি কাপোৰ ব'বলৈ অনুৰোধ কৰে আৰু উদগনি দিযে। নুশুনিলে বিদেশী সুতাৰে লগোৱা আৰু বোৱা কাপোৰ তাঁত শালতে কাটি টুকুৰা টুকুৰ কৰে।

এইদলে প্ৰচাৰ কাৰ্য্য শিলঘাটৰ ওচৰৰ মাউত গাৱঁত চলাওঁতে সেই গাৱঁৰ গাওঁবুঢ়া শ্ৰীচুচেন গগৈযে স্বেচ্ছাসেবক সকলক ঘৰৰ ভিতৰত সুমুৱাই বন্ধ কৰি গাৱঁৰ কেইজনমান ডেকাৰ হতুৱাই মাৰপিট কৰোৱায। তেওঁ নিজেও টাঙোনেৰে কে'বা জনৰো মূৰত পিঠিত টঙনিযায। সৰ্ব্বশ্ৰী- ঠানুৰাম ভূঞা, মুক্তি গোস্বামী, পদুম হাজৰিকা (উলুবনীৰ), শশী বৰদলৈ, ডালিৰাম শইকীযা আদি কে'বাজনৰো মূৰ ফাটি তেজ ওলায। হস্পিতালৰ চিকিৎসা ল'ব লগা হয। শ্ৰীঠানুৰাম ভূঞাৰ মূৰৰ চুলি এসোপাও আঁজুৰি চিঙে। শ্ৰীমুক্তি গোস্বামীক পিতলৰ গিলাচেৰে খুন্দিযাই দাঁত ভাঙি সৰাই দিযে। বটলত পানী ভৰাই খুন্দিযাই থেতেলা কৰে। শ্ৰীদণ্ডিৰাম বাৰিচোৱাৰ হাত ভাঙে।

"এই ঘটনাৰ খবৰ পাই বাইজে ইয়াৰ প্ৰতিবিধান কৰিবলৈ দলবান্ধি মাউত গাৱঁলৈ যাত্ৰা কৰে। ভলণ্টিয়াৰ সকলে মাউত গাৱঁৰ বাইজক মাৰপিট নকৰিবলৈ কৈ বাধা দিয়ে। কিন্তু বাধা নমনাত তেওঁলোকে বাটৰ ওপৰত শুই বাট ভেটি ধৰে। পিছত পুলিছে গৈ তেখেত সকলক গ্ৰেপ্তাৰ কৰি নগাৱঁলৈ নিয়ে আৰু কেইদিনমান পিছত এৰি দিয়ে।" এই কথা শ্ৰীনলিনী শইকীয়াৰ স্মৃতি লেখাত এনেকৈ লিখা আছে। শ্ৰীবদন চন্দ্ৰ বৰদলৈ আৰু শ্ৰীসোমেশ্বৰ বৰাৰ টোকাতো আছে।

১৯৩৩ চনত শ্ৰীবদন চন্দ্ৰ বৰদলৈৰ নেতৃত্বত শ্ৰীৰামেশ্বৰ হাজৰিকা, শ্ৰীদণ্ডিৰাম বৰুৱা, শ্ৰীৰমাকান্ত বৰা, শ্ৰীগুণাৰাম বৰা, শ্ৰীপূৰ্ণ ভূঞা আদি ৬/৭ জনে পদব্ৰজে নগাৱঁলৈ গৈ বাটে বাটে প্ৰচাৰ কাৰ্য্য চলাই যায়। চেচাঁ মুখতো দুদিনমান থাকে। "২৬ জানুৱাৰী টাউনত পালন কৰিবৰ কাৰণে ভলণ্টিয়াৰ সংগ্ৰহ কৰি কিৰণ বালাকো লগত লৈ চোৱাংভাৱে টাউনৰ জুবুলি পথাৰত পতাকা উত্তোলন কৰা হয়। এনে কাৰ্য্যৰ বাবে টাউন পুলিছৰ মাজত এটা হুলস্থুল হয়।" বৰদলৈহঁত ততালিকে তাৰপৰা আঁতৰি পলায়। এযা বৰদলৈ দেৱৰ লিখা কথা।

এইদৰে গাৱেঁ গাৱেঁ প্ৰচাৰ কাৰ্য্য চলাই ঘুৰি ফুৰি এমাহ সোতৰ দিনৰ মুৰত ঘৰ পাইহি। কলিয়াবৰত মাত্ৰ ৭ দিন থকাৰ পিছতে শ্ৰীবদন বৰদলৈক পুনৰ গ্ৰেপ্তাৰ কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড দিযে।

১৯৩৩ চনত চতিযাল শঙ্কৰ মন্দিৰত কলিযাবৰৰ যুৱক সকলৰ এখন ৰাজহুৱা সভা হয। এই সভালৈ নগাৱঁৰ পৰা আৰ্গেনাইজাৰ আহি তেজ উতলি যোৱাকৈ ভাষণ দিয়ে আৰু যুৱক সকলৰ মন জয় কৰে। সেই সভাতে শ্ৰীবদন বৰদলৈক চুৰেদাৰ পাতে। সেই মন্দিৰৰ সমুখৰ ফালে ৰাস্তাৰ ইপাৰে কোটোহা বাঁহনিৰ মাজত জংঘল চাফা কৰি এটা শিবিৰ নিৰ্ম্মাণ কৰা হয। তাত প্ৰথমে চাৰি ডজনক (৪৮ জন) সেৰা দল বাহিনীত ভৰ্ত্তি কৰা হয আৰু প্ৰশিক্ষণ দিযে। সম্পূৰ্ণ মিলিটাৰী কৌশলেৰে ট্ৰেইনিং দিযা হৈছিল। ঠাযে ঠাযে গৈ বিভিন্ন গাৱঁৰ যুৱক সকলক লাঠিখেল আদি শিকোৱা হৈছিল।

এই সময়তে কুৱঁৰীটোল থানাত থকা শ্ৰীকুল চক্ৰৱৰ্ত্তী নামৰ এজন দাৰোগাই বৰদলৈহঁতক কেম্পত জুলুম কৰি থকাৰ উপৰিও কে'বা বাৰো থানালৈ ধৰি আনি আগলৈ এইবোৰ নকৰোঁ বুলি লিখাই ল'বলৈ চেষ্টা কৰে। লিখি নিদিযে কোনেও। সেইবাবেই দাৰোগাই শ্ৰীবৰদলৈক হত্যা কৰাৰে চেষ্টা চলাইছিল। কিন্তু ভগৱানে বচালে। (বৰদলৈ দেৱৰ টোকাৰ পৰা এই কথা লিখা হৈছে।)

মহাত্মা গান্ধীৰ অসম ভ্ৰমণ (দ্বিতীয়)

১৯৩৪ চনত মহাত্মা গান্ধীযে হৰিজন আন্দোলন আৰম্ভ কৰি ভাৰতবৰ্ষৰ নানা ঠাইলৈ যায়। সেই উদ্দেশ্যেই তেখেত অসমলৈকো আহে। কলিয়াবৰৰ পৰা ১৫/২০ জন মান স্বেচ্ছাসেৱক নগাওঁ টাউনলৈ গৈ এসপ্তাহৰ আগৰে পৰা শ্ৰীবদন বৰদলৈৰ নেতৃত্বত

মহাত্মাৰ অভ্যৰ্থনাৰ কাৰ্য্যত আত্ম নিযোগ কৰে। শ্ৰীপূৰ্ণ শৰ্ম্মাদেৱে কলিয়াবৰৰ ভলণ্টিযাৰ সকলক বিশ্বাসত লৈ নিশ্চিন্ত হ'ল।

সেইদিনা জুবিলী পথাৰ লোকাৰণ্য। বিৰ দি বাট পাবলৈ নাই। গোটেই নগাওঁ জিলাৰ বাইজ ভাগি আহিল। দুদিন আগতেই কলিয়াবৰৰ বহুতো পুৰুষ মহিলা পদব্ৰজে নগাঁৱলৈ যাত্ৰা কৰিলে।

মহাত্মা গান্ধী ওৱাহাটীৰ পৰা মটৰত আহিব। শ্ৰীবদন বৰদলৈৰ ওপৰত হযবৰ গাৱঁৰ বাট মুকলি কৰি ৰখাৰ দাযিত্ব দিলে। শ্ৰীপূৰ্ণ শৰ্ম্মা তেতিযা স্বেচ্ছাসেৱক বাহিনীৰ জিলা আৰ্গেনাইজাৰ। চাৰিওফালে ঘুৰি ঘুৰি চাই ফুৰিছে। হয়বৰ গাৱঁলৈ গৈ বাটৰ ওপৰত মানুহে ভিৰ কৰি থকা দেখি ৰবদলৈৰ ওপৰত খং উঠিল। কিবা কিবি কৈ হাতত থকা বেতেৰে ভালকৈ দুকোৰ দিলে। বেত খাই ৰবদলৈযে ততালিকে বাট মুকলি কৰে। কলিয়াবৰৰ স্বেচ্ছাসেৱক সকলে দেহে কেহে খাটিলে।

জুবিলী পথাৰৰ সভাত গান্ধীজীয়ে হৰিজনৰ বাবে সহায় ভিক্ষা কৰাত ৰাইজে অকুণ্ঠ চিত্তে হাতত থকা টকা পইছা আগ বঢ়ালে, সমুখৰ বৰ কাঁহিখন তৎমুহূৰ্ত্ততে ভৰি গ'ল। ধন দিবলৈ মানুহে হেতা ওপৰা লগালে।

নগাৱঁৰ পৰা গোলাঘাট হৈ মহাত্মাজী যোৰহাটলৈ যায। ১৫ এপ্ৰিল (১৯৩৪ চন) তাৰিখে তেখেতে সদলবলে যোৰহাট পাযগৈ। চন্দ্ৰকান্ত সন্দিকৈ ভৱনত থকাৰ ব্যৱস্থা কৰা হয। মহাত্মা গান্ধী চাৰিদিন যোৰহাটত থাকোঁতে হৰিজন, কৈবৰ্ত্ত, বণিযা সকলক বৰ্ণ হিন্দু সকলৰ ওচৰ চপাই আনিবলৈ সক্ষম হয। হৰিজন বন্ধু শ্ৰীকৃষ্ণ শৰ্ম্মাদেৱৰ ব্যক্তিগত ঘৰৰা নামঘৰৰ দুৱাৰ মেলি গান্ধীজী ভিতৰ সোমায। থাপনাৰ আগত সজাই থোৱা শৰাইৰ মাহ প্ৰসাদখিনি এজন হৰিজনৰ হাতুৰাই ভিতৰে বাহিৰে থকা সকলোৰে মাজত বিতৰণ কৰালে। সকলোৱে সেই মাহ প্ৰসাদ শিৰত লৈ খালে। গান্ধীজীৰ লগত যোৰহাটৰ অনেক গণামান্য লোকৰ লগতে শ্ৰীশ্ৰীগড়মূৰীযা সত্ৰৰ সত্ৰাধিকাৰদেৱো আছিল। কৃষ্ণ শৰ্ম্মা দেৱৰ সৰ্ব্বাইবন্ধাৰ ঘৰৰ নামঘৰ হৰিজন সকলৰ কাৰণে মুকলি হ'ল। সমাজৰ অস্পৃশ্য সকলৰ বাবে মন মুকলি কৰিবলৈ মহাত্মাই এইদৰেই বাস্তৱিক পদক্ষেপ গ্ৰহণ কৰে।

অস্পৃশ্যতা বৰ্জ্জনত ব্যাঘাত

মহাত্মাৰ অস্পৃশ্যতা বৰ্জনৰ অংশ হিচাপে কলিযাবৰত এক বিশেষ ব্যৱস্থা কৰা হ'ল। চিলাবন্ধাৰ কৈবৰ্ত্তা সম্প্ৰদাযৰ লোকৰ দ্বাৰা চতিযাল শঙ্কৰ মন্দিৰত ভাওনা কৰাৰ ব্যৱস্থা কৰা হ'ল। পুৰণি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীঅনন্ত দেৱ গোস্বামীৰ লগত আলোচনা কৰি সৰ্ব্বশ্ৰী ঠানুৰাম ভূঞা, গনেশচন্দ্ৰ বৰঠাকুৰ, দণ্ডিৰাম বৰুৱা, বদন বৰদলৈ, দণ্ডি খাটনিযাৰ এই সকলৰ চেষ্টাত জাতি বৰ্ণ নিৰ্ব্বিশেষে সকলো মিলি নাম কীৰ্ত্তন কৰি একে লগে প্ৰসাদ খোৱাৰ আঁচনি কৰিলে।

পিছে এই কথাত চতিয়ালৰ ৰাইজ জাঙুৰ খাই উঠিল। শ্ৰীঅনন্ত দেৱ গোস্বামী অধিকাৰৰ কথাও নামানি সত্ৰৰ শিষ্য আৰু ডেকাসকলে ভাওনাৰ দিনা আনকি মাৰপিট কৰিবলৈকো সাজু হৈ থাকিল।

এই সংক্ৰান্তত শ্ৰীবদন বৰদলৈ দেৱৰ ডাযেৰীৰ পৰা কিছু কথা তুলি দিযা হ'ল।

"ভাওনাৰ তাৰিখত ডেকা ল'ৰা আহি সত্ৰত হাজিৰ হ'ল আৰু মাৰপিত কৰি হ'লেও এই কাৰ্য্যত বাধা দিবৰ বাবে সাজু হ'ল। আমালোকে এই সমস্যাত এটা বিপদত পৰিলো। আনহাতে গাঁৱঁৰ পৰা ৰাইজ ভাওনা কৰিবৰ বাবে তাল খোল লৈ শোভাযাত্ৰা কৰি আহি ছুতিয়াল পালেহি। মই, গনেশ ঠাকুৰ, থানুৰাম বিপদ পৰি ৰাইজক সকলো কথা জনাই ক্ষমা খুজি উভতি গৈ চিলা বন্ধা নাম ঘৰত নাম কীৰ্ত্তন কৰি একেলগে প্ৰসাদ খাই ভাওনা ক'ৰা হ'ল।

আনহাতে ৰাইজে এই কাৰ্য্যৰ বাবে আমালোকক দায়ী কৰি আমালোক তিনিও জনৰ মুখত চূণ কালী দি শাস্তি দিয়াৰ কথা পঙ্গা গম পালো। আমালোক ৩ জন কলিয়াবৰৰ পৰা পলাই গৈ হিন্দু সভাৰ সভাপতি বৃন্দাবন গোস্বামীৰ আশ্ৰয় বিচাৰিলো। তেখেতে টাউনৰ পৰা কলিয়াবৰৰ মুখিয়াল লোকলৈ চিঠি দি ছুতিয়াল শঙ্কৰ মন্দিৰত এখন সভা দিলে। সেই সভাত তেখেত আহি ৰাইজক বুজাই আমাক শাস্তিৰ পৰা ৰেহাই দিয়ালে।"

কুৰ্ৱীটোলত জৱহৰলাল

১৯৩৪ চনত আন্দোলন কিছু পৰিমানে সেমেকি যোৱাত কলিয়াবৰৰ কংগ্ৰেছ কৰ্ম্মীসকলে সাংগঠনিক কামত মনোনিবেশ কৰিলে। বিদেশী বৰ্জনৰ ওপৰত জোৰ দিয়া হ'ল।

সেই বছৰৰে আঘোণ মাহৰ বোধকৰোঁ পূৰ্ণিমা তিথিৰ দিনা পণ্ডিত জৱহৰলাল নেহৰু কুৰ্ৱীটোল হৈ তেজপুৰলৈ গৈছিল। জিলা কংগ্ৰেছৰ পৰা কলিযাবৰ কংগ্ৰেছলৈ নিৰ্দ্দেশ আহিল নেহৰুক কুৰ্ৱীটোলত তোৰণ সাজি মঞ্চ তৈযাৰ কৰি আদৰণি জনাব লাগে। মাত্ৰ ৫ মিনিটৰ বাবে।

আদৰণি সমিতিৰ সভাপতি শ্ৰীঠানুৰাম ভূঞাদেৰে কৰ্ম্মী সকলৰ লগত আলোচনা কৰিলে। পিছদিনা পুৱাৰে পৰা শ্ৰীসোমেশ্বৰ বৰাদেৱৰ পৰিকল্পনা আৰু পৰিচালনাত তোৰণ মঞ্চ তৈযাৰ কৰা হ'ল। ৰাতি ৮ বজাত পূৰ্ণিমাৰ জোনৰ পোহৰত ২০ ফুট ওখ মাৰ্বল পাথৰৰ দৌলটো দূ�ৰৰ পৰাই চিক্‌মিকাই জিলিকি আছে। "পণ্ডিত নেহৰুৰে মঞ্চত উঠিয়েই আদৰণি সমিতি আৰু কলিযাবৰ কংগ্ৰেছক গৰিহণা দিবলৈ ধৰিলে, কিয তেওঁলোকে তেওঁক আদৰিবৰ কাৰণে ৰমক-জমক ৰভা আৰু মাৰ্ব্বল পাথৰৰ দৌল মঞ্চ তৈয়াৰ কৰি অবিবেচকৰ কাম কৰিলে, ইমান ধন অপচয় কৰিলে। কিন্তু যেতিয়া তেখেতক বুজাই দিয়া হ'ল যে আদৰণি সমিতিয়ে এপইচাও খৰছ কৰা নাই, বাৰীৰ কলগছ কাটি আনি পটুৰাৰে স্বেচ্ছাসেৱক আৰু কংগ্ৰেছ কৰ্ম্মী সকলে নিজ হাতেৰে এই দৌল-মঞ্চ-ৰভা তৈয়াৰ কৰিছে নেহৰু আচৰিত হ'ল, অভিভূত হৈ পৰিল আৰু আশ্চৰ্য্য প্ৰকাশ কৰিলে। তেখেতে আধা ঘণ্টাতকৈয়ো বেচি সময় ভাষণ দিলে।" এয়া শ্ৰীসোমেশ্বৰ বৰাদেৱৰ স্মৃতিৰ কথা।

দাৰোগাৰ দম্ভ : অবিবেচক বগা চাহাব

তেতিযালৈকে শিলঘাটৰ অশোকাষ্টমী মেলাত নগাৱঁৰ পৰা শ্ৰীহলধৰ ভূঞাৰ নেতৃত্বত স্বেচ্ছাসেৱক আহি কাম কৰিছিল। সেই বছৰ (১৯৩৫ চন) কলিযাবৰৰ সেৱাদল বাহিনীযে এই কাম নিজে কৰাৰ ব্যৱস্থা কৰে আৰু শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱৰ নেতৃত্বত সকলো কাম কৰা হয। এই কথা নগাঁৱৰ সকলে ভাল পোৱা নাছিল।

শ্ৰীকুল চক্ৰৱৰ্ত্তী, দাৰোগাই, শ্ৰীবৰদলৈ আৰু শ্ৰীৰামেশ্বৰ হাজৰিকা সহ বাৰ জনক গ্ৰেপ্তাৰ কৰি শিলঘাটৰ এটা পৰিত্যক্ত ঘৰত বন্দী কৰি ৰাখিলে। ৰাতি ধুমুহাত ঘৰ ভাগি কঠমপিহে প্ৰাণ ৰক্ষা পৰে। ৰৱযুণত তিতি জুকুলি জুপুৰি হ'ল। পুৱা থানালৈ (কুৱঁৰীটোল) নি লকআপত ভৰাই থ'লে। দুষ্ট বুদ্ধিৰ দাৰোগাই চিপাহীক হুকুম দিলে। ১২ জন মানুহক প্ৰস্ৰাৱ কৰিবলৈ দুৱাৰ খুলি নিদি তাতে প্ৰস্ৰাৱ কৰিবলৈ দিলে। প্ৰস্ৰাৱ বোৰ কোঠালি ভৰি পৰে, মাটিত পৰা বিচনা তিযাই দিয়ে দুগৰ্ন্ধত থাকিব নোৱাৰা হয। দাৰোগা আহি তেখেত সকলকহে গালি পাৰে। আন্দোলন নকৰো বুলি লিখাই ল'বলৈ চেষ্টা কৰে- নানা ভয দেখুৱায। কোনেও লিখি নিদিযাত সন্ধ্যা সময়ত খালাচ দিয়ে। এইবোৰ কথাই কলিযাবৰৰ মানুহক অতিষ্ঠ কৰি তোলে। শ্ৰীবৰদলৈ দেৱৰ ডাযেৰীত এই বৰ্ণনা দিয়া আছে।

ইযাৰ পিছতে সোণাৰি গাৱঁত এটা সৰু কথাই বৰ ভযানক ৰূপ ল'লে। নগাৱঁৰ চিভিল চার্জন বগা ইংৰাজ চাহাবৰ মটৰ গাড়ীখন সোণাৰি গাৱঁৰ মাজতে বেযা হ'ল। শ্ৰীৰবিৰাম হাজৰিকাই সেই সময়তে বাটৈদি এভাৰ ধান কটিযাই নি আছিল। চাহাবে হাজৰিকাক গাড়ীখন ঠেলি দিবলৈ মাতিলে। তেখেত অমান্তি হ'ল। চাহাবে নামি আহি হাজৰিকাক ডিঙিত ধৰি গাড়ীৰ ওচৰলৈ ঠেলি নিলে। এপাকত হাতৰ পৰা এৰাই গৈ ধান কটিওৱা বাওঁকা ডালেৰে তেখেতে চাহাবৰ পিঠিত কোবাই জখম কৰিলে। ইযাৰ পিছত সোণাৰি গাৱঁত পুলিছৰ অত্যাচাৰ চলিল।

এই লৈ সোণাৰি গাৱঁত এখন সভা হৈছিল। স্থানীয় আৰু নগাৱঁৰ কংগ্ৰেছ নেতা সকলৰ উপৰিও অসম প্ৰাদেশিক কংগ্ৰেছৰ দেশভক্ত তৰুণৰাম ফুকনৰ লিখিত ভাষণো সভাত পাঠ কৰি শুনোৱা হৈছিল।

এই ঘটনাৰ বিষযে সমগ্ৰ কলিযাবৰতে প্ৰচাৰ হ'ল। ডেকা সকল জাঙুৰ খাই উঠিল। বগা বঙাল বৃটিছৰ বিৰুদ্ধে মানুহৰ মন উতলা হ'ল। তেতিযা এম ই পাছ কৰি অহা সেই গাৱঁৰে শ্ৰীলক্ষেশ্বৰ হাজৰিকা দেৱৰ দৰে বহুতো চেমনিয়াৰ মনতো দেশপ্ৰেম জাগি উঠিল। বৃটিছৰ প্ৰতি ঘৃণা ভাৰ বাঢ়ি গ'ল।

(ওপৰোক্ত ঘটনাটোৰ বৰ্ণনা আমাক দিছিল সোণাৰি গাৱঁৰ শ্ৰীলক্ষেশ্বৰ হাজৰিকা, বৰ্ত্তমান নগাওঁ টাউন বাসীন্দা, উকিল ডাঙৰীযাই)।

এনেকুৱা এটা অভিজ্ঞতা আমাৰো হৈছিল। সম্ভৱতঃ ১৯৩৯-৪০ চন মানৰ কথা। বৰ্ত্তমান জখলাবদ্ধা হস্পিতালৰ ওচৰৰ ৰাষ্ট্ৰীয় ৰাজপথৰ কাষৰ বৰঠাকুৰ/ হাজৰিকা

ফাৰ্ম্মাচী থকা ঠাইত এজোপা বিৰাট ডাঙৰ ভোমোৰা গছ আৰু এজোপা ভেলেউ আছিল। আশে পাশে ডাঙৰ-সৰু গছ আৰু বাঁহনিৰে ভৰা। তাতে গছৰ তলত কোনোবাই বাঁহৰ জেওৰাৰ খুটি তৈযাৰ কৰি থৈছে।

ৰাজপথৰ ওপৰেদি (তেতিযা পথটো তেনেই ঠেক) হাটবৰ-সোন্দৰ, সৰুভগীযা আদি গাৱঁৰ পৰা কেৰি বাকৰিত চৰাবলৈ দুজাক গৰু গৰখীয়াই খেদাই নি আছিল। তেতিযা দিনৰ প্ৰায চাৰে ন মান বাজিছে। দলগাৱঁৰ শ্ৰীমোলোকা বৰা ধুনীযা বগা চোলা চুৰিযা পিন্ধি আহি সেইখিনি পাইছেহি। নগাৱঁৰ ফালৰ পৰা এখন ক'লা মটৰ গাডী হৰ্ণ বজাই বজাই আহি ৰৈ গ'ল। চাহাৰ নামিযেই শ্ৰীবৰাক ধৰি এটা চৰ মাৰিলে আৰু গৰুবোৰলৈ আঙুলিযাই কিবা কিবি কৈছে। শ্ৰীবৰাদেৰে- এইবোৰ মোৰ গৰু নহয নহয, মই সোণাৰি গাৱঁলৈ ফুৰিবলৈহে আহিছো আদি কথা চিঞৰি কৈছে। চাহাবে আৰু এচৰ মাৰিলে। তেখেতেও চাহাবক ঠেলা মাৰি দিযাত এটা গৰুৰ গাতে পৰিলগৈ। তৎক্ষণাৎ উঠি আহি শ্ৰীবৰাক আকৌ ধৰিলে, দুযোৱে হতাহতি, ভুকুওৱা-ভুকি লাগিল। আমি স্কুললৈ যাবলৈ আহি সেইখিনি পাই দৃশ্যটো দেখিলো। আমাৰ গাৱঁৰ (গাৰিকুৰি) শ্ৰীনোমল নেওগ আৰু মই লৰি গৈ হাতত দুডাল জেওৰাৰ খুটি আনিলোগৈ- মোলোকা বকাইদেউক সহায কৰিবলৈ। আমাক লক্ষ্য কৰিযেই বোধ কৰোঁ মেমনী নামি আহি চাহাবৰ টানি নি গাডীত তুলিলে আৰু আমি গৈ ওচৰ পাওঁ মানে গাডী চলাই দিলে। শ্ৰীবৰাৰ দাঁতৰ তেজ ওলাইছিল। চোলাৰ বুকুত পৰিছিল। 'চালা চাহাবৰ নাক দেউনা ভাঙি দিছো নহয, কুকুৰৰ পোৰ' তেখেতে চিঞৰি কৈছিল।

এই ঘটনাৰ দুদিনমান পিছত সৰুভগীযা দযালৰ চুকত পুলিছে অত্যাচাৰ কৰিছিল। আমাৰ মনত তেতিযাই বৃটিছ বগা চাহাবৰ প্ৰতি ঘৃণাৰ ভাব জন্মিল।

কলিয়াবৰত প্ৰথম প্ৰাথমিক কংগ্ৰেছ গঠন

১৯৩৬ চুনত শ্ৰীবদন বৰদলৈ নগাওঁ জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ সদস্য হয। তেখেতৰ ডাযেৰীত লিখা মতে সেই বছৰতেই শ্ৰীহলধৰ ভূঞাদেৰে নগাওঁ জিলা কংগ্ৰেছৰ বাবে এখন সংবিধান ৰচনা কৰে আৰু কাৰ্য্যকৰী কমিটিযে পাছ কৰে। "সেই সংবিধান মতে প্ৰাইমাৰী কংগ্ৰেছ কমিটি প্ৰথম কলিযাবৰতে গঠন কৰা হয়। শ্ৰীদেৱকান্ত বৰুৱা প্ৰথম এক মাহ কাল আমাৰ ঘৰত থাকি গোটেই কলিয়াবৰত গাৱেঁ গাৱেঁ মিটিং পাতি প্ৰাঃ বং কমিটি গঠন কৰা হয।" (বদন বৰদলৈ)

শ্ৰীদেৱকান্ত বৰুৱাদেৰে প্ৰথমতে পূবথৰীযা প্ৰাথমিক কংগ্ৰেছ কমিটিখন গঠন কৰে। কাৰ্য্যকৰী কমিটিৰ বিষযববীয়া সকল আছিল শ্ৰীআনন্দৰাম শইকীযা (সভাপতি), শ্ৰীসোমেশ্বৰ বৰা (সম্পাদক) শ্ৰীবিষ্ণুৰাম ভূঞা (ভাণ্ডাৰী), সদস্য সকল সৰ্ব্বশ্ৰী- পূৰ্ণচন্দ্ৰ ভূঞা, নন্দিৰাম ভূঞা, বলোৰাম ভূঞা, মিহিৰাম বৰা, গঙ্গাৰাম ভূঞা, আনন্দৰাম কাকতি, দণ্ডিৰাম খাটনিযাৰ আৰু আনন্দৰাম বৰুৱা।

এইদৰে চতিয়াল, হাটবৰ, কুৰৱীটোল আৰু নলতলি প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰি দিযে।

চতিয়াল প্ৰাথমিকৰ সভাপতি	ঃ	শ্ৰীদণ্ডিৰাম বৰুৱা
হাটবৰ প্ৰাথমিকৰ সভাপতি	ঃ	শ্ৰীৰমাকান্ত বৰা
সম্পাদক	ঃ	শ্ৰীসূর্য্যকান্ত নেওগ
কুৰৱীটোল প্ৰাথমিকৰ সভাপতি	ঃ	শ্ৰীঠানুৰাম ভূঞা
নলতলি প্ৰাথমিকৰ সভাপতি	ঃ	নাম পোৱা নগ'ল।

বাকী অন্য বিষযববীযা সকলৰ কাৰো নাম ক'তো লিখিত ভাৱে ৰখা পোৱা নগ'ল।

প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰাত কংগ্ৰেছৰ ভেটি দৃঢ হ'ল। কিন্তু সুদৃঢ নহ'ল। কাৰণ আকৌ সমস্যাই দেখা দিলে। আগৰ যিখন কেন্দ্ৰীয় বুলিয়েই ক'ব পৰা কংগ্ৰেছ কমিটি আছিল এতিয়া সেইখন প্ৰায অচল হৈ পৰিল। প্ৰাথমিক কেইখনে নিজৰ এলেকাতে কাম কৰাৰ বাহিৰে অন্য ঠাইৰ কথা নভবা হ'ল। এখন প্ৰাথমিকৰ লগত ইখনৰ সম্বন্ধ কম হৈ আছিল আৰু প্ৰায় নথকাৰ দৰেই হ'ল। এই অসুবিধা দূৰ কৰিবৰ কাৰণে এখন শক্তিশালী কেন্দ্ৰীয় কংগ্ৰেছ কমিটি গঠন কৰা হ'ল। প্ৰতিখন প্ৰাথমিকৰে সভাপতি সম্পাদকক লৈ কেন্দ্ৰীয় কমিটিখন গঠিত হ'ল। এই সংক্ৰান্তত কোনো নথি পত্ৰ নথকাত বিষয় ববীযা সকলৰ নাম দিব পৰা নগ'ল। কিন্তু পিছৰ কাৰ্য্যাৱলীৰ পৰা এইটো নিশ্চিতকৈ ক'ব পাৰি যে শ্ৰীঠানুৰাম ভূঞাদেৱেই এই প্ৰথম কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সভাপতি আছিল।

কংগ্ৰেছ সভাপতি সুভাষ বসু ঃ অসমত বৰদলৈ মন্ত্ৰীসভা

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ চূড়ান্ত পর্য্যায় অর্থাৎ ১৯৪২ চনৰ ৯ আগষ্টৰ 'ভাৰত ত্যাগ' প্ৰস্তাৱ লোৱাৰ আগতে বৃটিছ চৰকাৰৰ লগত ভাৰতীয় জাতীয কংগ্ৰেছৰ কৰ্ম্মৰাশি আৰু কংগ্ৰেছৰ ভিতৰ চ'ৱাৰো কিছু কথা কোৱা ভাল হ'ব। স্বাধীনতা সংগ্ৰামৰ গতি ধাৰা কেনেকৈ পৰিবৰ্ত্তনৰ পথত আগ বাঢিল বুজাত সহজ হ'ব।

১৯৩৮চনৰ ১৯ ফেব্ৰুৱাৰীত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৫১ তম হৰিপুৰা অধিবেশনত শ্ৰীসুভাষ চন্দ্ৰ বসুৱে সভাপতিত্ব কৰে। সভাপতি হৈযেই সুভাষ বসুৱে কংগ্ৰেছত আমূল পৰিবর্ত্তন অনাৰ ব্যৱস্থা ল'লে। তেতিয়া তেওঁৰ বয়স মাত্ৰ ৪১ বছৰ। বৃটিছৰ ভাগ ভাগ কৰি শাসন কৰা (Divide and Rule) নীতিৰ বিৰোধে প্ৰথম উল্লেখ কৰে তেওঁৰ ভাষণত। ভাৰতৰ হিন্দু মুচলমানৰ মাজত বিভেদৰ সৃষ্টি কৰা বৃটিছ চৰকাৰক কটু সমালোচনা কৰিলে। পৃথিবীৰ মানৱ জাতিৰ কল্যাণৰ বাবে গান্ধীজীৰ মতবাদৰ তেওঁ প্ৰশংসা কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰাম খন ঘৃণা আৰু তিক্ত ভাবৰ পৰা মুক্ত ৰাখিবৰ কাৰণে গান্ধীজীৰ অতি প্ৰয়োজন বুলিও সুভাষ বসুৱে ভাষণত উল্লেখ কৰে। সুভাষ বসুৰ সকলোতকৈ উল্লেখনীয়

কামটো আছিল পোন প্ৰথম বাৰৰ বাবে ভাৰতৰ জাতীয় প্লেনিং কমিচন' গঠনৰ ভেটি তৈয়াৰ কৰা।

সেই সময়ত (১৯৩৮ চন) অসমত চৈযদ চাৰ স্বাদুল্লাৰ প্ৰধান মন্ত্ৰীত্বত (তেতিয়া মুখ্য মন্ত্ৰী বুলি কোৱা নাছিল) কংগ্ৰেছ বিৰোধী চৰকাৰে শাসন চলাইছিল। কংগ্ৰেছী বিধায়ক সকলে স্বাদুল্লা মন্ত্ৰীসভাৰ কু-শাসনৰ বিপক্ষে যুঁজ দিয়ে। তেওঁলোকে দাবী কৰে যে অসমৰ ইউৰোপীয়ান চাহ বাগিছাৰ ওপৰত কৃষি কৰ বহুৱাব লাগে, চাহ বাগিছাৰ বনুৱাসকলৰ অৱস্থাৰ উন্নতি সাধন কৰিব লাগে আৰু প্ৰত্যেক বাগিছাতে স্কুল খুলিব লাগে। মুঠতে জন সাধাৰণৰ কল্যাণৰ হকে কাম কৰিব লাগে।

১৯৩৮ চনৰ ১৩ চেপ্টেম্বৰত স্বাদুল্লা মন্ত্ৰীসভাৰ ওপৰত অনাস্থা প্ৰস্তাৱ দিয়াৰ দিন ঠিক কৰে। কিন্তু তাৰ আগতেই স্বাদুল্লা ম ন্ত্ৰীসভাই পদত্যাগ কৰে। ১৯/৯/৩৮ তাৰিখে কংগ্ৰেছে কোৱালিশ্যান মন্ত্ৰীসভা গঠন কৰে- শ্ৰীগোপীনাথ বৰদলৈ প্ৰধান মন্ত্ৰী হয। এই মন্ত্ৰীসভা গঠনৰ সময়ত কংগ্ৰেছ সভাপতি সুভাষ বসু আৰু মৌলানা আবুল কালাম আজাদ নিৰীক্ষক হিচাপে ছিলঙলৈ আহিছিল।

তেতিয়া অসমৰ ১০৮ জন বিধাযকৰ ৮ জনহে মন্ত্ৰী আছিল (অসম উপত্যাকৰ ৪ জন আৰু সুৰমা উপত্যকাৰ ৪ জন)। ৰবদলৈ মন্ত্ৰীসভাই পোন প্ৰথম বাৰৰ বাবে অসমৰ চাহ বাগিছাৰ ওপৰত কৃষি কৰ বহুৱায়। বহিৰাগত মুছলমান পমুৱাৰ পৰা খিলঞ্জীয়া মানুহক ৰক্ষা কৰিবৰ কাৰণে মাটি বন্দবস্তি সীমাবদ্ধতা ৰক্ষা কৰা, জন জাতীয় সকলক ৰক্ষা কৰিবলৈ লাইন প্ৰথা প্ৰবৰ্ত্তন কৰা, কানি নিবাৰণী, ৰনাঞ্চল সংৰক্ষণ কৰা আদিৰ বাবে আইন প্ৰণয়ন কৰে।

পিছত ১৯৩৯ চনৰ অক্তোবৰ মাহৰ শেহৰ ফালে ৰবদলৈ মন্ত্ৰী সভাই পদত্যাগ কৰে।

সুভাষ বসুৰ বিপর্য্যয় : কংগ্ৰেছৰ পৰা বহিস্কাৰ, পলায়ন

গুজৰাটৰ হৰিপুৰা কংগ্ৰেছ অধিবেশনৰ পিছত মধ্য প্ৰদেশৰ জৱলপুৰৰ ত্ৰিপুৰীত ৫২ তম কংগ্ৰেছ অধিবেশন বহিব। এই অধিবেশনৰ সভাপতি পদ লৈ কংগ্ৰেছৰ মাজত মত বিৰোধ হ'ল। সভাপতি পদৰ বাবে ড পট্টভি সীতাৰামায়াৰ নাম গান্ধীজীৰ লগতে অনেকে সমর্থ কৰিলে। সুভাষ বসুৱে ২য় বাৰৰ বাবে পুনৰ সভাপতি পদৰ প্ৰাৰ্থী হয। গান্ধীজী কিন্তু ইয়াৰ ঘোৰ বিৰোধী হ'ল। তথাপিও ১৯৩৯ চনৰ ২৯ জানুৱাৰীত সুভাষ বসুৱে ২০৩ টা ভোট বেচি পাই জয় লাভ কৰে।

এই জয়েই সুভাষ বসুৰ ৰাজনৈতিক জীৱনলৈ চুড়ান্ত পৰিবৰ্ত্তন আনে। কংগ্ৰেছ ৱৰ্কিং কমিটিৰ বেচিভাগ সদস্যযে পদত্যাগ কৰে। কংগ্ৰেছ এতিয়া দুভাগ হোৱাটো প্ৰায নিশ্চিত হৈ পৰে। পেটেল, নেহৰু, সুভাষ, মহাত্মা গান্ধী সকলোৰে মাজত চিঠিৰ আদান

প্ৰদান হ'ল। তথাপি এটা সিদ্ধান্ত হোৱাৰ আশা ক্ষীণ হৈযে থাকিল।

১৯৩৯ চনৰ ১০ মাৰ্চত ত্ৰিপুৰীত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ৫২তম অধিবেশন বহিল। সুভাষ বসুৰ বিপদাজনক ভাৱে বেমাৰ হৈ বিচনাত পৰি আছে। ডাক্তৰৰ বাধা নামানি ১০৪ (F) (ডিগ্ৰী) জ্বৰৰ গাৰেই এম্বুলেন্সত উঠি কলিকতাৰ বেল ষ্টেচনলৈ গুছি গ'ল। বেলৰ পৰা ষ্টেচাৰত তুলি (জব্বলপুৰত) এম্বুলেন্সলৈ নিব লগা হ'ল। স্থানীয় ডাক্তৰে তেওঁক হস্পিতাললৈ নিযাৰ কথা কওঁতে কলে 'কেতিযাও নহয, মই ইয়াত নৰ্মদাৰ পাৰতে জীৱন দিম, হস্পিতালত পৰি থাকিবলৈ মই ইয়ালৈ অহা নাই।' সকলো নিৰুপাযত পৰিল।

সভাত অতি কমেও দুই লাখ মানুহ গোট খাইছিল। সকলোৰে উৎকণ্ঠাৰ সীমা নাই। মঞ্চৰ ওপৰত তুলি বিচনা পাৰি সুভাষ বসুক দাণ্ডি নি শুৱাই দিযা হ'ল। ভাতিজী ছোৱালীয়ে (ইলা) কপালত বৰফৰ মোনা দি থাকিল। এনেকৈযে অতি শান্তভাৱে তেখেতে কাৰ্য্যসূচী মতে বিষয বাচনি সভাৰ কাম চলাবলৈ ধৰিলে। এইটো এটা অলৌকিক আৰু হৃদয় স্পৰ্শী দৃশ্য আছিল।(১)

আমাৰ অসমৰ বীৰ লাচিতক অমূৰ্ত্তক জ্বৰৰ গাৰেই চালপিৰাৰে সৈতে দাণ্ডি নি নাৰঁত তুলি দিছিল আৰু তেনেকুৱা জ্বৰৰ গাৰেই শৰাইঘাটৰ যুদ্ধ চলাই জয়ী হৈছিল। এনেকুৱা বিৰল প্ৰতিভাৰ গৰাকী পৃথিবীত পাবলৈ নাই।

সুভাষ বসু ইমান দুৰ্ব্বল হৈ পৰিছিল যে তেওঁ মূল সভাত ভাষণ দিবলৈ আৰু থাকিব নোৱাৰিব। মৌলানা আজাদে সভাপতিৰ আসন গ্ৰহণ কৰি সুভাষৰ অতি চুটি ভাষণ পাঠ কৰিলে। অধিবেশনে সুভাষক ৱৰ্কিং কমিটিৰ সদস্য নিযুক্তি দিবলৈ অধিকাৰ দিলে, অৱশ্যে গান্ধীজীৰ ইচ্ছা সাপেক্ষেহে। কিন্তু গান্ধীজীযে কংগ্ৰেছৰ সভাত যোগদান নকৰাৰে সিদ্ধান্ত ল'লে।

এই মত পাৰ্থক্যৰ সমাধান কৰিবলৈ বহুত লিখা লিখি হ'ল যদিও সিদ্ধান্তত উপনিত হ'ব নোৱাৰিলে। অৱশেষত ২৯ এপ্ৰিলত (১৯৩৯) কলিকতাত নিখিল ভাৰত কংগ্ৰেছ কমিটি বহিল আৰু তাতে সুভাষ চন্দ্ৰ বসুৰে কংগ্ৰেছ সভাপতি পদৰ পৰা পদত্যাগ কৰিলে। ড° ৰাজেন্দ্ৰ প্ৰসাদক ইযাতে সভাপতি পতা হ'ল। ইয়াৰ পিছৰ বাৰ মৌলানা আবুল কালাম আজাদ কংগ্ৰেছ সভাপতি হ'ল।

ইতিমধ্যে সুভাষ বসুৱে সেই বছৰতে (১৯৩৯ চন) ৩ মেত ফৰৱাৰ্ড ব্লক গঠন কৰে আৰু তেওঁ সভাপতি হয। ইয়াৰ পিছত সুভাষ বসুক কংগ্ৰেছৰ যিকোনো পদৰ পৰা ৩ বছৰৰ কাৰণে বহিস্কাৰ কৰা হ'ল। গান্ধীজীয়ে নিজেই এই প্ৰস্তাৱৰ খচৰা তৈয়াৰ কৰিছিল। (২)

সুভাষ বসুৰ নতুন জীৱন আৰম্ভ হ'ল। সুভাস বসুৰ জীৱনত অনেক ঘটনা ঘটিল।

Netaji Subhas Ch Bose- Yamini Phukan, Ph D

(১) Page 246-47

(২) Page 251-53

বহুতে অৱজ্ঞাৰে সমালোচনা কৰাৰ পিছতো কলিকতাৰ মাজ মজিযাত থকা 'হল ৰেল স্মৃতিস্তম্ভ' ভাঙি পেলোৱাৰ সিদ্ধান্ত ল'লে। ৩ জুলাইত (১৯৪০)এই কাম কৰাৰ আগদিনা ২ জুলাইত সুভাষ বসুক গ্ৰেপ্তাৰ কৰি প্ৰেচিডেন্সি জেলত ভৰাই থ'লে। এই অন্যায় কাৰ্যাৰ প্ৰতিবাদ কৰি সুভাষে মুক্তিৰ দাবী কৰি অনিৰ্দ্দিষ্ট কালৰ বাবে অনশন আৰম্ভ কৰিলে। ৬ দিন পিছত অতি দুৰ্ব্বল অৱস্থাত তেওঁক মুক্তি দিলে- ৫ ডিচেম্বৰ (১৯৪০) তাৰিখে। কিন্তু আচলতে তেওঁক গৃহ বন্দী কৰি ৰখা হ'ল। দুটা গোচৰ ইতিমধ্যে তেওঁৰ ওপৰত চলিয়েই আছিল। ৬২ জন পুলিৰ মানুহে তেওঁৰ কলিকতাৰ এলগিন ৰোডৰ ঘৰ ঘেৰাও কৰি দিনে ৰাতিয়ে চাৰিওফালে পহৰা দি থাকিল। ইহাতেদি জেলত থাকোঁতেই ঢাকাৰ পৰা কেন্দ্ৰীয় বিধান সভালৈ তেওঁ নিৰ্ব্বাচিত হ'ল।

এই পহৰাৰ মাজৰ পৰাই ১৯৪১ চনৰ ১৬ জানুৱাৰী তাৰিখে সুভাষ বসু ভেশ্ছন কৰি মহম্মদ জিয়াউদ্দিন, বি এ, এল. এল. বি , নাম লৈ (দি এম্পায়াৰ অব ইণ্ডিয়া লাইফ ইন্সিওৰেন্স কোং লিমিটেডৰ ট্ৰেভেলিং এজেণ্ট হৈ) পাঠানৰ বেশেৰে পলাই গ'ল। অতি বিপদ সংকুল অৱস্থাৰ মাজৰে আফগানিস্থানৰ অতি দুৰ্গম পৰ্ব্বত পাহাৰ, হাবি জংঘলৰ মাজে মাজে খোজ কাঢ়ি গৈ ২৭ জানুৱাৰীত কাবুল পালেগৈ। ১৮ মাৰ্চলৈকে তাতে থাকিব লগা হ'ল। তাৰ পিছত সমৰখণ্ড পালগৈ।২০ মাৰ্চত সমৰখণ্ডৰ পৰা ৰেলেৰে যাত্ৰা আৰম্ভ কৰিলে মস্কো অভিমুখে। ২৮ মাৰ্চত মস্কোৰ পৰা উৰা জাহাজেৰে জাৰ্ম্মানীলৈ গ'ল আৰু ৩ এপ্ৰিল (১৯৪১) তাৰিখে বাৰ্লিনত উপস্থিত হ'লগৈ। ২ মাহ ১১ দিন সময় লাগিল কলিকতাৰ পৰা বাৰ্লিন পাওঁতে।[৩]

Nataji Subhas Chandra Bose Yamini Phukan, Ph D

(৩) Page 268

দ্বিতীয় মহাসমৰ আৰু যুদ্ধ বিৰোধী মহাত্মা

১৯৩৯ চনৰ ১ চেপ্টেম্বৰত জাৰ্ম্মানীয়ে পোলেণ্ড আক্ৰমণ কৰিলে আৰু পৃথিবীৰ দ্বিতীয় মহাসমৰ আৰম্ভ হ'ল। ৩ চেপ্টেম্বৰত ইংলণ্ডৰ ৰজাই জাৰ্ম্মানী আৰু ইটালীৰ বিপক্ষে যুদ্ধ ঘোষণা কৰিলে। বৃটিছে ভাৰতকো সাঙুৰি ল'ব বিচাৰিলে ভাৰতীযৰ লগত কোনো আলোচনা নকৰাকৈয়ে।

দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ লগে লগেই ভাৰতবৰ্ষই এই যুদ্ধত অংশ গ্ৰহণ কৰিব নে নাই এই লৈ অতি গভীৰ ভাৱে নিখিল ভাৰত কংগ্ৰেছ কমিটিযে আলোচনা কৰিলে। এই সংক্ৰান্তত মতামতৰ পাৰ্থক্য হ'ল। কংগ্ৰেছৰ নেতা সকল দুভাগত বিভক্ত হ'ল। মহাত্মা গান্ধীয়ে যুদ্ধৰ বিভিযিকাৰ বিষয়ে ভাবি আৰু নেতা সকলৰ বিভেদকামী মনোভাব দেখি মৰ্ম্মাহত হ'ল আৰু এটা সময়ত ইমান বিচলিত হৈ পৰিল যে তেখেতে কে'বা বাৰো আত্মহত্যা পৰ্য্যন্ত কৰাৰ কথাও মনলৈ আনিছিল। কংগ্ৰেছ সভাপতি আবুল কালাম আজাদক তেখেতে কৈছিল যদি তেওঁ (গান্ধীয়ে) যুদ্ধই সৃষ্টি কৰা দুখ যাতনা বন্ধ কৰিবলৈ শক্তিহীন হয় এইবোৰ দেখাৰ পৰা বিৰত থাকিবলৈ অন্ততঃ নিজৰ জীৱনৰে অৱসান ঘটোৱাৰ ব্যৱস্থা কৰিব পাৰে অৰ্থাৎ এইবোৰ দেখাৰ সাক্ষী নহ'বলৈ জীৱনটো শেষ কৰি দিব পাৰে। (১)

গান্ধীজীৰ এই কথাই কংগ্ৰেছ নেতা সকলৰ মনত বাৰুকৈযে আলোড়নৰ সৃষ্টি কৰিলে। বৃটিছ চৰকাৰে যুদ্ধৰ পিছত ভাৰতৰ কথা চিন্তা কৰিব আৰু সেই চৰকাৰৰ ছত্ৰ ছায়াত 'ডমিনিয়ন ষ্টেটাচ' (যথাযোগ্য শাসনৰ মৰ্য্যাদা) দিযাৰ যি লোভ দেখুৱাইছিল গান্ধীজীযে এক কথাৰেই তাৰ বিৰোধীতা কৰিছিল আৰু কোনো কাৰণতেই ভাৰতৰ মানুহে এই যুদ্ধত যোগ নিদিয়ে বুলি দৃঢ় মত পোষণ কৰিছিল। গান্ধীজীয়ে ইংলণ্ডৰ জন সাধাৰণলৈ মুকলি চিঠি লিখি আবেদন জনালে যে তেওঁলোকে হিটলাৰৰ বিপক্ষে অস্ত্ৰ ধৰিব নালাগে ৰৰঞ্চ মানসিক বল প্ৰয়োগ কৰিহে তেওঁৰ বিৰোধীতা কৰিব লাগে। (২)

কংগ্ৰেছৰ যিটো দলে এই মহাসমৰত অংশ গ্ৰহণ কৰাৰ পোষকতা কৰিছিল তেওঁলোকেও নিজৰ স্থিতি কিছু শিথিল কৰিলে। গান্ধীজীৰ লগত মত আৰু মনৰ অমিল হোৱাত সুভাষ বসুৱে ইতিমধ্যেই কংগ্ৰেছ সভাপতিৰ পদ ত্যাগ কৰি আঁতৰি গ'ল।

১৯৪০ চনৰ জুলাই মাহত চৰ্দ্দাৰ বল্লভ ভাই পেটেল, ড° ৰাজেন্দ্ৰ প্ৰসাদ আৰু কে'বাজনো ৰৰ্কিং কমিটিৰ সদস্যই সভাপতি আজাদলৈ লিখিলে যে তেওঁলোকে আগৰ মত

India Wins Freedom- Mulana Abul Kalam Azad

(১) Page 34

(২) Page 33

সলনি কৰিছে আৰু গান্ধীজীক সম্পূৰ্ণ সমৰ্থন কৰিছে। ভাৰতে কোনোপধ্যেই এই যুদ্ধত যোগ নিদিয়ে।

গান্ধীজীযে আকৌ এবাৰ ইংৰাজ সকলৰ ওচৰত যুদ্ধৰ বিপক্ষে গৈ মানসিক বল প্ৰযোগ কৰি হিটলাৰৰ বিপক্ষে থিয হ'ব লাগে বুলি অনুৰোধ জনালে।

গান্ধীজীযে তেতিযাৰ ভাৰতৰ বৰলাট লৰ্ড লিন লিথ্গোৰ লগত আলোচনা কৰি কৈছিল যে- বৃটিছ সকলে সকলো অস্ত্ৰ শস্ত্ৰ ত্যাগ কৰি মানসিক বল প্ৰযোগ কৰি হিটলাৰৰ যুদ্ধ প্ৰচেষ্টাৰ বিপক্ষে থিয় দিব লাগে। এই কথাই বৰলাট গৰাকীক এনেকৈ আচৰিত কৰিলে যে তেওঁৰ মন উগুল থুগুল লাগি গ'ল। খন্তেকৰ কাৰণে হলেও গান্ধীজীৰ চিন্তাধাৰাই হয়তো তেওঁক গভীৰ-ভাৱে প্ৰভাৱান্বিত কৰিলে। কেই মিনিটমান সম্পূৰ্ণ নীৰৱতা বিৰাজ কৰিলে। গান্ধীজীযে নীৰৱে পালি পহৰীযাৰ মাজেৰেই খট্খটিৰে নামি ৰাজ প্ৰাসাদৰ পৰা খোজ কাটি অকলেই ওলাই আহিল। বিমোহিত হৈ থকা বৰলাট গৰাকীযে তেখেতৰ সাধাৰণ সৌজন্যতা খিনিও দেখু�ৱাবলৈ পাহৰি গ'ল। সচৰাচৰ আগেয়ে বে'ল বজাই এজন বিষয়াক মাতে গান্ধীজীক গাড়ীৰ ওচৰলৈকে আগবঢাই নিবলৈ। (৩)

এনে এটা পৰিস্থিতিৰ মাজতো কংগ্ৰেছ নেতা সকলে নিজৰ ভিতৰতে তৰ্কা তৰ্কি কৰি থাকিল। প্ৰত্যেকেই নিজৰ মত সাব্যস্ত কৰিবলৈ চেষ্টা কৰিলে। আজাদৰ মতে অহিংস নীতি হ'ব পাৰে এটা উদ্দেশ্য প্ৰণোদিত পৰিকল্পনা, কিন্তু অন্য কোনো উপায় নাথাকিলে ভাৰতে হাতত তৰোৱাল তুলি লোৱাৰ অধিকাৰ আছে। কিন্তু যিমানেই মত বিৰোধ নহওক অৱশেষত মহাত্মা গান্ধীৰ মতেই ৰজিলগৈ ভাৰতে এই যুদ্ধত অংশ গ্ৰহণ নকৰে।

১৯৪০ চনৰ জুলাই মাহত পুনাত (এতিযা পুনে) কংগ্ৰেছ ৱৰ্কিং কমিটি বহিল। ইযাতেই প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল যে নিঃ ভাঃ কং কমিটিযে এই কথাত পতিযন গৈছে আৰু মত পোষণ কৰিছে যে ভাৰতৰ স্বাধীনতা লাভৰ কাৰণে অহিংসাই সকলোতকৈ উত্তম উপায আৰু শেষলৈকে এই নীতি ৰক্ষা কৰি চলিব লাগিব। দ্বিতীযতে যেতিযালৈকে ভাৰত স্বাধীন নহয তেতিযালৈকে এই যুদ্ধ প্ৰচেষ্টাত ভাৰতে অংশ গ্ৰহণ কৰিব নোৱাৰে।

ইযাৰ পিছৰ অধ্যাযতো গান্ধীজীৰ লগত বেচি সংখ্যক ৱৰ্কিং কমিটিৰ সদস্যৰে মত বিৰোধ হ'ল। গাঁন্ধীজীৰ প্ৰস্তাৱ মতে পুৰুষ আৰু মহিলাই ব্যক্তিগত ভাৱে ভাৰতক যুদ্ধৰ মাজলৈ টানি নিযাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিব। তেওঁলোকে ঘোষণা কৰিব যে ভাৰত যুদ্ধ প্ৰচেষ্টাৰ পৰা আঁতৰত থাকিব আৰু ৰাজহুৱাভাবে গ্ৰেপ্তাৰ বৰণ কৰিব। কংগ্ৰেছৰ নেতা সকলে ইযাক পোনে পোনে সমৰ্থন কৰিব নোৱাৰিলে। আজাদৰ মতে যুদ্ধৰ বিপক্ষে ব্যাপক ভাৱে সমুহীয়া গণ আন্দোলন চলাব লাগে। কিন্তু গান্ধীজী আঁকোৰ গোজ, নিজৰ স্থিতিৰ পৰা তিলমানো লৰচৰ নহয। অৱশেষত এইবাৰো গান্ধীজীকে সকলোৱে সমৰ্থন কৰিলে।

India Wins Freedom- Mulana Abul Kalam Azad

(৩) Page 36

গান্ধীজীযে প্ৰথম সত্যাগ্ৰহী হিচাপে বাচনি কৰিলে সন্ত বিনোবা ভাৱেজীক। তাৰ পিছতহে তেওঁৰ প্ৰিয় শিষ্য জৱহৰলাল নেহৰুক স্থান দিলে। ভাৰতৰ চুকে কোণে এই সত্যাগ্ৰহৰ কথা প্ৰচাৰ কৰা হ'ল। সত্যাগ্ৰহ কৰিবলৈ নৌ পাওঁতেই নেহৰু আৰু কংগ্ৰেছ সভাপতি মৌলানা আজাদৰ গ্ৰেপ্তাৰ কৰিলে। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলন আৰম্ভ হ'ল।

কলিয়াবৰত সত্যাগ্ৰহ আন্দোলন

১৯৪০ চনৰ আগষ্ট মাহতে (?) প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি মুহম্মদ তৈযবুল্লা ডাঙৰীয়া নগাৱঁলৈ আহি নগাৱঁ জিলা কংগ্ৰেছৰ সভাপতি শ্ৰীহলধৰ ভূঞাদেৱৰ ঘৰত বহি নগাওঁ জিলাৰ পৰা সত্যাগ্ৰহী হ'ব পৰা লোকৰ নামৰ এখন তালিকা কৰিলে। মহাত্মা গান্ধীযে সত্যাগ্ৰহী সকলৰ বাবে যি ৭ টা চৰ্ত আৰোপ কৰি প্ৰতিজ্ঞা পত্ৰত চহী কৰাৰ ব্যৱস্থা কৰিলে সেই পত্ৰত চহী কৰাৰ পিছতেহে পৰীক্ষাত উত্তীৰ্ণ হ'লেহে গান্ধীজীযে সত্যাগ্ৰহ কৰিবলৈ অনুমতি দিব। নিজে সুতা কাটি ঘৰতে কাপোৰ বৈ খদ্দৰ পিন্ধা, সাম্প্ৰদাযীক ঐক্যৰ কাৰণে কাম কৰা, অস্পৃশ্যতা বৰ্জন কৰা আদি চৰ্তবোৰ আখৰে আখৰে পালন কৰিব লাগিব।

সেই মাহতে চতিযাল শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত কলিয়াবৰৰ কংগ্ৰেছ কৰ্ম্মীসকলৰ এখন সভা পাতিলে। তাৰ পিছত শ্ৰীহলধৰ ভূঞা আৰু প্ৰদেশ কংগ্ৰেছ কমিটিৰ পৰা শ্ৰীবিষ্ণুৰাম মেধি আহি সকলো কথা বুজাই দিযাৰ পিছত সত্যাগ্ৰহী হ'ব খোজা সকলৰ পৰীক্ষা কৰি প্ৰতিজ্ঞা পত্ৰত চহী ল'লে। প্ৰায় ৫০/৬০ জন মানে প্ৰতিজ্ঞা পত্ৰত চহী কৰিলে। ইযাৰ পিছত আচল পৰীক্ষা। কঠোৰ অনুশাসনৰ মাজত পৰীক্ষা লোৱা হ'ল।

১৯৩৯ চনৰে পৰা হাটবৰ শঙ্কৰ মন্দিৰৰ কাষত কংগ্ৰেছ কৰ্ম্মী সকলৰ সেৱাদলৰ এটা শিবিৰ আছিল। শ্ৰীবদন বৰদলৈ দেৱৰ নিজ হাতে লিখা জীৱন কাহিনীত এইদৰে লিখা আছে "সত্যাগ্ৰহ প্ৰতিজ্ঞা পত্ৰত চহী কৰা সকলৰ পৰীক্ষা কৰিবৰ বাবে জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক শ্ৰীমহেন্দ্ৰ হাজৰিকা শিবিৰলৈ আহিল। তেখেতে এই পৰীক্ষাৰ কথা মোক মনে মনে ক'লে আৰু সহ ভোজনৰ ব্যৱস্থা কৰিবলৈ ক'লে। মই ব্যৱস্থা কৰিলো। পাগত সূত-কলিতা-কেওঁট কুলৰ লোকক পাগ কৰিবলৈ দিয়া হ'ল। শ্ৰীগনেশ চন্দ্ৰ বৰঠাকুৰক মতা হ'ল। তেখেতে কিন্তু এই কথা নেজানে। সকলো ভোজনৰ বাবে বহা হ'ল। ঠাকুৰকা হাজৰীকা আৰু মোৰ মাজত বহুৱাই লোৱা হ'ল। ঠাকুৰ মহা বিপাকত পৰিল। জানিলে যে সত্যাগ্ৰহী সকলৰ পৰীক্ষা কৰা হৈছে। উপাই নাই। ভাত কেইটামান হাতত লৈ নাকৰ ওচৰলৈ নি হাজৰিকাক ক'লে 'হাজৰিকা, গ্ৰাসেন অৰ্দ্ধ ভোজনং। মাফ কৰিব', বুলি উঠি আহিল। সকলোৱে গিৰ্ গিৰাই হাঁহিবলৈ ধৰিলে। এনে কাৰণতে হাজৰিকাই তেখেতে সম্পূৰ্ণ অস্পৃশ্যতা বৰ্জন কৰিব নাই পৰা বুলি সত্যাগ্ৰহ লিষ্টৰ পৰা তেখেতৰ নাম কটাই দিযালে।"

মহাত্মা গান্ধীৰ নীতি যিসকলে সম্পূৰ্ণৰূপে পালন কৰি চলে সেই সকলকহে সত্যাগ্ৰহ কৰিবলৈ দিযা হয।

যি সকলৰ নাম পঠিওৱা হ'ল, নথিত লিখা আছে 'মহাত্মা গান্ধীয়ে কলিয়াবৰৰ ১৪ জনক সত্যাগ্ৰহ কৰিবলৈ অনুমতি দিলে'।

মহাত্মাই অনুমোদন জনোৱা সকল হ'ল

১।	শ্ৰীঠানুৰাম ভূঞা	কুৰ্বীটোল চাৰিআলি (আমবাগান)
২।	শ্ৰীবদন চন্দ্ৰ বৰদলৈ	কুৰ্বীটোল (চামগুৰি)
৩।	শ্ৰীভিৰিৰাম হাজৰিকা (ওৰফে গোলোক চন্দ্ৰ)	ধনেখোৱা (ধনেখোৱা বজাৰ)
৪।	শ্ৰীপূৰ্ণকান্ত ভূঞা	ভিঞ্ৰাৰি গাওঁ (বৰভকতি)
৫।	শ্ৰীকেশৰাম বৰা	নলতলি (?)
৬।	শ্ৰীবিনন্দ শইকীয়া	চতিয়াল (?)
৭।	শ্ৰীৰমাকান্ত বৰা	গাৰিকুৰি (বামুণি মথৌখাট)
৮।	শ্ৰীপদ্মকান্ত হাজৰিকা	সোণাৰি গাওঁ (শিলঘাট)
৯।	শ্ৰীবলো ভূঞা	পূবথৰীয়া(সুতাৰগাওঁ)
১০।	শ্ৰীভোগেশ্বৰ নেওঁগ	পূবথৰীয়া (জুৰিয়া)
১১।	শ্ৰীবিষ্ণু ভূঞা	ভলাগুৰি (পুৰণিগুদাম)
১২।	শ্ৰীকলিৰাম বৰুৱা	বৰুৱাচুব (পানীগাওঁ, পুৰণিগুদাম)
১৩।	শ্ৰীভোগেশ্বৰ বাকচি	ভলাগুৰি (কঢ়ালগাওঁ, পুৰণিগুদাম)
১৪।	শ্ৰীদণ্ডিৰাম বৰুৱা	চতিয়াল (জখলাবন্ধা)

শ্ৰীবদন বৰদলৈ দেৱৰ লেখাত লিখা আছে- "প্ৰথম সত্যাগ্ৰহ কৰিবৰ বাবে দণ্ডিৰাম বৰুৱাক জখলাবন্ধাত দিয়া হয।"

ওপৰৰ ১৪ জনৰ গাঁৰৰ নামৰ পিছত বন্ধনিৰ ভিতৰত লিখা ঠাই সমূহত সত্যাগ্ৰহ কৰিছিল। যি দুজনৰ নামৰ পিছত বন্ধনীৰ ভিতৰত একো লিখা নাই তেখেত সকলে সত্যাগ্ৰহ কৰিছিল কিন্তু ক'ত কৰিছিল নথিত লিখা নহ'ল।

তেতিয়াৰ কলিয়াবৰ কংগ্ৰেছৰ সভাপতি শ্ৰীঠানুৰাম ভূঞাদেৱে শ্ৰীসোমেশ্বৰ বৰাদেৱক প্ৰতিজ্ঞা পত্ৰত চহী কৰিবলৈকে নিদিলে। সত্যাগ্ৰহ কৰাৰ বাবে সভা সমিতিৰ আয়োজন কৰা সম্পূৰ্ণ দায়িত্ব শ্ৰীবৰাৰ ওপৰত পৰিল।

নগাঁৰঁ পৰা শ্ৰীদেৱকান্ত বৰুৱাদেৱে আহি চতিয়াল শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত সত্যাগ্ৰহ কৰিছিল।

এই সত্যাগ্ৰহ সভাবোৰৰ কলিয়াবৰৰ ভিতৰত ৫/৬ খন মান সভাত উপস্থিত থকাৰ সৌভাগ্য ঘটিছিল। সেইবোৰৰ বিভিন্ন অভিজ্ঞতা আৰু স্মৃতি এতিয়াও মনৰ ভিতৰত সজীৱ হৈ আছে। সভা আয়োজন কৰাত সহায় কৰাৰ অভিজ্ঞতাও হৈছিল।

অতি শান্তিপূৰ্ণ ভাৱে বাইজ দুফালে দুশাৰী হৈ থিয় হয। এটা মূৰৰ পৰা সত্যাগ্ৰহী জনে শাৰী দুটাৰ মাজেৰে ডাঙৰ আখৰেৰে লিখা ছপা কৰা দহ ইঞ্চি দীঘল আৰু প্ৰায় চাৰি

ইঞ্চি বহল কাগজখন দুইহাতে ধৰি এখোজ এখোজকৈ আগবাঢ়ি কথাখিনি চিঞৰি পঢ়ি যায়।

"সত্যাগ্রহ যুদ্ধ বিৰোধী ধ্বনি

'বৃটিছৰ যুদ্ধ প্রচেষ্টাত ধন বা জনেৰে সহায় কৰা অন্যায়।
অহিংস ভাৱে সকলো যুদ্ধকে বাধা দিয়া একমাত্র কর্ত্তব্য।।'

মহাত্মা গান্ধী"

সত্যাগ্রহী জনৰ ডিণ্ডিত ফুলৰ ডাঙৰ মালা পিন্ধোৱা হয়। শাৰী দুটাৰ মাজেৰে যাওঁতে সিটো মূৰ নাপাযগৈ মানে যিমান বাৰ প্রযোজন হয় সিমান বাৰ কথা কেইটা সত্যাগ্রহী জনে পঢ়ি গৈ থাকে। যেতিযা শেষ সীমা পাযগৈ পুলিছ বিষযা জন আগবাঢ়ি আহি কয় 'আপোনাক গ্রেপ্তাৰ কৰাৰ হুকুম হৈছে'। এইবুলি কৈ ওচৰতে ৰৈ থকা মটৰ গাড়ীৰ ওচৰলৈ সত্যাগ্রহী জনক আগবঢ়াই নি তুলি লৈ যাযগৈ।

কলিযাবৰৰ সত্যাগ্রহী সকলৰ ভিতৰত শ্রীঠানুৰাম ভূঞা আৰু শ্রীবদন বৰদলৈৰহে তিনি মাহকৈ জেল হৈছিল। শ্রীদণ্ডিৰাম বৰুৱাক ৫০ টকা জৰিমণা কৰে। বাকী সকলক গ্রেপ্তাৰ কৰি নি থানাত দিনটো ৰাখি সন্ধ্যা সময়ত এ�ৰি দিযে। নগাওঁ জিলাৰ প্রায সকলো ঠাইতে কলিযাবৰৰ সত্যাগ্রহী সকলে পিছত দ্বিতীয বাৰৰ বাবেও গৈ সত্যাগ্রহ কৰিব লগা হৈছিল। সেইবোৰৰ কোনো নথি পত্র আমাৰ হাতত নাই। কিন্তু কেৱা গৰাকীও বর্ষীযান মুক্তি যুজাৰুৰ মতে তেখেত সকলে সত্যাগ্রহ কৰিছিলগৈ। সত্যাগ্রহৰ প্রতিখন সভা আহ্বান আৰু আযোজন কৰিছিল শ্রীসোমেশ্বৰ বৰাদেৰে।

সভা আৰম্ভ হয়। সত্যাগ্রহী জনে যুদ্ধৰ বিভিষিকাৰ কথা ৰাইজক বুজাই কয়। পৰাধীন ভাৰতবর্ষই আনৰ হুকুমত আন এখন দেশৰ বিৰুদ্ধে কেতিযাও যুদ্ধ নকৰে। যুদ্ধ বর্ব্বৰতাৰ নামান্তৰ মাথোন। যুদ্ধই ধ্বংস কৰে, ধন জন হানি হয়। অযথা মানুহৰ দুখ যাতনা বাঢ়ি যায়। সম্পূর্ণ বৈধ ভাৱে শান্তিৰে সত্যাগ্রহ কৰিবলৈ মহাত্মাৰ আদেশ বুলি কৈ সত্যাগ্রহৰ তাৎপর্য্য ৰাইজক বুজাই দিযে। তাৰ পিছত ৰাইজ দুশাৰী হৈ থিয হয়।

কোনো হাই উৰুমি নাই, নাই কোনো খদা কোৰা, ৰাইজ শান্তিপূর্ণ, পুলিছ বিষয়া সকল নিমাত নির্ব্বিকাৰ, হাতত নাই বন্দুক বাৰুদ, আছে মাথো একোডাল ডেৰ ফুট দীঘল লাঠি। এযা ১৯৪০ ৪১ চনৰ যুদ্ধ বিৰোধী অসামৰিক যুদ্ধ প্রতিৰোধীৰ অতি শান্তিপূর্ণ আন্দোলন। সত্যাগ্রহ আন্দোলন। ওপৰত উল্লেখ কৰা তেতিয়াৰ ছপা কৰা কাগজ এখন আমাৰ হাতত এতিযাও সংৰক্ষিত হৈ আছে। তাৰে নকল তুলি দিযা হৈছে।

এই অতি শান্তিপূৰ্ণ ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনটোৱেই বৃটিছ সিংহৰ বুবু কঁপাই দিলে। ইংলণ্ডৰ পার্লিযামেণ্টত এই বিষযে বাৰে বাৰে আলোচনা কৰিলে- "যেনে তেনে ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতা সকলক যিকোনো উপাযে সেমান কৰাব লাগে যুদ্ধৰ পিছত তেওঁলোকক কি দিযা হ'ব প্ৰতিশ্ৰুতি দিব লাগে।'

সত্যাগ্ৰহ কৰা প্ৰাযবোৰ সৰ্ব্বভাৰতীয নেতাকে এবছৰৰ পৰা দুবছৰৰ ভিতৰত কাৰাদণ্ড বিহিলে। বহুতো সত্যাগ্ৰহীবে অন্য সাধাৰণ কযদীৰ দবে ব্যৱহাৰ কৰা হৈছিল। এই কথা লৈযো ইংলণ্ডৰ পার্লিযামেণ্টত আলোচনা হৈছিল। ১৯৪১ চনৰ শেষৰ ফালে প্ৰাযবোৰ নেতাকে মুক্তি দিযা হৈছিল।

বৃটিছ প্ৰধান মন্ত্ৰী উইংষ্টোন চার্চ্চিলে এইদবে সত্যাগ্ৰহী সকলক একে লগে মুক্তি দিয়াটো বিচৰা নাছিল। সেই চনৰে ১২ নবেম্বৰত এই কথা তেওঁ ভাৰতৰ গবর্ণৰ জেনেৰেললৈ লিখিছিল আৰু তেওঁৰ অনুভৱৰ কথাও ব্যক্ত কৰিছিল এইদবে- "মই সদায় অনুভব কৰোঁ যে নেহৰুৰ দৰে মানুহক ৰাজনৈতিক বন্দী হিচাপে ব্যৱহাৰ কৰিব লাগে এজন অপৰাধীৰ দৰে নহয়, আৰু তেওঁৰ সকলো প্ৰযোজন পূৰণ কৰিব লাগে।" "যদি সকলো বন্দীকে একেলগে মুক্তি দিযা হয তেওঁলোকৰ (বৃটিছৰ) এই কৃতকার্য্যতাৰ সময়ত এইটো এক প্ৰকাৰ আত্মসমৰ্পণ কৰাৰ লেখীযাহে হ'ব। এই বন্দী সকলক ক্ষমা দান কৰি মুক্তি দিযাটোও নিঃসন্দেহে গান্ধীৰ পার্টিৰ জয়লাভ বুলিহে ঘোষণা কৰিব। তেওঁলোকে আকৌ সেই একে দোষকে কৰিব।' (১) (বন্ধনিৰ ভিতৰত দিযা শব্দটো আমাৰ)

মাত্ৰ এটা বাকেৰেই, বৃটিছৰ যুদ্ধ বিৰোধী এই ধ্বনিটোৱেই, যাৰ মহা সাম্ৰাজ্যত বেলি নুডুবে তেনে এটা মহা প্ৰতাপী জাতিৰ চৰকাৰৰ চকুৰ টোপনি নোহোৱা কৰিলে। মহাত্মাৰ অহিংস নীতিৰ প্ৰভাৱৰ ফলতেই এইটো সম্ভৱ হ'ল।

এই খিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে তেতিযা এই সত্যাগ্ৰহ আন্দোলনটোৰ বিষযে বহুতে বুজিবলৈ টান পাইছিল। ডেকা চামৰ কিছু সংখ্যকক এই আন্দোলনে কোনো ৰকমেই উৎসাহিত কৰিব নোৱাৰিলে। তেওঁলোকে ভাবিছিল- এজনে মানুহৰ আগত যুদ্ধ বিৰোধী ধ্বনি দি সত্যাগ্ৰহ কৰিব আৰু মাত্ৰ তেওঁকহে গ্ৰেপ্তাৰ কৰিব। এইটোনো কেনে আন্দোলন তেওঁলোকে ধৰিব পৰা নাছিল। কিন্তু পিছত দেখা গ'ল এটা গুপ্ত জাতিক জগাই তুলিবলৈ এই এজনীয়া সত্যাগ্ৰহ আন্দোলনেই এপাট মহা অস্ত্ৰ আছিল। এইযে ব্যক্তিগত সত্যাগ্ৰহৰ কথা বুজিব পৰা নাছিল বহুতৰ লগতে তেতিযা যোৰহাটৰ জে বি কলেজত আই এ পঢি থকা সোণাৰি গাঁৱৰ শ্ৰীলক্ষেশ্বৰ গোস্বামিকাদেৰে অকপটে স্বীকাৰ কৰে। ওপৰৰ কথাখিনি তেখেতেই কৈছিল।

সত্যাগ্ৰহ কৰা বেচিভাগ ডাঙৰ ডাঙৰ নেতাক বৃটিছ চৰকাৰে জেলত আবদ্ধ কৰি ৰাখিছে। কংগ্ৰেছৰ সাংগঠনিক দিশটো চাবলৈ আৰু টনকিয়াল কৰিবলৈ তেতিযাও বাহিৰত থকা কর্ম্মীসকলৰ ওপৰত ভাৰ পৰিল।

---

(১) The Second World War, Vol 3 Page- 748 Winston Churchill

কলিয়াবৰত ৰাজহুৱা সভা

কলিয়াবৰৰ ৰাইজৰ মাজত বৃটিছ চৰকাৰৰ বিপক্ষে এক জাগৰণ আনিবৰ কাৰণে চিন্তা চৰ্চ্চা কৰি হাটবৰত এখন বিৰাট ৰাজহুৱা সভা পতাৰ ব্যৱস্থা কৰিলে। হাটবৰ হ'ল কলিয়াবৰৰ মধ্য স্থান। কাৰ্য্যসূচী বোৰ আৰম্ভ কৰিবৰ বাবে সুবিধা ঠাই। চতিয়াল আৰু হাটবৰৰ দুই শঙ্কৰ মন্দিৰৰ পৰাই বেচি ভাগ কাৰ্য্যসূচী ৰূপায়ন কৰা হৈছিল। আগ ভাগ লোৱা সকলৰ ভিতৰত পূবথৰীয়াৰ মানুহ খিনি যথেষ্ট উৎসাহী আছিল।

১৯৪১ চনৰ নবেম্বৰ মাহৰ সম্ভৱতঃ প্ৰথম সপ্তাহৰ কোনোবা এদিন হাটবৰ শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত ৰাজহুৱা সভাৰ আয়োজন কৰা হ'ল। স্বেচ্ছাসেৱক সকলে সকলো যা-যোগাৰ কৰিলে। নগাৰাঁৰ পৰা শ্ৰীহলধৰ ভূঞা, শ্ৰীমতিৰাম বৰা আৰু শ্ৰীমহীচন্দ্ৰ বৰাই এই সভাত ভাষণ দিছিল। এই সভালৈ বিশেষ ভাবে নিমন্ত্ৰণ কৰা হৈছিল তেজপুৰৰ নাম থকা উকিল শ্ৰীকামাখ্যা প্ৰসাদ ত্ৰিপাঠীক (পিছলৈ অসমৰ মন্ত্ৰী)। সেই কালত ফেৰীঘাটলৈ গাড়ী মটৰৰ কোনো প্ৰচলন নাছিল। তেখেতে ৰাতিপুৱাই তেজপুৰৰ গনেশ ঘাটত ফেৰী জাহাজত উঠি শিলঘাট পালেহি। তাৰ পৰা খোজ কাটি আহি হাটবৰৰ সভাত ভাষণ দি আকৌ খোজ কাটি গৈ আবেলিৰ ফেৰীত তেজপুৰ পালেগৈ। গৰুগাড়ী ঠিক কৰি ৰখা হৈছিল। কিন্তু দেৰী হ'ব বুলি তেখেতে খোজ কাটিযেই গ'ল। ব্ৰহ্মপুত্ৰত তেতিয়া পানী কম। বৰ্ত্তমান জুটমিলৰ পুবফালে বহুত দূৰতহে ফেৰীঘাট আছিল। ত্ৰিপাঠী ডাঙৰীয়াৰ ভাষণ শুনিবলৈ মানুহ জুম বান্ধি আহিছিল। প্ৰায় ৩ হেজাৰ মানুহ গোট খাইছিল।

এইখনেই ভাৰতৰ স্বাধীনতা সংগ্ৰাম সংক্ৰান্তত কলিয়াবৰত হোৱা প্ৰথম ৰাজহুৱা সভা য'ত মুনিহ তিৰোতা ল'ৰা-ছোৱালীৰ সমাবেশ হৈছিল। এই সভাৰ পিছত মানুহৰ মন কংগ্ৰেছ আৰু কংগ্ৰেছৰ বিবিধ কাৰ্য্যসূচীৰ প্ৰতি আগ্ৰহান্বিত হ'ল স্বাভাৱিক ভাৱেই।

কলিয়াবৰত ৰাষ্ট্ৰীয় সম্মিলন

ইযাৰ পিছত ইযাতকৈযো এটা ডাঙৰ জাগৰণ অনাৰ বাবে কংগ্ৰেছ কৰ্ম্মী সকলে চিন্তা কৰিলে। সিদ্ধান্ত হ'ল কলিয়াবৰত এখন ৰাষ্ট্ৰীয় সম্মিলন পতাৰ। ইযাৰ বাবে স্থান ঠিক কৰা হ'ল সোণাৰি গাৱঁৰ শ্ৰীঈশধৰ হাজৰিকাদেৱৰ ঘৰৰ সমুখৰ ৰাস্তাটোৰ সিপাৰে থকা বহল মুকলি বাৰিখন। সেই বাকৰিখনৰ একাষে থকা এটা আহল বহল বেৰখোৰ নোহোৱা ঘৰকে মঞ্চ হিচাপে ব্যৱহাৰ কৰাৰ সুবিধা হ'ল। ঘৰটো সাজিছিল সেই গাৱঁৰে শ্ৰীপদ্মচৰণ হাজৰিকাদেৱৰ পৰিয়ালে। জাননী দিয়া হ'ল সমগ্ৰ কলিয়াবৰৰ সকলো গাৱঁলৈকে। যিমান পৰা যায অন্য ঠাইলৈকো জনোৱা হ'ল।

১৯৪২ চনৰ ফেব্ৰুৱাৰী মাহৰ শেহৰ ফালে কোনোবা এটা দিনত আৰম্ভ হ'ল 'কলিয়াবৰ ৰাষ্ট্ৰীয় সম্মিলন'। প্ৰদেশ কংগ্ৰেছৰ যালৰ পৰা আহিছিল মহম্মদ তৈযবুল্লা সৰ্ব্বশ্ৰী দেৱকান্ত বৰুৱা, বিজয় চন্দ্ৰ ভাগৱতী, বিষ্ণুৰাম মেধি আৰু দেবেশ্বৰ শৰ্ম্মা। নগাঁৰৰ পৰা আহিল সৰ্ব্বশ্ৰী হলধৰ ভূঞা, মহেন্দ্ৰ হাজৰিকা, পূর্ণ শৰ্ম্মা আৰু তেজপুৰৰ পৰা আহিল সৰ্ব্বশ্ৰী অমিয় কুমাৰ দাস আৰু গহণ চন্দ্ৰ গোস্বামী। এই ৰেণ্য নেতা সকলৰ উপস্থিতিয়ে কলিয়াবৰ ৰাষ্ট্ৰীয় সম্মিলনীৰ গুৰুত্ব আৰু সৌষ্ঠৱ বঢ়ালে। কলিয়াবৰৰ নেতা সকল সৰ্ব্বশ্ৰী ঠানুৰাম ভূঞা, বদন চন্দ্ৰ বৰদলৈ, সোমকান্ত হাজৰিকা, ৰমাকান্ত বৰা, আনন্দ ৰাম শইকীয়া, সোমেশ্বৰ বৰা, আদি সকলৰ চেষ্টাৰ ফলত সম্মিলন সুকলমে পাতিব পৰা হ'ল। অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল শ্ৰীঈশধৰ হাজৰিকাদেৱ।

সোণাৰি গাঁৱঁৰ ডেকা কৰ্ম্মীসকলে বিশেষকৈ সৰ্ব্বশ্ৰী পদ্মকান্ত হাজৰিকা, তিলক হাজৰিকা, পদ্মচৰণ হাজৰিকা, বিনাধৰ হাজৰিকা এই কেইজনে দেহেকেহে খাটি সকলো দিশ চোৱা চিতা কৰাৰ লগতে নিমন্ত্ৰিত সকলৰ খোৱা-বোৱা থকা শোৱাৰ সকলো দিহা কৰিছিল।

এই সম্মিলনত সভাপতিত্ব কৰিছিল তেজপুৰৰ শ্ৰীঅমিয় কুমাৰ দাসদেৱে। প্ৰায় সাত হেজাৰ নৰ-নাৰী ল'ৰা-ছোৱালীৰ সমাগম হৈছিল। এই সম্মিলনৰ পিছত কলিয়াবৰত কংগ্ৰেছৰ সাংগঠনিক কাম কৰাত ভালেখিনি সুচল হ'ল। মানুহৰ মনত উদ্যম বাঢিল।

ওপৰত উল্লেখ কৰা দুযোখন সভাৰে কোনো কাৰ্য্যসূচী বা অন্য নথি পত্ৰ আমাৰ হাতত নাই কিন্তু স্বাধীনতা সংগ্ৰামত কলিযাববে কি কৰিছিল এই কথাবোৰ আলোচনা কৰাৰ সময়ত ভালে কেইজন বৰীয়ান লোকে আৰু মুক্তি যুজাৰুৰে, এই বিষয়ে আমাক বহু কথা কৈছিল। বিশেষকৈ শ্ৰদ্ধেয় শ্ৰীতিলক হাজৰিকাদেৱে এই দুযোখন সভাৰে হুবহু বৰ্ণনা দিছিল। তেখেতে নিজে ৰাষ্ট্ৰীয় সম্মিলন সংক্ৰান্তত সকলো বোৰ লিখা কামো কৰিছিল।

কলিয়াবৰত যুদ্ধৰ ঘাটি

১৯৪১ চনৰ ৭ ডিচেম্বৰত জাপানে পার্ল হাৰবাৰত থকা আমেৰিকান যুদ্ধ জাহাজৰ ওপৰতো আক্ৰমণ চলালে। ইযাৰ লগে লগে আমেৰিকাও এই যুদ্ধৰ লগত প্ৰত্যক্ষভাৱেই জড়িত হৈ পৰিল। প্ৰেচিডেণ্ট ৰুচেভেল্টে বৃটিছ প্ৰধান মন্ত্ৰীক অনুৰোধ জনালে যে ভাৰতীয নেতাসকলৰ লগত আলোচনা কৰি সন্তুষ্ট কৰিব লাগে। কিবা এটা সমাধানৰ সূত্ৰ উলিয়াব লাগে।[১] যি উপাযেই নহওক ভাৰতক এই মহাসমৰত অংশ গ্ৰহণ কৰাব লাগে। নকৰিলে জাপানক ওভোতাই পঠিওৱা সম্ভৱ নহয়।

সেই চনৰে ডিচেম্বৰ মাহৰ ভিতৰতে পণ্ডিত জৱহৰলাল নেহৰু আৰু কংগ্ৰেছ সভাপতি মৌলানা আজাদক বৃটিছ চৰকাৰে মুক্তি দিবলৈ বাধ্য হ'ল। তাৰ পিছত অন্য নেতা সকলকো মুক্তি দিলে। কংগ্ৰেছ নেতা সকলৰ লগত বৃটিছ চৰকাৰে আলোচনাৰ বাবে সুবিধা

বিচাৰিলে।

ইযাৰ পিছতে হংকং মহানগৰীও জাপানৰ অধীনলৈ অহাত আমেৰিকাৰ আত্ম সম্মানত আঘাত লাগিল। কোনো বাধা নোপোৱাকৈ জাপানী সৈন্যই যুদ্ধ জাহাজ লৈ বঙ্গোপ সাগৰত সোমাই পৰিল। ইযাৰ লগে লগে ভাৰত উপ-মহাদেশ খনৰ নিৰাপত্তা পোনে পোনে বিপদ গ্ৰস্ত হ'ল। (২)

যদিও সুভাষ বসুৰ দলে বঙ্গদেশৰ এটা উগ্ৰবাদী দলে চৰকাৰটো ধ্বংস কৰাৰ পক্ষপাতি আৰু এই ক্ষেত্ৰত বন্দুক ব্যৱহাৰ লৈ যুদ্ধ কৰি জযী হোৱাৰ আশাবাদী আছিল, অন্যহাতে কংগ্ৰেছৰ শক্তিশালী সংযুক্ত দলটোৱে মহাত্মা গান্ধীৰ অহিংস নীতিৰহে সমর্থন কৰিছিল। এই সমর্থনকাৰী সকলৰ এটা ভাগে আকৌ বিশ্বাস কৰিছিল আৰু মত প্ৰকাশ কৰিছিল যে সমগ্ৰ পৃথিৱী জুৰি হোৱা এই সংঘাতৰ সময়ত একো কৰিব লগা নাই আৰু সেযে ভাৰত সম্পূৰ্ণ নিৰপেক্ষ আৰু অনাশক্ত হৈ থকাই উচিত। (৩)

এনে এটা পৰিস্থিতিত আমেৰিকাই বৃটিছৰ লগ হৈ অসমত বৃহৎ যুদ্ধৰ ঘাটি স্থাপন কৰিলে। কলিয়াবৰত যুদ্ধৰ শিবিৰ আৰু কোঠ পাতিবৰ কাৰণে বাছি ল'লে সৰুভগীযাৰ সমুখৰ কলংনদীৰ পাৰত থকা পিৰাট বাঁহনি দৰা। যুদ্ধৰ সা-সৰঞ্জাম আৰু সৈন্যৰ সমাবেশ কৰিলে অতি ক্ষীপ্ৰতাৰে। বগা আৰু আমেৰিকান ক'লা নিগ্ৰো সৈন্য ভৰি পৰিল এই শিবিৰত। দিনজান আৰু চাবুৰাৰ পিছতেই এইটো ডাঙৰ যুদ্ধৰ ঘাটি।

এনে অৱস্থাৰ মাজতেই কলিযাবৰৰ কংগ্ৰেছ নেতা সকলে আলোচনা কৰি সাংগঠনিক দিশটো শক্তিশালী কৰাৰ চেষ্টা চলাই থাকিল। গাওঁৰক্ষী বাহিনী গঠন কৰি প্ৰত্যেক গাৱঁতে পাল পাতি ৰাতি ৰাতি পহৰা দিযাৰ ব্যৱস্থা কৰিলে। প্ৰতিজন গাওঁ বাসীযেই সদায জাগ্ৰত হৈ থাকিব লগা হ'ল। নিগ্ৰো আমেৰিকান বোৰৰ লগলৈ ভাৰতীয সৈন্য বিশেষকৈ গোৰ্খা ৰেজিমেণ্টৰ সৈন্য সকলকো এই শিবৰলৈ আনিলে। যুদ্ধ ক্ষেত্ৰ নেদেখাকৈযে কলিযাবৰৰ মানুহে বিশেষকৈ হাটবৰৰ পৰা জখলাবন্ধালৈকে সকলো মানুহে দিনে ৰাতিযে সৈন্য সঞ্চালন কৰা দেখিলে।

চীনা প্ৰেচিডেণ্টৰ ভাৰত ভ্ৰমণ

ইহাতেদি জাপানী সৈন্য যিমানেই পশ্চিমলৈ আগ বাঢিল বৃটিছৰ পৰাজয়ৰ বাৰ্তাৰিও সিমানেই বিযপি পৰিল। তেতিযা কংগ্ৰেছৰ নেতা সকলৰ লগতে অন্য সকলেও ভাবিছিল যে যদিহে এই সময়তে ভাৰতে বৃটিছৰ লগত সম্বন্ধ চিঙিব পাৰে সত্তৱতঃ

---

(১) India Wins Freedom- Azad, Page-38
The Second World War- Vol-4, Churchill

(২) Page-182 (৩) Page- 182-83

জাপানৰ ভাৰত দখল কৰাৰ কোনো স্পৃহাই নাথাকিব। এই কথাও তেতিয়া ধাৰণা কৰা হৈছিল যে বৃটিছ সাম্ৰাজ্যৰ লগত থকা সম্বন্ধটোৱেই ভাৰতক ধ্বংসৰ পথলৈ ঠেলি দিযাৰ কাৰণ হ'ব। এই কথাত সম্পূৰ্ণ যুক্তি আছে বুলি বৃটিছ প্ৰধান মন্ত্ৰী চাৰ্চ্চিলেও স্বীকাৰ কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ এই চিন্তাধাৰাই জাপানৰ যুদ্ধ হুংকাৰত আৰুহে উদগনি যোগালে বুলি চাৰ্চ্চিলে অভিমত দিলে। (১)

সিফালে জাপানে যেতিয়া চীনদেশ আক্ৰমণ কৰাটো প্ৰকট হৈ পৰিল বৃটিছ আৰু আমেৰিকা উদ্বিগ্ন হৈ পৰিল। চীনৰ প্ৰতি তেওঁলোক সহানুভূতিশীল হোৱাই নহয়, নিজৰ বাবেও এই আক্ৰমণৰ বিৰোধে মাত মতাৰ প্ৰয়োজন হ'ল।

১৯৪২ চনৰ ফেব্ৰুৱাৰী মাহত চীনদেশৰ প্ৰেচিডেণ্ট জেনেৰেলী চিমো ছিয়াংকাই চেক ভাৰত ভ্ৰমণলৈ আহিল। উদ্দেশ্য আছিল ভাৰতৰ লগ হৈ জাপানৰ আক্ৰমণ প্ৰতিহত কৰা আৰু বিশেষকৈ ভাৰত আৰু চীন উভয় দেশৰ নিৰাপত্তাৰ বাবেই জাপানক পৰাজয় কৰাৰ প্ৰয়োজনীযতাৰ কথা আলোচনা কৰা। কিন্তু এই পৰিস্থিতিত কংগ্ৰেছৰ দাবী পূৰণৰ বাবে ভাৰতীয় পাৰ্টি নেতা সকলে এই সুযোগৰ বাৱহাৰ কৰিলে আৰু ছিয়াংকাই চেকৰ যোগেদি বৃটিছ চৰকাৰৰ ওপৰত ভাৰতৰ হৈ হেঁচা দিওৱাৰহে ব্যৱস্থা কৰিলে। ছিয়াংকাই চেকে 'বৃটিছৰ প্ৰতিনিধি আৰু গান্ধী নেহৰুৰ মাজত এনে ধৰণৰ নিৰপেক্ষ বিচাৰক হৈ মধ্যস্থতা কৰাটো' বৃটিছ কেবিনেটে মানি নললৈ। গতিকে প্ৰধান মন্ত্ৰী চাৰ্চ্চিলে ১২ ফেব্ৰুৱাৰীত (১৯৪২ চন) ছিয়াংকাই চেকলৈ লিখিলে "ৰাৰ্দ্ধাত আপুনি গান্ধীৰ লগ ধৰাৰ বাবে যাবলৈ যি প্ৰস্তাব দিছে তাৰ দ্বাৰা জাপানৰ বিপক্ষে ভাৰতৰ সহাযোগীতাৰ বাবে আমি যি কল আশা কৰিছো-তাকো পিছুৱাইহে নিব পাৰে।" (২) চীনৰ প্ৰেচিডেণ্ট গৰাকীযে আৰম্ভণিৰে পৰা ভাৰতক স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি দিবলৈ বৃটিছ গৱৰ্ণমেণ্টৰ ওপৰত হেঁচা দি আছিল।

১৫ ফেব্ৰুৱাৰীত হংকঙত বৃটিছে আত্ম সমৰ্পন কৰিলে। ইহাতে ভাৰতৰ সংবাদ মাধ্যমে নতুনকৈ হিন্দু-মুছলানৰ মাজৰ ভিন্নতাৰ কথা বাৰে বাৰে প্ৰকাশ কৰিলে। হযতো ভাৰতীয় সকলৰ মনবোৰ অন্য দিশলৈ ঢাল খুৱাবৰ কাৰণেই।

এই পৰিস্থিতিত ভাৰতে কি কৰিব গভীৰ ভাৱে চিন্তা কৰিলে। এটা সৰ্ব্ব সম্মত উপায উলিযাবৰ কাৰণে ভাৰতৰ কিছু সংখ্যক নেতাই ভাৰতৰ স্বাধীনতা স্বীকাৰ কৰি এখন সৰ্ব্বভাৰতীয় জাতীয় চৰকাৰ গঠনৰ বাবে দাবী কৰি প্ৰস্তাৱ আগবঢালে। যাৰৰ সময়ত চীনৰ প্ৰেচিডেণ্টে ভাৰতক ৰাজনৈতিক ক্ষমতা দিব লাগে বুলি বৃটিছ চৰকাৰক অনুৰোধ কৰি গ'ল।

এই সংক্ৰান্তৰ কথাবোৰ বৃটিছৰ যুদ্ধ কেবিনেটত আলোচনা কৰিলে। 'যুদ্ধৰ পিছত ডমিনিয ষ্টেটাচ' (যথাযোগ্য শাসনৰ মৰ্য্যদা) আগ বঢোৱাৰ বাবে আকৌ চিন্তা কৰিলে।

The Second World War, Vo 4- Churchill

(১) Page 183

(২) Page- 190

আমেৰিকাৰ প্ৰেচিডেণ্ট ৰুচভেল্টেও এই বিষয়ে বৃটিছ প্ৰধান মন্ত্ৰী চাৰ্চ্চিললৈ পৰামৰ্শ আগবঢ়াই আলোচনা কৰিলে।

১৯৪২ চনৰ ৮ মাৰ্চত জাপান ৰেঙ্গুনত সোমাই পৰিল। এতিয়া ভাৰতক ৰক্ষা কৰাটোৱেই প্ৰথম আৰু প্ৰধান কাম হ'ল। গতিকে ভাৰতীয় ৰাজনীতিৰ কট্‌কটীয়া গাঁঠি খুলি স্থবিৰতা ভঙাটো অতি প্ৰয়োজন হৈ পৰিল বৃটিছৰ বাবে।

ক্ৰীপচ মিচন

এনে পৰিস্থিতিত পৰি বৃটিছ চৰকাৰে চাৰ ষ্টেফৰ্ড ক্ৰীপচক ভাৰতৰ সকলো পাৰ্টিৰ লগতে আলোচনা কৰিবলৈ ভাৰতলৈ পঠিয়ালে। ১৯৪২ চনৰ ২২ মাৰ্চত ক্ৰীপচ দিল্লী পালেহি। ক্ৰীপচৰ প্ৰস্তাৱটোৰ সাৰমৰ্ম্ম আছিল চমুকৈ "বৃটিছ গৰ্ণমেণ্টে কথা দিছে যে যদিহে এখন গণ পৰিষদে দাবী কৰে যুদ্ধৰ পিছত ভাৰতক পূৰ্ণ স্বাধীনতা দিবলৈ বৃটিছ চৰকাৰ সাজু আছে।" (১)

ৰাৰ্দ্ধাত কংগ্ৰেছ ৱৰ্কিং কমিটি বহি দীঘলীয়া আলোচনা কৰিলে। চাৰ ষ্টেফৰ্ড ক্ৰীপচো কে'বাদিনো ৰাৰ্দ্ধাতে থাকিল। অৱশেষত কংগ্ৰেছ সভাপতি আজাদে ১১ এপ্ৰিলত ক্ৰীপচক কংগ্ৰেছ ৱৰ্কিং কমিটিৰ প্ৰস্তাৱটো জনালে। প্ৰস্তাৱটো আছিল "ভাৰতত বৃটিছ চৰকাৰৰ আংশিক ভাৱেও এধানমানো অধিকাৰ থকা যি কোনো প্ৰস্তাৱ বা আঁচনি বিবেচনা কৰাৰ কথা কংগ্ৰেছৰ বাবে অসম্ভৱ। বৃটেইনে ভাৰতৰ ওপৰত আধিপত্য এৰিবই লাগিব। " (২)

গান্ধীজীয়ে আৰম্ভণিৰে পৰা ক্ৰীপচৰ প্ৰস্তাৱৰ বিৰোধীতা কৰিছিল। যুদ্ধত বৃটিছক সহায় কৰাতকৈ যুদ্ধৰ প্ৰতি থকা বিৰোধ মনোভাৱেই আৰু যুদ্ধ এৰাই চলাটোৱেই ইযাৰ প্ৰধান কাৰণ আছিল।

নেহৰুৱে ক্ৰীপচৰ প্ৰস্তাৱটোৰ প্ৰতি সহানুভূতিৰে আলোচনা কৰাৰ পক্ষপাতি আছিল। কিন্তু মুখ খুলি একো নকলে। বেচি ভাগ নেতায়ে গান্ধীজীৰ ফালেহে চায়। তেওঁলোকৰ নিজা মতামত একো নাই। একমাত্ৰ ৰাজা গোপালাচাৰীযেহে প্ৰস্তাৱটোৰ প্ৰতি সমৰ্থন আগবঢাইছিল। কিন্তু কোনো সঁহাৰি নাপালে। চাৰ্চ্চিলৰ মতে "নেহৰু একেবাৰেই অকলশৰীয়া হ'ল"।

গান্ধীজীয়ে ১০ মে তাৰিখে তেখেতৰ কাগজত লিখিলে- "ভাৰতত বৃটিছৰ উপস্থিতি মানেই হ'ল ভাৰত জয় কৰিবলে জাপানক আমন্ত্ৰণ জনোৱা। তেওঁলোকৰ (বৃটিছৰ) ইয়াৰ পৰা অপসাৰণেই সেই টোপটো (Bait) নোহোৱা কৰিব। এই কথা নহয় বুলি ধৰি ল'লেও স্বাধীন ভাৰতে এই আক্ৰমণ বাধা দিবলৈ ভালদৰেই সম্ভৱ হ'ব। নিভাজ অসযোগীতাই (বৃটিছৰ লগত) তেতিয়া সম্পূৰ্ণ প্ৰভাৱ পেলাব।" (৩)

The Second World War, Vo 4- Churchill
(১) Page- 191 (২) Page- 195, 196 (৩) Page- 196

১৯২১ চনৰ পৰা ভাৰতৰ শেষ স্বাধীনতা আন্দোলনটোৰ আগলৈকে ভাৰতৰ জনগণে বিশেষকৈ কংগ্ৰেছৰ নেতা সকলে এটাৰ পিছত আনটোলৈকে কংগ্ৰেছৰ ভিতৰে বাহিৰে যিবোৰ সমস্যাৰ সম্মুখীন হৈছিল আৰু সেইবোৰ অতিক্ৰম কৰি কেনেকৈ এখোজ এখোজকৈ আগ বাঢিল সেই বিষয়ে অতি চমুকৈ সামান্য ভাৱে কিছু কথা আলোচনা কৰা হ'ল। সত্যাগ্ৰহ আন্দোলনৰ পিছৰ ঘটনা পৰিঘটনা বোৰেই প্ৰকৃততে ১৯৪২ চনৰ 'ভাৰত ত্যাগ' গণ বিপ্লবৰ অতি সাম্প্ৰতিক পটভূমি বুলি ক'ব পাৰি।

❑❑❑

দ্বিতীয় ভাগ

ঐতিহাসিক দলিল
(কলিয়াবৰৰ নথি পত্ৰবোৰ)

এতিয়া আমি আহোঁ কলিয়াবৰৰ ভিতৰত কি হৈছিল, আন্দোলনটো কোনে কেনেকৈ কি ভাৱে আগবঢাই নি চলাব লগা হৈছিল, গাওঁ সমূহৰ মানুহৰ মনোভাৱ কেনে আছিল ইত্যাদি কথা বোৰলৈ। আমি এতিয়া যি কথা লিখাৰ মানস কৰিছো সেয়া সাঁচতীয়া নথি পত্ৰৰ ওপৰত ভিত্তি কৰিয়েই কৰা হৈছে।

১৯৪২ চনৰ স্বাধীনতা আন্দোলনত অসমৰ ভিতৰত নগাওঁ জিলাৰ এক বিশেষ অৱদান থকা কথাটো অসমৰ সৰ্ব্বজন বিদিত। সেই সময়ৰ কলিযাবৰৰ অৱস্থিতি আৰু পৰিস্থিতিৰ বিষয়ে নতুনকৈ সুৱঁৰিবলৈ তেতিয়াৰ তথ্যপাতি, চিঠি পত্ৰ, জাননী, গোহাৰি, নির্দ্দেশ আৰু বুলেটিন আদি **'ঐতিহাসিক দলিল'** বোৰ প্ৰকাশ কৰাটো আৱশ্যক বুলি বিবেচনা কৰি পর্য্যায়ক্রমে সেইবোৰ ৰাইজৰ আগলৈ আগ বঢাই দিযাৰ প্ৰযাস কৰা হৈছে। এই লিখনিৰ প্ৰধান উদ্দেশ্য সেইটোৱেই।

স্বাধীনতা যুঁজৰ ভৰ পকৰ সময়ত চৰকাৰী যন্ত্রটোৰ হাতৰ পৰা এই কাগজ পত্রবোৰ ৰক্ষা কৰিবলৈ সঘনাই এঠাইৰ পৰা আন ঠাইলৈ অনা নিযা কৰা আৰু সযতনে লুকুৱাই থওঁতেও বহুবোৰ চিঠি পত্র আৰু অন্যান্য অতি দৰকাৰী নথি পত্র হেৰাল, নষ্ট হ'ল বা কৰিলে। আমি নিজেও সযতনে ৰখা আৰু সেই সময়ৰ কংগ্রেছৰ নেতা আৰু চামগুৰি চার্কোলৰ প্রাথমিক গঠন কৰোঁতা, শান্তি সেনা আৰু মৃত্যু বাহিনীৰ সংগঠক অৰ্গেনাইজাৰ শ্রদ্ধেয় শ্রীসোমেশ্বৰ বৰা (পূবথৰীয়া) ডাঙৰীযাই ঘৰত আৰু আন বেলেগ বেলেগ ঠাইত লুকুৱাই থোৱাৰ পৰা অৱশিষ্ট থকাখিনি গোটাই আনি সংৰক্ষণ কৰা অনেক নথি পত্রৰ মাজৰ পৰা কিছু সংখ্যক চিঠিপত্র, গোহাৰি, নির্দ্দেশ বুলেটিন আদি প্রকাশ কৰিলে বহুতৰ লগতে এতিয়াৰ চাম ছাত্র-ছাত্রী আৰু যুৱক-যুৱতীযে অনেক কথা জানিব পাৰিব আৰু ভাৰতৰ স্বাধীনতা সংগ্রাম খনত কলিযাবৰ বাসীযেনো কি কৰিছিল, কি অৱদান, ভূমিকা আছিল আৰু লগতে তেতিযাৰ পৰিস্থিতিৰ বিষযেও কিছু কথা বুজিব পাৰিব।

ওপৰোক্ত শ্ৰীবৰাদেৰে কোৱা মতে বালিটিকাৰ এজন অতি নিৰীহ (পুলিছ বা মিলিটাৰীযে সন্দেহ কৰিব নোৱাৰা) মানুহৰ ঘৰত তেতিযা লুকুৱাই থোৱা মৰাপাটৰ বস্তাৰ এবস্তা নথি পত্ৰ, কাগজ-পাতি, ৰেজিষ্টাৰ বহী আদি ১৯৪৩ চনৰ মাজ ভাগত গাৰলৈ মিলিটাৰী সোমোৱাৰ আগ মুহূৰ্ত্তত মানুহ জনে ভয়তে শিল বান্ধি বস্তাটো পুখুৰীত পেলাই দিলে। শ্ৰীবৰাদেৰ তেতিয়া জেলত। কলিযাবৰৰ শান্তি সেনা আৰু মৃত্যু বাহিনীৰ সকলো তথ্য সম্বলিত কাগজ পাতি আৰু পকা বন্ধা বহী আছিল সেই বস্তাটোত। আমি নিজে ৰখা কলিয়াবৰ কংগ্ৰেছ কমিটিৰ বহুতো নথি পত্ৰ প্ৰচিদিং বহী আদি তেতিয়াৰ কুৱঁৰীটোল থানাৰ দাৰোগা শ্ৰীমনোৰঞ্জন দাসে পুলিছ মিলিটাৰীৰ হতুৱাই ধানৰ ভঁৰালৰ পৰা উলিয়াই আনি চোতালত জুইত জাপি দিলে। চতিয়ালৰ শিবিৰত থকা কেন্দ্ৰীয় কংগ্ৰেছৰ কাৰ্য্যালয়টোৰ পৰাও বহুতো নথি পত্ৰ পুলিছে লৈ গ'ল।

স্মৃতি বিজৰিত অৱশিষ্ট সেই চিঠি পত্ৰ, দুই তিনি পৃষ্ঠাজোৰা গোহাৰি বুলেটিনৰ পৰা আৰম্ভ কৰি এক ডেৰ ইঞ্চি একো টুকুৰা সৰু কাগজলৈকে বুকুত বান্ধি ৰাখি থোৱাৰ হেঁপাহটো থকাৰ কাৰণেই আমাৰ হাতত বৈ গ'ল- এতিযা গুবৰুৱা ৰং ধৰা, চিযাহী বিযপি যোৱা, পোকে কুটা, উৱলি যোৱা সেই সময়ৰ নথি পত্ৰৰ সামান্য কিছু সংখ্যক। তাকে সাৰোগত কৰিযেই আমি আগবাঢিছো এই কামত।

এটা কথা কৈ থোৱা ভাল হ'ব যে সেই সময়ত প্ৰাযবোৰ চিঠিতেই কোনো ব্যক্তিৰ নাম নিলিখি অকল অনুষ্ঠানটোৰ নামহে লিখা হৈছিল। তাৰিখো দিযা নাছিল। কেতিযাবা আগওৰি নোহোৱাকৈ মাত্ৰ প্ৰযোজনীয কথা খিনি লিখিযেই আদান প্ৰদান কৰা হৈছিল। এই ক্ষেত্ৰত এনেবোৰ চিঠি পত্ৰ বা লিখনি অনা নিয়া কৰা পিয়ন বা তেনে কামত নিয়োগ কৰা ব্যক্তিজনৰ ওপৰত গোপনীয কথাৰ যোগাযোগৰ বিষযটো নির্ভৰ কৰিছিল। ধৰা পৰাৰ ভযত বিশদ বিৱৰণ লিখি নপঠাইছিল- মাত্ৰ কথা উনুকিযাই বাহক জনৰ যোগেদি বিতং ভাৰে জনোৱা হৈছিল। পত্ৰ বাহক জনক সম্পূৰ্ণ বিশ্বাসত লোৱা হৈছিল। তেবোঁ নির্দ্দিষ্ট ঠাইৰ বাহিৰে আন ক'তো, আগতে বা পিছতো, কেতিযাও প্ৰকাশ নকৰিছিল। চিল-মোহৰ মাৰি বা নামাৰি পোৱাৰ তাৰিখটো কেতিয়াবা দি বা নিদিও ৰখা বহুত চিঠি পত্ৰ নথি আছে। এতিযা ওপৰোক্ত কাৰণতে ঘটনাৰ শুদ্ধ ক্ৰম অনুসাৰে প্ৰকাশ কৰাত যথেষ্ট অসুবিধা হৈছে। তথাপি যিমান পৰা যায ক্ৰম ৰক্ষা কৰাৰ চেষ্টা কৰা হৈছে। এই একে কাৰণতেই আৰু লগতে বহুটো ঘটনাৰ বিষযে লিখিত যোগা-যোগৰ নথি নথকাত সেইবোৰৰ সঠিক বিৱৰণ দিযাও টান হৈছে। অনেক ঘটনাৰ কথা এতিয়া লুকাই গ'ল, বিস্মৃতিৰ গর্ভত লোপ পালে। সমর্থন কৰা মানুহ এতিয়া কোনো নথকাত কেইটামান জনা ঘটনাৰ কথাও ইয়াত লিখা নাই। অনেক ত্যাগী, দুঃসাহসী আৰু প্ৰকৃত মুক্তি যোদ্ধাৰো সবিশেষ লিখিব পৰা নাই। তাৰ বাবে আমি ক্ষমা প্ৰার্থনা কৰিছো।

প্ৰাথমিক কংগ্ৰেছ কমিটি আৰু শান্তি সেনা বাহিনী গঠন

১৯৪২ চনৰ মাৰ্চ মাহত অহা চাৰ ষ্টেফৰ্ড ক্ৰীপচ কৃতকাৰ্য্য হ'ব নোৱাৰি উভতি গ'ল। ইফালে জাপানে ব্ৰহ্মদেশৰ বেঙ্গুনত সোমাই পৰাৰ লগে লগে অসমতো যুদ্ধৰ আয়োজন বৃদ্ধি পালে। সৈন্যৰ লগতে গোটেই অসমতে যুদ্ধৰ সা-সৰঞ্জাম টেঙ্ক, মেচিন গান, বোমা বাৰুদৰে ভৰাই পেলালে। দক্ষিণ ট্ৰাঙ্ক ৰ'ডৰ কাষে কাষে পেট্ৰল বাহী পাইপ বছৱালে। গোটেই পথটো পকি কৰি পেলালে।

এনে অৱস্থাত জন সাধাৰণৰ মাজত যি আতঙ্কৰ সৃষ্টি হ'ল তাৰ প্ৰতিকাৰ কৰি শান্তি শৃঙ্খলা ৰক্ষা কৰিবৰ বাবেও চিন্তা কৰিব লগা হ'ল। গান্ধীজীৰ নিৰ্দ্দেশ মতে শান্তি সেনা বাহিনী গঠন কৰাৰ ব্যৱস্থা কৰা হ'ল। নগাঁৰত সেই উদ্দেশ্যে কংগ্ৰেছৰ চাব কমিটি গঠন কৰা হ'ল। এই চাব কমিটিৰ সম্পাদক পতা হ'ল শ্ৰীমহীকান্ত বৰা দেৱক।

নগাওঁ জিলাৰ পাচোঁটা চাৰ্কোলৰ (তেতিয়াৰ) নামাকৰণ কৰা হৈছিল এইদৰে-

A-চামগুৰি চাৰ্কোল, B- নগাওঁ সদৰ চাৰ্কোল, C- বহা চাৰ্কোল, D- ধিং চাৰ্কোল আৰু E- কামপুৰ চাৰ্কোল।

ইয়াৰে A, B চাৰ্কোল দুটাৰ চুপাৰভাইজাৰ পতা হ'ল শ্ৰীবদন চন্দ্ৰ বৰদলৈক আৰু বাকী তিনিটা C, D আৰু E ৰ পতা হ'ল শ্ৰীমহেন্দ্ৰ হাজৰিকাক। এই দুজন চুপাৰভাইজাৰে গোটেই নগাওঁ জিলাতে নিখুঁতভাৱে কাম কৰিলে।

এপ্ৰিল মাহৰ ভিতৰতে দুয়োজন চুপাৰভাইজাৰ লগ হৈ ৭ জন বছা বছা স্বেচ্ছাসেৱকক প্ৰশিক্ষণ দিয়ে। শ্ৰীপূর্ণ শৰ্ম্মাই ইয়াৰ গুৰি ধৰিছিল। ১৫ দিন প্ৰশিক্ষণৰ পিছত পৰীক্ষা হ'ল। জিলা কংগ্ৰেছৰ সৰ্ব্বশ্ৰী হলধৰ ভূঞা, পূর্ণ শৰ্ম্মা, মহী বৰা, মতিৰাম বৰা, গিৰিধৰ বৰুৱা আদি সকল বহি প্ৰশিক্ষাৰ্থী সকলৰ পৰীক্ষা লৈছিল।

পৰীক্ষাৰ পিছত ৫ জনক অৰ্গেনাইজাৰ পদত নিযুক্তি দিয়ে।

(১) শ্ৰীবসু বৰঠাকুৰ (ননৈৰ), (২) শ্ৰীসোমেশ্বৰ বৰা (কলিয়াবৰ), (৩) শ্ৰীললিত শইকীয়া (হাতীছোং), (৪) শ্ৰীকেশু ডেকা (মৰিগাওঁ), (৫) শ্ৰীদীঘলা গোহাঁই (বাৰপূজীয়া-কপাহেৰা)

শ্ৰীগোপিকা বল্লভ গোস্বামী আৰু আন জন (নাম পোৱা নগ'ল) দুয়োজনকে অন্য কামত নিযুক্ত কৰিলে।

শ্ৰীসোমেশ্বৰ বৰাই ১৯৪২ চনৰ ৫ জুনৰ পৰা আৰম্ভ কৰি ৯ আগষ্টলৈকে সমগ্ৰ চামগুৰি চাৰ্কোলৰ ভিতৰত মুঠ ৪০ খন প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰে। অকল সেয়ে

নহয় লগে লগে শান্তি সেনা বাহিনীও গঠন কৰে প্ৰতিখন প্ৰাথমিকতে। এইক্ষেত্ৰত শ্ৰীবদন বৰদলৈ দেৱে শ্ৰীবৰাদেৱক সহায় কৰে।

শ্ৰীমহেন্দ্ৰ হাজৰিকাদেৱৰ কোনো তথ্য পাতি পোৱা নগ'ল। কিন্তু শ্ৰীবৰদলৈ দেৱে 'মোৰ জীৱন কাহিনী'ত লিখিছিল এই বুলি "পূব অংশৰ চুপাৰভাইজাৰ মোক দিলে আৰু পশ্চিম অংশৰ চুপাৰভাইজাৰ শ্ৰীমহেন্দ্ৰ হাজৰিকাক দিলে। আমালোকক ২৫ টকা কৰি বেতন দিছিল আৰু অৰ্গেনাইজাৰ সকলক ১৫ টকা কৰি বেতন দিছিল। মই পূবৰ পৰা এই অভিযান আৰম্ভ কৰিলো। নগাঁৰ পৰা চৰাইবাহী, কঠিয়াতলিলৈকে ১৫০০০ (পোন্ধৰ হেজাৰ) শান্তি সেনা ট্ৰেইনিং দিয়া হ'ল। মোৰ এলেকাত ১০০ (এশ) টা শান্তি সেনা শিবিৰ খোলা হ'ল। বিৰাট সংগঠন। ৰাতি পহাৰা। বাইজ সকলো সময়তে সজাগ-বিপদ সঙ্কট ধ্বনি বাজিলে গাৱেঁ গাৱেঁ এই ধ্বনি বাজিব আৰু বাইজ বিপদত সহায় কৰিবৰ বাবে সাজু হ'ব। পোন্ধৰ হেজাৰৰ এই বাহিনীক লাঠি খেল আদি দিয়াই প্ৰস্তুত কৰা হৈছিল। এনে বিৰাট সংগঠন পূৰ্ব্বে কেতিয়াও হোৱা নাই আৰু ভবিষ্যতে যে হ'ব আশা কৰিব নোৱাৰি। বুঢ়া, ডেকা, গাভৰু সকলোৱেই সজাগ। চুকে কোণে এনে এখন গাওঁ নাই যি এই সংগঠনৰ বাহিৰে আছিল।"

প্ৰাথমিক কংগ্ৰেছ কমিটি গঠনৰ যি নিয়মাৱলী আছিল তাৰ হুবহু নকল তলত তুলি দিয়া হ'ল।

বন্দেমাতৰম

প্ৰাথমিক সংগঠনৰ নিয়মাৱলী

১। ২/৪ খন কিম্বা ততোধিক গাওঁ মিলাই একোখন প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰিব পাৰে।

(ক) যি কিখন গাওঁ মিলাই প্ৰাথমিক গঠন কৰে উক্ত আটাই কেইখন গাৱঁৰে মোট ১১ জন সভ্য বাছি একোখন কাৰ্য্যকৰী সভা গঠন কৰিব। এই কাৰ্য্যকৰী সভাখনেই গোটেই প্ৰাথমিক খন পৰিচালনা কৰিব পাৰিব আৰু কাৰ্য্যকৰী কমিটিৰ সদস্য সকলে গোটেই কেইখন গাৱঁৰে বাপেকি স্বৰূপে কাম কৰিব লাগিব। ভাত, কাপোৰ, স্বাস্থ্য, গো-পালন, খেতি-বাতি আদি সকলো বিষয়ত লক্ষ্য ৰাখিব লাগিব। কাজিয়া-পেচাল আদিৰ শোধ এই কমিটিয়ে আদালতলৈ নোযোৱাকৈ সুধিব লাগিব।

(খ) এই ১১ জন সভ্যৰ ভিতৰৰ বাইজে মনোনিত কৰি এজন সভাপতি এজন চেক্ৰেটৰী আৰু এজন ধন ভঁৰালি পাতি ল'ব।

(গ) সভাপতিয়ে নিজ প্ৰাথমিকৰ হাব ভাব বুজি উপযোগী কাৰ্য্য সূচনা কৰি কাৰ্য্যকৰী কমিটিৰ লগত পৰামৰ্শ কৰি কাৰ্য্য চলাব।

(ঘ) সম্পাদকে আয়-ব্যয়ৰ হিচাপ পত্ৰাদি, কাৰ্য্য বিৱৰণী, সভ্য ৰেজিষ্টাৰ, সভ্য কৰা আৰু চেঙ্কাচ জাননী আদি পৰিপাটিকৈ ৰাখিব। পাচ টকাৰ ওপৰ হ'লে বহিদে ল'ব। আৱশ্যক অনুযায়ী ভঁৰালিক বহিদ দিহে ধন খৰচ কৰিব পাৰিব।

(ঙ) সন্ধিক্ষণ অৱস্থাত কাৰ্য্যকৰী কমিটিৰ যি কোনো সদস্যই সম্পাদকৰ জড়িয়তে কাৰ্য্যকৰী কমিটি বহুৱাব পাৰিব।

(চ) কাৰ্য্যকৰী কমিটিয়ে সময় উপযোগী কিছুমান কাৰ্য্য চলাব।"

সেই সময়ত কাৰ্য্যকৰী কমিটিৰ সদস্যসকল গাওঁবোৰৰ প্ৰতিটো সমস্যাৰ লগতে জড়িত হৈ পৰিছিল আৰু সঁচাকৈয়ে 'বাপেকি' স্বৰূপেই কাৰ্য্য নিৰ্ব্বাহ কৰিব লগা হৈছিল। গাৱঁৰ ভিতৰৰ যিকোনো গোচৰ বা মেল কমিটিয়েহে বিচাৰ কৰি ৰায় দিছিল। সকলোৱে মানি লৈছিল। স্বামী স্ত্ৰীৰ পাৰিবাৰিক সমস্যা লৈয়ো মানুহে প্ৰাথমিকৰ সভাপতিৰ ওচৰলৈ অহা হ'ল। আদালতলৈ মানুহ যোৱা প্ৰায় বন্ধই হৈছিল।

১৯৪২ চনত পোন প্ৰথম বাৰৰ বাবে গঠন কৰা চামগুৰি চাৰ্কেলৰ ৩৭ খন প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সম্পূৰ্ণ বিৱৰণ আৰু সেই প্ৰাথমিক বোৰৰ তলত থকা গাওঁ সভা বা চাব কমিটি সমূহৰো বিৱৰণ তলত দিয়া হ'ল। এখন প্ৰাথমিকৰ পুৰা বিৱৰণ দিব পৰা নহ'ল।

প্ৰাথমিক সমূহৰ তালিকা

১। পূবথৰীয়া প্ৰাথমিক কংগ্ৰেছ কমিটি পোঃ কুঁৱৰীটোল।

(১)	শ্ৰীযুত আনন্দৰাম শইকীয়া		সভাপতি
(২)	,,	বিষ্ণুৰাম ভূঞা	সম্পাদক
(৩)	,,	নন্দিৰাম ভূঞা	ধন ভঁৰালী

সদস্য ঃ শ্ৰীযুত সকল (৪) পূর্ণ চন্দ্ৰ ভূঞা (৫) আনন্দৰাম কাকতি (৬) ভোগেশ্বৰ কাকতি (৭) ভোগেশ্বৰ নেওগ (৮) গোলাপ চন্দ্ৰ নাথ (৯) উমাৰাম বৰা (১০) দেউৰাম ভূঞা (১১) বলোৰাম ভূঞা

চাব কমিটি

(ক) ওপৰ পূবথৰীয়া চাব কমিটি

শ্ৰীযুত সকল (১) গোলাপ চন্দ্ৰ নাথ (সভাপতি) (২) নমোৰাম মহন্ত (সম্পাদক) (৩) কলিৰাম বৰা (ধন ভঁৰালী) (৪) নিৰন চন্দ্ৰ হাজৰিকা (সদস্য) (৫) মানিক চন্দ্ৰ বৰুৱা (সদস্য) (৬) দেউঁৰাম ভূঞা (নায়ক)।

(খ) মাজ পূবথৰীয়া

শ্ৰীযুত সকল (১) শ্ৰীযুত আনন্দৰাম শইকীয়া (সভাপতি) (২) ভোগেশ্বৰ কাকতি (সম্পাদক) (৩) কলিৰাম বৰুৱা (ধন ভঁৰালী) (৪) মিছিৰাম বৰা (সদস্য) (৫) তালিৰাম বৰা (সদস্য) (৬) গনেশচন্দ্ৰ বৰুৱা (নায়ক)।

(গ) তলাগুৰি

শ্ৰীযুত সকল (১) শ্ৰীযুত ৰজনীকান্ত গোস্বামী (সভাপতি) (২) ভদ্ৰকৃষ্ণ গোস্বামী (সম্পাদক) (৩) কালিৰাম বৰা (ধন ভঁৰালী) (৪) পীতাম্বৰ ভূঞা (সদস্য) (৫) বিষ্ণুৰাম ভূঞা (নায়ক)।

(ঘ) নাম পূবথৰীয়া

শ্ৰীযুত সকল (১) শ্ৰীযুত পূর্ণ চন্দ্ৰ ভূঞা (সভাপতি) (২) নলিনী কান্ত শইকীয়া (সম্পাদক) (৩) নন্দিৰাম ভূঞা (ধন ভঁৰালী ও নায়ক) (৪) ভোগৰাম বৰা (সদস্য) (৫) সুবোধ চন্দ্ৰ বৰা (৬) বিষ্ণুৰাম ভূঞা।

২। মাধৱাযী-ৰূপনাৰায়ণ প্ৰাঃ কং কমিটি, পোঃ জখলাবন্ধা

(১)	শ্ৰীযুত লক্ষীকান্ত গোস্বামী		সভাপতি
(২)	,,	ভূৱাকান্ত মহন্ত (গোস্বামী)	সম্পাদক

(৩)	,,	চন্দ্রকান্ত মহন্ত	(সহঃ সম্পাদক)
(৪)	,,	লক্ষীনাথ ভূঞা	(সহঃ সভাপতি)
(৫)	,,	সোণাৰাম কাকতি	
(৬)	,,	কনক চন্দ্র মহন্ত	ধন ভঁৰালী
(৭)	,,	মিনাৰাম খাউণ্ড	
(৮)	,,	মহেন্দ্র নাথ মহন্ত	
(১০)	,,	ধনীৰাম গাওঁবুঢ়া	
(১১)	,,	গোলোক চন্দ্র বৰঠাকুৰ (সভাপতি)	

বিঃ দ্রঃ শ্রীগোলাক চন্দ্র বৰঠাকুৰ প্রাথমিক গঠন কৰাৰ সময়ত কংগ্রেছত নাছিল। কিছুদিন পিছতহে কংগ্রেছত ভর্ত্তি কৰি সভাপতি পতা হয়।

চাৰ কমিটি

শ্রীযুত সকল (১) শ্রীযুত কনক চন্দ্র মহন্ত (সভাপতি) (২) চন্দ্রকান্ত মহন্ত (সম্পাদক) (৩) মিনাৰাম খাউণ্ড (ধন ভঁৰালী) (৪) সোণাৰাম কাকতি

৩। নাম সোণাৰী গাওঁ প্রাঃ কং কমিটি

(১)	শ্রীযুত	ঈশধৰ হাজৰিকা	সভাপতি
(২)	,,	পদ্মচৰণ হাজৰিকা	সম্পাদক
(৩)	,,	ঘনকান্ত শর্ম্মা	নায়ক
(৪)	,,	ফনিধৰ বৰা	
(৫)	,,	ৰামেশ্বৰ হাজৰিকা	
(৬)	,,	মিনাৰাম হাজৰিকা	
(৭)	,,	দেবেন্দ্র নাথ হাজৰিকা (পিঃ কেশৰাম)	
(৮)	,,	আনন্দ ৰাম হাজৰিকা	
(৯)	,,	কেশৰাম হাজৰিকা	
(১০)	,,	জযৰাম বৰদলৈ	
(১১)	,,	বাপুৰাম শর্ম্মা	

চাৰ কমিটি

শ্রীযুত সকল (১) শ্রীযুত ঈশধৰ হাজৰিকা (সভাপতি) (২) মিনাৰাম হাজিৰকা (৩) পদ্মচৰণ হাজৰিকা (সম্পাদক) (৪) আনন্দৰাম হাজৰিকা (৫) ঘনকান্ত শর্ম্মা।

৪। ওপৰ সোণাৰী গাওঁ প্রাঃ কং কমিটি

(১)	শ্রীযুত	স্বর্গেশ্বৰ হাজৰিকা	সভাপতি		
(২)	,,	নগেশ্বৰ বৰদলৈ	সম্পাদক		
(৩)	,,	ফিনাধৰ হাজৰিকা	ধন ভঁৰালী ও নায়ক		
(৪)	,,	দুখনাথ গুপ্ত	(৫)	,,	কমল চন্দ্র বৰদলৈ
(৬)	,,	নন্দিৰাম বৰদলৈ	(৭)	,,	ডম্বৰুধৰ বৰদলৈ
(৮)	,,	বদ্রেশ্বৰ হাজৰিকা	(৯)	,,	মহাবীৰ ৰবি দাস
(১০)	,,	চৈতা লোহাৰ	(১১)	,,	শশীধৰ বৰদলৈ

(১)	শ্ৰীফনিধৰ বৰা		
(২)	„ ফনিধৰ হাজৰিকা		
(৩)	„ বিনদ চন্দ্ৰ বৰদলৈ	}	বিশেষ কামত নিযুক্ত
(৪)	„ ফনকান্ত হাজৰিকা		

৫। নিজ কলিয়াবৰ প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	উপেন্দ্ৰ নাথ শৰ্ম্মা	সভাপতি
(২)	„	বিষ্ণুৰাম শৰ্ম্ম বৰদলৈ	সম্পাদক
(৩)	„	দণ্ডিৰাম হাজৰিকা	ধন ভঁৰালী
(৪)	„	অনন্ত শৰ্ম্মা বৰঠাকুৰ	(শিছত সভাপতি)
(৫)	„	বিশ্বদেৱ শৰ্ম্মা	
(৬)	„	ললিত চন্দ্ৰ শৰ্ম্মা পঞ্চানন	
(৭)	„	মহাদেৱ শৰ্ম্মা ভাগৱতী	
(৮)	„	গিৰিকান্ত শৰ্ম্মা ভাগৱতী	
(৯)	„	কণক চন্দ্ৰ শৰ্ম্মা বৰদলৈ	
(১০)	„	নবীন চন্দ্ৰ দাস	
(১১)	„	ৰবিৰাম হাজৰিকা	
(১২)	„	সত্যনাথ শৰ্ম্মা	নায়ক

চাৰ কমিটি

(ক) বৰভকতি

শ্ৰীযুত সকল (১) শ্ৰীমাণিক চন্দ্ৰ শইকীয়া (সভাপতি) (২) বিষ্ণুৰাম শৰ্ম্মা বৰদলৈ (৩) হলধৰ বৰুৱা (৪) হেমোৰাম কাকতি (৫) কনক চন্দ্ৰ শৰ্ম্মা বৰদলৈ।

(খ) দলাল মাষৰ

শ্ৰীযুত সকল (১) শ্ৰীযুত উপেন্দ্ৰ নাথ শৰ্ম্মা (সভাপতি) (২) গিৰিকান্ত শৰ্ম্মা (সম্পাদক) (৩) ফটিক গগৈ (৪) বিশ্বদেৱ শৰ্ম্মা (৫) ললিত চন্দ্ৰ শৰ্ম্মা।

(গ) মিৰিজেটি

শ্ৰীযুত সকল(১) শ্ৰীযুত ৰাতিৰাম হাজৰিকা (সভাপতি) (২) নবীন চন্দ্ৰ দাস (সম্পাদক) (৩) শিৱচৰণ দাস (৪) হৰি তাঁতি (৫) বেলি তাঁতি।

৬। সৰুভগীয়া প্ৰাঃ কং কমিটি, পোঃ জখলাবন্ধা

(১)	শ্ৰীযুত	বিনদ চন্দ্ৰ হাজৰিকা	সভাপতি
(২)	„	শিৱৰাম বৰদলৈ	(সহঃ সভাপতি)
(৩)	„	ৰতিন্দ্ৰ নাথ বেনাৰ্জি	সম্পাদক
(৪)	„	যজ্ঞেৰাম হাজৰিকা	ধন ভঁৰালী
(৫)	„	গনেশচন্দ্ৰ শৰ্ম্ম ঠাকুৰ	
(৬)	„	তিখাই গায়ন বৰা	
(৭)	„	চতাই কৈবর্ত্ত	
(৮)	„	মানিক চন্দ্ৰ শইকীয়া	
(৯)	„	শিৱ হাজৰিকা	

(১০) „ ফনাই সাতোলা

(১১) „ টঙ্কেশ্বৰ হাজৰিকা (সম্পাদক)

প্ৰাথমিক গঠনৰ কিছুদিন পিছতে শ্ৰীবেনাৰ্জিক প্ৰচাৰৰ কাৰণে অন্য ঠাইলৈ নিব লগা হোৱাত শ্ৰীটঙ্কেশ্বৰ হাজৰিকাক সম্পাদক পাতে।

চাব কমিটি

(ক) দখাল সক ভগীযা

শ্ৰীযুত সকল (১) শ্ৰীযুত সোণাৰাম হাজৰিকা (সভাপতি) (২) জীৱধৰ হাজৰিকা (৩) শিৱৰাম ৰৰদলৈ (সম্পাদক) (৪) যজ্ঞোৰাম হাজৰিকা (৫) ৰতিন্দ্ৰ বেনার্জি (৬) নিশিকান্ত মহন্ত (নায়ক)।

(খ) - শেনচোৱা

শ্ৰীযুত সকল (১) শ্ৰীযুত জুৰন চন্দ্ৰ গাওবুঢ়া (সভাপতি) (২) তিখাই গায়ন ৰৰা (ধন ভঁৰালী) (৩) চতাই কৈবর্ত্ত (৪) চন্দ্ৰকান্ত শইকীয়া (সম্পাদক) (৫) মহীধৰ দাস (৬) চন্দ্ৰকান্ত শইকীয়া (নায়ক)।

(গ) চেকীয়াল-কটিয়ৰী

শ্ৰীযুত সকল (১) শ্ৰীযুত মহিম চন্দ্ৰ শইকীয়া (সভাপতি) (২) শিৱ হাজৰিকা (সম্পাদক) (৩) কলুৰা শইকীয়া (ধন ভঁৰালী) (৪) মানিক ভাগৱতী (৫) জগাক বায়ন (৬) জয়কান্ত হাজৰিকা (নায়ক)। (৭) কিৰকণ শইকীয়া (নায়ক)।

৭। কুঠৰী প্ৰাঃ কং কমিটি পোঃ জখলাবন্ধা

(১)	শ্ৰীযুত	লক্ষীকান্ত শইকীযা	(সভাপতি)
(২)	„	গঙ্গাৰাম ৰৰা	(সম্পাদক)
(৩)	„	মোলান চন্দ্ৰ বৰুৱা	(ধন ভঁৰালী)
(৪)	„	নবীন চন্দ্ৰ শইকীয়া	
(৫)	„	কলাই শইকীয়া	
(৬)	„	আলিৰাম শইকীয়া	
(৭)	„	নন্দিৰাম শইকীয়া	
(৮)	„	জয়ৰাম ৰৰা	
(৯)	„	ৰাতিৰাম বৰুৱা	
(১০)	„	লক্ষ্মণ চন্দ্ৰ ৰৰা	
(১১)	„	গনেশচন্দ্ৰ শইকীয়া	

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত লক্ষীকান্ত শইকীয়া (সভাপতি) (২) গঙ্গাৰাম ৰৰা (সম্পাদক) (৩) মোলান চন্দ্ৰ বৰুৱা (ধন ভঁৰালী) (৪) জয়ৰাম ৰৰা (৫) কানুৰাম শইকীয়া।

৮। হাটিৰৰ প্ৰাঃ কং কমিটি, পোঃ জখলাবন্ধা

(১)	শ্ৰীযুত	সোমকান্ত হাজৰিকা	(সভাপতি)
(২)	„	সূৰ্য্যকান্ত নেওগ	(সম্পাদক)
(৩)	„	ৰূপৰাম ৰৰা	(ধন ভঁৰালী)
(৪)	„	সোণাৰাম শইকীয়া	
(৫)	„	খুনাৰাম শইকীয়া	

(৬) শ্ৰীযুত গোলাপ চন্দ্ৰ হাজৰিকা
(৭) „ মহোৰাম শইকীয়া
(৮) „ আনন্দিৰাম বৰা
(৯) „ মতিৰাম বৰা
(১০) „ গুণাৰাম বৰা
(১১) „ ৰতিৰাম গগৈ
(১২) „ হলিৰাম গায়ন

চাৰ কমিটি সমূহ

(ক) হাটৰৰ

শ্ৰীযুত সকল (১) শ্ৰীযুত গুণাৰাম বৰা (সভাপতি) (২) দণ্ডিৰাম বৰা (ধন ভঁৰালী) (৩) আনন্দিৰাম বৰা (৪) পূৰ্ণকান্ত শইকীযা (৫) ঘনকান্ত বৰা (নায়ক)।

(খ) গাৰিকুৰি

শ্ৰীযুত সকল (১) শ্ৰীযুত বাপাৰাম বৰা (সভাপতি) (২) গোলাপ চন্দ্ৰ বৰা (সম্পাদক) (৩) মহোৰাম শইকীয়া (ধন ভঁৰালী) (৪) ভোলানাথ নেওগ (৫) গোপীৰাম বৰা (৬) মিণাৰাম হাজৰিকা (নায়ক)।

(গ) আখিৰডা

শ্ৰীযুত সকল (১) শ্ৰীযুত বাপুকণ হাজৰিকা (সভাপতি) (২) জগৎ চন্দ্ৰ হাজৰিকা (সম্পাদক) (৩) অকণ চন্দ্ৰ হাজৰিকা (ধন ভঁৰালী) (৪) ৰূপৰাম বৰা (৫) সোণাৰাম শইকীয়া (৬) খৰ্গেশ্বৰ হাজৰিকা (নায়ক)।

(ঘ) ৰবিগাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত ৰত্ন কান্ত গায়ন (নায়ক) (২) অলিৰাম শইকীযা (নায়ক)।

৯। শাকমুঠি-ভবালী গাওঁ প্ৰাঃ কং কমিটি, পোঃ জখলাবন্ধা

(১)	শ্ৰীযুত	তিলক চন্দ্ৰ বৰা	(সভাপতি)		
(২)	„	যোগেশ্বৰ শইকীয়া	(সহঃ সভাপতি)		
(৩)	„	উপেন্দ্ৰ নাথ বৰুৱা	(সম্পাদক)		
(৪)	„	বিদ্যাধৰ হাজৰিকা	(সহঃ সম্পাদক)		
(৫)	„	চন্দ্ৰকান্ত বৰা	(ধন ভঁৰালী)		
(৬)	„	লক্ষ্মীনাথ হাজৰিকা	(৭) „	ভোগেশ্বৰ বৰা	
(৮)	„	কৃষ্ণৰাম বৰা	(৯) „	মিণাৰাম শইকীয়া	
(১০)	„	ভোলাই শইকীয়া	(১১) „	বালিৰাম হাজৰিকা	

চাৰ কমিটি

(ক) শাকমুঠি গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত ৰত্নেশ্বৰ বৰা (সভাপতি) (২) ডম্বৰুধৰ বৰা (সম্পাদক) (৩) লক্ষ্মীনাথ হাজৰিকা (ধন ভঁৰালী) (৪) কৃষ্ণৰাম বৰা (৫) ধনেশ্বৰ বৰা (নায়ক)।

(খ) ভঁৰালী গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত বালিৰাম হাজৰিকা (সভাপতি) (২) চন্দ্ৰকান্ত বৰা (সম্পাদক) (৩) অন্নদা প্ৰসাদ হাজৰিকা (ধন ভঁৰালী) (৪) ফনিধৰ হাজৰিকা (নায়ক) (৫) বেথাৰাম বৰা।

১০। দলগাওঁ প্ৰাঃ কং কমিটি, পোঃ জখলাবন্ধা

(১)	মঃ নুকদ্দিন আহমদ		(সভাপতি)		
(২)	শ্ৰীযুত	মহেশ্বৰ বৰা	(সম্পাদক		
(৩)	,,	খৰ্গধৰ বৰা	(ধন ভঁৰালী)		
(৪)	,,	সন্তৰাম বৰা	(৫)	শ্ৰীযুত ন ৰাম বৰা	
(৬)	,,	খোলোক চন্দ্ৰ বৰা	(৭)	,,	বেথাৰাম বৰা
(৮)	,,	ঘনশ্যাম বৰা	(৯)	,,	মানিক চন্দ্ৰ বৰা
(১০)	,,	মহব্বৎ আহমদ	(১১)	,,	গুহ মহন্ত সৎনামী

চাৰ কমিটি

(ক) দলগাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত দীনেশ্বৰ শইকীয়া (২) ডিম্বেৰ বৰা (৩) গোলাপ চন্দ্ৰ বৰা (৪) নিৰঞ্জন চন্দ্ৰ বৰা (৫) সোমেশ্বৰ হাজৰিকা (৬) ইন্দ্ৰেশ্বৰ শৰ্ম্মা বৰঠাকুৰ (নায়ক)।

(খ) দলগাওঁ-মুচলমান গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত মহব্বৎ আহমদ (সভাপতি) (২) বহমৎ আলি (সম্পাদক) (৩) নচিৰুদ্দিন আহমদ (৪) আমানাল্লা আলি (৫) গুদু মল্লিকা।

(গ) দলগাওঁ বামুণ ছেটি

শ্ৰীযুত সকল (১) শ্ৰীযুত জানেকি সিং চেত্ৰী (সভাপতি) (২) ভোগেশ্বৰ বৰা (সম্পাদক) (৩) চন্দ্ৰ সিং চেত্ৰী (৪) সুধাৰাম সৎনামী (৫) শ্যামা গুৱালা।

১১। ওপৰ চতিয়াল প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	সোমকান্ত বৰা	(সভাপতি)		
(২)	,,	ভোগেশ্বৰ বৰা (১)	(সম্পাদক)		
(৩)	,,	গোলাপ চন্দ্ৰ বৰঠাকুৰ	(ধন ভঁৰালী)		
(৪)	,,	ডম্বৰুধৰ বৰা	(৫)	শ্ৰীযুত	ভোগেশ্বৰ বৰা (২)
(৬)	,,	মোহন চন্দ্ৰ বৰা	(৭)	,,	সকমল ভঁৰালী
(৮)	,,	লোকনাথ বৰা	(৯)	,,	ফনিধৰ বৰা
(১০)	,,	বাপাতি বৰা	(১১)	,,	মহেন্দ্ৰ মহন্ত
(১২)	,,	তুৰাকান্ত শৰ্ম্মা	(নায়ক)		

চাৰ কমিটি

(ক) নাহৰ-চেলেং গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত পুনিৰাম বৰা (সভাপতি) (২) পূৰ্ণকান্ত মহন্ত (সম্পাদক) (৩) নোমল

চন্দ্ৰ বৰা (ধন ভঁৰালী) (৪) ভোগেশ্বৰ বৰা।

(খ) ন-সত্ৰ কেন্দকেলিয়া গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত ধনীৰাম বৰা (সভাপতি) (২) তূৰাকান্ত শৰ্ম্মা (সম্পাদক) (৩) বালিৰাম বৰা (ধন ভঁৰালী) (৪) সোমকান্ত বৰা।

১২। চতিয়াল প্ৰাঃ কং কমিটি, পোঃ কুৱৰীটোল

(১)	শ্ৰীযুত	লক্ষীধৰ বৰা	(সভাপতি)
(২)	,,	ডিম্বেশ্বৰ বৰুৱা	(সহঃ সভাপতি)
(৩)	,,	ৰিনদ চন্দ্ৰ শইকীয়া	(সম্পাদক)
(৪)	,,	গোলোক চন্দ্ৰ হাজৰিকা	(সম্পাদক ও কেন্দ্ৰীয় অফিচ সম্পাদক)
(৫)	,,	গোবিন্দ চন্দ্ৰ বৰুৱা	
(৬)	,,	যজ্ঞেৰাম বৰা	
(৭)	,,	বংশীধৰ বায়ন	(ধন ভৰালী)
(৮)	,,	মহেন্দ্ৰ চন্দ্ৰ বৰুৱা	
(৯)	,,	চন্দ্ৰকান্ত বৰুৱা	
(১০)	,,	থুলুক চন্দ্ৰ বায়ন	
(১১)	,,	ঠগীৰাম বৰা	
(১২)	,,	বংশীধৰ বৰা	(সহঃ যুটীয়া সম্পাদক)
(১৩)	,,	ৰামনাথ দাস	(কেম্প কামাওৰ কেন্দ্ৰীয় অফিচ)

চাৰ কমিটি

(ক) বৰুৱা চুক

শ্ৰীযুত সকল (১) শ্ৰীযুত চন্দ্ৰকান্ত বৰুৱা (সভাপতি) (২) লক্ষীকান্ত বৰুৱা (সম্পাদক) (৩) বেথাৰাম বৰুৱা (৪) মহেন্দ্ৰ বৰুৱা (৫) ডিম্বেশ্বৰ বৰুৱা (৬) কলিৰাম বৰুৱা।

১৩। কুৱৰীটোল প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	শশীকান্ত বৰদলৈ	(সভাপতি)		
(২)	,,	তুলসী চন্দ্ৰ শৰ্ম্মা	(সম্পাদক)		
(৩)	,,	দিবাকৰ শৰ্ম্মা	(ধন ভঁৰালী)		
(৪)	,,	ভলৌ বৰদলৈ			
(৫)	,,	গোলাপ চন্দ্ৰ বৰদলৈ	(৬)	,,	দীননাথ বৰদলৈ
(৭)	,,	চন্দ্ৰকান্ত হাজৰিকা	(৮)	,,	ফটিক চন্দ্ৰ বৰদলৈ
(৯)	,,	তীখৰ হাজৰিকা	(১০)	,,	লুহীৰাম বৰদলৈ
(১১)	,,	চেনাৰাম বৰুৱা			
(১২)	,,	চেনীৰাম শৰ্ম্মা বৰদলৈ	(নায়ক)		

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত চেনিৰাম বৰদলৈ (২) গোলাপ চন্দ্ৰ বৰদলৈ (৩) শশীকান্ত বৰদলৈ (৪) দিবাকৰ শৰ্ম্মা (৫) তুলসী শৰ্ম্মা

১৪। গোমোঠা প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	মোলান চন্দ্ৰ মুণ্ডিয়াৰ	(সভাপতি)		
(২)	„	পুনিৰাম ওজা	(সম্পাদক)		
(৩)	„	ভলৌ কোছ	(ধন ভঁৰালী)		
(৪)	„	কুশল চন্দ্ৰ শৰ্ম্মা	(৫)	„	সংৰাম ৰৰা
(৬)	„	ৰামচৰণ ৰৰা	(৭)	„	কেশৰাম ৰৰা
(৮)	„	চেনাৰাম ৰৰা	(৯)	„	গেদোল ৰৰা
(১০)	„	ভূকন চন্দ্ৰ শইকীয়া	(১১)	„	ভাবিৰাম গাওঁ বুঢ়া
(১২)	„	দণ্ডিৰাম সুত	(নায়ক)		
(১৩)	„	কিনদ চন্দ্ৰ শইকীয়া	(নায়ক)		

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত সংৰাম ৰৰা (সভাপতি) (২) জালিৰাম ওজা (সম্পাদক) (৩) ৰগীৰাম ৰৰা (৪) গঙ্গাৰাম শইকীয়া।

১৫। দেউৰী চিলাৰন্ধা প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	থুলেশ্বৰ ৰাজখোৱা	(সভাপতি)		
(২)	„	কেশৰাম নাথ ৰৰা	(সম্পাদক)		
(৩)	„	মিণাৰাম ৰৰা	(ধন ভঁৰালী)		
(৪)	„	ভাৰত চন্দ্ৰ শৰ্ম্মা	(৫)	„	বুদ্ধিৰাম নাথ
(৬)	„	কেশৰাম নাথ			
(৭)	„	তুৰাৰাম ৰৰা	(পিছত সভাপতি)		
(৮)	„	থানেশ্বৰ ৰাজখোৱা	(৯)	„	তনুৰাম নাথ
(১০)	„	কনক চন্দ্ৰ ৰাজখোৱা	(১১)	„	মিণাৰাম নাথ
(১২)	„	পুৱাৰাম ৰৰা			
(১৩)	„	হেমকান্ত কাকতি	(নায়ক)		
(১৪)	„	বিদ্যাকান্ত নাথ	(নায়ক)		

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত উপেন্দ্ৰ নাথ শৰ্ম্মা (সভাপতি) (২) হেমকান্ত কাকতি (সম্পাদক) (৩) নিকন চন্দ্ৰ গাওঁবুঢ়া (ধন ভঁৰালী) (৪) মোহন চন্দ্ৰ নাথ (৫) থুলেশ্বৰ ৰাজখোৱা।

১৬। কুৰৱীটোল চাবিআলি প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	ঠানুৰাম ভূঞা	(সভাপতি)
(২)	„	ভগীৰথ ভূঞা	(সম্পাদক)
(৩)	„	ডোমাই পাচনি	(ধন ভঁৰালী)
(৪)	„	জীৱ নাৰায়ন দেৱ গোস্বামী	

(৫)	„	ন ৰাম ওজা	(৬)	„	গুপাৰাম ওজা
(৭)	„	পুনাৰাম পাচনি	(৮)	„	গুপীৰাম বৰুৱা
(৯)	„	ৰামনাথ ৰবদলৈ	(১০)	„	ৰদন চন্দ্ৰ শৰ্ম্মা
(১১)	„	লক্ষীৰাম ওজা	(নায়ক)		
(১২)	„	মিঠাই ওজা	(নায়ক)		

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত ঠানুৰাম ভূঞা (২) ভগীৰথ ভূঞা (৩) ৰদন চন্দ্ৰ শৰ্ম্মা (যুটীয়া সম্পাদক) (৪) পদৰাম ওজা।

১৭। তেলিয়া গাওঁ প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	মোলান চন্দ্ৰ শইকীয়া	(সভাপতি)		
(২)	„	যজ্ঞেশ্বৰাম হাজৰিকা	(সম্পাদক)		
(৩)	„	কুশেশ্বৰ ৰবা	(ধন ভঁৰালী)		
(৪)	„	ন ৰাম ৰাজিখোৱা	(৫)	„	উমাৰাম দাস
(৬)	„	লক্ষীৰাম ৰবা	(৭)	„	নবীন চন্দ্ৰ ৰবা
(৮)	„	ভূ ৰাম হাটি মটা	(৯)	„	ন ৰাম হাজৰিকা
(১০)	„	ফনকান্ত শইকীয়া	(১১)	„	মহেন্দ্ৰ নাথ শইকীয়া

চাৰ কমিটি

(ক) লাজী গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত ন ৰাম ৰাজিখোৱা (সভাপতি) (২) উমাকান্ত দাস (সম্পাদক) (৩) লক্ষীৰাম ৰবা (৪) ৰাতিৰাম ৰবা (৫) ভূৰাম হাটিমটা (৬) যজ্ঞেশ্বৰাম হাজৰিকা (নায়ক)।

(খ) তেলিয়া

শ্ৰীযুত সকল (১) শ্ৰীযুত ফনকান্ত শইকীয়া (২) হেমাই ভূঞা (৩) জালিৰাম ৰবা (৪) ন ৰাম হাজৰিকা (৫) যজ্ঞেশ্বৰাম হাজৰিকা (নায়ক)।

১৮। নিজ চিলাবন্ধা প্ৰাঃ কং কমিটি, পোঃ কুৰৱীটোল

(১)	শ্ৰীযুত	ভোলানাথ ৰবা	(সভাপতি)		
(২)	„	ডম্বৰুধৰ হাজৰিকা	(সম্পাদক)		
(৩)	„	কমলকান্ত ৰবা	(সহঃ সভাপতি)		
(৪)	„	ৰিনাৰাম দাস	(৫)	„	ৰাপাৰাম ৰায়ন
(৬)	„	নুদুৰ ৰায়ন	(৭)	„	ক'লাসিং ভঁৰালী
(৮)	„	কেৰকল মেনেজাৰ	(৯)	„	পুহিৰাম কৈবৰ্ত্ত

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত কমলকান্ত ৰবা (সভাপতি) (২) ডম্বৰুধৰ হাজৰিকা (সম্পাদক) (৩) সৰুৰাম গাওঁবুঢ়া (৪) ভালানাথ ৰবা (ধন ভঁৰালী) (৫) দিতিৰাম দাস (নায়ক) (৬) দুৰ্ল্লভ চন্দ্ৰ দাস (নায়ক)।

১৯। মাধৱ দেউৰী গাওঁ প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	মিনাৰাম বায়ন	(সভাপতি)		
(২)	„	খুলেশ্বৰ ৰবদলৈ	(সম্পাদক)		
(৩)	„	লক্ষীৰাম ৰবা	(ধন ভঁৰালী)		
(৪)	„	ভোলাই মেধি	(৫)	„	ৰমাই ভঁৰালী
(৬)	„	ৰগীৰাম ৰবা	(৭)	„	দিৱাকৰ ৰবদলৈ
(৮)	„	ৰবিৰাম ৰবদলৈ	(৯)	„	ৰতিৰাম ৰবা
(১০)	„	মিলন ৰাটনিয়াৰ	(১১)	„	লক্ষীকান্ত মহন্ত

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত বিদ্যাকান্ত মহন্ত (সভাপতি) (২) খুলেশ্বৰ ৰবদলৈ (সম্পাদক) (৩) ৰগীৰাম বায়ন (ধন ভঁৰালী) (৪) দিৱাকৰ ৰবদলৈ।

২০। যমখলা প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	ধীৰেশ্বৰ শৰ্ম্মা	(সভাপতি)		
(২)	„	মোহন চন্দ্ৰ ৰবা	(সম্পাদক)		
(৩)	„	তিখৰ কলিতা	(৪)	„	দণ্ডিৰাম ৰবা
(৫)	„	মুক্তিনাথ গোস্বামী	(৬)	„	মহেশ্বৰ কলিতা
(৭)	„	তিখৰ ৰবা	(৮)	„	মধু কোছ
(৯)	„	মলখু ৰবা	(১০)	„	পুষ্পকান্ত হাজৰিকা
(১১)	„	দীননাথ শৰ্ম্মা			
(১২)	„	ধনীৰাম ৰবা	(নায়ক-যমখলা)		
(১৩)	„	প্ৰফুল্ল চন্দ্ৰ হাজৰিকা	(নায়ক শান্তিপুৰ)		

চাৰ কমিটি

(ক) যমখলা

মুক্তিনাথ গোস্বামী (১) শ্ৰীযুত ধীৰেশ্বৰ শৰ্ম্মা (সভাপতি) (২) মোহন চন্দ্ৰৰবা (সম্পাদক) (৩) দণ্ডিৰাম ৰবা (ধন ভঁৰালী) (৪) আনন্দ ৰবা।

(খ) শান্তিপুৰ

মুক্তিনাথ গোস্বামী (১) শ্ৰীযুত দীনাই পূজাৰী (সভাপতি) (২) মুক্তিনাথ গোস্বামী (সম্পাদক) (৩) গিৰিকান্ত হাজৰিকা (৪) বিদ্যাকান্ত হাজৰিকা।

২১। চামধৰা প্ৰাঃ কং কমিটি, পোঃ শিলঘাট

(১)	শ্ৰীযুত	ভৱ হাজৰিকা	(সভাপতি)		
(২)	„	ভৃধৰ শইকীয়া	(সম্পাদক)		
(৩)	„	গোলোক চন্দ্ৰ শইকীয়া	(ধন ভৰালী)		
(৪)	„	কৃষ্ণ চন্দ্ৰ শইকীয়া	(৫)	„	হেমোৰাম ৰবা
(৬)	„	নিৰ্ম্মল চন্দ্ৰ মহন্ত	(৭)	„	গোলোক চন্দ্ৰ ৰবা
(৮)	„	মাধিৰাম ৰবা	(৯)	„	পোনাৰাম গাওঁবুঢ়া
(১০)	„	যদুৰাম বাদ্ধনি	(১১)	„	উত্তম চন্দ্ৰ ৰবা

চাব কমিটি

(ক) চমধবা

শ্ৰীযুত সকল (১) শ্ৰীযুত ভব হাজৰিকা (সভাপতি) (২) মাধিৰাম বৰা (সম্পাদক) (৩) পোনাৰাম গাওঁবুঢ়া (৪) কমলকান্ত হাজৰিকা।

(খ) বালিচিকা

শ্ৰীযুত সকল (১) শ্ৰীযুত হেমোৰাম বৰা (সভাপতি) (২) নিৰ্ম্মল চন্দ্ৰ মহন্ত (সম্পাদক) (৩) জীউৰাম বৰা (ধনভঁৰালী) (৪) গোলোক চন্দ্ৰ বৰা।

(গ) বাঘৰ চুক

শ্ৰীযুত সকল (১) শ্ৰীযুত বালিৰাম শইকীয়া (সভাপতি) (২) তৰুণ চন্দ্ৰ শইকীয়া (সম্পাদক) (৩) সৰুৰাম শইকীয়া (ধন ভঁৰালী) (৪) উত্তম চন্দ্ৰ বৰা।

২২। নলতলি প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	কেশৰাম বৰা	(সভাপতি)		
(২)	„	কমলকান্ত হাজৰিকা	(সম্পাদক)		
(৩)	„	মুহিৰাম ভূঞা	(ধন ভঁৰালী)		
(৪)	„	তদৰাম ভূঞা	(৫)	„	মুহীৰাম নাথ
(৬)	„	ভোলাই ভূঞা	(৭)	„	ৰজনীকান্ত হাজৰিকা
(৮)	„	বালিৰাম বৰা	(৯)	„	ভোলাৰাম বৰা
(১০)	„	পুনিৰাম ভূঞা	(১১)	„	আনন্দ চন্দ্ৰ হাজৰিকা
(১২)	„	ভোগেশ্বৰ ভূঞা	(নায়ক)		

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত ভোলাৰাম ভূঞা (সভাপতি) (২) ৰজনীকান্ত হাজৰিকা (সম্পাদক) (৩) পুনিৰাম ভূঞা (৪) মুহীৰাম ভূঞা (৫) ধনীৰাম বৰা।

২৩। ধৰমপুৰ প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	মেলেকা গায়ন	(সভাপতি)		
(২)	„	নন্দিৰাম বৰা	(সম্পাদক)		
(৩)	„	সংৰাম বৰা	(ধন ভঁৰালী)		
(৪)	„	তনুৰাম বৰা	(৫)	„	মহোৰাম বৰা
(৬)	„	লীলাধৰ ভূঞা	(৭)	„	লয়োৰাম বৰা
(৮)	„	হেমকান্ত হাজৰিকা	(নায়ক)		
(৯)	„	কলৰা হাজৰিকা	(১০)	„	ৰাতিৰাম বৰা
(১১)	„	ধনীৰাম বৰা			

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত গোলোক চন্দ্ৰ হাজৰিকা (ওৰফে ভিখিৰাম) (সভাপতি) (২) মেলেকা গায়ন (সম্পাদক) (৩) দধিৰাম শৰ্ম্মা (ধন ভঁৰালী) (৪) তনুৰাম বৰা (৫) জয়নাৰায়ণ উপাধ্যায়।

২৪। গৰৈমাৰি প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	ভিতাই চুতীয়া	(সভাপতি)	
(২)	„	মুহীৰাম লহকৰ	(সম্পাদক)	

(৩)	„	চজিমন দুচাদ	(ধন ভঁৱালী)		
(৪)	„	ৰগীৰাম ৰবা	(৫)	„	জানেকী চা কানু
(৬)	„	ৰামৰাজ ৰাজভৰ	(৭)	„	কুশৰাম ৰায়ন
(৮)	„	হেমকান্ত দাস	(৯)	„	চিতন ৰাজভৰ
(১০)	„	মঙ্গক চা কানু	(১১)	„	পথৰাম মেনা
(১২)	„	ৰামধনী ৰাজভৰ	(নায়ক)		
(১৩)	„	দপন চা কানু			

চাৰ কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত জানেকী চা কানু (২) চজিমন দুচাদ (৩) কুশৰাম ৰায়ন (৪) হেমকান্ত দাস (৫) চিতন্ই চুতীয়া।

২৫। হাতীয়ে খোৱা প্ৰাঃ কং কমিটি

(১)	সুৰথ চন্দ্ৰ নাথ	(সভাপতি)	
(২)	মহেশ্বৰ উপাধ্যায়	(সম্পাদক)	
(৩)	মণিৰাম নাথ	(ধন ভঁৱালী)	
(৪)	সোনাৰাম নাথ	(৫) „	ধনীৰাম নাথ
(৬)	চন্দ্ৰ নাথ উপাধ্যায়	(৭) „	বলো ভদ্ৰ উপাধ্যায়
(৮)	কলাই নাথ	(৯) „	ৰিনাৰাম নাথ
(১০)	লীকন নাথ	(১১) „	লক্ষীপ্ৰসাদ উপাধ্যায়

চাৰ কমিটি

শ্ৰীযুত সকল (১ [illegible]

লক্ষীপ্ৰসাদ উপাধ্যায় (৪) মনিৰাম নাথ (৫) ধনীৰাম নাথ (নায়ক)।

২৬। শিৰস্থান গড়গুৰি প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	কপৰাম হাজৰিকা	(সভাপতি)		
(২)	„	কনক চন্দ্ৰ ৰবা			
(৩)	„	কুশাই ৰবা	(সম্পাদক)		
(৪)	„	মনসা ভূঞা	(ধন ভঁৱালী)		
(৫)	„	ভোলাই তামুলী	(৬)	„	কপাই ভূঞা
(৭)	„	মণিৰাম হাজৰিকা	(৮)		মলো ৰাজখোৱা
(৯)	„	কলৰাপা শইকীয়া	(সহঃ সভাপতি)		
(১০)	„	মোহন কোঁৱৰ	(১১)	„	মিহিৰাম মুক্তিয়াৰ

চাৰ কমিটি

(ক) কাৰ্য্যেমাৰী

শ্ৰীযুত সকল (১) শ্ৰীযুত কলাই কোঁৱৰ (২) লবোৰাম নাথ (ধন ভঁৱালী) (৩) পবন (৪) ধনীৰাম ৰবা (সম্পাদক) (৫) মোহন খনিকৰ (সভাপতি)।

(খ) দীঘলী গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত কলৰাপা শইকীয়া (২) ৰগাৰাম ৰবা (৩) কুশাই ৰবা (৪) মলোৰাম

ৰাজখোৱা (৫) শলিয়া কেওট।

(শিৱহান চাব কমিটি গঠন কৰিবলৈ সময় নহ'ল)

২৭। ওপৰ ৰবতগীয়া প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	পদ্মকান্ত হাজৰিকা	(সভাপতি)
(২)		হেমচন্দ্ৰ পাঠক	(সম্পাদক)
(৩)		খৰ্গেশ্বৰ হাটিমটা	(ধন ভঁৰালী)
(৪)		যোগেশ্বৰ ৰবা	(৫) „ ৰত্নেশ্বৰ মহন্ত
(৬)		শম্ভুৰাম ৰবা	(৭) „ কনক চন্দ্ৰ ভূঞা
(৮)		ঠগীৰাম শইকীয়া	(৯) „ ভিমেশ্বৰ বৰুৱা
(১০)		গাঠিৰাম ৰবা	(১১)„ ভাগীৰথীৰাম চাহ
(১২)		লক্ষীকান্ত ওজা	(নায়ক)
(১৩)		নদাই হাজৰিকা	(নায়ক)

চাব কমিটি

(ক) উত্তৰ ওপৰ ৰবতগীয়া

শ্ৰীযুত সকল (১) শ্ৰীযুত কনক চন্দ্ৰ ভূঞা (সভাপতি) (২) মুহীকান্ত মহন্ত (সম্পাদক) (৩) তুলাৰাম ডেকা (৪) আনন্দৰাম মেধি (৫) লক্ষীকান্ত ওজা।

(খ)

শ্ৰীযুত সকল (১) শ্ৰীযুত শম্ভুৰাম ৰবা (সভাপতি) (২) জীৱন চন্দ্ৰ লাহি (সম্পাদক) (৩) খৰ্গেশ্বৰ ৰবা (৪) দেহিৰাম খনিকৰ (৫) নদাই হাজৰিকা।

২৮। মিছামুখ হালোৱাগাওঁ প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	মোহন চন্দ্ৰ হাজৰিকা	(সভাপতি)
(২)		মণিৰাম হাজৰিকা	(সম্পাদক)
(৩)		চেনাৰাম শৰ্ম্মা	(ধন ভঁৰালী)
(৪)		ৰূপৰাম কোছ	(৫) „ ফনশ্যাম দলৈ
(৬)		কুশাই গায়ন ৰবা	(৭) „ ফিন ৰাম গাওঁবুঢ়া
(৮)		দীননাথ কলিতা	(৯) „ লক্ষীৰাম কেওট
(১০)		হেমকান্ত হাজৰিকা	(১১)„ জাতিৰাম কেওট
(১২)		দুৰ্লভ চন্দ্ৰ ৰবা	(নায়ক)

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত মোহন চন্দ্ৰ হাজৰিকা (সভাপতি) (২) মণিৰাম শইকীয়া (সম্পাদক) (৩) ফনশ্যাম ৰবদলৈ (৪) জাতিৰাম গায়ন (ধন ভঁৰালী) (৫) ৰূপৰাম কোছ।

২৯। ৰঙ্গাগৰা প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	ভোগৰাম ৰবা	(সভাপতি)
(২)	„	কৃষ্ণকান্ত হাজৰিকা	(সম্পাদক)
(৩)	„	কৃষ্ণৰাম শইকীয়া	(ধন ভঁৰালী)

(৪) „ গোপাল চন্দ্ৰ শইকীয়া (৫) „ ঘটলা ঘটি
(৬) „ সুধুৱা ম'ৰা (৭) „ গঙ্গাৰাম গোড়
(৮) „ ৰামদিন গোড় (৯) „ শোভন গোড়
(১০) „ চৌধাৰী তাঁতি (১১)„ চমে গোড়

চাব কমিটি

(ক) ৰঙ্গাগৰা

শ্ৰীযুত সকল (১) শ্ৰীযুত ভোগৰাম ৰবা (সভাপতি) (২) কৃষ্ণৰাম শইকীয়া (সম্পাদক) (৩) কৃষ্ণকান্ত হাজৰিকা (ধন ভঁৰালী) (৪) গোলাপ চন্দ্ৰ শইকীয়া (৫) হৰকান্ত হাজৰিকা।

(খ) আমলিগাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত ৰামদিন গোড় (সভাপতি) (২) শোভন গোড় (সম্পাদক) (৩) গণপট গোড় (ধন ভঁৰালী) (৪) মধুকন্ত গোড় (৫) চৌধাৰী তাঁতি।

৩০। চামগুৰি প্ৰাঃ কং কমিটি

(১) শ্ৰীযুত কালিৰাম ৰবা (সভাপতি)
(২) „ শান্তিৰাম দাস (সম্পাদক ও নায়ক)
(৩) „ সিদ্ধি ৰাম শইকীয়া (ধন ভঁৰালী)
(৪) „ ধনীৰাম কোচ (৫) „ খাতিৰাম সুত
(৬) „ মিঠাৰাম শইকীয়া (৭) „ যজ্ঞেৰাম সুত
(৮) „ ভোলানাথ দাস খনিকৰ (৯) „ সংৰাম ৰাজখোৱা
(১০) „ ৰাপায়ৰাম গাওঁবুঢ়া (১১)„ দয়াৰাম কোচ

চাব কমিটি

(ক) চামগুৰি গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত কালিৰাম ৰবা (সভাপতি) (২) মিঠাৰাম শইকীয়া (ধন ভঁৰালী) (৩) ভোলানাথ দাস (সম্পাদক) (৪) ধনীৰাম কোচ।

(খ) কুকৰাহাটী

শ্ৰীযুত সকল (১) শ্ৰীযুত মোহন চন্দ্ৰ শৰ্ম্মা (সভাপতি) (২) ৰাপাৰাম শইকীয়া (সম্পাদক) (৩) ৰাবুল চন্দ্ৰ শইকীয়া (ধন ভঁৰালী) (৪) মুক্তা (মুক্তা?) ৰাম দাস (৫) বেলিৰাম শৰ্ম্মা।

৩১। ডেলেটগুৰি প্ৰাঃ কং কমিটি

(১) শ্ৰীযুত ৰাপাৰাম ৰবা (সভাপতি)
(২) „ উমাকান্ত ৰবা (সম্পাদক)
(৩) „ কেশৰাম হাজৰিকা (ধন ভঁৰালী)
(৪) „ ৰেৱনাথ ফেওট (৫) „ নন্দেশ্বৰ কলিতা
(৬) „ লেৰেলা মুক্তিয়াৰ (৭) „ বাচু কলিতা
(৮) „ মহোৰাম কোচ (৯) „ চেনাৰাম শইকীয়া
(১০) „ বলোৰাম কোচ (১১)„ জিনাই কলিতা

চাব কমিটি

(ক) হেমাৰবৰী

শ্ৰীযুত সকল (১) শ্ৰীযুত বেকনাথ কেওট (২) চন্দ্ৰকান্ত কলিতা (সম্পাদক) (৩) বালিৰাম কলিতা (ধন ভঁৰালী) (৪) বোকাই কলিতা (৫) বাচুৰাম কলিতা (সভাপতি)

(খ) নিজ তেলেঙাগুৰি

শ্ৰীযুত সকল (১) শ্ৰীযুত বাপাৰাম বৰা (সভাপতি) (২) উমাকান্ত বৰা (সম্পাদক) (৩) কেশৰাম হাজৰিকা (ধন ভৰালী) (৪) চেনাৰাম শইকীয়া।

(গ) কমাৰচুক গাওঁ

শ্ৰীযুত সকল (১) শ্ৰীযুত বলোৰাম কোছ (সভাপতি) (২) মতিৰাম কলিতা (সম্পাদক) (৩) জীনাই কলিতা (ধন ভঁৰালী) (৪) মহোৰাম কোছ।

৩২। ফুকনৰ খাট প্ৰাঃ কং কমিটি, পোঃ চামগুৰি

(১)	শ্ৰীযুত	মহীৰাম গায়ন	(সভাপতি)		
(২)	„	মণিৰাম বৰা	(সম্পাদক)		
(৩)	„	ডম্বৰুধৰ বৰা	(ধন ভঁৰালী)		
(৪)	„	ভূৰাম গাওঁবুঢ়া	(৫)	„	চেনাৰাম ভূঞা
(৬)	„	মণিৰাম চুতীয়া	(৭)	„	আনন্দ চন্দ্ৰ বৰুৱা
(৮)	„	বলোৰাম বৰা	(৯)	„	খৰ্গেশ্বৰ বৰা
(১০)	„	পূৰ্ণ চন্দ্ৰ বৰা	(১১)	„	গনেশচন্দ্ৰ বৰা

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত মহীৰাম গায়ন (সভাপতি) (২) ভূৰাম গাওঁবুঢ়া (সম্পাদক) (৩) ডম্বৰুধৰ বৰা (ধন ভৰালী) (৪) চেনাৰাম মুদৈ (৫) মণিৰাম চুতীয়া।

৩৩। হাটিচুঙীয়া চুক প্ৰাঃ কং কমিটি

(১)	শ্ৰীযুত	জয় দত্ত বৰা	(সভাপতি)		
(২)	„	কমল চন্দ্ৰ বৰা	(সম্পাদক)		
(৩)	„	পূৰ্ণকান্ত বৰা	(ধন ভঁৰালী)		
(৪)	„	নাৰায়ণ বৰা	(৫)	„	পদোৰাম বৰা
(৬)	„	নিৰঞ্জন বৰা	(৭)	„	ভগদত্ত বৰা
(৮)	„	গোলোক চন্দ্ৰ বৰা	(৯)	„	কৃষ্ণৰাম বৰা
(১০)	„	দণ্ডিৰাম বৰা	(১১)	„	চেনাৰাম বৰা

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত জয়দত্ত বৰা (সভাপতি) (২) কমল চন্দ্ৰ বৰা (সম্পাদক) (৩) পূৰ্ণকান্ত বৰা (ধন ভঁৰালী) (৪) নাৰায়ন বৰা (৫) পদোৰাম বৰা।

৩৪। ব্ৰহ্মচাৰী প্ৰাঃ কং কমিটি, পোঃ চামগুৰি

(১)	শ্ৰীযুত	গোবিন্দ চন্দ্ৰ অধিকাৰ গোস্বামী	(সভাপতি)
(২)	„	নীলাম্বৰ শৰ্ম্মা	(সম্পাদক)

(৩)	শ্ৰীযুত	পদোৰাম বায়ন	(৪)	শ্ৰীযুত	মতিৰাম বায়ন
(৫)	,,	কৃষ্ণৰাম ওজা	(৬)	,,	তপোধন শৰ্ম্মা
(৭)	,,	ৰামেশ্বৰ পূজাৰী	(৮)	,,	চিমানন্দ শৰ্ম্মা
(৯)	,,	শান্তিৰাম বৰা	(১০)	,,	চেনাই হাটিমটা
(১১)	,,	গোবিন্দ চন্দ্ৰ শৰ্ম্মা খাটনিয়াৰ			

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত মদন চন্দ্ৰ ওজা (সভাপতি) (২) নীলাম্বৰ শৰ্ম্মা (সম্পাদক) (৩) পদোৰাম বায়ন (ধন ভঁৰালী) (৪) পোৱাল বায়ন (৫) শান্তিৰাম বৰা।

৩৫। পথকৰাচুক প্ৰাঃ কং কমিটি, পোঃ চামগুৰি

(১)	শ্ৰীযুত	কাশীৰাম শইকীয়া	(সভাপতি)		
(২)	,,	কৃষ্ণকান্ত বৰা	(সম্পাদক)		
(৩)	,,	মথমল শইকীয়া	(ধন ভঁৰালী)		
(৪)	,,	শম্ভুৰাম শইকীয়া	(৫)	,,	ধুনাই তলিতা (ধুনাই ?)
(৬)	,,	নবীন বৰা	(৭)	,,	নৱাম বৰা
(৮)	,,	বগীৰাম বৰা	(৯)	,,	দীননাথ কোঁৱৰ
(১০)	,,	নালিয়া কলিতা	(১১)	,,	বাপুকন শইকীয়া

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত ৰামৰাম শইকীয়া (সভাপতি) (২) কৃষ্ণকান্ত বৰা (সম্পাদক) (৩) মথমল শইকীয়া (ধন ভঁৰালী) (৪) শম্ভুৰাম শইকীয়া (৫) হেমচন্দ্ৰ গোস্বামী (৬) ভোলাই কলিতা।

৩৬। ভকত গাওঁ প্ৰাঃ কং কমিটি, পোঃ চামগুৰি

(১)	শ্ৰীযুত	হেমোৰাম মেধি	(সভাপথি)		
(২)	,,	হেমোৰাম শইকীয়া	(সম্পাদক)		
(৩)	,,	বোকাই গায়ন	(ধন ভঁৰালী)		
(৪)	,,	ভলৌ মেধি	(৫)	,,	কন্দুৰাম গায়ন বৰা
(৬)	,,	বগনিৰাম বৰা	(৭)	,,	চেনীৰাম বৰা
(৮)	,,	ক'লাই বৰা	(৯)	,,	চেনাইৰাম বৰা
(১০)	,,	কলিয়া বৰা	(১১)	,,	তিলক চন্দ্ৰ বৰা

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত হেমোৰাম মেধি (সভাপতি) (২) হেমোৰাম শইকীয়া (সম্পাদক) (৩) বোকাই চন্দ্ৰ গায়ন (৪) ভলৌ মেধি।

৩৭। কাখৰীগাওঁ প্ৰাঃ কং কমিটি, পোঃ পুৰণিগুদাম (মৌজা চললালি)

(১)	শ্ৰীযুত	গেৰেলা বৰা	(সভাপতি)		
(২)	,,	বগাই গায়ন বৰা	(সম্পাদক)		
(৩)	,,	ভোল গায়ন বৰা	(ধন ভঁৰালী)		
(৪)	,,	কমলকান্ত শৰ্ম্মা	(৫)	,,	বাউলা কেওট
(৬)	,,	লক্ষীৰাম বৰা	(৭)	,,	ভোগ কলিতা

(৮) „ পদোৰাম বৰা (৯) „ ভোগৰাম সুত

(১০) „ বাপাই বৰা (১১)„ মহীৰাম কলিতা

চাব কমিটি

শ্ৰীযুত সকল (১) শ্ৰীযুত ক'লাই সুত (ধন ভঁৰালী) (২) ফুল বৰা (সভাপতি) (৩) পাঁচৰাম বৰা (৪) দিলেশ্বৰ সুত (৫) মহেশ্বৰ সুত

৩৮। কুড়ি মাৰি প্ৰাঃ কং কমিটি

(১) শ্ৰীযুত ভোগনাথ বৰুৱা (সভাপতি)

(২) „ ৰবিৰাম বৰা (সম্পাদক)

(আন্দোলন আৰম্ভ হোৱাৰ পিছত এই প্ৰাথমিক গঠন কৰাত এই বহীত নাম নুঠিল। পিছৰ নথিবোৰ হেৰাল বা নষ্ট হ'ল। গতিকে নাম লিখিব পৰা নহ'ল)।

৯ আগষ্টৰ পিছতো শ্ৰীৰৰাদেৱে আৰু কে'বাখনো প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰে। তাৰ ভিতৰত - (১) আমবাগান, (২) গেৰেকী, (৩) উলুবনী (খাটোৱাল মৌজাৰ), (৪) সুতাৰ গাওঁ (খাগৰিজান), (৫) কুৰুৱাবাহী (খাটোৱাল মৌজা), (৬) পানী গাওঁ (খাটোৱাল), (৭) লতাকটা (খাটোৱাল), (৮) চুলুং, (৯) জেঙনী, (১০) কামাখ্যা, (১১) পানীগাওঁ (কলিয়াবৰ), (১২) গটঙা (দ্বাৰবাগৰী মৌজা) আৰু (১৩) হাতীবন্ধা — এই কেইখন।

এই প্ৰাথমিক বিলাকৰ টোকা বহী আৰু কার্য্যালয়ৰ নথি-পত্ৰবোৰ সকলো হেৰাল বা মিলিটাৰীয়ে নষ্ট কৰিলে বা পুৰিলে। গতিকে এই কেইখন প্ৰাথমিকৰ কার্য্যকৰী কমিটি আৰু চাব কমিটিৰ কাৰো নাম ইয়াত লিখিব পৰা নহ'ল।

এইখিনিতে উল্লেখ কৰিব খুজিছো যে আমাৰ হাতত বর্ত্তমান থকা নথি মতে ২৮/৫/৪২ তাৰিখৰ পৰা ১০/৮/৪২ তাৰিখলৈ পূবথৰীয়া চতিয়াল আৰু ৰৰভগীয়া এই তিনিখন মৌজাত মুঠ ২১০৯ জন মানুহে কংগ্ৰেছৰ।° চাৰি অনীয়া সভ্য হৈছিল। ইয়াৰ উপৰিও দ্বাৰবাগৰী মৌজাৰ (কুঠৰী অঞ্চল) ৫০ জনেও চাৰি অনীয়া সভ্য হয়।

ইতিমধ্যে আন্দোলন তীব্ৰ গতিত চলিবলৈ ধৰিলে। এই অৱস্থাত "কলিয়াবৰ শাখা কংগ্ৰেছ কমিটিৰ এটা কেন্দ্ৰীয় কার্য্যালয়ৰ অভাৱ বৰকৈ অনুভৱ কৰা হ'ল। কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সদস্য সর্ব্বশ্ৰী ঠানুৰাম ভূঞা, দণ্ডিৰাম বৰুৱা, ৰমাকান্ত বৰা, পূর্ণ ভূঞা প্ৰমুখে আলোচনা কৰি চতিয়ালত পুৰণি সত্ৰৰ শঙ্কৰদেৱ মন্দিৰ প্ৰাঙ্গনতে কেন্দ্ৰীয় কার্য্যালয়ৰ স্থান হওক" বুলি সিদ্ধান্ত কৰিলে।

সেই মর্ম্মে এটা খেৰৰ ঘৰ সজা হ'ল। ১৩/৮/৪২ তাৰিখে কেন্দ্ৰীয় কমিটি বহি যি সিদ্ধান্ত কৰিলে সেই মতে ১৬/৮/৪২ তাৰিখে আনুষ্ঠানিক ভাৱে কেন্দ্ৰীয় কার্য্যালয়ৰ দুৱাৰ মুকলি কৰা হ'ল। চতিয়ালৰ শ্ৰীগোলোক চন্দ্ৰ হাজৰিকাক অফিচ সম্পাদক হিচাপে নিযুক্তি দিয়া হ'ল।

কেন্দ্ৰীয় অফিচৰ প্ৰয়োজনীয় বাচন বৰ্ত্তন চকি মেজ আদি সকলো সা-সৰঞ্জাম যোগান ধৰে কলিয়াবৰৰ ত্যাগী আৰু উদ্যোগী পুৰুষ শ্ৰীঠানুৰাম ভূঞা দেৱে। কিন্তু এই কাৰ্য্যালয় উন্মোচন কৰাৰ আগতেই শ্ৰীভূঞা দেৱক ১৩/৮/৪২ তাৰিখে পুৰতি নিশাতে গ্ৰেপ্তাৰ কৰি নিলে।

শান্তি সেনা বাহিনী

প্ৰাথমিক কংগ্ৰেছ কমিটিৰ তলত প্ৰতিখন গাঁৱতে একোটাকৈ শান্তি সেনা শিবিৰ তৈয়াৰ কৰা হ'ল। এইবোৰ শিবিৰতে প্ৰশিক্ষণ লোৱা নায়ক সকলে শান্তি সেনা সকলক ট্ৰেইনিং দিছিল আৰু কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ কাৰ্য্যালয়লৈ তেওঁলোকৰ প্ৰতিবেদনৰ লগতে শান্তি সেনাৰ তালিকাও পঠিয়াইছিল। আগষ্ট মাহৰ ৩/৪ তাৰিখৰ ভিতৰতে এই প্ৰতিবেদনবোৰ পঠিওৱা হৈছিল।

শান্তি সেনা সকলে প্ৰতিজ্ঞা পত্ৰত চহী কৰিহে শান্তি সেনা বাহিনীত ভৰ্ত্তি হ'ব পাৰিছিল।

প্ৰাথমিক কংগ্ৰেছৰ তলৰ প্ৰতিখন গাঁৱৰে নায়ক সকলে দাখিল কৰা শান্তি সেনাৰ তালিকা তলত তুলি দিয়া হ'ল।

শান্তি সেনা বাহিনীৰ তালিকা

১। প্ৰাথমিক- পুৰথৰীয়া

(ক) গাওঁ- ভিএৰী/চামগুৰি

নায়ক- শ্ৰীনন্দিৰাম ভূঞা (৪৩ বছৰ)

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীচেনাৰাম ভূঞা	২১	(১১)	„ দেউৰাম বৰা	২০
(২)	„ মহেশ্বৰ বৰা	২১	(১২)	„ নলিনীকুমাৰ শইকীয়া	২২
(৩)	„ ভবেন্দ্ৰ কুমাৰ ভূঞা	১৯	(১৩)	„ যোগেশ্বৰ বৰা	২২
(৪)	শ্ৰীযজ্ঞেশ্বৰ বৰা	২২	(১৪)	শ্ৰীলক্ষীৰাম ভূঞা	২২
(৫)	„ ভদ্ৰেশ্বৰ ভূঞা	২৪	(১৫)	„ দেহিৰাম ভূঞা	২০
(৬)	„ বেনুৰাম কোছ	২০	(১৬)	„ গনেশচন্দ্ৰ বৰা	২২
(৭)	„ টঙ্কেশ্বৰ পাঠক	১৯	(১৭)	„ দুৰ্ল্লভ চন্দ্ৰ বৰা	১৮
(৮)	„ বগাই ভূঞা	১৯	(১৮)	„ নিৰন চন্দ্ৰ বৰা	২০
(৯)	„ দুৰ্গেশ্বৰ ভূঞা	২২	(১৯)	„ মোলান চন্দ্ৰ শইকীয়া	৩০
(১০)	„ ৰমাকান্ত ভূঞা	১৯		(এইসকল ভিএৰীৰ)	

(২০)	„ ৰবিৰাম ভূঞা	২২	(২২)	„ ফটিক চন্দ্র কলিতা	২৫
(২১)	„ বলোৰাম হাজৰিকা	২২	(২৩)	„ যোগকান্ত ৰৰা	২৪
			(২৪)	„ বলোৰাম ভূঞা	২২
				(এই সকল চামগুৰিৰ)	
			স্বাঃ	শ্রীনন্দিৰাম ভূঞা (নায়ক)	
				৪/৮/৪২	

(খ) গাওঁ- ভলাগুৰি
নায়ক - বিষ্ণুৰাম ভূঞা

	নাম	বয়স		নাম	বয়স
(১)	শ্রীডিম্বেশ্বৰ ভূঞা	(?)	(১১)	শ্রীপীতাম্বৰ ভূঞা	(?)
(২)	„ লীলাধৰ ৰৰা		(১২)	„ ভগীৰথ ভূঞা	
(৩)	„ কালিৰাম ৰৰা		(১৩)	„ চন্দ্রকান্ত শর্ম্মা	
(৪)	„ ডালিৰাম সূত		(১৪)	„ ভগীৰথ গোস্বামী	
(৫)	„ লোতোপাই কলিং		(১৫)	„ ভোগেশ্বৰ ভূঞা	
(৬)	„ নৰাম সূত		(১৬)	„ ভিৰিৰাম ৰৰা	
(৭)	„ ফটিক চন্দ্র ভূঞা		(১৭)	„ মোহন চন্দ্র ৰৰা	
(৮)	„ ভদ্রেশ্বৰ কাকতি		(১৮)	„ ভলৌ সূত	
(৯)	„ ডিম্বেশ্বৰ ৰৰা		(১৯)	„ সৰু ল'ৰা সূত	
(১০)	„ মণিৰাম গাযন				
			স্বাঃ	শ্রীবিষ্ণুৰাম ভূঞা	

(গ) গাওঁ ওপৰ পূৰথৰীয়া
নায়ক শ্রীদেউৰাম ভূঞা

	নাম	বয়স		নাম	বযস
(১)	শ্রীনিৰন চন্দ্র হাজৰিকা	৪৫	(১১)	গোলোক চন্দ্র ভূঞা	৩১
(২)	„ মাণিক চন্দ্র বৰুৱা	১৮	(১২)	„ হৰেন চন্দ্র বৰুৱা	৩২
(৩)	„ বুদ্ধিৰাম ৰৰা	২৪	(১৩)	„ চিদানন্দ মহন্ত	৪৪
(৪)	„ টঙ্কেশ্বৰ হাজৰিকা	১৮	(১৪)	„ ৰবিৰাম নাথ	৩৫
(৫)	„ ধনীৰাম হাজৰিকা	২৬	(১৫)	„ পানীৰাম ৰৰা	৩২
(৬)	„ নমোৰাম মহন্ত	১৮	(১৬)	„ কলিৰাম নাথ ৰৰা	৩৫
(৭)	„ কনক চন্দ্র ভূঞা	৩০	(১৭)	„ পদুম চন্দ্র হাজৰিকা	১৬
(৮)	„ গোলাপ চন্দ্র মহন্ত	১৮	(১৮)	„ ৰত্নেশ্বৰ বৰকাকতি	২৮
(৯)	„ ভাৰিৰাম তামুলি	১৯	(১৯)	„ কেশৰাম হাজৰিকা	৩৫
(১০)	„ তিলক চন্দ্র নেওগ	২৬	(২০)	„ ভাৰিৰাম তামুলি	১৯

(ঘ) গাওঁ - মাজ পূবৰবীয়া
নায়ক - শ্ৰীগনেশচন্দ্ৰ বৰুৱা

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীসোণাৰাম বৰুৱা	১৯	(১১)	শ্ৰীফটিক চন্দ্ৰ শইকীয়া	২৮
(২)	„ সৰু ফটিক ভূঞা	২৭	(১২)	„ মুহীৰাম ভূঞা	১৯
(৩)	„ তমেশ্বৰ কাকতি	২২	(১৩)	„ যোগেশ্বৰ ভূঞা	১৯
(৪)	„ চন্দ্ৰকান্ত ভূঞা	১৮	(১৪)	„ এধান আলৰবা	২০
(৫)	„ ফটিক চন্দ্ৰ শইকীয়া (১)	১৮	(১৫)	„ সোমনাথ বৰুৱা	২৯
(৬)	„ ভোগেশ্বৰ ৰবা	২৪	(১৬)	„ ফেমাৰাম ৰবা	২৫
(৭)	„ তিলক শইকীয়া	২৩	(১৭)	„ পুনিৰাম বৰুৱা	১৯
(৮)	„ ফটিক চন্দ্ৰ শইকীয়া (২)	২৮	(১৮)	„ কেশৰ বৰুৱা	১৮
(৯)	„ লীলাধৰ কাকতি	২৩	(১৯)	„ হৰেন্দ্ৰ বৰুৱা	৩৯
(১০)	„ মিহিৰাম ৰবা	৩৮	স্বাঃ	শ্ৰীগনেশচন্দ্ৰ বৰুৱা (নায়ক)	

৩/৮/৪২

২। প্ৰাথমিক - সোণাৰী গাওঁ
গাওঁ - সোণাৰী গাওঁ
নায়ক - শ্ৰীঘনকান্ত শৰ্ম্মা ৰৰঠাকুৰ

	নাম	বযস		নাম	বয়স
(১)	শ্ৰীথানুৰাম কলিতা (কামাখ্যা)	২১	(১১)	শ্ৰীপীটাম্বৰ কেওট (কামাখ্যা)	২৩
(২)	„ ফনিধৰ ৰবা „	২৪	(১২)	„ গোলোক চন্দ্ৰ হাজৰিকা (সোণাৰি)	১৯
(৩)	„ বাবুলা ৰবা „	২৭	(১৩)	„ মহেন্দ্ৰ নাথ হাজৰিকা „	২৫
(৪)	„ পুষ্পকান্ত হাজৰিকা (সোণাৰী)	২৩	(১৪)	„ ৰবিৰাম হাজৰিকা „	২৪
(৫)	„ ফনিধৰ হাজৰিকা „	২২	(১৫)	„ জালিৰাম কলিতা „	২৬
(৬)	„ বিনোদ চন্দ্ৰ হাজৰিকা „	২৫	(১৬)	„ জোনাৰাম ৰৰদলৈ „	২৩
(৭)	„ ঘনকান্ত হাজৰিকা „	২০	(১৭)	„ জীৱন চন্দ্ৰ হাজৰিকা „	২৩
(৮)	„ মোহন চন্দ্ৰ হাজৰিকা „	২২	(১৮)	„ পদ্মকান্ত ৰৰদলৈ „	১৮
(৯)	„ লুহাই কুণ্ডাৰ (কামাখ্যা)	২১			
(১০)	„ ধনীৰাম ৰবা	২৩	স্বাঃ	শ্ৰীঘনকান্ত শৰ্ম্মা ৰৰঠাকুৰ (নায়ক)	

১/৮/৪২

৩। প্ৰাথমিক - ওপৰ সোণাৰী গাওঁ

গাওঁ - ওপৰ সোণাৰী

নায়ক - শ্ৰীবিনাধৰ হাজৰিকা

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীৰহিত চন্দ্ৰ হাজৰিকা	২৪	(৯)	শ্ৰীগগন চন্দ্ৰ হাজৰিকা	২৩
(২)	„ বল্লকান্ত হাজৰিকা	২০	(১০)	„ পদুম চন্দ্ৰ হাজৰিকা	২৮
(৩)	„ খৰ্গেশ্বৰ হাজৰিকা	২২	(১১)	„ ৰবিৰাম হাজৰিকা	২৭
(৪)	„ নবীন চন্দ্ৰ হাজৰিকা	২২	(১২)	„ দুখনাথ গুপ্ত	২৪
(৫)	„ লক্ষীৰাম ৰৱদলৈ	১৮	(১৩)	„ ৰামধন লোহাৰ	২৫
(৬)	„ ধনৰৰ ৰৱদলৈ	২৬	(১৪)	„ চেঙৰ লোহাৰ	২৮
(৭)	„ যজ্ঞোৰাম ৰৱদলৈ	২৪	(১৫)	„ বোন হাজৰিকা	২৪
(৮)	„ টঙেশ্বৰ হাজৰিকা	২৩	স্বাঃ শ্ৰীবিনাধৰ হাজৰিকা (নায়ক)		

২/৮/৪২

৪। প্ৰাথমিক - নিজ কলিয়াৰৰ

গাওঁ - ৰৱভকতি- মিৰিভেটি

নায়ক - শ্ৰীসত্যনাথ শৰ্ম্মা ৰৱদলৈ

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীহলধৰ ৰৱৰা	৩২	(১১)	শ্ৰীডিম্বেশ্বৰ খাউণ্ড	২৩
(২)	„ কনক চন্দ্ৰ মহন্ত	২৬	(১২)	„ দুৰ্গনাথ শৰ্ম্মা	২০
(৩)	„ শান্তিৰাম শৰ্ম্মা	৩২	(১৩)	„ নোমল চন্দ্ৰ ৰৱা	১৮
(৪)	„ চন্দ্ৰকান্ত ৰৱা	২৫	(১৪)	„ চাক চন্দ্ৰ শইকীয়া	১৮
(৫)	„ ৰবিৰাম চাউলখোৱা	২৪	(১৫)	„ ভোলাৰাম হাজৰিকা	২৮
(৬)	„ ফনিধৰ হাজৰিকা	২৮	(১৬)	„ নবীন চন্দ্ৰ চাউলখোৱা	২০
(৭)	„ হকনাথ হাজৰিকা	২৫	(১৭)	„ নবীন ভূমিজ	৩৫
(৮)	„ গঙ্গাৰাম ৰৱা	২৬	(১৮)	„ খুলেশ্বৰ কোঁৱৰ	১৯
(৯)	„ কমল চন্দ্ৰ মহন্ত	২৫	(১৯)	„ নবীন চন্দ্ৰ শইকীয়া	২০
(১০)	„ কমলাকান্ত মহন্ত	২৬	(২০)	„ ডম্বৰুধৰ হাজৰিকা	১৮

পিছত ৰৱভকতি গাঁৱৰ কলিযাৰৰৰ হাইস্কুলৰ তলত নাম দিয়া ছাত্ৰ কেইজন শান্তিসেনাত ভৰ্ত্তি হয়।

(১)	শ্ৰীগোলাপ ৰৱদলৈ	১৭	(৬)	শ্ৰীউপেন্দ্ৰ গোস্বামী	১৭
(২)	„ গোলাক মহন্ত	১৭	(৭)	শ্ৰীভূমিধৰ শৰ্ম্মা ৰৱদলৈ	২০
(৩)	„ ফনকান্ত মহন্ত	১৯	(৮)	„ প্ৰফুল্ল শৰ্ম্মা ৰৱদলৈ	১৭
(৪)	„ মহেন্দ্ৰ ৰৱা	১৯	(৯)	„ জগন্নাথ শৰ্ম্মা ৰৱদলৈ	১৭
(৫)	„ তোৰেশ্বৰ ৰৱা	১৫	(১০)	„ লনিয়া খাউণ্ড	১৫

৫। প্ৰাথমিক - মাধতাৰী ৰূপনাৰায়ণ

গাওঁ - মাধতাৰী ৰূপনাৰায়ণ

নায়ক - শ্ৰীচন্দ্ৰকান্ত মহন্ত

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীবাপুকন কলিতা (মাধতাৰী)	২১	(২১)	„ ৰমাকান্ত শৰ্ম্মা (দলিবাৰী)	২২
(২)	„ হেমোধৰ দেওগ „	২০	(২২)	„ লোকাই শইকীয়া (দলিবাৰি)	২২
(৩)	„ পদুম চন্দ্ৰ কলিতা „	১৯	(২৩)	„ সৰ্ব্বেশ্বৰ ৰবা „	২২
(৪)	„ হংসধৰ ৰবা „	২৪	(২৪)	„ গেন্ধেলা কেওট „	২০
(৫)	শ্ৰীভোগৰাম ৰবা (মাধতাৰী)	২৩	(২৫)	„ টকেশ্বৰ বৰুৱা (ৰলোৱাৰী)	২২
(৬)	„ কমলা দেওগ „	১৯	(২৬)	„ ভোগেশ্বৰ বৰুৱা (ৰলোৱাৰী)	১৮
(৭)	„ ভোগেশ্বৰ মহন্ত „	২৩	(২৭)	„ ৰাম নাথ বৰুৱা „	১৮
(৮)	শ্ৰীগতিৰাম কাকতি „	২৫	(২৮)	„ উমাই কোছ „	১৮
(৯)	„ ঘনকান্ত মহন্ত (মাধতাৰী)	২২	(২৯)	„ যোগৰাম ভূঞা (শ্ৰৱনী)	১৮
(১০)	„ গোলোক চন্দ্ৰ হাজৰিকা (মাধতাৰী)	২০	(৩০)	„ ৰূপাই কলিতা (শ্ৰৱনী)	২২
(১১)	„ পুনাই বৰুৱা „	২২	(৩১)	„ শশীমোহন কোছ (পোৱাভেটি)	১৮
(১২)	„ ডিম্বেশ্বৰ ৰবা„	১৯	(৩২)	„ দুৰ্ল্লভ চন্দ্ৰ ভট্টাচাৰ্য্য (আক্ৰোহি)	২০
(১৩)	„ উমাৰাম কোছ (পোৱাভেটি)	১৮	(৩৩)	„ বেনুধৰ ৰবা (পোৱাভেটি)	২০
(১৪)	„ হমেশ্বৰ কোছ „	২০	(৩৪)	„ যোগেশ্বৰ ৰবা (মাধতাৰী)	৩৫
(১৫)	„ সৰু লবা কোছ „	২৩	(৩৫)	„ ভূধৰ ৰবা (মাধতাৰী)	৩৬
(১৬)	„ গোলোক চন্দ্ৰ শইকীয়া	১৯	(৩৬)	„ যোগেশ্বৰ ভূঞা (মাধতাৰী)	৩৭
(১৭)	„ হৰিকান্ত গোস্বামী (গোনামৰা)	২৪	(৩৭)	„ ভোলানাথ কোছ খনিকৰ „	৪৪
(১৮)	„ ভোলানাথ মহন্ত (গোনামৰা)	২০			
(১৯)	„ ঘনকান্ত হাজৰিকা „	২০			
(২০)	„ দেৱেন্দ্ৰ নাথ হাজৰিকা	২০			

ট্ৰেইনিং লৈছিল-

(১) শ্ৰীচন্দ্ৰকান্ত মহন্ত, (২) শ্ৰীডালিম বৰুৱা, (৩) শ্ৰীপুৰন্দৰ সিংহ, (৪) শ্ৰীনন্দেশ্বৰ মহন্ত।

নীতি ভঙ্গ কৰা শাস্তি সেনাৰ নাম-

সৰ্ব্বশ্ৰী (১) ঘনকান্ত মহন্ত, (২) মনুৰাম কাকতি, (৩) ভূধৰ ৰবা, (৪) যোগেশ্বৰ ভূঞা, (৫) সৰু লবা কোছ, (৬) হৰিকান্ত গোস্বামী, (৭) দুৰ্ল্লভ ভট্টাচাৰ্য্য, (৮) মনাই কলিতা, (৯) যোগৰাম ভূঞা আৰু (১০) ৰামনাথ বৰুৱা।

৬। প্ৰাথমিক - নিজ চিলাবদ্ধা

গাওঁ - নিজ চিলাবদ্ধা

নায়ক - শ্ৰীলক্ষীৰাম ওজা

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীথানুৰাম ওজা (লেতুগ্ৰাম)	২০	(১৮)	শ্ৰীচেনাৰাম দাস (নিজ চিলাবদ্ধা)	২৬
(২)	„ মিঠাৰাম ওজা „	২৮	(১৯)	„ জীউৰাম দাস	২৪
(৩)	„ পদৰাম ওজা „	২৬	(২০)	„ বাপুকল দাস „	২৪
(৪)	„ তিলক পাচনি (পাচনি চুক)	২২	(২১)	„ টঙ্কেশ্বৰ দাস „	২০
(৫)	„ থুলেশ্বৰ পাচনি „	২৫	(২২)	„ কেশৰাম দাস	১৯
(৬)	„ ফনমালি শইকীয়া (আলি চুক)	২৪	(২৩)	„ বাপৰাম দাস	২০
(৭)	„ বকুল চন্দ্ৰ ওজা (লেতু গ্ৰাম)	২১	(২৪)	„ কমল চন্দ্ৰ দাস	২৪
(৮)	„ হেমোৰাম পাচনি (পাচনি চুক)	১৮	(২৫)	„ বিভূৰাম দাস	২০
(৯)	„ সোমেশ্বৰ পাচনি „	১৮	(২৬)	„ গনেশচন্দ্ৰ দাস	২৭
(১০)	„ সোণাৰাম ভূঞা (আলি চুক)	১৭	(২৭)	„ খৰ্গেশ্বৰ দাস	২৬
(১১)	„ ভোলানাথ ভূঞা „	২০	(২৮)	„ গুণাৰাম দাস	২৫
(১২)	„ জীউৰাম ভূঞা „	২৬	(২৯)	„ গাঠিৰাম দাস	৩২
(১৩)	ভোলাৰাম বৰুৱা (নিজ চিলাবদ্ধা)	২৫	(৩০)	„ মহৰী দাস	৩৪
(১৪)	„ দিতিৰাম দাস „	২৪	(৩১)	„ গোলাপ চন্দ্ৰ দাস	২৭
(১৫)	„ দুৰ্ল্লভ চন্দ্ৰ দাস „	২৮	(৩২)	„ থুলেশ্বৰ দাস	২৮
(১৬)	„ দেহীৰাম দাস	২৪	(৩৩)	„ সম্ভূৰাম দাস	২৬
(১৭)	„ অনিৰাম দাস	২৭	(৩৪)	„ মেশ্বৰ কেওঁট	২৯

স্বাঃ শ্ৰীউমকণ্ঠৰ হাজৰিকা
সম্পাদক, নিজ চিলাবদ্ধা প্ৰাঃ
২/৮/৪২

৭। মাধৰ দেউৰী গাওঁ প্ৰাথমিক কং কমিটি

নায়ক - (১) শ্ৰীভোলানাথ বৰা
(২) শ্ৰীপূৰ্ণ কান্ত বৰদলৈ

(১)	শ্ৰীভূমিধৰ বৰদলৈ	২৪	(৮)	শ্ৰীনবীন চন্দ্ৰ কলিতা	২৬
(২)	শ্ৰীবৰিৰাম বৰদলৈ	৩১	(৯)	„ গোজৰ কলিতা	৩০
(৩)	„ শিবকান্ত হাজৰিকা	২৬	(১০)	„ লাটুম বৰা	৩০
(৪)	„ লক্ষীৰাম বৰা	৪২	(১১)	„ উপেন্দ্ৰ বৰা	২৫
(৫)	„ নালিয়া বৰা	২৬	(১২)	„ দুখীৰাম বৰা	৪০
(৬)	„ বিজয় বৰা	২৮	(১৩)	„ আনন্দৰাম কেওঁট	২০
(৭)	শ্ৰীথানুৰাম কেওঁট	৩৬	(১৪)	„ ভূধৰ বায়ন	৩৪

(১৫)	„ খেলিমন কলিতা	৩০	(২৩)	„ ভগীৰথ বৰদলৈ	২৫
(১৬)	„ লক্ষীকান্ত মহন্ত	২৭	(২৪)	„ ঈশকান্ত বৰদলৈ	২৫
(১৭)	„ ঈশকান্ত মহন্ত	২২	(২৫)	„ গোলাপ বৰদলৈ	১৮
(১৮)	„ কালীনাথ বৰদলৈ	৩২	(২৬)	„ নোমল বৰদলৈ	২০
(১৯)	„ ভোলানাথ বৰদলৈ	২৭	(২৭)	„ পূৰাৰাম বৰা	২৮
(২০)	„ ভদ্রকান্ত বৰদলৈ	২৫	(২৮)	„ খৰ্গ কলিতা	২৫
(২১)	„ তিলুৰাম কলিতা	২২	(২৯)	„ বত্নেশ্বৰ বৰদলৈ	৩৮
(২২)	„ ৰবিৰাম কলিতা	২০	(৩০)	„ নবেন্দ্র নাথ মহন্ত	২২

২/৮/৪২

৮। প্রাথমিক - কুৰৱীটোল

নাটক- শ্রীচেনীৰাম শর্ম্ম বৰদলৈ

(১)	শ্রীভবেশ্বৰ বৰদলৈ	২২	(৮)	টঙেশ্বৰ (টঙি) বৰদলৈ	২৩
(২)	, খৰ্গেশ্বৰ হাজৰিকা	২৬	(৯)	।।দেৱাই কলিতা	৩০
(৩)	, ভোগেশ্বৰ বৰুৱা	৩০	(১০)	„ জয়ৰাম উৰিয়া	২৮
(৪)	, পদুম চন্দ্র হাজৰিকা	২০	(১১)	„ শান্তিৰাম বৰুৱা	২৪
(৫)	, ভোলানাথ বৰুৱা	২১	(১২)	„ লীলাধৰ বৰদলৈ	২৭
(৬)	, গোপীনাথ বৰদলৈ	২৮	(১৩)	„ গজেন্দ্র নাথ বৰদলৈ	২৪
(৭)	, লোকেন্দ্র নাথ হাজৰিকা	২৩			

১৫/৭/৪২

৯। প্রাথমিক - নলতলী

নায়ক - শ্রীভোলাই ভূঞা

(১)	শ্রীবিষ্ণুৰাম বৰা	২৩	(১২)	শ্রীমিনাকান্ত বৰা	২৩
(২)	সোমেশ্বৰ বৰা	২২(	(১৩)	„ মোলান চন্দ্র ভূঞা	২৭
(৩)	শ্রীভূমিৰ বৰা (পিঃ চেনীৰাম)	১৯	(১৪)	„কদ্রকান্ত হাজৰিকা	২৯
(৪)	শান্তিৰাম ভূঞা	২১	(১৫)	„ ভূ ৰাম শইকীয়া	২২
(৫)	„পদুম চন্দ্র ভূঞা	২১	(১৬)	„ ভোলা সূত্রধাৰ	৩০
(৬)	„ ভদ্রেশ্বৰ বৰা	২০	(১৭)	„ গদাৰাম কোঁৱৰ	২৪
(৭)	„ মোহন চন্দ্র ভূঞা	১৯	(১৮)	„ মোহন চন্দ্র বৰা	২৪
(৮)	„ শুভচন্দ্র ভূঞা (শান্তি)	২৪	(১৯)	„ ধনীৰাম ভূঞা	২২
(৯)	„ তনুৰাম বৰা	২০	(২০)	„ গোলোক বৰা	১৯
(১০)	„ দয়াৰাম ভূঞা	১৯	(২১)	„ বজনী বৰা	২১
(১১)	„ গোলাপ চন্দ্র ভূঞা	২২	(২২)	„ বগাই বৰা	২৩

১০। প্ৰাথমিক - ওপৰ ৰৰঙণীয়া

নায়ক- শ্ৰীনদাই হাজৰিকা (শ্ৰীলক্ষীৰাম ওজা নায়কৰ তত্বাবধানত দিয়া হৈছিল)

(১)	শ্ৰীজীৱন চন্দ্ৰ লাহী	২৪	(১২)	শ্ৰীতুৰাৰাম ডেকা	২৮
(২)	„ খৰ্গেশ্বৰ হাটিমটা	২৮	(১৩)	„ মহেশ্বৰ ভূঞা	২৩
(৩)	„ দেৱকান্ত মহন্ত (চিপহা)	২৫	(১৪)	„ সোণাৰাম শইকীয়া	২২
(৪)	„ খৰ্গেশ্বৰ কোছ	২৭	(১৫)	„ নন্দেশ্বৰ ৰৱা	২৭
(৫)	„ তঙ্গলু খনিকৰ	২৪	(১৬)	„ কন্দুৰা (চামগুটি)	২১
(৬)	„ ককলা হাটিমটা	১৮	(১৭)	„ পোকল কলিতা	২২
(৭)	„ প্ৰভাত চন্দ্ৰ মহন্ত (চিপহা)	২৪	(১৮)	„ কলাই কৈৱৰ্ত্ত	২২
(৮)	„ তিখৰ শইকীয়া	২৬	(১৯)	„ চম্পক চন্দ্ৰ মহন্ত (মলাইৰাৰী)	২৬
(৯)	„ গনেশচন্দ্ৰ ৰৱদলৈ	২৮	(২০)	„ দীননাথ ভূঞা	২২
(১০)	„ ৰগীৰাম ভূঞা	১৯	(২১)	„ চন্দ্ৰকান্ত ভূঞা	২৩
(১১)	„ হেমোৰাম হাটিমটা	১৮	(২২)	„ ফটিক ৰৱা	২৪

১১। প্ৰাথমিক - পানীগাওঁ

নায়ক - শ্ৰীউপেন্দ্ৰ নাথ মেধি

(১)	শ্ৰীমন মোহন শইকীয়া	২৫	(১১)	শ্ৰীভোগেশ্বৰ কোছ	২২
(২)	„ দুৰ্ল্লভ চন্দ্ৰ কোছ	২৪	(১২)	„ চেনীৰাম হাজৰিকা	২২
(৩)	„ ভগীৰথ কোছ	২৭	(১৩)	„ দিবাকৰ মুদৈ	২০
(৪)	„ টঙ্কেশ্বৰ হাজৰিকা	২৬	(১৪)	„ পদ্ম কোছ	২৫
(৫)	„ খোলোক চন্দ্ৰ মেধি	২৫	(১৫)	„ মাধৱাম ডেকা	৩২
(৬)	„ মুহীধৰ শইকীয়া	২৭	(১৬)	„ খৰ্গেশ্বৰ কোছ	২৭
(৭)	„ জয়ৰাম ভূঞা	২০	(১৭)	„ জেঠ গডো	২২
(৮)	„ কনৌ শইকীয়া	২১	(১৮)	„ চনু তুৰী	২৩
(৯)	„ ৰাতিয়া কোছ	২৮	(১৯)	„ লখাই কোছ	২৮
(১০)	„ মুহীৰাম কোছ	২৯	(২০)	„ বুজু সৎনামী	২০

১২। প্ৰাথমিক - হলোৱা গাওঁ

নায়ক - শ্ৰীদুৰ্ল্লভ চন্দ্ৰ ৰৱা (২৫)

(১)	শ্ৰীৰূপৰাম ৰৱা	১২	(৭)	শ্ৰীলক্ষীৰাম শইকীয়া	২৮
(২)	„ কেশৰাম ৰৱা	২৪	(৮)	„ সৰুকণ হাজৰিকা	৩০
(৩)	„ দেহীৰাম ৰৱা	২৭	(৯)	„ লীলাকান্ত ৰোহী দাস	২৮
(৪)	„ নাৰায়ণ শইকীয়া	২১	(১০)	„ কিনাৰাম তাঁতি	২০
(৫)	„ হেমকান্ত ৰৱৰা	২৩	(১১)	„ ভূকন চন্দ্ৰ ৰৱা	২৬
(৬)	„ কেশৰাম হাজৰিকা	২২			

১৩। প্ৰাথমিক -শাকমুঠি ভঁৰালী গাওঁ

নায়ক - শ্ৰীধনেশ্বৰ বৰা

(ক) গাওঁ - শাকমুঠি

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীমহেন্দ্ৰ নাথ শইকীয়া	৩২	(১৬)	শ্ৰীযতীন চন্দ্ৰ বৰা	২২
(২)	„ উপেন্দ্ৰ নাথ বৰুৱা	৩০	(১৭)	„ ভোগেশ্বৰ বৰা	২২
(৩)	„ প্ৰফুল্ল চন্দ্ৰ বৰা	২৫	(১৮)	„ নৰেন্দ্ৰ নাথ বৰা	৩৫
(৪)	„ চন্দ্ৰকান্ত বৰা	৩৭	(১৯)	„ ভোলানাথ বৰা	৩৭
(৫)	, ভবেশ্বৰ বৰা	২০	(২০)	„ ভোগেশ্বৰ বৰা	২৫
(৬)	শ্ৰীবকুল চন্দ্ৰ শইকীয়া	২২	(২১)	„ ভাগেশ্বৰ শইকীয়া	২৩
(৭)	„ পুনাৰাম কোঁহ	২৪	(২২)	„ দয়াৰাম বৰা	২৫
(৮)	„ ভদ্ৰেশ্বৰ বৰা	২২	(২৩)	„ যোগেন্দ্ৰ নাথ বৰা	২৭
(৯)	„ মিনাৰাম শইকীয়া	৩৫	(২৪)	„ ধৰ্ম্মেশ্বৰ বৰা	৩৭
(১০)	, গাঠিৰাম	৩০	(২৫)	„ আনন্দ হাজৰিকা	২৫
(১১)	শ্ৰীধনেশ্বৰ বৰা	৪৪	(২৬)	„ দেৱকান্ত বৰা	২৪
(১২)	„ কণবাপাই বৰুৱা	২২	(২৭)	„ ডম্বৰুধৰ বৰা	৩০
(১৩)	, মহেন্দ্ৰ প্ৰসাদ শইকীয়া	৩৭	(২৮)	„ ভূমিধৰ শইকীয়া	৪১
(১৪)	, হেমধৰ হাজৰিকা	২৫	(২৯)	„ ভৃগীৰাম বৰা	৪০
(১৫)	, গুবিন্দ বৰা	২৩	(৩০)	„ মোহন চন্দ্ৰ বৰা	২২

ইযাৰ উপৰিও কলিযাবৰ হাইস্কুলৰ ছাত্ৰ শ্ৰীসুৰথ বৰা (১৬) আৰু শ্ৰীনগেন বৰাক (১৫) পিছত শান্তিসেনাত ভৰ্ত্তি কৰা হয়।

(খ) গাওঁ - ভবালী গাওঁ

নায়ক - শ্ৰীবেথাৰাম বৰা

১)	শ্ৰীকণীৰাম আহোম	৩০	(৭)	হলিৰাম আহোম	২৩
(২)	„ সুমল চন্দ্ৰ আহোম	২০	(৮)	ধনাই চন্দ্ৰ আহোম	২৫
(৩)	„ থুলেশ্বৰ নাথ	২২	(৯)	„ দুৰ্গাধৰ বৰা	২২
(৪)	„ বাহাদুৰ বৰা	২৬	(১০)	„ কনক চন্দ্ৰ হাজৰিকা	২০
(৫)	„ পূৰ্ণকান্ত বৰা	২২	(১১)	„ পদৰাম বৰা	২৭
(৬)	„ ৰসেশ্বৰ বৰা	২২	(১২)	„ খগেন্দ্ৰনাথ হাজৰিকা	২০

১৪। প্ৰাথমিক -হাটৰ প্ৰাঃ ফং কমিটি

(ক) গাওঁ - দাঁত কটা

নায়ক - শ্ৰীফনকান্ত বৰা

নীতিমতে নচলা সকল ঃ

(১)	শ্ৰীচেনীৰাম বৰা	২৫	(১)	শ্ৰীলক্ষীৰাম গায়ন	

(২)	„ সোমনাথ বৰা	২৪	(২)	„ দণ্ডিৰাম বৰা	
(৩)	„ ভোগৰাম বৰা	৩০	(৩)	„ অকল বৰা	
(৪)	„ ফোপৰাম বৰা	২১	(৪)	„ চন্দ্ৰকান্ত বৰুৱা	
(৫)	„ মহেন্দ্ৰ বৰা	১৮			

(খ) গাওঁ - সোণৰ চুক
নায়ক - শ্ৰীঅলিৰাম শইকীয়া

(১)	শ্ৰীনমোৰাম বৰা	২৩	(৫)	শ্ৰীৰূপৰাম ৰাজবংশী	
(২)	„ টকেশ্বৰ ৰাজবংশী	২৪	(৬)	„ ফটিক চন্দ্ৰ হাজৰিকা	১৮
(৩)	„ যোগেন কলিতা	২০	(৭)	„ গুজৰু দাস	২২
(৪)	„ লীলাধৰ হাজৰিকা	২০	(৮)	„ পদুম চন্দ্ৰ শৰ্ম্মা	২০

তলত নাম দিয়া সকলে প্ৰতিজ্ঞা পত্ৰত চহী কৰি ট্ৰেইনিং নললে আৰু কোনো সহযোগ নকৰিলে।

(১) শ্ৰীভোলাৰাম হাজৰিকা - (পিতা ৰগীৰাম)
(২) „ লক্ষীৰাম হাজৰিকা - (পিতা কাহিৰাম)
(৩) „ থানুৰাম বৰা

(গ) গাওঁ মৰিগাওঁ
নায়ক - শ্ৰীবল্লকান্ত গায়ন

(১)	শ্ৰীযোগেশ্বৰ গগৈ	১৮	(৬)	শ্ৰীজীউৰাম ভূঞা	
(২)	„ মহেন্দ্ৰ কুমাৰ গগৈ	১৯	(৭)	„ পূৰ্ণচন্দ্ৰ শইকীয়া	২১
(৩)	„ দেবেন্দ্ৰ নাথ গগৈ	১৮	(৮)	„ ৰাধাকান্ত শইকীয়া	২০
(৪)	„ কৃষ্ণৰাম গগৈ	২২	(৯)	„ শুভেশ্বৰ শইকীয়া	২২
(৫)	„ চেনীৰাম বৰা (?) (পোকে খালে)	২৪	(১০)	„ জীৱধৰ ভূঞা	

ইয়াৰ বাদেও কলিয়াবৰ হাইস্কুলৰ ছাত্ৰ শ্ৰীগুণকান্ত শইকীয়া (১৮) আৰু শ্ৰীযজ্ঞেশ্বৰ শইকীয়া (১৬) ক শাস্তি সেনাত ভৰ্ত্তি কৰা হয়।

(ঘ) গাওঁ - আখিৰঙা চুক
নায়ক - শ্ৰীখৰ্গেশ্বৰ হাজৰিকা

(১)	শ্ৰীগোলাপ চন্দ্ৰ শইকীয়া	২৪	(৬)	শ্ৰীমোহন চন্দ্ৰ শইকীয়া	(খালে)
(২)	„ পূৰ্ণকান্ত হাজৰিকা	২৫	(৭)	„ বাপাৰাম বৰা	২৯
(৩)	„ ফনিধৰ শইকীয়া	২৬	(৮)	„ মোলান চন্দ্ৰ বৰা	২৩
(৪)	„ গোপাল চন্দ্ৰ শইকীয়া	২২	(৯)	„ দীনবন্ধু শইকীয়া	২২
(৫)	„ হলধৰ শইকীয়া	২৩	(১০)	„ গোলাপ চন্দ্ৰ শইকীয়া	২৩

শ্ৰীবিজয় চন্দ্ৰ হাজৰিকাই প্ৰতিজ্ঞা পত্ৰত চহী কৰি কোনো সহযোগ কৰা নাই।
ইয়াৰ উপৰিও শ্ৰীহৰেন্দ্ৰ নাথ শইকীয়াক (১৫) শাস্তি সেনাত ভৰ্ত্তি কৰা হয়। তেওঁ

কলিয়াবৰ হাইস্কুলৰ ছাত্ৰ।

স্বাঃ শ্ৰীখৰ্গেশ্বৰ হাজৰিকা
১/৮/৪২

(৬) গাওঁ - গাড়িকুৰি
নায়ক - শ্ৰীমিনাৰাম হাজৰিকা

(১)	শ্ৰীচন্দ্ৰকান্ত বৰা	২৩	(৬)	শ্ৰীলক্ষীৰাম বৰা	২০
(২)	„ যোগেন্দ্ৰনাথ বৰা	২৪	(৭)	„ ৰমানন্দ শইকীয়া	২৫
(৩)	„ থানেশ্বৰ শইকীয়া	২১	(৮)	„ মোহন চন্দ্ৰ নেওগ	২৫
(৪)	„ দেউৰাম বৰা	১৯	(৯)	„ অনিৰাম নেওগ	৩৭
(৫)	„ ৰাদেশ্বৰ নেওগ	১৯	(১০)	„ চন্দ্ৰনাথ বৰা	২১

প্ৰতিজ্ঞা পত্ৰত চহী কৰি নীতি পালন নকৰা সকলৰ নাম

(১) শ্ৰীচন্দ্ৰকান্ত শইকীয়া, (২) শ্ৰীভোলানাথ নেওগ, (৩) শ্ৰীতুৰাকান্ত শইকীয়া, (৪) ৰগীৰাম বৰা, (৫) শ্ৰীমিনাৰাম কোঁৱৰ, (৬) শ্ৰীৰবিৰাম শইকীয়া।

কলিয়াবৰ হাইস্কুলৰ ছাত্ৰ শ্ৰীনৰেন্দ্ৰ নাথ বৰাকো (১৫ বছৰ) প্ৰতিজ্ঞা পত্ৰত চহী কৰি শান্তি সেনাত ভৰ্ত্তি কৰা হয়।

স্বাঃ মিনাৰাম হাজৰিকা (নায়ক)
গাড়িকুৰি গাওঁ, শান্তিসেনা বাহিনী
২/৮/৪২

১৫। প্ৰাথমিক - দলগাওঁ ৰামুণভেটি

নায়ক - (১) শ্ৰীইন্দ্ৰেশ্বৰ শৰ্ম্মা ৰবঠাকুৰ
(২) শ্ৰীভোগেশ্বৰ বৰা

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীনিৰ্ম্মল চন্দ্ৰ বৰা	২৩	(১)	মহম্মদ হাফিজুদ্দিন	২৩
(২)	„ সোমেশ্বৰ বৰা	২২	(২)	„ চৰিকুদ্দিন	২২
(৩)	„ জীৱন চন্দ্ৰ বৰা		(৩)	„ মজমিন	২০
(৪)	„ ভোলন চন্দ্ৰ হাজৰিকা		(৪)	„ ফেদুৱা সেখ	৩৪
(৫)	„ কালিৰাম ভূঞা	২৮	(৫)	„ জানপুৰ	৩৫
(৬)	„ বেগেন্দ্ৰ নাথ বৰা	২২	(৬)	„ চাহাবৰদ্দিন	৩২
(৭)	„ চান্দিৰাম হাজৰিকা	৩০	(৭)	„ মোলোকা	২৮
(৮)	„ ডিম্বেশ্বৰ বৰা	২৯	(৮)	„ আব্দুল লাটিফ	৩০
(৯)	„ তুৰাৰাম বৰা	২২	(৯)	„ চুকুৰ আলি	৩৩
(১০)	„ কালিৰাম গায়ন	১৯	(১০)	„ সক নুকদ্দিন	৩৩
(১১)	„ পদুম চন্দ্ৰ বৰা	১৯	(১১)	„ মাচুম	২০

	নাম	বয়স		নাম	
(১২)	„ ভদ্রেশ্বৰ বৰা	২০	(১২)	„ চেৰাজদ্দিন	৩৫
			(১৩)	„ ইউচুফদ্দিন	২০

(এইসকল দলগাঁওৰ) (এইসকল দলগাওঁ মুচলমান গাঁওৰ)

স্বাঃ ইন্দ্রেশ্বৰ, ভোগেশ্বৰ

২/৮/৪২

১৬। প্রাথমিক - দেউৰী চিলাবন্ধা

নায়ক - (১) শ্রীহেমকান্ত কাকতি

(২) শ্রীবিদ্যাকান্ত নাথ

(১)	শ্রীকমল চন্দ্র নাথ	১৮	(১৫)	„ সুৰথ চন্দ্র নাথ	১৯
(২)	„ চেনীৰাম নাথ	২৫	(১৬)	„ তিলক চন্দ্র নাথ	১৮
(৩)	শ্রীডিম্বেশ্বৰ নাথ	২৩	(১৭)	„ জীৰেশ্বৰ ৰাজখোৱা	২৫
(৪)	„সুনন্দ চন্দ্র নাথ	৩৫	(১৮)	„ ধনেশ্বৰ ৰাজখোৱা	২২
(৫)	„ বলোৰাম নাথ	২২	(১৯)	„ ৰামেশ্বৰ নাথ	২৫
(৬)	„ কেশৰাম নাথ	২৪	(২০)	„মুহীৰাম নাথ	৩৫
(৭)	„ গোলাপ চন্দ্র শইকীয়া	৩২	(২১)	„কমলা নাথ বৰা	২০
(৮)	„ জোনাৰাম বৰা	৩০	(২২)	„ কনক চন্দ্র ৰাজখোৱা	২৫
(৯)	„ চেনীৰাম কেওট	২৫	(২৩)	„ ভদ্রেশ্বৰ ৰাজখোৱা	২০
(১০)	„ গিৰিকান্ত নাথ	২৪	(২৪)	, নন্দেশ্বৰ ৰাজখোৱা	১৮
(১১)	„ তিলক চন্দ্র বৰা	২০	(২৫)	„ গোপীৰাম ৰাজখোৱা	৩২
(১২)	„ কশল'ৰা ভূঞা	২৮	(২৬)	„ মহেশ্বৰ নাথ	৩৮
(১৩)	„ নিৰন চন্দ্র নাথ	৩০	(২৭)	„ থানেশ্বৰ ৰাজখোৱা	২২
(১৪)	„ ধনীৰাম নাথ	৩২			

স্বাঃ শ্রীহেমকান্ত কাকতি (নায়ক)

১৭। প্রাথমিক - গোমোঠা গাওঁ

নায়ক শ্রীদণ্ডিৰাম সূত তাং ১/৮/৪২

(১)	শ্রীদণ্ডিৰাম সূত	৪০	(৯)	শ্রীগঙ্গাৰাম সূত	২৩
(২)	„ ৰিনদ চন্দ্র শইকীয়া	৩৮	(১০)	„ গুণাৰাম বৰা	২০
(৩)	„ মিলোৰাম বৰা	২০	(১১)	„ তুৰাৰাম কেওট	২১
(৪)	„ চেনাৰাম বৰা	২১	(১২)	„ ডম্বৰধৰ কেওট	১৯
(৫)	„ ৰবিৰাম বৰা	২০	(১৩)	„ ধূপ চাহানী	৩৫
(৬)	„ পোৰা শইকীয়া	২৩	(১৪)	„ অৰুন চন্দ্র কলিতা	২১
(৭)	„ ৰবি কেওট	২৪	(১৫)	„ মহেশ্বৰ বৰা	২৩
(৮)	„ নবীন চন্দ্র বৰা	২২	(১৬)	„ থুলেশ্বৰ সূত	১৯

	নাম	বয়স		নাম	বয়স
(১৭)	শ্ৰীগজেন্দ্ৰ কেওট	২৪	(৩২)	শ্ৰী সুমন্ত চন্দ্ৰ বৰুৱা	২২
(১৮)	„ চাকিৰাম বৰা	২০	(৩৩)	„ কেহোৰাম বৰা	২১
(১৯)	„ মিনাৰাম কেওট	২৬	(৩৪)	„ মাণিক চন্দ্ৰ শইকীয়া	২২
(২০)	„ জালিৰাম ওজা	২৫	(৩৫)	„ ভোলা নাথ সুত	২৭
(২১)	„ চেনাৰাম কোছ	২২	(৩৬)	„ কৃশৰাম বৰা	৩২
(২২)	„ ঠগীৰাম বৰা	২০	(৩৭)	„ৰূপৰাম বৰা	৩০
(২৩)	„ মোলোকা বৰা	১৮	(৩৮)	ভোলাৰাম ভূঞা	২৪
(২৪)	„ কালীৰাম গাযন	২৮	(৩৯)	„ গোলোক চন্দ্ৰ বৰা	২২
(২৫)	„ অকল চন্দ্ৰ কোছ	২২	(৪০)	„ অনিৰাম সুত	২৩
(২৬)	„ পীতাম্বৰ কলিতা	১৮	(৪১)	„ দুৰ্গা শইকীয়া	২২
(২৭)	„ দুৰ্ল্লভ চন্দ্ৰ বৰা	২০	(৪২)	„ উমাকান্ত বৰা	২১
(২৮)	„ ফটিক চন্দ্ৰ বৰা	১৮	(৪৩)	„ ফনিধৰ সুত	২২
(২৯)	„ কলিৰাম সুত	২৩	(৪৪)	„ নৰাম সুত	২৪
(৩০)	„ সোণাৰাম শইকীয়া	১৯	(৪৫)	„ যোগেশ্বৰ বৰা	২১
(৩১)	„ তিলক চন্দ্ৰ বৰা	২১			

স্বাঃ শ্ৰীদণ্ডিৰাম সুত (নাযক)
১/৮/৪২

১৮। প্ৰাথমিক - চতিয়াল প্ৰাঃ কং কমিটি

(ক) গাওঁ - ওপৰ চতিয়াল
নায়ক - শ্ৰীতুৰাকান্ত শৰ্ম্মা

(১)	শ্ৰীগোলোক চন্দ্ৰ বৰা (নাহৰ)	২৫	(৮)	শ্ৰীফটিক চন্দ্ৰ বৰা (১)	২১
(২)	„ সোমকান্ত বৰা	২৭	(৯)	„ ডম্বৰুধৰ বৰা	২৮
(৩)	„ গোলোক চন্দ্ৰ বৰা (কেনকেনিয়া)	২১	(১০)	„ ফটিক চন্দ্ৰ বৰা (২)	২৬
(৪)	, তিলক চন্দ্ৰ বৰা	২২	(১১)	„ হেমকান্ত বৰা	২৮
(৫)	„ উমেশচন্দ্ৰ শৰ্ম্মা	২০	(১২)	„ দেৱাই চন্দ্ৰ বৰা	২০
(৬)	„ ভোগেশ্বৰ বৰা	৩৩	(১৩)	„ দুৰ্ল্লভ চন্দ্ৰ হাজৰিকা	২৫
(৭)	„ সোণাৰাম বৰা	১৮			

(খ) গাওঁ - বৰুৱাচুক
নায়ক - শ্ৰীকলিৰাম বৰুৱা

(১)	শ্ৰীৰামেশ্বৰ বৰুৱা	(?)	(৪)	শ্ৰীসোমেশ্বৰ ডেকা	(?)
(২)	„দীনমণি বৰুৱা		(৫)	„ কমলা কান্ত দাস	
(৩)	শ্ৰীচন্দ্ৰকান্ত বৰুৱা	(?)	(৬)	শ্ৰীবিদ্যাধৰ বৰুৱা	(?)

	নাম	বয়স		নাম	বয়স
(৭)	শ্ৰীহেমোৰাম ওজা		(১১)	শ্ৰীকমলাকান্ত বৰুৱা	
(৮)	„ ৰমাকান্ত বৰুৱা		(১২)	„ হীৰাকান্ত বৰুৱা	
(৯)	„ উমাৰাম বৰুৱা		(১৩)	„ ঘিনাৰাম হাজৰিকা	
(১০)	„ ৰবীন্দ্ৰ নাথ বৰুৱা		(১৪)	„ কনক চন্দ্ৰ কটকী	
			স্বাঃ	শ্ৰীকণিৰাম বৰুৱা (নায়ক)	
				১/৮/৪২	

(গ) গাওঁ - চতিয়াল-পুৰণীসত্ৰ (কেন্দ্ৰীয় শিবিৰ)

নায়ক - শ্ৰীক্ষনকান্ত বৰা

(১)	শ্ৰীমাধিৰাম নট	৩২	(১৪)	„ ডিম্বেশ্বৰ বৰা	২০
(২)	„ মুহীকান্ত বৰুৱা	২২	(১৫)	„ প্ৰিয়ৰাম কোঁৱৰ	৩০
(৩)	„ ধনীৰাম শইকীয়া	২৫	(১৬)	„ ভোলাৰাম দাস	৩০
(৪)	„ ঠানুৰাম বৰা	২২	(১৭)	„ গঙ্গাৰাম বৰা	৩৫
(৫)	„ শিৱৰ্ণ চন্দ্ৰ বায়ন	২০	(১৮)	„ বিষ্ণুৰাম বৰুৱা	৩৮
(৬)	„ বিপিন চন্দ্ৰ নট	২৩	(১৯)	„ তৰণ ৰাম বৰা	২০
(৭)	„ নন্দেশ্বৰ শৰ্ম্মা	১৮	(২০)	„ ডিম্বেশ্বৰ বৰুৱা	২৮
(৮)	„ বলোৰাম কোঁৱৰ	২২	(২১)	„ নিৰণ চন্দ্ৰ বৰুৱা	৩৩
(৯)	„ নীলকান্ত হাজৰিকা	২২	(২২)	„ বৃকোদৰ বৰুৱা	৪৫
(১০)	„ জোনাৰাম কোঁৱৰ	৩০	(২৩)	„ নৰাম কোঁৱৰ	৩৫
(১১)	„ কণৰাম (মানুৰাম) বৰুৱা	২৩	(২৪)	„ যজ্ঞেশ্বৰাম বৰা	৪২
(১২)	„ ভোলানাথ বৰা	২৮	(২৫)	„ তিলক চন্দ্ৰ বৰুৱা	৩০
(১৩)	„ নবীন বৰুৱা	২২	(১৬)	„ মহেশ্বৰ বৰা	৪০

(ঘ) গাওঁ - নাম চতিয়াল

নায়ক - শ্ৰীনোমল চন্দ্ৰ শইকীয়া

(১)	শ্ৰীডিম্বেশ্বৰ বৰা	২৫	(১২)	শ্ৰীলক্ষীৰাম বৰা	২৬
(২)	„ ক্ষীতিৰাম ওজা	২১	(১৩)	„ ধুলেশ্বৰ কলিতা	৪০
(৩)	„ নৰকান্ত কলিতা	১৯	(১৪)	„ গুণাৰাম কেওট	২০
(৪)	„ তিলক চন্দ্ৰ শইকীয়া	২০	(১৫)	„ ভোটোক কলিতা	২০
(৫)	„ দেবেন্দ্ৰ নাথ ওজা	২০	(১৬)	„ নবীন চন্দ্ৰ বৰা	৩৬
(৬)	„ নিকন বৰা	২৫	(১৭)	„ দুৰ্গাৰাম বৰুৱা	২৭
(৭)	„ লোহিৰাম শইকীয়া	২৫	(১৮)	„ গুণাৰাম বৰুৱা	৩২
(৮)	„ বাঞ্ছিৰাম সুত	২৬	(১৯)	„ ঠানুৰাম বৰা	২৮
(৯)	„ ৰেবত চন্দ্ৰ বৰা	১৮	(২০)	„ পূৰ্ণকান্ত ওজা	২২
(১০)	„ যজ্ঞেৰাম বৰা	২৫	(২১)	সত্যৰাম কলিতা	২০
(১১)	„ ৰবিৰাম বৰা	২৬			

(ঙ) গাওঁ - ন-সত্ৰ- নিকামূল
নায়ক - শ্ৰীযগায় বৰা

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীতৰুকমন ভৰালী	২৫	(৬)	শ্ৰীবুদ্ধিৰাম ওজা	৩২
(২)	„ কমলাকান্ত বৰা (কমিনাথ)	১৮	(৭)	„ কৃষ্ণৰাম কোছ	২৮
(৩)	„ উমাৰাম বৰা	১৮	(৮)	„ ভূমিধৰ গায়ন	২৭
(৪)	„ ৰামেশ্বৰ বৰা	১৮	(৯)	„ চন্দ্ৰেন্দ্ৰ ভৰালী	১৮
(৫)	„ হেমোৰাম ফুকন	১৯	(১০)	, বঙ্গালী গগৈ	৩০

(চ) গাওঁ - চিপহা
নায়ক - শ্ৰীপূর্ণ কান্ত মহন্ত

(১)	শ্ৰীৰত্নকান্ত বৰা	২৪	(৭)	শ্ৰীগোলোক চন্দ্ৰ বৰা	৩২
(২)	„ যজ্ঞোৰাম মহন্ত	২৯	(৮)	„ হিৰেন্দ্ৰ নাথ বৰা	২২
(৩)	„ ভোগেশ্বৰ কটকী	৩৫	(৯)	„ নোমল চন্দ্ৰ বৰা	২৮
(৪)	„ দেহীৰাম কটকী	২০	(১০)	„ মিনাৰাম বৰা	২১
(৫)	„ যোগেশ্বৰ বৰা	২৭	(১১)	„ গঙ্গাধৰ গোস্বামী	২৪
(৬)	„ বেনুধৰ বৰা	২০			

ওপৰোক্ত ১৮ খন প্ৰাথমিকৰ বাহিৰে অন্য কোনো প্ৰাথমিকৰ নায়কৰ পৰা সময় মতে প্ৰতিবেদন পোৱা নহ'ল। শান্তি সেনাৰ মূল নথি পত্ৰবোৰো নষ্ট হ'ল। গতিকে অন্য প্ৰাথমিকৰ শান্তি সেনাৰ তালিকা ইয়াত দিব পৰা নহ'ল।

অৱশ্যে বহু বছৰ পিছত ২৯/১০/৭৬ তাৰিখে চামধৰা-বাঘৰচুক প্ৰাথমিক কংগ্ৰেছ কমিটিৰ তেতিয়াৰ সম্পাদকে শ্ৰীসোমেশ্বৰ বৰাদেৱলৈ ১৯৪২ চনৰ শান্তি সেনাৰ এখন তালিকা পঠিয়াইছিল। তাত থকা নামখিনি (১৯৭৬ চনৰ বয়স লিখা থকা) তলত তুলি দিয়া হ'ল।

১৯। প্ৰাথমিক - চামধৰা-বাঘৰচুক

	নাম	বয়স		নাম	বয়স
(১)	শ্ৰীবগীৰাম হাজৰিকা (নায়ক)	৬০	(১০)	শ্ৰীৰমেশ্বৰ শইকীয়া	৫৫
(২)	„ ভোগেশ্বৰ বৰা	৪৮	(১১)	„ হেদুন শইকীয়া	৪৮
(৩)	„ বেনুধৰ বৰুৱা	৪৯	(১২)	„ নন্দেশ্বৰ বৰা (ৰালিটিকা)	৬০
(৪)	„ শঙ্কৰদেৱ শৰ্ম্মা	৫৫	(১৩)	„ যজ্ঞেশ্বৰ বৰা „	৫২
(৫)	„ ভূমিকান্ত শইকীয়া	৮২	(১৪)	„ পুনিৰাম বৰা „	৫৬
(৬)	„ হীৰালাল বৰা	৫০	(১৫)	„ মঙ্গলু বৰা	(?)
(৭)	„ লক্ষীধৰ শইকীয়া	৫৪	(১৬)	„ গিৰিকান্ত শইকীয়া	৫৬
(৮)	„ জীবন চন্দ্ৰ শইকীয়া	৫৬	(১৭)	„ জোনাই শইকীয়া	৫৫
(৯)	„ ধুলেশ্বৰ শইকীয়া	৫০	(১৮)	„ শিওৰাম বৰা	৫৬

	নাম	বয়স		নাম	বয়স
(১৯)	শ্রীমহেন্দ্র শইকীয়া	৫২	(২০)	শ্রীৰসেশ্বৰ বৰা	(?)
			স্বাঃ	শ্রীভূমিধৰ শইকীয়া	
				সম্পাদক, বাঘৰচুক চামধৰা	
				প্রাঃ কং কমিটি	
				২৯/১০/৭৬	

২০। কুঠৰী প্রাঃ কং কমিটি

সেইদৰে ১৯৭৯ চনত কুঠৰীৰ তেতিয়াৰ সহকাৰী সম্পাদক শ্রীকানুৰাম শইকীয়া (কেন্দ্রীয় পেঞ্চন পাওতা) দেৱে লিখি পঠিওৱা ১৯৪২ চনৰ শান্তিসেনাৰ তালিকাখনো তলত তুলি দিয়া হ'ল। ইয়াত তেতিয়াৰ নায়ক, সহকাৰী নায়ক সম্পাদক আদিৰো উল্লেখ কৰিছে।

(১)	শ্রীনন্দেশ্বৰ মহন্ত (নায়ক)	(?)	তেতিয়া কেন্দ্রীয় কংগ্রেছে ট্রেইনাৰ নিয়োগ কৰে।
(২)	,, চন্দ্র শইকীয়া	১৯	পিঃ কলাই
(৩)	,, নৰেশ্বৰ শইকীয়া	২০	পিঃ বাহাদুৰ
(৪)	,, জয় ৰাম বৰা	২১	সহকাৰী নায়ক, কেন্দ্রৰ পেঞ্চন পাওতা
(৫)	,, বানেশ্বৰ বৰা	২০	পিয়ন, পিঃ নন্দিৰাম
(৬)	,, ভদ্রকান্ত শইকীয়া	১৯	পিঃ যজ্ঞেৰাম
(৭)	,, সত্যনাথ শইকীয়া	১৭	পিঃ জালিৰাম
(৮)	,, বাপুতি শইকীয়া	১৮	পিঃ মঙ্গলা
(৯)	,, ৰূপেশ্বৰ বৰুৱা	১৯	পিঃ গন
(১০)	,, ভোলানাথ বৰুৱা	২২	পিঃ দাসী
(১১)	,, গঙ্গাৰাম বৰা	২৫	সম্পাদক, পিঃ ৰঘু
(১২)	,, কানুৰাম শইকীয়া	২১	সহঃ সম্পাদক, পিঃ জালি, কেঃ পেঞ্চন
(১৩)	,, লক্ষণ চন্দ্র বৰা	২১	কেঃ পেঞ্চন, পিঃ ফেদেলা
(১৪)	,, আনন্দ চন্দ্র বৰুৱা	২২	কেঃ পেঞ্চন, পিঃ গন
(১৫)	,, ভোগেশ্বৰ ভূঞা	২৩	পিঃ মাণিক
(১৬)	,, দূর্গাধৰ বৰা	২৮	পিঃ ঘনশ্যাম
(১৭)	,, নবীন চন্দ্র শইকীয়া	২৬	পিঃ ৰমাকান্ত
(১৮)	,, নবীন চন্দ্র শইকীয়া	২৯	পিঃ হলধৰ
(১৯)	,, ভোকোৰা বৰুৱা	(?)	পিঃ মানিক
(২০)	,, সোমেশ্বৰ বৰা	২৮	পিঃ ৰতন
(২১)	,, বাকা মাঝি	২৯	পিঃ চুখ
(২২)	,, জালিৰাম শইকীয়া	৪৫	পিঃ মহীৰাম
(২৩)	,, ৰঘুনাথ গাওঁবুঢ়া	৪৮	পিঃ ভদ্র (নেতা আছিল)
(২৪)	,, যোগী ছাবী	(?)	স্বাঃ শ্রীকানুৰাম শইকীয়া
(২৫)	,, হৰি কছাৰী		কুঠৰী
(২৬)	,, কাশ কটা কছাৰী		১৪/৬/৭৯

যতঁৰ বিতৰণ

মহাত্মা গান্ধীৰ ১৩ দফীয়া কার্য্যসূচী ৰূপায়ন্ত আগভাগ লোৱা মহিলা সকলৰ ভিতৰত শ্ৰীমতী গুণেশ্বৰী বৰদলৈ এগৰাকী অতি নিৰ্জ্জু প্ৰকৃতিৰ সকলোৰে আদৰৰ ব্যক্তি আছিল। গাঁৱলীয়া ৰাইজৰ সুখ-দুখৰ লগত সমভাগী হৈ কাম কৰাটো তেখেতৰ এটা মহৎ গুণ। সূতা কটা যতঁৰৰ অভাৱত মানুহে এই কামত ইচ্ছা থাকিলেও হাত দিব নোৱাৰে। যতঁৰ কিনিবলৈ এই সকলৰ অৱস্থা নাই, ধন নাই। তেখেতে শ্ৰীসোমেশ্বৰ বৰাদেৰক ইয়াৰ কিবা এটা ব্যৱস্থা কৰিবলৈ টানি অনুৰোধ কৰিলে। শ্ৰীবৰাদেৱে কাঠ কিনি আনি দুজন বঙালি মিস্ত্রি ঘৰতে ৰাখি ২৫০ টা মধুবনি যতঁৰ তৈযাৰ কৰালে আৰু গোটেই কলিযাবৰতে বিনা পইচাই বিতৰণ কৰিলে। মাত্ৰ ১০/১২ জন মানেহে যতঁৰৰ দাম দিলে। যি হওক বৰাদেৱৰ এই সহায় পাই ঘৰতে সূতা কাটি কাপোৰ বৈ অকল চুৰীয়া-চোলাই নহয় গাত লোৱা জাৰৰ কাপোৰো দুখীযা ৰাইজে বৈ লোৱাৰ সুবিধা হ'ল।

নায়ক প্ৰশিক্ষণ ঃ প্ৰচাৰ কার্য্য

জুন মাহৰ (১৯৪২ চনৰ) প্ৰথম ভাগতে কলিযাবৰৰ পৰা বছা বছা ২২ জন শান্তি সেনাক নাযকৰ প্ৰশিক্ষণ ল'বৰ বাবে বাৰপূজীযাৰ শিবিৰলৈ পঠোৱা হ'ল। গোটেই নগাওঁ জিলাৰ পৰা মুঠ ৯০ জনে প্ৰশিক্ষণ লৈছিল। তাত গোলাঘাটৰ শ্ৰীহৰি নাৰাযণ বৰুৱাই প্ৰশিক্ষণ দিছিল। ১৫ দিনৰ পিছত পৰীক্ষা হ'ল। পৰীক্ষাত গোটেই নগাওঁ জিলাৰ ভিতৰতে কলিযাবৰৰে ৩ জনে প্ৰথম তিনিটা স্থান অধিকাৰ কৰে। ১ম শ্ৰীভাবিৰাম বৰা (দাঁত কটা-হাটৰৰ) ২য শ্ৰীপদ্ম গোস্বামী (কাঠপাৰ সত্ৰ, বৰভকতি) আৰু ৩য শ্ৰীপুৰন্দৰ মহন্ত (শ্ৰৱনী সত্ৰ, হাটৰৰ)।

ওপৰোক্ত তিনিওজনকে জিলা কংগ্ৰেছ কমিটিয়ে প্ৰথমতে প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়ে। শ্ৰীভাবিৰাম বৰাই ১৫ দিন চতিয়াল শিবিৰত অন্য নায়কক প্ৰশিক্ষণ দি ভেলেণ্টিযৰি শিবিৰলৈ যায়। তাৰ পৰা তেখেতক অৰ্গেনাইজাৰ কৰি পোনে পোনে কামপুৰলৈ পঠিয়ায়। তাত তেখেতে ৮/৮/৪২ তাৰিখৰ পৰা প্ৰশিক্ষক সংগঠক হিচাপে কামপুৰ-যমুনামুখ-চাপৰমুখলৈকে গোটেই অঞ্চলটোত সংগঠনৰ কাম কৰে। তাৰ পিছত তেখেতক নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সহকাৰী সম্পাদক হিচাপে নিযুক্তি দিছিল যদিও সেই পদবীত যোগ দিয়াৰ আগতেই তেখেতক গ্ৰেপ্তাৰ কৰে।

শ্ৰীপদ্ম গোস্বামীক পুৰণিগুদাম শিবিৰলৈ পঠিয়ায়। শ্ৰীপুৰন্দৰ মহন্তক জালুগুটি

(?) ৰহালৈ পঠিয়ায়। দুয়োজনকে প্ৰশিক্ষক হিচাপে নিযুক্তি দিয়ে। গতিকে এই তিনিও গৰাকী মুধাফুটা নায়ক/প্ৰশিক্ষকৰ নিৰবচ্ছিন্ন সেৱাৰ পৰা কলিয়াবৰ বঞ্চিত হ'ব লগা হ'ল।

চতিয়ালত নায়কৰ প্ৰশিক্ষণ লৈ সৰু ভগীযাৰ (দযাল) শ্ৰীটঙ্কেশ্বৰ হাজৰিকাদেৱে চলচলিত ১৫ দিন অন্য নাযকক প্ৰশিক্ষণ দি ঘুৰি আহি সৰুভগীযা প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সম্পাদকৰ ভাৰ লযহি। স্বাধীনতা প্ৰাপ্তিলৈকে তেখেতে এই দাযিত্ব নিৰবচ্ছিন্ন ভাৱে অতি দক্ষতাৰে পালন কৰে। চৰকাৰী চোৰাংচোৰাৰ চকুত ধুলি দি পলাতক হৈযে কাম কৰি তেখেতে অশেষ কষ্ট ভোগ কৰিলে।

১৯৪২ চনৰ আগৰে পৰা কলিযাবৰ কংগ্ৰেছৰ গুৰি ধৰিছিল শ্ৰীঠানুৰাম ভূঞাদেৱে। কার্য্যকৰী সমিতিৰ সদস্য সকল আছিল সৰ্ব্বশ্ৰী বদন চন্দ্ৰ বৰদলৈ, সোমেশ্বৰ বৰা, দণ্ডিৰাম বৰুৱা, ৰমা কান্ত বৰা, আনন্দৰাম শইকীয়া, সোমকান্ত হাজৰিকা, পূর্ণ ভূঞা, ডিম্বেশ্বৰ বৰুৱা, ৰজনীকান্ত গোস্বামী আৰু বিনন্দ হাজৰিকা।

এই নেতাসকলে প্ৰাথমিক গঠন কৰাৰ আগতে আৰু পিছতো দিন ৰাতি ছেদ ভেদ নোহোৱাকৈ সকলো গাৱঁলৈকে গৈ পৰাধীনতাৰ শিকলি চিঙি বগা বঙাল ইংৰাজ চৰকাৰক ওফোৰাই দিযাৰ বাবে উদ্দাত্ব কণ্ঠে ভাষণ দি ৰাইজৰ মন উদ্বুদ্ধ কৰিছিল। সভাপতি শ্ৰীঠানুৰাম ভূঞা দেৱে বজ্ৰকণ্ঠে ভাষণ দি ইংৰাজ চৰকাৰৰ শোষণ নীতি আৰু ভাৰতবৰ্ষক পদদলিত কৰি ৰখা নীচ মনোবৃত্তিৰ কথা কৈ মানুহৰ তেজ উতলাই দিছিল। 'ধন্য ধন্য কলি কাল/ধন্য নৱতনু ভাল/ধন্য ধন্য ভাৰত বৰিষ' বুলি এই ভাৰতৰে অসম দেশত এই কলি কালত আৱির্ভাৱ হৈ আমাৰ গুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে কৈ গৈছে বুলি কৈ, আমিও স্বাধীনতাৰ এজন সৈনিক হিচাপে এই নৱতনুক ধন্য কৰিব লাগে বুলি সর্ব্বসাধাৰণ মানুহৰ মনত সাঁচ বহুৱাইছিল। শ্ৰীবদন বৰদলৈদেৱৰ কথা কোৱাৰ নিজস্ব যি ঠাচ, ভঙ্গিমা আৰু শব্দ প্ৰযোগৰ যি নৈপুণ্যতা সেযা এক সুকীযা আকর্ষণ আছিল। অত্যাচাৰী বৃটিছৰ সাম্ৰাজ্যবাদী মনোভাৱ আৰু ভাৰতবাসীৰ ওপৰত কৰা অত্যাচাৰৰ যি চবি দাঙি ধৰিছিল সঁচাকৈযে বৰ মর্ম্মস্পর্শী। ১৯১৯ চনৰ ১৩ এপ্ৰিলত, আমাৰ বং-ৰহইছৰে ভৰা বহাগ বিহুৰ দিনা, পাঞ্জাৱৰ জালিযানাৱালা বাগৰ চাৰিওফালে দালান আৰু দেৱালেৰে ঘেৰা সভা থলিত বৃটিছ চৰকাৰৰ অত্যাচাৰী কামাণ্ডাৰ জেনেৰেল ডাযাৰ চাহাবৰ হুকুমত মিলিটাৰীয়ে ওলোৱা সোমোৱা বাট বন্ধ কৰি গুলিযাই এহেজাৰ মানুহ মৰা আৰু সভা থলিৰ মাজত থকা এটা ডাঙৰ পকা কুৱাত জপিযাই পৰি পাঁচশ মানুহৰ মৃত্যু হোৱা বুলি কথাবোৰ কৈ বৃটিছৰ প্ৰতি মানুহৰ মনত ঘৃণা আৰু শত্রুভাৱ জগাই তুলিছিল। এই সকল নেতাৰ মনত কি দুর্ব্বাৰ শক্তি আছিল ভাবিলে আচৰিত লাগে। শ্ৰীসোমেশ্বৰ বৰা, শ্ৰীদণ্ডিৰাম বৰুৱা, শ্ৰীৰমাকান্ত বৰা, শ্ৰীঈশধৰ হাজৰিকা, শ্ৰীসোমাকান্ত হাজৰিকা আদি সকলৰ ভাষণ কিছু নৰম কিন্তু বৰ মর্ম্মস্পর্শী আছিল। এই সকলে ভাগে ভাগে সকলো ঠাইলৈকে গৈ মেল মিটিং পাতিছিল।

এইখিনিতে কলিযাবৰৰ ঔগুৰিৰ তুৰাই কছাৰী বুলি খ্যাত এজন অতি অমায়িক ব্যক্তিৰ কথা স্মৰণ কৰিছো। প্ৰায ছ ফুট পৰিধিৰ এটা সুতা কটা যতঁৰ কান্ধত লৈ ৰাতিপুৱাই

ঘৰৰ পৰা ওলাই আহে। গাৱেঁ গাৱেঁ ঘৰে ঘৰে সোমাই চোতালত বহি সুতা কাটি দেখুৱায আৰু মুখেৰে গায়-

ধেন্দাই ডুপ ডুপ. (২)
ধেনু বাজিল মইনা ধেনু বাজিল
সত্যাগ্রহী সকলে আগতে নাচিল
ধেন্দাই ডুপ ডুপ (২)
যতঁৰতে সুতা কাটি
খাদি কাপোৰ বৈ সকলে পিন্ধিল
ধেন্দাই ডুপ ডুপ

(ধেনু বাজিল মানে কপাহ ধুনা ধেনুৰ শব্দটো ধেন্দাই ডুপ, আৰু নচা আৰু পিন্ধা শব্দ দুটা তেখেতে নিজৰ ভাষাৰে তেনেকৈ প্রকাশ কৰিছিল।)

তেখেতে আৰু গাইছিল-

ৰাস যাত্রা গান্ধী ৰাস যাত্রা
বাটে বাটে কৰে সত্য সন্ধ্যা
সত্যাগ্রহী নিব ধৰি-
জেলখানাত থ'বগৈ বন্দী কৰি
ৰাস যাত্রা ।

(সত্য সন্ধ্যা মানে সত্যৰ উপাষণাৰ কথাই কৈছিল)

শ্রীঠানুৰাম ভূঞাক গ্রেপ্তাৰ কৰা পিছত গাইছিল-

ঠানু জেলে যায প্রজাই আছে চাই
তাৰ পাছে যান্ত লৰি চিপাহী লাল পাগুৰি
মৰিল মৰিল মৰিল সত্য সভা গুছিল
পাঞ্জাৰৰ হত্যাকাণ্ড অন্ত পৰিল।

তুৰাই ভলণ্টিযাৰে আৰু বহুত গীত ৰচনা কৰিছিল। প্রতিটো ঘটনাৰ গইনা লৈ একোটা গীত ৰচনা কৰি গাৱেঁ গাৱেঁ গাই ফুৰে। এই গীতবোৰ পাহৰণিৰ গর্ভত লীন গ'ল। এতিয়া সানমিহলি হৈ মনলৈ আহে। কাৰোবাৰ যদি মুখস্থ আছে সেইবোৰ উদ্ধাৰ কৰা বাঞ্চনীয।

এইজন গাৱঁলীয়া ৰাইজৰ বুকুৰ আপোন অতি মৰমৰ মানুহ। স্বভাৱ সুলভ ভাৱে ওলাই অহা গীতবোৰ বাটে বাটে গাই ফুৰে। গান্ধীৰ বাণী প্রচাৰ কৰে। কোনোবাই নামটো সুধিলে কয়- "হেৰ মোৰ নাম নেজান, তুৰাই, তুৰাকান্ত। পিছে মোক তুৰাই কছাৰী বুলিলেহে আচল মানুহটো ওলাই পৰো। বুজিলি এতিয়া?"

তুৰাই কছাৰী ঘুৰি ফুৰোঁতে য'তে ৰাতি ত'তে কাতি। পালে খালে নেপালে নাই। মানুহৰ সম্বন্ধত তুৰাই ককাই। কিছুদিন নেদেখিলে মানুহৰ মনত উচ্‌পিচনি লাগে। 'তুৰাই

ককাইৰ কিবা খবৰ পাৱনে? কিবা অসুখ বিসুখ হৈছেনে কি?' এক বিৰল প্ৰচাৰক আছিল তুৰাই কছাৰী। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত ২৮ দিন হাজোত বাস আৰু ৩ মাহ জেল খাইছিল।

শ্ৰীতুৰাই কছাৰীৰ ঘৰুৱা জীৱনৰ বিষয়ে জানিবলৈ আমি শ্ৰীসোমেশ্বৰ বৰাদেৱৰ ওচৰ চাপিছিলো। তেখেতে কৈছিল-

"মাজে মাজে মই তুৰাই কছাৰীৰ ঘৰলৈ লুকাই থাকোঁগৈ। উলুৱনী তিনি আলিৰ ওচৰতে তেতিয়া তেওঁৰ ঘৰ। এটা সৰু চাংঘৰ। প্ৰায় চাৰি ফুট ওখ। অকলে থাকে। পিতলৰ টেকেলি এটা জুইৰ ওপৰত ওলোমাই তাতে চাউল দাইল আলু যি পায় তাকে একেলগে ভৰাই দি সিজায়। মাছো সিজায় তাতে। ধুই পখালি গোন্ধ ভাপ মাৰি তাতে চাহো কৰে। মোক সোধে চাহ কৰো খাবি জানো। কিয় নেখাম বুলি কোৱাত মোক চাহ কৰি খুৱায়। বৰ ভালকৈ বনায় চাহটোপা , খাবলৈ বৰ ভাল লাগে। পলাই ফুৰোঁতে মাজে মাজে তাৰ লগতে ভাতো খাব লগা হয়। থকা ঘৰৰ চাংখনৰ তলতেই ৰন্ধা জুহাল। বেলেগ পাকঘৰ নাই। চাংখন শোৱা বহাৰ বাবে। বেৰ খোৰ নাই, চাৰিওফালে মুকলি। চাঙৰ তলখনো মুকলি। ঘৰটো এনেকুৱা ঠাইত বাটৰ পৰা কিছু দূৰত, কোনো মানুহ নেযায সেই ফালে। সম্পত্তিৰ ভিতৰত ৰন্ধা টেকেলিটো, কাঁহী বাতি এযোৰ। পানী থোৱা বাল্টি এটা। সকলোতকৈ মূল্যৱান সম্পত্তি হ'ল প্ৰায় ৬ ফুট পৰিধিৰ যতঁৰটো, নেওঠনী (কপাহৰ গুটি গুচোৱা যতৰ) কপাহ ধুনা ধেনুখন আৰু এচুকত দ'মকৈ ঢাকি থোৱা কপাহখিনি। চাং খনতে বহি সুতা কাটে মুখেৰে গুণ গুণাই থাকে- নিজৰ ভাল লগা শব্দৰে, ভাষাৰে, গীত ৰচনা কৰে মুখে মুখে। এজন স্বভাৱ কবি বুলিযেই ক'ব পাৰি। তুৰাই কছাৰী সঁচা অৰ্থতে এজন পৰম গান্ধীভক্ত। এজন প্ৰকৃত দেশ প্ৰেমিক। 'দেশৰ কাম কৰিবলৈ হ'লে জঞ্জাল বোৰ নোহোৱাই ভাল'। তেওঁ সেই কাৰণে বিযা বাৰু নকৰালে।"

এইজন তুৰাই কছাৰীৰ বাবে কলিযাবৰে গৌৰৱ কৰে।

শ্ৰীসোমেশ্বৰ বৰাদেৱৰ সাংগঠনিক ক্ষমতা আছিল অতুলনীয়। এতিযা অবিশ্বস্য।

শান্তি সেনা শিবিৰ

কলিয়াবৰৰ প্ৰতিখন গাৱঁতে একোট শান্তি সেনা শিবিৰ সজা হৈছিল ৰাজহুৱা স্থানত চৰকাৰী মাটিত। য'ত তেনেকুৱা ঠাই নাছিল ব্যক্তিগত পট্টাৰ মাটিতো সজা হৈছিল। শান্তি সেনা সকলৰ লগতে গাঁৱৰ ৰাইজে প্ৰতিদিনে সন্ধ্যা তাত গোট খাই স্বাধীনতা সংগ্ৰামৰ অগ্ৰগতিৰ ভু লৈছিল। সুতা কাটিছিল। কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰিছিল। দোক মোকালিতে বা খেতিৰ দিনত আবেলি শান্তি সেনা সকলক নায়ক সকলে কচৰৎ ব্যায়াম আদি কৰাইছিল, মিলিটাৰীৰ দৰে নিয়মানুবৰ্ত্তিতাৰে শিক্ষা দিছিল।

নগাওঁ সদৰ আৰু চামগুৰি চাৰ্কোলৰ চুপাৰভাইজাৰ শ্ৰীবদন চন্দ্ৰ বৰদলৈৰ

কৰ্ম্মশক্তিৰ বিষয়ে ভাবিলে আচৰিত হ'ব লগা হয়। ৫/৮/৪২ তাৰিখৰ পৰা ৮/৮/৪২ তাৰিখলৈ এই ৪ টা দিনৰ ভিতৰতে নানান সভা সমিতিত উপস্থিত থকাৰ উপৰিও কলিয়াবৰৰ বৰভগীয়াৰ পৰা কুঠৰীলৈ আৰু বামুণিৰ পৰা ধৰমপুৰ চিলাবন্ধালৈকে মুঠ ২১খন প্ৰাথমিক কমিটিৰ কাৰ্য্যালয় আৰু গাওঁ সংগঠনৰ শিবিৰবোৰ পৰিদৰ্শন কৰি কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ ওচৰত প্ৰতিবেদন দাখিল কৰিছিল। আমাৰ হাতত প্ৰায় অক্ষত কিন্তু মৰহি যোৱা অৱস্থাত এতিয়াও থকা ১২ খন প্ৰতিবেদনৰ তিনি খনৰ নকল (যেনেকৈয়ে আছে তেনেকৈয়ে) তুলি দিয়া হ'ল।

১। "বগাজন গোমোঠা প্ৰাঃ কং কমিটি ৫/৮/৪২

সৰ্ব্বমোট ৫১ জন কংগ্ৰেছৰ সভ্য হৈছে। কমিটিৰ ভৰালত ১ অনা (এক অনা) আৰু এতিয়াৰ দান লৈ (উনৈশ টকা ন অনা) জমা হৈছিল। অফিচৰ কামত (দহ টকা ন অনা ছপাই) খৰচ হৈ বৰ্ত্তমান (আঠ টকা চৈধ্য অনা ছয় পাই) জমা আছে।

প্ৰাথমিক কংগ্ৰেছ কমিটিৰ জৰিয়তে দেৱানী ফৌজদাৰী লৈ মুঠ ৫টা বিচাৰ কৰিছে। কিন্তু ইয়াৰ ভাল বিৱৰণ ৰখা হোৱা নাই। যতৎৰ ৬৩ টা চলিছে প্ৰায় বিলাৰ ডাঙত ধৰণৰ যতৎ। মুষ্টি ভিক্ষা কৰি ২৫ মোন (আঠে মোন) চাউল উঠে মাহ ৭ (সাত সেৰ), ধান ২০ (বিশ সেৰ) আলু ৬ (ছয় সেৰ)। ইয়াৰ ভিতৰত বিলিফ ও পাঃ ৰ খৰছ দি বৰ্ত্তমান ১৫ (ডেৰ মোন) জমা আছে। অফিচৰ জৰিয়তে ৫ মোন কপাহ ১২ টা যতৎৰ বিক্ৰি কৰে।

এই প্ৰাথমিকৰ অধিনত ৬৫ ঘৰ, লোক সংখ্যা ৩২৭ জন। সাচতিয়া ধান ৪৫০ মোন। বৰ্ত্তমান ধৰপণৰ বিযোগাত খেতি কৰিব পৰা নাই। শান্তি সেনা মোট ৪৩ জন, ইয়াৰ ভিতৰত ৩৮ জনে ট্ৰেইনিং লৈছে। ছয়াৰ ৩৪ জনে বেজ পাইছে। ৰাতি নিয়ম মতে পাহৰা দিছে। সকলোৰে ইউনিফৰ্ম আছে। বৰ্ত্তমান সপ্তাহত এদিন ট্ৰেইনিং দিছে।

অফিচত জমা থকা মাল যতৰ দুটা, মানুহে কাটিব পৰা এটা, ছইচেল ৪ টা, পতাকা ১খন (সৰ্ব্বমোট ৫ দফা)।

৫/৮/৪২।"

২। চতিয়াল মৌজাৰ হাটবৰ প্ৰাঃ কংগ্ৰেছৰ অধিনষ্ঠ গাড়ি কুনি গাওঁ সংগঠন কমিটি

৩৪ ঘৰ গৃহস্থ আছে। যতৰ ৩৬ টা চলিছে। ২৭ টা উন্নত ধৰণৰ যতৰ। মোট লোক সংখ্যা ২২১ জন। কমিটিৰ জৰিয়তে কপাহ বিক্ৰি কৰা নাই। শান্তি সেনা সকলক একোটা মধ্যবৰ্ত্তি যতৰ সাজিবৰ কাৰণে কমিটিয়ে নিৰ্দ্দেশ দিছে। শান্তি সেনা ১৬ জন, তাৰ ভিতৰত ১০ জনে ট্ৰেইনিং লৈছে। বাকী ৬ জনে নিয়মমতে ট্ৰেইনিং লোৱা নাই। ১ টা শান্তি সেনা শিবিৰ আছে ও নিয়ম মতে তৈয়াৰি কৰিছে। প্ৰত্যেক গধূলা সকলো শান্তি সেনাই শিবিৰত বহি সুতা কাটে ও মহাত্মাজীৰ ১৩ দফা গঠন মূলক কাৰ্য্য সম্বন্ধে আলোচনা কৰে। বৰ্ত্তমান খেতি কৰা অসুবিধা গতিকে ১/৮/৪২ তাৰিখৰ পৰা ট্ৰেইনিং ও পাহাৰা বন্ধ কৰিছে। গাঁৱত চোৰ ডকাইত হোৱা নাই। নায়ক ও ১নং শান্তি সেনাই ভঙৱা ধৰি কমিটিক দিয়ে। বিচাৰ প্ৰাথমিকলৈ দিছে। জমা টকা (তেৰ টকা দুআনা ছপাই)। খৰছ (ন টকা চাৰি অনা)। বাকী জমা থাকিল (তিনি টকা চৈধ্য অনা ছপাই)। মুষ্টি ভিক্ষা কৰি চাউল পায় দুই মোন চাৰি সেৰ তিনি পোৱা। বানপানী বিলিফ কৰে ১২ (বাৰ সেৰ)। জমা এক মোন বত্ৰিছ সেৰ তিনি পোৱা।

অফিচত জমা থকা মালৰ তালিকা

পতাকা- ১ খন, ড্ৰিল শিক্ষা কিতাপ- ১ খান, দত কলম- ১ যোৰ, হুইচেল- ১টা, লেম- ১টা, বোট - ৫ দফা।

৬/৮/৪২

৩। "ধৰমপুৰ প্ৰাথমিক কংগ্ৰেছ কমিটি

১৫০ ঘৰ গৃহস্থ। ৭৫ জন কংগ্ৰেছ সভ্য ৭১ টা চলিত যতৰ। ৬০ টা উন্নত যতৰ। মকৰ্দ্দমা দেৱানী ফৌজদাৰী ৪ টা বিচাৰ কৰিছে। গাওঁ চাফাই কৰিছে। কুটিৰ শিল্প কাৰ্য্য কৰিছে। কপাহ খেতি কৰিছিল কিন্তু পানীয়ে নষ্ট কৰিছে। কমিটিৰ জৰিযতে এমোন কপাহ আধি কৰিবলৈ দিছে। শান্তি সেনা ২০ জন আছে। ট্ৰেইনিং ১১ জনে লৈছে, বাকী দেচুৱালী ভৰ্ত্তি হৈছে। ১৩ জনৰ পুৰা ট্ৰেনিং আছে বাকী চুপি আছে। পানীয়ে আহু, বাও, কঠিয়া বাৰিৰ ফচল নষ্ট কৰিছে। জমা টকা ৫ ৫০ (চাৰে পাঁচ) আছে। (এমোন দহ সেৰ) জমা চাউল আছে। অফিচৰ হিচাপ পত্ৰ ভালদৰে ৰখা নাই।

প্ৰতিবেদনৰ চানেকি হিচাপে তুলি দিযা তিনিওখনৰ কিছু বিশেষত্ব আছে। প্ৰতিবেদন কেইখনৰ পৰাই ভালকৈ বুজিব পাৰি কলিযাবৰ কংগ্ৰেছ কমিটিযে প্ৰতিজন মানুহৰ অন্তৰত আগষ্ট মাহৰ বহু আগতেই মুক্তি সংগ্ৰামৰ বীজ সুমুৱাই দি গাওঁ সংগঠনবোৰ কেনেকৈ কৰিছিল আৰু এই সংগঠনবোৰ কিমান পৈণত হৈ উঠিছিল। এনেকুৱা পৰিপাটি সংগঠন থকা বাবেই এটা আহ্বানতে কলিযাবৰৰ জনগণ হুচমাৰি ৰাজপথলৈ ওলাই আহিছিল। প্ৰত্যেকখন প্ৰতিবেদনৰ তলত চহী কৰি তাৰিখ দিযা আছে।

স্কুল ত্যাগ কৰা প্ৰথম দল ছাত্ৰ

শ্ৰীসোমেশ্বৰ বৰা আৰু শ্ৰীবদন বৰদলৈ অতি সঘনাই গাৰিকুৰিৰ শ্ৰীৰমাকান্ত বৰাৰ ঘৰলৈ আহিছিল। আখিৰঙাৰ শ্ৰীসোমকান্ত হাজৰিকা, গাৰিকুৰিৰ সৰ্ব্বশ্ৰী গোলাপ বৰা, গোলাপ হাজৰিকা, সূৰ্য্য নেওগ, গোপীৰাম বৰা, মহোৰাম শইকীযা, দলগাঁৱৰ শ্ৰীমহোৰাম বৰা, আদি সকলৰ লগত আলোচনা কৰিছিল। এইবোৰ শুনি থকাৰ ফলত গোলামী শিক্ষা নলওঁ বুলি মই মে মাহৰ পৰাই স্কুললৈ যোৱা বন্ধ কৰিলো। বিশেষকৈ শ্ৰীবদন বৰদলৈদেৱৰ অনুপ্ৰেৰণাত।

আগষ্ট মাহৰ প্ৰথম ভাগতে আনুষ্ঠানিক ভাৱে কলিযাবৰ হাইস্কুলৰ ৭ জন ছাত্ৰই স্কুল ত্যাগ কৰিলে। তেওঁলোক হ'ল- শান্তিপুৰৰ শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকা, আৰু শ্ৰীবিদ্যাকান্ত হাজৰিকা, গাৰিকুৰিৰ শ্ৰীনৰেন্দ্ৰ নাথ বৰা আৰু শ্ৰীদেৱেন্দ্ৰ নাথ বৰা, বাঘৰচুকৰ শ্ৰীলাল মহম্মদ, আখিৰঙাৰ শ্ৰীহৰেন্দ্ৰ নাথ শইকীয়া আৰু ভলাগুৰিৰ শ্ৰীকনক চন্দ্ৰ বৰা (কণকলি)। সেই বছৰ কলিযাবৰ হাইস্কুলৰ আৰু কলিযাবৰ ছাত্ৰ সম্মিলনৰ চেক্ৰেটৰী আছিল ওপৰোক্ত শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকা।

ভাৰত ত্যাগ প্ৰস্তাৱ

১৯৪২ চনৰ এপ্ৰিল মাহত ক্ৰীপচ মিচন কৃতকাৰ্য্য নোহোৱাৰ পিছত ভাৰতৰ সকলোকে হতাশাই হেঁচি ধৰিলে। নেতা সকলৰ উপায় হেৰাল। এক অনিশ্চয়তাই বিৰাজ কৰিলে।

ইফালে জাপানে কলিকতা জয় কৰাৰ এক নিশ্চিত সম্ভাৱনাই দেখা দিলে। বৃটিছ চৰকাৰে কলিকতা ত্যাগ কৰাৰে সিদ্ধান্ত লোৱাৰ পক্ষপাতি হ'ল। গোপনে চিঠি পত্ৰ বিনিয়োগ হ'ল। কোন পৰ্য্যায়ত কোন বিষয়াই কলিকতা এৰি পলাব লাগিব তাৰো গোপন ব্যৱস্থা কৰিলে। জাপানে সাগৰেদিয়েই আক্ৰমণ চলাব বুলি তেওঁলোক নিশ্চিত হ'ল আৰু ডাযেমণ্ড হাৰবাৰৰ পৰাই কলিকতা আক্ৰমণ কৰিব বুলি ধৰি ল'লে। জাপানক ঠাই বিশেষে বাধা দিয়াৰ আঁচনিও তেওঁলোকে গ্ৰহণ কৰিলে। প্ৰথমতে পদ্মা নদীয়েদি তাৰ পিছত আচেনচোল আৰু বাচিত আৰু তাৰো পিছত এলাহাবাদৰ ওচৰত জাপানক বাধা দিয়াৰ ব্যৱস্থাও সম্পূৰ্ণ কৰিলে। দলংবোৰ ধ্বংস কৰি উৰুৱাই দিয়াৰ পিছত জামচেদপুৰ তীখা কাৰখানাও ধ্বংস কৰি দিয়াৰ আঁচনি গ্ৰহণ কৰিলে বৃটিছ চৰকাৰে।

ভাৰতৰ কংগ্ৰেছ নেতা সকল বিমোৰত পৰিল। কলিকতাত জাপানক বাধা দিবলৈ ভাগে ভাগে স্বেচ্ছাসেৱক বাহিনী গঠন কৰিলে কংগ্ৰেছ সভাপতি স্বয়ং আবুল কালাম আজাদৰ তত্ত্বধানত। বৃটিছে এৰি অহাৰ লগে লগেই আৰু জাপানে দখল লোৱাৰ আগতেই ভাৰতৰ কংগ্ৰেছ স্বেচ্ছাসেৱক সকলে কলিকতা অধিকাৰ কৰিব আৰু এইদৰেই নতুন শত্ৰুক বাধা দি স্বাধীনতা লাভ কৰিব পৰা যাব। আঁচনি প্ৰায় সম্পূৰ্ণ কৰিলে। মে আৰু জুন দুই মাহেই এইখিনি কৰাত ব্যস্ত থাকিল কংগ্ৰেছ সভাপতি আজাদ।

জুনৰ শেষৰ ফালে যেতিয়া আজাদে এই আঁচনিৰ কথা মহাত্মা গান্ধীক ক'লে- তেখেত এই কথাত মাস্তি নহ'ল। গান্ধীজীয়ে দ্বিধাহীন ভাৱেই ক'লে যে যদি জাপানী সৈন্য ভাৰতলৈ আহে তেওঁলোক আমাৰ শত্ৰু হৈ নাহে- আহিব বৃটিছৰ শত্ৰু হৈহে। চৰ্দ্দাৰ পেটেলৰো একেই মত। আজাদ হতাশ হ'ল- পৰিশ্ৰম অথলে গ'ল।(১)

৫ জুলাইত ৱাৰ্দ্ধাত কংগ্ৰেছ ৱৰ্কিং কমিটি বহিল। গান্ধীজীয়ে প্ৰথমবাৰৰ বাবে মন খুলি 'ভাৰত ত্যাগ' আন্দোলনৰ কথা অৱগত কৰিলে। বহুতো কংগ্ৰেছ নেতা আচৰিত হ'ল। আজাদকে আদি কৰি কিছু সংখ্যক নেতাই সহজতে এই নতুন ভাব আৰু আন্দোলনৰ কথা মানি ল'বলৈ টান পালে। আজাদে কৈয়েই দিলে যে "বৃটিছে যি মনোভাব লৈছে আমি কোনোমতেই

India Wins Freedom - Azad

(১) Page-72

তেওঁলোকৰ লগত সহযোগ কৰিল নোৱাৰো- কিন্তু ইহাতেদি জাপানে ব্ৰহ্মদেশ দখল কৰি অসমৰ পিনে অগ্ৰসৰ হোৱাৰ সময়ত জাপানক উৎসাহ যোগোৱা ধৰণৰ যি কোনো কথা বা কামৰ পৰা বিৰত থকাই ভাল। এতিয়া যি দেখা গৈছে এনে পৰিস্থিতিত যুদ্ধই কি গতি লয়- ক'ৰ পানী কলৈ যায় চাই থকাহে উচিত।"(২)

এই কথা গান্ধীজীযে মানি নল'লে। তেখেতৰ চিন্তাধাৰা আন সকলো কংগ্ৰেছ নেতাৰ লগত বহু ক্ষেত্ৰত নিমিলে। গান্ধীজীয়ে জোৰ দি ক'লে "এয়ে সুবৰ্ণ সুযোগ, কংগ্ৰেছে দাবী কৰিব লাগে যে বৃটিছে ভাৰত এৰি যাবই লাগিব। আৰু যদি বৃটিছে মানি লে ভাৰত এৰি গুছি যায় আমি জাপানক ক'ব পাৰিম যে তেওঁলোক আৰু অগ্ৰসৰ হোৱা উচিত নহয়। তাৰ পিছতো যদি জাপান আগবাঢ়ি আহে তেতিয়া তেওঁলোকে ভাৰতৰ ওপৰতহে আক্ৰমণ চলোৱা হ'ব- বৃটিছৰ বিপক্ষে নহয়।' গান্ধীজীয়ে আৰু ক'লে "যদি অৱশেষত তোন পৰিস্থিতি আহি পৰে আমি আমাৰ সকলো শক্তিৰে জাপানক বাধা দিম।"

গান্ধীজীৰ মন প্ৰসূত ভাৰত ত্যাগ আন্দোলনটো কেনেকৈ চলাব বা চলিব এই লৈ কংগ্ৰেছ নেতা সকল বিপাঙত পৰিল। তেওঁলোক দ্বিধাগ্ৰস্ত হ'ল। কি পদ্ধতিৰে আগবাঢ়িব তাৰ বিশদ ব্যাখ্যাৰ প্ৰয়োজন। আজাদৰ মতে গান্ধীজীৰো এই বিষয়ে সঠিক আৰু নিৰ্দ্দিষ্ট ধাৰণা নাই। গান্ধীযে তেওঁক মাথো ক'লে 'আগৰ আন্দোলন বোৰৰ দৰে গহৰাৰ জনগণে স্ব ইচ্ছাই গ্ৰেপ্তাৰ হৈ জেললৈ নাযায, তেওঁলোকে গ্ৰেপ্তাৰ হোৱাৰ পৰা আঁতৰি থাকিব যেতিযালৈকে শাৰীৰিক ভাৰে বল প্ৰযোগ কৰি গ্ৰেপ্তাৰ নকৰে।

যেতিযাই ভাৰত ত্যাগ প্ৰস্তাৱটো গ্ৰহণ ক'ৰা হব তেতিযাই নেতা সকলক গ্ৰেপ্তাৰ কৰাটো খাটাং। পৰিস্থিতিযে কি ৰূপ লয তাৰ কোনো ঠিকনা নাই। ভাৰতৰ জনগণে কংগ্ৰেছৰ আহ্বান প্ৰতি সম্পূৰ্ণ সঁহাৰি জনাবই, কাৰণ তেওঁলোকৰ গান্ধীজীৰ ওপৰত অটল বিশ্বাস। গান্ধীজীৰ তত্বাৱধানত আন্দোলনটো চলিলে অহিংস ভাৱেই চলিব বুলি নেতা সকলে জানে। কিন্তু তেখেতক গ্ৰেপ্তাৰ কৰিলে জনগণে হিংসা অহিংসা একো বাছ-বিচাৰ নকৰাকৈ আন্দোলন চলাব। অকল গান্ধীজীকেই নহয কংগ্ৰেছৰ অন্য নেতা সকলকো গ্ৰেপ্তাৰ কৰিব। আন্দোলনটোৱে কি ৰূপ লয অনিশ্চিত হৈ পৰিব। আন্দোলনটোৰ নেতৃত্ব কোনে দিব?

এনে অৱস্থাত যদিহে অকল গান্ধীজীবে আন্দোলন চলাবলৈ এৰি দিযে, অকল কংগ্ৰেছ প্ৰেচিডেণ্ট পদৰ পৰাই নহয় বৰ্কিং কমিটিৰ পৰাও পদত্যাগ কৰিব বুলি আজাদে প্ৰকাশ কৰিলে। চৰ্দ্দাৰ পেটেলেও গান্ধীজীৰ ওচৰত নিজৰ মত প্ৰকাশ কৰিলে যে যদিহে আজাদে পদত্যাগ কৰে আৰু তেওঁ নিজে আৰু জৱহৰলাল নেহৰুৰেও যদি বৰ্কিং কমিটিৰ পৰা আঁতৰি যায দেশখনৰ ওপৰত অত্যাচাৰ নিপীড়নৰ চূড়ান্ত সীমা পাবগৈ।

আলোচনা আকৌ হ'ল। গান্ধীজীযে আকৌ ক'লে- অহিংস হে থাকি বৃটিছক কাবু কৰিবলৈ সকলো উপায অবলম্বন কৰিবলৈ জনাবক অনুমতি দিয়া হ'ল। জৱহৰলাল নেহৰুৰে আলোচনাৰ সময়ত ক'লে 'গান্ধীজীযে যি মত প্ৰকাশ কৰিছে সেযা হ'ল এক মুকলি

India Wins Freedom - Azad
(২) Page-74

বিদ্রোহ, যদিও এই বিদ্রোহ অহিংসাৰ।' পিছত গান্ধীজীৰ লগত আলোচনাৰ পিছত আজাদে সেও মানিলে। পেটেল আৰু নেহৰুকে আদি কৰি যিসকলে গান্ধীজীৰ ওপৰত দোষ কৰিছিল, তেওঁলোকেও গান্ধীজীৰ চিন্তাধাৰাৰ প্ৰতি সন্মান জনালে।

১৪ জুলাইতেই (১৯৪২ চন) ৱৰ্কিং কমিটিযে ভাৰত ত্যাগ প্ৰস্তাবৰ বুনিযাদ ৰচনা কৰে।(৩)

৫ আগষ্টত বম্বে মহানগৰীত বহা ৱৰ্কিং কমিটিযে ভাৰত ত্যাগ প্ৰস্তাৱৰ চূড়ান্ত ৰূপ দিয়ে আৰু ৭ আগষ্টত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অনুমোদনৰ কাৰণে আগবঢায়। ৭ আৰু ৮ আগষ্ট দুয়োদিনেই আলোচনা হয আৰু ৮ আগষ্টৰ ৰাতিও শেষ বাৰৰ বাবে আলোচনা কৰি মাজ ৰাতিৰ পিছত অর্থাৎ ৯ আগষ্টৰ পুৱতি নিশাত ভাৰতৰ ভাগ্য নির্ণাযক 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰা হয। এটা দীঘলীযা প্ৰস্তাৱ, মূল কথাটো হ'ল 'বৃটিছে ভাৰত ত্যাগ কৰক, ভাৰতবাসীৰ হাতত শাসনৰ ক্ষমতা চমজাই দিযক।'(৪)

কেইজনমান কমিউনিষ্টেহে এই প্ৰস্তাৱৰ বিৰোধীতা কৰিছিল। নিঃ ভাঃ কং কমিটিৰ সকলো সদস্যই প্ৰস্তাৱটোৰ প্ৰতি আদৰণি জনালে। গান্ধীজীৰ ভাষণৰ পিছত বিপুল সংখ্যা গৰিষ্ঠ ভোটত প্ৰস্তাৱটো গৃহিত হ'ল।

ভাৰত ত্যাগ প্ৰস্তাৱ গৃহিত হোৱাৰ পিছতেই মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰিলে। আগমুহুৰ্ত্তত গান্ধীজীয়ে দেশবাসীলৈ মাত্ৰ এফাকি মন্ত্ৰ দিলে- 'কৰেঙ্গে যাঁ্যা মৰেঙ্গে' অর্থাৎ 'কৰিম কিম্বা মৰিম'। একে সময়তে পুৱা ৫ বজাৰ সময়ৰ ভিতৰতে জৱহৰলাল নেহৰু, চৰ্দ্দাৰ পেটেল, আচফ আলি, ড চৈযদ মহম্মদ আদি ৩২ জনক গ্ৰেপ্তাৰ কৰি আজাদৰ লগতে ৰেল ষ্টেচন পোৱালেহি আৰু একেটা ডবাতে ভৰাই পুনালৈ আগবাঢিল। ভাৰতৰ অন্য ঠাইতো গ্ৰেপ্তাৰ অভিযান আৰম্ভ কৰি দিলে। মহাত্মা গান্ধী আৰু সৰোজিনী নাইডুক পুনাৰ আগাখাঁ প্ৰাসাদলৈ নিলে বাকী সকলক আহমেদাবাদ নগৰৰ দুৰ্গলৈ লৈ গ'ল।

বৃটিছ চৰকাৰে ভাবিছিল এই সকল নেতাক বন্দী কৰি থ'লে আপোনা আপুনি আন্দোলটো শেষ হৈ যাব। কিন্তু সেইটোৱেই হ'ল তেওঁলোকৰ ভুল আৰু বৃথা চেষ্টা। সমগ্ৰ ভাৰতেই বিয়পি পৰিল যে এই নেতাসকলক গ্ৰেপ্তাৰ কৰি বৃটিছ চৰকাৰে কোনো অজ্ঞাত ঠাইলৈ লৈ গ'ল বুলি।

সমগ্ৰ ভাৰতৰ জনগণ জকি উঠিল। অতি ব্যাপক আৰু অভূতপূৰ্ব্ব ভাৱে আন্দোলন আৰম্ভ হ'ল। নিজৰ বিচাৰ বিবেচনাৰে স্বাধীনতাৰ এই শেষ সংগ্ৰামখন চলাই যাবলৈ জনতা বদ্ধ পৰিকৰ হ'ল গান্ধীজীৰ শেষ বাণী কৰেঙ্গে য়াঁ্যা মৰেঙ্গে এই প্ৰতিজ্ঞাৰে। এক মহান, অবিস্মৰণীয় গণ বিপ্লৱ, গণ আন্দোলন আৰম্ভ হ'ল। ভাৰতৰ গণ শক্তিৰ বিস্ফোৰণ হ'ল, গণ দেৱতা জাগি উঠিল।

India Wins Freedom - Azad
(৩) Page-77, (৪) Page-83

ৰণোন্মত্ত কলিয়াবৰ

বম্বে মহানগৰীৰ খবৰ বোৰ সেইদিনা (৯ আগষ্ট) সন্ধ্যাৰ ফালে গোটেই কলিয়াবৰতে প্ৰচাৰ হ'ল। ভাৰত ত্যাগ প্ৰস্তাৱৰ কথাবোৰ কলিয়াবৰ কংগ্ৰেছ নেতা সকলে জানিব পাৰি দুগুণ উৎসাহেৰে বৃটিছ চৰকাৰৰ দমন নীতিৰ বিপক্ষে অকল প্ৰচাৰ কাৰ্য্য চলায়েই নহয় এই চৰকাৰক পঙ্গু কৰি দিয়াৰ বাবেও নতুন চিন্তাবে বাইজৰ আগত কাৰ্য্যসূচী দাঙি ধৰিলে। কলিয়াবৰৰ বাইজে সদায় নিয়মানুবৰ্ত্তিতা বক্ষা কৰি জিলা কংগ্ৰেছৰ নিৰ্দ্দেশ মতেই সকলো কাম কৰি গৈছিল। কিন্তু নিজাকৈযো কাৰ্য্যসূচী হাতত লৈছিল।

১০ আগষ্টৰ দিনাই কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ পৰা বৃটিছে ভাৰত ত্যাগ কৰিবলৈ দাবী কৰা প্ৰস্তাৱ আৰু জাতীয় নেতা সকলক গ্ৰেপ্তাৰ কৰি কোনো অজ্ঞাত স্থানলৈ লৈ গৈ বন্দী কৰি থোৱা কথাবোৰ গোটেই কলিয়াবৰতে চুঙা ফুঁকি প্ৰচাৰ কৰা হ'ল আৰু প্ৰত্যেক প্ৰাথমিককে জনাই দিয়া হ'ল। সেইদিনাই কলিয়াবৰ কংগ্ৰেছে আলোচনা কৰি পিছৰ দিনাই অৰ্থাৎ ১১/৮/৪২ তাৰিখে এই গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰিবৰ কাৰণে চতিয়াল শঙ্কৰ মন্দিৰত এখন ৰাজহুৱা সভা আহ্বান কৰি সকলো কংগ্ৰেছ কৰ্মী, শান্তি সেনা আৰু বাইজলৈ একেলগেই জাননী দিলে।

যথা সময়ত ১১/৮/৪২ তাৰিখে ৰাজহুৱা সভা আৰম্ভ হ'ল। কলিয়াবৰৰ সকলো প্ৰাথমিকৰ পৰাই লানি নিচিগাকৈ মানুহৰ সোঁত ব'লে- চতিয়াল শঙ্কৰ মন্দিৰ প্ৰাঙ্গনলৈ। শান্তি সেনা সকলে নায়কৰ পৰিচালনাত কদমত কদম বঢাই চাৰিওফালৰ পৰা শোভাযাত্ৰা কৰি জাতীয় সঙ্গীত গাই আহিল। দেশপ্ৰেমৰ গীত গাই গাঁৱৰ মানুহৰ মনত উদ্দিপনা জগাই আহিল। এই সভাত সভাপতিত্ব কৰিছিল শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা দেৰে (পিছলৈ মন্ত্ৰী)। সৰ্ব্বশ্ৰী ঠানুৰাম ভূঞা, বদন ৰবদলৈ, দণ্ডিৰাম বৰুৱা, ৰমাকান্ত ৰৰা, ঈশধৰ হাজৰিকা আদি সকলে ভাষণ দিছিল। এই সভাতে 'আজিৰ পৰা কলিয়াবৰ স্বাধীন' বুলি ঘোষণা কৰা হ'ল। প্ৰায় তিনি হেজাৰ নৰ-নাৰীয়ে জয়ধ্বনি দিছিল। স্বাধীন কলিয়াবৰ কি জয়। সভাপতি শ্ৰীমহেন্দ্ৰ হাজৰিকাৰ তেজ উতলাই দিয়া ওজস্বিনী ভাষণ শুনি বাইজে তথা লাগি চাই আছিল। মাজে মাজে জয়ধ্বনি দি থলকনি তুলি দিছিল। ইয়াৰ আগতে কলিয়াবৰৰ সৰ্ব্বসাধাৰণ বাইজে শ্ৰীমহেন্দ্ৰ হাজৰিকাৰ কথা মুখে মুখেহে শুনি আছিল। অৱশ্যে কলিয়াবৰ কংগ্ৰেছৰ বহুতে তেখেতক ভালকৈ জানিছিল।

সেই ৰাজহুৱা সভা চলি থাকোঁতেই নগাওঁ জিলা কংগ্ৰেছ সভাপতিৰ পৰা নগঞা বাইজলৈ দিয়া চাৰ্কুলাৰ খন পোৱা হ'ল। চাৰ্কুলাৰ খন সভাত পঢ়ি শুনোৱা হ'ল। সেইখনৰ নকল তুলি দিয়া হ'ল-

"নগওঁৰা বাইজৰ কৰিবলগীয়া কাম

চাৰ্কুলাৰ নং-১

কি কাৰণে আন্দোলন আৰম্ভ হৈছে তাক আপোনালোকে জানে। আজি বাইজৰ শক্তি পৰীক্ষাৰ সময়। চৰকাৰে বাইজৰ যুক্তি যুক্ত স্বাধীনতাৰ দাবী উপেক্ষা কৰি মহাত্মা গান্ধী, মৌলানা আজাদ, জৱহৰলাল তথা ভাৰতৰ প্ৰাণস্বৰূপ নেতা সকলক বন্দী কৰি মুক্তিকামী সকলৰ বিপক্ষে থিয় হৈছে। আমাৰ স্বাধীনতাৰ এয়ে শেষ আন্দোলন। তাত সকলোটিয়ে হিন্দু, মুছলমান, খৃষ্টান আদি মুক্তিকামী লোক সকলক এই জাতীয় যুদ্ধত সহায় কৰিবলৈ অনুৰোধ জনাইছো। বৰ্ত্তমান বাইজে কৰিবলগীয়া এখনি আঁচনি দিয়া হৈছে। শান্তি পূৰ্ণভাৱে ও সংযমেৰে সকলো কাম কৰিব।

১। খাজানা নিদিব। বাকী খাজানা আদায় কৰিবলৈ মৌজাদাৰ, পিয়ন, মৌজাদাৰৰ মহৰি বা কোনো চৰকাৰী কৰ্ম্মচাৰীয়ে কোনো সম্পত্তি ক্ৰোক কৰাত সহায় নকৰিব। ক্ৰোকী সম্পত্তি নিকিনিব। স্থাবৰ সম্পত্তিৰ দখল এৰি নিদিব। বাইজে মাটিৰ গৰাকীক দখল ৰখাত সৰ্ব্বতোভাৱে সহায় কৰিব।

২। হাট বজাৰত হাটখোৱাক পইচা নিদিব। নদী বিল জান আদিত বাইজে মাছ মাৰিব। পইচা দিব লগা ঘাটত বা দলঙৰ ওপৰত পইছা নিদিয়াকৈ পাৰ হ'ব। পাউণ্ডত গৰু-গাই নিদিব। কোনো লোকৰ শস্যাদি নষ্ট হ'লে বাইজে প্ৰতিকাৰ কৰিব।

উপৰুক্ত বিষয়া সকলক তেওঁলোকৰ (এইখিনিতে দুটা শব্দ পোকে কুটিলে) কৰ্ত্তৃপক্ষক শোধাই দিবলৈ অনুৰোধ কৰিব।

৩। যিখিলাক উকিল মোক্তাৰ বা দোকানী বেপাৰীয়ে কংগ্ৰেছৰ নিৰ্দ্দেশ মতে হৰতাল পালন কৰা নাই তেওঁলোকক মোহোলে উকিল নধৰিব। আৰু কোনো বেপাৰীৰ লগত বেচা কিনা নকৰিব। তেনে দোকানী বেপাৰী আৰু উকিল সকলৰ নাম মাজে মাজে বাইজক জনাই থকা হ'ব। তেওঁলোকৰ মাটি বাইজে নেখাব বা খেতি খোলাত সহায় নকৰিব। পিছত কোনো উকিল বা দোকানীয়ে অনুৰোধ কৰিলে কংগ্ৰেছৰ নিৰ্দ্দেশমতে সেই দুই ধাৰা আঁতৰিব পাৰে।

৪। জিলাৰ প্ৰতি হাইস্কুল অনিৰ্দ্দিষ্ট কালৰ কাৰণে বা কংগ্ৰেছ কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ নোপোৱাকৈ বন্ধ ৰাখিব।

৫। গৱৰ্ণমেণ্টৰ যুদ্ধ প্ৰচেষ্টাত কোনো ৰকমে সহায় নকৰিব।

৬। চাউল বা তেনে কলৰ মজদুৰ সকলে কলত কাম কৰা বন্ধ কৰিব।

৭। বন বিভাগৰ কাঠ বাঁহ খেৰ ইকৰা আদি কিনা সোধে কাটি আনিব।

যি লোকে ওপৰৰ নিৰ্দ্দেশ মতে কাম নকৰে, যেনে- মৌজাদাৰৰ পিয়ন মহৰি হাট খোৱা আদি সকলে যদি খাজানা বা টেক্সৰ কাৰণে কোনো লোকক জোৰ জুলুম কৰে তেতিয়া তেওঁলোকক বাইজে সকলো প্ৰকাৰে ঘাটে পানীয়ে নিষেধ কৰিব। আৰু তাৰ কাৰণে সকলো নিৰ্য্যাতন সহ্য কৰিবলৈ সদায় প্ৰস্তুত থাকিব।

কিনীত

শ্ৰীহলধৰ ভূঞা, সভাপতি

জিলা কংগ্ৰেছ কমিটি।"

এতিয়া কংগ্ৰেছ কৰ্ম্মীসকলৰ তৎপৰতা বাঢ়িল। শান্তি সেনা আৰু ছাত্ৰ সকলৰ কৰ্ত্তব্য আৰু বাঢ়িল।

নগাঁৱৰ পৰা চাৰ্কুলাৰ খনৰ মাত্ৰ এটাহে কপি আহিছিল। কংগ্ৰেছ কৰ্ম্মী, শান্তিসেনা আৰু ছাত্ৰ সকলে চতিয়ালৰ এঘৰত বহি শ শ কপি কৰি ৰাতিৰ ভিতৰতে সমগ্ৰ কলিয়াবৰতে বিলাই দিয়া হ'ল।

সেই দিনাই ৰাতিলৈ আৰু এখন চাৰ্কুলাৰ নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ পৰা পোৱা হ'ল। নকল তুলি দিয়া হ'ল-

"বুলেটিন নং- ২

নগঞা ৰাইজৰ প্ৰতি নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ নিৰ্দ্দেশ।

যিহেতু আদালত সম্পূৰ্ণৰূপে বৰ্জ্জন কৰাৰ সময় উপস্থিত হৈছে সেই কাৰণে ৰাইজক অনুৰোধ জনোৱা হয় যেন কোনো মানুহ আদালতৰ আশ্ৰয় ল'বলৈ নাহে। আৰু ৰাস্তাই ৰাস্তাই ঘুৰি মুকৰ্দ্দমা আদিত যোগ থকা লোক সকলক বঢাই বুজাই ফিৰাই পথাব। দেশৰ এই সঙ্কটৰ সময়ত উকিল মহৰি সকলক অনুৰোধ জনাও যেন তেওঁলোকে নিজ নিজ ব্যৱসায় পৰিত্যাগ কৰে। যিসকলে কংগ্ৰেছৰ আৰু ৰাইজৰ আদেশ অমান্য কৰে তেওঁলোকক ৰাইজে শান্তিপূৰ্ণ উপায়েৰে সমাজৰ পৰা বাদ দি এঘৰীয়া কৰিব আৰু তেওঁলোকে যাতে সকলো প্ৰকাৰে সমাজৰ পৰা অসুবিধা ভোগ কৰিব লগা হয় তাৰ বাবে চেষ্টা কৰিব। নিজ নিজ গাঁৱত বাদ-বিবাদ মিমাংসা কৰিব যাতে আদালত অচল হৈ পৰে। ইতি-

শ্ৰীহলধৰ ভূঞা

নগাওঁ জিলা কংগ্ৰেছ কমিটি।"

এই নিৰ্দ্দেশৰ কপি কৰিও গোটেই কলিযাবৰতে পিছৰ দিনাই বিতৰণ কৰা হ'ল। লগতে পিছৰ দিনা অৰ্থাৎ ১২/৮/৪২ তাৰিখে সমগ্ৰ কলিযাবৰৰ শান্তিসেনা, ৰাইজ আৰু ছাত্ৰসকলে শোভাযাত্ৰা কৰিব বুলি জনাই দিযা হ'ল। শোভাযাত্ৰা কোনে কেনেকৈ উলিয়াব আৰু কোনফালে যাব তাৰো প্ৰচাৰ কৰা হ'ল।

১২ আগষ্টৰ ঐতিহাসিক শোভাযাত্ৰা

আগষ্টৰ মাহৰ ১২ তাৰিখটো কলিয়াবৰৰ স্বাধীনতাৰ বুৰঞ্জীত এটা উল্লেখনীয় আৰু স্মৰণীয় দিন। স্বাধীনতাৰ কাৰণে ৰণোন্মত্ত হৈ পৰা কলিযাবৰীযাই মহাত্মা গান্ধীকে ধৰি বৰেণ্য নেতা সকলক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদত কলিযাবৰ কংগ্ৰেছে আহ্বান কৰা শোভাযাত্ৰাৰ প্ৰতি সম্পূৰ্ণ সহযোগ কৰিলে। সেইদিনা গোটেই কলিযাবৰতে হৰতাল হ'ল।

পুৱাতেই মিচামুখৰ পৰা শোভাযাত্ৰা আৰম্ভ হ'ল। শোভাযাত্ৰা যিমানেই আগবাঢিল জনতাৰ সংখ্যা সিমানেই বাঢি আহিল। বাটত লগ হ'ল পানীগাওঁ, নামগাওঁ, ৰৰভগীযা প্ৰত্যেক প্ৰাথমিকৰ শান্তি সেনা আৰু ৰাইজ। আন এটা দল আহিল লাওখোৱা, আমাবাগান, ধনেখোৱাৰ ফালৰ পৰা। আন আন প্ৰাথমিকৰ ৰাইজো লগ হ'ল। কুঁৱৰীটোলত দুযোটা শোভাযাত্ৰাৰ দল লগ হ'ল। জনতাৰ ভিৰ বাঢি আহিল। কুঁৱৰীটোল বগাজন চতিয়াল প্ৰাথমিকৰ সকলো যোগ হ'ল। আগবাঢিল জখলাবন্ধাৰ ফালে। খদ্দৰৰ হাফপেণ্ট, হাফচাৰ্ট,

মূৰত বগা গান্ধী টুপি পিন্ধা শান্তি সেনাৰ লগত অগণণ ৰাইজৰ অদম্য উৎসাহৰ সীমা নাই। গগণ ফালি যোৱা চিএৰি গোৱা দেশ প্ৰেমৰ গান।

ইফালে হাটৰৰ প্ৰাথমিকৰ ৬ খন গাওঁ সভা, শাকমুঠি- ভৰালি গাওঁ আৰু দল গাওঁ প্ৰাথমিকৰ শান্তি সেনা সকলেও শোভাযাত্ৰা আৰম্ভ কৰিলে। হাটৰৰৰ পৰা গাৰিকুৰি দলগাৱঁৰ মাজৰ কেকুৰিলৈ প্ৰায় ডেৰ মাইল দীঘল শোভা-যাত্ৰাৰ দৃশ্য বৰ মনোৰম হৈছিল। খদ্দৰৰ বগা হাটপেণ্ট, হাফচার্ট, মূৰত বগা গান্ধী টুপি প্ৰত্যেকৰে হাতত একোখন পতাকা লৈ খোজত খোজ মিলাই নায়ক সকলৰ পৰিচালনাত আগবঢ়া দৃশ্য চালে চকুৰোৱা আছিল। ভৰালি গাৱঁৰ শ্ৰীফনীধৰ হাজৰিকা, গাড়িকুৰিৰ শ্ৰীযোগেন বৰা, শ্ৰীচন্দ্ৰ কান্ত বৰা, শ্ৰীমহোৰাম শইকীয়া আৰু মিণাৰাম হাজৰিকা আদি সকলে লগাই দিয়া বিশ্ববিজয় ন জোৱান ..... লুইতৰ পাৰৰে আমি ডেকা ল'ৰা .... আদি গীত গাই মাজগাওঁ, জাওকটা বামুণি মথৌখাট গাঁৱৰ মাজেৰে গৈ শলাল (শাকমুঠিয়া) চাহ বাগিছা আৰু চিকনি চাহ বাগিছাৰ মাজেৰে যোৱা শোভাযাত্ৰা দেখি বাগিছাৰ মজদুৰ আৰু মেনেজাৰ চাহাব (ইংৰাজ) সকলে থৰ লাগি চাই আছিল। এই শোভাযাত্ৰা গৈ ৰাঙলু পায়গৈ।

ইটো শোভাযাত্ৰা দলো আগবাঢ়ি যাওঁতে সৰু ভগীয়া প্ৰাথমিকৰ সকলো লগ হয় আৰু গৈ গৈ ৰাঙলুত ৰয়গৈ। দুয়োটা শোভাযাত্ৰা একেলগ হৈ পুনৰ ঘুৰি আহে।

যোৰহাটৰ পৰা মটৰত আহি থকা কংগ্ৰেছ নেতা শ্ৰীদেৱেশ্বৰ শৰ্ম্মা আৰু শ্ৰীশঙ্কৰ বৰুৱা (নে শ্ৰীহৰি নাৰায়ন বৰুৱা) ৰৈ গ'ল। সেই সময়ত জখলাবন্ধাৰ বাট পথত লোকে লোকাৰণ্য। ৰিৰ দি ৰাট পাবলৈ নাই। শোভাযাত্ৰাৰ নেতা সকলৰ লগত বিশেষকৈ শ্ৰীঠানুৰাম ভূঞাদেৱৰ লগত কথা পাতিলে। আমি কেইজন মান চেমনিয়াৰ মূৰত হাত ফুৰাই মৰম কৰি উদগনি দিলে। কলিয়াবৰৰ এই অভূত পূৰ্ব্ব শোভাযাত্ৰা দেখি শ্ৰীশৰ্ম্মাদেৱ অভিভূত হৈ শ্ৰীভূঞা দেৱক ধন্যবাদ জনালে। হাতযোৰ কৰি ৰাইজলৈ অভিনন্দন জনালে।

জখলাবন্ধাত কিছু সময় জিৰণি লৈ শোভাযাত্ৰা পুনৰ আৰম্ভ হ'ল। আগাটিল শিলঘাট অভিমুখে। এই সংক্ৰান্তত আমাৰ হাতত থকা নথিত লিখা আছে এইদৰে-

" কলিয়াবৰৰ শান্তি সেনা সকলে, প্ৰায় ১৫০০, মিচামুখ লাওখোৱা ফালৰ পৰা শোভাযাত্ৰা কৰি কুঁৱৰীটোল ঘাট পাৰহৈ জখলাবন্ধাত একত্ৰিত হৈ যুদ্ধৰ বাবে ঠিকাদাৰে খেৰ কাটিবলৈ নিয়া ১০০ মান মৈমন চিঙিয়াক ওভোতাই পথাই দিয়ে ও আহাজ ঘাটলৈ পথোৱা ১১ খন চাহ পাতৰ গাড়ী পুনৰ ৰাগানলৈ ঘুৰাই পথোৱা হয়। তাৰ পাছত চিকনি আৰু ৰাঙলুৰেদি ঘুৰি আহি অলপ জিৰণি লোৱাত জখলাবন্ধাৰ মহাজন সকলে ।। (আধামোন) চেনীৰে শান্তি সেনা সকলক চৰপত খুৱাই টিকা ফটা ৰদ'ত শান্তি দিয়ে। পুনৰ জখলাবন্ধাৰ পৰা শিলঘাট অভিমুখে যাত্ৰা কৰি ফলং নদী পাৰ হৈয়ে যুদ্ধৰ বাবে শিলঘাটলৈ নিয়া ৬ খন গাড়ীৰ খেৰ নমাই পুনি পেলোৱা হয়। প্ৰায় ৩০,০০০ মুঠি ন-খেৰ আৰু ৩,০০০ গোট ইকৰা পোৱা হয়।"

শোভাযাত্ৰাৰ শান্তি সেনা সকলে কলঙৰ বাকৰিত খেৰ ইকৰাত জুই দি যেন অগ্নি স্নানহে কৰিলে। দুগুণ উৎসাহেৰে গীত গাই সোণাৰি গাৱঁৰ মাজেদি গৈ শিলঘাট পালেগৈ। লগ লাগিল নিজ কলিয়াবৰ, সোণাৰি গাওঁ আৰু কামাখ্যা গাৱঁৰ শান্তিসেনা সকলো। শিলঘাট পাই উত্তেজিত হৈ জনতাই ব্ৰহ্মপুত্ৰৰ পাৰত থকা ওখ ওখ খেৰৰ মেজিবোৰত

জুই দি পুৰি পেলালে। তাৰ পিছত আকৌ জাতীয় সঙ্গীত গাই শোভাযাত্ৰা চামধৰা, পাটদলং হৈ কুঁৱৰীটোল পালেহি। তাতে শোভাযাত্ৰা ভঙ্গ কৰি সকলো ঘৰাঘৰি গ'ল। এই শোভাযাত্ৰাৰ নেতৃত্ব দিছিল শ্ৰীঠানুৰাম ভূঞাদেৱে। প্ৰায় চাৰি মাইল দীঘল এই শোভাযাত্ৰাই কলিয়াবৰত এটা ডাঙৰ আলোড়নৰ সৃষ্টি কৰিলে।

মিচামুখ লাওখোৱা আমবাগান আদিৰ পৰা অহা সকলে পুৱাতেই খাই অহা আহাৰৰ পিছত জখলাবদ্ধাত খোৱা চৰপতৰ বাদে একো নোখোৱাকৈ গোটেই দিনটো ৩০/৩৫ মাইল খোজ কাঢ়িও মনৰ উদ্যম নকমিল। সেই কালত আজি কালিৰ দৰে য'তে ত'তে চাহৰ দোকান, পান-তামোলৰ দোকান নাছিল। বাটত বৈ এগিলাচ পানী খাবলৈয়ো সময় নাছিল, শোভাযাত্ৰা পূৰ্ণোদ্যমে দ্ৰুত গতিত আগবাঢ়িছিল। ইমানেই প্ৰবল স্পৃহা আছিল মানুহৰ স্বাধীনতাৰ কাৰণে।

শ্ৰীঠানুৰাম ভূঞাৰ গ্ৰেপ্তাৰ

সেইদিনা বাতিয়েই ভাগৰত লালকাল দি শুই থকাৰ পৰাই ৰাজদ্ৰোহৰ অপৰাধত কলিয়াবৰ কংগ্ৰেছৰ সভাপতি শ্ৰীঠানুৰাম ভূঞাদেৱক অকণো সময় নিদিয়াকৈ, পুৰতি নিশা গ্ৰেপ্তাৰ কৰি গাড়ীত তুলি কুঁৱৰীটোল (কলিয়াবৰ)থানালৈ লৈ যায়। ইফালেদি পিছত বৃটিছ চৰকাৰৰ আজ্ঞাবাহী ভৃত্য পুলিছ মিলিটাৰীয়ে শ্ৰীভূঞাদেৱৰ পৰিবাৰক অশালীন ব্যৱহাৰ কৰি পাশৰিক অত্যাচাৰ কৰে।

বাতিপুৱাৰ লগে লগেই এই খবৰ কলিয়াবৰৰ সকলো প্ৰাথমিকতে ঘন জুইৰ দৰে বিয়পি পৰিল।

কংগ্ৰেছৰ অন্য নেতা সকলৰো গ্ৰেপ্তাৰৰ বাবে ওৱাৰেণ্ট হ'ল। সেইদিনাই (১৩/৮/৪২) শ্ৰীঠানু ভূঞাদেৱৰ গ্ৰেপ্তাৰৰ খবৰ পোৱাৰ পিছত কলিয়াবৰীয়া শান্তিসেনা, বাইজ আৰু মহিলা সকল বাজ পথলৈ স্বতঃস্ফূৰ্ত ভাবে ওলাই আহিল আৰু শোভাযাত্ৰা কৰি এই গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰিলে।

কাৰ্যকৰী কমিটিৰ বৈঠক আৰু প্ৰস্তাৱ গ্ৰহণ

সেইদিনাই (১৩/৮/৪২) দিনৰ ১১ বজাত গাৰিকুৰি গাৱঁৰ শ্ৰীযমাকান্ত বৰাদেৱৰ ঘৰত কলিয়াবৰ কংগ্ৰেছৰ কাৰ্যকৰী কমিটিৰ এখন জৰুৰী সভা বহিল।

সেই সভাৰ বিৱৰণী আছিল এনে ধৰণৰ (তুলি দিয়া হ'ল)।

" ১৩/৮/৪২ ।। কলিয়াবৰ কেন্দ্ৰীয় কাৰ্যকৰী কমিটি ঃ

উপস্থিত সভ্য সকল - শ্ৰীযুত সকল (১) দণ্ডিৰাম বৰুৱা, (২) আনন্দৰাম শইকীয়া, (৩) যমাকান্ত বৰা, (৪) পূৰ্ণ চন্দ্ৰ ভূঞা, (৫) তিখেশ্বৰ বৰুৱা, (৬) নিনাথৰ হাজৰিকা, (৭) বজনী কান্ত গোস্বামী, (৮) সোমেশ্বৰ বৰা আৰু (৯) শ্ৰীমদন চন্দ্ৰ বৰদলৈ।

১) আজিৰ সভাই সৰ্ব-সম্মতি ক্ৰমে কেন্দ্ৰীয় কমিটিৰ শ্ৰীযুত দণ্ডিৰাম বৰুৱাক সভাপতিৰ ভাৰ দিয়া হয়।

২) আজিৰ সভাই প্ৰত্যেক প্ৰাথমিকৰ কাৰ্যকৰী কমিটি, নায়কক নিৰ্দেশ দিয়া হওক যে এল পি স্কুল, এম ই স্কুল, এম ভি স্কুল ষ্ট্ৰাইক কৰিবলৈ, বাস্তাৰ কুলি, ৰেলৰে কুলি, ঠিকাদাৰ আৰু আন আন কংগ্ৰেছ বিদ্ৰোহী দলক জোৰেৰে বন্ধ কৰিবলৈ আৰু গৱৰ্ণমেণ্টৰ সকলো কৰ্মচাৰীকে আনকি পানী এটোপাও দি সহায় নকৰিলৈ প্ৰত্যেক প্ৰাথমিকৰ কাৰ্যকৰী কমিটি, নায়ক, শান্তি সেনাক নিৰ্দেশ দিয়া হওক।

৩) কেন্দ্ৰীয় অফিচত চাবিজন অফিচাৰ বাখিবলৈ স্থিৰ কৰা হয়।

৪) প্ৰত্যেক প্ৰাথমিকৰ অফিচত এজোন অফিচাৰ বাখিবলৈ স্থিৰ কৰা হয়।

৫) কেন্দ্ৰীয় কমিটিৰ সম্পাদকৰ ভাৰ শ্ৰীযুত মনাকান্ত ৰবাদেৱক দিয়া হয়।

৬) চতিয়াল প্ৰাথমিক কংগ্ৰেছ কমিটিৰ তিনোটা মুদিছ নিৰ্ধাৰণেৰে এটা প্ৰস্তাৱ ১৪/৮/৪২ তাৰিখে উলিয়াবলৈ সভাপতিদেৱক ভাৰ দিয়া হওক।"

(এই সভালৈ কলিয়াবৰ হাইস্কুলৰ হেডমাষ্টৰ শ্ৰীযুত পুষ্পকান্ত খাওন্দ আৰু সহকাৰী হেডমাষ্টৰ শ্ৰীযুত বাপাৰাম হাজৰিকাদেৱক বিশেষভাৱে নিমন্ত্ৰণ কৰা হৈছিল। তেখেত সকলে সভাৰ আলোচনাত ভাগ নলয় কিন্তু প্ৰয়োজন বোধ কৰিলে ভিতৰুৱাকৈ পৰামৰ্শ আগবঢ়ায়। তেখেত সকল কাৰ্যকৰী কমিটিৰ সদস্য নহয় ভোট দানৰ অধিকাৰো নাই। সভাত বহি থাকে। কিন্তু এনে সভালৈ দুয়োকে নিমন্ত্ৰণ কৰা হয়।)

গান্ধী পথাৰত গ্ৰেপ্তাৰৰ প্ৰতিবাদ সভা

ইয়াৰ পিছতে সভাপতি সম্পাদক আৰু কোঁষাগাৰৰীও সদস্য পুনৰ শ্ৰীঠানুৱাম ভূঞাদেৱৰ ঘৰলৈ গৈ শ্ৰীবদন ৰবদলৈ (তেখেত লাওখোৱাৰ পৰা আছি ত্ৰাতে আছিল) দেৱৰ লগত আলোচনা কৰে। ইতিমধ্যে ৰবদলৈ দেৱে কলিয়াবৰৰ শান্তি সেনা (নায়ক) সকলক মাতি আনিলে। সকলোৱে মিলি আলোচনা কৰি পিছৰ দিনাৰ কাৰ্যসূচী ঠিক কৰিলে। শ্ৰীবদন ৰবদলৈ দেৱৰ স্মৃতিলেখাত লিখা আছে এইদৰে -

" পাছদিনা মই লাওখোৱাৰ পৰা আহি সকলো খবৰ পালোহি। খবৰ পাই খং উঠিল। মই ঘৰলৈ নাহি ভূঞাৰ ঘৰতে থাকি শান্তি সেনা সকলৰ লগত পৰামৰ্শ কৰিলো। সিদ্ধান্ত দিলো মিলিটাৰীৰ এই অন্যায়ৰ বাবে মোক কি শাস্তিৰে ধৰে তাৰ বাবে থানাৰ ওচৰৰ গান্ধী মৈদানত এখন বিৰাট ৰাজহুৱা সভাপাতি তাত পুলিছক হেলেঞ্জ দিয়া হোক। পাছদিনা গান্ধী পথাৰৰ এই সভালৈ সকলো শান্তিসেনা আৰু বাইজক আহ্বান জনোৱা হ'ল। পুলিছেও খবৰ পাই ততালিকে জিলালৈ খবৰ পঠালে। পাছদিনা গান্ধী মইদানত বিৰাট ৰাজহুৱা সভা। চাবিওফালৰ পৰা ডেকা-গাভৰু লোডাযায়া কৰি বিৰাট গান্ধী মইদান নানুহৰে উপচি পৰিল। ৫০০ শান্তিসেনাই এই সভা ঘেৰাও কৰি ৰাখিলে। ৰূদ্ধ পক্ষে ১৫ পোন্ধৰ হেজাৰ লোকৰ কম নহ'ব। পুৱাই মিলিটাৰী ফৌজ আহিও থানা ভৰি পৰিল। লগত এজন মেজিষ্ট্ৰেট আহিছে কাৰণ আৱশ্যক মতে গুলি চলাৰৰ বাবে। কিন্তু সৌভাগ্যৰ বিষয়যে মিলিটাৰীয়ে মোক ধৰিবৰ বাবে সভা স্থলীলৈ অহাৰ হুকুম বিছাবিছিল কিন্তু হাকিমে তেনে হুকুম নিদিলে। তাৰ যুক্তি তেখেতে দিলে যে সভাত শ-শ ল'ৰা-ছোৱালী আছে, হঠাৎ গুলি চলাব লগা হ'লে বহু ল'ৰা-ছোৱালী ওচৰৰ কলং নদীত পৰি মৰিব পাৰে।"

এই সভাত শ্ৰীদণ্ডিৰাম বৰুৱাদেৱে সভাপতিত্ব কৰিলে। নগাৱঁৰ পৰা শ্ৰীমতিৰাম ৰবা আৰু শ্ৰীবিমলা কান্ত ৰবাও আহি ভাষণ দিছিল । শ্ৰীবদন ৰবদলৈদেৱে কঠোৰ ভাষাৰে বক্তৃতা দি তেখেতক ধৰিবৰ বাবে পুলিছক প্ৰত্যাহ্বান জনালে। বাইজে জয়ধ্বনি দিলে, সভাখলি বজনৰজনাই উঠিল। 'জনতাই সেইদিনাই থানা দখল কৰিবৰ কাৰণে উত্তাল হৈছিল কিন্তু

অৱস্থা দেখি মই ধৈর্য্যৰে এনে কার্য্যৰ বাৰে বাধা দিলো।' - বদন বৰদলৈ।

নগাঞা নেতা দুজনে কলিয়াবৰ কংগ্ৰেছ কর্মী, শান্তিসেনা, ছাত্ৰ সমাজ আৰু সমূহ বাইজৰ নিয়মানুবর্ত্তিতা, ধৈর্য্য, সাহস, অহিংসাৰ মনোভাব আৰু প্ৰতিবাদ কৰাৰ উদ্যম দেখি আচৰিত হয় আৰু ভূয়সী প্ৰশংসা কৰে।

সভা ভঙ্গ কৰি বাইজে অতি শান্তি প্ৰিয় ভাৱে নগাঞা নেতা দুজনৰ অনুৰোধ ক্ৰমে মৌন ভাৱে ঘৰাঘৰি গ'ল।

শ্ৰীহলধৰ ভূঞাৰ গ্ৰেপ্তাৰ-

১২ আগষ্ট তাৰিখেই নগাওঁ জিলা কং কমিটিৰ সভাপতি শ্ৰীহলধৰ ভূঞাদেৱে নগাঞা বাইজলৈ আবেদন জনাই লিখা আবেদন খন ছপা শালত থাকোঁতেই তেখেতক গ্ৰেপ্তাৰ কৰিলে। সেই আবেদন খনৰ তলফালে জিলা কংগ্ৰেছৰ পৰা খবৰটো জনাইছিল। আবেদন খনৰ নকল তুলি দিযা হ'ল।

" নিবেদন,

বাইজসকল,

এই নিঃকিনৰ সেৱা ল'ব। মোকসোণকালেই বন্দীকৰি জেললৈ এবেৰবেই নিযাটো ধ্ৰুপ কথা। মোৰ বিশ্বাস আপোনালোকে মহাত্মা গান্ধীৰ উপদেশ সম্পূৰ্ণৰূপে মানি কংগ্ৰেছৰ তথা দেশৰ স্বাধীনতাৰ নিমিত্তে যি অহিংস যুদ্ধ চলিছে তাক খুব জোৰেৰে চলাই সোণকালে স্বৰাজ আনিব। মই স্বাধীন ভাৰতৰ মুক্ত বতাহত উশাহ লবলৈ পামহি।

সকলো কাম সংযমেৰে আৰু অহিংসাৰে নির্ভয়ে কৰিব । বিশেষ কার্য প্ৰণালীৰ আচনি মই পূৰ্ব্বেই দিছো, সেইমতে কাম কৰিব। মদগৰ্ব্বী বৃটিছ গৱৰ্ণমেণ্টে সকলো প্ৰকাৰে দমন কৰিবলৈ চেষ্টা কৰিব কিন্তু তাত যেন বিচলিত হৈ কেও পিছলৈ নাযায়।

এয়ে নিবেদন। ইতি-

বাইজৰ সেৱক

শ্ৰীহলধৰ ভূঞা

নগাওঁ ১২/৮/৪২

১৩/৮/৪২ তাৰিখে পুৰা সভাপতি দেৱক গ্ৰেপ্তাৰ কৰি জেললৈ নিছে। ইতি

সূর্য্যপ্ৰেছ শ্ৰীপদ্মকান্ত হাজৰিকা, সম্পাদক,

নগাওঁ। নগাওঁ জিলা কংগ্ৰেছ কৰ্মকৰী চাব কমিটি।"

১৪ তাৰিখে গান্ধী পথাৰৰ সভাতে এইখন পটি শুনোৱা হ'ল আৰু এই গ্ৰেপ্তাৰৰ প্ৰতিবাদ জনোৱা হ'ল।

ইতিমধ্যে বম্বেত বহা নিঃ ভাঃ কংগ্ৰেছ কমিটিৰ পৰা ঘুৰি আহোঁতে ধুবুৰীত শ্ৰীগোপীনাথ বৰদলৈ আৰু শ্ৰীসিদ্ধিনাথ শৰ্ম্মাক গ্ৰেপ্তাৰ কৰিলে। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি মঃ তৈয়বুল্লা সহ ৰকিং কমিটিৰ সকলো সদস্য আৰু অসম বিধান সভাৰ কংগ্ৰেছী সদস্য সকলকো গ্ৰেপ্তাৰ কৰিলে। এইবোৰ কথাও সেই ৰাজহুৱা সভাতে প্ৰচাৰ কৰা হ'ল। নিজ ইচ্ছা মতে নিজ বুদ্ধি খটুৱাই আন্দোলন চলাই বৃটিছ চৰকাৰ ওফোৰাই দিবলৈ বাইজলৈ আহ্বান জনোৱা হ'ল।

কলিয়াবৰৰ মৃত্যু বাহিনী গঠন

ইযাৰ পিছতে কলিযাবৰৰ ১৫০০ (পোন্ধৰ শ) শান্তি সেনাৰ মাজৰ পৰা বাছি বাছি ৩০০ জনক স্ব-ইচ্ছাই প্ৰতিজ্ঞা পত্ৰত চহী কৰি মৃত্যু বাহিনীত যোগ দিবলৈ দিযা হ'ল। অৰ্গেনাইজাৰ শ্ৰীসোমেশ্বৰ বৰা আৰু শ্ৰীবদন বৰদলৈ দুয়োজনে মৃত্যু বাহিনীৰ বাবে বাছনি কৰিলে। প্ৰতিজ্ঞা পত্ৰত লিখা অছিল যে মৃত্যু বাহিনীৰ কোনো লোকৰ মৃত্যু হ'লে কোনো দাযী নহয। আনকি সেই পত্ৰতে অভিভাবকেও চহী কৰিব লাগে, দেশৰ কামত তেওঁৰ পুত্ৰ/পুত্ৰীৰ মৃত্যু হ'লে কোনো দাযী নহয। সৈনিক জনে যেতিযাই যলৈকে যাব লগা হয কোনো আপত্তি নকৰাকৈ যাব লাগিব। যি কোনো দুঃসাহসিক কামৰ কাৰণে যোৱাৰ সময়ত কোনো প্ৰশ্ন কৰিব নোৱাৰিব। ওপৰৱালাৰ হুকুম বিনা দ্বিধাই মানি ল'ব লাগিব। সকলো কাম গোপনীয ভাৱে কৰিব লাগিব। উদ্দেশ্য সাধন কি স্বা শৰীৰ পতন এইটোৱেই আছিল মূল মন্ত্ৰ।

যদিও ৩০০ জনে প্ৰতিজ্ঞা পত্ৰত চহী কৰিবলৈ অনুমতি পালে বহুতে শেষত চহী নকৰিলে। যি সকলে চহী কৰিলে তেওঁলোকৰো বেচিভাগেই কোনো কাম নকৰিলে। তাৰ ভিতৰৰে বহুজন অৱশ্যে কোনো কাম কৰিবলৈ নাপাওঁতেই নগাওঁ টাউনত সত্যাগ্ৰহ, ধ্বনি দিবলৈ যাওঁতে গ্ৰেপ্তাৰ বৰণ কৰি জেললৈ গ'ল। প্ৰতিজ্ঞা পত্ৰত চহী কৰা সকলৰ ভিতৰত তথ্যমতে ২৫/৩০ জন মানেহে সকলো সময়তে সকলো কামৰ বাবে সাজু হৈ থাকিল, কুটাঘাত মূলক কামৰ কাৰণে তৎপৰ হৈ পৰিল। এনেকুৱা নাম থকা মৃত্যু বাহিনীৰ সৈনিক সকলৰ ভিতৰত আছিল সৰ্ব্বশ্ৰী পুৰন্দৰ মহন্ত (শ্ৰৱনী সত্ৰ), নন্দেশ্বৰ মহন্ত (শ্ৰৱনী), নলিনী শইকীয়া, ভবেন্দ্ৰ কুমাৰ ভূঞা (দুয়ো ভিঞৰী গাৱঁৰ), বলো ভূঞা, ভোগেশ্বৰ নেওঁগ (দুযো পুখৰীযাৰ), চন্দ্ৰ শৰ্ম্মা, হৰেন শৰ্ম্মা (ভলাগুৰি), জয়ৰাম বৰা (চতিযাল), নিশিকান্ত মহন্ত (সৰুভগীযা), চন্দ্ৰকান্ত বৰা, মিনাৰাম হাজৰিকা, সূৰ্য্য নেওগ, দেউৰাম বৰা, যতীন গাযন (গাৰিকুৰিঁগাৱঁৰ), দীনবন্ধু শইকীযা (আখিৰঙা), ফনীধৰ হাজৰিকা (ভৰালি গাওঁ), ৰামেশ্বৰ হাজৰিকা, ঘনকান্ত শৰ্ম্মা, বিনাধৰ হজৰিকা (তিনিও সোণাৰি গাৱঁৰ), মিনাকান্ত বৰা (নলতলি-ধৰমপুৰ), যজ্ঞেৰাম ভূঞা (নলতলি), হেমকান্ত হাজৰিকা (ধৰমপুৰ), ভূজেন্দ্ৰ নাথ বৰুৱা (বৰভগীয়া), ডাঃ অমূল্য লাহিৰি (আমবাগান), ৰতিন্দ্ৰবেনার্জি (সৰুভগীযা), নলিন বৰা (নগা)-(বডিগাওঁ-হাটবৰ), নোমল শইকীযা আৰু ডম্বৰু বৰা (চতিযাল)। ইযাৰ ভিতৰৰো আকৌ ৫/৬ জন মান অতি উগ্ৰ বাঘৰ আগতেল খোৱা বিধৰ আছিল।

বজাৰ বন্ধ প্ৰসঙ্গ ঃ অত্যাচাৰ ঃ গ্ৰেপ্তাৰ

শ্ৰীদণ্ডিৰাম বৰুৱাদেৱে সভাপতিৰ ভাৰ লৈযেই কাম আৰম্ভ কৰি দিলে। বৰভগীযাৰ শ্ৰীভূজেন্দ্ৰ নাথ বৰুৱালৈ লিখিলে-

" ডাঙৰীয়া,

শান্তি সেনাৰ নায়ক ও শান্তি সৈন্য সকলৰ কাৰ্য্য পৰিচলনা কৰিবৰ কাৰণে কলিয়াবৰ কেন্দ্ৰীয় সভাই আপোনাক পৰিদৰ্শক নিযুক্তি কৰিছে। আপোনাৰ কি কি কৰ্ত্তব্য তলত দিয়া হ'ল-

শ্ৰীদণ্ডিৰাম বৰুৱা কলিয়াবৰ কেন্দ্ৰীয় সভাপতি

১৪/৮/৪২

কৰ্ত্তব্য

১। যি যি প্ৰাথমিকৰ শান্তি সৈন্য সকলৰ যি যি ঠাইত পিকেটিং কৰাৰ নিৰ্দ্দেশ দিয়া থাকে সেই প্ৰাথমিকৰ নায়ক ও শান্তি সৈন্য আহিছে নে নাই-

২। নিৰ্দ্দেশ মতে কাম হৈছেনে নাই। নিৰ্দ্দেশৰ ওপৰলৈ কেতিয়াও নাযাব।

৩। নায়কে নায়কে বিৰোধা বিৰোধী নহয়।

৪। সন্ধিক্ষণ অবস্থাত ধৈৰ্য্য ও শান্তিৰ উপায়েৰে আপোনাৰ নিজ হুকুম প্ৰযোগ কৰিব পৰিব।

৫। প্ৰত্যেক দিনৰ ৰিপৰ্ট চতিয়াল কেন্দ্ৰীয় অফিচলৈ দি থাকিব লাগিব।

ক'ত কেতিয়া কোনে বজাৰ বন্ধ কৰিব

১। শুক্ৰবাৰে- উলকনী বজাৰ বন্ধ কৰিবৰ কাৰণে ওপৰ বৰভগীয়া, কুঁৱৰীটোল, তেলিয়া প্ৰাথমিৰ ওপৰত ভাৰ দিয়া হ'ল।

২। শনিবাৰে- নিজমি, মিচা, আমলকি বজাৰ বন্ধ কৰিবৰ কাৰণে পানীগাওঁ, হাটিগড়, দেউৰীগাওঁ, হালোৱাগাওঁ ও নিজ কুঁৱৰীটোল, গোমোঠা কণাজন প্ৰাঃ কংগ্ৰেছৰ শান্তিসেনাই শনিবাৰে, ৰবিবাৰে বজাৰ বন্ধ কৰিব।

৩। জখলাবন্ধা বজাৰ বন্ধ কৰিবৰ কাৰণে সৰুভগীয়া পূৰৱৰীয়া, ৰৰভকতি, মাধতাৰি প্ৰাঃ কংগ্ৰেছৰ শান্তি সেনাই বন্ধ কৰিব (বজাৰ ৰবিবাৰে)।

৪। চিকনি, শলাল, বজাৰ বন্ধ কৰিব চতিয়াল কেন্দ্ৰ, শাকমুঠি ভঁৰালি, হাটৰৰ, দলগাওঁ প্ৰাঃ কংগ্ৰেছ কমিটিযে।

৫। শনিবাৰে- নিজ কলিয়াৰৰ বজাৰ বন্ধ কৰিব সোণাৰি গাওঁ, ৰৰভকতি প্ৰাঃ কংগ্ৰেছৰ শান্তি সেনাই।

৬। শিলঘাট বাগানৰ বজাৰ চিলাবন্ধা, চামধৰা, নিজ চিলাবন্ধা, সোণাৰি গাওঁ প্ৰাঃ কংগ্ৰেছ বন্ধ কৰিব।

৭। শনিবাৰে বুঢ়া পাহাৰ, আমগুৰি হাটিখলি বজাৰ বন্ধ কৰিবৰ কাৰণে ৰৰভকতি, সৰুভগীয়া, শাকমুঠি প্ৰাঃ কংগ্ৰেছ কমিটি যাব।

৮। সোমবাৰে- ধনেখোৱা বজাৰ নলতলি, দেউৰী চিলাবন্ধা,নিজ চিলাবন্ধা প্ৰাঃ কংগ্ৰেছ কমিটিয়ে বন্ধ কৰিব।"

এই নিৰ্দ্দেশ পোৱাৰ লগে লগে শ্ৰীভূজেন বৰুৱা আৰু প্ৰত্যেক প্ৰাথমিকৰ শান্তিসেনা সকল তৎপৰ হৈ পৰে। ১৫/৮/৪২ তাৰিখৰ পৰাই বজাৰ বন্ধ কৰিবলৈ পিকেটিং আৰম্ভ কৰা হ'ল। এই সংক্ৰান্তত পিকেটিংকাৰীয়ে পৰিদৰ্শকৰ যোগেদি কেন্দ্ৰীয় কমিটিলৈ ৰিপৰ্ট দিলে আৰু তাৰ ওপৰত ভিত্তি কৰিয়েই কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিয়ে জিলালৈ প্ৰতিবেদন পঠিয়ালে।

ৱন্দেমাতৰম

মহামহিম শ্ৰীল শ্ৰীযুক্ত নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ

সভাপতি মহোদয়ৰ সমীপেষু-

মহোদয়,

নিবেদন এই যে গত ১৫/৮/৪২ তাং শনিবাৰে ৰাতি ৰঙ্গাগৰা, ভেলেউগুৰি, চামগুৰি, গেৰুৱা, পুৰণিগুদাম আদিৰ মাৰৱাৰী, মুছলমান অসমীয়াৰ মোট ৩০ খন গাড়ী ৰৰঘাট শালনা বজাৰ কৰিবলৈ আছে। প্ৰত্যেকখন গাড়ীত ৩ জনকৈ মুঠ ৯০ জন মানুহ আহিছিল । কলিয়াবৰ অঞ্চলত সেই তাৰিখত কে'ৰাখনো বজাৰ বন্ধ কৰিব লগা হোৱাত অতি কম সংখ্যক মাত্ৰ (১০ জন) শান্তি সৈন্যই আমলকিলৈ সোমোৱা ৰাস্তাৰ সমুখত পহৰা দি আছিল। নায়ক শান্তি সৈন্য সকলে অনেক প্ৰকাৰে অনুনয় বিনয় কৰি গাড়ী ঘুৰাই নিবলৈ কোৱাত কোনো ৰকমেই কথা নমনাত শান্তি সৈন্য সকল ৰাস্তাত পথালি দি শুই পৰে। নিৰ্মম কঠুৱা হৃদয়ৰ গাৰোৱান সকলে এজন শান্তি সৈন্যৰ ওপৰেই গাড়ী চলাই দিয়ে। বাকী কেইজন শান্তি সৈন্যক দুজন দুজন গাৰোৱানে ধৰি ৰাস্তাৰ কাষৰ নৰ্দ্দমালৈ দলিয়াই পেলাই দি গাড়ী পাৰ কৰি লৈ যায়। এজন নায়কক আঘাত কৰে। গতিকেই বুজা যায় যে কলিয়াবৰ পশ্চিম অঞ্চলত দোকান বজাৰ বন্ধ সম্পৰ্কে কোনো পিকেটিং আদি হোৱা নাই। ফেন ইয়াৰ বিহীত বিচাৰ কৰে।

এই প্ৰাৰ্থনা। ইতি

(পিছৰ খিনি উৰলি পৰিল নোৱাৰা হ'ল)

ওপৰোক্ত প্ৰতিবেদন খনৰ পৰা পৰিস্থিতিটো বুজাত সহজ হৈছে। সেইকালত পিকেটিং মানে সম্পূৰ্ণ বন্ধ হোৱাতোহে বুজাইছিল।

বজাৰ বন্ধ সম্পৰ্কে আমাৰ হাতত থকা আৰু দুখন চিঠিৰ নকল তুলি দিয়া হ'ল।

১। "কলিয়াবৰ কেন্দ্ৰীয় কাৰ্য্যকাৰী কমিটি

(সভাপতিৰ জড়িয়তে)

মহোদয়,

আপোনাৰ ২১/৮/৪২ তাৰিখৰ বজাৰ বন্ধ ৰাখিবলৈ দিয়া নিৰ্দ্দেশৰ কাগজ পোৱা হৈছে। পূৰ্ণ হকতাল হিচাবে যোৱা ৰাৰৰ বজাৰ বন্ধ কৰা হৈছে। এই বিষয়ে অৰ্গেনাইজাৰে আজি নিজে তদন্ত কৰি গৈছেহি। গতিকেই কংগ্ৰেছৰ পূৰ্ব্ব নিৰ্দ্দেশ অনুসৰি আৰু ৰাইজৰ সুবিধাৰ্থে ৰাগানৰ মাজৰ পৰা বজাৰ তুলি

আনি আমাৰ ৰাইজৰ নিজা মাটিত বহুৱাবলৈ তিনিখন প্ৰাথমিকে যো-জা কৰা হৈছে। এই মতেই কাইলৈ শনিবাৰে নিজ কলিয়াবৰ বজাৰ বহিব। ইতি

বিনীত-
শ্ৰীতিলক হাজৰিকা
সম্পাদক, সোণাৰি গাওঁ প্ৰাঃ কং কঃ
শ্ৰীনগেন্দ্ৰ নাথ খাউণ্ড,
অস্থায়ী সম্পাদক, নিজকলিয়াবৰ প্ৰাঃ কং কঃ
শ্ৰীবিনাধৰ হাজৰিকা, সোণাৰি প্ৰাঃ কং কঃ।"

(চিঠিখনৰ হাতৰ আখৰ শ্ৰীতিলক হাজৰিকাদেৱৰ । তেখেত বৰ্ত্তমান গুৱাহাটীৰ শিলপুখুৰী অঞ্চলৰ বাসীন্দা। এগৰাকী সফল সাহিত্যিক সাংবাদিক অসমবণীৰ প্ৰাক্তন সম্পাদক, সাদিন গোষ্ঠিৰ কাকত সমূহৰ সম্পাদক উপদেষ্টা আদি, সাহিত্য অকাডেমী পুৰস্কাৰ পাওঁতা- তিলক হাজৰিকা)।

২। "কলিয়াবৰ শাখা কংগ্ৰেছ কমিটিৰ অফিচ

সভাপতি মহোদয়,

আজি ২৪/৮/৪২ তাং কুঠৰী (অস্থায়ী), ৰাইজৰ মাজত এই অঞ্চলৰ কংগ্ৰেছ কমিটিৰ জৰিয়তে, বজাৰ অৰ্থাৎ সোমবৰীয়া হাট এখন বাগানৰ বাহিৰে পতা হৈছিল। উক্ত হাট বন্ধক শান্তি সেনা আৰু নায়কক কুঠৰী বাগান মেনেজাৰ ইং মেকৰণে লাঠি চলাবলৈ বাবু শ্ৰীযুত ব্ৰজনাথ বৰা, যাৰ ঘৰ চেলেঙৰ চুকত, তেওঁ কুলি বোৰৰ নায়ক হৈ লাঠি চলায় আৰু মেকৰণে নিজে নায়ক এজনক বিশেষভাৱে মাৰে। ইউৰাপীয়ানে মৰোক বুলি মৰা খুন্দা কিমান কষ্টদায়ক এবাৰ ভাবি চাব। এই গণ্ডগোলত ১০০ তকৈ অধিক কুলিয়ে সহযোগী কৰি লাঠি চলায়। শান্তিসেনা অতি কম বাবে এই অঞ্চলত একো কাম কৰিব পৰা নাই। গতিকেই সোণকালে ৪০০ (চাৰি শ) শান্তিসেনা পঠাই শান্তি ৰক্ষা কৰক।

সভাপতি মহোদয়।

এই কাৰ্য বেপাৰী, দোকানী, ৰাইজ সকলোৰে সুবিধাৰ কাৰণে কৰা হৈছিল। ইয়াত হিংসা ভাব সমূলী নাই। ই অস্থায়ী গৱৰ্ণমেণ্ট গঠন বুলিয়েই নহয় ই ৰাইজৰ বৰ্ত্তমান ও ভবিষ্যত সুবিধাৰ কাৰণে। কৰ দুখৰ কথা এই ঠাইত শ শ কৰ্ম্মী নহ'লে কোনো ৰকমে কাম চলাব পৰা নহয় গতিকে বহুত ভাবি চিন্তি এই অঞ্চলৰ আন নহ'লেও প্ৰচাৰ কাৰ্য্য কৰিবলৈকে ৪০০ কৰ্ম্মী লাগিবই। গতিকেই শুক্ৰবাৰে যাতে ৪০০ ভলণ্টিয়াৰ ৰাওনা হয় আৰু শনিবাৰে এইখিনি পায়হি। ইতি

এই দখাৰ্ষ্ট সৰ্ব্ব-সম্মতি ক্ৰমে মিটিঙত পাচ হয়।

কুঠৰী প্ৰাঃ কং কমিটিৰ
সভাপতি, চেক্ৰেটৰী ও কমিটি।"

(কুঠৰী প্ৰাঃ কং কমিটিৰ তেতিয়াৰ সভাপতি আছিল শ্ৰীলক্ষ্মীকান্ত শইকীয়া আৰু সম্পাদক শ্ৰীগঙ্গাৰাম বৰা)

১৯৪২ চনত চাহ বাগিছাৰ ইংৰাজ মেনেজাৰ সকলক শাসক আৰু বিচাৰকৰ সকলো ক্ষমতা দিয়া হৈছিল । তেওঁলোকে ইচ্ছামতে ইয়াৰ ব্যৱহাৰ আৰু বিশেষকৈ

অপব্যৱহাৰ কৰিছিল । এই মেনেজাৰ সকলে বজাৰ খোলা ৰাখিবলৈ মিলিটাৰীবো সহায় ল'লে। বজাৰ খুলি ৰখাটো তেওঁলোকে প্ৰত্যাহ্বান হিচাপে ল'লে। ইংৰাজ চৰকাৰৰ আত্ম সম্মাণৰ কথা হৈ পৰিল। ইতিমধ্যে ১৫/৮/৪২ তাৰিখৰ আমলখিৰ পৰিস্থিতিৰ বিষয়ে আলোচনা হ'ল।

এনেকুৱা পৰিস্থিতিত কলিযাবৰ শাখা (কেন্দ্ৰীয) কংগ্ৰেছ কমিটিযে শান্তিসেনা সকলক নিজ কৰ্ত্তব্য পালন কৰিবলৈ জাননী যোগে নিৰ্দ্দেশ দিয়ে আৰু তেওঁলেও জেদ কৰি মেনেজাৰ সকলৰ কাৰ্য্যৰ প্ৰতিৰোধ কৰি বজাৰ বন্ধ কৰিহে এৰে।

১৯/৮/৪২ তাৰিখে কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সিদ্ধান্ত মৰ্ম্মে সভাপতি শ্ৰীদণ্ডিৰাম বৰুৱাদেৱে জাননী জাৰি কৰিলে এইবুলি-

"মহোদয় সকল,

কলিয়াবৰ কেন্দ্ৰীয কাৰ্যকৰী কমিটিৰ নিৰ্দ্দেশ মতে প্ৰত্যেক প্ৰাথমিকৰে সভাপতি ও সম্পাদক মহোদয় সকলক জনোৱা যায় যে আগত ২২/৮/৪২ তাং শনিবাৰে পুৱাবেলা ১১ টা বজাত চতিয়াল শঙ্কৰ মন্দিৰত অতি জৰুৰী এখন সভা আহুান কৰা হৈছে। তাত প্ৰত্যেক প্ৰাথমিকৰে সভাপতি ও চেক্ৰেটৰী দুজনৰ উপস্থিতি একান্ত বাঞ্ছনীয়। বিশেষ জৰুৰী যেন অন্যথা নকৰে। ইতি

শ্ৰীদণ্ডিৰাম বৰুৱা

সভাপতি

পুঃ- আপোনালোকৰ অধিনৰ নায়ক ও শান্তিসেনা সকলক জনাই দিব যাতে এজনো শান্তি সেনা যৰত নাথাকি সদলবলে গৈ ২২/৮/৪২ তাৰিখে আমলকি ও শালনা বজাৰ বন্ধ কৰিবৰ কাৰণে পিকেটিং কৰে। ১৯/৮/৪২ - ইতি

শ্ৰীদণ্ডিৰাম বৰুৱা।"

ইযাৰ লগে লগে পৰিদৰ্শক শ্ৰীভূজেন বৰুৱালৈ নিৰ্দ্দেশ দিলে (তুলি দিয়া হ'ল)

" আপোনাক জনোৱা যায় যে আগত ২২/৮/৪২ তাৰিখে, শনিবাৰে, ৰাতিলৈ বগাজন গোমোঠাৰ পৰা আপোনাৰ সেই অঞ্চলৰ (ৰৱভগীয়া) সকলো নায়ক ও শান্তি সৈন্য সকলক লগত লৈ আমলকি ও শালনা বজাৰ বন্ধ কৰিবৰ কাৰণে পিকেটিং কৰিব। যেন অন্যথা নকৰে। ১৯/৮/৪২। (শান্তি সৈন্যৰ অনুমান ১০০ ৰ কম নহয়)।"

আমলখি শালনা আৰু চিকনি শলাল (শাকমুঠিয়া চাহ বাগান) এই কেউখন ঠাইতে শান্তি সেনা সকলৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলালে। নথিত লিখা আছে-

"শান্তি প্ৰিয় অহিংস শান্তিসেনা সকলে সকলো অত্যাচাৰ নীৰৱে সহ্য কৰিলে। বজাৰ বন্ধ হ'ল। প্ৰায় ২৫০ জন শান্তিসেনা, নায়ক ও পৰিদৰ্শকৰ মাজৰ পৰা বহুতকে গ্ৰেপ্তাৰ কৰি নগাঁৱলৈ পঠিয়াই দিলে। জেল হ'ল।"

(এয়া আমলখি বজাৰ সম্বন্ধে লিখা)

ইফালেদি গাৰিকুৰি গাৱঁৰ শ্ৰীবাপাৰাম বৰাৰ নেতৃত্বত চিকনি আৰু শলাল (শাকমুঠিয়া) বজাৰ বন্ধ কৰিবলৈ যোৱা হাটৰৰ আৰু দলগাওঁ প্ৰাথমিকৰ প্ৰায় ৩০ জন শান্তি সেনাৰ ওপৰত ইংৰাজ মেনেজাৰে মজদুৰৰ হতুৱাই দুবাৰ মাৰকিল কৰোৱায় (উল্লেখ্য যে প্ৰতি সপ্তাহতে বজাৰ বন্ধ কৰিবলৈ যোৱা হৈছিল)। হাটৰৰ শ্ৰীযুত্ত গায়ন,

দাউকটাৰ শ্ৰীঘন বৰা, আখিৰঙাৰ শ্ৰীদীন বন্ধু শইকীয়া, শ্ৰীখৰ্গেশ্বৰ হাজৰিকা, গাৰিকুৰিৰ সৰ্ব্বশ্ৰীচন্দ্ৰ কান্ত বৰা, মিনাৰাম হাজৰিকা, সূৰ্য্যকান্ত নেওঁগ, যতীন গাযন, দলগাৱঁৰ সৰ্ব্বশ্ৰী নিৰন চন্দ্ৰ বৰা, ডিম্বেশ্বৰ বৰা, পদুম বৰা, মহোৰাম বৰা, মঃ মফিজুদ্দিন আদি এইসকলৰ কে'বাজনেও লাঠিৰ কোব খালে কে'বাজনো পলাই সাৰিল। কোব খোৱা সকলে প্ৰত্যাহুন নজনাই শান্তিপূৰ্ণ হৈ থাকিল। কাকো গ্ৰেপ্তাৰ নকৰিলে, কিন্তু বজাৰ বন্ধ হ'ল।

১২ আগষ্টৰ অভূতপূৰ্ব্ব শোভাযাত্ৰাই যি আলোড়ণৰ সৃষ্টি কৰিলে কলিয়াবৰৰ মানুহৰ মন উত্ৰাৱল হৈ পৰিল-

বৃটিছ চৰকৰৰ বিপক্ষে যি কোনো কুটাঘাতমূলক কাম কৰিবলৈ শান্তি সেনা, মৃত্যু বাহিনীৰ দলে তৎপৰ হৈ পৰিল। লগে লগে নেতা সকলেও আত্মগোপন কৰাৰ সিদ্ধান্ত ল'লে।

যদিও কলিযাবৰৰ স্বাধীনতা সংগ্ৰামৰ সকলো কাৰ্য্যসূচী সামগ্ৰীক ভাৱে অহিংস পন্থাৱে পালন কৰাৰ বাবে সকলোৱেই প্ৰতিজ্ঞা বদ্ধ, তাৰ মাজতে কিছু সংখ্যক ডেকা কৰ্ম্মী আৰু বিশেষকৈ মৃত্যু বাহিনীৰ দলে ভিতৰুৱাকৈ নিজা কাৰ্য্যসূচীও গ্ৰহণ কৰিলে। আচলতে এনে নিৰ্দ্দেশ ওপৰৰ এচাম উগ্ৰবাদী নেতাৰ পৰাই আহিছিল। বৃটিছ চৰকাৰক কাবু কৰিবলৈ এনোবোৰ আঁচনি যুগুত কৰা হৈছিল।

কলিয়াবৰৰ ভিতৰতে আকৌ অঞ্চল বিশেষে প্ৰাথমিকৰ ডেকা শান্তিসেনা আৰু মৃত্যু বাহিনীৰ লোকে যেযে যেনেকৈ পাৰে নিজাকৈ আচঁনি ল'লে কুটাঘাতমূলক কাৰ্য্য কৰিবলৈ। এইবোৰ কাম অতি গোপনে কৰা হৈছিল। নেতৃত্ব লোৱা দুই এজনৰ বাহিৰে ক'ত কি কাম কৰিব লাগিব আগতীয়াকৈ জানিবলৈ দিযা নহৈছিল।

১৩/৮/৪২ তাৰিখে আখিৰঙাৰ এক গোপন স্থানত আলোচনা হ'ল ১৫/৮/৪২ তাৰিখে বাতি শিলঘাটৰ পেট্ৰল ডিপো আৰু এজেন্সি অফিচৰ (কিলবাৰ্ণ এণ্ড কোং) অফিচ, ঘৰবাৰি সকলো জ্বলাই দিব। 'তোমালোকৰ মেলত মই নাথাকো' বুলি এগৰাকী গান্ধীবাদী নেতাই সেই ঠাই ত্যাগ কৰিলে। ১৪ তাৰিখে পুৱা বেলাতে গৈ সকলো চাই চিতি পিছৰ দিনাৰ কাৰ্যসূচী ৰূপায়নৰ নিখুঁত ব্যৱস্থা কৰা হ'ল।

কিন্তু ১৫/৮/৪২ তাৰিখে পুৱা বেলাতে জিলা কংগ্ৰেছৰ জৰুৰী নিৰ্দ্দেশ খন হাটবৰ প্ৰাথমিকৰ এজন মৃত্যু বাহিনীৰ লোকে পাই আচৰিত হ'ল।

এই নিৰ্দ্দেশৰ চিঠিখন তুলি দিয়া হ'ল।

"কংগ্ৰেছ কৰ্ম্মী নায়ক আৰু শান্তিসেনা সকলৰ প্ৰতি নিৰ্দ্দেশ।

জিলা কংগ্ৰেছ কৰ্তৃপক্ষৰ কোনো নিৰ্দ্দেশ নোপোৱাকৈ জিলাৰ কোনো পেট্ৰল পাম্প আদি কোনো কংগ্ৰেছ কৰ্ম্মী নায়ক আৰু শান্তি সেনা বা কংগ্ৰেছৰ লগত সহানুভূতি থকা লোকে নষ্ট নকৰিব বা নষ্ট কৰাবলৈ চেষ্টা নকৰিব।

১৪/৮/৪২
(জিলা কংগ্ৰেছৰ মোহৰ)

শ্ৰীমহীচন্দ্ৰ বৰা
সম্পাদক জৰুৰী কংগ্ৰেছ কমিটি
নগাওঁ।"

আমাৰ হাতত থকা জিলা কংগ্ৰেছলৈ পঠিওৱা সাপ্তাহিক ডায়েৰীৰ চানেকি হিচাপে এসপ্তাহৰ ডায়েৰী তুলি দিয়া হ'ল।

"কলিয়াবৰৰ ডায়েৰী

১১/৮/৪২ তাৰিখৰ পৰা ১৭/৮/৪২ তাৰিখলৈ হৰতাল পালন

তাৰিখ	ঠাই	কাম	মন্তব্য
১১/৮/৪২	চতিয়াল শঙ্কৰ মন্দিৰ প্ৰাঙ্গণত	এখন বিৰাট সভা পতা হয়	শ্ৰীযুত মহেন্দ্ৰ নাথ হাজৰিকাৰ সভাপতিত্বত।
১২/৮/৪২	১৫০০ শান্তি সেনাই কলিয়াবৰত শোভাযাত্ৰা কৰে।	৩০ ০০০ থৰ ৩০০০ গোটি ইকৰা পোৱে।	
১৩/৮৪২	শ্ৰীখানুৰাম ভূঞা সভাপতিদেৱক বাতি শুই থকা অৱস্থাত পুলিছে গ্ৰেপ্তাৰ কৰে।	মহীলা ও শান্তি সৈন্য সকলে বিৰাট শোভাযাত্ৰা কৰে ও কমিটি কৰে।	
১৪/৮/৪২	কলিয়াবৰ অঞ্চলৰ চাৰিওফালৰ পৰা পুৰুষ ও মহীলা সমবেতঃ প্ৰহেছন কৰি	মোট ৫০০০ লোক সংখ্যাৰে কুঁৱৰীটোল গান্ধী পথাৰত এখন বিৰাট সভা পতা হয়।	শ্ৰীযুত মতিৰাম বৰা ও শ্ৰীযুত বিমলা বৰাও উপস্থিত থাকে।
১৫/৮/৪২	বামুনি অঞ্চলত শোভাযাত্ৰা কৰা হয়।	বাগান বজাৰ বন্ধ সম্পৰ্কে	
১৬/৮/৪২	হাট বজাৰ পিকেটিং কৰা হয়।	জখলাবন্ধা, শলাল, শিলাবাটি ও মিছা	সম্পূৰ্ণ মতে বন্ধ হয়।
১৭/৮/৪২	বজাৰ বন্ধ কৰা হয সভা সমিতি হয়	কুটিমাৰি চিলাবন্ধা ও সোনাৰি গাৱঁত	

শ্ৰীগোলোক চন্দ্ৰ হাজৰিকা

অফিচ সম্পাদক, কঃ কেন্দ্ৰীয় কংগ্ৰেছ কমিটি।"

কলিয়াবৰত জিলা কংগ্ৰেছৰ সকলো নিৰ্দ্দেশ আখৰে আখৰে পালন কৰা হৈছিল। নিৰ্দ্দেশ পাই পেট্ৰল ডিপো জ্বলোৱাৰ কাৰ্য্যসূচী বাতিল কৰা হ'ল। যা-যোগাৰ কৰিবলৈ যোৱা সময়ত শিলঘাটৰ কোনোবাই কেনেবাকৈ গম পাই খবৰটো নগাওঁ জিলা কংগ্ৰেছক দিলে বুলি সন্দেহ কৰা হ'ল। গতিকে ইটো কাৰ্য্যসূচীও বন্ধ কৰা হ'ল। এই নিৰ্দ্দেশ কলিয়াবৰৰ কেন্দ্ৰীয় কংগ্ৰেছৰ যোগেদি অকল হাটবৰলৈহে পঠিওৱা হৈছিল।

সৰুভগীয়া প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই কেন্দ্ৰীয় কংগ্ৰেছলৈ পঠিওৱা পযেকীয়া বিপৰ্টত লিখিছিল (তলত তুলি দিয়া হ'ল)-

"১৮/৮/৪২ মঙ্গলবাৰ আজি ১০ জন শান্তিসেনা পাৰঘাট মদৰ দোকানত পিকেটিং কৰিবলৈ দিয়া হয়। আজি আবেলি ৫।। (চাৰে পাঁচ) টা বজাত বৃটিছৰ পৰিয়াই সৰুভগীয়া প্ৰাঃ সভাপতি শ্ৰীযুত বিনোদ হাজৰিকা আৰু প্ৰাঃ সভ্য শ্ৰীযুত গনেশ চন্দ্ৰ শৰ্ম্মাক চোৰৰ দৰে আহি বন্দী কৰি নিয়েহি।

উক্ত দিনা ১৪ টা বৃটিছৰ পৰিয়াই শ্ৰীযুত জয়কান্ত হাজৰিকাক বেমাৰি শয্যাগত অৱস্থাত বন্দী কৰে। উক্ত সময়ত গাৱঁত কোনো শান্তি সেনা বা মতা মানুহ নাছিল। শ্ৰীযুত হাজৰিকা, নায়কক, নিৰ নোৱাৰি ২ জন ল'ৰাৰ জিম্মাত ৰাখি থৈ গৈছে বুলি বিপৰ্ট পোৱা গৈছে।"

সমগ্ৰ ক্ৰলিয়াবৰত ভঙুৱা কানীযা আৰু মদপী সকলক শান্তি সেনা, কংগ্ৰেছ কৰ্ম্মী আৰু ছাত্ৰ সকলে ধৰি শিবিৰলৈ লৈ গৈ প্ৰাথমিকত বিচাৰ দিছিল । মদৰ দোকান যি বোৰ আছিল সকলোতে সকলো সময়তে পাল পাতি পিকেটিং কৰিবৰ কাৰণে দৈনিক কৰ্ম্মী নিয়োগ কৰা হৈছিল। প্ৰতিখন গাওঁ সংগঠনৰ ফালৰ পৰা ৰাতি পহৰা দিয়া হৈছিল। ৰাইজ আৰু শান্তিসেনা সকলক সক্ৰিয় কৰি ৰাখি স্বাধীনতা সংগ্ৰামৰ বাবে অনুপ্ৰাণিত কৰি ৰাখিবলৈ এঠাইত নহয় এঠাইত শোভাযাত্ৰা কৰিছিল আৰু ইযাৰ বাতৰি সকলো প্ৰাথমিকলৈ প্ৰেৰণ কৰা হৈছিল । প্ৰত্যেক প্ৰাথমিকতেই কৰ্ম্মী সকলে নিজৰ সজাগতা আৰু কৰ্ম্ম তৎপৰতা দেখুৱাবলৈ চেষ্টা কৰিছিল-, দুই তিনিখন গাৱঁৰ ভিতৰতে শোভাযাত্ৰা কৰিছিল।

কেন্দ্ৰীয় কমিটিৰ অফিচৰ পৰাই কোনে ক'ত কোন দিনা শোভাযাত্ৰা কৰিব নিৰ্দ্ধাৰণ কৰি দিয়া হৈছিল । মাজে মাজে মহিলা সকলেও নিজাকৈ শোভাযাত্ৰা উলিযাইছিল। এই ক্ষেত্ৰত সেই প্ৰাথমিকৰ নাযক বা সম্পাদক আৰু শান্তিসেনা পুৰুষ সকলে মহিলা শোভাযাত্ৰা পৰিচালনা কৰিছিল।

প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰাৰ সময়তে মুষ্টি ভিক্ষাৰ ব্যৱস্থা কৰা হৈছিল। প্ৰতিঘৰ গৃহস্থিৰ পাক ঘৰত একোটাকৈ মাটিৰ টেকেলি ৰখা হয়। প্ৰতিসাজ ভাতৰ বাবে ৰান্ধিবলৈ লোৱা চাউলৰ পৰা মাত্ৰ এমুঠি চাউল কাঢি টেকেলিত ভৰাই থোৱা হৈছিল। এসপ্তাহৰ মূৰত এই চাউল প্ৰাঃ কংগ্ৰেছ কাৰ্য্যালয় (শিবিৰ) বা কোনো এক নিৰ্দ্দিষ্ট ঠাইত জমা দিব লাগিছিল। এযা মুষ্টি ভিক্ষাৰ চাউল বুলি কোৱা হৈছিল। ট্ৰেইনিং শিবিৰ, বানপানীত ক্ষতিগ্ৰস্ত সকলক বা অন্য জৰুৰী প্ৰযোজনত সাহাৰ্য্য হিচাপে দিয়া হৈছিল। বেচি জমা হ'লে বিক্ৰি কৰি ধন হিচাপে জমা ৰখা হৈছিল।

শ্ৰীদণ্ডিৰাম বৰুৱা

কলিয়াবৰ কংগ্ৰেছৰ সভাপতি হৈয়েই সম্পাদকক লগত লৈ শ্ৰীদণ্ডিৰাম বৰুৱাদেৱে দিন ৰাতি ছেদ ভেদ নোহোৱাকৈ অবিশ্ৰান্ত ভাৱে ঘুৰি সমগ্ৰ কলিয়াবৰৰে প্ৰাথমিক বোৰলৈ গৈ সাংগঠনিক দিশ আৰু কাম কাজ চালেগৈ। দুয়োজনে প্ৰয়োজনীয় পৰামৰ্শ দিলে।-অহিংসাৰ বাণী ৰাইজৰ মনত সুমুৱাই দিবলৈ সক্ষম হ'ল। কেন্দ্ৰীয় অফিচৰ পৰা সকলো চিঠি পত্ৰ নিৰ্দ্দেশ আদি দিয়াৰ উপৰিও ১৫ আগষ্টৰ পৰা ১৯ আগষ্টৰ ভিতৰত দুয়োজনে ৩৫ খন প্ৰাথমিকলৈ গৈ কাৰ্য্যালয় পৰিদৰ্শন কৰিলে। প্ৰতি মুহূৰ্ত্ততে তেখেত সকল সতৰ্ক হৈ থাকিব লাগে। পুলিছ চোৰাংচোৰাৰে মুখামুখিও হয় কিন্তু কিবা উপায় কৰি সাৰি আহে।

সাংগঠনিক দিশত যদিও ফলপ্ৰসু ভাৱে আগ বাঢ়িছিল কলিয়াবৰ কংগ্ৰেছৰ আৰু বহুত কাম কৰিবলৈ তেতিয়াও বাকী আছিল । কিন্তু কলিয়াবৰৰে অতি দুৰ্ভাগ্য যে সভাপতি হিচাপে মাত্ৰ ৬ টা দিন অক্লান্ত পৰিশ্ৰম কৰি কাৰ্য্যভাৰ চন্তলাৰ পিছতে শ্ৰীদণ্ডিৰাম বৰুৱাদেৱে জীৱন নাটৰ সামৰণি মাৰিলে।

১৯/৮/৪২ তাৰিখে ৰাতি মাধতাৰিৰ এক গুপ্ত স্থানত এখন গোপনীয় সভা হৈছিল। সভাৰ কথা চৰকাৰী চোৰাংচোৰাই গম পাই থানাত জনালে লগে লগে সদলবলে পুলিছ মিলিটাৰী আহিল। আমাৰ শান্তিসেনা সকলেও মিলিটাৰী অহাৰ খবৰ জনালেগৈ। ইতিমধ্যে মিলিটাৰী আহি নঙলামুখ পালেহিয়েই। সকলো ওলাই দিহা দিহি ইঘৰ সিঘৰৰ পিছফালে বাইতল কলাতলৰ মাজেৰে আতঁৰি গ'ল। কাগজ পাতি সামৰি লয় মানে মিলিটাৰীয়ে ঘেৰাও কৰাত শ্ৰীবদন বৰদলৈ কেনিও যাব নোৱাৰি শোৱনি কোঠাত সোমাল। ঘৰৰ গাভৰু ছোৱালীজনীয়ে নোৱাৰা হোৱাৰ বুধি কৰি দুৰাৰ মুখতে বহি থাকি পুলিছক ধমকি দি ভিতৰ সোমাবলৈ নিদিলে। আখিৰঙাৰ শ্ৰীসোমকান্ত হাজৰিকা আৰু গাৰিকুৰিৰ শ্ৰীৰমাকান্ত বৰা দুয়ো ৰাতিটো জংঘলৰ মাজতে কটাব লগীয়া হ'ল, কাৰণ তেতিয়া হাটৰৰতো মিলিটাৰী নামিছিল। শ্ৰীদণ্ডিৰাম বৰুৱাদেৱৰ শকত-আৰত মানুহ। তেখেত দৌৰি দৌৰি গৈ চতিয়ালৰ ঘৰ পালেগৈ। কিন্তু ঘৰ পোৱাৰ প্ৰায় আধা ঘণ্টামানৰ পিছতে তেখেতৰ মৃত্যু হ'ল।

সেই সময়ৰ চতিয়াল প্ৰাঃ কংগ্ৰেছ কমিটিৰ সম্পাদক শ্ৰীগোলোক চন্দ্ৰ হাজৰিকাই খবৰটো জনাই নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সভাপতি লৈ লিখিলে-

মহোদয়,

দুখৰ বিষয় কি জনাম দেশৰ এই সন্ধিক্ষণ অৱস্থাত আমি কলিয়াবৰ বাসীয়ে হঠাতে এজন বিশিষ্ট কংগ্ৰেছ কৰ্ম্মী হেকৱালো। গত ১৯/৮/৪২ তাৰিখ বুধবাৰে ৰাতি প্ৰায় ১১ টা বজাত হঠাৎ

আঘাতটো মানৱ হিতৱতে কেনো বেমাৰ-এজাৰ নোহোৱাকৈ কলিয়াবৰৰ কৰ্ম্মবীৰ শ্ৰীযুত দণ্ডিৰাম বৰুৱাদেৱে স্বৰ্গধামলৈ গমন কৰিলে। জাতাৰ্থে জনালো। ইতি- ২০/৮/৪২।"

শ্ৰী দণ্ডিৰাম বৰুৱাদেৱক হেৰুৱাই সমগ্ৰ কলিয়াবৰৰ বাইজৰ মূৰত বিনামেঘে বজ্ৰপাত পৰিল। বনজুইৰ দৰে দৰে বিয়পি পৰিল এই খবৰ। চতিয়ালৰ তেখেতৰ ঘৰলৈ বাইজ ভাগি আহিল। শান্তিসেনা সকল হ'ল যেন নিঠকৱা-, বাইজ হ'ল ম্ৰিয়মাণ।

অৰ্গেনাইজাৰ শ্ৰীসোমেশ্বৰ ৰবাদেৱে চতিয়াল প্ৰাথমিক কংগ্ৰেছ কমিটিৰ বাইজৰ প্ৰতি আবেদন জনালে এই বুলি-

" বাইজ সকল,

একনিষ্ঠ অক্লান্ত কৰ্ম্মী এজন আমি হাততে হেৰুৱালো। গোটেই কলিয়াবৰে এই খবৰ পাই মৰ্ম্মান্তিক বেজাৰ পাইছে। গোটেই কলিয়াবৰৰ জীৱন মৰণ তেখেতৰ ওপৰত নিৰ্ভৰ কৰি (বিশেষকৈ আসন্ন আন্দোলনৰ হিতৱত) আমি সকলোৱে তেখেতৰ মুখলৈ চাই আছিলো। কিন্তু তেখেতে আজি ইহধামৰ পৰা প্ৰয়াণ কৰি আমাৰ মনত বেজাৰ দি যৈ গ'ল।

গোটেই কলিয়াবৰেই তেখেতৰ পুত্ৰ। পুত্ৰই আজি তেখেতৰ সৎকাম কৰিব লাগিব। আপোনালোকৰ শ্ৰীচৰণত ভালে-বেয়াই এই আৱাৰ বাক্য স্থাপন কৰিছো যাতে সদ্গতি কামনাৰ্থে এটি বিৰাট শোভাযাত্ৰা কৰে। তেখেতৰ কামৰ কাৰণে গোটেই কলিয়াবৰৰ প্ৰাথমিক কংগ্ৰেছ কমিটিক নিমন্ত্ৰণ জনায়। অৱশ্যে ই দুঃসাধ্য। সেইবুলি বাপেকক পুতেকক পুতেকে এবাটো নিশ্চনীয়।

এই কাৰ্য্যত গোটেই প্ৰাথমিকৰ বাইজে সহায় আৰু কষ্ট কৰি কলিয়াবৰৰ দেশ সেৱকৰ আৰু কৰ্ম্মীৰ গৌৰৱ ৰক্ষা কৰিব বুলি বাঞ্ছা কৰিলো। এয়ে বাইজৰ শ্ৰীচৰণত দুখ মনেৰে নিবেদন আছিল। ইতি

বাইজৰ সেৱা ভিক্ষাৰী

শ্ৰীসোমেশ্বৰ ৰবা, ২০/৮/৪২।"

চতিয়াল প্ৰাথমিক কংগ্ৰেছে এই নিবেদনৰ প্ৰতি সম্মান জনালে। এইখনৰ নকল কৰি প্ৰতিখন প্ৰাথমিকলৈ পঠিওৱা হ'ল। প্ৰত্যেক প্ৰাথমিকতে শোক সভা পাতিলে। মৌণ শোভাযাত্ৰা কৰিলে।

প্ৰতি প্ৰাথমিকৰ পৰাই যি যেনেকৈ পাৰে প্ৰয়োজনীয় বস্তুৰ যোগান ধৰিলে আৰু শ্ৰাদ্ধৰ দিনা ২/৩ জনকৈ প্ৰতিনিধি আহি যোগ দিলে। বাতিলৈ অঙ্কীয়া নাট ভাওনা অনুষ্ঠিত কৰি মৃতকৰ প্ৰতি সম্মাণ জনালে।

২০/৮/৪২ তাৰিখেই কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ জৰুৰী সভা বহে আৰু শ্ৰীবৰুৱাদেৱৰ মৃত্যুত শোক প্ৰস্তাৱ গ্ৰহণ কৰে। তলত প্ৰস্তাৱ দুটা তুলি দিয়া হ'ল (যেনে আছে তেনেকৈয়ে)-

" শ্ৰীযুত দণ্ডী বৰুৱাৰ উপলক্ষে শোক সভা

১। অক্লান্ত নিস্বাৰ্থ ত্যাগী কৰ্ম্মবীৰ দণ্ডীধৰ বৰুৱাদেৱৰ আকস্মিক মৃত্যু হোৱাত তেখেতৰ আত্মাৰ

সম্পত্তিৰ অৰ্থে ঈশ্বৰৰ ওচৰত প্ৰৰ্থনা জনাই শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনোৱা হওক। সমৰ্থন-

২। যিহেতু তেখেত এজন কলিয়াবৰৰ প্ৰধান নিস্বাৰ্থ কংগ্ৰেছ কৰ্ম্মী আছিল ১৯২১ চনৰ আন্দোলনৰ পৰা তেখেতৰ শেষ নিশ্বাস পেলোৱা পৰ্য্যন্ত দেশৰ কাম কৰিছিল, গতিকে তেখেতৰ অন্ত্যেষ্টি ক্ৰিয়াৰ শেষ সমাধিৰ দিনা তেখেতৰ উদ্দেশ্যে চতিয়াল শঙ্কৰ মন্দিৰত এখনি নাট গাবলৈ আহ্বান কৰা হওক।

সমৰ্থন-

২য় প্ৰস্তাৱৰ তাঁৰ চতিয়াল প্ৰাথমিকক দিয়া হৈছে। কেন্দ্ৰীয় সভাই খৰহ বহন কৰিব।

শ্ৰীলক্ষীধৰ বৰা, সভাপতি।"

সেইদিনাৰ সেই সভাতে "শ্ৰীদণ্ডীৰাম বৰুৱাদেৱৰ মৃত্যুত শ্ৰীসোমকান্ত হাজৰিকা দেৱক সভাপতি নিৰ্ব্বচন কৰে। সম্পাদক আৰু অন্য সদস্য আগৰ সকলকে ৰখা হয়। আৰু এজন শ্ৰীঈশধৰ হাজৰিকাদেৱকো ৰকিং কমিটিৰ সদস্য হিচাপে লোৱা হয়।

১৯/৮/৪২ তাৰিখে জাননী দি শ্ৰীদণ্ডীৰাম বৰুৱাদেৱে যি বিশেষ জৰুৰী সভা আহ্বান কৰিছিল সেই সভা নিৰ্দ্দিষ্ট দিন ২২/৮/৪২ তাৰিখে আৰু সময় মতেই চতিয়াল শঙ্কৰ মন্দিৰত বহিল। জাননীত উল্লেখ কৰা অকল সভাপতি সম্পাদকেই নহয় শান্তিসেনা আৰু বাইজো আহিল হিলদল্ ভাঙি। কিন্তু যি গৰাকী সভাপতিয়ে এই সভা আহ্বান কৰিছিল কথা ক'বলৈ তেখেত আৰু ইহসংসাৰত নাথাকিল-, এই কথাই প্ৰতিজন ব্যক্তিৰে মনত একোটা আচোঁৰ বহুৱালে।

সভাত সভাপতিত্ব কৰিলে নতুন সভাপতি শ্ৰীসোমকান্ত হাজৰিকাদেৱে। সেইদিনাৰ সভাত কান্দোনৰ ৰোল উঠিল। শ্ৰীবৰুৱাদেৱৰ নামত বাইজে এই সভাতে শপত ল'লে স্বাধীনতা সংগ্ৰামৰ এই শেষ সমৰত জয়ী নোহোৱালৈকে বিশ্ৰাম নলয় বুলি। চকুৰ পানী বোৱাই আৰম্ভ কৰা প্ৰতিজন বক্তাৰে শেষৰ ফালে কথাবোৰ জুইৰ ফিৰিঙতিৰ দৰে যেন ওলাই আছিছিল।

শ্ৰীসোমেশ্বৰ বৰাদেৱে "বৰুৱাদেৱৰ অকাল বিয়োগত ইমান বিচলিত হৈ পৰিছিল যে তেখেতে প্ৰথমতে কথা ক'বলৈ এটাও যেন শব্দ বিচাৰি পোৱা নাছিল। চাৰিওফালে ঘুৰি ঘুৰি বাইজলৈ চাই তেখেতে নিজকে চম্ভালিব নোৱাৰি দুই হাতেৰে মুখ ঢাকি হুকহুকাই কান্দি পেলালে আৰু সভাত থকা প্ৰতিজন মানুহেই কান্দিলে। এটা অতি মৰ্ম্মান্তিক দৃশ্য আছিল সেইটো। কিন্তু তাৰ পিছত লাহে লাহে আৰম্ভ কৰি শ্ৰীবৰুৱাদেৱে কোৱা কথাবোৰে মানুহৰ অন্তৰ স্পৰ্শী মনৰ ভিতৰত গোজপুতি সোমাই গৈছিল। শ্ৰীসোমেশ্বৰ বৰাদেৱ অতি মৃদুভাষী মানুহ।

সেই সময়ৰ কৰ্ম্মী সকলে ইমান শোকৰ মাজতো বজ্ৰকঠিন মনোভাব লৈ কৰ্ত্তব্য কৰি গৈছিল। কৰ্ত্তব্যক সকলোতকৈ আগত ৰাখিবলৈ কোৱা "বৰুৱাদেৱৰ নিৰ্দ্দেশ মানি ২২/৮৪২ তাৰিখে হোৱা সভাৰ পিছতো বজাৰ বন্ধ কাৰ্য্যসূচী বাতিল নকৰি দুগুণ উৎসাহেৰে সকলো আগবাঢ়ি গ'ল। সেইদিনা প্ৰায় ২৫০ জন শান্তি সেনাই আমলখি শালনা বজাৰ বন্ধ কাৰ্যসূচীত অংশ গ্ৰহণ কৰিলে।

সেইদিনা বজাৰ সম্পূৰ্ণৰূপে বন্ধ হ'ল। ইতিমধ্যে পুলিছ মিলিটাৰী আহি সেই ঠাই

ভৰি পৰিল। শান্তিসেনাৰ ওপৰত অত্যাচাৰ চলালে।

কুঁৱৰীটোলৰ শ্ৰীখগেশ্বৰ বৰদলৈ দেৱে সেইদিনাৰ বজাৰ বন্ধৰ বৰ্ণনা দি কৈছিল যে ২২/৮/৪২ তাৰিখে আমলখি শালনা বজাৰ বন্ধ কৰাৰ সময়ত বহুতকে গ্ৰেপ্তাৰ কৰে। বাতিটো চামগুৰি থানাত বাখি পিছৰ দিনাহে নগাঁৱলৈ চালান দিয়ে। তেখেত সকলে ৩ সাজ ভাত বা একো খাবলৈ নাপালে, লঘোণে বাখিলে। ১৯ দিন জেল হাজোতত বাখি কচ (Ruse) চাহাবে সকলোকে ৬ মাহকৈ জেল দিলে। ইয়াৰ পিছত লগে লগে ষোৱহাট জেললৈ পঠিয়াই দিলে।

শ্ৰীবৰদলৈ দেৱৰ বৰ্ত্তমান বয়স ৮৭ বছৰ। কেইবছৰ মান আগতে মই লগ ধৰোঁতে কৈছিল "সেইদিনা আমাৰ গ্ৰেপ্তাৰ কৰা দলটোত বহুত আছিল। তাৰ ভিতৰত মিচামুখৰ সৰ্ব্বশ্ৰীবোকাই বৰা, দেহিৰাম বৰা , দুৰ্ল্লভ বৰা, পানীগাওঁৰ সৰ্ব্বশ্ৰী উপেন মেধি, জেঠু গৰা, দিষাকৰ মুদৈ, চেনিৰাম হাজৰিকা, হালোৱা গাওঁৰ শ্ৰীৰূপৰাম , নামগাওঁৰ শ্ৰীনীল কান্ত বৰা, শিৱস্থানৰ সৰ্ব্বশ্ৰীসনাতন বৰ্মণ (কুসুমতলী), কামুৰাম গায়ন আৰু ফটিক চন্দ্ৰ ভূঞা, ৰৰভগীয়াৰ সৰ্ব্বশ্ৰী ভোগেশ্বৰ বৰুৱা, মাণিক বৰা, ৰূপৰাম বৰা, কপাহী বৰা, কুঁৱৰীটোলৰ সৰ্ব্বশ্ৰী দুৰ্ল্লভ বৰা, নিশিকান্ত হাজৰিকা, পূৰ্ণকান্ত বৰদলৈ, নাগীয়া বৰা, সৰু ল'ৰা বৰা, দেৱাই বৰা, খৰ্গেশ্বৰ হাজৰিকা, মহেন্দ্ৰ শৰ্ম্মা, নাগীয়া বৰদলৈ, আৰু পদুম হাজৰীকা। বাকী সকলৰ নাম এতিয়া মনত নপৰে পাহৰিছোঁ।"

বজাৰ বন্ধ সংক্ৰান্তত সেইদিনা কলিয়াবৰত মুঠতে ৫৬ জনক গ্ৰেপ্তাৰ কৰি জেললৈ নিছিল। ইয়াৰ ভিতৰত অন্য ঠাইৰ মানুহো আছিল। কিন্তু কোনো তথ্য সংগ্ৰহ কৰিব পৰা নহ'ল যাবে সকলোৰে নামো দিব পৰা নগ'ল।

দুদিনমান পিছত ২৪ কি ২৫ আগষ্টত ৰৰভগীয়াত বহাৰ শ্ৰীমহেন্দ্ৰ হাজৰিকাৰ সভাপতিত্বত এখন সভা হৈছিল। এই সভাত শ্ৰীমুক্তি গোস্বামীদেৱেও ভাষণ দিছিল। সৰ্ব্বশ্ৰী বংশী বৰুৱা, নিশিকান্ত বৰা, ভূমি মুদৈ আদি শান্তি সেনা সকলে পহৰা দি আছিল। শ্ৰীভূজেন বৰুৱাই ইফালৰ পৰা সিফালে গৈ তদাৰক কৰি আছিল।

নাম গাওঁৰ শ্ৰীদুৰ্ল্লভ বৰাদেৱে ভেতিয়া মিচাৰ পাউণ্ড আৰু উলুৱনী বজাৰ ডাকি কাম চলাই আছিল। তেখেতৰ কাম কাজত পুলিচৰ সন্দেহ হ'ল। মিটিং ভাগি সকলো ঘৰা-ঘৰি গ'ল। কিন্তু সেইদিনাই সন্ধ্যাৰ অলপ পিছতে মিচাৰ ডাক বঙলাত জুই দিলে। বেটিকে পুৰিবলৈ নাপালে ওচৰতে থকা পুলিছ মিলিটাৰীয়ে নুমুৱালে। বেটি ক্ষতি নহ'ল।

কিন্তু এই অপৰাধতে সৰ্ব্বশ্ৰীদুৰ্ল্লভ বৰা, বীৰেন বৰুৱা, মোহন হাজৰিকা, ভূমি মুদৈ, ৰূপৰাম হাজৰিকা (পানীগাওঁ), ফটিক পাটোৱাৰী, নিশিকান্ত বৰা, কৃষ্ণ বিশ্বাস আদি ১০/১২ জন মানক গ্ৰেপ্তাৰ কৰি থানালৈ লৈ যায় আৰু পিছৰ দিনা নগাঁৱলৈ চালান দিয়ে।

ডাক বঙলাত জুই দিয়াৰ পৰিকল্পনা আৰু নেতৃত্ব কৰিছিল শ্ৰীমহেন্দ্ৰ হাজৰিকাই নিজে। তেখেত আৰু ভূজেন বৰুৱা পলাই সাৰিল।

শ্ৰীদুৰ্ল্লভ বৰা আৰু কে'বাজনকো কেইদিন মান বাখি প্ৰমাণৰ অভাৱত খালাচ দিলে।

(এই ঘটনাৰ বিষয়ে ওপৰোক্ত শ্ৰীদুৰ্ল্লভ বৰাদেৱে হুবহু বৰ্ণনা দিছে)।

শ্ৰীপূর্ণ শৰ্ম্মাৰ আক্ষেপ (চিঠি) ঃ গ্ৰেপ্তাৰ

শ্ৰীপূর্ণ চন্দ্ৰ শৰ্ম্মা নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ এগৰাকী অতি অগ্ৰণী লোক। অসমত কংগ্ৰেছৰ আন্দোলন আৰম্ভ হোৱাৰে পৰা তেখেতৰ কলিয়াবৰৰ লগত ওতঃপ্ৰোত সম্বন্ধ। তেখেতৰ কৰ্ম্মভূমি আছিল বিশেষকৈ কলিয়াবৰতহে। কলিয়াবৰৰ প্ৰায় বেচি ভাগ কৰ্ম্মীকে তেখেতে ব্যক্তিগত ভাৱে চিনি পাইছিল।

তেখেত আছিল ১৯৪২ চনত নগাওঁ জিলাৰ সকলোবোৰ কংগ্ৰেছ কমিটিৰ অধীনৰ শান্তিসেনা বাহিনীৰ অধিনায়ক। নগাওঁ জিলাৰ ভিতৰতে কলিয়াবৰ কংগ্ৰেছ সাংগঠনিক দিশত সকলোতকৈ আগবঢ়া বুলি তেতিয়াৰ নগাঞা আৰু প্ৰাদেশিক কংগ্ৰেছৰ নেতা সকলে একেমুখে স্বীকাৰ কৰি প্ৰশংসা কৰিছিল। শ্ৰীপূর্ণ শৰ্ম্মাদেৱক ২৪/৮/৪২ তাৰিখে গ্ৰেপ্তাৰ কৰাৰ আগদিনা তেখেতে লিখা চিঠিখনৰ নকল তুলি দিয়া হ'ল-

"কলিয়াবৰ, লাওখোৱা আৰু চামগুৰিৰ শান্তিসেনা বাহিনীলৈ

মোৰ অতি ভাগৰ লাগিছে আৰু আৰু জিৰণি লোৱাটোকে বহুত কাৰণতে উচিত বুলি বিবেচনা কৰিছোঁ। অৱশ্যে ম'ত থাকো ত'ৰে পৰা মোৰ প্ৰাণ আৰু মন বাহিজৰ লগতে থাকিব।

মোৰ বেজাৰ এয়ে যে মই আকৌ এবাৰ সেই ফালৰ পৰা আহিবলৈ নাপালো। বিশেষকৈ লাওখোৱালৈ যাবলৈ নাপাই মই অতি দুঃখিত। কিন্তু আপোনালোকে কংগ্ৰেছৰ বাণী (বুজিব নোৱাৰি) উদ্যম আৰু উৎসাহেৰে মুনিহ আৰু মহিলা সকলে পালন কৰি ইংৰাজ ৰাজত্বৰ যোৰ পেলাব খুজিছে তাক শুনি আনন্দত মোৰ শৰীৰ বোমাঞ্চিত হয়। গৌৰৱ অনুভৱ কৰিছোঁ কলিয়াবৰৰ শান্তিসেনা বাহিনীয়ে নিজৰ কীৰ্ত্তি ৰাখিছে আৰু নগাওঁৰ আগৰপুৱা হৈছে। কিন্তু অহিংস থাকিব লাগিব। আমাৰ জয় সু-নিশ্চিত। যিমান দিনলৈকে ইংৰাজ ৰাজত্বৰ অস্তিত্ব থাকিব তেতিয়ালৈকে কোনেও যেন . ..(এইবিনিতে সাত আঠটামান শব্দ পোকে কুটিলে).. পাচত যেন নগাওঁ জিলাৰ পৰা বুটিছ ৰাজত্বৰ চিন নাথাকে। প্ৰথমতে গাওঁবুঢ়া সকল, লগে লগে উকিল তৰণীৰ কাছাৰি ত্যাগ, ১৫ বছৰৰ ওপৰৰ ফুলীয়া ল'ৰা-ছোৱালীৰ স্কুল ত্যাগ, পাঠশালা স্কুল পণ্ডিত সকল গান্ধী টুপী পিন্ধি স্কুললৈ গৈয়েই বন্দেমাতৰম গানেৰে পঢ়া আৰম্ভ, জিলালৈ কোনো মানুহ নহা ইত্যাদিৰে আৰম্ভ কৰি ১ লা ছেপ্টেম্বৰ বা তাৰ ২/১ দিনৰ ভিতৰতে সকলো চৰকাৰী কৰ্ম্মচাৰীৰ পদত্যাগ হ'ব লাগিব। গাৱে গাৱে মুহিহ ডিবোতা সকলে নিতৌ শোভাযাত্ৰা, সকলো শান্তি সেনাই কেম্পত ওই ৰাতি দিন পহৰা আৰু পিকেটিং প্ৰভৃতি আদি চলাব লাগিব।

'দণ্ডিযাম বকৰাৰ আস্তালৈ মোৰ শ্ৰদ্ধা জনালো। দুখ লাগে উৎসাহী পুৰুষজন আজি আমাৰ মাজত নাই কিন্তু মোৰ ধৰ্ম্ম বিশ্বাস যেন তেওঁৰ আত্মাই সদায় আমাৰ লগে লগে ফুৰিছে। তেওঁৰ আদৰ্শ সকলোৱেই ল'ব লাগিব।

মনত ৰাখিব শান্তি সেনা সকল, যে দেশখন আজি তাৰহে যি প্ৰাণ পণ কৰি জন্মভূমিক উদ্ধাৰ কৰিবলৈ ওলাইছে। সাত সমুদ্ৰ তেৰ নদীৰ পিপাৰৰ কেইজন মান বগা চামবাৰ বা তাহাতৰ পদ লেহনকাৰী আমাৰ নিমখ খোৱা কিন্তু ইংৰাজৰ হুকুম মতে আমাক গুলিয়াব খোজা কেইজন মান দেশ দ্রোহীৰ দেশ নহয়। (...দুটা শব্দ কুটিলে) আমাৰ দেশ আৰু আমাৰ গাওঁ . (তিনিটামান শব্দ কুটিলে) লাগিব। সমস্ত বাধা বিঘিনি (অতিক্ৰম কৰি?) আমাৰ দেশ উদ্ধাৰ কৰিব লাগিব।

মই জিৰণি ল'বলৈ ওলালো। তোমালোকৰ লগত মোৰ শেষ এটোপাল তেজ একেলগে পেলাবলৈ পোৱা হ'লে ধন্য হ'লোহেঁতেন-, কিন্তু মোৰ দুৰ্ভাগ্য যে মই জিৰণি ল'ব লগা হ'ল। মোৰ কাম মই শেষ কৰিলো। বাকীখিনি আপোনালোকৰ।

এই শেষ আন্দোলন আৰু নহয়, জীৱনলৈকে হেপাহ পলুৱাই এবাৰ মাতৃ পূজা কৰি লওক। জয় নিশ্চয় হ'ব। প্ৰিয় কৰ্ম্মীসকল, আপোনালোকলৈ মোৰ শ্ৰদ্ধা আৰু শেষ নিবেদন- আপোনালোকৰ দ্বাৰাই স্বৰাজ হ'বই লাগিব। গোটেই দেশতে জুই জ্বলিল নগাওঁ জিলাও কাতোকৈ পিছ পৰিলে নহ'ব- সকলোকতকৈ আগত এজিয়াললৈকে আছো আৰু সকলোতকৈ আগত থাকিব লাগিব।

কলিয়াবৰৰ বুলিহ তিৰোতা সকলোৱেই নগাৰঁৰ আগত থাকিব লাগিব আৰু নিশ্চয় থাকিব। এটা মানুহৰো যেন গাৰ তেজ এটোপাও অনৰ্থক যাবা হানি নহয়। কিন্তু দেশ শত্ৰুৰ ক্ষমা নাই আৰু কেতো ধৰণৰ কোনো শত্ৰুৰ প্ৰায়শ্চিত নাই।

বন্দে মাতৰম

আপোনালোকৰ (পোকে কুটিলে)

শ্ৰীপূৰ্ণ চন্দ্ৰ শৰ্ম্মা।"

স্বাধীনতা আন্দোলনত অসমৰ ভিতৰত নগাওঁ জিলা সকলোতকৈ আগবঢ়া বুলি তেতিয়া প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে অকপটে স্বীকাৰ কৰিছিল। কিন্তু ইফালে আকৌ নগাৰঁৰ ভিতৰত কলিয়াবৰ সকলো ফালে আগত আছিল বুলি সকলোৱে মানি লৈছিল। নগাঞা নেতা সকলে কলিয়াবৰলৈ অতি সযনে আহিছিল- মানুহৰ উৎসাহ উদ্দীপনাৰ শলাগ লৈছিল।

এই চিঠিখনৰ কপি কৰি কলিয়াবৰৰ প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটিলৈ পঠিওৱা হৈছিল। চিঠিখনত লিখা কথাখিনি সকলো ঠাইতে আলোচনাৰ বিষয় হৈ পৰিছিল আৰু শৰ্ম্মাদেৱৰ কথাই বাইজক বিশেষকৈ শান্তিসেনা সকলক উদগনি দিছিল।

কলিয়াবৰত প্ৰথম ১৪৪ ধাৰা ভঙ্গ

২৩/৮/৪২ তাৰিখে সমগ্ৰ নগাওঁ জিলাতে ১৪৪ ধাৰা জাৰি কৰিলে আৰু ২৪/৮/৪২ তাৰিখে পুন্তি নিশাতে শ্ৰী পূৰ্ণ শৰ্ম্মা দেৱক গ্ৰেপ্তাৰ কৰিলে। কিন্তু গ্ৰেপ্তাৰ কৰাৰ আগদিনাই তেখেতে চিঠিখন কলিয়াবৰলৈ পঠিয়াই দিছিল।

ওপৰোক্ত দুয়োটা খবৰেই ২৪/৮/৪২ তাৰিখে পুৱাবেলা কলিয়াবৰত পায়েই কেন্দ্ৰীয় কংগ্ৰেছ কমিটিয়ে এই ১৪৪ ধাৰা ভঙ্গ আৰু গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰিবৰ বাবে কাৰ্যসূচী হাতত ল'লে। সেই মৰ্ম্মে ২৫/৮/৪২ তাৰিখে এই নিষেধাজ্ঞা ভঙ্গ কৰিবলৈ সমগ্ৰ কলিয়াবৰৰ প্ৰাথমিক কংগ্ৰেছ কমিটিলৈ জাননী দিলে। আমাৰ হাতত থকা তেনেকুৱা জাননীৰ এখনৰ নকল তলত তুলি দিয়া হ'ল-

"জাননী

ইয়াৰ দ্বাৰা পূবথৰীয়া, তেলীয়া, মাধতাৰি, বাপলাবাৰল নিজ কলিয়াবৰ, লোগাৰি গাওঁ আৰু ওপৰ

সোণাৰি গাঁৱৰ প্ৰাথমিক কমিটিৰ সভাপতি সম্পাদক ও নায়ক সকলক জনোৱা যায় যে গৱৰ্ণমেণ্টে জাৰি কৰা ১৪৪ ধাৰাৰ উত্তৰ স্বৰূপেই অহা কালিলৈ (২৫/৮/৪২ তাং) আপোনালোকৰ প্ৰাথমিকৰ শান্তি সেনা আদি কৰি সকলোটিয়ে শিলঘাট অভিমুখে যাত্ৰা কৰিব লাগিব। শোভাযাত্ৰা সম্পূৰ্ণ শান্তিপূৰ্ণ হ'ব লাগিব। কেবল মাত্ৰ গান গাব আৰু জয়ধ্বনি কৰি ফিৰি আহিব। যদি সময় হয় আপোনালোকৰ সুবিধা অনুসাৰে কোনো ঠাইত মিটিং আদিও কৰিব পাৰে।

সময়ৰ নাটনীৰ বাবে একে জাননীৰ দ্বাৰা আপোনালোকৰ সকলো প্ৰাথমিককে জনোৱাৰ ত্ৰুটি মাৰ্জনা কৰিব। ইতি-

(সময় দিলৰ ১২ বজা) কিমীত

২৪/৮/৪২।" কলিয়াবৰ কেন্দ্ৰীয় কৰ্তৃপক্ষৰ নিৰ্দ্দেশ ক্ৰমে।

(এই জাননী খনৰ পিঠিফালে ওপৰোক্ত প্ৰাথমিক সমূহৰ ১৪ জন মানুহে চহী কৰি জাননী পোৱাৰ স্বীকৃতি দিয়া আছে)

এইদৰে অন্য প্ৰাথমিকসমূহলৈকো জাননী জাৰি কৰা হৈছিল।

কিন্তু সেইদিনাই অৰ্থাৎ ২৪/৮/৪২ তাৰিখে আবেলি সৰুভগীয়া আৰু হাটৰ প্ৰাথমিকৰ (গাৰিকুৰি আখিৰঙা গাঁৱৰ) মহিলা সকলে শোভাযাত্ৰা কৰি এই ১৪৪ ধাৰা আইন ভঙ্গ কৰিলে। গাৰিকুৰি আখিৰঙাৰ মহিলা সকলে আবেলি ৪ মান বজাত শোভাযাত্ৰা উলিয়াই হাটৰলৈকে আগবাঢ়ি বড়িগাওঁ শাকমুঠি ভৰালি গাওঁ হৈ ঘুৰি আহিল। গাৰিকুৰিৰ সৰ্ব্বশ্ৰীমতী মোহিনী বৰা, কমলেশ্বৰী গায়ন (ভূঞা) কিৰণবালা (গুণমাই) বৰা, অকমান গায়ন গুলচী শইকীয়া, চিত্ৰা শইকীয়া আদি সকলে এই শোভাযাত্ৰাত আগভাগ লৈছিল আখিৰঙাৰ শ্ৰীমতী মহেশ্বৰী শইকীয়া আৰু গাৰিকুৰিৰ শ্ৰীমতী মনেশ্বৰী নেওগে শোভাযাত্ৰাত নেতৃত্বৰ ভাৰ লৈছিল। শোভাযাত্ৰা শান্তিপূৰ্ণ আছিল। এই শোভাযাত্ৰাত কোনো পুৰুষ নাছিল।

সৰুভগীয়া প্ৰাথমিকৰ সম্পাদক শ্ৰীটকেশ্বৰ হাজৰিকাদেৱে কলিযাবৰ কেন্দ্ৰীয় কংগ্ৰেছলৈ পঠিওৱা পযেকীয়া প্ৰতিবেদনত লিখা আছে (তুলি দিয়া হ'ল)-

"২৪/৮/৪২ (সোমবাৰ) আজি আবেলি ৬।। (চাৰে ছয়) টা বজাৰ সময়ত সৰুভগীযা প্ৰাঃ মহিলা সকলে ২ জন শান্তি বাহিনীৰ লগত গৈ বৃটিছৰ ১৪৪ ধাৰা অমাণ্য কৰি শোভাযাত্ৰা কৰি আহোতে পুলিচ চাহাবে ও বগা কমাণ্ডাৰ ১ টা, ৩ টা পণ্টনে, শান্তিসেনা দুজনক পদাঘাট হাত প্ৰহাৰ কৰি টুপী ও বেজ কাঢ়ি নিয়ে ও ধ্বজাৰ নাল জাৰি পেলাইছে মুলি শ্ৰীনাৰায়ন মুক্তিয়াৰে ৰিপৰ্ট কৰিছে।"

শ্ৰীমুক্তিয়াৰ সেই সময়ত ১ নং শান্তি সেনা। শ্ৰীটকেশ্বৰ হাজৰিকাই জাননী পায়েই সেইদিনাই মহিলা সকলৰ শোভাযাত্ৰা উলিয়াই ১৪৪ ধাৰা আইন ভঙ্গ কৰাৰ ব্যৱস্থা কৰিলে। সেই ব্যৱস্থাৰ কথা জানিব পাৰিয়েই গাৰিকুৰি আখিৰঙাৰ মহিলা সকলেও নিজাকৈ শোভাযাত্ৰা উলিয়াইছিল। শ্ৰীমুক্তিয়াৰ আৰু শ্ৰীহাজৰিকা দুয়োজনেই মিলিটাৰীৰ বুট জোতাৰ গোৰ আৰু ঘোচা-ভুকু খাইছিল।

২৪/৮/৪২ তাৰিখৰ কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ জাননী/নিৰ্দ্দেশ মতেই ২৫/৮/৪২ তাৰিখে যি যি প্ৰাথমিকক য'ত য'ত শোভাযাত্ৰা কৰি ১৪৪ ধাৰা অমান্য

কৰিবলৈ কোৱা হৈছিল সেই মতেই কাৰ্য্যসূচী পালন কৰা হ'ল।

পূবথৰীয়া, মাধতাৰি সোণাৰি গাওঁ আদি প্ৰাথমিক সমূহৰ শান্তিসেনা আৰু বাইজে শোভাযাত্ৰা কৰি শিলঘাটলৈ যায়। চামধৰা প্ৰাঃ ৰ সকলো তালৈকে যায়। তাতে মিটিং কৰে।

সৰুভগীয়া, হাটবৰ, দলগাওঁ প্ৰাঃ ৰ শান্তি সেনা সকলৰ লগতে বাইজেও শোভাযাত্ৰা কৰি কুঁৱৰীটোলৰ ফাললৈ যায়। বাটত চতিয়াল বগাজন গোমোঠা কুঁৱৰীটোল প্ৰাথমিকো লগ লাগে। বৰভগীয়া নামগাওঁ পানীগাওঁ আদি সকল আমলখিৰ ফালে আগবাঢ়িল। দেউৰী আৰু নিজ চিলাবন্ধা, নলতলি ধৰমপুৰ আদি প্ৰাঃ ৰ সকলো আমৰাগানৰ ফালে গ'ল শোভাযাত্ৰা কৰি। কুঠৰী প্ৰথমিকে সেই অঞ্চলতে শোভাযাত্ৰা কৰিলে। জখলাবন্ধাৰ পৰা শ্ৰীশশীকান্ত বৰগোঁহাঁই আৰু সৰুভগীয়াৰ শ্ৰীনিশিকান্ত মহন্ত আৰু শ্ৰীৰতিন্দ্ৰ বেনাৰ্জিৰ যুটীয়া নেতৃত্ব কিছু সংখ্যক শান্তিসেনা লৈ কুঠৰী প্ৰাথমিকক সহায় কৰিবলৈ গ'ল। কুঠৰীত তেতিয়া শ্ৰীলক্ষীকান্ত শইকীয়া আৰু শ্ৰীচন্দ্ৰ কান্ত মহন্ত (চিপহাৰ) এই দুগৰাকীয়ে নেতৃত্ব দিছিল।

কুঁৱৰীটোললৈ যোৱা শোভাযাত্ৰা কুঁৱৰীটোল থানাৰ সমুখেই পাৰ হৈ গ'ল। থানাত তেতিয়া প্ৰায় এশমান মিলিটাৰীযে হাতত বন্দুক লৈ শাৰীপাতি আছিল। বৰভগীয়াৰ ওচৰলৈকে গৈ শোভাযাত্ৰা পুনৰ ঘুৰি আহি থানাৰ আগেদিয়েই পাৰ হৈ আহিল।

২৩/৮/৪২ তাৰিখে আবেলি নগাওঁ টাউনত জাৰি কৰা ১৪৪ ধাৰা অমান্য কৰিবলৈ মাত্ৰ এদিনৰ পিছতে সমগ্ৰ কলিয়াবৰতে একে সময়তে হাজৰ হাজাৰ জনতা এনেকৈ সু-সংগঠিত ভাৱে ওলাই আহিব বুলি চৰকাৰী যন্ত্ৰটোৱে হয়তো কল্পনাই কৰিব পৰা নাছিল। জনতাৰ সু-শৃঙ্খলিত শান্তিপূৰ্ণ শোভাযাত্ৰাৰ ওপৰত সশস্ত্ৰ পুলিছ মিলিটাৰী সেইদিনা জপিযাই নপৰিল। ক'তো একো অঘটন নঘটিল।

সেইদিনা আবেলি নগাওঁ জিলা কংগ্ৰেছৰ পৰা অহা নিৰ্দ্দেশ পোৱা হ'ল।

"নগাও জিলা কংগ্ৰেছ কমিটিৰ অধিনষ্ঠ কংগ্ৰেছ কমিটি ও কৰ্ম্মী, নায়ক শান্তি সেনা আৰু বাইজ সকললৈ-

নগাওঁ কংগ্ৰেছ কমিটিৰ অধিনায়ক শ্ৰীযুত পূৰ্ণকান্ত শৰ্ম্মাক আজি গ্ৰেপ্তাৰ কৰিছে আৰু গোটেই নগাওঁ জিলাতে ডিপুটি কমিচনাৰ চাহাবে সভা-সমিতি সমদল আদি নাপাতিবৰ নিৰ্দ্দেশ দি যোৱা কালি কাৰ্য্যবিধি আইনৰ ১৪৪ ধাৰামতে হুকুম জাৰি কৰিছে। উক্ত গ্ৰেপ্তাৰ আৰু প্ৰতিবাদ কল্পে গোটেই নগাওঁ জিলাতে ২৬/৮/৪২ তাৰিখে (বুধবাৰে) হৰতাল পালন কৰিব আৰু ঠায়ে ঠায়ে সমদল সমিতি আদি পাতি শান্তিপূৰ্ণ উপায়ে উক্ত নিষেধাজ্ঞা ভঙ্গ কৰিব।

২৪/৮/৪২

ইতি

জিলা কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ।"

নগাওঁ কংগ্ৰেছৰ পৰা দিয়া আৰু এখন নিবেদন/নিৰ্দ্দেশ ২৫/৮/৪২ তাৰিখেই কলিয়াবৰত পোৱা হ'ল।

"নগাএগা ৰাইজ সকলৰ ওচৰত নিবেদন

কংগ্ৰেছত থকা কেউজন নগাৰঁৰ নেতাক আজি গ্ৰেপ্তাৰ কৰি নিলে। গৱৰ্ণমেণ্টৰ মত নেতা বিলাকক নিলে ৰাইজৰ মাজত আন্দোলন আপোনা আপুনি বন্ধ হ'ব। যাতে নেতা নহলেও আন্দোলন পুৰা মাত্ৰা চলি থাকে সেইটো ৰাইজে দেখুৱাব লাগিব। এতিয়া প্ৰত্যেক কংগ্ৰেছ কমিটি আৰু প্ৰত্যেক ৰাইজেই নেতা লৈ কাম কৰি যাব। জয় আমাৰ সু-নিশ্চিত। ইতি

কংগ্ৰেছ কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ।

১। শ্ৰীযুত মতিৰাম বৰা
২। শ্ৰীযুত মহি চন্দ্ৰ বৰা
৩। শ্ৰীযুত বিমলা কান্ত বৰা
৪। শ্ৰীযুত পূৰ্ণ চন্দ্ৰ শৰ্ম্মা

আজি এই কেইজক গ্ৰেপ্তাৰ কৰিছে।

২৪/৮/৪২।"

২৪/৮/৪২ তাৰিখে শ্ৰীপূৰ্ণ চন্দ্ৰ শৰ্ম্মাদেৱৰ ঠাইত নগাওঁ আৰু চামগুৰি চাৰ্কোলৰ চুপাৰভাইজাৰ শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱক নগাওঁ জিলাৰ শান্তিসেনা বাহিনী আৰু সেৱাদলৰ অধিনায়ক পদত নিযুক্তি দিয়ে। সেইদিনাই অৰ্গেনাইজাৰ শ্ৰীসোমেশ্বৰ বৰাদেৱক নিজৰ কামৰ উপৰিও এ (A) চাৰ্কোলৰ (চামগুৰি) সহকাৰী অধিনায়কৰ দায়িত্বও দিয়ে।

২৫ আগষ্ট তাৰিখে ৰাতি কলিযাবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটি বহিল আৰু প্ৰস্তাৱ গ্ৰহণ কৰিলে। তাৰ নকল তলত দিয়া হ'ল।

"কলিযাবৰ কংগ্ৰেছ ৰাকিং কমিটিৰ কাৰ্য্য বিৱৰণীৰ প্ৰস্তাৱ সমূহ

২৫/৮/৪২

১। সৰ্ব্বসম্মতি ক্ৰমে স্থিৰ কৰা হ'ল যে আমাৰ এই কলিযাবৰ অঞ্চলৰ নিম্ন প্ৰাইমেৰি স্কুল বিলাকৰ যি সকল শিক্ষক আছে তেখেত সকলে কংগ্ৰেছৰ চাৰি অনীযা সভ্য হ'ব লাগিব আৰু প্ৰত্যেক শিক্ষকেই মুৰত গান্ধী টুপী পিন্ধিহে শিক্ষা দিব পাৰিব। স্কুলত সকলোৱেই বন্দেমাতৰম ধ্বনি কৰিহে শিক্ষাৰ কাম আৰম্ভ কৰিব।

২। নিম্ন প্ৰাইমেৰি স্কুলৰ ছাত্ৰ সমূহক ১ (এক) সপ্তাহৰ ভিতৰত গান্ধী টুপী পিন্ধি স্কুললৈ যাবৰ কাৰণে সুবিধা দিবলৈ প্ৰত্যেক প্ৰাথমিকৰ জৰিয়তে অভিভাবক সকলক জনাই দিয়া হওঁক।

৩। ওপৰত উল্লেখ কৰা ১ নং প্ৰস্তাৱ মতে যি সকলে শিক্ষা নীতি ভঙ্গ কৰে তেনে শিক্ষকক গাওঁ সংগঠনৰ জৰিযতে ব্যৱস্থা কৰা হ'ব।

৪। কুঠৰী প্ৰাথমিক কংগ্ৰেছ কমিটিৰ শান্তি সেনা কম হোৱাত সুচাৰুৰূপে কাম কৰিবলৈ অসুবিধা পৰাত কেন্দ্ৰীয় শাখাৰ পৰা বৰ্ত্তমান ৬ জন শান্তি সেনা দিযা হ'ল। আৱশ্যক হ'লে পুনৰ আৰু ৬ জন শান্তি সেনা দিযা হ'ব।

৫। সৰ্ব্বসম্মতি ক্ৰমে স্থিৰ কৰা হ'ল যে আমাৰ এই অঞ্চলৰ যি সকল চৰকাৰী গাওঁবুঢ়া আছে তেওঁলোকে অনতিপলমে পদত্যাগ কৰিবলৈ অনুৰোধ কৰা হওক।

(ক) যি সকল গাওঁবুঢ়াই কলিয়াবৰ কংগ্ৰেছৰ এই অনুৰোধ ৰক্ষা নকৰে তেওঁলোকক গাওঁ সংগঠনৰ জৰিয়তে ব্যৱস্থা কৰা হ'ব।

(এই পাতাৰ নকল প্ৰত্যেক প্ৰাথমিকক জনাবলৈ নিৰ্দ্দেশ দিয়া হ'ল)

শ্ৰীসোমকান্ত হাজৰিকা, সভাপতি।"

২৬/৮/৪২ তাৰিখে কলিয়াবৰত সম্পূৰ্ণ হৰতাল পালন কৰা হ'ল। জিলা কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ মতেই সেইদিনা আকৌ শোভাযাত্ৰা উলিওৱা হ'ল। কিন্তু সেইদিনা প্ৰত্যেক প্ৰাথমিকৰ এলেকাৰ ভিতৰতে বেচিভাগ শোভাযাত্ৰা আৱদ্ধ ৰখাৰ ব্যৱস্থা দিলে। পুৰুষ মহিলা সকলোৱেই শোভাযাত্ৰাত যোগ দিলে। চৰকাৰী যন্ত্ৰটো কিন্তু সেইদিনা সক্ৰিয় হৈ উঠিল। শোভাযাত্ৰাকাৰীক মৰিয়াই, গুৰিয়াই বন্দুক টোঁৱাই খেদি খেদি পলাবলৈ বাধ্য কৰালে। যি সকলৰ হাতত পতাকা আছিল তেওঁলোকক লাঠিৰে টান কোব দিলে। বন্দুক টোওঁৱাই খেদি অহা দেখি বহুতে গুলি কৰে বুলি মাটিত শুই পৰিল। তেনেকুৱা সকলক হাতত ধৰি তুলি গাঁতিয়াই বুটজোতাৰে গুৰিয়াই খেদি পঠিয়ালে। বহুতকে বন্দুকৰ গেদিৰে খুন্দিয়ালে। এই সকলো অত্যাচাৰ সহ্য কৰিও শোভাযাত্ৰাকাৰী ৰাইজ সম্পূৰ্ণ শান্তিপূৰ্ণ হৈ থাকিল। কোনেও এই অত্যাচাৰৰ প্ৰত্যক্ষ প্ৰতিবাদ নকৰিলে। পুলিছ পল্টনে গুলি নকৰিলে।

বাটে পথে মাৰকিল

ইযাৰ পিছত শোভাযাত্ৰা হওকেই বা নহওক বাটে পথে বিক্ষিপ্ত ভাৱে অতি সামান্য অযুহাততে পুলিছ মিলিটাৰীযে মানুহক মাৰ কিল কৰিবলৈ ল'লে। গাৰিকুৰিৰ শ্ৰীসূৰ্য্যকান্ত নেওগে স্মৃতি ৰোমন্থন কৰি কৈছিল।

"১৯৩৬ চনৰে পৰা হাটৰৰ প্ৰাথমিকৰ সভাপতি আছিল শ্ৰীৰমাকান্ত ৰৱাদেৱ। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনৰ পিছৰে পৰা মোক সম্পাদক পাতিলে। ১৯৪২ চনত সমগ্ৰ কলিয়াবৰতে শ্ৰীসোমেশ্বৰ ৰৱাদেৱে প্ৰাথমিক গঠন কৰা সময়তো হাটৰৰ প্ৰাথমিক সম্পাদক মোকে পাতিলে। শ্ৰীৰমাকান্ত ৰৱা কেন্দ্ৰীয়লৈ যোৱাত শ্ৰীসোমকান্ত হাজৰিকাক সভাপতি পাতিলে। তেখেতো পিছত কেন্দ্ৰীয় সভাপতি হোৱাত শ্ৰীৰতিৰাম গগৈ হাটৰৰৰ সভাপতি হয়। তিনিও জনৰ তলত কাম কৰাৰ মোৰ সৌভাগ্য হৈছিল। তিনিও জনেই অতি গান্ধীবাদী মানুহ আছিল।

মোৰ স্মৰণীয় ঘটনাৰ ভিতৰত এদিন হাটৰৰৰ শ্ৰীনবীন শইকীয়াদেৱে সৈতে সোঁন্ধৰৰ চুকলৈ যাওঁতে বাটতে পুলিছ মিলিটাৰীৰে আগচি ধৰি কিবা সুধিলে। আমি একো বুজি নাপালো। চালা কুহু নাহি জনতা বুলি দুয়োকে উৰাই ঘুৰাই ভুকু, চৰ, গোৰ মাৰিলে। মই লৰি পলালো নবীন শইকীয়াক আক পিটিলে। তাৰ পিছত চতিয়াল শঙ্কৰ মন্দিৰত হোৱা সভাতো মিলিটাৰীয়ে বুট জোতাৰে গুৰিয়াই গচকিছিল। গাৰ এতিয়াও বিষ উঠে মাজে মাজে।

তাৰ পিছত হাটৰৰত মহিলা সমিতিৰ শাখা হয়। সভানেত্ৰী শ্ৰীমতী গুনেশ্বৰী ৰৱদলৈ (কালৰি বাইদেউ) আৰু সম্পাদিকা বড়ি গাঁৱঁৰ শ্ৰীমতী সাবিত্ৰী গগৈ। আমি পুৰুষ মহিলা সকলোৱেই সহযোগীতাৰে কাম কৰিছিলো।

আমি দুজনমানে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে উত্তৰ লক্ষীপুৰলৈকে কলিয়াবৰৰ ক'ত কোনে আৰু কিমান

জনে চাকৰি কৰি আছিল (বিশেষকৈ চাহ বাগিছাত) তাৰ জখীপ কৰিছিলো। সকলোকে চাকৰি এৰিবলৈ কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ নিৰ্দ্দেশ জনাই দিছিলো।

পলাতক হৈয়ে থাকিলো। আমাৰ গাৰৰ শ্ৰীমিনাৰাম হাজৰিকা, শ্ৰীচন্দ্ৰ কান্ত বৰা আৰু আৰিবণ্ডাৰ শ্ৰীদীনবন্ধু শইকীয়া আমি আটাই কেইজন মৃত্যু বাহিনীৰ। শেষলৈকে আমাক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে। হাবিয়ে জঙ্গলে কেতিয়াবা কুহিয়াৰীতে ৰাতি কটাব লগীয়া হৈছিল। পুলিছ মিলিটাৰীয়ে পিনা পিন দি বিচাৰি ফুৰে।"

এইদৰে সমগ্ৰ কলিয়াবৰত পুলিছ মিলিটাৰীয়ে যাকে য'তে পায়, কংগ্ৰেছ কৰ্ম্মী, শান্তিসেনা বা স্বেচ্ছা-সেবকক সাধাৰণ কথাতে মাৰকিল কৰা হ'ল। তাৰ মাজতে কংগ্ৰেছৰ কামো চলি থাকিল।

২১/৮/৪২ তাৰিখেই কলিয়াবৰ কংগ্ৰেছে এখন চিঠি পাইছিল জিলা কংগ্ৰেছ কৰ্ত্তৃপক্ষৰ পৰা এইবুলি-

" কলিয়াবৰৰ অঞ্চলৰ প্ৰাথমিক ও শাখা কংগ্ৰেছ কমিটি সমূহৰ প্ৰতি নিৰ্দ্দেশ-

নিবেদন,

আপোনালোকে শুনি সন্তোষ পাব যে আপোনালোকৰ অঞ্চলৰ সুযোগ্য সন্তান শ্ৰী যুত লীলা কান্ত বৰা, উকিল ডাঙৰীয়াই কংগ্ৰেছৰ কামত আৰু এই জন আন্দোলনত সম্পূৰ্ণৰূপে যোগ দিছে। আপোনালোকে তেখেতৰ বুদ্ধি পৰামৰ্শ ল'ব আৰু আন্দোলন পৰিচালনাত সম্পূৰ্ণৰূপে সহায় কৰিব। ইতি

২০/৮/৪২।"

শ্ৰী লীলাকান্ত বৰাদেৱৰৰ জন্মস্থান শাকমুঠিত গাৱঁত। কলিয়াবৰৰ প্ৰথম এম এ পাছ কৰা ব্যক্তি। বি এল পাছ কৰি তেখেতে তেতিয়া নগাঁৱত ওকালটি কৰি আছিল। স্বাধীন ভাৰতৰ কলিয়াবৰৰ পৰা তেখেত প্ৰথম এম এল এ হয়।

প্ৰথম অৱস্থাত নগাঁৱত থাকি মাজে মাজেহে তেখেতে কলিয়াবৰলৈ আহি সভা-সমিতিত যোগ দিছিল। সকভগীয় প্ৰাথমিকৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাৰ পৰেকীয়া প্ৰতিবেদনত লিখিছিল " ৩০/৮/৪২, আজি (ৰবিবাৰ) কেন্দ্ৰীয় অফিচৰ ৰঃ মতে ঢেকিয়াল কীৰ্ত্তন মন্দিৰত ১ খন বিৰাট ৰাজহুৱা সভা বহে। উক্ত সভাত শ্ৰীলীলা কান্ত বৰা উপস্থিত আছিল। তেখেতে বৰ্ত্তমান পৰিস্থিতিৰ বিষয়ে ৰাইজক বুজাই দিয়ে। "

জিলা কংগ্ৰেছ কমিটিৰ সভাপতিৰ পৰা জিলাখনৰ কংগ্ৰেছৰ প্ৰত্যেক শাখা, প্ৰাথমিক, চাব কমিটি আৰু নায়ক সকললৈ মাজে মাজে একোখন উদগনি যোগোৱা ধৰণৰ কথা লিখি নিৰ্দ্দেশ দি আছিল। কলিয়াবৰলৈ পঠিওৱা তেনে এখন জাননী আৰু নিৰ্দ্দেশত লিখিছিল এই বুলি-

" আপোনালোকে শুনি সুখ পাব যে নগাওঁ জিলাৰ বিভিন্ন অঞ্চলত কংগ্ৰেছৰ কাম দ্ৰুত গতিৰে চলিব লাগিছে। দলে দলে লোক মুনিহ তিৰোতাই কংগ্ৰেছত যোগ দিছে।

গৱৰ্ণমেণ্টে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি বে-আইনী ঘোষণা কৰিছে। অনতি পলমে আমাৰ জিলা, শাখা, প্ৰাথমিক কংগ্ৰেছ কমিটি আদিও বে-আইনী বুলি ঘোষণা কৰিব পাৰে আৰু কংগ্ৰেছৰ মুখীয়াল

নেতা সকলক (সভাপতি, সম্পাদক, নায়ক আদিক) গ্ৰেপ্তাৰ কৰিব পাৰে। গতিকে আপোনালোকৰ নিজ নিজ কমিটিৰ লগত পৰামৰ্শ কৰি এতিয়াই ইজনৰ পিছত সি জনকৈ আপোনালোকৰ কমিটিৰ কাম চলাবলৈ প্ৰত্যেক কমিটিৰ একোজন পৰিচালক নিয়োগ কৰি থ'ব।"

এই নিৰ্দেশ পোৱাৰ আগতেই কলিয়াবৰ কংগ্ৰেছ কমিটিযে এই সংক্ৰান্তত এখন তালিকা প্ৰস্তুত কৰি থৈছেই।

বেবেজিয়াৰ ঘটনা

২৬/৮/৪২ তাৰিখে কলিযাবৰত সম্পূৰ্ণ হৰতাল হ'ল, দোকান বজাৰ বন্ধ হ'ল, প্ৰাথমিকে প্ৰাথমিকে শোভাযাত্ৰা হ'ল। অত্যাচাৰ চলিল কিন্তু অতি শান্তিপূৰ্ণ হৈ অত্যাচাৰৰ প্ৰতিবাদ কৰাত গুলি নকৰিলে।

সেইদিনা বেবেজিযা আৰু বাৰপূজীয়া অঞ্চলৰ সকলো প্ৰাথমিকৰে নায়ক শান্তি সেনা, মুনিহ-তিৰোতা, ল'ৰা-ছোৱালী ওলাই আহিল ১৪৪ ধাৰা অমান্য কৰিবলৈ। শোভাযাত্ৰী সকলক পুলিছ মিলিটাৰীযে ঘেৰি লৈ খোজ কঢাই নগাওঁ টাউনলৈ আনি দিনটো টিকা ফটা ৰ'দত ৰাখি শাস্তি দিলে। মুনিহৰ কথা বাদেই তিৰোতা আৰু বিশেষকৈ ল'ৰা-ছোৱালী কাকো এটোপা পানীও খাবলৈ নিদিলে। ১০/১২ মাইল খোজ কাটি এনেযে সকলো ভাগৰি পৰিছিল। সন্ধ্যা সময়ত আকৌ ইমান দূৰ খোজ কঢাই সকলোকে পুলিছ মিলিটাৰীযে ঘুৰাই লৈ গ'ল।

এই অত্যাচাৰৰ প্ৰতিবাদ কৰিবলৈ ৰাতি বেবেজিযাৰ ৰাইজ আকৌ ওলাই আহিল। ট্ৰাঙ্কৰোডৰ দলঙৰ ওচৰতে মিলিটাৰীৰে ভেটাভেটি হ'ল। আগত আছিল শান্তি সেনাৰ দল। লগৰ পিছৰ সকলক সংকেত দিবৰ কাৰণে শ্ৰীতিলক ডেকাই হুইচেল বজালে। মিলিটাৰী ইংৰাজ কমাণ্ডাৰে হুইচেল বজাবলৈ মানা কৰা সত্ত্বেওতেওঁ আকৌ বজালে। লগে লগে গৰজি উঠিল আগ্নেয়াস্ত্ৰ। চাৰিজন থিতাতে নিহত হ'ল-, আঘাত প্ৰাপ্ত হ'ল বহুজন।

এই সংক্ৰান্তত নগাওঁ জিলা কংগ্ৰেছৰ পৰা পঠিওৱা গোহাৰি/নিৰ্দেশ খনৰ নকল তলত তুলি দিয়া হ'ল।

"নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ অধীনস্থ প্ৰাঃ কংগ্ৰেছ কমিটি, নায়ক, শান্তি সেনা, কংগ্ৰেছ কৰ্ম্মীসকল আৰু ৰাইজৰ প্ৰতি-

জয় জয়তে ইং ২৬/৮/৪২ তাৰিখ বুধবাৰে দিনত বেবেজিয়া অঞ্চলৰ পৰা অহা ল'ৰা-ছোৱালী তিৰোতা আৰু মুনিহ সকলক বিনা বিচাৰে অন্যায় ভাবে কৰা নৃসংশ ৰক্তহাৰৰ প্ৰতিবাদ কল্পে সেই ৰাতি ট্ৰাঙ্কৰোডৰ দলঙৰ ওচৰত প'টনৰ গুলিত মৃত্যু হোৱা ৪ জন আৰু আঘাত পোৱা ২৫ জন লোকৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিবলৈ সকলো ঠাইতে গাঁৱঁ সভা সমিতি পাতিব আৰু মৃতকৰ সদগতিৰ কাৰণে প্ৰাৰ্থনা জনাব।

নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ কাৰ্য্যকৰী সমিতিয়ে নগাঁৱা ৰাইজলৈ এই অনুৰোধ কৰে যে সকলো

বাইজে যেন অসীম ধৈর্য্য আৰু সংযমেৰে সকলো কাম কৰে আৰু স্বাধীনতা অৰ্জনত সকলো ত্যাগ স্বীকাৰ কৰিবলৈ সাজু থাকে। সেই বুলি আমি অধীৰ হৈ যেন কেও উশৃঙ্খল নহওঁ। সদায় অহিংস আৰু শান্তিপূৰ্ণ ভাৱে চলিব।

কংগ্ৰেছৰ লিখিত নিৰ্দ্দেশমতে সকলো কাম কৰি যাব। অসীম ত্যাগ আৰু অপূৰ্ব্ব সংযম আৰু অতুল সাহস, সদায় আনন্দ আৰু অচ্ছেদ্য একতাই আমাৰ স্বাৰ্থ সিদ্ধিৰ সম্বল। অহিংস আমাৰ পথ।

এতেকে তলত দিয়া নিৰ্দ্দেশ এই যে

১। ৰেলৰে লাইন, টেলিগ্ৰামৰ টাৱ, দলং আদি ধ্বংস বা নষ্ট..

২। সভা সমিতি, সমদল শোভাযাত্ৰাত লাঠি দা আদি কোনো অস্ত্ৰ নানিব। সদায় অহিংস আৰু শান্তিপূৰ্ণ ভাৱে চলিব।

পিছত এইমাত্ৰ খবৰ পোৱা হৈছে যে কামপুৰত ৭ জন গুলিত মৰিছে, জখমীৰ খবৰ পোৱা নাই।"

নিৰ্দ্দেশ দুটাৰ প্ৰথমটোৰ অৰ্থ পোন পতিয়া নাছিল। কি কৰ্ত্তব্য কৰিব লাগিব কৰ্ম্মী শান্তি সেনা আৰু মৃত্যু বাহিনীলৈ সেই কথা এৰিছিল। কামপুৰত ৭ জন গুলিত মৰাৰ কোনো নথি আমাৰ হাতত নাই।

ছাত্ৰ সম্মিলনৰ শোভাযাত্ৰা ঃ গ্ৰেপ্তাৰ

এই সময়ৰ ভিতৰতে সমগ্ৰ কলিয়াবৰতে ধৰ পাকৰ আৰম্ভ কৰি দিছে বৃটিছ চৰকাৰে। কলিয়াবৰৰ কংগ্ৰেছ কৰ্ম্মীসকলে আত্মগোপন কৰাৰ যি সিদ্ধান্ত ল'লে সেই মৰ্ম্মেই সকলোৱেই পলাতক হৈ পৰিল। ছদ্মবেশ ধৰি প্ৰচাৰ কাৰ্য্য চলাই থাকিল।

এনে পৰিস্থিতিত ছাত্ৰ সকল বহি থাকিব নোৱাৰিলে। এতিয়ালৈকে কংগ্ৰেছৰ শোভাযাত্ৰা আদিত অংশ গ্ৰহণ কৰাৰ উপৰিও দুই তিনি জন স্কুল ত্যাগ কৰা ছাত্ৰই প্ৰতিদিনে চিঠি পত্ৰ, জাননী বুলেটিন গোহাৰি আদিশ শ শ কপি কৰাত কংগ্ৰেছ কৰ্ম্মীসকলক সহায় কৰিছিল। এইবোৰ বিতৰণৰ কাম ছাত্ৰ কেইজনেই বেচিকৈ কৰিব লগা হৈছিল। গোপনে বাতৰি সংগ্ৰহ কৰা, এঠাইৰ পৰা আন ঠাইলৈ চিঠি পত্ৰ বাতৰি আদি কঢ়িয়াই নিয়াৰ কামো কংগ্ৰেছৰ স্বেচ্ছাসেৱক সকলৰ লগতে কেইজন মান ছাত্ৰৰ ওপৰত ন্যস্ত কৰা হৈছিল।

পৰিস্থিতি উত্তপ্ত হৈ পৰাৰ পিছত ছাত্ৰ সম্মিলনে নিজাকৈ শোভাযাত্ৰা উলিয়াই ১৪৪ ধাৰা আইন ভঙ্গৰ সিদ্ধান্ত ল'লে।

শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকাৰ নেতৃত্বত হৰতালৰ দিনা.... কলিয়াবৰ ছাত্ৰ সম্মিলনে শোভাযাত্ৰা উলিয়ালে। এটা দলে কুঁৱৰীটোলৰ ফালৰ পৰা শোভাযাত্ৰা কৰি জাতীয় সঙ্গীত গাই জয়ধ্বনি কৰি আহিল। আনটো দল কলিয়াবৰ হাইস্কুলৰ পৰা ওলাই আহি শিলঘাট তিনিআলিত সিটো দলৰ লগ লাগি আগবাঢ়িল। শিলঘাট ডাক বঙলাৰ সমুখতে পুলিহ

মিলিটাৰীয়ে আগভেটি ধৰিলে। আৰু এখোজো আগবাঢিব নোৱাৰি। ছাত্ৰসকল পিছুৱাইয়ো নাহে। জয়ধ্বনি দি আছে ভাৰত মাতাকি জয, মহাত্মা গান্ধীজী কি জয় আদি।

হঠাৎ শ্ৰীবিদ্যা কান্ত হাজৰিকা আৰু লাল মহম্মদক হাতত ধৰি টানি নিলে ডাক বঙলাৰ বাৰন্দালৈ। ছাত্ৰসকলে বিশেষকৈ শ্ৰীকনক বৰাই (কণ কলি) জপিয়াই জপিয়াই দুগুণ উৎসাহেৰে চিঞৰি জয়ধ্বনি দিবলৈ ধৰিলে। তেওঁ সমুখৰৰ ফালে আছিল। তেওঁকো টানি লৈ গ'ল। তিনিওকে বাৰন্দাত থিয কৰালে। সেই মুহূৰ্ত্তত মই শ্ৰীনৰেন হাজৰিকাক (ছাত্ৰ সন্মিলনৰ সম্পাদক) হাতত আৰু আন ওখ দুজন মানক চোলাত ধৰি পিছলৈ টানি আনি কৈছিলো- "আপোনালোক মাজত সোমাই মনে মনে থাওক, সকলোকে গ্ৰেপ্তাৰ কৰিলে পিছত ছাত্ৰ আন্দোলন চলাবলৈ অসুবিধা হ'ব।' (কংগ্ৰেছ নেতা সকলে ধৰা নিদি আত্মগোপন কৰি আন্দোলন চলাই যাবলৈ আমাৰ ঘৰত কৰা আলোচনা বোৰলৈ তেতিয়া মোৰ মনত পৰিছিল)। আমি চাপৰ মখা আগবাঢিলো। সকলোৱে ধ্বনি দিবলৈ ধৰিলে উত্তেজিত হৈ।

কিন্তু হঠাৎ ছাত্ৰ সকলৰ সমদলটো পুলিছ মিলিটাৰীয়ে ঘেৰাও কৰি ডাক বঙলাৰ চোতাললৈ সুমুৰাই নিলে। অকণমান সময ধ্বনি দিযা বন্ধ হৈছিল যদিও শ্ৰীপ্ৰফুল্ল হাজৰিকা, শ্ৰীখৰ্গেশ্বৰ বৰুৱা আৰু শ্ৰীদেবেন গগৈক আদি কৰি চাপৰ মখাই আকৌ জযধ্বনি দিবলৈ আৰম্ভ কৰিলে। লগতে গ্ৰেপ্তাৰ কৰা কেইজনক এৰি দিবলৈ চিঞৰি চিঞৰি আমি দাবী কৰিছিলো। চুলুঙৰ শ্ৰীদেৱীপ্ৰসাদ উপাধ্যায়ক আমাৰ মাজৰ পৰা টানি নি বাৰন্দা পোৱালেগৈ। দেৱীপ্ৰসাদ বৰ ধূৰ্ত্ত স্বভাৰৰ আছিল। হাফপেণ্টটো আধা খুলি মিলিটাৰীক পোকৰটো দেখুৱাই কৈছিল "এইটো কৰিবি'। পিছে অলপ পিছত এৰি দি আমাৰ মাজলৈ আহিবলৈ দিলে। তাৰ পিছত শ্ৰীযতীন খাউগুক হাতত ধৰি টানি নিলে আৰু বাৰন্দাত তুলিলেগৈ।

এইদৰে প্ৰায় ২০/২৫ মিনিট পাৰ হ'ল । আমাৰ জয়ধ্বনিৰ কোৰ চৰিলহে। ধ্বনি দি থকাৰ কিছু সময়ৰ পিছত শ্ৰীনৰেন হাজৰিকাই সকলো ছাত্ৰকে বাহিৰলৈ আহিবলৈ কোৱাত সকলো ডাক বঙলাৰ চৌহদৰ পৰা ওলাই আহিল। তাৰ পিছত শোভাযাত্ৰা ভঙ্গ কৰা হ'ল বুলি ঘোষণা কৰিলে। সকলো ঘৰাঘৰি গ'ল। সেইদিনা ছাত্ৰ সকলৰ কাৰো মূৰত গান্ধী টুপি নাছিল । আমি কেইজন মানেহে খদ্দৰৰ হাফপেণ্ট হাফচার্ট পিন্ধিছিলো। কিছুদিন আগতে আলোচনা কৰোঁতে শান্তিপুৰৰ শ্ৰীপ্ৰফুল্ল হাজৰিকায়ো সেইদিনাৰ ছাত্ৰ শোভাযাত্ৰাৰ কথাবোৰ কওঁতে শ্ৰীদেৱীপ্ৰসাদ উপাধ্যাযৰ কথা কৈছিল।সেইদিনা আছিল ২৬/৮/৪২ তাৰিখ, বুধবাৰ।

সেই সময়ত ছাত্ৰ আন্দোলনত জড়িত সকল আছিল সম্পাদক শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকাৰ লগতে শান্তিপুৰৰ শ্ৰীবিদ্যাকান্ত হাজৰিকা, শ্ৰীপ্ৰফুল্ল হাজৰিকা, চিলাবন্ধাৰ শ্ৰীকমল নাথ, বাঘৰ চুকৰ শ্ৰীলাল মহম্মদ, শ্ৰীমোহন শইকীয়া, চামধৰাৰ শ্ৰীলীলাধৰ হাজৰিকা, শ্ৰীৰত্ন হাজৰিকা, মাউত গাৱঁৰ শ্ৰীকমলা গগৈ, শ্ৰীচন্দ্ৰ গগৈ, শিলঘাটৰ

শ্ৰীনিত্যানন্দ বৰা, শ্ৰীলীলা ৰাজখোৱা, শ্ৰীতগৰ হাজাৰি, শ্ৰীগুৰুপ্ৰসাদ বৰা, শ্ৰীহৰকান্ত বৰা, সোণাৰিগাঁৱঁৰ শ্ৰীহৰেন বৰদলৈ, শ্ৰীটঙ্কেশ্বৰ হাজৰিকা, শ্ৰীহংস হাজৰিকা, শ্ৰীইন্দ্ৰ হাজৰিকা, শ্ৰীক্ষিতিশ হাজৰিকা, শ্ৰীৰিণা হাজৰিকা, জখলাবন্ধাৰ শ্ৰীসতীশ খাউণ্ড, শ্ৰীযতীন খাউণ্ড, শ্ৰীগজেন ফুকন, শ্ৰীৰুদ্ৰ গোহাঁই, বৰভকতিৰ শ্ৰীগোলাপ বৰদলৈ, শ্ৰীগোলোক মহন্ত, শ্ৰীতোষেশ্বৰ বৰা, শ্ৰীচান্দ খাওন্দ, শ্ৰীবসন্ত খাওন্দ, শ্ৰীনবীন খাওন্দ, বালিটিকাৰ শ্ৰীৰত্ন বৰা, সৰুভগীয়াৰ শ্ৰীঘন হাজৰিকা, শ্ৰীবেনু হাজৰিকা, হাটবৰৰ শ্ৰীমহিম বৰা, শ্ৰীগুণ শইকীয়া, শ্ৰীযজ্ঞেশ্বৰ শইকীয়া, বড়িগাঁৱঁৰ শ্ৰীদেবেন গগৈ, শ্ৰীগোলাপ গোহাঁই, শাকমুঠিৰ শ্ৰীসুৰথ বৰা, শ্ৰীনগেন বৰা, শ্ৰীগোলাপ বৰা, শ্ৰীযতীন শইকীয়া, শ্ৰীৰবীন বৰা, শ্ৰীভবেন শইকীয়া, শ্ৰীললিত বৰুৱা, শ্ৰীকুমুদ বৰা, ভঁৰালিচুকৰ শ্ৰীবিদ্যা হাজৰিকা আখিৰঙাৰ শ্ৰীহৰেন্দ্ৰ নাথ শইকীয়া, শ্ৰীঘনকান্ত হাজৰিকা, গাৰিকুৰিৰ শ্ৰীনৰেন্দ্ৰ নাথ বৰা, শ্ৰীমহেন্দ্ৰ হাজৰিকা, শ্ৰীনোমল নেওগ, শ্ৰীতিলক বৰা, দলগাঁৱঁৰ শ্ৰীকুটুবুদ্দিন আহমদ, শ্ৰীআফটাব আহমদ, বৰুৱাচুকৰ শ্ৰীথুলেশ্বৰ বৰুৱা, শ্ৰীনন্দেশ্বৰ বৰুৱা, চতিয়ালৰ শ্ৰীখৰ্গেশ্বৰ বৰুৱা, শ্ৰীলীলাকান্ত শৰ্ম্মা, কুঁৱৰীটোলৰ শ্ৰীহৰিপ্ৰসাদ গোস্বামী, শ্ৰীগগন মহন্ত, শ্ৰীগিৰিশ বৰদলৈ, শ্ৰীযজ্ঞেশ্বৰ ভূঞা, পোৱাভেটিৰ শ্ৰীডালিম বৰুৱা, মাধতাৰিৰ শ্ৰীভুৱন নেওগ, শ্ৰীতিলক বৰা, শ্ৰীকমল গোস্বামী, পূবথৰীযাৰ শ্ৰীডিম্বেশ্বৰ শইকীয়া, কণক বৰা (কণ কলি), শ্ৰীলাৰু গোস্বামী, নলতলিৰ শ্ৰীভাৰত ভূঞা, শ্ৰীভদ্ৰেশ্বৰ বৰা, শ্ৰীপদুম ভূঞা, চুলুণ্ডৰ শ্ৰীদেৱীপ্ৰসাদ উপাধ্যায়, শ্ৰীসোমনাথ উপাধ্যায, যমখলাৰ শ্ৰীচেনাৰাম বৰা শ্ৰৱণীসত্ৰৰ শ্ৰীজযদেৱ মহন্ত আদি। বহুতৰ নাম এতিযা মনত নাই।

এই সকলৰ ৫/৬ জন মানেহে সকলো কামতে আগ ভাগ লৈছিল সকলো সময়তে।

ইয়াৰ উপৰিও শোভাযাত্ৰাত ভাগ লোৱা মনত থকা সেই সময়ৰ ছাত্ৰ সকলৰ ভিতৰত আছিল দলগাঁৱঁৰ শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা, শ্ৰীযোগেন বৰা গাৰিকুৰিৰ শ্ৰীদেবেন্দ্ৰ নাথ বৰা আৰু শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা, আখিৰঙাৰ শ্ৰীভাবি শইকীয়া, ভৰালিচুকৰ শ্ৰীৰমা হাজৰিকা, দাতঁকটাৰ শ্ৰীতিলক শইকীযা, হাটবৰ বড়িগাঁৱৰ শ্ৰীপ্ৰেমা শইকীয়া, শ্ৰীহেম শৰ্ম্মা, প্ৰেমা গগৈ, কেনকেনিয়াৰ শ্ৰীপদুম মহন্ত, সৰুভগীয়াৰ শ্ৰীগুণ হাজৰিকা, শ্ৰীথানেশ্বৰ হাজৰিকা, শ্ৰীগনেশ হাজৰিকা, জখলাবন্ধাৰ শ্ৰীঅতুল খাউণ্ড, শ্ৰীভবেন খাউণ্ড, শ্ৰীচিতেশ্বৰ শইকীয়া, বৃন্দাবন বৰঠাকুৰ, সেনচোৱাৰ শ্ৰীসোণাধৰ শইকীয়া, শ্ৰীফনীধৰ হাজৰিকা (ঢেকীয়াল) বাঘজানৰ শ্ৰীপোনা (উপেন) বৰুৱা, শ্ৰীজগত বৰুৱা, বৰভকতিৰ শ্ৰীদেৱেন মহন্ত, শ্ৰীতিলক ফুকন, শ্ৰীসোমকান্ত বৰঠাকুৰ, শ্ৰীচন্দ্ৰ কান্ত শৰ্ম্মা (বৰঠাকুৰ), সোণাৰি গাৱঁৰ শ্ৰীনাৰায়ন হাজৰিকা, শিলঘাটৰ শ্ৰীবীৰেন গোস্বামী, নলতলিৰ শ্ৰী - ভূঞা, শ্ৰীদেবেন ভূঞা, চুলুণ্ডৰ শ্ৰীটিকাৰাম উপাধ্যায় শ্ৰীনন্দলাল উপাধ্যায় দেৱসত্ৰৰ শ্ৰীকুমুদ চন্দ্ৰ ভাগৱতী, গোলাপ ভাগৱতী, বাণীপুৰৰ শ্ৰীযতীন্দ্ৰ নাথ ভূঞা আদি সকল।

এইখিনিতে বিশেষ ভাৱে উল্লেখ কৰিব খুজিছো যে সেই সময়ত বি. এ. পাছ কৰি

অহা শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা (পিছলৈ কলিয়াবৰ হাইস্কুলৰ শিক্ষক) চাৰৰ অৱদান আছিল সকলোতকৈ বেচি। ছাত্ৰ সম্মিলনৰ সকলো কাৰ্য্যসূচী নিৰ্দ্ধাৰণ কৰি দিছিল তেখেতেই। প্ৰতিটো ক্ষেত্ৰতে তেখেতৰ লগত আলোচনা কৰিহে সকলো কাম কৰা হৈছিল। তেখেতে শোভাযাত্ৰাতো অংশ গ্ৰহণ কৰিছিল নেতৃত্ব দিয়াইছিল শ্ৰীনৰেন হাজৰিকাৰ দ্বাৰাই। সকলো পৰিস্থিতিতে তেখেতে ধৈৰ্য্যৰে ছাত্ৰ সকলক চলাই নিছিল। অকালতে তেখেতৰ মৃত্যু হ'ল। কলিয়াবৰ হাইস্কুলৰ কে'বাজনো শিক্ষকে ছাত্ৰ সকলক উদগনি দিছিল।

ছাত্ৰ সম্মিলনৰ আৰু এদিনৰ শোভাযাত্ৰাৰ বিষয়ে এইখিনিতে উনুকিয়াব খুজিছো। ছাত্ৰ সকলে শোভাযাত্ৰা কৰি আহি নিজ কলিয়াবৰ হৈ ৰৱভকতি গাৱঁৰ ফালে আহি আছিল। বিশ্ব বিজয় ন জোৱান, লুইতৰ পাৰৰে আমি ডেকা ল'ৰা মৰিবলৈ ভয় নাই.. ... আদি গীত গাই ৰৱভকতি গাওঁ সোমোৱাৰ সময়তে কোনোবাই পিছফালৰ পৰা চিএৰি ক'লে মিলিটাৰীয়ে গুলি কৰিছে পলা, পলা সোণকালে। ছাত্ৰ সকলৰ ভয়ত ধাতু হেৰাই গ'ল। কাষৰ বাইঁনি জঙঘল, মানুহৰ ঘৰলৈ আৰু কিছুমান কলঙৰ পাৰৰ হাবিলৈ সোমাই গ'ল। শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা চাৰ, শ্ৰীনৰেন হাজৰিকা আৰু আমি কেই জনমান সেই মূহুৰ্ত্তত শোভাযাত্ৰাৰ আগত থকা কাৰণে ভালকৈ একো শুনা নাছিলো। বাটৰ মাজতে আচৰিত হৈ ৰৈ গ'লো। এনেতে চামধৰাৰ শ্ৰীলীলাধৰ হাজৰিকা (শ্ৰীগোপন হাজৰিকাৰ পুত্ৰ) উধাতু খাই দৌৰি আহি ক'লে মিলিটাৰীযে গুলিযাইছে কিমান মৰিছে ঠিক নাই। কথা কেইটা কৈয়েই তেওঁ গাৱঁৰ ফালৰ হাবিলৈ সোমাই গ'ল। হতভম্ব হৈ শ্ৰীশৰ্ম্মা চাৰে আমাক ক'লে ৰ'বা নপলাব। বাটত আমি ক'তো মিলিটাৰী নেদেখিলো।

কেই মিনিটমান ৰৈ শৰ্ম্মা চাৰে আকৌ ল'ৰাবোৰ গোটাবলৈ আমাক আদেশ দিলে। প্ৰায় ১০০ মান ছাত্ৰৰ ভিতৰত মাত্ৰ ৩০ জন মানেহে আকৌ গোট খালে। বাকীবোৰ দিহা দিহি গ'ল। এই ক্ষীণ শোভাযাত্ৰা পুবথৰীযালৈকে আগ বাঢিল। তাৰ পিছত সম্পাদক শ্ৰীনৰেন হাজৰিকাক কৈ শৰ্ম্মা চাৰেশোভাযাত্ৰা ভঙ্গ কৰিলে।

সেইদিনা সমগ্ৰ কলিয়াবৰতে হৰতাল পালন কৰা হৈছিল পঞ্চবীৰ দিবস পালনার্থে। ১৯৪২ চনৰ ১৬ চেপ্টেম্বৰ। বহুতো ছাত্ৰই সেইদিনা শোভাযাত্ৰাত যোগ দিয়া নাছিল।

কিছুদিন আগতে এই সংক্ৰান্তত কথা পাতোতে ওপৰোক্ত শ্ৰীনৰেন হাজৰিকা দেৱে সেইদিনাৰ আমাৰ মৰিবলৈ ভয় নাই বুলি গীত গোৱা লুইতৰ পাৰৰ ছাত্ৰ সকলৰ কলঙৰ পাৰতে ছত্ৰ ভঙ্গৰ দৃশ্যৰ কথা কৈ ৰগৰ কৰিছিল। তেখেতে লগতে স্বীকাৰ কৰিছিল যে ছাত্ৰ সকলৰ গাতো দোষ দিব নোৱাৰি, কাৰণ ২৬/৮/৪২ তাৰিখৰ বেৰেজিয়াৰ গুলি চালনাৰ কথা তেওঁলোকৰ মাজত প্ৰচাৰ কৰা হৈছিল। বুলেটিন বোৰ বিলাই দিয়া হৈছিল। সেইদিনা কোনোবা দেশদ্রোহীয়ে পিছফালৰ পৰা মিলিটাৰীয়ে গুলীওৱাৰ কথা চিএৰি কৈ শোভাযাত্ৰাৰ মাজত সেমাই আগলৈ দৌৰিছিল। লগে লগে একো নজনাকৈয়ে পিছৰ মখাও আগলৈ দৌৰি আহি পলোৱাৰ চিন্তা কৰিছিল।

কলিয়াবৰত কুটাঘাত মূলক কাৰ্য্য

২৬/৮/৪২ তাৰিখে বেবেজিয়াৰ গুলিচালনাৰ পিছত শ্ৰদ্ধা জনাবলৈ নগাওঁ জিলা কংগ্ৰেছ কৰ্ত্তৃপক্ষই অনুৰোধ কৰি দিয়া চিঠিৰ পিছৰ ফালে দিয়া নিৰ্দ্দেশৰ প্ৰথমটোৰ অৰ্থ কলিয়াবৰ মৃত্যু বাহিনীয়ে বুজিলে তাত কোৱা দৰেই; স্বাধীনতা অৰ্জ্জনত সকলো ত্যাগ স্বীকাৰ কৰিবই লাগিব- বৃটিছ চৰকাৰক অহিংস ভাৱে সকলো ফালেই অচল কৰি কাবু কৰিব লাগিব। কলিয়াবৰত অঞ্চল বিশেষে নিজাকৈ অতি গোপনে আঁচনি গ্ৰহণ কৰিছিল। সফল হওক বা নহওক কাম কৰিবলৈ, ত্যাগ কৰিলৈ, বিশেষ ভাৱে আগ বাঢ়িছিল মৃত্যু বাহিনীৰ নেতৃত্বত। এইবোৰ কুটাঘাতমূলক কাৰ্য্যৰ কে'বা ঠাইতো আগতে উল্লেখ কৰা বহাৰ শ্ৰীমহেন্দ্ৰ হাজৰিকা প্ৰত্যক্ষ ভাৱে জড়িত আছিল।

আগতেই কোৱা হৈছে যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এই গণ আন্দোলনত ভাৰতবৰ্ষৰ চুবুৰীয়ে চুবুৰীয়ে জনতাই নিজ ইচ্ছা মতে কাৰ্য্যসূচী গ্ৰহণ কৰিছিল। সেই কাৰণেই আছিল ই এক গণবিপ্লৱ।

কলিয়াবৰৰ মৃত্যু বাহিনাযে কৰা এনেকুৱা কেইটামান কামৰ বিষযে তলত অতি চমুকৈ বৰ্ণনা দিয়া হ'ল। এই কুটাঘাতমূলক কামবোৰ কোন পৰ্য্যায়ত আৰু কোন সময়ত কৰা হৈছিল তাৰ ক্ৰম ৰাখি লিখিব পৰা নাই। সময়ৰ আগপিছ হৈছে নিশ্চয। আমি মাত্ৰ ঘটনাবোৰৰ কথাহে প্ৰকাশ কৰিব খুজিছো।

জখলাবন্ধাৰ ফৰেষ্ট অফিচত অগ্নি সংযোগ

আমাৰ নিজৰ দেশৰ নিজৰ ঠাইৰ হাবি জংঘলৰ পৰা বাইজে খৰি, খেৰ, ইকৰা, কাঠ, বাঁহ আদি নিজ ইচ্ছামতে কাটি আনিব নোৱাৰে। বিদেশী চৰকাৰক কৰ দিব লাগে। গতিকে চৰকাৰৰ ফৰেষ্ট অফিচটোকে জ্বলাই দিয়াৰ সিদ্ধান্ত হ'ল, গোপনে।

নলতলিৰ (ধৰমপুৰ) শ্ৰীমিণাকান্ত বৰা (ওৰফে মুক্তাৰাম) পূৰথৰীয়াৰ শ্ৰীবলো ভূঞা, শ্ৰীভোগেশ্বৰ নেওগ তিনিওজনে শ্ৰীসোমেশ্বৰ বৰাদেৱৰ ঘৰত মাংস ভাত খাই ৰাতি ওলাল। ভলাগুৰিৰ শ্ৰীহৰেন শৰ্ম্মা আৰু শ্ৰীবিষ্ণু ভূঞাক লগত ল'লে। হাটৰৰ প্ৰাথমিকৰ সৰ্ব্বশ্ৰীমিনাৰাম হাজৰিকা, চন্দ্ৰ কান্ত বৰা, দেউৰাম বৰা আখিৰঙাৰ শ্ৰীদীনবন্ধু শইকীয়া আদি মুঠ ১২ জন ওলাল।

ফৰেষ্ট অফিচটো তেতিয়া আছিল বৰ্ত্তমান জখলাবন্ধা বজাৰলৈ সোমোৱা বাটৰ কাষত কলঙৰ পাৰতে। কলঙৰ সিপাৰৰ পৰা ১০ খন ধেনুৰ পৰা একেলগেই কাউঁ এৰি দিলে। কাড়ঁৰ আগত প্ৰথমতে অমৰা গুটি পুৰি আঙঠা বান্ধি দিয়ে আৰু তাৰ পিছত এমুঠি জুইশলা কাঠিৰ খাৰ থকা ফাল আগ কৰি বান্ধি শেষত কেৰাচিন তেলত তিওৰা ফটাকানি

টিলাকে বান্ধি দিযা হৈছিল। কাড়ৰ গৈ ফৰেষ্ট অফিচৰ খেৰৰ চালত সোমোৱাৰ সময়তে জুই শলা কাঠি জ্বলি উঠিল আৰু ফটাকানিতো জুই জ্বলিল। লগে লগে একে সময়তে কলঙৰ পাৰৰ ফালৰ খেৰৰ চালখনত এমুৰৰ পৰা সিমুৰলৈ জুই জ্বলি উঠিল। মূহুৰ্ত্তৰ ভিতৰতে গোটেই ঘৰটো জুয়ে আগুৰি ল'লে।

ৰখীয়া মিলিটাৰীয়ে পহাৰা দি থাকোঁতেই থাকিল। হতভম্ব হৈ ঘুৰি চাই কলঙৰ ইপাৰলৈ গুলি কৰিছিল। কিন্তু ইতিমধ্যে আমাৰ সেনা বহুত দূৰ পালেগৈ। হাবিৰ মাজে মাজে পলাই আহিল। (এই ঘটনাৰ লগত জড়িত ৩ জন এতিযাও জীৱিত)। ইযাৰ নেতৃত্ব দিছিল শ্ৰীমিণাকান্ত বৰাই।

সালনা বাগিছাৰ পৰা সৰঞ্জাম সংগ্ৰহ

চাহ বাগিছাৰ সকলো শুই নিঃপালি দিলে। এন্ধাৰ ৰাতি। মৃত্যু বাহিনীৰ কে'বাজনো গৈ বাগিছাৰ কলঘৰৰ ওচৰৰ গুদাম ঘৰৰ কাষ পালেগৈ। পথ প্ৰদৰ্শক আৰু আগ ভাগ লওঁতা হ'ল আগতে শালনা বাগিছাত মিস্ত্রি কাম কৰা চতিযালৰ শ্ৰীজয়ৰাম বৰা। মৃত্যু বাহিনীৰ সকল আছিল ভিএৰি আৰু পূবথৰীয়াৰ সৰ্ব্বশ্ৰীনলিনী কান্ত শইকীযা, বিষ্ণু ভূঞা, চন্দ্ৰ শৰ্ম্মা, ভোগেশ্বৰ নেওগ, নলতলিৰ শ্ৰীমিণাকান্ত বৰা আৰু হাটৰৰ প্ৰথমিক আৰু সৰুভগীয়া প্ৰাথমিকৰ ৮/১০ জন (নাম দিব নোৱাৰাত দুঃখিত) মুঠ ১৫/১৬ জন মানৰ এটা দল।

হীৰাৰ কলমেৰে খিৰিকিৰ আইনা কাটি ভিতৰ সোমাই জযৰামে দুৱাৰ খুলিলে। ডাঙৰ হাতুৰি, লোহা কটা কৰত (ফ্রেম সহ), ডাঙৰ সৰু ৰেঞ্চ, ৰেতি, তীখাৰ চাপ্পল (চিপৰাং), যাঠি-বৰছা, দা, লাঠি আৰু বাগিছাৰ মজদুৰ সকলে পিন্ধা খাকিৰ পোচাক, হাতবোমা হিলৈ তৈয়াৰ কৰিবলৈ গন্ধক, পাম্প আদি বহুত বস্তু বস্তাত ভৰাই সংগ্ৰহ কৰি আনিলে।

হীৰাৰ কলমটো অসাৱধান অৱস্থাত পাহৰি ৰখা সময়ত জয়ৰাম বৰাৰ জেপত পাই লগে লগে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু অমানুসিক অত্যাচাৰ কৰে। বহুত দিন তেওঁ জেল হস্পিতালত থাকিব লগা হ'ল। এই অত্যাচাৰৰ শেষ পৰিণতি হিচাপেই অকালতে তেওঁ পিছত মৃত্যু বৰণ কৰিব লগা হ'ল। এই অভিয়ানৰ নেতৃত্ব দিছিল শ্ৰীনলিনী শইকীয়াই।

শিলঘাটৰ খাৰ ঘৰ লুট

ছদ্মবেশ ধৰি মৈমন শিঙিয়া মিঞা হৈ এদিন শ্ৰীমহেন্দ্ৰ হাজৰিকা ৰাতিপুৱাই ভুটুং কৰে ওলালহি। গাৰিকুৰিৰ শ্ৰীবাপাৰাম বৰাক বন্দুকটো সহ লগত ল'লে। সোণাৰি গাৱঁৰ শ্ৰীঈশধৰ হাজৰিকাৰ ঘৰলৈ সন্ধ্যাৰ লগে লগে যাবলৈ দুই তিনি ঠাইলৈ খৰৰ পঠিওৱা হ'ল। কিয় যাব লাগে কেনেও নাজানে। বছা বছা মানুহ।

ৰৰভগাৰীৰ শ্ৰীভূজেন বৰুৱা, ভিএৰিৰ শ্ৰীনলিনীকান্ত শইকীয়া, শ্ৰীবিষ্ণু ভূঞা, শ্ৰী চন্দ্ৰ শৰ্ম্মা, শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা, পূবথৰীয়াৰ শ্ৰীভোগেশ্বৰ নেওগ, বলো ভূঞা, যোগাই

বৰা, নলতলিৰ শ্ৰীমিণাকান্ত বৰা, শ্ৰীযজ্ঞেৰাম ভূঞা, সৰুভগীয়াৰ শ্ৰীনিশিকান্ত মহন্ত, গাৰিকুৰিৰ দুজনৰ (নাম সঠিককৈ ক'ব নোৱাৰি লিখা নহ'ল) শ্ৰৱনী সত্ৰৰ শ্ৰীনন্দেশ্বৰ মহন্ত (?) সোণাৰি গাৱঁৰ শ্ৰীবিনদ হাজৰিকা , শ্ৰীঘন হাজৰিকা আৰু শ্ৰীঘনকান্ত শৰ্ম্মা ঠাকুৰ মুঠ ১৭/১৮ জন। এই সকলোবোৰ শ্ৰীঈশধৰ হাজৰিকাৰ ঘৰত লগ হ'ল। ইযাৰে বেচিভাগেই জয়সাগৰ দললিৰ কাষৰ ভৰালিবৰুৱা পুখুৰী পাৰৰ মৃত্যু বাহিনীৰ কেম্পত আছিল।

সকলোৱেই খাই বই উঠাৰ পিছত শ্ৰীমহেন্দ্ৰ হাজৰিকাই নিজৰ পৰিকল্পনা আৰু আঁচনিৰ কথা প্ৰকাশ কৰিলে। কেইজন মানে ভেশছন কৰি বাটে বাটে শিলঘাট হৈ কামাখ্যা মন্দিৰলৈ যাব। বাকীখিনি যি দুজনে দিনতে চাই চিন দি থৈছে সেই সেই বাটেৰে কামাখ্যা গাৱঁৰ পৰা এচোৱা চাহ বাগিছাৰ মাজেৰে গৈ পাহাৰ উঠি কামাখ্যা মন্দিৰ ওলাবগৈ। এওঁলোকৰ হাতে হাতে দা, কুঠাৰ হাতুৰী, চিপৰাং বেতি, কৰত আদি। সকলো গৈ নিৰ্দ্দিষ্ট স্থানত লগ হ'লগৈ। শ্ৰীবাপাৰাম বৰাৰ বন্দুকটো গুলি সহ ল'লে, তেখেতক অন্য কাম দি তাতে থাকিবলৈ দিলে। এই বিষয়ে আনকি শ্ৰীঈশধৰ হাজৰিকাকো গম নিদিলে।

কামাখ্যা মন্দিৰৰ ওচৰতে খাৰ বাৰুদৰ গুদাম পাহাৰৰ অলপ এঢলীযা ঠাইত ওখত। খাৰ ঘৰৰ দুকাষে দুজন, ভূজেন বৰুৱা আৰু ভোগেশ্বৰ নেওগ, দুটা বন্দুক লৈ তলফাল টোঁৱাই আছে। বিৰাট তলা প্ৰায় ৮/১০ ইঞ্চি দীঘল, ৫/৬ ইঞ্চি বহল। লোহাৰ দুৱাৰ কাটিৰ ভাঙিৰ নোৱাৰি। তীখাৰ তলাটোৰ খাৰুৱাডালেই প্ৰায় এক ইঞ্চি মান ব্যাসৰ। তিনিখন লোহা কটা কৰত ক্ষয় গ'ল- সহজে তীখাৰ বস্তু নেকাটে। কেইজন মানে চিপ্‌ৰাণ্ডেৰে ইটাৰ ডাঠ বেৰ ভাঙি ফুটা কৰিলে। হাতে হাতে একোটা থৈলা খাৰ বাৰুদ ভৰাই আনিবলৈ। বাতি প্ৰায় এঘাৰ বজাৰ পৰা তলা খুলিবলৈ চেষ্টা চলিল। প্ৰায় পুৱতি নিশা তলা খোলো খোলো হৈছেহি। সকলোৱেই অধৈৰ্য্য হৈ পৰিছে। মহেন্দ্ৰ হাজৰিকাৰ ধৈৰ্য্যচ্যুতি হ'ল ' তোমালোক কোনো কামৰ মানুহ নহয়, চাওঁ মোক দিয়া' বুলি এজনৰ হাতৰ পৰা শকত ডাঙৰ হাতুৰিটো লৈ পূৰ্ণহতীয়াকৈ তালটোত কোব দিলে। দুকোব মাৰিলে। পাহাৰৰ মাজত চাৰিওফালে ৰজনজনাই গ'ল। তৃতীয় কোব মৰাৰ লগে লগে তলা উফৰি ক'ৰবাত পৰিলগৈ। টৰ্চ মাৰি দুৱাৰ খুলি দুজন মানে ভিতৰ সোমাব খোজোতেই তলফালৰ পৰা এজন আমাৰ ৰখীয়া উধাতু খাই উঠি আহি খবৰ দিলে মিলিটাৰী আহিছে এই পাবহি এতিয়া। কথা শেষ নহ'লেই তলফালৰ পৰা মিলিটাৰীয়ে ধাৰাষাৰে গুলি ৰৰষিবলৈ ধৰিলে। শ্ৰীহাজৰিকাই তৎক্ষণাত পেটপেলাই পৰি পাহাৰ বগাই উঠি পলাই যাবলৈ হুকুম দিলে। খাৰঘৰৰ পৰা দুয়ো কাষে অলপ আতঁৰ হৈ ওপৰলৈ উঠি সকলো পলাল। মিলিটাৰীৰ গুলি খাৰ ঘৰটোত লাগিল। ভাগ্য ভাল কাৰো গাত গুলি নালাগিল। পাহাৰ বগাই আহি সোণাৰি গাওঁ পাওঁতে পোহৰ হৈ আহিল।

(এই ঘটনাৰ লগত জড়িত পাচঁ গৰাকী এতিয়াও জীয়াই আছে। সেই সকলক পৃথকে লগ ধৰি আলোচনা কৰোঁতে তেখেত সকলে দিয়া বৰ্ণনাৰে ওপৰত ভিত্তি কৰিহে ওপৰৰ কথাখিনি লিখা হৈছে।

টেলিগ্ৰামৰ টাঁৰ চিন্তা

হাটৰ প্ৰাথমিকৰ কেইজনমান লগ হ'ল । গাৰিকুৰিত ভোজ ভাত খাই সা-সবজাম লৈ যাত্ৰা কৰিলে বাতি ৰে'ল অহাৰ পিছত অৰ্থাৎ চাৰে ন বজাৰ পিছত। চিকনি আৰু শলাল (শাকমুঠিয়া) চাহ বাগিছাৰ মাজৰ হাবি অঞ্চলৰ এডোখৰ ঠাই বাছি ল'লে। তেতিয়াৰ দিনৰে পৰা টেলিগ্ৰামৰ টাঁৰ ৰেল বাটৰ কাষে কাষে আনিছিল। হাকোঁটা লগাই দুদলে দুঠাইত টান দিলে। এদলে চিঠিলে। খুটাও উঘলি পৰিল। ইদলে টানি আছে। সিদলো আহি যোগ দিলেহি। এটা সৰু ঢাপৰ ওপৰত উঠি তেওঁলোকে টানিছিল। ফট্‌ফটকৈ হঠাৎ টাঁৰ চিগি যোৱাত ৰ'ব নোৱাৰি গোটেই মখা ঢাপৰ পৰা বাগৰি পৰিল। এজনৰ ওপৰত ইজন পৰি প্ৰত্যেকৰে অলপ হ'লেও জখম হ'ল। একেবাৰেই নামনিত তলত পৰিল বড়ি গাঁৱৰ শ্ৰীনলিন ৰৱা (নগা)। কোনোবা এজন তেওঁৰ ওপৰতে পৰিলগৈ। তেওঁৰ কিলাকুটিৰ খুন্দা লাগি শ্ৰীৰৱাৰ দুটা দাঁত এৰাই গ'ল।

সেই দলত আছিল - শ্ৰীনলীন ৰৱা, দাঁতকটাৰ শ্ৰীঘন ৰৱা, আখিৰঙাৰ শ্ৰীদীনবন্ধু শইকীয়া, শ্ৰীখগেশ্বৰ হাজৰিকা, গাৰিকুৰিৰ শ্ৰীচন্দ্ৰ কান্ত ৰৱা, শ্ৰীমিণাৰাম হাজৰিকা, শ্ৰীদেউৰাম ৰৱা, শ্ৰীযোগেন ৰৱা শ্ৰীলক্ষীৰাম ৰৱা (?) আৰু দুজনমান, ভৰালি গাঁৱৰ শ্ৰীফনীধৰ হাজৰিকা, আদি ১২/১৩ জন মান।

ৰেল লাইনৰ চিৰি উঠোৱা

শ্ৰীমহেন্দ্ৰ হাজৰিকা আহি হাটৰ প্ৰাথমিকৰ দুজন মৃত্যু বাহিনীৰ সেনাক কৈ গ'ল বাতিলৈ এঠাইলৈ যাব লাগিব বেচি নহয় ১০/১২ জন সাজু হৈ থাকিবা। ভৰালীচুকৰ শ্ৰীফনিধৰ হাজৰিকাক ভাৰ দিলে। লগত নিশিকান্ত মহন্ত আৰু এজন। সকলো ওলাল। হাতে হাতে সৰঞ্জাম হাতুৰি ৰেঞ্চ, ৰেতি, লোহা কটা কৰত। শালনা (নিজৰি) পাহাৰৰ মাজৰ এঠাই পালেগৈ। ৰে'লৰ চিৰিৰ ফিচ প্লেট' খুলি আতঁৰালে চাৰিডাল চিৰিৰ। এডাল চিৰি অকণমান আতঁৰাই থ'লে। পাহাৰৰ ওপৰত উঠি সকলোৱে চাই আছে। মিলিটাৰী স্পেচিয়েল খন অহাৰ বাবে অপেক্ষা কৰিছে। এনেতে লাইন ইন্সপেক্টৰে ট্ৰলিৰে আহি ৰৈ গ'ল। ট্ৰলি লাইনৰ পৰা নামি গ'ল টৰ্চ মাৰি চাই 'ফিচ্‌প্লেট' খোলা অৱস্থাত দেখি এজনক শালনা ষ্টেনলৈ দৌৰাই পঠিয়ালে। পিছত মেৰামতি কৰি ৰে'ল আহি পুৰা বেলাহে জখলাবদ্ধা পালেহি। সৰুভগীযাৰ মিলিটাৰী শিবিৰলৈ গোড়া আমেৰিকান সৈন্য আনিছিল।

নিখুঁত ভাবে পৰিকল্পনা কৰি সফল হৈয়ো নহ'ল শ্ৰীমহেন্দ্ৰ হাজৰিকা এই অভিযানতো। পুৱতি নিশা তেওঁলোক আহি ঘৰ পালোহি। এই অভিযানত হাটৰ প্ৰাথমিকৰ মৃত্যু বাহিনীৰ শ্ৰীৰত্ন গায়ন, শ্ৰীদীন বন্ধু শইকীয়া আৰু শ্ৰীচন্দ্ৰকান্ত ৰৱা, মিণাৰাম হাজৰিকা লগতে আৰু কেইজন মান আছিল। আমি নিজে এই ঘটনাৰ কথা ভালকৈ জানিছিলো। ফিচপ্লেটা খোলা ডাঙৰ ৰেঞ্চ দুডাল আক্ৰোহি চুকৰ সন্দেহ কৰিব নোৱাৰা

এঘৰত থোৱা হৈছিল। তাৰে এডাল আজি কিছু দিন আগলৈকে শ্ৰীগোলোক বৰঠাকুৰ দেওৰ ঘৰত আছিল। এইবোৰ কথা হাটবৰৰ শ্ৰীযুত গায়ন দেৱেও (তেতিয়া নায়ক) কিছুদিন আগতে কৈছিল।

মিচানদীৰ দলং ভঙা

ৰৰভগীয়াৰ শ্ৰীভূজেন বৰুৱা, পূৰথৰীয়াৰ সৰ্ব্বশ্ৰী বলো ভূঞা, ভোগেশ্বৰ নেওগ, ভিঞাৰিৰ শ্ৰীনলিনী কান্ত শইকীয়া, শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা, শ্ৰীবিষ্ণু ভূঞা, নলতলিৰ শ্ৰীমিণাকান্ত ৰৰা; শ্ৰীযজ্ঞেৰাম ভূঞা এই সকলো লগ হ'ল ভিঞাৰিচুকত। সিদ্ধান্ত মৰ্ম্মে মিচাৰ কাঠৰ দলংখন ভাঙি দিব। পাঁচখন গুটিয়া নাৱঁত উঠিল ১০জন মান। কুৰৰীটোলৰ অলপ নামনিৰ পৰা সন্ধ্যাৰ পিছতে যাত্ৰা আৰম্ভ হ'ল। ৰৰভগীয়াত ৰাতিৰ ভাত খাই আৰু ৮/১০ জন মান নাৱঁত উঠিল। বেঞ্চ, হাতুৰি, বটালি, কৰত আদি এইবোৰ ল'লে। এই সকলৰ লগত সহযোগ কৰিলে ছাত্ৰ সকলৰো কেইজনমানে। আমাৰ চোৰাংচোৰাই সন্ধিয়াতে চাই আহি জনালে দলঙত কোনো ৰখীয়া নাই। নিৰ্ভয়ে নাওঁ আগৰাঢিল। কলঙৰ পৰা মিচাৰ দলঙৰ ফালে আগ বাঢ়োতেই প্ৰথমখন নাৱঁত যোৱা শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞাই দেখিলে এজন মিলিটাৰীয়ে জুই শলা মাৰি বিড়ি, চিগাৰেট কিবা জ্বলাইছে। লগে লগে দলঙৰ সিটো মুৰৰ পৰা অন্য এজনে টৰ্চমাৰি দিলে। টৰ্চৰ পোহৰত দেখিলে মিলিটাৰীয়ে হাতত বন্দুক লৈ শাৰী পাতি আছে। লগে লগে নিঃশব্দে নাওঁ ঘুৰাই দিলে। আৰু দলং ভঙা কাম বাদ দিব লগা হ'ল। সকলো দিহা দিহি গুছি গ'ল ভাগ ভাগ হৈ। চৰকাৰী চোৰাং চোৰাই গম পাই থানাত খবৰ দিলে।

মিলিটাৰী কোঠৰ পৰাই বন্দুক চুৰি

কলিয়াবৰত কৰা কুটাঘাত মূলক কাৰ্য্যৰ ভিতৰত সকলোতকৈ দুঃসাহসী কামটো হ'ল সুৰঙ্গ খান্দি সৰুভগীয়াৰ মিলিটাৰী কোঠৰ পৰা আগেযাস্ত্ৰ সংগ্ৰহ কৰাটোৱেই। মৃত্যুপণ কৰি ওলাই অহা মৃত্যু বাহিনীৰ সেনা সকলে যিকোনো কাম কৰিবলৈ পিছ হোঁহকা নাছিল।

আমেৰিকাৰ নিচিনা এটা বিৰাট শক্তিয়ে কলিযাবৰৰ সৰুভগীয়াত যি মিলিটাৰী কোঠ পাতিছিল (এই বিষয়ে লিখা হৈছেই) তাত যুদ্ধৰ সকলো সা-সৰঞ্জাম বন্দুক বাৰুদ বোমা, টেঙ্কাৰ আদিও ৰাখিছিল। আমাৰ চোৰাংচোৰাই ক'ত কি আছে নিশ্চিত হ'ল।

অভিযান আৰম্ভ হ'ল। মৃত্যু বাহিনীৰ দহ জন গোট খালে। কলঙৰ তল গৰাৰ পৰা সুৰঙ্গ খন্দা আৰম্ভ কৰিলে সন্ধ্যা ভগাৰ পিছতে। ৰাতি প্ৰায় তিনি বজাত প্ৰায় ৩০ ফুট দূৰত থকা বন্দুক বাৰুদৰ ঘৰটোৰ মজিয়াৰ মাজতে ওলালগৈ। কলঙৰ পাৰৰ মাটি বালিয়া। বোকনিৰে ৰকি ৰকি সহজেই খান্দিব পৰা। গতিকে কোনো অসুবিধা নহ'ল। একো অঘটন

নঘটিল। ৫টা বন্দুক আৰু দুবাকচ (প্ৰায় এহেজাৰকৈ) গুলি উলিয়াই আনিলে।

কলঙৰ কাষৰ ফালে সৰু সৰু জোপোহা হাবি। ইফালৰ পৰা একো নেদেখি। বখীয়া পলীয়া সকলোৱে বাহিৰত পহৰা দি আছিল। আমাৰ চোৰাংচোৱাই গোৰ্খা মিলিটাৰী বখীয়াক নিচা খুৱাইছিল।

এই দলটোত আছিল ৰৱভগীয়াৰ শ্ৰীভূজেন্দ্ৰ নাথ বৰুৱা, চতিয়ালৰ শ্ৰীনোলম শইকীয়, শ্ৰীডম্বৰু ৰৱা, পূবথৰীয়াৰ শ্ৰীবলো ভূঞা, নলতলিৰ শ্ৰীমিণাকান্ত ৰৱা। আমবাগানৰ ডাঃ অমূল্য লাহিৰী, ভিঞাৰি চুকৰ শ্ৰীনলিনীকান্ত শইকীয়া, শ্ৰীবিষ্ণু ভূঞা আৰু শ্ৰীচন্দ্ৰ শৰ্ম্মা। এই অভিযানৰ নেতৃত্ব দিছিল শ্ৰীভূজেন বৰুৱা আৰু শ্ৰীবলো ভূঞাই। আৰু এজনৰ নাম শ্ৰীবৰুৱা আৰু শ্ৰীবৰাই ক'ব নোৱাৰিলে।

(এই অভিযানৰ বিষয়ে শ্ৰীভূজেন বৰুৱা আৰু শ্ৰীমিণাকান্ত ৰৱা দুযো গৰাকীয়ে দিয়া বৰ্ণনাৰ ওপৰত ভিত্তি কৰি লিখা হৈছে। শ্ৰীভূজেন বৰুৱাক বাহিৰৰ পৰা কোনেও ধৰিব নোৱাৰে, অতি নিৰ্জ্জু সহজ সৰল। শ্ৰীমিণাকান্তক কিন্তু সকলোৱেই জানিছিল। উপ নাম আছিল 'দুৰ্জ্জন'। মিণাকান্তৰ এটা ডাঙৰ কথা আছিল। তেখেতক মাংস ভাত খুৱাব লাগিব আৰু অলপ মদকৰ যোগাৰ দিব লাগিব। অসাধ্য সাধন কৰি আহিব। শিলঘাটৰ খাৰঘৰ লুট কৰিবলৈ যোৱাৰ সময়ত মাংস ভাত আৰু মদক নিদিয়াৰ বাবে মহেন্দ্ৰ হাজৰিকাৰ লগত তৰ্কও কৰিছিল)।

গৰৈমাৰিত খেৰ জ্বলোৱা

কলিয়াবৰৰ মৃত্যু বাহিনীৰ পৰিচালক গৰাকীৰ পৰা এটা নিৰ্দ্দেশ আছিল এই বুলি-

" গৰৈমাৰি অঞ্চলত থকাখেৰ পুৰিবৰ কাৰণে সোণাৰি, ওপৰ সোণাৰি, নিজ কলিয়াবৰ, সৰুভগীয়া প্ৰাথমিকৰ শান্তি সেনা, নায়ক সকলো গৈ জ্বলাবৰ কাৰণে আদেশ দিয়া হ'ল। উক্ত দিনৰ কাৰণে সৰুভগীয়া "

(ইয়াৰ পিছৰ অংশ চিগি এৰাই গ'ল, কি আছিল জনা নগ'ল)। কাৰো নাম তলত দিয়া হোৱা নাছিল।

শ্ৰীঘনকান্ত শৰ্ম্মা ঠাকুৰ (সোণাৰি গাওঁ প্ৰাথমিক), শ্ৰীবিনাধৰ হাজৰিকা (ওপৰ সোণাৰি গাওঁ প্ৰাঃ), শ্ৰীসত্যনাথ শৰ্ম্মা দলৈ (নিজ কলিয়াবৰ প্ৰাথমিক) আৰু শ্ৰীটঙ্কেশ্বৰ হাজৰিকা আৰু শ্ৰীনাৰায়ন মুক্তিয়াৰ (সৰুভগীযা প্ৰাথমিক) এই নায়ক সম্পাদক সকলৰ লগত প্ৰায় ২০/২৫ জন শান্তিসেনা মৃত্যু বাহিনীৰ লোক গৈ গৰৈ মাৰি চাপৰিত প্ৰায় ১০০ মৈমন শিঙিয়াই ১০/১২ দিন ধৰি কাটি থোৱা বিৰাট বিৰাট খেৰৰ মেজি বোৰত জুই জ্বলাই দি ততালিকে আঁতৰি আহিল। খেৰৰ আকাশলঙ্ঘী জুয়ে চাৰিওফালে দিন যেন কৰি পেলালে। শান্তিসেনা কৰ্ম্মীসকল বাঘ হাতীৰে ভৰপুৰ হাবিৰ মাজে মাজে পলাই আহি ঘৰ পালেহি।

জখলাবন্ধাত নুনীয়া পিটা

জখলাবন্ধাৰ পৰা চিকনি চাহ বাগিছালৈ থকা বাটটো বান্ধিবলৈ তেতিয়া প্ৰায় ৫০ জন মান বিহাৰী নুনীয়া কুলি লগাইছিল।

এদিন ৰাতি ১০ মান বজাত চিএৰ বাখৰ হুলস্থুল দৌৰাদৌৰি লাগিল। ওচৰৰ মানুহো ঘৰ এৰি পলাল। কোনেও একো বুজিব নোৱাৰিলে। নুনীয়া কুলি মখা তেওঁলোকৰ থকা কেম্প এৰি জখলাবন্ধা ৰে'ল ষ্টেচন পালেগৈ। ক'ত কি হ'ল কোনে কি কৰিলে কোনেও গমকে নাপালে। ৰাতিপুৱা দেখা গ'ল নুনীয়া কুলিৰ কেম্প খালি। মাজে মাজে তেজ লাগি আছে অ'ত ত'ত এৰি যোৱা কাপোৰ কানি বা বেৰত।

পিছত জানিব পৰা গ'ল নলতলিৰ মৃত্যু বাহিনীৰ প্ৰায় ৮/১০ জন আহি এন্ধাৰৰ সুযোগ লৈ শুই থকা অৱস্থাতে কুলি বোৰক উধাই মুধাই বাইডাঙেৰে কোব দিলে। ৫০ জনক ১০ জনেই এফালৰ পৰা কোবাই টঙনিয়াই তহিলং কৰিলে। কেম্প এৰি ৰাতিয়েই সকলো পলাল। পুৱা ছয় বজাৰ ৰে'লত উঠি গোটেইবোৰ গুছি গ'ল।

নলতলিত কোনোবাই কোৱা শুনিলে এই কুলিবোৰে মিলিটাৰীৰ ঘৰ সজা কামত সহায় কৰে। সোণাৰি, সৰুভগীয়া, হাটৰ প্ৰাথমিকৰ কোনেও এইবোৰ কথা জনা নাছিল। নলতলিৰ পৰা আহি এই কাম কৰিলে। অলপতে নলতলিৰ শ্ৰীযজ্ঞেশ্বৰাম ভূঞাদেৱক লগ পাই এই বিষয়ে সোধাত তেখেতে এই কাম তেওঁলোকেই কৰা বুলি ক'লে। স্বীকাৰ কৰিলে তেখেত সকলে ভুল কৰিছে এই আলিবন্ধা মজদুৰ সকলক পিটি ঘূণীয়া কৰিছিল।

এই বোৰৰ বাদেও আৰু কে'বা ঠাইতো অগ্নি সংযোগৰ ঘটনা ঘটিছিল। অন্য ধৰণৰ ঘটনাও ঘটিছিল।

ৰেড্‌ক্ৰচ ট্ৰেইনিং

এইখিনিতে উল্লেখ কৰিব খুজিছো যে যুদ্ধৰ ভয়াবহ পৰিণতিত বোমা বৰ্ষণত ঘৰ-দুৱাৰ ধ্বংসৰ লগতে পৰিয়ালৰ লোকক হেৰুৱাই হাজাৰ হাজাৰ মানুহে মণিপুৰৰ পৰা অসমলৈ সোঁত ল'লে ভগনীয়া হৈ। অসমৰ ঠায়ে ঠায়ে ভগনীযাৰ বাবে কেম্প কৰিলে। এই দুৰ্ভগীয়া সকলৰ পৰিচৰ্য্যা কৰিবলৈ অসম কংগ্ৰেছে ঠায়ে ঠাযে ৰেড্‌ক্ৰচৰ ট্ৰেইনিং দিয়াৰ ব্যৱস্থা কৰিলে। কলিয়াবৰতো ডাঃ অমূল্য ৰঞ্জন লাহিৰিৰ তলত এনেকুৱা ট্ৰেইনিং দিযাৰ বন্দবস্ত কৰা হ'ল।

আমি প্ৰায় ১০/১২ জনমানে এই ট্ৰেইনিং লৈছিলো। পূৰ্বাঞ্চলীয়াৰ শ্ৰীলাৰু গোস্বামী, আখিৰডাৰ শ্ৰীহৰেন্দ্ৰ নাথ শইকীয়া গাৰিকুৰিৰ মই, শ্ৰীনৰেন্দ্ৰ নাথ বৰা আমি ছাত্ৰ কেইজনে এলেগে ট্ৰেইনিং লৈছিলো। অসম প্ৰাদেশিক কংগ্ৰেছৰ সম্পাদক শ্ৰীদেৱকান্ত বৰুৱাদেৱে আমাৰ ৰেড্‌ক্ৰচ কেম্প পৰিদৰ্শন কৰি সন্তোষ প্ৰকাশ কৰিছিল, শলাগিছিল। যুদ্ধত আহত সকলক আৰু ভগনীয়া সকলক পৰিচৰ্য্যা কৰিবলৈ ডিমাপুৰলৈ পঠিয়াবৰ

বাবেই ৰেড্‌ক্ৰচ চেণ্টাৰ খুলি আমাক ট্ৰেইনিং দিছিল। ডিমাপুৰত ভগনীয়া শুশ্ৰূষা কৰিবলৈ কলিয়াবৰৰ পৰা পঠিওৱা সকল হ'ল- শ্ৰীৰবি ৰাম ভূঞা আৰু শ্ৰীবলোৰাম বৰা (দুয়ো পূৰণখীয়াৰ), শ্ৰীৰামেশ্বৰ শইকীয়া (আখিৰঙা), শ্ৰীযতীন গায়ন (গাৰিকুৰি), শ্ৰীগোলোক বৰুৱা (কুঁৱৰীটোল, সোণাৰি) আৰু শ্ৰীউমা বৰা (গোমোঠা গাওঁ)। ইয়াৰ ভিতৰত শ্ৰীযতীন গায়নে ৰেড্‌ক্ৰচ ট্ৰেইনিং লোৱা নাছিল। এমাহৰ পিছতে শ্ৰীদেৱকান্ত বৰুৱাই তেখেতক ঘূৰাই পঠিয়ালে। বাকী সকল প্ৰায় ৩ মাহ তাত থাকি সেৱা আগবঢ়ালে। আমি বাকী কেইজনক ইয়াতে প্ৰয়োজন হ'ব পাৰে বুলি ডিমাপুৰলৈ নপঠিয়ালো।

মণিপুৰৰ পৰা ভগনীয়া হৈ আহি অনাই বনাই ঘুৰি ফুৰা এহাল দম্পতিৰ বিষয়ে লিখাৰ লোভ সামৰিব নোৱাৰিলো। বহুতো পৰিয়াল বিচ্ছিন্ন হৈ গৈছিল- তেওঁলোকৰ পৰিযাল পৰিজনৰ পৰা, ল'ৰা-ছোৱালী, মাক-বাপেক, ভাই-ভনীৰ পৰা। অসময়ৰ বহু ঠাইত এনে কিছুমান পৰিয়াল অনাই বনাই ঘুৰি ফুৰিছিল। তেনেকুৱা এটা পৰিয়ালৰ বিষয়ে আমাৰ হাতত থকা নথিৰ পৰা তলত উদ্ধৃতি দিয়া হ'ল।

"শ্ৰীযুত মঙ্গল সিং ৰাজকুমাৰ (মণিপুৰী)

এগৰাকী এজন মণিপুৰৰ সম্ভ্ৰান্ত বংশৰ লোক। মণিপুৰত বোমা বৰ্ষণ হোৱাত তেওঁলোকৰ ঘৰবাৰি চূৰ্ণকুৰ হয়। লগে লগে দুটা সন্তানৰো মৃত্যু হয়। শেষত পৰিবাৰ সহ কাছাৰেদি পলাই আহোঁতে বাটত নানান ডকাইতে লগ পাই তেওঁৰ পৰিবাৰৰ হাতৰ ফাণৰ সকলো সোণৰ অলঙ্কাৰ আদি হৰণ কৰে। পদব্ৰজে ভ্ৰমণ কৰি ফুৰিছে। ১৭/৮/৪২ তাৰিখে ৰাস্তাইদি গৈ থকাত কেন্দ্ৰীয় অফিচাৰে মাতি আনি সকলো ইতিবৃত্তি লৈ চতিয়াল কেম্পত যথা বিহিত অভ্যৰ্থনা কৰা হয়। ২২/৮/৪২"

চতিয়াল কেম্পত তেওঁলোকক কে'বাদিনো থাকিবলৈ দিয়া হয় আৰু আমাৰ স্বেচ্ছাসেৱকে তেওঁলোকৰ থকা খোৱাৰ সুবন্দবস্ত কৰি দিয়ে।

বগা ৰঙা ওখ শকত মানুহজন আৰু বগা সেন্দুৰীয়া ৰঙৰ নোদোকা মানুহজনীৰ চেহেৰা আৰু যাবৰ সময়ত তেওঁলোকৰ কৃতজ্ঞতাৰ চাৱনিৰ কথা এতিয়াও মনত আছে।

এনেকুৱা ঠেক ঠিগা মানুহবোৰক সহায় কৰিবলৈ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিয়ে ৰাইজলৈকো আহ্বান জনাইছিল।

ধৰমপুৰৰ ঘটনা

কলিয়াবৰ কংগ্ৰেছে প্ৰচাৰ কাৰ্য্য জোৰদাৰ চলাই গ'ল। হাট বজাৰ বন্ধ হ'ল। তাৰ মাজতে নিজৰ স্বাৰ্থত আঘাত পৰা সকলৰ এক অংশই কংগ্ৰেছ কৰ্ম্মী সকলক অত্যাচাৰ কৰাত চৰকাৰক সক্ৰিয়ভাৱে সহায় কৰিবলৈ কুণ্ঠাবোধ নকৰিলে।

সেইদিনা ৩১/৮/৪২ তাৰিখ। ৰাতি মিলিটাৰী আহি ধৰমপুৰ গাঁওঁৰ ৰাইজৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলালে। মানুহৰ ঘৰ দুৱাৰ ভাণ্ডি ভিতৰ সোমাল। ওই থকা

অৱস্থাৰে পৰা টানি আজুৰি, পুৰুষ মহিলা সকলোকে, বাহিৰলৈ উলিয়াই আনিলে। বুটজোতাৰে গুৰিয়ালে, বন্দুকৰ কুন্দাৰে খুন্দিয়ালে, হাণ্টাৰৰে গাৰে মুৰে কোবালে । প্ৰায় বোৰৰে জখম হ'ল। ইয়াৰ মাজতে মিলিটাৰীয়ে কে'বা গৰাকীও তিৰোতাৰ ওপৰত অত্যাচাৰ চলালে। চিএৰ বাখৰ কৰি পলাবলৈ ধৰা তিৰোতা সকলক উলঙ্গ কৰি পঠিয়াই বং চালে। ঘৰৰ আচবাব পত্ৰ ভাঙিলে ধান চাউল লুট কৰি নিলে। গৰু ছাগলীবোৰ পঘা খুলি এৰি দিলে।

সেই ৰাতি অত্যাচাৰৰ পিছত পুৱাতেই ৫ জনক হাতকেৰেয়া লগাই গৰু পঘাৰে বান্ধি লৈ যায়।

এই সংক্ৰান্তত আমাৰ হাতত থকা তেতিয়াৰ ধৰমপুৰ প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সম্পাদক শ্ৰীনন্দিৰাম ৰৰাদেৰে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছলৈ দিযা চিঠিৰ পৰা জনা গৈছে যে ২৫ দিন জেল হাজোতত থাকি ২৪/৯/৪২ তাৰিখে মুক্তি পাই নগাৱঁৰ পৰা খোজকাঢি আহি এই পাচোঁজনেই ২৭/৯/৪২ তাৰিখে ঘৰ পাযহি।

শ্ৰীনন্দিৰাম ৰৰাদেৰৰ চিঠিখন তলত তুলি দিযা হ'ল-

" কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ ওচৰলৈ-

ধৰমপুৰ প্ৰাথমিক কংগ্ৰেছৰ ৩১/৮/৪২ তাং গ্ৰেপ্তাৰ হৈ জোৱা সভা সকলৰ ভিতৰত নিম্ন লিখিত সভ্য সকলক কিনাশোধে ২৪/৯/৪২ তাৰিখে জেলৰ পৰা খালাচ দিযে

আজি ২৭/৯/৪২ তাৰিখে ঘৰ পাইছোহি।

১। শ্ৰীকৃষ্ণ চন্দ্ৰ বড়া (সহকাৰী সভাপতি), ২। শ্ৰীবলোৰাম বড়া (শান্তিসেনা), ৩। শ্ৰীসৎৰাম বড়া (চাৰি অনা সভ্য), ৪। শ্ৰীলেৰেলা কোছ (চাৰি অনা সভ্য), ৫। শ্ৰীপ্ৰসন্ন কুমাৰ বিশ্বাস (চাৰি অনা সভ্য)

এওলোকৰ ২৫ দিন হাজোত।

উক্ত খালাচ হৈ অহা সভ্য সকলৰ মুখে সবিশেষ জানিব পৰা গ'ল যে নিম্ন লিখিত লোক সকলে ধৰমপুৰ প্ৰাথমিকত মিলিটাৰীৰ হতুৱাই পাশবিক অত্যাচাৰ নিজে আহি ঘৰ দেখুৱাই কৰাইছিলহী। আৰু শ্ৰীমাধৰাম সুতে গ্ৰেপ্তাৰ কৰি নিয়া সকলক হেনকাপ ধৰি নি থানাত থৈ আছে। আৰু বাকী সকলে চাৰিওফালে গ্ৰেপ্তাৰ হোৱা সকলক যেৰাও কৰি জাই খেনালৈকে। সেইবাবে কেন্দ্ৰীয়ক জনোৱা হ'ল।

১। শ্ৰীমাধৰাম সুত- হাতখোৱা- দাবিগাজী, ধনেখোৱা নেপালী গাৱৰ- ২। শ্ৰীনাৰায়ন উপাধ্যায়, ৩। শ্ৰীশিবশঙ্কৰ উপাইধ্যায় ৪। শ্ৰীকাশিৰাম জয়শ্ৰী, ৫। শ্ৰীঅগনী জয়শ্ৰী (দোকানী) ৬। শ্ৰীনৰ দৰ্জী, উলুবলী নেপালী গাৱন- ৭। শ্ৰীবাঘান সিং গাওঁবুঢা, ধনেখোৱা বজাৰৰ- ৮। শ্ৰীকুলু চেখ (তেলি- তেলৰ ঘানি) ৯। শ্ৰীইব্ৰাহিম মুণ্ডল চেখ (গেলামালৰ দোকান) ১০। শ্ৰীনচিব মৰীয়া ১১। শ্ৰীহেফাই মৰীয়া (গাওঁবঢা);, ধৰমপুৰৰ- ১২। শ্ৰীবংশি কেওট (কাঠমিস্ত্ৰী) ১৩। শ্ৰীহেমাই কেওট। ইতি- ২৭/৯/৪২।"

সেইদিনা ধৰমপুৰৰ তনুৰাম, গুণাই, মেলেকা গাযন, বগীৰাম, ফটিক ভূঞা এই কেইজনৰ ঘৰৰ গৰুবোৰ পঘা খুলি এৰি দিয়াৰ উপৰিও, আন বহুতৰ লগতে তেওঁলোকৰ ডিণ্ডিত জোতা ওলোমাই ৰাস্তাত খোজ কঢ়াই ফুৰায়। শ্ৰীহেমকান্ত হাজৰিকাই সেইদিনাৰ ঘটনাৰ বিষয়ে লিখিত ভাৰে বহুত কথা কোৱাৰ মাজতে কৈছিল "মই হাতত দা খন লৈ শ্ৰীবালিৰাম ৰৰাৰ সৈতে ওলাই আহোঁতেই মিলিটাৰী অহা সত্তেম পাই পিছফালৰ মৰা খেতিত সোমাই এজোপা গছত উঠি তাৰ পৰাই মিলিটাৰীৰ কাৰ্য্য কলাপবোৰ নিৰিক্ষণ কৰি আছোঁ। ঘৰ যেৰাও কৰি ৰাতি ৯

বজাত) মোক নাপাই ভাতৃ মৃত নৰকান্ত হাজৰিকাৰ ওপৰত মাৰপিট আৰম্ভ কৰে। মা ও মাহীমা দুয়ো ভযত কেছে হৈ কোঠালীৰ চুক এটাত বহি থাকে। অন্যান্য সম্পত্তি যি চকুৰ আগতে পায় লুট পাট কৰে প্ৰায় ২৪/২৫ শ টকা মানৰ তেতিয়াৰ মূল্য মতে।"

এনেকুৱা দেশদ্রোহী কলিয়াবৰৰ অন্য ঠাইতো আছিল। কিন্তু এনেকৈ দেখ্ দেখকৈ ওলাই অহা নাছিল। পলাতক বা অন্য সকলেও এওঁলোকৰ ওপৰত সততে চকু ৰাখিছিল। তাৰ মাজতে দেশদ্রোহী সকল কৃতকার্যাও হৈছিল গোপনে। দুই একে তেওঁলোক চৰকাৰৰ মানুহ বুলি গৰ্বও কৰিছিল। নির্ভয়ে ৰাইজৰ ওপৰত কৰা অত্যাচাৰ চাবলৈ গৈ গোডা পল্টনৰ খেদা খাব লগা হৈছিল আৰু মাৰো খাইছিল বাৰুকৈযে।

সংৰক্ষিত নথিৰ পৰা এইখিনিতে উল্লেখ কৰিব খুজিছো যে ধৰমপুৰত সেইদিনা অত্যাচাৰৰ বলি হোৱা মহিলা সকল আছিল

১। শ্রীমতী ৰজন ভূঞা- গাভৰু

২। শ্রীমতী কলিমাই গায়ন- গাভৰু

৩। শ্রীমতী পানৈ বৰা- ৫৪ বছৰৰ বুঢ়ী। তেখেতক ভিতৰৰ পৰা চোচোঁৰাই আনি কাপোৰ ফালিছিল ।

আৰু অন্য ঠাইৰ দুগৰাকীৰ কথাও নথিভুক্ত হৈ আছে, তেখেত সকল হ'ল

৪। শ্রীমতী সুমিত্রা ভূঞা- শ্রীঠানুৰাম ভূঞাদেৱৰ পত্নী

৫। শ্রীমতীমোহিনী হাজৰিকা- পুবথৰীযাৰ শ্রীনিৰন হাজৰিকাৰ পত্নী।

কলিয়াবৰ অন্য ঠাইতো এনে ঘটনা ঘটিছিল। কিন্তু এই সকলোবোৰ লুকুৰাই ৰাখিলে। তথ্যৰ অভাৱত এতিযা প্রকাশ কৰিব নোৱাৰি।

গোপন কর্ম্মী সম্মিলন

এই সকলোবোৰ কথা আলোচনা কৰিবলৈ নিৰাপদ ঠাই গাৰিকুৰি গাৱঁৰ শ্রীগোপীনাথ বৰদেৱৰ ঘৰৰ আগফালৰ মুকলি বহল চোতালত কলিযাবৰ কংগ্রেছ কর্ম্মী, শান্তি সেনা, মৃত্যু বাহিনী, সকলোৰে এখন গোপনীয সভা পাতিলে। ইযাত শ্রীমহেন্দ্র হাজৰিকা আৰু শ্রীলক্ষ্মী প্রসাদ গোস্বামীযে বর্ত্তমান পৰিস্থিতিত কি কি কাম কৰিব লাগিব কেনেকৈ কৰিব লাগিব সকলো কথা খৰচি মাৰি আলোচনা কৰিলে। শান্তি সেনা আৰু মৃত্যু বাহিনীৰ লোক সকলক বিশেষ ভাৱে সকীযাই দিয়া হ'ল যাতে তেওঁলোকে নিজৰ কর্ত্তব্য সুচাৰু ৰূপে পালন কৰে। সেই সভাতে কোনো কর্ম্মীয়ে যেন পুলিছ মিলিটাৰীৰ হাতত ধৰা নিদিযে আৰু যি কোনো ত্যাগ আৰু কষ্টৰ বিনিময়ত আত্মগোপন কৰি পলাতক হৈ থাকে সেই সিদ্ধান্ত কৰি ৰাজদ্বৰা ভাৱে শপত খুৱালে।

কলিযাবৰৰ কুটাঘাত মূলক (আগতে লিখা) কার্য্যবোৰ ইয়াৰ পিছতহে সংঘটিত হৈছিল বুলি কে'বাজনেও মত প্রকাশ কৰিছে।

ঐতিহাসিক দলিল
(নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ গোহাৰি, নিৰ্দ্দেশ নিবেদন আদি)

১৯৪২ চনৰ চেপ্টেম্বৰ মাহৰ আৰম্ভনিৰ পৰাই নিঃ ভাঃ কংগ্ৰেছ কমিটিৰ পৰা ভাৰতবাসী, আইসকল, চৰকাৰী কৰ্ম্মচাৰী সকল আৰু সমূহ ৰাইজক সম্বোধন কৰি ভাগে ভাগে গোহাৰি, নিৰ্দ্দেশ, নিবেদন আদি পঠিয়াবলৈ ধৰিলে। সেইবোৰৰ উপৰিও নগাওঁ জিলা কংগ্ৰেছৰ পৰাও সকলো শাখা কংগ্ৰেছলৈ প্ৰায় দৈনিকেই একোখনকৈ এইবোৰ পঠিয়াই মুক্তি পণ লোৱা কৰ্ম্মী, শান্তি সেনা, ছাত্ৰ আৰু মৃত্যু বাহিনীৰ লোক সকলক প্ৰতি মূহুৰ্ত্ততে কৰ্ত্তব্যৰ প্ৰতি সোঁৱৰাই থকা হ'ল। এই বিলাকৰ উপৰিও আকৌ কলিয়াবৰ শাখা (কেন্দ্ৰীয়) কংগ্ৰেছৰ পৰাও প্ৰাথমিক বোৰলৈ নিৰ্দ্দেশ দি থকা হৈছিল। চাকৰিয়াল সকলৰ ওপৰত প্ৰচণ্ড চাপ দিয়া হৈছিল। এই কাৰণেই কলিয়াৰত এনে এটা দিন পাৰ হোৱা নাছিল যিদিনা কংগ্ৰেছৰ কাম হোৱা নাছিল, মানুহ অলস হৈ বহি আছিল। কিবা নহয় কিবা এটা কাম হাতত লোৱা হৈছিলেই।

এই মাহৰ প্ৰথম সপ্তাহতে নিঃ ভাঃ কংগ্ৰেছ কমিটিৰ পৰা পোৱা তিনিখন গোহাৰিৰ কিছু অংশ হুবহু তলত তুলি দিয়া হ'ল (উৰ্দ্ধ কমাৰ ভিতৰৰ খিনি)।

প্ৰথমখন আছিল সমূহ ৰাইজলৈ-

"আমাৰ স্বাধীনতা সংগ্ৰাম আৰম্ভ হৈছে আৰু যেতিয়ালৈকে জয়যুক্ত নহওঁ তেতিয়ালৈকে আমি চলাই থাকিব লাগিব। যুগাৱতাৰ মহাত্মা গান্ধী প্ৰমুখ্যে জাতিৰ নেতাসকল আজি কাৰাৰুদ্ধ। তেওঁলোকক ক'ত ৰখা হৈছে সিও আমাৰ অজ্ঞাত। মহাত্মাজীয়ে যি জাতীয় যুদ্ধ আৰম্ভ কৰিছে সেই যুদ্ধই আমাৰ শেষ যুদ্ধ। আমি স্বাধীন হৈ জীয়াই থাকিম বা বীৰৰ দৰে মৃত্যু বৰণ কৰিম। ই আমাৰ দৃঢ় প্ৰতিজ্ঞা।

ভাৰতবৰ্ষ এটা প্ৰকাণ্ড জেল খানা। ভাৰতবাসী ৪০ কোটি মানুহক এমুঠি বিদেশীয়ে বন্দী কৰি ৰাখিছে। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ লগে লগেই সকলো নৰ-নাৰীয়ে নিজকে মুক্ত কৰিবৰ বাবে এই বিৰাট বন্দীশালৰ প্ৰাচীৰ ভাঙিব লাগিব।

সকলো ভাৰত বাসীয়ে এবাৰ উপলব্ধি কৰক 'মই স্বাধীন', বাস কৰা গাওঁ আমাৰ নিজৰ

তলত কৰ্ম্ম পন্থাৰ কেইটামান নিৰ্দ্দেশ দিয়া হ'ল

১। নিজক স্বাধীন বুলি আৰু নিজৰ গাওঁখনক একোখন স্বাধীন ৰাষ্ট্ৰ বুলি ঘোষণা কৰক।

২। গাঁৱৰ চাকৰিয়াল সকলক চাকৰি এৰিবলৈ আৰু গাঁৱৰ পঞ্চায়তলৈ আনুগত্য সলাবলৈ আৰু আইন অমান্য কৰিবলৈ অনুৰোধ কৰক।

৩। বৃটিছ শাসন আৰু তেওঁলোকৰ নামত আদেশ দিয়া উচ্চ বা নিম্নপদস্থ কৰ্ম্মচাৰীৰ আদেশ অমান্য কৰক।

৪। চৰকাৰক খাজনা পাতি আৰু কৰ কাটল আদি দিয়া বন্ধ কৰক।

৫। ধন আইন অমান্য কৰক।

৬। লোণ আইন অমান্য কৰক। য'ত সুবিধা আছে তাত লোণ তৈয়াৰ কৰক।

৭। ৰণুৱা (মিলিটাৰী), চৰকাৰী চাকৰিয়াল, চিপাহী আদিক খাদ্য দ্ৰব্য বা আন কোনো প্ৰকাৰে সাহায্য কৰা বন্ধ কৰক।

৮। ৰণুৱা আৰু চাকৰিয়ালক কোনো প্ৰকাৰে যান বাহান দি সহায় নকৰিব।

৯। ৰণ সম্ভাৰ আৰু কৰবাৰী কৰা ৰনুৱা সকলক বন্ধ কৰক।

১০। যদি গাওঁ ভালদৰে শৃঙ্খলাবদ্ধ ভাৱে সংগঠন হয় তেন্তে শান্তি পূৰ্ণভাৱে থানা আদি দখল কৰক। প্ৰতিৰোধকাৰী সকলক বন্দী কৰি থকা খোৱাৰ ব্যৱস্থা কৰি দিয়ক।

১১। মনত ৰাখিব- আমাৰ চিৰ নমস্য প্ৰাতঃ স্মৰণীয় গান্ধীৰ নিৰ্দ্দেশ হৈছে অহিংসা, সৰ্ব্বপ্ৰকাৰে অহিংস নীতি অৱলম্বন কৰিব লাগিব। সেইবাবে যাতে প্ৰাণ নাশ নহয় তাৰ বাবে যত্নপৰ হ'ব। শাসন যন্ত্ৰ সকলো প্ৰকাৰে বিকল কৰোঁতে যাতে কোনো প্ৰকাৰে হিংসামূলক কাৰ্য্য অনুষ্ঠিত নহয় তাৰ বাবে চেষ্টা কৰিব লাগিব।

১২। আমাক দমন কৰি ৰখাৰ যি সুবিধাৰ , যোগাযোগৰ বাট পথ আছে তাক অহিংস ভাৱে বিচ্ছিন্ন কৰক।

১৩। গাৱে গাৱে পঞ্চায়ত পাতক। তাক নিজৰ শাসনৰ থল বুলি ভাবি তাকে মানি লওক।

১৪। বাইজে দলে দলে গৈ গাৱে ভূঞে ঘৰে ঘৰে কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰক। ল'ৰা-ছোৱালীক জাতীয় গীত পদ গাবলৈ শিকাওক আৰু সভায় সমিতিয়ে গাবলৈ দিয়ক।

১৫। মুনিহ তিৰোতা সকলোৱে এই যুদ্ধত যোগ দিয়ক।"

কলিযাবৰত আগবে পৰাই গাওঁ সংগঠন কৰি প্ৰাথমিক কংগ্ৰেছ কমিটিৰ তলত একোখন বিচাৰ সমিতি পাতি দিযা হৈছিল। সমগ্ৰ অসমতে নামঘৰ প্ৰতিষ্ঠা হোৱা দিনবে পৰা প্ৰতিখন গাৱঁতে বাইজ বহি বিচাৰ কৰিছিল। কালক্ৰমত কেইজনমান মুখীযাল মানুহক গাৱঁৰ সকলো বিচাৰ কৰিবলৈ অধিকাৰ দিছিল। এইদবে বাছি দিয়া মুখীয়াল সকলৰ সভাখনকে পঞ্চায়ত বুলি অভিহিত কৰা হৈছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ দেৱৰ গণতান্ত্ৰিক চিন্তাধাৰাবে এইয়া প্ৰতিফলন বুলি ক'ব পাৰি। স্বাধীনতা সংগ্ৰাম আৰম্ভ হোৱাবে পৰা দেশ স্বাধীন হোৱাৰ সময়লৈকে কলিয়াবৰৰ পৰা বিচাৰ বিচাৰি নগাওঁ সদৰৰ কাছাৰীলৈ মানুহ যোৱা বন্ধই হৈছিল।

১১/৮/৪২ তাৰিখৰ চতিয়াল শঙ্কৰ মন্দিৰত হোৱা ৰাজহুৱা সভাতেই কলিয়াবৰে নিজকে স্বাধীন বুলি ঘোষণা কৰিছিল। এনেকুৱা এটা পৰিবেশেই কলিযাবৰত সৃষ্টি হৈছিল যে ই আছিল স্বাধীন ৰাষ্ট্ৰৰ এক নামান্তৰ। গোহাৰিখনত উল্লেখ কৰা প্ৰাযবোৰ নিৰ্দ্দেশৰ কামেই কলিয়াবৰত আগবে পৰা কৰা হৈছিল।

কংগ্ৰেছৰ কামত প্ৰতিৰোধ কৰা এনেকুৱা কে'ৰাজনো মানুহকে বন্দী কৰি সম্পূৰ্ণ নিৰাপত্তা দি খুৱাই বুৱাই আৰামত ৰাখি মনৰ পৰিৰ্ত্তন কৰাৰ ব্যৱস্থা কৰা হৈছিল। নথি পত্ৰ নথকাত বিশেষকৈ তেখেত সকল এতিয়া ইহ সংসাৰত নথকাত নাম উল্লেখ কৰিলে সেই সকলৰ অন্যায় কৰা হ'ব।

পাহাৰৰ পৰা বাঁহ কাঠ খৰি আদি কাটি অনাত গৰু গাড়ী ফৰেষ্টাৰে জব্দও কৰিছিল, বন বিভাগৰ মানুহৰ লগত হাতাহতিও লাগিছিল।

'আই সকলৰ

নিঃ ভাঃ কংগ্ৰেছ কমিটিৰ গোহাৰি'খন আছিল (তুলি দিয়া হ'ল)।

" চিৰ নমস্য প্ৰাতঃ স্মৰণীয় যুগাৱতাৰ মহামানৱ মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰাৰ লগে লগে আমাৰ এই মুক্তি যুদ্ধ সূচনা হ'ল। পৰাধীনতাৰ গ্লানি ওচৰাবলৈ লগে লগে আমাৰ ভাৰতবৰ্ষৰ বিৰাট কৰ্মশাল ষ'ত ৪০ কোটি নৰ-নাৰী আজি বন্দী তাৰ প্ৰাচীৰ ধ্বংস কৰিবলৈ মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰ মাথোন এটা সংকেত। তেখেতৰ শেষ বাণী 'কৰ্ত্তব্য নহয় মৃত্যু' (Do or die) । এই বাণী দেশৰ আবাল বৃদ্ধ- বনিতা সকলোৰে প্ৰতি। সাগৰৰ সিপাৰৰ স্বাধীন দেশ বিলাকৰ তিৰোতা সকলে হিংসাৰ যুদ্ধতো পুৰুষৰ সমানে খোজ পেলাই কাম কৰি গৈছে। ভাৰতৰ অহিংস যুদ্ধতো ভাৰতৰ নাৰী শক্তিয়ে যোগদান কৰিবই। আমি সকলোৱে যদি নিজৰ নিজৰ অংশ শান্তিপূৰ্ণ ভাৱে আৰু শৃঙ্খলাৱে কৰি যাওঁ তেতিয়া হ'লে ভাৰতৰ স্বাধীনতা নিচেই ওচৰতে। আই সকল বিশেষতঃ অহিংস যুদ্ধৰ বিশেষ উপযোগী। আইসকলে কংগ্ৰেছৰ আৰু মহাত্মা গান্ধীৰ এই জাতীয় আহ্বান গ্ৰহণ কৰি জাতীয় যুদ্ধত যোগ দান কৰিব লাগিব। দেশৰ এই সন্ধিক্ষণত এই আন্দোলনত ভাৰতৰ নাৰী শক্তিয়ে নিজ অংশ গ্ৰহণ কৰিব বুলি আমাৰ দৃঢ় বিশ্বাস। আন্দোলনৰ প্ৰাৰম্ভতে আমি আই সকলৰ পৰা যি সহানুভূতি লাভ কৰিছোঁ তাক ভাবিলে গৱৰত আমাৰ বুকু ফুলি উঠে। তেওঁলোকেও সমানে লাঠিৰ মাৰ বন্দুকৰ গুলি বুকু পাতি লৈছে। আমাৰ আইসকলে আৰু ভালদৰে কাম কৰিব পাৰিব যদি তেওঁলোকে শৃঙ্খলাবদ্ধ ভাৱে কাম কৰে। তলত কেইটমান নিৰ্দ্দেশ দিয়া গ'ল ঃ

১। আমাৰ পুৰুষ কৰ্ম্মী প্ৰায়বোৰেই এতিয়া কাৰাৰুদ্ধ। আইসকল এতিয়া আগবাঢি আহি প্ৰয়োজন মতে সভা সমিতি সমদল ইত্যাদিৰ আয়োজন কৰি কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰক।

২। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ প্ৰচাৰ পত্ৰ আৰু অন্যান্য ৰকম কংগ্ৰেছৰ বাণী প্ৰচাৰ কাৰ্য্যত আইসকলে আগভাগ ল'ব লাগিব। (দুটামান শব্দ কুটিলে) ষ'ত সুবিধা নাই নিজ হাতেৰে কপি কৰি ল'ব লাগিব।

৩। সুবিধা হ'লে আই সকলে পুলিছ কৰ্ম্মচাৰী আৰু সৈন্য (দুটা শব্দ কুটিলে) ওচৰলৈ দলবদ্ধ ভাবে গৈ এই আন্দোলনৰ কথা বুজাব লাগিব। আৰু সেই কৰ্ম্মচাৰী সকলে কি দৰে এই আন্দোলনত সহায় কৰিব পাৰে তাক ক'ব লাগিব।

৪। প্ৰত্যক্ষ ভাৱে অথবা পৰোক্ষে যি সকলে যুদ্ধত সহায় কৰিছে (ঠিকা ইত্যাদি) সেই সকলৰ ওচৰলৈ গৈ তেওঁলোকক এই কাৰ্য্যৰ পৰা বিৰত হ'বলৈ বাধ্য কৰাব লাগিব অৱশ্যে অহিংস ভাৱে)।

৫। আইসকলে যদি কংগ্ৰেছৰ মহাবাণী গাৱেঁ গাৱেঁ ঘুৰি প্ৰচাৰ কৰে তেন্তে ই জন সমাজৰ মাজত বিদ্যুতৰ দৰে বেগেৰে কাম কৰিব।

৬। টকা পইচাৰ বাবে যাতে আমাৰ জাতীয় যুদ্ধত অসুচল নহয় তাৰ বাবে প্ৰয়োজন মতে আই সকলে টকা কড়ি ৰঙ্গনি তুলিব লাগিব।

৭। এই আন্দোলন বাটি অহাৰ লগে লগে বৃটিছ গৱৰ্ণমেণ্টৰ দমন নীতিও বাটি আহিব। আই সকলে প্ৰাথমিক প্ৰতিবিধান আৰু ওষ্ৰুষাৰ জ্ঞান অৰ্জ্জা কৰ্ত্তব্য। সৈন্যসকলে সভা সমিতি ভাঙ্গিবলৈ ব্যৱহাৰ কৰা ' কন্দুৱা গেছ'ৰ পৰা ৰক্ষা পাবৰ নিয়ম জানিব লাগিব।

৮। সুন্দৰ জাতীয়তাবাদী গীতে জনসাধাৰণৰ মনলৈ সাহস ধৈৰ্য্য আৰু আগবঢ়াৰ ভাব আনে। আইসকলে প্ৰয়োজন হ'লে তেনে গীত গাই আৰু গোৱাই দেশত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিব।

৯। গাওঁ আৰু চহৰ বোৰত কেনেকৈ কাৰ্য্য কৰিব লাগিব আৰু এখন কাকতত তাৰ আচনি কৰা হৈছে। আইসকলে সেই খনিও পঢ়ি চাব আৰু যথাশক্তি পালন কৰিব।

'জয় কিম্বা মৃত্যু'

বন্দেমাতৰম।"

কলিয়াবৰৰ আই সকলে চৰকাৰী আইন অমান্য কৰাৰ কথা আগতেই উনুকিওৱা হৈছে। এই গোহাৰিত থকা প্ৰায়বোৰ কামেই কলিযাবৰৰ আই সকলে কৰাৰ কথা নথি পত্ৰৰ পৰা জনা যায়। ওপৰোক্ত গোহাৰিখন ৫/৯/৪২ তাৰিখে পোৱা বুলি কলিয়াবৰ কংগ্ৰেছ কমিটিৰ মোহৰ মৰা আছে।

ইযাৰ পিছত ৭/৯/৪২ ত কলিযাবৰ কংগ্ৰেছ অফিচে (মোহৰ মাৰি) ছাত্ৰ সকলৰে নিঃ ভাঃ কংগ্ৰেছ কমিটিযে দিযা নিবেদন খন পায় আৰু সেইদিনাই কলিযাবৰ ছাত্ৰ সন্মিলনৰ চেক্ৰেটৰীৰে পঠিয়াই দিয়ে। (তাৰ হুবহু নকল তলত তুলি দিযা হ'ল)।

"ছাত্ৰ সকলৰে নিঃ ভাঃ কমিটিৰ

নিবেদন"

বম্বেত বহা নিঃ ভাঃ কংগ্ৰেছ কমিটিৰ অধিবেশনত গান্ধীজীয়ে এই আন্দোলনত ছাত্ৰসকলক তেওঁলোকৰ ন্যায্য অংশ গ্ৰহণ কৰিবলৈ আহ্বান কৰে। বম্বেৰ ছাত্ৰসকলে সেই আহ্বান শুনিছে আৰু সৰু বৰ অন্যান্য ঠাইৰ ছাত্ৰ সকলেও নুশুনাকৈ থকা নাই।

আমাৰ জাতীয় যুদ্ধ আৰম্ভ হ'ল। ভাৰতৰ সকলো শ্ৰেণীৰ মানুহে এই আন্দোলনত যোগ দিছে। আৰু ছাত্ৰ শক্তিৰ দৰে গৌৰৱপূৰ্ণ আৰু বীৰত্বপূৰ্ণ অংশ অন্য কোনোৱেই ল'ব পৰা নাই। কিন্তু ই মাথোন আমাৰ কৰ্ত্তব্যহে।

আমৰ নেতাসকল এতিয়া কাৰাগাৰত । জনসাধৰণে ছাত্ৰ সকলৰ নেতৃত্বৰ বাবে আকুল ভাবে অপেক্ষা কৰি আছে। ছাত্ৰসকলে সমূহ বাইজক কংগ্ৰেছৰ বাণী বুজাই আমাৰ লক্ষ্যত উপনিত নহও মানে আন্দোলন চলাই গৈ থাকিব।

এইখনেই আমাৰ শেষ সংগ্ৰাম

যদি ছাত্ৰ শক্তিয়ে পূৰ্ণ উৎসাহেৰে ইয়াত যোগ দিয়ে তেনেহ'লে আমি ভাৰতত বৃটিছ ৰাজত্বৰ অৱসান ঘটামেই। আৰু কল্পনাতীত কম সময়তেই সফল হ'ম। ই নিশ্চিত- ভাৰতত বৃটিছ শাসনৰ জৰাজীৰ্ণ অৱস্থা। এই জাতীয় স্পন্দনে তাকো ধুলিস্যাৎ কৰি ভস্মীভূত কৰি দিব।

ছাত্ৰ সকলৰ কৰ্ত্তব্যৰ কেইটিমান নিৰ্দ্দেশ তলত দিয়া হ'ল-

১। আমি যি আন্দোলন আৰম্ভ কৰিছো সি গাওঁ আৰু নগৰ দুই ঠাইতেই চলিব।

(ক) চহৰ- শাসন যন্ত্ৰ অচল কৰি বৃটিছ ৰাজত্ব ধ্বংস কৰি দিয়াটোৱেই এই আন্দোলনৰ মুখ্য উদ্দেশ্য। বৃটিছ শাসন এই মানৱৰ জন্ম স্বত্ব স্বাধীনতাৰ বাবে যুদ্ধ কৰা জাতি এটাক দমন কৰাত ব্যস্ত। যি আইন আৰু আদালতে ন্যায় বিচাৰ কৰক চাবি মানুহৰ ওপৰত দমন নীতি চলায় সেই আইন আদালত আমাৰ প্ৰযোজন নাই। যি আদালতত এই বাইজৰ উপকাৰ কৰা দূৰতে থাওক জনমতৰ কণ্ঠৰোধৰ উপায় কৰিছে সেই বিদেশী আমোলাতন্ত্ৰৰ কৰ্ম্মচাৰী সকলক বৰ্ত্তমানে পদ ইস্তফা দি ওলাই আহিবলৈ বাধ্য কৰাৰ লাগিব

অৱশ্যে অহিংসে ভাবেৰে। আৰু যদি তেওঁলোকে পদ ইস্তফা দিব নোৱাৰে তেতিয়া তেওঁলোকে কেন জাতীয়তা বিৰোধী কাম বিলাক দৃঢ়ভাবে অৱহেলা কৰিব। কৰিব নোৱাৰে বুলি কৈ নিজৰ আত্মসম্মান আৰু জাতীয় গৌৰৱ বোধৰ চিনাকি দিয়ে যেন।

(খ) গাওঁবোৱত- আমাৰ যাই আন্দোলনৰ ঠাইৎ হৈছে গাওঁবোৱত। গাওঁবোৰৰ কোটি কোটি চহা মানুহে ছাত্ৰ সকলৰ জড়িয়তেই কংগ্ৰেছৰ 'ভাৰত আজিৰ পৰা স্বাধীন' এই মহাবাণী পাব লাগিব। গাৱঁৰ মানুহে নিজ নিজ গাৱঁৰ শাসন ভাৰ নিজৰ (পঞ্চায়ত) হাতলৈ আনি বৃটিছ চৰকাৰৰ শাসন উপেক্ষা কৰি প্ৰত্যেক গাৱঁতেই একোখন সুকীয়া ৰাষ্ট্ৰ হিচাপে চলিব লাগিব। বৃটিছ গৱৰ্ণমেণ্টৰ লগত সম্পৰ্ক আমি চিৰদিনৰ কাৰণে সম্পূৰ্ণ ভাৱেই ত্যাগ কৰিলো।

৪। বৃটিছ চৰকাৰে প্ৰচাৰ কাৰ্য্যৰ বাট সকলো প্ৰকাৰে দমন কৰাৰ চেষ্টা কৰিছে। জাতীয়তাবাদী বাতৰি কাকত বোৰে প্ৰকাশ বন্ধ কৰিবলৈ চৰকাৰে বাধ্য কৰাৰ আগতেই নিজৰ সম্মান ৰাখি নিজেই বন্ধ কৰিলে। সেইবাবে প্ৰচাৰ কাৰ্য্যৰ গধু�ৰ বোজাটি এতিয়া সম্পূৰ্ণৰূপে ছাত্ৰৰ ওপৰত পৰিছে। তেওঁলোকেই এতিয়া গাওঁ ভূঁই নগৰ চহৰ সকলোতে ব্যাপকভাৱে প্ৰচাৰ কাৰ্য্য চলাইছে। যি ঠাইত নিঃ ভাঃ কং কমিটিৰ নিৰ্দ্দেশ আৰু অন্যান্য প্ৰয়োজনীয় খবৰ ছপা কৰি বিতৰণৰ সুবিধা নাই বা নহয় তাত নিজ হাতেৰে লিখি প্ৰচাৰ কৰিব লাগিব। আমাৰ প্ৰচাৰ কাৰ্য্যৰ ভাষা হ'ব প্ৰাদেশিক ভাষা।

৫। ছাত্ৰ সকলৰ এটা দলে এই লেখা কাম কৰিব আৰু তাতকৈ সৰহ সংখ্যক দলে সেইবোৰ প্ৰচাৰ কৰিব লাগিব। দেশত কি ঘটিছে আৰু জন সাধাৰণৰ কৰ্তব্য কি তাক জন সাধাৰণে নিয়মিত ভাবে জানিব লাগিব। প্ৰচাৰ কাৰ্য্যই আমাৰ আন্দোলনৰ প্ৰাণ শক্তি। প্ৰচাৰ কাৰ্য্যৰ অভাৱত যাতে আন্দোলন জয় নপৰে তালৈ সদায় লক্ষ্য ৰাখিব লাগিব। আমাৰ প্ৰচাৰ পত্ৰবোৰ চুটি কিন্তু প্ৰাণস্পৰ্শী হ'ব লাগিব। বিশেষকৈ গাৱঁলৈ পঠোৱা প্ৰচাৰ পত্ৰবোৰ স্পষ্ট আৰু সবল হয়, যাতে দ্বি-অৰ্থৰ নহয়, তালৈ চকু ৰাখিব লাগিব। স্বাধীনতা সূচক ধ্বনি আদিবো আমি প্ৰচাৰ কৰিব লাগিব।

৬। আমি কৃষক, জমিদাৰ মহাজন, মজদুৰ, কেৰাণী, মহৰী, পুলিছ, সৈন্য ইত্যাদি সকলো মানুহৰ ওচৰলৈ গৈ তেওঁলোকক জাতীয় আন্দোলনত কেনেকৈ যোগ দিব পাৰে বুজাব লাগিব। তেওঁলোকক বুজাই দিব লাগিব- ভাৰবৰ্ষৰ পৰা বৃটিছ ৰাজত্বৰ এমাহ বা তেনে সময়ৰ ভিতৰতেই উঠি যাব। ই ধ্ৰুব ভৱাৰ দৰে সত্য। তেখেত সকলে ভয় ত্যাগ কৰি পৰাধীন ভাৰতক স্বাধীন কৰি তুলিবলৈ হাতে হাতে ধৰি থিয় হওক। মাত্ৰ মনত ৰাখিব আমি তেওঁলোকক বুজাব লাগিব বন্ধু ভাবেৰে শত্ৰু ভাবেৰে নহয়।

৭। আমাৰ দৃঢ় বিশ্বাস এই আন্দোলনে আমাক সাম্প্ৰদায়ীক ঐক্য আনি দিব। এই আন্দোলনত জন সাধাৰণেই ইয়াৰ ফল উপভোগ কৰিব। ই অতি সুখৰ বাতৰি যে ভাৰতৰ প্ৰায় সকলো ঠাইতেই মুছলমান ছাত্ৰই হিন্দু ছাত্ৰৰ লগত সহযোহীতা কৰি আৰু এই আন্দোলন নিজৰ বুলি ঘোষণা দিছে। বহুতো ঠাইত সভা সমদল ইত্যাদিত মুছলমান জনতাই হিন্দু জনতাতকৈ কোনো গুণে কম কষ্ট বা ত্যাগ কৰা নাই। সীমান্ত প্ৰদেশ সম্পূৰ্ণ ৰূপে মুছলমান প্ৰদেশ। সীমান্ত প্ৰদেশে এতিয়া বৃটিছ যুৱলী দলিয়াই পেলাই নিজক স্বাধীন ৰাষ্ট্ৰ বুলি ঘোষণা কৰিছে। আমাৰ ছাত্ৰ শক্তি এই দুই সম্প্ৰদায়ৰ মিলনৰ যোগ সূত্ৰ হওক।

৮। অহিংসাই আমাৰ আন্দোলনৰ মূল ভেটি। কঠোৰতম পৰিস্থিতিৰ মাজতো আমি নীৰৱে বিমান সহ্য কৰিব পাৰিম সিমানেই আনকালে আমি সফলতা লাভ কৰিম। পুলিছ আৰু চিপাহী বোৰৰ সামৰিক শক্তি প্ৰয়োগৰ মাজতো ভাৰতীয় বাহিজে সম্পূৰ্ণ অহিংসে নীতি অবলম্বন কৰিছে। পুলিছ আৰক্ষা সৈন্য বাহিনীৰ হিংসা নীতিৰ ফলত উত্তেজিত হৈ বিপক্ষ জনতাই হিংসাৰে হিংসাক বাধা দিবৰ ইচ্ছা কৰিব পাৰে। সেইবাবে সকলো প্ৰকাৰৰ প্ৰচাৰ কাৰ্য্যত অহিংসাৰ উন্মেষ থাকিব লাগিব। কাৰণ ভাৰতত এই বিপদৰ ধূমুহাৰ মাজত অহিংসাই আমাৰ জাতিৰ একমাত্ৰ আশ্ৰয়।

৯। ছাত্ৰ সকলে স্কুল কলেজ বিশ্ব বিদ্যালয় সকলোৰে পৰা শেষ বিদায় লৈ আহিব লাগিব।

যেতিয়ালৈকে ভাৰতবৰ্ষ স্বাধীন নহয় তেতিয়ালৈকে স্কুল কলেজ বিদ্যালয় সকলো আমি বৰ্জ্জন কৰিম।

আমি কেৱল স্বাধীন ভাৰততহে পঢ়িম। ছাত্ৰ সকলে স্বাধীনতাৰ বাণী লৈ গাঁৱে ভূঞে সোমাই জনগণক জগাই তুলিব লাগিব। সমগ্ৰ দেশ স্বাধীনতাৰ মন্ত্ৰত দীক্ষিত হ'লেই বৃটিছ শাসন যন্ত্ৰ চিৰদিনৰ বাবে অচল হৈ যাব।

DO OR DIE

হাইস্কুল ত্যাগ কৰা দ্বিতীয় দল ছাত্ৰ

এই নিৰ্দ্দেশ (জাননী) পাই সেই সময়ত ওতঃপ্ৰোত ভাৱে জড়িত হৈ থকা ছাত্ৰ সকলে শ শ কপি কৰি দুদিনৰ ভিতৰতে গোটেই কলিযাবৰতে, বিশেষকৈ হাইস্কুল, এম ভি আৰু এম ই স্কুলত, বিতৰণ কৰিলে। ছাত্ৰ সকলৰ অভিভাৱক সকলেও এই জাননী পঢ়ি ভাবিবলৈ বাধ্য হ'ল। কংগ্ৰেছৰ প্ৰাথমিক বোৰলৈকো পঠিওৱা হ'ল।

এই আহ্বান পোৱাৰ পিছত আগতে উল্লেখ কৰা স্কুল ত্যাগ কৰা ৭ জন ছাত্ৰৰ লগলৈ কলিযাবৰ হাইস্কুলৰ আৰু ৭ জন ছাত্ৰই স্কুল ত্যাগ কৰি ওলাই আহিল। তেওঁলোক হ'ল

(১) শ্ৰীনগেন্দ্ৰ নাথ বৰা আৰু (২) শ্ৰীসুৰথ বৰা (শাকমুঠি), (৩) শ্ৰীদেবেন্দ্ৰ নাথ হাজৰিকা (গাৰিকুৰি), (৪) শ্ৰীভাবি শইকীয়া (আখিৰঙা), (৫) শ্ৰীভাৰত চন্দ্ৰ ভূঞা (নলতলি), (৬) শ্ৰীহেমকান্ত শইকীয়া (বাঘৰ চুক), (৭) শ্ৰীমহিম বৰা (হাটবৰ)।

ইযাৰ ভিতৰত শ্ৰীভাবি শইকীয়া, শ্ৰীদেবেন হাজৰিকা আৰু শ্ৰীহেমকান্ত শইকীয়া ৩য়, ৪র্থ শ্ৰেণীৰ ছাত্ৰ আছিল। তেওঁলোকক অভিভাৱকে স্কুললৈ যোৱা বন্ধ কৰিছিল।

আমি এই সকলৰ কথা নিজে জনাৰ উপৰিও কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ নথিৰ পৰা নামবোৰ সংগ্ৰহ কৰিছো। প্ৰত্যেক নামৰ বিপৰিতে গাঁৱঁৰ নামৰ লগতে পিতাৰ নামো উল্লেখ কৰা আছে। কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ ৩ নং চাৰ্কুলাৰ খনতো 'কলিযাবৰ হাইস্কুলৰ পৰা স্কুল ত্যাগ কৰি অহা ছাত্ৰৰ নাম' এই শিতানত নাম বোৰ লিখা আছে। ইযাৰ পিছত কোনোবাই স্কুল ত্যাগ কৰাৰ বিষয়ে কোনো নথি পত্ৰ আমাৰ হাতত নাই। কিন্তু সাময়িক ভাবে বঙ কেইজন ছাত্ৰ ওলাই আহিছিল আৰু আন্দোলনত সম্পূৰ্ণ সহযোগ কৰিছিল।

কৰ্ত্তব্যৰ প্ৰতি নগাৱঁৰ নিৰ্দ্দেশ

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ পৰা অহা জাননী আদিৰ উপৰিও নগাওঁ জিলা কংগ্ৰেছৰ পৰা সঘনে নিৰ্দ্দেশ গোহাৰি আদি বোৰ আহিযেই আছিল । তেনেকুৱা এখন নিৰ্দ্দেশনামা তলত তুলি দিযা হ'ল-

"নগাওঁ জিলাৰ প্ৰাথমিক কংগ্ৰেছ কমিটিবোৰৰ সভাপতি সম্পাদক, সভ্য, নায়ক আৰু শান্তিসেনা সকলৰ প্ৰতি নিৰ্দ্দেশ-

ইয়াৰ দ্বাৰা নগাওঁ জিলাৰ প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সভাপতি, সম্পাদক, সভ্য, নায়ক আৰু শান্তিসেনা সকলৰ প্ৰতি নিৰ্দ্দেশ দিয়া যায যে দাম্ভিক গৱৰ্ণমেণ্টে যি ১৪৪ ধাৰা জাৰি কৰিছে তাক অনতি পলমে ভাঙি চুৰমাৰ কৰিব লাগিব। সকলো নৰ নাৰীয়েই শোভাযাত্ৰা কৰিব লাগিব। ডাঙৰ ডাঙৰ বাজহুৱা সভা পাতিব লাগিব। প্ৰতেক শান্তিসেনা আৰু নায়কে পুৰা ইউনিফৰ্ম পিন্ধিব লাগিব। সদায় নিয়মিত ৰূপে পহৰা দিব। কোনো শোভাযাত্ৰাদিত, সভা সমিতিত লাঠি যাঠি বা অন্য অস্ত্ৰ ব্যৱহাৰ কৰিব নোৱাৰিব। বাতি পহৰা দিয়া অৱস্থাত হাত লেম বা জোঁৰ থাকিব লাগিব। যি শান্তি সেনা বা নায়কে ভয়ত নিজৰ ইউনিফৰ্ম ব্যৱহৰ নকৰে আৰু শোভাযাত্ৰা নকৰে তেনে শান্তি সেনা আৰু নাযকৰ বেজ কেপ আদি কাটি অনা হ'ব। এই আদেশ পূৰ্ণ স্বৰাজ লাভ নোহোৱা পৰ্য্যন্ত বলবৎ থাকিব। অন্য যি কোনো মানুহে হুকুম দিলে সেই হুকুম গ্ৰাহ্য কৰা নহ'ব। যদি কোনো অফিচাৰে বা নায়কে এনে ধৰণৰ ভিত্তীহীন কামত নির্ভৰ কৰি কাম কৰে তেনে নায়ক বা শান্তিসেনাৰ শাস্তিমূলক ব্যৱস্থা লোৱা হ'ব। ইতি

শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা
সভাপতি, নগাওঁ জিলা
কংগ্ৰেছ কমিটি। ৩/৯/৪২"

শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী
Addl D O C

এনেযেও কলিয়াবৰ কংগ্ৰেছৰ সভাপতি, অৰ্গেনাইজাৰ (শ্ৰীসোমেশ্বৰ বৰা) আৰু অধিনায়ক (শ্ৰীবদন বৰদলৈ) ৰ কঠোৰ নিয়মানুৰ্ত্তিতাৰ আদেশ আছেই তাতে আকৌ এইখন পোৱাৰ পিছত প্ৰতিজন শান্তিসেনা আৰু নায়কেই নহয় সাধাৰণ কংগ্ৰেছ সভ্য সকলেও খদ্দৰৰ কাপোৰ পিন্ধাটো এটা সম্মাণৰ চিন বুলি গণ্য কৰা হ'ল। অৱশ্যে বহুতো ছাত্ৰই এই ইউনিফৰ্ম পিন্ধা নাছিল। সেই সময়ত ওপৰৰ নির্দ্দেশ পালন কৰাটো এটা পবিত্ৰ কাম বুলি ভবা হৈছিল। উলংঘা কৰাৰ প্ৰশ্নই নাছিল।

ওপৰোক্ত নির্দ্দেশৰ পিছতো 'কলিয়াবৰ কেন্দ্ৰীয় সভাৰ সভাপতি মহোদয়ৰ নির্দ্দেশ' বুলি ৬/৯/৪২ তাৰিখে খদ্দৰৰ ইউনিফৰ্ম পিন্ধিহে সভালৈ আহিবলৈ সকলো প্ৰাথমিকক জনাই দিয়া হৈছিল।

ইতিমধ্যে কলিয়াবৰৰ বহুতো গাঁৱৰ শান্তি সেনা শিবিৰ আৰু প্ৰাথমিক কংগ্ৰেছৰ অফিচবোৰ মিলিটাৰীযে. কাটি চিণ্ডি-ভাঙ্গি পেলালে আৰু কে'বাটাও জুই দি পুৰিলে। বাইজে আকৌ সাজিবলৈ উদ্যম ল'লে। বহুতো গাঁৱত আগৰ ঠাইতে আৰু বহুতত অন্য ঠাইত বাতিৰ ভিতৰতে আগতকৈ ভালকৈহে আকৌ ঘৰ উঠিল। বাইজৰ উদ্যম মিলিটাৰীয়ে শেষ কৰিব নোৱাৰিলে।

আগতেই কোৱা হৈছে যে কলিয়াবৰৰ শ্ৰীলীলা কান্ত বৰাই কংগ্ৰেছত যোগ দি কিছুদিনৰ পিছতহে কলিয়াববলৈ নিগাজীকৈ আহে। ৫/৯/৪২ তাৰিখে পোৱা নগাওঁ জিলা কংগ্ৰেছৰ পৰা লিখা চিঠিত তেখেতলৈ লিখিছিল-

" বিশেষ লিখিবলগীয়া এই যে নগাওঁৰ সকলো কংগ্ৰেছ অফিচতে ভলা লগোৱা হৈছে আৰু কোনো

কোনো ঠাইত আগি দিয়া হৈছে। কলিয়াবৰতো যি বিলাক অধিক আগি দিয়া হৈছে সেই বিলাক ঠাইতে পুনৰ অধিক সাজি (সাধাৰণ ভাৱে হ'লেও) নিজ নিজ কাম চলাব। পতাকাৰ অবমাননা কৰি যদি পুলিছে কাঢ়ি নিবলৈ চেষ্টা কৰে প্ৰাণ গ'লেও এৰি যাতে নিদিয়ে। কেম্পত যি ভলণ্টিয়াৰ থাকে তেওঁলোকে খোৱা বোৱা বন্ধ কৰি যদি পুলিছে চক-হাবি লৈ যায় তাতে আকৌ বান্ধি খাব দিব। মুঠৰ ওপৰত পুলিছৰ দমন নীতিৰ সৰ্ব্বতো প্ৰকাৰে বাধা দিব লাগে। বাইজক ভালদৰে বুজাব যাতে মিলিটাৰী আদি দেখি ভীত নহৈ থাকে, নপলায়। আৰু জাপ আৰু জাৰ্মাণৰ পূব আৰু পশ্চিম প্ৰান্তত আসন্ন অভিযাজনত সংগঠিত ভাৱে থিয় হৈ, সময়ৰ কাম কৰি যাব। ইয়াকো বুজাব যাতে বাইজে বৰ্ত্তমান, কংগ্ৰেছ বিৰুদ্ধ কিছুমান প্ৰচাৰ কাৰ্য্য চলিছে, অখিলৰ ষ্টাম্প মোহৰ নকল কৰি কৰা কিছুমান কংগ্ৰেছৰ মূল নীতি বিৰুদ্ধ কথাত ভোল গৈ আমাৰ মুক্তি সংগ্ৰামক নষ্ট নকৰে। প্ৰত্যেক কৰ্ম্মীকে সেই প্ৰচাৰ পত্ৰ বোৰ ভালদৰে বুজ লৈছে প্ৰচাৰ কৰিবলৈ ক'ব। যি বিলাক মেম্বাৰ কৰা হৈছে সেই বহিদ বহীবোৰ যাতে অতি গোপকালে মহী বঢ়াৰ ঘৰত মনে মনে দি যায়হি।

এইটোও নিৰ্দ্দেশ দিব যাতে কলিয়াবৰৰ শান্তি সেনা ও নায়ক সকলে পুলিছ বা মিলিটাৰী দেখি টুপি, বেজ ও ইউনিফৰ্ম আদি নোসোলাকাই নিজ নিজ কাম কৰি যায় (অৱশ্যে ডাক বিভাগৰ বাদে)।

নমস্কাৰ ল'ব।"

এইচিঠিখনৰ নকল কৰি ৬/৯/৪২ তাৰিখে প্ৰত্যেক প্ৰাথমিকলৈ পঠিওৱা হ'ল।

ইহাতে কলিয়াবৰত বজাৰ বন্ধৰ প্ৰক্ৰিয়া চলিয়েই থাকিল। শান্তি সেনা কংগ্ৰেছ কৰ্ম্মী সকলোৱেই সমগ্ৰ কলিয়াবৰতে দৈনিক বজাৰত পিকেটিং কৰিয়েই আছিল। বাইজৰ সুবিধাৰ কাৰণে হাটখোৱাক কৰ দিব নলগাকৈ বাইজৰ মাটিত বজাৰ বহুওৱাও হৈছিল। কিন্তু ইয়াৰ মাজতে ব্যতিক্ৰমো নোহোৱাকৈ নাথাকিল, চৰকাৰী বজাৰ বহিল।

আমাৰ হাতত থকা সৰুভগীয়া প্ৰাথমিকৰ কাৰ্যকৰী কমিটিৰ প্ৰস্তাৱ সমূহৰ পৰা সংগঠন সম্পৰ্কেও কিছু কথা জনা যায়। কেন্দ্ৰীয় কংগ্ৰেছলৈ পঠিওৱা প্ৰস্তাৱ সমূহ তুলি দিয়া হ'ল-

" আজি সৰুভগীয়া প্ৰাথমিকৰ সভ্য সকল একত্ৰিত হৈ নিম্নলিখিত প্ৰস্তাৱ সমূহ গৃহিত কৰে।

১ম- আজি কেন্দ্ৰীয় সভাই অনিৰ্দ্দিষ্ট কাল কলিয়াবৰৰ বজাৰ বন্ধ কৰিব বুলি জনাই পুনৰ জখলাবন্ধা বজাৰ কিয় বহুৱালে; এই আদেশ কেন্দ্ৰীয় সভাৰ নে কোনোবাই মই মতালী কৰি কৰা কাৰ্য্য? ইয়াৰ সবিশেষ কেন্দ্ৰীয় সভাৰ পৰা কেন্দ্ৰীয় সভাপতি মহোদয়ৰ জড়িয়তে জনাবলৈ অনুৰোধ কৰা হওক।

২য়- যদি এই আদেশ কেন্দ্ৰীয় সভাৰ নহয় কিয় এনে অশৃঙ্খল ঘটিছে? ইয়াৰ এটা আচনি কেন্দ্ৰীয় সভালৈ পঠোৱা হওক। সেই আচনি কাৰ্য্যক্ষেত্ৰত পৰিণত কৰিবলৈ টানি অনুৰোধ কৰা হওক।

(ক) কাগজ পত্ৰ পিয়নৰ দ্বাৰাই নিৰ্দ্দেশ পত্ৰ প্ৰচাৰ নকৰি ৩২ জন সদস্য নিযুক্ত হ'ব লাগে। উক্ত সদস্যই গাওঁ সংগঠনৰ সকলো দায়িত্ব ল'ব লাগিব। উক্ত সদস্যই প্ৰাথমিক সদস্য সকলৰ লগত জড়িত হৈ সংগঠন পঞ্চায়ত সভা নিয়ম অনুসাৰে গঠন কৰিব। প্ৰাথমিক কমিটিয়ে পঞ্চায়ত সভাক চোকা দৃষ্টি ৰাখিব। যি গাঁৱৰ বাইজে সংগঠন কাৰ্য্যত যোগদান নিদিয়ে বা নিয়ম অতিক্ৰম কৰে তেনেহ'লে প্ৰাথমিকে তাৰ উপযুক্ত শাস্তি বিধান কৰিব। সংগঠন পৰিদৰ্শকে প্ৰাথমিকৰ তলত থকা সংগঠন পঞ্চায়ত সকলৰ কাৰ্য্যাবলী বিশদ ৰূপে বুজাই দি কাম কৰিব। ব্যক্তিগত হিচাপে গাওঁ সংগঠনৰ ভিতৰত মানুহে নিয়ম ভঙ্গ কৰিলে তেওঁৰ উপযুক্ত শাস্তি পঞ্চায়ত সভাই বিধান কৰিব। গঠন কাৰ্য্যৰ নিয়মাবলী প্ৰাথমিকে সংগঠন পৰিদৰ্শকক দি থাকিব।

(খ) বৰ্ত্তমান সমস্যাত সংগঠন কাৰ্য্য যদি কেন্দ্ৰীয় সভাই চোকা দৃষ্টিৰে প্ৰাথমিক বিলাকক নিদিয়ে

তেনেহ'লে কোনো ওপৰ কংগ্ৰেছৰ নিৰ্দেশেই কাৰ্যকৰী নহ'ব। যেনে- আজি ৬/৯/৪২ তাৰিখ বুধবাৰে হোৱা জখলাবন্ধ বজাব।

(গ) কলিয়াবৰৰ বজাব সমূহ বন্ধ কৰা কাৰ্য্যত কেন্দ্ৰীয় সভাই কৃতকাৰ্য্য লাভ কৰিবৰ হ'লে অতি সোপকালে কাৰ্য্য ক্ষেত্ৰত কেইজনমান সদস্য নামিব লাগিব। যি সকল প্ৰত্যেকেই গঠনমূলক আলোচনা প্ৰত্যেক প্ৰাথমিকক দিব লাগিব।

(ঘ) জখলাবন্ধা গাওঁত গঠনমূলক কাম একো হোৱা নাই। গতিকে আমাৰ প্ৰাথমিকে কোনো কাম সুচাক ৰূপে কৰিব পৰা নাই। এই গাঁৱৰ গঠনমূলক কাৰ্য্য দোহোৱাত সাৰৌ কলিয়াবৰৰ অনিষ্ট হৈছে। কাৰণ ই এটুকুৰা সকলোৱে অনুষ্ঠানবে নিৰ্দ্দিষ্ট স্থান। ইয়াৰ এটা সিদ্ধান্ত অনতি পলমে কৰিবই লাগিব। আহা নাথকিলেও গঠনমূলক কাৰ্য্য হ'ব লাগিব।

৩য় প্ৰঃ- কলিয়াবৰ বজাব অনিৰ্দ্দিষ্ট কাল বন্ধ কৰা হৈছে যুলি কেন্দ্ৰীয় সভাৰ যোগেদি চামগুৰি পুৰণি গুদাম আদি স্থানলৈ কংগ্ৰেছৰ জড়িয়তে জনোৱা হওক। কাৰণ বহুত গাড়ী উজাই আহি সালনা বাগান বজাব কৰিবলৈ আহিছে। উক্ত প্ৰস্তাব কেন্দ্ৰীয় সভাই সিদ্ধান্ত কৰিব।

৪ৰ্থ প্ৰঃ- আজি গৃহিত হোৱা প্ৰস্তাব সমূহৰ ১ কপি কেন্দ্ৰীয় অফিচলৈ পঠোৱাৰ ভাৰ সম্পাদকক দিয়া হওক।

সৰ্ব্ব সম্মতি ক্ৰমে প্ৰস্তাব সমূহ গৃহিত হৈ সভাপতি মহোদয়ৰ আদেশ ক্ৰমে সভা ভঙ্গ হয়।

সকভগীয়া প্ৰাঃ কংগ্ৰেছ কাৰ্যকৰী কমিটিৰ
নিৰ্দ্দেশ ক্ৰমে-
শ্ৰীটঙ্কেশ্বৰ হাজৰিকা
সম্পাদক, ৬/৯/৪২।"

শ্ৰীটঙ্কেশ্বৰ হাজৰিকা নিজে অনুষ্ঠানটোৰ দৰেই আছিল। সকলো কাম তেখেতৰ উদ্যোগতে হৈছিল। সমগ্ৰ কলিয়াবৰৰে সকলো বিষয়তে সকলো সময়ত চকু ৰাখি তেখেতে অৱস্থা চাই ব্যৱস্থা লৈছিল। কলিয়াবৰৰ ভিতৰত প্ৰাথমিকৰ পযেকীয়া প্ৰতিবেদন ক্ষতি নকৰাকৈ প্ৰতি পযেকতে কেন্দ্ৰীয় সভালৈ পঠিওৱা ব্যক্তি আছিল একমাত্ৰ শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই। প্ৰয়োজনত কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ দোষ ত্ৰুটি দেখুৱাই দিবলৈ কুণ্ঠাবোধ নকৰা আৰু পৰামৰ্শ আৰু আঁচনি যুগুতাই দিয়া একমাত্ৰ প্ৰাথমিক সম্পাদক আছিল শ্ৰীহাজৰিকা দেৱ। ১৯৪২ চনৰে পৰা ১৯৪৭ চনলৈকে, স্বাধীনতা পোৱাৰ পিছলৈকে, তেখেতে সকভগীয়া প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সুদক্ষ সম্পাদক হিচাপে অমূল্য সেৱা আগবঢ়ালে।

সমগ্ৰ কলিয়াবৰৰ ভিতৰতে একমাত্ৰ জখলাবন্ধাতহে প্ৰাথমিক কংগ্ৰেছ গঠন কৰিব পৰা নহ'ল। ফলত সকভগীয়া প্ৰাথমিকেই জখলাবন্ধাৰ কংগ্ৰেছ কৰ্ম্মী সকলক অন্তৰ্ভূক্ত কৰিব লগা হ'ল। মাত্ৰ দুজন মানৰ বাদে খাওন্দ চুকৰ মানুহখিনি নীৰৱ হৈ থাকিল।

কলিয়াবৰত ১৪৪ ধাৰাৰ পুনৰ জাননী

সমগ্ৰ নগাওঁ জিলাতে বৃটিছ চৰকাৰে জাৰি কৰা ১৪৪ ধাৰা আইন বলবৎ

ধৰোঁতেও কলিয়াবৰত ৬/৯/৪২ তাৰিখে পুৱাতেই চৰকাৰী যন্ত্ৰটোৱে আকৌ এবাৰ এই আইন অমান্য কৰাটো চৰকাৰে সহ্য নকৰে বুলি গোটেই কলিয়াবৰতে প্ৰচাৰ চলালে।

লগে লগে কলিয়াবৰৰ প্ৰতিজন কংগ্ৰেছ কৰ্ম্মী শান্তি সেনা, মৃত্যু বাহিনীৰ লোক তৎপৰ হৈ পৰিল।

"কলিয়াবৰ কেন্দ্ৰীয় সভাৰ সভাপতি মহোদয়ৰ জাননী" বুলি ৬/৯/৪২ তাৰিখে, কলিয়াবৰৰ সকলো প্ৰাথমিকলৈকে নিৰ্দ্দেশ পঠিওৱা হ'ল।

"৩১/৮/৪২ তাৰিখে ধৰণপুৱত পুলিচ গুণ্ডাই কৰা অমানুষিক অত্যাচাৰৰ প্ৰতিবাদ কৰোঁ আৰু ১৪৪ ধাৰা ভঙ্গ কৰিবৰ কাৰণে কাইলৈ ৭/৯/৪২ তাৰিখ সোমবাৰে সম্পূৰ্ণ হৰতাল হ'ব লাগে আৰু প্ৰত্যেক গাঁৱৰ পুৰুষ মহিলা মিলি শোভাযাত্ৰা কৰি আহি চতিয়াল শহৰ মন্দিৰত দিনৰ ১১ বজাত সমবেত হ'ব লাগে।"

(এই কথা নগাওঁ জিলাৰ ডেপুটি কমিচনাৰ আৰু কলিয়াবৰ থানাকো জনাই দিয়া হ'ল।)

সেই তাৰিখেই (৬/৯/৪২) কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ পৰাও এখন বুলেটিন (৬ নং বুলিটিন) এঁকে লগেই সকলো প্ৰাথমিক কমিটিলৈ পঠিওৱা হ'ল (নকল তুলি দিয়া হ'ল)

বন্দেমাতৰম

বাৰপুজীয়া বেবেজিয়া আদি কে'বা ঠাইতো নিৰপৰাধী বাইজ নীৰিহ কুকণীয়া ল'ৰা-ছোৱালী আৰু তিৰোতাৰ ওপৰত চৰকাৰে কৰা পাশবিক আৰু অমানুষিক অত্যাচাৰৰ কথা সকলোৱে নিশ্চয় শুনিছে। এইটো স্পষ্ট প্ৰমাণ হৈছে যে আমাৰ বাইজে দেশৰ হকে অন্য কষ্টবোটো দুবৰ কথা মৃত্যুকো ভয় নকৰে। অতি আনন্দ ও উৎসাহৰ কথা যে সেই সেই ঠাইৰ মানুহে এই অত্যাচাৰৰ ফলত দুগুণ উৎসাহেৰে কামত লাগি গৈছে।

বৰ্ত্তমান চৰকাৰে যি দমন নীতি আৰম্ভ কৰিছে সেই দমন নীতি প্ৰয়োগত বিচলিত আৰু ধৈর্য্যচ্যুত নহৈ দুগুণ উদ্যমেৰে সকলো বাইজে আৰু কৰ্ম্মীয়ে কংগ্ৰেছৰ নিৰ্দ্দেশ পালা অনুসৰি কাম কৰি থাকি মহাত্মাৰ শেষ নিৰ্দ্দেশ 'মন্ত্ৰৰ সাধন কিম্বা মৃত্যু' এই মহামন্ত্ৰ ফলত বাখি প্ৰত্যেক জন দেশ বাসীয়ে যেন কংগ্ৰেছৰ বাণী ও নিৰ্দ্দেশ অনুসাৰে কাম কৰি আন্দোলন শক্তিশালী কৰি তুলিব। এই আন্দোলন শেষ নোহোৱা পৰ্য্যন্ত প্ৰত্যেক জন দেশ বাসীয়েই 'মোৰ ওপৰত মহাত্মা গান্ধীৰ কাৰ্য্যভাৰ পৰিছে' বুলি ভাবি আগবঢ়ি যাব লাগে। মহাত্মা গান্ধীৰ এৰে শেষ আন্দোলন। আমাৰো এৰে স্বাধীনতাৰ শেষ যুদ্ধ।

এই মহাসমৰত ভাৰতৰ শত শত হিন্দু মুছলমান ছাত্ৰ ছাত্ৰী ও নৰ-নাৰীয়ে হাঁহি হাঁহি প্ৰাণ দিব লাগিছে। এনে জাতীয় স্বাধীনতাত বাধা দিয়া এনে ক্ষমতা কাৰো নাই। জয় আমাৰ অনিবাৰ্য্য।

আমি স্বাধীনতাৰ মহামন্ত্ৰ গ্ৰহণ কৰিছো বেতিয়া আমি গৱৰ্ণমেণ্টৰ লগত সকলো প্ৰকাৰৰ সম্বন্ধ ছেদ কৰিবই লাগিব। আৰু নিজে নিজে সকলো ব্যৱস্থা কৰিবই লাগিব। যি প্ৰকাৰেই হওঁক গৱৰ্ণমেণ্টক অচল কৰি তুলিব লাগিব। আৰু আমাৰ দেশৰ ভাৰ এবি দিবলৈ বাধ্য কৰিব লাগিব। গতিকে প্ৰত্যেক কংগ্ৰেছ কমিটিৰ কাৰণে কাৰ্য্যসূচী তলত দিয়া হ'ল-

১। বৰ্ত্তমান চেংলেটৰ মাহৰ ১৫ তাৰিখৰ ভিতৰত গাঁৱৰ সকলো কাৰ্য্য কৰিব লাগিব। প্ৰত্যেক গাওঁ আৰু প্ৰত্যেক মানুহকে এই সংগঠনত অন্তৰ্ভুক্ত কৰিব লাগিব। গাঁৱৰ ও সমাজৰ বাহু আৰু বাতে নিকণকুকণীয়া

হয় তাৰ ব্যৱস্থা কৰিব লাগিব।

২। এই চেপ্টেম্বৰ ১ লা সপ্তাহৰ অৰ্থাৎ ৮ তাৰিখৰ আগতে গাঁৱৰ ভিতৰত থকা সকলো ৰকমৰ চাকৰীয়াল, যেনে- গাওঁবুঢ়া, মণ্ডল, পিয়ন, টেকেলা, চাপৰাচি, মহমি, উকিল, তহশী ইত্যাদি সকলো যাতে ছেওঁলোকৰ কাম এৰি বাইজৰ লগত যোগ দিয়ে তাৰ ব্যৱস্থা কৰিব লাগিব। তাৰ উদ্দেশ্যে ছেওঁলোকৰ ঘৰৰ লগত মাতযোল পৰ্য্যন্ত বন্ধ কৰি এৰাধীয়া কৰিব লাগিব। আৰু নিকপত্ৰপ ভাবে বুজনি আদিৰ দ্বাৰা কাম এৰিবলৈ বাধ্য কৰিব লাগিব। অহা ৮ তাৰিখৰ ভিতৰত এই কাম শেষ কৰি কাছাৰি থানা আদি সকলো অচল কৰি তুলিব লাগিব। সকলো প্ৰকাৰৰ টেক্স, খাজনা, মাচুল, অবিমণা আদি নিদিব। বাইজে মুঠ বান্ধি ল'লেই চৰকাৰৰ সকলো চেষ্টাই ব্যৰ্থ হ'ব। কোনো অৱস্থাতে বাইজে ক্ৰোক আদিত সাহায্য নকৰিব। আৰু নীলাম কৰিলেও যাতে কোনেও কিনি নলয় তাৰ ব্যৱস্থা কৰিব আৰু কোনোবাই তাকি ল'লেও যাতে দখল নিব নোৱাৰে তাৰ ব্যৱস্থা কৰিব। বাইজে মুঠ বান্ধিলেই চৰকাৰে যি কোনো উপায়েই অৱলম্বন নকৰক সকলো চেষ্টাই চুৰমাৰ হৈ যাব। আৰু আমাৰ জয় অনিবাৰ্য্য। বাইজে নিজৰ লাগতিয়াল সুতা কাপোৰ আৰু অন্যান্য খাদ্য দ্ৰব্যাদি নিজে তৈয়াৰ কৰি ল'বলৈ উপদেশ দিব লাগিব।

৩। চৰকাৰী কোনো চাকৰিয়ালে যাতে চৰকাৰী কাৰ্য্যত কোনো ৰকমৰ সাহায্য নাপাব তাৰ ব্যৱস্থা কৰিব আৰু যাতে টিপাহী বা কোনো আন চাকৰিয়ালে খবি খেৱ কোনো বস্তু পাব নোৱাৰে তাৰ ব্যৱস্থা কৰিব। গৱৰ্ণমেণ্টক সৰ্ব্বতো প্ৰকাৰে অচল কৰি দেশৰ শাসন বাইজে নিজৰ হাতত ল'ৰৰ কাৰণে যেতিয়াই যি ব্যৱস্থা কৰিব যোগ্য হয়, যেতিয়াই যি কাৰ্য্য কৰিব লগা হয় সেই নিমিত্তে সদায় বাইজক জাগ্ৰত ৰাখিব লাগিব। ভাৰতৰ চাৰিওফালৰ পৰা অতি উৎসাহজনক ভাৱে জয়ৰ বাতৰি পোৱা গৈছে। উত্তৰ পশ্চিম সীমান্ত প্ৰদেশত আমাৰ নেতা খান আব্দুল গফুৰ খাঁই স্বাধীনতা ঘোষণা কৰি গৱৰ্ণমেণ্টৰ সকলো কাৰ্য্য নিজে দখল কৰি চলাব লাগিছে। বিহাৰ আৰু অযোধ্যা প্ৰদেশৰ শাসন অচল হৈ পৰিছে। আমাৰ জয় সু-নিশ্চিত। প্ৰত্যেক কৰ্ম্মীয়েই নিজে নিজৰ কাম কৰি যাওক। পিছলৈ বা আগলৈ চাবৰ সময় নাই। সদায় মনত ৰাখিব আমাৰ আন্দোলনৰ মূল নীতি হৈছে অহিংসে আৰু নিকপত্ৰব। আৰু মহামন্ত্ৰ হৈছে 'মন্ত্ৰৰ সাধন কিম্বা শৰীৰ পতন'।

বন্দেমাতৰম

- জয় কিম্বা মৃত্যু-"

এই জাননী গোহাৰি নিৰ্দ্দেশবোৰৰ শ শ কপি কৰি ৬ তাৰিখেই গোটেই কলিয়াবৰতে বিলাই দিবৰ কাৰণে কংগ্ৰেছ কৰ্ম্মী, শান্তি সেনা আৰু কে'বাজনো ছাত্ৰই অপৰিসীম কষ্ট কৰিব লগা হ'ল। এইবোৰ পোৱাৰ লগে লগে আগবে পৰা উৎকণ্ঠিত হৈ থকা গাঁৱৰ বাইজ একগোট হৈ ইয়াৰ তাৎপৰ্য্য বুজিবলৈ চেষ্টা কৰিলে আৰু একাগ্ৰচিত্তে নিজ কৰ্ত্তব্য কৰি যাবলৈ মন স্থিৰ কৰিলে।

এটা ইতিহাস ৰচনাকাৰী স্মৰণীয় দিন

৭/৯/৪২ তাৰিখে দিনৰ প্ৰায় ১১ বজাত চতিয়াল শহৰ মন্দিৰ প্ৰাঙ্গন লোকাৰণ্য হ'ল। চাৰিওফালৰ পৰা মুনিহ, তিৰকতা, ল'ৰা-ছোৱালী আহি মন্দিৰ প্ৰাঙ্গন ভৰি পৰিল। বন্দে মাতৰম, ভাৰত মাতাকি, মহাত্মা গান্ধীজী কি আদি জয় ধ্বনিৰে সভাথলি বজনজনাই উঠিল। মানুহৰ উদ্যমৰ সীমা নাইকিয়া হ'ল। জপিয়াই জপিয়াই বহুতেই জয়ধ্বনি দিবলৈ

ধৰিলে একেলগে বাইজে হৰ্ষোল্লাসেৰে চিএৰি ধ্বনি দিলে। মন্দিৰৰ টুপৰ ফালৰ বাট চ'ৰাৰ ভিতৰত টেবুল চকি পাৰিলে। সভাপতি শ্ৰীসোমকান্ত হাজৰিকা দেৱে সভাপতিৰ আসন গ্ৰহণ কৰিলে। সভাৰ কাম আৰম্ভ হোৱাই নাই এথোন। এনেতে নগাওঁ চহৰৰ পৰা দুখন ট্ৰাকত মিলিটাৰী আনিলে। কে'বাজনো পুলিছ বিষয়াও জীপত আহিল। লগত দুজন বগা কামাণ্ডাৰ চাহাব। তেওঁলোক সকলো নামি আহিল। লগে লগে মিলিটাৰীয়ে সভাথলিৰ চাৰিওফালে ঘেৰাও কৰি বন্দুকৰ সঙ্গীন টোৱাই বৈ থাকিল। ট্ৰাক দুখন ঘুৰাই নগাৰঁৰ ফালে মুখ কৰি পিছ ফালে দুখন দীঘল তক্তা পাৰি দিলে।

দপ্‌দপাই বগা চাহাব দুজন জনতাৰ মাজলৈ সোমাই আহিল লগতে আহিল পুলিছ বিষয়া দাৰোগা আৰু কে'ইজন মান চিপাহী। সভাপতি শ্ৰীহাজৰিকা আৰু লগত ওচৰতে থকা কে'বা জনকো হাতত ধৰি টানি নিলে। তক্তাখন বগাই তেওঁলোকক ট্ৰাকত উঠিবলৈ ঠেলি দিলে। লগে লগে ইফালে আৰম্ভ হ'ল পুলিছৰ লাঠিৰ কোব, মিলিটাৰীৰ বুট জোতাৰ গোৰ আৰু বন্দুকৰ কুন্দাৰ খুন্দা। বহুতৰ মুখৰ টুপি কাটি নি গচকি মোহাৰি পেলালে। মানুহৰ মাজত হাহাকাৰ লাগিল। তাৰ মাজতে ভাৰত মাতাকি, মহাত্মা গান্ধী কি জয়, জয়ধ্বনিও দি থাকিল। পিঠিত মাৰ মুখত মাত (জযধ্বনিৰ)। সেই সময়ত কোনোও পলাই যোৱাৰ কথা মনলৈ অনা নাছিল। নীৰৱে সকলো অত্যাচাৰ সহ্য কৰি থাকিল। আনকি পাৰিলেও মিলিটাৰীৰ বন্দুকত বা পুলিছৰ লাঠিত ধৰি বাধা দিযা নাছিল আৰু চেষ্টাও কৰা নাছিল। অহিংস হৈ থাকিবলৈ শান্তি সেনা সকলে বাৰে বাৰে সকীয়াই থকাৰ কাৰণেই অদম্য শক্তি থকা ডেকা সকলে আৰু বাইজে মহাত্মা গান্ধীৰ নামত সকলো সহ্য কৰি অত্যাচাৰৰ হিংস্ৰ প্ৰতিবাদ নকৰি তেখেতৰ বাণী আখৰে আখৰে পালন কৰিলে।

ৰৰভকতিৰ শ্ৰীগোলোক মহন্ত, আমাৰ গাৱঁৰ শ্ৰীনোমল নেওঁগ (শ্ৰীসূৰ্য্য নেওগৰ ভায়েক) আৰু মোৰ মুৰৰ টুপি কাঢ়ি দলিয়াই পেলাই এজন মিলিটাৰী পুলিছে বাওঁ হাতেৰে শ্ৰীমহন্তক আৰু সোঁ হাতেৰে নোমল আৰু মোৰ হাতত জপটিয়াই ধৰি তিনিওকে টানি নিলে। শ্ৰীমহন্ত আৰু মই একে শ্ৰেণীৰে ছাত্ৰ। আমি পুৰা ইউনিফৰ্মত আছিলো। জনতাৰ মাজৰ পৰা মুকলি ওলোৱাৰ লগে লগে নোমলে পুলিছ বিষয়া জনৰ হাতত কামুৰি দিলে আৰু আমি হাতৰ পৰা এৰাই জনতাৰ মাজত সোমাই গ'লো।

ঘুৰি আহি হাটৰৰ শ্ৰীভোগৰাম বৰাক (শ্ৰীভাবিৰাম বৰাৰ দেদাইদেৱক) বন্দুকৰ গেদিৰে খুন্দিয়াই, মাটিত বগাবাই পেলাই গৰকি দিলে। সঙ্গীনেৰে খুছিলে। তেখেতক উঠাই টানি নিলে। টানি আজুৰি বহুতকে চৰ ভুকু গেজা মাৰি সঙ্গীনেৰে খুছিলে।

সেই দৃশ্য ট্ৰাকৰ ওপৰৰ পৰা দেখি সভাপতি শ্ৰীসোমকান্ত হাজৰিকাদেৱে বাইজক উদ্দেশ্য কৰি চিএৰি চিএৰি ক'লে 'বাইজসকল, আপোনালোক তৎক্ষণাৎ ইয়াৰ পৰা আঁতৰি যাওক, আমি আমাৰ কাম কৰিলো চকুকাণী আইন ভঙ্গ কৰিলো আমাৰ আৰু বহুত কাম বাকী আছে। অহিংস ভাৱে আন্দোলন চলাই যাব, ভগৱানৰ ওপৰত বিশ্বাস ৰাখিব আমাৰ জয় হ'বই।' তেখেতে ভয় কৰিছিল এই মুহূৰ্ত্তত যদি গুলি চলায় ইমান ভিৰৰ মাজত কেনিও সাৰিৰ নোৱাৰি অনাহকত বহুত মানুহ

মৃত্যুৰ মুখত পৰিব। তেখেতে অনুৰোধ কৰিলেও, হুকুম দিলেও, চাৰিওফালে মিলিটাৰীয়ে ঘেৰি আছে যাব কিল চলি আছে, কোনো কেনিও যাব নোৱাৰে।

মিলিটাৰীয়ে শান্তি সেনাৰ হাতৰ পৰা পতাকা কাঢ়ি নিবলৈ চেষ্টা কৰা দেখি শ্ৰীমতী সোমেশ্বৰী ভূঞাই উগ্ৰমূৰ্ত্তি ধৰি আগ বাঢ়ি আহিল। মিলিটাৰীৰ সমুখত থিয় হৈ বিকট চিঞৰি ক'লে 'পতাকাত হাত নিদিবি দূৰ হ কুকুৰহঁত ইয়াৰ পৰা।' বাইজলৈ চাই চিঞৰিলে 'ভয় নকৰিব বাইজ, ইহঁতে আমাৰ একো কৰিব নোৱাৰে। পতাকা এৰি নিদিব।' সেই সময়ত তেখেতৰ চকুত জুই জ্বলিছিল। হাত দুখন ওপৰলৈ তুলি কথা কৈছিল-, লগে লগে বন্দে মাতৰম ধ্বনি দিছিল। পূৰণথৰীয়াৰ শ্ৰীভোগেশ্বৰ নেওগ আৰু চতিয়ালৰ শ্ৰীনৰকান্ত বৰা (ওৰফে কলিতা ওৰফে ওজা) এই দুজনে পতাকাৰ মাৰিত মিলিটাৰীয়ে ধৰাত টনা আজোঁৰা কৰি কাঢ়ি আনিছিল। আমাৰ কে'বাজনেও গাত গা লগাই হেতা ওপৰা কৰি পতাকা ৰক্ষা কৰিছিল। ভোগেশ্বৰ নেওগ আৰু নৰকান্তই মাৰ খালে কিন্তু পতাকা এৰি নিদিলে। ওচৰত থকা এজনৰ হাতৰ পৰা পতাকা আনজনৰ হাতলৈ গ'ল।

ইতিমধ্যে ১৫/২০ মিনিট পাৰ হৈ গৈছে। আজি বৃটিছ চৰকাৰৰ আজ্ঞাবাহী ভৃত্যই নিৰস্ত্ৰ, নিৰপৰাধী শান্তিপূৰ্ণ জনতাক এসেকা দিও বুলি বৰ্ব্বৰতাৰ সীমা চেৰাই গৈছে। শ্ৰীহাজৰিকাদেৱে আকৌ চিঞৰিলে 'বাইজসকল, আপোনালোক অহিংস হৈ থাকক, শান্তিপূৰ্ণ হৈ থাকক, আমি আইন অমান্য কৰিলো আমাৰ কাম কৰিলো।' এই সময়ৰ ভিতৰতে অতিষ্ঠ হৈ ভিৰৰ মাজত কোনোবা দুজন মানে মিলিটাৰীৰ হাতৰ পৰা কাঢ়ি ল'বলৈ বন্দুকত হাত দিলে। হাজৰিকা দেৱে এইবাৰ আৰু ডাঙৰকৈ চিঞৰিলে 'বাইজসকল, আপোনালোকে ধৈর্য্য নেহেৰুৱাব, হিংসাৰ আশ্ৰয় নল'ব। অত্যাচাৰী বৰ্ব্বৰ হঁতে ইয়াৰ প্ৰতিফল পাবই, আপোনালোকে অহিংস হৈ থাকক আঙঁৰি যাওক।' তেওঁলোকে বন্দুকৰ পৰা হাত এৰি দিলে কিন্তু গেজা ভুকু খুন্দা খাব লগা হ'ল সঙ্গীনৰ খোছ খাব লগা হ'ল। হঠাৎ কোনোবা এজনে জনাতাৰ ভিৰৰ মাজত এজন মিলিটাৰীক পিছফালৰ পৰা গৰামাৰি ধৰিছে, আন এজনে বন্দুটো কাঢ়ি লোৱাৰ চেষ্টা কৰিছে।

এই গোটেই ঘটনাবোৰ গ্ৰেপ্তাৰ কৰা সকলে ট্ৰাকৰ ওপৰৰ পৰা দেখি আছিল। শ্ৰীসোমকান্ত হাজৰিকা দেৱে জেলৰ পৰা ওলাই অহাৰ পিছত সেইদিনা তেখেতে কি কি দেখিছিল তেখেতৰ মনত কি ভাব হৈছিল সকলো বৰ্ণনা দি আমাক কৈছিল। আমি ওপৰত বৰ্ণনা কৰা খিনিৰ বেচি ভাগেই তেখেতে কোৱা কথাৰ ওপৰত ভিত্তি কৰি আৰু এতিয়া আমি লগ ধৰি আলোচনা কৰা বহুতৰ কথাৰ মাজৰ পৰা মিলি যোৱা খিনিহে লিখিছো। ভিঞৰি চুকৰ শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা দেৱেও এই ধৰণৰ বৰ্ণনাকে দিছে। তেখেত মন্দিৰৰ ভিতৰ ফালে থাকি সকলো দেখি আছিল। গাৰিকুৰিৰ শ্ৰীচন্দ্ৰ কান্ত বৰা আৰু শ্ৰীসূৰ্য্য নেওগেও একেই বৰ্ণনা দিছে। তেখেত সকলৰ পিঠি আৰু তপিনাত বুট জোতাৰ গোৰ দিছিল, বন্দুকৰ-কুন্দাৰে খুন্দিয়াইছিল।

মাৰকিল সঙ্গীনৰ খোছ চলি থকা সময়তে হঠাৎ এজন ইংৰাজ কমাণ্ডাৰে হুইচেল

বজালে। মন্দিৰৰ পূব আৰু দক্ষিণ ফালে থকা মিলিটাৰীখিনি দৌৰি আহিল আৰু বাকী সকলো কমাণ্ডাৰ জনৰ ওচৰ পালোহি। বাজপথৰ ফালে থকা মিলিটাৰী খিনিয়ে সঙ্গীন টোৱাহি ইংৰাজ জনৰ হুকুমত মহিলা সকলক মন্দিৰৰ টুপৰ ফালে বাট চ'ৰাৰ ওচৰলৈ চপাই আনিলে। জিলাৰ বৰ চাহাব ডেপুটি কমিচনাৰে মহিলা খিনিক আঁতৰাই নিবলৈ, মহিলা সকলৰ আগত যৈ থকা সকভগীয়াৰ শ্ৰীটকেশ্বৰ হাজৰিকাক দায়িত্ব দিলে। তেখেতৰ লগত আন দুজনমান পুলিছ বিষয়া আৰু এজন বগা চাহাবে কথা পতা আৰু হাতেৰে কিবা ইঙ্গিত দিয়া দেখিছিলো। শ্ৰীহাজৰিকা দেৱ আৰু কেইজন মান শান্তিসেনাই মহিলাখিনিৰ আগত থিয় হৈ গার্ড দি তেখেত সকলৰ মনত সাহস দি আছিল। তাৰ মজতে বহুতো ভিৰোতা আৰু ল'ৰা-ছোৱালীয়ে ভয়ত চিএৰি চিএৰি কান্দিছিল। বগা চাহাব জন গোটেই সময় চোৱা শ্ৰীহাজৰিকাৰ আগত থিয় হৈ গোটেই ঘটনাবোৰ চাই আছিল। শ্ৰীহাজৰিকাই সম্পূৰ্ণ ইউনিফৰ্ম পিন্ধি আছিল। তেখেতক লগ ধৰি আলোচনা কৰোতে এইবোৰ কথা সুধিছিল।

মিলিটাৰীবোৰ আঁতৰি অহাত সুৰঙা পাই মন্দিৰৰ আগে পিছে থকা মানুহবোৰ হাবিৰ ফালে আৰু কিছুমান গাঁৱঁৰ মাজলৈ আঁতৰি পলাল। কিন্তু মিলিটাৰীয়ে আকৌ বন্দুক টোৱাহি খেদা ল'লে। লৰি লৰি বাজপথৰ ওপৰেৰে পলাই যোৱা মানুহ খিনিক খেদি গৈ মিলিটাৰীয়ে বুটজোতাৰে গুৰিয়াই, ভুকুৱাই, বন্দুকৰ কুন্দাৰে খুন্দিয়াই গ'ল। ওচৰৰ মানুহৰ ঘৰলৈ মানুহবোৰ সোমাই গ'ল। তালৈকো খেদি গৈ কিছুমানক মাটিত পেলাই গচকিলে। হাটৰৰৰ শ্ৰীপুষ্প শইকীয়া চতিয়ালৰ মিটিং চাবলৈ চাইকেলত উঠি গৈ আছিল। মিলিটাৰীয়ে খেদি অহাদেখিও তেখেত চাইকেলৰ পৰা নমা নাছিল। এজন মিলিটাৰীয়ে থাপ মাৰি চাইকেলত ধৰি তেখেতক বগবাই পেলালে। মিলিটাৰীয়ে চাইকেল খন থেকেছি ভাঙিলে। তেখেত দৌৰ মাৰি ওচৰৰ ঘৰৰ ফালে গ'ল। মিলিটাৰীয়ে ধৰি চৰ-ভুকু, খুন্দা মাৰি মাটিত পেলাই গুৰিয়ালে। তেখেতে ভাবিছিল তেখেতৰ থানাৰ দাৰোগাৰ লগত চিনাকি আছে। তেখেত শোভাযাত্ৰাটো অহা নাই আৰু নাহে। কিয় মাৰিব। সৰল চিন্তা।

ইহাতেদি মাৰ কিল চলি থকা সময়তে ওচৰতে থকা কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ অফিচৰ পৰা আন্দোলন সম্পৰ্কে থকা অনেক কাগজ পাতি ফাইল ৰেজিষ্টাৰ বহী পুলিছে লৈ যায়, আচবাব বোৰে ভাঙি পেলায়। নিৰ পৰা হাজাৰ বাৰশ টকা সম্পতিও লৈ যায়।

সেইদিনা সেই সভাত কে'বাজনকো গ্ৰেপ্তাৰ কৰিলে। তেখেত সকল হ'ল সৰ্ব্বশ্ৰীমুক্তি গোস্বামী, শশীকান্ত বৰগোঁহাই, জালিৰাম ওজা, জালিৰাম গগৈ, কমলা বৰা, তুৰাৰাম ডেকা, চন্দ্ৰকান্ত বৰা, থুল মহন্ত, শশী বৰদলৈ, ঈশধৰ হাজৰিকা। এই সকলক আৰম্ভনিতেই গ্ৰেপ্তাৰ কৰি নি ট্ৰাকত তুলিলে। প্ৰথমতে নিয়া সকলক কোনো মাৰ কিল কৰা নাছিল মাত্ৰ হাতত ধৰি টানি নিছিল। গান্ধীবাদী সকলে কোনো তৰ্ক বিতৰ্কও কৰা নাছিল। শ্ৰীভোগৰাম বৰাক অত্যাচাৰ কৰি টানি নিছিল আৰু গাড়ীৰ ওপৰলৈ দলিয়াই দিছিল। একমাত্ৰ শ্ৰীনৰকান্ত কলিতাইহে প্ৰত্যক্ষ ভাৱে বাধা প্ৰদান কৰিছিল। তেখেতক

খুন্দিয়াই গুৰিয়াই সঙ্গীনেৰে খুছি টানি চোটোৱাই নি ট্ৰাকত তুলিছিল।

কলিয়াবৰৰ অন্য ঠাইৰ পৰাও সেইদিনা ৪ জনক গ্ৰেপ্তাৰ কৰিছিল। কুঁৱৰীটোল থানাৰ সেই সৰু গড়ালটোৰ ভিতৰত ১৮ জন মানুহক সেইদিনা সুমুৱাই থৈছিল। কোনো নথি পত্ৰ নথকাত আৰু এতিয়া জীৱিত সকলেও ক'ব নোৱাৰাত সেই ৪ জনৰ নাম লিখিব নোৱাৰিলো।

গ্ৰেপ্তাৰ কৰা সকলৰ হতুৱাই পুলিছ মিলিটাৰীয়ে চতিয়ালৰ শিবিৰটো ভঙোৱায়। বয়সীয়া সকলকো ঘৰৰ চালৰ ওপৰত উঠি ভাঙিবলৈ বাধ্য কৰায়। দুই একে আপত্তি কৰাত ঢকা ভুকু খাব লগা হৈছিল। ভঙাৰ পিছত ঘৰটোত জুই জ্বলাই দিলে।

সেইদিনা কলিয়াবৰৰ বহুতৰ ঘৰতে কান্দোনৰ ৰোল উঠিল। বহুতো বিবাহিতা নাৰীয়ে শিৰৰ সেন্দুৰ মোচ খাব বুলি বাতিলৈকে বা পিছৰ দিনালৈকে উচুপি উচুপি কান্দিলে। বহু কেইগৰাকী মাতৃয়ে পুত্ৰহাৰা হ'লো বুলি কন্দা কটা কৰিলে। আমাৰ নিজৰ মাতৃৰো সেই অৱস্থা হৈছিল। বহুতো শান্তিসেনাক মিলিটাৰীয়ে বন্দুকৰে খুন্দি, সঙ্গীনেৰে খুছি মাটিত পেলাই গুৰিয়াই কাষাই নি নি ট্ৰাকৰ ওপৰলৈ দলিয়াই উঠাই লৈ গৈছে আদি অৰ্ধ সত্য আৰু অসত্য উৰা বাতৰিয়ে মানুহৰ মন ব্যাকুল কৰি ৰাখিলে প্ৰকৃত সত্য নজনালৈকে বা সোঁ শৰীৰে মানুহ জন ঘৰ পোৱাৰ আগলৈকে। দিনত হোৱা মিলিটাৰী অত্যাচাৰৰ কাৰণে ভয়তে মানুহে ঘুৰি নোযোৱা জনৰ খবৰ ল'বলৈকো আহিব পৰা নাছিল। গোটেই দিনটো কুঁৱৰীটোলৰ পৰা জখলাবন্ধালৈকে ৰাষ্ট্ৰীয় ৰাজপথত মিলিটাৰীয়ে অহা যোৱা কৰি টহল দি আছিল।

আহত হোৱা প্ৰায় ডেৰ শ মানুহক সেইদিনা চতিয়ালৰ কে'ৰা ঘৰটো ৰাখি শুশ্ৰূষা কৰা হৈছিল। পূৰথৰীয়াত কে'ৰা ঘৰতো কলেৰা হৈছিল। ডাক্তৰ অমূল্যৰঞ্জন লাহিৰিয়ে ডাক্তৰ চন্দ্ৰধৰ ধৰক তাত থৈ চতিয়ালৈলৈ আহি আমাক সকলো দিহা পৰামৰ্শ দি সন্ধ্যা সময়ত পূৰথৰীয়ালৈ ঘুৰি গ'ল। ৰেডক্ৰচৰ পৰা তেখেতে ডেটল, আয়ডিন, বেন্দেজৰ কাপোৰ সকলো যোগাৰ দিছিল। আমি গৈ ঘৰ পাওঁতে ৰাতি এক বাজিছিল।

সেইদিনাৰ ঘটনা সম্পৰ্কে আমি কে'ৰাজনৰো ওচৰ চাপিছিলো। সকলোৱেই প্ৰায় একে ধৰণৰে বিৱৰণ দিছে। শ্ৰীদেউৰাম ৰবাই বৰ্ণনা দিছিল এনেদৰে- "মিলিটাৰীয়ে কৰা অত্যাচাৰৰ মাজতে দেখিছিলো চতিয়ালৰ চেপেটা চুকৰ শ্ৰীনৰকান্ত ওজাই কাক ঠেলিহ বুলি পথালিকৈ লোৱা বন্দুকটোত এহাতে থাপমাৰি ধৰি মিলিটাৰী জনক গাৰ বলেৰে এক চৰ মাৰিলে। পিছে ওজাক খুন্দি, পিহি পেলালে, এটা ঠেঙত ধৰি চোটোৱাই নি মুৰ তল কৰি ট্ৰাকৰ ওপৰ লোহাৰ ফ্ৰেমত ঠেং ৰাখি ওলোমাই দিছিল। মৰিব বুলি দাবোগাই খুলি দিলে। মোক মিলিটাৰীয়ে দাঙি তুলি ধৰি মিঠমিটিয়া হাবিলে দলিয়াই দিলে। তাতে বহু সময় পৰি থাকিলো। চিনাজোকে লেউ লেউ কৈ ধৰিলে।"

সেইদিনা (৭/৯/৪২) ৰাতিপুৱা ৫ বজাত কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ কে'ৰাজনো সদস্য গোটখালে গাৰিকুৰিৰ শ্ৰীবমাকান্ত বৰাৰ (সম্পাদক) ঘৰত। শ্ৰীবদন বৰদলৈয়ে প্ৰস্তাৱ কৰিলে সেইদিনা চতিয়ালত সভাপতিক গ্ৰেপ্তাৰ কৰিলে কাক সভাপতি

পাতিব লাগিব। সভাপতি শ্ৰীসোমকান্ত হাজৰিকাই সকলো সদস্যকে ছদ্মবেশেৰেহে সভালৈ যাব লাগে বুলি পৰামৰ্শ আগবঢ়ালে আৰু সকলোৱে সমৰ্থন কৰি সিদ্ধান্ত ল'লে। কোনেও যেন ধৰা নিদিয়ে, বহুত কাম বাকী আছে, আন্দোলন নিশ্চয় দীঘলীয়া হ'ব, সকলো একেলগে জেললৈ গ'লে পিছত কাম কৰাত আৰু আন্দোলন চলোৱাত বেমেজালি হ'ব। গুৰি ধৰা মানুহ নাথাকিব।

সেই দিনা মিটিঙত বহু কেইজন নেতাই ছদ্মবেশেৰে উপস্থিত আছিল। শুধ বগা খদ্দৰৰ পোছাক পিন্ধা সকলেই কংগ্ৰেছৰ নেতা বুলি পুলিছে তেওঁলোকৰ ওপৰতহে বেচি চকু দিলে। শ্ৰীবদন বৰদলৈ সেইদিনা চতিয়ালৰ সভাত উপস্থিত নাছিল। তেখেত নিজৰ স্মৃতি লেখাত লিখি গৈছে এই বুলি " কিন্তু মই সভালৈ যোৱা নাছিলো কলং নদীৰ সিপাৰে থাকি সকলো দিহা পৰামৰ্শ দিছিলো। সেইদিনা ১৪৪ ধাৰা ভঙ্গ কৰা হয়। মিলিটাৰীয়ে চতিয়ালৰ শিবিৰটো জুই দি পোৰে আৰু সঙ্গীন চাৰ্জ কৰি বহুতক জখম কৰে আৰু গ্ৰেপ্তাৰ কৰে।"

আধাখুন্দা আধালেকেছা হৈয়ো কলিয়াবৰ কেন্দ্ৰীয় কং কমিটিৰ সদস্য কৰ্ম্মী শান্তিসেনা আৰু ছাত্ৰ সকলৰ মন নাভাগিল। সেইদিনা জখমী সকলৰ শুশ্ৰূষা আৰু পৰিচৰ্য্যা কৰাৰ উপৰিও গোপন স্থানত গোটি খাই ভবিষ্যৎ কাৰ্য্য পন্থা ঠিক কৰি পিছৰ দিনা প্ৰচাৰ কৰিব লগীয়া বুলেটিন লিখি শ শ কপি কৰোঁতে আমাৰ ৰাতি প্ৰায় ১২ বাজিল। ৰাতিলৈকে লিখি উলিওৱা (৮/৯/৪২ তাৰিখ দি) বুলেটিন খনৰ নকল তলত তুলি দিয়া হ'ল।

"কলিয়াবৰ কংগ্ৰেছ কমিটি

দাম্ভিক বৃটিছ গৱৰ্ণমেণ্টে কঠোৰ দমন নীতি প্ৰয়োগ কৰি মহা অনুষ্ঠান কংগ্ৰেছক চূৰ্ণ বিচূৰ্ণ কৰিবলৈ দন্তালি মাৰি যি ১৪৪ ধাৰা জাৰি কৰিছিল তাক যোৱা কালি ৭/৯/৪২ তাৰিখে কলিয়াবৰৰ নৰ নাৰীয়ে হেলাবঙে ভঙ্গ কৰি কলিয়াবৰৰ যি যুগমীয়া কীৰ্ত্তি ৰাখিছে ই বাস্তবিকতে কলিয়াবৰৰ গৌৰৱৰ কথা। সেই দিনটো কলিয়াবৰৰ এটা স্মৰণীয় দিন।

ধনেখোৱা ও ধৰমপুৰত মিলিটাৰীয়ে নিৰপৰাধী ও নিৰস্ত্ৰ নৰ-নাৰীৰ ওপৰত কৰা অমানুসিক অত্যাচাৰ, গৰৈমাৰি প্ৰাথমিক পশ্চিমীয়া, শান্তিসেনা সকলে শোভাযাত্ৰা কৰি আহোঁতে বন্দুক ও চেঙ্গিনেৰে খুহি মাৰিম বুলি ভয় খুৱাতো শোভাযাত্ৰা ভঙ্গ নকৰি আগবাঢ়ি গৈ থকা অৱস্থাত শান্তিপূৰ্ণ ও শৃঙ্খলাবদ্ধ শোভাযাত্ৰীৰ মাজৰ পৰা শ্ৰীমিহিৰাম লহকৰ আৰু শ্ৰীৰামধনী পশ্চিমীয়াক বন্দুকৰ গেদিৰে মাৰপিট কৰা স্বত্বেও তেখেত সকলে সকলো দুখ সহ্য কৰি চতিয়ালৰ সভাত যোগ দিয়েহি। তেখেত সকলৰ এই সাহসীক কাৰ্য্য সদৌ কলিয়াবৰ বাসীৰ আদৰ্শনীয় আৰু তেখেত সকল সকলোৰে শলাগৰ পাত্ৰ।

১৪৪ ধাৰা ভঙ্গৰ ঘটনাৱলীয়ে কলিয়াবৰৰ নৰ-নাৰীৰ গৌৰৱ যুগ যুগান্তৰলৈ অহিংস যুদ্ধৰ বুৰঞ্জীত সোণালী আখৰেৰে জিলিকি থাকিব। কলিয়াবৰহে নগাৰ্ঘত তথা অসমত ১৪৪ ধাৰা ভঙ্গ কৰা প্ৰথম। ইয়াৰ দ্বাৰা এইটোৱেই প্ৰমাণ হয় যে বৰ্ব্বৰ বৃটিছ অত্যাচাৰে নৰ-নাৰীৰ অন্তৰ দুৰ্ব্বল কৰিব পৰা নাই। যৰং প্ৰত্যেক নৰ-নাৰীক নিজ তেজেৰে মাতৃভূমিৰ পূজা দিবলৈ প্ৰস্তুত কৰি তুলিছে।

৭/৯/৪২- কলিয়াবৰৰ বিভিন্ন অঞ্চলৰ পৰা শোভাযাত্ৰা কৰি আহি প্ৰায় চাৰি হেজাৰ মান নৰ-নাৰীয়ে চতিয়াল শহৰ মন্দিৰ প্ৰাঙ্গনত বিৰাট ৰাজহুৱা সভা পাতে। তাত বন্দে মাতৰম ধ্বনিৰে গগনখনি সগাই

দিয়ে। এনে অৱস্থাত মুখৰ লাঠি চেটাঙ ও ভাৰতীয় সৈনিকে সেনৰ দৰে আহি বিকত মূৰ্ত্তি ধৰি চাবিওফালে ঘেৰাও কৰি ধৰে। চেমিন, বন্দুকৰ গেদি ও বুটজোতাৰে জনতাৰ ওপৰত বিভৎস অত্যাচাৰ চলায়। অত্যাচাৰৰ ফলত বহুতো আঘাত হয়। এই অত্যাচাৰকো অত্যাচাৰ বুলি নাভাবি নিকপদ্ৰৱ ও শান্তি পূৰ্ণভাবে নিজ কৰ্ত্তব্য পালন কৰি গৈ থাকে। মহিলা কৰ্ম্মী শ্ৰীযুতা সোমেশ্বৰী ভূঞাদীয়ে বিকত মূৰ্ত্তিৰে সৈনিকৰ সমুখত থিয় হৈ বাইজক নিৰ্ভয় বাণীৰে পতাকাধাৰী নায়ক শ্ৰীভোগেশ্বৰ নেওগ আৰু কেইজনমান শান্তি সেনাৰ লগত যোগ দি নিজৰ প্ৰাণ দিবলৈ সাজু হৈ অত্যাচাৰ সহ্য কৰি জাতীয় পতাকাৰ বি সম্মান বক্ষা কৰিলে ই বিশেষ ভাৱে উল্লেখযোগ্য।

এই কলিয়াবৰৰ বীৰাঙ্গনা মূলা গাভৰুৰ বাই-ভনী সমবেত সকলো ডেকা আৰু উপস্থিত সকলো বাইজক কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ পক্ষৰ পৰা ধন্যবাদ ও শলাগ সবাই আগবঢ়োৱা হ'ল।

পৰমেশ্বৰৰ শ্ৰীচৰণত প্ৰাৰ্থনা কৰা হ'ল যেন প্ৰত্যেক নৰ-নাৰী ও ডেকা গাভৰুৰ অন্তৰত এনে ধৰণৰ মনোবল দি জন্মভূমিক সেৱা কৰিবলৈ শেষ বক্ত থকা পৰ্য্যন্ত গাত শক্তি দিয়ে।

যুগাৱতাৰ মহাত্মাৰ বাণী-

'মৰিলে স্বৰ্গ

জয় হ'লে বাজ্য'

বন্দেমাতৰম। ৮/৯/৪২।"

কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ নথিত লিখা আছে- "৭/৯/৪২ তাৰিখে সৰুভগীয়া প্ৰাথমিকৰ পৰা শোভাযাত্ৰা কৰি আহোঁতে বৃটিছ চৰকাৰৰ আজ্ঞাবাহী ভৃত্যই বাইজৰ ওপৰত অমানুসিক অত্যাচাৰ চলায়। মিলিটাৰীৰ খুন্দাত চাৰি-পাঁচ জনে বাৰুকৈয়ে আঘাট পায়। এই অত্যাচাৰৰ সময়ত শ্ৰীবতিন্দ্ৰ বেনাৰ্জি, শ্ৰীনাৰায়ণ মুক্তিয়াৰ, শ্ৰীচন্দ্ৰ কান্ত চৌধুৰী, শ্ৰীচন্দ্ৰ (পোকে কুটিলে) হাজৰিকাই বুটজোতাৰ গোৰ আৰু সঙ্গীনৰ খোহ খাইছিল। তথাপিও তেওঁলোকে প্ৰায়ৰ সম্পাদক শ্ৰীটকেশ্বৰ হাজৰিকাদেৱৰ নেতৃত্বত চতিয়ালৰ সভাত যোগ দিয়েহি। সেইদিনা মাৰপিত কৰি সৰুভগীয়া প্ৰাঃ ৰ অধিচটো পুলিহ মিলিটাৰীয়ে জ্বলাই দিয়ে।"

এনেকুৱা বহুত ঘটনা সেইদিনা ঘটিছিল। বেচিভাগ প্ৰাথমিকৰ পৰাই শোভাযাত্ৰা কৰি অহাৰ সময়ত শান্তি সেনা আৰু নায়কে এনে অত্যাচাৰ সহ্য কৰিও চতিয়ালৰ সভালৈ আহিছিল।

কলিযাবৰৰ এই ঘটনাই সমগ্ৰ নগাৱঁতে তোলপাৰ লগালে। জিলা কংগ্ৰেছৰ পৰা কে'বা গৰাকীও ভ্যাহি খবৰ ল'লেহি।

কলিয়াবৰৰ বাইজক প্ৰশংসা কৰি নগাওঁ জিলা কংগ্ৰেছৰ তেতিয়াৰ সম্পাদক শ্ৰীকমলানন্দ ভট্টাচাৰ্য্যদেৱে লিখা চিঠিখন তলত তুলি দিয়া হ'ল-

"কলিয়াবৰ কেন্দ্ৰীয় শাখা কংগ্ৰেছ কমিটিৰ সভাপতি মহোদয় সমীপেষু

নিবেদন,

বিশেষ আপোনাৰ অঞ্চলৰ কংগ্ৰেছ সম্পৰ্কীয় কাৰ্য্যাবলী আৰু সেই অঞ্চলৰ বাইজৰ ত্যাগ স্বীকাৰ দেখি জিলা কংগ্ৰেছ কমিটি অতিশয় আনন্দিত হৈছে।

ইয়াতকৈও বিশেষ উল্লেখযোগ্য কথা শ্ৰীমান নবকান্ত বৰা আৰু শ্ৰীমতী সোমেশ্বৰী ভূঞা আৰু অন্যান্য সকলৰ জাতীয় পতাকাৰ সম্মান বক্ষা কৰিবলৈ গৈ নিৰ্য্যাতন ভূঞ্জাৰ সাহস। তিনি বাৰকৈ ১৪৪ ধাৰা ভঙ্গ কৰাৰ সৎসাহস আৰু উৎসাহ দেখি জিলা কংগ্ৰেছ কমিটিয়ে বৰ গৰ্ব্ব অনুভৱ কৰিছে। আৰু মই জিলা কংগ্ৰেছ কমিটিৰ হৈ আপোনালৈ আৰু আপোনাৰ অঞ্চলৰ বাইজলৈ মোৰ শ্ৰদ্ধা আৰু সম্মান জ্ঞাপন কৰিছো

আৰু ভবিষ্যতলৈকো কলিয়াবৰৰ বাইজে এনেদৰেই কংগ্ৰেছৰ নেতাপ বক্ষা কৰিব বুলি আশা কৰোঁ। ইতি

১/৯/৪২

বিনীত

নগাওঁ জিলা কংগ্ৰেছ কমিটি (মোহৰ)

কমলানন্দ ভট্টাচাৰ্য্য

সম্পাদক জিলা কংগ্ৰেছ কমিটি নগাওঁ।"

৭/৯/৪২ তাৰিখে সন্ধ্যা কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ জৰুৰীসভা বহি এটা মাত্ৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল- "যেহেতু আজি সভাপতি শ্ৰীযুত সোমকান্ত হাজৰিকা দেৱক ববৰৰ চকাৰে গ্ৰেপ্তাৰ কৰি নিছে আজিৰ সভাই শ্ৰীযুত বজনীকান্ত গোস্বামীদেৱক সভাপতিৰ ভাৰ দিয়ে আৰু বাকী বিষয়ৰবীয়া সকল আৰু সম্পাদক (বমাকান্ত বৰা) আগৰদৰেই বৰা হয়।"

সেইদিনা (৭/৯/৪২) শ্ৰীসোমেশ্বৰ বৰাদেৱৰ আমবাগান অঞ্চলত ১৪৪ ধাৰা ভঙ্গ কৰাৰ বাবে হোৱা সভাত উপস্থিত আছিল। সেইদিনা তাত অত্যাচাৰ নহ'ল।

ইফালে সেইদিনা শ্ৰীবৰাদেৱৰ পৰিবাৰ শ্ৰীমতী লীলা কান্তি বৰাৰ দুদিনমান আগৰেপৰা দুৰ্ব্বল হৈ থকাৰ পিছত হঠাতে অসুখ বেচিয়েই হ'ল। অৱস্থা অতি বিপদজনক পৰ্য্যায় পালেগৈ। কোন মুহূৰ্ত্তত জীৱটো ওলাই যায় ঠিক নাই। মানুহে চকুলৈ চাই থকা অৱস্থা হ'লগৈ। ভগৱানে চকু মেলি চালে। আমি আগতে উল্লেখ কৰা ডাঃ অমূল্য লাহিৰি আৰু ডাঃ চন্দ্ৰধৰ দুয়োজনৰ আপ্ৰাণ চেষ্টাৰ ফলত তেখেতৰ জীৱন বক্ষা পৰিল। ৰাতি আঠবজাৰ পিছত আহিহে শ্ৰীবৰাদেৱ সকলো গম পালে। তেখেতৰ পৰিবাৰৰ কলেৰা হৈছিল। ডাঃ লাহিৰিয়ে বাৰীৰ পৰা বনৌষধ বিচাৰি আনি নিজ হাতেৰে খুন্দি ৰস উলিয়াই খুৱাইছিল। এগৰাকী সু-গৃহিনী, শিক্ষয়ত্ৰী শ্ৰীমতী লীলা কান্তি বৰাৰ অসীম ধৈৰ্য্য আৰু ত্যাগৰ বাবেই শ্ৰীবৰাদেৱে নিৰ্বিঘ্নে সকলো কাম কৰিব পাৰিছিল।

মৃত্যু বাহিনীৰ গোপন শিবিৰ

আগষ্ট মাহৰ ২০ তাৰিখৰ ভিতৰতে কলিয়াবৰৰ ৩০০ শান্তি সেনাই মৃত্যু বাহিনীত নাম ভৰ্ত্তি কৰিছিল। এই সকলৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে। শ্ৰীসোমেশ্বৰ বৰা, অৰ্গেনাইজাৰ দেৱৰ নেতৃত্বত জয়সাগৰ দললিৰ কাষৰ ডঁবালি বৰুৱা পুখুৰী পাৰত, আৰু আক্ৰোহি চকুৰ ওচৰত কলঙৰ পাৰৰ ডাঠ বাঁহনি হাবিৰ মাজত, দুয়ো ঠাইতে প্ৰশিক্ষণৰ কেম্প পাতিলে। চহী কৰা বহুতকে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিলে। থকা সকলবো বহুতে প্ৰশিক্ষণ ল'ৰলৈ নাছিল। আমি কে'বাজনো ছাত্ৰকো প্ৰশিক্ষণ ল'ৰলৈ দিছিল। তাৰ চাৰি জনেহে ল'লে। আমাক লাঠি চালনাৰ শিক্ষা দিছিল সকজগীয়াৰ শ্ৰীৰতিন্দ্ৰ কোৰ্ম্মি আৰু শ্ৰীনিশিকান্ত মহন্তদেৱে। পুৰণিগুদামৰ (খাটোৱাল মৌজাৰ) শ্ৰীজিতেন শৰ্ম্মা আৰু সোণাৰি গাঁৱৰ শ্ৰীৰামেশ্বৰ হাজৰিকাই ওখ খাপৰ লাঠি চালনা দেগাৰ চলানা আদি শিকাইছিল। হাতৰ মুঠি ঘুৰাৰ নোৱাৰিলে শ্ৰীমহন্তদেৱে আমাৰ হাতৰ সৰু গাঁঠিত টুকুনিয়াই শান্তি

দিছিল- । পিছত পাৰিছিলো। শাকমুঠিৰ শ্ৰীসুৰথ বৰা আখিবঙাৰ শ্ৰীহৰেন শইকীয়া পূবখৰীয়াৰ শ্ৰীলাৰু গোস্বামী, নলতলিৰ শ্ৰীভাৰত ভূঞা আমি প্ৰায় একেলগেই আছিলো।

এইখিনিতে এটা স্মৰণীয় ঘটনাৰকথা উনুকিয়াব খুজিছো। সেইদিনা ৯ কি ১০ চেপ্টেম্বৰ (১৯৪২)। কুৱৰীটোল থানাৰ পৰা খবৰ আনিবলৈ মোৰ ওপৰত ভাৰ দিলে। মোৰ লগত শ্ৰীহৰেন শইকীয়াকো পঠিয়ালে। আমি দুয়ো শান্তি সেনাৰ পোছাক সলাই চুটি হাফ পেণ্ট (খাকিৰ) আৰু হাফ চার্ট পিন্ধি তেনেই সৰু ল'ৰা হৈ দুখন চাইকেল লৈ ওলালো। থানাৰ ওচৰ পালেই আমি চাইকেলৰ ত্ৰিভুজটোৰ মাজেৰে ভৰি সুমুৱাই পেদেল মাৰি যাওঁ। তেনেকৈ উঠিবলৈ নামোতেই দেখিলো শ্ৰীভাৰত ভূঞা আমাৰ পিছে পিছে আহিছে। তাকো আমাৰ দৰে উঠিবলৈ ক'লো। তিনিকোণীয়া আকৃতিৰ ডাঠ বস্তা কাপোৰৰ মোনাটোৰ কাষৰ ফিটা কেইডাল খুলি সিও তলত উঠি আঠুটোৰে মোনাটোত ঘইনি খুৱাই আমাৰ লগতে গৈ থাকিল।

আমি মাহীদেউৰ কোৱার্টাৰত সোমালোগৈ। মাহীদেউ মানে হৰেনৰ দূৰ সম্পৰ্কীয় বহাৰ দীঘলদৰিৰ, কলিয়াবৰ থানাত থকা হাৱলদাৰ নে সঃ চাব ইন্সপেক্টৰ (?) ৰ পৰিবাৰ। আমি গৈ পাওঁতে মাহীদেৰে বৰ লৰালৰিকৈ ভাত বাঢ়িছে। ভাৰত প্ৰথম গৈছে নতুন। হৰেন আৰু মোক ভিতৰলৈ মাতি নি কাণে কাণে ফুচ্‌ফুচাই ক'লে 'আজি ক'ৰবাত মৃত্যু বাহিনীৰ কেম্প যেৰাও কৰিবলৈ যাব, সোনকালে ভাত লাগে। দুগাড়ী ইয়াত আছেই, আৰু দুগাড়ী মিলিটাৰী নগাৰৰ পৰা আহি পালেই যাব। তোমালোক বহা দেই'। মোৰ ভয় লাগিল গাৰ কঁপনি উঠিল। আমি পিছত আহিম বুলি কৈ বিদায় ল'লো।

যিমান পাৰো জোৰেৰে চাইকেল চলাই আহিলো। আমাক দেখিয়েই শ্ৰীসোমেশ্বৰ বৰাদেৱৰ আগবাঢ়ি আহি ভাৰতৰ চাইকেল খনত থাপ মাৰি ধৰি চাইকেল খন আওজাই থৈয়েই তাক ধৰি হাতত লৈ থকা লেকেচি এচাৰি ডালেৰে উধাই মুধাই কোবাবলৈ ধৰিলে। ওচৰত থকা সকল আমি তৰধ মানিলো। সেই সময়ত আমাৰ দুটাৰ অৱস্থা কাহিল। ইয়াৰ পিছতে আমাৰ পাল পৰিব, পিঠি পাতি দিব লাগিব। কোনোবা দুজনমানে ভয়ে ভয়ে গৈ ভাৰতক এৰাই নিলে। হাতৰ এচাৰি ডাল দূৰলৈ দলিয়াই দি মুখেৰে এটাও শব্দ নকৰাকৈ আমাক হাতত ধৰি আঁতৰলৈ টানি নিলে। ভয়ে ভয়ে আমি কথাটো কোৱাত 'কাকো নকৰা একো, অতি গোপনে ৰাখিবা' বুলি ধীৰে স্থিৰে গৈ চাইকেলত ওলমি থকা মোনাটো চালেগৈ। ভাৰতৰ আঁঠু ঘইনি খাই খাই ভিতৰৰ কাগজ-পত্ৰবোৰ ওপৰলৈ উঠি আছিছে। ভাগ্যেহে ওলাই নপৰিল। সেইখন আছিল শ্ৰীসোমেশ্বৰ বৰাদেৱৰ চাইকেল। আক্ৰোহি চুকৰ শ্ৰীগোলোক বৰঠাকুৰৰ ঢেকী ঘৰত লুকুৱাই থৈছিল। নোসোধাকৈ ভাৰতে লৈ গৈছিল। মোনাটোৰ ভিতৰত আছিল কলিয়াবৰৰ মৃত্যু বাহিনীৰ শপত লোৱা সকলৰ সম্পূৰ্ণ বিৱৰণ- নাম, পিতাৰ নাম, বয়স, ঠিকনা সকলো।

থানাত আমাক সন্দেহ কৰা নাছিল। হৰেন আৰু মই আৰু কুৱৰীটোল থানাৰ

সমুখৰে শ্ৰীহৰেন বৰদলৈ আৰু দুজনমান মাজে মাজে গৈ থানাৰ চোতালত ৰবাৰ টেঙাৰ বল খেলিছিলো, কাগজৰ টুপলি কৰি দলিয়াই থপিয়াই ধৰি খেলিছিলো। চুটি পেণ্ট পিন্ধা আমি সৰু ল'ৰা কেইটাক সকলোৱে মৰম কৰে। এয়া আমাক দিয়া শিক্ষাৰে অংশ আছিল।

শ্ৰীবৰাদেৰে আমাক, তিনিওটাকে, তৎক্ষণাৎ আঁতৰি যাবলৈ ক'লে। মুহূর্ত্তৰ ভিতৰতে কেম্পৰ চিন চাব নোহোৱা হ'ল। হাটবৰৰ বিপৰিতে বৰ্ত্তমান ব্লকৰ পিছফালে আক্ৰোহি চুকৰ হাবি বাঁহনিৰ মাজত কেম্প আছিল। পিছত মিলিটাৰীয়ে ঘেৰাও কৰি চাৰিও ফালৰ পৰা জাল চপাই আনিলে। জালত বৌ ৰবালি বাদেই পুঁঠি খলিহনা এটাও নপৰিল। হাটবৰত তেতিয়া কলঙৰ ওপৰত দলং নাছিল। আমাৰ কাম আছিল অতি গোপনীয়। ভাৰত, হৰেন আৰু মই একেলগৰ। ভাৰত ভূঞা প্ৰায়েই আমাৰ ঘৰত আছিলহি। প্ৰকৃততে ভাৰতৰ ৰাজনৈতিক জীৱনৰ কঠীয়া অঙ্কুৰিত হৈছিল আমাৰ ঘৰতে। পিছত নগাওঁ জিলা কংগ্ৰেছৰ সভাপতিও হ'লগৈ।

পিছৰ দিনা আমাক থানালৈ আকৌ পঠিয়ালে। মাহীদেউৰ পৰা শুনিলো মিচা খবৰ দিয়াৰ কাৰণে ইংৰাজ কমাণ্ডাৰে কোনোবা এজন চৰকাৰী বঙালী চোৰাংচোৰাক হাণ্টাৰেৰে কোবালে আৰু কাণত ধৰি এশ বাৰ উঠ বহ কৰালে। চাকৰিৰ পৰাও খেদালে।

শ্ৰীভাবিৰাম ৰবা আৰু শ্ৰীকমল মহন্তৰ গ্ৰেপ্তাৰ

ইয়াৰ ভিতৰতে কলিয়াবৰৰ ভিতৰে বাহিৰে গ্ৰেপ্তাৰ কৰা সকলৰ খবৰ আহি আছিল আৰু আমাৰ কৰ্ম্মী আৰু সেনা সকল বেচি সাৱধান হৈ পৰিল।

৯/৯/৪২ তাৰিখে হাটবৰৰ শ্ৰীভাবিৰাম ৰবাদেৰক কামপুৰত গ্ৰেপ্তাৰ কৰে। কামপুৰ হাইস্কুল বেদখল কৰাৰ অভিযোগত শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী, শ্ৰীভাবিৰাম ৰবা আৰু শ্ৰীললিত শইকীয়াৰ (হাটিছোং) ওপৰত '448 IPC & 38 DI Rules' ত ওৰাৰেণ্ট জাৰি কৰা হৈছিল। শ্ৰীবৰাৰ লগতে শইকীয়াকো গ্ৰেপ্তাৰ কৰিলে। কিন্তু গোস্বামী পলাই সাৰে আৰু তেতিয়াৰে পৰা তেখেতে আত্মগোপন কৰিলে।

ৰালিসত্ৰৰ শ্ৰীকমল চন্দ্ৰ মহন্তই (শ্ৰীমইনা ওৰফে ৰবি মহন্তৰ পুতেক)। ১৯৪২ চনত কলিয়াবৰৰ পৰা গৈ নগাওঁ জিলাৰ দক্ষিণ পশ্চিম অঞ্চলৰ উপৰিও কঠিয়াতলি অঞ্চলত কংগ্ৰেছৰ সাংগঠনিক কামত ব্ৰতী হয়। কঠিয়াতলি অঞ্চলত শান্তিসেনা সকলক প্ৰশিক্ষণ দিয়ে। ১২ চেপ্টেম্বৰ (১৯৪২ চন) তাৰিখে নগাৰঁৰ পৰা ডবকাৰ ফালে যাওঁতে পুলিছ মিলিটাৰীয়ে খবৰ পাই কঠিয়াতলিৰ ওচৰত বাটতে শ্ৰীমহন্তদেৰক গ্ৰেপ্তাৰ কৰি জিলা অফিচৰ কৰ্ম্মী সকলৰ নাম সোধে। মহন্তই নাম ক'বলৈ অস্বীকাৰ ক�ৰাত বন্দুকৰ গোদিৰে কোবাই বুট জোতাৰে গুৰিয়াই ভীষণ অত্যাচাৰ কৰে। মুখেদি হক্ হক্ কৰে তেজ ওলায়। হাত দুখন পিছলৈ বান্ধি মটৰত তুলি দিয়ে। মটৰৰ চিটত বহাৰ অপৰাধত আকৌ ফিনচ্ চাহাবে গুৰিয়াই অত্যাচাৰ কৰে। লগে লগে অচেতন হৈ চিটৰ তলত পৰি যায়। তাৰ পিছত এচ. পি. ৰ বঙলাত পেলাই থয়হি।

তাতে ফিনচ্ চাহাবে গুলিয়াবলৈ উদ্যত হয়। এচ পি শ্ৰীসুধীন দত্ত আৰু দাৰোগা শ্ৰীৰাজেন বৰুৱাই বাধা দিয়াত যেনিবা ৰ'ল। তাৰ পিছত থানালৈ শ্ৰীমহন্তক লৈ আহে। তাতো ফিনচ্ চাহাবে গুলিয়াবলৈ পিস্তল উলিয়াই লয়। তেতিয়া থানাৰ দাৰোগা শ্ৰীৰাজেন বৰুৱাই আকৌ বাধা দিয়ে। ইয়াৰ পিছতে শ্ৰীমহন্তক জেললৈ পঠিয়াই দিয়ে। বৃটিছ চৰকাৰৰ কামত বাধা দিয়াৰ বাবে দাৰোগা শ্ৰীৰাজেন বৰুৱাৰ চাকৰি যায় আৰু ৬ মাহ জেল হয়। লগতে দুজন চিপেটীয়া পুলিছ চিপাহীৰো একে অৱস্থা হয়। এইবোৰ শ্ৰীমহন্তদেৱে নিজে কোৱা কথা।

শ্ৰীকমল মহন্তক জেল হস্পিতালত ৩ মাহ ৰাখি ৭ মাহ সশ্ৰম কাৰাদণ্ড দি যোৰহাট জেললৈ পঠিয়ায়। তাতো তেখেতৰ চিকিৎসা কৰিছিল। শ্ৰীগোলোক মহন্তই (বৰভকতি) তেখেতৰ শুশ্ৰূষা কৰিছিল বুলি আমাক কৈছিল।

কলিয়াবৰত পাইকাৰী জৰিমণা

৮, ৯ আৰু ১০ চেপ্টেম্বৰ তিনি দিনেই কলিয়াবৰৰ সকলো ঠাইতে মিলিটাৰীয়ে দিনে ৰাতিয়ে টহল দি ফুৰি মানুহৰ মনত আতঙ্কৰ সৃষ্টি কৰিছিল। বুট জোতাৰ গৰপ্ গৰপ্ শব্দই মানুহক সকলো সময়তে সঁচকিত কৰি ৰাখিলে। কংগ্ৰেছ কৰ্ম্মী সভাপতি, সম্পাদক, নায়ক, প্ৰায় সকলোৰে ঘৰত খানা তালচ কৰিলে। কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সভাপতি, সম্পাদক আৰু সদস্য সকলৰ ঘৰ একেদিনাই প্ৰায় ১০/১২ ঘণ্টাৰ ভিতৰতে ঘেৰাও কৰি তালাছি চলালে। ঘৰৰ সা-সম্পত্তি কাপোৰৰ বাকচ আদি ভাঙি দলিয়াই পেলালে। কিছুমান লৈ গ'ল।

শান্তিসেনা মৃত্যু বাহিনীৰো কাকো ধৰিব নোৱাৰি কংগ্ৰেছৰ মনোবল ভাঙিবলৈ সমগ্ৰ কলিয়াবৰতে ৰাইজৰ ওপৰত 'কলেক্টিভ ফাইন' লগালে। অত্যাচাৰ কৰিলেও ৰাইজ অহিংস হৈ থাকিল বাবেই চৰকাৰৰ বোধকৰোঁ উপায় নোহোৱা হৈ জৰিমণাৰ ব্যৱস্থা কৰিলে।

নথিত থকা মতে সেইদিনা, (১০/৯/৪২) ৰাতি পুবথৰীয়া বৰুৱা চুক, হাটৰৰ, গাৰিকুৰি, কুঁৱৰীটোল আৰু চতিয়াল গাঁৱৰ কে'বা ঘৰতো ঘেৰাও কৰি গ্ৰেপ্তাৰ অভিযান চলাই বিফল হ'ল। হাটৰৰ বৰুৱাচুক আৰু চতিয়াল এই তিনিওখন গাঁৱৰ বেচিভাগ পুৰুষকে মাৰ কিল কৰি চতিয়াল শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত একগোট কৰিলে। খেৰ ইকৰা পোৰা, দলং পোৰা, ৰেল লাইনৰ ক্ষতি সাধন কৰা আদিৰ বাবে জৰিমণা দিব লগিব বুলি চৰকাৰী নিৰ্দ্দেশ শুনালে। প্ৰতিবাদ কৰাত কে'বাজনেও মাৰ খালে। মাৰ কিল অত্যাচাৰৰ ভয়ত দুই একে জৰিমণা দিলে আৰু কিছু সংখ্যকে ঘৰৰ পৰা সোণ ৰূপৰ অলঙ্কাৰ নি থানাত জমা দিলে। নিদিয়া সকলে ভুকু, গোৰ চৰ খালে, হাণ্টাৰৰ কোব খালে।

অত্যাচাৰ চলিল পুবথৰীয়া ৰাইজৰ ওপৰত জৰিমণা নিদিও বুলি কোৱাৰ কাৰণে। সেই কিচামতত পাইকাৰী জৰিমণা আদায় কৰাৰ সময়ত তাৰ বালিকা স্কুলত ৭ দিন মিলিটাৰীয়ে কেম্প কৰি আছিল। কংগ্ৰেছ কৰ্ম্মী পুৰুষ সকলে গ্ৰেপ্তাৰৰ হাত সাৰিবলৈ ঘৰ

এৰি পলাই যায়। মহিলা সকলে এক মুঠ হৈ যুদ্ধং দেহি মনোভাব লৈ প্ৰতিবাদ কৰি থাকে। তেখেত সকলৰ সংসাহৰ তুলনা নাই। গাঁৱঁৰ মানুহে আপত্তি কৰিলে বা বাধা দিলে অত্যাচাৰ কৰে। ভলাগুৰিৰ শ্ৰীজীৱেশ্বৰ গোস্বামীৰ দেউতাৰক শিক্ষক শ্ৰীপদ্মকান্ত গোস্বামীদেৱক স্কুলৰ সমুখতে মিলিটাৰীয়ে অপমান কৰে। সৰ্ব্বশ্ৰীনলিনী কান্ত শইকীয়া, ৰজনী কান্ত গোস্বামী, আনন্দ শইকীয়া, ভোগেশ্বৰ নেওগ, সোমেশ্বৰ ৰবা আৰু বলো ভূঞাৰ ঘৰ দুৱাৰ ভাঙি সম্পত্তি নষ্ট কৰে। ইয়াতো যি সকলে বিশেষকৈ কংগ্ৰেছৰ বিৰোধীতা কৰিছিল তেওঁলোকৰ কে'বাজনেও জৰিমণা দিলে। এইদৰে মাধতাৰি, ৰৰভকতি, সোণাৰি গাওঁ, সৰুভগীয়া আদি গাওঁ বোৰতো পাইকাৰী জৰিমণা লগালে।

কলিয়াবৰৰ চৈধ্যখন গাঁৱঁৰ পৰা মুঠ ১৮,৭০৫.৬২ (ওঠৰ হেজাৰ সাত শ টকা দহ অনা) জৰিমণা হিচাপে আদায় কৰে।

চৰকাৰী কৰ্ম্মচাৰীলৈ নিঃ ভাঃ কং কমিটিৰ নিৰ্দ্দেশ

৫/৯/৪২ তাৰিখে নিঃ ভাঃ কং কমিটিৰ পৰা চৰকাৰী অৰ্দ্ধ-চৰকাৰী কৰ্ম্মচাৰীলৈ দিয়া চাৰ্কুলাৰ খন কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে কেইদিন মান পিছত পালে। ইংৰাজী ভাষাত লিখা এই দীঘলীয়া চাৰ্কুলাৰ খনৰ কিছু অংশ অসমীয়া ভাষালৈ অনুবাদ কৰি তলত তুলি দিয়া হ'ল-

" . এখন শক্তিশালী যুদ্ধ আৰম্ভ হৈছে। ইয়াত দেশৰ সকলো মানুহেই জড়িত হৈ পৰিছে। ই আপোনালোকক গভীৰ ভাবে আৰু অনেক ধৰণে জড়িত কৰিছে। জন্ম স্বত্ব স্বাধীনতা পাবৰ কাৰণে যি কোনো মূল্য দিবলৈ দৃঢ়ভাবে সংকল্প লোৱা হৈছে। আপোনালোক সকলোয়ে বিদেশী প্ৰভুৰ তলত চাকৰি কৰিব পাৰে কিন্তু আপোনালোক যে ভাৰতীয় এই অনুভূতি বা অনুভৱ কৰিব পৰা চিন্তাৰ পৰা আঁতৰি থাকিব নোৱাৰে। যিটো জাতিয়ে আজি স্বাধীনতা লাভৰ কাৰণে এই এটা অসহ্য বেদনা আৰু নিৰ্য্যাতনৰ সময়ৰ মাজেদি আগ বাঢ়ি লগা হৈছে আপোনালোকো সেই জাতিৰে একোটা অংশ। আমাৰ বিপক্ষে এই বুলি কোৱা হয় যে ভাৰতত বৃটিছ শাসন চলিছে বেচি ভাগেই ভাৰতীয় মানুহৰ দ্বাৰা আৰু সেই কাৰণেই ভাৰতে নিজৰ শাসন (Home Rule) নিজে চলাইছে। ইয়াতকৈ আৰু সত্যৰ অপলাপ একো হ'ব নোৱাৰে। এই এটা স্বায়ত্ব শাসন (Home Rule), যি শাসনে পুলিছ মিলিটাৰীৰ হস্তৱাই নিমাখিত মানুহ ল'ৰা-ছোৱালী আৰু মহিলাৰ ওপৰত জধে মধে গুলি চলাইছে এই শাসন বুৰঞ্জীত এটা অতি ভাঙৰ মাৰাত্মক প্ৰবঞ্চনা মাত্ৰ।

ভাইচৰয়ৰ কাৰ্য্যনিৰ্ব্বাহ কাউঞ্চিল (যাৰ এঘাৰ ভাগৰ ন ভাগেই ভাৰতীয় মানুহেৰে গঠিত) হ'ল নিষ্ঠুৰ আৰু হিয়াহীন এক প্ৰহসন, য'ত বিশেষ ভাবে প্ৰতাৰণাৰ শিক্ষা পোৱা এজন আমোলাৰ দ্বাৰা ভাৰতীয় জাতিটোক কষ্ট দায়ক যন্ত্ৰণা দি আছে। বেঙ্গল, পাঞ্জাব, সিন্ধু প্ৰদেশ আৰু অসমত ভাৰতীয় মন্ত্ৰীসভাৰ দ্বাৰা স্ব-শাসন চলিছে। তেওঁলোকে জানে যে যি তথাকথিত স্ব-শাসন তেওঁলোকে উপভোগ কৰিছে সেয়া এক প্ৰতাৰণাময়ী প্ৰহসন মাত্ৰ। সকলো বিষয়ৰ ক্ষেত্ৰত তেওঁলোকে বেচিভাগেই গৱৰ্ণৰসকলৰ বা কেন্দ্ৰীয় চৰকাৰৰ আদেশ মানিব লাগে নহ'লে তেওঁলোকে ৰিজায় ল'ব লাগিব।

দেশখনৰ অসামৰিক আৰু সামৰিক বিভাগৰ সকলো চাকৰিয়াল কৰ্ম্মচাৰীয়েই ভাৰতীয় শৃঙ্খলিত কৰি ৰাখিবলৈ দৈনন্দিন শাসন চলাবৰ কাৰণে ব্যৱহাৰ কৰা বিদেশী শাসক সকলৰ আজ্ঞাধাৰী ভৃত্য (হাত ভৰি) মাত্ৰ। সত্য কথাবোৰৰ মাত্ৰ এই কেইটাতেই তথাকথিত ভৰতীয় চাকৰিয়াল কৰ্ম্মচাৰী সকলে

কেনেকুৱা অপমান সূচক ভাষে কামত অংশ ল'ব লগা হয় সেই কথা ফটফটীয়া কৰি দেখুৱাই দিয়ে। এতিয়া দেশখনে পৰাধীনতাৰ শিকলি চিঙিবলৈ তিতা কেহা অভিজ্ঞতাৰে যুদ্ধ দিয়া এই সময়ত এইদৰে বৃটিছৰ লগত অংশ গ্ৰহণ কৰাটো বৰ কৰুণ আৰু দুৰ্ভাগ্যজনক হৈ পৰিছে। ভাৰতীয় সকলৰ দ্বাৰাই বৃটিছে ভাৰতীয় সকলক শাসন কৰি আছে।

তেনেহ'লে ভিন ভিন চাকৰিত থকা আমাৰ ভাৰতীয় সকলে কি কৰিব? আমি নিশ্চিতভাৱে জানো যে তেওঁলোকৰ বেচি ভাগেই বিদেশী শাসন বৰ ঘিণ কৰে। তেওঁলোকে বিদেশী প্ৰভু সকলৰ লগত দৈনিক জড়িত হৈ থাকে। তেওঁলোকে ভালকৈ জানে যে তেওঁলোকৰ বুদ্ধিমত্তা (Intelligence) আৰু কঠোৰ পৰিশ্ৰম কৰাৰ ক্ষমতা, যিসকলে শাসন কৰি আছে তেওঁলোকতকৈ বেচি নহ'লেও সমান; কিন্তু তেওঁলোকে যদি চাকৰি বাখিব খোজে (বা নিজৰ ঠাইত থাকিব খোজে) নিজৰ আত্ম সম্মান বিসৰ্জন দিবলৈ বাধ্য হয়। তেওঁলোকে জানে যে তেওঁলোকে ভাৰতীয় জনগণৰ সেৱা কৰিবলৈহে চাকৰিত আছে কিন্তু তেওঁলোকক শোষণ আৰু দমন কৰিবলৈ নহয়। যিটো শাসন যন্ত্ৰৰ তেলৈোক একো একোটা অংশ সেই যন্ত্ৰই তেওঁলোকক তাৰ (দমনৰ) বাহিৰে অন্য একো কৰিবলৈ নিদিয়ে। এই পুৰণি কলীয়া নিয়ম তন্ত্ৰত তেওঁলোকে যি আইন শৃঙ্খলাৰ নামত নিষ্ঠুৰ ভাৱে শক্তি প্ৰয়োগ কৰিছে আৰু দমন নীতি চলাইছে, তাত সক্ৰিয় অংশ গ্ৰহণ কৰিছে।

তেওঁলোকে অন্তৰৰো অন্তৰৰ পৰা জানে যি সংগ্ৰাম চলিছে সেযা যুক্তি সংগত অহিংস সংগ্ৰাম । আমি জানো তেওঁলোকে নিজৰ দেশৰ মানুহ আৰু সম্বন্ধীয় মানুহৰ ওপৰত লাঠি চাৰ্জ কৰি আৰু মেচিন গান চলাই শৰণাপন্ন হ'বলৈ কৰা কাৰ্য্য দেখি কেতিয়াও সুখ নাপায়। শাসন যন্ত্ৰটোত চলি থকা অবাধ দুৰ্নীতি, ইয়াৰ অকৰ্মণ্যতা, অসমতা, বাইজৰ স্বাৰ্থক সম্মান নকৰা আৰু বাজযৰা ধনৰ জধে মধে অপচয় কৰা, এইবোৰ কথা তেওঁলোকতকৈ আন কোনেও বেচিকৈ নাজানে। তেওঁলোকে এইবোৰ জানে তথাপিও সঠিক পদক্ষেপ ল'বলৈ সহাস নাই। যি আমোলাতন্ত্ৰই তেওঁলোকক সামান্য ভাৱেও নিজাকৈ কৰ্ত্তব্য কৰিবলৈ অধিকাৰ নিদিয়ে- সেই আমোলাৰ প্ৰতি থকা আনুগত্য তেওঁলোকে অবমাননা কৰা উচিত।

আমাৰ দেশৰ জন্ম মৃত্যুৰ সন্ধিক্ষণৰ বুৰঞ্জীত সামান্য হ'লেও সাহস, দেশক ভালপোৱা আপোনালোকৰ সৎ আৰু নিৰ্ভিক সামাজিক চৰিত্ৰৰ আজি প্ৰয়োনজ হৈছে। আপোনালোক ওলাই আহিবনে? আপোনালোক প্ৰত্যেকেই ইয়াৰ উত্তৰ দিয়ক। আপোনালোকৰ বাছনীয়ে মূলতঃ আপোনালোকৰ নিজৰ ভবিষ্যৎ জীৱন, ল'ৰা-ছোৱালীৰ জীৱনৰ ওপৰত, আৰু তাকেই যদি আমি কওঁ, দেশখনৰ জাতিটোৰ ভাগ্যৰ ওপৰত ইয়াৰ প্ৰভাৱ পেলাব। দেশখনে সম্পূৰ্ণীন হোৱা এই সংকটপূৰ্ণ অৱস্থাত কৃতকাৰ্য্যতাৰে আগবাঢ়ি যাবলৈ দেশখনক সহায় কৰিবৰ কাৰণে সঠিক শুদ্ধ বাছনি কৰিবলৈ আপোনালোককে দিয়া হৈছে।"

এইখনৰো শ শ কপি কৰি কলিয়াবৰৰ ভিতৰে বাহিৰে থকা সকলো চাকৰিয়ালৈকে পঠিওৱা হ'ল। কিন্তু ইয়াৰ বহু আগতে কলিয়াবৰৰ বহু কেইজন চাকৰিয়ালে চাকৰি এৰি আহি আন্দোলনত যোগ দিলেহি। ইয়াৰ পিছতো কে'বা জনেও চাকৰি এৰি গুছি আহিল। আন্দোলনত সক্ৰিয় অংশ ল'লে।

উপৰোক্ত চাৰ্কুলাৰখন পোৱাৰ দুদিনমানৰ পিছতে আৰু এখন নিৰ্দ্দেশ নামা পোৱা হ'ল (তুলি দিয়া হ'ল)।

"চৰকাৰী আৰু অৰ্দ্ধ চৰকাৰী কৰ্ম্মচাৰী সকললৈ আহ্বান আৰু লগে লগে কং কমিটিৰ নিৰ্দ্দেশ।

গৱৰ্ণমেণ্ট কৰ্ম্মচাৰী সকললৈ গণ আন্দোলনত যোগদান দিবলৈ কৰ্ত্তব্যৰ আহ্বান হৈছে।

বিদেশী গৱৰ্ণমেণ্ট আৰু বাইজৰ এই ঘোৰ যুদ্ধত ভেৰেত সকলৰ ঠাঁই কোন খিনিত? কোন পন্থা লৈ সিবিলাকে দেশ আৰু বাইজৰ প্ৰতি বিশ্বাস ঘটকতা কৰি এই গণ আন্দোলন বন্ধ কৰিবলৈ গৱৰ্ণমেণ্টৰ

লগত সহযোগ কৰাটোৱেই সিবিলাকৰ কৰ্ত্তব্য বুলি ধাৰণা কৰিছে? দেশ বাসী বি ক্ষেত্ৰত এনে এখন মৰণান্তিক যুদ্ধত লিপ্ত, সেই মুহূৰ্ত্তত সিবিলাকে নিজ দেশবাসীৰ প্ৰতি বিশ্বাস ঘাতকতা কৰিবনে? কবি জীৱিকা অৰ্জ্জন কৰিবনে? সিবিলাকে দেশৰ বৰ্ত্তমান আৰু ভবিষ্যত বংশধৰ সকলৰ শাওপাত খাবলৈ ভয় খোৱা নাইনে? নাইযা, সেই দেশবাসীৰ আশীৰ্ব্বাদ ৰৰণ কৰিবলৈ সিবিলাকৰ হেপাহ নাইনে? বি বিলাকে সিবিলাকৰ কটি মাখনৰ যোগাৰ দিছে সেই সকলৰ দিন চাপি আহিছে। কেইদিন আৰু তাৰ আয়ুস কাল? তেনেহ'লে কিয় হলা গহ ডালত আউজি সিবিলাকে নিজৰ ধ্বংসে চপাই ল'ৰ খোজে? বি সকলে চাকৰি এৰো বুলি মনোবল নাই সিবিলাকৰ এই মনোকল হ'ব লাগে যে দেশবাসীক (দুটা শব্দ কুটিলে) কৰিবলৈ মই নাজানো জবাবৰ ফলত যদি সিবিলাকৰ চাকৰি (তিনিটা মান শব্দ কুটিলে) সিবিলাকে তালৈ প্ৰস্তুত হ'ব। এনেকৃত্বা প্ৰত্যেক চাকৰিয়ালক চাকৰিৰ পৰা খেদোতে দেশবাসীৰ নেলু চেপি ধৰা এই সাম্ৰাজ্যৰ অৱশ্যম্ভাবী মৃত্যু মুহূৰ্ত্ত ওচৰ চপাই আনিব।

নগাওঁ জিলা কংগ্ৰেছ কমিটি
(মোহৰ)

কংগ্ৰেছ কৰ্ত্তৃপক্ষৰ নিৰ্দ্দেশ
শ্ৰীমহেন্দ্ৰ নাথ হাজৰিকা।"

এইবোৰ চাৰ্কুলাৰ পোৱাৰ বহুত আগতেই বহাগ (এপ্ৰিল) মাহতে গাৰিকুৰিৰ শ্ৰীবাপাৰাম বৰাই চাকৰি এৰি আন্দোলনত সোমাই পৰিল। প্ৰাথমিক গঠনৰ সময়ত গাৰিকুৰি গাঁৱৰ চাব কমিটিৰ সভাপতি হৈছিল। কে'বা গৰাকী শিক্ষকেও চাকৰি এৰি যোগ দিলে। বালিসত্ৰৰ শ্ৰীযজ্ঞেশ্বৰ মহন্তই এল. পি স্কুলৰ চাকৰি এৰি দিলে।

সেই সময়ত চিকিৎসাৰ বাবে কলিয়াবৰত সু-ব্যৱস্থা নাছিল। বেমাৰ আজাৰৰ বিষয়ে মানুহৰ কিছুমান সাধাৰণ জ্ঞানৰ অভাৱ, বিশেষকৈ ঘৰখনৰ সকলোৱেই আন্দোলনত সক্ৰিয় ভাৱে জড়িত হৈ পৰাত আৰু পলাই ফুৰিৰ লগাত বেমাৰীৰ প্ৰতি চকু দিব নোৱাৰাত শ্ৰীবাপাৰাম বৰাৰ পৰিবাৰৰ অসুখ দিনে দিনে বাঢ়ি গ'ল। তেখেত ঘৰলৈ আহিব নোৱাৰা হ'ল। চৰকাৰী চোৱাংচোৱাৰ অনবৰতে ঘৰখনৰ ওপৰত সেন চকু। আচলতে চিকিৎসাৰ অভাৱতেই অতি দুঃখজনক পৰিস্থিতিত অকালতে মৃত্যু ৰৰণ কৰিব লগীয়া হ'ল শ্ৰীবৰাদেৱৰ পৰিবাৰে।

বাটে পথে মিলিটাৰীৰ অত্যাচাৰ

৭/৯/৪২ তাৰিখে চতিয়াল শহৰ মন্দিৰত কৰা নিৰ্ম্মম অত্যাচাৰ আৰু তাৰ পিছৰ তিনিদিন বাটে পথে মিলিটাৰীয়ে টহল দি ফুৰা, নেতাসকলৰ ঘৰ ঘেৰাও কৰা আৰু খেদা কোৰা কৰা আৰু কে'বাজনকো বাজ আলিৰ ওপৰত পোলই লৈ লঠিয়াই গুৰিয়াই গচকা আদি দেখি শুনি অভিজ্ঞতা হোৱাত কিছু মানুহে মিলিটাৰী গাৱঁত সোমালে ভয়ত পলাই অন্য গাওঁ বা হাবিলৈ যোৱাটো স্বাভাৱিক। আত্মগোপনকাৰী কৰ্ম্মীসকলে কৰ্ত্তব্যৰ খাতিৰতে পলাবলগীয়া হোৱাত গাৱঁৰ মানুহবো ভয় হ'বই। পূৰ্বঘৰীয়াৰ শ্ৰীযুতো ভূঞাক বাটৰ ওপৰত পেলাই লৈ বুট জোতাৰে গচকি গুৰিয়াই বগাবাই বন্দুকৰ গোদিৰে খুন্দিয়াই

ঘাইল কৰাৰ কথা ৰন জুইৰ দৰে বিয়পি পৰিছিল। (এইজন মানুহ চিৰ জীৱনৰ কাৰণে ঘূণীয়া হ'ল। সুন্দৰ সুঠাম দেহৰ মানুহজন বিষালী হ'ল- অন্নায়ু হৈ অকালতে ঢুকাই থাকিল)।

ৰৰভকতিৰ শ্ৰীনগেন খাওন্দক কে'বাটাও মিলিটাৰীয়ে খেদি নিয়াত ভৰা কলঙত জাপ দি সাতুঁৰি সিপাৰ হৈ সাৰিছিল। সেইদিনা তেখেতে কিছুমান গোপনীয় কাগজ লৈ কেন্দ্ৰীয় অফিচলৈ গৈছিল। মিলিটাৰীয়ে গুলি নকৰিলে- কিন্তু শিলগুটি, মাটিৰ চপৰা আৰু বাঁহৰ ভগা জেওৰা, কাঠৰ টুকুৰাৰ ফৰমুটি মাৰিছিল। তেখেতে মাজে মাজে বুৰ মাৰিছিল। গাত দুই এচপৰা মাটি পৰিছিল। এটা শিলগুটি পৰি মুৰৰ পিছফালে ফাটি তেজ ওলাইছিল। আমি কে'বা জনেও এই দৃশ্য দেখিছিলো- ন-সত্ৰৰ সমুখতে। দৌৰি যাওঁতে পেলাই থৈ যোৱা চেণ্ডেলযোৰ বিচাৰি আনি ঘৰত দি আহিছিলো- খৰৰ লৈছিলো। গোপনীয় জৰুৰী কাগজখিনি আনি ৰ'দত শুকুৱাই কেন্দ্ৰীয়ৰ সভাপতিক দিছিলো। (থকা খোৱাৰ কোনো নিশ্চয়তা নথকা শ্ৰীনগেন খাওন্দৰ পিছত টি বি বেমাৰ হ'ল। গহপুৰৰ ওচৰৰ ডফলা গড় চাহ বাগিছাত ঘৰৰ পৰা দূৰত এটা বাহিৰা ঘৰ সাজি ৰাখিছিল। বিচনাৰ তলত আৰু কোঠালিটোত ছাগলী বান্ধিছিল। ছাগলীৰ লাদ বোৰ চুকত জমা কৰি থৈছিল। ছাগলীৰ হগা-মুতা ময়লাৰ গোন্ধত টি. বি. ৰ বীজানু মৰে বোলে। তেতিয়া টি বি. ৰ ঔষধ ওলোৱা নাছিল। মই তালৈ গৈ খৰৰ লৈছিলো। মানুহক দূৰৈৰ পৰাই চাবলৈ দিছিল। মই জোৰ কৰি ওচৰলৈ গৈছিলো। মোক ডাবি দি আঁতৰাই পঠিয়াইছিল। অৱস্থাটো দেখি মই কান্দি পেলাইছিলো- কিন্তু ওচৰলৈ গৈহে এৰিলো। কলিযাবৰ সু-সন্তান শ্ৰীনগেন খাওন্দ আছিল কলিয়াবৰৰ প্ৰথম বি কম পাছ কৰা ব্যক্তি। কলিয়াবৰ হাইস্কুলত কিছুদিন শিক্ষকতাও কৰিছিল। তেতিয়া মই কিছুদিন চামধৰা গাৱঁত তেখেতৰ লগতে আছিলো। লগত ভায়েক শ্ৰীচাৰু খাওন্দো আছিল। দিনে ৰাতিয়ে হাতত এখন কিতাপলৈ অকলে বিচনাখনত পৰি থাকে, মাতবোল কৰিবলৈ কোনো মানুহ ওচৰলৈ নেযায়। ইমান সুন্দৰ চেহেৰাৰ মানুহজন শুকাই ক্ষীণাই হাড় ওলাল। সেইদৰে অকলে পৰি থাকোঁতেই এদিন শেষ নিশ্বাস ত্যাগ কৰিলে)।

১১/৯/৪২ তাৰিখে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ সভা বহিল। সভাত গৃহিত হোৱা প্ৰস্তাৱ কেইটা তলত তুলি দিযা হ'ল-

"১ম প্ৰস্তাৱ - আজি কলিয়াবৰ কেন্দ্ৰীয় কমিটিয়ে সু-চিন্তিত ভাবে অভিমত প্ৰকাশ কৰে যে ৰাইজে গৱৰ্ণমেণ্টৰ দমন নীতিত দুৰ্ব্বল হোৱা গতিকে- এনে দুৰ্ব্বল ভাব দূৰ কৰিবৰ কাৰণে প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটি বা গাৱঁৰ শান্তি সেনা, ৰাইজ ও মহিলাই সুবিধা বুজি দৈনিক কিম্বা দুই দিনৰ মুবত নিজৰ গাঁৱৰ ভিতৰত শোভাযাত্ৰা কৰি 'বন্দেমাতৰম' ধ্বনিৰে সভা সমিতি পাতি ৰাইজৰ দুৰ্ব্বল ভাব দূৰ কৰিবলৈ প্ৰত্যেক নায়ক ও শান্তি সেনাক নিৰ্দ্দেশ দিয়া হ'ল।

২য় প্ৰস্তাৱ - নায়ক ও শান্তি সেনা থকা সত্ত্বেও যদি কোনো ৰাইজে বা তিকতাই উৰা বাতৰিত নিৰ্ভৰ কৰি ঘৰ বাৰি এৰি পলায় তাৰ বাবে দায়ী নায়ক ও শান্তি সেনা হ'ব। এনে ঘটনা ঘটিলে নায়ক বা শান্তি সেনাক উপযুক্ত শাস্তিৰ ব্যৱস্থা কৰা হ'ব।

৩য় প্ৰস্তাব - বৰ্ত্তমান গৱৰ্ণমেণ্টে কংগ্ৰেছৰ মৰিমুৰ কৰিবলৈ বাইজৰ ওপৰত যি কনেষ্টীয়ু কাঁহিনী আদায় কৰিছে এই বিষয়ে কলিয়াবৰৰ প্ৰত্যেক নৰ-নাৰীক উক্ত অবিমনাই টকা নিদিবলৈ অনুৰোধ কৰা হওক। গৱৰ্ণমেণ্টে জোৰ কৰি লোক কৰিলে তাত কোনো বাধা নিদিব। আৰু লোক সম্পত্তিৰ এটা লিষ্ট নিজে যাৰি আন এটা লিষ্ট অতি সোনকালে কলিয়াবৰ কেন্দ্ৰত দাখিল কৰিবলৈ সকলো বাইজক অনুৰোধ কৰা হ'ল।

৪র্থ প্ৰস্তাব - বৰ্ত্তমান কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ ভৱাল মুৰ্ব্বল হোৱাত কমিটিৰ কাৰ্য্য চলাবলৈ অসুবিধা হৈছে। গতিকে টকা সংগ্ৰহ কৰিবৰ কাৰণে কলিয়াবৰ মহিলা সভাক আজিৰ সভায় ভাৰ দিয়ে।

৫ম প্ৰস্তাব - কংগ্ৰেছৰ নিৰ্দ্দেশ মতে কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে নিৰ্দ্দেশ দিয়া সত্ত্বেও যি সকল গৱৰ্ণমেণ্ট আৰু গৱৰ্ণমেণ্ট কৰ্ম্মচাৰীয়ে নিজ পদ ত্যাগ কৰা নাই বা যি অকলত যি কোনো ভুল বন্ধ কৰা নাই অতি পলমে তাৰ, কঠোৰ ব্যৱস্থা কৰিবলৈ প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটিক নিৰ্দ্দেশ দিয়া হয়, আৰু কি শাস্তিৰ ব্যৱস্থা কৰা হৈছে তাৰ সম্পূৰ্ণ বিৱৰণ কেন্দ্ৰত দিবলৈ অনুৰোধ কৰা হওক।

৬ষ্ঠ প্ৰস্তাব- কলিয়াবৰ কেন্দ্ৰ সভায় তলত দিয়া অঞ্চলত বৰ্ত্তমান সংকটৰ বিষয়ে বুজাবলৈ কেইজন মান সদস্যক ভাৰ দিয়ে। ১। সোণাৰী গাওঁ ২। শিলঘাট ৩। পূবথৰীয়া ৪। যমথলা ৫। কুঁৱৰীটোল হাটিগাওঁ।

৭। প্ৰস্তাব- কাৰ্য্যকৰী কমিটিৰ পূৰ্ব্বৰ আৰ্টনি মতে ২য় সভ্য শ্ৰীযুত ৰজনী কান্ত গোস্বামীক সভাপতি পদৰ প্ৰস্তাব দিয়া হৈছেই। খালি থকা পদত শ্ৰীযুত গোলাপ চন্দ্ৰ বৰুৱাক (বৰুৱাচুক) চতিয়াল কেন্দ্ৰৰ পৰা সভ্যভুক্ত কৰা হয়।

৮ম প্ৰস্তাব- কলিয়াবৰ ছাত্ৰ সমূহৰ পৰা এই আন্দোলনত সম্পূৰ্ণ সহযোগ পাবৰ কাৰণে কাৰ্য্যকৰী কমিটিয়ে ৰাজী কৰে আৰু এই কমিটিত এজন ছাত্ৰ প্ৰতিনিধি দিবলৈ তেখেত সকলক অনুৰোধ জনায়।

৯ম প্ৰস্তাব- দেৱৰী চিলাবন্ধা প্ৰাথমিক কংগ্ৰেছ কমিটিৰ এজন নতুন সভাপতি নিৰ্ব্বাচন কৰিবৰ কাৰণে আজিৰ সভায় উক্ত প্ৰাথমিকৰ বাইজক ভাৰ দিয়ে। আৰু বাইজে নতুন নিৰ্ব্বাচন কৰি কেন্দ্ৰীয় কমিটিক জনাবলৈ অনুৰোধ জনায়।

তাং ১১/৯/৪২।"

কলিয়াবৰত কলেৰা

চেপ্টেম্বৰ মাহৰ প্ৰথম সপ্তাহৰ পৰাই কলিয়াবৰৰ ঠায়ে ঠায়ে কলেৰা হৈছিল। সম্পূৰ্ণ মহামাৰীৰ ৰূপ সকলোতে লোৱা নাছিল যদিও বহুতো গাঁৱঁত তিনি চাৰি জনৰ পৰা ১০/১৫ জন মানুহৰ মৃত্যু হৈছিল। পূবথৰীয়া, মাধতাৰি, চিলাবন্ধা, ধৰমপুৰ কুঢ়ি মাৰি, জখলাবন্ধা আদি ঠাইৰ পৰা কেন্দ্ৰীয় অফিচলৈ ইয়াৰ ব্যৱস্থা ল'বলৈ অনুৰোধ জনাইছিল।

সৰুভগীয়া প্ৰাথমিকৰ অন্তৰ্গত থকা কটিয়ৰী, ঢেকীয়াল সেনচোৱা গাঁৱঁত কলেৰা মহামাৰী হৈ বহুতৰে মৃত্যু হ'ল। ১২/৯/৪২ তাৰিখে সেই প্ৰাথমিকৰ সম্পাদক শ্ৰীটিকেশ্বৰ হাজৰিকাই কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছক জনাইছিল এই বুলি-"কটয়ৰীত ৪জন (১১/৯/৪২ ৰ ভিতৰত), ঢেকিয়ালত ২ জন (৮/৯/৪২ ৰ পৰা ১০/৯/৪২ ৰ ভিতৰত), সেনচোৱাত (কৃষ্ণ মিস্ত্ৰিৰ ঘৰত) ৩ জন (১০/৯/৪২ ৰ পৰা ১২/৯/৪২ লৈ) মানুহৰ কলেৰা মহামাৰীত মৃত্যু হৈছে। উক্ত মহামাৰি কি উপায়ে নিবাৰণ হ'ব তাৰ ব্যৱস্থা কৰিবলৈ কেন্দ্ৰীয় কমিটিৰ পৰা সিদ্ধান্ত লবলৈ অনুৰোধ জনালো।"

আগতেই উল্লেখ কৰা হৈছে যে ডাক্তৰ অমূল্য ৰঞ্জন লাহিৰিৰ অধীনত আমি কে'বা জনেও ৰেড্‌ক্ৰচৰ ট্ৰেইনিং লৈছিলো। কেন্দ্ৰীয় কমিটিয়ে তেখেতক নিৰ্দ্দেশ দিলে।

ডাঃ চন্দ্ৰধৰ ধৰক ধৰপুৰ কুটিমাৰীৰ কালে পঠিয়াই ডাঃ লাহিৰি জখলা বন্ধালে আহিল। তেখেতে শ্ৰীহৰেন শইকীয়া আৰু মোক লগত লৈ ১২/৯/৪২ তাৰিখৰ পৰাই গাওঁ বেইখনত চিকিৎসা আৰম্ভ কৰিলে । আমি দিনে বাতিয়ে তেখেতৰ লগতে থাকি ইখন গাৱঁৰ পৰা সিখন গাৱঁলৈ গৈ থাকিলো। গাৱঁৰ মানুহে আমাৰ কামত সম্পূৰ্ণ সহযোগ কৰিলে। ডাক্তৰ কেৰাহিত পানী উতলাই চেঁচা কৰি নেমুৰ চৰবত কৰি আৰু চেনী আৰু নিমখ মিহলাই আক্ৰান্ত সকলক বিমান পাৰে খুৱাইছিলো। অনাক্ৰান্ত আৰু বিশেষকৈ গা বেয়া লগা বুলি কোৱা সকলক সাৱধান কৰি দিয়া হৈছিল। তেওঁলোকক এই পানী খাবলৈ দিয়া হৈছিল। কোনেও যাতে নুতলোৱা চেঁচা পানী নাখায় তাৰ বাবে সকীয়াই দিয়া হৈছিল। আনকি বাজহুৱা ভাৱে গৰম কৰাৰ পৰাও খোৱা পানী বিতৰণ কৰা হৈছিল। কলেৰা বেমাৰিৰ ময়লা, কাপোৰ কানি পুতি পেলোৱা হৈছিল। গাৱঁৰ মানুহ খিনিয়ে বুজিছিল।

ডাঃ লাহিৰি মানুহজন অকণো ভাগৰি নপৰে। নিজহাতে বেমাৰীক ঔষধ খুৱায়, পানী খুৱায়। আমাক জিৰণি লবলৈ কয় কিন্তু আমি তেখেতৰ লগতে থাকো, লগ এৰা নিদিও। তেখেতে আমাৰ খোৱাৰ প্ৰতি কিন্তু বৰ সজাগ আছিল। সৰুভগীয়া শিবিৰত আমাৰ খোৱাৰ ব্যৱস্থা কৰিছিল। চাৰি দিনৰ ভিতৰত ডাঃ লাহিৰি মাত্ৰ ১১ ঘণ্টা শুইছিল। আমাক কিন্তু কমেও ৬ ঘণ্টাকে শুবলৈ দিছিল সৰুভগীয়া শিবিৰত। বেড্‌ক্লচৰ পৰা দিয়া পোছাক আমাক পিন্ধিবলৈ দিছিল। ১৫/৯/৪২ তাৰিখলৈকে আমাৰ হাতত আৰু ৪ জন মানুহৰ মৃত্যু হৈছিল। ১৫/৯/৪২ তাৰিখৰ পৰা সকৰভগীয়াৰ শ্ৰীৰতিন্দ্ৰ বেনার্জিৰ লগত সেই প্ৰাথমিকৰ পাঁচজন শান্তি সেনাই কলেৰা বেমাৰী পৰিচৰ্য্যাৰ ভাৰ লৈছিল। ডাক্তৰে আমাক পঠিয়াই দিলে।

শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই কেন্দ্ৰলৈ পঠিওৱা বিপৰ্টত এই বিষয়ে লিখিছিল। পিছত মই ডাঃ লাহিৰিৰ ডায়েৰীত পঢ়িছিলো। ডাক্তৰ লাহিৰিৰ চেনেহভৰা, মৰম সনা মাতটো এতিয়াও মোৰ মনৰ মাজত সোমাই আছে। পিছৰ দিনাই হৰেন গমিৰিলৈ গ'ল। মাকে লৈ গ'ল।

গহপুৰৰ গুলি চালনা

শ্ৰীহৰেন শইকীয়াৰ দেউতাৰক তেতিয়া গামিৰি পেট্ৰল (Wholesale & Supply) ডিপোৰ মেনেজাৰ আছিল।

২০ চেপ্টেম্বৰ পুৱা ৮ বজাত গমিৰি ৰৱঙাবাৰি আৰু ওচৰৰ গাওঁ বিলাকৰ পৰা প্ৰায় ৮/৯ মহিল দূৰৰ গহপুৰ অভিমুখে যাত্ৰা কৰিলে। এই শোভাযাত্ৰাৰ নেতৃত্ব দিছিল সেই সময়ৰ ধোপাৰৰ প্ৰাথমিকৰ সম্পাদক শ্ৰীমুকুন্দ কাকতিয়ে। লগত আছিল গাৱ কাষে কাষে আমাৰ শ্ৰীহৰেন শইকীয়া।

মূল পথৰ পৰা থানালৈ প্ৰায় ৮/১০ ফুটৰ এটা ঠেক বাটে দি সোমাব লাগে। মূল বাস্তাৰ পৰা থানাৰ চোতাললৈ দূৰত্ব প্ৰায় ১০০ ফুট। বাটটোৰ সোঁ ফালে থানাৰ সমুখত থকা পুখুৰীৰ পাৰত কাটা টাঁৰৰ বেৰ। বাওঁফালে ফৰেষ্ট অফিচৰ সীমাত বেৰ। ঠেক বাটটোৰে শোভাযাত্ৰা প্ৰায় ৩০/৪০ ফুটমান আগবাঢ়ি বৈ গ'ল। সমুখত বাহঁ বন্ধা আছে পুলিছৰ চিপাহীয়ে বন্দুক লৈ আঁঠুকাঢ়ি টোৱাঁই আছে। থানাৰ দাৰোগা শ্ৰীবেৰতী সোমৰ বাধা নামানি শাৰী দুটাৰ পিছৰ মানুহৰ অত্যন্ত হেঁচাৰ কোবত শোভাযাত্ৰা আগবাঢ়িল। ইফালে সিফালে যাব নোৱাৰে। বাট ভেটি থোৱা বাহঁডালৰ মহিলাৰ ফালৰ মুৰটো শাৰীটোৰ আগত পতাকা লৈ থকা ছোৱালীজনীৰ গাত লাগি উফৰি যোৱাৰ লগে লগে চিপাহীটোৱে গুলি কৰিলে, এটা মাত্ৰ গুলি। ছোৱালীজনীয়ে পিছলৈ ঘুৰি চাইছিল একাষৰীয়াকে। তাইৰ পিঠিয়েদি গুলি সোমাই বুকুৰ ভন ভেদি ওলাই গ'ল। ছোৱালীজনী হৰেন মুকুণ্ডৰ কাষতে সোঁ ফালে মাটিত ঢলি পৰিল। গুলিৰ শব্দ শুনি বেচি উত্তেজিত হৈ মুকুণ্ডই জপিয়াই জপিয়াই 'বন্দেমাতৰম' ধ্বনি দিবলৈ ধৰিলে। এবাৰ ধ্বনি দি জপিযাই ওপৰলৈ উঠোতেই সমুখত আঁঠুকাটি থকা চিপাহীটোৱে বন্দুকটো ওপৰ মুৱাকৈ তুলি গুলি কৰিলে। গুলিটো ওপৰলৈ উঠা মুকুণ্ড কাকতিৰ কপালৰ একাষে সোমাই লাওখেলাৰ এচটা এৰুৱাই নিলে। মুকুণ্ড হৰেনৰ গাৰ ওপৰতে পৰাত দুয়োটা পথৰ ওপৰতে বাগৰি পৰিল। মাত্ৰ ৩ ফুটমান ব্যৱধানতে পৰি গ'ল তিনিটা সুঠাম দেহ। প্ৰায় ২০/৩০ চেকেণ্ডৰ ভিতৰত গুলি দুটা ফুটিছিল। ছোৱালীজনী আছিল বৰঙাবাৰীৰ শ্ৰীগোলোক বৰুৱাৰ ভটিজা ছোৱালী শ্ৰীমতী কণকলতা বৰুৱা। কণকলতাৰ বুকুৰেদি বাহিৰ হৈ যোৱা গুলিটোৱে বৰঙাবাৰীৰ শ্ৰীহেম বৰুৱাৰ ডিঙি ফুটাই ওলাই গৈ কলংপুৰ গাৱঁৰ অন্য এজন (নাম নাজানিলো) মানুহৰ কান্ধৰ মঙহ এৰুৱাই নিলে। তেতিয়া সময় দিনৰ প্ৰায় এক বাজিছিল।

গুলিৰ শব্দ শুনি বাইজ ফাঁহি চিটিকা দিলে। থাকিল বাটত মাথো প্ৰায় ১০/১২ জন মানুহহে। ধোপাৰৰ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি সত্ৰাধিকাৰ শ্ৰীগজেন গোস্বামী, ওচৰৰে শ্ৰীঅৰ্জুন বায়, শ্ৰীডিম্বেশ্বৰ চুতীয়া, শ্ৰীমুখেশ্বৰ চুতীয়া আৰু শ্ৰীহৰেন শইকীয়া এই কেইজনে বস্তাৰে চাণ্ডি সাজি মুকুণ্ডক আৰু বৰঙাবাৰীৰ আন কেইজনমানে তেনেকুৱা চাণ্ডিত তুলি কণকলতাক কটিয়াই আনিলে। কণকলতাৰ পৰাৰ লগে লগেই মৃত্যু হ'ল। মুকুণ্ড তেতিয়াও মৰা নাছিল। তেওঁলোকে দেহা দুটা কঢ়িয়াই প্ৰায় দুমাইলমান অহাৰ পিছত ডফলাগড় চাহ বাগিছাৰ মেনেজাৰে আহি ওচৰতে গাড়ী ৰখাই মুকুণ্ডৰ গাত হাত দি চাই ক'লে- Still alive (এতিয়াও জীয়াই আছে)। মুকুণ্ডক গাড়ীত তোলাই চাহাবে লৈ গ'ল। বাকী সকলে কণকলতাক বালিজান নদীৰ দলঙৰ তলত লুকুৱাই দিয়াত নেদেখি এৰি গ'ল। বাতি প্ৰায় বাৰ বজাত প্ৰায় ১১ ঘণ্টা জীৱনৰ লগত যুঁজ কৰি মুকুণ্ড কাকতিৰ মৃত্যু হ'ল- ডফলা গড় চাহ বাগিছাৰ হস্পিতালত। মৃতদেহাটোও ককায়েক শ্ৰীলোহিত আৰু শ্ৰীনবীন কাকতিক চাবলৈ নিদিলে। মেনেজাৰে বাগিছাৰ ভিতৰত ক'ৰবাত পুতি থোৱালে। এই গোটেই কথাযোৰ শ্ৰীহৰেন শইকীয়া আৰু গমিৰিৰ কে'বা জনেও মোক

কৈছিল তেতিয়া। মই লিখি থৈছিলো।

শ্ৰীহৰেন শইকীয়াই সেইদিনা পিন্ধি থকা আকাশী ৰঙৰ কোট চোলাটোৰ এফালে মুকুণ্ড কাকতিৰ তেজেৰে ৰাঙলি হ'ল। বহুত দিনলৈকে সযতনে ৰাখিছিল। মই দেখিছিলো মুকুণ্ডৰ শুকাই কৰকৰীয়া মাৰি খলমা বান্ধি থকা ক'লা পৰি যোৱা তেজখিনি। লিৰিকি বিদাৰি চাইছিলো। পিছত মাকৰ পৰামৰ্শমতে কোনোবা ভিক্ষাৰীক দি দিলে- পুৰি পেলাবৰ মন নগ'ল।

এইখিনি কথা ইয়াত এই কাৰণেই লিখা হৈছে যে কণক লতাৰ মৃত্যু সম্পৰ্কে গাৱ কাষতে থকা জনৰ কথা খিনি প্ৰকাশ কৰিবলৈ আৰু এই কথা জনাবলৈ যে আৰু এটা গুলি ফুটা হ'লেই মুকুণ্ড কনকলতাৰ লগতে আমাৰ কলিয়াবৰৰ ছাত্ৰ শান্তি সেনা শ্ৰীহৰেন শইকীয়াও হয়তো শহীদ হ'লহেতেন। সেইদিনা মাত্ৰ দুটাহে গুলি ফুটিছিল। (আখিৰঙা গাৱঁৰ শ্ৰীহৰেন শইকীয়া এতিয়া গুৱাহাটীৰ অম্বিকাগিৰি নগৰৰ (ৰাধাগোবিন্দ বৰুৱা পথ) বাসীন্দা।

আন্দোলন চলোৱাৰ বাবে নীতি সলনি

ইতিমধ্যে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে স্বাধীনতা সংগ্ৰাম চলোৱাৰ বাবে নীতি নিয়মৰ কিছু সাল-সলনি কৰিলে। ১৩/৯/৪২ তাৰিখে শ্ৰীদেৱকান্ত বৰুৱা কলিয়াবৰলৈ আহিছিল। সময়ৰ অভাৱত তেখেত কলিয়াবৰ কংগ্ৰেছৰ সভা পাতিব নোৱাৰিলে। এক গোপন (গাৰিকুঁৰি) ঠাইত বহি তেখেতে লিখি থৈ গৈছিল এইদৰে (তুলি দিয়া হ'ল)

"স্বাধীনতা সংগ্ৰাম চলাবৰ কাৰণে কেতবোৰ নিৰ্দ্দেশ

১। আজিৰ পৰা কলিয়াবৰ কেন্দ্ৰ শাখা কংগ্ৰেছ কমিটিৰ আৰু তাৰ সকলো প্ৰাথমিক কংগ্ৰেছ কমিটিৰ নিয়মতন্ত্ৰ দেশৰ অসাধাৰণ অৱস্থাৰ কাৰণে স্থগিত হ'ব আৰু কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ কাম চলাবৰ কাৰণে এজন পৰিচালক থাকিব। তেখেতে গ্ৰেপ্তাৰ নোহোৱালৈকে সকলো কাম চলাব আৰু তেখেতৰ অবিহনে তলৰ লিষ্টমতে এজনৰ পিছত এজনে পৰিচালকৰ দায়ীত্ব বহন কৰিব। লিষ্ট শেষ হ'লে শেহৰ জনে এজনক নিযুক্ত কৰি যাব। তাৰ পিছত সেইদৰে চলিব।

প্ৰাথমিক কংগ্ৰেছ কমিটিৰ কাম এজন নায়কে চলাব। তেখেত গ্ৰেপ্তাৰ হ'লে আন এজন নায়ক নিযুক্ত কৰিব। এইদৰে ক্ৰমান্বয়ে কাম চলি থাকিব। সংগঠনমূলক কামবোৰ আগৰ দৰে চলি থাকিব।

২। বা বাতৰি অন্য নিয়াত নিযুক্ত শান্তিসেনা সকলৰ বাহিৰে আন শান্তি সেনা সকলে নিজৰ ইউনিফৰ্ম (গান্ধী টুপীৰে সৈতে) ব্যৱহাৰ কৰিব। শান্তি সেনা সকলে 'শান্তি সেনা' বেজৰ লগতে 'মৃত্যুবাহিনী' বেজ লগাই ল'ব।

৩। কৰ্ম্মীসকলে আৰু শান্তিসেনা সকলে সদায় মনত ৰাখিব যে আমাৰ এইখন সমুখ আৰু মূকলি সংগ্ৰাম। যি সকলৰ গাত আন্দোলন পৰিচালনাৰ দায়ীত্ব থাকিব তেখেতে সকলে ৰাজহুৱা ভাৱে কাম কৰিব। ৰাইজে সভা সমিতি পাতি শোভাযাত্ৰা কৰি শান্তি সেনা সকলে পেৰেড ড্ৰিল আদি কৰি গৱৰ্ণমেণ্টে শান্তি সেনা বাহিনী যে আইনী কৰা আৰু ১৪৪ ধাৰা আৰি কৰি ৰাজহুৱা মত প্ৰকাশ বন্ধ কৰিবলৈ যত্ন কৰা কাৰ্য্যৰ উচিত প্ৰত্যুত্তৰ দিব লাগে।

৪। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নিৰ্দেশমতে সদায় চলিবলৈ বদ্ধ কৰা উচিত আৰু তাৰ বিৰুদ্ধে বা বিপক্ষে কেতিয়াও যাব নেলাগে।

শ্ৰীদেৱকান্ত বৰুৱা
১৩/৯/৪২ সম্পাদক, অসম প্ৰাদেশিক কংগ্ৰেছ কমিটী

কলিয়াবৰ শাখা কংগ্ৰেছ কমিটিৰ পৰিচালক সকলৰ লিষ্ট

শ্ৰীযুত সকল ৰজনীকান্ত গোস্বামী, লীলাকান্ত বৰা, এম, এ, বি, এল, ভূমিধৰ মুদৈ, তৃষ্ণাকান্ত মহন্ত, বাপাৰাম হাজৰিকা, গোলোক চন্দ্ৰ বৰঠাকুৰ, পদ্মকান্ত হাজৰিকা, অনুৰাম শইকীয়া, গুণাৰাম বৰা, গোলোপ চন্দ্ৰ বৰুৱা, নগেন্দ্ৰনাথ খাউণ্ড আৰু সোমেশ্বৰ বৰা।"

এই নিৰ্দ্দেশ পোৱাৰ লগে লগেই শ্ৰীৰজনীকান্ত গোস্বামী সভাপতি দেৱে পৰিচালকৰ ভাৰ লয়। কেন্দ্ৰীয় কংগ্ৰেছ কমিটি বহি এই কমিটিখনকে পৰামৰ্শদাতা কমিটি হিচাপে নামাকৰণ কৰে। পিছে শ্ৰীবৰুৱাদেৱে দিয়া লিষ্টি মতে কলিয়াবৰত এজনৰ পিছত ইজনক পৰিচালক নিযুক্তি দিয়া নহ'ল। নাম নথকা শ্ৰীভূজেন্দ্ৰ নাথ বৰুৱাদেৱেকো এসময়ত কলিয়াবৰত পৰিচালক পতা হৈছিল। কলিযাবৰ কংগ্ৰেছৰ শেষৰ জন পৰিচালক আছিল হাটৰৰ প্ৰাথমিকৰ (দাঁতকটা) শ্ৰীভোগেশ্বৰ বৰাদেৱ।

যি কি নহওক চেষ্টেম্বৰৰ শেষৰ ফালে কেন্দ্ৰীয় কংগ্ৰেছৰ সভা পুনৰ বহি পৰমাৰ্শদাতা কমিটিখন পুনৰগঠন কৰা হ'ল- সেই মৰ্ম্মে

"১।	শ্ৰীৰজনীকান্ত গোস্বামী	পৰিচালক	(ডলাগুৰি)
২।	শ্ৰীবাপাৰাম হজৰিকা	সদস্য	(শান্তিপুৰ)
৩।	শ্ৰীৰমাকান্ত বৰা	সম্পাদক	(গাৰিকুৰি)
৪।	শ্ৰীগুণাৰাম বৰা	সদস্য	(হাটৰৰ, দাঁতকটা)
৫।	শ্ৰীগোলোক চন্দ্ৰ বৰঠাকুৰ	সদস্য	(আৱেগাহি চুক)
৬।	শ্ৰীগোলাপ চন্দ্ৰ বৰুৱা	সদস্য	(বৰুৱাচুক)
৭।	শ্ৰীনগেন্দ্ৰ নাথ খাওন্দ	সদস্য	(বৰভকতি)

ইয়াৰ উপৰিও আৰু দুজনক নিমন্ত্ৰিত সদস্য হিচাপে মনোনিত কৰা হ'ল। তেওঁলোক হ'ল শ্ৰীলক্ষ্মীকান্ত গোস্বামী আৰু শ্ৰীবতিন্দ্ৰ নাথ বেনাৰ্জ্জি।

সকলো বিষয়তে ওপৰোক্ত পৰামৰ্শ কমিটিয়ে আলোচনা কৰি সিদ্ধান্ত ল'ব আৰু ব্যৱস্থা ল'ব।"

ছাত্ৰ প্ৰতিনিধি

১১/৯/৪২ তাৰিখৰ কলিয়াবৰ কংগ্ৰেছ কমিটিৰ প্ৰস্তাৱ মতে ছাত্ৰ সকলৰ ফালৰ পৰা এজন প্ৰতিনিধি দিবলৈ অনুৰোধ জনাই চিঠি দিয়াৰ আগতেও কলিয়াবৰ ছাত্ৰ সন্মিলনে আনুষ্ঠানিকভাবে নহ'লেও কংগ্ৰেছৰ সকলো কাৰ্য্যসূচীতে অংশ গ্ৰহণ কৰি আহিছে। প্ৰস্তাৱ যোগে অনুৰোধ জনাই দিয়া চিঠিৰ উত্তৰত ১৮/৯/৪২ তাৰিখে ছাত্ৰ সন্মিলনৰ সম্পাদক শ্ৰীনৰেন্দ্ৰ নাথ হাজৰিকাই দিয়া চিঠিখন তলত তুলি দিয়া হ'ল-

"কলিয়াবৰ কেন্দ্রিয় কংগ্রেছ কমিটিৰ

মাননীয় সভাপতি মহোদয়ৰ সমিপেষু- তাং ১৮/৯/৪২

মহাশয়,

আপোনালোকৰ কার্য্যকৰি কমিটিৰ ১১/৯/৪২ তাৰিখৰ সভাত গৃহিত হোৱা ৮ ম প্রস্তাব পাই আমি বৰ সুখি হৈছোঁ।

কার্য্যকৰি কমিটিত এজন ছাত্র প্রতিনিধি থকাটো সম্পূর্ণ যুক্তিযুক্ত। আপোনালোকলৈ অহা বুলেটিন আদি আমি তেওঁৰ জৰিয়তে সহজে আৰু সোনকালে পাব পাৰোঁ। লগে লগে বহুতো কথা জানিব আৰু শুনিবৰ সুবিধা ঘটে।

অৱশ্যে তাৰ কিছুদিনৰ পাচতেই আমি শুনিবলৈ পাইছোঁ যে আপোনালোকৰ সেই সভা Dectatorial কৰিছে। সিয়োটো আৱশ্যে সুখৰে কথা। যোৱকৰোঁ ছাত্র সকলৰ কাণলৈ পৰা আপোনালোকে তাত কোনো মেম্বৰ অর্থাৎ (Dictator) ভর্ত্তি কৰা নাই। আপোনালোকে তাৰি চিন্তি একেবাৰে শেষত এজন বাৰিষ পাৰে। শেষত প্রত্যেক খন বুলেটিনৰে যাতে আমি একো কপি পাওঁ তাৰ বাবে অনুৰোধ কৰিলোঁ। ইতি

এই চিঠিৰ উত্তৰ ছাত্র সম্মিলনে পালে। তাৰো নকল তলত তুলি দিয়া হ'ল।

"কলিয়াবৰ কেন্দ্রীয় কংগ্রেছ কমিটি অফিচ

ছেক্রেটাৰি, কলিয়াবৰ ছাত্র সম্মিলন।

মহাশয়,

আপোনাৰ ১৮/৯/৪২ তাৰিখৰ চিঠি পাই ধন্যবাদ জনোৱা হ'ল। কলিয়াবৰ কংগ্রেছৰ নিয়ম অনুসৰি কার্য্যকৰী কমিটিৰ ঠাইত পৰামর্শ কমিটি গঠন কৰা হৈছে। ২৭/৯/৪২ তাৰে উক্ত সভাৰ সর্ব্বসম্মতিক্রমে আপোনাক আপোনালোকৰ সম্মিলনৰ পৰা এজন প্রতিনিধি দি আমাৰ লগত সম্পূর্ণ সহযোগ দিবলৈ ইয়াৰ দ্বাৰা অনুৰোধ জনোৱা হ'ল। ইতি-

৩০/৯/৪২ পৰিচালক

কলিয়াবৰ কেন্দ্রীয় কংগ্রেছ কমিটি।"

এই চিঠি পোৱাৰ লগে লগে ছাত্র সম্মিলনৰ সভা বহি সর্ব্বসম্মতিক্রমে শ্রীনৰেন্দ্রনাথ হাজৰিকা দেৱকে ছাত্র প্রতিনিধি হিচাপে পৰামর্শ কমিটিলৈ মনোনিত কৰা হ'ল।

ইতিমধ্যে কলিয়াবৰ ছাত্র সকলে শোভাযাত্রা কৰি ১৪৪ ধাৰা ভঙ্গ কৰাৰ কথা আগতেই কোৱা হৈছে। স্কুল ত্যাগ কৰি নাহিলেও এখনৰ পিছত সিখন বুলেটিন গোহাৰি বা নির্দ্দেশাবলী পঢ়ি পঢ়ি ছাত্র সকল উত্তাৰল হৈ থাকে আৰু এটা মাত্র আহ্বানতেই শ্রেণী বর্জ্জন কৰি স্কুলৰ পৰা ওলাই আহিবলৈ কুণ্ঠাবোধ নকৰিছিল।

কলিয়াবৰত কোনো শ্বহীদ নহ'ল

পুলিহ মিলিটাৰীৰ দ্বাৰা চৰকাৰৰ অত্যাচাৰ যিমানেই বাঢ়িছে সিমানেই মানুহৰ মাজত উদ্যম আৰু উত্তেজনা জগাই তুলিবলৈ বিদেশী শাসনৰ বিপক্ষে এখনৰ পিছত আন এখনকৈ বুলেটিন গোহাৰি আদি লিখি প্ৰচাৰ কৰা হৈছিল।

কলিয়াবৰ কংগ্ৰেছ কমিটিৰ ৭ নং বুলেটিনত লিখা কথাখিনি আছিল এয়া -

"বাইজ আৰু শান্তি সেনা দল,

মহাত্মা গান্ধীয়েই কৈছে- ভাৰতবৰ্ষখন এখন বিৰাট জেলখানা। ৪০ কোটি তাৰ বন্দী। আজি কংগ্ৰেছ অফিচ, শান্তি সেনা থকা ঘৰ পুলিহে দখল কৰি (জোৰ কৰি) জাতীয় পতাকাখন অৱমাননা কৰি দুই চাৰিখন কাগজ কাঢ়ি নি, ভাতৰ চকটো গোৰ মাৰি ভাঙি চৰকাৰৰ বিৰাট ক্ষমতাৰ পৰিচয় দিছে। তাকো কৰা হৈছে আমাৰ দেশবাসী আমাৰ গঞা দাৰোগা পুলিহ চৰকাৰী চাকৰিয়ালৰ হতুৱাই। এই বুলি ক'বলৈ আজিও সাহ হোৱা নাই যে আমাৰ ওপৰত সিবিলাকৰ অত্যাচাৰ কৰি ভাল লগা নাই। ঘৰ ভাঙি উলিয়াই দিলে মুকলিতে বহি আপোনালোকে কাম কৰিব। মুকলিত ভাত ৰান্ধি খাব। খাবলৈ নিদি চক হাড়ি দলিয়াই পেলায় যদি তাতে লঘোণে পৰি থাকিবলৈ মহাত্মাৰ নিৰ্দেশ। সেইদৰেই আপোনাৰ মনৰ বলৰ পৰিচয় দিব। আপোনাৰ জন্ম স্বত্বৰ দাবী কৰিব। নিজৰ ককাই-ভাই বন্ধু-বান্ধৱ গঞা দেশবাসীৰ ওপৰত স্বেচ্ছায় উৎপীড়ন কৰি এই কৰ্ম্মচাৰী সকল পৰিশ্ৰান্ত হৈ আপোনাৰ লগত যোগ দি এক মুখে ক'ব- বন্দেমাতৰম্। ধৈর্য্যই শক্তি, ধৈর্য্যই (কুটিলে) জয়ৰ সূচনা।"

এই ধৰণৰ লিখনিবোৰ যেতিয়া পায় গাঁৱৰ মানুহে সকলো একেলগ হৈ এজনৰ হতুৱাই পঢ়োৱাই শুনে, নিজৰ ভিতৰতে আলোচনা কৰে আৰু মহাত্মা গান্ধীৰ নামত সকলো অত্যাচাৰ সহ্য কৰিবলৈ সংকল্প লয়। কলিযাবৰৰ আন্দোলন শান্তিপূৰ্ণ অহিংস হৈ থাকিল সেই কাৰণেই।

ইহাতেদি কিছুমান গোপন আৰু উত্তেজনা পূৰ্ণ জাননী নিৰ্দ্দেশ আদিও আহি আছিল- বিশেষকৈ মৃত্যু বাহিনীৰ ওচৰলৈ। তাত লিখা হৈছিল অসমৰ বহু ঠাইত আন্দোলনে উগ্ৰমূৰ্ত্তি ধাৰণ কৰিছে, নগাঁৱৰ কোনো কোনো ঠাইত আন্দোলন বিৰোধীক উগ্ৰ শাস্তি দিয়া হৈছে, বন্দুক বান্ধদ চুৰি কৰা হৈছে।

অৱশ্যে এইটোও ঠিক যে অধিকল চীল মোহৰ মাৰি এনে কিছুমান অসত্য কথাৰ অৱতাৰণা কৰি কোনোবা অপশক্তিয়ে মুকলি ভাবেই এনে ধৰণৰ নিৰ্দ্দেশ দিছিল যাতে হিংসাৰূপ ধাৰণ কৰাই দমন নীতিৰে আন্দোলনটো মৰিমূৰ কৰিব বা কৰাব পাৰে। কিন্তু কলিয়াবৰৰ সকলোৱেই এই মুকলিকৈ অহা আৰু হিংসাৰ পথ ল'বলৈ দিয়া জাননী নিৰ্দ্দেশবোৰ চালি জাৰি চাইহে গ্ৰহণ কৰা নকৰাটো ঠিক কৰিছিল। আচল সত্য নিৰ্দ্দেশবোৰত পোনে পোনে কিবা এটা কৰিবলৈ কেতিয়াও লিখি দিয়া নাছিল। গতিকে আচল আৰু নকল বোৰ সহজে ধৰা পৰিছিল।

ইতিমধ্যে নগাওঁ জিলা কংগ্ৰেছ কমিটিয়ে লিখিতভাৱে কলিয়াবৰ কংগ্ৰেছৰ আন্দোলন পৰিচালনাত সহায় কৰিবলৈ শ্ৰীলীলাকান্ত বৰাদেৱক পঠিওৱাৰ কথা আগতেই উল্লেখ কৰা হৈছে। শ্ৰীবৰাদেৱ হাড়ে হিমজুয়ে গান্ধীবাদী ব্যক্তি। আন্দোলনটো যাতে সকলো সময়তে অহিংস হৈ থাকে তাৰ বাবে যথেষ্ট চেষ্টা কৰিব লগা হৈছিল। শ্ৰীলীলাকান্ত বৰাৰ চেষ্টাত কলিয়াবৰৰ শান্তি সেনা, মৃত্য বাহিনীয়ে অহিংস ভাৱেই নিৰ্ভয়ে কাম কৰি গ'ল- সকলো সময়তে নিজৰ গা বচাই। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো হ'ল। তাতো প্ৰত্যক্ষভাৱে কাকো আঘাত কৰা নহ'ল।

আন্দোলনৰ শেষত সকলোৱেই স্বীকাৰ কৰিলে যে- কলিয়াবৰৰ আন্দোলন অসমৰ ভিতৰতে দীৰ্ঘস্থায়ী হোৱাৰ আচল কাৰণ আছিল অহিংস আৰু শান্তিপূৰ্ণভাৱে আন্দোলন চলোৱা। প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে এই কাৰণে কলিয়াবৰীয়া বাইজৰ শলাগ লৈছিল। জেলৰ পৰা ওলাই আহি শ্ৰীমতিৰাম বৰাদেৱে কলিয়াবৰীয়া শান্তিসেনা মৃত্যু বাহিনীক ধন্যবাদ জনাই কৈছিল- 'কলিয়াবৰীয়াই টোপ খায় কিন্তু চিতিকাত ভৰি নিদিয়ে'। সেই সময়ত শ্ৰীলীলা বৰাক বহুতে এই এটা মাত্ৰ কাৰণতে বেয়াও পাইছিল। অকল কলিযাবৰতে নহয় ওপৰৰ পৰাও লীলা বৰাক সমালোচনা কৰিছিল। 'অদম্য শক্তি আৰু উদ্যম থকা কলিযাবৰীয়া সকলে লীলা বৰাৰ পৰাই বহুত কৰিব পৰা কামৰ পৰা বিৰত থাকিব লাগে।' বহুতৰ মুখে মুখে এই কথা। যিবোৰ কুটাঘাতমূলক কাম কৰা হৈছিল শ্ৰীবৰাদেৱে যাতে জানিব নোৱাৰে তাৰ বাবে অতি সতৰ্কতা অৱলম্বন কৰা হৈছিল।

কলিযাবৰত কোনো শ্বহীদ নহ'ল হিংসাশ্ৰযী নোহোৱাৰ কাৰণেই আৰু সমুখ সমৰত অত্যাচাৰ সহ্য কৰি অহিংস হৈ থকাৰ কাৰণেই। এনেকুৱা অসংখ্য পৰিবেশৰ সৃষ্টি হৈছিল য'ত এটা মাটিৰ চপৰাও যদি পুলিছ মিলিটাৰীৰ ওপৰত পৰিলহেতেন নিৰ্ম্মম অত্যাচাৰীইঁতে গুলিযাই দিলেহেতেন। এজন নহয়, দুজন নহয়, হযতো পূবথৰীয়া, ধনেখোৱা, ধৰমপুৰ, গৰৈমাৰী, সৰুভগীযা, কুঠৰী, শালনা-আমলখি বজাৰ, গাৰিকুৰি, সোণাৰিগাওঁ শিলঘাট আৰু বিশেষকৈ চতিযাল শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত, প্ৰতি ঠাইতেই কমেও ছয সাতজনকৈ মানুহ গুলিৰ আঘাতত মৰিলেহেঁতেন। অত্যুৎসাহী, উগ্ৰবাদী দুই একে নিজৰ উদ্যম-উত্তেজনা চেপি ৰাখিব লগা হোৱাত শ্ৰীলীলাকান্ত বৰাক 'নপুংসক' বুলি কৈছিল। কিন্তু তেওঁলোকেও সৰ্ব্বশেষত দ্বিধাহীন ভাৱে স্বীকাৰ কৰিছিল লীলা বৰাহে শুদ্ধ আছিল। অযথা তেজ দিয়া বা লোৱা দুয়োটাৰ পৰাই কলিয়াবৰীযা আঁতৰি থাকিল।

কলিয়াবৰৰ ক'তো গুলি চলা নাছিল। এঠাই মানত গুলি চলা হ'লেও হয়তো পিছৰ কাৰ্য্যসূচীত আন্দোলনৰ পৰা সকলো মানুহ আঁতৰি গ'লহেতেন। আন বহুত ঠাইৰ দৰেই কলিয়াবৰতো আন্দোলন শেষ হ'লহেতেন।

১৮/৯/৪২ তাৰিখে নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সম্পাদকে কলিযাবৰ শাখা কংগ্ৰেছৰ সভাপতিলৈ অন্য কথাৰ ভিতৰতে লিখিছিল এইবুলি " আন্দোলন খুব নিয়াৰিকৈ চলাই নিব যাতে সেমেকি নাযায়। বৰ্ত্তমান কলিয়াবৰৰ আন্দোলন ভালেই হৈছে। কিন্তু গুলি গোলাৰ ওপৰত

কিমান পৰ ভিত্তি থাকে ক'ব নোৱাৰি। নগাৰৰ আন্দোলন সম্পূৰ্ণ নিৰ্ভৰ কৰিছে আপোনাৰ কলিয়াবৰ ওপৰত। ওপৰৰ পৰা আমি আৰু নিৰ্দেশ পাইছোঁ- সোনকালেই সেইখিনি পাৰলৈ আৰু সেই মতেই অহিংসে আৰু দৃঢ়ভাবে কাম কৰিব লাগিব। "

২৬/৮/৪২ তাৰিখে বেৰেজিয়াত হোৱা গুলি চালনাৰ পিছত সমগ্ৰ নগাওঁ জিলা জ্বলি উঠিল। হিংসাৰ দাবানল উদ্‌গীৰণ হ'ল মনৰ ভিতৰত। কিন্তু তাৰ মাজতে ৰচনা কৰা হ'ল গীত। বাৰপূজীয়াৰ গীত বুলি কলিয়াবৰত গোৱা গীতটো তুলি দিয়া হ'ল-

অ' ভাৰতবাসী দুখৰে বাতৰি
শুনিয়ো নেপাত কাণ
সহন নযায় আজি স্নেহ বজাৰ
অত্যাচাৰৰ বাণ
নাহিবি নাহিবি ভদীয়া ধলৰে টো
শিঙাৰে সৃষ্টি গাৱঁৰে সহাৰি
পৰিয়াল সাজেৰে সৌ
নাহিবি ভদীয়া টো
অভ ডেকা বুঢ়া ধৰি
মাৰি কিলাই বন্দী কৰি
জেলখানাত ৰাখিছে ভৰাই
গাৰ্দে পঠাই মিলিটাৰী
ধন বস্তু লুট কৰি
যি আছিল বাকচ ভৰাই
নিয়ে সমুদায়
আৰু আজি সহন নযায় ।
অ' ভাৰতবাসী আজি আৰু সহন নযায়।
পদুলি পদুলি বন্দুকৰে গুলি
মাৰে ধুমে ধামে হায়
কাকো ধৰি মাৰে জীয় ৰাজ কৰে
জাকে জাকে ধৰি যায়
আজি আৰু সহন নযায় ।
অ' ভাৰতবাসী

(গীতটি ভিএৰাৰি চুকৰ শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞাদেৱৰ মুখত শুনি লিখা হৈছে।)

কলিয়াবৰত প্ৰতিদিনেই এঠাইত নহয় এঠাইত শোভাযাত্ৰা উলিয়াই শান্তি সেনা সকলে ৰাইজৰ মনত উৎসাহ জগাই ১৪৪ ধাৰা অমান্য কৰাৰ প্ৰদৰ্শন কৰি থকা হ'ল।

ইহাতেদি বজাৰ বন্ধকে আদি কৰি মদৰ দোকান কানিৰ দোকানত পিকেটিং কৰা কাৰ্য্যও চলি থাকিল। মদৰ দোকানত পিকেটিং কৰোঁতে কে'বা দিনো পুলিহ মিলিটাৰীৰ সম্মুখীন হ'ব লগা হৈছিল। গ'তা ভুকু খাব লগা হৈছিল। কানি বেপাৰী, মদগীয়ে ফেপেৰি পাতি ধৰিছিল। তেওঁলোকক বুজোৱা হৈছিল।

কুঠৰী প্ৰাথমিকৰ সভাপতি শ্ৰীলক্ষীকান্ত শইকীয়া এগৰাকী গান্ধীবাদী আৰু অতি

পৰিশ্ৰমী মানুহ। প্ৰতি সপ্তাহতে বজাৰ বন্ধ কৰা আৰু সভা অনুষ্ঠিত কৰা নিয়মীয়া কাম আছিল। লগতে প্ৰত্যেক ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰিছিল। সৰুভগীয়া প্ৰাথমিকৰ শ্ৰীৰবিন্দ্ৰ নাথ কোনৰ্জিক (তেখেতক ফুজু ঠাকুৰ বুলিহে সৰ্বসাধাৰণ মানুহে জানিছিল) পূৰ কলিয়াবৰৰ প্ৰাথমিক সমূহৰ ভিতৰত সমন্বয় ৰাখি যোগাযোগ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল। চিঠিৰ দ্বাৰাই ঘৰুৱা ভাৱেও বহুক্ষেত্ৰত কৰ্ম্ম আঁচনি কৰা হৈছিল।

১৭/৯/৪২ তাৰিখে কুঠৰী প্ৰাথমিকৰ সভাপতি শ্ৰীশইকীয়াই শ্ৰীকোনাৰ্জিলৈ লিখিছিল (তুলি দিয়া হ'ল)

"মমমৰ কোনৰ্জি,

আপোনাৰ চিঠি কালি পালো। কানি কাপোৰ কালিয়েই পঠাইছো। মোকো কালি (১৬/৯/৪২) বাতিপুৱা এৰেষ্ট কৰিছিল, পিছে মৌজাদাৰৰ তৰ্ক যুদ্ধত যেনিবা কেইদিন মানলৈ সাৰিছো হ'বলা। ফিক নাই নজনত পৰিছো, মই গ'লে ইয়াত কাম চলোৱা মানুহ নাথাকিব। যা হওক দেশ সেৱা কৰাত প্ৰাণ গ'লেও পিছ নপৰো।

আপোনালোকৰ সেইফালৰ পৰা যাতে গাড়ি আহিব নোৱাৰে তাৰ বাবে যত্ন কৰিব, ৰাস্তাপাহৰৰ মেনেজাৰৰ লগত পৰামৰ্শ হ'ব। আৰু সকলো অহিংস ভাৱে কাম চলাব। বাতি যাতে কোনো ভলণ্টিয়াৰে ৰাস্তাত নাথাকে কাৰণ পেট্ৰল ডিউটিত খুব মুবিছে পালেই ধৰি নিব। আমাৰ কাম যথেষ্ট আছে এনেয়ে ধৰা দিয়া উচিত নহয় যেন ভাবো।

ইয়াৰ কাম যথেষ্ট হৈছে, মোৰ মুৰত কামৰ ভাৰ পৰিছে। মেকৰল, চাহাৰৰ মুৰ মুৰ,এ যদিহে এই সোমবাৰে হাটবজাৰ বন্ধ ৰাখিব পাৰোহেঁক। সেইফালৰ গাড়ি নাহিলে এইকালে গাড়ি নাই। মোৰ চিঠিবিলাক পালেই ফালি পেলাব। বাকি নথ'ব। নাম নিদিও বুজি ল'ব। আপোনালোকেও নিদিব। ভাল চাওঁ "

(মৌজাদাৰ আছিল নগাৰঁৰ শিল্পীপ্ৰাণ বিখ্যাত অভিনেতা শ্ৰীচন্দ্ৰফুকন ডাঙৰীয়া)

শ্ৰীকোনাৰ্জিয়ে চিঠিখন নেফালিলে। সৰুভগীয়া প্ৰাথমিকৰ যোগে ১৯/৯/৪২ তাৰিখে কেন্দ্ৰলৈ পঠিয়ালে। এনেকুৱা বহুত চিঠি বা অন্য কাগজ পোৱাৰ পিছতে ফালি পেলোৱা হৈছিল ধৰা পৰাৰ ভয়ত। গতিকে বহুত কথাই লুকাই গ'ল। এনেবোৰ চিঠিত বহুত মানুহৰ চৰিত্ৰও সোমাই আছিল। প্ৰমাণৰ অভাৱত তেতিয়া জনা কথাবোৰ এতিয়া লিখিলে জৰাবদিহি হ'ব লাগিব।

স্থানীয় মনোমালিন্য

ইযাৰ ভিতৰতে কলিয়াবৰৰ কে'বা ঠাইতো স্থানীয় কৰ্ম্মীসকলৰ মাজত মনোমালিন্য ঘটাৰ ফলত তিক্ততাৰ সৃষ্টি হৈছিল। সোণাৰি গাওঁ প্ৰাথমিকৰ সক্ৰিয় কৰ্ম্মী শ্ৰীপদ্মচৰণ হাজৰিকাদেৱৰ ওপৰত দোষ জাপি দি সেই প্ৰাথমিকৰ নায়ক (তেতিয়া প্ৰাথমিক পৰিচালকৰ দায়িত্বও আছিল) শ্ৰীঘনকান্ত শৰ্ম্মা ঠাকুৰে ১২/৯/৪২ তাৰিখে জাননী জাৰি কৰিলে (তুলি দিয়া হ'ল)-

"ৰাইজক জনোৱা হ'ল যে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নিৰ্দেশ মতে শ্ৰীযুত পদ্মচৰণ হাজৰিকাক

বাদ দিয়া হ'ল। তেওঁৰ লগত মাতবোল ও গন্ধ গাই বখা, ওলোৱা সোমোৱা আদি একেবাৰে বন্ধ। ইয়ান বি অন্যথা কৰিব তেওঁলো শাস্তি বিধান কৰা হ'ব। ১২/৯/৪২ "

এই লৈ সোণাৰি গাঁৱত তৰ্কাতৰ্কি- মত বিৰোধ আৰম্ভ হ'ল। শ্ৰীপদ্মচৰণ হাজৰিকাদেৱে জাননীখন গাঁথি দি অনতি পলমে ইয়াৰ সত্যাসত্য প্ৰমাণ কৰিবলৈ প্ৰাৰ্থনা জনাই ১৭/৯/৪২ তাৰিখে কলিয়াবৰ শাখা কংগ্ৰেছৰ পৰিচালকলৈ আবেদন কৰিলে।

বিষয়টো গৈ গৈ জিলা কংগ্ৰেছৰ অতিৰিক্ত অধিনায়কৰ ওচৰ পালেগৈ। তেখেতে বিচাৰ কৰি কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ জড়িয়তে সোণাৰি গাওঁ প্ৰাঃ কং ৰ সভাপতি শ্ৰীমিনাৰাম হাজৰিকাদেৱলৈ লিখিলে-

"আপোনাৰ প্ৰাথমিকত পৰিচালকৰ কাম কৰা শ্ৰীযুত ঘনকান্ত শৰ্ম্মা ঠাকুৰে সেই গাঁৱৰে ডেকা কৰ্ম্মি শ্ৰীযুত পদ্ম চৰণ হাজৰিকাৰ ওপৰত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নামত যি শাস্তি দিছে সি একেবাৰে অমূলক। এনেদৰে ৰ'তে ত'তে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ নাম ব্যৱহাৰ কৰি নিখিল ভাৰতীয় কংগ্ৰেছৰ নামত কলঙ্ক সানিছে আৰু তাৰ বাবে তেওঁ দায়ী। ইয়াৰ কৈফিয়ৎ এই কাগজ পোৱাৰ ৩ দিনৰ ভিতৰত তেওঁ নগাওঁ অফিচত দিব লাগে। তাৰ অন্যথা কংগ্ৰেছৰ নীতি, তেওঁৰ শাস্তি বিধান কৰা হ'ব।

শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী
Addl DOC
20/9/42"

শ্ৰীঘনকান্ত শৰ্ম্মা ঠাকুৰে ২১/৯/৪২ তাৰিখেই উত্তৰত জনালে -

"মহামহিম শ্ৰীযুত কলিয়াবৰ শাখাৰ সভাপতি মহোদয়ৰ সমিপেষু-

বৰ্ত্তমান শ্ৰীযুত পদ্ম চৰণ হাজৰিকাৰ জি কৈফিয়ত তলৰ কবিছে সেই কৈফিয়েতৰ যেবাৰ এই যে শ্ৰীযুত সম্পাদক ডাঙৰিয়াই দিস্তিকৰ পৰা আহি দুই তিনিজন মানুহৰ সাক্ষাতে কোৱাত মই নতিচ জাবি কৰিছিলো। প্ৰকৃত পক্ষে ডিষ্টিকৰ সম্পাদকে মৌখিক কৰি কোৱা কথাকে বিশ্বাস কৰি নতিচ দিয়াতো মোৰ পক্ষে ভুল। ভাবি-চিন্তি কাম কৰা ভাল, গতিকে নিজে নিজে ভুল চিকাৰ কৰিছো, দোষ যেন মাৰ্জনা কৰে। ভবিষ্যতে এনে দোষ পালে জি শাস্তি দিয়ে তাক ল'বলৈ বাধ্য থাকিলো। ইতি। ২১/৯/৪২

শ্ৰীঠাকুৰে ক্ষমা খোজাৰ পিছত বিষয়টো সমাপ্ত হ'ল বুলি ধৰা হ'ল। সকলোৱে মিলিজুলি কাম কৰাত ধৰিলে যদিও বিৰক্তিৰ ভাব বহুদিনলৈ থাকি গ'ল। এই কথাবোৰ গোটেই কলিয়াবৰতে প্ৰচাৰ হ'ল। সকলোৱেই ভাবি চিন্তি কাম কৰাৰ বাবে সকীয়াই দিয়া হ'ল।

(শ্ৰীপদ্মচৰণ হাজৰিকাৰ ঘৰৰ সমুখত সোণাৰি গাৱঁৰ একাংশে ডেকা কৰ্ম্মীয়ে কাষী গছ কাটি আনি জেং বান্ধি ঘৰৰ পৰা ওলাব সোমাব নোৱাৰা কৰিছিল। যি কাৰণতেই নহওক শ্ৰীপদ্মচৰণৰ আচৰণত তেওঁলোক ক্ষুব্ধ হৈছিল। পিছত কলিয়াবৰ শাখা কংগ্ৰেছৰ নেতা সকল গৈছে 'নামঘৰত বাইজৰ মেলত তামোল পানৰ শৰাই দি ঘোষা মাতি সাষ্টাঙ্গে প্ৰণিপাত জনাই প্ৰাৰ্থনা কৰি ডেকা সকলক বুজাই বঢ়াই কাষী জেং বাটৰ পৰা আঁতৰোৱালে' - (সোমেশ্বৰ বৰা)।

পঞ্চমীৰ দিবস সংক্ৰান্তত

বেবেজিয়া বাৰপূজীয়া অঞ্চলৰ বাইজৰ ওপৰত ২৬/৮/৪২ তাৰিখে গুলি চলোৱাৰ সময়ত শ্ৰীতিলক ডেকাকে আদি কৰি চাৰিজনৰ খিতাতে মৃত্যু হ'ল। আৰু এজনৰ পিছত মৃত্যু হৈছিল। নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ পৰা গোহাৰি জনালে এই বুলি-

"বাইজলৈ জিলা কংগ্ৰেছ কমিটিৰ গোহাৰি

অহিংসে ভাৱে আইন অমান্য কৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামত নগাওঁ জিলাত 'ৰৱকলী' গুলি আঘাতত হত হোৱা পাঁচ গৰাকী ডেকাৰ আত্মাৰ সদ্‌গতিৰ অৰ্থে 'পঞ্চমীৰ দিবস'।

ইংৰাজি ১৬/৯/৪২ বুধবাৰে ভাদৰ সংক্ৰান্তিৰ আগদিনা 'পঞ্চমীৰ দিবস' বুলি ঘোষণা কৰা হৈছে আৰু তলত লিখা পদ্ধতিৰে উক্ত দিবস পালন কৰিবলৈ গোহাৰী জনাইছে।

১। গোটেই জিলাজুৰি হৰতাল পালন কৰিব। উকিল মহুৰি বেপাৰী কাৰবাৰী কুলি মজদুৰ চৰকাৰী বেচৰকাৰী আদি সকলো কৰ্ম্মচাৰীয়েই যেন উক্ত হৰতাল পালন কৰে।

২। গোটেই জিলা জুৰি সকলো ঠাইতে সকলো মানুহে জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে নিজ নিজ নামঘৰ মচজিদ গীৰ্জ্জাঘৰ আদিত নাম কীৰ্ত্তন বা প্ৰাৰ্থনা কৰিব।

৩। সঙ্গীন আৰু গুলিৰ আঘাতত আহত হোৱা সকলৰ আৰোগ্য কামনা কৰি প্ৰাৰ্থনা জনাব।

৪। স্বাধীনতা সংগ্ৰামত দেশবাসীৰ ওপৰত অত্যাচাৰ অবিচাৰ অন্যায় উৎপীড়ন সহিবৰ শক্তি প্ৰাৰ্থনা কৰিব।

৫। জয় কিম্বা মৃত্যু সংকল্প কৰি অচিৰে এই সংগ্ৰামৰ জয় প্ৰাৰ্থনা কৰিব।

বন্দে মাতৰম,

নগাওঁ জিলা কংগ্ৰেছ কমিটি।"

কলিয়াবৰৰ প্ৰতি প্ৰাথমিকলৈ এই গোহাৰিৰ নকল পঠোৱা হ'ল। প্ৰতিখন প্ৰাথমিকৰ ভিতৰৰ প্ৰতিটো নামঘৰতে নাম কীৰ্ত্তন কৰা হৈছিল। অন্য সকলো কাৰ্য্যসূচী শোভাযাত্ৰা, সভা, তিথি, নামকীৰ্ত্তন আদিত বাইজে দলে দলে অংশ গ্ৰহণ কৰিছিল। কুৱঁৰীটোল (বৰ্ত্তমান জয়ন্তীপুৰ) আৰু দলগাৰঁৰ মছজিদত প্ৰাৰ্থনা কৰা হ'ল। অৱশ্যে ইয়াৰ ব্যতিক্ৰমো হ'ল।

সেই সময়ত কলিয়াবৰৰ কোনো কোনো গাৰঁৰ মনোমালিন্য আৰু অভিযোগ প্ৰতি অভিযোগৰ বিচাৰ কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিয়ে কৰিব লগীয়া হৈছিল। আমাৰ হাতত থকা তেনেকুৱা কেইখনমান চিঠি তলত তুলি দিয়া হ'ল।

(১) "কলিয়াবৰ কেন্দ্ৰ কং কমিটিৰ অফিচলৈ

সভাপতি মহোদয়!

নিবেদন এই যে মাজে ২ কংগ্ৰেছ বিৰোধীতা কৰা কিছুমান বদমাচ প্ৰকৃতিৰ মানুহ ওলাই বাইজৰ মাজত ভয় খুৱাই কংগ্ৰেছৰ কামত ব্যাঘাট জন্মাইছে। মাজে ২ মই কমিটি কৰিবৰ কাৰণে যি সকল সহকৰ্ম্মী ঠিক কৰি লৈছিলো, তেওঁবিলাকক ভয় দেখুৱাই মোৰ মহিলা সভাত বহুত ব্যাঘাট জন্মোৱা প্ৰমাণ

স্বৰূপে ১৭/৯/৪২ তাৰিখে তেলীয়া গাঙৰ পৰা মহীলা বন্ধ কৰিছে। ওপৰ পূবফালীয়াটো কিছু ব্যাঘাট সেইদৰে জমিছে যদিও, কলেৰা হোৱাত বৰ টানি ধৰা নাই। কিন্তু তেলীয়া গাঙৰ কাৰণ কি বুজি, প্ৰতিকাৰ কৰিব বুলি মহোদয়ক জনোৱা হ'ল। ভিএলাৰীটো এই ব্যাধী আছে। ইতি-

আজ্ঞাধীনা

২১/৯/৪২ স্বাঃ শ্ৰীমাধবীলতা বৰুৱা

সম্পাদিকা, মহিলা সভা।"

ওপৰোক্ত মহিলা সভাৰ সম্পাদিকা শ্ৰীমতী মাধবীলতা বৰুৱাৰ চিঠিখনৰ বিষয় বস্তু কিমান গুৰুত্বপূৰ্ণ আছিল সেই কথা প্ৰতিপন্ন কৰে ঠিক তেনেকুৱা আৰু বেচি গুৰুত্বপূৰ্ণ এখন আবেদন আৰু এখন প্ৰতিবেদনে। আবেদনখন আছিল ব্যক্তিগত ভাৱে লিখা কিন্তু ই আছিল ৰাজহুৱা স্বাৰ্থ জড়িতহে। এইখন আছিল তেলিয়াগাওঁ প্ৰাথমিকৰ এগৰাকী বৃদ্ধৰ আৰু প্ৰতিবেদনখন আছিল সেই বিষয়ৰ ওপৰতে সেই প্ৰাথমিকৰ সভাপতিৰ। দুয়োখনেই সেই সময়ত কলিয়াবৰৰ অতি সীমিত সংখ্যক হ'লেও কোনো কোনো গাঁৱত অবাঞ্ছিত ভাৱে হোৱা পৰিস্থিতিৰ এক নিদৰ্শন মাথো।

এতিয়ালৈকে যিমানবোৰ চিঠি পত্ৰ, বুলেটিন, গোহাৰি বা নিৰ্দেশৰ সম্পূৰ্ণ বা কিছু অংশ তুলি দিয়া হ'ল বা আগলৈকো যিবোৰ চিঠি নথি পত্ৰৰ উদ্ধৃতি বা সম্পূৰ্ণ তুলি দিয়া হ'ব এই সকলো 'ঐতিহাসিক দলিল'। এইবোৰে সেই সময়ৰ একো একোটা ঘটনাৰ বৰ্ণনা দিয়ে।

২। তেলিয়া গাঁৱৰ ঘটনা সংক্ৰান্তত সেই গাঁৱৰে শ্ৰীযুত মইনা মহন্ত দেৱে কলিযাবৰ কংগ্ৰেছৰ সভাপতিলৈ লিখিছিল (তুলি দিয়া হ'ল)।

সভাপতি মহোদয়।

অধীনৰ বিনীত নিবেদন এই যে অধীনে আজি ১০/১২ বছৰ ধৰি কংগ্ৰেছৰ কাৰ্য্য কৰি আহিছো। বৰ্ত্তমান বছৰত অধীন পুত্ৰ শ্ৰীমান যজ্ঞেশ্বৰক আপোনালোকে বোধকৰো আপোনালোকৰ হুকুম মতে চলা পাইছে আৰু শ্ৰীমান কমল চন্দ্ৰ মহন্তক জিলা কংগ্ৰেছ কমিটিৰ কাৰ্য্য কৰি থাকোতেই গত ১২/৯/৪২ তাৰিখৰ দিনা গ্ৰেপ্তাৰ কৰি নিয়ে। অধীন বুঢ়া মানুহ, বেমাৰি শৰীৰ আৰু ঘৰত বাকী যি এজন ল'ৰা বাকী আছিল তেওঁক শ্ৰীমান জগতক বাইজৰ লগত সদায় সকলো কামতে চলাই আহিবলৈ পাইছে। অধীন পুত্ৰ শ্ৰীমান কমল চন্দ্ৰ মহন্ত, অগেনাইজাৰক গ্ৰেপ্তাৰ কৰা অৱস্থাত মাৰপিত কৰা বুলি শুনি বৰ বেজাৰ পাই আছো। বৰ্ত্তমান অধীনৰ ঘৰলৈ নাইকিয়া অৱস্থা। এনে হীন অৱস্থাটো অধীন সদায় কংগ্ৰেচৰ কামৰ বাহিৰে আনফালে ব্যক্তিগত কামত ব্যস্ত নহয়।

অধীনৰ এনে অৱস্থাত অধীন বাসকৰা গাঁৱৰ, তেলীয়া গাঁৱৰ পৰা আজি এখন নটীশ পাইছো (২ আহিন তাৰিখে) অধীনৰ গৰু মানুহ চলাচল আদি সম্পূৰ্ণ বন্ধ থাকিব। কাৰণ, কেন্দ্ৰ সভাৰ পৰা ১৬/৯/৪২ তাৰিখে পঞ্চবীৰ দিবস পালনাৰ্থে যি নিৰ্দ্দেশ জাৰি কৰিছিল, সেই নিৰ্দ্দেশ পালনৰ ১৫/৯/৪২ তাৰিখে ৰাতি এখন মিটিং বহী (নায়কৰ পৰা জানিব পাৰিছো) ১৬/৯/৪২ তাৰিখে পুৱা উষা কীৰ্ত্তন, দুপৰীয়া নাম কীৰ্ত্তন, আবেলী শোভাযাত্ৰা ও মিটিং কৰিবৰ কথা আছিল। কিন্তু বাইজে সেইদিনা প্ৰস্তাব কৰে যে আমাৰ গাঁৱৰ মানুহে (১) কোনো মিটিঙত যোগ দিব নোৱাৰে। (২) এই গাঁৱত ডাঙৰ কোনো মিটিং বহাব নোৱাৰে। (৩) আৰু আমাৰ এই গাঁৱৰ পৰা যি মহীলা নিৰ্ব্বাচন কৰি মহীলা সভাই লগত সহকৰ্ম্মী লৈছে সেই সকলক বন্ধ

কৰা হয়, তাৰ ফলত পাচদিনা কেন্দ্ৰ মহীলা সভাৰ সম্পাদিকাই উলিয়াই নিব নোৱাৰি নিস্ফল হয়। (ইয়াৰ পিছৰ চাৰিশাৰী আখৰ পঢ়িব নোৱাৰি উৰলি এৰাই গ'ল)।

(২য় পৃঃ)

উক্ত তেলীয়া গাওঁ (প্ৰাঃ কং কমিটিৰ) চাব কমিটিৰ মেম্বৰ শ্ৰীযুত ফনকান্ত শইকীয়াৰ নেতৃত্বত উক্ত কংগ্ৰেছ বিৰোধীতা প্ৰচাৰ বৰ্ত্তমানলৈকে খুব সুচাকৰাপে সম্পন্ন হৈছে। আৰু বৰ্ত্তমান এই গাওঁৰ সকলো নৰ নাৰী তেওঁৰ সম্পূৰ্ণ পক্ষপাতিত্ব হৈ গ'ল।

মোৰ পুত্ৰ শ্ৰীমান যজ্ঞেশ্বৰ মহন্ত, হেঃ পণ্ডিত তেওঁ কাম বিজাইন দিয়াৰ পৰাই খুব দবে কংগ্ৰেছৰ পক্ষপাতি কামত লাগি যোৱা বাবেও এক আক্ষেপ। এওঁলোক এনে প্ৰকৃতিৰ লোক। কেন্দ্ৰীয়ৰ পৰা দিয়া নিৰ্দ্দেশ এওঁলোকে কেতিয়াও নেমানে। ১৬/৯/৪২ তাৰিখে কৰিব লগীয়া কাৰ্য্যত কিমান ব্যাঘাট জন্মিছে যদি সঁচা কথা কয় তেনেহ'লে নায়কে ক'ব পাৰিব। মহীলা সভাৰ সভনেতৃয়েও কাৰ্য্য কিমান চলাইছে যদি কয় ক'ব পাৰিব। মোটতে মোৰ এনে অবস্থাত তেওঁলোকে এনে প্ৰতিবিধান লোৱাৰ কাৰণ বোৱত মই সন্তুষ্ট নহৈ মহোদয়ৰ বিচাৰাৰ্থে জনালো। এই গাঁৱৰ প্ৰকৃত কংগ্ৰেছ কৰ্ম্মী মিলি থকা বৰ কঠিন।

মই বা মোৰ ল'ৰা এটাই উপস্থিত নথকাত এই বিচাৰ কৰি মোক মাতবোল চলা ফিৰা বন্ধ কৰিছে। কিনা বিচাৰে প্ৰতিকাৰ কৰা উচিতনে?? অনুগ্ৰহ কৰি কেন্দ্ৰ সভাই এই কমিটিয়ে কিয় মহীলা সকলক বন্ধ কৰিলে, শোভাযাত্ৰা, মিটিং বন্ধ কৰিলে কৈফিয়ৎ লবনে? (ইয়াৰ পিছৰে দুশাৰীৰ আখৰ উৰলি এৰাই গ'ল)।

৩য় পৃঃ

১৫/৯/৪২ তাৰিখে তেলীয়া গাওঁ প্ৰাথমিক কংগ্ৰেছৰ পাচ কৰা প্ৰস্তাৱবোৰ লিখিত নহয়- কিন্তু সাৰমৰ্ম্মে তলত দিয়া হ'ল।

তাং ১৫/১/৪২ স্থান- নামঘৰ

উপস্থিত : নায়ক, শান্তি সেনা আৰু সভ্য সকল উপস্থিত আছিল। এই সভা শ্ৰীযুত ফনকান্ত শইকীয়াৰ নেতৃত্বত হয়।

১ম প্ৰস্তাৱ- আজিৰ সভাই স্থিৰ কৰে যে আজিৰ পৰা এই তেলীয়া গাৱত কোনো মিটিং বহীব নোৱাৰে আৰু কোনো নৰ-নাৰীয়ে (কংগ্ৰেছৰ) শোভাযাত্ৰা মিটিং আদিত যোগ দি কুকুৰ আৰু মেকুৰীৰ দৰে মৃত্যু হ'ব নোৱাৰিব।

ইয়াৰ পৰা প্ৰমাণ হয় যে- যি কেইজন দেশ প্ৰেমিকৰ মৃত্যু হ'ল তেওঁলোক কুকুৰ বা মেকুৰী। গতিকে ১৬/৯/৪২ তাৰিখে পঞ্চমীৰ দিবস বন্ধ হৈ গ'ল। আৰু কেন্দ্ৰ সভাৰ সম্পাদিকাই পাচদিনা চিলাবন্ধাত মিটিং কৰিবলৈ এগৰাকীও মহীলা নিব নোৱাৰিলে।

এইবোৰ ব্যাঘাট জন্মে বুলি তেওঁ শ্ৰীযুত ফনকান্ত শইকীয়াক বাদ দি এখন প্ৰাইভেদ মিটিং শ্ৰীনৰাম দাসৰ ঘৰত ১৫/৯/৪২ তাৰিখে ৰাতি নামঘৰৰ পাচত শান্তি সেনা ও নায়ক আৰু শ্ৰীমান যজ্ঞেশ্বৰ মহন্তৰে এখন মিটিং বহায়। এই মিটিঙতো তেওঁ গৈ উক্ত নিজ পথগামী শান্তি সেনা সকলক এইবোৰ উগ্ৰ হৈছে, এনেকাৰ্য্য মোৰ গাঁৱত হ'ব নোৱাৰিব বুলি জোৰ কৰি সভাখন ভাঙি দিয়ে। আৰু বৰ্ত্তমান এই গাওঁ এতিয়া নিৰুৎসাহী আৰু শ্ৰীযুত ফনকান্ত শইকীয়া সমৰ্থনকাৰী হৈ পৰিল। প্ৰমাণ লৈ সু-বিচাৰ কৰিব বুলি জনোৱা হ'ল। (ইয়াৰ পিছৰ খিনি কাগজখন ক'লা পৰি পঢিব নোৱাৰা হ'ল)।" (শ্ৰীমইনা মহন্তৰ আচল নাম শ্ৰীৰবিকান্ত মহন্ত)।

৩। বিষয়টো তদন্ত কৰি প্ৰাথমিকৰ সভাপতি শ্ৰীনোমল চন্দ্ৰ শইকীয়াৰ লিখিত জবানবন্দি লোৱা হ'ল।

"বন্দে মাতৰম।

মহামহিম শ্ৰীল শ্ৰীযুক্ত কলিয়াবৰ কেন্দ্ৰীয় কমিটিৰ পৰিচালক মহোদয়ৰ মহিমাৰ্ণবেষু-

নিকোন এই যে গত ২১/৯/৪২ তং বি পত্ৰ পোৱা হৈছিল সেই পত্ৰৰ খবৰ এই যে পক্ষকীয় নিবস পালনৰ আগনিনা আমাৰ প্ৰাথমিকৰ শ্ৰীযুত ঘনকান্ত শইকীয়া শিলঘাটলৈ গৈছিল। তাত দেখিলে ৰাষ্ট্ৰকুক, চিলাবন্ধা, চামধৰা ইত্যাদি গাৱৰ মানুহে দৈনীক বজাৰ কৰিছে। তাকে দেখি তাৰে দুই চাৰি মানুহৰ লগত কথাই কথাই সেই বজাৰ কৰাৰ উস্থাপত চলে। যে আমাৰ শান্তি সেনা সকলে নানান কষ্টভোগ কৰি মাৰ কিল খাই বজাৰ আদি বন্ধ কৰি ফুৰিছে। সেই কিলাক গাৱৰ মানুহে মাল বস্তু আনি মিলিটাৰী পুলিচক দি বহুত দামৰ আশাত দৈনীক বজাৰ এৰিব পৰা নাই। সেই কথাকে আহি আমাৰ গাৱৰ বাইজে ও শান্তি সেনা সকলে নামঘৰত নাম গাই থকা অৱস্থাত সকলো কথা কৈ দিলেহি। আৰু ক'লে যে যদি গোটেই কলিয়াবৰৰ শান্তি সেনা গোট খাই ক'ৰবালৈ গলেহে আমাৰো শান্তি সেনা পঠোৱা হ'ব। এই কথাকে কৈ তেওঁ ঘৰলৈ গুহি গ'ল।

পিছত উক্ত প্ৰাথমিকৰ নায়ক ও শান্তি সেনা সকলক গোটাই লৈ শ্ৰীযুত যজ্ঞেশ্বৰ মহন্তই অন্য মানুহ এষৰত গৈ নিশা নানান তৰহৰ মেল পাতে। সেই মেল পাতি থকা অৱস্থাত কয় যে তেলীয়া গাৱে কাঁলৈ ভয় কৰে, তেলীয়া গাওঁ সদায়েই যেই সেই কামত প্ৰথম। নামশৰণীয়া হওতে কাকো সুখি হোৱা নাই, হীত সাধিনী সভা পাতোতেও কাকো সুখি পটা নাই, গতিকে কংগ্ৰেছৰ কামতো সদায় প্ৰথম নহ'ব ল'লে মানুহে গতিত বাখিবনে? গতিকে আগে আগে কাম কৰি যাব লাগে।

সেই কথাকে উক্ত ঘনকান্তই বাহিৰৰ পৰা শুনি আহিল। কিন্তু তেওঁ যজ্ঞেশ্বৰ মহন্তই কোৱা কথাত অশান্তি লাগি সেই মেল নানান কথা কৈ ভাঙি দিয়ে- যজ্ঞেশ্বৰ মহন্ত কেনেকুৱা ধৰণৰ মানুহ আমাৰ গাঁৱৰ সকলো নৰ-নাৰীয়ে বুজি পায়। সেই দেখি তেওঁৰ মত বুজিব নোৱাৰি মিটিং ভাঙে।

সেই কথাতে লাজ পাই যজ্ঞেশ্বৰৰ আটকক শ্ৰীযুত ৰবিকান্ত মহন্তই এদিন দুজন মানুহ চমুৱা চুকত দি 'অ চি অহা মিটিংৰলৈ আহোতে বাটতে সেই মানুহ দুজনক সোধে- তোহোত ক'লৈ যাব। তেতিয়া সেই মানুহ দুজনে ক'লে আমি ফুৰিবলৈ যাওঁ। সেই বুলি কোৱাত তেওঁ মানুহ দুজনক কয় যে আগেয়ে উচটাই কংগ্ৰেছৰ কাম কৰিম বুলি কৈ এতিয়া কাৰ ও খাৰলৈ ভয়ত ঘৰে ঘৰে সোমাই ফুৰিছহঁৱ। সেই কথা যেতিয়া কয় তেতিয়া চতিয়াল গাঁৱৰো দুজন মানুহে শুনিছে। কিন্তু সেই কথা সহ্য কৰিব নোৱাৰি চতিয়ালৰ মানুহ দুজনে গোসাইক নানান কথা কয়।

সেই কথা গধুলা নামঘৰত নাম গাই থকা অৱস্থাত উক্ত আমাৰ গাঁৱঁৰ মানুহ দুজনে সকলো কথা ভাঙি পাতি কয়। সেই কথাতেই গাৱৰ সকলো গোট খাই তেওঁলোকক সু-বিচাৰ নোহোৱা প্ৰৱন্ত গৰু মানুহৰ চলাচল বন্ধ কৰা হয়।

শ্ৰীযজ্ঞেশ্বৰ মহন্তৰ মাকে পুনৰ গাৱলৈ বুঢ়া গোসাই নাই বুলি এখন কাগজ দিয়ে, সেই কাগজৰ মতেই তেওঁলোকক পুনৰ গৰু মানুহৰ চলাচলৰ সুবিধা দিয়া হয়। যেতিয়া বুঢ়া গোসাই আহিব তেতিয়া পুনৰ বিচাৰ হ'ব বুলি লেখি পঠোৱা হয়। কিন্তু আজি প্ৰৱন্তও গৰু পালত দিয়া নাই। তেওঁৰ পুতেক আমাৰ প্ৰাথমিকৰ পৰা শান্তি সেনাহে হৈছিল। কিন্তু অৰ্গেনাইজাৰ হৈ মিলিটাৰী পুলিচৰ খুদা খাৰলৈ পঠোৱা নাছিল। গতিকে বিহিত বিচাৰৰ প্ৰাৰ্থনা। ইতি- ২২/৯/৪২

বিনীত

শ্ৰীমোলান চন্দ্ৰ শইকীয়া

সভাপতি, তলীয়া গাওঁ প্ৰাঃ কং কমিটি।"

যদিও ব্যক্তিগত পৰ্য্যায়লৈ কথাবোৰ অৱনমিত হোৱা যেন পৰিলক্ষিত হৈছে, বিষয় বস্তু কিন্তু বাজহুৱা স্বাৰ্থ জড়িত আৰু ইয়াৰ মাজতে সেই সময়ৰ কংগ্ৰেছ কৰ্ম্মী এচামৰ মাজৰ দ্বন্দ খৰিয়াল আৰু ভুল বুজা বুজি বা কিছু ক্ষেত্ৰত সকলো মানুহেই যে সম্পূৰ্ণ আন্দোলন মুখী হোৱা নাছিল- নাইবা বাধ্যত পৰিহে বহুতে কংগ্ৰেছত যোগ দিছিল

এইবোৰ কথা প্ৰকাশ পায়। এই কথাও স্বীকাৰ কৰিব লাগিব যে সুবিধাবাদী এচাম মানুহে নিজকে সকলো সময়তে আঁওৰত ৰাখি পিছত আগভাগ লৈ সুবিধা আদায় কৰে।

পিতাপুত্ৰ শ্ৰীমহন্তদ্বয়ে কলিয়াবৰ কংগ্ৰেছলৈ লিখা চিঠিত তেলীয়া গাঁওৰ মানুহৰ মনৰ কথা প্ৰকাশ কৰি লিখিছিল- "আমাৰ হ'লে মন্ত্ৰ সাধন শৰীৰ পতন এইবোৰ কথা দৰ্কাৰ নাই- ওলিব আগত সন্ধীনৰ খোহত, বুটজোতাৰ গোন্ধত লৈ মৰিবৰ দৰ্কাৰ নাই- আৰু যদি এই গাঁৱৰ পৰা দুই চৰিজন লৈ জেলত সোমোৱাহঁক তেনেহলেও এইখন গাওঁ গৱৰ্ণমেণ্টৰ চকুত পৰি চতিয়াল বোপাৰি গাঁৱৰ দৰেই অকমণা ভবি বাকী বাইজবোৰ মৰিব লাগিব। গতিকে আমাৰ গাৱৰ শান্তি সেনা বা মহীলা বা যেই কোনো বাইজ সাৱধান। উত্তৰাতি কৰি মুখে ভবি কাটি নুখুৰিবা মহাত্মা গান্ধীয়ে হ'লে কৈ দিছে- অহিংস ভাৱে থবতে থাকি সুতা কাটি কাপোৰ লবলৈ, খেতি কৰি ভাত খাবলৈ, হিংসা কৰিবলৈ লাঠি তাজোন লৈ হিংসা বৃত্তি অবলম্বন কৰিবলৈ কোৱা নাই। আমাৰ কংগ্ৰেছ নেৰিবা কিন্তু লোধোম লাগি ওলমি ভাত লাগি নেখাকিলে আনো কলিয়াবৰ হেজাৰে এবি থয় বা? সেইবাবে আমি মাজতে এইদৰেই থাকিমহঁক।"

তেলীয়া গাঁৱৰ কেইজনমানে সৰ্ব্ব সাধাৰণ মানুহক ভুল পথে পৰিচালিত কৰিছিল বুলি আৰু সেই বিষয়ে তেওঁলোকে কি কি কৰিছিল তাকো কংগ্ৰেছ অফিচক জনাইছিল।

"বাইজসকল,

আমাৰ গাঁৱৰ কোনো চোকোৱা এটাও ক'তো শোভাযাত্ৰা মিটিং আদিলৈ নেজাৱ, আৰু লৈ নমৰিব, আৰু তথাপি যদি এই হিত কথা নেমানে যদি নিজে নিজে মৰিবৰ উপায় কৰে তেনেহলেও আমি হ'লে নেজাও। আমাৰ ল'ৰা-ছোৱালী, ভাই ককাই, তিৰোতা ভনী বাই এইখিনি আপোনালোকৰ লগত নোযোৱাত কোনো ওজৰ আপত্তি কৰিব নোৱাৰিব।

স্বৰাজ বেৰে আনক কাৰো সুকীয়া নহয় যেতিয়া, আমাৰ খন গাওঁ এইদৰেই তলকা মাৰি চুপ কৰি ৰহি থাকিম। আৰু যোন দিনা ৰৱৰাবুৰ বেণ্ডিঅত শুনিম ৰাজনৈতিক বন্দীৰ মুক্তি বা স্বৰাজ ঘোষণা কৰিছে, সেইদিনা সকলোতকৈ আগত গাইপতি একোডাল জাতীয় নিচান লৈ ৰাজে মাতবম ধ্বনি কৰি গোটেই কলিয়াবৰ প্ৰদক্ষিণ কৰি থলক লগাই দিম লগতে সকলো ওচৰ গয়াক কিয় ইমান দেৰী কৰিছে বুলি কৈ আচল স্বদেশ প্ৰেমিক হৈ উপকৃত দোষবোৰ মাৰ নিয়াম।"

শ্ৰীমহন্তদেৱ ক্ষোভ প্ৰকাশ কৰিছিল এইবুলি "ক'তা গত ১৬/৯/৪২ তাৰিখে পঞ্চমীৰ দিবস পালনৰ দিনা পূজা উযাকীৰ্ত্তন, শোভাযাত্ৰা, দুপৰীয়া তিথিৰ নামকীৰ্ত্তন, আবেলী মিটিং কৰি গ'ল? ১৭/৯/৪২ তাৰিখে মহীলা সভাৰ সম্পাদিকাই কিয় মহীলা সকলক লগত নিব নোৱাৰি উত্তৰী গ'ল?? সেইবাবে তেলীয়া গাওঁ প্ৰাথমিক কংগ্ৰেছ কমিটিৰ ভিতৰকা মনোভাব জনোৱা জনৰ উগ্ৰশান্তি হ'বৰ ব্যৱস্থা হ'ল??"

শ্ৰীমহন্তদেৱে কলিয়াবৰ কংগ্ৰেছলৈ প্ৰশ্ন কৰি লিখিছিল "এই আৰ্হি তেলীয়া, লাণ্ডি, ৰকসত্ৰ এই তিনি গাঁৱেই মানি লৈ বচনে কেৱল মাত্ৰ কংগ্ৰেছত শৰণ লৈছে চিতে বৃটিছক মানি চলে নহয়নে? সেই কথা এখন গাঁৱতে ঘটিছে এইদৰে আনত যে নঘটিবও পাৰে, কিন্তু এই ধৰণৰ অসৎ প্ৰকৃতিৰ লোক কংগ্ৰেছৰ ভিতৰ সোমাই লৈ কংগ্ৰেছৰ অপকাৰ নকৰিব কি বিশ্বাস কৰিব পাৰে।।"

আৰু বহুত কথাই শ্ৰীমহন্ত দেৱে লিখিছিল। সৰ্ব্বশেষত লিখিছিল- "আৰু এটি খবৰ- শ্ৰীযুক্ত ভূঞাৰীৰ ঘৰত কোনো পহৰা নাই বাবে আজি ৩ দিন ৰৱ ভয় কৰিছে বুলি শুনিছোঁ।"

(চিঠিখনৰ তলত শ্ৰীমইনা মহন্ত আৰু শ্ৰীযজ্ঞেশ্বৰ মহন্ত 'সাং বালিসত্ৰ' লিখি দুয়ো

চহী কৰিছে)

কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ পৰা সেইদিনাই তদন্ত কৰি শ্ৰীযুতা ভূঞাদীৰ (শ্ৰীঠানুৱাম ভূঞাদেউৰ পৰিবাৰ) ঘৰত শান্তি সেনাৰ পহৰা দিয়াৰ বাবে প্ৰাথমিক কং ছেইলে নিৰ্দেশ দিয়ে।

কেন্দ্ৰীয় কংগ্ৰেছৰ পৰা জেললৈ যোৱা সকলৰ পৰিয়ালৰ ৰক্ষণা বেক্ষণৰ বাবে সততে চকু ৰাখিছিল আৰু যি সকলে তেনে সহায়ৰ বাবে অনুৰোধ কৰিছিল তেওঁলোকৰ ঘৰত পহৰা দিবৰ বাবে বাতি শান্তি সেনা নিয়োগ কৰা হৈছিল। ইয়াৰ উপৰিও যাৰ ঘৰত তেনে সহায় কৰা প্ৰয়োজন বোধ কৰা হৈছিল তেওঁলোকৰ ঘৰত কেন্দ্ৰৰ ফালৰ পৰা পহৰা দিওৱাৰ ব্যৱস্থা কৰা হৈছিল। ৭/৯/৪২ তাৰিখে চতিয়ালৰ সভাৰ পৰা গ্ৰেপ্তাৰ কৰি নিয়া শ্ৰীমুক্তি গোস্বামীদেৱৰ ঘৰত দৈনিক দুজনকৈ শান্তি সেনা দি পহৰা দিয়াৰ ব্যৱস্থা কৰিবলৈ যমথলা প্ৰাঃ কংগ্ৰেছৰ সভাপতি শ্ৰীধীৰেশ্বৰ শৰ্ম্মা দেৱলৈ ১৫/৯/৪২ তাৰিখে কেন্দ্ৰীয় কংগ্ৰেছৰ পৰা নিৰ্দ্দেশ দিয়া হৈছিল।

এইখিনিতে কলিয়াবৰ শাখা কংগ্ৰেছৰ সভাপতিলৈ সৰুভগীয়া প্ৰাথমিকৰ শ্ৰীৰতিন্দ্ৰ ফেনাৰ্জিয়ে ৩০/৯/৪২ তাৰিখে লিখা চিঠিৰ পৰা কেই শাৰীমান তুলি দিয়া হ'ল।

" ইয়াত মানুহৰ মন বিশেষ খোলা নহয়। কিছু ভয় আছে। তবে শাকমুঠি গাওঁৱৰ ভবালী গাওঁৱৰ লগত সহযোগ দিয়াৰ আশ্বাস দিছে। আৰু নদিয়াল গাওঁৱৰ কোনো লোকে জোগ নিদিয়ে। ঢেকিয়াল ও সেনচোৱা এই দুইখনৰ মানুহে কয় যে আমাক কংগ্ৰেছ ফংগ্ৰেছ নালাগে আমাক কংগ্ৰেছে নুখুৱাই আৰু হাল বাই নিদিয়ে যেয়ে বজা তাৰে প্ৰজা। সেই কাৰণে তেওঁলোকক বাদ দিয়া হ'ল মতে ইতি।"

কংগ্ৰেছৰ বিৰুদ্ধাচৰণ কৰা মানুহে কলিয়াবৰৰ বহা বহা কিছুমান কংগ্ৰেছ নেতাৰ চাল চলন আৰু অৱস্থিতিৰ বিষয়ে পুলিছক গোপনে জনোৱাৰ বিষয়ে কংগ্ৰেছৰ কেন্দ্ৰীয় অফিচে জানিব পাৰি তেনেকুৱা নেতা সকলৰ নিৰাপত্তাৰ বাবে নাইবা পুলিছ মিলিটাৰী তেওঁলোকৰ ঘৰৰ ফালে যোৱা খবৰ আগতীয়াকৈ জনাবলৈ আৰু তেওঁলোকক পলাবলৈ সুবিধা দিবৰ কাৰণে গোপনে শান্তি সেনা নিয়োগ কৰিছিল। শান্তি সেনা সকল কি বেশত এক ডেৰ মাইল দূৰত ক'ত লুকাই থাকি কেনেকৈ খবৰ দিয়েহি কোনেও নাজানে।

গ্ৰেপ্তাৰৰ সন্ত্ৰাস আৰু...

কলিয়াবৰৰ সৰ্ব্বত্ৰ গ্ৰেপ্তাৰ অভিযান চলিয়েই থাকিল। কোনো কোনো মানুহৰ ঘৰত পুলিছ মিলিটাৰীৰ সঘন অভিযানে পানীত হাঁহ নচৰা অৱস্থা কৰিলে।

কুৰ্ৱীটোলৰ শ্ৰীবদন ৰবদলৈৰ ঘৰ সাতবাৰ ঘেৰাও কৰিছিল। সম্পত্তি নষ্ট কৰিছিল। কিন্তু এবাৰো ৰবদলৈদেৱক ধৰত নাপালে। পূৰণধীয়া, ভিএৰাবিচুকৰ প্ৰতিজন

কংগ্ৰেছ কৰ্মীৰ ঘৰ ঘেৰাও কৰি সম্পত্তি নষ্ট কৰাৰ উপৰিও ঘৰ দুৱাৰ ভাঙিছিল। গাৰিকুৰিৰ শ্ৰীৰমাকান্ত বৰাৰ ঘৰ আঠবাৰ ঘেৰাও কৰিছিল। বৰভগীয়াৰ শ্ৰীভূজেন বৰুৱাৰ ঘৰো তিনিবাৰ ঘেৰাও কৰে। সোণাৰি গাৱঁতো একে অৱস্থা। কলিযাবৰৰ এনে এখন গাওঁ নাই য'ত মিলিটাৰীয়ে অত্যাচাৰ কৰা নাছিল। যেতিয়াই তেতিয়াই ঘৰ ঘেৰাও কৰা এটা সাধাৰণ ঘটনাৰ দৰে হ'লগৈ। ঘেৰাও কৰাই নহয় ভিতৰ সোমাই খানাতালাচ কৰিছিল।

বড়িগাওঁৰ শ্ৰীনলিন বৰাৰ ঘৰৰ মানুহ ঘৰ এৰি আঁতৰি পলাই গৈছিল। গাৰিকুৰিৰ মানুহ ঘৰ এৰি হাবি জংঘলত সোমাইছিল বা দলগাওঁ বা জাওকটাৰ ফালে পলাই গৈছিল। জাওকটাৰ লীলা হাজৰিকাদেৱৰ ঘৰত বহুতে আশ্ৰয় লৈছিলগৈ।

আমাৰ হাতত থকা ধৰমপুৰৰ শ্ৰীমতী দালিমী (ওৰফে হালিমী) হাজৰিকানীৰ চিঠিখনে সেই সময়ত কোনো কোনো গৃহস্থিত হোৱা পৰিস্থিতিৰ কথা জনাত সহায় কৰে। চিঠিখন তলত তুলি দিয়া হ'ল-

বন্দে মাতৰম

মহামহিম শ্ৰীল শ্ৰীযুত কলিযাবৰ শাখা কংগ্ৰেছ কমিটিৰ সভাপতি মহোদয়ৰ সমীপেষু

মহোদয়,

অধিনীৰ বিনীত নিবেদন এই যে আমাক ঈশ্বৰে যি বিপদত পেলাইছে, সেই বিপদৰ পৰা উদ্ধাৰ হ'ব পাৰো বুলি আপোনালোকলৈ এই নিবেদন জনালো। কাৰণ এই ১ মত ঃ মোৰ স্বামী শ্ৰীযুত গোলোক চন্দ্ৰ হাজৰিকাক হাল ৰায় থকা অৱস্থাত বন্দি কৰি মিলিটেৰিয়ে লৈ যায়।

২য়ত ঃ মোৰ দ্বিতীয় পুত্ৰ শ্ৰীমান নৰকান্ত হাজৰিকাও এজন ডাক্তৰ সহ ওই থকা অৱস্থাত মিলিটেৰীয়ে বন্দি কৰে আৰু ঘৰ দুৱাৰ ভাঙি থৈ যায়।

ইযাৰ পাছতে আকৌ মিলিটেৰী আহি গুটি ধানৰ ডুলি পযন্তত শ্ৰীমান হেমকান্ত হাজৰিকাক বিচাৰি নাপাই মাহাত্মা গান্ধীৰ ১৩ দফা গঠনমূলক কাগজ পকা বান্ধা কাগজখন লৈ যায়।

৩যত ঃ গুটি কৰি থোৱা আহুধান খিনি চুৰি কৰি লৈ যায়।

৪র্থত ঃ মোৰ লগৰীয়া সটিনীৰ বালেৰাত মৃত্যু হয়। আৰু সটিনীৰ ১ম পুত্ৰও সেই একে বেমাৰতে মৃত্যু হয়।

বৰ্ত্তমান আকৌ মোৰ প্ৰথম পুত্ৰ সহ ৫ জন মানুহৰ এতিযাও ধৰিবলৈ বিচাৰি ফুৰিছে। গতিকে কলিযাবৰ শাখাৰ কৰ্ত্তা আমাক সহায় কৰে বুলি বহুত আশা কৰিলো। এইখিনি অনুগ্ৰহ কৰিলে নথৈ আনন্দিত হ'ম। ইতি-

ধৰমপুৰ বিনীত

৪ আহিন। শ্ৰীদালিমী হাজৰিকানী

এই চিঠি পায়েই কৰ্ত্তৃপক্ষই ব্যৱস্থা ল'লে। (নিৰ্দ্দেশটো তলত তুলি দিয়া হ'ল।)

"নলতলি প্ৰাথমিক কংগ্ৰেছ কমিটিৰ নায়ক মহোদয়,

ধৰমপুৰ প্ৰাথমিকৰ কংগ্ৰেছ কৰ্মী শ্ৰীযুত গোলোক চন্দ্ৰ হাজৰিকাৰ পৰিবাৰ শ্ৰীযুতা দালিমী হাজৰিকানীৰপৰা সহায় কামনা কৰি এখন দৰ্খাস্ত পোৱা হৈছে।

উক্ত প্ৰাথমিকৰ প্ৰায়বোৰ শান্তিসেনা আৰু কৰ্মী বৰ্ত্তমান বন্দী অৱস্থাত। গতিকেই, আপোনাক উক্ত দৰ্খাস্ত কাকিনীৰ তালৈ গৈ নিজে তদন্ত কৰি সহায় কৰিবলৈ (শান্তি সেনাৰ দ্বাৰা বাতি পহৰা দিয়াই) আৰু

বৰ্ত্তমান অৱস্থান বিষয়ে কেন্দ্ৰত বিপোৰ্ট দিবলৈ অনুৰোধ কৰা হ'ল)

বিনীত
শ্ৰীৰজনী কান্ত গোস্বামী
পৰিচালক
কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটি।"

২৩/৮/৪২

শ্ৰীগোলোক চন্দ্ৰ হাজৰিকা (ওৰফে ভিৰিৰাম) এগৰাকী অতি নিষ্ঠাবান কংগ্ৰেছ কৰ্ম্মী আছিল। ১৯৩০ চনতে কংগ্ৰেছত যোগ দি স্বাধীনতা আন্দোলনৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰে। কংগ্ৰেছ সংগঠনৰ বাবে অঞ্চলটোত অশেষ কষ্ট কৰিছিল। কুটিমাৰী বজাৰত মাচুল বন্ধ কৰি পিকেটিং কৰোঁতে হাটখোৱাই পুলিছ আনি মাৰপিট কৰাওঁতে শ্ৰীজিলি নাথ আৰু শ্ৰীখৰদাৰী এই দুজন দোকানীৰ মূৰ ফাটি বেযাকৈ জখম হয়। শ্ৰীহেমকান্ত হাজৰিকা কোনোমতে পলাই সাৰে। শ্ৰীহেমকান্তদেৱৰ ঘৰৰ বয় বস্তু নষ্ট কৰে আৰু লুট কৰি লৈ যায়।

জেলৰ ভিতৰত শ্ৰীগোলোক হাজৰিকাদেৱৰ বেমাৰ হৈ মৰো মৰো অৱস্থা হোৱাত পুত্ৰ শ্ৰীনৰকান্ত হাজৰিকা সহ এৰি দিয়ে। তেতিয়া শ্ৰীহেমকান্ত হাজৰিকাদেৱ পলাতক। হঠাৎ এদিন তেখেতকো গ্ৰেপ্তাৰ কৰি নিয়ে। তেখেতক প্ৰথমে ৩ মাহ নগাওঁ জেলত ৰাখি ছমাহৰ কাৰাদণ্ড দি চিলেট জেললৈ পঠিয়াই দিয়ে।

শ্ৰীৰদন চন্দ্ৰ ৰৰদলৈ দেৱক ধৰি দিব পাৰিলে ৫০০ (পাঁচশ) টকা পুৰস্কাৰ দিয়া হ'ব বুলি চৰকাৰী ঘোষণা কৰিলে আৰু আৱশ্যক মতে গুলি কৰিবলৈ মিলিটাৰীক ক্ষমতা দিলে। তেখেতে ডায়েৰীত লিখিছিল "ময়ো সদায় সতৰ্ক-, যি জেগাত খোৱা হয় তাৰ পৰা ৩/৪ মাইল দূৰত শোৱা হয়। ৰাতি কুঁহিয়াৰণীৰ মাজত, মিত মিতি হাৰিৰ মাজত বহু ৰাতি কতোৱা হয়, এদিন আম বাগানত ৩ তিনি ফালৰ পৰা মিলিটাৰীয়ে আক্ৰমণ কৰে কিন্তু এটা নলাত পৰি সেই নলাই নলাই গড় পাৰ হৈ ১২ টা বজা ৰাতি (দুট শব্দা বুজিব নোৱাৰি) এবুকু পানীত প্ৰায় আধা মাইল পাৰ হৈ পুৱা পানীগাওঁ পোৱা হয়। আৰু এটা দিনত পুৰণীগুদাম লতা বোৱাত দুই ফালৰ পৰা মিলিটাৰী আহি শলধেকাত পৰাত তৰাণী দোৱা এটাত জপিয়াই পৰি তৰানিৰ মাজে মাজে বওৱাবাই কোনোমতে প্ৰাণ ৰক্ষা কৰা হয়। এই দিনা মই বহু আতৰ হোৱাৰ পাছত এটা গুলি কৰা এৰাজ শুনিছিলো। সেই কাৰণেই কলিয়াবৰত মোক গুলি কৰিলে বুলি খৰৰ ওলাইছিল।

এদিন ৰঙ্গাগাৰাৰ শ্ৰীকৃষ্ণ হাজৰিকাৰ ঘৰৰ পৰা ভেলেউণ্টৰিলৈ মাইকি মানুহৰ বিহা মেখেলা পিন্ধি আচোৱাৰী গাড়ীত যোৱা হয়। ৰামগুৰিত পুলিছে সোধাত গাৰোৱানে পুৰণীগুদামৰ কৃষ্ণ হাজৰিকাৰ পৰি�ৱাৰ নিজা ঘৰলৈ যোৱা বুলি পুলিছৰ হাতৰ পৰা সাৰি যোৱা হয়।"

"এইদৰে এক মাহ পোন্ধৰ দিন মহা কষ্টৰ মাজে মাজে কাল কতাই শেহত ৰাপহী থানা এলেকাৰ শ্ৰীকুল গগৈ নামৰ এজন দাৰোগাৰ হাতত ধৰা পৰো। সেইদিনা মোৰ ৰাপহী এলেকাৰ উলুৱনী গাঁৱত সভা আছিল। কেনেবাকৈ পুলিছে গম পাই মই যোৱা ৰাস্তাৰ দলঙৰ তলত মিলিটেৰী সোমাই আছিল। আমি গৈ দলং পাওতেই হুইছেল পৰাত লগে লগে মিলিটেৰীয়ে ঘেৰাও কৰি ধৰিলে আৰু তৎক্ষণিকে হাত দুটা পাছফালে বান্ধি পেলাই গা খানাতালাহ কৰিলে। কাৰণ তাহাতৰ ধাৰণা আছিল মোৰ হাতত বিপ্লৱীয়ে আছে বুলি। ডেৰমাহ হাজোতত থকাৰ পিছত এক বছৰ সশ্ৰম কাৰাদণ্ড হয়।" সেইদিনা চেপ্টেম্বৰ মাহৰ ২৭ কি ২৮ তাৰিখ আছিল।

মেখেলা পিন্ধিলে মহেন্দ্রই

সেই সময়ত যি সকল পুলিছ বিষয়াই গ্রেপ্তাৰ অভিযানত মিলিটাৰী পৰিচালনা কৰিছিল- তেওঁলোকৰ ভিতৰত থকা কংগ্রেছ মনোভাবাপন্ন সকলে ৰাতিয়েই ঘৰ ঘেৰাও কৰি ৰাখি পুৱা ভালকৈ পোহৰ হোৱাৰ পিছতহে ঘৰৰ ভিতৰত সোমাই খানাতালাচ কৰিছিল। অন্য সকলে অৱশ্যে এই নিয়ম মনা নাছিল।

গাৰিকুৰিৰ শ্রীৰমাকান্ত বৰাৰ ঘৰতো কে'বাদিনো তেনেকৈ আধা ৰাতিৰে পৰা ঘেৰাও কৰি ৰাখি পুৱাহে ভিতৰ সোমাইছিল। ইয়াৰ মাজতে তেখেতৰ ঘৰত অতিথি হিচাপে ৰাতি ক'ৰবাৰ পৰা উফৰি আহি আছিলহি শ্রীমহেন্দ্র হাজৰিকা, শ্রীবসু বৰঠাকুৰ আৰু শ্রীলক্ষ্মীপ্রসাদ গোস্বামী আদি আত্মগোপনকাৰী পলাতক সকল। এই সকল পলাতকৰ নিৰাপত্তাৰ ভাৰ আছিল আমাৰ ওপৰত। ঘৰৰ তিনিওজন পলাতক, ঘৰত ৰাতি নাথাকেই। শ্রীহাজৰিকা আৰু শ্রীবৰঠাকুৰক পলুৱাই পঠিওৱাৰ বাবে অভিনৱ পন্থা ল'ব লগা হৈছিল।

এদিন ৰাতি প্রায় বাৰ বজাত ভাত পানী খাই শ্রীমহেন্দ্র হাজৰিকা শুই আছে। তিনিমান বজাতে মিলিটাৰীযে ঘৰ ঘেৰাও কৰিলে। আমাৰ ঘৰৰ আগ ফালৰ বাৰান্দাত মূল দুৱাৰৰ দুফালে দুখন আৰামী দীঘল বেঞ্চ পৰা থাকে। তাতেই পুলিছ বিষয়া যি আহে বহি থাকে ৰাতি নুপুৱালৈকে। সেইদিনা মিলিটাৰী অহা গম পাই সকলো অতি সন্তর্পণে উঠি উপায় চিন্তা কৰা হ'ল। বৌ (আমাৰ মাতৃ) আৰু সেইদিনা আমাৰ ঘৰত ৰাতি থকা শ্রীমুহীধৰ গায়নৰ মাহীযেক অকমান বাইদেউ দুযো আঁচনি কৰি গা-পা ধুই দোকমোকালিতে নামঘৰত চাকি দিযাৰ কথা আগফালে বহি থকা পুলিছ বিষযাক মোৰ হতুৱাই কোৱালে। বৌহঁতে গা ধুবলৈ পিছফালৰ মিলিটাৰীখিনি আঁতৰাই দিবলৈ মই কোৱাত হুইচেল বজাই পুলিছ বিষয়াজনে মিলিটাৰীক হুকুম দিলে। পিছে সিহঁতে ঘৰৰ দুয়ো কাষৰ পৰা বন্দুক টোৰাই বৈ থাকিল। বৌৰে তিনিবাৰ কুঁৱাৰ পাৰলৈ গৈ কাষতে থকা বাঁহৰ চকোৱাৰে ঘেৰা গা ধোৱা ঠাইত গা ধোৱাৰ ভাও দিলে। আমাক মৰি গলেও কাকো নকওঁ বুলি শপত খুৱাই মহেন্দ্র হাজৰিকাই বিহা মেখেলা পিন্ধিবলৈ মান্তি হ'ল।

মহেন্দ্র হাজৰিকাক মেখেলা বিহা পিন্ধাই দোলাই চাদৰৰে দীঘলকৈ এহতীয়া ওৰণি দি তিনিখন কাঁহীত চাউল, তামোল পান আৰু মিঠা তেলৰ চাকিৰে আগলতি কল পাতৰ ওপৰত সজাই এহাতে লৈ বৌ আৰু অকণমান বাইদেউৰ মাজত এখোজ এখোজকৈ উলিয়াই পঠিওৱা হ'ল। মই পদুলি মুখলৈকে আগবঢ়াই দি ঘুৰি আহিলো। অসমীয়া পুলিছ বিষয়াজনে সুধিলে পঠিয়ালা। হয় বুলি মই ভিতৰ সোমালো দুৱাৰখন কিন্তু বন্ধ নকৰিলো। ঘৰৰ দুয়োফালৰ পৰা বন্দুক টোৰাই থকা মিলিটাৰী মখা আকৌ পিছফালে গ'ল। তেতিয়া প্রায় মানুহ চিনিব পৰা পোহৰ হৈছিল। হাজৰিকাদেৱক পঠিয়াই দিযাৰ পিছতহে মোৰ গাৰ কঁপনি মৰিছিল। মহেন্দ্র হাজৰিকাক ধৰি দিব পাৰিলে বা মূৰটো কাটি আনি দিব পাৰিলে

পাঁচ হাজাৰ টকা পুৰস্কাৰ দিয়া হ'ব বুলি চৰকাৰী ঘোষণা কৰা বুলি আমি শুনিছিলো। সেই কাৰণে মোৰ খুব ভয় লাগিছিল।

বেলি ওলাবৰ হ'ল। মই আকৌ ওলাই অহাত পুলিছ খুবাদেৱে সুধিলে মাৰা বাইদেৱৰা সকলো গৈ নামঘৰ পালেগৈ চাগৈ। কেতিয়াবাই পালেগৈ বুলি ক'লো। তেখেতে ক'লে এতিয়া আমি খানাতালাছ কৰিম তুমি লগতে থাকিবা। ঘৰৰ ভিতৰৰ চুকে কোণে বিচনাৰ তল, বাকচ থোৱা পাভতিৰ কাষ, পাগঘৰ সকলো চালে, ঢেকীঘৰত থকা ধানৰ ডুলিৰ ভিতৰতো চালে। ক'তো একো নাপাই লগৰ বঙালী পুলিছ অফিচাৰ জনে খণ্ডত একো নাই হৈ ডাঙৰ কৈয়ে কৈ চোৰাং চোৰাৰ গুৰি গোষ্ঠী উঘালিলে। 'এইদৰে মিছামিছি কষ্ট কৰি মানুহক অনাহকত জুলুম কৰা হৈছে- এতিয়া থানাত গৈ গুনিব মহেন্দ্ৰ হাজৰিকাই ১০০ মাইল দূৰত ক'ৰবাত মিটিং কৰি আছে। চৰ, এইচৰ চি-আই ডিক দিচ্‌মিচ কৰিব লাগে।' অসমীয়া বঙালি মিহলী কৰি তেখেতে কথাবোৰ কৈছিল।

চি. আই. ডিয়ে খবৰ ঠিকেই দিছিল। পিছদিনা পুৱাবেলা দলগাঁৰত এখন সভাত যোগ দিবৰ কাৰণে ৰাতি বাধ্য হৈ মহেন্দ্ৰ হাজৰিকা আহি আমাৰ ঘৰত থাকিব লগা হৈছিল। (১৯৫৫ চনত লগ পাওঁতে শ্ৰীহাজৰিকাদেৱে এতিয়া শপত ভাঙিব পাৰা বুলি অনুমতি দিছিল।)

ৰৰঠাকুৰ হালোৱা হ'ল

ইয়াৰ কেই দিনমান পিছতে ৰাতি এঘাৰমান বজাত আমাৰ গাৱঁৰ (গাৰিকুৰি) নাযক শ্ৰীমিনাৰাম হাজৰিকাৰ লগত ননৈৰ শ্ৰীবসু ৰৰঠাকুৰ (শ্ৰীসোমেশ্বৰ ৰৰাদেৱৰ লগৰ অৰ্গেনাইজাৰ) আমাৰ ঘৰ ওলালহি। ভাত-পানী খাই মিনাৰাম হাজৰিকা গ'ল।

ৰাতি তিনিমান বজাত সেইদিনাও ঘৰ ঘেৰাও কৰিলে। ঘেৰাও কৰা সময়ত ঘৰৰ দুয়ো কাষেৰে মিলিটাৰীবোৰ দপ্‌দপাই বুট জোতাৰ শব্দ কৰি গৈ পিছফাল পাযগৈ। ভিতৰত মানুহৰ টোপনি ভাগে।

সাৰপাই মই লাহে লাহে আহি তেখেতৰ ওচৰ পালোহি। ৰৰঠাকুৰদেৱৰ বিচনাত ভৰি মাটিত থৈ বহি আছে। কোনো শব্দ নকৰাকৈ ভিতৰলৈ আনিলো। উপায় কি হ'ব এতিয়া সুধিছোহে সুধিছো তেখেতৰ মুখৰৰ মাত নাই। মোৰ ভয় লাগিছে। এবাৰ ক'লো খুবাদেউ, এনেকৈবোবা হৈ থাকিলে নহ'ব কিবা এটা চিন্তা কৰক। তেখেতে মোৰ হাতত থাপ মাৰি ধৰি ফুচফুচাই ক'লে পাই গ'লো- মই এই মুহূৰ্ত্তৰ পৰাই বোবা। আঁচনি সম্পূৰ্ণ কৰা হ'ল। লেতেৰা তিযনি চুৰীয়া পিন্ধি, মুখে মুৰে গাৰ্ক ফালি তুলা উলিয়াই মোহাৰি, হাতে ভৰিয়ে ধুলি মাটি সানি মূৰত এখন লেতেৰা গামোচা বান্ধি বোবা হালোৱা হৈ তৈয়াৰ হ'ল।

মই দুৱাৰ খুলিয়েই চকুখিই কোন বুলি ডাঙৰকৈ সুধিলো। আমিহে বুলি পুলিছ খুৱাদেৰে ক'লে। ককায়ে মোক ঠেলা মাৰি একে কোবেই ওলাই চোতাল পাওঁতেই মিলিটাৰীয়ে ৰেবি ধৰিলে। ককায়ে হোঁহ্ হুঁ, হুঁহ্ আদি শব্দবে সিহঁতক ধমকি দিছে আৰু হাতেৰে অঙি ভঙি কৰি কিবা দেখুৱাইছে। মই পুলিছ খুৱাদেউক ক'লো ককাই বোবা আৰু অকৰাও। ইজন হালোৱা ঘৰলৈ গৈছে। ককাই নতুন মানুহ মই তেওঁক হাললৈ পঠিয়াও আপোনালোক বহক। খেৰৰ জুমুধি বটি শান্ত গৰুহাল আৰু নাঙল যুঁৰলি দি ককাইক পঠিয়াই আহি ক'লো চাহ খাওক খুৱাদেৰ। দুয়োজনকে চাহ কৰি খুউওৱা হ'ল। বেলি ওলোৱাৰ সময়ত মোক পুলিছ খুৱাদেৰে সুধিলে তোমাৰ বোবা হালোৱা পথাৰ পালেগৈ কিজানি। নিশ্চয় পালেগৈ বুলি কোৱাত ক'লে- এতিয়া আমি খানাতালাচ কৰিম। কৰিলে কিন্তু ক'ত পায়। ঘৰত বাইদেউ বৌ ইঁতৰ বাদে কোনো নাই।

সেইদিনাও লগৰ জনে কৈছিল আমাৰ চি. আই ডিয়ে আন কাৰোবাকে বোধকৰো বসু বৰঠাকুৰ বুলি ভাবিলে। তেনেকুৱা অলপ ওপৰ খাপৰ পলাতক সকল আমাৰ ঘৰতে থাকিব বুলি পুলিছৰ এটা ধাৰণা আছিল। সচাঁ কথা।

ঘৰৰ পৰা উলিয়াই পঠিওৱাৰ পিছত আমাৰ গাঁৱৰ মিনাৰাম হাজৰিকাৰ ঘৰ পালেই সমস্যা সমাধান হয় আগতীয়া বন্দবস্ত মতেই। মহেন্দ্ৰ হাজৰিকা, বসু বৰঠাকুৰ তালৈকে গৈছিল। কাপোৰ কানিবোৰ পিছত মই লৈ গৈছিলো।

ৰাতি যেতিয়া আমাৰ ঘৰলৈ পুলিছ মিলিটাৰী আহে থানাৰ পৰা এজন বিষয়া প্ৰায়েই আহে। তেখেতক মই আগৰে পৰা চিনি পাওঁ। জাওকটা, দলগাওঁ, বামুণি মথৌখাট আদি ঠাইলৈ গ'লে ঘুৰি আহি চিপাহীজনে সৈতে প্ৰাযে আমাৰ ঘৰত সোমাই একাপ চাহ খাই যায়। আন্দোলনৰ বহুত আগৰেপৰা তেখেতক জানিছিলো। যিমান দূৰ মনত পৰে তেখেতৰ নাম আছিল শ্ৰীমহেন্দ্ৰ নাথ, ঘৰ শিৱসাগৰৰ ফালে। মোক যথেষ্ট মৰম কৰিছিল। তেখেত আহিলে আমাৰ ঘৰৰ কোনো ক্ষতি কৰিবলৈ নিদিছিল। তেখেত কংগ্ৰেছৰ সমৰ্থক আছিল। কুৱঁৰীটোল থানাত বহুত বছৰ আছিল চেকেণ্ড অফিচাৰ হৈ। হাজৰিকা আৰু বৰঠাকুৰ দুয়োজনকে তেখেতে উলিয়াই পঠিওৱাৰ সময়ত চিনি পাইছিল। এদিন পিতাদেউ ঘৰত থকা অৱস্থাতো খানাতালাচ কৰি এটা ৰুম নোচোৱাকৈ মিলিটাৰীমখা উলিয়াই লৈ গ'ল। তাতেই পিতাদেউ আছিল।

শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীয়ে প্ৰায়েই ভাত খাই ৰাতি শুছি গৈছিল আখিৰঙাৰ শ্ৰীৰামেশ্বৰ শইকীয়া (শ্ৰীহৰেন শইকীয়া) ইঁতৰ ঘৰত শুবলৈ বা অন্য ঠাইলৈ।

ফাঁকুখেলা আঁহতৰ তলত

এদিন সন্ধ্যা সময়ত শ্ৰীগোলোক বৰঠাকুৰদেৱৰ লগত শ্ৰীমহেন্দ্ৰ হাজৰিকা

আহিয়েই ক'লে খুব ভোক লাগিছে কিবা এটা খাই লও। শ্ৰীৰমা বৰাৰ সৈতে তিনিওজন চ'বা ঘৰত বহি কথা পাতিছে। মই লৰা লৰিকে চাহ পিঠা লৈ ওলাই আহিছো। এনেতে এজন শান্তিসেনা ফোপাই জোপাই দৌৰি সোমাই আহি ক'লে মিলিটাৰী আহি পাবহিয়েই এতিয়া। শ্ৰীগোলক বৰঠাকুৰ কাষৰ ঘৰলৈ গ'ল। মহেন্দ্ৰ হাজৰিকা আৰু শ্ৰীবৰা দুয়ো পিছফালে বাঁহ বাৰীলৈ সোমাই গ'ল। হাতত দুই বেটাৰীৰ এটা সৰু টৰ্চ। চাহ পিঠা খোৱা নহ'ল কাৰো।

মিলিটাৰী ২/৩ মিনিটমানৰ পিছতে আহিল কিন্তু আমাৰ ঘৰত নোসোমাল। দলগাঁৱৰ ফালে গ'লগৈ। দহ মিনিটমানৰ পিছতে বৰঠাকুৰদেৱ ওলাই আহি চাইকেল লৈ পলায়ন কৰিলে। আমি আমাৰ পিছৰ বাঁহনিৰ সিফালে থকা কলা বাৰিত হাজৰিকা খুৰাদেউ ইঁতক বিচাৰি গৈ লগ নাপাই গাঁৱৰ ফালে সেইফালেই গৈছে বুলি দ চুকৰ ঘৰে ঘৰে চালেগৈ। নাপালো। ঘূৰি আহি চাইকেল লৈ নসত্ৰ পালেগৈ। তালৈকো যোৱা নাই। কেনকেনীয়া চুকৰ শ্ৰীভোগেশ্বৰ বৰাদেৱৰ ঘৰলৈ গৈ তাতো লগ নাপালে। ঘূৰি আহিলো। আকৌ পিছফালে আকৌ চালোগৈ। ঘূৰি আহি চিন্তা লাগিল।

ইতিমধ্যে ভাত পানী তৈয়াৰ হৈ আছে। কি কৰিম ভাবি চিন্তি শেষত চিৰু ককাইক (হালোৱা) লগত লৈ টোত তুইগুৰিৰ দানা লৈ তাৰ ওপৰত কাঁহীত ভাত লৈ চৰিয়াৰে ঢাকি আখিৰঙাৰ পৰা বৰৱাচুক নসত্ৰলৈ যোৱা বঁকীয়াটোৰে আগবাঢিলো. পঘা লগাই গৰু পোৱালীটোও টানি নিলো। ধৰা পৰিলে ভাতৰ কাঁহী পানী আদি পেলাই দি গাই গৰু বিচাৰি যোৱাৰ কথা ক'ম বুলি ঠিক কৰি লৈছিলো। ফাঁকুখেলা আইতৰ তলত বহুত সময় বৈ বে বে কৰি চাৰিওফালে টৰ্চ মাৰিলো। দুয়োকে চিঞৰিছিলো। ৰোৱাতিৰ মাজেৰে টৰ্চৰ পোহৰ ওচৰ চাপি অহা দেখিলো। দুয়োক তাতে ভাত খুৱাই ঘূৰি আহিলো। তেখেত সকল গছৰ তলতে থাকিল। কাৰণ মিলিটাৰীজাক তেতিয়াও ঘূৰি যোৱাহি নাই।

ঘৰপাই গোহালিত পোৱালীটো বান্ধিছো মাত্ৰ দপ্‌দপ্‌কৈ মিলিটাৰী সোমাই আহি ঘৰ ঘেৰাও কৰিলে। লগে লগে ঘৰৰ শুই থকা সকলকো মাতি উঠাই চ'ঘৰত সুমুৱালে। পুলিছ মিলিটাৰীয়ে মোক লগত লৈ ভিতৰ সোমাই এফালৰ পৰা পাত পাতকৈ চালে। বিচনাৰ তল চালে। বাকচৰ পাভতিখন আঁতৰাই বাকচ বোৰ মাটিত দলিয়ালে। পাগ ঘৰৰ আখলৈকে চালে। ঢেকী শালত থকা সৰু ধানৰ ডুলিটো উবুৰিয়াই ধানবোৰ পেলালে। ভৰালৰ তলত জাপি থোৱা খৰিবোৰ আঁতৰাই চালে। গুটি ধানৰ ভৰালত উঠিল। গছি ধানৰ জাপৰ মাজতো চালে। ক'তো একো নাপাই মোক সুধিলে তুমি মহেন্দ্ৰ হাজৰিকাক জানা নহয় এতিয়া ক'লৈ গ'ল? মই ক'লো হয় চিনি পাওঁ আমাৰ গাঁৱৰ শ্ৰীগোলাপ দেদাইদেউৰ ভায়েক এতিয়া ঘৰতে আছে চাগৈ।

পুলিছ অফিচাৰ জনে মিলিটাৰী লৈ বামুণিত পলাই থকা কংগ্ৰেছ নেতাক ধৰিবলৈ গৈছিল। তাতেই থানাৰ পৰা পঠিওৱা গুপ্তচৰৰ পৰা মহেন্দ্ৰ হাজৰিকা আমাৰ ঘৰত আছে

বুলি খবৰ পাই ভূমি আহি সোমাইছিল। "নহয় ইজন, তোমালোকৰ ঘৰলৈ মাজে মাজে অহা জনৰহে কথা সুধিছো' বুলিকোৱাত ক'লো- আৰু অন্য কোনো মহেন্দ্ৰ হাজৰিকাক মই চিনি নাপাওঁ।

পুলিছ বিষয়া জনে খণ্ডত ইজনক ক'লে এইবোৰ অপদাৰ্থ মানুহক এনেয়ে টকা খৰচ কৰি চি আই ডি নিযুক্তি দিয়া হৈছে। এনেকৈ কি কাম হ'ব কাক ধৰিব পাৰিব? কোনো যুক্তি নোহোৱাকৈ ইমান কষ্ট কৰা হৈছে- মানুহক হাৰাশাস্তি কৰা হৈছে।

আচলতে সেইদিনা ৰাতি বামুণিত মিটিং কৰিবলৈ তিনিও গোট খাইছিল। বামুণিৰ এজন সন্দেহ জনক মানুহক আবেলি থানালৈ সোমোৱা দেখি আমাৰ চোৰাংচোৰাই খবৰ দিলে। তিনিও জন লগ লাগি মিটিঙৰ দিন সলনি কৰি আমাৰ ঘৰত সোমাইছিল। মিলিটাৰী গ'লগৈ। আমি আকৌ ফাঁকুখেলা আইতৰ তললৈ গৈ দুয়োকে মাতি আনিলোগৈ।

হাটবৰৰ পৰা আমাৰ ফালে যোৱা ৰাস্তাত ৰবীয়া পুখুৰীৰ ওচৰত জান ভগা, জানটোত পানী থাকেই। মিলিটাৰীৰ গাড়ী সোমাব নোৱাৰাকৈ জানটো দ কৰি পথাৰৰ পানী সুমুৱাই দিয়া হৈছিল। গতিকে মিলিটাৰী খোজ কাঢ়ি আহিব লাগে।

শ্মশানৰ পৰাই গ্ৰেপ্তাৰ কৰিম

সেই সময়ৰে এদিন পুৱাবেলা প্ৰায় ৮/৯ মান বজাত গাৰিকুৰিৰ শ্ৰীৰমাকান্ত ৰবাৰ ঘৰ ঘেৰাও কৰিলে। সেইদিনা আমাৰ খুৰীদেউ (শ্ৰীৰাপাৰাম ৰবাৰ পৰিবাৰ) ঢুকাইছিল। সকলোৰোৰ শ্মশানত আছিল। দাৰোগা শ্ৰীগোলাপ হাজৰিকাই (চতিযাৰ) ক'লে- শ্মশানৰ পৰাই তেওঁলোকক গ্ৰেপ্তাৰ কৰিম। আজি ক'লৈ পলাব। মোৰ মূৰ গৰম হৈ গ'ল- মুখৰ পৰা ওলাই গ'ল যাওক, আপোনাৰ মূৰটোও সেই জুইতে জাপি দিব। হাণ্টাৰ ডাল দাঙি কাৰ আগত কথা কৈছ, চিনি পোৱা নাই, বুলি মোলৈ চোঁচা ল'লে। ইতিমধ্যে শ্মশানলৈ যাবলৈ তেখেতে হুইছেল বজাইছিল। মিলিটাৰীমখা দৌৰি আহি আমাক ঘেৰাও কৰি ধৰিলে। লগত অহা পুলিছ অফিচাৰ জনে বাধা দি ক'লে তেওঁৰ খুৰীয়েক ঢুকাইছে কান্দি আছে বেজাৰতে তেনেকৈ কৈছে। শ্মশানৰ পৰা তেখেত সকলক এতিয়া গ্ৰেপ্তাৰ কৰাটোও ৰৰ বেয়া কথা হ'ব বুলি কোৱাত হাজৰিকাই ভোৰ ভোৱাই আগবাঢ়িল। পুলিছ বিষয়াজনে একো নমতাকৈ মোৰ মূৰত হাত ফুৰাই দাৰোগাৰ পিছ ল'লে।

আখিৰঙা গাঁৱৰ শ্ৰীযজ্ঞেৰাম হাজৰিকাৰ ঘৰত দাৰোগা সোমাল আৰু কাপোৰ সলাই পিছফালে বাইনিৰ মাজত পায়খানা কৰিবলৈ গ'ল। মিলিটাৰী মখা লৈ ইজন অফিচাৰে আখিৰঙা গাঁৱৰ শান্তি সেনা শিবিৰটো ভঙাত লাগিল।

সেই সময়ত আমাৰ ঘৰত থকা শ্ৰীযতীন গায়ন (ঠগী ককাইদেউ) হঠাৎ মিলিটাৰী অহাত কেনিও যাব নোৱাৰি গোহালি ঘৰত ধানখেৰ দুবোজামান গাৰ ওপৰত লৈ লুকাই

আছিল। আমাৰ সকলো কথা শুনি আছিল। হাতত এখন দহ ইঞ্চিমান ডেগাৰ (প্ৰায় সদায় লৈ ফুৰে) লৈ ওলাল শ্ৰীহাজৰিকা দাৰোগাক মাৰি পায়খানাৰ গাঁতত সুমুৱাই দিব। সেই দিনত ডাঙৰ গাঁত খান্দি ওপৰত বাঁহৰ জাপ দি পায়খানা তৈয়াৰ কৰিছিল। আমাৰ গোহালি ঘৰৰ পৰা যজ্ঞেশ্বৰ হাজৰিকাৰ পিছফালে বাৰীৰ মাজেৰে যোৱা লক্ষ্য কৰিলে দেখি।

মই বাধা দিলো। কিন্তু নামানি আগ ঠেলাত মই ঠেং এটাত ধৰিলো। এচোৱা মোক চোঁচোৰাই নিলে কিন্তু পৰি গ'ল। মই বহুত বুজালো যদি দাৰোগাক মাৰি পেলায় তেওঁক বিচাৰি মিলিটাৰী ঘূৰি আহিবই আৰু তেতিয়া শ্মশানলৈ গৈ সকলোকে গুলিয়াই মাৰিব। এৰা হয় কথাটো, বুলি বৈ গ'ল।

শ্ৰীযতীন গাযন অতি দুৰ্দান্ত সাহসী আছিল। অৱশ্যে অতি সোনকালেই হিতাহিত জ্ঞান হেৰুৱাই আগুৱি নোচোৱাকৈ ততালিকে কামটো কৰাতহে মন দিছিল। ইয়াৰ বাবে কে'বাবাৰো বিপদতো পৰিছিল।

সেইদিনাই ভঁৰালীগাওঁ, শাকমুঠি গাওঁ আৰু বড়িগাৱঁৰ কেম্প ঘৰো ভাঙি পেলাইছিল। ইয়াৰ কেইদিন মান পিছত আহি গাৰিকুৰি আৰু দলগাঁৱৰ শিবিৰ দুটাও ভাঙিলেহি। শ্ৰীৰমাকান্ত বৰা, শ্ৰীবাপাৰাম বৰা আৰু শ্ৰীচন্দ্ৰকান্ত বৰাক বিচাৰি ঘৰ ঘেৰাও কৰিছিল কিন্তু কাকো নাপালে। খুৰীদেউৰ শ্ৰাদ্ধ কৰিবৰ বাবেও কোনো ঘৰত থাকিব পৰা নাছিল। গাঁৱৰ মানুহে যা-যোগাৰ কৰিলে। ভাগ্য ভাল শ্ৰাদ্ধৰ কামৰ কেইদিন মিলিটাৰী নাহিল।

এসপ্তাহ দহ দিন মানৰ ভিতৰতে গোটেই কলিযাবৰৰ শিবিৰবোৰ কাটি ভাঙি পেলাইছিল। বহুত গাওঁত ২য় ৩য় বাৰৰ কাৰণেও শিবিৰ বোৰ ভাঙিছিল, জুই দিছিল।

বহ্ৰমপুৰৰ ঘটনা

১৮/৯/৪২ তাৰিখে বহ্ৰমপুৰত হোৱা গুলিচালনাৰ কথা পিছৰ দিনাই গোটেই কলিযাবৰতে প্ৰচাৰ কৰা হ'ল। কিন্তু যেযে যেনেকৈ মন যায তেনেকৈ ঘটনাৰ বিৱৰণী দিলে। ছাত্ৰ সম্মিলনৰ ফালৰ পৰা দুজনমানক পঠিযাইছিল ঘটনাৰ বুজ ল'বলৈ। কিন্তু তাৰ দুদিনমান পিছতে ছাত্ৰ সম্মিলনৰ সম্পাদক শ্ৰীনৱেন হাজৰিকা নিজে ওলাল স্ব-চক্ষে চাই আহিবলৈ। লগত মোকো ল'লে। ঘূৰি আহিয়েই তেখেতে ঘটনাৰ বৰ্ণনা দি ছাত্ৰ সম্মিলনৰ ফালৰ পৰা বুলেটিন লিখিলে। ৰাতি বহি প্ৰায় ৫০ কপি কৰা হ'ল আৰু গোটেই কলিয়াবৰতে বিতৰণ কৰা হ'ল।

৩নং বুলেটিন যোগে ৰাইজক জনোৱা কথাখিনি সম্পূৰ্ণ তলত তুলি দিয়া হ'ল-

"ৰাইজসকল,

গৱৰ্ণমেণ্টে তেওঁলোকৰ দমন নীতিৰ জাঁ লৈ অলপতে ৰাষ্ট্ৰপুত্ৰীয়া বেবেজীয়া আদিত নৰ-নাৰীৰ ওপৰত যি পাশবিক অত্যাচাৰ কৰিলে সি এতিয়াও ৰাইজ সকলৰ মানস পটত মচ খোৱা নাই। ঠিক

সেই এক্ষে দমন নীতিয়ে হাঁ লৈ পুৰণিগুদামৰ ওচৰৰ বহুৰমপুৰ অঞ্চলৰ বাইজ সকলক ভোজ খাই থকা অৱস্থাত মিলিটাৰীয়ে যেৱাও কৰি লাঠি চার্জ, গুলিবৰ্ষণ আদি কৰি যি অমানুষিক ঘটনাৰ অৱতাৰণা কৰিলে তাৰ চমু আভাস তলত দিয়া হ'ল।

ৰোৱা ১৮/৯/৪২ তাৰিখে, শুক্ৰবাৰে পোটনি, গোমেঠা-চলচলি, হাজৰিকা চুক, বকুলগুৰি- এই চাৰিওশাখাৰ বাইজে গোট খাই বহুৰমপুৰ কেম্প ঘৰত ভোজ খাই আছিল। এনে অৱস্থাতে মিলিটাৰী আহি প্ৰথমতে শ্ৰীযুত প্ৰতাপ শৰ্ম্মা, যি এল কে আদি কৰি ৮ (আঠ) জন কংগ্ৰেছ কৰ্ম্মীক গ্ৰেপ্তাৰ কৰে। আৰু কেম্প ঘৰটো যেৱাও কৰি উক্ত ঘৰটো ভাঙি পেলাৰৰ কাৰণে সমবেত শান্তি সেনা সকলক আদেশ কৰে। আদেশ অমান্য কৰাত মিলিটাৰী ঘৰৰ ভিতৰত সোমাই আৰু আধা খোৱা অৱস্থাত বাইজ সকলৰ ওপৰত নিৰ্ম্মম ভাবে লাঠি চার্জ কৰে আৰু পাতৰ বঢ়া ভাত তৰকাৰী আদি বুট জোতাৰে গুৰিয়াই পেলায়। বাইজ সকলে বন্দেমাতৰম ধ্বনিৰে বাহিৰলৈ ওলাই আহে। ইতিমধ্যে ভেৰভেৰীকে আদি কৰি কে'বাখনো গাৰ্ধৰ প্ৰায় এহেজাৰমান মহিলা আহি ঘটনা স্থলিত উপস্থিত হয়হি। ভেৰভেৰীৰ সম্পাদিকাৰ মাক, 'ভোগেশ্বৰী ফুকনানীয়ে মিলিটাৰীৰ এনে অত্যাচাৰৰ প্ৰতিবাদ কৰি থকা অৱস্থাত কোনোবা ফালৰ পৰা এডাল ফস্ফাটি আহি কেপ্টেইন চাহাবৰ মূৰত পৰি টুপি গুলকি মাটিত পৰে আৰু তেওঁ ফুকনানীক গুলি কৰে। তাৰ লগে লগে মিলিটাৰীয়ে জনতাৰ ওপৰত গুলিবৰ্ষণ কৰে। ফলত হলিৰাম হাজৰিকা, বলো নাথ, ডম্বৰুধৰ কলিতা আৰু দীন নাথ শুকতৰ ভাবে আহত হয়। আৰু লক্ষ্মীকান্ত হাজৰিকা, খগীৰাম বৰা আৰু বলোৰাম সুতৰ মৃত্যু হয়। অৱশেষত মিলিটাৰীয়ে কোনো জনতা দমন কৰিব নোৱাৰি উভতি যায়। পুনৰ দহখন মিলিটাৰী গাড়ীৰে সৈতে চিভিল চার্জন আহি আহত সকলক চিকিৎসাৰ অৰ্থে জিলালৈ লৈ যায়। 'ফুকনানী যাবলৈ অসম্মত হয়। তাৰ পিছত মৃত ব্যক্তি কেইজনক লৈ ১২ খন গাঁৱৰ বাইজে লগ লাগি শোভাযাত্ৰা কৰি তেওঁলোকৰ অন্ত্যেষ্টি ক্ৰিয়া সমাপন কৰে। শনিবাৰৰ দিনা ফুকনানীৰ মৃত্যু হয়।

গৱৰ্ণমেণ্টৰ দমন নীতিলৈ ভ্ৰুক্ষেপ নকৰি সেই অঞ্চলৰ বাইজসকলে যি দেশপ্ৰেমৰ জলন্ত আদৰ্শ দেখুৱালে সেইবাবে তেখেত সকললৈ কলিযাবৰ ছাত্ৰ সম্মিলনে সহানুভূতি আৰু শ্ৰদ্ধা জ্ঞাপন কৰিছে। আৰু উক্ত সম্মিলনে কলিযাবৰৰ বাইজ সকলক সানুনয়ে জনায় যাতে সেই অঞ্চলৰ বাইজৰ আদৰ্শ লৈ গৱৰ্ণমেণ্টৰ দমন নীতিৰ বিৰুদ্ধে থিয় হ'বলৈ পিছ নোহোহকে।

তাং- ২৫/৯/৪২

বন্দেমাতৰম্

মৃত্যু কিম্বা জয়।"

বহুৰমপুৰৰ ঘটনাৱলীৰ বিষয়ে স্মৃতি ৰোমান্থন কৰি বহুজনে পিছত অতিৰঞ্জিত কৰি বৰ্ণনা কৰা কথাবোৰ কাগজে পত্ৰই পঢ়িবলৈ পাইছিলো। 'ভোগেশ্বৰী ফুকনানীয়ে কেপ্টেইন চাহাবৰ মূৰত কাঠ খৰিৰে বা পতাকাৰ মাৰি ডালেৰে মৰিওৱা নাছিল। কোনেও গুলি কৰিবলৈ বুকু পাতি দিয়াও নাছিল মিলিটাৰীৰ বন্দুকতো ধৰা নাছিল। এনে ধৰণৰ কথাবোৰেই ঘটনাবোৰ অবিশ্বাস কৰিবলৈ মানুহক বাধ্য কৰায়। সত্য ৰূপত ঘটনাবোৰ প্ৰকাশ পালে মানুহৰ মনত সাঁচ বহে।

বহুৰমপুৰ অঞ্চলৰ বাইজ মিয়মাণ হ'ল। শোকত হিহুল হৈ পৰিল। কিন্তু তেখেত সকলৰ মনৰ দৃঢ়তা বাঢ়ি গ'ল। অত্যাচাৰী বৃটিছ চৰকাৰৰ দমন নীতিৰ বিৰুদ্ধে সদাজাগ্ৰত হৈ যুঁজিবলৈ, অহিংস হৈ থাকিবলৈ দৃঢ় সংকল্প ল'লে। এইবোৰ খৰৰ নগাওঁ জিলাৰ সকলো শাখা কংগ্ৰেছ কমিটিৰ যোগেদি প্ৰত্যেক প্ৰাথমিকলৈ পঠিওৱা হ'ল। কলিয়াবৰত বহুৰমপুৰৰ ঘটনাই বাৰুকৈয়ে প্ৰভাৱ পেলালে। কলিয়াবৰীয়া বাইজে অনাহকত প্ৰাণ নাশৰ

পৰা হাত সাৰি থাকিবলৈ সকলো দমন নীতি লৈ কৰা অত্যাচাৰ নীৰৱে অহিংসে ভাৱে সহ্য কৰি গ'ল। বন্দুকৰ কুন্দাৰ গেজা-খুন্দা, সঙ্গীনৰ খোছ, বুট জোতাৰ গোৰ, চৰ-ভুকু, হাণ্টাৰ-লাঠিৰ কোব, এই সকলো বোৰকে, মহাত্মা গান্ধীৰ নামত, মাতৃ পূজাৰ পবিত্ৰ নিৰ্ম্মালি বুলি গ্ৰহণ কৰিলে। কলিয়াবৰত ক'তো গুলি চলাবলগীয়া পৰিস্থিতিৰ যাতে সৃষ্টি নহয় তাৰ বাবে প্ৰতিজন শান্তিসেনা, মৃত্যু বাহিনীৰ সেনা বা কংগ্ৰেছ কৰ্ম্মীয়েই সতৰ্ক হৈ থাকিল।

বহুৰমপুৰৰ ভোজৰ ঘটনাৰ কথা স্মৰণ কৰি ৰচনা কৰা গীতটি যোৰহাট জেলত শ্ৰীগোলোক মহন্ত আৰু নগাঁৱৰ শ্ৰীনকেন শৰ্ম্মাহি শুৱলাকৈ গাই অসমৰ সেই সময়ত তাত থকা নেতা সকলক অভিভূত কৰিছিল। প্ৰসংশা আদায় কৰিছিল। গীতটি তলত তুলি দিয়া হ'ল-

অ' সমনীয়া সাজু হ'ৱৈ হ'ল
ৱঢমপুৰ শিবিৰত ব্ৰহ্মভোজ পাতিলে
ৱঢ়া ভাত পাততে ৰ'ল
এটুপী দুটুপী তেজে তিনি টুপী
নিজৰা বাগৰি গ'ল
শুকুলা শত্ৰুৰে শতৰু শালিলে
হিলৈ মাৰিবৰৈ হ'ল।
অ' অসমীয়া অ' সমনীয়া
সাজু হ'ৱৈ হ'ল।

বিক্ষিপ্ত ঘটনা

মৌজাৰ নথি পত্ৰত অগ্নি সংযোগ

চেপ্টেম্বৰ মাহৰ শেষৰ ফালে কোনো এদিন। ঘটনাটো ঘটালে ভিঞাৰি গাঁৱৰ শ্ৰীনলিনীকান্ত শইকীয়াদেৱৰ নেতৃত্বত সেই গাঁৱৰে কেইজনমান ডেকা মৃত্যু বাহিনীৰ সেনাই। পূবথৰীয়া মৌজাৰ মৌজাদাৰ শ্ৰীকমল ৰবাদেৱ চৰকাৰী বিষয়া। তেখেতে পৰোক্ষভাৱে কংগ্ৰেছৰ বিৰোধীতা কৰিছিল আৰু প্ৰত্যক্ষ ভাৱে সদায় কংগ্ৰেছৰ সকলো কাৰ্য্যসূচীৰ পৰা আঁতৰত আছিল। একেবাৰেই শেষলৈকে তেখেত গণ আন্দোলনটোৰ বিপক্ষ হৈয়েই থাকিল। শ্ৰীনলিনী কান্তৰ লগ লাগিল শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা, শ্ৰীলাৰু গোস্বামী, শ্ৰীচন্দ্ৰ শৰ্ম্মা আৰু শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা। মৌজাদাৰৰ ঘৰ ঘেৰাও কৰিলে দিন দুপৰতে। ঘৰৰ ওচৰৰ গাৰঁৰ সকলো মানুহ ঘৰ এৰি আঁতৰ হ'ল, পলাল দেখা সাক্ষী হোৱাৰ ভয়ত।

মৌজাদাৰৰ অফিচৰ সকলো কাগজ পত্ৰ ৰাছিদ বহী, পকা বন্ধা, ডাঙৰ ডাঙৰ ৰেজিষ্টাৰ বহী উলিয়াই আনি চোতালত দ'ম কৰিলে আৰু জুই লগাই দিলে। পুৰি ভস্ম হ'ল সকলো।

আটাই কেইজন পলাতক হ'ল। নগাৰঁৰ আদালতত বিচাৰ আৰম্ভ হ'ল। সাক্ষী দিবলৈ গাঁৱৰ কোনো নোলাল। ওলাল মাত্ৰ এজন গাওঁবুঢ়া শ্ৰীঘনকান্ত নাথ। পিছে তেখেতেও কাঠ গড়ালত থিয় হৈ ভীম দলৈ দি ফুলি উঠা গালখন দেখুৱাই হাকিমক ক'লে 'হজুৰ, মই সাক্ষী দিব বা ক'ব নোৱাৰো, নকওঁতেই মোৰ এই অৱস্থা কৰিলে, সাক্ষী ক'লে মোৰ কি গতি কৰে ঠিক নাই। গতিকে মোক ক্ষমা কৰিব।'

ওপৰোক্ত কেইজনৰ এজনো নহয়, অন্য ঠাইৰ অন্য এজনেহে কথাটো শুনি আগদিনা আহি কিয় সাক্ষী দিবলৈ ওলাইছে বুলি সুধিয়েই পূৰ্ণহতীয়াকৈ এটা মাত্ৰ চৰ সোধালে। লগতে ক'লে 'দেশতকৈ মোমাই ডাঙৰ নহয় বুলি জানেই নহয়, কি কৰিম মোৰেই দুৰ্ভাগ্য।' এইজন মৃত্যু বাহিনীৰ সবাতোকৈ উগ্ৰ বাঘৰ আগ তেল খোৱা কেইজনৰ এজন। এতিয়াও আছে। ইয়াৰ পিছত পুৰথৰীয়াত পুলিছ মিলিটাৰীয়ে অত্যাচাৰ চলালে।

শ্ৰীনলিনীকান্ত শইকীয়াদেৱে লিখিছিল শ্ৰীকমল বৰা বৃটিছতকৈয়ো বৃটিছ আছিল। জোৰ কৰি বাইজৰ পৰা খাজনা আদায় কৰিছিল। ঘৰৰ গৰু গাই বা অন্য অস্থাৱৰ সম্পত্তি ক্ৰোক কৰি ক'ৰবাত বিক্ৰি কৰি দিছিল। পুলিছ মিলিটাৰী লগাই মানুহক অত্যাচাৰ কৰোৱাইছিল। পুৰুষ-মহিলা সকলোকে ধৰাই আনি বালিকা স্কুলত আঁঠু কঢ়াই থৈছিল।

কলিয়াবৰৰ মৃত্যু বাহিনীৰ 'চিৰ বিদায়'ৰ তালিকাৰ প্ৰথম জন আছিল তেৱেঁই (কমল বৰা)।

ব্যক্তিগত ঘৰত জুই

ধৰমপুৰত ৩১/৮/৪২ তাৰিখে অত্যাচাৰ চলোৱাৰ সময়ত যিসকলে পুলিছক সহায় কৰিছিল আৰ পোটক তুলিবলৈ নলতলিৰ মৃত্যু বাহিনীৰ আটাই কেইজন লগ হ'ল। ধনেখোৱা বজাৰৰ তেলৰ ঘানি আৰু তেলিৰ ঘৰত অগ্নি সংযোগ কৰি পুৰি ভস্ম কৰিলে। সেই বজাৰতে থকা দুখন গেলামালৰ দোকানো জ্বলাই দিলে। যি দুজনে গ্ৰেপ্তাৰ কৰাত সহায় কৰিছিল তেওঁলোকৰ দোকান ঘৰো পুৰিলে।

আৰিমবাত থকা শ্ৰীঘনকান্ত (ঘনশ্যাম) নাথৰ পাম ঘৰো জুই দি পুৰি শেষ কৰিলে। দেশদ্ৰোহীৰ শাস্তি এইয়া। নলতলিৰ শ্ৰীযজ্ঞেশ্বৰ ভূঞা (৮০ বছৰ) দেৱে এইবোৰ কথা স্মৰণ কৰি এতিয়াও গৌৰৱ অনুভৱ কৰে।

জানুৱাৰী মাহৰ শেষৰ ভাগতে সোণাৰি গাঁৱঁৰ শ্ৰীফনীধৰ হাজৰিকাৰ দোকান খন কোনোবা বিসম্বাদীয়ে জুই দি পুৰি শেষ কৰিলে। শ্ৰীহাজৰিকাৰ লগত কোনো কোনো মানুহৰ কিবা কাৰণত মনোমালিন্য হৈছিল। পিছত কেন্দ্ৰীয় কংগ্ৰেছৰ তৰফৰ পৰা অনুসন্ধান

কৰোৱাই উপযুক্ত ব্যৱস্থা লোৱা হৈছিল।

আমবাগানতো এঘৰত জুই জ্বলাই দিয়া হৈছিল। কিন্তু কোনে জুই দিলে তাৰ কোনো শুংসূত্ৰ উলিয়াব নোৱাৰিলে।

এনেকুৱা অগ্নি সংযোগৰ ঘটনা কলিয়াবৰত আৰু ক'তো ঘটাৰ কথা ক'তো লিপিবদ্ধ হৈ থকা নাই। এতিয়া কওঁতাও নাই।

চোৰাংচোৱা

কলিয়াবৰত মিলিটাৰী যিবোৰ ব্যৱহাৰ কৰিছিল তাৰ ভিতৰত আমেৰিকান বগা বা ক'লা কোনো নাছিল। বেচি ভাগেই গোৰ্খা ৰেজিমেণ্টৰ সৈন্যহে ব্যৱহাৰ আছিল। সৰুভগীয়াৰ তিৰোতা সকল ৰাতি সদায় (প্ৰায় বেচিভাগেই) অন্য গাঁৱলৈ গুছি গৈছিল। মানুহৰ ভয় হৈছিল মিলিটাৰীলৈ।

এই সংক্ৰান্তত এখন চিঠি তলত তুলি দিয়া হ'ল-

"কুলিয়াবৰ কেন্দ্ৰীয় সভাপতি মহোদয়ৰ জৰিয়তে কেন্দ্ৰীয়লৈ।

মোৰ উক্তি এই যে কলিয়াবৰৰ গাওঁবোৰত কিছুমান পলাতক মিলিটাৰী মানুহ সোমাইছে। সেই মিলিটাৰীবোৰ কি প্ৰকাৰৰ আৰু সেই সকলক ভালদৰে পৰীক্ষা কৰি এৰা বা আটক কৰি ৰখাই মঙ্গল।

২য় চিকনি বাগানৰ এজন সংবাদদাতাই মোক কৈছে যে ৰাতি দিন দুপৰীয়া গাওঁৰ ২জন লোক বাগানৰ মেনেজাৰৰ লগত দেখা কৰে, উক্ত লোক দুজনে কিয় মেনেজাৰৰ লগত দেখা কৰে সেইটো ভালদৰে জনাৰ আবশ্যক। আৰু আদেশ প্ৰওজন। ইতি

সৰুভগীয়া। ২৩/৯ ৭২ শ্ৰীৰতিন্দ্ৰ নাথ বেনাৰ্জী

সৰুভগীয়া প্ৰাথমিকৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই শ্ৰীৰতিন্দ্ৰ বেনাৰ্জিৰ বিপৰীত উপৰিও কেন্দ্ৰীয় কংগ্ৰেছক জনাইছিল এই বুলি- "কিছুমান মিলিটাৰী পলৰীয়া বেশেৰে গাঁৱত সোমাইছেহি। সেই মানুহ বিলাক সহাকৈযে কাম এৰি থৈ পলাইয়ে আহিছেনে , নহ'লে কোনোবা গভৰ্ণমেণ্টৰ চোৰাংচোৱাই সঠিক বুজিব নোৱাৰি। গতিকে তেনে ধৰণৰ কোনো মানুহ গাঁৱত সোমালে পৰিক্ষা নকৰাকৈ বাইজে স্থান নিদিবৰ কাৰণে কেন্দ্ৰীয় অফিচৰ জড়িয়তে জনোৱা হওক। নতু আৱশ্যক বুজি আতক কৰি ৰাখিলেও বেযা নহ'ব। মতে নিবেদনে। ইতি

২৪, ৯/৪২ শ্ৰীটঙ্কেশ্বৰ হাজৰিকা

শ্ৰীহাজৰিকাৰ এই চিঠি পাই কেন্দ্ৰীয় অফিচৰ পৰা গোটেই কলিয়াবৰতে এনেকুৱা অচিনাকি মানুহৰ ওপৰত কাঢ়া নজৰ ৰাখিবলৈ আৰু উপযুক্ত ব্যৱস্থা ল'বলৈ নিৰ্দ্দেশ দিযা হ'ল।

তেনেকুৱা এজন মানুহ হাটবৰ অঞ্চলত চোৰাংচোৱাগিৰি কৰি ফুৰিছিল। নাম শ্ৰীটি পি ৰবা। মানুহে টিপিৰা বুলি চিনাকি দিছিল নিজৰ ভিতৰতে। শ্ৰীকুশৰাম ৰবাদেৱৰ চিনাকি, মাজে মাজে তাতে থাকেহি। তেখেতে আমাৰ গাওঁবোৰৰ ভিতৰুৱা ৰাট পথ বোৰ চিনি লৈছিল আমাৰে কোনোবা মানুহৰ সহায়ত। প্ৰায়বোৰ চৰকাৰী চোৰাংচোৱায়ে এইদৰে ভিতৰুৱা ৰাটপথ জানি লৈছিল।

এদিন ওপৰোক্ত টিপিৰাই ভঁৰালী গাঁৱঁৰ পৰা আহি আখিৰঙা গাঁৱঁৰ পৰা বড়ি গাঁৱঁলৈ ভীমবাৰীৰ মাজেৰে যোৱা বাটেৰে যাওঁতে শ্ৰীহৰেন শইকীয়া আৰু মই পিছ ল'লো। অলপ দূৰ গৈয়েই হৰেনৰ হাতত এখন সৰু চুৰি কটাৰি দেখি সোধাত ক'লে এইখনেৰে আঁচুৰি মানুহ জনক আগলৈ টি আই ডি নকৰিবলৈ সোঁৱৰাই দিম। মই চুৰিখন খুজি ল'লো আৰু এই কাম কৰাৰ পৰা তাক বিৰত কৰিলো। যদি টিপিৰাৰ হাতত পিষ্টল আছে হাৰিৰ মাজতে আমাক মাৰি গুছি যাব। দুয়ো ঘুৰি আহিলো। মানুহজন ওখ পাখ শকত।

চতিযালত এজনক ধৰি শ্ৰীগোলোক হাজৰিকাই দুদিন ৰাখি ক'ত কি কি কৰিছিল সকলো উলিয়াই লৈ মুৰৰ এফালৰ চুলি খুৰাই এৰি দিলে।

সৰুভগীয়াত দুজনৰ হতুৱাই গাঁৱৰ মাজৰ আলিবাট বন্ধোৱা কামত লগাই দুদিনমান ৰাখি বিদায় দিলে। এনেবোৰ কাৰণতে বহুতো চোৰাংচোৰা নিজেই আঁতৰি গ'ল।

এই প্ৰসঙ্গতে মোৰ মনৰ মাজত এতিয়াও সজীৱ হৈ থকা এটা ঘটনাৰ কথা উনুকিয়ালো। দলগাঁৱঁৰ ফালৰ পৰা দুজন ডেকা মানুহ হাটৰৰ ফালে যাবলৈ খোজ কাটি আহি থাকোঁতে গাৰিকুৰি গাঁৱঁৰ শান্তি সেনাই আগচি ধৰি উপৰ্জুপৰি প্ৰশ্ন সুধিবলৈ লাগিল। মানুহ দুজনে কিছু ভয় খাইছে। আমাৰ মাজৰ পৰা হঠাৎ শ্ৰীযতীন গায়ন (ঠগীৰাম) বেগা বেগীকৈ ঘৰৰ ফালে যোৱা দেখি মোৰ ভয় লাগিল। আগতে তেওঁ শ্ৰীগোলাপ হাজৰিকা দাৰোগাক শেষ কৰি দিবলৈ ওলাইছিল। আমাৰ গাঁৱঁৰ নায়ক শ্ৰীমিণাৰাম হাজৰিকাৰ লগত কথা হৈ যেনে তেনে ঠগী গায়নক কিছুসময় ব্যস্ত ৰাখিবলৈ অনুৰোধ কৰি মানুহ দুজনক প্ৰায় দৌৰাযেই লৈ গৈ হাটৰৰৰ (দাঁতকটা গাঁৱৰ) শ্ৰীভাৰিৰাম বৰাৰ ঘৰ সুমুৱালোগৈ। তেখেতৰ ঘৰ বৰ্ত্তমান থকা ঘৰৰ পিছফালে নামঘৰৰ সমানত কাষত আছিল তেতিয়া। মূল বাটৰ পৰা নেদেখি।

ওলাই গ'লেই মৃত্যুৰ ভয় আছে বুলি কৈ মই শ্ৰীমহিম বৰাদেৱক মাতি আনিলোগৈ (শ্ৰীমহিম বৰা, কবি সাহিত্যিক, যি জন নগাওঁ কলেজৰ প্ৰাক্তন প্ৰবক্তা, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, অসম ভেলী সাহিত্য পুৰস্কাৰ বিজেতা)।

প্ৰায় আঁঢ়ৈ ঘণ্টা সময় মহিম বৰাদেৱে তেওঁলোকৰ লগত কথা পাতিলে, তৰ্ক কৰিলে, যুক্তিৰে পৰিস্থিতিৰ কথা পাতিলে। মই যিমান পাৰো মাজে মাজে সহায় কৰিছিলো। তেওঁলোকৰ এজনে অসমীয়া ভাষাত কথা পাতিছিল- ইজনে বঙালী ভাষাত কৈছিল।

শ্ৰীমহিম বৰা গ'লগৈ। তেওঁলোক দুয়ো যাবলৈ উদ্যত হ'ল। মই কিন্তু তেওঁলোকক 'এখোজো ওলাই যাব নোৱাৰে এতিয়া ৰাতি' বুলি জোৰ কৰি ৰাখিলো। পেহীয়েও (ভাবি ককাইদেউৰ মাক) এই ৰাতিখন তোমালোক যাব নালাগে বুলি কোৱাত থাকিল। খুৰাই বুৰাই মানুহ বহা কোঠাতে বিচনা কৰি দুয়োজনকে একেলগেই শুবলৈ দি গাঁৱৰে শ্ৰীকৰ্মীধৰ বৰাৰে সৈতে তেওঁলোকৰ বিচনাৰ কাষতে বহি বা বাহিৰ ওলাই দুৱাৰ

মুখতে বৈ বাতিটো পহৰা দি থাকিলো।

দোকমোকালিতে দুয়োজনকে জখলাবস্থাত থৈ অহা হ'ল। এজনৰ নাম মনত আছে- শ্ৰীসুসেন ভূঞা, ইজন কিবা মজুমদাৰ বোধকৰোঁ। তেওঁলোক আছিল ফৰৱার্ড ব্লকৰ মানুহ। তেতিয়া কংগ্ৰেছৰ বিপক্ষে যোৱা সকলোকে কমিউনিষ্ট বুলি ভৱা হৈছিল। ভাবি ৰখা তেতিয়া জেলত।

পিছৰ দিনা জানিব পাৰিলো ঠগী গায়নে, ৰাতি দুপৰলৈকে আমাক বিচাৰি ফুৰিছিল। বাহিৰৰ পৰা অহা তেনেকুৱা অচিনাকি কে'বাজনো ডেকায়ো চোৰাংভাৰে আন্দোলনৰ বিপক্ষে মানুহক, বিশেষকৈ ছাত্ৰ সকলক, বুজাবলৈ চেষ্টা কৰাৰ ফলত কলিয়াবৰৰ পৰা খেদা খাব লগা হৈছিল।

ইফালে কলিয়াবৰৰ যি সকলে এনেকুৱা দেশদ্রোহীক সহায় কৰা বা আশ্রয় দিয়া বুলি মানুহৰ সন্দেহ হ'ল তেওঁলোকৰ ওপৰত অনবৰত চকু ৰখাৰ ব্যৱস্থা কৰা হ'ল। অৱশ্যে অতি গোপনীয়ভাৱে। এনেকুৱা কিছুমান আমাৰ মানুহ আছিল যিসকল কংগ্ৰেছৰ সভ্য হৈয়ো গোপন তথ্য পাতি চোৰাংচোৰাক দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। সৰুভগীয়া প্ৰাথমিকৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাৰ পষেকীয়া বিপৰ্টত এনেকুৱা বহুত কথাই লিখা আছে।

ৰাইজৰ আস্থাভাজন হ'ব নোৱাৰা বহুতেই অৱশেষত শৰণাপন্ন হ'বলৈ বাধ্য হৈছিল। তেলীয়া গাঁৱঁৰ কে'বাজনো লোকে বহুদিন পিছত নামঘৰত ৰাইজৰ আগত আঁঠু লৈ সেৱা জনাই নিজৰ দোষ স্বীকাৰ কৰিছিল। বাঘৰ চকু, সোণাৰি গাওঁ আদিতো তেনে ঘটনা ঘটিছিল।

ৰাইজৰ বিশ্বাস ভঙ্গ হোৱাৰ পিছত লিখিত ভাৰে জনোৱা এখন চিঠি তলত তুলি দিয়া হ'ল।

"মহামহিম শ্ৰীল শ্ৰীযুক্ত কলিয়াবৰ কেন্দ্ৰিয় কংগ্ৰেশ
সভাৰ সভাপতি মহোদয়ৰ সমীপেষু

মহোদয়,

আমাৰ সৰল নিবেদন এই যে :- আমি ৪ ঘৰ মানুহ নিয়মমতে কংগ্ৰেশৰ সভ্য ভুক্ত হৈছো। ও কংগ্ৰেশৰ মুলনীতি ও নিযম শৃঙ্খলা জান বিশ্বাস মতে মানি আহিছো। কোনো কোনো মানুহে ব্যক্তিগত আখেজত শুবিধ্যা বুজি কংগ্ৰেছৰ চায়াত থাকি হীন আক্রোশ ছবিতার্থ কৰিবলৈ প্রয়াস পাইছে। ও গোটেই কলিয়াবৰতে কংগ্ৰেশ বিৰোধী বুলি প্রতিপন্ন কৰি অনিষ্ট সাধন কৰিবলৈ বিছাবিছে। আমি জান বিশ্বাসে কোনো কংগ্ৰেশ বিৰোধি কার্য্য কৰা নাই। যদি কোনোবাই পদে প্রমাণে দি দোষী সাব্যস্ত কৰিব পাৰে তেন্তে আমি দণ্ডভাগী হ'ম। গতিকে আমি মহোদয়ৰ ওচৰত শুবিধ্যাৰ প্রার্থনা কৰো ও কংগ্ৰেশ পাতকাৰ তলত উপযুক্ত কৰ্ম্মক্ষেত্র বিছাৰো। এই সৰল গোহাৰী। ২৭/৯/৪২

একান্ত বাধ্য

স্বাঃ শ্ৰীভোগেশ্বৰ বৰা
স্বাঃ শ্ৰীপদ্ম কান্ত শইকীয়া

স্বাঃ শ্ৰীকুশধ্বজ বড়া
সাং হাটৰৰ
স্বাঃ শ্ৰীৰত্নেশ্বৰ বড়া

বিচাৰৰ বায়ত আছে ওপৰোক্ত আবেদনকাৰী শ্ৰীপদ্মকান্ত শইকীয়া আৰু শ্ৰীবত্নেশ্বৰ বড়া দুয়োকে হাটৰৰ প্ৰাথমিকৰ নায়কৰ তলত কাম কৰিবৰ কাৰণে নিৰ্দ্দেশ দিয়া হ'ল। তেওঁলোকে কেনে ধৰণে কাম কৰে বিপৰ্ট দিবলৈ পৰিচালকে নায়কক নিৰ্দ্দেশ দিলে। শ্ৰীভোগেশ্বৰ বৰা আৰু শ্ৰীকুশৰাম বড়া দুয়োকে শ্ৰীআনন্দ শইকীয়া আৰু শ্ৰীৰমাকান্ত বৰাৰ তলত প্ৰচাৰ কাৰ্য্য চলাবলৈ আৰু সংগঠনৰ কাম কৰিবলৈ পৰিচালকে নিৰ্দ্দেশ দিলে।

হাটবজাৰ বন্ধ সম্বন্ধে সৰভগীয়াৰ শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই ১৬/৯/৪২ তাৰিখৰ বিপৰ্টত লিখিছিল- "আজি দয়াল সৰভগীয়াৰ নায়ক শ্ৰীযুত নিশিকান্ত মহন্তৰ বিপোৰ্টৰ পৰা জনা গৈছে যে কয়াজন প্ৰাথমিকৰ শান্তি সেনা কোঃ নং ৩৬৫ আৰু চতিয়াল প্ৰাথমিকৰ শ্ৰীগোপাল চন্দ্ৰ বৰা, শ্ৰীপ্ৰভাত চন্দ্ৰ বৰা, শ্ৰীলুহাই কটকী, মোহন চন্দ্ৰ বৰা, এই পাঁচজন মানুহে সৰ্ব্ব প্ৰথমে বজাৰলৈ ধানৰ গাড়ী আনে। বকৱাচক, চেলেং, সোন্দৰ বৰিগাওঁ, দলগাওঁ, দ'লাল, মাধতাৰি গাৱঁৰ সম্পূৰ্ণ মানুহেই বজাৰ কৰিবলৈ আহিছে। উক্ত গাওঁ বিলাকত গঠনমূলক কাৰ্য্য হোৱা নাই বুলি জানি হেড অফিচত জনোৱা হৈছে।"

এই বিপৰ্ট পাই কেন্দ্ৰীয় কংগ্ৰেছৰ পৰা সেইবোৰ গাৱঁৰ নায়ক আৰু গাওঁ সভাৰ (চাৰ কমিটি) বিষয়ৱবীয়া সকলক এই বিষয়ে চোকা নজৰ ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হয়।

মূৰে ভৰি কঢ়া মনোৰঞ্জন

আন্দোলনৰ ভৰপকৰ আগতে কলিয়াবৰ (কুঁৱৰীটোল) থানাত শ্ৰীমনোৰঞ্জন দাস নামৰ এজন দগাবাজ, চেলেপু দাৰোগা আছিল।

প্ৰথমবাৰ থাকোঁতে মনোৰঞ্জন দাস হাটৰৰৰ ওচৰৰ নাহৰৰ চুকৰ এঘৰলৈ সঘনে অহা যোৱা কৰিছিল। এদিন মনোৰঞ্জন আহি সোমোৱাৰ কথা হাটৰৰৰ শ্ৰীভাবিৰাম বৰাই গম পালে। গৈ দেখে হাণ্টাৰ আৰু টুপিটো ৰাহিৰতে থৈ ভিতৰত কথাৰ মহলা মাৰি আছে। শ্ৰীবৰাই টুপি আৰু হাণ্টাৰ ডাল হাতত লৈ কথাবোৰ শুনি থাকি এবাৰ মাতিলে- 'হেৰ, মনোৰঞ্জনৰ বাবে ক'তো ঠাই নাপাই মনোৰঞ্জন দাস ভিতৰত সোমাই কি কথা পাতিছ- ওলাই আহ'। দাৰোগাৰ মাত বন্ধ হৈ গ'ল। ওলাই আহি উপায় বিহীন হ'ল। শ্ৰীভাবি বৰাই কাণত ধৰি উঠঁবহ কৰাই আগে আগে যাবলৈ দি ৰাস্তাৰ ওপৰত আকৌ এবাৰ কাণত ধৰাই আৰু কেতিয়াও নাহো বুলি শপত খুৱাই টুপি আৰু হাণ্টাৰ দি পঠিয়াই দিলে। চাইকেলৰ হাৱা খুলি দিযাত বেচেৰা খোজ কাটি কুঁৱৰীটোললৈ গ'ল। (এযা শ্ৰীভাবি বৰাই নিজ মুখে কোৱা কথা)। তাৰ পিছত বদলি হৈ ক'ৰবালৈ গ'ল।

কলিয়াবৰৰ ৬০ জন কংগ্ৰেছ নেতা কৰ্ম্মীক এসপ্তাহৰ ভিতৰত গ্ৰেপ্তাৰ কৰিম বুলি নগাৱঁত শপত খাই দ্বিতীয় বাৰ আছিল শ্ৰীমনোৰঞ্জন দাস কুঁৱৰীটোল থানালৈ। গোটেই কলিয়াবৰতে সন্ত্ৰাসৰ সৃষ্টি কৰিলে। দিন ৰাতি চেদ ভেদ নোহোৱাকৈ কংগ্ৰেছী বিচাৰিলে। ৰাতিপুৱা যদি সৰভগীয়া মিচাত দুপৰীয়া নলতলি ধৰমপুৰত, আবেলি গধূলি কুঠৰীত খানাতালাচী চলালে। সোণাৰী গাওঁ, পুবথৰীয়া, চতিয়াল, গাৰিকুৰি সকলো গাঁৱতে মানুহৰ ঘৰলৈ কেতিয়াবা দিনে দুবাৰকৈয়ো গৈ চেষ্টা চলালে।

এদিন পুৱাবেলা গাৰিকুৰিৰ শ্ৰীৰমাকান্ত বৰাৰ ঘৰ ঘেৰাও কৰি ঘৰৰ সকলো মানুহক চ'ৰা ঘৰৰ ভিতৰত সুমুৱাই বাহিৰৰ পৰা দুৱাৰ বন্ধ কৰি দিলে। তাৰ পিছত ভিতৰৰ পৰা গোটেই বোৰ বস্তু উলিয়াই আনি চোতালত দ'ম কৰিলে। টিনৰ বাকচ ভাঙি কাপোৰ কানি উলিয়াই গন্ধকি মোহাৰি পেলালে। কাঠৰ বৰ পেৰাও ভাঙিলে। কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ বহুতো চিঠি পত্ৰ প্ৰচিডিং বহী আদি সকলো এটা টিনৰ সৰু বাকচত ভৰাই লুকুৰাই থোৱা আছিল ভৰালৰ গছি ধানৰ মাজত। তাৰে পৰা উলিয়াই আনি চোতালত জ্বলাই দিলে। ২৭ টা গান্ধী টুপি, ৩২ খন কংগ্ৰেছৰ পতাকা, ২১ জোৰ শান্তি সেনাৰ খদ্দৰৰ পোচাক জ্বলাই দিলে। ভিতৰৰ পৰা আলনাডালো আনি জুইৰ ওপৰত জাপি দিলে। ৰজাদিনীয়া ডাঙৰ শৰাই, বান কাঁহী, দীঘল যাঠি, মিটি দা, ৰেলি চাইকেলখন আৰু শ্ৰীবাপাৰাম বৰাৰ বন্দুকটোও অন্য বিলাকৰ লগতে গাড়ীত লৈ গ'ল। আন্দোলনৰ পিছত বন্দুকটোৰ বাহিৰে একোকে ঘুৰাই নিদিলে।

ইতিমধ্যে তেওঁৰ শপতৰ কথা সমগ্ৰ কলিয়াবৰতে জনাজাত হ'ল। কলিয়াবৰৰ কংগ্ৰেছ নেতা, শান্তি সেনা মৃত্যু বাহিনী সকলো সষ্টম হ'ল। কাকো গ্ৰেপ্তাৰ কৰিব নোৱাৰি মিলিটাৰী লগাই মানুহৰ ঘৰ দুৱাৰ ভঙাত লাগিল।

হাটবৰৰ কেইজনমান মৃত্যু বাহিনীৰ সেনাই পোষ্টাৰ লিখিলে। অতি চুটি পোষ্টাৰ "দুদিনৰ ভিতৰত যদি কোনোবাই মনোৰঞ্জন দাস দাৰোগাৰ মুৰটো হাতীমুৰা মন্দিৰত দিব পাৰে তেওঁক পাঁচ হেজাৰ টকা পুৰস্কাৰ দিযা হ'ব- মৃত্যু বাহিনী।"

একেদিনাই একে সময়তেই গোটেই কলিয়াবৰতে গছে গছে পোষ্টাৰ মৰাৰ ব্যৱস্থা ক'ৰা হ'ল আৰু ভাগে ভাগে দায়িত্ব দিয়া হ'ল। কানিমুনি সময়ত সন্ধ্যা কোনো নথকাৰ সুযোগ লৈ থানাৰ নটিছ বোৰ্ডত পোষ্টাৰ (সেইখন অলপ সৰু আকাৰৰ) খন মাৰি দিয়া হ'ল। দাৰোগাৰ টেবুলৰ ওপৰত নুৰা কৰি কেইখনমান থোৱা হ'ল।

মনোৰঞ্জন দাস তাৰ পিছত আৰু থানাৰ পৰাই নোলাল। দুদিনমান থাকি কলিয়াবৰ এৰিলে। যাৰৰ সময়ত কৈ গ'ল- কলিয়াবৰৰ মানুহে কৰিব নোৱাৰা কাম একো নাই। থানাৰ চেকেণ্ড অফিচাৰে পিছত এই কথা মানুহৰ আগত কৈছিল।

মনোৰঞ্জন দাস যোৱাৰ পিছত নতুন দাৰোগা (নাম জনা নাছিলো) আহি অলপ চাই চিতি কামত আগ বাঢিল। কুঠৰীত এদিন ৰাজহুৱা সভা বহিছিল। শান্তিপূৰ্ণ ভাৱে সভা চলি আছিল। হঠাৎ কুঠৰী চাহ বাগিছাৰ মেনেজাৰ মেকৰণ চাহাবে পুলিছ মিলিটাৰী লৈ সভা ঘেৰাও কৰি সৰ্ব্বশ্ৰী- লক্ষ্মীকান্ত শইকীয়া, গঙ্গৰাম বৰা, জয়ৰাম বৰা, কানুৰাম শইকীয়া, লক্ষণ শইকীয়া, আনন্দ বৰুৱা, নবীন শইকীয়া, হৰনাথ ৰাজখোৱাক গ্ৰেপ্তাৰ কৰে। শ্ৰীলক্ষ্মীকান্ত শইকীয়াক লাঠিৰে কোবায়। গোবিন্দ কোছক সঙ্গীনেৰে খোছে, ৰঘুনাথ বৰা, ৰমণী বৰা, নন্দিৰাম বৰাক মাৰপিট কৰি গ্ৰেপ্তাৰ কৰে। কংগ্ৰেছ অফিচটোত জুই লগাই দিয়ে। ৰঘুনাথক ১৫ মাইল দূৰত হাবিৰ মাজত বাঘ হাতীৰ মাজত এৰি দিয়ে। (এইখিনি কথা শ্ৰীতুৰাকান্ত গোস্বামীদেৱৰ টোকাত লিখা আছে)।

জার্ম্মানীত আজাদ হিন্দ আন্দোলন

১৯৪১ চনৰ ২ নবেম্বৰত সুভাষ বসুৱে জার্ম্মানীত আজাদ হিন্দ কেন্দ্ৰৰ উন্মোচনী সভাত ভাষণ দিয়ে। কেবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। আন্দোলনটোৰ নাম দিয়া হ'ল আজাদ হিন্দ আন্দোলন। জাতীয় সঙ্গীত গায় 'জনগণ মন অধিনায়ক জয়হে..'। ত্ৰিৰঙ্গ পতাকাৰ মাজত এটা জাপ মৰা ঢেকীয়াপতিয়া বাঘৰ চবি। ভাৰতীয় সকলৰ মাজত সম্ভাষণ জনোৱাৰ সম্বোধন জয় হিন্দ। আৰু সেই দিনাই সুভাষ বসু হৈ পৰিল 'নেতাজী' আৰু নেতাজী হৈযে তেওঁ জীৱন পাত কৰিলে। ভাৰতৰ বিযাগোম কংগ্ৰেছ নেতা সকলৰ বাবে বেলেগ বেলেগ উপাধী ব্যৱহাৰ কৰা হৈছিল। লোকমান্য, দেশবন্ধু, মহাত্মা, পণ্ডিত, চৰ্দ্দাৰ আদি। কিন্তু সুভাষ হ'ল সকলোৰে প্ৰিয নেতাজী। (১)

ভাৰতীযৰে আজাদ হিন্দ ফৌজ গঠনৰ কথা প্ৰকাশ কৰিলে। আজাদ হিন্দ ৰেডিঅ', জাতীয় কংগ্ৰেছ ৰেডিঅ', আজাদ মুচলিম ৰেডিঅ চেণ্টাৰ স্থাপন কৰি দিনে তিনিঘণ্টা ৫০ মিনিটতকৈ প্ৰচাৰকাৰ্য্য চলালে আৰু এখন প্ৰবল প্ৰতাপী স্বাধীন দেশৰ গোপন স্থানৰ পৰা। হিটলাৰৰ দেশৰ পৰা। (২)

ইতিমধ্যে বৃটিছ চৰকাৰে অপ প্ৰচাৰ চলালে যে টকিওলৈ যাওঁতে উৰা জাহাজৰ দুৰ্ঘটনাত সুভাষ চন্দ্ৰ বসুৰ মৃত্যু হ'ল। সমগ্ৰ ভাৰতবৰ্ষতে এই খবৰে মানুহক মৰ্ম্মাহত কৰিলে। ভাৰতীয কংগ্ৰেছ নেতা সকলে সুভাষ বসুৰ সাহস, দেশপ্ৰেম আৰু ভাৰতৰ স্বাধীনতাৰ কাৰণে কাৰো লগত আপোচ নকৰা মনোভাৱৰ শলাগ ল'লে। গান্ধীজী গভীৰভাৱে বিচলিত হ'ল। দেশৰ কাৰণে তেওঁৰ পুত্ৰই (সুভাষে) কৰা কামৰ উচ্চ প্ৰশংসা কৰি সুভাষ বসুৰ মাকলৈ গান্ধীজীযে চিঠি লিখি সমবেদনা জনালে।

কিন্তু পিছত দেখা গ'ল- বৃটিছ চৰকাৰৰ বাতৰি বিভাগে মিচা কথা প্ৰচাৰ কৰিলে। সুভাষ বসুৱে ১৯৪২ চনৰ ২৫ মার্চ তাৰিখে জার্ম্মানীৰ বার্লিনৰ আজাদ হিন্দ ৰেডিঅ' যোগে ভাষণ দিলে আৰু ক'লে- 'এইযা মই সুভাষ বসুৱে কৈছো, মই এতিয়াও জীয়াই আছো। বৃটিছৰ সংবাদ মাধ্যমে মই টকিওলৈ যাওঁতে উৰা জাহাজৰ দুৰ্ঘটনাত মৰিলো বুলি সমগ্ৰ পৃথিবীকে জনাই দিলে।' (৩)

ইয়াৰ পিছতো ১ মে আৰু ১৭ জুনতো সুভাষ বসুৱে বার্লিনৰ পৰা ৰেডিঅ' যোগে ভাষণ দিলে। ১৭ জুনত তেওঁ ক'লে 'বন্ধুসকল, আজি মোৰ প্ৰধান কাম হৈছে ভাৰতৰ স্বাধীনতাৰ শেষ যুদ্ধখন আওৰাই নিয়া। কিন্তু যেতিয়া কাম সম্পূৰ্ণ হ'ব আৰু ভাৰত মুক্ত হ'ব তেতিয়া এই কথা মোৰ

Netaji Subhas Ch Bose- Yamini Phukan, Ph. D
(১) Page-273, (২) Page- 273, (৩) Page-275

দেশবাসীক জনোৱা মোৰ কৰ্ত্তব্য হ'ব আৰু কেনে ধৰণে চৰকাৰ গঠন কৰে সেইটো তেওঁলোকলৈ এৰি দিয়া হ'ব।'(৪)

সুভাষ বসুৰ এই ধৰণৰ ভাষণ আৰু অনেক মৰ্ম্মস্পৰ্শী কথা ৰেডিঅ' যোগে শুনি ভাৰতৰ ডেকা শক্তি জাগি উঠিল আৰু যিসকলে তেতিয়াও স্বাধীনতা সংগ্ৰামত প্ৰত্যক্ষভাৱে ভাগ লোৱা নাছিল তেওঁলোকো ওলাই আহিল। ভাৰত এৰি গুছি যোৱাৰ পিছতো সুভাষ বসুৰ প্ৰতিটো কথাই ভাৰতৰ ডেকা সকলক উদ্বেলিত কৰি ৰাখিছিল।

" Do not believe the Bluff and Blast Corporation of England (BBC of England))। আমাৰ স্বাধীনতা আন্দোলন দুৰ্ব্বল হোৱা নাই। তোমালোক য'তে আছা যেনেকৈ আছা সেই ভাৱেই আন্দোলনত জাপিয়াই পৰা। বৃটিছৰ সৈন্যক য'তে যেনেকৈ পাৰা বাধা দিয়া যাতে আমাৰ আগবঢ়া শক্তিক পিছুৱাই দিব নোৱাৰে।' এই কথা শুনি ভাৰতৰ হাজাৰ হাজাৰ চৰকাৰী, অৰ্দ্ধ চৰকাৰী চাকৰিয়ালে চাকৰি ত্যাগ কৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামত জাপিয়াই পৰিল। মই তেতিয়া বিহালী হাইস্কুলত চাকৰি কৰোঁ। ওপৰত কোৱা সুভাষ বসুৰ আহ্বান ৰেডিঅ'ত শুনি ময়ো পিছৰ দিনাই চাকৰি ত্যাগ কৰি আন্দোলনত যোগ দিওঁ আৰু তাতেই কংগ্ৰেছৰ সংগঠনৰ কামত লাগো।" এইযা আমাৰ কলিয়াবৰৰ সোণাৰি গাৱঁৰ শ্ৰীলক্ষেশ্বৰ হাজৰিকা দেৱে গৌৰৱেৰে সুঁৱৰি কোৱা কথা।

অকল অহিংসা নীতিৰেই ভাৰতে স্বাধীনতা অৰ্জন কৰিব নোৱাৰে বুলি সুভাষ বসুৰ যি চিন্তা ধাৰা তাৰ ওপৰত ভাৰতৰ ডেকা চামে বিশ্বাস স্থাপন কৰিছিল। কিন্তু তাৰ মাজতে মহাত্মা গান্ধীৰ দৰ্শন যি সকলে গভীৰভাৱে চিন্তা কৰে তেওঁলোকে হিংসাৰ মাজতো অহিংস পথ লোৱাটোৰ প্ৰতি সদায় সমৰ্থন আগবঢ়ায়।

শ্ৰীলক্ষেশ্বৰ হাজৰিকা দেৱে কৈ গ'ল "১৯৪২ চনৰ ২১ চেপ্টেম্বৰত জ্যোতি প্ৰসাদৰ আহ্বানত বিহালী থানাত পতাকা উত্তোলনৰ ব্যৱস্থা কৰা হয়। সেইবাবে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে। বিহালীত থাকিব নোৱৰি কলিয়াবৰীলৈ গুছি আহিলো। ১৯৪৩ চনৰ এপ্ৰিল মাহত কলিয়াবৰ কংগ্ৰেছ কমিটি পুনৰ গঠন কৰা হয়। শ্ৰীৰজনীকান্ত গোস্বামী, সভাপতি আৰু মোক সম্পাদক পাতে।

সেই চনৰে ৯ চেপ্টেম্বৰত বিহালী থানাৰ গ্ৰেপ্তাৰী পৰোৱানা সূত্ৰে মোক গ্ৰেপ্তাৰ কৰি জেললৈ নিয়ে। ১৯৪৪ চনৰ এপ্ৰিল মাহত তেজপুৰ জেলৰ পৰা মুক্তি পালো যদিও নগাওঁ জিলালৈ অহাটো বন্ধ কৰিলে। গতিকে বিন্দুগুৰিৰ ওচৰৰ মোৱামাৰী গাঁৱৰ বিখ্যাত কংগ্ৰেছ কৰ্ম্মী, মোমাইদেউ, শ্ৰীপীতাম্বৰ দেওঁগৰ ঘৰত ৬ মাহ থাকিব লগা হয়।"

সুভাষ বসুৰ বহুতো কথা আৰু কামৰ মহাত্মা গান্ধীয়ে সমৰ্থন কৰা নাছিল। সুভাষে নিজেই কৈছিল- 'মই এজন উগ্ৰবাদী।' গান্ধীজীৰ লগত মত পাৰ্থক্য হোৱাৰ বাবেই সুভাষ বসুৱে কংগ্ৰেছ সভাপতিৰ পদকে ত্যাগ কৰিলে। ফৰৱাৰ্ড ব্লক গঠন কৰি সশস্ত্ৰ সংগ্ৰামৰ ভেটি তৈয়াৰ কৰাৰ চিন্তা কৰিলে আৰু অৱশেষত ভাৰতৰ পৰাই অন্তৰ্দ্ধান হৈ জামানীলৈ গ'ল। তাৰ পিছত জাপানৰ লগ হৈ ভাৰতীয় সৈন্য যিসকলে পুব প্ৰান্তত আত্মসমৰ্পণ কৰিলে সকলোকে আজাদ হিন্দ ফৌজত (INA) ত ভৰ্ত্তি কৰি ভাৰতৰ স্বাধীনতাৰ বাবে

Netaji Subhas Ch Bose- Yamini Phukan, Ph D.

(৪) Page-276

ব্ৰহ্মদেশৰ ফালৰ পৰা অগ্ৰসৰ হৈ মণিপুৰ পালেহি। সুভাষ বসু পৃথিৱী বিখ্যাত নেতাজী ৰূপে প্ৰতিষ্ঠিত হ'ল।

গান্ধীজীৰ অনমনীয় মনোভাব নোহোৱা হ'লে, ২য় বাৰৰ বাবে সুভাষৰ কংগ্ৰেছ সভাপতি হোৱাত আপত্তি নকৰা হ'লে আৰু যদি কংগ্ৰেছৰ পৰাও বহিষ্কাৰ নকৰিলেহেঁতেন, সুভাষ বসু কংগ্ৰেছ সভাপতি হৈয়েই ভাৰততে থাকিলহেঁতেন আৰু হয়তো সুভাষৰ জীৱনলৈ এনে এক অভাৱনীয় পৰিবৰ্ত্তন নাহিলেইহেতেন বুলি আমি ধাৰণা কৰিলে নিশ্চয় ভুল কৰা নহ'ব। সুভাষ বসু পৃথিৱীৰ সকলো মানুহৰে অন্তৰত ঠাই ল'ব পৰা নেতাজী হোৱাত গান্ধীজীৰ পৰোক্ষ অৱদানেই সহায় কৰিলে বুলি ক'লেও হয়তো দোষৰ কথা নহ'ব।

নগাওঁ জিলা কংগ্ৰেছ অফিচ

সোণাৰি গাঁৱৰ শ্ৰীপদ্ম কান্ত হাজৰিকাই ১৯৪০ চনত শিলঘাটত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ প্ৰথম ভাগতে সোণাৰি গাৱঁত পতা কলিয়াবৰ ৰাষ্ট্ৰীয় সম্মিলন সাফল্য মণ্ডিত কৰাত সেই গাঁৱৰে শ্ৰীতিলক হাজৰিকা আদি ডেকা সকলৰ লগত অশেষ কষ্ট স্বীকাৰ কৰিছিল। গোটেই কলিযাবৰতে ঘুৰি সম্মিলনৰ বাবে ধন সংগ্ৰহ কৰিছিল। তাৰ পিছত শান্তি সেনাৰ প্ৰশিক্ষণ লৈ সংগঠক হিচাপে কিছুদিন প্ৰচাৰ কাৰ্য্য চলাইছিল। প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ পৰা নিৰ্দ্দেশ পাই সোণাৰি গাৱঁৰে শ্ৰীঘনকান্ত হাজৰিকাক লগত লৈ শ্ৰীপদ্ম কান্ত হাজৰিকা উত্তৰ পাৰৰ নাৰায়ণপুৰ পালেগৈ। গমিৰিৰ পৰাই তেওঁলোক দুয়ো খোজ খাটি গৈছিল। তাৰ পিছত দুদিন মিৰি গাঁৱত থাকি প্ৰচাৰ কাৰ্য্য চলাই নাৰায়ণ পুৰলৈ ঘুৰি আহে। তাৰ পৰা উত্তৰ লক্ষীমপুৰলৈ গৈ জিলা কাৰ্য্যালযত থাকেগৈ। তাত শ্ৰীসৰ্ব্বেশ্বৰ বৰুৱা, শ্ৰীহেম হাজৰিকা, শ্ৰীতীৰ্থ হাজৰিকা আদি সকলৰ লগ লাগি প্ৰচাৰ কাৰ্য্য চলাই ঘুৰি ফুৰোঁতে এদিন দুযো ধৰা পৰিল। অন্য কেইজন পলাই সাৰিল। ২১ দিন জেল হাজোতত ৰাখি ডফলা গডলৈ আনি বাঘ-ভালুক হাতীৰে ভৰা অটব্য অৰণ্যৰ মাজত ৰাতি দুয়োকে এৰি দিযেহি। তাৰ পৰা কোনোমতে প্ৰাণ ৰক্ষা কৰি দুয়ো ঘৰ পাইহি। (ভিএৰি চুকৰ শ্ৰীনলিনীকান্ত শইকীয়াৰ টোকা)।

ইতিমধ্যে নগাওঁ জিলা কংগ্ৰেছ অফিচত এজন সুদক্ষ মানুহৰ প্ৰয়োজন হোৱাত নগাঞা নেতা সকলে শ্ৰীপদ্মকান্ত হাজৰিকাক বাচনি কৰি টাউনলৈ লৈ গ'ল। শ্ৰীহাজৰিকাক নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সহকাৰী সম্পাদকৰ ভাৰ দিয়া হ'ল। শাখা আৰু প্ৰাথমিক কংগ্ৰেছ কমিটিবোৰলৈ দিয়া নিৰ্দ্দেশ, গোহাৰি আদিৰ খচৰা তৈয়াৰ কৰাৰ ভাৰ তেখেতৰ ওপৰত ন্যস্ত কৰা হ'ল। একে ধৰণৰ আন এটা গুৰুত্বপূৰ্ণ ভাৰ দিয়া হয়, শান্তি সেনা মৃত্যু বাহিনীৰ বিশেষ দায়িত্ব, শ্ৰীসতীন শৰ্ম্মাক। শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী আছিল ইয়াৰ সৰ্ব্বতো

প্ৰধান। কিছুদিন কাম চলোৱাৰ পিছত শ্ৰীপদ্ম কান্ত হাজৰিকাক সহায় কৰিবৰ কাৰণে আৰু এজন উপযুক্ত কৰ্ম্মীৰ প্ৰয়োজন হ'ল। নগাওঁ জিলা কংগ্ৰেছ কমিটিয়ে এইবাৰো পালেগৈ কলিয়াবৰৰে সোণাৰি গাঁৱৰ শ্ৰীতিলক হাজৰিকাক (বৰ্ত্তমান গুৱাহাটীৰ শিলপুখুৰী অঞ্চলৰ নিবাসী যাৰ কথা আগতে কোৱা হৈছে)। ওপৰ সোণাৰি গাঁৱৰ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদকৰ ভাৰ চমজাই দি শ্ৰীতিলক হাজৰিকা নগাওঁ টাউন পালেহি।

যিকোনো জৰুৰী অৱস্থা বা সমস্যাৰ উদ্ভৱ হ'লেই ওপৰোক্ত দুই হাজৰিকাৰ তৎপৰতা বৃদ্ধি পায়। মানুহৰ মন আকৰ্ষণ কৰিব পৰা, মনৰ মাজত স্বাধীনতাৰ বীজ সুমুৱাই দি ত্যাগ আৰু সেৱাৰ মনোভাৱ লৈ কাম কৰি যাবলৈ উদগনি দি লিখা গোহাৰি, বুলেটিন আদি ৰচনা কৰাত পাকৈত দুয়ো হাজৰিকা। বিশেষকৈ তিলক হাজৰিবা।

সেই সময়ত নগাঁৱত জিলা কংগ্ৰেছৰ কোনো স্থায়ী ঘৰদুৱাৰ বা কাৰ্য্যালয় নাছিল। থাকোঁতে এটা আছিল ফৌজাদাৰী পট্টিৰ এটা অস্থায়ী খেৰী ঘৰত। পিছে পুলিছে ঘৰটো ভাঙি চাৰথাৰ কৰি পেলালে। তাৰ পিছত এটা টিনৰ চুটকেছত নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ অফিচৰ কাগজ পত্ৰ, চীল মোহৰ লৈ এঠাইৰ পৰা আন ঠাইলৈ ঘুৰি ফুৰিছিল তিলক হাজৰিকা। অৰ্থাৎ জিলা কংগ্ৰেছৰ কাৰ্য্যালয়টোও পলাই ফুৰিছিল তিলক হাজৰিকাৰ হাতৰ মুঠিতে। কিছুদিন পিছত শ্ৰীমহী চন্দ্ৰ বৰাদেৱৰ এটা বাহিৰা ঘৰত থাকিলগৈ।

আমাৰ অনুৰোধ এৰাব নোৱাৰি শ্ৰীতিলক হাজৰিকা দেৱে কেৰোঁ ঘেহোঁ কৰি এটি টোকা লিখি দিছিল। তেখেতে লিখিছিল-

"তেতিয়া অফিচৰ কাম কাজ বুলিবলৈ গাওঁ ভূঁইৰ লগত টকা পইচাৰ বৰঙণি আৰু গুৱাহাটীৰ পৰা যোৱা কাগজ পত্ৰ যেনে- আন্দোলনৰ কাৰ্য্যসূচী সম্পৰ্কীয় নিৰ্দ্দেশ, সেইবোৰ চন্দ্ৰলাৰ কাম মহীচন্দ্ৰ বৰাৰ ঘৰৰ উকীল খানা হিচাপে থকা বাহিৰা ঘৰটোৰ পৰাই কৰিব লগা হ'ল। পদ্ম কান্ত আৰু মই তালৈকে স্থানান্তৰিত হ'লো। গাঁৱৰ পৰা অহা লোকৰ লগত যোগাযোগৰ বাবে কাছাৰীৰ বাকৰিকে বাহি লোৱা হ'ল, কাৰো চকু নপৰিবৰ বাবে। তাতেই কাগজ পত্ৰ দিয়া দিযি হয় আৰু টকা পইচাৰ বৰঙণিও লোৱা হয। বৰঙণিও জমা হৈছিল এজন অকংগ্ৰেছী বুলি খ্যাত উকিল শ্ৰীৰত্ন কান্ত দাস দেৱৰ হাতত। নগাওঁ বাহ ষ্ট্ৰিণ্ডিকেটে আমাক জিলাৰ সকলো ঠাইলৈকে, আন্দোলনৰ কাগজ-পত্ৰৰ লগতে কৰ্ম্মীকো, বিনামূল্যে অনা নিয়াৰ সুবিধা কৰি দিছিল। কাৰ্য্যালয় বুলি তেতিয়া আমাৰ কাৰো স্থায়ী থকা ঘৰো নোহোৱা হ'ল। পদ্মকান্তই গ্ৰেপ্তাৰৰ আশংকা কৰি থকা ঠাই সলাবলৈ ধৰিলে। হলধৰ ভূঞাৰ ঘৰ, পদ্মানন্দ ওজাৰ ঘৰ, সুকেন হাজৰিকাৰ ঘৰ ইত্যাদিলৈকে। মই অকলেই মহী বৰাৰ ঘৰতে অফিচৰ কাগজ পত্ৰৰ নামত ৰচিদ বহী, জিলা কংগ্ৰেছৰ ষ্টাম্পটো আৰু গুৱাহাটীৰ পৰা গৈ থকা বুলেটিনবোৰকে সামৰি লৈ আছিলো যদিও তাৰ পৰাও আঁতৰিব লগা হ'ল। এইদৰে গৈ গৈ দেৱকান্ত বৰুৱাইতৰ নতুনকৈ সজোৱা দুৱাৰ খিৰিকি নথকা ঘৰ এটাতে ঠাই ল'লোগৈ। কলিয়াবৰৰ পৰা একে সময়তে যোৱা বলো ভূঞাৰো একে অৱস্থা। আজি অ'ত কালি ত'ত।"

শ্ৰীতিলক হাজৰিকা আৰু শ্ৰীবলো ভূঞা দুয়োজনে নগাঁৱৰ পৰা এবস্তা চিৰা চাইকেলৰ ফ্ৰেমৰ মাজত সুমুৱাই ঠেলি ঠেলি খোজ কাঢ়ি বহুৰমপুৰ ভোজৰ দিনা তালৈ গৈছিল। লগত মৰিগাঁৱঁৰ শ্ৰীভদ্ৰ ডেকা। ক'ৰবাৰ পৰা কেনেবাকৈ চিটিকি অহা গুলি লাগি বলো ভূঞাৰ বুকুৰ জেপৰ পেনটো ভাঙি গ'ল। চিযাহী লাগি চোলাটো ক'লা হ'ল। লগে লগে তেওঁলোকে গুলি চালনাৰ কথা গম পালে। তেতিয়ালৈ ঘটনা তাতকৈযো ডাঙৰ।

শ্ৰীপদ্মকান্ত হাজৰিকা, শ্ৰীতিলক হাজৰিকা আৰু শ্ৰীবলো ভূঞা কলিয়াবৰৰ এই তিনিজনৰ ওপৰতে নগাওঁ জিলা কংগ্ৰেছৰ সকলো কাম কাজৰ স্থায়িত্ব দি নেতাসকল নিশ্চিন্ত হৈ থাকিল। শ্ৰীমহেন্দ্ৰ হাজৰিকাই সকলো কথা তেওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰিলে। "ইতিমধ্যে এজন দুজনকৈ নগাওঁ কংগ্ৰেছৰ প্ৰায় সকলো নেতাই বন্দী হ'ল। থাকিল, আত্মগোপন কৰি যি কেইজন নগাৰঁৱ আন্দোলনটোৰ কুহু কঁপাই আছিল, শ্ৰীমহেন্দ্ৰ হাজৰিকা, শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী, শ্ৰীৰূপৰাম সুত, শ্ৰীকেনু ডেকা, শ্ৰীৰত্ন ডেকা আদি অতি উগ্ৰবাদী এই কেইজনমান মাথো। সন্ত্ৰাসবাদৰ ধাৰণাই তেওঁলোকৰ মনত দকৈ শিপা মেলিলে। বিদ্যাৰৰ জয় প্ৰকাশ নাৰায়ণ এনে আন্দোলনৰ গুৰি ধৰোঁতা। অৰুণা আচফ আলি, চাদিক আলি আদিও জয় প্ৰকাশৰ বিপ্লবী ধাৰণাটোৰ একান্ত সমৰ্থক। গুৱাহাটীৰ শ্ৰীলক্ষ্যধৰ চৌধুৰী (নোটাৰী, সাহিত্যিক, গুৱাহাটী পৌৰ নিগমৰ প্ৰাক্তন মেয়ৰ, অসমৰ প্ৰাক্তন মন্ত্ৰী আদি) দেৱো জয়প্ৰকাশৰ পূৰ্ণ সমৰ্থক। অসমতো জয়প্ৰকাশৰ বিপ্লবৰ সক্ৰিয় ৰূপৰ কাৰ্য্যসূচী প্ৰচাৰিত হৈছিল। গুৱাহাটীৰ পৰা গৈ থকা সেইবোৰ কাৰ্য্যসূচী লক্ষ্যধৰ চৌধুৰীৰ জৰিয়তেই পোৱা গৈছিল। আমি সেইবোৰ বিলাইছিলো। আন্দোলনটোৰ লগত পোনপতিয়া যোগাযোগ থকা বিশেষকৈ দুজন মানুহৰ কথা কেৱে জনা নাছিল। তেওঁলোকৰ এজন হ'ল সেই সময়ৰ নগাৰঁৱ আন্দোলনটোৰ কাম-কাজ পৰিচালনা কৰিবলৈ লোৱা উকীল সুকেন হাজৰিকাৰ খুলশালি, বৰ্ত্তমান গুৱাহাটী বাসীপা সুবোধ হাজৰিকা আৰু আন জন আছিল নগাৰঁৱে বিবিঞ্চিকুমাৰ বৰুৱা আৰু ডাঃ ললিত বৰুৱাৰ ভাগিনিয়েক ডাঃ চৈতন্য হাজৰিকা। এওঁ বৰ্ত্তমান মৃত। এই দুই হাজৰিকা ভেটিয়া কলিকতাৰ ছাত্ৰ। মই সুবোধ হাজৰিকাক দৈনিক লগ পাইছিলো। সুকেন হাজৰিকাৰ ঘৰলৈ যোৱাতো মোৰ অন্যশ্যে কৰ্ত্তব্য আছিল।" এয়া তিলক হাজৰিকাই লিখা কথা।

শ্ৰীসুকেন হাজৰিকাদেৱৰ ঘৰলৈ মাজে মাজে নিশা ছদ্মবেশেৰে অহা শ্ৰীমহেন্দ্ৰ হাজৰিকাক লৈ শ্ৰীপদ্মকান্ত হাজৰিকা আৰু শ্ৰীতিলক হাজৰিকা যাব লগা হৈছিল। নিশাই আকৌ ঘুৰি গৈছিল- মৰিকলঙৰ গোপন বাহৰলৈ। শ্ৰীসুকেন হাজৰিকাৰ লগত মহেন্দ্ৰ হাজৰিকা আৰু ৰূপৰাম সুতেও ৰাতি গোপন আলোচনা কৰিছিল। লগতে থাকিও তিলক, সুবোধে জনা নাছিল যদিও অনুমান কৰিব পাৰিছিল যে কিবা এটা ঘটিব। "নিসন্ধি গোপনীয়তা ৰক্ষা কৰিছিল এই নিশাৰ আলোচনা বোৰত। ইয়াতেই হৈছিল পানীখাইতীৰ বেল বগাবোৱাৰ নিখুঁত পৰিকল্পনা।" —(তিলক হাজৰিকা)।

শ্ৰীসুকেন হাজৰিকাই তিলক হাজৰিকাক নিৰ্দ্দেশ দিলে ঘোৱা গাড়ীত বস্তাৰে মেৰিয়াই বেঁল বগাবোৱা সৰঞ্জাম (লোহাৰ সুঁজুলী) কঢ়িয়াই নি কানিমুনি পৰত বাইডঙিয়াৰ পথত শ্ৰীৰূপৰাম সুতক চমজাই দিবলৈ। দিলেগৈ। শ্ৰীৰূপৰাম সুত তিলক হাজৰিকাৰ প্ৰিয় বন্ধু। ইয়াৰ দুদিনমানৰ ভিতৰতে পানীখাইতীত বেল বাগৰিল। চামগুৰিৰ শ্ৰীশান্তি দাস আৰু কলিয়াবৰৰ শ্ৰীমিণাকান্ত বৰা ধৰমতুলত লগ হৈ বেল বগাবোৱা অভিযানত যোগ দিয়েগৈ।

ইয়াৰ পিছত ১৯৪২ চনৰ ২৩ ডিচেম্বৰ তাৰিখে নগাৰঁৱ কংগ্ৰেছী নেতা শ্ৰীপৰমানন্দ ওজা (বৰ্ত্তমান শ্ৰীসহজানন্দ ওজা) ৰ ঘৰ ঘেৰাও কৰি শ্ৰীপদ্ম কান্ত হাজৰিকাক মাৰপিট কৰি গ্ৰেপ্তাৰ কৰে। (প্ৰথমে ৬ মাহ জেল হয় আৰু তাৰ পিছত ৬ মাহ নিৰাপত্ত বন্দী কৰি ৰাখি মুক্তি দিয়ে)। মহেন্দ্ৰ হাজৰিকা আৰু ৰূপৰাম সুত হঁতকো গ্ৰেপ্তাৰ কৰিলে। লক্ষ্মীপ্ৰসাদ গোস্বামী পলাই সাৰিল। তিলক হাজৰিকাকো গ্ৰেপ্তাৰ কৰি পুলিছে মাতি নিলে

(তেতিয়া ঘাকে তাকে হেন্দকাফ নলগাইছিল মাতিহে নিছিল। লগে লগে যাব লাগে)। কিছুদূৰ গৈ কিবা সুবিধা কৰি বাটৰ পৰা আঁতৰি হেখেত পলাই সাৰিল। ইয়াৰ পিছত তিলক হাজৰিকা নগাঁৱত নাথাকিল। সোণাৰি গাওঁ পালেহি আৰু কেইদিনমান পলাই থাকি গুৱাহাটী পালেগৈ। (কংগ্ৰেছৰ সমৰ্থক পুলিছ সকলে যেনেকৈ পাৰে সহায় কৰিছিল)।

উজান বজাৰৰ হেপিডিলাত কংগ্ৰেছ অফিচ। ত্যাগবীৰ হেম বৰুৱাৰ লগত জামুগুৰিৰ শ্ৰীনাৰায়ণ ভূঞা আৰু কলিয়াবৰৰ ভলাগুৰি সত্ৰৰ শ্ৰীনবীন গোস্বামীও আছিল। শ্ৰীতিলক হাজৰিকাও তাতে থকা হ'ল। ত্যাগবীৰ তেতিয়া ৰোগ শয্যাত। কিন্তু নবীয়া গাৱে শয্যাত শুই শুইয়ে হেখেতে আন্দোলনটোৰ গুৰি ধৰিছিল। কেইদিনমান পিছত বৰুৱাদেৱে তিলক হাজৰিকা আৰু নাৰায়ণ ভূঞাক ৭০০ (সাতশ) টকা দি তেজপুৰলৈ পঠিয়ালে। তাত তেতিয়া যুদ্ধৰ বতাহে আন্দোলনৰ বতাহ সেমেকাই দিছিল। দুয়ো গৈ ঘুৰি পকি ঢেকীয়াজুলিৰ পৰা কলাবাৰীলৈকে কৰ্ম্মীসকলক গোটি খুৱাই পৰামৰ্শ কৰি মহকুমাটোত এটা নাশকতা মূলক কামৰ বাবে সংগঠন কৰিলে।

তেজপুৰ মহকুমাত কুটাঘাতমূলক কার্য্য

চতিয়াৰ শ্ৰীকমলা ভাগৱতী (বিজয় ভাগৱতীৰ ভায়েক), বিশ্বনাথ চাৰিআলিৰ শ্ৰীবিপিন হাজৰিকা আদি বহুতো কৰ্ম্মীৰ লগতে কলিয়াবৰৰ দুজনমানো একগোট হৈ "মহকুমাটোৰ বহুতো ঠাইৰে চৰকাৰী ঘৰ-দুৱাৰ দলং আদিত একে সময়তে জুই দিয়া হ'ল। তাৰে ভিতৰত ভয়ানক বিপদজনক অগ্নি কাণ্ডটো ঘটালে জামুগুৰিৰ দুঃসাহসী যুৱক চন্দ্ৰ হাজৰিকাই (মেট্ৰিক পৰীক্ষাৰ্থী)। চন্দ্ৰই অকলেই তেজপুৰ থানাৰ সমুখৰ ইউৰূপীয়ান ক্লাব ঘৰটোৰ মুখৰ খেৰৰ চালত জুই দিলে। সেই ঘৰটো বৰ ডাঙৰ আছিল আৰু তাতেই আমেৰিকান সেনা বাহিনীৰ কার্য্যালয়টো আছিল।" - (তিলক হাজৰিকা)।

সমগ্ৰ দৰং জিলাতে বিশেষকৈ তেজুপুৰ মহকুমাত পুলিছ মিলিটাৰীয়ে অত্যাচাৰ আৰম্ভ কৰি দিলে।

শ্ৰীতিলক হাজৰিকা কলিয়াবৰৰ। শ্ৰীনাৰায়ণ ভূঞাৰে যুটীয়া নেতৃত্ব। কলিয়াবৰৰ মৃত্যু বাহিনীৰো কে'বাজনো ডেকাও (শ্ৰীমিণাকান্ত বৰা সহ) লিপ্ত থকাৰ কথা ওলাল। গতিকে কলিযাবৰৰ মৃত্যু বাহিনীৰ লোকেই এইবোৰ কাম কৰিলে বুলি তেজপুৰত জনৰব ওলাল। তামোল খোৱা কেৰ্কেটুৱা এৰি নেউলক বান্ধি কিলাবলৈ চৰকাৰী যন্ত্ৰটো উঠি পৰি লাগিল। গতিকে কলিয়াবৰৰ মৃত্যু বাহিনীৰ মানুহ ধৰিবলৈ তেজপুৰৰ পৰা কলাবাৰীলৈকে পুলিছে বিচাৰি চলাঠ কৰিছিল। এই বিষযে অন্য ঠাইত লিখা হৈছে। পুলিছে কলিয়াবৰতো মৃত্যু বাহিনী বিচাৰি আকৌ অত্যাচাৰ কৰিলে।

ইয়াৰ কিছুদিন পিছতে শ্ৰীনাৰায়ণ ভূঞা ধৰা পৰিল। শ্ৰীতিলক হাজৰিকা সম্পূৰ্ণ অকলশৰীয়া হ'ল। গতিকে ঘৰলৈ গুছি আহিল আৰু কলিকতালৈ গুছি গ'ল।

এইজন তিলক হাজৰিকায়ো মুক্তি যুজাক হিচাপে পাব লগা কোনো স্বীকৃতি নাপালে।

ভাৰত ত্যাগ ধ্বনি ঃ গ্ৰেপ্তাৰ

চেপ্টেম্বৰ মাহৰ (১৯৪২ চনৰ) ১ তাৰিখৰ পৰাই কলিয়াবৰৰ পৰা দলে দলে শান্তি সেনা আৰু কংগ্ৰেছ কৰ্ম্মী নগাওঁ টাউনলৈ গৈ ডিপুটি কমিচনাৰ চাহাবৰ কাৰ্য্যালয়ৰ সমুখত একগোট হৈ ধ্বনি দিবলৈ আৰম্ভ কৰিলে। ৪/৫ জনৰ পৰা ১০/১২ জনলৈ একোটা দল হৈ দৈনিক ধ্বনি দিবলৈ যোৱাৰ ব্যৱস্থা কৰা হ'ল। কলিয়াবৰৰ মহিলা সকলৰ ফালৰ পৰাও সুকীয়া দল গৈ ধ্বনি দিয়া হ'ল। জয়ধ্বনি ভাৰত মাতা, মহাত্মা গান্ধীৰ জয় দিয়াৰ পিছতে ধ্বনি দিয়া হয় 'বৃটিছে ভাৰত এৰি, গুছি যাওক'; 'আমাৰ দেশ- আমি চলাম', 'ইংৰাজ চৰকাৰ যাবই লাগিব', 'স্বাধীনতা আমাৰ- জন্মস্বত্ব'। এই কেইটাই প্ৰধান ধ্বনি। অন্য কোনো ধৰণৰ উত্তেজক ধ্বনি দিয়া নহৈছিল।

গাৰিকুৰি গাঁৱঁৰ শ্ৰীদেউৰাম বৰাই আমাক কৈছিল "আমি এদিনাকৈ ৯/১০ জন বা তাতকৈ কম-বেচি লগ হৈ ধ্বনি দিও। প্ৰথম অৱস্থাত মাৰকিল কৰা নাছিল সকলোকে গ্ৰেপ্তাৰ কৰি লৈ গৈছিল। এইদৰে ধ্বনি দিবলৈ যোৱাটো সত্যাগ্ৰহ কৰিবলৈ যোৱা বুলি কোৱা হৈছিল। আমাৰ গাঁৱৰ প্ৰায়বোৰেই গৈছিল। কোনোবাক গ্ৰেপ্তাৰ কৰি নিলে কোনোবাক পিছত এৰি দিলে বা গ্ৰেপ্তাৰ নকৰিলে। শ্ৰীমুহিধৰ গায়ন, শ্ৰীযোগেন্দ্ৰ নাথ বৰা (নোমল) আৰু মোক নিলে। মুহিধৰ ককাইদেউৰ ৬ মাহ আৰু আমাৰ দুজনৰ ৪ মাহকৈ জেল হ'ল। শ্ৰীবানেশ্বৰ নেওগক গ্ৰেপ্তাৰ কৰিছিল কিন্তু এৰি দিলে। কলিয়াবৰৰ পৰা এইদৰে যোৱা বহুতকে গ্ৰেপ্তাৰ কৰিলে।

মহিলা সকলৰ পৰাও কে'বা দিনো এইদৰে ধ্বনি দিছিল। এদিন শ্ৰীমতী মাধবীলতা বৰুৱা, শ্ৰীমতী গুণেশ্বৰী বৰঠাকুৰ, শ্ৰীমতী গুণেশ্বৰী বৰদলৈ (কালৰি বাইদেউ) আৰু ৮/১০ গৰাকীমান একেলগে গৈছিল। পুলিহে গুণেশ্বৰী বৰঠাকুৰক গ্ৰেপ্তাৰ কৰি নিলে। মাধবীলতা বৰুৱাই 'বৃটিছৰ বহতীয়া, চুৰা-চেলেকা নিলাজ' আদি গালি পাৰি 'আহচোন চাওঁ মোক গ্ৰেপ্তাৰ কৰ' বুলি ফেপেৰী পাতি ধৰিলে।" তেওঁক গ্ৰেপ্তাৰ কৰিব নোৱাৰিলে।

"কলিয়াবৰৰ পৰা এইদৰে দলে দলে দৈনিক শান্তিসেনা গৈ ধ্বনি (ধৰ্ণা) দিয়া দেখি নগাঁৱঁৰ মানুহৰ চকু কপালত উঠিল। এইদৰে দৈনিক কলিয়াবৰৰ পৰা মানুহ গৈ অতি শান্তিপূৰ্ণভাৱে ধ্বনি দিছিল। প্ৰথমতে গ্ৰেপ্তাৰ কৰি লৈ গৈছিল। পিছলৈ গ্ৰেপ্তাৰ কৰি জেলৰ মুখৰ পৰাই এৰি দিছিল। তাৰ পিছত দুই এজনক গ্ৰেপ্তাৰ কৰি নি বাকী সকলক পঠিয়াই দি তেওঁলোককো লগে লগে এৰি দিছিল। নগাওঁ জেলত কলিয়াবৰৰ মানুহ ভৰি পৰিল। অৱশেষত গ্ৰেপ্তাৰ কৰিবলৈকে এৰিলে। কলিয়াবৰৰ পৰা যোৱা প্ৰায় ৪০০ মানুহ গ্ৰেপ্তাৰ কৰিছিল। নগাওঁ জেলত মানুহ ৰাখিবলৈ ঠাই নোহোৱা হ'লত যোৰহাট, তেজপুৰ, শিলচৰ, চিলেট জেললৈ বহুতকে পঠিয়াই দিছিল। মাত্ৰ এৰাতিৰ কাৰণে ৰাখিবলৈয়ো নগাওঁ জেলত ঠাই নোহোৱা হ'ল।" শ্ৰীতিলক হাজৰিকা দেৱে এইবোৰ কথা কৈছিল। নগাওঁ টাউনৰ কাছাকাছি বাকৰিৰ পৰা দিহা পৰামৰ্শ দিছিল কলিয়াবৰৰ মানুহক। ধ্বনি দিবলৈ যোৱাৰ সৌভাগ্য আমাৰো হৈছিল। মাৰ্চ

মাহলৈকে কলিয়াবৰৰ পৰা মানুহ গৈ এইদৰে ধৰনি দি আহিল কিন্তু তেতিয়ালৈ সপ্তাহ বা পোন্ধৰ দিনৰ মুৰতহে যোৱা হৈছিল। গ্ৰেপ্তাৰতো নকৰেই, পুলিছে মাত্ৰ চাই থাকে। কেতিয়াবা হঠাৎ আকৌ মাৰকিল কৰি খেদি পঠিয়ায়।

পলাতকৰ পয়মাল

পুলিছ মিলিটাৰীৰ ওচৰত ধৰা নিদি আন্দোলনৰ কাম চলাই যাবলৈ কংগ্ৰেছ নেতাৰ পৰা আৰম্ভ কৰি শান্তি সেনা বা প্ৰাথমিকৰ সদস্য সকলেকে যি সিদ্ধান্ত ল'লে তাত অচল হৈ থাকি কলিয়াবৰৰ মানুহে অশেষ কষ্ট ভোগ কৰিলে।

এইখিনিতে কে'বা গৰাকীও আত্মগোপনকাৰী পলাতকৰ বিষয়ে অলপ ক'ব খুজিছো।

"এবাৰ পলাই ফুৰোঁতে ধনেখোৱাৰ শ্ৰীভিবিৰাম হাজৰিকাৰ ঘৰ পালোগৈ। আমি চাৰিজন। শ্ৰীনলিনীকান্ত শইকীয়া, শ্ৰীভোগেশ্বৰ নেওগ, শ্ৰীবিকু ভূঞা আৰু মই। দুসাজ ভাত খোৱা নাই, অন্য একো এটাও মুখত পৰা নাই ভোকত পেটে কলমলাই আছে। হাজৰিকানীয়ে লৰা লৰিকে ভাত বহালে। মাটি মাহৰ আঞ্জা, পাত মাছৰ শুকান ভাজি। লৰালৰিকৈ খাই তৎক্ষণাৎ পেলাই দিবৰ বাবে আমাক কলপাতত ভাত বাঢ়ি দিলে। আমাৰ এজনে খাই শেষ কৰিছে, দুজনে আধা খাইছে, মই খাবলৈ বহিছোঁহে মাত্ৰ। এনেতে এজন ভলণ্টিয়াৰে দৌৰি আহি খবৰ দিলে মিলিটাৰী গাঁওলৈ সোমাই আহিছে। আমি খোৱা পাত সামৰি লৈ বাৰিৰ ফালে বাঁহনি হাবিত সোমালোগৈ। তাৰ পৰাই দেখিলো মিলিটাৰী হাজৰিকাৰ পদুলিৰ পৰা ঘৰৰ ফালে সোমাই আহিছে। সামৰি অনা ভাতৰ পাত দলিয়াই পেলাই হাবিয়ে হাবিয়ে দৌৰিলো। তেতিয়া দিনৰ এক মান বাজিছিল।

হাবিয়ে হাবিয়ে আহি যমথলা পালোহি। তাত এজন দুৰ্দান্ত সাহসী মানুহ আছিল। ওখ-পাখ, শক্ত-আৰত। নাম শ্ৰীধেনুধৰ বৰা। তেখেতৰ ঘৰ পাই ক'লো- তিনিসাজ ভাত খাবলৈ পোৱা নাই, মিলিটাৰীয়ে দিনে-বাতিয়ে খেদি ফুৰিছে। খুব ভোক লাগিছে। তেখেতে ক'লে এতিয়া ভাত নাই। কিন্তু কোমল চাউল তিয়াই থোৱা আছে, নিমখ-আদা লৈ খাব পাৰ। আমি দুজনে তাকে খাবলৈ লওঁতেই মিলিটাৰী জাক বাটেৰে আহি ধেনুধৰৰ ঘৰৰ কাষৰ ঘৰলৈ দপদপাই সোমাই ঘেৰাও কৰিলে। ভিতৰত কাকো নাপালে। আমি উপাই বিহীন হ'লো। ধেনুধৰে ক'লে "তহঁতে ভয় নকৰিবি খাই থাকে, মই আছো। আহকচোন মোৰ ঘৰলৈ বাল মিলিটাৰী ওফোৰাই দিম, সিহঁতে মোক চিনি নাপায়।" আঙুলি টোৱাই আমাক কথাখিনি কৈছিল।

ওচৰৰ ঘৰৰ পিহফালে বাৰীত এজোপা ৰবাৰ টেঙা পকি মাটিলৈকে ওলমি আছিল। গোৰ্খা মিলিটাৰী মখাই এটা চিঙে ঘচ কৰে কাটে আৰু বস চুপি খাই পেলাই দিয়ে। আকৌ এটা চিঙি কাটে আৰু বস খায়। বাৰজন মিলিটাৰীয়ে তেনেকৈ খাই তহিলং কৰিলে। প্ৰায় ১৫ মিনিট সময় ৰবাৰ টেঙা খাই সিহঁত গ'লগৈ। আমি বক্ষা পৰিলো। বেৰৰ জলাঙাইদি আমি চাই আছিলো। ধেনুধৰৰ নিৰ্ভয় বাণী- খাই থাক, এখোজো লৰচৰ নকৰিবি, এটা কাহো নেমাৰিবি। অসীম সাহসী ধেনুধৰ বৰা, বয়স ৬০/৭০ হ'ব। কংগ্ৰেছৰ সমৰ্থক।"

শ্ৰীভিবিৰাম হাজৰিকা (ওৰফে গোলোক) ধনেখোৱা প্ৰাথমিকৰ তেতিয়া সভাপতি। ওপৰৰ কথাখিনি শ্ৰীসোমেশ্বৰ বৰাদেৰে কোৱা কথা।

সোণাৰি গাঁৱৰ কে'বাজনো কলিযাবৰত থাকিব নোৱাৰি জামুগুৰিৰ ফালে গুছি গ'ল। পানপুৱত ঘাটৰ পৰা অলপ আগ বাঢ়োতেই মিলিটাৰী দেখি হাৰিৰ মাজত সোমাল। কিছুদূৰ মিলিটাৰীয়ে খেদি গৈ ঘুৰি আছিল। হাবিয়ে হাবিয়ে তেওঁলোক গৈ জামুগুৰিৰ পশ্চিমে ভৰলি নদীৰ পাৰ পালেগৈ। তাতো সিপাৰে মিলিটাৰী দেখি ঘুৰি আকৌ হাবিত সোমাল। ইফালে জামুগুৰিটো মিলিটাৰী ভৰি আছে। দুদিন দুৰাতি ভোকে লঘোণে হাবিৰ মাজতে থাকিল। যিমান পাৰে ভৰলিৰ পানীকে খালে। তাৰ পিছৰ দিনা পথাৰৰ পৰা এটা খাহী ছাগলী ধৰি নি জুইত পুৰি মাংস খাই থাকোঁতেই জামুগুৰিৰ মানুহে চাৰিও জনকে ধৰি আনিলে। লপা থপাও কৰিলে। তেওঁলোকৰ কথা বিশ্বাস নকৰিলে। কিবা উপায় কৰি দুজন পলাল। শ্ৰীঘনকান্ত হাজৰিকা আৰু শ্ৰীথোলোক হাজৰিকা দুযোকে কি শাস্তি দিব বিচাৰ কৰিবলৈ মেল বহিল। দুয়োজনকে পুলিছত গটাই দিয়াৰ ব্যৱস্থা কৰিলে। ইতিমধ্যে পলাতক হৈ ৰঙাচকুৰাৰ ফালে থকা কলিয়াবৰৰ শ্ৰীমিণাকান্ত বৰা আৰু জামুগুৰিৰে শ্ৰীনাৰায়ণ ভূঞাই গম পাই আহি বহুত বুজাই বঢাই ৰাইজক শান্ত কৰিলে। গোটেই পৰিস্থিতিটো বুজি পাই তেওঁলোকক ক্ষমা কৰিলে আৰু ভালকৈ খুৱাই বুৱাই লুকুৱাই ৰাখিলে।

শ্ৰীতিলক হাজৰিকাই তিনিগৰাকী অসাধাৰণ নেতাক কেনেকৈ পলুৱাই নিলে টোকাত লিখিছিল।

"তেওঁ (শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী) উকীল প্ৰতাপ শৰ্ম্মাৰ ঘৰতে সাধাৰণতে আত্মগোপন কৰি আছিল। এবাৰ সংকট উপস্থিত হোৱাত তেওঁক সোণাৰি গাঁৱৰ আমাৰ ঘৰলৈ পলুৱাই নি তাৰ পৰা ৰাতিয়েই শিলঘাটৰ পৰা নাও ভাৰা কৰি তেজপুৰলৈ নিলো। তেজপুৰত খুব পুৱাই তেজপুৰ বালিপাৰা ৰেলখন ধৰি গাৰ্ড নন্দেশ্বৰ গোস্বামীক সকলো কথা কোৱাত তেওঁ তেওঁৰ কেবিনতে লৈ গ'ল আৰু চেচা ষ্টেচনত থকা তেওঁৰ জোৱায়েক ষ্টেচন মাষ্টৰ কলিয়াবৰৰ যোগেন গোস্বামীৰ (পিছলৈ কলিয়াবৰ হাইস্কুলৰ শিক্ষক) ওচৰত চমজাই দিলে। গোস্বামীয়ে আত্ম গোপনৰ সুবিধা কৰি দিলে।

একেদৰেই ইয়াৰ আগতে মই সুকৈ হাজৰিকাৰ দিহা মতে জ্যোতি প্ৰসাদ আগৰৱালাকো শিলঘাটৰ পৰা নাৱেঁৰে পলুৱাই নি প্ৰথমতে পানপুৰৰ মোৰ বাইদেউ এগৰাকীৰ ঘৰত সুমুৱাই পিছত চাইকেলত তুলি নিশা জামুগুৰিহাটৰ গাওঁ কেইখন মানলৈ লৈ গৈছিলো। তেনেকৈ লৈ ফুৰোঁতেই অমলপ্ৰভা দাসক লগ পাই জ্যোতিপ্ৰসাদ গহপুৰলৈ যায় আৰু কেইদিনমান পিছতে কনকলতা গুলিত নিহত হয়। তাৰ পিছতে ঢেকীয়াজুলীত গুলি বৰ্ষণৰ ঘটনা। এই দুয়োটা ঘটনাতে জ্যোতিপ্ৰসাদে আমাৰ আগত প্ৰকাশ কৰা তেওঁৰ বিপ্লৱৰ চেতনা আৰু কল্পনাৰ আভাষ আছিল।

এদিন এনেকৈয়ে নিকামূল (তেজপুৰৰ) সত্ৰাধিকাৰ শ্ৰীগহণ চন্দ্ৰ গোস্বামীকো নিশা শিলঘাটৰ পৰা নাৱেঁৰে তেজপুৰলৈ পাৰ কৰি দিব লগীয়া হৈছিল। সেইদিনা আছিল ধুমুহা বতাহ মাজ পানীত। তেওঁ সাধাৰণতে মাধবাদীৰ উপেন্দ্ৰ নাৰায়ণ গোস্বামী বা গিৰিকান্ত মহন্তৰ ঘৰতে থাকেহি। তেওঁৰ কাৰণেই গাঁৱৰ মানুহৰ শান্তি নোহোৱা হ'ল বুলি হেনো অভিযোগ আৰু ধৰাই দিয়াৰো আশংকা হৈছিল। সেইদিনা তেওঁ গোলাঘাটৰ পৰা চাইকেল মাৰি আহি নিশাই তেজপুৰলৈ যোৱাৰ কথা ভাবিছিল। ভাগ্য ভাল, ধুমুহাই নাও নুফুৰালে।"

শ্ৰীসোমেশ্বৰ বৰা দেবৰ স্মৃতিৰ ভঁৰালত সজীৱ হৈ থকা কথাখিনি তলত

তুলি দিয়া হ'ল।

"শ্ৰীভোগেশ্বৰ নেওগ, শ্ৰীনলিনী কান্ত শইকীয়া আৰু মই। কলিয়াবৰত আমি ক'তো থাকিব নোৱাৰা হ'লো। য'লৈকে যাওঁ আমাক চিনি পোৱা চোৰাংচোৱাই পুলিছত খবৰ দিয়ে। তৰানৱা হিণ্ডি বাইতলে কলা তলে দৌৰি পলাব লাগে। কাৰো ঘৰত থকাতো দূৰৰে কথা এমুঠি ভালকৈ খাবলৈয়ো নাপাও। প্ৰায়েই আধা খোৱা অৱস্থাতেই উঠি দৌৰ মাৰিব লাগে। ঠিক কৰিলো আমি তিনিও উত্তৰ পাৰলৈ যাওঁ।

মাৰ নাৱঁত চাইকেল তুলি তিনিও পাৰ হ'লো। পানপুৰ ঘাট পায়েই আমাৰ চুলিৰ আগে জীৱ যোৱা অৱস্থা হ'ল। চতিয়াৰ শ্ৰীগোলাপ হাজৰিকা দাৰোগা সত্যাগ্ৰহৰ সময়ত (১৯৪০) কুৰৱীটোল থানাত আছিল প্ৰথম বাৰ। তেতিয়াই আমাক ভালকৈ চিনি পাইছিল। ১৯৪২ চনৰ চেপ্টেম্বৰ/অক্টোবৰ মাহত অলপ দিন দ্বিতীয় বাৰৰ বাবে কুৰৱীটোললৈ আহিছিল। আমাক বিচাৰি কে'বা দিনো আমাৰ প্ৰত্যেকৰে ঘৰ খানাতালাহ কৰিছিল।

তেখেত আগবাঢ়ি আহি আমাক ভাল বেযা খবৰ সুধিলে। আমিও তেখেতৰ ঘৰুৱা খবৰ সুধিলো। তেখেতে ক'লে 'মোক শিলচৰলৈ বদলি কৰিছে তালৈকে যাবলৈ আছিছো।' সেই কথা শুনিহে আমি স্বস্তিৰ নিশ্বাস এৰিলো, ৰক্ষা পৰিলো।

আমি চাইকেলেৰে আগবাঢ়িলো। জামুগুৰি পাৰলৈ দুমাইল মান থাকোঁতেই এজন ভলণ্টিয়াৰে আমাক ৰখাই পৰিচয় সুধিলে। আমি কলিয়াবৰৰ বুলি কোৱাৰ লগে লগে আমাক সাৱধান কৰি দিলে। 'কলিয়াবৰৰ তিনিজন মৃত্যু বাহিনীৰ লোকে তেজপুৰ বজাৰত জুই দি পুৰি চাই কৰিলে। সেইবাবে তেজপুৰ ফেৰীঘাটত মিলিটাৰীয়ে পহৰা দি আছে আৰু কালিবে পৰা কলিয়াবৰৰ মানুহ বিচাৰি ফুৰিছে। এতিয়াও জামুগুৰিত মিলিটাৰী আছে। আপোনালোকো তিনিজন। গতিকে আপোনালোকক পালে অৱস্থা বেয়া হ'ব।

তেওঁৰ কথা শুনি আমি ভেশ্ছন কৰিলো। নলিনী শইকীয়াই গাত মাত্ৰ চাদৰখন লৈ লণ্ডন পিন্ধি কপালত চন্দনৰ ফোঁট লৈ অধিকাৰ সাজিলে। ভোগেশ্বৰ হ'ল লিটিকাই। তেওঁলোকক আগত যাবলৈ দি মই প্ৰায় ডেৰ মাইল মান পিছত গ'লো। এটা দীঘৰ হাতৰ ক'লা চোলা আৰু লেতেৰা চুৰীয়া এখন আঠুমুৰীয়াকৈ পিন্ধি মাচুৰৈ হ'লো। আমি বিভিন্ন পোছাক লগত লৈ ফুৰো।

বিশ্বনাথ চাৰিআলিৰ লেহ গাৱঁৰ কংগ্ৰেছ কৰ্মী শ্ৰীহৰকান্ত হাজৰিকাৰ ঘৰ পালোগৈ। মোতকৈ আধাঘণ্টামান আগতে নলিনীইঁত পালেগৈ। মই গৈ পোৱাৰ অকণমান পিছতে এজন ভলণ্টিয়াৰ আহি ক'লেহি 'আমাৰ খবৰ মতে তিনিজন কলিয়াবৰীয়া মানুহক বিচাৰি গোটেই জিলাতে চলাঠ কৰিছে। আমাৰ গাঁৱলৈকো আজিয়েই যি কোনো মুহূর্ততে আহিব।

অধিকাৰ আৰু লিটিকাই দুযোকে ভলণ্টিয়াৰ জনে আঁতৰাই নিলে। মই মাচুৰৈ হৈয়ে মিতিৰৰ ঘৰতে থাকিলো (শ্ৰীহৰকনাথ হাজৰিকা মোৰ জ্ৰেঠেৰী)। পিছৰ দিনা এজন ভলণ্টিয়াৰে মোক নি জংঘলৰ মাজৰ এখন চালিৰ তলত সুমুৱালেগৈ। দেখিলো তাত ধান খেৰৰ ওপৰত এজন মানুহ বহি আছে। চিনাকি হৈ জানিলো তেখেত ভীৰ গাৱঁৰ শ্ৰীচেনীৰাম দাস। পলাতক। কলঠৌৰাৰে ডাঠকৈ বেৰ দিয়া খেৰৰ চালি খনৰ ভিতৰতে আমি তিনিদিন থাকিব লগা হ'ল। কাৰণ তিনিও দিন মিলিটাৰীয়ে পিনাপিন দি ফুৰিছে। চোৰাং চোৰাই খবৰ দিছে তিনিজন কলিয়াবৰীয়া বিশ্বনাথ চাৰিআলিত আছেহি।

তাতে আমাক খোৱা বোৱাৰ সকলো যোগাৰ দিছিল। সেই হাবিৰ মাজত প্ৰায়েই বাঘ থাকে। আত্ম ৰক্ষাৰ বাবে আমাৰ হাতত দুখন দা দিলে। এটা টৰ্চ আৰু এটা হাত লেম। পিছত গম পালো সেই ডোখৰ শ্মশান আছিল। আমি শ্মশানৰ ভূত ৰখীয়া হৈ থাকিলো। বাঘ নোলাল। ৪র্থ দিনা আমি শ্ৰীদাসৰ ঘৰলৈ গ'লো।

চেনীৰাম দাসৰ পৰিবাৰে দেখিয়েই টান কথা শুনালে। কিহে পাইছে ঘৰলৈ আহিবলৈ। দিন ৰাতি চেদ ভেদ নোহোৱাকৈ মিলিটাৰী আহি আছে কোতে খাই ওলাই যাওক। শ্ৰীদাসৰ পৰিবাৰে ফুলত মাউৰী কাম কৰে। আধা সিজা ভাত আৰু আধা সিজা মচুৰ দাইলেৰে ভাত বাটি দিলে। তাকে ভোকত মহা তৃপ্তিৰে

অমৃত খোৱাদি খালো। তিতা মুখেই পিছ ফালেদি ওলাই যোৱাৰ পিছ মূহৰ্ততে মিলিটাৰী আহি ঘৰ ঘেৰাও কৰিলে। চোৰাংচোৱাই আমি ঘৰ সোমোৱাৰ খবৰ দিছিল। বিশ্বনাথ চাৰিআলি থানাৰ পৰা লগে লাগ আছিল যদিও প্ৰায় ১৫ মিনিটৰ ভিতৰতে আমি ওলাই গ'লো।

"হাবিয়ে হাবিয়ে বিশ্বনাথ ঘাটৰ ফালে গ'লো। তাত মই শ্ৰীভোগেশ্বৰ নেওগক লগ পাই শ্ৰীচেনীৰাম দাসক এবিলো। নলিনী অন্য ঠাইত থাকিল। আমি দুয়ো ভেশচন কৰি চাইকেল লৈ গামিৰি পালোগৈ। শান্তি সেনাই আমাৰ চাইকেল আনি দিছিল। তাত ভোগেশ্বৰৰ দেউতাক শ্ৰীবেথাৰাম নেওগৰ চাহ মিঠাইৰ দোকান আছিল। আমাক দেখিয়েই তেখেতে বকিবলৈ ধৰিলে এতিয়া তইঁতে সৰ্ব্বনাশ কৰিবি, মিলিটাৰী আহি গোটেইবোৰ লণ্ড ভণ্ড কৰি ঘৰ দুৱাৰো ভাঙি পেলাব। তইঁত ওলাই যা। ভোগেশ্বৰে বাপেকৰ কথালৈ কাণ নিদি দোকানৰ পৰা যিমান পাৰে মিঠাই মোনাত ভৰাই লৈ ওলাই আহিল।

পেটত মহা ভোকৰ জুই জ্বলিছে আমি এতিয়া ক'ত বহি খাওঁ ম'লৈকে যাওঁ মানুহে ঠাই দিব নোখোজে- মিলিটাৰী ঘুৰি ফুৰিছে আহি পালে সুদাই নেবে। সেই ঠাই বোৰ ভোগেশ্বৰৰ চিনাকি। এঘৰত চাইকেল থৈ আমি ব্ৰহ্মপুত্ৰৰ পাৰলৈ গ'লো- হাবিৰ মাজে মাজে এটা গৰু বাটেৰে। গৰুৰে পানীখোৱা ঘাট যদিও কিছু চাফা আছিল। পানী ঘুঁৰলিত থিয় হৈ পাৰোমানে মিঠাই নিমকি খালো আৰু পানীও খালো আঁজলিয়ে আঁজলিয়ে। পেটৰ ভোক শাম কাটিলে কিন্তু মনৰ ভয় বাঢ়িল। কাৰণ খবৰ পালো মিলিটাৰী গামিৰি ঘাটলৈকে আহিছে, গৰখীয়াই ক'লে। ৰাতি মোক ভোগেশ্বৰে কাৰ ঘৰত ৰাখিলে নাজানো। অচিনাকি মানুহ। খোৱা বোৱাৰ কথা নাই ৰাতিটো খাটিয়া এখনতে ৰাৰন্দাত শুই কটালো। দোক মোকালিতে ভোগেশ্বৰ পালেহি- ওলাই গ'লো। এনেকৈয়ে য'তে ত'তে ঘুৰি ফুৰোঁতেই দুদিন দুনিশা পাৰ হ'ল।

মই অকলে ঘুৰি আহিলো। এজন ভলণ্টিয়াৰে মোক নি এঘৰত সুমুৱালে। দেখিলো শ্ৰীচেনীৰাম দাসো তাতে আছে। এদিন এৰাতি থাকি ৭ টকাত এখন গুটীয়া নাও ভাৰা কৰি ব্ৰহ্মপুত্ৰ পাৰ হ'লো। নাওঁখন দুমাইলমানৰো বেচি শুণ টানি উজনিলৈ নি এৰি দিলে। ইপাৰে আহি আমি দেওচুৰ বুঢ়াপাহাৰৰ ওচৰৰ গটঙা গাওঁ পালোহি। গটঙাৰ গাওঁবুঢ়া শ্ৰীভোগৰাম ৰবাৰ ঘৰত দুদিন দুৰাতি থাকিলো। তেখেতে ৰাগ (বৃহৎ আকাৰৰ) ৰবালি মাছৰ পেটিৰে ভাত খাবলৈ দিছিল।

গটঙাৰ পৰা আহি আমি বুঢ়াপাহাৰ চাহ বাগিছাৰ তেতিয়াৰ মেনেজাৰ সোণাৰি গাঁৱৰ শ্ৰীগোলাপ হাজৰিকাদেৱৰ বঙলা পালোহি। তাতে লগ পালো তেজপুৰৰ নিকামূল সত্ৰৰ সত্ৰাধিকাৰ পলাতক কংগ্ৰেছ নেতা শ্ৰীগহণ চন্দ্ৰ গোস্বামীদেৱক। বুঢ়াপাহাৰৰ বাগিছাৰ মালিক অসমীয়া মানুহ, মেনেজাৰো অসমীয়া, কংগ্ৰেছৰ সমৰ্থক। অসমৰ প্ৰায়বোৰ কংগ্ৰেছ নেতায়েই সেই বাগিছাত পলমীয়া অতিথি হৈছিল।

এৰাতি থাকি দুয়োজন ছদ্মবেশ ধৰি আকৌ চাইকেলেৰে আহি শিলঘাট পালোহি। জাহাজঘাটত এখন সৰু নাৱঁত চেনীৰাম দাসক তুলি পানপুৰ ঘাটলৈ পঠিয়াই মই শিলঘাটৰ ওচৰে পাজৰে পলাতক হৈয়ে থাকিলো। ঘৰলৈ নগ'লো।"

এইদৰে পলাই হাবিয়ে বননীয়ে ঘুৰি ফুৰি সহকৰ্ম্মী সকলৰ সৈতে শ্ৰীসোমেশ্বৰ ৰবাদেৱে অশেষ শাৰিৰীক যাতনা ভূগিলে। ঘৰলৈ কি গাৱঁৰ ফালেও যাব নোৱাৰে। চৰকাৰী চোৰাংচোৱা পিনা পিন দি ফুৰিছে। কলিয়াবৰৰ প্ৰায় সকলো গাৱঁতে এই অৱস্থা। কংগ্ৰেছ নেতা, শান্তি সেনা বিশেষকৈ মৃত্যু বাহিনীৰ সেনা আৰু কৰ্ম্মীসকল ৰাতি ঘৰৰ বিচনাত শোৱাতো দুৰূহ হৈ পৰিছিল। এইসকলে ৰাতি জংঘলৰ মাজত আম গছত উঠি বা কুহিয়াৰণিৰ মাজত কটাৰ লগা হৈছিল। তাৰ মাজতে ছদ্মবেশেৰে হাল বাই বা খেতিৰ অন্য কামো কৰিছিল।

পলাই ফুৰোঁতে এদিন শ্ৰীবিষ্ণু ভূঞা, শ্ৰীযোগাই বৰা, শ্ৰীমিণাকান্ত বৰা আৰু এজন ভিঞাৰিচুকৰ শ্ৰীনলিনী শইকীয়াৰ ঘৰত জলপান খাই থাকোঁতেই মিলিটাৰী আহি ঘৰ ঘেৰাও কৰিলে। আগ পিছ দুয়োফালে দুৱাৰ বন্ধ। দুৱাৰত ঢকা পৰিল। নলিনী শইকীয়াৰ ভনীয়েক 'অকণে' পিছফালৰ দুৱাৰ খুলিলে, মিলিটাৰী বা পুলিছ ভিতৰ সোমাব নোৱাৰাকৈ আগভেটি ধৰি পুলিছ বিষযাজনৰ লগত কথা পাতিবলৈ লাগিল । কথা পতা শুনি কাষৰ মিলিটাৰী কেইজন ওচৰ চাপিলগৈ। আগফালে দুৱাৰৰ দুফালে দুজন মিলিটাৰীযে পহৰা দি থাকিল। হঠাৎ দুৱাৰ খুলি দুজনে একে সময়তে দুয়োজন মিলিটাৰীৰ থুতৰীৰ কাষত প্ৰচণ্ড ঘোচা মাৰিলে আৰু লগে লগে পিছতে ওলোৱা দুজনে খুন্দামাৰি একে সময়তে দুয়োটাকে গতামাৰি পেলাই দৌৰি হাবিৰ মাজেৰে গৈ জয়সাগৰ দলনিৰ ফালে গুছি গ'ল। আচল কথাটো হ'ল দুয়োজন মিলিটাৰী বহুত সময়লৈকে অজ্ঞান হৈ পৰি থাকিল। নলিনী শইকীয়া সেই সময়ত পলাতক।

পলাতক মিণাকান্তৰ অমূৰ্ত্তক জ্বৰ উঠিল। পুবথৰীযাৰ শ্ৰীভিবিৰাম বৰাৰ ঘৰ সোমালগৈ। পিছে পিছে পুলিছ মিলিটাৰী। উপায় নাপাই দোলাত তুলি পৰ্দ্দাৰে ঢাকি ঘৰৰ পৰা দুজনে উলিয়াই আনি অলপ দূৰ নি জংঘলৰ মাজত থ'লৈগৈ। তাতে মহে দগৰি খালে।

কলিকতাৰ শান্তি নিকেটনত শিক্ষা লাভ কৰা শ্ৰীবীৰেন্দ্ৰ কুমাৰ বৰুৱা আন্দোলনৰ ভৰপকৰ সময়তে স্কুল এৰি গুছি আহিল। তিনি মাহ পলাই ফুৰি কলিযাবৰত থাকিব নোৱাৰা হ'ল। আচল ঘৰ শাকমুঠি গাৱঁত, বাপেক শ্ৰীযোগেশ্বৰ বৰা, তেতিযা দৰং জিলাৰ দলগাঁৱৰ ওচৰৰ কো' পাতিত থাকে।

ৰাতি পুৱাওঁতেই ওলোলা। বীৰেন বৰুৱাক ভুৰবন্ধাত নাৱঁত তুলি তেজপুৰলৈ পঠিয়াব লাগে। মাধতাৰী পাওঁতেই কিবা এটা বাইঁনিৰ মাজৰ পৰা খৰমৰাই ওলাই আহি আমাৰ অকণমান আগেদিয়েই সত্ৰৰ ফালে দৌৰি গ'ল। উদংগাৰে তিযনি পিন্ধা মানুহহে। আমি সেইপোন পাওঁতেই ভোঁ ভোঁ গোঁ গোঁ শব্দ কৰি এজাক কোদোঁ বৰল আমাৰ দুযোটৰ গাত পৰিলহি। মূৰে গাযে-মেৰিযাই লোৱা এৰি চাদৰৰ ওপৰত সহস্ৰ ক'লা ক'লা বুটাৰ দৰে হ'ল। আমি যিমান পাৰো দৌৰিলো। প্ৰায় আধা মাইল গৈ মাজ পুবথৰীযা পাও মানে মূৰ আৰু হাতত কে'বাটাযো কামুৰিলে। দুযোটাই চাদৰ দুখন ওলোটাই মেৰিয়াই কোঁদোবোব মোহাৰি মাৰিলো। দুযো দুয়োৰে মূৰৰ পৰা তিতা গামোচাৰে (হাটবৰত গামোছা পিন্ধি কলং পাৰ হৈছিলো) ধৰি এৰুৱালো। শান্তিপুৰ পাৰ হোৱাৰ পিছত মোৰ কপাল চকু ফুলি নলতলি পাওঁমানে চকুৰে একো নেদেখা হ'লো। শ্ৰীভাৰত ভূঞাইঁতৰ ঘৰ পালোগৈ। মোৰ ভীষণ জ্বৰ উঠিল। বীৰেন দাদাৰো জ্বৰ উঠিছিল কিন্তু নৰ'ল। শান্তি ভূঞা কাকইদেউইঁতে ভুৰবন্ধাত নাওঁ ভাৰা কৰি পঠিযাই দিলে। ৫ দিন মই ভাৰতইঁতৰ ঘৰতে থাকিলো। কমল বাইদেৰে (ভাৰতৰ সৰু বাযেক) মোক ধৰি ধৰি বাহিৰ ভিতৰ কৰিলে। শ্ৰীদেবেন ভূঞা (দুণ্ডি) ৰ দেউতাকে ঔষধ লগালে। জৰা ফুকা কৰিলে কে'বাজনেও। পিতাদেউ (ভাৰতৰ বাপেক) মোৰ ওচৰত দিনটো বহি থাকে।

ইফালে থিয়েটাৰ পাতি প্ৰচাৰ কাৰ্য্য চলোৱা বাবে গাৱঁত 'তাৰা' (অম্বিকা গোস্বামীদেৱৰ?) নামৰ নাটকৰ থিয়েটাৰ। মোৰ ভাও তাৰাৰ, (নায়িকাৰ)। প্ৰথম দুদিন একো ক'ব নোৱাৰো। পিছৰ তিনিদিন ভাৰতক অভিনয় কৰিবলৈ গোটেইখিনি শিকালো। নাটকখনৰ বচনবোৰ মোৰ সম্পূৰ্ণ মুখস্থ আছিল। ইফালে মই কো'পাতি পালোগৈ বুলি থিয়েটাৰ বন্ধ কৰাৰ ঠিক কৰিলে। সেই দিনাই, ৬ দিনৰ দিনা, পালোহি। মোৰ চকু আধা মেল খালে। থিয়েটাৰ বন্ধ নকৰিলে। ভাৰত ভূঞাই সুন্দৰ অভিনয় কৰিলে। কোঁদোৰে কামোৰা দাগ দুটা এতিয়াও কপালত জিলিকি আছে।

থিযেটাৰ নামতহে। প্ৰত্যেক দৃশ্যৰ পিছে পিছে বহুৰা উলিয়াই বা 'নটৰ মাজৰ নাট' হিচাপে আন্দোলন সম্পৰ্কীয় প্ৰচাৰ কাৰ্য্য চলোৱাটোৱেই আছিল মূল উদ্দেশ্য। এই ধৰণৰ প্ৰচাৰ কাৰ্য্যই সহজে মানুহৰ মনত সাঁচ বহুৱাইছিল।

এইবিলাক ব্যক্তিগত ঘটনা যেন লাগিলেও আন্দোলনটোৰ লগত ওতঃপ্ৰোত সম্বন্ধ থকা কথাৰে ভৰপুৰ। সেই সময়ৰ পৰিস্থিতি কি আছিল আন্দোলনকাৰীসকল কি অৱস্থাত পৰিছিল এইবোৰ কথা কোনেও বুজি নাপাব। এতিয়া বহুত পলম হৈ গ'ল, প্ৰায়বোৰেই ইহ সংসাৰ ত্যাগ কৰিলে। তেওঁলোকৰ মুখৰ পৰা শুনি ৰাখি থ'ব পৰা হ'লে আৰু বহুত কথাই ৰাইজক জনাব পৰা হ'লহেতেন।

সমান্তৰাল সমৰ সজ্জা

১৯৪২ চনৰ মার্চ এপ্ৰিল মাহৰ পৰাই সৰুভগীয়া গাৱঁৰ সমুখৰ বাহঁনিদৰাত বৃটিছ আৰু আমেৰিকাৰ যুদ্ধৰ কোঠ মাৰি সৈন্য সমাবেশ কৰাৰ কথা আগতেই কোৱা হৈছে। আমেৰিকান সৈন্যৰ লগলৈ কিছুদিন পিছতে গোৰ্খা ৰেজিমেণ্ট, নগা আৰু দক্ষিণ ভাৰতীয় সৈন্যও অনা হ'ল। যুদ্ধৰ সকলো আহিলা পাতিও হোৱা হোৱে অনা হ'ল। ইয়াৰ উপৰিও সোণাৰি গাৱঁৰ উত্তৰ ফালে বিৰাট হাৰি আৰু মুকলি ঠাইত,ঘোৰাকাটিত আৰু বাঢ়ৈ দঙাতো সৈন্যৰ লগতে যুদ্ধৰ সামগ্ৰীৰ গুদাম পাতিলে। সেই সময়ৰে পৰা বিশেষকৈ জুলাই মাহৰ পৰা অক্তোবৰ মাহৰ মাজ মানলৈ কলিয়াবৰত দুখন যুদ্ধৰ প্ৰক্ৰিয়া সমানে চলিল। এফালে সৈন্য সকলৰ সঞ্চালন, কুচকাৱাজ আৰু মিলিটাৰীৰ সঘন অহা যোৱা, মাজে মাজে যুদ্ধৰ বিকুল (শিঙা) ৰ ধ্বনি আৰু আনহাতে কংগ্ৰেছৰ সভা-শোভাযাত্রা, সংগঠনৰ কাম কাজ, শান্তি সেনা আৰু মৃত্যু বাহিনীৰ সেনা সকলৰ কুচ কাৱাজৰ প্ৰশিক্ষণ, কুটাঘাতমূলক কাম সমান্তৰাল ভাবে চলি থাকিল। মানুহে প্ৰতি মুহূৰ্ত্ততে অনিশ্চিত বিপদৰ চিন্তা ভাৱনাৰ মাজত কাল কটাব লগীয়া হ'ল। দিন ৰাতি চেদ ভেদ নোহোৱাকৈ পুলিছ মিলিটাৰীৰ অত্যাচাৰৰ মাজত কংগ্ৰেছ নেতা কৰ্ম্মী, শান্তি সেনা, মৃত্যু বাহিনীৰ লোকে চাৰিওফালে তীক্ষ্ণ দৃষ্টি ৰাখি জংঘলকে বাসস্থান কৰি চলা ফুৰা কৰি আন্দোলন তীব্র গতিত চলাই গ'ল। পুলিছ মিলিটাৰীয়ে সকলো সময়তে মানুহক আতঙ্ক গ্রস্ত কৰি ৰাখিলে।

পৰিচালনা বা পৰামৰ্শ কমিটিৰ সভা আৰু প্ৰস্তাৱ

এনে পৰিস্থিতিৰ মাজতে কলিয়াবৰ কংগ্ৰেছে নিজৰ কাম কৰি গ'ল। ওপৰৰ পৰা অহা নিৰ্দ্দেশ মতে অহিংস ভাৱে মানসিক হেঁচা প্ৰয়োগ কৰি চৰকাৰী বেচৰকাৰী সকলো কৰ্ম্মচাৰীকে আন্দোলনত যোগ দিবলৈ বাধ্য কৰাৰ ব্যৱস্থা কৰা হ'ল।

১৩/১০/৪২ তাৰিখে পৰামৰ্শদাতা কমিটিৰ সভাত তলত দিয়া প্ৰস্তাৱ গ্ৰহণ কৰে।

"প্ৰস্তাৱ - ১৫/১০/৪২ তাৰিখে যদি সম্ভৱ হয় নিজ দায়িত্বত থানালৈ গৈ কৰ্ম্মচাৰী আৰু পণ্টন সকলক পিকেটিং কৰিবলৈ শ্ৰীযুতা গুলেশ্বৰী দেৱীৰ ওপৰত ভাৰ দিয়া হওক। তেখেতে লগত ১২/১৪ গৰাকীমান সাহসী মহিলাও লগত নিব। বাকী মানুহে আগৰ আচনি মতে ১৫ তাৰিখ দিনটো পালন কৰিব।"

ইয়াৰ পিছত লিখা আছে-

"উপস্থিত পৰামৰ্শ কমিটিৰ সদস্য সকল-

১।	শ্ৰীযুত বাপাৰাম হাজৰিকা	৫।	„ গোলাপ বৰুৱা (বৰুৱাচুক)
২।	„ লীলাকান্ত বৰা	৬।	„ গোলোক বৰঠাকুৰ
৩।	„ গুণাৰাম বৰা	৭।	„ নগেন্দ্ৰ নাথ খাউণ্ড
৪।	„ ৰমাকান্ত বৰা		

বাহিৰা লোক-

১। শ্ৰীযুত লক্ষীকান্ত গোস্বামী

২। „ ৰতিন্দ্ৰ নাথ কোৰ্জ্জি।"

আগৰ আঁচনি অৰ্থাৎ ১৫/১০/৪২ তাৰিখৰ আঁচনি কি আছিল তাৰ সবিশেষ থকা কোনো নথি পত্ৰ ক'তো বিচাৰি নাপালো।

ইযাৰ পিছত বেলেগ বেলেগ তাৰিখে বহা পৰামৰ্শ কমিটিৰ প্ৰস্তাৱ সমূহ তলত তুলি দিয়া হ'ল।

"২১/১০/৪২ তাৰিখে পৰামৰ্শ কমিটি বহি তলত দিয়া প্ৰস্তাৱ সমূহ গ্ৰহণ কৰে-

(ক) প্ৰস্তাৱ - গান্ধী জয়ন্তী উপলক্ষে যিসকল কৰ্ম্মচাৰীয়ে কৰ্ত্তব্য পালন কৰা নাছিল তেওঁলোকৰ ওপৰত প্ৰাথমিকৰ দ্বাৰা যি ব্যৱস্থা লোৱা হয়, যদি লোৱা নাই, তাৰ সম্পূৰ্ণ আৰু সন্তোষজনক কৈফিয়ৎ অতি সোনকালে অফিচলৈ পঠাবলৈ প্ৰত্যেক প্ৰাথমিকক নিৰ্দ্দেশ দিয়া হওক।

(খ) প্ৰস্তাৱ - যি সকল মণ্ডল, গাওঁবুঢ়া ও পণ্ডিতে কংগ্ৰেছৰ নিৰ্দ্দেশ অনুসৰি প্ৰতিশ্ৰুতি পত্ৰত চহী কৰা নাই, তেওঁলোকৰ পৰা অতি সোনকালে প্ৰতিশ্ৰুতি পত্ৰ লৈ অফিচলৈ পঠাবলৈ প্ৰত্যেক প্ৰাথমিকক নিৰ্দ্দেশ দিযা হওক।

(গ) প্ৰস্তাৱ - কেন্দ্ৰীয় অফিচে জানিব পাৰিছে যে তলত নাম দিয়া কৰ্ম্মচাৰী সকলে প্ৰতিশ্ৰুতি পত্ৰ দিয়া নাই। সেই কথা ৰেকৰ্ড কৰা হওক-

১। শ্ৰীদোলন চন্দ্ৰ বৰা, মণ্ডল, বাঘৰচুক

২। শ্ৰীমিনাৰাম বৰা মণ্ডল, জখলাবন্ধা

৩। শ্ৰীবংশী চমুৱা , „ „

৪। শ্ৰীওপাভীৰাম শৰ্ম্মা, পণ্ডিত, হাটৰ প্ৰাথমিকত

৫। শ্ৰীৰুদ্ৰ কান্ত গোস্বামী „ „
৬। শ্ৰীৰজনীকান্ত বৰুৱা, পণ্ডিত, শাকমুঠি
৭। শ্ৰীমিণাৰাম বৰা, পণ্ডিত, দলগাওঁ
৮। শ্ৰীবাণেশ্বৰ শৰ্ম্মা, পণ্ডিত, নিজ কলিয়াবৰ
৯। শ্ৰী বিষ্ণুপ্ৰসাদ কাকতি, পণ্ডিত, তেলীয়া গাওঁ।"

সেই সময়ত কোনো কোনো অঞ্চলত, বিশেষকৈ ৰৰভগীয়া অঞ্চলত, এখন প্ৰাথমিকৰ লগত ইখনৰ কিছু ভিন্নতা আৰু সমন্বয়ৰ অভাৱ দেখা গৈছিল। এখনৰ লগত আনখনৰ বহু কাৰণত বিৰোধ হোৱাৰো উপক্ৰম হৈছিল। ৰৰভগীয়া অঞ্চলৰ কেইগৰাকীমান চিন্তাশীল ব্যক্তিয়ে এই বিষয়ে আলোচনা কৰি কেন্দ্ৰীয় পৰামৰ্শ কমিটিৰ ওচৰ চাপে।

"২৬/১০/৪২ তাৰিখে পৰামৰ্শদাতা কমিটি বহি তলত দিয়া প্ৰস্তাৱ গ্ৰহণ কৰে।

১। (ক) আজিৰ সভাই কামৰ সুবিধাৰ বাবে কলিয়াবৰ কেন্দ্ৰীয়ৰ তলত ৰৰভগীয়া অঞ্চলত 'গান্ধী জয়ন্তী' নামে এখন উপ শাখা কংগ্ৰেছ কমিটি খুলিবলৈ অনুমোদন কৰে। আৰু তলত দিয়া প্ৰাথমিকক এই উপ শাখাৰ নিৰ্দ্দেশ মতে চলিবলৈ নিৰ্দ্দেশ দিয়ে।

প্ৰাথমিকৰ নাম (১) গড়গুৰি (২) মিছামুখ (৩) পানীগাওঁ (৪) নামগাওঁ কঢ়ালগাওঁ (৫) নিজ ৰৰভগীয়া (৬) ওপৰ ৰৰভগীয়া।

(খ) বৰ্ত্তমান এই অফিচ চলাবলৈ ৫৲ টকা দিবলৈ কেন্দ্ৰীয় পৰামৰ্শ কমিটিয়ে মঞ্জুৰি কৰে।

২। অফিচ চলাবৰ কাৰণে মাহে ১০ (দহ) টকা খৰহ কৰিবলৈ সভাপতিক (পৰিচালকক) নিৰ্দ্দেশ দিয়ে।"

২/১১/৪২ তাৰিখে কেন্দ্ৰীয় পৰামৰ্শ কমিটি বহে আৰু তলত দিয়া প্ৰস্তাৱ সমূহ গ্ৰহণ কৰে।

"১ম প্ৰস্তাৱ- কলিযাবৰৰ সকলো স্কুল বন্ধ ৰাখিবলৈ ছাত্ৰ সম্মিলনক বিশেষভাৱে যত্ন কৰিবলৈ অনুৰোধ কৰা হওক।

২য় প্ৰস্তাব - বৰ্ত্তমান জৰুৰী অৱস্থা ভাবি সকলো প্ৰাথমিককে চাউল দাইল ইত্যাদি খোৱা বস্তু সমূহীয়াভাৱে জমা কৰি ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হওক।

৩য় প্ৰস্তাৱ - অতি জৰুৰী অৱস্থাৰ কাৰণে কোনো কাম কৰিব লগা হ'লে তলত নাম দিয়া সভ্য পাঁচজনেৰে এখন জৰুৰী কমিটি পতা হওক আৰু সেই কমিটিয়ে জৰুৰী অৱস্থাত কেন্দ্ৰীয় কমিটিৰ পৰিবৰ্ত্তে সকলো কাম কৰিবলৈ ক্ষমতা দিয়া হওক। আৰু সেই কমিটিক 'জৰুৰী কেন্দ্ৰীয় কমিটি' বোলা হওক।

জৰুৰী কেন্দ্ৰীয় কমিটিৰ সদস্য সকলৰ নাম ঃ

১। শ্ৰীযুত ৰজনীকান্ত গোস্বামী।
২। „ লীলাকান্ত বৰা
৩। „ ৰমাকান্ত বৰা
৪। „ গোলোক বৰঠাকুৰ
৫। „ আনন্দৰাম শইকীয়া।"

১৯৪৩ চন

১৯৪২ চন এইদৰেই পাৰ হ'ৰ হ'ল। কলিয়াবৰৰ পৰা দলে দলে নগাৰঁৰ কাছাৰীঘৰৰ সমুখত ধ্বনি দিবলৈ যোৱা প্ৰায় তিনিশ সত্যাগ্ৰহীক (শান্তি সেনা আৰু কৰ্ম্মী) গ্ৰেপ্তাৰ কৰি জেললৈ নিয়াৰ পিছতো যেতিয়া কলিয়াবৰৰ পৰা যোৱা সত্যাগ্ৰহীৰ সংখ্যা দিনে দিনে বাঢ়ি আহিল এই সকলৰ দুই চাৰি জনক গ্ৰেপ্তাৰ কৰি এৰিছিল যদিও পিছত সমূহীয়া ভাৱেই গ্ৰেপ্তাৰ কৰি লগে লগে আঁতৰাই নি এৰি দিছিল। এই বিষয়ে আগতেই কোৱা হৈছে। কলিয়াবৰৰ এই উৎসাহ দেখি নগাঞা সকল আৰু অসম প্ৰাদেশিক নেতা সকলে ধন্যবাদ দিছিল অভিনন্দন জনাইছিল।

"১/১/৪৩ তাৰিখে পৰিচালনা কমিটি বহে আৰু তলত দিয়া প্ৰস্তাৱসমূহ গ্ৰহণ কৰে-

স্থায়ী সভাপতি শ্ৰীযুত ৰজনীকান্ত গোস্বামীদেৱৰ অনুপস্থিতিত আজিৰ সভাত শ্ৰীলীলা কান্ত বৰাদেৱক সভাপতি পতা হয়।

১ম প্ৰস্তাৱ - খাজনা ও পহৰা সম্বন্ধে জিলাৰ পৰা অহা বুলেটিন প্ৰত্যেক প্ৰাথমিকলৈ একপিকৈ অনতিপলমে পঠোৱা হওক।

২য় প্ৰস্তাৱ- আজিৰ সভাই স্থায়ী সভাপতি কিয় অনুপস্থিত থাকিল তাৰ এটা সন্তোষজনক লিখিত কৈফিয়ৎ অহা সভাত বিচাৰিছে।

৩য় প্ৰস্তাৱ - আজিৰ পৰা ৭ দিনৰ ভিতৰত সভা আহ্বান কৰি হিচাপ দাখিল কৰিব লাগিব।

৪ৰ্থ প্ৰস্তাৱ - শ্ৰীযুতা গুণেশ্বৰী দেৱীক খাজনা বন্ধ আৰু ২৬ জানুৱাৰী (স্বাধীনতা দিবস) পালন কৰিবৰ অৰ্থে প্ৰত্যেক প্ৰাথমিকলৈ গৈ মহিলা সকলৰ মাজত প্ৰচাৰ কৰিবলৈ কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিয়ে সম্পূৰ্ণ ভাৰ দিয়া হওক।"

শ্ৰীযুতা গুণেশ্বৰী দেৱীৰ লগত অনবৰতে সকলো কামতে দাঁতকটা গাঁৱৰ শ্ৰীমতী গুণেশ্বৰী বৰদলৈ ঘুৰি ফুৰিছিল। তেখেত কুৱৰীটোলৰ শ্ৰীগোলোক বৰদলৈৰ পৰিবাৰ। তেখেতো (গোলোক) এজন নীৰৱ কংগ্ৰেছ কৰ্ম্মী আছিল। ১৯৩০ চনৰ আন্দোলনত তেখেতে কাৰাবাস কাটিছিল। ৭ বছৰ ধৰি খোজ কাঢ়ি তেখেতে ভাৰতবৰ্ষৰ চুকে কোণে ঘুৰি ফুৰিছিল ভাৰতবৰ্ষৰ প্ৰকৃত পৰিচয় বিচাৰি। মহাত্মা গান্ধীৰ আশ্ৰমতো কে'বাবছৰো কটাইছিল। তেখেতৰ মৃত্যুৰ পিছত পৰিবাৰ শ্ৰীমতী গুণেশ্বৰ বৰদলৈ দাঁতকটাৰ ককায়েকৰ (ভোগৰাম বৰা) ঘৰলৈ ঘুৰি আহে। কাণত ঘা হৈ কলা হৈ যায়। গতিকে সকলোৱেই কালৰী বাইদেউ বুলিছিল। মহিলা সংগঠনৰ সকলো কামতে আগভাগ লৈছিল।

স্বাধীনতা দিবস পালন আৰু...

শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীয়ে আত্ম গোপন কৰি ভাৰতৰ প্ৰায় সকলো ঠাইতে ঘুৰি

ফুৰিছিল। জয় প্ৰকাশ নাৰায়ণ, ৰাম মনোহৰ লুহীয়া, অৰুণা আচফ আলি, চাদিক আলি আদি উগ্ৰবাদী নেতা সকলৰ লগত তেখেতৰ ওতঃপ্ৰোত সম্বন্ধ। তেখেতে আন্দোলনৰ প্ৰথম অৱস্থাৰ পৰাই কলিয়াবৰৰ লগত সম্পূৰ্ণ ভাবে জড়িত হৈ আছিল। নিজৰ গাওঁ কামপুৰত খুব কমেইহে থাকিব পাৰিছিল। পলাতক হৈ ফুৰিয়েই আন্দোলনৰ গোটেই সময় খিনি কটাই দিছিল। মাত্ৰ ৪ দিনৰ বাবে, তাকো বোম্বাই মহানগৰীত, জেলত থাকিব লগা হ'ল। প্ৰমাণৰ অভাৱত এৰি দিলে। ম'তেই নাথাকক তেখেতে সদায় কলিয়াবৰৰ প্ৰতিটো সমস্যাৰ খবৰ ৰাখিছিল। সময়ে সময়ে উপদেশ দিছিল। ভুটুংকৈ কলিয়াবৰ ওলাইছিলহি।

১৯৪৩ চনৰ ২৬ জানুৱাৰী দিনটো সমগ্ৰ ভাৰততে স্বাধীনতা দিবস হিচাপে পালন কৰা হৈছিল। শ্ৰীগোস্বামীদেৱে সেই সময়ৰ কলিয়াবৰ কংগ্ৰেছৰ অস্থায়ী পৰিচালক শ্ৰীভূজেন্দ্ৰ নাথ বৰুৱালৈ লিখা চিঠিখনৰ নকল তলত তুলি দিয়া হ'ল।

"বৰুৱা,

সকলো খবৰ পালো। স্বাধীনতা দিবসত কলিয়াবৰত M. V School ত কিবা অলপ হোৱা শুনি আনন্দ পালো। গৱৰ্ণমেণ্ট স্কুলত একো নোহোৱাটো আৰু উচ্চ শিক্ষা লাভ কৰিবলৈ অহা ল'ৰাবিলাকে এই দিনত ইমান নিৰৱে থকাতো অতি লাজৰ কথা। M. V School ৰ ল'ৰা বিলাকক দবাচলতে পথ দেখুৱাব লাগিছিল হাইস্কুলৰ ল'ৰাহি এতিয়া ওলোটা হোৱাটোত অৱশ্যে হাইস্কুলৰ ল'ৰা বিলাকেই লাজ পোৱা উচিত।

কিছুমান ঠাইত টাউনত মিটিং পাতিবলৈ মানুহ বিচাৰি নেপাই, কিছুমানত আকৌ মানুহ পালেও তত্ত্বাৱধানত থকা সকলে উৎসাহ দি কামত লগাব নোৱাৰে দুৰ্ভাগ্য কোন পক্ষৰ বেছি ভাবিব লগীয়া। যা হওক মই বিটো সন্দেহ কৰিছিলো সেয়ে হ'ল। টাউনত দুখন মিটিং হ'ল এখন ছাত্ৰ সকলৰ আৰু আনখন গাৱঁৰ মানুহ আহি পাতিলে।

কলিয়াবৰত সৈন্য আহি থকাত কংগ্ৰেছৰ সংগঠন কৰিবলৈ যদিও সুবিধা হৈছে- সৈন্যসকলৰ বিৰুদ্ধে বিদ্বেষ মূলক ভাব যাতে প্ৰচাৰ নহয় তাৰ বাবে সাৱধান হ'ব লাগে। স্থানীয় মানুহ আৰু সৈন্যৰ মাজত কোনো ৰকমৰ মিল নথকাৰ কাৰণেই আৰু সিহঁতক সাধাৰণতে শত্ৰু হিচাপে ব্যৱহাৰ কৰাৰ কাৰণেই সাধাৰণতঃ গণ্ডগোল হোৱা দেখা যায়। যি শুনিছো তাত থকা বিলাক বোলে সকলো ভাৰতীয় সৈন্য। ভাৰতীয় সৈন্যবিলাকে কংগ্ৰেছী মানুহ বিলাকক লগ পালে যে কিমান (পোকে কুটিলে, হ'ব পাৰে 'আপোন ভাৱে) তাক সিহঁতৰ ভিতৰত সোমাই আলাপ কৰিলেই গম (পোকে কুটিলে, হ'ব পাৰে 'পাৰ পাৰি')। বুলেটিন লিখি দিলে সিহঁতৰ মাজত বিলি কৰা সম্ভৱ হ'বনে জনাব। সিহঁতক প্ৰথমে সুধিব লাগে সিহঁতে কংগ্ৰেছ জানেনে নেজানে আৰু ভাল পায় নে নেপায়। উত্তৰ নিশ্চয় জানো আৰু ভাল পাও বুলিয়েই ক'ব। তাৰ পিছত সুধিব কংগ্ৰেছৰ বৰ্ত্তমান কাৰ্য্য পদ্ধতিৰ বিষয়ে সিহঁতে জানিব ইচ্ছা কৰেনে? যিমান দূৰ বিশ্বাস কৰো বুলিয়েই ক'ব। তেতিয়া কাগজ দিলে পঢ়িবনে আৰু লগৰ আনকো পঢ়িবলৈ দিবনে সুধিব। যদি সিহঁতে তাকে কৰিবলৈ মাজি হয় মোক তৎক্ষণাৎ জনাব। মই চাৰিখন কাগজ দিম। কামত লগাব নোৱাৰিলে লিখি সময় ও কাগজ খৰচ কৰি লাভ নাই। গতিকেই এতিয়া মই লিখা নাই। ফলত বাৰিব সাহেই পিছি। ভাৰতীয় সৈন্য সদায় কংগ্ৰেছী। আজি সিহঁতক সন্দেহ কৰিয়েই সীমান্তৰ পৰা কিবাই আনিছে। সিহঁতৰ মাজত কাগজ দিব পাৰিলে মই সকলো বহলাই লিখিম। বৰ্ত্তমান এই কিতাপখন পঠালো। বিশ্বাসী মানুহ পালে পঢ়িবলৈ দি আকৌ কিবাই আনিব। কিতাপখন যাতে নষ্ট নহয় তালৈ চকু ৰাখিব। মোক আকৌ কাম হ'লেই কিবাই দিব লাগিব। ভাৰতীয় বিলাকৰ লগত ব্যৱহাৰ কৰোতে মুঠতে সিহঁতক এই জানিবলৈ দিব লাগে যে সিহঁত শত্ৰুৰ মাজত পৰিছেহি। ভয় খোৱা দেখিলে আৰু সিহঁতৰ চলন কুফাত সন্দেহ কৰা যেন

দেখিলে সিহঁতে চল পায় আৰু বিৰক্ত বোধ কৰি বহুত সময়ত ভয় দেখুৱাই কিবা আদায় কৰিবলৈ চেষ্টা কৰাতো স্বাভাৱিক। সিহঁতৰ বিৰুদ্ধিতা কৰি আমি বাচিও থাকিব নোৱাৰোঁ- গতিকে মিলিবলৈ চেষ্টা কৰা উচিত। কিন্তু সংগঠনৰ সুবিধাৰ কাৰণে বাইজৰ মাজত যিখিনি কৰা উচিত কৰিব লাগে। মুঠতে আমি বাইজকো সাৱধান কৰিব লাগে আৰু সিহঁতকো আপোন কৰি সিহঁত আমি যে দেশীভাই তাক বুজাবলৈ চেষ্টা কৰিব লাগে। পশ্চিমৰ মানুহে অসম কি আৰু ক'ত বা অসমীয়াবিলাক কেনেকুৱা মানুহ তাক শতকৰা ৭০ জনে নেজানে। এই যুদ্ধই পশিমীয়াৰ লগত মিলিবলৈ সুবিধা আনিছে। ভাৰতৰ প্ৰত্যেক নৈনাই অন্তৰত এই ভাব সদায় লৈ থাকে সেইটো হৈছে হিন্দুস্থান থাকিলে তাত কংগ্ৰেছ থাকিবই লাগিব, য'তে কংগ্ৰেছৰ পতাকা নাই বা তাৰ কোনো চিন নাই সেই ঠাই ভিতৰত নহ'বও পাৰে। গতিকে আমাৰ প্ৰত্যেক কংগ্ৰেছ কৰ্ম্মীয়ে সিহঁত য'লৈকে যায় তাতে কংগ্ৰেছৰ অস্তিত্ব প্ৰমাণ কৰি দেখুৱাব লাগিব, সিহঁতক অনুভৱ কৰাব লাগিব- অসমীয়াও হিন্দুস্থানী, সিহঁতে যাতে নিজৰ দেশলৈ গৈ ক'ব পাৰে অসম সোমায়েই সিহঁতে কংগ্ৰেছী মানুহ লগ পাইছিল।

১০ তাৰিখ বৃহস্পতিবাৰে মহাত্মা গান্ধীৰ অনশন দিবস পালন কৰিব লাগে। স্কুল বিলাক যেতিয়া Strike কৰোৱাতো অসম্ভৱ তাত অন্য ব্যৱস্থা কৰাব পাৰিলে ভাল। ১১টা বজাৰ পৰা ১-৩০ বজালৈ বৰ্ডত লিখি থ'ব যে মহাত্মাৰ অনশন দিবস পালনাৰ্থে সেই ক্লাছৰ ল'ৰাই মৌন ব্ৰত ধৰিবলৈ সিদ্ধান্ত কৰিছে। গতিকে কোনো ছাত্ৰই ১-৩০ টালৈকে কথা নকয়। কিন্তু ক্লাছৰ লিখা কাম সকলো চলাই থাকিব। Register কৰিলে হাত ডাঙিব, মুখেৰে নামাতিব। ১-৩০ত সকলো ছাত্ৰই Field ত গোট খাই প্ৰাৰ্থনা কৰিব আৰু সিহঁৰ বেলা কথা ক'ব। তাৰ Programme ইয়াৰ লগত পঠালো। ছপা কাগজখন খুব সাৱধানে ব্যৱহাৰ কৰিছে- সংখ্যা বৰ কম। জেলৰ পৰা আহি কংগ্ৰেছৰ ওপৰত বদনাম দি কাম নকৰাকৈ বহি আছে সেই সকলে পোৱাকৈ বিশেষকৈ দিব। যাকে তাকে দিয়াৰ প্ৰয়োজন নাই। টাউনৰ উকিল সকলে যাতে হাতে হাতে পায় তালৈ যত্নপৰ হ'ব। ছিচাপ কৰি এই কাগজ গোটেই জিলাতে ভগাব।

মই কোন্তা কৰ্ম্মীৰ মিটিং পতাৰ কি ঠিক কৰিছে? এই সকলো বিলাকৰ বিষয়ে কথা পাতিবলৈ আপোনাক মাতিছিলো। আপোনাৰ পৰিবৰ্ত্তে যি মানুহ পঠাইছে তেনে মানুহ ভবিষ্যতে যাতে নপঠায়।

সকলো কৰ্ম্মীৰ আশাকৰোঁ ভাল। ৰঙঠাকুৰৰ ঘৰত আশাকৰোঁ ভাল। দুগ্ৰো গৰাকীকে মোৰ সংবাদ জনাব। কোনোবা দিনা ওলামগৈ। মিটিং ঠিক কৰিলে দৰঙৰ পৰাও কেইজনমান কৰ্ম্মীও যাব। মিটিং সোনকালে হ'লেই ভাল।

জগতক ক'ব কাম কিমান দূৰ আগবাঢিছে জনায় থাকিব- আপুনিও জনাব।

শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী

(বুজিব নোৱাৰি)।"

(শ্ৰীগোস্বামীদেৱে চিঠিখন চতিযাৰ পৰা লিখি পঠিয়াইছিল)

চিঠিখনত লিখাখিনি দোহৰাব প্ৰয়োজন নিশ্চয় নাই। হাইস্কুলৰ ল'ৰাই লাজ পোৱা উচিত, সঁচা কথা। কিন্তু সেইদিনা কলিয়াবৰ কংগ্ৰেছে কেন্দ্ৰীয় ভাৱে পূৰ্বথৰীয়াৰ এম ভি স্কুলত স্বাধীনতা দিবস পালনৰ সভা পাতিছিল। সেই সভাত কে'বাজনো ছাত্ৰ উপস্থিত আছিল। ছাত্ৰ সম্মিলনৰ ফালৰ পৰা সম্পাদক শ্ৰীনবেন হাজৰিকাই গোস্বামীদেৱলৈ লিখিতভাৱে জনাই ক্ষোভ প্ৰকাশ কৰিছিল। আমি নিজেও গোস্বামীদেৱক কৈছিলো যে- সেই সভাত যে ছাত্ৰ সকলেও যে যোগ দিছিল এই কথা তেখেতক জনোৱা নহ'ল। অৱশ্যে

এই কথাও ঠিক যে- সেই সময়লৈ কলিয়াবৰ হাইস্কুলৰ প্ৰায়বোৰ; সাময়িকভাৱে হ'লেও স্কুল বৰ্জন কৰা ছাত্ৰই পুনৰ স্কুললৈ ঘুৰি গ'ল। শ্ৰীনৱেন হাজৰিকা যেহেতু ছাত্ৰ সম্মিলনৰ সম্পাদক তেখেতে কংগ্ৰেছৰ এনেবোৰ সভালৈ প্ৰায়েই আহিছিল। কেইজনমান ছাত্ৰইহে সম্পূৰ্ণভাৱে স্কুলৰ পৰা আঁতৰি থাকিল। সেই কেইজন হ'ল- শাকমুঠিৰ শ্ৰীসুৰথ বৰা আৰু শ্ৰীনগেন বৰা আখিৰঙাৰ শ্ৰীহৰেন শইকীয়া, গাৰিকুৰিৰ শ্ৰীনৱেন বৰা আৰু শ্ৰীদেৱেন বৰা, পূবথৰিয়াৰ শ্ৰীকণক বৰা আৰু বাঘৰচুকৰ (সেনচোৱা) শ্ৰীলাল মহম্মদ। শেষৰ দুজনে এমাহ ১৩ দিন জেল খাই খালাচ হৈ আহিছিল। শ্ৰীবিদ্যাকান্ত হাজৰিকায়ো ১ মাহ ১৩ দিনৰ পিছত জেলৰ পৰা আহি স্কুলত যোগ দিলে।

নেতা সকলক গ্ৰেপ্তাৰ কৰাৰ পিছত নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ অৱস্থা বেয়া হোৱাত প্ৰদেশ কংগ্ৰেছৰ বা যি কোনো আঁচনিৰ কথা সমগ্ৰ জিলাতে কলিয়াবৰৰ পৰাহে প্ৰচাৰ কৰা আৰু পঠিওৱা হৈছিল।

বৃটিছ চৰকাৰে কলিয়াবৰত যুদ্ধৰ কোঠ মাৰি সৈন্য সামন্ত ৰাখিছে আৰু সেইবাবেই কলিয়াবৰীয়া ৰাইজ একগোট হৈ থকাৰ বাবে যি অভিযান চলোৱা হৈছিল সেইটোৱেই কংগ্ৰেছক সহায় কৰিছে বুলি নগাঞা আৰু প্ৰাদেশিক কংগ্ৰেছ নেতা সকলে মত পোষণ কৰিছিল। সেই কথা কিছু পৰিমাণে সত্য আছিল যদিও সেই কথাকে সম্পূৰ্ণকৈ মানি লোৱা টান। অৱশ্যে এইটোও ঠিক যে মিলিটাৰীৰ কুচ-কাৱাজ আৰু সঞ্চালনবোৰ দেখি মানুহে কংগ্ৰেছৰ শৰণাপন্ন হোৱাৰ বাহিৰে কোনো উপায় নাছিল। কিন্তু ঘৰ বিভিষণ তেতিয়াও আছিল। যুদ্ধই ঠিকা ঠুকলি কৰি ধন ঘটাত সহায় কৰিছিল। এচাম মানুহে অতি গোপনে তেনেবোৰ ঠিকা কৰি ধন ঘটাৰ বাট উলিযাই লৈছিল আৰু ঘটিছিলো। এইটোও স্বীকাৰ কৰিব লাগিব যে বেচিভাগ মানুহেই অন্তৰেৰে কংগ্ৰেছ অনুষ্ঠানটো ভাল পাইছিল আৰু স্বাধীনতাৰ শেষ সংগ্ৰামখনত নিজকে জড়িত কৰি যে আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছিল, এই কথা ধ্ৰুব সত্য। কলিয়াবৰীয়া গাৱঁৰ ৰাইজৰ কট্‌কটীয়া বান্ধোনেও কংগ্ৰেছৰ সংগঠন দৃঢ় কৰাত সহায় কৰিছিল।

শ্ৰীভূজেন বৰুৱা বা আন কোনোবাই মিলিটাৰীৰ লগত কথা পাতিলেনে নাই বা তেখেতে কিবা কাগজ পাতি দিছিল নে নাই তাৰ কোনো তথ্যই আমাৰ হাতত নাই। স্কুলৰ কাৰণে দিয়া কার্য্যসূচীও পালন কৰা হ'লনে নাই সেই বিষয়েও ক'তো একো লিখিত তথ্য বিচাৰি নাপালো। স্কুলত কিন্তু মাজে মাজে ষ্ট্ৰাইক চলি আছিল। স্কুলৰ বাটৰ সমুখত থিয় হৈ শিঙা ফুকি স্কুলৰ পৰা ওলাই আহিবলৈ আহ্বান জনোৱাৰ কথা মনত আছে। শ্ৰীনৱেন হাজৰিকাই ডাঙৰ চুঙা লৈছিল। শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা চাৰৰ (পিছলৈ স্কুলৰ শিক্ষক) নেতৃত্বতো মাজে মাজে শোভাযাত্ৰা হৈছিল।

গান্ধীজীয়ে অনশন কৰাৰ ভিতৰতে তেখেতৰ মুক্তিৰ দাবী কৰি নগাৱঁৰ ভিতৰতে শোভাযাত্ৰা কৰিবলৈ কলিয়াবৰৰ পৰা এদিন কমেও ২৫ গৰাকী মহিলা আৰু অন্য এদিন প্ৰায় ৫০/৬০ জন মান শান্তিসেনা আৰু ডেকা কৰ্ম্মী গৈছিল। শোভাযাত্ৰা কৰি গৈ কাছাৰীৰ

বাকৰিতো শোভাযাত্ৰা ঘুৰি ঘুৰি সকলো এঠাইত বহি সভা পাতিছিল মাত্ৰ। মহাত্মা গান্ধী, ভাৰত মাতা, বন্দে মাতৰম ধ্বনি দিয়া হৈছিল। তেতিয়া কাকো গ্ৰেপ্তাৰ কৰা নাছিল। কোনো অত্যাচাৰো নকৰিলে।

কলিয়াবৰ হাইস্কুলত অগ্নি সংযোগ

বিদেশী চৰকাৰৰ তলত গোলামী শিক্ষা নলও বুলি যি কেইজন ছাত্ৰ ওলাই আছিল তেওঁলোকৰ ভিতৰৰে শ্ৰীলাল মহম্মদে এমাহ আৰু তেৰ দিন জেল খাটি আহি কিছু উগ্ৰ মনোভাব ল'লে। ছাত্ৰ সম্মিলনে নজনাকৈ তেখেতে এটা সৰু দল গঠন কৰিলে। এই লৈ চুৰ্চুৰীয়াকৈ মত বিৰোধো হৈছিল যদিও সি তেনেই খন্তেকীয়া আছিল আৰু গোপন হৈয়ে থাকিল।

তাৰিখ মনত নাই, কিন্তু ডিচেম্বৰ মাহৰ শেষৰ ফালে শ্ৰীলাল মহম্মদ আৰু শ্ৰীকণক বৰাৰ নেতৃত্বত কলিয়াবৰ হাইস্কুলত জুই দিলে (এই কথা শ্ৰীসোমেশ্বৰ বৰাদেৱে নিশ্চিত কৰিছে)। শ্ৰীঠানুৱাম ভূঞাদেৱৰ হাতৰ লিখা (আন্দোলন সংক্ৰান্তত) কিবা আছেনে বিচাৰি তেখেতৰ ৰবপুত্ৰ শ্ৰীযজ্ঞেশ্বৰ ভূঞাৰ হোজাইৰ ঘৰলৈকো গৈছিলো। তেখেতে কথা প্ৰসঙ্গত ক'লে "চুলুঙৰ শ্ৰীদেবী প্ৰসাদ উপাধ্যায় আৰু ময়ো কলিযাবৰ হাইস্কুলৰ ঘৰত জুই দিয়া দলত আছিলো। ৰাতি প্ৰায় চাৰে আঠমান বজাত আমি খেৰৰ ঘৰ দুটাত জুই দি পলাইছিলো। প্ৰায় ১৫ জন মান মানুহ এই কামত লিপ্ত আছিলো। সেইদিনা বোধকৰো বৃহস্পতি বাৰ আছিল।" গাৰিকুৰি আৰু আখিৰঙা গাৱঁৰো দুজনমান এই দলটোত আছিল বুলি জনা গৈছিল।

ইংৰাজী H আখৰটোৰ চানেকিৰ ঘৰটোৰ দুফালে থকা দীঘল খেৰৰ ঘৰ দুটাতে জুই দিলে। দুয়োটা ঘৰ সম্পূৰ্ণ ভস্মীভূত হ'ল। বেঞ্চ ডেস্ক চকি টেবুল ব্লেক বৰ্ড একো নাবাচিল সকলো পুৰিলে। মাজৰ টিনৰ ঘৰটোৰ চাৰিটা কমৰ মাজৰ দুটা বাচিল। খেৰৰ ঘৰৰ গাতে লাগি থকা দুটা কোঠালিৰ আধা আধা পুৰিলে। ইয়াৰো চকি মেজ ব্লেক ব'ৰ্ড আৰু দুই তিনিখনকৈ বেঞ্চ ডেস্ক পুৰিলে।

হাইস্কুলখন পোৱাৰ বাবে কলঙৰ উত্তৰ পাৰৰ পাঁচখন গাঁৱৰ পৰা ৫০০০ (পাঁচ হেজাৰ) টকা পাইকাৰী জৰিমনা তোলাৰ চৰকাৰী হুকুম হ'ল। কিন্তু কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে সিদ্ধান্ত কৰিলে যে যেহেতু হাইস্কুলখন গোটেই কলিযাবৰৰ (উল্লেখযোগ্য যে সেই সময়ত অকল সেই খনেইহে একমাত্ৰ হাইস্কুল আছিল) সম্পত্তি সদৌ কলিয়াবৰৰ বাইজেই বৰঙণি তুলি স্কুল খনৰ প্ৰয়োজনীয় ধন উঠোৱাৰ ব্যৱস্থা কৰা হওক। এই সংক্ৰান্তত আমাৰ হাতত থকা সেই সময়ৰ হেড মাষ্টৰ চাৰে লিখা চিঠিখনে প্ৰকৃত চৰি দাঙি ধৰিছে। চিঠিখন হুবহু তুলি দিয়া হ'ল-

"সম্পাদক, কলিয়াবৰ কংগ্ৰেছ কমিটি,
পূবথৰীয়া,
ডাঙৰীয়া,
আপোনাৰ চিঠি পাই তলত এটি বিবৰণ দিলোঁ।

কলিয়াবৰ হাইস্কুল পোৱা সংক্ৰান্তত পূবথৰীয়া মৌজাৰ সোণাৰীগাওঁ, শিলঘাট টাউন, নিজ পূবথৰীয়া, চামধৰা আৰু মাধতাৰী- এই পাঁচখন গাঁৱৰ ওপৰত ৫০০০ (পাচ হাজাৰ টকা) পাইকাৰী জৰিমনা ধাৰ্য্য কৰিছিল। সেই সমুদায় টকা সদৌ কলিয়াবৰৰ বাইজৰ পৰা প্ৰতিঘৰে ২ দুই টকা হিচাবে ৰৱজনী কৰি তোলা হৈছিল। ৰৱজনী হিচাবে তোলাতো সম্পূৰ্ণ টকা নুঠাত কেইজনমান সদাশয় ভদ্ৰলোকৰ পৰা কিছু টকা দান স্বৰূপে লৈ মুঠ ৫০০০ পাচহাজাৰ টকা তোলা হয়। আৰু সেই টকা নগাওঁ জিলাৰ ৰৱ চাহাব বাহাদুৰৰ নামত পাইনিয়াৰ বেঙ্কত স্কুলৰ নাম দি জমা ৰখা হৈছে।

সেই টকা কলিয়াবৰ হাইস্কুলৰ ঘৰ সজা কামৰ বাহিৰে অন্য কোনো কামত খৰছ কৰিব নোৱাৰে বুলি ৰৱ চাহাব বাহাদুৰে নিৰ্দ্দেশ দি থৈছে।

বোধকৰোঁ এই বিৱৰণেই আপোনালোকৰ কামত হ'ব। ইতি

শিলঘাট
তাং- ২/১১/৪৫

বিনীত
শ্ৰীপুষ্পকান্ত খাওন্দ
হেড্‌মাষ্টৰ
কলিয়াবৰ হাইস্কুল।"

এই চিঠিখন মই নকল কৰি বহীত তুলি থকা সময়তে গুৱাহাটীৰ ৰেডিঅ'ৰ স্থানীয় বাতৰিত শুনিলো শ্ৰীপুষ্পকান্ত খাওন্দ চাৰ আৰু ইহজগতত নাই। মই মৰ্ম্মাহত হ'লো। সদাশয় লোক কেইগৰাকীৰ কথা খাওন্দৰ চুকৰ কে'বা জনকো সুধিলো, শ্ৰীমানিক খাওন্দ দেৱকো সুধিলো। কোনেও ক'ব নোৱাৰিলে। শ্ৰীসোমেশ্বৰ বৰা (তেতিয়া কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সম্পাদক) দেৱকো সুধিলো- তেখেতেও নাজানে।

কে'বাজনো একেলগে ধৰা পৰিল

১৯৪৩ চনৰ প্ৰথম দুটা মাহত কলিয়াবৰত গ্ৰেপ্তাৰ কৰাৰ কাৰণে পুলিছ মিলিটাৰীয়ে কিছু শিথিল হোৱা যেন লাগিল। আত্মগোপনকাৰী সকলো হয়তো অলপ অসাৱধান হ'ল।

আমাৰ হাতত সংৰক্ষিত কোনো নথি পত্ৰ নাই। কিন্তু ভিএৰাৰি চকুৰ শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞাদেৱে কৈছিল যে ১/৩/৪৩ তাৰিখে তেখেতৰ লগতে আৰু কে'বাজনকো গ্ৰেপ্তাৰ কৰিলে। শ্ৰীনন্দেশ্বৰ মহন্ত (শ্ৰৱনীসত্ৰ), শ্ৰীটঙ্কেশ্বৰ পাঠক (পূবথৰীয়া), শ্ৰীমোলান শইকীয়া, (তেলীয়া গাওঁ), শ্ৰীকোশেশ্বৰ বৰা (তেলিয়া গাওঁ), শ্ৰীবিনদ শইকীয়া (গোমোঠা গাওঁ), শ্ৰীমোলান ভূঞা (পূবথৰীয়া), শ্ৰীহৰেন্দ্ৰ নাথ বৰা (ওৰফে বগীৰাম -ধৰমপুৰ) এই সকলক গ্ৰেপ্তাৰ কৰি ৬ মাহকৈ জেল দিলে।

জানুৱাৰী মাহৰ কোনোবা এদিন সোণাৰি গাঁৱঁৰ শ্ৰীযুক্তীধৰ হাজৰিকাৰ দোকান কোনোবাই জ্বলাই দিলে। ইযাৰে অনুসন্ধান কৰি ঘুৰি আহোঁতে ২৮/১/৪৩ তাৰিখে মাজ পুৱথৰীয়াৰ এটা আলি কেকুৰীত হঠাতে পুলিছ মিলিটাৰীৰ সম্মুখীন হ'ব লগা হ'ল- ডিএচাৰি চুকৰ শ্ৰীনলিনী কান্ত শইকীয়া আৰু পুৱথৰীয়াৰ শ্ৰীভোগেশ্বৰ নেওগ। মুহূর্ত্ততে ঘেৰাও কৰি বন্দুকৰ সঙ্গীন টোৰালে। দুযোকে গ্ৰেপ্তাৰ কৰি থানালৈ নি অবর্ণনীয় অত্যাচাৰ কৰিলে। মহেন্দ্ৰ হাজৰিকা ক'ত আছে, ক'ত ক'ত কি কি কৰিছিলি, খাৰঘৰ লুট কৰিবলৈ গৈছিলি, বেলৰ চিৰি কোনে উঠালে, মৌজাদাৰৰ অফিচৰ কাগজ কোনে পুৰিলে, হাইস্কুল কোনে পুৰিলে, খাজনা দিযা কোনে কোনে বন্ধ কৰিলে, ক'ত আৰু আৰু কাৰ ঘৰ জ্বলালি আদি কথা সুধি মহেন্দ্ৰ আৰু জাহাজি নামৰ চিপাহী দুজনৰ হতুৱাই জোতাৰে গৰকি গুৰিযাই চৰ ভুকু, হাণ্টাৰৰ কোৰ দি নানা ধৰণৰ অত্যাচাৰ কৰিলে। তেওঁলোকক ৮ মাহ ১৪ দিন নিৰাপত্তা বন্দী হিচাপে হাজোতত ৰাখি মুক্তি দিযে। শ্ৰীনলিনী কান্ত শইকীযা কলিয়াবৰ মৃত্যু বাহিনীৰ নাযক আছিল। শালনা বজাৰ বন্ধ কৰি ঘুৰি আহোঁতে দলগাঁৱঁৰ নুৰুদ্দিন আহমেদক মিচাত গ্ৰেপ্তাৰ কৰে। জেলত মুঠ ৭ মাহ থাকি যোৰহাট জেলৰ পৰা মুক্তি পায়। (শ্ৰীশইকীয়াদেৰে নিজে আমাক এই কথা কৈছিল)।

শান্তি সেনা-মৃত্যু বাহিনীৰ সৰ্ব্বে সৰ্ব্বাজনকো ধৰিলে

হাবিয়ে বননিয়ে পলাই পলাই ঘুৰি ঘুৰি সহকৰ্ম্মী সকলৰ লগতে সকলো দিশ চম্ভালি শ্ৰীসোমেশ্বৰ বৰা দেৰে অশেষ কষ্ট ভোগ কৰিলে। কে'বাবাৰো কে'বাজনো চৰকাৰী চোৰাংচোৰাই সঁচা খবৰ দিয়াৰ পিছতো আমাৰ চোৰাংচোৰাই তেওঁলোকৰ সকলো চেষ্টা বিফল কৰি দিছিল আৰু তেওঁলোকৰ সকলো খবৰ মিচা বুলি প্ৰমাণ কৰিছিল। বহুত ঠাইত চৰকাৰী চোৰাংচোৰাক বিশেষকৈ ৰাতিৰ সময়ত মাৰকিল কৰি আগলৈ এনেকুৱা কাম নকৰিবলৈ সতর্ক কৰি এৰি দিয়া হৈছিল।

শ্ৰীসোমেশ্বৰ বৰা দেৰে কৈ গৈছিল- "প্ৰযোজন হ'লেই কামত লগাবলৈ আমি কে'বাজনেও লগা হৈ কে'বা ধৰণৰো খাৰ বান্ধদ সংগ্ৰহ কৰি শান্তিপুৰৰ এদৰা জয়াল হাবিত লুকুৱাই থৈছিলো। এদিন জানিব পাৰিলো এই বিষয়ে কোনোবা চোৰাংচোৰাই থানাত খবৰটো জনাইছে। ৰাতিয়েই উলিয়াই আনি আমাৰ পুৱথৰীযা পথাৰৰ মাজত পুতি থ'লো। কিন্তু ইযাতো অথন্তৰ হ'ল। আমাৰ এই কামৰ কথা এজন সন্দেহ যুক্ত মানুহে জানিব পাৰিলে। সেইদিনা ৰাতি প্ৰায় এঘাৰ বজাৰ পিছত খাৰ বান্ধদখিনি খান্দি উলিয়াই বোজাটো অকলেই পিঠিত তুলি লৈ মই ভলাণ্ডৰিৰ ওচৰৰ পৰা কলঙৰ পাৰে পাৰে এঘাৰ ৰাতি হাবি ভাঙি লাহে লাহে আগবাঢ়িলো। গধুৰ বোজা মাজে মাজে থৈ থৈ যাওঁ। ডাঠ হাবি, বাঁহনি আৰু কাইটীয়া জোপোহাৰ মাজেৰে যাওঁতে আঁচোৰ খাইছিলো- বৰ কষ্ট হৈছিল। চাৰিওফালে লক্ষ্য ৰাখি লাহে লাহে যাৰ লাগে। ৰাটেদি গৰপ্ গৰপ্ শব্দ কৰি মিলিটাৰী পাৰ হৈ গৈছিল। তেনেকৈ গৈ গৈ চামগুৰি সত্ৰৰ (কলিয়াবৰৰ) ওচৰৰ কাষৰীয়া হাবিৰ মাজত বোজাটো লুকুৱাই থ'লোগৈ। জয়াল হাবি দিনতে মানুহ যাবলৈ ভয় কৰে, নেযায। সেই কালত আমাৰ কিন্তু বাঘ ভালুক সাপ বেং ভূত পিশাচ একৌলৈকে ভয় সংশয় নাছিল। কৰ্ত্তব্য

কৰিবলৈ যাওঁতে ভয়ৰ কথা মনলৈকে নাহিছিল। খান বাহাদুৰিনি লুকুৱাই থৈ কিছু সময় হাৰিব মাজতে বৈ কি কৰো কি নকৰো গুণা গাঁথা কৰি নিৰ্ভয়ে হাৰিব মাজৰ পৰা ওলাই আহিলো। তেতিয়া কালিহি কালিহি পুৱা পোহৰ হোৱাৰ সময়। ভাবিলো এই সময়ত কোনো বিপদ নহয়, গতিকে ঘৰলৈকে যোৱা যাওক। এদ্ধাৰ পোহৰতে মনে মনে গৈ পিছ ফালে হাতভৰি কেইটা ধুইছো মাত্ৰ এনেতে দপ্‌দপাই পুলিছ আৰু মিলিটাৰী সোমাই আহি চাৰিওফালৰ পৰা সঙ্গীন টোৱাই মোক ঘেৰি ধৰিলে। পুলিছ বিষয়াজন ওচৰলৈ আহি ক'লে আপোনাক এৰেষ্ট কৰা হৈছে এতিয়াই আমাৰ লগত যাব লাগিব। তেতিয়া মই ক'লো ইমান দিনে পলাতক হৈ আছিলো, এতিয়া ধৰা পৰিলো, মই বন্দী। মোক শৌচ কৰি আহিবলৈ দিয়ক মই নপলাওঁ। তেখেতে মোক অনুমতি দিলে। বাৰিৰ পিছফালে হাৰিৰ মাজত শৌচ কৰি আহিলোগৈ। নপলালো। গাটো ধুই ল'লো।

১২ জন মিলিটাৰী, পুলিছ, চিপাহী আৰু বিষয়াজন, সকলোকে চাহ পিঠা খুইওৱা হ'ল। কুঁৱৰীটোল থানা পালোগৈ।

কে'বাদিনো একে লেঠাৰীয়ে মোক অনুসৰণ কৰি মোৰ গতি বিধি এজন বঙালী চোৱাংচোৱাই লুকাই লুকাই চাই ফুৰিছিল। থানাত গৈ তেওঁ স্বীকাৰ কৰিছিল। সেইদিনা মই পুৱাতেই ঘৰলৈ আহি আবেলি তিনি মান বজাত ওলাই গৈছিলো। পুলিছ থানাত তেওঁ খবৰ দিছিল। এদ্ধাৰ ৰাতি মই ঘৰলৈ অহিমেই বুলি মিলিটাৰী লৈ বিষয়াজন ওচৰে পাজৰে ক'ৰবাত খাপ পাতি বৈ আছিল। চোৱাংচোৱা জন সফল হ'ল। আমাৰ কাকো মই আগতে খবৰ দিয়া নাছিলো। সেইদিনা মাৰ্চ মাহৰ (১৯৪৩) ১৬ তাৰিখ। এইটোও মোৰ বাবে এটা স্মৰণীয় দিন।"

শ্ৰীবৰাদেৱৰ ডায়েৰীত লিখা আছে- "২৮ দিন জেল হাজোতত ৰাখি ৬ মাহ চিকউৰিটি বন্দী কৰি ৰাখি ৰালাছ দিয়ে। কিন্তু ৯ মাহ ঘৰত অন্তৰীন গৃহ বন্দী কৰি পিছত ৰালাছ দিয়ে। পলাতক অৱস্থাত থাকোঁতে আমাৰ ঘৰ ৪ বাৰ ৰে'দ (ঘেৰাও) কৰে। বাকছ ভাঙি কাপোৰ বিচনা আদি লণ্ড ভণ্ড কৰে। বিশেষ আহোম ৰজাদিনীয়া এখন ৩ ফুট (নাল বাহিৰে) দীঘল দা লৈ যায়।"

নগাওঁ জিলা পূৰ্ব্বাঞ্চল কংগ্ৰেছ কমিটি

১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰতে কলিযাবৰ অৱস্থা অতি শোচনীয় হ'ল। প্ৰাথমিক কংগ্ৰেছ বোৰৰ কলিযাবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ লগত যোগাযোগ ঠিকেই থাকিলেও জিলা কংগ্ৰেছৰ পৰা কোনো জাননী, গোহাৰি, নিৰ্দ্দেশ একো নহা হ'ল। জিলা কংগ্ৰেছৰ প্ৰায় সকলোবোৰ কংগ্ৰেছ নেতা গ্ৰেপ্তাৰ হ'ল। অকল লক্ষ্মীপ্ৰসাদ গোস্বামী যিবা থাকিল তেখেতো পলাই ফুৰিব লগা হোৱাত, পদ্ম হাজৰিকা, সতীন শৰ্ম্মা বন্দীহোৱাত আৰু বিশেষকৈ যি জনৰ হাতৰ মুঠিত নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ অফিচটোও ঘুৰি ফুৰিছিল সেইজন তিলক হাজৰিকায়ো নগাওঁ টাউন এৰিব লগা হোৱাত জিলা কংগ্ৰেছৰ অফিচৰ কোনো কামেই নোহোৱা হ'লগৈ। আন্দোলনৰ কাৰ্য্যসূচীত ব্যাঘ্যাত জন্মিল। ইহাতেদি কলিযাবৰে গোটেই জিলা খনৰ হৈ কোনো নতুন কাৰ্য্যসূচীও হাতত ল'ব নোৱাৰা হ'ল। অৱশ্যে কলিয়াবৰৰ পৰা নগাঁৱঁৰ বহুত ঠাইলৈকে প্ৰাদেশিকৰ পৰা অহা জাননী নকল কৰি পঠিওৱা হৈছিল। জিলা কংগ্ৰেছৰ লগত কলিযাবৰ শাখা কংগ্ৰেছে কোনো যোগা যোগ কৰিব নোৱাৰাত অথচ কলিয়াবৰত তেতিয়াও আন্দোলনৰ কাম পূৰ্ণোদমে চলি থকা অৱস্থাত

উপায়বিহীন হৈয়েই কলিয়াবৰ কংগ্ৰেছে বাধ্য হৈ নগাওঁ জিলা পূৰ্ব্বাঞ্চল কেন্দ্ৰীয় কমিটি গঠন কৰিবলৈ সিদ্ধান্ত ল'ব লগা হ'ল। অন্য ঠাইত যি হয় হওক কলিয়াবৰত কিন্তু আন্দোলন চলিয়েই থাকিব লাগিব। জিলা কংগ্ৰেছ কমিটি নাম নিদিলেও নগাওঁ জিলা পূৰ্ব্বাঞ্চল কেন্দ্ৰীয় কংগ্ৰেছ কমিটিখনেই সকলো কাম কৰিব পৰা হ'ল। (শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীদেৱে নগাৱঁৰ আন্দোলনটো কলিয়াবৰেই জীয়াই ৰাখিলে বুলি প্ৰকাশ কৰিছিল মুক্ত ভাৱে। ইতিমধ্যে তেখেতে চিঠি লিখি কলিয়াবৰৰ পৰা নগাৱঁৰ অন্য ঠাইলৈ কাগজ পাতি পঠিয়াবলৈ অনুৰোধ কৰিছিল।

এনে এটা পৰিস্থিতিত নগাৱঁৰ পূব অঞ্চলৰ বাবে পুৰণি গুদামৰ পৰা কুঠৰী বাগৰীলৈকে সামৰি জিলা পৰ্য্যায়ৰ ক্ষমতা থকা এখন বৃহত্তৰ কেন্দ্ৰীয় কমিটি কলিযাবৰত গঠন কৰাৰ মনস্থ কৰা হয়। শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী দেৱে এই পৰিকল্পনাত সম্পূৰ্ণ সমৰ্থন কৰি দিহা পৰামৰ্শও দিছিল। বৃহত্তৰ কলিয়াবৰৰ (পুৰণিগুদামলৈকে) সকলোবোৰ প্ৰাথমিকৰ ভালে সংখ্যক ৰাইজ গোট খাই ২৫/৩/৪৩ তাৰিখে কলিযাবৰত (হাটৰৰ শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত) এখন ৰাজহুৱা সভা পাতে আৰু তলত দিয়া প্ৰস্তাৱ গ্ৰহণ কৰে।

"২৫/৩/৪৩ - আজিৰ সভাই তলত দিয়া প্ৰস্তাৱসমূহ সৰ্ব্ব সম্মতিক্ৰমে গ্ৰহণ কৰে-

১ম প্ৰস্তাৱ- আজিৰ সভাই তলত নাম দিয়া সকলক নগাওঁ জিলা পূৰ্ব্বাঞ্চল কেন্দ্ৰীয়ৰ সভ্যভূক্ত কৰা হওক।

শ্ৰীযুত সকল- (১) গোলোক ৰৱঠাকুৰ (২) ভূমিধৰ মুদৈ (৩) ভোগেশ্বৰ ৰৱা (কেনকেনিয়া), (৪) জগত চন্দ্ৰ ৰৱা (৫) নিত্যানন্দ দত্ত (৬) গুণাৰাম ৰৱা (৭) ৰমাকান্ত ৰৱা (৮) পদুম চন্দ্ৰ হাজৰিকা (৯) ভূজেন্দ্ৰ নাথ বৰুৱা (১০) শশীকান্ত ৰৱদলৈ (১১) গনেশচন্দ্ৰ শৰ্ম্মা (১২) লক্ষেশ্বৰ হাজৰিকা (১৩) ৰতিন্দ্ৰ কেনাৰ্জ্জি (১৪) ৰিনদ হাজৰিকা (১৫) তুৰাকান্ত মহন্ত।

২য় প্ৰস্তাৱ - আজিৰ সভাই প্ৰস্তাৱ কৰে যে শ্ৰীগোলোক চন্দ্ৰ ৰৱঠাকুৰক নগাওঁ গোটেই পূৰ্ব্বাঞ্চলৰ কেন্দ্ৰীয় কমিটিৰ সভাপতি পতা হওক।

৩য় প্ৰস্তাৱ - আজিৰ সভাই প্ৰস্তাৱ কৰে যে শ্ৰীশান্তিৰাম দাস দেৱক অধীনায়ক আৰু শ্ৰীকমল চন্দ্ৰ মহন্তক সহকাৰী অধীনায়ক পতা হওক।"

(মন কৰিবলগীয়া যে এই বৃহত্তৰ কমিটিৰ সম্পাদক কাক পতা হ'ল ক'তো উল্লেখ নাই। কিন্তু লিখা মেলা কামবোৰ কলিয়াবৰ শাখা (কেন্দ্ৰীয়) কংগ্ৰেছৰ তেতিয়াৰ সম্পাদকেই কৰিব লগা হৈছিল)।

প্ৰথম প্ৰস্তাৱত সেই সকলক লৈ এই কেন্দ্ৰীয় কমিটি গঠন কৰাৰ পিছতো কলিয়াবৰ কংগ্ৰেছৰ পূৰ্ব্বৰ পৰামৰ্শদাতা কমিটি আৰু জৰুৰী পৰামৰ্শ কমিটি দুখন আগৰ দৰেই ৰখা হ'ল।

কলিয়াবৰত বিমান কোঠ (?)

এইখিনি সময়ৰ ভিতৰতে হঠাতে সৈন্য সঞ্চালন বহুগুণে বাঢ়ি গ'ল। সৈন্য

সমাবেশ বেচি হোৱাত মানুহৰ ভযো বাঢিল। ব্ৰহ্মদেশ, জাপানৰ সম্পূৰ্ণ দখললৈ অহাৰ উপক্ৰম হোৱাৰ লগে লগে অসমৰ পূব সীমান্তত সম্পূৰ্ণ অৰাজকতাৰ সৃষ্টি হ'ল। যুদ্ধ ক্ষেত্ৰত ভাৰতীয় সৈন্যই দৈনিক শই শই জাপানৰ হাতত আত্ম সম্পৰ্ণ কৰিলে। কোন মূহুৰ্ত্তত জাপানী সৈন্য অসমলৈ সোমাই আহে ঠিক নাই। যুদ্ধৰ পৰিণতি যে অতি বেয়ালৈ গতি কৰিছে কলিয়াবৰৰ মিলিটাৰী শিবিৰবোৰত সৈন্য ভৰ্ত্তি কৰি পেলোৱা আৰু যুদ্ধৰ মেচিন গান আদি আহিলা পাতিৰে ভৰাই পেলোৱাৰ পৰাই বুজিব পৰা গ'ল। অকল কলিয়াবৰতে নহয় হাজাৰ হাজাৰ মিলিটাৰী গাড়ীৰ কনভয বাজপথৰ ওপৰেৰে লানি নিচিগাকৈ ওপৰ অসমৰ ফালে যাবলৈ ধৰিলে।

ইতিমধ্যে এফালে খৰা-গডৰ পৰা গোটেই জয় সাগৰ দলনি পথাৰ খন শান্তিপুৰৰ পাট দলঙলৈকে আৰু আনফালে গাৰিকুৰি গাৱঁৰ সমুখৰ বিৰাট পঁইতাখোৱা পথাৰ, দলগাৱঁৰ পথাৰৰ পৰা আৰম্ভ কৰি ৰৰপেটা দলনি জাওকটা-মথৌখাট পথাৰলৈকে এই পথাৰবোৰ বৃটিছ আৰু আমেৰিকান সৈন্য বাহিনীৰ লোকে জৰীপ কৰিবলৈ আৰম্ভ কৰিলে। একে লেঠাৰীয়ে কে'বা দিনো গাৰিকুৰি গাৱঁৰ সমুখত গাড়ী ৰাখি আৰু গৈ দলগাৱঁৰ ফালে গৈ থকা দেখিলেই মানুহে দুৱাৰ বন্ধ কৰি ভিতৰ সোমাইছিল আৰু পিছফালে হাবিলৈ সোমাই গৈছিল। তিনি চাৰিখন গাড়ী একেলগে গৈছিল। হাটৰৰৰ পৰা অলপ গৈ ৰঙীয়া পুখুৰীৰ কাষৰ বাটৰ ওপৰৰ জান ভগাত ফুটা থকা লোহাৰ পাট পৰি গাড়ী পাৰ কৰিছিল। অৱশ্যে তেতিয়া কাৰো ঘৰলৈ মিলিটাৰী সোমোৱা নাছিল। পিছতহে শুনা গ'ল এৰোড্রম (বিমান কোঠ) তৈয়াৰ কৰিবলৈ উপযুক্ত ঠাই বিচাৰি এই পথাৰবোৰ জৰীপ কৰিছিল। কলিযাবৰত অচিৰেই বোমা পৰিব বুলি উৰা বাতৰি (?) ওলাইছিল। কেইদিনমান পিছতে বাতৰি ওলাল যে এনেকুৱা পৰিস্থিতিত জাপানে কলিযাবৰৰ মিলিটাৰী কোঠৰ ওপৰত আকাশীযানেৰে আক্রমণৰ বাবে বাছি ল'ব। এনে অৱস্থাৰ সৃষ্টি হ'লে জাপানে সমগ্র কলিয়াবৰৰতে বোমা পেলাই যুদ্ধৰ ঘাটি ধ্বংস কৰিব। এটা অতি চেপা উত্তেজনাৰ মাজত সজাগ মানুহখিনিৰ মাজতহে এইবোৰ কথা আলোচনা হৈছিল। তাকো গোপনে।

কলিয়াবৰৰ মানুহ উচ্ছেদৰ যো-জা

প্রাদেশিক কংগ্রেছ আৰু নগাওঁ কংগ্রেছৰ নেতা সকলৰ লগতে কলিয়াবৰৰো নেতা, কংগ্রেছ কৰ্ম্মী বহুতকে জেলত ভৰাই থৈছে। এই সমস্যাৰ বাবেই ইতিমধ্যে নগাওঁ জিলা পূৰ্ব্বাঞ্চল কেন্দ্রীয় কংগ্রেছ কমিটিখন গঠন কৰা হ'ল। এতিয়া এই কমিটিৰ বিশেষকৈ কলিয়াবৰ কংগ্রেছৰ জৰুৰী পৰামৰ্শ কমিটিৰ দায়িত্ব বহুগুণে বাঢ়ি গ'ল। গ্রেপ্তাৰ হোৱাৰ আগলৈকে এনে ধৰণৰ কিবা পৰিস্থিতি উদ্ভৱ হ'ব পৰাৰ আশংকা কৰি শ্রীসোমেশ্বৰ বৰা দেৱে ঘুৰি ফুৰি শান্তি সেনা আৰু মৃত্যু বাহিনীৰ সেনা সকলক তেওঁলোকৰ কৰ্ত্তব্যৰ কথা

সোৱঁৰাই তৎপৰ হৈ থাকিবলৈ নিৰ্দ্দেশ দিছিল। এতিয়া তেখেতো জেলত। জৰুৰী পৰিচালনা কমিটিৰ সদস্য কেইজনে মানুহৰ মনত সাহস যোগাবলৈ গোটেই কলিয়াবৰতে ঘূৰি ফুৰিব লগা হ'ল। কলিয়াবৰে এই সময়ত এক অনিশ্চিত বিপদৰ সম্মুখীন হৈ তাৰ প্ৰতিকাৰ কৰিবলৈ যত্নপৰ হ'ব লগা হ'ল।

যাযাবৰ হৈ ঘূৰি ফুৰা শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামীৰ আত্মগোপনৰ স্থান আছিল দৰং জিলাৰ (বৰ্ত্তমান শোণিতপুৰ) বঙাপাৰাৰ পৰা বিশ্বনাথ চাৰিআলিলৈকে যদিও বিশেষকৈ আছিল কলিয়াবৰ। ছদ্মবেশেৰেই ঘূৰি ফুৰিছিল। সেই সময়ত শ্ৰীগোস্বামী জামুগুৰি হাটত আছিল।

এই মহাযুদ্ধৰ মহা সংকটৰ সময়ত তেখেতে কলিয়াবৰ কংগ্ৰেছৰ পৰিচালকলৈ লিখা চিঠিখনৰ পৰা সেই সময়ৰ কলিয়াবৰৰ সমস্যা সম্পৰ্কে আৰু কলিয়াবৰীয়া ৰাইজ আৰু পৰামৰ্শ কমিটিৰ সদস্য সকলৰ মনৰ উৎকণ্ঠা সংঘাত কেনেকুৱা হ'ব পাৰে সেই বিষয়ে জানিব পাৰি। চিঠিখন সম্পূৰ্ণ তুলি দিয়া হ'ল।

"কলিযাবৰ কং কঃ পৰিচালক ডাঙৰীয়া,

কলিয়াবৰৰ ৰাইজৰ বৰ্ত্তমান দুৰ্য্যোগৰ বিষয়ে আপোনাসকল যথেষ্ট তৎপৰ হোৱাটো অতি আনন্দৰ কথা। সেই বিষয়ে প্ৰাদেশিক কং কমিটিয়ে অন্যান্য ঠাইৰ মানুহকো সচেতন কৰি তেওঁলোকৰ ফালৰ পৰা যিমান দূৰ সহানুভূতি লাভ কৰিব সম্ভৱ হ'ব পাৰে বুলি বিবেচনা কৰিছে সেই সকলোখিনিকে কৰিবলৈ ত্ৰুটি কৰা নাই।

কলিযাবৰ অঞ্চলৰ মানুহক উত্তৰ পাৰলৈ বিপদৰ অৱস্থা চায় আনিবৰ এটা অস্থায়ী পৰিকল্পনা চলিছে আৰু সেই বিষয়ে প্ৰাদেশিক কংগ্ৰেছৰ তৰফৰ পৰা উত্তৰ পাৰৰ তেজপুৰ কংগ্ৰেছ কমিটিক সাজু থাকিবলৈ নিৰ্দ্দেশ দিয়াৰ কথা আপুনি জানে। এইখিনি হ'ল বাহিৰৰ পৰা কলিয়াবৰ ৰাইজৰ নিৰাপদৰ কাৰণে কৰা ব্যৱস্থা। এই নিৰ্দ্দেশ কাৰ্য্যত পৰিণত কৰিবলৈ যাওঁতে কলিযাবৰ কংগ্ৰেছ কমিটিযে যিটো সমস্যাৰ সম্মুখীন হ'ব লাগিব তাৰ বাবে কলিয়াবৰ কংগ্ৰেছ কমিটি আৰু তাৰ সেৱা দল সম্পূৰ্ণ সাজু থাকিব পাৰিব নে নোৱাৰে সেইটো আপোনালোকৰ কমিটিৰ তৎপৰতাৰ চূৰান্তৰ উপৰত নিৰ্ভৰ কৰে। গতিকে বাহিৰৰ পৰা কলিয়াবৰীয়া ৰাইজৰ মঙ্গলৰ কাৰণে যি উপদেশ বা নিৰ্দ্দেশ আদি দিয়া হ'ল তাৰ বিবেচনা (দুটামান দণ্ড পোকে কুটিলে) লগে সেইখিনি কাৰ্য্যকৰী কৰি তোলাৰ পিছত যে কিছুমান (দুটা মান কুটিলে) সমস্যাৰ উত্তৰ হ'ব পাৰে সেই বিষয়েও আমি কলিয়াবৰীয়া ৰাইজক জনাই থৈ তাৰ বাবেও প্ৰস্তুত থাকিবলৈ জনাই থোৱাটো উচিত বিবেচনা কৰিছো। এইখিনি আলোচনা কৰোতে প্ৰথমতে আমি কলিয়াবৰৰ পৰা উত্তৰ পাৰলৈ মানুহ অনাৰ বিষযে আলোচনা কৰিব লাগিব।

কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে বা নগাওঁ জিলা কংগ্ৰেছ কমিটিয়ে উত্তৰ পাৰলৈ লোক পঠোৱাৰ সকলো যো-জা সুকলমে কৰিব পাৰিব পাৰে বা উত্তৰ পাৰৰ কংগ্ৰেছ কমিটিয়েও তেওঁলোকক আশ্ৰয় দিয়ৰ সকলো আযোজনেই কৰিব পাৰিব পাৰে। কিন্তু মানুহ কিমান দিনলৈ উত্তৰ পাৰত থাকিবলগীয়া হ'ব পাৰে তাক কোনেও ঠাৱৰ কৰিব নোৱাৰে। সি হয়তো ১ সপ্তাহৰ পৰা তিনি চাৰি মাহলৈকো হ'ব পাৰে।

১। ইংৰাজে কলিয়াবৰত কিমান দিনলৈকে কুঠি মাৰে তাক আমি খিক কৰি ক'ব নোৱাৰো আৰু আনেও নোৱাৰে।

২। জাপানে যে এই আক্ৰমণত গোটেই অসম দখল কৰিব তাকো ক'ব নোৱাৰি।

৩। জাপানে দৰং আৰু নগাওঁ একে সমানে একেলগে দখল কৰিব পৰাটো সম্ভৱ নহয়।

৪। মিত্ৰ শক্তিয়ে কলিয়াবৰ evacuation ৰ হুকুম দিলে অনিৰ্দ্দিষ্ট কালৰ বাবেই দিব।

(১) আৰু (৪) নং ৰ কথা কেইটা এটা কবি আলোচনা কৰি চালে আমি ইয়াকে বুজিব পাৰো যে দক্ষিণ পাৰৰ সমূহ বাহিজে বুকুত ব্ৰহ্মপুত্ৰৰ নিচিনা এখন নদী লৈ নাও দুনিৰ স্থায়ী সংযোগ নোহোৱা অৱস্থাত অন্য ঠাইত লৈ অনিৰ্দ্দিষ্ট সময়ৰ কাৰণে থাকিবলৈ যোৱা সম্ভৱ হ'বনে কি? বা থাকি আমনি লাগি বা অসুবিধা ভোগ কৰিলে ইচ্ছামতে সিপাৰলৈ লৈ নিজৰ ব্যৱহাৰ্য্য বিলাক আনিবৰ সুবিধা থাকিব পাৰিব নে কি? অনিৰ্দ্দিষ্ট কালৰ কাৰণে প্ৰয়োজনীয় বস্তু লগত আনিব পৰাটো সম্ভৱ হ'ব নোৱাৰে। নিজৰ ঘৰ দুৱাৰ সৈনিকৰ কবলত থাকিলে প্ৰয়োজনীয় খাদ্য বস্তু আনিবলৈ যোৱাটো সম্ভৱপৰ হ'ব নোৱাৰে আৰু তাৰ কাৰণে যাতায়তৰ সুবিধা বস্তুও পোৱা সম্ভৱ নহ'ব।

(২) ২ নম্বৰত ইয়াকে পাও যে জাপানে যদি উজনি অসম দখল কৰি লৈ যায় তেনেহ'লে কলিয়াবৰৰ অচল অৱস্থা দীৰ্ঘকাল স্থায়ী হ'ব। কলিয়াবৰ প্ৰধান ঘাটি ৰূপে ব্যৱহৃত হ'ব আৰু প্ৰয়োজন অনুসৰি গাওঁ উজন কৰি Aerodrome আদিও মিত্ৰ শক্তিয়ে তৈয়াৰ কৰি লহিব পাৰে। তেনেহ'লে উত্তৰ পাৰতো যুদ্ধ আয়োজন কম নহ'ব।

(৩) জাপানে অকল নগাওঁ দখল কৰি লহিলে যিমান দিন পৰ্য্যন্ত দৰং দখল নহ'ব সিমান দিন পৰ্য্যন্ত দক্ষিণ পাৰৰ পৰা উত্তৰ পাৰলৈ অহা মানুহৰ দক্ষিণ পাৰৰ লগত সংযোগ ৰখাৰ কোনো ব্যৱস্থা থাকিব নোৱাৰিব। মিত্ৰ শক্তিয়ে উত্তৰ পাৰত যুদ্ধ আয়োজন কৰিলে উত্তৰপাৰৰ মানুহো পলাব লগীয়া হ'ব, তেতিয়া দক্ষিণ পাৰৰ মানুহ যি বিলাক ইয়াত থাকিব সেই বিলাক কলৈ যাব আৰু কিমান দূৰলৈকে লৈ থাকিব আৰু কাৰ আশ্ৰয়ত থাকিব?

গতিকে বৰ্ত্তমান আমি যি ব্যৱস্থাৰ কথা ভাবিছো সেই ব্যৱস্থাৰ পূৰ্ণ উদ্যম চলাৰ আগতে উপৰোক্ত কথাবিলে লক্ষ্য কৰি বৰ্ত্তমান চলা ব্যৱস্থাৰ বাহিৰে অন্য কিবা ব্যৱস্থাৰ কথা ভাবিব পাৰিনে তাৰ বিবেচনা কৰি চোৱাটো উচিত। বৰ্ত্তমান কৰা ব্যৱস্থাৰ বাহিৰে অন্য ব্যৱস্থা কৰিবৰ পথ বিলাক তলত চমু ভাবে দিলো। সেই বিষয়ে কেন্দ্ৰীয় কমিটিত আলোচনা কৰি অতি সোনকালে জনোৱাৰ আৰু তাক কাৰ্য্যকৰী কৰা ব্যৱস্থাৰ সিদ্ধান্ত কৰিব বুলি আশা কৰিলো।

কলিয়াবৰৰ পৰা তিনি চাৰি মাইল দূৰত বহুতো কলিয়াবৰীয়া বাইজৰ পাম আছে। এই ধৰণৰ পাম থকা মানুহৰ সংখ্যা বোধকৰো শতকৰা ৬০ জনৰ কাম নহ'ব। সেই পাম বিলাকৰ আশে-পাশে বহুত মাটি খালি পৰি থাকে। যি বিলাক মানুহৰ পাম আছে সেই মানুহৰ লগ লৈ পাম নোহোৱা দুই চাৰিঘৰে সেই পাম ঘৰৰ লগতে অস্থায়ীভাৱে দুই চাৰিটা ঘৰ সাজিব পৰাকৈ ব্যৱস্থা ৰাখিব লাগে। আৰু তাত ৩/৪ মাহৰ জোখাৰে ধান-সৰিয়হ আদি প্ৰয়োজনীয় বস্তুৰ যোগাৰ ৰাখিব লাগে। যি বিলাকৰ মুটীয়া হিচাপে বাস কৰিবৰ ব্যৱস্থা নহয় তেওঁ বিলাকেও নিজৰ মনৰ মতে অন্য পৰিয়ালৰ লগ লৈ পামৰ কাষৰ মাটিত মুটীয়াভাৱে ঘৰ সাজিবৰ ব্যৱস্থা কৰি ৩/৪ মাহৰ কাৰণে শস্য ৰখাৰ দিহা কৰিব লাগে।

মানুহ আৰু বয় বস্তু প্ৰয়োজনীয় সময়ত পামলৈ স্থানান্তৰিত কৰিবৰ কাৰণে প্ৰত্যেক গাঁওত যি গৰু গাড়ী আছে সেই গৰু গাড়ী প্ৰাথমিক কংগ্ৰেছ কমিটিয়ে হস্তগত কৰি সেৱাদলৰ জড়িয়তে ব্যৱহাৰ কৰাব। তেনে কৰিলে ধনী দুখীয়া সকলোকে সমানে সুবিধা দিয়াৰ ব্যৱস্থা হ'ব।

এইদৰে পামত থাকিবৰ ব্যৱস্থা কৰিলে-

১। যিমান দিনলৈকে কলিয়াবৰত সোমাব পৰা সম্ভৱ হ'ব সিমান দিনলৈকে তাঁলৈ সোমাই মূল্যবান আৰু জীৱন ধাৰণৰ অতি প্ৰয়োজনীয় বস্তুবিলাক পামত নি মজুত কৰি নিৰাপদ কৰি ৰাখিবৰ সুবিধা হ'ব।

২। গৰু মহ তাঁত শাল নাঙল আদি বস্তুবিলাক লগত লৈ যাবৰ সুবিধা হ'ব। আৰু নিৰাপদ অঞ্চলৰ মাটি বিলাকত জীৱন ধাৰণৰ আহাৰৰ কাৰণে খেতি কৰিব পৰা যাব।

৩। গাওঁ হিচাপে সকলো লগা হৈ এটা মুঠত থকাৰ সুবিধা হ'ব আৰু বিদেশীৰ হাতৰ পৰা পাম, মাটি আদি ৰক্ষা পৰিব।

৪। কলিয়াবৰৰ চাৰিওফালে এইদৰে পাম পঠাৰ আছে। গতিকে কলিয়াবৰৰ নিৰাপদ অৱস্থা ফিৰি অহাৰ লগে লগে আৰু উত্তৰ পাৰৰ পৰা মানুহ গৈ নিজৰ সম্পত্তি আদি বিচাৰি লোৱাৰ মাজত বিদেশী বিলাকে সেই ঘৰ সম্পত্তি লুট কৰিবৰ কাৰণে সুযোগ নেপাব। যিটো সুযোগ উত্তৰ পাৰলৈ মানুহ উঠি আহিলে বিদেশীয়ে ল'ব। এইটো আমি স্পষ্টকৈ বুজা উচিত যে আমাৰ ভেটি এৰি অহাৰ পিছত সেই ভেটি মাটি বা সম্পত্তি উদ্ধাৰ কৰিবলৈ বিদেশীৰ লগত আমি যুদ্ধ কৰিবগৈ লাগিব। কিন্তু সেই ভেটি মাটি একেবাৰেই এৰি নিদি আৰু চাৰিওফালে সংগঠিত ভাৱে বাইজে গাৰ্ড দৰে বহি থাকিব পাৰিলে বিদেশী গৈ গাৰ্ডৰ মাজত সোমাবলৈ সাহ নকৰিব।

৫। দুৰ্য্যোগ অন্ত হোৱাৰ লগে লগেই সেই মানুহবিলাক পুনৰ নিজ নিজ ঘৰত থিতাপী লাগিবলৈ অসুবিধা নহ'ব। আপোনৰ কবলৈ আহিলেও একে ঠাইতে থাকিলে নিজৰ ভেটি মাটিলৈ ফিৰিবলৈ অতি কম সময়ৰ ভিতৰতে সুবিধা আছিব। অনিৰ্দ্দিষ্ট কালৰ কাৰণে হ'লেও পাম বিলাকত সমবায় ব্যৱস্থাৰে হওক বা নিজৰ আপোন মানুহৰ লগ লাগিয়েই হওক খেতি পঠাৰ কৰি পৰৰ ওপৰত নিৰ্ভৰ নকৰাকৈ থাকিবৰ সুবিধা হ'ব। তাৰ উপৰিও পৰি থকা মাটি বিলাক বিদেশীৰ হাতত পৰাতকৈ আমাৰ মানুহে হস্তগত কৰাৰ সুবিধা হ'ব।

যি বিলাক মানুহে পামলৈ যাব নোৱাৰে সেই বিলাকে নগাওঁ জিলাৰ ভিতৰতে মিতিৰ বিচাৰি ব্যৱস্থা কৰিব লাগে। উত্তৰ পাৰলৈ আহিলে নিজৰ দায়িত্বত আহিব। কংগ্ৰেছে তেওঁলোকৰ কাৰণে বিশেষ দায়িত্ব ল'ব নোৱাৰে বুলি প্ৰচাৰ কৰিব লাগে।

অসম আমাৰ। আমি ইয়াৰ স্থায়ী বাসিন্দা। আমাৰ প্ৰত্যেকৰে নিজৰ স্থায়ী সম্পত্তি আছে। গতিকে আমি evacuation-ৰ কথা ভবাৰ লগে লগে বহুত কথা ভাবিব লগীয়া আছে। মৈমনসিঙিয়াৰ নিচিনা হোকাটো চিলিমটো আৰু আধাপোৱা চৰু কেইটাই আমাৰ এক মাত্ৰ সম্বল নহয়। নিজ প্ৰদেশৰ ভিতৰতে যদি আমি নিজৰ ওপৰত নিৰ্ভৰ কৰি চলিব পৰাৰ ব্যৱস্থা কৰি ল'ব নোৱাৰো অন্য প্ৰদেশত আমাৰ ব্যৱস্থা কি হ'ব ভাবিব লগীয়া।

এই চিঠি পোৱা মাত্ৰেই আপুনি কলিযাবৰ কেন্দ্ৰীয় কমিটি আহ্বান কৰি এই চিঠিত লিখা কথা আলোচনা কৰিবৰ ব্যৱস্থা কৰে যেন। আমাৰ বাইজৰ মাজত যি নিৰাশাবাদে দেখা দিছে তাক অতি সোনকালে দূৰ কৰি বাইজৰ মনৰ পৰিবৰ্ত্তন আনিব লগা হৈছে। আগত খেতিৰ দিন। এই খেতিৰ দিন বিলাক এইদৰে চঞ্চল ভাৱেৰে নেখেদি বাইজো যাতে নিৰ্ভয়ে থাকিব পাৰে আৰু খেতিও যাতে যথাসাধ্যে কৰিব পাৰে তাৰ ব্যৱস্থা কৰাটোহে উচিত হ'ব। এনহৰ একেবাৰে খেতি নোহোৱা মানে বাইজৰ ভৱিষ্যতত কিমান দুৰ্দ্দশা তাক অনুমান কৰিব নোৱাৰি।

এই চিঠি কমিটিত পাঠ কৰি, এই বিষয়ে আলোচনা কৰি পাম বিলাক কলিয়াবৰৰ ৪/৫ মাইলৰ ভিতৰত বাসৰ উপযুক্ত মুকলি মাটি Survey কৰিবৰ কাৰণে কেইজনমান সভ্যক ভাৰ দিব। কোন গাঁৱত কিমান গৰু গাড়ী আছে তাৰো এটা লিষ্টি সংগ্ৰহ কৰিবৰ কাৰণে সংগঠকক ভাৰ দিব। বাকী প্ৰয়োজনীয় কথা মই গৈ আলোচনা কৰিম।

Personal . . ..

শৰীৰৰ অৱস্থা ভালে থাকিলে ৰবি সোমবাৰে মানে পাৰ হ'ম।

শুভেচ্ছা জনালো।

শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী

মই ৰবিবাৰে খুব সন্তৰ যাম। কংগ্ৰেছী আৰু পৰোক্ষভাৱে কংগ্ৰেছ সমৰ্থন কৰা প্ৰত্যেক গাঁৱৰ পৰা ৫ জন মানুহক মানুহ মাতি প্ৰতিনিধিমূলক ৰাজহুৱা সভা পতাৰ ব্যৱস্থা কৰিব। সকলো শ্ৰেণীৰ মানুহক কংগ্ৰেছৰ Influence লৈ অনাৰ এয়ে সুযোগ। Trunk Road-ৰ কাষৰ মানুহ বেচি সাময়িক লাগে।"

(চিঠিখন জাপৰ মাজত থাকোঁতে কিছুমান শব্দ পোকে কুটিলে। পঢ়ি যাওঁতে নোহোৱা শব্দটো ভাবি ল'ব পাৰি। তলত আঁচ দিয়া শব্দ কেইটা কুটিলে কিন্তু আন্দাজত দিয়া হৈছে। চিঠিখনৰ কাগজৰ ৰং গেৰুৱা হৈ ক'লা পৰি গৈছে। এটা শব্দ বুজিব বা ভাবিব পৰা নহ'ল। সাধাৰণতে সেই সময়ত চিঠিত তাৰিখ আৰু নাম দিয়া নহৈছিল। এইখন চিঠিৰ গুৰুত্বলৈ চাই গোস্বামীদেৱে তলত নাম লিখিছিল।

ওপৰোক্ত চিঠিখন মাৰ্চ মাহৰ (১৯৪৩) শেষৰ ফালে বা এপ্ৰিলৰ প্ৰথম ভাগতে লিখিছিল। চিঠি পাই লগে লগে পৰিচালনা কমিটি বহি আলোচনা কৰিলে। প্ৰতিটো কথাকে বিশদ ভাৱে ব্যাখ্যা কৰি চালে। কলিয়াবৰৰ হাজাৰ হাজাৰ মানুহ জামুগুৰি বা চতিয়াৰ ফালে ভগনীয়া হৈ যোৱাটো যে এটা অতি সমস্যা বহুল আৰু অতি অবান্তৰ কথা হ'ব- বিশেষকৈ ব্ৰহ্মপুত্ৰৰ দৰে বিশাল নদীখন বুকুত লৈ কেবল নাও কেইখনমানকে ব্যবহাৰ কৰি মানুহৰ লগতে সা-সৰঞ্জাম নিয়াতো অসম্ভৱ হ'ব- সেই কথা গভীৰভাৱে চিন্তা কৰি কলিয়াবৰ কংগ্ৰেছে প্ৰাদেশিক কংগ্ৰেছৰ প্ৰস্তাৱ নাকচ কৰে। এইটো এটা কল্পনাৰ কথা বুলিহে কলিয়াবৰ কংগ্ৰেছে গণ্য কৰিলে। এই মন্তব্য কৰি বিষয়টো নগাওঁ জিলা পূৰ্ব্বাঞ্চল কেন্দ্ৰীয় কংগ্ৰেছলৈ প্ৰেৰণা কৰিলে। সেই কমিটি বহিও গোটেই বিষয়টো পৰ্য্যালোচনা কৰিলে। দুয়োখন সভাত লক্ষ্মীপ্ৰসাদ গোস্বামীদেৱো উপস্থিত আছিল। তেখেতৰ যোগেদিয়েই প্ৰাদেশিক কংগ্ৰেছক কলিয়াবৰৰ সমস্যা আৰু সিদ্ধান্তৰ কথা জনাই দিয়া হ'ল।

অৱশ্যে কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে শ্ৰীগোস্বামীদেৱে লিখাৰ দৰেই আশে পাশে বুঢ়া পাহাৰ দেওচুৱঁলৈকে থকা পামবোৰত গৈ যাতে মানুহ থাকিবগৈ পাৰে তাৰ বাবে পামবোৰ জৰীপ কৰি প্ৰয়োজন হ'লে তৎক্ষণাৎ ব্যৱস্থা ল'ব পৰাকৈ সাজু থাকিবৰ বাবে প্ৰাথমিক কংগ্ৰেছ কমিটিবোৰলৈ জাননী জাৰি কৰিলে। দেওচুৱত ঘৰ সজা সামগ্ৰীও যোগাৰ কৰি থাকিলে।

ভগৱান সহায় হ'ল। তেনেকুৱা কোনো অঘটন নঘটিল। কলিয়াবৰৰ বাইজক উচ্ছেদ কৰি বিমান কোঠ পাতিব লগা নহ'ল। বোমাও নপৰিল। কলিয়াবৰৰ বাইজ ৰক্ষা পৰিল। কংগ্ৰেছ নেতা সকলৰ দুঃচিন্তা আঁতৰিল। আত্মগোপন কৰি পলাতক হৈ তেতিয়াও থকা শান্তিসেনা আৰু মৃত্যু বাহিনীৰ ডেকা সকলে তেতিয়া আঙুলিমুৰত লেখিব পৰা পলাতক কংগ্ৰেছ নেতা কেইজনৰ প্ৰতিটো আদেশ মানি লৈ যিমান পাৰে সজাগ হৈ থাকিল। জেললৈ যোৱা সকলে কলিয়াবৰৰ সেই সময়ৰ এই ভয়াবহ পৰিস্থিতিৰ কথা একো গম নাপালে। এতিয়াও নাজানে বহুতে। সকলোতকৈ ডাঙৰ কথা সৰ্ব্ব সাধাৰণ বাইজ আৰু খেতিয়ক সকলে এইবোৰ কথাত কোনো গুৰুত্ব নিদি নিজৰ কাম কৰি গ'ল। হতাশ নহ'ল।

মিলিটাৰী কনভয়

দ্বিতীয় মহাসমৰ আৰম্ভ হোৱাৰ পিছতে অসমৰ দক্ষিণ ট্ৰাঙ্ক ৰোডটোৰ উন্নতি সাধন কৰি আলকতৰা ঢালি পকা কৰা হ'ল। পশ্চিমত জাৰ্ম্মানীয়ে এখনৰ পিছত সিখন দেশৰ লগত যুদ্ধত লিপ্ত হৈছে। ইফালে পূবত জাপান এক মহান শক্তিশালী দেশ হিচাপে পৰিগণিত হোৱাই নহয় এইখন দেশে দক্ষিণ পূব এচিয়াৰ এখনৰ পিছত সিখন দেশ জয় কৰি আহি ভাৰতৰ পূব সীমাত থকা ব্ৰহ্মদেশো অধিকাৰ কৰি লৈছে। বৃটিছ-আমেৰিকাই দুয়োদেশৰ সৈন্য যুদ্ধ ক্ষেত্ৰত নমাই দিছে, যুদ্ধৰ সকলো সঁজুলি এই পথেদিয়েই (৩৭ নং ৰাষ্ট্ৰীয় ৰাজ পথ) সৰবৰাহ কৰিছে। যুদ্ধ ক্ষেত্ৰলৈ পেট্ৰল সৰবৰাহ কৰিবৰ বাবে কলিকতাৰ পৰা এই ৰাজপথৰ কাষে কাষে পাইপ লাইন বহুৱাই দিছে। অসমৰ অন্য কে'ৰাঠাইতো আমেৰিকান সৈন্যৰ চাউনী পাতিছে। সৰুভগীয়া গাঁৱঁৰ সমুখৰ বিৰাট বাঁহনি দৰাৰ জোপা জোপা জাতি আৰু ডলুকা বাঁহৰ তলখন আকাশ মাৰ্গৰ পৰা নেদেখি, বাঁহে চাটি ধৰি আছে। সৈন্য বাহিনীৰ কোঠ পাতিবলৈ অতি নিৰাপদ আৰু সুবিধাজনক ঠাই। উত্তৰ ফালে আছে কলং নদী, এক প্ৰাকৃতিক সুৰক্ষাৰ স্থান। আমেৰিকান সৈন্য বাহিনীয়ে বাছি ল'লে তেওঁলোকৰ ভাৰতৰ পূব প্ৰান্তৰ। দ্বিতীয় (?) কোঠ হিচাপে। যুদ্ধৰ পূব প্ৰান্তলৈ এই কোঠৰ পৰা সৈন্য, সঁজুলি পঠোৱা হৈছিল।

সৈন্য বাহিনীৰ যেতিয়া চলা চল হয়, মিলিটাৰী গাড়ীৰ কনভয় আহিছিল, তেতিয়া লানি নিচিগাগৈ হাজাৰ হাজাৰ গাড়ী একেলগে আহিছিল। কোনোবা দিনা এনে অৱস্থা হৈছিল যে পথটোৰ একাষাৰ পৰা সি কাষলৈ যাবলৈ মানুহে প্ৰায়ে গোটেই দিনটো বৈ থাকিব লগা হৈছিল।

আমেৰিকান সৈন্য সকলে তেওঁলোকৰ তৰ্জ্জনি আৰু মধ্যমা আঙুলি দুটাৰে 'V' আখৰটোৰ দৰে দেখুৱাইছিল। বিশেষকৈ বৈ থকা স্কুলৰ ছাত্ৰ সকলক। প্ৰথমতে ছাত্ৰ সকলে বুজা নাছিল। কিন্তু সৈন্য সকলে হাতত চকলেটৰ টেমা বা পেকেট লৈ তেনেকৈ দেখুৱাবলৈ ইঙ্গিত দিছিল। দুই একে নাজানিয়েই হওক বা ভয়তেই হওক তেনেকৈ দেখুওৱাত দুই তিনিটাকৈ লজেন্স-চকলেটৰ পেকেট দলিয়াই দিছিল। আমেৰিকান উচ্চাৰেৰে 'ভিক্ট্ৰি' বুলি ক'বলৈ কৈ ইঙ্গিত দিছিল। ইয়াৰ পিছৰ পৰা ছাত্ৰ সকলৰ বহুতেই আমেৰিকান সৈন্য গাড়ীত দেখিলেই আঙুলিৰে 'V' দেখুৱাই 'ভিক্ট্ৰি' বুলি চিএৰি কৈছিল। সৈন্য সকলে কিৰিলি পাৰি হাঁহি টেমা-পেকেট দলিয়াই দিছিল।

কেতিয়াবা পথটোৰ সিপাৰলৈ যাবলৈ বৈ থকা ছাত্ৰৰ জুম দেখি কোনো কোনো চালকে গাড়ী ৰখাই পাৰ হ'বলৈ দিছিল। কেতিয়াবা সোণাৰি গাঁৱঁৰ শিবিৰ বা শিলঘাটৰ ফালে যোৱা মিলিটাৰী ট্ৰাকত ছাত্ৰ সকলক তুলি লৈ গৈ স্কুলৰ সমুখত নমাই দিছিল।

কেতিয়াবা স্কুললৈকে যোৱা বন্ধ হৈছিল। ১৯৪৫ চনলৈকে মাজে মাজে এই অবস্থাৰ সৃষ্টি হৈছিল।

এদিন (শেষৰ ফালে) আঙুলিৰে 'V' ৰ সলনি বেলেগ কিবা দেখুওৱাৰ কাৰণে সকুভগীয়াৰ ওচৰতে গাড়ীৰ পৰা নামি আহি এজন আমেৰিকান সৈন্যই খঙত কিবা কিবি কৈ দলগাৰ্ডৰ শ্ৰীদেবেন হাজৰিকাক গঁতা মাৰি দিলে। ৰাস্তাৰ কাষৰ দ ফালে বোকাত গৈ হামখুৰি খাই পৰিলগৈ। মিলিটাৰী গাড়ীখন আঁতৰি যোৱাৰ পিছত শ্ৰীহবেন শইকীয়া আৰু লগৰ সকলে টানি আঙুঁৰি তুলি আনিলে।

আন্দোলনৰ শেষ পর্য্যায়ৰ গ্ৰেপ্তাৰ

আন্দোলন আৰম্ভ হোৱাৰ পিছৰ পৰাই পলাতক হৈ ঘুৰি ফুৰিলে যদিও শেষৰ ফালে পুলিছেও যেতিয়া তেওঁলোকৰ পদ্ধতি সলনি কৰিলে কংগ্ৰেছ নেতা সকল এজন দুজনকৈ পুলিছৰ হাতত ধৰা পৰিল। ইয়াৰ ভিতৰত কিছুমানৰ দীঘলীয়া জেল হ'ল আৰু আন কিছুমানৰ তেওঁলোকৰ বিপক্ষে থকা গোচৰ বোৰ খাৰিজ হোৱাত গ্ৰেপ্তাৰ কৰি নি জেলত সুমুৱাই সোনকালেই খালাছ দিলে। কোনোবা জনক জেলত সোমোৱা দিনাই গোচৰ খাৰিজ হোৱাত পিছৰ দিনাই মুক্তি দিলে।

১৯৪৩ চনৰ চেপ্টেম্বৰ মানলৈ কলিয়াবৰৰ অৱশিষ্ট কংগ্ৰেছ নেতা সকলক গ্ৰেপ্তাৰ কৰা হ'ল। মার্চ মাহৰ পৰা আৰম্ভ কৰি এই কেইমাহৰ ভিতৰতে কলিয়াবৰ কংগ্ৰেছৰ পৰামর্শ দাতা কমিটি আৰু জৰুৰী পৰামর্শ কমিটি আৰু নগাওঁ জিলা পূৰ্বোত্তৰ কেন্দ্ৰীয় কমিটিৰ শ্ৰীগোলোক বৰঠাকুৰ, শ্ৰীভূমি মুদৈ, শ্ৰীভূজেন্দ্ৰ নাথ বৰুৱা, শ্ৰীগুণাৰাম বৰা, শ্ৰীৰমাকান্ত বৰা, শ্ৰীৰজনী কান্ত গোস্বামী, শ্ৰীগোলাপ চন্দ্ৰ বৰুৱা, শ্ৰীআনন্দৰাম শইকীয়া, শ্ৰীভোগেশ্বৰ বৰা, শ্ৰীৰতিন্দ্ৰ নাথ বেনার্জি, শ্ৰীলক্ষেশ্বৰ হাজৰিকা, শ্ৰীতুৰাকান্ত মহন্ত (পিছত গোস্বামী) আদি সকলক গ্ৰেপ্তাৰ কৰিলে। তাৰ পিছত কিছুদিনলৈ কলিয়াবৰত কংগ্ৰেছৰ কাম অচল হৈ পৰিবলৈ বাধ্য হ'ল।

সেই চনৰে ১২ এপ্ৰিল তাৰিখে গাৰিকুৰিৰ শ্ৰীবাপাৰাম বৰাক শাকমুঠিৰ ফালৰ পৰা আহি থাকোঁতে এদ্ধাৰ ৰাতি ভৰালিচুক আৰু আখিৰঙা চুকৰ মাজৰ জান ভগাতে দুয়ো ফালৰ পৰা মিলিটাৰী আহি ঘেৰাও কৰি গ্ৰেপ্তাৰ কৰিলে। আমি পিছৰ দিনাহে থানাৰ ওচৰৰ মানুহৰ পৰা গম পাওঁ। নগাওঁ জেলত তেখেতে জেল কর্ত্তৃপক্ষৰ বিপক্ষে- ধানে ভুঁহে আধা সিজা দাইলেৰে ভাত দিয়াত, বাকী ৩য় শ্ৰেণীৰ ৰাজনৈতিক বন্দীসকলক একেলগ কৰি বিদ্ৰোহ আৰম্ভ কৰিলে। তেতিয়া নগাওঁ জেলত থকা প্ৰথম শ্ৰেণীৰ ৰাজনৈতিক বন্দী সকলৰ লগতো তর্ক কৰিলে। বিশেষ ভাৱে শ্ৰীদেৱকান্ত বৰুৱাৰ লগত বেচিকৈ তর্ক হ'ল। শ্ৰীবৰুৱাদেৱে জেলৰ আইনমতেই ৩য়শ্ৰেণীৰ বন্দীক তেনেকৈয়ে খাদ্য দিয়াৰ নিয়ম বুলি

কৈছিল কাৰণে শ্ৰীবৰাই কৈছিল " আপোনালোকে কটি, মাংস,কণী, কফি খাবলৈ পাইছে যেতিয়া আমাৰ দৰে ৩য় শ্ৰেণীৰ মানুহৰ দুখৰ কথা বুজিব নোৱাৰে। বজা আদখাদি আদবি আপোনালোকক জেললৈ আনি ৰাজ সুখত ৰাখিছে। আমাৰ বোৰে হাবিয়ে জংঘলে পলাই ফুৰি কাম কৰাৰ পিছত চৰ, ভুকু, বুটজোতাৰ গোৰ, বন্দুকৰ গেদিৰ খুন্দা খাই গ্ৰেপ্তাৰ হৈ আহিছো যেতিয়া গৰু ছাগলীৰ খানাকে খাৰ লাগিব। আপোনালোকৰ দৰে মহান দেশ প্ৰেমিকে গাৰ্ডৰ সৰ্ব্বসাধাৰণ দুখীয়া মানুহৰ কথা বুজিব নোৱাৰে। মহাত্মা গান্ধীৰ দৰ্শন, আদৰ্শ আপোনালোকে কেতিয়াও মনা নাই, মানিব যা ল'ব নোৱাৰে।" শ্ৰীবৰাৰ খং উঠিছিল।

নিৰাপত্তা (Security Prisoner) বন্দী সকলকো প্ৰথম, দ্বিতীয় শ্ৰেণীৰ সুবিধা দিয়া হৈছিল। একমাত্ৰ শ্ৰীলীলাকান্ত বৰাইহে ৩য় শ্ৰেণীৰ ৰাজনৈতিক বন্দী সকলৰ পক্ষ ল'লে। ইয়াৰ বাবে তেখেতে ওপৰ খাপৰ বন্দী সকলৰ পৰা অনেক ধৰণৰ বাধা পোৱাৰ পিছতো নিৰাপত্তা, দ্বিতীয় আৰু ৩য় শ্ৰেণীৰ ৰাজনৈতিক বন্দী সকলোৰে বাৰে একে খানাৰ ব্যৱস্থা কৰিবলৈ জেল কৰ্ত্তৃপক্ষক বাধ্য কৰে। মহেন্দ্ৰ হাজৰিকাই শ্ৰীবৰাক সম্পূৰ্ণ সমৰ্থন কৰিলে।

(এইবোৰ কথা শ্ৰীলীলা বৰা দেৱেও জেলৰ পৰা ওলাই অহাৰ পিছত আমাক কৈছিল। শ্ৰীদেৱকান্ত বৰুৱা কে'বা বাৰো আমাৰ ঘৰলৈ আহিছিল, শ্ৰীবাপাৰাম বৰাক ভাল পাইছিল, প্ৰশংসা কৰিছিল)।

এই সংক্ৰান্তত যোৰহাট জেলত থাকোঁতে হোৱা অভিজ্ঞতাৰ কথা শ্ৰীভাৰিৰাম বৰাদেৱে লিখিছিল "সময়মতে পিন্ধা কাপোৰ, খাবলৈ থাল বাতি, ৰাতি ল'বলৈ কম্বল আদিৰ কাৰণে জেইলাৰক আনকি চুপাৰিণ্টেডেণ্টকো আপত্তি জনাই থাকিব লগা হ'ল। খাদ্য সামগ্ৰীৰ অৱস্থা অতি শোচনীয়। এবাৰ বহুতৰে পানী লগা জ্বৰ কাহ হ'ল। হস্পিতালত ভৰ্ত্তি হ'ল। মই নিজে বেমাৰীৰ ভাও ধৰি হস্পিতালত ভৰ্ত্তি হ'লো। প্ৰথমে লাগিল পথ্যতে। বেমাৰীৰ পথ্য নিদিয়ে। ডাক্তৰে বেমাৰী ওষ্ধৰ ৰ'দ কাচলিত বহি বেমাৰী চায়। ৬ হাত আঁতৰতে বেমাৰীক 'ঐ জিব দেখাও, পেট দেখাও' ইত্যাদি কৰি চিএৰ বাখৰ কৰি থাকে। ওলাই গৈ দিলো ধমক- এইটো বেমাৰী ঘৰ তোমাৰ এই হাল্লা কিহৰ? ভালে ভালে হস্পিতাললৈ যোৱা। সি কয় 'আমি জানি শিখাইতে লাগে না'। ক'লো কাহতলীয়া চৰ চিনি পোৱা? একেপাত চৰতে দুপাৰি দাত উফৰি যাব। সি একে কোবেই এ ডিভিজন পালেগৈ। আপত্তি দিলেগৈ। লগে লগে দেকেৰৰ শৰ্ম্মা আহিল। তেখেতে ইমান খং কৰা বেয়া বুলিলে 'আমাৰ লগৰ কে'বাজনেও জলজলাই উঠিল। চাৰ আপোনালোকে আমাৰ অৱস্থা কেনেকৈ বুজিব? ইইতে আমাক মানুহ বুলিয়েই গণ্য নকৰে। বেমাৰীকো মাৰ ভাতকে খুৱাইছে। ঔষধ বুলি কি দিছে সিহে জানে। আজি চাৰি পাঁচজন জ্বৰত লেবেজান হৈ গৈছে। শৰ্ম্মাচাৰৰ গাত লাগিল।"

এদিন মূলাৰ পকা পাত ভাজিবলৈ লওঁতে আপত্তি কৰাত এচিষ্টেণ্ট জেইলাৰে এ ডিভিজনত আপত্তি দিলেগৈ। "কে'বাজনো আহি বুজাবলৈ লাগিল। ডাঃ হকেকৃষ্ণ দাসে কৈ পেলালে 'তোমালোকে জেলত খাবলৈহে আহিছানে কি?' বহু হৈ গ'ল। 'আমি নাখাওঁ' গোটেই জেল জোলপাব। শেহাতবত ডাঃ দাসে ক্ষমা খুজি সকলোকে সৈমান কৰালে। চাউলত ধান তুহ পচা শাক, আনে পিন্ধা পেণ্ট, চোলা আৰু জাবৰ কম্বল দিয়াত আপত্তি দিলে শ্ৰীসোণাৰাম চুতীয়াই। চুপাৰিণ্টেডেণ্টে আৰু গৰ্জি উঠিল- Who authorse you to speak? ভিৰৰ মাজৰ পৰা মই চিএবি দিলো- We authorise him. হৈ গ'ল। ১ ঘণ্টাৰ ভিতৰতে সোণাৰাম চুতীয়াৰ চিলেট জেললৈ গলি। কথা এনি সকলো শ্ৰীমান।

৫ দিন পিছত দুজন দাগী কয়দীৰ সেতে চুতীয়া ঘুৰি আহিছে। .. চুতীয়াই মোক গৰা মাৰি ধৰি ক'লে আপোনাৰ জহতে ফিলং চিলেট দেখিলো। চিলেটৰ জেইলাৰ আমাৰ শিৱসাগৰৰ মজিদুৰ বহমান। অত্যন্ত নিৰ্ভিক জেদি মানুহ। যেতিয়া জানিলে যে এঘণ্টাৰ ভিতৰত বদলি কৰিছে বুলি, তেওঁ আইনৰ দোহাই দি পুনৰ ঘুৰাই পঠিয়ালে। ` দুপৰীয়া ভাত প্ৰায়ে কম হয়। সেইদিনা ১৬ জনলৈ ভাতে নাটিলে। এচিষ্টেণ্ট জেইলাৰে হেম বৰুৱা আৰু বিমলা চলিহাৰ লগত আলোচনা কৰিবলৈ লাগিল। ইফালে উত্তপ্ত পৰিবেশ। ল'ৰাইতে চলিহাৰ সমুখত স্লুম বান্ধিলে। সোনকালে ভাতৰ ব্যৱস্থা কৰিবলৈ দাবী কৰিলে। জেইলাৰে ইতস্ততঃ কৰিব ধৰিলে। আমাৰ ৰঙগীয়াৰ শ্ৰীভোগেশ্বৰ বৰুৱাই চলিহাৰ চেওেল লৈ জেইলাৰক কেইকোৱমান মাৰিলে। জেইলাৰে মাফ খুজি তৎক্ষণাৎ ভাতৰ যোগাৰ কৰিলে। বিশেষ উল্লেখযোগ্য মাননীয় হেম বৰুৱা আৰু বিমলা প্ৰসাদ চলিহাই A Division ত থাকিবলৈ আপত্তি কৰি আমাৰ ওয় শ্ৰেণীৰ লগত থাকিবলৈ ল'লে। তেওঁলোকৰ প্ৰাপ্য সা-সুবিধা খিনি ইয়াতে দিছিল।"

১২/৮/৪৩ তাৰিখে হঠাৎ ৰাতি চাৰে ন মান বজাত শ্ৰীৰমাকান্ত বৰাৰ ঘৰ ঘেৰাও কৰিলে। নজনাকৈযে ওচৰৰ ঘৰৰ পৰা ওলাই আহোঁতেই তেখেতক গ্ৰেপ্তাৰ কৰিলে। পুলিছ বিষয়াজনে ক'লে- 'এতিয়া ৰাতি চাৰে ন বাজি গ'ল থানাত লক-আপত থাকিব লাগিব। থানাত জিলাৰ ওপৰৰালা আছে। গতিকে আপুনি ভাত কেইটামান খাই লওক আমি অলপ বহিছো। ভাত বাটি দিলে। খাবলৈ বহি মাত্ৰ এগৰাহ মুখলৈ নিছে, এনেতে আখলৰ চৰুৰ জুহালৰ ওচৰৰ চুকৰ বেৰ এৰুৱাই দুটা মিলিটাৰী সোমাই আহিল। অন্য দুই তিনিজনে দুখন খিৰিকি মৰিয়াই কাঠৰ পাল্লা এৰুৱাই পেলালে। সোমাই অহা দুজনে ক'লে 'আভি ক্যা খানা খাতা হায়'? পিতাদেৱে ভাতৰ কাঁহীতে মুখ ধুই ওলাই আলি। বৌইত শোৱা কোঠাত সোমাই দুৱাৰ বন্ধ কৰি দিলে। বাহিৰলৈ ওলাই আহি শ্ৰীৰবাদেৱ পুলিছ অফিচাৰ এজনৰ ওচৰত বৈ থাকিল।

ৰবাদেৱক ভাত খাবলৈ কোৱা পুলিছ অফিচাৰজনে কেইজনমান মিলিটাৰী লৈ দলগাওঁৰ পৰা শ্ৰীমহোৰাম ৰবাক গ্ৰেপ্তাৰ কৰি আনিলেগৈ।

শ্ৰীচন্দ্ৰ কান্ত বৰা তেতিয়া ঘৰত নাই। পলাতক। সেইদিনা ৰাতি এক ডেৰ বজালৈকে দলগাওঁ গাৰিকুৰি আখিৰঙা গাৱঁৰ মানুহ আহি আমাৰ ঘৰ ভৰি পৰিছিল। সকলোৱেই পাকঘৰৰ ভঙা বেৰ খিৰিকি চাইছিল।

সোণাৰি গাৱঁৰ শ্ৰীলক্ষেশ্বৰ হাজৰিকাদেৱক গাৱঁৰে এঠাইত চুলি কাটি থকা অৱস্থাতে কোনোবা চোৰাংচোৰাৰ সহাযত চেপ্টেম্বৰ মাহত বিহালী থানাৰ ওৱাৰেণ্টৰ বলত গ্ৰেপ্তাৰ কৰি নিয়ে।

সমগ্ৰ কলিয়াবৰতে যি সকলক গ্ৰেপ্তাৰ কৰি এদিন বা এক ডেৰ মাহৰ পৰা দুই বছৰলৈকে জেল দিছিল তেখেত সকলৰ বহুতৰ বিষয়েই এই লিখনিত লিখিব পৰা নাই। আমি এতিয়া আমাৰ হাতত থকা নথি পত্ৰ বা টোকা সমূহত পোৱা আৰু বৰ্ত্তমান জীৱিত মুক্তি যুজাঁক ভালে সংখ্যকৰ পৰা সংগ্ৰহ কৰা কথা সামান্য ভাবেহে উল্লেখ কৰিছো।

১৯৪৩ চনত কলিয়াবৰৰ প্ৰায়বোৰ কৰ্ম্মী আৰু নেতা জেলত থকাত সভা সমিতি বোৰৰ নথি পত্ৰ বা বিৱৰণ বোৰ ভালকৈ ৰখাৰ ব্যৱস্থা হোৱা নাছিল। ১৯৪৪ চনৰ কোনো

নথি পত্ৰই পোৱা নগ'ল। আচল কথা হ'ল এটা নিৰ্দ্দিষ্ট অফিচৰ পৰা তেনে কোনো লিখিত নিৰ্দ্দেশ দিবলৈ তেনেকুৱা সুস্থিৰ কাৰ্য্যালয়েই নাছিল। জেলৰ পৰা ওলাই আহি শ্ৰীসোমেশ্বৰ বৰা দেৱে ১৯৪৪ চনৰ মাজ ভাগত কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সম্পাদক হোৱাৰ পিছৰ পৰাহে ভালে সংখ্যক নথি পত্ৰ সংৰক্ষণ হৈ আছে। তাৰো বহুতৰো কালৰ আঁচোৰত নষ্ট হ'ল।

১৯৪৩ আৰু ১৯৪৪ চনৰ ভিতৰত ঘটা ঘটনাবোৰৰ অকাট্য প্ৰমাণৰ অভাৱত, বহুত ঘটনাৰ কথা ইয়াত লিখা হোৱা নাই। এইখিনিতে উল্লেখ কৰিব খুজিছো যে কলিয়াবৰৰ কুটাঘাতমূলক ঘটনাৰ কথা শ্ৰীলীলা বৰাদেৱক, কংগ্ৰেছৰ তেখেতৰ অতি ঘনিষ্ঠ সহকৰ্ম্মীসকলেও, জানিবলৈ নিদিছিল। কাৰণ শ্ৰীবৰা দেৱে এইবোৰ কথা শুনিলে অতি দুখ পাইছিল। গতিকে সকলো সাৱধান হৈছিল। তেখেতক গ্ৰেপ্তাৰ কৰাৰ পিছত কে'বাটাও নাশকতামূলক কাম কৰা হৈছিল।

❑❑❑

তৃতীয় ভাগ

মুক্তি যুঁজাৰু কোন

পুলিছ মিলিটাৰীৰ অত্যাচাৰত কিছু সংখ্যক মানুহে কংগ্রেছ ত্যাগ কৰাই নহয়, আন্দোলনৰ বিপক্ষেও কাম কৰিবলৈ ল'লে। মিলিটাৰীক দেখুৱাই দি বহুতকে গ্রেপ্তাৰ কৰোৱালে। বহুতে মিলিটাৰী ঠিকাদাৰ হৈ ধন ঘটাত লাগিল। বহুতে কংগ্রেছৰ সভ্য হৈয়ো নিৰ্ব্বিকাৰ হৈ বহি থাকিল। যি সকল হাড়ে হিমজুৱে কংগ্রেছী তেওঁলোকে কিন্তু সকলো সময়তে সকলো বাধা বিঘিনি বিপদ আপদ আৰু অত্যাচাৰ শিৰ পাতি লৈ কাম কৰি গ'ল। লগত থাকিল ৰাইজৰ সংখ্যাগৰিষ্ঠ বুজন অংশটো।

সভা শোভাযাত্রা আৰু আত্মগোপনকাৰী সকলৰ নিৰাপত্তাৰ বাবে কংগ্রেছ কমিটিয়ে নতুন নতুন উপায় অৱলম্বন কৰিলে। বাহিৰত থকা সকল সদায় কৰ্ম্ম তৎপৰ হৈ থাকিল। সকলোতকৈ আচৰিত কথা হ'ল যি সকলক গ্রেপ্তাৰ কৰিলে আৰু এমাহৰ পৰা ছমাহলৈ জেল দিলে (১৯৪২ চনৰ আগষ্ট মাহৰ পৰা আৰম্ভ কৰি) তেখেত সকলৰ শতকৰা ৯৫ জনেই জেলৰ পৰা ওলাই আহি আকৌ জেললৈ যাব লাগে বুলি বা পুলিছ মিলিটাৰীৰ অত্যাচাৰ সহিব লাগে বুলি একেবাৰেই নিৰ্ব্বিকাৰ হৈ থাকিল, নীৰৱতা অৱলম্বন কৰিলে, সভা সমিতিলৈ নোযোৱা হ'ল। ঘৰতে বহি থকা হ'ল।

কংগ্রেছৰ চাৰি অনীয়া সভ্য নোহোৱাকৈয়ে দুই এজন, বন্ধু-বান্ধৱ বা গাৱঁৰ মানুহৰ, তেওঁলোকৰ ভাষাত 'প্রৰোচনাত পৰি', মাত্র এদিনৰ কাৰণে ঘৰৰ পৰা ওলাই গৈয়েই তেতিয়া 'অতি দুর্ভাগ্য'ৰ কাৰণে, সেই দিনাই জেললৈ যাব লগীয়া হ'ল। তেওঁলোকৰ ঘৰৰ ভৰণ পোষণৰ কাৰণে কংগ্রেছৰ ফালৰ পৰা, অৱশ্যে অভাৱী বা সম্বলহীন সকলৰ দৰেই, সহায় কৰা হৈছিল। জেলৰ পৰা ওলাই আহি 'ফুচুলাই' নিয়া বুলি উলিয়াই নিয়া জনক গালি শপনি পাৰিবলৈও কুণ্ঠাবোধ নকৰিলে। কংগ্রেছক গালিৰে থেকেচি থাকিল। পিছত গৈ একমাত্র জেললৈ যোৱাটোৱেই তেওঁলোকৰ বাবে আশীৰ্ব্বাদ হৈ পৰিল। মহান মুক্তি

যুঁজাৰুৰ মচিব নোৱাৰা মোহৰৰ চাপ তেওঁলোকৰ কপালত মৰা হ'ল, তামপ্ৰত্ৰও পালে, পেঞ্চনো পালে, মৃত্যুৰ পিছত এতিয়াও হয়তো বহুজনৰ পৰিয়ালে পেঞ্চন ভোগ কৰি আছে। তেওঁলোকে পোৱাত কাৰো একো আপত্তি নাই, নকৰেও। কিন্তু যিসকলে স্বাধীনতা আন্দোলনৰ গোটেই কালচোৱাতে পলাতক হৈ, আত্মগোপন কৰি, ছদ্মবেশ ধৰি, অনেক অপায় অমঙ্গল অতিক্ৰম কৰি, অক্লান্ত পৰিশ্ৰম আৰু ত্যাগ স্বীকাৰ কৰি নিৰবচ্ছিন্নভাৱে কাম কৰি গ'ল, হাবি জংঘলেই যাৰ বাসস্থান হ'ল, খাৱন শোৱনৰ পৰাও অনেক সময়ত বঞ্চিত হ'ল, ঘৰৰ পৰিয়ালৰ কথাও চিন্তা নকৰিলে, মাত্ৰ কংগ্ৰেছৰ নিৰ্দ্দেশ মানি আন্দোলনৰ কামতে নিজকে লিপ্ত ৰাখিলে, সেই সকলৰ অসাধাৰণ, ত্যাগৰ কোনো মূল্যই নাথাকিলগৈ। তেওঁলোকৰ, ক্ষুদ্ৰ এটা অংশৰ বাদে বেচি ভাগকে এলাগী কৰি ৰাখিলে, আনকি মুক্তি যুজাৰু বুলি স্বীকৃতিও নাপালে তেওঁলোকৰ বহুজনে। সকলোতকৈ আচৰিত কথা যিসকলে জেল খাটি ওলাই আহি বহি থাকিল, পিছৰ কোনো কাৰ্য্যসূচীত অংশ নল'লে, তাৰে বহুতে আকৌ বিপক্ষেও গ'ল, আৰু শেষত সৌভাগ্যৱান হৈ পেঞ্চন পালে, তেওঁলোকেও গভীৰভাৱে চিন্তা নকৰিলে যে তেওঁলোক জেলত থকা সময়ত আৰু পিছতো নিষ্ক্ৰিয় হৈ থকা সময়ত আন্দোলনটো জীয়াই ৰখা সকলৰ ত্যাগৰ কথা। নিজৰ সৌভাগ্যৰ লগতে এইসকল দুৰ্ভগীয়াৰ বাবে তেওঁলোকে যে চিন্তা কৰা দৰকাৰ আৰু তাৰ প্ৰতিকাৰ কৰাটো তেওঁলোকৰো যে কৰ্ত্তব্য এই কথাও নাভাবিলে।

বহুতে ধাৰণা কৰে যে স্বাধীনতা সংগ্ৰাম মানে অকল ১৯৪২ চনৰ আগষ্ট মাহত ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰাৰ পৰা এমাহ মানৰ ভিতৰত হোৱা সংগ্ৰামৰ কথাহে। তেতিয়া আন্দোলন বা স্বাধীনতা সংগ্ৰাম ভৰপক দিবলৈ আৰম্ভ হৈছিল মাত্ৰ। বহুতে আকৌ ভাবে যে আগষ্ট চেপ্টেম্বৰ (১৯৪২ চনৰ) মাহৰ ভিতৰত জেললৈ যোৱা সকলহ প্ৰকৃত মুক্তি যুজাৰু।

১৯৪২ চনৰ আগষ্টত আৰম্ভ হোৱা আন্দোলনৰ তীব্ৰতা ১৯৪৩ চনৰ শেষলৈকে কমা নাছিল। যদি মুক্তি যুঁজাৰুৰ কিবা ব্যাখ্যা দিব লাগে এইখিনি সময়ৰ ভিতৰৰ সকলো প্ৰকৃত কৰ্ম্মীকে সামৰিবই লাগিব, যি সকলে জেললৈ নগে ত্যাগ স্বীকাৰ কৰিলে আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ কৰিলে। তেওঁ লোকৰ অবদানহে বেচি। ইয়াৰ পিছৰ সকলক মুক্তি যুজাৰু বুলি নক'লেও তেওঁলোক নিশ্চয় কংগ্ৰেছ কৰ্ম্মী, দেশ প্ৰেমিক। কিন্তু আচৰিত কথা যে ১৯৪২ চনৰ আগষ্ট মাহত পাঠশালা স্কুলত পঢ়ি থকা বহুতেই পিছ দুৱাৰেদি গৈ পেঞ্চন যোগাৰ কৰি ভোগ কৰি আছে। ৬/৭ দিন বা এমাহ জেল খোৱা সকলবো বহুতেই ১০/১১ মাহ বুলি দেখুৱাই তাম্ৰপত্ৰ (৬ মাহ জেল হ'লে তাম্ৰপত্ৰ পায়) পালে। প্ৰকৃত ত্যাগী নিমাখিত সকল পৰি থাকিল। পাবত গজাই সুবিধা ল'লে। এতিয়া বুকুত হাত দি, সত্যৰ অপলাপ নকৰি, নিজক প্ৰবঞ্চনা নকৰি, ফাকি নিদিয়াকৈ, মুৰ তুলি ক'ব পৰা মানুহ খুব কমেইহে ওলাব।

এইখিনিতে এই সংক্ৰান্তৰ এটা কথা উনুকিয়াব খুজিছো। শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী

ডাঙৰীয়া যেতিয়া অসম মুক্তি যুঁজাক সন্মিলনৰ সভাপতি আছিল এদিন তেখেতক লগ ধৰি এই বিষয়ে আলোচনা কৰিছিলো। ১৯৭১/৭২ চন মানত সংগ্ৰহ কৰি উলিওৱা (চৰকাৰী পৃষ্ঠপোষকতাত ছপাকৰা) অসমৰ মুক্তি যুঁজাক সকলৰ তালিকা থকা কিতাপখনত বহুতো ভুল তথ্য দিয়া হৈছে আৰু বহুতো প্ৰকৃত মুক্তি যুঁজাৰুৰ নাম নথকাৰ কথাও তেখেতক কৈছিলো।

তেখেতক মই সুধিছিলো- 'আপুনি স্বাধীনতা সংগ্ৰামৰ গোটেইখিনি সময় পলাতক হৈ, ছদ্মবেশ ধৰি, আত্মগোপন কৰি কাম কৰি গ'ল। বোম্বাই মহানগৰীত গ্ৰেপ্তাৰ কৰি চাৰি দিনৰ পিছত প্ৰমাণৰ অভাৱত এৰি দিলে। আপুনি জেল নাখালে। আপুনি মুক্তি যুঁজাক কেনেকৈ হ'ব- যদিহে আপুনি আৰু মহেন্দ্ৰ হাজৰিকাই দিয়া উপদেশ আৰু নিৰ্দেশ শিৰোধাৰ্য্য কৰি গোটেই কালচোৱা পলাতক হৈ, আত্মগোপন কৰি কাম কৰা সকল (জেল নোখোৱা) মুক্তি যুঁজাক নহয়?' উত্তৰত তেখেতে কৈছিল 'হেৱা, মই এই কথাটো ইন্দিৰা গান্ধীক কৈছিলো আৰু কিবা এটা কৰাৰ বাবে অনুৰোধ কৰিছিলো। কিন্তু শ্ৰীমতী গান্ধীয়ে ক'লে যে 'যথেষ্ট ধনৰ প্ৰয়োজন হ'ব আৰু বিত্ত বিভাগে এই কথা মানি ল'ব নোখোজে। তাৰোপৰি কিবা এটা মাপ কাঠিৰ প্ৰয়োজন। জেল ৰেকৰ্ডটোকে মাপ কাঠি হিচাপে লোৱা হৈছে।' ইয়াৰ পিছতো গোস্বামী দেৱক মই ক'বলৈ বাধ্য হৈছিলো যে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ তেনেহ'লে এইটোৱেই আটাইতকৈ দুৰ্ভাগ্যজনক প্ৰহসন আৰু প্ৰকৃত সংগ্ৰামী আৰু ত্যাগী মুক্তি যুঁজাক সকলৰ প্ৰতি কৰা ইয়াতকৈ দুৰ্ঘোৰ চূড়ান্ত অন্যায় আৰু আন একো হ'ব নোৱাৰে। তেখেতে মোৰ কথা সম্পূৰ্ণ সমৰ্থন কৰিও উপায় নাই বুলি ক'লে। মই কিন্তু এতিয়াও ভাবো যে ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু মুক্তি যুঁজাক সকলৰ প্ৰকৃত আৰু পুনৰ মূল্যায়ন কৰা উচিত। প্ৰকৃত নিৰ্য্যাতিত কোন তাৰো পুনৰ বিবেচনা কৰিব লাগে। ইন্দিৰা গান্ধীয়ে তুলুঙা যুক্তি দিলে বুলি মই শ্ৰীগোস্বামীদেৱক কৈছিলো।

আমি এতিয়া লগ ধৰা সকলৰ দুই এজন মুক্তি যুঁজাৰুৰে অকপটে আৰু অতি সহজ সৰল ভাৱে স্বীকাৰ কৰিছে যে তেওঁলোকক '২২ আগষ্ট (১৯৪২ চন) তাৰিখে আমলবি-শালনা বজাৰ বন্ধ কৰিবলৈ যাওঁতে গ্ৰেপ্তাৰ কৰি নিয়ে আৰু ৪ মাহৰ পৰা ৬ মাহলৈকে জেল দিয়ে আৰু কোনো জনক জৰিমনাও কৰে। কিন্তু তাৰ আগতে বা পিছতো 'আমি অন্য একো কামেই কৰিবলৈ নহ'ল,' তাৰে এজন তাম্ৰপত্ৰ পোৱা পেঞ্চন ভোগী। মানুহজনৰ সৰলতা আৰু সত্যবাদীতা দেখি সঁচাকৈয়ে ভক্তি উপজিছে, আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছো। তেখেতৰ নাম শ্ৰীখগেশ্বৰ ৰবদলৈ, ঘৰ কুঁৱৰীটোলত, বয়স এতিয়া ৮৭ বছৰ।

সেই সময়ৰ বৃটিছ চৰকাৰৰ অত্যাচাৰ নিৰ্য্যাতন সহি বা দেখি এচাম কৰ্ম্মীয়ে কংগ্ৰেছৰ পৰা ওলাই আহিয়েই ক্ষান্ত নাথাকিল। তেওঁলোকে কংগ্ৰেছৰ বিৰুদ্ধে অনেক ধৰণে ৰটনা ৰটিবলৈ ধৰিলে, বদনাম গাই মানুহক কংগ্ৰেছ বিৰোধী কৰিবলৈ চেষ্টা অপচেষ্টাও চলালে। বহুতে ১৯৪২ চনৰ শেষ ভাগৰে পৰাই চৰকাৰী বা অন্য চাকৰি ল'লে। চৰকাৰী ঠিকাও কৰিলে, মিলিটাৰীক সহায় কৰিলে, দুইহাতে ধন ঘটিলে। এইটো সমগ্ৰ অসমতে কম বেচি পৰিমাণে ঘটিল।

বৃটিছ চৰকাৰৰ অত্যাচাৰত সেই সময়ত কংগ্ৰেছ সংগঠন ভাগি গ'ল বুলি কোনো কোনো ঠাইত অপ-প্ৰচাৰো চলোৱা হ'ল, বহুতে বিশ্বাসো কৰিলে আৰু চৰকাৰৰ লগত

সহযোগ কৰিলে। কিছু পৰিমাণে এই ধাৰণা বা কথা সঁচা হ'লেও সেয়েই শেষ সত্য নহয়। অপপ্ৰচাৰকাৰীক প্ৰত্যাহ্বান জনোৱা মানুহো আছিল। আন্দোলনৰ বিৰোধীতা কৰি চৰকাৰৰ লগত সাময়িক ভাৱে হ'লেও সহযোগীতা কৰা কে'বাজনৰো বিষয়ে সেই সময়ত বহুতে জানিছিল। কিন্তু লিখিত নথি পত্ৰ নথকাত প্ৰকাশ নকৰিলো।

এই সংক্ৰান্তত আমাৰ হাতত থকা দুখন চিঠি তলত তুলি দিয়া হ'ল।

১। মহা মহিম শ্ৰীল শ্ৰীযুক্ত তেলিয়া প্ৰাথমিক সভাপতি মহোদয়ৰ সমিপেষু,

৩/১০/৪৫

মহোদয়।

বিনিত নিবেদন, যোৱা ১৯৪২ চনত যি কংগ্ৰেচ আন্দোলন বৃহৎ ৰূপে চলিচিল, সেই আন্দোলনত মই সম্পূৰ্ণ ৰূপে যোগদান দি কাম কৰিছিলো। তেনে সময়তে মোৰ নিজৰ মগজৰ দোষত সম্পূৰ্ণ ৰূপে ভুল হৈ কংগ্ৰেচৰ বিপক্ষে গলো। যোৱাত মোৰ অসিম দোষ হৈছে। সেই দোষ ক্ষমা পাবৰ কাৰণে পুনৰ সভাপতি ও প্ৰাথমিক মহোদয় সকলৰ ওচৰত পাৰ্থিত জনোৱা হল। ইতি।

বিনীত
শ্ৰীকিনাৰাম বড়া
সাং - লাঙিচুক

২। এই দখাস্তকাৰী শ্ৰীযুত কিনাৰাম বৰাই ১৯৪২ চনত নিজ প্ৰাথমিকৰ নায়ক হৈ সম্পূৰ্ণৰূপে কংগ্ৰেচৰ কামত যোগ দিছিল। গৱৰ্ণমেণ্টৰ অত্যাচাৰত কংগ্ৰেচৰ সংগঠন ভাগি যোৱাত তেওঁৰ অন্তৰৰ স্বাধীনভাৱে আতৰি গৱৰ্ণমেণ্টৰ সহযোগিতা কৰি তেজপুৰ পগলাফাটেকত ওৱাদাৰ কাম কৰে কিন্তু তাতো তেওঁ নাথাকি পলাই অহাত গৱৰ্ণমেণ্টৰ আইনুসাৰে এমাহ জেল ভূগীব লগাত পৰে। এতিয়া প্ৰাথমিকৰ কাৰ্য্যকৰী কমিটিয়ে দোষৰ দণ্ড বিধান কৰিবলৈ ধৰাত এই দৰ্খাস্ত কৰি ক্ষমা ভিক্ষা খুজিছে। ইয়াৰ দায়িত্ব আমি নলৈ জিলা কংগ্ৰেছলৈ দৰ্খাস্তসহ চমজাই দিলো। ইতি-

বিনীত
শ্ৰীযজ্ঞেৰাম হাজৰিকা
সম্পাদক তেলিয়া গাওঁ প্ৰাঃ কং কমিটি।

১নং দৰ্খাস্তৰ (শ্ৰীকিনাৰাম বৰাদেৱৰ) ওপৰত শাস্তি বিধান দি লিখা কথাখিনি তেতিয়াৰ কলিয়াবৰ কন্ত্ৰীয় কংগ্ৰেছৰ সম্পাদক শ্ৰীসোমেশ্বৰ বৰাদেৱে নিজ হাতেৰে লিখা। তেখেতে কোৱা মতে দুৰ্বিপাকত পৰি কংগ্ৰেছৰ বিপক্ষে গৈছিল যদিও প্ৰথম অৱস্থাত শ্ৰীকিনাৰাম বৰাদেৱে যথেষ্ট নিৰ্য্যাতন ভূগিছিল। কিন্তু তেখেত নায়ক নাছিল। শাস্তি সেনাহে হৈছিল।

অতুলনীয় দুজন

শ্ৰদ্ধেয় শ্ৰীতিলক হাজৰিকা দেৱে আমালৈ লিখা টোকাত লিখিছিল- "পদ্মকান্ত মোৰ অগ্ৰজ বন্ধু আৰু আমি, সেই সময়ত দেশৰ পৰিস্থিতিয়ে আন সকলোকে কৰাৰ দৰে, স্বাভাৱিকতে স্বাধীনতা সংগ্ৰামত বিভিন্নো প্ৰকাৰে সহায় কৰিব পৰা কামতে আগভাগ লৈছিলো।

কলিয়াবৰ বুলিয়েই নহয়, ক'বলৈ গ'লে অসমৰে এজন অতি তৎপৰ সাংগঠনিক নেতা যদন বৰদলৈ আৰু তেওঁৰ দৰেই এজন অতি একনিষ্ঠ সৰ্ব্বক্ষণ কৰ্ম্মী থানুৰাম ভূঞাৰ দৰে লোক মহাযমি হিচাপে নথকা হেতেন, মোৰ বিশ্বাস, কলিয়াবৰৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসে এক বিশিষ্ট স্থান লাভ কৰিব নোৱাৰিলেহেতেন। মোৰ ধাৰণা, এই দুইজন স্বাধীনতা যুজাকৰ প্ৰকৃত মূল্যায়ন নহ'ল। যদন বৰদলৈৰ সাংগঠনিক ক্ষমতা, তেওঁৰ সকলনা-নেতৃত্ব আৰু বাকপটুতা আৰু অন্যান্য আগবঢ়া বহুতো আঞ্চলিক নেতাৰ সমানেই আছিল গুণসম্পন্ন আৰু তেজী। তেওঁ আছিল এক বিশেষ ব্যক্তিত্বসম্পন্ন নেতা। সেইদৰে থানুৰাম ভূঞাৰ সংকল্পৰ দৃঢ়তা, তেওঁৰ ত্যাগ কৰিব পৰা মনোবল আৰু দুৰ্দমনীয় সাহসৰো তুলনা কৰিবলৈ দেশৰ ভিতৰত কেইজনমান সমকালীন নেতাহে বিচাৰি পোৱা যাব। স্বাধীনতাৰ ইতিহাসে এইসকল লোকক যথাযথ ৰূপত দাঙি ধৰিব পৰা নাই। এক্ষেত্ৰেই স্বাধীনতা সংগ্ৰামত কেৱল গঠনমূলক কামৰে গান্ধীজীৰ আদৰ্শক বাস্তৱায়িত কৰি দেখুওৱাত আৰু দেশৰ হকেই জীৱন উৎসৰ্গা কৰাৰ আদৰ্শেৰে ৰাইজক অনুপ্ৰাণিত কৰাৰ ক্ষেত্ৰত আদৰ্শনীয় আছিল গদেন বৰঠাকুৰ আৰু তেওঁৰ স্ত্ৰী ওলোৱৰ দেবী। অন্ততঃ এই কেইজন লোকৰ অবিহনে কলিয়াবৰৰ স্বাধীনতা আন্দোলনৰ ভেটিটোৰ কথাকে ভাবিব নোৱাৰি।"

শ্ৰীহাজৰিকা দেৱে আৰু লিখিছে "বিয়াল্লিশৰ লগে লগেই নতুন সংগ্ৰামৰ যেহেৰূপ ফেনেফুৱা হ'ব তাৰ আভাষ এটা গান্ধীজী পৰা আৰম্ভ কৰি অন্যান্য নেতা সকল আৰু ৰাজনৈতিক ঘটনাৱলীয়ে দাঙি ধৰিছিল। সকলো প্ৰস্তুত হৈছিল। মহেন্দ্ৰ হাজৰিকা আৰু হলধৰ ভূঞাই নগাওঁ জিলাৰ সকলো প্ৰস্তুতি কৰি লৈছিল। মহেন্দ্ৰ হাজৰিকাক সহধৰ্মিণী সময় কলিয়াবৰে পোৱাটোও আছিল সৌভাগ্য।"

এই আঁটাই কেইগৰাকীকে আমি ভালকৈ জানিছিলো। তেখেত সকলৰ ব্যক্তিত্ব আৰু কথা বতৰাই আমাৰ ওপৰত বাৰকেইয়ে প্ৰভাৱ পেলাইছিল। বৰদলৈ আৰু ভূঞাদেৱৰ ভাষণৰ সুৰ বহুতুৰ থকাৰ দৰে আমাৰ স্মৃতিৰ মাজত এতিয়াও জীয়াই আছে।

কেইগৰাকীমান মুক্তি-যুঁজাকৰ টোকাৰ পৰা

(১) "মোৰ স্বাধীনতা আন্দোলনত যোগদান আৰু জেইলৰ জীৱন

১৯৩০ চনত আমাৰ নগাওঁ গৱৰ্ণমেণ্ট হাইস্কুলৰ ১২ জন ল'ৰাক আন্দোলনত যোগ দিবৰ কাৰণে কমল চন্দ্ৰ শৰ্ম্মাই মাতি নি পৰামৰ্শ দিয়ে। তেখেতৰ পৰামৰ্শক্ৰমে আমি স্কুলৰ পৰা ওলাই যাওঁ। তেখেতে আমাক গাৰুটেল পঠায়। মই তেতিয়া ৮ম মান শ্ৰেণীৰ ছাত্ৰ। প্ৰায় তিনি মাহ কাম কৰি পুনৰ স্কুলত যোগ দিওঁ।

১৯৪২ চনৰ ১২ আগষ্টত, সেই সময়ৰ ডিঃ কং সভাপতি মহীচন্দ্ৰ বৰাৰ পৰামৰ্শক্ৰমে আন্দোলনত সক্ৰিয়ভাৱে যোগদান দিওঁ। কিমুমিন নগাওঁ জিলা কংগ্ৰেছৰ নিৰ্দেশত জিলাৰ বিভিন্ন ঠাইলগত মিটিং কৰো। ১ মাহ মানৰ পিছতে মহী চন্দ্ৰ বৰাই মোক কয় যে 'শ্ৰীথানুৰাম ভূঞা আৰু যদন চন্দ্ৰ

বন্দীশালেয়ে মোক কলিয়াবৰলৈ সোনকালে পঠিয়ালে জেলৰ পৰা খবৰ দিছে। কিয়নো সিবিলাকে কলিয়াবৰৰ আন্দোলনে বেলেগ ৰূপ ধাৰণ কৰিব পাৰে বুলি আশংকা কৰে।

জিলা কংগ্ৰেছে লিখিতভাবে কলিয়াবৰৰ আন্দোলন পৰিচালনাৰ সম্পূৰ্ণ দায়ীত্ব দি মোক পঠায়।

কলিয়াবৰৰ আন্দোলন যাতে সম্পূৰ্ণ অহিংস অৰ্থাৎ গান্ধীজীৰ পৰিকল্পনানুসাৰে হয় তাৰ কাৰণে মই যথেষ্ট চেষ্টা কৰিব লগা হৈছিল। নগাৱৰ ঠাৱে ঠাৱে যি হত্যাকাণ্ড আৰু বন্দুক চুনি হৈছিল তেনে ধৰণৰ ঘটনাৱলীৰ অন্তৰ্ভাৱনা কৰিবলৈ ওপৰৰ পৰাই নিৰ্দেশ চেষ্টা চলিছিল। মোৰ অজ্ঞাতে দুটামান অগ্নি কাণ্ড হোৱাৰ বাহিৰে বাকী হিংসাত্মক কাৰ্য্যৰ পৰা দেশবাসীক কলিয়াবৰত আন্দোলন বিৰত আছিল। ইয়াৰ বাবে হয়তো অনেকৰ অপ্ৰিয় হ'ব লগাও হৈছিল। বোধ হয় অহিংসভাবে আন্দোলন পৰিচালিত হোৱাৰ বাবেই অসমৰ ভিতৰতে কলিয়াবৰৰ আন্দোলন বেছি দিন আছিল।

পুনাৰ আগাখান প্ৰাসাদত গান্ধীজীয়ে অৱস্থান কৰা কালত কলিয়াবৰৰ পৰা প্ৰথমে এটা মহিলাৰ দল, দ্বিতীয়তে এটা যুৱকৰ দল নগাওঁ কাৰাগাৰত শোভাযাত্ৰা কৰিবলৈ পাঠোৱা হয়। তাৰ পিছতে পকা চুলিৰ বৃদ্ধা লোকৰ এটা দল পঠিয়াবলৈ ব্যৱস্থা কৰি থকা অৱস্থাতে ১৯৪৩ চনৰ ১২ মাৰ্চত মোক গ্ৰেপ্তাৰ কৰে। তাৰ পিছত সেই বৃদ্ধাৰ দল আৰু পঠোৱা নহ'ল। মুঠতে ৭ মাহ পলাতক হৈ থাকি গ্ৰেপ্তাৰ হওঁ। পলাতক অৱস্থাত ষ্টেচ'ষাবো পুলিছৰ ঊৰ্দ্ধতন কৰ্মকৰ্ত্তা সকলৰ সন্মুখী সন্মুখী হওঁ। এবাৰ বৰ্ব্বৰ কিনহ্ হাহাম, পুলিছ ইনস্পেক্টৰ, দাৰোগা আৰু মিলিটাৰীয়ে কেনকেনীয়া গাৰুৰ কেম্পৰৰ কাটি বান্ধোৱা দুয়ো ফালে বন্দুক টোৱাই থকা অৱস্থাত তেওঁলোকক দেখা পাই নিৰ্ভিকভাবে তেওঁলোকৰ মাজেদি গাৰ হৈ চতিয়াল কেম্প পাই দেখো যে সেই কেম্প ধাৰাসায়ী হৈ পৰি আছে।

মই নগাওঁ জেলত প্ৰায় ১৬ মাহ থাকো। নগাওঁ জেলত থকা কালতে মই জেল কমিটিৰ সভাপতি হোৱাৰ পিছত জেলত কেতিয়াও নোহোৱা, অশেষ বাধা হোৱা সত্বেও, বি ডিভিজন, চি ডিভিজন আৰু নিৰাপত্তা বন্দীসকলৰ একেলগে খোৱাৰ ব্যৱস্থা কৰা হয়। তাৰ পিছত গুৱাহাটী জেললৈ বদলি হওঁ আৰু তাত ১০ মাহ কাল থকাৰ পিছত পুনৰ নগাওঁ জেললৈ বদলি কৰে আৰু নগাৱঁত ১৫ দিন মান থকাৰ পিছত ১৯৪৫ চনৰ ১৮ মেত খালাহ দিয়ে।

নগাওঁ জেলত থকা কালত মই অসুস্থ হওঁ। পেটৰ, চকুৰ আৰু হৃদপিণ্ডৰো কিছু অসুখ হয়। এই সময়তে সেই সময়ৰ ভাৱপ্ৰাপ্ত C.I D. বিভাগৰ নগাৱঁৰ ৰবমুৰীয়া লম্বোদৰ শইকীয়া আৰু নগাৱঁৰ জেইলাৰে মোক তেওঁৰ অফিচলৈ মতাই নিয়ে আৰু মোক কয় যে যেহেতুকে সকলো উকীল খালাহ হৈ গ'ল আৰু কোনো কোনোৱে (Parole) ছুটি লৈ যোৱাৰ পিছত খালাহ হৈছে, সেই হেতুকে আপোনাৰ অসুখ হৈ আছে- আপুনি ছুটীৰ কাৰণে এখন দৰখাস্ত দিয়ক, তেতিয়া ৩ মাহৰ ছুটী দিয়াৰ পাছত খালাহ দিম। মই সিবিলাকৰ পৰামৰ্শত মাস্তি হ'ব নোৱাৰিলো। মই ক'লো যে মোক মুক্তি দিলে ভালেই পাম। কিন্তু মই কোনো প্ৰতিজ্ঞা পত্ৰত চহী কৰিব নোৱাৰো। কিয়নো Parole ত আহিলে এই বুলি প্ৰতিজ্ঞা কৰিব লাগে- 'During the period by parole I shall not take any plitical part'। মই এনে প্ৰতিজ্ঞাত দিয়াৰ পক্ষপাতি নাছিলো- কাৰণ বি নৈতিকতাৰ যুদ্ধত অৱতীৰ্ণ হৈছিলো তাৰ ই সম্পূৰ্ণ পৰিপন্থি।

মই জেলত থকাৰ ভিতৰত এটা উল্লেখযোগ্য ঘটনা হয়। মই নিজে Security prisoner আছিলো। ২ মাহ প্ৰথমতে Under D.I.R- Sec 29 অনুসাৰে বিচাৰাধীন কৰি ৰাখে। তাৰ পিছত ৬ মাহ ৬ মাহ কৰি কাল ক্ষাই থাকে। গৌহাটী জেলত থকা অৱস্থাতে ১৯৪৪ চনৰ ২৬ ডিচেম্বৰত মোৰ পিতৃ স্বৰ্গী হয়। তৎক্ষণ পৰা টেলিগ্ৰাম যোগে বাৰ্ত্তা দিয়ে। মই মোৰ পিতাৰ ভাগৰ আৰু চাবালক সন্তান বাকী ২ জন নাবালক, ৭ আৰু ১২ বছৰীয়া। গৌহাটী জেলৰ সকলো ৰাজনৈতিক বন্দীয়েই, কেৱল তৈয়বুল্লা চাহাবৰ বাহিৰে, মোক parole ত যাবলৈ পৰামৰ্শ দিছিল। তেওঁলোকে কৈছিল হোৱে হোৱে মানুহ parole ত লৈ আছে, যেহেতুকে আপোনাৰ ভায়েক দুটা নাবালক গতিকে আপুনি যোৱাতো এফো দোষনীয় নহয়। কিন্তু

তৈয়বুল্লা চাহাবে কৈছিল যে "মই তেওঁক যোৱা বুলিও নকও আৰু নাযাব বুলিও নকও। তেৱেই তেওঁৰ শ্ৰেষ্ঠ বিচাৰক (He is his best Judge)।" জেলৰ Superintendent আৰু Jailor য়েও মোক কৈছিল যে মই দৰ্খাষ্ট দিলে তেওঁলোকে ছুটীৰ ব্যৱস্থা কৰিব। কিন্তু আগতে উল্লেখ কৰা কাৰণতেই মই ছুটীলৈ আহিবলৈ অমান্তি হওঁ। পিতৃৰ বিয়োগ বাৰ্ত্তাই মোক বিচলিত কৰিছিল আৰু ছুটীত নহা সিদ্ধান্ত লোৱা, সকলোবে পৰামৰ্শ উপেক্ষা কৰি, মোৰ কাৰণে অতি কঠোৰ আৰু নিদাৰুণ বুলি অনুভৱো কৰিছিলো, তথাপিতো মই মোৰ সিদ্ধান্তত অবিচলিত আছিলো। যি মোক শিক্ষা দিক্ষা দি মানুহ কৰিলে সেই পৰমাৰাধ্য পিতৃ দেৱতাক পোহ পাল দিবলৈতো নাপালোৱেই আনকি মৃত্যু কালত লালন পালন আৰু অন্ত্যেষ্টিক্ৰিয়া আদি কৰিবলৈ নোপোৱাৰ দুখে আজিও মোৰ মন অনুতপ্ত কৰি আছে।

শ্ৰীলীলাকান্ত বৰা।"

(২) হাটবৰৰ (দাঁতকটা) শ্ৰীভাবিৰাম বৰাই এটা সৰু টোকাত লিখিছিল-

"১৯৪২ চনৰ জুন মাহত কংগ্ৰেছৰ সভ্য ভৰ্ত্তি হওঁ। গাঁৱঁৰ শান্তি সেনাৰ নায়ক হওঁ। জুনৰ ২ তাৰিখে বাৰপূজিয়াত নায়কৰ প্ৰশিক্ষণ ল'বলৈ যাওঁ। শ্ৰীহৰিনাৰায়ণ বৰুৱাৰ তলত ১৫ দিন প্ৰশিক্ষণ লওঁ। সুখ্যাতিৰে গোটেই নগাওঁ জিলাৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হওঁ। লগে লগেই জিলা কমিটিয়ে প্ৰশিক্ষক নিযুক্তি দিয়ে। প্ৰথমে কলিয়াবৰৰ চতিয়ালত শিবিৰ পাতি কলিয়াবৰৰ নায়ক সকলক প্ৰশিক্ষণ দিয়া হয়। চতিয়াল শিবিৰ সামৰি ভেলেউণ্ডনি শিবিৰত চামগুৰি পুৰণিগুদাম অঞ্চলৰ প্ৰায় ১২০ জন নায়কক প্ৰশিক্ষণ দিয়া হয়।

জিলা কংগ্ৰেছৰ নিযুক্তি পাই প্ৰশিক্ষক/সংগঠক হৈ বাজে বাজেই কামপুৰ চাৰ্কোললৈ যাওঁ- ৮/৮/৪২। তাত যমুনামুখৰ পৰা চাপৰমুখলৈ সংগঠন কৰো। তাত মাত্ৰ ১জন কংগ্ৰেছী মানুহ আছিল তৰণী হৈ। ঘৰ হাতীগড়ত। পুৰা ১ মাহ সংগঠন কৰি পৰা ৩০ খন প্ৰাথমিক গঠন আৰু ৬০০ শান্তি সেনাক প্ৰশিক্ষণ দিওঁ। কামপুৰ হাইস্কুল বে-দখল কৰা বাবদ শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী, শ্ৰীললিত শইকীয়া (সংগঠক) আৰু মোৰ ওৱাৰেণ্ট হয়। 448 I P C & 38 D I Rule ত ৯/৯/৪২ তাৰিখে এৰেষ্ট কৰে। মোক আৰু শ্ৰীললিত শইকীয়াক। শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী পলাই যায়।

১৬/১২/৪২ তাৰিখে জেলৰ ভিতৰতে Mr Ruse চাহাবৰ আদলতে ১ বছৰ সশ্ৰম কাৰাদণ্ড বিহে। এসপ্তাহৰ পিছত যোৰহাট জেললৈ বদলি কৰে। যোৰহাট জেলত নগাৱঁৰ পৰা যোৱা প্ৰায় ষাঠিজন মান লোকহে আছিল। শিৱসাগৰৰ এজনো নাই। গৈ পায়েই সত্যাগ্ৰহ কৰিব লগা হ'ল। শৌচাগাৰ নাছিল বাবে। আমি জয়ী হ'লো। সেইদিনাই অস্থায়ী ব্যৱস্থা কৰি দিলে। ইতিমধ্যে গোটেই অসমৰ নেতা সকলক তাত গোটাইছিল। জেলৰ পৰা শ্ৰীহৰিনাৰায়ন বৰুৱা আৰু শ্ৰীদেৱেশ্বৰ শৰ্ম্মাই কাঢ়া চিঠি বাহিৰলৈ দিবলৈ ধৰিলে। নগাৱঁৰ পৰা ক্ৰমান্বয়ে মানুহ যোৱা দেখি তেওঁলোকে বেয়া পাইছিল। ফলস্বৰূপে শিৱসাগৰ জ্বলি উঠিল। শ্ৰীকৃষ্ণলু কোৱঁৰহঁত জেলত সোমাল।

'৪৩ ৰ মাৰ্চ মাহত আকৌ জেললৈ ওৱাৰেণ্ট পঠাই নগাৱলৈ লৈ আহিল। আকৌ Mr Ruse ৰ আদালতে ১ বছৰ সশ্ৰম কাৰাদণ্ড বিহে। ৩১ মাৰ্চত শিলচৰলৈ বদলি কৰে মুঠ ২০ জনক। শিৱসাগৰৰ (১) শ্ৰীযুত কুশৰাম দত্ত মুক্তিয়াৰ (২) অকণ বৰুৱা (৩) বাজখোৱা (৪) চেতীয়া (৫) কনক হাজৰিকা (৬) কনক শইকীয়া (৭) বৈদ্য ৰবপূজাৰী , নগাৱঁৰ - (৮) শ্ৰীৰত্নেশ্বৰ গোস্বামী (৯) মহেন্দ্ৰ শইকীয়া (১০) মহেন্দ্ৰ গোস্বামী (১১) শান্তি দাস (১২) বিৰজা গোস্বামী (১৩) ললিত শইকীয়া (১৪) ভাবিৰাম বৰা (১৫) ভোগেশ্বৰ বৰা (১৬) ৰাধা হাজৰিকা (১৭) টীপু নেওগ (১৮) ভোগেশ্বৰ নেওগ (১৯) প্ৰিয় দাস , গুৱাহাটীৰ - (২০) শ্ৰীবিভূতি চক্ৰৱৰ্ত্তী। শিলচৰ তেতিয়া Raid Area বোমা পৰিয়েই থাকে। '৪৩ ৰ প্ৰবল ভূমিকম্পত জেলৰ ইটা খহি কোনোমতে প্ৰাণ বক্ষা। তাত ১ বছৰ কটাই পুনৰ নগাৱলৈ আহো। '৪৪ চনৰ জুন মাহত মুক্তি পাওঁ।"

৩। ১৯৭২ চনৰ ৯ চেপ্টেম্বৰ তাৰিখে কলিয়াবৰ কংগ্ৰেছলৈ লিখা আৰু এখন চিঠিৰ নকল তলত তুলি দিয়া হ'ল।

"১৯৪২ চনৰ ২২ আগষ্ট ৰবিবাৰে সান্ধ্য বজাৰ পিকেটিং কৰা ১৪৪, ৩৭৯, ৩২৩ ধাৰা ভঙ্গ কৰা অপৰাধত চামগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মুন্নাক আলিয়ে গ্ৰেপ্তাৰ ক্ৰমে নগাঁলৈ চালান দিয়ে। উক্ত বিষয়ে নগাঁও আদালতে বিচাৰ কৰি ৬ চেপ্টেম্বৰ তাৰিখে ১৮ মাহ কাৰাদণ্ড বিহি যোৰহাট জেললৈ পঠায়। আইনতঃ তিনিটি ধাৰাত দোষী প্ৰমাণ হুলি গণ্য হোৱাত ৬ মাহ কাৰাদণ্ড বাহাল ৰাখে।

জেইল বিভাগৰ নিয়ম অনুযায়ী দিনত ১০ টা বজাত ভাত দিব লাগে। কিন্তু ২৬ চেপ্টেম্বৰৰ দিনা কুশল কোঁৱৰৰ লগত ২১ জন বন্দীক আনি যোৰহাট জেললৈ আনে। সেইদিনা ভাত থাবলৈ দিনৰ ১ টা বজালৈকে পোৱা হোৱা নাছিল। উক্ত গোছৰ জেল কৰ্ত্তৃপক্ষক জনাবলৈ যোৱাত তেওঁলোকে অন্যায় ও বাই বাক্য ব্যৱহাৰ কৰে। জেলৰ নিয়ম অনুযায়ী বন্দী সকলক ভাত, কাপোৰ দিয়া হোৱা নাছিল। উক্ত মৰ্মে জেল বিভাগৰ মন্ত্ৰী ৰূপনাথ ব্ৰহ্মক গোছৰ দিয়াত মোক চেলত ৩ দিন ৰাখি লিখি আহিবলৈ বাধ্য কৰাইছিল। উক্ত বিষয় লৈ জেল কৰ্ত্তৃপক্ষৰ লগত মতানৈক্য ঘটাৰ ফলত জেল কৰ্ত্তৃপক্ষৰ ওপৰত বিহিত ব্যৱস্থা লবলৈ বাধ্য হওঁ।

শ্ৰীভোগেশ্বৰ বৰুৱা

৯/৯/৭২ ৰৰভগীয়া, ৰাজনৈতিক নিৰ্য্যাতিত

যোৰহাটত প্ৰধান মন্ত্ৰী গোপীনাথ বৰদলৈ, বৰ্ত্তমান কৃষি মন্ত্ৰী ফকৰুদ্দিন আলি আহমদ, দেৱেশ্বৰ শৰ্ম্মা, ৰাজেন্দ্ৰ নাথ বৰুৱা, মহীকান্ত দাস, প্ৰফুল্ল বৰুৱা, বিজয় ভাগৱতী, চন্দ্ৰেশ্বৰ শইকীয়া, লীলা বৰুৱা, গড়মূৰীয়া সত্ৰাধিকাৰ প্ৰমুখে বহুলোক আছিল।"

(ফকৰুদ্দিন আলি আহমদ পিছত ভাৰতৰ ৰাষ্ট্ৰপতি হয়গৈ)

৪। ৰৰভকতিৰ শ্ৰীগোলোক চন্দ্ৰ মহন্তদেৱে আমালৈ লিখি পঠিওৱা টোকাৰ পৰা কিছু কথা তুলি দিয়া হ'ল-

" ময়ো এটা হাফপেণ্ট, এটা চোলা আৰু এটা খদ্দৰৰ টুপী চিলাই লৈ সেইদিন ধৰি বিদ্যালয়লৈ গৈছিলো। এদিন মোৰ এজন শিক্ষা গুৰুৱে কৈছিল খদ্দৰ টুপী পিন্ধি বিদ্যালয়লৈ নাহিবা। সেই সময়ত গাৱঁত শান্তি সেনাৰ দল গঠন হৈছে। আমাৰ গাৱঁতো 'পদ্মকান্ত গোস্বামী, 'সত্যনাথ ৰৰদলৈ, 'কনক চন্দ্ৰ মহন্তই শান্তি সেনাৰ দল গঠন কৰিছিল।

আমাৰ কুচ্‌কাৱাজ চাবলৈ নগাৱঁৰ 'পূৰ্ণচন্দ্ৰ শৰ্ম্মা, পুৱধৰীয়াৰ পূৰ্ণচন্দ্ৰ ভূঞা আৰু শ্ৰীসোমেশ্বৰ ৰৱাদেৱ আহিছিল। ১৯৪২ চনৰ ৭/৯/৪২ তাৰিখে চতিয়ালত এখন ডাঙৰ সভালৈ আমি গৈছিলো। সেই সভাৰ সভাপতি আছিল 'সোমকান্ত হাজৰিকা। সভাৰ আ�ৰম্ভ হোৱাৰ কিছু সময়ৰ পিছতে ২খন লড়িত ফৌজ আহি চাৰিওফালে আগুৰি ধৰে বহু মানুহ হাবিয়ে কননীয়ে লৰি পলাই যায়। মই আৰু 'শশী কান্ত গোহাঁই, 'নৰকান্ত ৰৱা, শ্ৰীনৰেন ৰৱা পলোৱা নাছিলো। নৰেন ৰৱাদেৱক পুলিছে হাতত ধৰি আনোতে পুলিছৰ হাতত কামোৰাত এৰি দিলে। সেইদিনা সৰ্ব্বমুঠ ১৮ জনক ধৰি নি কলিয়াবৰ থানাত ৰাখি পিছদিনা নগাওঁ জেললৈ লৈ যায়। নগাওঁ জেলত ১৯ দিন ৰখাৰ পিছত ৫ মাহ জেল দি যোৰহাট জেললৈ লৈ যায়। যোৰহাট জেল পোৱাৰ লগে লগে মাননীয় 'গোপীনাথ ৰৰদলৈ 'দেৱেশ্বৰ শৰ্ম্মা, 'বিমলা প্ৰসাদ চলিহা, 'বিষ্ণু চলিহা, 'কামাখ্যা প্ৰসাদ ত্ৰিপাঠী, 'অমিয় কুমাৰ দাস, 'বিষ্ণুৰাম মেধি এই সকল মহান নেতাই আমাক জেলৰ ভিতৰলৈ আগবঢাই লৈ যায়। জেলত নেতা সকলে মোক বৰ মৰম কৰিছিল। দুৰাৰ জেলত ৰাসোৎসৱ পাতিছিল। সেই ৰাসত দুয়োৰাৰেই কৃষ্ণৰ ভাও মই লৈছিলো। 'খগেন ৰৱা অসুৰ হৈছিল। জেলত সৰ্ব্বমুঠ ১২০০ জন ভলণ্টিয়াৰ আছিল। 'কুশল চন্দ্ৰ কোঁৱৰক আমি থকা অৱস্থাতে ফাঁচি দিছিল। 'কুশল চন্দ্ৰ কোঁৱৰদেৱে সদায় মোৰ ওচৰত ভাত খাবলৈ বহে। মোৰ আধা ভাত প্ৰায়েই তেওঁক দিছিলো। শেষত জেলৰ কাৰাবাস আদায় হোৱাত যোৰহাটৰ পৰা আমাক ৰেলযোগে চাপৰমুখলৈ পঠিয়াই দিয়ে। পুনৰ আমাক এৰেষ্ট কৰিবলৈ হুকুম পঠিওৱাত আমি চাপৰমুখৰ পৰা খোজকাঢ়ি আহি কলিয়াবৰ পাইছিলো।"

(শ্ৰীভাবিৰাম বৰাদেৱে কৈছিল জেলত শ্ৰীগোলোক মহন্তই সকলোতকৈ কম বয়সৰ ল'ৰা আছিল)।

(৫) বৰ্ত্তমান (১৯৯৯ চনৰ) কলিয়াবৰ মুক্তি যুজাক সম্মিলনৰ সভাপতি শ্ৰীহেমকান্ত হাজৰিকাদেৱে এটা টোকাত আমালৈ লিখি পঠিয়াইছিল বহু কথা। তাৰে কিছু কথা তুলি দিয়া হ'ল-

"পিতৃদেৱ শ্ৰীগোলোক চন্দ্ৰ হাজৰিকাই (ওৰফে ডিবিৰাম) সকলো ধৰণৰ আনুষ্ঠানিক কামত আগভাগ লৈ কাম কৰে। সেই সময়ত কংগ্ৰেছত যোগ দিয়াৰ কাৰণে বাস্তাৰ ঠায়ে ঠায়ে গেষ্টা দি মানুহৰ যাতায়ত বন্ধ কৰিছিল আৰু কংগ্ৰেছত যোগ দিবলৈ মানুহক বাধ্য কৰোৱা হৈছিল।. শ্ৰীনদিৰাম বৰাক সম্পাদক হিচাপে লৈ শ্ৰীগোলোক চন্দ্ৰ হাজৰিকাই ধৰমপুৰ প্ৰাথমিক গঠন কৰে আৰু এই অভাজনক নায়কৰ প্ৰশিক্ষণ ল'বলৈ বাৰপূজীয়ালৈ পঠিয়ায়। বাৰপূজিয়ালৈ গৈ শ্ৰীহৰি নাৰায়ণ বৰুৱাৰ নেতৃত্বত নায়কৰ প্ৰশিক্ষণ লৈ আহোঁ আৰু ধৰমপুৰ প্ৰাথমিকত ২৪/২৫ জন শান্তি সেনাক প্ৰশিক্ষণ দি সকলো ধৰণৰ কামত অহাকৈ প্ৰস্তুত কৰোঁ।

হালৰাই থকা অৱস্থাতে পিতৃ শ্ৰীগোলোক হাজৰিকাক গ্ৰেপ্তাৰ কৰি লৈ যায়। ধৰমপুৰ প্ৰাথমিকত আমাৰ ঘৰৰ তিনিজনৰ সক্ৰিয় সহযোগ আছিল। পিতৃ শ্ৰীগোলোক চন্দ্ৰ হাজৰিকা, সভাপতি, মই, শ্ৰীহেমকান্ত হাজৰিকা, নায়ক আৰু ভাতৃ মৃত নৰকান্ত হাজৰিকা শান্তি সেনা। সংগ্ৰাম বৰা আৰু কণ ল'ৰা বৰাকো লৈ যায়। সংগ্ৰাম বৰাৰ ঘৰখনেই আমাৰ ঘাটি আছিল। তেখেতৰ ঘৰতো বহুত অত্যাচাৰ আৰু লুটপাত হৈছিল।"

(৬) গাৰিকুৰি গাৱঁৰ ৺ৰমাকান্ত বৰাৰ বৰপুত্ৰ শ্ৰীচন্দ্ৰ কান্ত বৰাদেৱে টোকাত লিখিছে-

"মই কংগ্ৰেছৰ সভ্য হৈয়েই ১৯৪০ চনৰ সত্যাগ্ৰহ অন্দোলনৰ সময়ত কংগ্ৰেছৰ সকলো কামতে সক্ৰিয় সহযোগ কৰি যুদ্ধ বিৰোধী ধ্বনি দিয়া সভা আদি আয়োজন কৰাৰ কামো কৰোঁ। ১৯৪২ চনত শান্তিসেনা হৈ তাৰ পিছতে মৃত্যু বাহিনীত যোগ দিও। প্ৰতিজ্ঞা পত্ৰত চহী কৰি 'কৰিম নাইবা মৰিম' এই মন্ত্ৰ বুকুত বান্ধি বৃটিছ চৰকাৰৰ বিৰোধে অনেক কাম কৰোঁ। নগাওঁ টাউনত ভাৰত ত্যাগ কৰা ধ্বনি দি সত্যাগ্ৰহ কৰোঁ। চত্তিয়াল শঙ্কৰ মন্দিৰৰ প্ৰাঙ্গনত ১৪৪ ধাৰা ভঙ্গ কৰা সময়ত মিলিটাৰীৰ বুট জোতাৰ গোৰ, বন্দুকৰ কুন্দাৰ গেজাত মোৰো শৰীৰ ফুলীয়া হয় বহুতৰ লগতে। তাৰ আগতে ১২ আগষ্টৰ বিখ্যাত শোভাযাত্ৰাত অংশ গ্ৰহণ কৰি জখলাবন্ধাত মিলিটাৰীৰ বাবে যোগাৰ কৰা খেৰ ইকৰাত জুই জ্বলাই দিও। গৰৈ মাৰিত মৈমন ছিণ্ডিয়াই কাটি থোৱা খেৰৰ দ'মত জুই দিও। বজাৰ বন্ধৰ পিকেটিং কৰোঁ। টেলিগ্ৰামৰ টাঁৰ ছিণ্ডা হয়। ফৰেষ্ট অফিচত জুই জ্বলোৱা হয় জখলাবন্ধাত। নিজৰিত মহেন্দ্ৰ হাজৰিকাৰ লগত গৈ (প্ৰায় ১০/১২ জন) ৰে'ল লাইনৰ চিবি উঠোৱা হয়। বাঢ়ৈ দাঙ্গা মিলিটাৰী গুদামত জুই দিয়া হয়। আৰু অনেক এনেকুৱা কামত লিপ্ত আছিলো।

এইবোৰ কাম পলাতক অৱস্থাৰ ভিতৰতে কৰা হৈছিল। মোৰ নামত ওৱাৰেণ্ট দুবাৰ হয়। ১৯৪২ চনত হোৱা ওৱাৰেণ্টৰ সময়ত প্ৰায় ৮/৯ মাহ ঘৰৰ পৰা পলাই থাকিব লগা হৈছিল। কে'বাবাৰো মোক বিচাৰি ঘৰ ঘেৰাও কৰে আৰু অনেক সম্পত্তি নষ্ট কৰে। তাৰ পিছত বাঢ়ৈ দাঙ্গা গুদামত জুই জ্বলোৱা অপৰাধত ওৱাৰেণ্ট হোৱাৰ সময়তো পলাতক হৈ থাকিলো।"

(৭) কলিয়াবৰ মুক্তি যুঁজাক সম্মিলনৰ সম্পাদক শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা দেৱে কুঁৱৰীটোলৰ শ্ৰীদুৰ্ল্লভ চন্দ্ৰ বৰা দেৱৰ বিষয়ে টোকাত লিখিছে-

"১৯৪২ চনৰ গণ আন্দোলনত কুঁৱৰীটোল এম ই স্কুলৰ ৬ষ্ঠ মানত পঢ়ি থকা শ্ৰীদুৰ্ল্লভ চন্দ্ৰ বৰাই

স্কুল ত্যাগ কৰি শালনা যজাৰ বন্ধ কৰিবলৈ যাওঁতে পুলিছ মিলিটাৰীয়ে মাৰ পিত কৰি নগাওঁ জেললৈ নিয়ে। আৰু ৭ মাহ জেইল নিৰ্য্যাতন ভোগ কৰে। জেললৈ যোৱাৰ আগতে মিলিটাৰীয়ে তেখেত সকলৰ ঘৰ খেৱাও কৰি সা-সম্পত্তি নষ্ট কৰে। এখেত জেলত থকা সময়তে পিতৃ বিয়োগ হয়। ১৯৪৭ চনলৈকে দেশ সেৱাত ব্ৰতী হৈ সেৱা আগবঢ়ায়। কেন্দ্ৰীয় চৰকাৰৰ তাম্ৰপত্ৰ প্ৰাপ্ত এজন প্ৰবীণ মুক্তি যুঁজাক।"

(৮) শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা। কুৰঁবীটোল চাৰিআলি।

"১৯৪২ চনত কুৰঁবীটোল এম ই স্কুলৰ ৬ষ্ঠ শ্ৰেণীৰ পৰা স্কুল ত্যাগ কৰি আন্দোলনত জপিয়াই পৰোঁ। চতিয়াল নাম ঘৰত ১৪৪ ধাৰা ভঙ্গ কৰা সভাত যোগ দিয়াত পুলিছ মিলিটাৰীয়ে বন্দুকৰ গোদিৰে খুন্দিয়াই ঘুণীয়া কৰে। শ্ৰীঠানুৱাম ভূঞাদেৱ কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ সভাপতি থকা অৱস্থাত মোক কিছুদিন কাৰ্য্যালয় সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। গোপনীয় চিঠি পত্ৰ প্ৰত্যেক প্ৰাথমিক কমিটি বোৰত যথা সময়ত দিয়াত অতি নিষ্ঠাৰে পালন কৰিছিলো। পুলিছৰ নজৰ পৰাত ওৱাৰেণ্ট হয়। ১ বছৰ আত্মগোপন কৰি থাকো। ১৯৪২ চনৰ নবেম্বৰ মাহত গহণ চন্দ্ৰ গোস্বামী দেৱৰ লগত তেজপুৰলৈ যোৱাৰ ভাগ্য ঘটিছিল। কংগ্ৰেছ কৰ্ম্মী সকলৰ ষ্টাডি চাৰ্কোলাৰ ১৫ দিনৰ মূৰত গান্ধী দৰ্শনৰ ওপৰত জন কল্যাণ আচনি কৰিছিল। নিজৰ গাৱঁৰ বেমাৰ আজাৰ হ'লে মুক্তি যুঁজাক কৰ্ম্মীসকলে পৰ দিছিল। টকা পইছা তুলি সহায় কৰিছিল। এইবিলাক কৰ্ম্মৰ যোগেদিয়েই সংগঠনৰ কামত ব্ৰতী হৈছিলো।"

(৯) শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা, পিতা পূৰ্ণ ভূঞা, ভিঞাৰী গাওঁ।

" ১৯৪২ চনৰ ঐতিহাসিক ভাৰত ত্যাগ আন্দোলনত শান্তি সেনা আৰু মৃত্যু বাহিনীত যোগ দান কৰি কৰিম বা মৰিম এই সংকল্প গ্ৰহণ কৰোঁ। প্ৰয়াত মহেন্দ্ৰ হাজৰিকা দেৱৰ নেতৃত্বত শিলঘাটৰ ডিনামাইট ঘৰৰ পৰা তলা ভাঙি ডিনামাইট অনাৰ চেষ্টা কৰা দলত গৈ সহযোগ কৰোঁ। পূৰথৰীয়া মৌজাৰ কাৰ্য্যলয়ৰ নথি পত্ৰ পুৰি নষ্ট কৰাত নলিনী শইকীয়া আৰু মই দুযোজনে নেতৃত্ব দি ফাইল ধ্বংস কৰা হয়। জখলাবদ্ধাৰ ফৰেষ্ট অফিচ পোৱাতো যোগ দিও। এনেবোৰ অপৰাধত মোৰ ওপৰত ওৱাৰেণ্ট হয়। কিন্তু পুলিচৰ হাতত ধৰা নিদিয়াকৈ সাত মাহ আত্মগোপন কৰোঁ। চতিয়াল শহুৰ মন্দিৰত ১৪৪ ধাৰা ভঙ্গ কৰা সভাত যোগ দিও। মিলিটাৰীয়ে বন্দুকৰ গোদিৰে খুন্দিয়াই ঘুণীয়া কৰে। মিচা নদীৰ ওপৰৰ দলং ভাঙিবলৈ যোৱা দলৰ সবাতোকৈ আগত যাওঁ।

১৯৪৩ চনত সোণাৰি গাৱঁৰ শ্ৰীতিলক হাজৰিকা দেৱৰ নেতৃত্বত কলিয়াবৰৰ ৯ জন সত্যাগ্ৰহীয়ে নগাৱঁত সত্যাগ্ৰহ কৰিবলৈ যাওঁ। মোৰ ৬ মাহ জেল হৈছিল। নগাওঁ জেলত তেতিয়া ৬০০ মুক্তি যোদ্ধা আছিল। মহেন্দ্ৰ হাজৰিকাৰ মানবতাবোধ আৰু মহৎ গুণ দেখি আচৰিত হ'লো। তেখেতে সকলো বাৰ্ডতে সোমাই প্ৰত্যেক দিনাই খাবলৈ পালেনে নাই সকলোকে সোধপোচ কৰিবই। একেধাৰেই শেষত খাবলৈ যায়। কেতিয়াবা তেখেতে অনাহাৰে থাকিব লগা হয়। জেলৰ পৰা ওলাই ১৯৪৭ চনলৈকে দেশৰ সেৱাত ব্ৰতী হৈ আছিলো।"

(১০) শ্ৰীদেউৰাম বৰা, গাৰিকুৰি গাওঁ। তেখেতৰ টোকাৰ কিছু কথা আগতে লিখা হৈছে। তাৰ উপৰিও তেখেতে টোকাত দিযা কিছু কথা চমুকৈ তুলি দিয়া হ'ল।

" আমাৰ গাৱঁৰ শ্ৰীৰমাকান্ত বৰাৰ ঘৰখন কংগ্ৰেছৰ ঘৰ আছিল। কলিয়াবৰ, আৰু নগাৱঁৰ প্ৰায়বোৰ নেতাই আহিছিল। শ্ৰীদেৱকান্ত বৰুৱা, শ্ৰীমতি ৰাম বৰা, শ্ৰীমহেন্দ্ৰ হাজৰিকা আৰু শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী আদি। শ্ৰীবদন বৰদলৈ, শ্ৰীসোমেশ্বৰ বৰা আৰু শ্ৰীমহেন্দ্ৰ হাজৰিকা আমাৰ গাঁৱৰ নামঘৰলৈ আহি বাহিজ গোটাই মিটিং কৰে। আমাৰ গাৱঁৰ সবলোৱেই কংগ্ৰেছৰ সভ্য হয়। আমি শান্তি সেনা বাহিনীত যোগ দিও। ট্ৰেইনিং লৈ ইউনিফৰ্ম আৰু বেজ পাওঁ। মৃত্যু বাহিনীতো নাম লিখো।

শ্ৰীৰমা বৰাদেৱৰ ঘৰতে প্ৰথমতে কপাহৰ সুতা কটা আৰম্ভ হয়। তাৰ পিছতহে গাঁৱত যঁতৰ বিলাই দিয়ে আৰু তৈযাৰ কৰিবলৈ দিয়ে। শ্ৰীবৰাদেৱৰ ঘৰত সকলো সময়তে ৫/৬ টা যঁতৰত সুতা কটা কাম চলি

থাকে। যেয়ে আহে সুতা কাটে, পিকে। পিছফালে তাঁত বোৱা কাম চলি থাকে। গাঁৱৰ কে'বাজনীও মহিলাই এইবোৰ কাম কৰি থাকে। সেই কাৰণে আমাৰ গাঁৱৰ শ্ৰীগোলাপ হাজৰিকা দেৱে কাটনিৰ ঘৰলৈ যাওঁ বুলি (ধেমালীতে) কয়। আমাৰ শান্তিসেনা শিবিৰতো সুতা কটা হয়।

১২ আগষ্টৰ শোভাযাত্ৰাত যোগ দিও। সেইদিনা জখলাবন্ধাত খেৰ ইকৰা পোৱা হয়। জখলাবন্ধা ফৰেষ্ট অফিচ পোৱা আৰু টেলিগ্ৰামৰ টাৱ চিঙাত সহযোগ কৰোঁ। নগাঁৱলৈ গৈ কাছাৰীত বৃটিছে ভাৰত ত্যাগ কৰ্ত্তি গুছি-যোৱা বুলি ধ্বনি দি সত্যাগ্ৰহ কৰোতে গ্ৰেপ্তাৰ কৰি জেললৈ নিয়ে।

১১। শ্ৰীহৰেন্দ্ৰ নাথ শইকীয়া, আখিৰঙা, হাটবৰ।

"১৯৪২ চনত স্বাধীনতা আন্দোলন আৰম্ভ হোৱাৰ লগে লগে স্কুল ত্যাগ কৰি শান্তি সেনাত ভৰ্ত্তি হৈ ট্ৰেইনিং ল'লো। ডাঃ অমূল্য লাহিৰিৰ তলত ৰেডক্ৰচৰ ট্ৰেইনিঙো ল'লো। জখলাবন্ধাত কলেৰা হোৱাত ডাঃ লাহিৰিৰ লগত গাৰিকুৰিৰ শ্ৰীনৱেন ৰবাৰ সৈতে গাওঁ কেইখনত কাম কৰিছিলো। তাৰ পিছত গমিৰিলৈ গুছি গ'লো। তাতো শ্ৰীমুকুণ্ড কাকতিৰ লগে লগে শোভাযাত্ৰাত গৈ গহপুৰ থানা পালোগৈ। থানাৰ সমুখত পুলিছে বাধা দিলে। বাধা নমনাত আৰু ভেটা দিয়া বাঁহডাল উফৰি যোৱাত পুলিছে এটা গুলি কৰিলে। কণক লতা বৰুৱাৰ পিঠিযেদি গুলি সোনাই বুকু ভেদ কৰি ওলাই গ'ল। আমাৰ কাষতে ঢলি পৰিল। মুকুণ্ড কাকতিয়ে ওপৰলৈ জপিযাই কে'বাবাৰো বন্দেমাতৰম ধ্বনি দিয়ে। এবাৰ তেনেকৈ ওপৰলৈ উঠোতেই দ্বিতীয়টো গুলি কৰিলে। মুকুণ্ডৰ কপালৰ এফাল একৰাই নিলে। তেওঁ মোৰ গাৰ ওপৰতে পৰাত দুয়ো কণক লতাৰ কাষতে মাটিত বাগৰি পৰিলো। গুলিৰ শব্দ শুনি বাইজ পলাল।

১৯৪৩ চনৰ মাজতে শ্ৰীনৱেন ৰবাই মোক ল'গ ল'লে। দুখন চাইকেল লৈ ওলালো। সি তেজপুৰ কংগ্ৰেছ অফিচৰ পৰা এনুৰা কাগজ ল'লে। (তেতিয়া কংগ্ৰেছ অফিচটো কোনোবা মানুহৰ ঘৰতহে আছিল)। তাৰ পৰা ঢেকীযাজুলি হৈ ওৰাং পালোগৈ আৰু শ্ৰীকৃষ্ণ ৰবাদেৱৰ বাগিছাৰ ঘৰত থাকিলোগৈ। পিছৰ দিনা মাজবাট ষ্টেচনত চাইকেল তুলি ৰে'লত গৈ পুষা ৰাঙাপাৰাত নামিলোগৈ। তাৰ পৰা বালিপাৰা, জামুগুৰি, চতিয়া হৈ বিশ্বনাথ চাৰিআলি পালোগৈ। বৃটীগাঙত শ্ৰীমহিম মেধিৰ ঘৰত ৰাতি থাকিলো। এৰি অহা ঠাইবোৰত তেজপুৰৰ নিৰ্দ্দেশমতে নিৰ্দ্দিষ্ট কংগ্ৰেছী মানুহৰ হাতত নুবাটোৰ পৰা কাগজ দিয়া হ'ল। সেই কালত গাভৰু, জীয়াভৰলি, বৰগাং, বৃটীগাং, বুৰে আদি নদীবোৰত দলং নাছিল। মাৰ নাৱঁত পাৰ হ'ব লাগে। সেয়াই আমাৰ জিৰণিৰ সময় আছিল। গহপুৰ, কলাবাৰীলৈকে গৈ কাগজ দিয়া হ'ল।

দুদিনমান পিছতে নৱেন ৰবা অকলে চাইকেল লৈ কলিযাবৰলৈ গুছি আহিল। মই ৰৈ গ'লো। আহিয়েই তাৰ ভীষণ জ্বৰ হ'ল। মেলেৰীয়া জ্বৰত ভুগি মৰো মৰো অৱস্থা হৈছিল। কোনোমতেহে বাচিল।"

মহাত্মাৰ জন্ম দিন উপলক্ষে

মহাত্মা গান্ধীৰ জন্ম দিনটো সমগ্ৰ ভাৰতবৰ্ষতে এটা পবিত্ৰ দিন হিচাপে গণ্য কৰা হয়। অক্তোবৰ মাহৰ ২ তাৰিখটো গান্ধী জয়ন্তী বুলি আখ্যা দিয়া হয়। সেই পবিত্ৰ দিনটোক কেন্দ্ৰ কৰি কংগ্ৰেছ কৰ্ম্মী সকলে গাৱেঁ গাৱেঁ গঠনমূলক কামৰ বাবে প্ৰচাৰ কাৰ্য্য চলালে। কৰ্ম্মী সকলক ভাগে ভাগে কাম কৰিবলৈ নিৰ্দ্দেশ দিয়া হ'ল। কলিয়াবৰৰ প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটিলৈ অন্য এখন প্ৰাথমিকৰ পৰা একোজন নেতা পৰ্য্যায়ৰ কৰ্ম্মীক পঠিওৱা হৈছিল। তেখেত সকলে সভা পাতি তেনেকুৱা প্ৰচাৰ কাৰ্য্য চলাই মহাত্মা গান্ধীৰ

১৩ দফীৰা কার্য্যসূচী ৰূপায়নৰ বাবে ৰাইজক বুজাই দিছিল।

তেনেকুৱা প্ৰচাৰ কার্য্যৰ বিষয়ে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছলৈ পঠিওৱা এখন প্ৰতিবেদনৰ হুবহু নকল তলত তুলি দিয়া হ'ল।

" ১ অক্টোবৰৰ দিনা আজি নলতলি গাওঁৰ নাম ঘৰত ৪৫ জন মানুহৰে এখনি সভা বহে। সেই সভাত শ্ৰীযুক্ত পূৰ্ণচন্দ্ৰ ভূঞা ডাঙৰীয়াই সভাপতি হয়। ১৩ দফা গঠন মূলক কাম বুজাই দিয়ে। দুই অক্তোবৰৰ পৰা গান্ধি জয়ন্তী।

২। নাম কীৰ্ত্তন পটকা উটলৰ বিষয়ে, ৩। খদৰ, ৪। পঞ্চায়ত, ৫। গাওঁ পৰিষ্কাৰ, ৬। সংকিৰ্ত্তন, ৭। মহিলা, ৮। ছাত্ৰ দিবস, ৯। নিৰক্ষৰতা, ১০। গাওঁ পহৰা, ১১। অসপৃশ্যতা, ১২। এৰি, ১৩। মৃগা পাত পুলু মেজাং কৰি শিল্প, কাপৰ কাম, মাতিৰ লোহাৰ কাহ পিতলৰ ইত্যাদি, ত্ৰি শিক্ষা। এয়ে চাধিকাৰ। তাকে সুচাৰুৰূপে বুজাই দিয়ে।

শ্ৰীভোগেশ্বৰ ভূঞা।"

(প্ৰতিবেদনখন ১৪/১০/৪৩ তাৰিখে কেন্দ্ৰীয় অফিচত পোৱা গৈছে)

ওপৰত তুলি দিয়া অতি সহজ সৰল ভাৰে লিখা প্ৰতিবেদনখন তেনেকুৱা বহুকেইখনৰ মাজৰ এখন আৰু সেই সময়ত গঠন মূলক কামত কংগ্ৰেছ কৰ্ম্মীসকল জড়িত হৈ গাৰেঁ গাৰেঁ কৰা কামৰ মাত্ৰ নমুনাহে।

বিৰতিৰ সময়

১৯৪৩ চনৰ মাজ ভাগলৈকে যিসকলে কলিয়াবৰৰ আন্দোলনটো তীব্ৰভাৱে চলাই থাকিল অৱশেষত সেই সকলবো সৰহভাগেই বন্দী হ'ল। আগতেই কোৱা হৈছে যে ১৯৪২ চনৰ আগষ্ট চেপ্টেম্বৰত গ্ৰেপ্তাৰ হৈ এমাহৰ পৰা ৬ মাহলৈ যিসকলে জেল খাটি ওলাই আহিল তেখেত সকলবো প্ৰায় ৯৫ শতাংশই নিৰ্ব্বিকাৰ হৈ বৈ গ'ল অকল কলিয়াবৰ বা অসমতে নহয়, এই কালছোৱাত ভাৰতৰ সকলো ঠাইতেই আন্দোলন এনে পৰ্য্যায়লৈ নামিল। স্বাভাৱিক ভাৱেই এই পৰিস্থিতিৰ উদ্ভৱ হৈছিল। এইখিনি পৰিবৰ্ত্তনৰ সময়।

১৯৪৪ চনৰ মাজ ভাগত কলিযাবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিখন পুনৰ গঠন কৰা হয়। শ্ৰীৰজনীকান্ত গোস্বামী দেৱক আকৌ পৰিচালকৰ ভাৰ দিয়া হয়। জৰুৰী পৰিচালনা কমিটিখন আগৰ সকল সদস্যৰ লগত আৰু দুজনমান লৈ পুনৰ গঠন কৰি উপদেষ্টা কমিটি কৰা হয়। কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সম্পাদক হিচাপে শ্ৰীসোমেশ্বৰ বৰাদেৱক নিযুক্তি দিয়া হয়। এই গুৰু দায়িত্ব তেখেতে ১৯৫২ চনলৈকে সুচাৰুৰূপে পালন কৰে।

১৯৪৪ চনৰ ভিতৰত কলিয়াবৰ কংগ্ৰেছে গঠন মূলক কামত বেচিকৈ মনোনিবেশ কৰে। এইখিনি সময়লৈ স্বাধীনতা আন্দোলনৰ চোক কমি আহিছিল আৰু সেমেকি

গৈছিল। আমি বহুত চেষ্টা কৰিও ১৯৪৪ চনৰ ভিতৰৰ কোনো চিঠি পত্ৰ বা লিখিত নথি আদি বিচাৰি নাপালো।

১৯৪৫ চনৰ এপ্ৰিল মাহত শ্ৰীবদন চন্দ্ৰ বৰদলৈদেৱক মুক্তি দিছিল। তাৰো এমাহমান পিছতহে শ্ৰীঠানুৰাম ভূঞা দেৱে মুক্তি পাইছিল। নিঃ ভাঃ কংগ্ৰেছ কমিটিৰ সভাপতি চৈয়দ আবুল কালাম আজাদ আৰু সৰ্ব্বভাৰতীয় নেতা সকলকো সেই চনৰ মে মাহৰ পৰাহে মুক্তি দিবলৈ আৰম্ভ কৰিছিল। অকল এঠাই বা দুঠাইতেই নহয়, ভাৰতবৰ্ষৰ কোনো ঠাইতে সেইখিনি সময়ত কোনো উল্লেখনীয় ঘটনা হোৱা নাছিল।

এইখিনি সময় ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ এক প্ৰকাৰ চেপা শান্তি আৰু বিৰতিৰ সময় বুলি ধৰিব পাৰি।

মিলিটাৰী কেম্পত অগ্নি সংযোগ

যদিও বিৰতিৰ সময় বুলি ধৰা হয় আৰু সেই মতকে বহুতে পোষণ কৰে, কলিযাবৰত কিন্তু চেগা চোৰোকাকৈ হ'লেও কুটাঘাতমূলক কাৰ্য্য চলি আছিল। তাৰ বাবে '৪২ চনৰ অত্যাচাৰ আকৌ চলিবলৈ ধৰিলে।

হাটবৰ প্ৰাথমিকৰ মৃত্যু বাহিনীৰ সেনা সকলে গোপনে আলোচনা কৰিলে। কংগ্ৰেছৰ কোনো নেতাকে শুংসূত্ৰ জানিবলৈ নিদিলে। ৰাতি ১২ বজাৰ পিছত বাটত পহৰা ৰাখি আলোচনা কৰা হৈছিল। কিন্তু কিবা কাৰণত অভিযানৰ দিন অনিৰ্দ্দিষ্ট কালৰ বাবে স্থগিত ৰখা হ'ল।

হাটবৰৰ শ্ৰীভাবিৰাম বৰাদেৱক দুবছৰীয়া কাৰাদণ্ডৰ তিনিমাহ বেহাই দিয়াত ১৯৪৪ চনৰ ৫ কি ৬ জুন তাৰিখে মুক্তি দিলে। তেখেত ঘৰ পালেহি। তেখেতে আত্ম কথাত লিখিছিল- "বাটটোৱেই অচিনাকি হ'ল। যুদ্ধত বাটৰ কাষৰ গছবোৰ কাটি পেলালে। বাট পকাও কৰিলে। গোটেইখন ফলং যেন লগা হ'ল। ভালে কুশলে আহি ঘৰ পালোহি। বৌৰ (মাতৃ) অৱস্থা দেখি বেয়া লাগিল। এই দুবছৰতে বুঢ়ী হ'ল। যাই হওক মোক পাই বুকুত সাবটি লৈ মাতবোল কৰিব নোৱাৰি দুধাৰী চকুলো মচিলে।"

কিন্তু শ্ৰীভাবিৰাম বৰাদেৱৰ অতি দুৰ্ভাগ্য যে সেই ৰাতিয়েই বাঢ়ৈদাঙ্গাৰ মিলিটাৰী ওদামত জুই জ্বলিল। কোনে কেনেকৈ জ্বলালে সেই কথা আজিও গোপন হৈয়েই থাকিল। পিছৰ দিনাই হাটবৰ অঞ্চলৰ ১২ জনৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে। তাৰে এজন শ্ৰীভাবিৰাম বৰা। তেখেতে আকৌ আত্মগোপন কৰিলে তিনি মাহ পলাতক হৈয়ে থাকিল। এইটোও সত্য যে কৰ্ম্মক্ষেত্ৰত সেইদিনা সেই ১২ জনৰ ৭ জনেই উপস্থিত আছিল।

ওৰাৰেণ্ট হোৱাৰ লগে লগে হাটবৰত (আচলতে গোটেই কলিয়াবৰতে) প্ৰচাৰ কৰা হ'ল যে বাঢ়ৈ দাঙ্গা কেম্পত পেট্ৰল ড্ৰাম বাগৰি পৰি জুই লাগি গোটেইবোৰ পুৰি

শেষ কৰিলে। আনকি থানাৰ ভিতৰ চ'ৰাতো এই কথা প্ৰচাৰ কৰা হ'ল।

ইফালে পুলিছ মিলিটাৰীযে হাটবৰ অঞ্চলত পুনৰ অত্যাচাৰ আৰম্ভ কৰিলে। এই অঞ্চলৰ সকলো শান্তি সেনা, মৃত্যু বাহিনী আৰু কংগ্ৰেছ কৰ্ম্মী আকৌ পলাতক হ'ল। এই পলাতক সকলক বিচাৰি গোটেই কলিয়াবৰ চলাঠ কৰিলে। কাকো ধৰিব নোৱাৰিলে। যেতিয়াই তেতিয়াই মিলিটাৰীয়ে টহল দি ফুৰিবলৈ ল'লে। হঠাৎ যাৰে তাৰে ঘৰত সোমাই খানাতালাছ কৰিবলৈ ধৰিলে। বড়িগাঁৱঁৰ শ্ৰীনলিন বৰা (নগা) শ্ৰীৰত্ন গায়ন, সকভগীয়াৰ শ্ৰীটঙ্কেশ্বৰ হাজৰিকা, শ্ৰীনাৰায়ণ মুক্তিয়াৰ, গাৰিকুৰিৰ শ্ৰীসূৰ্য্যকান্ত নেওগ, শ্ৰীমিণাৰাম হাজৰিকা, শ্ৰীচন্দ্ৰকান্ত বৰা আদি সকলক বিচাৰি ঘৰ ঘেৰাও কৰি মানুহক অকথ্য কথা ক'লে। এই সংক্ৰান্তত পুবথৰীয়া আৰু চতিয়ালৰ দুজন নে তিনিজনক গ্ৰেপ্তাৰ কৰিলে। তেওঁলোক কিন্তু ইয়াৰ লগত জড়িত নাছিল।

শ্ৰীভাবিৰাম বৰাই এই সংক্ৰান্তত লিখিছিল- "ভৱে এবিলেও কৰ্পটিয়ে নেৰে। সেই ৰাতিয়েই বাঢ়ে দাঙ্গা মিলিটাৰী কেম্পত জুই লাগিল। পিছদিনা ১২ জনৰ নামত ওৱাৰেণ্ট হ'ল। মোকো সামৰিলে। ৰেতি নিশা চতিয়াল মন্দিৰত ৰাস ভাওনা হৈ আছিল। তাতেই কথাটো ৰাষ্ট্ৰ হ'ল। মোক পুলিছে চিনি নাপায়। মই গা ঢকা দিলো। কে'বা জনকো এৰেষ্ট কৰিলে। পুলিছে সন্ধনাই বিচাৰি থকাত কেলিডেনত থকা ভতিজা জোৱাই শ্ৰীডালিৰাম হাজৰিকাৰ ঘৰ পালোগৈ। তেওঁৰ পৰামৰ্শমতে ৰেকা পাহাৰত শিলভঙা কোৱাৰিত শিল ভঙাই তাতে থাকো। কেলিডনত মজদুৰৰ ঘৰ মেৰামতি কৰা কামৰ ঠিকা ল'লো ৰৰমহৰি শ্ৰীচন্দ্ৰ ৰৰদলৈৰ সহায়ত। ৰাতি ৰেকা পাহাৰত থাকোগৈ। পুলিছে খবৰ পালে। বাগানৰ চাহাৰক তাগাদা দিলে। ৰৰমহৰীক হুকুম দি মোক মতাই আনিলে। ময়ো হাতত লাঠি এডাল লৈ মেনেজাৰ Mr Duff চাহাৰৰ বঙালৈলে গ'লো। ধমকি দিলে You are a political absconder hiding here. মই ক'লো যে মিচা কথা কোনে ক'লে তোমাক? পিছদিনা জীপ দি কুঁৰৰীটোল থানালৈ পঠাই দিলে। দাৰোগাই বা কোনো পুলিছেই মোক চিনি নাপায়। ময়ো পলম নকৰি ড্ৰাইভাৰক (জোৱাই ডালিৰাম) ইঙ্গিত দি ওলাই গ'লো। চাহাৰক গৈ বুকু ফুলাই ক'লো যে মই absconder (পলাতক) নহওঁ। সেইদিনাৰ পৰা চাহাৰেও মোক সমীহ কৰা হ'ল।"

ইফালে গাৱঁত অত্যাচাৰৰ সীমা নোহোৱা হ'ল। তেখেতে লিখিছিল- "দুমাহ পিছত এৰেষ্ট হোৱা কেজনে জামিন পালে। কে'চটো আচলতে দিচমিচ হ'ব। কেম্পটোত সিহঁতৰ নিজৰ দোষত জুই লাগিছিল।" গাৱঁৰ মানুহে শ্ৰীভাবি বৰা আৰু কেইজনমানক বুজাই ৰৰাই ধৰা দিবলৈ হেঁচা দিলে। "আমি ধৰা নিদিলে কে'চটো নিচিগে। সেইমতে শ্ৰীনলিন বৰা আৰু মই এসপ্তাহৰ পাচত নগাৱঁত গৈ ধৰা দিলো। এৰাতি আকৌ জেলত থাকিলোগৈ- বন্ধু বান্ধৱক চাবলৈ সুবিধা পালো। পিছদিনা কাছাৰিত হাজিৰ কৰালে। সকলোকে পাচ হাজাৰ টকাৰ ব্যক্তিগত জামিনত খালাহ দিয়ে।" কে'চটো প্ৰমাণৰ অভাৱত খাৰিজ হ'ল।

কলিয়াবৰত স্ত্ৰী শিক্ষাৰ পাতনি

১। ছোৱালী স্কুল স্থাপন ঃ শ্ৰীভাবিৰাম বৰাই শেষত লিখিছিল- "১৯৪৫ চনত মে মাহত হাটবৰ ছোৱালী স্কুল প্ৰতিষ্ঠা কৰোঁ। ১৯৪৬ চনৰ জুলাই মাহত হাটৰৰ এল পি স্কুলৰ শিক্ষক নিযুক্তি লগতে ছোৱালী স্কুলৰ শিক্ষক। ১/৮/৪৭ চিকনি নিযুক্তি, শিক্ষক।"

ওপৰৰ টোকাত উল্লেখ কৰা হাটবৰ ছোৱালী স্কুল প্ৰতিষ্ঠা সংক্ৰান্তত কিছু কথা লিখাৰ লোভ সামৰিব নোৱাৰিলো। ছোৱালী স্কুল খনৰ প্ৰতিষ্ঠাৰ সূচনা হয় বড়ি গাৱঁৰ শ্ৰীদেৱন গগৈ আৰু হাটবৰৰ (ৰাম তামুলী চুকৰ) শ্ৰীমহিম বৰা দুয়োজনৰ মনৰ মাজত থকা স্ত্ৰী-শিক্ষাৰ চিন্তা ধাৰাৰ বহিঃ প্ৰকাশৰ পৰাই। দুযোজনে শ্ৰীভাবিৰাম বৰাদেৱৰ উপদেশ মতে কামত আগবাঢ়ে। প্ৰথম সভাখন বহে শাকমুঠি গাৱঁত। তাত অন্যান্য সকলৰ লগতে আগবাঢ়ি আহে শ্ৰীমণি শইকীয়া, শ্ৰীসুৰথ বৰা আৰু শ্ৰীনগেন বৰা হাটবৰত ছোৱালী এম. ই. স্কুল পতাৰ সকলো প্ৰতিশ্ৰুতিৰে। শ্ৰীসুৰথ বৰা মোৰ ওচৰ পালেগৈ। আলোচনা কৰি আমি সকলো আগবাঢ়ি আহিলো।

শ্ৰীমহিম বৰা আৰু শ্ৰীদেৱন গগৈ দুয়োজন তেতিয়া জয়-বিজয়, দুয়ো দুয়োৰে পৰিপূৰক ইজনে সিজনৰ লগ নেৰে। এই কথা সেই সময়ত গাৱঁত সকলোৱে জানে। এই দুজনৰ কৰ্ম্মশক্তিৰ কথা কেতিয়াও পাহৰিব নোৱাৰো। (মহাত্মা গান্ধীৰ মৃত্যুৰ পিছত পৃথিৱীৰ মণিষি সকলে দিয়া বাণীৰ পৰা আৰম্ভ কৰি এটি কণমানিয়ে 'বন্দুকবোৰ কোনে বনালে, এইবোৰ ভাঙি পেলাব লাগে,' আদিলৈকে সংগ্ৰহ কৰি 'জয়তু বাপুজী' নামেৰে এখনি পুস্তিকা ছপা কৰি উলিয়াইছিল। মই যি পাৰো সহায় কৰিছিলো)। স্কুলখন প্ৰতিষ্ঠাত দুয়োৰে অবদান স্মৰণীয় হৈ থাকিব। শ্ৰীভাবিৰাম বৰা আছিল চালিকা শক্তি। মূল প্ৰতিষ্ঠাতা বুলিয়েই দৃঢ় ভাৱে ক'ব পাৰি। তেখেত সকলোৰে 'ভাবি ককাইদেউ'।

স্কুলৰ খুটাৰ বাবে হাটবৰৰ পৰা দয়াল সৰুভগীয়ালৈকে কলঙৰ পাৰৰ সোণাৰু গছ কটা হৈছিল। অন্য বাঁহ-কাঠ খেৰ আদি বস্তুও বাইজে মুক্ত মনে দান দিছিল। চাপৰিৰ পৰা খেৰ কটা হৈছিল। আমি কে'বাজনো ছাত্ৰয়ো বাইজৰ লগতে চতিয়ালৰ পৰা জখলাবন্ধালৈকে আৰু হাটবৰৰ পৰা দলগাওঁ জাওকটালৈকে সকলো গাৱঁৰ পৰা দান হিচাপে গোৱা কাঠ বাঁহ খেৰ আদি কান্ধেৰে কঢ়িয়াই হাটবৈলৈ আনিছিলো। শাকমুঠিৰ সৰ্ব্বশ্ৰী সুৰথ বৰা, মণি শইকীয়া, নগেন বৰা, আখিৰঙাৰ শ্ৰীহৰেন শইকীয়া, গাৰিকুৰিৰ শ্ৰীদেৱেন হাজৰিকা, মহেন্দ্ৰ হাজৰিকা, নৰেন বৰা (মই) আমি সকলোৰেই হাঁহি ধেমালি কৰি বোজা কঢ়িয়াইছিলো। যি কোনো প্ৰকাৰে বাইজৰ পৰা দান আদায় কৰা হৈছিল- ধন নহয় বস্তুৰ দান। বাইজৰ শ্ৰম দানেৰে ৪/৫ মাহৰ ভিতৰত এটা আহল বহল স্কুল ঘৰ সজা হ'ল।

এতিয়া সমস্যা হ'ল ছোৱালী গোটোৱাৰ। প্ৰথমতে ওলাই অহা শ্ৰীমতী নুমলী বৰা (শ্ৰীভাবিৰাম বৰাৰ ভনীয়েক) শ্ৰীমতী ফুলমাই বৰা (শ্ৰীমহিম বৰাৰ ভনীয়েক), বাঘজানৰ শ্ৰীমতী বেণু শৰ্ম্মা (শ্ৰীপদমু শৰ্ম্মাৰ জীয়েক) গাৰিকুৰিৰ শ্ৰীমতী অমিয়া বৰা (তৰামাই-শ্ৰীৰমাকান্ত বৰাৰ জীয়েক) এই কেইজনী গোট খালে। তাৰ পিছত বড়িগাঁৱঁৰ শ্ৰীমতী মাইকণ শইকীয়া (শ্ৰীপুষ্প শইকীয়াৰ জীয়েক), আখিৰঙাৰ শ্ৰীমতী এধান শইকীয়া (শ্ৰীদিনবন্ধু শইকীয়াৰ ভনীয়েক) গাৰিকুৰিৰ শ্ৰীমতী সৰস্বতী বৰা (বুলু- শ্ৰীলক্ষ্মীনাথ বৰাৰ জীয়েক) ওলাই আহিল। আৰু কেইজনীমান আহিল নাম পাহৰিলো। এইকেইজনী প্ৰথম দলৰ ছাত্ৰী আছিল।

ছাত্ৰী গোটোৱা সংক্ৰান্তত বহুত অভিভাৱকৰ পৰাই গালি শপনি আৰু ককৰ্থনা শুনিব লগা হৈছিল। আমাৰ বৰাপিতা শ্ৰীহেমোৱাম বৰাদেৱে আমাক চুইহে নিকিলালে। তেখেতে উগ্ৰমূৰ্ত্তি ধৰি ক'লে- 'খালি, খালি তইঁতে, দেশখন তললৈ নিবলৈ ওলাইছ। ক'ত শুনিছ ছোৱালী স্কুললৈ যোৱা, বিদেশী বঙালৰ ভাষা পঢ়া? স্কুলত পঢ়ি ছোৱালীয়ে ডেকা ল'ৰালে চিঠি লিখিব চৰিত্ৰ নষ্ট হ'ব- উঁহু কতা- তইঁতে ইয়াকে কৰিবলৈহে গান্ধী মহাৰাজৰ কংগ্ৰেছ কৰিলি, ভালে ভালে আঁতৰ হ, ওলা মোৰ ঘৰৰ পৰা- নহ'লে কথা বেয়া হ'ব।' এইয়া মোৰ নিজৰ একে বংশৰে কথা।

আৰু বহুতৰে এনেকুৱা তিতা কেহা কিন্তু মিঠা অভিজ্ঞতা হৈছিল। দাঁতকটা গাৱঁৰ শ্ৰীতিলক শইকীয়াই ৰস লগাকৈ এনেকুৱা এটা অভিজ্ঞতাৰ কথা কোৱা মনত আছে। দলগাৱঁৰ শ্ৰীবেথা ৰাম বৰাদেৱৰ ঘৰলৈ কেইজনমান গ'ল ছোৱালী বিচাৰি। শ্ৰীবৰাদেৱৰ ল'ৰা শ্ৰীঅম্বিকাৱো (ঘৰত গাৱঁত ঘটকলৌ) পঢ়াৰ কথা ক'লে। অম্বিকাই পাঠশালা স্কুলৰ পঢ়া শেষ কৰি ঘৰতে আছে। শুনিয়েই তেখেতে তৰ্জন গৰ্জন কৰিবলৈ ধৰিলে- 'তইঁতে সৰ্ব্বনাশ কৰিবলৈ ওলাইছ, ছোৱালীয়ে স্কুলতপঢ়িব আৰু ছোৱালীৰ লগত ল'ৰাই পঢ়িব'— তেখেতক বুজাবলৈ শ্ৰীমহিম বৰাই মুখ মেলোতেই 'কি কথা ক'বলৈ আহিছ ওলা এতিয়াই মোৰ ঘৰৰ পৰা।' আকৌ বুজাবলৈ চেষ্টা কৰোঁতেই 'আৰু কথা ক'বলৈ আহিছ, ৰ- তইঁতৰ পিঠি চিঙিম' বুলি কৈয়েই এওঁলোকলৈ চোঁচা ল'লে। শ্ৰীমহিম বৰা আৰু শ্ৰীতিলক শইকীয়াৰ ভৰিৰ কলাফুলত একোবাকৈ দিলে। তিলক শইকীয়াৰ ফাটি তেজ ওলাল, মহিম বৰাৰ মূৰহ উখহিল। এনেতে যেনিবা দলগাওঁ প্ৰাঃ কংগ্ৰেছৰ সম্পাদক শ্ৰীমহোৱাম বৰা (অকণ) আৰু ককায়েক শ্ৰীনৰাম বৰাই শ্ৰীবেথাৰাম বৰাৰ তৰ্জন গৰ্জন শুনি দৌৰি আহি দুয়োকে ৰক্ষা কৰিলে।

এইখিনি কথা ইয়াত লিখা হ'ল এই কাৰণেই যে সেই সময়ত, ১৯৪৫ চনত, স্ত্ৰী-শিক্ষাৰ ক্ষেত্ৰত গাৱঁৰ সহজ সৰল মানুহখিনিৰ ধ্যান ধাৰণা কেনে আছিল জানিব আৰু সমস্যাটো কেনেকুৱা আছিল সেই বিষয়ে এতিয়াৰ মানুহে অন্ততঃ তুলনা কৰিব পাৰিব।

কলিযাবৰ ছোৱালী এম ই. স্কুল, তাৰ পিছত ছোৱালী হাইস্কুল (এতিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়)ৰ জন্ম লগৰ কাহিনী এইয়া। ছোৱালী হাইস্কুলৰ বাবে ১৯৫৫ চনত ধন সংগ্ৰহৰ কাৰণে শ্ৰীপুষ্পকান্ত খাওন্দ, হেড্ মাষ্টৰ, শ্ৰীলীলাকান্ত বৰা, তেতিয়া কলিয়াবৰৰ বিধায়ক, গাৰিকুৰিৰ শ্ৰীবানেশ্বৰ নেওগ আৰু মই, শ্ৰীনৰেন্দ্ৰ নাথ বৰা, এখন জীপ গাড়ীৰে

দৰং জিলাৰ (বৰ্ত্তমান শোণিতপুৰ আৰু দৰং) প্ৰতিখন চাহ বাগিছালৈ গৈছিলো। কলিয়াবৰৰ চাকৰিয়াল সকলৰ পৰা দান হিচাপে এমাহৰ মূল দৰমহা দিবলৈ প্ৰতিশ্ৰুতি আদায় কৰা হৈছিল। প্ৰায় ৫,০০০ (পাঁচ হেজাৰ) টকা নগদ সংগ্ৰহ কৰি লগত অনা হৈছিল। পিছত কিস্তি আদায় কৰিবলৈ গাৰিকুৰিৰ শ্ৰীবানেশ্বৰ নেওগ আৰু শ্ৰীদেবেন হাজৰিকাক পঠিওৱা হৈছিল।

প্ৰতিখন চাহ বাগিছাতে আমাক অতি সহৃদয়তাৰে আদৰ অভ্যৰ্থনা কৰা হৈছিল। কিন্তু গহপুৰৰ ফালৰ (বোধ কৰোঁ ব্ৰহ্মাজান) এখন বাগিছাৰ এজন মানুহে আমাক বেয়া ব্যৱহাৰ কৰিলে। টান কথা শুনালে- 'অঁ, মই থৈ দিছো —আপোনালোকক দিবলৈ মোৰ দৰমহাৰ টকা— স্কুল পাতিছে নিজে খৰহ কৰি পাতক ইত্যাদি।" ভাওনাত ভীমৰ ভাও লোৱা শ্ৰীবানেশ্বৰ নেওগ খিয় হৈ গৰ্জ্জি উঠি বচন মাতিলে, 'কাৰ আগত কথা কৈছে চিনি পোৱা নাই?" বুলি মানুহজনৰ ফালে দুই হাতেৰে বাহুত চপৰীয়াই চোঁচা ল'লে। মই আৰু হেডমাষ্টৰ চাৰে ধৰি ৰাখিলোঁ।

অৰুণ সেৱা সমিতি

১৯৪৫ চনৰ শেষৰফালে হাটবৰত অৰুণ সেৱা সমিতি নামে এটা সংঘ গঠন কৰা হয়। ইয়াৰো সম্পাদক আছিল শ্ৰীভাবিৰাম বৰাদেৰেই। এই সমিতিৰ তত্ত্বাবধানত এটা পুথিভঁৰাল স্থাপন কৰা হৈছিল। হাটবৰত এটা নাট্য মন্দিৰ পতাৰ আঁচনিও এই সংঘই লৈছিল। পুঁথিভঁৰালৰ বাবে ধন সংগ্ৰহৰ কাৰণে আমলখী চাহ বাগিছাত দুৰ্গাপূজা উপলক্ষে পতা উৎসৱত দুদিন ভাওনা অনুষ্ঠিত কৰা হৈছিল। প্ৰথম দিনা 'অভিমণ্যু বধ' আৰু পিছৰ দিনা 'ৰাম বনবাস'।

আদৰ্শ ছাত্ৰ সমাজ

১৯৪৫ চনত কলিয়াবৰ ৰাষ্ট্ৰীয় আদৰ্শ ছাত্ৰ সমাজ নামে হাটবৰত এটা অনুষ্ঠানৰ জন্ম হয়। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল কলিয়াবৰত ৰাষ্ট্ৰভাষা (হিন্দী) প্ৰচাৰ কৰা, শিক্ষা দিয়া, আৰু স্কুল প্ৰতিষ্ঠা কৰা। সৰ্ব্ব সাধাৰণ ৰাইজ আৰু ডেকা সকলৰ লগতে আমি হাই স্কুলৰো বহুতো ছাত্ৰই এই অনুষ্ঠানৰ সভ্য হ'লো। এই অনুষ্ঠানৰ প্ৰথম প্ৰতিষ্ঠাপক সভাপতি আৰু সম্পাদক আছিল ক্ৰমে শ্ৰীৰমাকান্ত বৰা আৰু শ্ৰীভাবিৰাম বৰা। হিন্দী শিক্ষাৰ পাঠদান কৰিছিল- কলিয়াবৰ হাইস্কুলৰ হিন্দী শিক্ষক শ্ৰীনীলকান্ত বৰুৱাদেৰে।

এই অনুষ্ঠানৰ আয় ব্যয় হিচাপে আদি চাই দিবৰ বাবে, সম্পাদকে লিখা (আমাৰ হাতত সংৰক্ষিত হৈ থকা) চিঠিখনৰ নকল তলত তুলি দিয়া হ'ল।

"শ্ৰীযুক্ত কলিয়াবৰ কেঃ কং কমিটিলৈ নিবেদন

মহোদয় সকল,

কলিয়াবৰ ৰাষ্ট্ৰীয় আদৰ্শ ছাত্ৰ সমাজৰ নিবেদন এই যে কলিয়াবৰৰ ৰাষ্ট্ৰভাষাৰ ক্ৰমোন্নতিৰ কাৰণে বিশেষ একো উদ্যম নেদেখি এই ছাত্ৰ সমাজ দুখীত।

গতিকেই কমিটিক টানি অনুৰোধ কৰা হয় যে কেন্দ্ৰীয় তৰফৰ পৰা এজন কৰ্ম্মিক নিযুক্ত কৰি অনুষ্ঠানৰ আয় ব্যয় অৱস্থা-ব্যৱস্থা চোৱাই ৰাষ্ট্ৰ ভাষাৰ ভেটি আটিল কৰিব। এয়ে প্ৰাৰ্থনা। ইতি-

হাটৰৰ — বিনীত

ৰাঃ- বিদ্যাপীঠ — শ্ৰীভাৰিৰাম বৰা

৮/৯/৪৫ — সম্পাদক, কঃ ৰাঃ আদৰ্শ ছাত্ৰ সমাজ।"

আদৰ্শ বিদ্যাপীঠ স্থাপন কৰা হৈছিল হাটৰৰ ছোৱালী স্কুলৰ কোঠালিতে। দুই তিনি বছৰ মান সুকলমে চলাৰ পিছত এই অনুষ্ঠানটি লোপ পালে। বিশেষকৈ শ্ৰীভাৰি ৰাম ৰবাই চাকৰিত সোমাই বিদ্যাপীঠ খন এৰি যাব লগা হোৱাত ইয়াৰ অৱস্থা শোচনীয় হৈ লাহে লাহে নাইকিয়া হ'লগৈ।

ধৰমপুৰত প্ৰাথমিক স্কুল

সেই সময়ত পাঠশালা স্কুল বিলাক নগাওঁ লোকেল বোৰ্ডৰ তলত আছিল আৰু তেওঁলোকৰ তত্ত্বাৱধানত চলিছিল। কলিযাবৰত পাঠশালা বা নিম্ন প্ৰাইমাৰী স্কুলৰ সংখ্যা অতি কম আছিল। ১৯৪৪ চনৰ পৰা ১৯৪৭ চনলৈকে কলিয়াবৰৰ ঠাযে ঠাযে প্ৰাঃ কংগ্ৰেছৰ উদ্যোগত ৰাইজে নিজে ঘৰ সাজি শিক্ষক নিযুক্তি দি আৰু ৰাইজে ৰৰঙণি তুলি দৰমহা দি কে'বাখনো স্কুল প্ৰতিষ্ঠা কৰিছিল। আমাৰ হাতত থকা তেনেকুৱা এখন স্কুল প্ৰতিষ্ঠাৰ সম্বন্ধে লিখা এখন আবেদনৰ নকল তলত দিয়া হ'ল-

"নগাওঁ লোকেল বোৰ্ডৰ চেয়াৰমেন মহোদয়ৰ সমীপেষু।

মহোদয়,

ধৰমপুৰ প্ৰাথমিকৰ ৰাইজসমূহৰ সম্মানপূৰ্ব্বক বিনীত নিবেদন এই যে ল'ৰা-ছোৱালীৰ শিক্ষাৰ অতি অভাৱ অনুভৱ কৰি ১৯৪৫ চনৰ চেপ্টেম্বৰ মাহত সোণাক খুটাৰ এটি চাৰিচলীয়া (২৭'x৪৩') ভাল ঘৰ সাজি স্কুল আৰম্ভ কৰা হয়। বৰ্ত্তমান বছৰৰ জানুৱাৰীৰ পহিলা তাৰিখৰ পৰা ৮ (আঠ) টকা দৰমহাত ক্লাচ VII (চেভেন) পাছ এজন শিক্ষক নিয়োগ কৰি নিয়ম মতে স্কুল চলাই থকা হৈছে। বৰ্ত্তমান ছাত্ৰৰ সংখ্যা ৪০ জন।

যোৱা ৩০/৪/৪৬ তাৰিখে বোৰ্ডৰ সদস্য শ্ৰীযুত বদন চন্দ্ৰ ৰবদলৈদেৰে পৰিদৰ্শন কৰি পৰিদৰ্শন বহীত যি মন্তব্য প্ৰকাশ কৰিছে তাৰ নকলো দিয়া হ'ল।

মহাশয়ে এই চনৰ ভিতৰতে স্কুলখন লৈ ৰাইজক দুগুণ উৎসাহ দিয়ে যেন এই প্ৰাৰ্থনা।

একান্ত বাধ্য

... .।"

(আবেদনখনৰ লিখকৰ নামৰ আখৰ উৰি গ'ল। কিন্তু তলত কংগ্ৰেছ কমিটিৰ মোহৰ মৰা আছে।)

আবেদনখনে যিখিনি কথা দাঙি ধৰিছে সেয়া ভাবিবলগীয়া। লোকেল বোৰ্ডে কি ব্যৱস্থা ল'লে সেই বিষয়ে কোনো নথিভুক্ত কথা পোৱা নাই। কিন্তু মানুহৰ উদ্যম তেতিয়া তেনেকুৱাই আছিল। এইখন আবেদনৰ কথা খিনিৰ পৰা পৰাধীন দেশৰ মানুহৰ মন কিমান স্বাধীন আছিল এতিয়াৰ মানুহে অন্ততঃ বুজিব পাৰিব। শিক্ষাৰ কাৰণে থকা ধাউতিৰ কথা ইয়াত প্ৰকাশ পাইছে। আৰু এতিয়া লাখ লাখ টকা খৰছ কৰি চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ ব্যৱস্থা ল'ব লগা হৈছে- স্বাধীনতাৰ সোণালী জয়ন্তী বৰ্ষৰ সময়ত্তো। মানুহৰ মনবোৰ এতিয়া পৰাধীন হ'ল স্বাধীন দেশৰ মানুহৰ মন। পৰমুখাপেখী হ'ল।

১৯৪৫ চনৰ এপ্ৰিল মাহত শ্ৰীবদন বৰদলৈ জেলৰ পৰা আহি নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক হ'ল। সেই বছৰেই নগাওঁ লোকেল বোৰ্ডৰ নিৰ্ব্বাচন হয়। তেতিয়া সদস্যৰ মুঠ সংখ্যা আছিল ৩২ জন। তাৰ ভিতৰত চাহ বাগিছাৰ পৰা ৫ জন ইউৰোপীয়ান চাহাবো সদস্য আছিল। যদিও কংগ্ৰেছৰ নিৰ্ব্বাচিত সদস্য মাত্ৰ ৮ জনহে আছিল তথাপিও শ্ৰীমতিৰাম বৰাদেৱ চেয়াৰমেন আৰু মহম্মদ নুৰেল ইচলাম ভাইচ চেয়াৰমেন নিৰ্ব্বাচিত হয়। লোকেল বোৰ্ড দখল কৰিয়েই তেখেতসকলে আগতে থকা দুৰ্নীতিবোৰ নিৰ্ম্মূল কৰিবলৈ সক্ষম হ'ল। শ্ৰীবদন চন্দ্ৰ বৰদলৈদেৱ কংগ্ৰেছৰ পৰা নিৰ্ব্বাচিত সদস্য ৮ জনৰ এজন আছিল।

মহাত্মা গান্ধীৰ গঠনমূলক কাম খাদী প্ৰচলন

১৯৪৫ চনৰ ভিতৰত কংগ্ৰেছ কমিটি সমূহে গঠনমূলক কামত মনোনিবেশ কৰিবলৈ ল'লে। মহাত্মা গান্ধীৰ বাণীৰে মানুহৰ মনত উৎসাহ জগোৱাৰ চেষ্টা চলিল।

২৮/৩/৪৫ তাৰিখে মহাত্মা গান্ধীযে লিখা তেখেতৰ হাতৰ আখৰ সহ এটা বাণী প্ৰচাৰ কৰা হৈছিল। নিখিল ভাৰত শিশিনী সংঘই (ৰহা) প্ৰকাশ কৰা ছপা কৰা কাগজ এখন আমাৰ হাতত এতিয়াও আছে। সেইখনৰ হুবহু নকল তলত তুলি দিয়া হ'ল।


"বৰ্ত্তমান যুগৰ সৰ্ব্বশ্ৰেষ্ঠ মহামানৱ গান্ধীজীৰ বাণী

কাতো, সমজবুজকৰ কাতো কাতে ৰে খদ্দৰ পহনে, পহনে ৰে জকৰ কাতে। (১) সমজবুজকৰ কে মানো হেই কি চৰ্খা য়ানি কতাই অহিংসা কা প্ৰতীক হেই। গৌৰ কৰো প্ৰত্যক্ষ হোমা। (২) কাতৰে কে মানো হেই কপাস খেত সে নিকালনা, কই তুননা, পুনো কানা, সুত মনমানা অংকেকা নিকালনা ঔৰ দুবটাকৰ পৰেতনা।

কাতক। বুজি-শুনি কাতক, কতো সকলে খদ্দৰো পিন্ধক, পিন্ধিবলৈ হ'লে জকৰ কাতক। বুজা মানে যজ্ঞ বা সুতা-কতা অহিংসাৰ প্ৰতীক, উপলব্ধি কৰিলে দেখিবলৈ পাব। কতা মানে হৈছে- খেতিৰ পৰা কপাহ

(পিছৰ খিনি ২৩৯ পৃষ্ঠাত চাওক)

পূজ্য গান্ধীজির হস্তাক্ষরত



তোলা, নেওঠনীৰে গুটি গুচোৱা, তুলা ধুনা, পাঁজী কটা, ইচ্ছামত বিধৰ সূতা-কতা, নেটিওৱা আৰু দৰ্কাৰ হ'লে দুহোৰীয়াকে পকাইয়ো লোৱা।

২৮/৩/৪৫ মোঃ কঃ গান্ধী

সেৱাগ্ৰাম

(গান্ধীজীৰ পুৰা নাম- মোহনদাস কৰমচাঁদ গান্ধী)

১৯৪২ চনৰ প্ৰথম ছমাহৰ ভিতৰতে সমগ্ৰ কলিয়াববতে প্ৰতিজন কংগ্ৰেছ কৰ্ম্মী, শান্তি সেনা আদিয়ে নিজে সূতা কাটি খদ্দৰ পিন্ধাটো বাধ্যতামূলক আছিল। আন্দোলন শাম কাটি অহাৰ লগে লগে এই দিশটোও জুৰুলা হৈ আহিল। মানুহৰ মনত পুনৰ উদ্যম জগাবলৈ মহাত্মা গান্ধীৰ এই বাণীটো প্ৰতিখন প্ৰাথমিকলৈ নকল কৰি পঠিওৱা হ'ল।মহাত্মা গান্ধীৰ হাতৰ আখৰ চাবলৈ চতিয়ালৰ কেন্দ্ৰীয় কংগ্ৰেছ অফিচত মানুহৰ ভিৰ হৈছিল।

কলিয়াবৰত শিপিনী সংঘ খুলি মহিলা সকলৰ আৰ্জনৰ পথ উলিয়াই দিবলৈ কলিয়াবৰ কংগ্ৰেছে যৎপৰোনাস্তি চেষ্টা চলাই ঠায়ে ঠায়ে এনেকুৱা সংঘ খুলিছিল। মহাত্মা গান্ধীৰ জন্ম দিন পালন উপলক্ষে চৰখা জয়ন্তী সপ্তাহ পালনৰ ব্যৱস্থা কৰা হৈছিল। এই সংক্ৰান্তত আমাৰ হাতত থকা গোহাৰি খনত লিখা মূল কথা কেইটা হ'ল-

(১) ইংৰাজী তাৰিখমতে মহাত্মা গান্ধীৰ জন্মোৎসৱ ২ অক্তোবৰত পৰে। (২) ইংৰাজী ২৭/৯/৪৫ তাৰিখৰ পৰা ৩ অক্তোবৰলৈ ৭৭তম 'চৰখা জয়ন্তী' উৎসৱ পালন কৰা হ'ব।

(ক) প্ৰত্যেক শিপিনীৰ পৰা একো নেচাকৈ (৮৫৩ গজ ১ ফুট) ধৰি যিমান বেচি পাৰি দান সংগ্ৰহ কৰিব।

(খ) নিজে সূতা কাটি বস্ত্ৰ স্বাবলম্বী হ'বলৈ উদগনি দিব।

(গ) মহাত্মাৰ ইচ্ছা এইবাৰ দান সংগ্ৰহৰ সময়ত টকা সংগ্ৰহৰ সলনি সূতাহে দান হিচাপে সংগ্ৰহ কৰিব।

(ঘ) জয়ন্তী সপ্তাহত, খাদি আৰু অন্যান্য গ্ৰামোদ্যোগ সংঘৰ বিষয়ে বিশেষভাৱে বুজনি দি প্ৰচাৰ কাৰ্য্য চলাব।

গঠনমূলক কাম বিলাক যেনে ঃ-

(১) সাম্প্ৰদায়ীক ঐক্য, (২) অস্পৃশ্যতা বৰ্জ্জন, (৩) মাদকতা নিবাৰণ, (৪) খাদী (৫) অন্য গ্ৰামোদ্যোগ, (৬) নব শিক্ষা (Basic Education) (৭) গ্ৰামোন্নতি, (৮) প্ৰৌঢ় শিক্ষা, (৯) স্ত্ৰী উন্নতি, (১০) আৰোগ্য আৰু পৰিস্কাৰ পৰিচ্ছনতা, (১১) ৰাষ্ট্ৰ ভাষা, (১২) মাতৃভাষাৰ প্ৰতি প্ৰেম, (১৩) আৰ্থিক সমতা, (১৪) খেতিয়ক কনুৱা আৰু ছাত্ৰৰ সংগঠন, (১৫) অধিবাসী সকলৰ সেৱা।

(গোহাৰি খন আছিল "অসম বাসীলৈ নিখিল ভাৰত শিপিনী সংঘৰ অসম শাখাৰ গোহাৰি। নিবেদক আছিল ৰহা কেন্দ্ৰৰ শ্ৰীপ্ৰেমেশ্বৰ শইকীয়া।)

এই গোহাৰিখনো নকল কৰি প্ৰতিখন প্ৰাঃ কংগ্ৰেছলৈ পঠিওৱা হ'ল। প্ৰত্যেক প্ৰাথমিকৰ এলেকাধীন গাওঁবোৰৰ পৰা সেই প্ৰাঃ ৰ কাৰ্য্যালয় আৰু তাৰ পৰা কেন্দ্ৰীয়লৈ দান হিচাপে পোৱা সূতা পঠিওৱা হৈছিল।

বুঢ়া আৰু অন্য নিৰক্ষৰ সকলক ৰাতি ৰাতি শিবিৰ বা নামঘৰত বহুৱাই অ আ, ক খ শিকোৱা হৈছিল। পিছত জোৰাই জোৰাই কীৰ্ত্তন পুথিখনৰ দুই এফাকি পদ পঢ়িব পৰা বৃদ্ধ

সকলৰ মনৰ উদ্যম আৰু চকুত ফুটি উঠা আনন্দৰ জ্যোতি দেখা সকলৰ নিশ্চয় মনত আছে। নিৰক্ষৰ সকলৰ চকু গজোৱাৰ যি আনন্দ সেই আনন্দই এনেবোৰ কামলৈ আগবাঢ়ি যাবলৈ কেনেকৈ অনুপ্ৰাণিত কৰিছিল সেই কথা এতিয়াও বহুতৰে মনত আছে নিশ্চয়। আমাৰ যি গৰাকী ৰৰপিতাই ছোৱালীয়ে স্কুলত পঢ়াৰ কথা কওঁতে ঘৰৰ পৰাই বাহিৰ কৰি দিছিল তেখেতেও পিছত ভুল বুজি পাইছিল আৰু নিজেও নৈশ্য বিদ্যালয়ত আখৰ শিকিছিল।

দিন যোৱাৰ লগে লগে এই উদ্যম নোহোৱা হ'ল। এতিয়াও স্বাধীনতাৰ ইমান বছৰৰ পিছতো সাক্ষৰতা দিবস পালন কৰিব লগা হোৱাতো অতি পৰিতাপৰ কথা।

নগাওঁ জিলা পূৰ অঞ্চল ৰাষ্ট্ৰীয় সম্মিলন

আগতেই কোৱা হৈছে যে নগাৰাঁৰ নেতা সকলক গ্ৰেপ্তাৰ কৰাৰ পিছত যেতিয়া এক অচলাৱস্থাৰ সৃষ্টি হ'ল তেতিয়া আন্দোলনৰ কাৰ্য্যসূচী সচাৰুৰূপে চলাবলৈ নগাওঁ জিলাৰ পূৰ অঞ্চলত সুকীয়াকৈ জিলা পৰ্য্যায়ৰ এখন কংগ্ৰেছ কেন্দ্ৰীয় কমিটি গঠন কৰা হৈছিল। এতিয়া নেতাসকল জেলৰ পৰা ওলাই অহাৰ পিছত জিলা কংগ্ৰেছ কমিটিখন পুনৰ সজীৱ কৰি তোলা হ'ল। শ্ৰীবদন ৰৰদলৈদেৰে তেখেতৰ আত্ম কথাত লিখিছে "নগাৰাঁৰ শ্ৰীমহেন্দ্ৰ হাজৰিকাৰ লগৰ ১১/১২ জনৰ বাহিৰে সকলো বিলাক ৰাজনৈতিক বন্দীৰ মুক্তি হ'ল। হাজৰিকাৰ দলটো বন্দুক চুৰি অভিযোগ থকা কাৰণে মুক্তি দিয়া হোৱা নাই। আহিয়েই আমি পুনৰ কংগ্ৰেছৰ কামত লাগি যোৱা হয়। জিলা কংগ্ৰেছ কমিটি বহিল। জিলা কংগ্ৰেছে পুনৰ আঁচনি লৈ কাম কৰিবৰ বাবে থিৰ কৰিলে। শ্ৰীমহেন্দ্ৰ হাজৰিকা জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আছিল। তেখেত জেইলত থকাৰ বাবদ মোক নগাওঁ জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদকৰ দায়িত্ব অৰ্পণ কৰিলে। জিলা কংগ্ৰেছৰ কাম পুনৰ আৰম্ভ কৰা হ'ল।"

ইতিমধ্যে সেমেকি যোৱা আন্দোলনটো পুনৰ সঞ্জীৱিত কৰিবলৈ নগাওঁ জিলা কংগ্ৰেছ পূৰ্ব্বাঞ্চল কমিটিৰ উদ্যোগত এখন ৰাষ্ট্ৰীয় সম্মিলন পাতি মানুহক পুনৰ উৎসাহিত কৰাৰ ব্যৱস্থা কৰা হ'ল। এই সংক্ৰান্তত আমাৰ হাতত থকা এখন গোহাৰিৰ নকল তলত তুলি দিয়া হ'ল।

"গোহাৰি

নগাওঁ জিলাৰ পূৰ অঞ্চলৰ প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটিলৈ-

সভাপতি আৰু সম্পাদক ডাঙৰীয়া,

ইয়াৰ দ্বাৰাই আপোনালোকক জনোৱা হয় যে ৫ কাত্তি ইং ২২/১০/৪৫ তাৰিখ সোমবাৰে চামগুৰি হাটখোলাত বহিব খোজা নগাওঁ জিলা পূৰ অঞ্চল ৰাষ্ট্ৰীয় সম্মিলনলৈ আপোনালোকৰ প্ৰাথমিকৰ পৰা ৫ জন প্ৰতিনিধি পঠাব বুলি আশা কৰা হ'ল। প্ৰতিনিধি সকল উপস্থিত থকাৰ বাহিৰেও আগদিনা অৰ্থাৎ ২১/১০/৪৫ তাৰিখে গধূলী ৭ বজাত বিষয় বাচনি সভাত উপস্থিত থাকিব লাগিব। এই প্ৰতিনিধি সকলৰ

নামৰ লিষ্ট ২০/১০/৪৫ তাৰিখে কিম্বা তাৰ আগতে অভ্যৰ্থনা সমিতিৰ সম্পাদকৰ হাতলৈ পঠাব।

ইতি

চামগুৰি
নগাওঁ
১৪/১০/৪৫

বিনীত
শ্ৰীভবেন্দ্ৰ কুমাৰ শইকীয়া
প্ৰচাৰক
নগাওঁ জিলা পূৰ অঞ্চল ৰাষ্ট্ৰীয়
সম্মিলনীৰ অভ্যৰ্থনা সমিতিৰ হৈ।"

সম্মিলনৰ তাৰিখ সলনি হ'ল। সেই বিষয়ে শ্ৰীবদন চন্দ্ৰ বৰদলৈয়ে শ্ৰীসোমেশ্বৰ বৰালৈ লিখা চিঠিৰ নকল তলত দিয়া হ'ল।

"মৰমৰ বৰা,

Samagun
২৭/১০/৪৫

বোধকৰো তুমি গম পাইছা যে চামগুৰিত বহিব খোজা নগাওঁ পূৰ অঞ্চলৰ ৰাষ্ট্ৰীয় সম্মিলন বিশেষ জৰুৰী অৱস্থাৰ কাৰণে ২৯ তাৰিখলৈ হোহোকাই দিয়া হ'ল। ইয়াৰ বাহিৰেও বহুত জৰুৰী অৱস্থায় দেখা দিছে। গতিকে ফালিলৈ এইবিলাক বিষয়ে লৈ আলোচনা কৰিবলৈ এখন সভা আহ্বান কৰা হৈছে। তুমি ও শ্ৰীযুত পূৰ্ণকান্ত ভূঞা, শ্ৰীযুত ৰজনীকান্ত গোস্বামী প্ৰমুখে কেইজন মান এই সভাত উপস্থিত হৈ ইয়াৰ আলোচনা কৰিবলৈ অনুৰোধ কৰিলো।

ইয়াত সকলো আয়োজন কৰা হৈছে- অৱস্থাৰ ওপৰত গুৰুত্ব বুজি সকলো আহিব বুলি আশা কৰিলো। ইতি-

শ্ৰীবদন চন্দ্ৰ বৰদলৈ।"

২৯/১০/৪৫ তাৰিখে হোৱা এই ৰাষ্ট্ৰীয় সম্মিলনলৈ কলিযাবৰৰ পৰা প্ৰায় ৯০০ (ন শ) কৰ্ম্মী নেতা, স্বেচ্ছাসেৱক খোজ কাটি গৈ যোগদান কৰিছিল। আমাৰ গাঁৱৰ দহজন ল'ৰা একেলগ হৈ খোজ কাটি গৈছিলো। আমাৰ গাঁৱৰ (গাৰিকুৰি) পৰা সভাথলিলৈ ১৮ মাইলৰো অলপ বেচি। আহোঁতে যোৱাই ৩৬/৩৭ মাইল (৫৮/৬০ কিঃ মিঃ) বাট খোজ কাঢ়িও আমাৰ উৎসাহ কমা নাছিল।

জেলৰ পৰা ওলাই অহা প্ৰাদেশিক কংগ্ৰেছৰ কে'বাজনো নেতাৰ লগতে নগাঁৱৰ নেতা সকলেও সম্মিলনীত ভাষণ দি মানুহক ব্যস্ত ৰাখিছিল। প্ৰায় ১০/১২ হেজাৰ মানুহ গোট খাইছিল। দিনৰ প্ৰায় ১০ মান বজাৰ পৰা আবেলি ৪/৫ বজালৈকে হাটখোলা লোকাৰণ্য হৈ আছিল। দিনে ৰাতিয়ে ভাত চাহ খোৱাৰ ব্যৱস্থা চলি আছিল। এই সম্মিলনে ভৰা মতেই ৰাইজক নতুন প্ৰেৰণা যোগালে।

দিনে ৰাতিয়ে চলি থকা ৰান্ধনি শালৰ সকলো কাম ২৮ তাৰিখে সন্ধ্যাৰে পৰা যা যোগাৰ কৰাৰ পৰা আৰম্ভ কৰি শ্ৰীসোমেশ্বৰ ৰৰাদেৱৰ তত্ত্বাৱধানত কৰা হৈছিল। খুউৰা বুউৰাত কলিয়াবৰীয়া ২৫/৩০ জন স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকা অনৰৰত খাটিব লগা হৈছিল। শ্ৰীসোমেশ্বৰ ৰৰাদেৱে এই কথা কৈছিল। শ্ৰীনলিনীকান্ত শইকীয়াদেৱৰ এটা টোকাটো এই কথা লিখা আছে।

এই ৰাষ্ট্ৰীয় সম্মিলনীৰ পিছতে নবেম্বৰ মাহৰ ভিতৰতে কংগ্ৰেছৰ সভ্য ভৰ্ত্তি কামৰ

ব্যৱস্থা কৰা হৈছিল। নতুনকৈ পঞ্চায়ত গঠনৰ প্ৰক্ৰিয়াও আৰম্ভ কৰা হৈছিল। মুষ্টি ভিক্ষাৰ বিষয়ে আগতেই কোৱা হৈছে। কিন্তু দিন যোৱাৰ লগে লগে এই ব্যৱস্থাটো প্ৰায় নোহোৱাৰ দৰেই হ'ল। কলিয়াবৰ কংগ্ৰেছ কমিটিৰ সম্পাদকে জনোৱা জাননী আৰু নিবেদন খন তুলি দিয়া হ'ল।

"কলিয়াবৰ কংগ্ৰেছ কমিটিৰ সভাপতি সম্পাদকৰ প্ৰাথমিক সভাপতি সম্পাদক ও কৰ্ম্মীসকলৰ প্ৰতি নিবেদন-

এই বছৰ কংগ্ৰেছৰ সভ্য হোৱাৰ শেষ দিন অহা ৩০ নবেম্বৰ। গতিকে আপোনালোকে আপোনালোকৰ কৰ্ত্তব্যক হেলা নকৰি অফিচৰ পৰা বহিদ বহী নি ২৫/১১/৪৫ তাৰিখৰ আগতে সভ্য ভৰ্ত্তি কৰি বহী বিলাক অফিচত দিলেহে কেন্দ্ৰীয় অফিচত সভ্য ৰেজিষ্টাৰী কৰি জিলা অফিচলৈ ৩০/১১/৪৫ তাৰিখৰ আগতে পঠিয়াব পৰা হ'ব।

যি যি অঞ্চলত প্ৰাথমিক নাই বা চিন ভিন হৈ আছে সেই অঞ্চলৰ মুখীয়াল সকলে যত্ন কৰি এখন কাৰ্য্যকৰী সভা কৰিব। সভ্যভুক্ত কৰি অফিচত বহী জমা দিব। ও প্ৰাথমিক ৰেজিষ্টাৰ কৰিব।

যোৱা ৪/১০/৪৫ তাৰিখে কেন্দ্ৰীয় কাৰ্য্যকৰী সভাত (অফিচত) গৃহিত হোৱা ২য় প্ৰস্তাৱ মতে প্ৰত্যেক প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সভাপতি সম্পাদকে নিজৰ এলেকাৰ প্ৰতি গৃহস্থিত একোটি টেকেলি বা চুঙা দিব। আৰু প্ৰত্যেক গৃহস্থিয়ে খাবলৈ লোৱা চাউলৰ একোমুঠি সেই টেকেলি বা চুঙাত জমা থ'ব।

প্ৰতি ১৫ দিনে প্ৰাথমিকৰ কাৰ্য্যকাৰক সকলে উক্ত চাউল তুলি কেন্দ্ৰীয় সম্পাদকক জমা দিবলৈ সিদ্ধান্ত কৰে।

গতিকে সকলো কৰ্ম্মীকে অনুৰোধ কৰা হয় যে অহা ২০/১১/৪৫ তাৰিখৰ পৰা এই কাম হাতত লোৱা হয় যেন।

কিনীত

১৭/১১/৪৫।" শ্ৰীসোমেশ্বৰ বৰা

কলিয়াবৰত পণ্ডিত নেহৰু

১৯৪৫ চনৰ আগষ্ট মাহৰ ভিতৰতে ভাৰতৰ প্ৰায় সকলো বোৰ কংগ্ৰেছ নেতাকে মুক্তি দিলে। নিঃ ভাঃ কংগ্ৰেছ কমিটিয়ে নতুন উদ্যমেৰে কাম আৰম্ভ কৰিলে। কংগ্ৰেছৰ শীৰ্ষ নেতা সকলে বিশেষকৈ পণ্ডিত জৱহাৰলাল নেহৰুৱে ধুমুহাৰ গতিৰে ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ ঘুৰিবলৈ ওলাই আহিল। অসমৰো ধুবুৰীৰ পৰা ডিব্ৰুগড়লৈকে ঘূৰি বাইজক দেখা দিলে, অনুপ্ৰেৰণা যোগালে।

সেই সময়ৰ নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱে কলিয়াবৰ কংগ্ৰেছৰ সম্পাদক শ্ৰীসোমেশ্বৰ বৰালৈ লিখিলে -

"প্ৰিয় বৰা,

বোধকৰো তুমি খবৰ পাইছা যে অহা ১৪/১২/৪৫ তাৰিখে পণ্ডিত জৱাহৰলাল দিনৰ ৪টা বজাত নগাওঁ পাবহি। ইয়াৰ ৰাজহুৱা সভা কৰি ৫টা বজাত উজনি অসমলৈ যাওনা কৰিব। নাওঁতে কলিয়াবৰত তেখেতক গেত আদি কৰি অভ্যৰ্থনা কৰিবৰ কাৰণে আয়োজন কৰিবা। তেখেতক আজাদ হিন্দ ফৌজৰ কাৰণে ধনৰ টোপোলা দিব পাৰিলে ভাল হয়।

আকৌ মুনি ১৬/১২/৪৫ তাৰিখে আবেলি উজনি অসমৰ পৰা মুনি নিদিব ১ বজাত নগাওঁ পালহি। সেইদিনাও তেখেতক অভ্যৰ্থনা কৰিবৰ কাৰণে সুবিধা পাম।

গতিকে তুমি নিজে সকলো চাই চিন্তি ব্যৱস্থা কৰিবা। যাতে কলিয়াবৰত তেখেতৰ অভ্যৰ্থনা ভাল হয় তাৰ কাৰণে লক্ষ্য কৰিবা। ইতি- ১৩/১২/৪৫

শ্ৰীৰবদলৈ দেৱৰ চিঠি পাই শ্ৰীৰবাদেৱে কলিয়াবৰৰ প্ৰত্যেক প্ৰাথমিকলৈ জাননী দিলে এইদৰে-

"প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সভাপতি সম্পাদকৰ ওচৰলৈ-

১৬/১২/৪৫ তাৰিখ ৰবিবাৰে ১১ টা বজাত হাটৰ শঙ্কৰ মন্দিৰ প্ৰাঙ্গণত পণ্ডিত জৱাহৰলাল নেহৰুজীক অভ্যৰ্থনা কৰিবৰ দিহা কৰা হৈছে।

আপোনাসকলৰ প্ৰাথমিকৰ পৰা ২০জন ভলণ্টিয়াৰ ইউনিফৰ্ম সহ যোগাৰ কৰিব। আৰু তেখেত সকলক ১৫/১২/৪৫ তাং শনিবাৰে আবেলি দুটা বজাত হাটৰ (শঙ্কৰ মন্দিৰ প্ৰাঙ্গণত) ট্ৰেইনিং ল'বলৈ পঠাব।

উক্ত সভাত তিকতা মুনিহ নিৰ্ব্বিশেষে সকলোৱে উপস্থিতি বাঞ্ছনীয়। ১৩/১২/৪৫

১৪/১২/৪৫ তাৰিখে কুৰ্ৱাবীটোলত তোৰণ সাজি নেহৰুক আদৰণি জনোৱা হ'ল। ৰাতি প্ৰায় ৮ বজাত তেখেতে পাঁচ মিনিটমান ভাষণ দি যোৰহাটলৈ যাত্ৰা কৰিলে। সেইদিনা কোনো ধনৰ মোনা তেখেতক দিয়া নহ'ল। ১৪ আৰু ১৫ তাৰিখ দুয়ো দিনাই চুঙা ফুকি গোটেই কলিয়াবৰতে নেহৰুৰ অভ্যৰ্থনা সভাৰ বিষয়ে প্ৰচাৰ চলোৱা হ'ল। প্ৰত্যেক প্ৰাথমিকৰ পৰা কিছু ধন সংগ্ৰহ কৰা হ'ল।

১৫/১২/৪৫ তাৰিখে পুৱাৰ পৰা হাটৰ উখল মাখল। সমগ্ৰ কলিয়াবৰৰ পৰাই স্বেচ্ছাসেৱক আহি হাটৰৰত গোট খালেহি। সকলোৱে বাবে খোৱা-বোৱা, ৰাতি থকা শোৱাৰ ব্যৱস্থা কৰিলে হাটৰ প্ৰাথমিকে। আনন্দমুখৰ পৰিবেশ সৃষ্টি হ'ল আকৌ বহুদিনৰ মূৰত, যেন এক মহান উৎসৱৰহে আয়োজন কৰা হৈছে। স্বেচ্ছাসেৱক সকলৰ ট্ৰেইনিঙৰ দায়িত্বত আছিল শ্ৰীভাবিৰাম ৰবাদেৱ। মন্দিৰৰ ভিতৰত ধান খেৰ পাৰি দূৰৰ পৰা অহা সকলৰ বাঁবে বিচনা কৰি দিয়া হ'ল। হাঁহি ধেমালি ৰং ৰহইছ কৰি ধাঁকোতেই ৰাতি পাৰ হ'ল।

পুৱা ৯ মান বজাৰ পৰাই মানুহৰ লানি লাগিল। শঙ্কৰ মন্দিৰ প্ৰাঙ্গন ভৰি পৰিল। কলিয়াবৰ কংগ্ৰেছৰ নেতা সকলে ভাষণ দি ৰাইজক ব্যস্ত ৰাখিলে। কুশল কোৱঁৰৰ ফাঁচিৰ হুকুম হোৱাৰ পিছত নিৰ্ব্বিকাৰ হৈ হাতত গীতাখন লৈ তেওঁ পঢ়ি থকাৰ কথা কওঁতে মানুহে অস্ অস্, উস্ উস্ আদি শব্দ কৰা শুনা গ'ল। জেলত থকা সময়ত কেনেকৈ দিনটো পৰিশ্ৰম কৰি, ঘানিত তেল পেৰি, ধানে তুঁহে আধাপেটিয়াকৈ মাৰ ভাত খাব লগা হোৱা সকলৰ কথা কওঁতে ৰাইজৰ মাজত গুণ গুণনি উঠিল- 'এনে অত্যাচাৰী মানুহ বাৰু থাকিব পাৰেনে এই ভাৰতত, ইহঁত অচিৰেই ধ্বংস হ'ব।' ভাৰতৰ পৰা ছন্নবেশেৰে দুৰ্গম পৰ্ব্বত পাহাৰ অতিক্ৰম কৰি উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, কাবুল কান্দাহাৰৰ আটব্য অৰণ্য,

পাহৰৰ মাজেদি গৈ বাহিয়া হৈ জাৰ্ম্মানীলৈ যোৱা নেতাজী সুভাষ বসুৰ কথা শুনি মানুহে ভেবা লাগি চাই আছিল। তাৰ পৰা চাৱমেৰিণেৰে আটলাণ্টিক মহাসাগৰ আৰু ভাৰত মহাসাগৰৰ পানীৰ তলে তলে গৈ তিনিমাহৰ পিছত চিঙ্গাপুৰৰ ওচৰত ওলোৱাৰ কথা আৰু তাৰ পিছত আজাদ হিন্দ ফৌজৰ সৰ্ব্বাধীনায়ক হৈ জাপানৰ সহায়ত যুদ্ধ কৰি ভাৰতৰ স্বাধীনতা ঘুৰাই আনিবলৈ মণিপুৰলৈকে আগবাঢ়ি আহি দখল কৰাৰ কথাবোৰো বাইজক কোৱা হ'ল। শ্ৰীবদন চন্দ্ৰ বৰদলৈ আৰু শ্ৰীঠানুৰাম ভূঞাদেৱেই সৰহখিনি সময় কথা কৈছিল। সেই আজাদ হিন্দ ফৌজৰ কাৰণে পণ্ডিত জৱাহৰলাল নেহৰুৰ হাতত এটি ধনৰ টোপোলা দিয়াৰ দিহা কৰা হৈছে বুলি সভাত ঘোষণা কৰি সাধ্যমতে যি পাৰে আগবঢ়াবলৈ বাইজক বৰদলৈ দেৱে অনুৰোধ কৰিলে।

এই আহ্বানৰ লগে লগেই স্বেচ্ছাসেৱক সেৱীকা সকলে, পুৰুষ সকলে গামোছা পাতি আৰু মহিলা সকলে গাৰ চাদৰৰে আচল পাতি জনতাৰ মাজত ঘুৰি ঘুৰি ধন সংগ্ৰহ কৰিলে। টকা, আধলি, সিকি, আদমহীয়া, চৰতীয়া, আনকি পাতি পইছাও মানুহে আগবঢ়ালে। যেয়ে যি পাৰে দিবলৈ হেতা ওপৰা লগালে। পিছত শুনা গৈছিল কোনো কোনোৱে দেওবৰীয়া জখলাবদ্ধা বজাৰ কৰিবলৈ নিয়া পইছা গোটেইখিনিকে দি দিছিল। দুটা ডাঙৰ কাপোৰৰ মোনাত দুটোপোলা, প্ৰায় আধামোন, পণ্ডিতজীৰ হাতত তুলি দিয়া হৈছিল। ধন খিনি গ্ৰহণ কৰি নেহৰুৱে ঘুৰি ঘুৰি জনতালৈ চাইছিল আৰু হাতযোৰ কৰি প্ৰণাম জনাইছিল। বহুতৰ নিশ্চয় মনত আছে। শ্ৰীসোমেশ্বৰ বৰাদেৱে এই ক্ষেত্ৰত আগভাগ লৈছিল।

প্ৰায় দুই বজাত পণ্ডিতজী হাটৰ পালেহি। মটৰৰ পৰা নামিয়েই তেখেতে পোন কোবেই প্ৰায় দৌৰিযেই গৈ মঞ্চৰ ওপৰত থিয় হৈ হাতযোৰ কৰি মুৰ দোৱাই বাইজলৈ প্ৰমাণ জনালে। বাইজে জয়ধ্বনি দি তেখেতক সম্মাণ জনালে। হাতত ফুলৰ মালা লৈ কলৰ তলত বৈ থকা সকল পিছে পিছে দৌৰি আহিহে মঞ্চৰ ওপৰত উঠি ফুলৰ মালা পিন্ধালে। ডিঙিৰ পৰা মালাবোৰ এডাল এডালকৈ সোলোকাই আগত বহি থকা ল'ৰা-ছোৱালী আৰু মহিলা সকলৰ মাজলৈ ইফালে সিফালে দলিয়াই দিলে। অতি আপুৰুগীয়া নেহৰুৰ হাতৰ পৰশ পোৱা এই মালাবোৰ নি বহুতে ঘৰত সুন্দৰলৈ সজাই থৈছিল।

প্ৰায় আধাঘণ্টা সময় ভাষণ দি তেখেতে বিদায় ল'লে। বাইজৰ জয়ধ্বনিৰ মাজতেই তেখেত গৈ গাড়ীত উঠিলগৈ।

সেইদিনাৰ নেহৰুৰ সভা সংক্ৰান্তত শ্ৰীদেৱকান্ত বৰুৱাদেৱে এটা অতি আমোদজনক কথা কৈছিল আৰু বাইজৰ মাজত আলোচনাৰ বিষয় হৈ পৰিছিল।

সোদঁৰৰ চুকৰ সমুখতো এটা তোৰণ সজা হৈছিল। তাৰে পৰা শঙ্কৰ মন্দিৰ প্ৰাঙ্গনলৈকে অগণন জনতা। মন্দিৰৰ সমুখৰ তোৰণৰ আশে পাশে বাটত প্ৰায় তিনি/চাৰিশ মানুহ। দিনৰ ১১ বজাত আহি পাৰ লগা নেহৰুৰ গাড়ী হাটৰ পাওঁতে ২ বাজিল। তোৰণ আৰু আগত জনতা দেখি নেহৰুৱে গাড়ী লাহে লাহে চলাবলৈ ক'লে। কাষতে বহি থকা

জনক (বোধকৰো শ্ৰীবিষ্ণুৰাম মেধি পিছলৈ অসমৰ মুখ্য মন্ত্ৰী, বৰুৱাদেৱে নামটো নক'লে) সুধিলে Meal or Meeting (খোৱা হ'ব নে মিটিং?)। মেধি ডাঙৰীয়া বিপাঙত পৰিল। এফালে হাজাৰ হাজাৰ মানুহ সভাথলি ভৰি আছে আৰু আনফালে পণ্ডিতজীৰ আহাৰৰ সময় কেতিয়াবাই পাৰ হৈ গ'ল। তাতে আৰু ৩০ মাইল বাট যাবলৈকে আছে। থত্ মত্ খাই কি ক'ব ভাবিব নোৱাৰি হয়তো উপায়হীন হৈয়ে কৈ দিলে Meal (আহাৰ)। নেহৰুৰ খং উঠিল। ধমকিৰ সু�ৰতে ডাঙৰ মাতেৰে ক'লে- No, Meeting (নহয় মিটিংহে)। লগে লগে ড্ৰাইভাৰক গাড়ী ৰখাবলৈ ক'লে। শ্ৰীবৰুৱাদেৱো সেই গাড়ীতে আহিছিল। মাত্ৰ এখন গাড়ীহে আহিছিল।

অসম ব্যৱস্থাপক সভাৰ প্ৰস্তুতি

ইয়াৰ ভিতৰতে অসমত অসম ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচনৰ জোৱাৰ উঠিছে। এই সংক্ৰান্তত ইয়াৰ আগৰ কোনো চিঠি পত্ৰ বা জাননী আমাৰ হাতত নাই। কিন্তু সৰুভগীয়া প্ৰাথমিকৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ সভাপতিলৈ লিখা আবেদন খনৰ পৰা সেই সময়ত জিলা কংগ্ৰেছ অফিচত হোৱা খেলি মেলি আৰু সৰুভগীয়া প্ৰাথমিকৰ বিষয়ে কিছু কথা জানিব পৰা যায়।

সৰুভগীয়া প্ৰাথমিকৰ পৰা শ্ৰীবিনোদ চন্দ্ৰ হাজৰিকা (সভাপতি) আৰু শ্ৰীৰতিন্দ্ৰ নাথ বেনাৰ্জ্জিক প্ৰতিনিধি হিচাপে ২৩/১১/৪৫ তাৰিখে নগাওঁ টাউনৰ সভাত বহিবলৈ পঠিয়াইছিল। তেওঁলোকৰ নাম লিষ্টত আছিল কিন্তু ৰঙা চিয়াহীৰে কাটি দিছে বুলি কৈ তেওঁলোকক সভাত অংশ গ্ৰহণ কৰিবলৈ নিদিলে। এই লৈ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই জিলা কংগ্ৰেছৰ এই কাৰ্য্যৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰে। "জিলা কংগ্ৰেছে নিজ খুছি মতে ২৬ জন প্ৰতিনিধি নিমন্ত্ৰণ কৰি নি প্ৰাথমিকৰ নিৰ্ব্বাচিত প্ৰতিনিধিক অপমান কৰিছে।" তেখেতে লিখিছিল '১৯৪২ চনত যিখন প্ৰাথমিকত ৪০০ জন চাৰি অনীয়া কংগ্ৰেছৰ সভ্য আছিল- য'ত ১২/১৩ খন গাওঁ আছে, য'ত চাৰিখন পঞ্চায়ত সভা আছে, এনে এখন প্ৰাথমিকে প্ৰতিনিধিত্ব নোপোৱাতো গণতন্ত্ৰৰ সম্পূৰ্ণ বিৰোধী হৈছে। ১৯৪২ চনৰ পৰা আজিলৈকে সৰুভগীয়া প্ৰাথমিক সম্পূৰ্ণ সজীৱ আৰু কাৰ্য্য তৎপৰ বুলি এই প্ৰাথমিকৰ সভ্য সকলে চিএৰি চিএৰি ক'ব পৰাৰ ক্ষমতা আছে।"

আমি আগতেই উল্লেখ কৰিছো যে কলিয়াবৰৰ যিমান বোৰ প্ৰাথমিক কংগ্ৰেছ কমিটি আছিল সকলোবোৰৰ ভিতৰতে সৰুভগীয়া প্ৰাথমিকৰ সম্পাদক জনেই সকলোতকৈ সক্ৰিয় আৰু সদা জাগ্ৰত আছিল। প্ৰতিটো বিষয়তে তেখেতে চোকা দৃষ্টি ৰাখি নিৰ্ভিকভাৱে সকলো কথা ব্যক্ত কৰিছিল। কেন্দ্ৰীয় কংগ্ৰেছকো সমালোচনা কৰি উপযুক্ত ব্যৱস্থা ল'বলৈ পৰামৰ্শ দিব পৰা একমাত্ৰ ব্যক্তি আছিল তেখেত। ৰাজহুৱা প্ৰাপ্য দাবী কৰি যুক্তি সঙ্গত ভাৱেই প্ৰতিপন্ন কৰিব পাৰিছিল।

১৯৪৬ চন পালেহি। অসম ব্যৱস্থাপক সভালৈ সদস্য নিৰ্ব্বাচন কৰা সংক্ৰান্তত আমাৰ হাতত থকা কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ সম্পাদকে দিয়া জাননীখনৰ নকল তলত তুলি দিয়া হ'ল।

"প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সভাপতি সম্পাদকৰ প্ৰতি

মোৰা ৩১/১২/৪৫ তাৰিখে বহা কলিয়াবৰ কেন্দ্ৰ সভাই অহা অসম ব্যৱস্থাপক সভাৰ নিৰ্ব্বাচনৰ কাৰ্য্য সুচাকৰূপে চলাবলৈ কলিয়াবৰ অঞ্চলত নিম্নলিখিত সভ্যসকলেৰে এটি ইলেক্‌চন চাব কমিটি গঠন কৰি দিয়ে-

১। শ্ৰীযুত লীলাকান্ত বৰা, এম এ বি এল, সভাপতি

২। " ৰজনীকান্ত গোস্বামী, সম্পাদক

৩। " লক্ষেশ্বৰ হাজৰিকা

৪। " বিনদ চন্দ্ৰ হাজৰিকা

৫। শ্ৰীযুত ঠানুৰাম ভূঞা

৬। " ভোলানাথ বৰা

৭। " ডম্বৰুধৰ হাজৰিকা

উক্ত চাব কমিটিয়ে সুচাকৰূপে কাৰ্য্য চলাবলৈ প্ৰত্যেক প্ৰাথমিকতে একোটি চাব কমিটি গঠন কৰি দিয়ে।

ইলেক্‌চনৰ কাগজপাতি খা-খৰৰ আদি ওপৰোক্ত কলিয়াবৰ ইলেক্‌চন চাব কমিটিৰ সভাপতি সম্পাদকৰ ওচৰত পাব আৰু দিব। আৰু এই বিষয়ৰ কাগজ পাতি প্ৰাথমিক ইলেকচন চাব কমিটিৰ সভাপতি সম্পাদকৰ নামে যাব।

অহা ৯/১/৪৬ তাৰিখে মহামানৰ মহাত্মা গান্ধীজী অসমত পদাৰ্পণ কৰিবহি। গতিকে প্ৰাথমিকৰ সভাপতি সম্পাদকে কেন্দ্ৰৰ সভাপতিৰ ওচৰত ৬/১/৪৬ তাৰিখৰ আগতে টকা জমা দিবলৈ অনুৰোধ কৰা হ'ল।

(ক) গান্ধীজীক অভ্যৰ্থনা কৰিবৰ কাৰণে নিম্নলিখিত সভ্য সকলেৰে এটি অভ্যৰ্থনা সমিতি গঠন কৰা হয়।

১। শ্ৰীযুত ঠানুৰাম ভূঞা, সভাপতি ২। শ্ৰীযুত ভুজেন্দ্ৰ নাথ বৰুৱা, যুটীয়া সম্পাদক

৩। " ডম্বৰুধৰ হাজৰিকা, যুঃ সম্পাদক ৪। " সোমকান্ত হাজৰিকা "

(খ) উক্ত অভ্যৰ্থনা সমিতিৰ সভ্যৰ ৰঙণী (আঠ) অমা কৰিছে। যি কোনোৱেই এই সমিতিৰ সভ্য হ'ব পাৰে (নাবালকৰ বাহিৰে)। ১/১/৪৬

অসম ব্যৱস্থাপক সভা সংক্ৰান্তত আৰু কোনো নথি বা অন্য তথ্য আমাৰ হাতত নাই। গতিকে এই সংক্ৰান্তত কলিয়াবৰত ক'ত কি কৰা হ'ল সেই বিষয়ে জনা নাযায়। মহাত্মা গান্ধী তেতিয়া নাহিল।

সেই বছৰৰে ৩১ ডিচেম্বৰত মহাত্মা গান্ধীক আমি গুৱাহাটীত চালোঁগৈ। শৰণীয়া আশ্ৰমত একেবাৰেই ওচৰৰ পৰা, মাত্ৰ ৮/১০ ফুট ওচৰৰ পৰা দেখিলো। প্ৰায় আধাঘণ্টা সময় ওচৰতে বহি তেখেতৰ কথাবোৰ শুনিছিলো। যঁতৰত সূতা কাটিয়েই তেখেতে কথাবোৰ কৈ গৈছিল।

কলিয়াবৰ কেন্দ্ৰীয় পঞ্চায়ত (বিচাৰ সভা) গঠন

স্বাধীনতা সংগ্ৰাম আৰম্ভ হোৱাৰ লগে লগেই বৃটিছ চৰকাৰৰ আইন আদালত বৰ্জন কৰাৰ যি সিদ্ধান্ত লোৱা হৈছিল আৰু স্থানীয় ভাৱে গাঁৱঁৰ বা প্ৰাথমিকৰ মুখীয়াল সকলেই সেই মৰ্ম্মে সকলোবোৰ বিচাৰ কৰিছিল। ১১/৮/৪২ তাৰিখেই কলিয়াবৰীয়া ৰাইজে নিজকে স্বাধীন বুলি চতিয়াল শঙ্কৰ মন্দিৰৰ সভাত ঘোষণা কৰিছিল। কৰ্ট কাছাৰীলৈ যোৱা মানে বৃটিছৰ তলতীয়া হৈ চৰকাৰৰ বহুতীয়া হোৱা বুলি ৰাইজ পতিয়ন গৈছিল। গোচৰবোৰ স্থানীয় ভাৱে বিচাৰ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

১৯৪৫ চনত কলিয়াবৰৰ সেই সকলোবোৰ স্থানীয় গোচৰ কেন্দ্ৰীয়ভাৱে বিচাৰ কৰিবৰ বাবে ব্যৱস্থা কৰা হ'ল। স্থানীয় গোচৰত দুই এটা আপত্তি উঠাৰ বাবেই এই ব্যৱস্থা কৰাৰ প্ৰয়োজন হ'ল। তাৰোপৰি মূলতঃ প্ৰাথমিক কংগ্ৰেছবোৰৰ পৰাই এখন কেন্দ্ৰীয় কমিটিয়ে বিচাৰ কৰিব লাগে বুলি অনুৰোধ জনোৱা হৈছিল।

১১/২/৪৬ তাৰিখে (সোমবাৰে) সোণাৰি গাঁৱঁৰ শ্ৰীঈশধৰ হাজৰিকাদেৱৰ ঘৰত কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ কাৰ্য্যকৰী সভা বহে। এই সভাত বিচাৰক নিযুক্তি সংক্ৰান্তত সম্পাদকে পঠিওৱা ৰিপৰ্টৰ নকল তলত তুলি দিয়া হ'ল-

"জিলা কংগ্ৰেছ কমিটিৰ সভাপতি মহোদয়।

কলিয়াবৰ কেন্দ্ৰীয় কাৰ্য্যকৰী সমিতিয়ে নিম্নলিখিত সভ্য সকলৰে বিচাৰ কৰিবৰ কাৰণে এখন পঞ্চায়ত সভা গঠন কৰি দিছে-

১। শ্ৰীযুত ঈশধৰ হাজৰিকা, সভাপতি ২। শ্ৰীযুত ৰজনীকান্ত গোস্বামী, সম্পাদক

৩। " ৰমাকান্ত কৰা, সদস্য ৪। " গোলোক চন্দ্ৰ বৰঠাকুৰ, সদস্য

৫। " আনন্দৰাম শইকীয়া, সদস্য

(১) প্ৰাথমিকত দিয়া সাধাৰণ ফিজ - ১ এটকা

(২) কেন্দ্ৰীয় পঞ্চায়তৰ সাধাৰণ ফিজ - ২ দুটকা

বিশেষ জানিবলগীয়া-

(১) প্ৰাথমিকতহে বিচাৰ দিয়া উচিত।

(২) যদি প্ৰাথমিকে বিচাৰ কৰা অসাধ্য বুলি ভাৱে তেতিয়াও প্ৰাথমিকৰ জড়িয়তে কেন্দ্ৰ পঞ্চায়তলৈ পঠাব।

(৩) যদি ২য় পহাও নামানে প্ৰাথমিকৰ সভাপতিয়ে প্ৰাথমিক ফিজ নলৈ ৰিপৰ্ট ও কেন্দ্ৰ ফিজ সহ কেন্দ্ৰ পঞ্চায়তলৈ পঠাব। কেন্দ্ৰ ফিজ কৈবাৰীয়েই দিব লাগিব। ইতি- ১২/২/৪৬"

কলিয়াবৰত যি কেন্দ্ৰীয় পঞ্চায়ত গঠন কৰি দিয়া হ'ল তেওঁলোকেই সকলো ধৰণৰ বিচাৰৰ বাবে বিচাৰকৰ ভূমিকা পালন কৰিব লগা হ'ল। এই প্ৰক্ৰিয়াটো দেশ স্বাধীন হোৱাৰ বহুদিন পিছলৈকে কলিয়াবৰত চলি আছিল। কলিয়াবৰৰ এই পঞ্চায়ত বিচাৰ

কমিটিখন আছিল অতি উচ্চ ক্ষমতাসম্পন্ন আৰু দায়িত্বশীল। সভাপতি সম্পাদক আৰু সদস্যৰ ওপৰত বাজহুৱা বিচাৰ কৰাৰ দায়িত্ব পৰিল। কেতিয়াবা ঠাই বা গোচৰ বিশেষে দুজন বা তিনিজন যিকোনো সদস্যক বিচাৰৰ ভাৰ দিয়া হৈছিল। এই সকল বিচাৰকৰ ৰায় গোচৰীয়া পদকীয়া দুয়োপক্ষই মানি লৈছিল। বিচাৰকে সকলো কথা চালি জাৰি চাই ৰায় দিছিল। শাস্তিৰ পৰিবৰ্ত্তে শান্তিৰ পৰিবেশ ঘুৰাই আনিবলৈ বেচিভাগ বিচাৰতে দুয়োপক্ষৰ গ্ৰহণযোগ্য হোৱাকৈ মকামিলা কৰি দিয়াত সক্ষম হৈছিল বিচাৰকসকল। পঞ্চায়ত বিচাৰত সহযোগ নকৰা সকলক প্ৰাথমিক কংগ্ৰেছ বা গাওঁ সভাই বিচাৰ কৰি এঘৰীয়া কৰিছিল আৰু পঞ্চায়ত নমনাৰ বাবে জৰিমণাও কৰিছিল।

সম্পাদকে লিখি ৰখা এটা সৰু টোকা তলত তুলি দিয়া হ'ল-

"১১/২/৪৬ তাৰিখে ফৌবাদী শাকমুঠি বাইজক, আচামি ভবালি গাৱঁক জাননী দিয়া হয়।

জখলাবদ্ধা প্ৰাথমিক সভাপতিক জাননী দিয়া হয়। পঞ্চায়ত সভাৰ সদস্য শ্ৰীৰমাকান্ত বৰাক জাননী দিয়া হয়। গোলোক বৰঠাকুৰ, ঈশধৰ হাজৰিকাক জাননী দিয়া হ'ল। পঞ্চায়ত জাননী পত্ৰ দিয়া হ'ল (১) নলতলি (২) সোণাৰী (৩) তেলীয়া লাগী (৪) জমখলা (৫) হাটৰৰ (৬) শাকমুঠি।"

ওপৰোক্ত জাননীৰ পৰা এই কথা স্পষ্ট হৈছে যে শাকমুঠি আৰু ভবালী গাৱঁৰ ৰাইজৰ মাজত কিবা মনোমালিন্য হৈছিল যাৰ বাবে শাকমুঠি গাৱঁৰ ৰাইজে ভবালী গাৱঁৰ ৰাইজৰ ওপৰত কিবা গোচৰ দিছিল আৰু ওপৰোক্ত তিনি গৰাকীক বিচাৰৰ ভাৰ দিছিল। বাকী গাওঁ বিলাকতো এই কেইগৰাকী বিচাৰকে বিচাৰ কৰি ৰায় দিছিল।

কেন্দ্ৰীয় পঞ্চাযত নমনাত প্ৰাথমিকে যি বিচাৰ কৰিছিল সেই সংক্ৰান্তত আমাৰ হাতত থকা সৰুভগীযা প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক শ্ৰীটংকেশ্বৰ হাজৰিকাই ৪/৩/৪৫ তাৰিখে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ সভাপতিলৈ দিয়া প্ৰতিবেদনত লিখিছিল-

"নিবেদন এই যে ১৫/১১/৪৫ তাং শ্ৰীকুশৰাম শইকীয়া, শ্ৰীবিভূৰাম শইকীয়াই কেন্দ্ৰিয় বিচাৰ কমিটি অবমাননা কৰা দোষণ ২/৩/৪৫ তাং প্ৰাথমিক কমিটিৰ স্বীকৃত হৈছে। আমাৰ প্ৰাথমিকে প্ৰথম দোষীৰ ২৫০ (আঢ়ৈ টকা) ২য় জনৰ ১২৫ (এটকা চাৰি অনা) জৰিমণা আদায় কৰা সমৰ্থন কৰিছে। গতিকে কেন্দ্ৰীয় সভাক জনালো।" তেখেতে আৰু লিখিছিল-

"বিচাৰৰ নথি পত্ৰৰ পৰা পোৱা গৈছে যে- সৰুভগীয়া গাৱঁৰ "আচামী শ্ৰীকুশৰাম শইকীয়াই ফৰিয়াদী শ্ৰীমতী ঈশেশ্বৰী মুক্তিয়াৰক প্ৰবঞ্চনা কৰি মাটি সম্পত্তি হস্তগত কৰিছে। ই সত্য। সৰ্ব্বসম্মতিক্ৰমে উক্ত পঞায়ত নামা গৃহিত হয়। ১৫/১১/৪৫।"

গোচৰীয়াৰ দৰ্খাষ্টৰ ওপৰতে বিচাৰৰ ৰায় লিখি আচামী ফৰিয়াদী দুয়োপক্ষকে পঢ়ি শুনাই দিয়া হৈছিল। মাত্ৰ ৰায়টোহে লিখা হৈছিল। বিচাৰৰ পদ্ধতি মানি সাক্ষীবাদী সকলো নিয়মতে লোৱা হৈছিল যদিও সেইবোৰৰ কোনো উল্লেখ নাছিল। উপস্থিত ৰাইজৰ মনতেই সেইবোৰ ৰৈ গৈছিল। বিচাৰকৰ ৰায়টোৱেই চূড়ান্ত সিদ্ধান্ত বুলি সকলোৱে মানি লৈছিল। কোনেও পিছত ইয়াৰ অন্যথা নকৰিছিল। প্ৰয়োজন বুলি যদি বিচাৰকে ভাবে তেতিয়াহে ৰায়টো লিখি এখন কাগজ দুয়ো পক্ষকে দিয়া হৈছিল। কলিয়াবৰত তেতিয়া এইদৰেই এখন স্বাধীন চৰকাৰৰ শাসন চলিছিল।

পিছত ব্যক্তিগত কাৰণত শ্ৰীঈশ্বৰ হাজৰিকা দেৱে অব্যাহতি লয়। শ্ৰীৰজনীকান্ত গোস্বামী দেৱক সভাপতি আৰু শ্ৰীৰমাকান্ত বৰাক সম্পাদক পতা হয়।

আদৰ্শ আশ্ৰম

মহাত্মা গান্ধীৰ গঠনমূলক কামৰ ভিতৰত থকা আদৰ্শ আশ্ৰম এখন কলিয়াবৰত পাতিবলৈ কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে চিন্তা চৰ্চ্চা কৰি তাৰ বাবে উপযুক্ত এজন কৰ্ম্মী বিচাৰি উলিওৱাৰ চেষ্টা চলালে। ইফালে শ্ৰীবদন চন্দ্ৰ বৰদলৈদেৱক আশ্ৰম কমিটিৰ সভাপতি হিচাপে লৈ এখন আশ্ৰম কমিটিও গঠন কৰা হ'ল। প্ৰথম পদক্ষেপ হিচাপে তেতিয়া শগুণবাহী বাগানত কাম কৰি থকা শ্ৰীগোলাপ বৰুৱাদেৱলৈ (বৰুৱাচুকৰ) কলিয়াবৰ কেঃ কং কমিটিৰ সম্পাদক শ্ৰীসোমেশ্বৰ বৰাদেৱে লিখিলে-

"মাননীয়

শ্ৰীযুত গোলাপ চন্দ্ৰ বৰুৱা

শগুনবাহী বাগান

মহাশয়,

কেইদিনমানৰ আগতে মাননীয় শ্ৰীযুত লীলাকান্ত বৰাদেৱে আপোনালৈ এখন পত্ৰ লিখিছিল। বোধকৰোঁ সেই পত্ৰ পাব পায়।

কলিয়াবৰ কেন্দ্ৰ কংগ্ৰেছ কমিটিয়ে মহামানৰ মহাত্মা গান্ধীজীৰ গঠনমূলক কাৰ্য্যৰ ভিতৰত আদৰ্শ আশ্ৰম খোলাৰ সিদ্ধান্ত কৰিছে। সেই আশ্ৰম যিমানদূৰ সত্বৰ সোনকালে খোলাৰ আবশ্যক পৰিছে।

উক্ত আশ্ৰমত একাণপতীয়াকৈ লাগি থাকিব পৰা আৰু সকলো কাৰ্য্যতে অভিজ্ঞতা থকা ধীৰ স্থিৰ এজন অভিজ্ঞ লোকৰ আবশ্যক পৰিছে।

কলিয়াবৰ কেন্দ্ৰ কাৰ্য্যকৰী সমিতিয়ে আপোনাক সেই ভাৰ অৰ্পণ কৰিব চাইছে। শুনা যায় আপোনাৰ চাকৰিত স্বাৰ্থ নাই।

গতিকে আপুনি এই ভাৰ ল'ব বুলি আমি আশা কৰোঁ। চিঠি পোৱা মাত্ৰেই আপোনাৰ মনৰ ভাব ব্যক্ত কৰি উত্তৰ দি পঠাব। আপোনাৰ চিঠি নোপোৱালৈকে আমাৰ কাম প্ৰায় বহিত কৰা হ'ল।

অহা ১ চ'ত (ইং ১৫/৩/৪৬) শুক্ৰবাৰে আবেলি ১টা বজাত মাধতাৰী নামঘৰত কলিয়াবৰ কেন্দ্ৰ সভা বহিব। উক্ত সভাত আপোনাৰ উপস্থিতি অত্যন্ত বাঞ্ছনীয়। নমস্কাৰ ল'ব। ইতি- ৮/৩/৪৬।"

ইয়াৰ পিছতে আশ্ৰম কমিটিৰ সভাপতি শ্ৰীবদন চন্দ্ৰ বৰদলৈয়ে বহল ভিত্তিত আলোচনাৰ বাবে এখন সভা আহ্বান কৰে আৰু কলিয়াবৰ কংগ্ৰেছ কমিটিৰ সভাপতিলৈ লিখিলে-

"বিনীত নিবেদন এই যে ২৮/৪/৪৬ তাৰিখ ৰবিবাৰে দিনৰ ২ বজাত কুঁৱৰীটোল স্কুলত বৰ্ত্তমান পৰিকল্পিত আশ্ৰমৰ বিষয়ে আলোচনা কৰিবলৈ সদৌ কলিয়াবৰ ভদ্ৰ মহোদয় সকলক আহ্বান কৰা হৈছে।

এই কমিটিত কলিয়াবৰ শাখা কংগ্ৰেছ কমিটিৰ সকলো সভ্যকে সহযোগ কৰিবৰ কাৰণে অনুৰোধ কৰিলোঁ। সেই কাৰণে আপোনাক অনুৰোধ কৰিলো কেন আপুনি কলিয়াবৰ কংগ্ৰেছৰ সকলো সভ্যকে খবৰ দিব।"

ইয়াৰ পিছৰ পৰ্য্যায়ৰ কামৰ বিষয়ে আশ্ৰম কমিটিৰ সভাপতি শ্ৰীবদন চন্দ্ৰ বৰদলৈদেৱে লিখা চিঠিও তলত তুলি দিয়া হ'ল।

"The Secretary, Kaliabar Sakha Congress Committee.

বন্ধু,

ভগবানে কৰালে অহা সপ্তাহৰ ভিতৰত আশ্ৰমৰ অধক্ষ্য ও লগত ৪/৫ জন ল'ৰা ৰখা হ'ব। গতিকে কলিয়াবৰ কেন্দ্ৰৰ পৰা সহায় পাবৰ কাৰণে (বিশেষ কৰি চাউল, মাহ ইত্যাদি) অনুৰোধ কৰিলো। আশাকৰো কমিটিয়ে চিন্তা কৰি ইয়াৰ এটা ভাল বন্দবস্ত কৰে যেন। আপোনালোকৰ নিৰ্দেশমতেই কাম আৰম্ভ কৰা হৈছে। গতিকে সকলো সহায় সহানুভূতি ও সহযোগ বিচাৰি গোহাৰী কৰা হ'ল। ইতি- ১৯/৬/৪৬।"

প্ৰায় চাৰিমাহ আলোচনা কৰি আঁচনি সম্পূৰ্ণ কৰাৰ পিছত সৰ্ব্বসম্মতি ক্ৰমে কলিয়াবৰ আদৰ্শ আশ্ৰমৰ স্থান ঠিক ক'ৰা হ'ল উলুৱনীত। কলিয়াবৰ কংগ্ৰেছ আৰু বাইজৰ সহায় সহযোগীতাত আদৰ্শ আশ্ৰমখন প্ৰতিষ্ঠা কৰা হ'ল। নাম দিয়া হ'ল 'কস্তুৰবা আশ্ৰম'। শ্ৰীগোলাপ বৰুৱাদেৱে কলিয়াবৰ কংগ্ৰেছৰ আহ্বানত শণ্ডনবাহী চাহ বাগিছাৰ চাকৰি ত্যাগ কৰি গুছি আহিল। তেখেতক আশ্ৰমৰ প্ৰথম অধক্ষ্য হিচাপে নিযুক্তি দিয়া হ'ল। এবছৰ এই পদত থাকি সেৱা আগবঢ়াই তেখেতে বিদায় ল'লে। তাৰ পিছত দলিবাৰী চুকৰ শ্ৰীৰমা শৰ্ম্মাদেৱক অধক্ষ্য পতা হয়। শ্ৰীবদন বৰদলৈ দেৱৰ ঠাইত শ্ৰীসোমেশ্বৰ বৰাদেৱক সভাপতি পাতে।

এটা মহান আদৰ্শ আগত ৰাখি প্ৰতিষ্ঠা কৰা আশ্ৰমখনি অতি সুন্দৰ ভাৱে সুকলমে পৰিচালিত হোৱা স্বত্বেও ধনৰ অভাৱত আশ্ৰমৰ কাম কাজ শিথিল হৈ আহি শেষত অৱস্থাহীন হৈ পৰিল। অৱশেষত আদৰ্শ আশ্ৰমখন নোহোৱাই হ'লগৈ। বৰ্ত্তমান চিন হিচাপে উলুৱনীত কস্তুৰবা বুনিয়াদী প্ৰাইমাৰী স্কুলখনহে আছেগৈ।

কলিয়াবৰৰ কংগ্ৰেছ কমিটিৰ পুনৰ গঠন

১৯৪৬ চনৰ মাৰ্চ মাহৰ ভিতৰতে কলিয়াবৰৰ প্ৰতিখন প্ৰাথমিক কংগ্ৰেছ কমিটি নতুনকৈ গঠন কৰা হ'ল। প্ৰত্যেক প্ৰাথমিকৰে সভাপতি, সম্পাদক, ধনভঁৰালী আৰু ৫ জনকৈ কলিয়াবৰ কেন্দ্ৰীয় কমিটিলৈ প্ৰতিনিধি নিৰ্ব্বাচন কৰাৰ ব্যৱস্থা কৰা হ'ল। প্ৰতিজন প্ৰতিনিধিয়ে আঠ অনা ফিজ দিব লাগে। সেইদৰে প্ৰত্যেক প্ৰাথমিকৰপৰা কেন্দ্ৰ সভালৈ ধন আগবঢ়োৱা হয়।

১৬/৩/৪৬ তাৰিখে সম্পাদকে (শ্ৰীসোমেশ্বৰ বৰা) সকলো প্ৰাথমিকলৈ জাননী জাৰি কৰা মতেই ২৫/৩/৪৬ তাৰিখে ডিএৰি চুকৰ নামঘৰত নিৰ্ব্বাচিত প্ৰতিনিধিৰে কেন্দ্ৰীয় সভা বহে আৰু সেই সভাতে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ

বিষয়বৰীয়া নিৰ্ব্বাচন কৰা হয়। লগতে জিলা কংগ্ৰেছ কমিটিলৈ কলিয়াবৰৰ প্ৰতিনিধিও নিৰ্ব্বাচন কৰা হয়। আমাৰ হাতত থকা প্ৰতিবেদনখন তুলি দিয়া হ'ল।

"মহামহিম শ্ৰীল শ্ৰীযুত নগাওঁ জিলা কং কমিটিৰ সভাপতি মহোদয়ৰ সমিপেষু,
মহোদয়,

যোৱা ২৫/৩/৪৬ তাৰিখে কলিয়াবৰ কংগ্ৰেছ কমিটিৰ নব-নিৰ্ব্বাচিত প্ৰতিনিধিৰে নিৰ্ব্বাচনী সভা বহে। সভাই সৰ্ব্ব সম্মতিক্ৰমে কলিয়াবৰ কংগ্ৰেছ কমিটিৰ সভাপতি সম্পাদক ও কাৰ্য্যকৰী সভা আৰু জিলা কংগ্ৰেছ কমিটিৰ প্ৰতিনিধি নিৰ্ব্বাচন কৰে। সভ্য সকলৰ নাম তলত দিয়া হ'ল-

কাৰ্য্যকৰী সভা -

১। শ্ৰীযুত ৰজনীকান্ত গোস্বামী, সভাপতি
২। " গোলোক চন্দ্ৰ ৰৱঠাকুৰ, ধন ভৱালী
৩। " বদন চন্দ্ৰ ৰৱদলৈ
৪। " ৰমা কান্ত ৰৱা
৫। শ্ৰীযুতবিনোদ চন্দ্ৰ হাজৰিকা
৬। " পূৰ্ণচন্দ্ৰ ভূঞা
৭। " পুনিৰাম ওজা
৮। " গুণেশ্বৰী দেৱ্যা
৯। শ্ৰীযুত সোমেশ্বৰ ৰৱা, সম্পাদক
১০। " ভূজেন্দ্ৰ নাথ বৰুৱা
১১। " ঈশধৰ হাজৰিকা
১২। " লীলা কান্ত ৰৱা
১৩। " আনন্দ ৰাম শইকীয়া
১৪। " নন্দিৰাম ৰৱা
১৫। " ভস্মকধৰ হাজৰিকা

জিলা কংগ্ৰেছৰ প্ৰতিনিধি

১। শ্ৰীযুত ৰজনীকান্ত গোস্বামী
২। " সোমেশ্বৰ ৰৱা
৩। " গোলোক চন্দ্ৰৰৱঠাকুৰ
৪। " ভূজেন্দ্ৰ নাথ বৰুৱা
৫। " বদন চন্দ্ৰ ৰৱদলৈ
৬। " লীলাকান্ত ৰৱা
৭। " ৰমাকান্ত ৰৱা
৮। " সোমকান্ত হাজৰিকা
৯। " ঈশধৰ হাজৰিকা
১০। " পদ্মচৰণ হাজৰিকা
১১। " ৰতিন্দ্ৰ নাথ কোৰ্জ্জি
১২। " পুনিৰাম ওজা
১৩। " বিন্দ চন্দ্ৰ হাজৰিকা
১৪। " ৰলোৰাম ভূঞা
১৫। " মোলান চন্দ্ৰ শইকীয়া
১৬। " ভোগেশ্বৰ নেওগ
১৭। " হলধৰ কাকতি ৰৱা, ধৰ্ম্মাচাৰ্য্য
১৮। " হৰেন্দ্ৰ নাথ শৰ্ম্মা
১৯। " মুহীৰাম লহকৰ
২০। " মুক্তৰাম ৰৱা
২১। " কদ্ৰকান্ত হাজৰিকা
২২। " ৰবিচৰণ সিংহ
২৩। " ঘনকান্ত শইকীয়া
২৪। " ভূমিধৰ মুদৈ
২৫। " মাধিৰাম ৰৱা
২৬। " মহেন্দ্ৰ নাথ মহন্ত
২৭। " কনক চন্দ্ৰ মহন্ত
২৮। " ভস্মকধৰ হাজৰিকা
২৯। " গুণেশ্বৰী দেৱী
৩০। " নলিনীকান্ত শইকীয়া
৩১। " মোহন চন্দ্ৰ ৰৱা

২৬/৩/৪৬।"

আমাৰ হাতত থকা নথি মতে গুৱাহাটীত বহা প্ৰাদেশিক কংগ্ৰেছ কমিটিলৈ কলিয়াবৰৰ পৰা প্ৰতিনিধি হিচাপে সৰ্ব্বশ্ৰী ৰজনীকান্ত গোস্বামী, বদন চন্দ্ৰ ৰৱদলৈ, লীলা কান্ত ৰৱা, ৰমাকান্ত

ৰৰা আৰু ডম্বৰুধৰ হাজৰিকা এই পাঁচ গৰাকীক নিৰ্ব্বাচন কৰি পঠিওৱা হৈছিল। শ্ৰীযুমাকান্ত ৰৰা আৰু শ্ৰীৰজনী গোস্বামীয়ে গুৱাহাটীলৈ যোৱা খৰছৰ বাবে গাঁহপতি কলিয়াবৰৰ কংগ্ৰেছৰ সম্পাদকৰ পৰা ২৫/৩/৪৬ তাৰিখে পোন্ধা চাৰি টকা আঠ অনা- (৪.৫০ টকা) ৰ বহিদ দুখন এতিয়াও সংৰক্ষিত হৈ আছে।

কেবিনেট মিচন আঁচনি

এতিয়ালৈকে অখন্দ ভাৰতৰ স্বাধীনতাৰ শেষ সংগ্ৰামখনত কলিয়াবৰৰ ভিতৰে বাহিৰে কি ঘটিছিল আৰু কলিয়াবৰ কংগ্ৰেছ আৰু বাহিজে কি ভূমিকা লৈছিল সেই বিষয়ে অতি সামান্যভাৱে কিছু কথা কৈ সেই সময়ৰ বুলেটিন গোহাৰি, নিবেদন, চিঠি-পত্ৰ আৰু নথিৰ কিছু সংখ্যকৰ নকল আগবঢ়োৱা হ'ল।

ইয়াৰ পিছত বিশ্ব ইতিহাসৰ পট পৰিবৰ্ত্তন হোৱাৰ পিছত ভাৰতৰ স্বাধীনতা সংগ্ৰাম সংক্ৰান্তত কথাবোৰ কোন দিশে আগ বাঢ়িল আৰু ভাৰতৰ তথা অসমৰ ৰাজনীতিয়ে কি ৰূপ ল'লে আৰু কলিয়াবৰত কি ঘটিছিল সেই বিষয়ে আমাৰ হাতত থকা নথি পত্ৰৰ ওপৰত নিৰ্ভৰ কৰি সামান্য ভাৱে কিছু কথা প্ৰকাশ কৰাৰ মানস কৰা হৈছে।

১৯৪৫ চনৰ ৬ আৰু ৯ আগষ্ট তাৰিখে জাপানৰ ক্ৰমে হিৰোশ্মিমা আৰু নাগাচাকিত আমেৰিকাই এটম বোমা পেলালে। মুহূর্ত্তৰ ভিতৰতে আকাশলংঘী কলিয়া ধোঁৱাই চহৰ দুখনৰ আকাশ ঢাকি ধৰিলে- দিনতে আন্ধাৰ হ'ল, লাখ লাখ মানুহৰ এক মূহৰ্ত্ততে মৃত্যু হ'ল। আৰু বহু লাখ মানুহ চিৰ জীৱনলৈ ঘূণীয়া হ'ল। উপায়হীন হৈ জাপানে আত্ম সমৰ্পণ কৰিলে আৰু লগে লগে অন্ত পৰিল সমগ্ৰ বিশ্ব কপাঁই তোলা দ্বিতীয় মহাসমৰৰ। ব্ৰহ্মদেশ আকৌ বৃটিছৰ কবললৈ আহিল। আমেৰিকাই জাপান সাম্ৰাজ্য অধিকাৰ কৰিলে।

কলিয়াবৰৰ পৰা যুদ্ধৰ কোঠ উঠাই নিলে। সভা শোভাযাত্ৰা স্বাভাৱিক ভাৱেই কমি আহিল। আন্দোলনৰ গতি সলনি হ'ল। বিশেষ একোটা উদ্দেশ্যত মাথো শোভাযাত্ৰাৰ আয়োজন কৰা হ'ল।

ইতিমধ্যে ইংলণ্ডত চৰকাৰ সলনি হ'ল। লেবাৰ পার্টিয়ে চৰকাৰ দখল কৰিলে। মিঃ এট্‌লী ইংলণ্ডৰ প্ৰধান মন্ত্ৰী হ'ল। আগৰে পৰাই এই লেবাৰ পার্টিয়ে ভাৰতৰ স্বাধীনতাৰ বিষয়টোৰ প্ৰতি কোমল মনোভাব লৈ আছিল। এতিয়া তেওঁলোকে চৰকাৰ গঠন কৰিয়েই ভাৰতৰ স্বাধীনতাৰ কথা শুকত্ব সহকাৰে ল'লে। ১৯৪৬ চনৰ ১৭ ফেব্ৰুৱাৰীৰ দিনা ইংলণ্ডৰ 'চেক্ৰেটৰী অব ষ্টেট ফৰ ইণ্ডিয়া', লৰ্ড পেথিক লৰেন্সে ইংলণ্ডৰ পার্লিয়ামেণ্টত ঘোষণা কৰিলে ভাৰতৰ প্ৰতিনিধিৰ লগত স্বাধীনতাৰ প্ৰশ্নটো আলোচনা কৰিবলৈ এটা প্ৰতিনিধি দল ভাৰতলৈ পঠিয়াব।

চাৰ ষ্টেফৰ্ড ক্ৰীপচ, লৰ্ড পেথিক লৰেন্স আৰু মিঃ এ, ভি, আলেকজেণ্ডাৰ- এই তিনি জনেৰে গঠিত হ'ল কেবিনেট মিচন। ইংলণ্ডৰ প্ৰধান মন্ত্ৰীয়ে স্বীকাৰ কৰিলে যে এতিয়া পৰিস্থিতি সম্পূৰ্ণ সলনি হ'ল, ভাৰতৰ কি হিন্দু কি মুচলমান সকলোৱেই স্বাধীনতাৰ স্পৃহাত এক মুঠ হৈছে। এতিয়া আৰু ভাৰতক পৰাধীন কৰি ৰাখিব নোৱাৰি। এই কাৰণেই কেবিনেট মিচন ভাৰতলৈ পঠিয়ালে। ১৯৪৬ চনৰ ২৩ মাৰ্চ তাৰিখে তেওঁলোক আহি ভাৰতত উপস্থিত হ'লহি। কেন্দ্ৰত সীমিত ক্ষমতা ৰাখি, (প্ৰতিৰক্ষা যোগাযোগ আৰু বৈদেশীক বিষয়, এই তিনিটা ৰাখি), বাকী সকলো ক্ষমতা প্ৰাদেশিক চৰকাৰৰ হাতত তুলি দি ফেডাৰেল গাঁথনিৰে (যুক্তৰাষ্ট্ৰ হিচাপে) ভাৰতত চৰকাৰ গঠনৰ সিদ্ধান্ত দিলে কেবিনেট মিচনে। মুচলিম লীগক সন্তুষ্ট কৰিবলৈ তেওঁলোকে ভাৰতবৰ্ষ খনক এ. বি আৰু চি. তিনিটা গ্ৰুপত ভাগ কৰিলে। মুচলমান সংখ্যা গৰিষ্ঠ থকা পাঞ্জাব, সিন্ধু আৰু উত্তৰ পশ্চিম ফ্ৰণ্টিয়াৰ প্ৰদেশ এই তিনিখন প্ৰদেশক বি গ্ৰুপত অন্তৰ্ভুক্ত কৰিলে। বঙ্গ প্ৰদেশৰ লগত অসমকো সাঙুৰি চি গ্ৰুপত থ'লে। ১৬ মে (১৯৪৬ চন) তাৰিখে চৰকাৰে এখন শ্বেত-পত্ৰ প্ৰকাশ কৰিলে।

মুচলিম লীগৰ যি জন সৰ্ব্বেসৰ্ব্বা মিঃ জিন্নাই ইমান দিনে হিন্দু আৰু মুচলমান ভাৰতৰ দুটা প্ৰধান আৰু পৃথক জাতি বুলি চিঞৰি আছিল আৰু স্বাধীন পাকিস্তানৰ কাৰণে যুঁজ দি আছিল, এই দ্বিজাতি তত্ত্বৰ পৃষ্ঠপোষকতা কৰিয়েই অন্য যিকোনো সমাধান সূত্ৰৰেই বিৰোধীতা কৰি আছিল, সেইজন জিন্নায়েই যেতিয়া এতিয়া কেবিনেট মিচন প্লেন গ্ৰহণ কৰিলে, ভাৰতৰ মূধা ফুটা কংগ্ৰেছ নেতা সকলে এই সমাধান সূত্ৰ গ্ৰহণ কৰাৰ সুবিধাই পালে। তেওঁলোকে একোৱেই আপত্তি নকৰিলে বৰঞ্চ সেই সময়ত এই সহজলব্ধ স্বাধীনতা পোৱাৰ পথ মুকলি হোৱাৰ কাৰণে সকলোৱেই আনন্দত উৎফুল্লিত হ'ল। গান্ধীয়েও এই সমাধান সূত্ৰৰ প্ৰতি সমৰ্থন জনালে।

সেই সময়ত এজনো ভাৰতীয় কংগ্ৰেছ নেতায়েই অসমৰ কথা চিন্তা নকৰিলে। বৃটিছ প্ৰধান মন্ত্ৰী মিঃ এটলীৰ আশীৰ্ব্বাদ পুষ্ট হৈ এই বছৰৰ (১৯৪৬ চনৰ) ভিতৰতে পদ দলিত ভাৰতবৰ্ষ স্বাধীন ভাৰত হ'ব বুলি সকলো মতলীয়া হ'ল। ভাৰতৰ নিষ্পেসিত জন গণৰ প্ৰায় এশ বছৰীয়া স্বাধীনতা সংগ্ৰামৰ পিছত ইয়াক এক অতি গৌৰৱপূৰ্ণ ঘটনা বুলি সকলোৱে অভিহিত কৰাহে কাৰ্য্যতঃ দেখা গ'ল। কিন্তু ইয়াৰ পৰিণতিত অসমখন যে শেষ হৈ যাব এই কথা ভাবিবলৈ সৰ্ব্বভাৰতীয় নেতা সকলৰ আহৰি নহ'ল। ইহাতেদি যদিও কংগ্ৰেছৰ ভিতৰত বামপন্থী সমাজবাদী সকলৰ এই আঁচনিৰ প্ৰতি পূৰ্ণ সমৰ্থন নাছিল, তেওঁলোকেও একো আপত্তি নকৰিলে- মনে মনে থাকিল। আনকি মহাত্মা গান্ধীয়েও তেখেতৰ 'হৰিজন' কাকতত লিখিলে-

"বৃটিছ চৰকাৰৰ হৈ কেবিনেট মিচন আৰু ভাইচৰয়ে যি শ্বেত পত্ৰ প্ৰকাশ কৰিছে সেইখন চাবিদিন অতি গভীৰভাৱে পৰীক্ষা কৰি মই পতিয়ন গৈছো যে বৰ্ত্তমান পৰিস্থিতত বৃটিছ গৱৰ্ণমেণ্টে প্ৰকাশ কৰা এইখনেই সকলোতকৈ উত্তম দলিল।"

গ্ৰুপিঙৰ বিপক্ষে অসম

(কলিয়াবৰত প্ৰতিবাদৰ জোৱাৰ)

কেবিনেট মিচনৰ এই চূড়ান্ত আঁচনিৰ বিপক্ষে অসম কংগ্ৰেছৰ অবিসম্বাদী শীৰ্ষনেতা শ্ৰীগোপীনাথ বৰদলৈদেৱে তীব্ৰ বিৰোধীতা কৰিলে। অসমৰ বাকী নেতাসকলৰ পৰা আৰম্ভ কৰি তৃণমূল পৰ্য্যায়ৰ কংগ্ৰেছ কৰ্ম্মীলৈকে সকলোৱেই একমুঠ হৈ বৰদলৈদেৱৰ পিছত থিয় হ'ল। সকলোৰে আশংকা হ'ল যদি অসমক বঙ্গৰ লগত সাঙুৰি মুচলমান শাসনৰ তললৈ ঠেলি পঠিওৱা হয় অসমৰ বলা সংস্কৃতি ভাষা এই বোৱটো বাদেই আনকি এটা সময়ত অসমীয়া জাতিটোৰেই কোনো চিন মোকাম নাথাকিবগৈ। ১৮৩৬ চনৰ পৰা ১৮৭২ চনলৈকে অসমত অসমীয়া ভাষা আঁতৰাই বঙালী ভাষা চলাই পাঠশালা স্কুলৰে পৰা বঙালী ভাষা প্ৰচলন কৰি অসমীয়াৰ ওপৰত যি অত্যাচাৰ চলালে সেই কথা অসমে কেতিয়াও পাহৰিব নোৱাৰে। সেইখিনি সময়ৰ ভিতৰতে অসমীয়া কলা সংস্কৃতি আৰু ভাষাটোৰ ওপৰত যি মাধমাৰ পৰিল সিয়েই অসমক এশ বছৰ পিছুৱাই ৰাখিলে।

সেই সময়ৰ অসমৰ প্ৰধান মন্ত্ৰী (পিছতহে মুখ্য মন্ত্ৰী হ'ল) বৰদলৈ দেৱে নিখিল ভাৰত কংগ্ৰেছ কমিটিত এই মিচন আঁচনিৰ বিপক্ষে সজোৰে প্ৰতিবাদ কৰিলে। কিন্তু নিঃ ভাঃ কংগ্ৰেছ কমিটিয়ে বৰদলৈ দেৱৰ কথাত কোনো গুৰুত্বকে নিদিলে। তেওঁলোকে কেবিনেট মিচন আঁচনি গ্ৰহণ কৰিলে।

এনে এটা পৰিস্থিতিত অসমৰ স্বাধীনতা সংগ্ৰামী সকলৰ নিঃ ভাঃ কং কমিটিৰ বিপক্ষে প্ৰতিবাদ আন্দোলন কৰাৰ বাহিৰে অন্য একো উপায় নাথাকিল। সমগ্ৰ অসমতে প্ৰতিবাদৰ জোৱাৰ উঠিল।

কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিয়ে প্ৰতিখন প্ৰাথমিক কংগ্ৰেছ কমিটিকে সভা পাতিবলৈ নিৰ্দ্দেশ দিলে। সেই সভাবোৰত কেন্দ্ৰীয়ৰ ফালৰ পৰা গৈ কেবিনেট মিচন আঁচনিৰ কথা বুজাই কৈ অসমৰ পৰিস্থিতি কি হ'বগৈ বুজাই দিয়া হ'ল। সেই ৰাজহুৱা সভাবোৰত কেবিনেট মিচন আঁচনিৰ বিৰোধীতা কৰি প্ৰস্তাৱ গ্ৰহণ কৰা হ'ল। এই প্ৰস্তাৱ বোৰ নিঃ ভাঃ কং কমিটিলৈ পঠিওৱা হ'ল। আমাৰ হাতত এতিয়াও অক্ষত হৈ থকা প্ৰাথমিক কংগ্ৰেছৰ প্ৰতিবেদনৰ দুখনৰ পৰা তেওঁলোকে লোৱা প্ৰস্তাৱৰ নকল তুলি দিয়া হ'ল-

১। সৰুভগীয়া (জখলাবন্ধা) প্ৰাথমিকৰ সম্পাদক শ্ৰীটঙ্কেশ্বৰ হাজৰিকাই লিখি পঠিওৱা, কলিয়াবৰ হাইস্কুলৰ হেড মাষ্টৰ শ্ৰীপুষ্পকান্ত খাওন্দ চাৰৰ সভাপতিত্বত বহা ৫ম বাৰ্ষিক দ্বিতীয় বাৰত সভাত লোৱা প্ৰস্তাৱ-

"প্ৰথম প্ৰস্তাৱ : যি হেতুকে মন্ত্ৰী মিশ্যনে যি ঘোষণা কৰিছে সেই ঘোষণাই ভাৰতত সাম্প্ৰদায়িক

ভাৰত বৃদ্ধিহে কৰিছে, আৰু বঙৰ লগত অসমক সাঙুৰি দি অসমৰ ভাষা কৃষ্টি সংস্কৃতি লোপ পেলাবলৈ চেষ্টা কৰিছে, গতিকে আজিৰ সভায় এই মন্ত্ৰী মিশ্ৰনৰ ঘোষণাৰ তীব্ৰ প্ৰতিবাদ কৰে। আৰু নিখিল ভাৰত কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে মন্ত্ৰী মিশ্ৰনৰ প্ৰস্তাব মানি নল'বলৈ অনুৰোধ কৰে।

সৰ্ব্বসম্মতি ক্ৰমে গৃহিত।"

২। কুঠৰী প্ৰাথমিকৰ সভাপতি শ্ৰীলক্ষীকান্ত শইকীয়াদেৱে ৫/৬/৪৬ তাৰিখে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ অফিচলৈ পঠিওৱা প্ৰস্তাব-

"ইং ৫/৬/৪৬ তাৰিখে সদৌ অসম প্ৰদেশৰ নিৰ্দ্দেশানুযায়ী অসম প্ৰদেশক বেঙ্গলৰ লগত যোগ কৰি ভবিষ্যত অসম প্ৰদেশৰ অমঙ্গল কামনা কৰি বিলাতৰ মন্ত্ৰী মিশ্যনে যি প্ৰস্তাব দাঙি ধৰিছে- সেই প্ৰস্তাবৰ তীব্ৰ প্ৰতিবাদ কৰি শ্ৰীযুত প্ৰিয়নাথ বাজখোৱাৰ সভাপতিত্বত কুঠৰী অঞ্চলৰ প্ৰাথমিক কংগ্ৰেছ কমিটিৰ সমূহ বাইজৰ সৰ্ব্বসম্মতিক্ৰমে তলত দিয়া প্ৰস্তাব কেইটি গৃহিত হয়।

১ম প্ৰঃ- আজিৰ সভায় প্ৰস্তাব কৰে যে সদৌ ভাৰতৰ সমষ্টি গঠন কৰি মন্ত্ৰী মিশ্যনে যি প্ৰস্তাব দাঙি ধৰিছে সেই প্ৰস্তাবৰ বিৰুদ্ধে আজিৰ সভায় প্ৰতিবাদ জনায়।

২য় প্ৰঃ - আজিৰ সভায় প্ৰস্তাব কৰে যে অসম প্ৰদেশক বেঙ্গলৰ লগত লগ কৰি দিবলৈ যি প্ৰস্তাব দাঙি ধৰিছে সেই প্ৰস্তাবৰ বিৰুদ্ধে আজিৰ সভায় ঘোৰ প্ৰতিবাদ জনায় আৰু যেতিয়ালৈকে সেই প্ৰস্তাব মন্ত্ৰী মিশ্যনে উঠায় নলয় তেতিয়ালৈকে আজিৰ সভায় তীব্ৰ প্ৰতিবাদ কৰিব।

৩য় প্ৰঃ - আজিৰ সভায় প্ৰস্তাব কৰে যে নিখিল ভাৰত কাৰ্য্যকৰী কংগ্ৰেছ কমিটিয়ে অসম প্ৰদেশৰ বিপদ জনক সমষ্টি গঠন কৰা মন্ত্ৰী মিচনৰ প্ৰস্তাব সমৰ্থন নকৰিবলৈ আজিৰ সভায় কিনীতভাৱে অনুৰোধ জনায়।"

কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ ফালৰ পৰা কলিয়াবৰৰ সকলো সম্প্ৰদায়ৰ বাইজকে একগোট হৈ কেবিনেট মিচনৰ এই আঁচনিৰ বিপক্ষে যুঁজ দিবলৈ আহ্বান জনায়। ৫/৬/৪৬ তাৰিখে কলিয়াবৰৰ চাৰিওফালৰ পৰা বাইজ ভাগি আহিল। শোভাযাত্ৰা কৰি আহি ৯/১০ হেজাৰ বাইজ, ল'ৰা-ছোৱালী, মুনিহ-তিৰোতা গোট খালেহি কুঁৱৰীটোলৰ গান্ধী পথাৰত। কলিয়াবৰ কংগ্ৰেছ কমিটিযে আহ্বান কৰা এই বাজহুৱা বায়ত সভাত সভাপতিত্ব কৰে সদৌ ভাৰত গোৰ্খা লীগৰ সভ্য চুলুঙৰ শ্ৰীদধিৰাম উপাধ্যায় ডাঙৰীয়াই। সভাত বাইজৰ হাত চাপৰিৰ জাউৰিৰে তলত দিযা প্ৰস্তাব সৰ্ব্ব-সম্মতিক্ৰমে গ্ৰহণ কৰে।

"৫/৬/৪৬ তাৰিখে সদৌ কলিয়াবৰৰ বাইজৰ গান্ধী পথাৰত সদৌ ভাৰতীয় গুৰ্খা লীগৰ সভ্য শ্ৰীযুত দধিৰাম উপাধ্যায়ৰ সভাপতিত্বত বৰ্ত্তমান মন্ত্ৰী মিছনৰ ঘোষণাৰ প্ৰতিবাদত বহা সভাত তলত দিয়া প্ৰস্তাব গৃহিত হয়।

১। যিহেতুকে মন্ত্ৰী মিছনে কৰা ঘোষণাই ভাৰতৰ পূৰ্ণ দাবী স্বাধীনতাৰ স্বীকাৰ কৰা নাই, ৰৰং সাম্প্ৰদায়িক ভাব বৃদ্ধিহে কৰিছে আৰু অসমক 'চি' গ্ৰুপত সাঙুৰি দিলে অসমবাসীৰ স্বাধীনতা, ভাষা, অৰ্থনীতি ও সংস্কৃতি ধ্বংসহে হ'ব, গতিকে আজিৰ সভায় কংগ্ৰেছ ৱৰ্কিং কমিটিক অনুৰোধ কৰে যাতে অসমক বৰ্ত্তমান প্ৰস্তাবিত 'চি' গ্ৰুপত ৰাখি কোনো আচনিকেই গ্ৰহণ নকৰে আৰু নিজৰ শাসন তন্ত্ৰ নিজে ৰচনা কৰিবলৈ অসমক অধিকাৰ দিয়ে।

২। এই প্ৰস্তাবৰ নকল মহাত্মা গান্ধী, পণ্ডিত নেহৰু, মৌলনা আজাদ, ৰৱলাট, ভাৰত সচিব আৰু মিঃ জিন্নালৈ পঠাবলৈ আজিৰ সভায় স্থিৰ কৰে।

৫/৬/৪৬ (স্বাঃ) শ্ৰীদধিৰাম উপাধ্যায়

সভাপতি।"

প্ৰস্তাৱটো ইংৰাজি ভাষাটো লিখি পঠিওৱা হৈছিল। সংৰক্ষিত নথিৰ পৰা তুলি দিয়া হ'ল।

"A Public Meeting of Kaliabar

5/6/48

On the 5th June, 1946, on the protest meeting of the Public of Kaliabar at 'Gandhi field' under the presidentship of Sreejut Dadhi Ram Upadhyai, a member of the All India Gurkha League, the following resolution passed

"This meeting of the Public of Kaliabar is strongly of the openion that grouping of Assam with Bengal can have no other meaning but conceding the Muslim league demand for Eastern Pakistan and records its emphatic protests against the grouping as it is sure to cripple the Assamese people Linguistically, culturally, economically as well as politically and strongly urges upon the Cabinet Mission to allow Assam to frame her own constitution as an autonomous province under the Indian Union and requests the congress working committee not to accept the proposal as it stands now

Copy to Mahatmaji, Maulana Azad, Nehru, Viceroy and Lawrance "

ইয়াৰ উপৰিও দুদিন পিছত ৭/৬/৪৬ তাৰিখে এখন জৰুৰী টেলিগ্ৰামো কৰা হৈছিল, তুলি দিয়া হ'ল-

"Lord Wavell, Azad, Panditji, Mahatmaji, Viceroy, Pathic Lawrance and Jinna

New Delhi

Public Meeting Kaliabar Eastern Nowgong held fifth under Presidentship of Dadhi Upadhyai Member all India Gurkha League very strongly protests grouping Assam with Bengal

Public of Kaliabar "

গুপিণ্ডৰ বিৰুদ্ধে কলিয়াবৰ ছাত্ৰ সম্মিলনেও সুকীয়াকৈ সভা পাতি প্ৰস্তাৱ ল'লে। সেই সময়ৰ কলিয়াবৰ ছাত্ৰ ইউনিয়নৰ জেনেৰেল চেক্ৰেটৰী আছিল শাকমুঠিৰ শ্ৰীসুৰথ চন্দ্ৰ বৰা। সভা আহ্বান কৰি তেখেতে ৬/৬/৪৬ তাৰিখে কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছৰ সম্পাদক শ্ৰীসোমেশ্বৰ বৰাদৈলৈ লিখিছিল এইদৰে-

"আমাৰ সভাৰ স্থান হ'ব হাটৰ শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত। তাত সদৌ কলিয়াবৰ ছাত্ৰ সকলে যোগ দিব। কলিয়াবৰ হাইস্কুলৰ ছাত্ৰই শোভাযাত্ৰা কৰি জখলাবন্ধাইদি হাটবৰলৈ যাব। কুঁৱৰীটোলৰ ছাত্ৰই শোভাযাত্ৰা কৰি হাটবৰলেকে আহিব।

তাত আপোনাৰ অধিনত থকা সদৌ কংগ্ৰেছৰ প্ৰাথমিক্ক জনাবৰ কাৰণে আপোনাৰ গাত ভাৰ দিয়া হ'ল। যেন সকলো প্ৰাথমিকে কালিৰ ভিতৰতে এই কথাটো জানে।"

৮/৬/৪২ তাৰিখে হাটৰ শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত আয়োজন কৰা সভাতো কমেও

সাত হেজাৰ নৰ-নাৰী গোট খাইছিল। সকলো মানুহকে এটা চিন্তাই উৎকণ্ঠিত কৰি ৰাখিছে- 'মুচলমান শাসন হ'লে অসম শেষ হ'ব।' গতিকে সভালৈ মানুহ ভাগি আহিছিল। এই সভাতো কংগ্ৰেছৰে অনুৰূপ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল।

মহাত্মাৰ ওচৰলৈ কটকী

নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে শ্ৰীগোপীনাথ বৰদলৈ দেৱৰ প্ৰতিবাদ আৰু দাবীৰ প্ৰতি কোনো সহাৰি নিদিয়াত তেখেতৰ শেষ আশাৰ স্থল মহাত্মা গান্ধীৰ ওচৰলৈ দুজন কটকী পঠিয়ালে, শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আৰু শ্ৰীমহেন্দ্ৰ মোহন চৌধুৰীদেৱক।

অসম কংগ্ৰেছ আৰু অসমৰ সকলো সম্প্ৰদায়ৰ ৰাইজৰ মনোভাব আৰু পৰিস্থিতিয়ে পিছত কি ৰূপ লোৱাৰ সম্ভাৱনা আৰু এই ক্ষেত্ৰত অসমৰ তীব্ৰ বিৰোধীতা আৰু প্ৰতিবাদৰ কাৰণ বোৰ তন্ন তন্নকৈ বুজাই দিয়াৰ পিছত যেতিয়া সকলো কথা মহাত্মাই বুজি পালে তেখেতৰ পূৰ্ব্বৰ মনোভাৱৰ আমূল পৰিবৰ্ত্তন ঘটিল। গান্ধীজীয়ে দুয়োজন কটকীকে জনালে 'এই সংক্ৰান্তত অসম কংগ্ৰেছ আৰু অসমৰ ৰাইজেই এই আঁচনিৰ প্ৰস্তাৱৰ বিৰোধে যুঁজ কৰি জয়ী হ'ব লাগিব, নিজৰ প্ৰাপ্য আদায় কৰিব লাগিব। আৰু যদি নোৱাৰে তেতিয়া হ'লে অসমত মানুহ নাই- মানুহ নামৰ নিমাখিত বাওনাহে আছে।'

মহাত্মা গান্ধীৰ এই আশীৰ্ব্বাদ পাই বৰদলৈদেৱে দুগুণ উৎসাহেৰে আকৌ তীব্ৰ প্ৰতিবাদ জনাই অসমৰ দাবীৰ কথা কংগ্ৰেছ ৱৰ্কিং কমিটিৰ ওচৰত আকৌ পেচ কৰিলে। 'অসমৰ নিজৰ সংবিধান নিজে ৰচনা কৰি ল'বলৈ দিব লাগে' বুলি অসমৰ ৰাইজৰ হৈ দাবী জনালে। কিন্তু তৎসত্বেও বৰদলৈ দেৱৰ স্মাৰক পত্ৰ পৰি থাকিল ।

ইতিমধ্যে নিঃ ভাঃ কং কমিটিৰ পৰিবৰ্ত্তন ঘটিল। ১৯৩৯ চনৰে পৰা কংগ্ৰেছ দলৰ ইতিহাস ৰচনা কৰি মৌলানা আবুল কালাম আজাদ কংগ্ৰেছ সভাপতি হৈ আছিল। সাধাৰণ অৱস্থাত এবছৰৰ মূৰে মূৰে কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটি নিৰ্ব্বাচন কৰি পুনৰ গঠন কৰা হয়। এইটোৱেই নিয়ম। কিন্তু ২য় মহাসমৰৰ গোটেই সময় চোৰাত নেতা সকলক জেলত বন্দী কৰি থোৱাত আৰু তাৰ পিছতো অৱস্থাৰ পৰিবৰ্ত্তন নঘটাৰ বাবেও ১৯৪৬ চনলৈকে আজাদ সভাপতি হৈয়ে থাকিল। ৫ জুলাইৰ পৰা বম্বে মহানগৰীত নিঃ ভাঃ কংগ্ৰেছৰ অধিবেশন বহিল। ৭ জুলাইত বিনা প্ৰতিদ্বন্দ্বীতাৰে পণ্ডিত জৱহৰলাল নেহৰু কংগ্ৰেছ সভাপতি নিৰ্ব্বাচিত হ'ল।

সেই সভাতো কেবিনেট মিচন আঁচনিৰ বিষয়ে সকলো দিশ সামৰি আলোচনা কৰা হ'ল। সকলোৱেই নিজৰ মতা মত প্ৰকাশ কৰিলে। সভাপতিয়ে প্ৰস্তাৱটো পুনৰ ব্যাখ্যা কৰি সকলোৰে সমৰ্থন বিচাৰিলে। কিন্তু কংগ্ৰেছ চচিয়েলিষ্ট (সমাজবাদী) সকল জাঙুৰ খাই উঠিল। তেওঁলোকে মিচনৰ প্ৰস্তাৱৰ দুৰ্ঘোৰ প্ৰতিবাদ কৰিলে। সেই সময়ৰ সমাজবাদী

নেতা ইউচুফ মেহাৰালিক উঠিব নোৱাৰা বেমাৰী অৱস্থাৰেই তেওঁৰ সমৰ্থক সকলে দাং-দোলাকৈ সভালৈ লৈ আহিল। তেখেতে অতি চোকা ভাষাৰে সজোৰে প্ৰস্তাৱৰ বিপক্ষে ক'লে। মিচনৰ প্ৰস্তাৱ গ্ৰহণ কৰা মানেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ চূড়ান্ত পৰাজয় বুলি তেওঁৰ লগতে তেওঁৰ সমৰ্থক সকলে মত পোষণ কৰিলে। ৰৱদলৈ দেৱক সমৰ্থন কৰিলে।

মহাত্মা গান্ধীয়েও নিজৰ আগৰ মত সলনি কৰি এতিয়া শ্ৰীগোপীনাথ ৰৱদলৈক সমৰ্থন কৰিলে। জৱহৰলাল নেহৰুৱে আজাদক সমৰ্থন কৰি সভাত ক'লে- 'অসমৰ নেতা সকলৰ ভয়টো অমূলক আৰু যুক্তিহীন'। এই মত পোষণ কৰি অসমৰ ওপৰত মিচন প্ৰস্তাৱ জাপি দিবলৈহে চেষ্টা কৰিলে। তেতিয়া গান্ধীজীয়ে পুনৰবাৰ ৰৱদলৈক সমৰ্থন কৰি সভাত নিজ বক্তব্য দাঙি ধৰিলে। তেখেতে লিখিত ভাৱেও নিজৰ কথাখিনি প্ৰকাশ কৰি আগবঢ়ালে। তেতিয়াও নেহৰুৱে অলৰ অচৰ হৈ আজাদকে সমৰ্থন কৰি ৰৈ থাকিল। ৰৱদলৈ দেৱৰ স্মাৰক পত্ৰ আলোচনা নকৰাৰহে সিদ্ধান্ত ল'লে।

ইফালে কংগ্ৰেছৰ অন্য নেতাসকলে- সৈন্য সামন্ত লৈ যুদ্ধ কৰি তেজৰ নৈ নোবোৱাকৈ আলোচনাৰ মাজেদি ভাৰতে স্বাধীনতা লাভ কৰিব পৰা ইয়াতকৈ আৰু ভাল প্ৰস্তাৱ থাকিব নোৱাৰে বুলি ইযাক কংগ্ৰেছৰ বিজয় বুলি উৎফুল্লিত হ'ল। কংগ্ৰেছে ভাৰতক একগোট কৰি ৰাখি স্বাধীনতা লাভ কৰিব পৰা ইয়াতকৈ অন্য কোনো ভাল প্ৰস্তাৱ থাকিব নোৱাৰে বুলি বাৰে বাৰে প্ৰচাৰ চলাই থাকিল।

অসম ৰসাতলে যাওক- অসমীয়া জাতিটোৰ চিন চাব নোহোৱা হৈ যাওক, ভৱিষ্যতে মুচলমান প্ৰধান প্ৰদেশত পৰিণত হওক, শেষত কেতিয়াবা পূব পাকিস্তান বিচাৰিলে অসমো ভাৰতৰ পৰা বিচ্ছিন্ন হৈ যাওক, তাত সৰ্ব্বভাৰতীয় কংগ্ৰেছ নেতা সকলে কিয় মূৰ ঘমাব লাগে। প্ৰধান কথা হ'ল ভাৰতে স্বাধীনতা পাব লাগে, যাৰে যি হয় হৈ থাওক, অসম নামটোৰেই লাগিলে নোহোৱা হওক, কাৰো একো ক্ষতি নহয়।

প্ৰস্তাৱটো ভোটত দিয়া হ'ল আৰু বহু সংখ্যক সংখ্যা গৰিষ্ঠতাত গৃহিত হ'ল। এচামে ধৰি ল'লে এই চনৰ (১৯৪৬) ভিতৰতে স্বাধীনতা পাবই।

কেবিনেট মিচন আঁচনি নিঃ ভাঃ কং কমিটিৰ দ্বাৰা গ্ৰহণ কৰাৰ পিছত অসমৰ ভৱিষ্যৎ অন্ধকাৰৰ অদৃশ্য গহ্বৰত সোমাই পৰিল। অসমৰ ৰাইজৰ সকলো প্ৰচেষ্টা অথলে গ'ল। অসমৰ কংগ্ৰেছ নেতা আৰু ৰাইজৰ প্ৰতিবাদ, দাবী, অনুৰোধ, আবেদন নিবেদন সকলো অৰণ্যৰোদন হ'ল। কাৰো কাণত নোসোমাল। অসম বঙ্গৰ লগত চামিল হৈ মুচলমান শাসনৰ অধীনলৈ অহাৰ বাটত আৰু কোনো বাধাই নাথাকিল। অসম কংগ্ৰেছৰ সভাপতি মঃ তৈয়বুল্লা আৰু অসমৰ প্ৰধান (মুখ্য) মন্ত্ৰী শ্ৰীগোপীনাথ ৰৱদলৈদেৱৰ- নিঃ ভাঃ কং কমিটিৰ ওচৰত এয়া চূড়ান্ত পৰাজয় হ'ল। এতিয়া মাত্ৰ সময়ৰহে কথা। সময় বৰ নিষ্ঠুৰ, বৰ দুৰ্বোধ্য।

মিচন প্ৰস্তাৱ গ্ৰহণৰ দ্বাৰা অসমীয়া জাতিটোৰেই নিঃচিহ্ন হৈ যোৱাৰ যি আগ জাননী দিলে সেই কথাই অসমক সম্পূৰ্ণ হতাশ আৰু ম্ৰিয়মাণ কৰি নিঠৰুৱা কৰিলে।

অসমৰ শেষ আশ্ৰয় মহামানৰ মহাত্মা গান্ধীৰ কথায়ো যেতিয়া কোনো গুৰুত্ব নাপালে, যি জনক কংগ্ৰেছৰ অবিসম্বাদী নেতা বুলি ইমান বছৰে কংগ্ৰেছ নেতা আৰু ভাৰতীয় জনগণে অতি ওখ আসনত বহুৱাই জাতিৰ পিতা বুলি গণ্য কৰিলে, সেইজন মহাত্মাৰ কথাও যেতিয়া ভাৰতীয় কংগ্ৰেছৰ নেতা সকলে ওফোৰাই দিলে-, ভগবানৰ দয়া আৰু কৃপাদৃষ্টিৰ বাবে প্ৰাৰ্থনা কৰাৰ বাহিৰে অসমৰ মানুহৰ আৰু একোৱেই বাকী নাথাকিল। মহাত্মা গান্ধীৰো পৰাজয় হ'ল। কিন্তু নিয়তিৰ বিধান আৰু পৰিহাস বুজা বৰ কঠিন।

কংগ্ৰেছ সভাপতি নেহৰুৰ প্ৰেচমেল

৭ জুলাইত কংগ্ৰেছ সভাপতি হোৱাৰ পিছত ১০ জুলাইত বম্বেত জৱহৰলাল নেহৰুৱে এখন সাংবাদিক মেল পাতিলে। কোনোবা সাংবাদিকে তেখেতক সুধিলে- কংগ্ৰেছে এতিয়া প্ৰস্তাৱ পাছ কৰাৰ পিছত মধ্যকালীন চৰকাৰ গঠন সহ কেবিনেট মিচনৰ আঁচনি সম্পূৰ্ণৰূপে, যেনে আছে তেনেকৈয়ে গ্ৰহণ কৰিছেনে কি? নেহৰুৱে উত্তৰ দিলে- চুক্তিৰ দ্বাৰা সম্পূৰ্ণ মুক্তভাৱেই কংগ্ৰেছে গণ পৰিষদত যোগ দিব আৰু যি পৰিস্থিতিয়েই উদ্ভৱ হয় তাৰ সমাধানৰ ব্যৱস্থা কৰিবলৈ স্বাধীনতা থাকিব। সাংবাদিকে আকৌ সুধিলে ইয়াৰ অৰ্থ এইটো হ'ব নে কি যে কেবিনেট মিচন প্লেনৰ পৰিবৰ্ত্তন কৰিব পৰা যাব? জৱহৰলালে দৃঢ়তাৱে উত্তৰ দিলে- কংগ্ৰেছে গণ পৰিষদত অংশ গ্ৰহণ কৰিবলৈহে সম্মত হৈছে, আৰু যিটো সকলোতকৈ ভাল বুলি ভাবে কেবিনেট মিচন প্লেনৰ পৰিবৰ্ত্তন বা সংশোধন কৰিবলৈ নিজৰ স্বাধীনতা আছে বুলি বিবেচনা কৰে।

মিঃ জিন্নাই এই কথা শুনি স্তম্ভিত হ'ল। অন্য কোনো পথেই মুকলি নথকাত বাধ্য হৈ তেওঁ কেবিনেট মিচন প্লেন গ্ৰহণ কৰিছিল। তেওঁৰ এতিয়া চিন্তা হ'ল আৰু ভয় হ'ল যে গণ পৰিষদত হিন্দু সংখ্যা গৰিষ্ঠ হ'বই যেতিয়া মুচলমান সকল সদায় হিন্দুৰ কথাত উঠ বহ কৰি নিৰ্ভৰশীল হৈ থাকিব লাগিব। গতিকে মিঃ জিন্নাই অন্য পথৰ সন্ধান কৰিলে।

কলিয়াবৰত ছাত্ৰ কংগ্ৰেছ

সৰ্ব্বভাৰতীয় পৰ্য্যায়ত ঘটা ঘটনাবোৰ কলিয়াবৰৰ কংগ্ৰেছ নেতা আৰু ছাত্ৰ সমাজে আলোচনা কৰি কলিয়াবৰত এটা নতুন জাগৰণৰ সূচনা কৰিবৰ কাৰণে ব্যৱস্থা ল'লে। নগাওঁ জিলা ছাত্ৰ কংগ্ৰেছৰ ২য় বাৰ্ষিক অধিবেশন পাতিবলৈ যো-জা কৰিলে। পৰাধীন ভাৰতৰ ছাত্ৰ সংগঠনটো এটা বৃহৎ শক্তিৰূপে ইতিমধ্যে পৰিগণিত হৈছেই। কলিয়াবৰ ছাত্ৰ ইউনিয়নৰ তেতিয়াৰ সম্পাদক আছিল শ্ৰীসুবথ চন্দ্ৰ বৰা। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে দুবছৰ

আগতেই 'ছাত্ৰ সন্মিলন'ৰ নাম সলাই 'ছাত্ৰ ইউনিয়ন' কৰা হৈছিল আৰু তাৰ পিছতে ইউনিয়ন সলাই 'ছাত্ৰ কংগ্ৰেছ' কৰা হয়।

১৯৪৫ চনৰ জুলাই মাহত (?) গুৱাহাটীত বহা প্ৰাদেশিক ছাত্ৰ কংগ্ৰেছৰ অধিবেশনলৈ কলিয়াবৰৰ পৰা প্ৰতিনিধি হিচাপে সৰ্ব্বশ্ৰী সুৰথ চন্দ্ৰ বৰা, লীলাকান্ত শৰ্ম্মা, নৰেন্দ্ৰ নাথ বৰা আৰু হৰেন্দ্ৰ নাথ শইকীয়া, এই কেইজনে গৈ অংশ গ্ৰহণ কৰিছিল।

নগাওঁ জিলা ছাত্ৰ কংগ্ৰেছৰ ২য় বাৰ্ষিক অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতিৰ ছপা কৰা গোহাৰিখন তলত তুলি দিয়া হ'ল-

"ৰাইজ সকল আৰু ছাত্ৰ-ছাত্ৰী সকললৈ গোহাৰি-

শ্ৰদ্ধেয় ৰাইজসকল,

নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ১৯৪২ চনৰ ভাৰত ত্যাগ প্ৰস্তাৱক ভিত্তি কৰি অসম কংগ্ৰেছৰ নেতা সকলৰ আশীষ বাণী মূৰত লৈ ১৯৪৪ চনৰ ডিচেম্বৰ মাহত 'অসম ছাত্ৰ ইউনিয়নৰ' জন্ম হয়। বৰ্ত্তমান এই অনুষ্ঠান নিখিল ভাৰত ছাত্ৰ কংগ্ৰেছৰ অন্তৰ্ভূক্ত হোৱা কাৰণে অনুৰূপ নাম গ্ৰহণ কৰি অসম ছাত্ৰ কংগ্ৰেছ নাম লয়। 'নগাওঁ জিলা ছাত্ৰ কংগ্ৰেছ' উক্ত অসম ছাত্ৰ কংগ্ৰেছৰ অন্তৰ্ভূক্ত এটি জাতীয়তাবাদী প্ৰতিষ্ঠান। আমাৰ নেতাসকলৰ আশীষ বাণী লৈ স্থাপিত হোৱা এনে এটি জাতীয়তাবাদী অনুষ্ঠানৰ প্ৰতি আমাৰ ৰাইজৰ শুভ ইচ্ছা আৰু সহানুভূতি যে আছে আৰু থাকিব সেইটো আমি ধৰি ল'ব পাৰো।

ৰাইজসকল, আপোনালোকে শুনি সন্তোষ পাব যে নগাওঁ জিলা ছাত্ৰ কংগ্ৰেছৰ দ্বিতীয় বাৰ্ষিক অধিবেশন বৰ্ত্তমান আষাৰ মাহৰ ৩০/৩১ তাৰিখে (ইং ১৫/১৬ জুলাই) কলিয়াবৰত পাতিবৰ কাৰণে আয়োজন কৰা হৈছে। উক্ত অধিবেশনত সদৌ নগাঁৱৰ পৰা প্ৰায় ৩০০ মান প্ৰতিনিধি আহিব। এনে এটি অধিবেশন পাতিবৰ হ'লে অতি কম পক্ষেও ১৩/১৪ শ টকাৰ আৱশ্যক। ৰাইজৰ বিনা সহায়ে ছাত্ৰ সকলে যে কোনো কামেই কৰিব নোৱাৰে সি আপোনালোকৰ অবিদিত নহয়। গতিকে ৰাইজৰ সহায় সহানুভূতিৰ ওপৰতেই এই অধিবেশনৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰিছে।

বিশেষকৈ কলিয়াবৰৰ ৰাইজৰ সহায় ও সহানুভূতিৰ ওপৰত নিৰ্ভৰ কৰিয়েই ছাত্ৰসকলে এই অধিবেশন কলিয়াবৰলৈ নিমন্ত্ৰণ কৰিছিল। কলিয়াবৰৰ ৰাইজৰ ওচৰত আমাৰ এই সৰল গোহাৰি যে এই অধিবেশন যাতে সুকলমে সমাধা কৰিব পাৰি সেই অৰ্থে সিবিলাকে যথা সাধ্য অৰ্থ আৰু খাদ্য সামগ্ৰী আদি দান কৰি দেশৰ ধৰণী স্বৰূপ আৰু ভবিষ্যৎ আশা ভৰসাৰ স্থল ছাত্ৰ সকলক উৎসাহিত কৰে আৰু লগে লগেই এই উঠি অহা অনুষ্ঠানটিক দেশৰ তথা ৰাইজৰ সেৱা কৰিবলৈ অনুপ্ৰাণীত কৰে।

ছাত্ৰ ছাত্ৰী বন্ধুসকল,

আপোনালোকৰ একাগ্ৰতা, আন্তৰিকতা আৰু কাৰ্য্যক্ষমতাৰ ওপৰতেই এই অধিবেশনৰ সাফল্যতা সম্পূৰ্ণ নিৰ্ভৰ কৰিছে। সময় নিচেই কম। গতিকেই আশাকৰোঁ আপোনালোকে এতিয়াৰ পৰাই অধিবেশন যাতে সাফল্যমণ্ডিত কৰি তুলিব পাৰি তাৰ নিমিত্তে উঠি পৰি লাগিব।

জয়হিন্দ

কলিয়াবৰ
২০/৬/৪৬
সূর্য্য প্ৰেছ, নগাওঁ

বিনীত
শ্ৰীলীলাকান্ত বড়া
সভাপতি, অভ্যৰ্থনা সমিতি, নগাওঁ জিলা ছাত্ৰ
কংগ্ৰেছ, ২য়বাৰ্ষিক অধিবেশন, কলিয়াবৰ।"

আমি আগতে উল্লেখ কৰা কলিয়াবৰৰ সুযোগ্য সন্তান কংগ্ৰেছৰ গান্ধীবাদী নেতা

শাকমুঠি গাঁৱৰ শ্ৰীলীলাকান্ত বড়াই এইজন শ্ৰীবড়া। সৰ্ব্বশ্ৰী সুৰথ বৰা, নৰেন্দ্ৰ নাথ বৰা আৰু লীলা কান্ত শৰ্ম্মাই এই অধিবেশন কলিয়াবৰত পাতিবলৈ নিমন্ত্ৰণ কৰিছিল। জিলা কমিটিয়ে তেওঁলোকৰ নিমন্ত্ৰণ ৰক্ষা কৰিলে।

কলিয়াবৰ ছাত্ৰ কংগ্ৰেছৰ এই অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ যুটীয়া সম্পাদক আছিল শ্ৰীসুৰথ চন্দ্ৰ বৰা (শাকমুঠি) আৰু শ্ৰীলীলাকান্ত শৰ্ম্মা (চতিয়াল) আৰু সহকাৰী সম্পাদিকা আছিল বড়িগাওঁৰ শ্ৰীমতী মাইকল শইকীয়া।

কাৰ্য্যসূচীত থকা মতে ১৪/৭/৪৬ তাৰিখ দেওবাৰে সন্ধ্যা বিষয় বাচনি সভা, ১৫ আৰু ১৬ তাৰিখে দুয়োদিন দিনত ২ বজাৰ পৰা মুকলি সভা, সন্ধ্যা-সাংস্কৃতিক সভা আৰু তৰ্ক সভা।"

সাহায্যৰ বাবে বাইজলৈ আবেদন জনোৱাৰ উপৰিও জখলাবন্ধা নাট্য মন্দিৰত কানীয়া ৰহস্য নাটক মঞ্চস্থ কৰা হৈছিল। লগতে আছিল প্ৰাচীন কামৰূপী নৃত্য গীতৰ শৰাই। গোহাৰিখনত লিখা আছে- "কলিয়াবৰৰ সুদক্ষ শিল্পীৰে পৰিকল্পন আৰু পৰিচালিত ঃ শ্ৰীযুত হৰেন্দ্ৰ নাথ শৰ্ম্মা, ফিল্ম এক্টৰ, শ্ৰীযুত গিৰিকান্ত মহন্ত, শঙ্কৰী বাদ্যৰ ওজা, শ্ৰীযুত তিলক হাজৰিকা, সঙ্গীতজ্ঞ।

নৃত্য শিল্পী শ্ৰীকিনাৰাম বৰা, শ্ৰীমতী নিভাৰাণী দত্ত আৰু শ্ৰীপূৰ্ণানন্দ গগৈ (তিনিও গৱাকী পদক প্ৰাপ্ত)

অভিনেতা- কাইৰং শ্ৰীহৰেন্দ্ৰ নাথ শৰ্ম্মা, ফিলগা শ্ৰীশিৱ মুখাৰ্জ্জী, মহলদাৰ- শ্ৰীৰিপিন বৰদলৈ।

টিকতৰ হাৰ আছিল ঃ ৰিজাৰ্ভ- ২টকা, ১ম শ্ৰেণী- ১টকা, ২য় শ্ৰেণী- দহ অনা, ৩য় শ্ৰেণী- ছয় অনা, মাটিত পাঁচ অনা, মহিলা বাৰ অনা।"

(তেতিয়াৰ এই কথাবোৰ জানিবৰ কাৰণে এইখিনি তুলি দিয়া হ'ল)

অধিবেশন পতা হৈছিল বৰ্ত্তমান হাটবৰ দলঙৰ কাষত কলঙৰ পাৰত থকা এল. পি. স্কুলৰ বাকৰিত। তেতিয়া স্কুলখন তাত নাছিল। কলঙত দলং নাছিল। বৰ্ত্তমান থকা দোকান বজাৰো একো নাছিল। সম্পূৰ্ণ মুকলি ঠাই। প্ৰতিনিধি শিবিৰ পতা হৈছিল চতিয়ালৰ শ্ৰীৰিপিন চৌধুৰীৰ (শ্ৰীযতীন চৌধুৰীৰ দেউতাক) মাটিত মিলিটাৰীয়ে এৰি থৈ যোৱা ঘৰ বোৰত। তেতিয়া সৰুভগীয়াত যি মিলিটাৰী কোঠ আছিল সেই কোঠলৈ অহা আমেৰিকান বিষয়া, কমাণ্ডাৰ আৰু উচ্চখাপৰ লোকৰ বাবে থকা ঘৰ সাজি (অস্থায়ী কিন্তু পকীঘৰ) লৈছিল। ১৫ ফুট ওখত পানীৰ ভাণ্ডাৰ তৈয়াৰ কৰি পাম্পেৰে পানী তুলি পাইপেৰে প্ৰতিটো ঘৰলৈ পানী যোগানৰ ব্যৱস্থা কৰিছিল। বন্ধাৰ কাৰণে সুন্দৰ ওখ চুলা তৈয়াৰ কৰি লৈছিল। খোৱা ঘৰ ডাঙৰকৈ সাজিছিল। চকি টেবুল বেঞ্চ সকলো আছিল। যুদ্ধ শেষ হোৱাত এই সকলোবোৰ যেনে আছিল তেনেকৈ এৰি গৈছিল। হাটবৰৰ পৰা প্ৰায় দুই কিঃ মিঃ ৰ অলপ বেচি দূৰ হ'ব। প্ৰতিনিধি সকলক অনা নিয়াৰ কাৰণে জখলাবন্ধাৰ শ্ৰীপ্ৰভাত খাণ্ডল আৰু আন এজনে মিলিটাৰীৰ পৰা কিনি ৰখা বহাৰ সুবিধা থকা তিৰপালৰে ঢকা ট্ৰাক দি আমাক সহায় কৰিছিল। এই সংক্ৰান্তত প্ৰতিনিধি সকলে বিশেষকৈ শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীদেৱে অভিমত দিছিল এইখন কলিয়াবৰ নহয় কলিকতাহে।

অধিবেশনৰ ৰভাৰ বাবে ৰাইজে বাঁহ, খেৰ তিৰপাল আদি সকলো বস্তু দি সহায় কৰিছিল। আমাৰ ছাত্ৰসকলে কান্ধেৰে সেইবোৰ কঢ়িয়াইছিলো। ৰভা ছাত্ৰ সকলে নিজে দিছিল। কংগ্ৰেছৰ ভলণ্টিয়াৰ সকলেও উঠি পৰি লাগিছিল। নেতাসকলে সকলো কামতে দিহা পৰামৰ্শ আগবঢ়াইছিল। সেই দিনত হাজিৰা লগাই কাম কৰোৱাৰ কথা কোনেও ভাবিবই নোৱাৰিছিল। বিয়া- সবাহ, ভাওনা-থিয়েটাৰ বা যি কোনো মানুহৰ ঘৰৰা অনুষ্ঠানতো ৰাইজ গোট খাই ৰভা দিছিল। একতাৰ মৰম-চেনেহৰ এনাজৰিৰে ৰাইজ বান্ধ খাই আছিল।

৩১০ জন প্ৰতিনিধিয়ে অধিবেশনত যোগ দিছিল। তাৰোপৰি নগাওঁ, তেজপুৰ আৰু গুৱাহাটীৰ পৰাও প্ৰাদেশিক কংগ্ৰেছৰ নেতা সকল আহি অধিবেশনত যোগ দিছিল। শ্ৰীমহেন্দ্ৰ হাজৰিকা, শ্ৰীদেৰকান্ত বৰুৱা, শ্ৰীপূৰ্ণ চন্দ্ৰ শৰ্ম্মা, শ্ৰীমতিৰাম বৰা, শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী, শ্ৰীপুষ্পলতা দাস, মহম্মদ তৈয়বুল্লা আদি সকলে অধিবেশনত ভাষণ দিছিল। দুয়োদিনৰ মুকলি সভাত তেতিযাৰ সদৌ অসম ছাত্ৰ কংগ্ৰেছৰ সভাপতি শ্ৰীবিশ্বদেৱ শৰ্ম্মাই (পিছলৈ মন্ত্ৰী) সভাপতিত্ব কৰিছিল।

"যদিও এইখন নগাওঁ জিলা ছাত্ৰ কংগ্ৰেছৰ ২য বাৰ্ষিক অধিবেশন, বক্তৃতা প্ৰসঙ্গত কিন্তু প্ৰতিজন ব্যক্তিয়েই দেশৰ বৰ্ত্তমান পৰিস্থিতি আৰু অসমৰ জীৱন মৰণৰ সমস্যাৰ কথাহে বেচিকৈ আলোচনা কৰি সৰ্ব্বভাৰতীয নেতা সকলৰ আকোঁৰগোজ মনোভাৱৰ সমালোচনা কৰিলে। শ্ৰীমতী পুষ্পলতা দাস ৰাইদেউৰ ভাষা বিপ্লৱী উগ্ৰবাদী নেতৃ শ্ৰীমতী অৰুণা আচফ আলিৰ দৰেই আছিল তেজস্বী। বক্তা সকলে কেবিনেট মিচনৰ অযুক্তিকৰ গুপিণ্ডৰ কথা কৈছিল। যদি মুচলমান সংখ্যা গৰিষ্ঠ অঞ্চলকে লগ লগাই গুপিণ্ডৰ ব্যৱস্থা কৰা হৈছিল তেন্তে অসমটো মুচলমান সংখ্যা গৰিষ্ঠ প্ৰদেশ নাছিল বা নহয়। এই জলন্ত সত্যটোকে সৰ্ব্বভাৰতীয় কংগ্ৰেছ নেতা সকলে কিয় ভাবিব নোৱাৰিলে। মহম্মদ তৈযবুল্লা চাহাবে ভাৰতীয কংগ্ৰেছ নেতা সকলক অসম বিৰোধী আখ্যা দিছিল। বিনা ৰক্তপাতে স্বাধীনতা লাভৰ আশাত অসমৰ ৰাইজৰ মনোবেদনাৰ কথা কংগ্ৰেছৰ বিয়াগোম নেতা সকলে নেভাবিলে আৰু শ্ৰীগোপীনাথ বৰদলৈদেৱক 'আকোঁৰগোজ' বুলি মিচা অপবাদ দিযাৰ কথাও ৰাইজক বুজাই ক'লে। এইখন নামতহে ছাত্ৰ কংগ্ৰেছৰ অধিবেশন হ'ল প্ৰকৃততে এইখন হৈ পৰিল কংগ্ৰেছৰ এখন অতি গুৰুত্বপূৰ্ণ ৰাজহুৱা সভা- য'ত ছাত্ৰ সমাজ ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰিল।

অধিবেশন অতি সুকলমে, কোনো ফালেই কোনো অসুবিধা নোহোৱাকৈ, সাফল্যমণ্ডিত হ'ল। ৰাইজে নখ জোকাৰি নৈ বোৱালে। কোনো বস্তুৰে নাটনি নহ'ল ৰৱঞ্চ বস্তুৰ উদ্ভেনদী হ'ল। কলিয়াবৰীয়া ছাত্ৰ সকলক বিশেষকৈ ৰাইজক সকলোৱে প্ৰশংসা কৰিলে, অভিনন্দন জনালে।

ছাত্ৰ কংগ্ৰেছৰ এই অধিবেশনে কলিয়াবৰৰ সেই সময়ত কিছু পৰিমাণে সেমেকি পৰা অৱস্থাটোৰ আমূল পৰিবৰ্ত্তন আনিলে। মানুহ আকৌ কংগ্ৰেছৰ আহ্বানত দলে দলে ওলাই আহিল।

এই অধিবেশনে কলিয়াবৰ ছাত্ৰ কংগ্ৰেছৰ ওপৰত বেচ প্ৰভাব পেলালে আৰু কংগ্ৰেছ কমিটিক যথেষ্ট সহায় কৰিলে। কলিয়াবৰ কংগ্ৰেছে শান্তি সেনা বাহিনী পুনৰ গঠন কৰিলে। আগতে যিখন ঠাইত ১০/১২ জন শান্তি সেনা আছিল এতিয়া ৬০/৭০ জনকৈ ওলাই আহিল। প্ৰাথমিক কংগ্ৰেছে প্ৰতিখন গাঁৱৰে শান্তি সেনাৰ তালিকা কেন্দ্ৰীয় কংগ্ৰেছ অফিচলৈ পঠিয়ালে। (স্থানৰ অভাৱত সেইবোৰ তালিকা প্ৰকাশ কৰিব নোৱাৰি দুঃখিত)।

জিন্নাৰ প্ৰত্যক্ষ সংগ্ৰাম
(Direct Action)

২৭ জুলাইত বম্বে মহানগৰীত মুচলিম লীগ কাউঞ্চিলৰ সভা বহিল। আলোচনা কৰিলে সকলো কথা আৰু শেষত কেবিনেট মিচন প্লেন গ্ৰহণ কৰাতো নাকচ কৰি প্ৰস্তাৱ গ্ৰহণ কৰিলে। আৰু লগতে পাকিস্তান দাবী কৰি জয়যুক্ত হ'বলৈ প্ৰত্যক্ষ সংগ্ৰাম কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিলে।

অখণ্ড ভাৰতৰ স্বাধীনতা প্ৰাপ্তিৰ বাবে এতিয়ালৈ যিমান বোৰ যুঁজ বাগৰ আলোচনা বিলোচনা কৰি চূড়ান্ত অৱস্থাত উপনিত হ'লহি- এই সকলোবোৰৰ পৰিসমাপ্তি ঘটিল, ঘটনা চক্ৰই এটা নতুন দিশে গতি কৰিলে।

মিঃ জিন্নাই প্ৰত্যক্ষ সংগ্ৰামৰ (Direct Action) কোনো ব্যাখ্যা দিয়া নাছিল, কোনেও জনা নাছিল তেওঁৰ মনত কি ভাব পুহি ৰাখিছিল। কিন্তু এই পোনপতিয়া সংগ্ৰামৰ বাবে তেওঁ ১৬ আগষ্ট (১৯৪৬)ৰ দিনটো সময় সীমা নিদ্ধাৰণ কৰি দিছিল।

২৭ জুলাইৰ এই প্ৰস্তাৱৰ পিছত জিন্নাই ভাবিছিল বৃটিছ চৰকাৰে তেওঁক পুনৰ আলোচনা বাবে মাতিব আৰু নতুনকৈ আলোচনা কৰি তেওঁৰ মনোমত হোৱাকৈ কিবা এটা কৰিব। কিন্তু চৰকাৰে জিন্নাৰ এই আশাৰ মূৰত চেচাঁপানী ঢালিলে। ১২ আগষ্টত ৰৱলাট ভাইচৰয়ে পণ্ডিত জৱহৰলাল নেহৰুক চৰকাৰ গঠন কৰিবলৈ নিমন্ত্ৰণ জনালে। ইয়াতেই মিঃ জিন্না আৰু মুচলিম লীগ আৰু লগতে মিঃ চুৰাৱৰ্দ্দিও (বঙ্গদেশৰ প্ৰধান মন্ত্ৰী) বিচলিত হ'ল। তেওঁলোকে গোপন আলোচনা কৰিলে।

এই ১৬ আগষ্টৰ দিনটোতে কলিকতা মহানগৰীলৈ অন্ধকাৰ নামি আহিল। অকল কলিকতাৰে নহয় সমগ্ৰ ভাৰতবৰ্ষৰ বাবেই এইটো এক মৰ্ম্মান্তিক বেদনাৰ দিন। জিন্নাৰ প্ৰত্যক্ষ সংগ্ৰাম মানে আছিল সন্মুখ সংঘৰ্ষৰ আঁচনি। ইয়াৰ লগতে আকৌ বেঙ্গল গৱৰ্ণমেণ্টে ১৬ আগষ্টৰ দিনটো চৰকাৰী বন্ধৰ দিন বুলি ঘোষণা কৰাত মানুহৰ মনত আতঙ্কৰ সৃষ্টি হৈছিল। কংগ্ৰেছ পাৰ্টিয়ে এই সিদ্ধান্তৰ বিৰোধীতা কৰিছিল। কিন্তু বৃথা চেষ্টা হ'ল, বন্ধ হ'বই।

অৱশেষত প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা কলিকতা মহানগৰীৰ বুকুলৈ চৰম দুৰ্দ্দশা আৰু

দুৰ্ভাগ্য নামি আহিল। মহানগৰীত সেইদিনা দোকমোকালিৰে পৰা আৰম্ভ হ'ল হিন্দু নিধন মহা পৰ্ব। মুহূর্ত্তৰ ভিতৰতে শ শ হিন্দু মানুহ হত্যা কৰা হ'ল। তেজৰ নৈ বৈ গ'ল কলিকতাৰ ৰাজপথ, উপপথ, গলি, উপগলিৰ ওপৰেৰে. হাজাৰ হাজাৰ মানুহ ঘূণীয়া হ'ল। কোটি কোটি টকাৰ সম্পত্তি ধ্বংস হ'ল, লুটপাত আৰম্ভ হ'ল। মুচলিম লীগে কলিকতাৰ বাট পথ সকলোতে শোভাযাত্রা উলিয়ালে। হাজাৰ হাজাৰ ঘৰত জুই দিলে। সমগ্ৰ কলিকতাতে তাণ্ডৱ লীলা চলিল। হিন্দু সকল পেপুৱা লাগিল। দুপৰীয়ালৈ পৰিস্থিতি আৰু বেয়ালৈ গ'ল। শোভাযাত্রা কাৰীয়ে বাটে পথে, ঘৰে বহিৰে কটা কটি মৰা মৰি লুণ্ঠন লুটপাত অগ্নি সংযোগ অবাধে চলালে। মুচলিম সকলে যেনেকৈ অত্যাচাৰ চলালে হিন্দুৱেও পিছলৈ একেদৰেই প্রতিবোধ কৰিলে, প্রতিশোধ ল'লে। মিঃ জিন্নাৰ Direct Action, প্রত্যক্ষ সংগ্রাম মানে কি আছিল এতিয়াহে মানুহে বুজি পালে।

সেই সময়ত বঙ্গদেশত মিঃ চুৰৰৰ্দ্দি প্রধান (মুখ্য) মন্ত্রী আছিল মুচলিম লীগ চৰকাৰৰ। ৰাজ হাউলিত বহি নীৰৰ দর্শক হৈ তেওঁ হিন্দুসকলৰ দুখ দুর্গতি আৰু কলিকতা বাসীৰ ক্ষিপর্য্যয়ৰ অৱস্থা চাই থাকিল। সংঘর্ষ দমন কৰিবলৈ তেওঁ একোৱেই নকৰিলে। পুলিছ মিলিটাৰী কলিকতা মহানগৰীত ভৰি আছিল। তেওঁলোক বেৰেকৰ পৰা এখোজো ওলাই নাহিল। হাজাৰ হাজাৰ ল'ৰা-ছোৱালী, তিকতাৰ ওপৰত অত্যাচাৰ চলিল, হত্যা কৰা হ'ল। নাৰী ধর্ষণ আৰু হত্যাকাণ্ড অতি সাধাৰণ কথা হৈ পৰিল। সমগ্ৰ কলিকতা মহানগৰী গুণ্ডা সকলৰ কবললৈ আহিল। গুণ্ডাৰ ৰাজত্ব চলিল অবাধে।

পুলিছ মিলিটাৰীক চৰকাৰে মাত্র সাজু হৈ থাকিবলৈহে হুকুম দিলে। সংঘর্ষ দমন কৰিবলৈ তেওঁলোকক নির্দ্দেশ নিদিলে। বিনা আদেশে পুলিছ মিলিটাৰীয়ে কৰিব পৰা কামো নকৰিলে তেওঁলোকে। হয়তো চৰকাৰৰ ফালৰ পৰাই মানা কৰা হৈছিল। সেইদিনা মৌলানা আজাদ আৰু শৰৎ বসু (বেঙ্গল কংগ্রেছৰ নেতা) দিল্লীত কংগ্রেছ কমিটিৰ মিটিঙলৈ গৈছিল। ডমডম বিমান কোঠত ট্রাক বিলাকত বহি থকা মিলিটাৰীবোৰ দেখি আজাদে সুধিছিল কিয় তেওঁলোকে আইন শৃঙ্খলা ৰক্ষা কৰিবলৈ যোৱা নাই। তেওঁলোকে উত্তৰ দিছিল, তেওঁলোকক তৈয়াৰ হৈ থাকিবলৈহে কোৱা হৈছে কোনো কর্ত্তব্য কৰিবলৈ দিয়া নাই।

একে লেঠাৰীয়ে কে'বা দিনো এই সংঘর্ষ চলি থাকিল। ১৮ আগষ্টৰ দিনা অসমৰ এগৰাকী উদিয়মান কবি অমূল্য বৰুৱাক হত্যা কৰা হ'ল।

সংঘর্ষৰ বীজ দেশৰ অন্য ঠাইলৈকো বিয়পি পৰিল। জিন্নাই এই পৰিস্থিতিৰ সুবিধা ল'লে। চৰকাৰত অংশ গ্রহণ কৰিবলৈ নেহৰুৰে কৰা আমন্ত্রণ প্রত্যাখ্যান কৰিলে। আনকি ভাইচৰয় লর্ড ৰাভেলৰ অনুৰোধো মুচলিম লীগে উপেক্ষা কৰিলে। এক অচলাৱস্থাৰ সৃষ্টি হ'ল। অনিশ্চয়তাৰ গৰাহত ভাৰতীয় ৰাজনীতি সোমাই পৰিল আৰু অন্ধকাৰ ভৱিষ্যতৰ ফালে অগ্রসৰ হ'ব লগা হ'ল। ইফালে বিহাৰ আৰু বেঙ্গলত সংঘর্ষৰ তাণ্ডৱলীলাই কাল ৰূপ ধৰিলে।

অক্টোবৰ মাহৰ শেষৰ ফালে মহাত্মা গান্ধী কলিকতাৰ সংঘৰ্ষ দমন কৰিবলৈ যাত্ৰা কৰিলে। কলিকতা মহানগৰীতে অতি সঘনে সাম্প্ৰদায়িক সংঘৰ্ষ হৈ থাকে। মানুহৰ মনত প্ৰতিশোধৰ জুই উমি উমি জ্বলি থাকে। কলিকতা মহানগৰীয়েই সাম্প্ৰদায়িক সংঘৰ্ষত সদায় বেচিকৈ জুৱলা হয়। তেতিয়া কলিকতাত (বেঙ্গলৰ) মুখ্যমন্ত্ৰী চুহাৰ্দী মুছলিম লীগৰ মানুহ, অতি নিৰ্দ্দয় হৃদয়হীন ব্যক্তি বুলি তেওঁৰ কাৰ্য্যই প্ৰমাণ কৰিছিল। গান্ধীজীয়ে এইজন মানুহৰো হৃদয় জয় কৰিলে। অতি বন্ধু ভাবাপন্ন ভাৱে অকপটে গান্ধীজীয়ে সেইজন ব্যক্তিৰ লগত মুখামুখী হৈ জয়ী হ'ল। কলিকতাত সাম্প্ৰদায়িক সংঘৰ্ষৰ ওৰ পৰিল।

নবেম্বৰ মাহৰ ৩ তাৰিখে কলিকতাৰ প্ৰাৰ্থনা সভাত বিহাৰৰ জনগণক উদ্দেশ্য কৰি গান্ধীজীয়ে কৈছিল "মই যে কিমান দুখ পাইছো তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। তেজৰ সলনি তেজ লাগে, এই কথা বৰ্ব্বৰজনোচিত। নোৱাখালীৰ ঘটনাৰ কাৰণে তুমি বিহাৰত তাৰ প্ৰতিশোধ ল'ব নোৱাৰা।"

কেইদিনমান পিছত গান্ধীজীয়ে বিহাৰী সকললৈ গোহাৰি জনাইছিল আৰু তাৰ হিন্দুসকলে কি কৰা উচিত সেই সম্পৰ্কেও ইঙ্গিত দিছিল। বিজুলী সঞ্চাৰে তাৰ ফল ফলিল। বিহাৰত দাঙ্গা হাঙ্গামা বন্ধ হ'ল।

গান্ধীজীয়ে নোৱাখালীলৈ যাত্ৰা কৰিলে নবেম্বৰৰ ৭ তাৰিখে। নোৱাখালীৰ সংঘৰ্ষই হাজাৰ হাজাৰ মানুহৰ মৃত্যু ঘটালে। হিন্দুসকলৰ ওপৰত বেচিকৈ অত্যাচাৰ চলিল। নিমাখিত ল'ৰা-ছোৱালী-তিৰুতাৰ ওপৰত অত্যাচাৰ চলাই হত্যা কৰা হ'ল। বৃদ্ধ-বৃদ্ধা সকলক থেকেচি মাৰিলে, ডিণ্ডি কাটিলে। পিছত গৈ এনে পৰিস্থিতি হ'লগৈ যে কোনে কাক মাৰিছে কাটিছে চেদ ভেদ নোহোৱা হ'ল। নোৱাখালীৰ হিন্দু সকলেই (২০% মাত্ৰ) বেচি ক্ষতিগ্ৰষ্ট হ'ল। তেজৰ নৈ বৈ গ'ল। ষ'তে ত'তে মৃত দেহবোৰ পৰি থাকিল। গান্ধীজীয়ে তেজৰ নৈৰ ওপৰেৰে খোজ কাটি এখনৰ পিছত সিখন গাঁৱলৈ ঘুৰি ফুৰিলে। চাৰিমাহৰ পিছত নোৱাখালীৰ গান্ধীজীৰ শান্তি যাত্ৰা সম্পূৰ্ণ সফল হোৱাত ২ মাৰ্চত (১৯৪৭) তেখেত বিহাৰলৈ গ'ল। তাতো সংঘৰ্ষ পীড়িত সকলক সান্ত্বনা দিলেগৈ।

কলিয়াবৰত ৰামমনোহৰ

সাম্প্ৰদায়িক সংঘৰ্ষৰ বীজ ভাৰতৰ আন আন ঠাইলৈকো বিয়পি পৰাৰ পিছতে কংগ্ৰেছ ছচিয়েলিষ্ট সকলে ভাৰতৰ বিভিন্ন ঠাইলৈ (য'ত ত'ত সংঘৰ্ষ হোৱাৰ সম্ভাৱনা আছে) গৈ ৰাইজৰ মাজত শান্তি সম্প্ৰীতি ৰক্ষাৰ বাবে চেষ্টা চলালে। অসমলৈ আহিল শ্ৰীৰামমনোহৰ লুহীয়াদেৱ। তেখেতক কলিয়াবৰত আদৰণি জনাবলৈ কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে এখন ৰাজহুৱা সভাৰ আয়োজন কৰিলে। এই সংক্ৰান্তত আমাৰ হাতত থকা এখন চিঠিৰ নকল তুলি দিয়া হ'ল।

নগাওঁ জিলাৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱে ১৯/৮/৪৬ তাৰিখে কলিয়াবৰ শাখা কংগ্ৰেছ কমিটিৰ সভাপতিলৈ লিখিলে-

"অহা ২২/৮/৪৬ তাৰিখে, বৃহস্পতিবাৰে, ভাৰতৰ প্ৰসিদ্ধ সমাজতন্ত্ৰী নেতা শ্ৰীৰামমোহন লুহীয়া ৪ টা বজাত চতিয়াল ট্ৰেইনিং শিবিৰ পাবহি। শিবিৰত তেখেতক অভ্যৰ্থনাৰ আয়োজন কৰা হৈছে। তাতে এখন ৰাজহুৱা সভাও পাতিবৰ কাৰণে জিঃ কং কমিটিয়ে নিৰ্দেশ দিছে।

গতিকে কলিয়াবৰৰ শাখা কংগ্ৰেছ কমিটিয়ে তেখেতক সম্বৰ্দ্ধনা জনাই কলিয়াবৰৰ সম্মান ৰক্ষা কৰিব বুলি অনুৰোধ কৰিলো।

সভাৰ সম্পূৰ্ণ দায়ীত্ব কলিয়াবৰ কংগ্ৰেছ কমিটিৰ ওপৰত। খোৱা লোৱা আদি কৰি সকলো দায়িত্ব ল'বলৈ অনুৰোধ কৰা হ'ল।"

কলিয়াবৰত আজাদ হিন্দ ফৌজ

ইতিমধ্যে দ্বিতীয় মহাসমৰৰ অন্ত পৰিল। ভাৰতৰ স্বাধীনতাৰ প্ৰশ্নটো এতিয়াও সুদূৰ পাহাৰত। কংগ্ৰেছৰ নেতাসকলে যুদ্ধ বন্দী আজাদ হিন্দ ফৌজৰ সৈন্য সকলৰ সপক্ষে সমৰ্থন আগবঢ়াই আইন আদালতত নিজৰ বক্তব্য দাঙি ধৰিলে। ইয়াৰ লগে লগে ভাৰতৰ সকলো ঠাইতে এই ফৌজত নাম ভৰ্ত্তি কৰি ট্ৰেইনিং ল'বলৈ ডেকা সকললৈ আহ্বান জনালে। আগষ্ট মাহৰ প্ৰথম সপ্তাহত জাননী পাই কলিযাবৰৰ প্ৰত্যেক প্ৰাথমিকৰ বহুতো কংগ্ৰেছ কৰ্ম্মী, শান্তি সেনাই কলিযাবৰ কংগ্ৰেছৰ সভাপতিলৈ আবেদন জনালে।

সৰুভগীয়াৰ শ্ৰীটঙ্কেশ্বৰ হাজৰিকা, হাটবৰৰ শ্ৰীভাবিৰাম বৰা আৰু গাৰিকুৰিৰ শ্ৰীযতীন গায়নৰ আবেদনৰ ওপৰত 'মনোনিত কৰা হ'ল' বুলি সভাপতিয়ে চহী কৰা আছে। সেইদৰে লিখিত আবেদন কৰা আৰু প্ৰাথমিকৰ পৰা মনোনিত কৰি পঠিওৱা সকলৰ ভিতৰত আছে বৰভগীয়াৰ শ্ৰীভোগেশ্বৰ বৰুৱা, তেলিযা লাঙ্গিৰ শ্ৰীচেনাৰাম বৰা, পূবথৰীয়াৰ শ্ৰীবিষ্ণুৰাম ভূঞা, আম বাগানৰ শ্ৰীসুধীৰ চন্দ্ৰ ভূঞা। এই সকলৰ উপৰিও বহুতে দৰ্খাস্ত কৰি মনোনিত হৈ ট্ৰেইনিং ল'লে।

আমি আগতে উল্লেখ কৰা চতিয়ালৰ মিলিটাৰীয়ে এৰি যোৱা কেম্পতে ৩ (তিনি) মহীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হ'ল। শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱে এই ট্ৰেইনিং শিবিৰৰ সকলো তদাৰক কৰিছিল। কৰ্ণাটকৰ পৰা আজাদ হিন্দ ফৌজৰ (ইণ্ডিয়ান নেচনেল আৰ্মি- INA) এজন সৈনিকক অনা হ'ল। অতি কঠোৰ আৰু সম্পূৰ্ণ মিলিটাৰী নিয়মত্ত ট্ৰেইনিং দিযা হৈছিল। পোছাক পৰিচ্ছদ, বুট জোতা সহ এজন মিলিটাৰীৰ নিচিনাকৈ শিক্ষা গ্ৰহণ কৰিব লগা হৈছিল। প্ৰশিক্ষক জনৰ নাম সম্পূৰ্ণ মনত নাই- কিবা 'লিংগম' বুলি উপাধীটো আছিল। কলিয়াবৰৰ গাওঁ বিলাকৰ পৰা বছা বছা ৫২ জন উপযুক্ত যুৱকক এই শিবিৰত ৰাখি ট্ৰেইনিং দিয়া হৈছিল। এই সংক্ৰান্তত কোনো নথি পত্ৰ নথকাত ৫২ জনৰে নাম দিব পৰা নহ'ল।

শ্ৰীৰামমনোহৰ লুহীয়াই দেশৰ এই সন্ধিক্ষণ অৱস্থাত, কোন মুহূৰ্ত্তত পৰিস্থিতিয়ে

কি ৰূপ লয় তাৰ ঠিকনা নোহোৱা অৱস্থাত ভাৰতৰ এক জাতীয় সৈন্য বাহিনীৰ প্ৰয়োজনীয়তাৰ কথা বাইজক বুজাই দি দলে দলে ডেকা ল'ৰাই আজাদ হিন্দ ফৌজৰ ট্ৰেইনিং লোৱাৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। সেইদিনা অসমৰ বিষয়ে তেখেতে কোৱা এষাৰ কথা এতিয়াও মনত আছে- Assam is a land of lahe lahe (অসম ভূমি লাহে লাহেৰ ঠাই)। সকলো কাম অসমত লাহে লাহে কৰা হয়। গতিকে অসম অন্য প্ৰদেশ বোৰতকৈ সদায় পিছ পৰি থাকে। তথাপিও অসমৰ ভিতৰতে কলিয়াবৰত প্ৰথম ৫২ জন যুৱকে আজাদ হিন্দ ফৌজৰ ট্ৰেইনিং লোৱাত তেওঁ সন্তোষ প্ৰকাশ কৰে। ধন্যবাদ জনায়।

সেইদিনা ৰাতি শ্ৰীলুহীয়া দেৱক সেই শিবিৰত ৰখা হয়।

মধ্যবৰ্ত্তী চৰকাৰ আৰু পেটেল- লিয়াকত

১২ আগষ্টত (১৯৪৬ চন) পণ্ডিত জৱহৰলাল নেহৰুক চৰকাৰ গঠন কৰিবলৈ নিমন্ত্ৰণ কৰা হৈছিল। মুচলিম লীগে কেবিনেট মিচন আঁচনিকে নাকচ কৰিয়েই ক্ষান্ত নাথাকিল, ১৬ আগষ্টৰ দিনা নিজৰ স্বৰূপটোও উদঙাই দেখুৱাই দিলে। বাৰে বাৰে চৰকাৰত যোগ দিবলৈ নিমন্ত্ৰণ কৰা সত্ত্বেও যেতিয়া জিন্নাৰ মনোভাৱৰ পৰিবৰ্ত্তন নহ'ল অকল কংগ্ৰেছৰ সদস্যকে লৈ নেহৰুৱে চৰকাৰ গঠন কৰিলে। 'কিন্তু মুচলিম লীগে চৰকাৰত যোগ নিদিলে কেবিনেট মিচন আঁচনি ৰূপায়ন কৰাত খেলি মেলি হ'ব' বুলি লৰ্ড ৱাভেলে মত প্ৰকাশ কৰিলে। মিঃ ৱাভেল, আজাদ আৰু নেহৰুৱে চৰকাৰত যোগ দিবলৈ মুচলিম লীগক বাৰে বাৰে অনুৰোধ কৰি থাকিল। দুমাহ কাল এইদৰে অনিশ্চয়তাৰ মাজৰে পাৰ হ'ল। অৱশেষত মুচলিম লীগে ১৫/১০/৪৬ তাৰিখে মধ্যবৰ্ত্তীকালীন চৰকাৰত যোগ দিবলৈ সিদ্ধান্ত ল'লে।

মুচলিম লীগৰ সদস্য অন্তৰ্ভূক্ত কৰিবৰ কাৰণে চৰকাৰৰ পৰা শ্ৰীশৰৎ চন্দ্ৰ বসু, চাৰ চাফট আহমদ খান আৰু চৈয়দ আলি জাহিৰক পদত্যাগ কৰিবলৈ কোৱা হ'ল। সেইমতে লীগৰ তিনিজনক চৰকাৰত অন্তৰ্ভূক্ত কৰা হ'ল। চৰকাৰৰ পুনৰ গঠন কৰা হ'ল।

গৱৰ্ণৰ জেনেৰেল লৰ্ড ৱাভেলে পৰামৰ্শ আগবঢ়ালে যে এটা মুখ্য বিভাগ লীগক দিব লাগে আৰু কংগ্ৰেছে গৃহ বিভাগটো লীগক এৰি দিব লাগে। কেবিনেট মিচন আঁচনি মতে আইন শৃঙ্খলা ৰক্ষা কৰাটো প্ৰদেশ বিলাকৰ দায়িত্ব, গতিকে কেন্দ্ৰই ইয়াত বিশেষ কৰিব লগা নাথাকে। কিন্তু চৰ্দ্দাৰ বল্লভ ভাই পেটেল আকোঁৰগোজ, তেওঁ গৃহ বিভাগটো কোনোমতেই এৰি নিদিয়ে। পেটেলে ক'লে যদিহে তেওঁক এই ক্ষেত্ৰত আৰু হেঁচা দিয়া হয়- তেওঁ চৰকাৰকে এৰি যাব। ৰফি আহমেদ কিডৱাইৰ মতে বিত্ত বিভাগটোকে লীগক দিব লাগে। যেহেতু এইটো ৰৰ জটিল বিভাগ লীগে গ্ৰহণ নকৰাৰে সম্ভাৱনা। আৰু গ্ৰহণ

কৰিলেও পিছত বহুৱা সাজিব লাগিব। গতিকে কোনো ফালেই কংগ্ৰেছৰ হানি নহয় ৰবঞ্চ লাভহে হ'ব। এই প্ৰস্তাৱ শুনি চৰ্দ্দাৰ পেটেল জপিয়াই উঠিল- সৰ্ব্বান্তঃকৰণে তেওঁ সমৰ্থন কৰিলে।

জিন্নাই লিয়াকত আলিক কেবিনেটত মুখ্য সদস্য পাতিলে যদিও বিত্ত বিভাগটো দিয়াত সন্দেহ হ'ল। তেওঁক বিভাগটো দিলে চলাব পাৰিব বুলি জিন্নাৰ বিশ্বাস নহ'ল। কিন্তু লীগৰ সমৰ্থক বিত্ত বিভাগত আগৰে পৰা কাম কৰি থকা চৌধুৰী মহম্মদ আলিয়ে জিন্নাক ক'লে এইটো লীগৰ এটা ডাঙৰ জয়। কংগ্ৰেছে বিত্ত বিভাগটো লীগক দিব বুলি তেওঁ ভবাই নাছিল। তেওঁ জিন্নাক ক'লে কোনো চিন্তা কৰিবলগীয়া নাই, ভয়ৰ কোনো কাৰণ নাই, তেওঁ (চৌধুৰীয়ে) প্ৰত্যেক খোজতে লিয়াকতক সহায় কৰিব।

বিত্ত বিভাগেই যেতিয়া সকলো বিভাগৰ ওপৰত শাসন কৰাৰ ক্ষমতা থাকে লীগে প্ৰত্যেক বিভাগৰ কাম কাজৰ ওপৰত ক'বলৈ সুবিধা পাব। লিয়াকত আলিয়ে বিত্ত বিভাগ গ্ৰহণ কৰিলে। অতি সোনকালেই কংগ্ৰেছে বুজিলে যে তেওঁলোকে বিত্ত বিভাগটো লীগক দি এটা প্ৰকাণ্ড ভুল কৰিলে।

চৰ্দ্দাৰ পেটেলে বুজি পালে যে তেওঁ এতিয়া লীগৰ হাতৰ পুতলা হৈ থাকিব লাগিব। যেতিয়াই কিবা এটা প্ৰস্তাৱ কোনো এটা বিভাগে পঠিয়ায় বিত্ত বিভাগে হয় সংশোধন কৰে নাইবা নাকচ কৰে। ইয়াৰ উপৰিও লিয়াকত আলিৰ ভেটো দিয়াৰ ক্ষমতা আছে। চৰ্দ্দাৰ পেটেলৰ গৃহ বিভাগে পঠিওৱা প্ৰত্যেকটো প্ৰস্তাৱকে লিয়াকতে পুঙ্খানুপুঙ্খভাৱে পৰীক্ষা কৰি কামত নহাকৈ সংশোধন কৰে বা নাকচ কৰে। লিয়াকতৰ প্ৰতিটো ক্ষেত্ৰতে হস্তক্ষেপ আৰু বাধা আৰোপে যি কোনো কংগ্ৰেছ সদস্যই সূচাৰুৰূপে কাম কৰিব নোৱাৰা কৰিলে। চৰকাৰৰ ভিতৰৰ মতানৈক্য আৰম্ভ হ'ল আৰু দিনে দিনে বাঢ়ি গ'ল।

কলিয়াবৰত মুচলিম লীগৰ তৎপৰতা

১৬ আগষ্টৰ কলিকতাৰ সাম্প্ৰদায়ীক সংঘৰ্ষৰ বীজ গোটেই ভাৰততে বিয়পি পৰাৰ সময়তে অসমতো সমস্যাই দেখা দিলে। অসমৰ সকলো ঠাইতে মুচলমান সকল উৎসাহিত হৈ তলে তলে আলোচনা চলালে। বিশেষকৈ নগাওঁ জিলাৰ মুচলমান প্ৰধান অঞ্চল সমূহৰ মুচলিম লীগৰ কৰ্ম্মীসকলে জিলা খনৰ সকলো ঠাইতে সাম্প্ৰদায়ীক সংঘৰ্ষ লগাবলৈ গোপনে চেষ্টা চলালে।

কলিয়াবৰ কংগ্ৰেছে ইয়াৰ বিপক্ষে সদা সতৰ্ক হৈ থাকিবলৈ প্ৰতিখন প্ৰাথমিক কংগ্ৰেছকে সকীয়াই দিলে। পৰিচালনা কমিটিৰ সদস্য সকলৰ চকুত টোপনি নোহোৱা হ'ল। তেখেত সকলে দিনে ৰাতিয়ে প্ৰাথমিকে প্ৰাথমিকে ঘুৰি বাইজক সংগঠিত কৰি অভয় দান কৰিব লগা হ'ল।

কলিয়াবৰত সেই সময়ত কি পৰিস্থিতি হৈছিল আৰু তাৰ পিছতো ১৯৪৭ চনৰ আগষ্ট মাহলৈকে এই পৰিস্থিতিয়ে কেনে ৰূপ ধাৰণ কৰিছিল আমাৰ হাতত থকা কেইখনমান চিঠি পত্ৰ আৰু নথিৰ পৰা ভালকৈ বুজিব পৰা যায়। এই বছৰৰ (১৯৪৬ চন) অক্তোবৰ মাহৰ পৰিস্থিতিৰ বিষয়ে তলত তুলি দিয়া চিঠিখনৰ পৰা জানিব পাৰি।

"মাননীয় শ্ৰীযুত কলিয়াবৰ কং কমিটিৰ সভাপতি মহোদয়,

মহোদয়,

নিবেদন এই যে কুটিমাৰি ধনে খোৱা, চুলুং, নলতলি, ভোমোৰাগুৰি, হাতীয়েখোৱা ও যমখলা আদি দাতীকাষৰীয়া নামত মাত্ৰ গাও। জন সংখ্যা অতি কম। তাৰোপৰি এই গাওঁ কেইখনত প্ৰায় এক তৃতীয় অংশ বিদেশী মানুহ।

কিছুদিনৰ আগতে এই অঞ্চলত সাম্প্ৰদায়ীক গণ্ডগোল হোৱাৰ কথা ইফাল সিফাললৈ শুনা গৈছিল।

আজি কেইদিন মানৰ আগৰে পৰা দলে দলে বিদেশী পমুৱা হাবিয়ে ও গাৱৰ ভিতৰলৈ ঠাই বিলাকত বাতি লগ পোৱা গৈছে।

গত কাতি মাহৰ ৫ তাৰিখে (২২/১০/৪৬) বাতি শাল পৰা চাপৰিত এঘৰ অসমীয়া পমুৱা মানুহৰ ঘৰত মিলিটাৰী পোছাক পিন্ধা ৬ জনৰ দল এটাই চতিয়াল কেম্প ক'ত আৰু থানাত কিমান মিলিটাৰী আছে ইত্যাদি কথাৰ খবৰ লৈছিল।

সেই বাতিয়েই যমখলা চাৰি আলিত বাতি প্ৰায় ১২ মান বজাত প্ৰায় ৩০ জন মানৰ দল এটাই ২ ঘণ্টাতকৈও বেচি সময় বহি কেনি কলৈ যাব পাৰি কোন ঠাইত কোন কোন মানুহক লগ ধৰিব পাৰি আদি কথা বতৰা পাতি থাকি সেই বাতি আম বাগানৰ ফালে গুহি গ'ল। দিনতটো অনেক দল বাটে বাটে এনেয়ে ঘুৰি ফুৰা দেখা যায়। এইবিলাক দেখি শুনি আমাৰ মনত আশংকা হৈছে। গতিকে সোনকালে ইয়াৰ এটা সু-ব্যৱস্থা কৰিবৰ নিমিত্তে জনোৱা হ'ল। ইতি

২৭/১০/৪৬

ৰিনীত
শ্ৰীধীৰেশ্বৰ শৰ্ম্মা
ধনীৰাম বড়া।"

কলিযাবৰত সাম্প্ৰদায়ীক সংঘৰ্ষ আৰম্ভ কৰিবলৈ মুচলিম লীগে যৎপৰোনাস্তি চেষ্টা চলালে। কিন্তু কলিয়াবৰ কংগ্ৰেছে এই ক্ষেত্ৰত অতি তৎপৰতাৰে সমগ্ৰ কলিয়াবৰৰে পৰা জাতি বৰ্ণ ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো সম্প্ৰদায়ৰ লোকক আহ্বান কৰি এখন কেন্দ্ৰীয় শান্তি সভা পাতিলে। কুঁৱৰীটোল চাৰিআলিৰ শ্ৰীঠানুৰাম ভূঞাদেৱৰ ঘৰৰ পিছফালে কলঙৰ পাৰৰ বাকৰিত এজোপা প্ৰকাণ্ড জৰি গছ আছিল। তাৰ তলতে শ্ৰীঠানুৰাম ভূঞাদেৱৰ সভাপতিত্বত এখন ৰাজহুৱা সভা বহিল। শ্ৰীসোমেশ্বৰ বৰাদেৱে সেই সভাৰ বিষয়ে বৰ্ণনা দিছিল এনেকৈ- "এহেজাৰতকৈও বেচি মানুহে অংশ গ্ৰহণ কৰিছিল। সৰ্ব্বশ্ৰী বদন বৰদলৈ, পূর্ণ ভূঞা, ৰমাকান্ত বৰা, মহবুব দেৱান, নুকদ্দিন আহমদ (দলগাওঁ) কমকদ্দিন (সেনচোৱা-বাঘৰচুক, চামধৰা এল পি স্কুলৰ শিক্ষক) এই সকলে সেই সময়ৰ পৰিস্থিতিৰ বিষয়ে ৰাইজক বুজাই কৈ শান্তি সম্প্ৰীতিৰে থাকিবলৈ আহ্বান জনাইছিল। অতি উগ্ৰ ভাৱৰ মানুহ শ্ৰীঠানুৰাম ভূঞাদেৱে সেইদিনা অতি দুখ মনেৰে কথাবোৰ কৈ শান্তিৰে বসবাস কৰিবলৈ ৰাইজলৈ প্ৰণাম জনাই প্ৰাৰ্থনা কৰিছিল, প্ৰাৰ্থনাত আমিও যোগ দিছিলো।" ইয়াৰ পিছত মিৰোৱা অঞ্চলত (বিশেষকৈ কলিয়াবৰৰ পূব আৰু পশ্চিম অঞ্চলত) য'ত মুচলিম

লীগে মিটিং পাতি নানা ধৰণৰ ট্ৰেইনিং দি মুচলিম বাইজক হিন্দুৰ বিপক্ষে উত্তেজিত কৰিছিল সেইবোৰ গাৱঁৰ সকলোকে সামৰি শান্তি কমিটি গঠন কৰি দিছিল। কলিয়াবৰত সেই কাৰণেই কোনো গণ্ডগোল নহ'ল।

হিন্দু বিদ্বেষী সকলৰ বিষয়ে অনেক কথা শুনিবলৈ পোৱা গৈছিল। এদিনৰ কথা। সেইদিনা একাদশী তিথি। হিন্দু সকলে হাল নাবায়। গাৰিকুৰি আৰু দলগাৱঁৰ বাইজৰ কিবা এখন সভা বহিছিল দলগাৱঁৰ নামঘৰত। পুৱাবেলা প্ৰায় ৯ মান বাজিছিল। সভা আৰম্ভ হয় হয়। তেনেতে খবৰ পালে মুচলমান গাৱঁত জুই জ্বলিছে। বাইজ ভাগি গ'ল। ইতিমধ্যে কে'বাটাও ঘৰ পুৰি শেষ হ'ল। যেযে যেনেকৈ পাৰে জুই নুমুওৱাত লাগিল। ভিতৰ সোমাই বস্তু বাহানি যি পাৰে উলিয়ালে। গাত জুই লগা অৱস্থাত এজনী গৰ্ভাৱতী বোৱাৰী, দুটা ল'ৰা-ছোৱালীক বেৰ ভাঙি দাঙি উলিয়াই অনা হ'ল। আন এঘৰৰ পৰাও বেৰ ভাঙি ৮/৯ বছৰীয়া এজনী ছোৱালী উলিওৱা হ'ল। সেই দুযো ঘৰৰে দুৱাৰমুখত ফালে জুই লাগিছিল। অতি ঘন বসতি প্ৰায় চালত চাল লগা খেৰৰ ঘৰ। কে'বাটাও ঘৰ কাটি ভাঙি চাল খহাই দিয়া হ'ল জুই বিযপিব নোৱাৰাকৈ। অৱশেষত জুই নুমাল।

এজনী বুঢ়ীয়ে চিঞৰি চিঞৰি বুকুত ভুকুৱাই ক'বলৈ ধৰিলে- 'সেই ছোৱালী কালৰে পৰা দেখা ভাই ককাইৰ দৰে থকা হেন্দো মখাক তইঁতে শতক কৰিলি। মাৰি কাটি শেষ কৰিবলৈ যাঠি জোং গোটালি, হেন্দোবোৰ কাফেৰ, শত্ৰু, সিইঁতক বিশ্বাস নকৰিবি। এতিয়া তইঁতে নেচাৰহি কিয়, হেন্দোমখা নোহোৱা হ'লে গোটেই গাওঁখনেই পুৰি ভস্ম হ'লহেতেন,- তইঁতৰ ল'ৰা ছোৱালী ত্ৰীয়াৰী বোৱাৰীক কাফেৰ হেন্দোৱেহে বচালে ।" জুই লগা সময়ত প্ৰায় সকলো মতা মানুহেই পথাৰত হাল বাই আছিল। বুঢ়ীয়ে কান্দিকাতি আউলী বাউলী হৈ বাইজৰ ওচৰলৈ আহি আঠুকাঢ়ি দুই হাতেৰে এবাৰ বুকুত এবাৰ মাটিত ভুকুৱাই ঢকিয়াই হাত যোৰ কৰি চিঞৰি ক'লে- অ' বোপাইহঁত তোমালোকে আমাৰ এই মখাৰ কথাত নেলাগিবা। আল্লা খোদাৰ নামত ইহঁতে আমাৰ মানুহক তোমালোকৰ বিপক্ষে উচটাই আছে।' শ্ৰীনৰাম ববাই বুঢ়ীক জেঠাই উঠা, এতিয়া এইবোৰ কথা বাদ দিয়া বুলি ক'বলৈহে পালে বুঢ়ীযে দুগুণে কান্দিলে আৰু ক'লে, নহয় অ', বোপাই, চাচোন আজি আল্লাই নেৰাখিলে তইঁত হেন্দো মখাইহে গাওঁখন ৰাখিলি।

কুশাই দেদাই, সৰু মইনা দাদা আৰু দুজনমান ওচৰ চাপি আহি কে'বাজনো হিন্দু ভাই ককাইক সাবটি ধৰি- মুখেৰে একো মাতিব নোৱাৰিলে। তেওঁলোকৰ চকুলো ওলাল। সেইদিনাই বাহিৰৰ পৰা আহি উচতোৱা মানুহ কেইজন পলাই গ'ল। তেওঁলোক আৰু ঘুৰি নাহিল। কৰ্ম্মক্ষেত্ৰত থাকি হোৱা এয়া আমাৰ নিজা অভিজ্ঞতা।

কেবিনেট মিচন আঁচনিৰ ব্যাখ্যা লৈ মতান্তৰ

এতিয়ালৈকে অসমৰ সমস্যা সমাধানৰ বাবে কোনো সূত্ৰই বিচাৰি কংগ্ৰেছ নেতা

সকলে মূৰ ঘমোৱা নাই। কথাযোৰ যেনে আছিল তেনেকৈয়ে ৰৈ থাকিল। শ্ৰীগোপীনাথ বৰদলৈ, অসম প্ৰাদেশিক কংগ্ৰেছৰ নেতা সকলৰ পৰা আৰম্ভ কৰি প্ৰাথমিক কংগ্ৰেছৰ তৃণমূল কৰ্ম্মী সকললৈকে এক অনিশ্চয়তাৰ মাজত দিন কটাব লগা হ'ল। অসম কংগ্ৰেছে শেষ সময়ত কি কাৰ্য্য ব্যৱস্থা ল'ব লগা হয় সেই বিষয়েও এতিয়ালৈ কোনো স্পষ্ট ধাৰণা বা আঁচনি ল'ব পৰা নাই। ইয়াৰ ভিতৰতে নিঃ ভাঃ কং কমিটিৰ সভাত তেওঁলোকৰ সিদ্ধান্তৰ বিপক্ষে জোৰ দি ক'বলৈ অসম কংগ্ৰেছে শ্ৰীমতী পুষ্পলতা দাসক পঠিয়াইছিল। শ্ৰীমতী দাসে ভাৰতৰ বিয়াগোম কংগ্ৰেছ নেতা সকলৰ সভাত তেওঁলোকক সমালোচনা কৰি তেওঁলোকৰ অযুক্তিকৰ সিদ্ধান্তৰ কথা কৈ সকলোকে চমকিত কৰিছিল। কংগ্ৰেছ সমাজবাদী নেতা সকলে শ্ৰীমতী দাসৰ কথা সমৰ্থন কৰিছিল। অভিনন্দন জনাইছিল।

শ্ৰীগোপীনাথ বৰদলৈ দেৱৰ গ্ৰুপিঙৰ বিপক্ষে দিয়া স্মাৰক পত্ৰৰ নতুনকৈ আলোচনা কৰি গ্ৰুপিঙৰ বিষয়টো পুনৰ আলোচনা নকৰিবলৈহে ৱৰ্কিং কমিটিয়ে সিদ্ধান্ত ল'লে। কিন্তু অসমৰ নেতা সকলৰ আপত্তিৰ কিছু পৰিমাণে সকাহ দিবলৈ আৰু বিশেষকৈ কংগ্ৰেছৰ নীতি অনুসৰিয়েই গণ পৰিষদৰ সদস্য নিৰ্ব্বাচনৰ সময়ত অসম আৰু বেঙ্গলৰ ইউৰোপীয়ান সকলে গণ পৰিষদত (constituent Assembly) আৰু নিৰ্ব্বাচনত অংশ গ্ৰহণ বা ভোটাধিকাৰ বিচাৰিব নোৱাৰিব বুলি দাবী তুলিলে আৰু যদি তেওঁলোকে ইয়াৰ অন্যথা কৰে তেন্তে কংগ্ৰেছে কেবিনেট মিচনৰ সকলো প্ৰস্তাৱকেই নাকচ কৰিব পাৰে বুলি ভাইচযক জনাই দিলে। এই আপত্তি মানি লোৱা হ'ল। বঙ্গদেশৰ ইউৰোপীযান সদস্য সকলে বেঙ্গল এচেমব্লিত কোনো প্ৰতিনিধিত্ব নিবিচাৰে বুলি ঘোষণা কৰিলে।

ইহাতেদি জিন্নাই কংগ্ৰেছ ৱৰ্কিং কমিটিযে কেবিনেট মিচন আঁচনিত থকা মতেই গ্ৰুপত যোগ দিবনে নাই এতিয়ালৈকে স্পষ্ট ভাৱে কোৱা নাই বুলি প্ৰশ্ন তুলিলে।

মৌলানা আজাদ আৰু লৰ্ড ওৱাভেলৰ (বৰলাট) মাজত আলোচনা চলি থাকিল। বৃটিছ চৰকাৰ আৰু ওৱাভেলে ভাবে ভাৰতীয়ৰ সমস্যা সমাধানৰ বাবে কেবিনেট মিচন আঁচনিৰ বাহিৰে আৰু ভাল সমাধান সূত্ৰ একো নাই। মুচলিম লীগৰ ফালৰ পৰাও ইয়াতকৈ আৰু ভাল কিবা সূত্ৰ সম্ভৱেই নহয় বুলি জনালে।

১৬ নবেম্বৰত (১৯৪৬ চন) বৃটিছ প্ৰধান মন্ত্ৰী মিঃ এটলীযে বৰলাট ওৱাভেল আৰু কংগ্ৰেছ আৰু লীগৰ প্ৰতিনিধিক আলোচনাৰ বাবে লণ্ডনলৈ মাতিলে। কংগ্ৰেছ কমিটিয়ে প্ৰথমতে আমন্ত্ৰণ ৰক্ষা কৰাৰ বিপক্ষে আছিল। জৱহৰলালে কৈযেই দিলে 'আমি খৰছি মাৰি মিচনৰ প্ৰস্তাৱ আলোচনা কৰিছো আৰু এতিযা এইবোৰ কথা পুনৰ আলোচনালৈ আনিলে ভালটো নহয়েই ৰৰঞ্চ আৰু বেচিহে ক্ষতিকাৰক হ'ব।'

বহুত বুজনি আৰু যুক্তি তৰ্কৰ পিছত নেহৰু মান্তি হ'ল। কংগ্ৰেছৰ ফালৰ পৰা অকল তেওঁকে প্ৰতিনিধি বাচিলে। শিখ সকলৰ ফালৰ পৰা বলদেৱ সিং আৰু লীগৰ ফালৰ পৰা জিন্না আৰু লিয়াকত আলি লণ্ডনলৈ গ'ল। বৃটিছ প্ৰধান মন্ত্ৰীৰ লগত লণ্ডনত আলোচনা কৰি একো ফল নধৰিলে। আলোচনা ৩ ৰ পৰা ৬ ডিচেম্বৰলৈ হৈছিল (১৯৪৬ চনৰ)।

প্ৰধান পাৰ্থক্য বোৰ হ'ল এনে ধৰণৰ। জিন্নাই কয় যে গণ পৰিষদে মিচন আঁচনিৰ গাঁথনিত থকা গ্ৰুপিঙ বিষয়ৰ কোনো কথাই সলনি কৰিব নোৱাৰে। গ্ৰুপটো গঠন হোৱাৰ পিছত তেওঁলোকে সংবিধান তৈয়াৰ কৰাৰ পিছতহে যি কোনো প্ৰদেশ ওলাই আহিব পাৰিব। জিন্নাৰ মতে যি কোনো প্ৰদেশৰ কাৰণে, যাক যি গ্ৰুপত সাঙুৰি দিয়া হৈছে, আৰু যি সেই গ্ৰুপত থাকিব নোখোজে, ইয়েই সম্পূৰ্ণ ৰক্ষণাবেক্ষণ দিছে। আঁচনিতেই ইয়াক সন্নিবিষ্ট কৰা আছে। কিন্তু অসমৰ কংগ্ৰেছ নেতাসকলে ইহাতেদি মত পোষণ কৰে যে এখন প্ৰদেশে আৰম্ভণিৰে পৰা বাহিৰত থাকিব পাৰে, গ্ৰুপত যোগ দিয়াৰ প্ৰয়োজনেই নাই আৰু স্বাধীনভাৱে নিজে নিজৰ সংবিধান তৈয়াৰ কৰি ল'ব পাৰে। তাৰ পিছত জিন্নাই মত দাঙি ধৰে যে- প্ৰদেশবোৰে বাধ্যতামূলক ভাবেই গ্ৰুপত প্ৰথমতে যোগ দিব লাগিব আৰু তাৰ পিছতহে যদি ইচ্ছা কৰে বেলেগ হৈ যাব পাৰে। আনফালে অসম কংগ্ৰেছৰ নেতা সকলৰ মতে একোখন প্ৰদেশে একোটা বেলেগ একক গোট হিচাপে আৰম্ভ কৰিব পাৰে আৰু তাৰ পিছতহে, যদি ইচ্ছা কৰে গ্ৰুপত যোগ দিব পাৰে। নেহৰুৱে অসম কংগ্ৰেছৰ ব্যাখ্যাকে দাঙি ধৰিলে।

এই সংক্ৰান্তত আৰু অধিক আলোচনা হ'ল। জিন্নাই ক'লে যে তেওঁ যি ব্যাখ্যা দিছে সেই মতে বহুত চেষ্টা কৰিছে লীগক কেবিনেট মিচন প্লেন গ্ৰহণ কৰিবলৈ পতিয়ন নিয়াইছিল। অসমৰ কংগ্ৰেছ নেতা সকলে আঁচনিকে গ্ৰহণ কৰা নাই। এই সময়তো, মহাত্মা গান্ধীয়ে অসম কংগ্ৰেছৰ নেতাসকলে আগবঢোৱা ব্যাখ্যাৰ প্ৰতি সমৰ্থন জনাইছিল।

৬ ডিচেম্বৰ (১৯৪৬ চন) তাৰিখে বৃটিছ মন্ত্ৰীসভাই গ্ৰুপিং সম্বন্ধে বিবৃতি যোগে মুচলিম লীগ (জিন্না)ৰ ব্যাখ্যা সমৰ্থন কৰিলে। কিন্তু কংগ্ৰেছ আৰু লীগৰ মাজৰ বিৰোধ ভাব দূৰ নহ'ল।

গণ পৰিষদৰ প্ৰথম বৈঠক বহিল ১১ ডিচেম্বৰত। ড' ৰাজেন্দ্ৰ প্ৰসাদক পৰিষদৰ সভাপতি নিৰ্ব্বাচন কৰা হ'ল। আজাদ শিক্ষা মন্ত্ৰী হ'ল।

মুচমিল লীগে চৰকাৰত যোগ দিয়াৰে পৰা এটা এটাকৈ নতুন নতুন সমস্যাই দেখা দিলে। লিয়াকত আলিয়ে গণ পৰিষদ চৰকাৰৰ যি বাজেট দাঙি ধৰিলে তাক দেখি কংগ্ৰেছ নেতাসকল আচৰিত হ'ল। ৰাজা গোপালাচাৰীয়ে তাৰ বিৰোধীতা কৰিলে। চৰ্দ্দাৰ পেটেলৰটো কথাই নাই। বাজেট খনত সংখ্যা গৰিষ্ঠ হিন্দু ব্যৱসায়ী সকলক মাধমাৰ দিলে আৰু দেশখনৰ অপকাৰহে কৰিলে। এই বাজেটখন সাম্প্ৰদায়ীক বিবেচনাৰে কৰা হৈছে বুলি বিৰোধীতা কৰিলে।

আগতেই কোৱা হৈছে যে মুচলিম লীগে কেবিনেট মিচন আঁচনি প্ৰথমতে গ্ৰহণ কৰি নাকচ কৰিছিল। তাৰ পিছত আকৌ আলোচনালৈ আহিল, চৰকাৰত যোগ দিলে, গণ পৰিষদত অন্তৰ্ভূক্ত হ'ল। সমস্যাটো এতিয়া অতি সুক্ষ্ম আৰু স্পৰ্শকাতৰ অৱস্থা পালেগৈ। গণ পৰিষদ বহি থকা অৱস্থাতে মুচলিম লীগে পৰিষদ পৰিত্যাগ কৰি বৰ্জন কৰিলে। আকৌ এক অচলাৱস্থাৰ সৃষ্টি হ'ল।

যি সময়ত গোটেই ভাৰতবৰ্ষৰ মানুহে স্বাধীনতাৰ প্ৰশ্নত সম্পূৰ্ণ একগোট হৈ দাবী কৰিছে, সকলোৱেই স্বাধীনতা পাবৰ কাৰণে অস্থিৰ হৈ পৰিছে তেনে সময়তে মুছলিম লীগৰ পৰিষদ বৰ্জনে সকলোকে স্তম্ভিত কৰিলে।

লৰ্ড ওৱাভেলৰ পদত্যাগ আৰু লৰ্ড মাউণ্টবেটেনৰ আগমণ

এনে এটা পৰিস্থিতিৰ মাজতে ইহাতেদি বৃটিছ চৰকাৰে দুই নাৱত দুই ভৰি দিয়াৰ দৰে উপায়হীন হ'ল। প্ৰধান মন্ত্ৰী এটলীয়ে ভাবিলে যে এতিয়া এনে এটা পৰ্য্যায় পাইছেগৈ যে ভাৰতৰ স্বাধীনতাৰ বিষয়টো অনিশ্চয়তাৰ মাজত ওলোমাই ৰখা অতি অবাঞ্ছিত হ'ব। গতিকে এটা নিৰ্দ্দিষ্ট সময় সীমা নিৰ্দ্ধাৰণ কৰি বৃটিছ চৰকাৰে ভাৰতৰ হাতত সকলো ক্ষমতা শোধাই দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিলে। কিন্তু লৰ্ড ওৱাভেলে ইয়াৰ বিৰোধীতা কৰি ক'লে যে ভাৰতৰ সাম্প্ৰদায়ীক সমস্যা সমাধান নোহোৱাকৈ এনেকুৱা বৰ্ত্তমান পৰিস্থিতিৰ মাজত ভাৰতক স্বাধীনতা প্ৰদান কৰাৰ দিন ঠিক কৰিব নালাগে। সাম্প্ৰদায়ীক প্ৰবল ইচ্ছা, অনুৰাগ এতিয়া তুঙ্গত উঠি আছে। এনে অৱস্থাত শাসন ভাৰ এৰি গ'লে বৃটিছ চৰকাৰেই নিজ কৰ্ত্তব্য পালনত ব্যৰ্থ হ'ব। কেবিনেট মিচন আঁচনিয়েই ভাৰতৰ সমস্যা সমাধানৰ একমাত্ৰ সম্ভাৱনা বুলি দৃঢ়মত পোষণ কৰিলে। ওৱাভেলে নিৰ্দ্দিষ্ট দিন ঠিক কৰাতো মানি নল'লে। ওৱাভেলে ভাৰে বৃটিছে এই অৱস্থাত ক্ষমতা উঠাই নিয়াৰ লগে লগেই ভাৰতত সাম্প্ৰদায়ীক সংঘৰ্ষই কালমূৰ্ত্তি ল'ব। গতিকে কিছুদিনলৈ স্থিতাৱস্থা বাহাল ৰাখিব লাগে।

মিঃ এটলীয়ে এই পৰামৰ্শ মানি নল'লে। আৰু ক'লে যে এটা নিৰ্দ্দিষ্ট দিন ঠিক কৰি শাসন ভাৰ হস্তান্তৰ নকৰিলে কোনো দিনেই সমস্যাৰ সমাধান নহ'ব। স্থিতাৱস্থা বাহাল ৰাখিলে ভাৰত বাসীয়ে বৃটিছ চৰকাৰৰ ওপৰত বিশ্বাস হেৰুৱাব।

লৰ্ড ওৱাভেল সন্তুষ্ট নহ'ল। তেওঁ যুক্তি দেখুৱাই ক'লে যদি সাম্প্ৰদায়ীক সংঘৰ্ষই প্ৰচণ্ড ৰূপ লয় বুৱঞ্জীয়ে বৃটিছ সকলক কেতিয়াও ক্ষমা নকৰে। বৃটিছে এশ বছৰৰ বেচি ভাৰতক শাসন কৰি আহিছে আৰু এতিয়া যদি অস্বাভাৱিক উদ্‌গিৰণ আৰু অশান্তি হয় তাৰ বাবে বৃটিছ সকলেই জগৰীয়া হ'ব। তাৰ পিছত যেতিয়া দেখিলে যে ইমানতো তেওঁ মিঃ এটলীক পতিয়ন নিয়াব নোৱাৰিলে লৰ্ড ওৱাভেলে পদত্যাগ কৰিলে।

ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড ওৱাভেলে পদত্যাগ কৰাৰ লগে লগে অখণ্ড ভাৰতৰ স্বাধীনতাৰ ওপৰত এটা প্ৰচণ্ড আঘাত পৰিল। অসমৰ সমস্যা লৈ সৰ্ব্বভাৰতীয় নেতা সকলৰ যি মনোভাব আৰু গান্ধীজীৰ বাহিৰে তেওঁলোকৰ যি শেষ সিদ্ধান্ত তাৰো কোনো অৰ্থ নোহোৱা হ'ল। ভাৰতীয় নেতা সকলৰ মতে গোপীনাথ বৰদলৈৰ যি অনমনীয় মনোভাব সিয়ো তল পৰিল। সময় বোৰ দেখাত অলস ভাৱে পাৰ হ'ব লগা হ'ল। তিক্ততা দিনে দিনে বাঢ়ি গ'ল। চেপা উত্তেজনাই সকলোকে আচ্ছন্ন কৰি ৰাখিলে।

লৰ্ড ৱেভেলে ভাৰত এৰি গুছি গ'ল।

ইফালে বৃটিছ প্ৰধান মন্ত্ৰী এটলীয়ে ১৯৪৮ চনৰ ৩০ জুনৰ আগতেই ভাৰতৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰিবলৈ পৰামৰ্শ আগবঢ়াই ইয়াৰ বাবে ব্যৱস্থা ল'বলৈ লৰ্ড মাইণ্টবেটেনক গৱৰ্ণৰ জেনেৰেল পাতি ভাৰতলৈ পঠিয়ালে।

২৪/৩/৪৭ তাৰিখে লৰ্ড মাউণ্টবেটেনে শপত গ্ৰহণ কৰিয়েই কেবিনেট মিচনৰ আঁচনি আৰু অসমৰ সমস্যা আলোচনা কৰিলে। কেবিনেট মিচন আঁচনিকে বাহাল ৰাখি কংগ্ৰেছ নেতা সকলে ক'লে যে কোনো প্ৰদেশক তেওঁলোকৰ মতৰ বিপক্ষে গৈ গ্ৰুপত সোমাবলৈ বাধ্য কৰাব নোৱাৰে। মুচলিম লীগে ক'লে তেওঁলোকে কেবিনেট মিচন আঁচনি গ্ৰহণ কৰিছে আৰু তাত থকা মতেই গ্ৰুপত সোমাই প্ৰথমতে সংবিধান তৈয়াৰ কৰাৰ পিছতহে ইচ্ছা কৰিলে কোনো প্ৰদেশে গ্ৰুপৰ পৰা ওলাই আহিব পাৰিব। কংগ্ৰেছে নেমানিলে। যদি মুচলিম লীগৰ নিজৰেই ব্যাখ্যা আৰু দাবীৰ কথাকে বিবেচনা কৰা হয় (মুচলিম সংখ্যা গৰিষ্ঠ প্ৰদেশ কেইখনক লৈ পাকিস্তান দাবী কৰা কথাটো), তেতিয়াও অসমক বঙ্গলৰ লগত যোগ দিবলৈ বাধ্য কৰাৰ কোনো যুক্তিয়েই থাকিব নোৱাৰে। কাৰণ অসম কেতিয়াও মুচলমান সংখ্যা গৰিষ্ঠ নাছিল।

অসম মুচলমান সংখ্যা গৰিষ্ঠ নোহোৱাকৈ কিয় কেবিনেট মিচন আঁচনিত অসমক বেঙ্গলৰ লগত লগা লগাব খুজিছে এই কথাটোৰ ওপৰত প্ৰথম অৱস্থাতেই কংগ্ৰেছ নেতাসকলে কোনো প্ৰশ্নই নুতুলিলে। ৰবঞ্চ সহজ লব্ধ স্বাধীনতা (সেই পৰিস্থিতিত) পোৱাৰ আশাত গভীৰভাৱে চিন্তাই নকৰিলে। আনকি গান্ধীজীয়েও প্ৰথম অৱস্থাত চিন্তা কৰা নাছিল দ কৈ। এই পৰিস্থিতিত লৰ্ড মাউণ্টবেটেনেও কি কৰিলেহেতেন কোৱা টান।

ইতিমধ্যে কলিকতাৰ সাম্প্ৰদায়ীক সংঘৰ্ষ বিয়পি পৰাৰ কথা আগতেই কোৱা হৈছে। এই সংঘৰ্ষ অমৃতচৰ, তক্ষশীলা, বম্বে, ৰাৱলপিন্দি আৰু লাহোৰলৈ বিয়পিল। নোৱাখালী আৰু বিহাৰত ই সৰ্ব্বগ্ৰাসী ৰূপে ধাৰণ কৰিলে। হাজাৰ হাজাৰ মানুহৰ জীৱন বিপন্ন হ'ল। দৈনিক কিমান মানুহৰ প্ৰাণ লোৱা হ'ল তাৰ সীমা সংখ্যা দিব নোৱাৰা অৱস্থা হ'ল। এইখিনিতে উল্লেখ কৰিব পাৰি যে যি সময়ত সাম্প্ৰদায়ীক আক্ৰোশ আৰু হুতাহ তুঙ্গ ত উঠিছে আৰু বিবেক বিহীন হৈ সংঘৰ্ষ বঢ়াই নিছে সেই সময়ত প্ৰশাসন যন্ত্ৰটো সম্পূৰ্ণ শিথিল হৈ মাথো ৰং চাই থাকিল। ইংৰাজ প্ৰশাসক সকলে যেতিয়া দৃঢ়ভাৱে বুজিব পাৰিলে যে অতি কম সময়ৰ ভিতৰতে ভাৰতৰ হাতত ক্ষমতা প্ৰদান কৰা হ'ব, আইন শৃঙ্খলা নিয়ন্ত্ৰণৰ বাবে তেওঁলোকে কোনো ব্যৱস্থাই নল'লে আৰু কাম কৰাৰ তেওঁলোকৰ কোনো স্পৃহাই নোহোৱা হ'ল। অতি মুকলি ভাৱেই ইংৰাজ বিষয়াসকলে মানুহক ক'লে যে প্ৰশাসনৰ বাবে তেওঁলোকৰ কোনো দায়িত্বই নাই এতিয়া। এই কথাটোৱে মানুহৰ মনত আৰু আতঙ্ক, আৰু অনিশ্চয়তাৰ ভয় সুমুৱাই দিলে। যেয়ে যি ইচ্ছা তাকে কৰিলে। অৰাজকতাৰ সৃষ্টি হ'ল।

কলিয়াবৰত লীগৰ সভা আৰু বাইজৰ আতঙ্ক

কলিয়াবৰৰ স্পৰ্শকাতৰ অঞ্চল সমূহত অবাঞ্ছিত ঘটনা ঘটাৰ যি উপক্ৰম হৈছিল কলিয়াবৰ কংগ্ৰেছে এই বিষয়ত উপযুক্ত আৰু বহু আগতেই ইয়াৰ প্ৰতিষেধৰ ব্যৱস্থা ল'লে। প্ৰতিখন প্ৰাথমিক আৰু তাৰ তলৰ গাওঁ বিলাকত শান্তি কমিটি গঠন কৰি সাম্প্ৰদায়ীক সংঘৰ্ষ এবাই চলাৰ দিহা কৰিলে। কিন্তু সংঘৰ্ষ লগাবলৈ মুচলিম লীগে কৰা চেষ্টা অব্যাহত ৰাখিলে। আমাৰ হাতত থকা কেইখনমান চিঠিৰ পৰা সেই সময়ৰ পৰিস্থিতিৰ বিষয়ে ভালকৈ জনাত সহায় হয়। চিঠি কেইখন তুলি দিয়া হ'ল-

১। "কলিয়াবৰ কংগ্ৰেছ কেন্দ্ৰৰ সভাপতি মহোদয় সমিপেষু

অধিন বাইজগণৰ নিবেদন এই যে বৰখুলি অঞ্চলৰ গৰৈমাৰি স্কুলত গত কালি ১৪/৪/৪৭ তাং বেলা ১১ বজাৰ পৰা ৪-৩০ (চাৰে চাৰি) টাললৈ লিগৰ ডাঙৰ সভা পাতিছে। উক্ত মিটিঙত প্ৰায় ৫০০ জন মান মুচলমান লোক আছিল। জিলাৰ পৰা কোনো ডাঙৰ লোক আহিছে বুলি জনা যায়। আৰু বেন পাৰ্টি লৈ তেওঁলোকে দৈনিক লাঠি খেল ও দেগাৰ খেল (বুজিব নোৱাৰি) শিক্ষা কৰি আছে। আমি অসমীয়া ও পশ্চিমীয়া মানুহৰ সংখ্যা নিচেই কম। গতিকে আমি ইয়াত ল'ৰা-টিকতা লৈ থকা বৰ ভয় হৈছে। বিহিত বিহাৰৰ কাৰণে প্ৰাৰ্থনা জনালো।

শ্ৰীনিহিৰাম লস্কৰ
" চাকিৰাম গাওঁবুঢ়া
" যোগেন্দ্ৰ নাথ দাস
" উমেশ চন্দ্ৰ দাস
শ্ৰীৰাম চন্দ্ৰ দাস
শ্ৰীকাশাইলাল দাস
" হিদা চন্দ্ৰ দাস
" চমৰ চন্দ্ৰ দাস্
" চুকেন চন্দ্ৰ দাস
শ্ৰীহৃদয় ক্ষত্ৰিয়।"

২। কলিয়াবৰৰৰ উত্তৰ পশ্চিম অঞ্চলৰ পৰা শ্ৰীমুক্তাৰাম বড়াই ১৪/৪/৪৭ তাৰিখে কলিয়াবৰ কংগ্ৰেছ সভাপতিলৈ লিখিলে-

"মহাশয়,

বিনীত নিবেদন এই যে বৰ্ত্তমান বৰখুলি আমবাগানৰ পমুৱা বিলাকে আমলকি গৰৈমাৰি, পোকে খাতি আদি অঞ্চলত বৰ উত্পাত্ লগাইছে। আশা যে আজি কালিৰ ভিতৰতে লুট মাৰ আদি কাম সিহঁতে সোনকালে কৰিব। উক্ত অঞ্চলৰ কিছু ২ লোক পলাৰ দিহাও কৰিছে। গতিকে সোনকালে এটা বন্দবস্তৰ দৰকাৰ।

মই আজি কেইজনমান যুৱক লৈ গাৱত সোমাইছো আৰু বাইজৰ ভীতৰত সাহস দান কিছু ভাৰ লোৱা হৈছে। ইমানতে কোনো বন্দবস্ত নহলে আমিও পলোৱাৰ বাহিৰে অন্য একো হ'ব নোৱাৰোঁ।

গতিকে সোনকালে কঃ কং কমিটিৰ তৰফৰ পৰা কোনো ব্যৱস্থা সম্পূৰ্ণ দৰকাৰ। ২ দিন এই অঞ্চলৰ বাইজৰ খাবন, শোবন নাই। আশাকৰো (পোকে কুটিলে) . যত্ন ল'ব।"

৩। গোৰ্খা লীগৰ চুলুং আৰু ভুৰবন্ধা শাখাৰ সভাপতি শ্ৰীদধিৰাম উপাধ্যায়ে ২২/৪/৪৭ তাৰিখে কলিয়াবৰ কংগ্ৰেছ সভাপতিলৈ লিখিছিল-

"R/Sir,

নিবেদন এই যে এই অঞ্চলত গত ১০/৪/৪৭ আৰু ১৭/৪/৪৭ তাৰিখে শিব পূজা উপলক্ষে বিনু বাইজ গোট খোৱা বাবে বৰ্ত্তমান সাম্প্ৰদায়িক দাঙ্গাৰ এনে ভিত্তীহীন আশঙ্কাৰ বাবে আমাৰ অঞ্চলত থকা ময়মন সিংজিয়া লিগা সম্প্ৰদায়ৰ প্ৰায় ৪০০০ (চাৰি হাজাৰ) মান মানুহ অস্ত্ৰ সস্ত্ৰেৰে সজ্জিত হৈ এটা ডাঙৰ দাঙ্গাৰ উপক্ৰম হৈছিল।

কিন্তু বহু কষ্টে আৰু জীৱন বিপন্নৰ জুইত লই এই হাঙ্গামা খনোৱাত কৃতকাৰ্য্য হৈছোঁ। বৰ্ত্তমান অনুৰোধ যে এনে অৱস্থাৰ পুনৰাবৃত্তি যে নহ'ব তেনে নহয়। গতিকে ইয়াৰ মূল কাৰণ কি তাক এই ৰিপোৰ্ট জড়িয়তে কহিয়াই দেখুৱাৰ ইচ্ছাৰে এই লিখিত ৰিপোৰ্ট আৰু যাতে ভবিষ্যতে ইয়াৰ সাৰমৰ্ম্ম অসম গৱৰ্ণমেণ্টৰ দৃষ্টি আকৰ্ষণ কৰে তাৰ বাবে লিখিত ৰিপোৰ্ট দাখিল কৰিলোঁ।

নগাওঁ জিলা নিবাসি খান বাহাদুৰ ৰফিক সাহাব ১৯২ বিঘা মাটিৰ এটা ব্লক মহম্মদ চৌধুৰী সাহাব ডিঃ কঃ থাকোতে (বাইজৰ ১৩ খন গাওৰ হালোৱা গৰুৰ চৰাণ্ডৰ সময়ত একমাত্ৰ আশ্ৰয়ৰ স্থান) বাইজৰ আপত্তি থকা স্বত্বেও তেখেতৰ নামত মঞ্জুৰ হৈ একচনাৰ পট্টাৰ পৰা ম্যাদি বন্দোবস্ত পায়। এই মাটি পুবথৰিয়া মৌজাৰ হাতিবন্ধা কিসামতৰ অসমীয়া লাইন অন্তর্ভূক্ত।

যা হোক এই মাটি খান বাহাদুৰ সাহাবে 'B' Form দখীলত নিজৰ জীতিকাৰ খেতি কৰিবৰ নিমিত্তেহে পাইছিল। কিন্তু দখীলত তেখেতে ব্যৱসায় কৰিবৰ কথা উল্লেখ নাছিল। গতিকে অসমীয়া লাইনত এজন জুৰিয়া নিবাসী আব্বাস সৰকাৰ নামৰ মানুহক প্ৰায় ৫০০০ (পাচ হেজাৰ) টকা মূল্যত বিক্ৰী কৰে। আৰু উক্ত আব্বাস চৰকাৰে প্ৰায় ৩৫ জন মান মৰিয়াবাৰী (মৈৰাবাৰি?) অঞ্চলৰ ডেকা মানুহক বহুৱাই এনে আশঙ্কাজনক ঘটনাৰ কেন্দ্ৰ স্থল তৈয়াৰ কৰিছে।

এনে অৱস্থাত এই অঞ্চলৰ অসমীয়া ও গোৰ্খালি সকলো বিলাক মানুহে শান্তি ভঙ্গৰ আশঙ্কা লৈ জীৱন যাপন কৰা বৰ কঠিন হৈ পৰিছে। আৰু বিশেষকৈ বৰ্ত্তমানে আসাম গৱৰ্ণমেণ্টে পমুৰা উঠোৱা নীতি অবলম্বন কৰাত সেই সকলে মৰণ পনেৰে সজ্জিত হৈ থকাৰ আৰু এটি কাৰণ উপস্থিত হৈছে।

আসাম গৱৰ্ণমেণ্টৰ দৃষ্টি আকৰ্ষণ কৰাৰ বিশেষ প্ৰয়োজন যে যদি ১৯৩৮ চনৰ পাছত অহা পমুৱাই টকাৰ প্ৰলোভনত খান বাহাদুৰ ডাঙৰীয়াৰ নিচিনা এজন উন্নত অসমীয়াক দেশৰ অহিতকৰ কাৰ্য্যৰ ওৰি ধৰাব পাৰে, তেন্তে আৰু ইতৰ মানুহৰ প্ৰতি কি অৱস্থা হ'ব পাৰে তাক গৱৰ্ণমেণ্টে ভাবি চাব। আৰু তেনে কাৰ্য্য চলি থাকিলে গৱৰ্ণমেণ্টৰ ১৯৩৮ চনৰ পমুৱা উচ্ছেদ নীতিৰ শৃঙ্খলা অখুন্ন থাকিব নোৱাৰে।

গতিকে এই সম্পৰ্কে গৱৰ্ণমেণ্টে কাৰ্য্যকৰি পন্থা হাতত লৈ যাতে পূৰ্ব্ব অবলম্বিত লাইন প্ৰথাৰ নিয়ম অখুন্ন ৰাখিবলৈ তাৰ বাবে খবিদ কৰি লোৱা পমুৱা সকলক মাটিৰ মূল্য কিবৎ দিবলৈকো সাজু আছোঁ। যেন অনতি পলমে এটা তদন্ত কৰাই বিহিত ব্যৱস্থা কৰাৰ কামনা।"

এই সংক্ৰান্তত কি ব্যৱস্থা লোৱা হৈছিল সেই বিষয়ে আমাৰ হাতত কোনো নথি পত্ৰ নথকাত জানিব পৰা নগ'ল। কিন্তু কলিয়াবৰ কংগ্ৰেছৰ আগতীয়া তৎপৰতা আৰু বাইজৰ সহনশীলতাৰ বাবেই কলিয়াবৰত কোনো দাঙ্গা হাঙ্গামা নহ'ল বুলি দৃঢ় ভাবে ক'ব পাৰি।

পমুৱা উচ্ছেদ : সাম্প্ৰদায়ীক সংঘৰ্ষ নহ'ল

পমুৱা উচ্ছেদৰ পিছত কলিয়াবৰলৈ পমুৱা মুচলমান ভগনীয়াৰ সোঁত বৈছিল আৰু য'তে খালি ঠাঁই পাইছিল তাতে ঘৰবাৰী সাজি বহি গৈছিল। উচ্ছেদ আৰু ভগনীয়া সমস্যাই কি ৰূপ লৈছিল সেই বিষয়েও তলত তুলি দিয়া চিঠি কেইখনৰ পৰা জনা যায়।

১। মান্যবৰ

শ্ৰীৰজনীকান্ত গোস্বামী,

সভাপতি কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটি।

মহাশয়,

যোৱা ১৪/৫/৪৭ তাৰিখৰ পৰা ন-দুৱাৰ অঞ্চলৰ গ্ৰেজিং বিজাৰ্ভবোৰৰ পৰা পমুৱা সকলক উচ্ছেদ কৰাৰ ফলত যি এটা জটিল পৰিস্থিতিৰ উদ্ভৱ হৈছে- ন-দুৱাৰ বাসী, সেই পৰিস্থিতিৰ সম্মুখত আজি পৰিৱ লগা হৈছে। ন-দুৱাৰ অঞ্চলৰ বাইজে আমাৰ জামুগুৰি কেন্দ্ৰৰ ওপৰতেই ভৰসা কৰি এই বিপদত উত্তীৰ্ণ হ'ম বুলি ভাবিছে।

এই বিপদত ৰক্ষা পৰিৱৰ হ'লে যেনেকৈ জন বলৰ প্ৰয়োজন সেইদৰে যথেষ্ট ধনৰো আৱশ্যকতা সম্পৰ্কে আপোনাক বিস্তৰ নকলেও হ'ব।

সেই কাৰণে জামুগুৰি কংগ্ৰেছ কমিটিৰ হৈ মই কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিক অনুৰোধ কৰো যাতে আমাৰ সহায়ৰ কাৰণে কিছু ধন সংগ্ৰহ কৰি পঠোৱাৰ ব্যৱস্থা কৰিব।

১৪/৫/৪৭ তাৰিখৰ গুলি চলোৱা ঘটনাৰ পাছত আৰু নতুন ভেনে ঘটনা হোৱা নাই যদিও সাধাৰণ ঘটনা চলি আছে। উচ্ছেদৰ কামো চলিয়েই আছে। ১৫/৫/৪৭ তাৰিখলৈকে ১৫০ ঘৰ উঠোৱা হৈছে। জৰুৰী খবৰ থাকিলে আপোনালোকলৈ পঠোৱা হ'ব। আপোনালোকেও আমাৰ জামুগুৰি কেন্দ্ৰৰ লগত যোগাযোগৰ এটা ব্যৱস্থা কৰা উচিত।

গুনিবলৈ পাইছো উচ্ছেদিত ভালেমান পমুৱা নাৱেদি নগাঁবলৈ পাৰ হৈছে। সেই সম্পৰ্কেও আপোনালোকে সজাগ থকাটো বাঞ্ছনীয়।

এই চিঠিৰ যাৰাই আপোনাৰ অঞ্চলৰ দেশ সেৱক সকলৰ মঙ্গল কামনা কৰো। ইতি-

কিনীত

১৭/৫/৪৭ স্বাক্ষৰ : শ্ৰীযোৰ নাথ ভূঞা

সভাপতি জামুগুৰি কেন্দ্ৰীয় কংগ্ৰেছ কমিটি

২। "মিঞা ভগনীয়া

প্ৰেচিডেণ্ট কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটি- (সম্পাদকৰ হাতেদি)

ডাঙৰীয়া,

মই বিশ্বস্ত সূত্ৰে জানিব পাৰিছো যে আজি ৩/৪ দিনৰ আগতে কিছুমাথৰ পৰা ৩ নাও মুছলমান পাৰ হৈ গৰৈমাৰিলৈ আহিছে। গত কালিও ৩ নাও আহিছে বুলি জানিব পাৰিছো। সবিশেষ শ্ৰীৰতিন্দ্ৰ বনাৰ্জ্জি ও শ্ৰীগোলাপ চন্দ্ৰ গোস্বামীয়ে ভালকৈ জানে। গতিকে আমাৰ কেন্দ্ৰীয়ৰ তৰপৰ পৰা তদন্ত কৰি এটা ৰিপোৰ্ট পঠোৱা ভাল হ'ব। ভাবি চিন্তি কাম কৰিব বুলি আশা কৰিলো। ইতি ২৭/৫/৪৭

শ্ৰীযদাকান্ত বৰা, (সভাপতি)

হাটৰৰ প্ৰাঃ কং কমিটি।"

ওপৰত তুলি দিয়া চিঠি কেইখনৰ পৰা এই কথা ভালকৈ বুজিব পৰা হৈছে যে জিন্নাই কেবিনেট মিচন আঁচনি মানি নলওঁ বুলি লীগ কাউন্সিলত ঘোষণা কৰাৰ লগে লগে অসমত সাম্প্ৰদায়িক সংঘৰ্ষ লগাবলৈ অসমৰে এচাম উগ্ৰবাদী অসমীয়া মুচলমানে যি চেষ্টা আৰম্ভ কৰিলে সেই চেষ্টা তেওঁলোকে অব্যাহত ৰাখিলে। তাৰে পৰিশোধিত সৰ্ব্বসাধাৰণ অসমীয়া মুচলমান সকলেও মনৰ মাজত হিন্দুৰ প্ৰতি শত্ৰুভাব পোষণ কৰিলে আৰু নতুনকৈ অহা মৈমনসিঙিয়া মুচলমান সকলক খালি মাটিত বহিবলৈ সুবিধা কৰি দিলে। লগতে হিন্দুসকলৰ বিপক্ষে অস্ত্ৰ ধৰিবলৈ উদগনি দিলে। অসমীয়া মুচলমান সকলে দেদাই-ককাই, জেঠাই পেহী এই খাচ অসমীয়া সম্বোধন বোৰৰ কথাও যেন পাহৰি গ'ল। বাহিৰৰ প্ৰৰোচনাত পৰি নীৰিহ অসমীয়া মুচলমান সকলেও হিন্দুক কাফেৰ (শত্ৰু) জ্ঞান কৰিবলৈ যেন ওচ নকৰা হ'ল। সাময়িক ভাবে হ'লেও এটা অতি চেপা উত্তেজনা তেওঁলোকৰ মাজত বিৰাজ কৰিলে বুলি সেই সময়ৰ কংগ্ৰেছী মুচলমান সকলে দ্বিধাহীন ভাবেই প্ৰকাশ কৰিছিল।

সেই সময়ত অসমীয়া হিন্দুৰ জন সংখ্যা কম থকা গাওঁবোৰলৈ, খালি হৈ থকা গ্ৰেজিং ৰিজাৰ্ভবোৰলৈ, হাজাৰ হাজাৰ মৈমনসিঙিয়া মুচলমান আহি বসবাস কৰিবলৈ আৰম্ভ কৰিলে। ত্ৰিশ আৰু চল্লিশৰ দশকত অসমত যেতিয়া খাদুল্লা মন্ত্ৰীসভা আছিল তেতিয়াই অসমৰ আবাদি মাটিত বহুতাই বেচি শস্য উৎপাদনৰ নামত হাজাৰ হাজাৰ মৈমনসিঙিয়া আনা হ'ল। অসমক মুচলমান সংখ্যা গৰিষ্ঠ কৰিবলৈ আঁচনি তেতিয়াই আৰম্ভ হৈছিল।

তেতিয়াৰ ভাৰতৰ গৱৰ্ণৰ জেনেৰেল লৰ্ড ৱেভেল ১৯৪৩ চনত অসমলৈ আহিছিল। তেখেতে এই দিশটোৰ বিষয়ে চিন্তা কৰি উদ্বিগ্নতা প্ৰকাশ কৰিছিল। 'অধিক শস্য উৎপাদনৰ নামত খাদুল্লা চাহাবে অসমলৈ লাখে লাখে মৈমনসিঙিয়া আমদানী কৰিলে। খাদুল্লা চাহাবে অধিক শস্য গজোৱাৰ নামত অধিক মুছলমান গজোৱাৰ ব্যৱস্থা কৰিলে।' ৰবলাটি চাহাবে অসমীয়া মানুহৰ অন্ধকাৰ ভবিষ্যতৰ কথা ক'বলৈ বাধ্য হৈছিল। এজন বৃটিছ প্ৰশাসকৰ অৰ্ধ-শতাব্দীৰো আগতে প্ৰকাশ কৰা উদ্বিগ্নতাৰ কথা স্বাধীনতাৰ পিছত, ৰবদলৈ মেধিৰ বাহিৰে, দেশীয় শাসক সকলে সম্পূৰ্ণ ভাৱে উলাই কৰিলে। এতিয়াও কৰি আছে।

এতিয়া দেশ স্বাধীন হোৱাৰ পিছত হিন্দু মুচলমান দুটা পৃথক জাতিৰ মানুহৰ কাৰণে দুখন বেলেগ ৰাষ্ট্ৰ গঠন কৰাৰ পিছতো হিন্দু প্ৰধান অসমক মুচলমান প্ৰধান দেশ কৰিবলৈ প্ৰথম অৱস্থাত পূব পাকিস্তানৰ পৰা আৰু তাৰ পিছত এতিয়াও অহৰহ চেষ্টা চলিয়েই আছে। গোপন ষড়যন্ত্ৰ, নীৰৱ আক্ৰমণ, অনধিকাৰ প্ৰবেশ হৈয়েই আছে। অসমৰ চুকে কোণে য'তেই অকণমান খালি মাটি আছে তাতেই বাংলাদেশী সোমাই পৰিছে। চৰ চাপৰিবোৰ অধিকাৰ কৰি লৈছে। এচাম অসমীয়ায়ে ইন্ধন যোগাইছে। অসমৰ হাবি জংঘল কাটি ক্ষয়ংকৰ কৰিছে বাংলা দেশীয়ে। আই. এম. ডি. টি. আইনখনে বাংলাদেশীকে অসমত খোপনি পুতিবলৈ সুবিধা কৰি দিলে। একেখন স্বাধীন দেশৰ বিদেশী চিনাক্ত কৰিবলৈ দুই ধৰণৰ

ব্যৱস্থা কৰাটোৰ কোনো যুক্তি থাকিব নোৱাৰে। এক্ষেত্ৰত সংবিধানৰ তলত চলা অসমৰ কাৰণে বেলেগে বিদেশী চিনাক্ত কৰণ আইন তৈয়াৰ কৰাটোৱেই যুক্তিহীন আৰু অদূৰদৰ্শীতাৰ পৰিচায়ক। এতিয়া অসমৰ বিদেশী অনুপ্ৰবেশকাৰীৰ মান মৰ্য্যদা ভাৰতৰ অন্য প্ৰদেশৰ বিদেশীতকৈ বহুত ওপৰত। তেওঁলোকক বাহি উলিয়াই বিতাৰণ কৰিবলৈ অসমীয়া মানুহে মুৰে ভৰি কাঢ়িব লাগে। তাকে কৰিবলৈ গ'লে প্ৰাণেৰেই সংশয়। আপত্তি কৰি উপযুক্ত প্ৰমাণ দিলেহে চৰকাৰী যন্ত্ৰটোৱে বিদেশী কোন, ক'ত আছে দেখে। গুৱাহাটীৰ জজফিল্ডত বিদেশী খেদাবলৈ পতা সভাত বঙা বাংলাদেশী কনুৱাইহে দিছিল বুলি সেই সভাতে বহুতে বু-বু, বা-বা কৰা শুনা গৈছিল। সস্তা কনুৱা লগোৱা ঠিকাদাৰৰ কথা কাগজে পত্ৰই লিখিয়েই থাকে। অসমখন সোণৰ খনি গ্ৰকা ভাৰতৰ এখন উপনিবেশ বুলি কোনো কোনোৱে কৰা মন্তব্য একো আচৰিত নহয়। অসমৰ প্ৰতি কৰা চূড়ান্ত অৱহেলাই অসমক উতলা কৰিছে। অসমত অনুপ্ৰবেশৰ অবস্থা এতিয়া এনে পৰ্য্যায় পাইছেগৈ যে অচিৰেই অসম মুছলমান সংখ্যা গৰিষ্ঠ প্ৰদেশ বুলি দাবী কৰিবলৈ আমাৰে খাহ অসমীয়া মুছলমান সকলেই ওলাই অহাৰ সম্ভাৱনা নোহোৱা নহয়। আৰু তাৰ পিছত? তাৰোপৰি পৰিয়াল পৰিকল্পনাৰ কথা মৈমনসিঙিয়া মিঞাৰ কৰ্ণ গোচৰেই হোৱা নাই কিজানি। অসমীয়া গাৱঁলীয়া মুছলমান সকলেও এসময়ত ইয়াৰ দুৰ্ভোগ ভুগিব লাগিব।

সেই সময়ত বিশ্বনাথ চাৰিআলি, চতিয়া, ন-দুৱাৰ আদি অঞ্চলত উচ্ছেদ কাৰ্য্য চলাই (তেতিয়া পমুৱা উচ্ছেদ বুলি কোৱা হৈছিল) উচ্ছেদিত সকলক তেওঁলোকৰ আদি ভূমিলৈ ঘুৰাই পঠিওৱাৰ কোনো ব্যৱস্থা নথকাত বা নকৰাত সেই সকল আহি কলিয়াবৰৰ সুবিধাজনক ঠাইবোৰত সোমাই পৰিলহি। কলিয়াবৰ কংগ্ৰেছ কমিটি উপায়হীন হ'ল। অস্ত্ৰ সন্ত্ৰেৰে সু-সজ্জিত হাজাৰ হাজাৰ মুছলমান পমুৱাৰ বিৰুদ্ধে যুঁজিবলৈ যোৱা মানে দাঙ্গা হাঙ্গামাৰ সৃষ্টি কৰা আৰু সেই সু-সজ্জিত, সু-সংগঠিত হৃদয়হীন মৈমনশিঙিয়াৰ হাতত হিন্দু সকল ধ্বংস হৈ যোৱা। গতিকে যিমান পাৰি শান্তি শৃঙ্খলা ৰক্ষা কৰি, ত্যাগ স্বীকাৰ কৰি, নিজৰ জীৱন বিপন্ন কৰিও কলিয়াবৰ কংগ্ৰেছ নেতা-কৰ্ম্মীসকলে সাম্প্ৰদায়ীক সংঘৰ্ষ যাতে নহয় তাৰ বাবে গাৱেঁ গাৱেঁ গৈ শান্তি কমিটি গঠন কৰি মানুহক বুজনি দিলে। কলিয়াববলৈ পমুৱা মুছলমান সকলক আদৰি অনা অসমীয়া মুছলমান সকলকো বুজালে। কলিয়াবৰ কংগ্ৰেছে এই সকলোবোৰ বিষয়ে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলে আৰু স্মাৰক পত্ৰ দিয়েই সন্তুষ্ট থাকিব লগা হ'ল।

গান্ধীবাদী কলিয়াবৰ কংগ্ৰেছে কলিয়াববত যাতে সাম্প্ৰদায়ীক সংঘৰ্ষ নহয় তাৰ বাবে সকলো ফালে চকু দি সংঘৰ্ষ এবাই চলাত কৃতকাৰ্য্য হ'ল। বিনিময়ত যথেষ্ট ত্যাগ কৰা হ'ল। কলিয়াবৰ ইমান স্পৰ্শকাতৰ হোৱাৰ পিছতো সাম্প্ৰদায়ীক সংঘৰ্ষ নহ'ল।

জামুগুৰিৰ শ্ৰীযোষ নাথভূঞাদেৱৰ অনুৰোধ ৰক্ষা কৰি কলিয়াবৰ কংগ্ৰেছে প্ৰত্যেক প্ৰাথমিকৰ যোগেদি কিছু ধন যোগাৰ কৰি প্ৰায় ৫০০ পাঁচশ টকা জামুগুৰি কেন্দ্ৰীয় কংগ্ৰেছ কমিটিলৈ পঠিয়াই দিয়ে।

ভাৰতৰ বিভাজনৰ বুনিয়াদ ৰচনা

দিল্লী মহানগৰীত মুহূর্ত্তে মুহূর্ত্তে পট পৰিবর্ত্তন হ'বলৈ ধৰিলে। অসমক লৈ যি সমস্যাৰ সৃষ্টি হ'ল তাৰ কোনো সমাধান সূত্ৰ উলিয়াব নোৱাৰা অবস্থা পালেহি। আজাদে এতিয়াহে অসমৰ কথা অনুভৱ কৰিলে আৰু অসম মুচলমান সংখ্যা গৰিষ্ঠ প্ৰদেশ নোহোৱা সত্ত্বেও লীগে অসমক বেঙ্গলৰ লগত চামিল কৰা প্ৰশ্নটোত কিয় ইমান জোৰ দি ধৰি আছে। নৈতিক ভাৱে আৰু ৰাজনৈতিক ভাৱে মুচলিম লীগৰ দাবী বৰ দুৰ্ব্বল। এই প্ৰশ্নটো তেওঁ কে'বাবাৰো লৰ্ড মাউণ্টবেটেনৰ লগত এতিয়া আলোচনা কৰিলে। অসমক বেঙ্গলৰ লগত যোগ দিবলৈ জোৰ দিয়া কোনো বিধিসম্মত যুক্তি থাকিব নোৱাৰে বুলিও লাহে লাহে অনুভৱ কৰিলে।

কংগ্ৰেছ আৰু লীগৰ মাজৰ পাৰ্থক্যই এনে এটা অবস্থা পালেগৈ যে এটা তৃতীয় পক্ষৰ মধ্যস্থতা নহ'লে সমস্যাটোৰ সমাধান কৰা অতি কঠিন হ'ব অৰ্থাৎ নহ'বই। গতিকে আজাদে গোটেই বিষয়টো লৰ্ড মাউণ্টবেটেনৰ ওপৰত এৰি দি এটা সমাধান সূত্ৰ উলিয়াবলৈ আৰু দুয়োপক্ষই তেওঁৰ সূত্ৰ গ্ৰহণ কৰিবলৈ সম্মতি প্ৰকাশ কৰিব লাগে বুলি পৰামৰ্শ আগ বঢ়োৱাৰ চিন্তা কৰি জৱহৰলাল নেহৰু আৰু চৰ্দ্দাৰ পেটেলক ক'লে। কিন্তু দুয়োজনে মধ্যস্থতাকাৰীৰ চিন্তাটো ভাল নাপালে কাৰণে আজাদে কথাটো তাতে সামৰিলে। (১)

সাম্প্ৰদায়ীক সংঘৰ্ষই যি প্ৰচণ্ড ৰূপ লৈছে, কংগ্ৰেছ আৰু লীগৰ মাজৰ কৰাল গাঁঠি আৰু টান হৈছে আছিল। কাৰ্য্যবাহী মন্ত্ৰণা সভাৰ সদস্য সকলে যেনেকৈ ইজনে সিজনৰ দোষ খুচৰি টনা আজোঁৱাত লাগিল যে কেন্দ্ৰীয় চৰকাৰ একেবাৰেই অকৰ্ম্মণ্য হৈ পৰিল। বিত্ত বিভাগত থকা কেইজন মান বিচক্ষণ মুচলিম বিষয়াই লিয়াকত আলিক প্ৰতি মুহূর্ত্ততে আৰু প্ৰতিটো কথাতে পৰামৰ্শ দিলে। গৃহ বিভাগৰ সম্পূৰ্ণ দায়িত্বত থকা পেটেলে লিয়াকতৰ সম্মতি নহ'লে আনকি চাপ্ৰাচী পদবী এটাও সৃষ্টি কৰিব নোৱাৰা হ'ল। এনে পৰিস্থিতিত পুলিছ (গৃহ) প্ৰশাসনতে চূড়ান্ত বিফলতাই দেখা দিলে। লিয়াকত আলিয়ে প্ৰতিটো বিভাগৰ কামৰ ওপৰতে হস্তক্ষেপ কৰিবলৈ ল'লে আৰু নিজৰ ক্ষমতা প্ৰয়োগ কৰিলে। বিত্ত বিভাগটো লীগৰ লিয়াকতৰ হাতত তুলি দি ভুল কৰাৰ পিছত এতিয়া সকলোতকৈ বেচি বিৰক্ত হ'ল চৰ্দ্দাৰ পেটেল নিজে। এক সম্পূৰ্ণ অচলাৱস্থাৰ সৃষ্টি হ'ল।

এই অচলাৱস্থাৰ পৰিপ্ৰেক্ষিততে লৰ্ড মাউণ্টবেটেনে লাহে লাহে ভাৰত ভূমিৰ শাসনৰ ভাগ বাটোৱাৰা কৰাৰ ভেটি তৈয়াৰ কৰাৰ সুবিধা ল'লে। চৰ্দ্দাৰ বল্লভ ভাই পেটেলৰ বিৰক্তিবোধৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰি সুবিধা আদায় কৰিলে মহা কুটনীতিবিদ

---

(১) India wins Freedom- Page 182- Maulana Azad.

লৰ্ড মাউণ্টবেটেনে। পেটেলে শেষত দৃঢ় ভাৰে বিশ্বাস কৰিলে যে লীগৰ লগত এক্কেলগে কাম কৰাটো অতি দুঃসাধ্য হ'ব আৰু এই পৰিস্থিতি সদায়েই চলি থাকিব। মাউণ্টবেটেনে পেটেলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ তেওঁৰ এই বিৰক্তি আৰু দুৰ্বলতাৰ সুযোগ ল'লে। যি পৰিস্থিতি এতিয়া বিৰাজ কৰিছে তাৰ পৰা অব্যাহতি পোৱাটো সম্ভৱ নহয় বুলি পেটেলৰ চিন্তা ধাৰাৰ ওপৰত প্ৰবল হেঁচা প্ৰয়োগ কৰিলে। মাউণ্টবেটেনৰ প্ৰথম চিকাৰ হ'ল ভাৰতৰ যি গৰাকী লৌহ মানৱ সেই গৰাকী চৰ্দ্দাৰ পেটেল। অব্যাহত থকা অচলাৱস্থা আৰু পৰিস্থিতিত সমাধানৰ একমাত্ৰ পথ আৰু উপায় ভাৰতক দ্বিখণ্ডিত কৰা বুলি তেওঁ পেটেলক পতিয়ন নিয়ালে। লৌহ মানৱ গৃহ মন্ত্ৰী জনেই যেতিয়া জালত সোমাই পৰিল পিছৰ সকলোবোৰ মাত্ৰ নিমিত্তহে বুলি লৰ্ড মাউণ্টবেটেনৰ নিশ্চয় নিশ্চিত ধাৰণা হ'ল। লাহে লাহে তেওঁ জাল বহলাই পেলালে।

লৰ্ড মাউণ্টবেটেনে যেতিয়া জৱহৰলাল নেহৰুৰ ওচৰত ভাৰত বিভাজনৰ প্ৰশ্নটো তুলিলে তেওঁ জাঙুৰ খাই জপিয়াই উঠিল আৰু পোনচাতেই ইয়াৰ বিৰোধীতা কৰিলে। কিন্তু মাউণ্টবেটেনে অলপ অলপকৈ নেহৰুৰ বিৰোধ ভাব কমাই আনিলে। নেহৰুৰ ওপৰত চৰ্দ্দাৰ পেটেলৰ যুক্তি আৰু প্ৰভাৱ বাকৰৈযে পৰিল। নেহৰুৱে শান্ত ভাৱে সকলো শুনিলে। লৰ্ড মাউণ্ট বেটেনৰ কথাত নেহৰু মোহিত হ'ল। কিন্তু তাতোকৈ লেডি মাউণ্টবেটেনৰ প্ৰভাৱতহে জৱহৰলালে ভাৰত বিভাজনৰ কথা মানি ল'লে বুলি ভাৰতৰ অন্য নেতা সকলে বিশ্বাস কৰে।

মহাত্মা গান্ধীৰ মত আৰু পৰামৰ্শ

পেটেল আৰু নেহৰুৰ মনৰ কথা জানিব পাৰি মৌলানা আবুল কালাম আজাদে মনত বৰ দুখ পালে। তেওঁ গান্ধীজীৰ ওচৰ চাপিল। আজাদে গান্ধীজীক পেটেল-নেহৰুৰ লগত হোৱা আলোচনাৰ কথা সবিশেষ ক'লে। পেটেলে ভাবে হিন্দু মুচলমান এই দুটা সুকীয়া জাতি কেতিয়াও লগ হ'ব নোৱাৰে। জিন্নাই ইমান দিনে চিএৰি থকা দুটা পৃথক জাতিৰ কথাটো অৱশেষত, তাকো ভাৰতৰ স্বাধীনতাৰ সমস্যাটো সমাধানৰ ওচৰ চাপি অহা সময়তে, পেটেলে স্বীকাৰ কৰি ল'লে আৰু ভাৰত বিভাজন মানি ল'লে। জৱহৰলালে যদিও প্ৰথমতে দুৰ্ঘোৰ প্ৰতিবাদ কৰি আপত্তি কৰিছিল, পেটেল, মাউণ্টবেটেন (স্বামী-স্ত্ৰী), আৰু কিছু পৰিমানে কৃষ্ণমেননৰ প্ৰভাৱতে অন্য কোনো সমাধানৰ পথ উলিয়াব নোৱাৰি ভাৰত বিভাজন মানি ল'লে।

মহাত্মা গান্ধীয়ে এই সকলো কথা আজাদৰ পৰা শুনি ক'লে 'যদি কংগ্ৰেছ কমিটিয়ে ভাৰত বিভাজন মানি ল'বলৈ ইচ্ছা কৰে তেন্তে সি হ'ব মোৰ মৃত দেহৰ ওপৰত। যেতিয়ালৈকে মই জীয়াই থাকো ভাৰতৰ বিভাজন মই মানি নলও আৰু কংগ্ৰেছকো মানি ল'বলৈ নিদিওঁ'। এই কথা শুনি হয়তো

আজাদৰ মনৰ দুখ কিছু পাতলিল।

গান্ধীজীয়ে সেইদিনাই লৰ্ড মাউণ্টবেটেনক লগ ধৰি দুঘণ্টা কাল নিবিড়ভাৱে আলোচনা কৰিলে। আলোচনাৰ অন্তত গান্ধীয়ে জিন্নাক চৰকাৰ গঠন কৰিবলৈ আমন্ত্ৰণ জনাবলৈ লৰ্ড মাউণ্টবেটেনক পৰামৰ্শ দিলে। ভাৰতৰ অখণ্ডতা ৰক্ষা কৰিবলৈ মহাত্মাই ইয়ালৈকো আগবাঢ়িল আৰু হিন্দু মুচলমান একেখন ভাৰতৰে সন্তান, একেলগেই থকাটো বিচাৰিলে।

আবুল কালাম আজাদক মাউণ্টবেটেনে ক'লে যে যদি কংগ্ৰেছে গান্ধীজীৰ প্ৰস্তাৱ মানি লয় আৰু জিন্নাক চৰকাৰ গঠন কৰিবলৈ দিয়া হয় আৰু তেওঁক কেবিনেট সদস্য সকল বাছি ল'বলৈ দিয়া হয় এতিয়াও ভাৰতক বিভাজন মোহোৰাকৈ ৰাখিব পৰা যাব। তেনে কৰিলে মুচলিম লীগ আৰু জিন্নাক পতিয়ন নিয়াব পৰা যাব। কিন্তু চৰ্দ্দাৰ পেটেল আৰু নেহেৰুৱে এই প্ৰস্তাৱৰ দুৰ্যোধ প্ৰতিবাদ কৰিলে। তেওঁলোক দুয়ো লগ লাগি মহাত্মা গান্ধীক তেওঁৰ প্ৰস্তাৱ উঠাই ল'বলৈ বাধ্য কৰালে। গান্ধীজী মৰ্ম্মাহত হ'ল। তেখেতে আজাদক ক'লে 'যদি কোনেও মোৰ কথা নুশুনে- এই পৰিস্থিতিত, বিভাজনৰ বাহিৰে আন কোনো উপায়েই আৰু নাই।' আজাদে আকৌ এবাৰ লৰ্ড মাউণ্টবেটেনক লগ ধৰি শেষ বাৰৰ কাৰণে ভাৰত বিভাজন ৰোধ কৰিবলৈ চেষ্টা চলালে। কিন্তু নহ'ল। লৰ্ড মাউণ্টবেটেন দুমাহৰ অভিজ্ঞতা লৈ ১৮ মে (১৯৪৭) তাৰিখে লণ্ডনলৈ যাত্ৰা কৰিলে।

ঘটনাচক্ৰই এনেকুৱা পাক ল'লে যে গুপিং বা অসমৰ সমস্যা সকলো বোৰেই তলত পৰি থাকিল। পৰিস্থিতি কি হ'বলৈ কোনেও ক'ব নোৱাৰে। অসম এতিয়াও অন্ধকাৰ ভৱিষ্যতৰ মাজতে সোমাই আছে। অসমক পাকিস্তানৰ ভিতৰত সুমুৱাই ল'বনে কি? প্ৰশ্নটো অনিশ্চিয়তাৰ মাজতে ৰৈ থাকিল। ১৯৩৮ চনতেই লাহোৰত বহা মুচলিম লীগৰ সভাত অসমকো পাকিস্তানৰ ভিতৰত সুমুৱাই লোৱাৰ বাবে দাবী কৰা হৈছিল।

৩০ মে তাৰিখে লৰ্ড মাউণ্টবেটেন ভাৰতলৈ ঘূৰি আহিল। ২ জুনত কংগ্ৰেছ আৰু মুচলিম লীগৰ প্ৰতিনিধিৰ সৈতে আলোচনা কৰিলে আৰু ৩ জুন তাৰিখে ভাৰতৰ এশ বছৰীয়া স্বাধীনতা যুদ্ধৰ অন্ত পেলাই ভাৰতবৰ্ষক তিনিটা খণ্ডত ভাগ কৰি স্বাধীনতা প্ৰদান কৰাৰ ঐতিহাসিক শ্বেত পত্ৰ (ৰাজপত্ৰ) খন প্ৰকাশ কৰিলে। ১৪ জুনত নিঃ ভাঃ কংগ্ৰেছ কমিটি বহিল। যি কংগ্ৰেছে আৰম্ভণিৰে পৰা অখণ্ড ভাৰতৰ স্বাধীনতাৰ কাৰণে আজিলৈকে যুঁজ দি আহিল সেই কংগ্ৰেছ কমিটিয়ে প্ৰস্তাৱ যোগে মাউণ্টবেটেনৰ আঁচনি গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিলে। পণ্ডিত গোবিন্দ বল্লভ পন্থে দেশখন ভাগ কৰাৰ বাবে ৰাজদ্বৰা (চৰকাৰী) প্ৰস্তাৱ দাঙি ধৰিলে। কিন্তু সকলোতকৈ আচলিত কথা— কংগ্ৰেছৰ মাজৰ যিসকলক সকলো সময়তে সাম্প্ৰদায়ীক মনোভাৱৰ বুলি জনা গৈছিল, যি সকলে সদায় কৈ আহিছিল যে হিন্দু আৰু মুচলমান সকলৰ সামাজিক জীবন ধাৰা সম্পূৰ্ণ বেলেগ, তেওঁলোকে মঞ্চত উঠি ভাৰতৰ বিভাজনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱৰ দুৰ্যোধ প্ৰতিবাদ কৰিলে। তেওঁলোকে জোৰ দি ক'লে- ভাৰতৰ অখণ্ডতা ৰাখিবই লাগিব। পণ্ডিত পন্থ, পেটেল, নেহৰু কাৰো কথাই ভাৰতৰ

সকলো মানুহকে বিভাজনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱ মানি ল'বলৈ সম্মত কৰিব নোৱাৰিলে। এই অৱস্থাতে গান্ধীজীয়ে হস্তক্ষেপ কৰি কংগ্ৰেছৰ প্ৰস্তাৱৰ সমৰ্থন কৰি ক'বলৈ বাধ্য হ'ল। তেওঁ ক'লে যে তেওঁ আজীৱন বিভাজনৰ বিপক্ষে থকাৰ কথাটো কোনেও না নকৱে- কিন্তু বৰ্ত্তমান যি পৰিস্থিতিৰ উদ্ভৱ হৈছে বিভাজনৰ কোনো বিকল্প নাই। মাউণ্টবেটেনৰ আঁচনি মানি লোৱাৰ বাহিৰে কোনো পথেই এতিয়া খোলা নাই আৰু ৰাজনৈতিক বাস্তৱতাই মাউণ্টবেটেনৰ প্ৰস্তাৱকেই স্বীকাৰ কৰিবলৈ বাধ্য কৰিছে। আচলতে মাউণ্টবেটেনৰ আঁচনিৰ শেষ কথা হ'ল, হয় বিভাজন মানি লৈ ভাৰতৰ স্বাধীনতা লাভ কৰা নহয় বিভাজন অস্বীকাৰ কৰি প্ৰত্যাখ্যান কৰা আৰু অনিৰ্দ্দিষ্ট কাললৈ ভাৰতৰ স্বাধীনতাৰ প্ৰশ্নটো স্থগিত ৰাখা। কংগ্ৰেছ এই অগ্নিপৰীক্ষাৰ সম্মুখীন হ'ল। গান্ধীজীৰো উপায় নোহোৱা হ'ল।

প্ৰস্তাৱটো ভোটত দিয়া হ'ল। সপক্ষে ২৯ টা আৰু বিপক্ষে ১৫টা ভোট পৰিল। আজাদৰ মতে- "আন কি গান্ধীজীৰ প্ৰাৰ্থনায়ো দেশখন বিভাজনৰ সমৰ্থনত ভোট দিবলৈ আৰু বেচি সংখ্যক সদস্যক সম্মত কৰিব নোৱাৰিলে।" মনৰ ভিতৰত সন্দেহ নৰখাকৈ (Without mental reservation) কোনো মানুহেই দেশখন বিভাজন কৰাটো মানি লবলৈ টান নোপোৱাকৈ নাথাকিল।

বঙ্গদেশক দুভাগ কৰি মুচলমান সংখ্যা গৰিষ্ঠ পূৰ্ব্ব বঙ্গৰ লগত অসমৰো মুচলমান সংখ্যাগৰিষ্ঠ শ্ৰীহট্ট (চিলেট) জিলাখন লগ লগাই পূব পাকিস্তান গঠন কৰিলে। সিফালে পাঞ্জাব প্ৰদেশখনো দুভাগ কৰি মুচলমান প্ৰধান পশ্চিম ফাল পাকিস্তানত লগ লগোৱা হ'ল। উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ পাঠান সকলে স্বাধীন পাখ্টুনিস্থান বিচৰা কথাটোৰ বিৰোধীতা কৰি মাউণ্টবেটেনে গণ ভোটৰ ব্যৱস্থা কৰিলে। হয় ভাৰতৰ লগত থাকা, নহয় পাকিস্তানৰ লগ হোৱা। স্বাভাৱিকতে মুচলমান পাঠান সকলে পাকিস্তানৰ ফালেই ভোট দিলে। গতিকে এই তিনিওখন ঠাই লগ লগাই পশ্চিম পাকিস্তান ঘোষণা কৰা হ'ল। বাকী বৃহৎ ভূমিখণ্ড ভাৰতবৰ্ষ হিচাপেই ৰৈ গ'ল। অসমৰ বঙালী মুচলমান খিনি আঁতৰিল। কিন্তু কিমান দিনলৈ?

যোৱা এটা বছৰৰ অতি অনিশ্চয়তাৰে ঘটনা ৰাশিৰ সঘনে পট পৰিবৰ্ত্তন ঘটিল। ঘটনা দুৰ্ঘটনাৰে পৰিপূৰ্ণ হৈ কেবিনেট মিচন আঁচনি উফৰি গ'ল। লৰ্ড মাউণ্টবেটেনৰ মগজুৰ সন্তান নোহোৱা কাৰণেই হয়তো হিন্দু সংখ্যা গৰিষ্ঠ অসমক 'চি' গ্ৰুপৰ পৰা বাদ দিয়ো যে অখণ্ড ভাৰতক স্বাধীনতা দিয়াৰ ব্যৱস্থা কৰিব পাৰিলেহেঁতেন তাৰো চিন্তা নকৰিলে। মুচলমান সংখ্যা গৰিষ্ঠ শ্ৰীহট্ট জিলাখন অসমৰ পৰা এতিয়াৰ দৰেই, কাটি নি বঙ্গৰ লগত লগ লগাই 'চি' গ্ৰুপত ৰাখিব পাৰিলেহেতেন। সেই চিন্তা কোনেও নকৰিলে। যি কি নহওক 'চি' গ্ৰুপত সুমুৱাই দি অসমক শেষ কৰি দিবলৈ লোৱা সৰ্ব্বভাৰতীয় কংগ্ৰেছ নেতা সকলৰ প্ৰচেষ্টাও এতিয়া অৰ্থহীন হৈ পৰিল। ভাৰতক খণ্ড খণ্ড কৰাৰ মাউণ্টবেটেনৰ আঁচনি ফলপ্ৰসূ হৈ উঠিল। মুচলিম লীগ আৰু ভাৰতীয় জাতীয় কংগ্ৰেছে ভাৰত বিভাজন মানি ল'লে। পাকিস্তান পূব আৰু পশ্চিম আৰু ভাৰত স্বাধীন হ'ল।

অসম কেনেকৈ ৰক্ষা পৰিল

এতিয়া স্বাধীনতা পোৱাৰ ইমান বছৰৰ পিছত ঘুৰি চাই আমাৰ মনলৈ আহিছে বহুত কথাই, বহুত ঘটনাৰ চবিয়েই, যিবোৰৰ শেষ পৰিণতিৰ ফলতে আৰু তাতোকৈ কিবা এক ঐশ্বৰীক শক্তিয়েহে যেন অসমক শেষ হৈ যোৱাৰ পৰা ৰক্ষা কৰিলে। তাৰে কেইটামান ঘটনাৰ থুল মূল কথা হ'ল-

(১) শ্ৰীগোপীনাথ ৰৰদলৈ দেৱৰ 'চি' গ্ৰুপত অসমে যোগ দিয়াৰ চূড়ান্ত সিদ্ধান্ত আৰু মহাত্মা গান্ধীৰ আশীৰ্ব্বাদ, যুক্তি আৰু সমৰ্থনৰ লগতে অসমৰ ইমুৰৰ পৰা সিমুৰলৈ উঠা প্ৰতিবাদৰ জোৱাৰেও নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ শীৰ্ষ নেতা সকলক টলাব নোৱাৰিলে। সৰ্ব্বশেষত নিঃ ভাঃ কং কমিটিয়ে ৰৰদলৈদেৱৰ স্মাৰক পত্ৰৰ ওপৰত কোনো আলোচনা নকৰিবলৈহে সিদ্ধান্ত ল'লে। কেবিনেট মিচন আঁচনি প্ৰস্তাৱ যোগে গ্ৰহণ কৰিল।

(২) ১৯৩৯ চনৰে পৰা নিঃ ভাঃ কং কমিটিৰ সভাপতি হৈ থাকি ১৯৪৬ চনৰ ৭ জুলাইত মৌলানা আবুল কালাম আজাদে পদত্যাগ কৰাত সেই দিনাই পণ্ডিত জৱহৰলাল নেহৰু বিনা প্ৰতিদ্বন্দ্বীতাই কংগ্ৰেছ সভাপতি হ'ল।

(৩) তিনি দিন পিছত ১০ জুলাই তাৰিখে নহৰুৱে সাংবাদিক মেলত প্ৰয়োজন হ'লে কেবিনেট মিচন আঁচনিৰ সংশোধন বা পৰিবৰ্ত্তন ঘটাবলৈ কংগ্ৰেছৰ সম্পূৰ্ণ স্বাধীনতা আছে বুলি ঘোষণা কৰিলে।

(৪) ২৭জুলাইৰ মুচলিম লীগ কাউন্সিলৰ সভাৰ প্ৰস্তাৱেৰে কেবিনেট মিচন আঁচনি অগ্ৰাহ্য কৰি নাকচ কৰিলে। সেই সভাতে ১৬ আগষ্ট (১৯৪৬) ৰ দিনা সম্মুখ সমৰত উপস্থিত হ'ব, প্ৰত্যক্ষ সংগ্ৰাম (Direct Action) কৰিব বুলি জিন্নাই ঘোষণা কৰিলে। জিন্নাৰ অসহযোগী মনোভাব প্ৰকট হ'ল।

(৫) তেনেকুৱা পৰিস্থিতিৰ মাজতে লৰ্ড ৱাভেলে মধ্যবৰ্ত্তী কালীন চৰকাৰ গঠন কৰিবলৈ নেহৰুক আমন্ত্ৰণ জনালে। চৰকাৰত যোগ দিবলৈ মাতোতেও জিন্না নহাত নেহৰুৱে চৰকাৰ গঠন কৰিলে।

(৬) ১৬ আগষ্টৰ দোকমোকালিতে— আগতে কোনেও নজনা আৰু কল্পনা কৰিব নোৱাৰা— জিন্নাৰ প্ৰত্যক্ষ সংগ্ৰাম (Direct Action) আৰম্ভ হ'ল। কলিকতাত দাঙ্গা হাঙ্গামা, সাম্প্ৰদায়ীক সংঘৰ্ষ আৰম্ভ হ'ল।

(৭) দুমাহ অনিশ্চয়তাৰ মাজত পাৰ হোৱাৰ পিছত মুচলিম লীগে মধ্যবৰ্ত্তী-কালীন চৰকাৰত যোগ দিলে। লিয়াকত আলিয়ে (বিত্ত বিভাগৰ) দাখিল কৰা বাজেটে হিন্দু ব্যৱসায়ী সকলক অপকাৰ কৰিব আৰু এইখন সাম্প্ৰদায়ীক বাজেট বুলি কংগ্ৰেছে

সমালোচনা কৰিলে। মুচলিম লীগে এনেতে হঠাৎ গণ পৰিষদ বৰ্জন কৰিলে। আকৌ অচলাবস্থাৰ সৃষ্টি হ'ল।

(৮) ইতিমধ্যে ইংলণ্ডত মিঃ এটলী বৃটিছ প্ৰধান হ'ল। তেওঁ ভাৰতৰ হাতত ক্ষমতা প্ৰদানৰ এটা দিন ঠিক কৰাৰ চিন্তা কৰি গৱৰ্ণৰ জেনেৰেল ৱাভেলক জনালে। ৱাভেলে এতিয়াই ক্ষমতা হস্তান্তৰ কৰিলে সাম্প্ৰদায়ীক সংঘৰ্ষ হ'ব বুলি স্থিতাবস্থা বাহাল ৰাখিবলৈ অনুৰোধ জনালে। বৃটিছ প্ৰধান মন্ত্ৰী এটলীয়ে নামানিলে। গতিকে লৰ্ড ৱাভেলে পদত্যাগ কৰি গুছি গ'ল।

(৯) লৰ্ড মাউণ্টবেটেন গৱৰ্ণৰ জেনেৰেল নিযুক্ত হ'ল। ভাৰতলৈ আহিয়েই তেওঁ কংগ্ৰেছ আৰু লীগৰ লগত আলোচনা কৰিলে।

(১০) গ্ৰুপিঙত অসম সোমোৱা নোসোমোৱা লৈ কংগ্ৰেছ আৰু লীগৰ মত পাৰ্থক্য হ'ল। ইফালে বিৰক্ত হৈ পৰা চৰ্দ্দাৰ পেটেলৰ ওচৰত ভাৰত বিভাজন প্ৰস্তাৱ আগ বঢ়ালে লৰ্ড মাউণ্টবেটেনে। তেওঁ জয়ী হ'ল। ভাৰত ভূমি ভাগ বাতোৱাৰা কৰি মুচলমানৰ কাৰণে পাকিস্তানৰ সৃষ্টি কৰিলে।

এনেবোৰ ঘটনা পৰিঘটনাৰ ফলতেই অসম ৰক্ষা পৰিল। অতি গভীৰ ভাৱে চিন্তা কৰিলে পোৱা যায় অসমৰ প্ৰতিবাদ দাবী আদিৰ প্ৰতি কোনো গুৰুত্ব নিদি অসমক বঙ্গৰ লগত চামিল কৰি 'চি' গ্ৰুপত ৰখাটো চূড়ান্ত ভাৱে সিদ্ধান্ত লোৱা- পণ্ডিত জৱাহৰলাল নেহৰুৰ ১০ জুলাই তাৰিখৰ সাংবাদিক মেলত কৰা ঘোষণায়েই ভাৰতৰ স্বাধীনতা বুৰঞ্জীৰ গতি পথ সলনি কৰি দিলে। এই কথা স্বয়ং মৌলানা আজাদে বিনা দ্বিধাই প্ৰকাশ কৰিলে। নেহৰুৰ সেই ঘোষণাই অখণ্ড ভাৰতৰ স্বাধীনতাৰ চৰি খন সলনি কৰি দিলে। তাৰ পিছতে চৰ্দ্দাৰ পেটেলৰ অনমনীয় মনোভাৱৰ বাবে বিত্ত বিভাগটো লীগক দি নিজেই উজুতি খালে কংগ্ৰেছে। বিভাজন মানি লোৱা প্ৰথম গৰাকী কুটনীতিজ্ঞ বিজ্ঞ পুৰুষ (যাক ভাৰতৰ লৌহ মানৱ বুলি আখ্যা দিয়া হয়) জন হ'ল চৰ্দ্দাৰ বল্লভ ভাই পেটেল। নেহৰুৰ সেইদিনাৰ (১০ জুলাই) ঘোষণাৰেই আৰম্ভ হৈ মাজৰ ঘটনা বোৰ অতিক্ৰম কৰি মুচলিম শাসনৰ কবলৰ পৰা অসম ৰক্ষা পৰি ভবিষ্যতেও দাবী কৰিবলৈ সুবিধা হৈ পৰা পূৰ্ব পাকিস্তানৰ অন্তৰ্ভুক্তিৰ পৰা অসম মুক্ত হ'ল- যদিও গান্ধীজীৰ 'মৃতদেহৰ ওপৰত সৃষ্টি' হোৱা ভাৰতভূমি দ্বিখণ্ডিত হৈ গ'ল। জিন্না পাকিস্তানৰ আৰু লৰ্ড মাউণ্টবেটেন ভাৰতৰ গৱৰ্ণৰ জেনেৰেল হ'ল।

মুচলিম লীগে ভাৰতৰ সকলো মুচলমানকে ভাৰত ত্যাগ কৰি পাকিস্থানলৈ যাবলৈ পৰামৰ্শ দিলে। যি সকল মুচলমানৰ পূৰ্ব্বপুৰুষ সকলবো জন্ম ভাৰতবৰ্ষত, যোৱা ৬০০ বছৰ ধৰি ভাৰতত আছে সা-সম্পত্তি ব্যৱসায় বাণিজ্য সকলো ভাৰততে, তেওঁলোকোকো লীগৰ মানুহে ভাৰত এৰি পাকিস্তানলৈ যাবলৈ জোৰ কৰিছিল—, ভাবুকি দিছিল। এটা সম্পূৰ্ণ অৰাজনৈতিক প্ৰস্তাৱ আগবঢ়াইছিল।

১৫ আগষ্ট ১৯৪৭ চন

অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰত স্বাধীন হ'ল। সকলোৱেই আনন্দত উৎফুল্লিত হ'ল। ৰাতিয়েই গণ পৰিষদ বহিল মাজনিশা। ভাৰতৰ প্ৰথম প্ৰধান মন্ত্ৰী পণ্ডিত জৱহৰলাল নেহৰুৱে ১৫ আগষ্টৰ ৰাতি ১২ বজাত (দিনটো আৰম্ভ হোৱাৰ ক্ষণতে) লালকিল্লাৰ পৰা ঘোষণা কৰিলে, যেতিয়া পৃথিৱীৰ সকলোৱেই টোপনিত লাল কাল, ভাৰত সাৰ পাই উঠিছে। ভাৰতে স্বাধীনতা পালে ভাৰত এতিয়া সম্পূৰ্ণ স্বাধীন ৰাষ্ট্ৰ হ'ল।

১৪ আগষ্টত লৰ্ড মাউণ্টবেটেন কৰাচীলৈ গ'ল আৰু সেইদিনাই স্বাধীন পাকিস্তান উন্মোচন কৰিলে। পিছৰ দিনাই তেওঁ দিল্লীলৈ ঘুৰি আহিল। পুৱা ৯ বজাত এচেম্বলি আকৌ বহিল। মাউণ্টবেটেনে উন্মোচনী ভাষণ দিলে। লক্ষ লক্ষ মানুহ চাৰিওফালৰ পৰা ভাগি আহি দিল্লী মহানগৰী ভৰি পৰিল। আবেলি ৪ বজাত পতাকা উত্তোলন কৰাৰ কথা। কিন্তু শাওন মাহৰ টিকা ফটা ৰ'দতে জনতা ৰৈ থাকিল তেতিয়ালৈকে। মানুহৰ ভিৰৰ মাজেদি বিৰ দি বাট উলিয়াব নোৱাৰা অৱস্থা হ'ল। ভাৰতৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল লৰ্ড মাউণ্টবেটেনৰ গাড়ী খন এফুটো আগ পিছ কৰিব নোৱাৰা হ'ল, আনকি দুৱাৰ খুলি গাড়ীৰ পৰা ওলাব নোৱাৰা অৱস্থা হ'ল। মানুহৰ সাগৰত তেওঁ ডুবি গ'ল। বাধ্য হৈ তেওঁ গাড়ীৰ ভিতৰত বহিয়েই তেওঁৰ ভাষণ দিব লগা হ'ল।

নগাওঁ টাউনত স্বাধীনতা দিবস

নগাওঁ টাউনত কেনেকৈ স্বাধীনতা দিবস উদ্‌যাপন কৰা হ'ল সেই বিষয়ে শ্ৰীবদন চন্দ্ৰ বৰদলৈ দেৱে লিখি থৈ যোৱা তেখেতৰ 'জীৱন কাহিনী'ৰ পৰা তুলি দিয়া কথাখিনিৰ পৰাই জানিব পৰা যায়।

" স্বাধীনতা দিবসৰ বাবে এই শুভ দিনটো বাচনি কৰিলে। নেতা সকলে স্থিৰ কৰিলে যে ১৯৪২ চনৰ ৯ আগষ্টৰ দিনা কংগ্ৰেছ ওৱাৰ্কিং কমিটিয়ে বৃটিছে ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু চৰ্দাৰ বল্লভ ভাই পেটেলে সেইদিনাৰ পৰা ৭ দিনৰ দিনা স্বাধীনতা লাভ কৰিম বুলি ঘোষণা কৰিছিল। সেই মৰ্মেই ৯ আগষ্টৰ পৰা ৭ দিনৰ দিনা ১৫ আগষ্ট, গতিকেই ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা বৃটিছৰ হাতৰ পৰা ৰাজদণ্ড ভাৰতবাসীৰ হাতত অৰ্পণ কৰিবলৈ দিন স্থিৰ কৰিলে অৰ্থাৎ ১৯৪৭ চনৰ ১৫ আগষ্টত ৰাতি ১১-৪৫ মিনিটত মাউণ্টবেটেনে বৃটিছৰ হৈ ৰাজদণ্ড ভাৰতবাসীৰ প্ৰধান নায়ক পণ্ডিত জৱহৰলালৰ হাতত অৰ্পণ কৰিব। গোটেই ভাৰততে এই শুভ মুহূৰ্তৰ বাবে বাইজ উন্মাউল হ'ল। বজাঘৰীয়া প্ৰজাঘৰীয়া আনন্দত ভাৰত হেন্দোলদোপ দল দোপ লাগিল। বজাঘৰ প্ৰজাঘৰ মিলি এই শুভ দিনটো কিদৰে পালন কৰা হ'ব আলোচনা আৰম্ভ হ'ল। এই দিনৰ ভাঙৰ দায়িত্ব মোৰ ওপৰত পৰিল ডি অ চি হিচাবে। উৎসৱ ও দিনীয়া কৰি পাতিবলৈ সিদ্ধান্ত কৰিলে। গাৰ্ডৰ বাদ্য ভণ্ড, শোভাযাত্ৰাৰ বাবে জিলাৰ বিমান যান বাহন বন্দবস্ত কৰালোঁ। ১৫ আগষ্টত সেৱা দল আহিনী দলে দলে আহি নগাওঁ উপস্থিত পৰিল। ৰাতি ১২-৪৩ মিনিটত স্বাধীনতা অৰ্পণ কৰাৰ সময়ত কংগ্ৰেছ জন্মৰ পৰা বিমান বহুৱ হ'ল তিমান টোপ ধ্বনি কৰাৰ ব্যৱস্থা কৰা হ'ল। সেইমতে ৰাতি ১২-৪৫ মিনিটত ঘড়ি চাই ৬২

বজৰ ৬২ টা তোপধ্বনি কৰা হ'ল। বাদ্য ভঙ বাজি উঠিল। সকলো আনন্দৰ ধ্বনিত আকাশ মুখৰিত কৰিলে। পুৱা স্বাধীন পতাকা উকওৱা হ'ব জুলুলি পৰাপৰ — হেজাৰ হেজাৰ জনতাই আনন্দত মতলীয়া হৈ স্বাধীন পতাকাত সম্মান দেখুৱাবৰ বাবে পথাৰ জনতাই উপচি পৰিল। মিলিটাৰী বাহিনীয়ে ফুক কাৱাজ আৰম্ভ কৰিলে। সেৱা দল বাহিনী নিজ নিজ স্থানত পতাকাক সম্মান দেখুৱাবলৈ নিজ স্থানত থাকা হ'ল। চৰকাৰী বে-চৰকাৰী বিষয়া সকল নিজ স্থানত থিৰ দিলে। ফংগ্ৰেছ সভাপতিয়ে স্বাধীন পতাকা মুক্ত আকাশত উকৱাব আৰু এই সেৱা দল নিয়মমতে পতাকা উত্তোলনৰ কাৰ্য্য পৰিচালনা কৰিব। ঘড়ী চাই ঠিক ৮ বজাত সকলো সাৱধান হ'ব কামাণ্ড দিলো। সকলো ৰেডিয়াৰ হ'ল। সভাপতিয়ে প্ৰথম স্বাধীন পতাকা উকৱাবৰ কাৰণে অনুৰোধ কৰিলো আৰু সভাপতিয়ে স্বাধীন ভাৰতৰ পতাকা মুক্ত আকাশত মুক্ত ভাৰতত উকৱাবৰ বাবে সাজু হ'ল। পতাকা চেলিউত দিবৰ বাবে কামাণ্ড কৰিলো- লগে লগে পতাকা আকাশত উৰিব ধৰিলে- ৬২ টা বাইফল বন্দুকৰ ধ্বনি হ'ল। বেণ্ড বাজি উঠিল সকলোৱে পতাকালৈ চাই হেপাহ পলুৱাই চেলাম দিলে। বন্দে মাতৰম ধ্বনিয়ে আকাশ মুখৰিত কৰিলে। পতাকা উত্তোলন কাৰ্য্য সমাপ্ত হ'ল। ভাটি বেলা বিৰাট ৰাজহুৱা সভা- শহীদ সকলৰ প্ৰতি তৰ্পণ আগবঢ়োৱা হ'ল। সভা ভঙ্গ হ'ল। বাতি খেল-ধেমালি, হাবাই ম'তা, ফুলজাৰি বিভিন্ন কাৰিকৰী খাৰ বাকদৰ কাম, আনন্দ হ'ল। হাবাই এটা হঠাৎ ওপৰলৈ নঁগা পোনে পোনে গৈ আনন্দত বিভোৰ হৈ থকা কলং নদীৰ দলঙৰ ওচৰত থকা এটা প্ৰায় ১৪ মহীয়া ল'ৰাৰ পেটত পৰি তেতিয়াই মৃত্যু হ'ল। তাৰ প্ৰতি কাৰো ভ্ৰুক্ষেপ নাই। আনন্দত পাগল। নাচ-গান, চিনেমা, বাতি শোভা নহ'ল। পাছদিনা গোটেই নগাঁৱতে বিৰাট শোভা যাত্ৰা। ট্ৰাক বাহ যান বাহনবে প্ৰায় ৩ মাইল জুৰি শোভাযাত্ৰা আৰম্ভ হ'ল। আনন্দত মতলীয়া হৈ ট্ৰাক বাহত মানুহ পাগল হৈ পৰিল। মোটৰ ওপৰত এই উৎসৱৰ কথা বৰ্ণনা কৰা টান। তিনি দিনীয়া উৎসৱৰ সামৰণি মৰা হ'ল।"

কলিয়াবৰত প্ৰথম স্বাধীনতা দিৱস উদ্‌যাপন

মাজনিশা ফটকা ফুটাই কলিয়াববীযা বাইজ মতলীযা হ'ল। গাৱেঁ গাৱেঁ এই ব্যৱস্থা কৰা হ'ল। সম্পূৰ্ণ ইউনিফৰ্ম পিন্ধি (শান্তি সেনাৰ) আনন্দ উলাহত মতলীয়া হৈ চুঙা ফুকি (শিঙা বজাই) দেশ প্ৰেমৰ গীত গাই এখন গাৱঁৰ পৰা সিখন গাৱঁলৈ বাইজ ঘুৰি ফুৰি স্বাধীনতা পোৱাৰ— মুক্তি লাভ কৰাৰ হৰ্ষোল্লাস কৰিলে। ডেকাইঁতে চাইকেলত উঠি গোটেই কলিয়াবৰতে ঘুৰি ফুৰিলে।

কলিয়াবৰত কেন্দ্ৰীয় ভাৱে হাটবৰৰ শঙ্কৰ মন্দিৰ প্ৰাঙ্গনত স্বাধীনতা দিৱস পালনৰ আয়োজন কৰা হৈছিল। সমগ্ৰ কলিয়াবৰৰ সকলো প্ৰাথমিকৰ পৰা জনতা ভাগি আছিল। ইউনিফৰ্ম পিন্ধি প্ৰথমতে শান্তি সেনা সকল তাৰ পিছত মহিলাসকল ল'ৰা-ছোৱালী, ছাত্ৰ-ছাত্ৰী আৰু তাৰ পিছত পুৰুষ সকল সকলো শোভাযাত্ৰা কৰি আহিল। প্ৰতিখন প্ৰাথমিকৰ পৰাই এইদৰে শৃঙ্খলা ৰক্ষা কৰি সকলো আহিছিল। প্ৰায় ১০ হেজাৰ মানুহ গোট খাইছিল। ৰাষ্ট্ৰীয় ৰাজপথৰ ওপৰত মানুহ ভৰি পৰিছিল। গাড়ী মটৰ বন্ধ হৈ গৈছিল।

দিনৰ ঠিক ৮ বজাত স্বাধীন ভাৰতৰ তিনি ৰঙীয়া পতাকা উত্তোলন কৰিলে কলিয়াবৰৰ প্ৰবাদ পুৰুষ শ্ৰীঠানুৰাম ভূঞাদেৱে। 'বন্দে মাতৰম... সুজলাম সফলাম...' আৰু 'বিজয়ী বিশ্ব ত্ৰিৰঙ্গ প্যাৰা ঝান্দা উচ্চা ৰহে হামাৰা...' এই দুটি গীত অতি শুৱালকে

সুন্দৰভাৱে গোৱা হৈছিল। সভাৰ প্ৰতিজনেই গীতত অংশ গ্ৰহণ কৰিছিল। লগে লগে বাজি উঠিল দবা-কাঁহ, শঙ্খ-ঘণ্টা, খোল-তাল। বৌটি ফুটা শব্দই আকাশ বতাহ মুখৰিত কৰিলে। সকলোৱে উচ্চৈঃস্বৰে জয় ধ্বনি দিলে- বন্দে মাতৃৰম, স্বাধীন ভাৰত কি- জয়। মহা সমাৰোহেৰে ১৯৪৭ চনৰ ১৫ আগষ্টৰ পুৱা ৮ বজাত কলিয়াবৰত ভাৰতৰ জাতীয় পতাকা উত্তোলন কৰা হ'ল। অথচ ভাৰতৰ ৰাজধানী দিল্লী মহানগৰীত পতাকা উত্তোলন কৰা হ'ল সেইদিনা আবেলি ৪ বজাত— কলিয়াবৰতকৈ আঠ ঘণ্টাৰ পিছতহে। নগাওঁ টাউনতকৈ আঠঘণ্টাৰ পিছত।

"কলিয়াবৰৰ এই মহোৎসৱত সকলোতকৈ চকুত পৰা কথাটো আছিল- যিসকলে কোনো দিনেই কংগ্ৰেছৰ আনকি চাবি জনীয়া সভ্যই হোৱা নাছিল, কংগ্ৰেছৰ কোনো কামতে সহায় কৰা নাছিল বৰঞ্চ অতি গোপন ভাৱে পুলিছ মিলিটাৰীক সহায় কৰিছিল বুলিহে মানুহে ভাবিবলে বাধ্য হৈছিল, সেই সকলেই সকলোতকৈ আগত আসন লোৱাটো আৰু আগত থিয় হৈ পতাকা অভিবাদন কৰাটো।" (শ্ৰীসোমেশ্বৰ বৰা দেৱৰ স্মৃতিৰ কথা, এয়া) শ্ৰীবৰাদেৱ সেইদিনা অমূৰ্ত্তক জ্বৰৰ গাৰেই এই উৎসৱলৈ আহিছিল আনৰ সহায়লৈ। কলিয়াবৰ থানাৰ দাৰোগা, পুলিছ কনিষ্টবল সকলে শৃঙ্খলা ৰক্ষা কৰাত আগ-ভাগ লৈছিল।

এইখিনিতে আৰু এটা দিনৰ কথা উল্লেখ কৰিব খুজিছো। ১৯৩০ চনৰে পৰা প্ৰতিবছৰে ২৬ জানুৱাৰীৰ দিনটো স্বাধীনতা দিৱস হিচাপে পালন কৰি অহা হৈছিল। ১৯৪৫ চনৰ মাজভাগৰ পৰাই অৰ্থাৎ মহাসমৰ সামৰণিৰ পিছৰ পৰাই বৃটিছ চৰকাৰে ভাৰতীয়ৰ ওপৰত কোনো ধৰণৰ অত্যাচাৰ চলোৱাৰ পৰা সম্পূৰ্ণ বিৰত আছিল। বম্বে, দিল্লী, চিমলা আদিত হোৱা আলোচনা বিলাকৰ পৰা জনা গৈছিল যে অচিৰেই ভাৰতে স্বাধনীতা পাব। আৰু এনেকুৱা পৰিস্থিতিৰ মাজতে কলিয়াবৰ কংগ্ৰেছে ১৯৪৭ চনৰ ২৬ জানুৱাৰীৰ দিনা কলিয়াবৰ থানাতে স্বাধীনতা দিৱস উদ্‌যাপন কৰাৰ ব্যৱস্থা কৰিলে। পুলিছ মিলিটাৰী সকলেও এই কথাত পতিয়ন গ'ল যে আজি নহয় কাইলৈ ভাৰতে স্বাধীনতা পাবই। বৃটিছ চৰকাৰেও কংগ্ৰেছী নেতা সকলক সম্মাণ কৰি চলিবলৈ আৰম্ভ কৰিছে। গতিকে পুলিছে কংগ্ৰেছী সকলৰ কামৰ বিৰোধীতাও নকৰা হ'লহি।

সেইদিনা অতি উলহ মালহেৰে কলিয়াবৰ (কুৰ্ৱীটোল) থানাৰ চৌহদত স্বাধীনতা দিৱস (২৬/১/৪৭) উদ্‌যাপন কৰা হ'ল। কংগ্ৰেছৰ পতাকা উত্তোলন কৰিছিল সেইদিনাও কলিয়াবৰ সু-সন্তান শ্ৰীঠানুৰাম ভূঞাদেৱে। পুলিছ থানাৰ দাৰোগা সহ সকলোৱে আগ ভাগ লৈ সকলো প্ৰকাৰে সহায় সহযোগীতা কৰিছিল। তেওঁলোকে মিলিটাৰীসহ সকলো মিলি বাইজৰ লগত থিয় হৈ পতাকা অভিবাদন কৰিছিল।

আমি নিজে জনাৰ উপৰিও শ্ৰীসোমেশ্বৰ বৰাদেৱে ওপৰোক্ত বৰ্ণনা দি কথাখিনি লিখিবলৈ আমাক উদগনি দিছিল।

মহাত্মাৰ কি হ'ল

ভাৰতবৰ্ষই পৰাধীনতাৰ শিকলি চিণ্ডি মুক্ত হ'ল। কিন্তু কেইদিনমান আগলৈকে যিজন আছিল নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অবিসম্বাদী নেতা, যাৰ একোটা কথা বা কাৰ্য্যই বজা প্ৰজা সকলোৰে মনত আলোড়নৰ সৃষ্টি কৰিছিল, যাৰ একোটা ইঙ্গিততে সকলোৱে উঠ বহ কৰিছিল, যাক জাতিৰ পিতা 'বাপু' বুলি আখ্যা দিয়া হৈছিল, সম্বোধন কৰা হৈছিল, কলিকতা আৰু নোৱাখালীত সাম্প্ৰদায়ীক সংঘৰ্ষত বৈ যোৱা মানুহৰ তেজৰ নৈৰ ওপৰেৰে শুদা ভৰিৰে খোজ কাঢ়ি সংঘৰ্ষৰ হুতাহ আৰু জুই নুমুৱাই মানুহৰ মাজত শান্তিৰ বাণী প্ৰচাৰ কৰিছিল, সেইজন মহান আত্মাৰ গৰাকী মহামানৱ মহাত্মা গান্ধীয়ে এই আনন্দ উৎসৱৰ ভাগ ল'ব নোৱাৰিলে। তেখেতে কলিকতাৰ অতি দুখীয়া নিচলা মানুহ থকা অঞ্চলৰ এটা সৰু ঘৰৰ এটা সৰু কোঠালিত নীৰৱে নিজানে সোমাই থাকিল। সেইদিনা তেখেতে দিনটো কুটা এডালো মুখত নল'লে, লঘোণে থাকিল। তেখেতে যঁতৰত সুতা কাটিছিল। হয়তো দ্বিখণ্ডিত ভাৰতৰ ভয়াবহ ভৱিষ্যতৰ চবিখন চকুৰ আগত ভাহি উঠিছিল।

সেইদিনা এজন বিদেশী সাংবাদিকে গান্ধীজীক লগ ধৰি ভাৰতৰ স্বাধীনতা দিৱসত এটা বাণী দিবলৈ অনুৰোধ কৰিলে। গান্ধীজীয়ে ক'লে 'এই বিষয়ে মোৰ একো ক'ব লগা নাই। প্ৰধান মন্ত্ৰী নেহৰুৰ ওচৰলৈ যোৱা।' সাংবাদিক জনে নেবেহে নেবে। গান্ধীজীয়ে বেজাৰ মনেৰে ক'লে 'মই একোৰেই নাজানো। মোৰ বাবে ই স্বাধীনতা নহয়।' তথাপিও যেতিয়া সাংবাদিক জন নাচোৰবান্দা একোতেই নেবে- গান্ধীজীয়ে তেখেতৰ চেক্ৰেটৰী প্যাৰীলালক ক'লে 'মই যে এসময়ত ইংৰাজী ভাষা জানিছিলো কথাষাৰ পাহৰি যাবলৈ কোৱা।' (১)

(১) গান্ধীজীৰ জীৱনী- পৃঃ ৬৫ অমিয় কুমাৰ দাস

চতুর্থ ভাগ
(ওপৰঞ্চি)

স্বাধীনতাই কাক কি দিলে

যদিও কংগ্রেছ আৰু মুচলিম লীগে দ্বিখণ্ডিত ভাৰতৰ স্বাধীনতা মানি ল'লে সমগ্র ভাৰতৰ জনগণে কিন্তু একেমুখে এই কথা মনে প্রাণে মানি লোৱা নাছিল। পাঞ্জাৱৰ হিন্দু আৰু শিখসকলে আৰম্ভণিৰে পৰা ভাৰত বিভাজনৰ বিপক্ষে একেমুখে বিৰোধীতা কৰিছিল। ১৪ আগষ্টৰ দিনটো পাকিস্তানৰ মুচলমান সকলৰ বাবে এটা অতি আনন্দৰ দিন, ৰং ৰহইছ আৰু উৎসৱ মুখৰ দিন। কিন্তু পাকিস্তানৰ ভিতৰত পৰা হিন্দু আৰু শিখ সকলৰ কাৰণে এই দিনটো সকলোতকৈ দুখ আৰু শোকৰ দিন আছিল। তেতিয়াৰ নিঃ ভাঃ কং কমিটিৰ সভাপতি আচার্য্য জে বি কৃপালনীৰ ঘৰ আছিল সিন্ধু প্রদেশত। ১৪ আগষ্টৰ দিনা তেখেতে মনৰ ভাব প্রকাশ কৰি ঘোষণা কৰিলে এইটো অতি বিষাদ আৰু ভাৰতৰ বাবে ধ্বংসৰ দিন।

ভাৰত বিভাজনৰ শেষ সিদ্ধান্ত কংগ্রেছ আৰু লীগে মানি লোৱাৰ পিছতে সেই সময়ত ভাৰত চৰকাৰৰ প্রায বেচিভাগ চৰকাৰী বিভাগৰ উচ্চ আৰু প্রধান প্রধান দায়িত্ব বহন কৰি থকা মুচলমান চাকৰিয়াল সকলৰ যিসকলে ভাৰততে থকাৰ চিন্তা কৰিছিল তেওঁলোকক মুচলিম লীগৰ ফালৰ পৰা ভাবুকি দিযা হৈছিল। যদিও মনে প্রাণে তেওঁলোক ভাৰততে থকাৰ পক্ষপাতি আছিল তেওঁলোক পাকিস্তানলৈ গুছি যাবলৈ বাধ্য হৈছিল। কাৰণ তেওঁলোকৰ প্রায় সকলোৰেই সা-সম্পত্তি পৰিয়াল, মিতিৰ-কুটুম, ভাই-ককাই সকলো পশ্চিম পাঞ্জাব বা সিন্ধু প্রদেশত আছিল। তেওঁলোক যদি ভাৰততে থকাৰ

বিবেচনাত অটল হৈ থাকে, পাকিস্তানৰ ভিতৰত পৰা সকলো সম্পত্তিৰ পৰা বঞ্চিত হ'ব, নিজৰ মানুহখিনিৰ ওপৰত অত্যাচাৰ চলাব। তেনেকৈয়ে অন্য মুচলমান সকলৰ ওপৰত হেঁচা প্ৰয়োগ কৰিলে লীগৰ মানুহে। হিন্দু আৰু শিখ সকলৰো একেই অৱস্থা। পাঞ্জাব আৰু সিন্ধু প্ৰদেশতে তেওঁলোকৰ ঘৰ বাৰী আৰু তেওঁলোকেই সেই ঠাইৰ প্ৰধান ব্যৱসায় বোৰৰ মালিক। তেওঁলোকে কেনেকৈ সেইবোৰ এৰি আহে।

যদিও ভাৰতৰ একাংশ মুচলমানে ভাৰতৰ বিভাজন বিচৰা নাছিল, মুচলিম লীগৰ সকলোৱেই কিন্তু অন্ধ ভাৱেই তেতিয়া পাকিস্তানৰ সমৰ্থক আছিল আৰু বিভাজন হ'বই লাগিব বুলি তেওঁলোকে আগৰে পৰা দ্বিজাতি তত্ত্ব দোহাই দি জিন্নাই কৰা দাবীৰ অন্ধ সমৰ্থক আছিল। এতিয়া বাস্তৱতে ভাৰত দ্বিখণ্ডিত হোৱাৰ পিছত তেওঁলোক ভয়ানক ভাৱে ভীত হ'ল। তেওঁলোকে মুক্ত কণ্ঠে ক'বলৈ ধৰিলে এই ধৰণৰ দ্বিখণ্ডিত ভাৰতৰ স্বাধীনতা তেওঁলোকে বিচৰা নাছিল। তেওঁলোকে বুজাই নাছিল বিভাজনে তেওঁলোকৰ অৱস্থা কি কৰিবগৈ।

চৈয়দ আবুল কালাম আজাদৰ ভাষাত- ভাৰত বিভাজনৰ পিছত সকলোতকৈ শোকাবহ পৰিহাসৰ কথা হ'ল যিসকল মুচলমান নেতাই হাড়ে হিমজুৰে মুচলিম লীগক সমৰ্থন কৰিছিল, অন্ধভাৱেই পাকিস্তানৰ দাবী কৰি হিন্দু সকলৰ বিপক্ষে গৈছিল এতিয়া তেওঁলোক ভাৰতত্তে ৰৈ গ'ল। তেওঁলোকৰ বাবে তাতোকৈ ডাঙৰ আঘাত আৰু দুখৰ কথা হ'ল জিন্নাই তেওঁলোকক এৰি থৈ কৰাচীলৈ গুছি গ'ল আৰু তেওঁৰ অন্ধ সমৰ্থন কাৰীলৈ দি গ'ল বিদায় বাণী- 'এতিয়া বিভাজন হোৱাৰ পিছত তোমালোক সকলো ভাৰতৰ বাজভক্ত নাগৰিক হোৱা উচিত।' এই বিদায় বাণীয়ে সেই দুৰ্ঘোৰ পাকিস্তান সমৰ্থনকাৰী সকলৰ মনলৈ এক অদ্ভুত ধৰণৰ দুৰ্ব্বলতা আৰু শংকাৰ ভাব আনিলে। তেওঁলোকৰ মোহভঙ্গ হ'ল, অৱস্থা বৰ কৰুণ আৰু মৰ্ম্মস্পৰ্শী হ'ল। গভীৰ অনুশোচনা আৰু খণ্ডত ক'লে যে জিন্নাই তেওঁলোকক মহা প্ৰবঞ্চনা কৰিলে আৰু অথাই সাগৰত পেলাই থৈ গ'ল। তেওঁলোকে এতিয়াহে বুজিলে যে তেওঁলোকে একোটা নাপালেই ববঞ্চ সকলো হেৰুৱালে।

পাকিস্তান দাবী কৰি কৰা মুৰ্খামীৰ বাবেই হিন্দু সকলৰ মনত তেওঁলোকৰ প্ৰতি খং আৰু ক্ষোভৰ ভাব জাগি উঠিল। এতিয়া আৰু শুধৰোৱাৰ কোনো উপায় বা পথ নাই। পাকিস্তান তেওঁলোকৰ অলিক কল্পনাৰ বস্তু আছিল। মুচলিম লীগে তেওঁলোকক চূড়ান্ত মুৰ্খামীৰে কৈছিল যে এবাৰ পাকিস্তান গঠন হ'লেই- মুচলমান সকল সংখ্যালঘু হওকেই বা নহওক তেওঁলোকক সুকীয়া জাতি হিচাপে গণ্য কৰা হ'ব আৰু তেওঁলোকে নিজৰ ভৱিষ্যৎ নিজে নিৰ্ম্মাণ কৰিব পাৰিব। জিন্নাৰ বিদায় বাণীয়ে তেওঁলোকৰ অলিক কল্পনা চুৰমাৰ কৰিলে।

কলিয়াবৰৰ আমবাগানৰ ফালৰ মুচলমান সকলৰ বহুতেই স্বাধীনতা দিবসত যোগ নিদিলে। তেওঁলোকৰ মনবোৰ গোমা হৈ থাকিল।

দেশ বিভাজনৰ শোকৱহ পৰিণতি

নিয়তিৰ কি পৰিহাস! দিল্লীৰ লাল কিল্লা ময়দানত স্বাধীন ভাৰতৰ ত্ৰিৰঙ্গ পতাকা উত্তোলন কৰাৰ পিছৰ দিনা মানুহৰ মনৰ প্ৰবল আনন্দ উত্তেজনা মাৰ নাযাওঁতেই দিল্লী মহানগৰীৰ উজ্জ্বল আকাশ যেন কলীয়া ডাৱৰে ঢাকি পেলালে। পূব আৰু পশ্চিম পাঞ্জাৱৰ সাম্প্ৰদায়ীক সংঘৰ্ষৰ বাতৰি বনজুইৰ দৰে বিয়পি পৰিল। পূব পাঞ্জাৱত হিন্দু আৰু শিখসকলে মুচলমানৰ ওপৰত আৰু একে সময়তে পশ্চিম পাঞ্জাৱত মুচলমানে হিন্দু আৰু শিখ সকলৰ ওপৰত আক্ৰমণ চলালে। ঠিক একে সময়তে দুয়ো ঠাইতে হাজাৰ হাজাৰ ঘৰত জুই দিলে- নিমাখিত মানুহ ল'ৰা-ছোৱালী আৰু তিৰোতাক হাজাৰে হাজাৰে হত্যা কৰা হ'ল। পূবত মুচলমান সকলৰ আৰু পশ্চিমত হিন্দু-শিখ সকলৰ মৃত দেহবোৰ ঘৰে বাহিৰে, পথাৰে-সমাৰে, আলিয়ে পদুলিয়ে সিচৰতি হৈ পৰি থাকিল।

এইবোৰ হত্যা লুণ্ঠন আৰু বৰ্ণনাতিত নিৰ্য্যাতনৰ পিছত পশ্চিম পাঞ্জাৱৰ পৰা হিন্দু শিখ সকল পূবলৈ আহিবলৈ আৰু পূব পাঞ্জাৱৰ পৰা মুচলমান সকল পশ্চিমলৈ ভগনীয়া হৈ যাবলৈ আৰম্ভ কৰিলে। লাখে লাখে ভগনীয়াৰ দুটা সোঁত সমান্তৰাল ভাৱে ব'বলৈ ধৰিলে। লাম লাকটি যি পাৰে হাতে গলে বান্ধি হিন্দু শিখ মুচলমান সকলোৱেই মাত্ৰ প্ৰাণ ৰক্ষাৰ চেষ্টাত শ শ মাইল বাট খোজ কাঢ়ি আগ বাঢ়িল। সু দৃশ্য তিনি চাৰি মহলীয়া ঘৰ-বাৰী সা-সম্পত্তি ব্যৱসায় বাণিজ্য গাড়ী ঘোৰা সকলো এৰি থৈ মাত্ৰ প্ৰাণটো লৈ পলোৱাৰ বাহিৰে উপায় নাথাকিল। কেতিয়াও মাটিত ভৰি নিদিয়া, গাড়ী মটৰত উঠি ফুৰা মতা মাইকী সকলোৱে সাধাৰণ মানুহ খিনিৰ লগতে লানি নিচিগাকৈ খোজ চলালে। হিন্দু মুছলমান শিখ সকলোৰেই একেই অৱস্থা হ'ল। কোনো কোনো ঠাইত দেখাদেখিকৈ এফালে হিন্দু শিখৰ এশাৰী পূবলৈ আৰু বিপৰীত ফালে মুচলমন সকলৰ পশ্চিমলৈ সোঁত ব'লে। হিন্দু মুচলমান শিখ তেতিয়া কোনো কাৰো শত্ৰু নহয়। তেতিয়া তেওঁলোক একেই দুৰ্ভগীয়া ভগনীয়াৰ দল।

দিল্লী মহানগৰী ভগনীয়াৰে ভৰি পৰিল। আৰম্ভ হ'ল- সাম্প্ৰদায়ীক দাঙ্গা হাঙ্গামা। মাত্ৰ দুদিন বা তিনি দিনৰ বা এসপ্তাহৰ আগতে যিসকল হিন্দু মুচলমান শিখ একেখন সমাজত বাস কৰিছিল, একেটা ঘৰতে একেখন চালৰ তলত মাত্ৰ মাজৰ বেৰ খনৰ ইফালে সিফালে আছিল, আনকি একেলগে খোৱা বোৱাও কৰিছিল, এতিয়া কোনেও কাকো বিশ্বাস কৰিব নোৱাৰা হ'ল। মাৰপিট কটা মৰা আৰম্ভ হ'ল। হাজাৰ হাজাৰ মুচলমানে ঘৰ বাৰী এৰি প্ৰাণ লৈ পলাবলৈ ধৰিলে। এইদৰে খালি হোৱা ঘৰবোৰত পশ্চিম পাঞ্জাৱত সকলো হেৰুৱাই বিতাৰিত হৈ প্ৰাণ লৈ পলাই অহা সকলৰ বহুতে দখল কৰিলে। আত্মৰক্ষা কৰিবলৈ আৰু নিজৰ সম্পত্তি ৰক্ষা কৰিবলৈ ইয়াতো মুচলমান সকলে হিন্দু বধ কৰিবলৈ

ল'লে। মুক্তভাৱে মৰা কটা লুট পাত হত্যাকাণ্ড আৰম্ভ হ'ল। হিন্দু মুচলমান শিখ সকলোৱে একে দশা হ'ল। হাজাৰ হাজাৰ মুচলমানৰ বাবে পুৰণা কিল্লাত আৰু হাজাৰ হাজাৰ হিন্দু আৰু শিখ সকলৰ বাবে দিল্লীৰ অনেক ঠাইত শৰনার্থী শিবিৰ মুকলি কৰিলে। সম্পূৰ্ণ চাৰিমাহ জুৰি এইদৰে মৰা কটা হত্যা লুণ্ঠন চলি থাকিল দিল্লী মহানগৰীত। বহুজনে ল'ৰা-ছোৱালী মুনিহ বা তিৰতা সকলোকে হেৰুৱাই অকলশৰীয়া হ'ল, হিন্দু শিখ বা মুচলমান যিয়েই নহওক লাগিলে। সেইদৰে কোনো কোনো পৰিয়ালৰ মাত্ৰ এজনী তিৰতা বা এজন গৰাকী বা এটি শিশুহে অৱশিষ্ট থাকিলগৈ। কোনোটো পৰিয়াল সম্পূৰ্ণ নিঃচিহ্ন হৈ গ'ল।

মহাত্মা গান্ধীৰ অন্তিম অনশন

চেপ্টেম্বৰ মাহতহে মহাত্মা গান্ধী দিল্লীলৈ ঘুৰি আহিছিল। চাৰিমাহ ধৰি চলি থকা অগ্নি সংযোগ হত্যা লুণ্ঠন আৰু সংঘৰ্ষ নিজ চকুৰে দেখি মহাত্মা গান্ধীয়ে গোটেই সময় খিনি অতি মানসিক দুখ আৰু বেদনাত ভুগি থাকিব লগীয়া হ'ল। হিন্দু মুচলমান আৰু শিখ সকলোলৈকে বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো যেতিয়া সমস্যা একেই থাকিল কোনেও তেওঁৰ প্ৰাৰ্থনা নুশুনিলে মহাত্মা মৰ্ম্মাহত হ'ল। যি গৰাকী ব্যক্তিৰ অতি সামান্য এটা ইচ্ছা পূৰণ কৰিবৰ কাৰণে ভাৰতৰ হিন্দু মুচলমান শিখ খৃষ্টান আদি গোটেই জনগণেই উঠি পৰি লাগিছিল এতিয়া এই সময়ত কোনেও এই আবেদনৰ প্ৰতি কাণসাৰ নকৰিলে। গতিকে উপায় বিহীন হৈ গান্ধীজীয়ে তেখেতৰ শেষ অস্ত্ৰ- অনশন কৰাৰ কথা প্ৰকাশ কৰিলে। এই কথা শুনি আজাদ নেহৰু আদি সকল আহি গান্ধীজীক এই ৭৯ বছৰ বয়সত, বিশেষকৈ কলিকতা নোৱাখালী, বিহাৰৰ সংঘৰ্ষ দমনৰ সময়ৰে পৰা শোচনীয়ভাৱে স্বাস্থ্য ভগ্ন হৈ দুৰ্ব্বল হৈ পৰাৰ পিছত এতিয়া এই চিন্তা নকৰিবলৈ আবেদন জনালে। গান্ধীয়ে ক'লে যদি ঘৰবাৰী ত্যাগ কৰি ওলাই যোৱা মুচলমান সকলক ঘুৰাই আনি নিজ ঘৰত পুনৰ সংস্থাপন কৰা হয় তেখেতে ভাবি চাব। কিন্তু ইতিমধ্যে পাকিস্তানলৈ গুছি যোৱা সকলক বিচাৰি উলিওৱা টান হ'ব আৰু দখল কৰা ঘৰবোৰৰ পৰা পশ্চিম পাঞ্জাৱত সকলো হেৰুৱাই ইয়াত আশ্ৰয় স্থল হিচাপে সোমোৱা সকলক উচ্ছেদ কৰাতোও উচিত নহ'ব।

গৃহমন্ত্ৰী চৰ্দ্দাৰ পেটেলে দাঙ্গা হাঙ্গামা আৰু লুট পাত নৰহত্যা বন্ধ কৰিবলৈ ইমান দিনে যি হেমাহি কৰিলে বুলি গান্ধীজীৰ দৃঢ় বিশ্বাস হ'ল তাৰে অৱসান ঘটাই উপযুক্ত ব্যৱস্থা ল'বলৈ তেওঁৰ পৰাও প্ৰতিশ্ৰুতি বিচাৰিলে। পেটেলে এই কথা নেমানিলে। আজাদ নেহৰুৰ বাধা সত্ত্বেও পেটেল বম্বেলৈ গুছি গ'ল।

অৱশেষত যেতিয়ালৈকে শান্তি প্ৰতিষ্ঠা নহয় তেতিয়ালৈকে ভঙ্গ নকৰে বুলি চৰ্ত্ত আৰোপ কৰি ১৯৪৮ চনৰ ১২ জানুৱাৰী তাৰিখে মহাত্মাই অনশন আৰম্ভ কৰিলে। ডাঙৰ ডাঙৰ নেতা সকলে শান্তি শৃঙ্খলা ঘুৰাই আনিবলৈ সকলো কৰিব বুলি কোৱা সত্ত্বেও নুশুনি

অনশন আৰম্ভ কৰাত সকলোৱেই চিন্তাত পৰিল। গোটেই দিল্লীতে ইং বিদ্যুতৰ দৰে কাম কৰিলে।

অৱশেষত ৩ দিনৰ পিছত দিল্লী নগৰীত প্ৰায় ৫০,০০০ (পঞ্চাশ হেজাৰ) নৰ-নাৰী গোট খাই ৰাজঘাট সভা পাতিলে। আজাদে গান্ধীজীৰ ওচৰলৈ গৈ সভাৰ কথা কোৱাত তেখেত চৰ্ত্ত আৰোপ কৰি ক'লে যে হিন্দু আৰু শিখ সকলে মুচলমানৰ ওপৰত কৰা আক্ৰমণ তৎক্ষণাৎ বন্ধ কৰিব লাগিব আৰু একেলগে ভাই ককাইৰ দৰে থাকিব লাগিব, হিন্দু শিখ সকলে নিশ্চিত ভাৱে এজনো মুচলমানেও নিৰাপত্তাহীন হৈছে বুলি যাতে ভাৰত এৰি নাযায় তাৰ বাবে সকলো চেষ্টা কৰিব লাগিব, মুচলমানৰ যিবোৰ উপাসনা গৃহ ধ্বংস কৰা হ'ল সেইবোৰ হিন্দু আৰু শিখ সকলে মেৰামতি কৰি দিব লাগিব, আৰু সকলোতকৈ ডাঙৰ কথা সকলোৱেই নিজৰ নিজৰ অন্তৰৰ পৰিবৰ্ত্তন কৰিব লাগিব।

আজাদে ২ বজাত সভালৈ গৈ গান্ধীজীৰ সকলো চৰ্ত্তৰ কথা ক'লেগৈ। তেখেতে ভাষণ দি থাকোঁতেই বহুতো মানুহে জনতাৰ মাজত সোমাই চহী ল'বলৈ আৰম্ভ কৰিলে হাজাৰ হাজাৰ মানুহে মিটিং শেষ হোৱাৰ আগতেই চহী কৰিলে- গান্ধীজীৰ চৰ্ত্ত মানি ল'ম বুলি। বহুতো স্বেচ্ছাসেৱী সংস্থাই তেওঁলোকৰ নিজৰ নিজৰ অঞ্চলত গান্ধীজীৰ চৰ্ত্ত পুৰণৰ বাবে কাম কৰিব বুলি সেই সভাতে ৰাজঘাট ভাৰে শপত ল'লে। শ শ মানুহ আহি আজাদক ক'লে যে তেওঁলোকে (শিখ আৰু হিন্দুৱে),গান্ধীজীৰ সকলো চৰ্ত্ত পুৰণ কৰিব আৰু তেওঁ (আজাদ) যেন অনশন ভঙ্গ কৰিবলৈ গান্ধীজীক অনুৰোধ কৰে।

পিছৰ দিনা বিৰলা ভৱনত (য'ত গান্ধীজী আছিল, গান্ধীজীৰ নিজা কোনো ঘৰ বাৰী নাছিল) এখন সভা বহিল। গান্ধীজীৰ কাষত জৱহৰলাল নেহৰু আগৰে পৰা বহি আছে। দহ বজাৰে পৰা শ শ মানুহ ৰৈ আছে বাহিৰত। চৰ্দ্দাৰ পেটেলৰ বাহিৰে মন্ত্ৰীসভাৰ সকলো গোট খালে। দিল্লীৰ সকলো সমাজৰ ২৫ জন নেতা জাতীয় মানুহে এজন এজনকৈ গান্ধীজীৰ ওচৰলৈ গৈ শপত খালে গান্ধীজীৰ চৰ্ত্তবোৰ কামত খটাব বুলি। গান্ধীজীয়ে তেতিয়াহে ১৯ জানুৱাৰীৰ দিনা অনশন ভঙ্গ কৰিলে- আজাদে এগিলাচ কমলা ৰস ওঠত লগাই গিলাচটো ধৰি থাকিল। মতা তিৰতা সকলোৱেই ৰামধুন গালে। গান্ধীজীৰ অৱস্থা বেয়াৰ পালে ঢাল খাইছিল। এবছৰ কম চাৰিকুৰি বছৰ বয়সৰ বৃদ্ধ অৱস্থা পোৱা গান্ধীজীৰ মনৰ বল কিন্তু অটুট আছিল।

দিল্লী মহানগৰীলৈ শান্তিৰ পৰিবেশ ঘুৰি আহিল। সেইদিনাৰে পৰা কোনো ফালৰ পৰা কোনো ঘটনা ঘটাৰ কথা শুনা নগ'ল। দিল্লীৰ ডেপুটি কমিচনাৰৰ লগত হিন্দু আৰু শিখ সকল গৈ নিজ হাতে মুচলমান সকলৰ উপসনা গৃহ, মচজিদ, মেৰামতি কৰি দিলেগৈ। আকৌ আগৰ ভাই ককাইৰ দৰে সকলোৱে মিলা মিচা কৰি বাস কৰিবলৈ ল'লে।

গান্ধী হত্যা আৰু পৰবৰ্ত্তী ঘটনা

দিল্লী মহা নগৰীলৈ শান্তি ঘুৰি আহিল। অতি লাহে লাহে গান্ধীজীৰ গালৈ বল আহিল। তথাপি তেখেতে বৰ দুৰ্ব্বল। কে'বা দিনৰ পিছত তেখেতে বিৰলা ভৱনৰ বাকবিৰ প্ৰাৰ্থনা সভালৈ যাবলৈ ল'লে গাত ধৰি ধৰি। প্ৰাৰ্থনা সভাত তেখেতৰ অতি প্ৰিয় ৰামধুনৰ লগতে কোৰাণ বাইবেলৰ পৰাও কিছু অংশ গোৱা হয়। এই কথাই এচাম গোড়া হিন্দুক সদায় বিব্ৰত কৰে। হিন্দু মহা সভা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বহুতেই গান্ধীজীক হিন্দু বিৰোধী বুলি মুক্ত ভাৱেই ক'বলৈ ল'লে আৰু এইবোৰৰ বিপক্ষে জনমত গঢ়ি তুলিলে। প্ৰাৰ্থনা সভাত বুলেটিন, জাননী বিলাই দি গান্ধীজীৰ বিপক্ষে অপপ্ৰচাৰ চলালে। এখন জাননীত আনকি কোৱা হ'ল যে গান্ধীক চিৰ জীৱনৰ কাৰণে পঙ্গু কৰি পেলোৱা হ'ব।

গান্ধীজীৰ অনশনে আৰু লগতে পিছৰ চৰ্ত্ত আৰু কৰ্ম্ম বোৰে এই গোড়া সকলক আৰু বেচি ক্ৰোধান্বিত কৰিলে। এদিন প্ৰাৰ্থনা সভাত গান্ধীজীৰ গালৈ এটা হাত বোমাও দলিয়াই দিযা হৈছিল। সৌভাগ্যক্ৰমে কাৰো একো আঘাত নহ'ল। কিন্তু সমগ্ৰ ভাৰতৰ মানুহৰ অন্তৰত ই এটা জোঁকাৰণি তুলিলে, 'এনেকুৱা মানুহো থাকিব পাৰেনে যি গান্ধীজীৰ বিপক্ষে এনেকৈ হাত উঠাব পাৰে।' পুলিছে তদন্ত আৰম্ভ কৰিলে কিন্তু একো উৰাদিহ নাপালে। আটাইতকৈ আচৰিত কথা পুলিছ আৰু চি আই. ডিয়ে এনে এটা ঘটনাৰ পিছতো প্ৰয়োজনীয় নিৰাপত্তাৰ বিশেষ ব্যৱস্থা নল'লে। এইটো এটা অতি লাজৰ কথা বুলি আজাদে প্ৰকাশ কৰিলে।

মাত্ৰ কেইদিন মানহে পাৰ হ'ল। গান্ধীজীয়ে লাহে লাহে গাত বল পাই প্ৰাৰ্থনাৰ পিছত আকৌ সমবেত বাইজৰ আগত ভাষণ দিবলৈ আৰম্ভ কৰিলে। হাজাৰ হাজাৰ মানুহেই তেখেতৰ প্ৰাৰ্থনা সভাত উপস্থিত থাকে- গান্ধীজীয়ে নিজৰ বাণী প্ৰচাৰ কৰে।

অৱশেষত সেই সাংঘাটিক মৰ্ম্মান্তিক দুৰ্ভগীয়া দিনটো আহিল। ১৯৪৮ চনৰ ৩০ জানুৱাৰী, শুক্ৰবাৰ, আবেলি ৫ বাজি ৩০ মিনিট যোৱাৰ লগে লগে বেগা বেগীকৈ গান্ধীজী প্ৰাৰ্থনা সভালৈ গ'ল। বীৰ বিনায়ক নাথুৰাম গডচে নামৰ এজন ডেকা মানুহে গান্ধীজী প্ৰাৰ্থনা সভা পোৱাৰ লগে লগে প্ৰথমে সম্ভাষণ জনাই ক'লে- আজি আপোনাৰ দেৰী হ'ল। গান্ধীজীয়ে হয় বুলি কৈ অন্য কিবা কোৱাৰ আগতেই পিস্তল উলিয়াই তিনিটা গুলি তেখেতৰ বুকু আৰু পেটত সুমুৱাই দিলে। 'হে ৰাম' বুলি গান্ধীজী ঢলি পৰিল- শেষ নিশ্বাস ত্যাগ কৰিলে। সেইদিনা চৰ্দ্দাৰ বল্লভ ভাই পেটেলৰ লগত এটা অতি গুৰুত্বপূৰ্ণ কথা আলোচনা কৰি থাকোঁতে প্ৰাৰ্থনা সভালৈ অহাত গান্ধীজীৰ ১০ মিনিট দেৰি হৈছিল।

মহাত্মা গান্ধীৰ মৃত্যুৰ লগে লগে এটা যুগৰ অন্ত পৰিল। বিশ্ববাসী ম্ৰিয়মাণ হ'ল।

এটি উজ্বল নক্ষত্ৰ খহি পৰিল। সমগ্ৰ পৃথিবী গোহৰাই থকা অহিংসাৰ উজ্বল বস্তি গহি নুমাই গ'ল। ভাৰতবাসী হ'ল পিতৃহীন। কিন্তু ৭০ খন দেখা ৰাষ্ট্ৰসংঘৰ পতাকা সাত দিনলৈ অৰ্দ্ধনমিত কৰি ৰখা হ'ল। সম্মান জনালে অভূতপূৰ্ব্ব। বিশ্বৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহামানৱ বুলি বিশ্ববাসীয়ে মহাত্মালৈ প্ৰণাম জনালে।

সেইদিনা ৩০/১/৪৮ তাৰিখে ৰাতি ৯ বজাত ৰেডিঅ'ত খৰৰ শুনি জখলাবন্ধাৰ পৰা হেডমাষ্টৰ শ্ৰীপুষ্পকান্ত খাওন্দ চাৰ চাইকেলত আহি গাধিকুৰিৰ শ্ৰীৰমাকান্ত ৰবাৰ ঘৰ পালেহি। চাৰৰ পৰা খৰৰটো পাই সকলো মৰ্ম্মাহত হ'ল। গাৱঁৰ মানুহক খৰৰ দিয়া হ'ল। কোনোবাই ভাত খাই শুইছিল কোনোৱে খোৱা নাছিল। কোনো কোনোৱে আধা খোৱা ভাত এৰি ওলাই আছিল। ইতিমধ্যে হেড মাষ্টৰ চাৰে ৰাতত লগ পোৱা দুই চাৰিজনক খৰৰটো দি আছিছিল। সেই সকলো ওলাই আছিল। দল গাৱঁতো খৰৰ দিয়া হ'ল। শ্ৰীমহোৰাম (অকন) ৰবাই (প্ৰাথমিকৰ সম্পাদক) সেই গাৱঁৰ কিছু মানুহ গোটাই ওলাই আছিল। সকলো মিলি মৌন শোভাযাত্ৰা কৰি হাটৰৰলৈকে যোৱা হ'ল। আগে পিছে হাতত জোঁৰ লৈ যোৱা শোভাযাত্ৰাত ঘৰৰ পৰা ওলাই অহা সকলো মানুহে যোগ দিলে। আধিৰণ্ডা দাতকটাৰ মানুহো লগ লাগিল। ৰাতি প্ৰায় বাৰ বজাত শাকমুঠি ভৰালি গাওঁ হৈ সকলো ঘুৰি আছিল। মৌণ শোভাযাত্ৰা হ'লেও- মানুহক জাননী দিবৰ কাৰণে কিছুদূৰ আগে আগে গৈ শিঙাফুকি চিএৰি মানুহক খৰৰটো কৈ যোৱা হ'ল। ৰাইজ আহি ৰাট পালেহি।

যিসকলে খোৱা নাছিল খৰৰ পোৱাৰ পিছত কাৰো আৰু খোৱা নহ'ল। বহুতৰ ঘৰত ৰন্ধা ভাত চৰুতে থাকিল। নিজৰ পৰিয়ালৰ কোনোবা ঢুকালে কন্দাৰ দৰে দুই চাৰিজনে, বিশেষকৈ বুঢ়া সকলে প্ৰায় চিএৰিয়েই কান্দিলে। পিছৰ দিনা ৰন্ধা ভাত পেলাই দি চৰু-হাড়ী ধুলে।

আমি কেইজনমানে চুঙা-শিঙা ফুকি চাইকেলত উঠি ৰাতিয়েই জখলাবন্ধা সোণাৰিগাওঁ শিলঘাটলৈকে গৈ কুৰৰীটোল হৈ ৰাইজক জাননী দি পুৰতি নিশা ঘৰলৈ ঘুৰি আহিলো। কেই জনমান গ'ল ৰৱভগীয়া মিচালৈকে।

পিছৰ দিনা পুৱা চতিয়ালৰ কেই জনমান বয়সীয়া মানুহে কান্দি কান্দি আহি হাটৰৰ পালেহি- আচল খৰৰ বিচাৰি। দীঘল চুলিৰ খোপাবন্ধা এজন বুঢ়া মানুহে কাৰো কথা বিশ্বাস নকৰি গাধিকুৰি পালেহি। 'এইবোৰ চৰ মিচা কথা, গান্ধীবজাক গুলিয়াই মাৰিবলৈ এই ভাৰতীয় কোনেও জন্ম লব নোৱাৰে।' সৰল বিশ্বাসৰ এই মানুহ জনৰ কথা ভাবি এতিয়াও অভিভূত হৈ যাওঁ। যেতিয়া শ্ৰীৰমাকান্ত ৰবাই লাহে ধীৰে কথাবোৰ ক'লে,- হেডমাষ্টৰ চাৰে ৰাতিয়েই খৰৰ দিয়াৰ কথা ক'লে, মানুহজনে বুকুত ভুকুৱাই চিএৰি চিএৰি কান্দি কোৱা কথা কেইটা এতিয়াও পহৰা নাই। তেখেতে কৈছিল "গান্ধী মহাত্মা ঈশ্বৰৰ অংশ. সেখন তেনেই গুলিয়াই আমি এইখন সংসাৰত জীয়াই থকাৰ কোনো লাভ নাই। চাবাহক খোপাইহঁত, আগলৈ গান্ধীক মৰাদি মানুহে ইজনে সিজনক গুলিয়াই মাৰিব, সকলোৱেই নিজৰ ৰাজ্যত

সকলো চপাই দ'ব বাইজৰ কালে পিঠি দিব।' মানুহজনৰ কান্দোন শুনি বাটেদি যোৱা কে'বাজনো মানুহ ঘৰলৈ সোমাই আহিল। মানুহজনৰ নামটো পাহৰিলো।

এশ পঁচিহ (১২৫) বছৰ জীয়াই থাকি ভাৰতবৰ্ষক বাম বাজ্যত পৰিণত কৰিহে মৃত্যু বৰণ কৰিম বুলি মনৰ ভাব প্ৰকাশ কৰা মহাত্মা গান্ধীক এজন হিন্দু মানুহেই হত্যা কৰিলে।

নগাওঁ জিলা কংগ্ৰেছ কমিটিৰ পৰা এখন বিজ্ঞপ্তি প্ৰচাৰ কৰিছিল। তাৰ নকল তুলি দিয়া হ'ল।

" শোকৰ বাতৰি

কালি গধূলী ৯টা বজাত বেডিঅ' যোগে অকস্মাৎ স্বৰগ ভাগি মূৰত পৰা বাতৰিয়ে গোটেই ভাৰতক ম্ৰিয়মাণ কৰি ৰখৰ দিলে আমাৰ প্ৰাণৰ দেৱতা মহাত্মা গান্ধী আৰু ইহ জগতত নাই। এজন নৃশংস আততায়ীৰ পিস্তলৰ এটি গুলি বুকেদি আৰু দুটা গুলি পেটেদি সৰকি গান্ধীজীৰ প্ৰাণ কিনাশ কৰিলে।

এই ভয়াবহ শোক লগা দুৰ্ঘটনা আবেলি ৫ বজাত এজন হিন্দু আততায়ীৰ হাতেদি ঘটে।

ভাৰতৰ আজি এক দলিত নিপীড়িত দৰিদ্ৰ জনগণৰ মাজত অহিংসে মন্ত্ৰৰ প্ৰচাৰক সত্য মন্ত্ৰ যুগ প্ৰবৰ্ত্তক মহাত্মা গান্ধীৰ এই আকস্মিক অকাল মৃত্যুত সদৌ ভাৰত বাসী কিয় গোটেই মহা জগতৰ নৰ-নাৰী ম্ৰিয়মাণ হৈ পৰিছে। মহা মানৱৰ মৃত্যুত শোক পালনাৰ্থে আজি পুৱা ৭-৩০ বজাত নগৰ বাসী হিন্দু, মুছলমান, খৃষ্টান, শিখ সকলো সম্প্ৰদায়ৰ আবাল বৃদ্ধ ছাত্ৰ ছাত্ৰী আৰু পুলিচ ফোৰ্চ সকলোৱেই কচাৰীৰ বাকৰিত সমবেত হৈ এটি শোক সমদল বাহিৰ কৰিব। আবেলি ৪ টা বজাত নেহৰু বালিত প্ৰাৰ্থনা সভা হ'ব। তাত সকলোৰে উপস্থিতি বাঞ্ছনীয়।

বিশেষ নিবেদন

(১) এই শোক পালনৰ সমদল যাত্ৰাত সকলোৱেই যেন খালি ভৰিৰে আহিব। মৌণ ভাবে অধোমুখ যাত্ৰা কৰিব।

(২) আজি সকলো চৰকাৰী বে-চৰকাৰী অফিচ, বেঙ্ক, স্কুল-কলেজ, দোকান-বজাৰ, যান-বাহান আদি সকলো কাম বন্ধ থাকিব।

(৩) যথাশক্তি ফেলা উপবাস পালন কৰে।

জিলাৰ শাখা প্ৰাথমিক কংগ্ৰেছ কমিটি বিলাকক জনোৱা হয় যেন নিজ নিজ শাখাত-, সময় পোৱা অনুসাৰে এইদৰে (.. বুজিব নোৱাৰি) শোক সমদল আৰু প্ৰাৰ্থনা সভা পাতে। যি সকল টাউনৰ সভালৈ আহিব পাৰে তেখেত সকল যেন আহি সভাত যোগ দিয়ে।

ইতি

শ্ৰীহলধৰ ভূঞা

সভাপতি নগাওঁ জিলা কংগ্ৰেছ কমিটি

নগাওঁ

৩১/১/৪৮

দোকমাকালিতে এই বিজ্ঞপ্তি পত্ৰখন গোটেই নগাওঁ টাউনতে মাইক যোগে প্ৰচাৰ কৰা হ'ল। দলে দলে মানুহ ভাগি আহিল। মৌণ শোভাযাত্ৰাত হাজাৰ হাজাৰ মানুহে যোগ দিলে পুৰুষ, মহিলা, ছাত্ৰ ছাত্ৰী সকলোৱে।

মহাত্মাৰ প্ৰতি শ্ৰদ্ধাঞ্জলী

কলিয়াবৰ কংগ্ৰেছ কমিটিয়ে কুৰৱীটোলৰ গান্ধী পথাৰত শোক সভা অনুষ্ঠিত কৰিলে। চাৰিফালৰ পৰা মানুহে মৌণ শোভাযাত্ৰা কৰি আহিল। হাজাৰ হাজাৰ নৰ-নাৰীৰে গান্ধীপথাৰ ভৰি পৰিল। এই শোক সভাত সভাপতিত্ব কৰিলে কলিয়াবৰ কংগ্ৰেছৰ সভাপতি শ্ৰীৰজনীকান্ত গোস্বামীদেৱে। কলিযাবৰৰ নেতা সকলে প্ৰত্যেকেই কন্দনামুৱা হৈ কোনো জনে উচুপি ভাষণ দিলে। মহাত্মাৰ জীৱনৰ সচাঁ কাহিনীবোৰ শুনি জনতাৰ মাজত কান্দোনৰ ৰোল উঠিল। তাৰ ভিতৰতে দুই চাৰিজনে চিঞৰিয়েই কন্দা শুনা গৈছিল। বিশেষকৈ বৃদ্ধ সকলেই বেচিকৈ চিঞৰি কান্দিলে।

কলিয়াবৰ কংগ্ৰেছে এই ৰাজহুৱা সভাতে সিদ্ধান্ত গ্ৰহণ কৰি প্ৰস্তাৱ ল'লে যে মহাত্মা গান্ধীৰ শ্ৰাদ্ধৰ দিনা অৰ্থাৎ ১১/২/৪৮ গোটেই কলিযাবৰৰ প্ৰাথমিক সমূহে এই গান্ধী পথাৰতে ২১ খন ৰভা দি ৰাতি ভাওনা অনুষ্ঠিত কৰিব। সেই মৰ্ম্মে মাজত এটা বিৰাট আকাৰৰ ঘুৰণীয়া মণ্ডপ সজা হ'ল। সেই মণ্ডপত ভাগৰত স্থাপন কৰা হ'ল। চাৰিওফালে ২১ খন ৰভা দিয়া হ'ল। ৰভাবোৰৰ মণ্ডপৰ ফালে ঠেক আৰু ক্ৰমান্বয়ে বহল কৰি নিয়া হৈছিল। দুখন ৰভাৰ মাজত মুকলি ঠাই ৰখা হৈছিল। সকলো যা-যোগাৰ কৰা হ'ল। এসপ্তাহৰ আগৰে পৰা শ্ৰীসোমেশ্বৰ বৰাদেৱ আৰু দুজনমানে সৈতে গান্ধী পথাৰতে শিবিৰ পাতি দিনে ৰাতিযে তাতে থাকিল। কাৰণ ২১ খন প্ৰাথমিকে নিজৰ নিজৰ ৰভা দিবলৈ খেৰ বাঁহ, দা, কোৰ কটাৰী আনি জমা কৰিছিল, ৰৰঙনি দিবলৈ আহিছিল।

কিন্তু ইতিমধ্যে মহাত্মা গান্ধীৰ চিতাভস্ম গোটেই পৃথিৱীলৈ নিয়া হৈছিল। ভাৰতৰ প্ৰত্যেক প্ৰদেশৰে প্ৰতিখন জিলালৈকে চিতাভস্ম অনা হৈছিল আৰু বিসৰ্জন দিয়া হৈছিল। নগাওঁ জিলালৈ অনা চিতাভস্ম কলিযাবৰৰ শিলঘাটত ১১ তাৰিখে বিসৰ্জন দিয়াৰ সিদ্ধান্ত লোৱা বাবে ভাওনা এদিন পিছুৱাই ১২/২/৪৮ তাৰিখে পতা হ'ল।

নগাৱঁৰ পৰা চিতাভস্ম ১০/২/৪৮ তাৰিখে পুৱা কুৰৱীটোললৈ অনা হয়। দিনটো গান্ধীপথাৰত স্থাপন কৰি ৰাইজৰ দৰ্শনৰ সুবিধা কৰি দিযা হয়। তাৰ পিছত সন্ধ্যা শিলঘাটলৈ নি তাত ৰাতিটো ৰখা হয। এই সংক্ৰান্তত শ্ৰীবদন চন্দ্ৰ ৰৰদলৈ দেৱৰ নিজৰ 'জীৱন কাহিনী'ত লিখিছিল-

" . তেখেতৰ অস্থি ভস্ম, নগাঁৱলৈ অনা হয় আৰু শিলঘাটত বিশাল ব্ৰহ্মপুত্ৰত বাপুজীৰ অস্থি ভস্ম বিসৰ্জন দিয়া হয়। বাপুজীৰ এই অস্থি ভস্ম শিলঘাটত এৰাতি ৰখা হয় আৰু কুৰৱীটোলা গান্ধী পথাৰতো স্থাপন কৰি বাপুজীৰ প্ৰিয় বাইজে পুষ্পাঞ্জলী দিবলৈ সুযোগ দিলে। শিলঘাটত হেজাৰ হেজাৰ জনতাই ওৰে ৰাতি বাপুজীৰ অস্থি ভস্মৰ বেদীত ৰামধুন প্ৰাৰ্থনা কৰে আৰু সেই সেন্না দল বাহিনী লৈ ওৰে ৰাতি বাপুজীৰ, পবিত্ৰ অস্থি ভস্মৰ ওচৰত থাকি আপোন পাহৰা হৈছিলো।"

কুৰ্ৱীটোলত দিনটো লানি নিচিগাকৈ হাজাৰ হাজাৰ মানুহ আহি গান্ধীজীৰ চিতা ভস্মৰ বেদিত ফুল তুলসীৰে শ্ৰদ্ধা জনাইছিল।

ভাওনাৰ দিনা ১২/২/৪৮ তাৰিখে গান্ধীপথাৰ লোকাৰণ্য হ'ল। শ্ৰীঠাদুৰাম ভূঞা দেৱে কাৰ পৰা জানো, কোনেও নাজানিলে, প্ৰায় ৫ ফুট ওখ মহাত্মা গান্ধীৰ এটা বগা মূৰ্ত্তি তৈয়াৰ কৰোৱাই আনি মূল তোৰণৰ কাষত বাতিয়েই স্থাপন কৰি ওচৰতে ফুলৰ দ'ম কৰি থৈছিল। হাজাৰ হাজাৰ নৰ-নাৰীয়ে গান্ধীজীৰ মূৰ্ত্তিত ফুলেৰে তৰ্পন কৰি আঠুকাঢ়ি প্ৰণাম জনোৱা দৃশ্য অতি আকৰ্ষণীয় কিন্তু বিষাদপূৰ্ণ আছিল।

কলিয়াবৰৰ প্ৰতি গৃহস্থিৰ পৰা (যি সকলে একেবাৰেই দিব নোৱাৰে বাদে) ৫ (পাঁচ) টকাকৈ ৰৰঙনি আগবঢ়াইছিল। মুঠতে প্ৰায় ৫,৫০০ (চাৰে পাঁচ হেজাৰ) টকা উঠিছিল। খৰছো হৈছিল। তাতেকৈ কিছু বেছিহে। যি কোনো সময়তে মানুহে ৰৰঙনি দিবলৈ অহা বাবেই শ্ৰীসোমেশ্বৰ বৰাদেৱ মাত্ৰ ডেৰ মাইল দূৰৰ ঘৰলৈ নগ'ল। তাৰোপৰি ৰভা মণ্ডপ নিৰ্ম্মাণৰো সম্পূৰ্ণ তদাৰক কৰিব লগা হৈছিল তেখেতে। কলিয়াবৰৰ কংগ্ৰেছৰ কৰ্ম্মী সেৱা দল, স্বেচ্ছা সেৱক বাহিনী সকলোৱেই সকলো কামত আগভাগ লৈছিল।

কলঙৰ পাৰত ১০ টা ডাঙৰ ড্ৰামত মগু মাহ (ফলা) ৩টাত বুট আৰু ১ টাত চাউল তিওৱা হৈছিল। সমূহীয়া ভাৱে। সাৰ্ব্বজনীন ভাৱে ধোৱা পখলা কৰা এই কামত কাৰো ক'তো আপত্তি নাছিল। প্ৰতিখন প্ৰাথমিকেই নিজৰ নিজৰ ভাগৰ জোখাৰেই তাৰ পৰা তিওৱা মাহ প্ৰসাদ নিজৰ ৰভালৈ নিছিল। কল নাৰিকল কুহিয়াৰ বা অন্য সকলো অনুপান প্ৰত্যেক প্ৰাথমিকে নিজে নিজে আনিছিল। দিনৰ প্ৰায় ১০ বজাত ২১ খন ৰভাত একে সময়তে নাম প্ৰসঙ্গ আৰম্ভ কৰিছিল আৰু ঘোষা পাঠ হৈছিল আৰু একে সময়তে প্ৰত্যেক ৰভাতে প্ৰসাদ বিতৰণ কৰা হৈছিল।

দিনটো হাজাৰ হাজাৰ নৰ-নাৰীযে প্ৰতিখন ৰভালৈ গৈ চাই ফুৰিছিল। গোটেইখন উদুলি-মদুলি। ২১ খন ৰভাত ৰাতি প্ৰায় ৯ বজাত একেলগেজোৱা উঠিছিল। প্ৰতিখন ৰভাতেই মানুহে হেঁচা মাৰি ধৰিছিল। মানুহে ৰভাই ৰভাই ঘুৰি ফুৰিছিল প্ৰতিখন ভাওনাৰে সোৱাদ লৈ।

শ্ৰীসোমেশ্বৰ বৰাদেৱে কৈছিল পূৰথৰীয়া প্ৰাথমিকে বলিচলন নাট ভাওনা গাইছিল। কালিহি কালিহি পুৱাৰ সময়ত প্ৰায় বোৰ ৰভাতে ভাওনাৰ শেষৰ গীত কল্যাণ খৰমান একে সময়তে গাইছিল। এনেকৈ মহামানৱ, জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতি কলীয়াবৰীয়া ৰাইজে পৰম শ্ৰদ্ধা ভক্তি জনালে। সেই কেইদিনৰ পাহৰিব নোৱাৰা স্মৃতিৰ কথা কৈ কে'বা গৰাকীও ব্যক্তিয়ে এতিয়াও মহাত্মাৰ মহান আত্মাৰ শক্তিৰ কথা সোঁৱৰে। এই গোটেইবোৰ বৰ্ণনা শ্ৰীসোমেশ্বৰ বৰাদেৱে দি লিখিবলৈ আমাক উদগনি দিছিল।

ব্যতিক্ৰম

মহাত্মা গান্ধীৰ অস্পৃশ্যতা বৰ্জন, সৰ্ব্ব ধৰ্ম প্ৰাৰ্থনাৰ বাবে সকলোৱেই আগবাঢ়ি আহিল।

কিন্তু ইয়াৰ ভিতৰতো ব্যতিক্ৰম ধৰ্ম্মী কিছু সৰু সৰু কথাই মানুহৰ মনলৈ তিতা কেহাৰ ভাব আনিলে।

গান্ধীজীৰ প্ৰতি সম্মান জনাই জাতি ধৰ্ম্ম বৰ্ণ নিৰ্ব্বিশেষে সকলো একত্ৰিত হৈ সভা সমিতি, সৰ্ব্ব ধৰ্ম্ম প্ৰাৰ্থনা সভা পতা হ'ল। গাৱেঁ গাৱেঁ প্ৰাথমিকৰ কৰ্ম্মীসকলে বাহিজৰ মাজত গান্ধীজীৰ কৰ্ম্মবাশিৰ বিষয়ে খুটি নাটি মাৰি আলোচনা কৰিলে, বাহিজক স্বাৱলম্বী হ'বলৈ প্ৰেৰণা যোগালে। মন্দিৰৰ বাকৰিত মুছলমান আৰু মচজিদৰ বাকৰিত হিন্দু বহি একেলগে প্ৰাৰ্থনা কৰিলে। ইয়াতো অখন্ডৰ নষটাকৈ নাথাকিল।

এই সংক্ৰান্তত আমাৰ হাতত থকা কলিয়াবৰ কংগ্ৰেছ কমিটিৰ মোহৰ মৰা, এখন জাননী তুলি দিয়া হ'ল।

"শ্ৰীল শ্ৰীযুক্ত লক্ষীকান্ত গোস্বামী, সত্ৰাধিকাৰ, ভোলগুৰি
শ্ৰীল শ্ৰীযুক্ত খগেশ্বৰ গোস্বামী
শ্ৰীল শ্ৰীযুক্ত পদ্ম কান্ত গোস্বামী
শ্ৰীল শ্ৰীযুক্ত লোক নাথ গোস্বামী

প্ৰভু,

যোৱা মহামানৱ মহাত্মা গান্ধীৰ মহা প্ৰয়াণত হিন্দু, মুছলমান একেলগে তেখেতৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা অপৰাধত শ্ৰীযুত ৰজনীকান্ত গোস্বামী আৰু শ্ৰীযুত চন্দ্ৰ কান্ত শৰ্ম্মাসেৱক সঙ্ঘচ্যুত কৰিছে বুলি শুনি কলিয়াবৰ কংগ্ৰেছ কাৰ্য্যকৰী সভায় দুখ প্ৰকাশ কৰে; আৰু বিষয়টোলৈ কি তাক পৰিপাতিকৈ জানিবৰ কাৰণে নিম্নলিখিত সভ্য সকলক আজি ১১/৪/৪৮ তাং ৰবিবাৰে আবেলি ৩ বজাত তদন্ত কৰিবলৈ ভাৰ দিছে।

গতিকে উক্ত সময়ত এখেত সকলৰ নাম ধৰত ও সমাজৰ মুখীয়াল সকল উপস্থিত কামনা কৰিলো।

১। শ্ৰীযুত বিনদ চন্দ্ৰ হাজৰিকা
২। শ্ৰীযুত গোলোক চন্দ্ৰ বৰঠাকুৰ
৩। শ্ৰীযুত ৰমাকান্ত বৰা
৪। শ্ৰীযুত বলাই চন্দ্ৰ বৰা
৫। শ্ৰীযুত ডম্বৰুধৰ হাজৰিকা।

ইতি
বিনীত
শ্ৰীসোমেশ্বৰ বৰা
সম্পাদক
১১/৪/৪৮ পুৱা।"

এই সংক্ৰান্তত সেইদিনা ভলাগুৰি নামঘৰত গাৱঁৰ যথেষ্ট সংখ্যক বাইজৰ উপস্থিতিত বিচাৰ সভা বহিল। সভাত শ্ৰীযুত খগেশ্বৰ গোস্বামীদেৱ উপস্থিত নাথাকিল। তদন্ত কমিটিয়ে কলিয়াবৰ কংগ্ৰেছ কমিটিৰ ওচৰত তদন্তৰ প্ৰতিবেদন দাখিল কৰিলে এইদৰে-

"১০/৪/৪৮ তাৰিখৰ কলিয়াবৰ কেন্দ্ৰিয় কংগ্ৰেছ কাৰ্য্যকৰী কমিটিৰ নিৰ্দ্দেশ মতে শ্ৰীযুত ৰজনি কান্ত গোস্বামী সভাপতি দেবক ও শ্ৰীযুত চন্দ্ৰ কান্ত শৰ্ম্মাক তলাগুৰি সন্মাধিকাৰ প্ৰমুখে গোসাঁই অঞ্চল সকলে সমাজচ্যুত কৰা প্ৰমাণ পালোহক, ও সেই বিষয়ে কোনো মিমাংসাৰ খলাকে আনিব পৰা নহ'ল। গতিকেই কাৰ্য্যকৰি কমিটিত এই বিপোৰ্ট দাখিল কৰা হয়। ইতি ১১/৪/৪৮

স্বাঃ শ্ৰীৰমাকান্ত বৰা স্বাঃ শ্ৰীউমেশ্বৰ হাজৰিকা

স্বাঃ শ্ৰীবলাই বড়া স্বাঃ শ্ৰীবিনদ চন্দ্ৰ হাজৰিকা

স্বাঃ শ্ৰীগোলোক চন্দ্ৰ বৰঠাকুৰ।"

উল্লেখযোগ্য যে শ্ৰীসোমেশ্বৰ বৰা, সম্পাদক দেৱৰ জাননী খনৰ পিঠিফালে শ্ৰীখগেশ্বৰ গোস্বামীদেৱে লিখি পঠিয়াইছিল।

"আজি আবেলি মই আন কামত আবদ্ধ থাকিব লগা হোৱাত উক্ত তদন্ত স্থলত উপস্থিত থাকিব নোৱাৰি দুখীত হ'লো। ১১/৪/৪৮।"

বিষয়টো সমাধান নহ'ল। বিৰোধৰ ক্ষেত্ৰ ইয়াতকৈয়ো বাঢ়িছে গ'ল। মহাত্মা গান্ধীৰ তিৰোভাৱৰ পিছত কলিয়াবৰৰ সকলো ঠাইতে গান্ধীজীৰ তেৰ দফা কামৰ ৰাবে যিমান বোৰ কাম কৰা হ'ল তাৰ বাবে ৰাইজে ক'তো কোনো আপত্তি নকৰাকৈ সহযোগ কৰিলে। সুকলমে আচঁনিমতে কামবোৰ সমাধা কৰা হ'ল। লেঠা লাগিল মাত্ৰ পূবথৰীয়া প্ৰাথমিকতহে। এটাৰ পিছত আন এটাকৈ ওজৰ আপত্তি চলি থাকিল। এজনে সিজনক দোষাৰোপ কৰি কৰি তিক্ততা দিনে দিনে বঢ়াইহে নিলে।

আমাৰ হাতত থকা কেইখন মান চিঠি পত্ৰৰ নকল তলত তুলি দিয়া হ'ল।

"শ্ৰীযুক্ত পূবথৰীয়া প্ৰাঃ কংগ্ৰেছ কমিটিৰ সভাপতি
মহোদয়ৰ সমীপেষু-

মহোদয,

মহাত্মাজীৰ তিৰোভাব উপলক্ষে হোৱা এই গাৰঁৰ চাফাই কামত মই ব্যাঘাট জন্মাই গাৰঁৰ সংগঠন ধ্বংশ কৰিলো বুলি, কুৱৰীটোল মুছলমান গাৰঁৰ মজিদত উপাসনা জনাবলৈ যোৱাৰ দোষত কলিযাবৰ শাখা কংগ্ৰেছৰ ভেতিয়াৰ সভাপতি শ্ৰীযুত ৰজনি কান্ত গোস্বামী ভোলাগুৰি সত্ৰ সমাজৰ পৰা বাহিৰ হৈ থাকিব লগা হোৱা বাবেও মই দায়ী বুলি, লগতে আন আন কাল্পনিক অভিযোগ কিছুমানো আনি প্ৰথম ব্যস্তস্থাত মোক পূবথৰীয়া প্ৰাথমিকৰ পৰা বাদ দিয়া হৈছে বুলি বোধ হৈছে। মোৰ জান বিশ্বাস মতে এই অভিযোগবোৰ মোৰ ওপৰত সমুলি নেখাতে।সেই বাবে ইয়াৰ এটা নিৰপেক্ষ বিচাৰৰ আৱশ্যক হৈছে।

তাৰ কাৰণে উক্ত চাফাই কামত কাৰ কিমান গছ-গছনি কটা হ'ল, সোপকালে তাৰ এটা শুদ্ধ আৰু নিৰপেক্ষ পিয়ল কৰোৱাৰ দিহা কৰিবলৈ আৰু নিম্ন লিখিত প্ৰস্তাৱ আদিৰ একোটা নকল মোক সোপকালে দিবলৈ প্ৰাৰ্থনা কৰিলো।

প্ৰস্তাৱ আদি-

১। উক্ত গাওঁ চাফাই কামৰ নামত মূল্যবান গছ গছনিবোৰো কাটি পেলাবৰ কাৰণে কলিয়াবৰ শাখা বা যিকোনা উৰ্দ্ধতন কৰ্ত্তৃপক্ষৰ পৰা অহা আদেশ।

২। সেই মৰ্ম্মে পূবথৰীয়া প্ৰাথমিকে (গাঃ বা কাৰ্য্যকৰী সভাই) গ্ৰহণ কৰা প্ৰস্তাৱ।

৩। হিন্দুয়ে সমলে মুছলমানৰ মজিদত প্ৰাৰ্থনা জনাবলৈ কলিয়াবৰ শাখা বা যি কোনো উৰ্দ্ধতন কৰ্তৃপক্ষৰ পৰা অহা আদেশ।

৪। সেই মৰ্ম্মে পূবথবীয়া প্ৰাথমিকৰ সাধাৰণ সভা বা কাৰ্য্যকৰী সভাই গ্ৰহণ কৰা প্ৰস্তাৱ।

উত্তৰ সোণকালে পালে বাধিত হ'ম।

নিবেদন। ইতি ১০/৯/৪৮

বিনীত

শ্ৰীখগেশ্বৰ গোস্বামী।"

চাফাই কাম সম্পৰ্কে আমাৰ হাতত আৰু কোনো নথি পত্ৰ নাই।

কলিয়াবৰ কংগেছ কমিটিযে ভলাগুৰি সত্ৰই শ্ৰীৰজনীকান্ত গোস্বামীদেৱক এঘৰীয়া কৰা ঘটনাটোৰ তদন্ত কৰি স্থানীয় ভাৰে বিচাৰ কৰি কোনো সিদ্ধান্তলৈ আহিব নোৱাৰাত নগাওঁ জিলা কংগ্ৰেছ কমিটিলৈ বিষয়টো প্ৰেৰণ কৰে। জিলা কংগ্ৰেছৰ পৰা বিচাৰৰ তাৰিখ (৩/১১/৪৮) ঠিক কৰি কলিয়াবৰ কংগ্ৰেছৰ লড়িয়তে জাবি কৰা জাননীৰ প্ৰাপ্তি স্বীকাৰ কৰা টোকাত লিখিছিল এইদৰে-

"মই আজি কলিয়াবৰ সাখা কংগ্ৰেছৰ অফিচ সম্পাদক শ্ৰীৰমাকান্ত শৰ্ম্মাৰ পৰা জিলা কংগ্ৰেছ অফিছৰ পৰা অহা জাননি কাগজ পালো। ইতি

শ্ৰীলক্ষীকান্ত দেৱ অধিকাৰী গোস্বামী

সাং ভলাগুৰি সত্ৰ।২৭/১০/৪৮।"

ইফালে কলিয়াবৰ কংগ্ৰেছে পোৱা আৰু এখন আবেদনৰ নকল তলত তুলি দিয়া হ'ল।

"মহামহিম শ্ৰীযুক্ত কলিয়াবৰ কংগ্ৰেচৰ সভাপতি মহোদয় মহিমাৰ্ণৱেষু

অধিনৰ বিনীত নিবেদন এই যে তাং পূবথবিয়া গাৱঁৰ এল পি ইস্কুলৰ সজাৰ পৰাৱৰস কবিবৰ কাৰণে শ্ৰীযুক্ত খগেশ্বৰ গোস্বামী শ্ৰীযুত মাধিৰাম বৰুৱা শ্ৰীযুত খোলাই গায়ন শ্ৰীযুত নন্দিৰাম ভূয়া শ্ৰীযুত মন মিস্ত্ৰি শ্ৰীযুত কলিৰাম মিস্ত্ৰি সেই ইস্কুল ঘৰত বহি আলোচনা কৰাত মই কলো যে টকা পইচা উথুয়া নহ'লে ই কেনেকৈ হয়, তেতিয়া শ্ৰীযুক্ত খগেশ্বৰ গোস্বামীয়ে কয় বাইজে টকা কিয় দিব তোমালোকে কংগ্ৰেছৰ নেটা হোঁতে ৱাইজৰ কলেক্তি ফাইনৰ টকা আনি হেজাৰে ২ খাইচাহক সেই টকা দি ইস্কুল ঘৰ সাজাহঁক। তোমালোকে অকলেই কংগ্ৰেচ কৰা নাই জনসাধাৰণে কংগ্ৰেচ কৰিছিল যদি তোমালোকে নোৱাৰা কংগ্ৰেচ ঘৰ বেয়া ঘৰ ভ্ৰোধ ভাৱে যেতিয়া সেই কথা কয় তেতিয়া উক্ত মাধিৰাম বৰুৱাই কয় কুকুৰৰ পোহতে আমাৰ টকা খাই বহি আছে সেহতক দেখিম আৰু উক্ত খোলাই গায়নেও কয় সেই টকা তোমালোকে নিদিলে বেয়া হ'ব। সেই দিনাৰ পৰা জন সাধাৰনৰ গালিত বাতে পদুলিযে ওলাব নোৱাৰা হৈছে। আৰু আমাৰ প্ৰাণবো সন্ধাত পৰিছে। গতিকে উক্ত টকা খোৱা কথা বিচাৰ কৰি দিয়া কাৰণে প্ৰাৰ্থনা মতে। ইতি-

অধিন

২৯/১০/৪৮ শ্ৰীআনন্দৰাম সইকিয়া

পূবথৰীয়া (প্ৰাঃ সভাপতি)

পূবথবিয়া প্ৰাথমিক কংগ্ৰেছ কমিটি"

চিঠিখনৰ বিষয় বস্তু স্ব-বৰ্ণিত, আমি ক'ব লগা একো নাই। কিন্তু কংগ্ৰেছী ফাইন কংগ্ৰেছী বাইজৰ ওপৰত বৃটিছ চৰকাৰে জাপি দি নানা অত্যাচাৰ কৰি উঠাইছিল। পূবথৰীয়াৰ বালিকা স্কুলত ৭ দিন মিলিটাৰীয়ে কেম্প কৰি থাকি মানুহক হাৰাশাস্তি কৰি এই পাইকাৰী জৰিমণা আদায় কৰিছিল। গতিকে এই ধন কংগ্ৰেছী সকলে অনাৰ কোনো প্ৰশ্নই নাছিল। এই টকা বৃটিছ চৰকাৰৰ ঘৰলৈহে গৈছিল। শ্ৰীআনন্দৰাম শইকীয়া দেৱে যেতিয়া অসমীয়া ভাষাটো অসমৰ স্কুল কৰ্ট কাছাৰী আৰু কাৰ্য্যলয়ৰ পৰা বিতাৰণ কৰি অসমত বঙালী বুদ্ধিজীৱি সকলৰ হেঁচাত পৰি বৃটিছ চৰকাৰে বঙালী ভাষা চলাইছিল তেতিয়াই এল পি স্কুলত বঙালী ভাষাত শিক্ষা আৰম্ভ কৰিছিল। গতিকে 'ৰ' টোৰ তলত ফুট দি 'ৱ' কৰি লিখিছিল, বঙালী ভাষাৰ ৱ। বানানো সেইদৰে লিখিছিল।

৩/১১/৪৮ তাৰিখে নগাঁৱঁৰ পৰা শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী আৰু শ্ৰীমহেন্দ্ৰ হাজৰিকা আহি কুৱঁৰীটোল বৰ মছজিদৰ বাকৰিত বিচাৰ সভা বহুৱালে। বিচাৰৰ সাক্ষীবাদী লোৱা হ'ল। শ্ৰীলক্ষীকান্ত গোস্বামী, শ্ৰীখগেশ্বৰ গোস্বামী , শ্ৰীদণ্ডি খাটনিয়াৰ আৰু আন সকলবো জবান বন্দী লোৱা হ'ল। শ্ৰীসোমেশ্বৰ বৰাদেৰ আৰু শ্ৰীভবেন ভূঞাদেৱে কৈছিল-

"সাক্ষী প্ৰমাণ লৈ বিচাৰ সভাত শ্ৰীশৰৎ চন্দ্ৰ গোস্বামী দেৱে জানিব পাৰিলে যে যিমানবোৰ অভিযোগ (যেনে-মচজিদৰ লোটাৰে মুখ হাত ধুই শ্ৰীৰজনীকান্ত গোস্বামীয়ে মচজিদৰ ভিতৰ সোমাই আঠুকাঢ়ি প্ৰাৰ্থনা কৰা আদি) আনি সমাজচ্যুত কৰিছিল সেই সকলোবোৰ মিচা আছিল। কে'বাগৰাকীও বৃদ্ধ মুচলমানে, মঃ ইচাৰ মোল্লা, ইচাৰ আলি আৰু এজনে ক'লে 'হিন্দু সকাল পানীৰে মুখ হাত ধোৱা নাছিল, মচজিদৰ ভিতৰতো সোমোৱা নাছিল, সমুখৰ বাকৰিত বহিহে প্ৰাৰ্থনা কৰিছিল। লগতে ওচৰতে আঠুকাঢ়ি একেলগে আমিও প্ৰাৰ্থনা কৰিছিলো।" শ্ৰীশৰৎ গোস্বমাদেৱে শ্ৰীখগেশ্বৰ গোস্বামীদেৱক বহুতো কটু কথা ক'লে।শ্ৰীখগেশ্বৰ গোস্বামীদেৱ নীৰৱে ওলাই আহিছিল। তাৰ পিছতো সম্পূৰ্ণ এটা যুগ, (বাৰ বছৰ কাল), শ্ৰীৰজনী কান্ত গোস্বামীদেৱক ভলাগুৰি সত্ৰৰ পৰা সমাজচ্যুত কৰি ৰাখিছিল।"

গ্ৰেজিং হস্তান্তৰৰ ৰিপোৰ্ট

দেশ স্বাধীন হোৱাৰ আগতে দেশ প্ৰেমৰে উদ্বুদ্ধ হৈ বিদেশী চৰকাৰক ওফোৱাই দিবলৈ সকলো ত্যাগ কৰা মানুহৰ মনৰ কেনেকৈ পৰিবৰ্ত্তন হ'ল নতুন বিদেশীক বৰ পিৰা পাৰি বহুৱাই আদৰাৰ মনোভাৰ আৰম্ভ হ'ল তলৰ চিঠিখনেই তাৰ কিছু সত্যতা প্ৰমাণ কৰে। চিঠিখন তুলি দিয়া হ'ল।

"বন্দেমাতৰম জয়হিন্দ

-গ্ৰেজিং হস্তান্তৰৰ ৰিপোৰ্ট-

মহিমাৰ্ণব

কলিয়াবৰ কেন্দ্ৰিয় সভাপতি মহোদয়ৰ সমিপেষু

সম্পাদকৰ জৰিয়তে-

মহোদয়,

নিবেদন এই; মই এটি স্থানিয় কংগ্ৰেছৰ সামান্য চোৱাংচোৱা। এদিনাখন মই ছ গুনি চাপৰিলৈ গৈছিলো। তাৰ চাপৰিৰ মানুহে কৈছে সোণাৰি গাওঁৰ শ্ৰীযুত গোলোক চন্দ্ৰ বৰদলৈ আৰু শ্ৰীযুত নন্দিৰাম বৰদলৈ ২ জনে বিদেশিক মাটি বেছিছে। ৰাইজে হেনু কলিয়াবৰ কেন্দ্ৰিয় কংগ্ৰেছ কমিটিত এই বিষয়ে ১ খন দৰখাস্ত দিছিল। আজিলৈকে হেনু একো বিচাৰ নকৰিলে। ইপিনে সোণাৰি গাৱঁতে বিচাৰৰ সভাপতিও আছে। কথাটো হেনু তেখেতৰ ঘৰতে। আকৌ কৈছে সেইদেখি দুখীয়া ৰাইজৰ দৰখাস্ত খন পেলাই থৈ মৈমন সিংযাক লগাই দি ঘৰ সজাইছে ২ হতীয়াকৈ পকা ভেটি উঠাইছে। এতিয়া কোনে পাৰে উঠাওকচোন। আকৌ কয় ধনতান্ত্ৰিকে দুখীয়াৰ আৰু দহৰ বা দেশৰ গৌৰৱ বা মোল নুবুজে। গাৱঁৰ বৰ গছেকে হেনু গাগৰী লৈ হেনু আৰু কোনোবা এজনে নামটো পৰনা নে কি ইজনে হেনো ইজত আলি নে কিক বেচিব ধৰিছে। ইত্যাদি

কোনোবা ২ মানুহে কয় কংগ্ৰেছে সকলো কামকে কৰিব পাৰে। বিদেশীক মাটি বেছি নিজৰ দেশক দৰিদ্ৰ কৰি অসম ভূমিক বিদেশীৰ পদানত কৰাটো গুচাবনোৱাৰেনে? এনে এটা গুৰুত্বপূৰ্ণ ভাৰ বহন কৰা নেতাসকল সচাকৈয়ে সকলোপিনে টনকিয়াল হোৱা আৱশ্যক। বিচাৰত নিজৰ পুত্ৰৰ দণ্ড বিধান কৰোতাজনেই বিচাৰক বুলি ৰাইজে কইছে। মানুহ বিলাকৰ কথা শুনি সচাকৈয়ে আচৰিত।

মোৰ বোধেৰে ৰাইজ বিলাকে সচাই কৈছে, এই বিচাৰ বিলাক সভাই সোণকালে নল'লে গোজেই গজালি হৈ বিপত্তিৰ পাৰ নাইকিয়া হ'ব। মতে বিচাৰৰ প্ৰাৰ্থনা। ইতি দোষ মাৰ্জ্জনা কৰিব। বহুত দিন নিলিখাত আখৰ বিলাক বেযা।

মতে ইতি - ২৫/১০/৪৯

(চিঠিখনৰ বিষয় বস্তু আৰু ইমান সোণকালে যে মানুহৰ মনৰ পৰিবৰ্ত্তন হ'ল ভাবিব লগীযা। ইযাৰ প্ৰাসঙ্গিকতা এতিয়াও আছে। এতিয়া যেনিবা দেশখনত বিদেশীৰ গোপন ষড়যন্ত্ৰ আৰু মুক্ত অধিকাৰ চলিছে। প্ৰশাসনৰ মৌণ সমৰ্থন নহ'লে কোনো বিদেশীযে নিজৰ দেশৰ মাটি সম্পত্তি অধিকাৰ কৰিব নোৱাৰে। বগা বঙাল গ'ল ক'লা সকলে দেশ ছাটি ল'লে। কালৰ কি কুটিল গতি।

চিঠিখনত লিখা 'কোনোবা কোনোবা মানুহে কয় কংগ্ৰেছে সকলো কাম কৰিব পাৰে' এই কথাষাৰ অতি তাৎপৰ্য্যপূৰ্ণ।

কংগ্ৰেছ সম্বন্ধে গান্ধীজীৰ পৰামৰ্শ

জন্ম-লগৰে পৰা কংগ্ৰেছ মহা আনুষ্ঠানটোৰ প্ৰথম আৰু প্ৰধান কাম আছিল ভাৰতৰ স্বাধীনতা লাভৰ কাৰণে সকলো শক্তি প্ৰয়োগ কৰি বৃটিছৰ বিপক্ষে যুঁজ কৰা। সেই এটা মাত্ৰ কাৰণতে ভাৰতৰ বিভিন্ন চিন্তাধাৰাৰ মানুহে কংগ্ৰেছ অনুষ্ঠানটোক সমৰ্থন কৰিছিল। কিন্তু শেষৰ ফালে কংগ্ৰেছৰ বিয়াগোম নেতা সকলৰ কথা আৰু কামবোৰে, কংগ্ৰেছৰ

ভিতৰৰ মানুহ খিনিৰে সম্পূৰ্ণ সমৰ্থন পাব নোৱাৰা হ'ল। এইদৰে আগতে কোৱাধৰো কংগ্ৰেছ অনুষ্ঠানটো দুভাগ হোৱাৰ উপক্ৰম হৈছিল, যদিও উদ্দেশ্য সাধনৰ বাবে (স্বাধীনতাৰ প্ৰশ্নত) সকলো আকৌ লগ লাগিছিল। অৱশেষত ১৪ জুনত (১৯৪৭ চন) বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ 'ভাৰতৰ স্বাধীনতা' সংক্ৰান্তৰ সৰ্ব্বশেষ প্ৰস্তাৱটো যেতিয়া উত্থাপন হ'ল তেতিয়াও ছিন্ন-খণ্ডিত ভাৰতৰ স্বাধীনতা লাভতকৈ প্ৰয়োজন হ'লে মাউণ্টবেটেনৰ আটনিকে অগ্ৰাহ্য কৰি ভাৰতৰ স্বাধীনতাৰ প্ৰশ্নটো অনিৰ্দ্দিষ্ট কাললৈ স্থগিতই থাওক কুলি ফমেও এক তৃতীয়াংশ সদস্যই এই প্ৰস্তাৱৰ বিপক্ষে ভোট দিলে। আনকি মহাত্মা গান্ধীৰ সেইদিনাৰ কথায়ো তেওঁলোকক টলাব নোৱাৰিলে।

মহাত্মা গান্ধীয়ে ভলকৈ জানিছিল যে কংগ্ৰেছ অনুষ্ঠানটো, এতিয়া ভাৰতৰ স্বাধীনতা লাভৰ পিছত, কেতিয়াও আগৰ দৰে মহান অনুষ্ঠান হৈ থাকিব নোৱাৰে। কংগ্ৰেছৰ কাম এতিয়া শেষ হৈছে। উদ্দেশ্য, যেনেকৈয়ে নহওক পূৰণ হৈছে। এই অনুষ্ঠানটোৰ প্ৰয়োজন মানুহে আৰু অনুভৱ নকৰে। এই মহান ঐতিহ্যপূৰ্ণ অনুষ্ঠানটোৰ অস্বাভাৱিক মৃত্যু হোৱাতকৈ, বা তিক্ততা বাঢ়ি বাঢ়ি ভাগ ভাগ হোৱাতকৈ গান্ধীজীয়ে ভাৰতৰ 'জাতীয় কংগ্ৰেছ' খন ভাঙ্গি দিয়া উচিত বুলি মন্তব্য কৰিলে, পৰামৰ্শ আগবঢ়ালে। কিন্তু ইতিমধ্যে মহাত্মা গান্ধী নিজেই কংগ্ৰেছী সকলৰ বাবে অপ্ৰাসঙ্গিক হৈ পৰিছে। কোনে শুনে মহাত্মাৰ কথা।

পৰৱৰ্ত্তী কালত সকলোৱেই দেখিছে কংগ্ৰেছ অনুষ্ঠানটোৰ শেষ দশা কি হৈছেগৈ।

কলিয়াবৰতে আমি মাত্ৰ এবছৰৰ পিছতে দেখিবলৈ পালো। কলিয়াবৰ কংগ্ৰেছৰ অতুলনীয় দুজনৰ এজন শ্ৰীঠানুৰাম ভূঞাদেৱে কংগ্ৰেছ এৰিবলৈ বাধ্য হ'ল। শ্ৰীদেৱকান্ত বৰুৱা, গোলাঘাটৰ শ্ৰীশঙ্কৰ বৰুৱা আৰু গুৱাহাটীৰ শ্ৰীহৰেশ্বৰ গোস্বামী এই সকলৰ লগতে শ্ৰীভূঞাদেৱে চচিয়েলিষ্ট পাৰ্টিত যোগ দিলে। ১৯৪৮ চনৰ জুলাই/আগষ্ট মানতে (সময়টো সঠিক বুলি ক'ব নোৱাৰো) কলিয়াবৰত সেই অনুষ্ঠানটোৰ এখন ডাঙৰ সভাও পাতিলে। গুৰুত্বপূৰ্ণ অংশ গ্ৰহণ কৰি থকা এটা ডাঙৰ অংশ কংগ্ৰেছৰ পৰা ওলাই আহিল।

দুগৰাকী মহিলা কৰ্ম্মী

কলিয়াবৰৰ দুগৰাকী মহিলা কৰ্ম্মীৰ বিষয়ে আমাৰ হাতত থকা নথিৰ পৰা কিছু কথা তলত লিখা হ'ল।

এগৰাকী জখলাবন্ধৰ শ্ৰীগনেশ বৰঠাকুৰ দেৱৰ পৰিবাৰ শ্ৰীযুতা গুণেশ্বৰী দেৱী বৰঠাকুৰ আৰু ইগৰাকী হাটবৰৰ শ্ৰীযুতা গুণেশ্বৰী বৰদলৈ (তেখেত কুৱঁৰীটোলৰ গোলোক বৰদলৈ দেৱৰ লগত বিয়া হোৱাৰ কিছু দিনৰ পিছতে বিধবা হোৱাত মাকৰ ঘৰলৈ ঘুৰি আহে)। কলিয়াবৰত মহিলা সংগঠনৰ যিমান কাম হৈছিল সেই সকলোতে এই

দুগৰাকী মহিলাই একেলগে কাম কৰিছিল। কলিয়াবৰ কংগ্ৰেছে এই দুগৰাকীৰ ওপৰতে সকলো কাম কৰাৰ দায়িত্ব দিছিল। অকল কলিয়াবৰতে নহয় নগাওঁ জিলাৰ অনেক ঠাইলৈ মহিলা সংগঠনৰ বাবে এওঁলোক দুগৰাকীয়েই ঘাৰ লগা হৈছিল। জিলা কংগ্ৰেছ কমিটিয়ে এওঁলোককহে পঠিয়াইছিল।

১৯৪৬ চনৰ নিৰ্ব্বাচনৰ আগে আগে নগাৱঁৰ পশ্চিম অঞ্চলত গাৱেঁ গাৱেঁ ঘুৰি সম্পূৰ্ণ তিনি মাহ কাল মহিলা সংগঠন কৰিছিল। এই ভ্ৰমণ কালৰ অনেক তিতা কেছা মিঠা অভিজ্ঞতাৰ কথা বৰ্ণাই গুণেশ্বৰী ৰৱদলৈয়ে কলিয়াবৰ কংগ্ৰেছৰ সভাপতিলৈ লিখা চিঠিখন এতিয়াও সংৰক্ষিত হৈ আছে। তেখেতক এঘৰত বাহিৰা ঘৰত ভাত খাবলৈ দিয়া, তাতে এখন শুদা চাল পিৰাত আঘোণ মহীয়া ঠেৰেঙা লগা জাৱত ৰাতি শুবলৈ দিয়া, দুখৰী পিৰাত বহিবলৈ দিয়া আদি দুখৰ কথাবোৰৰ লগতে মহানুভৱ শ্ৰীসতীন শৰ্ম্মা, চৰাইবাহীৰ মৌজাদাৰ ৮০ বছৰীয়া এগৰাকী বৃদ্ধ নৈষ্ঠিক ব্ৰাহ্মণ, শ্ৰীমতী ৰত্নেশ্বৰী চুতীয়া, ৰাৰপূজীয়াৰ শ্ৰীখগেন ডেকা, কামপুৰৰ শ্ৰীলক্ষ্মী প্ৰসাদ গোস্বামী, শ্ৰীপূৰ্ণ শৰ্ম্মা আদি উদাৰ ব্যক্তি কে'ৰা গৰকীৰো নাম উল্লেখ কৰিছে। নগাওঁ জিলা কংগ্ৰেছ সভাপতি ঋষি তুল্য শ্ৰীহলধৰ ভূঞাদেৱৰ কথাওঁ লিখিছে। মাহে ২০ টকাকৈ দিয়া ধনৰ প্ৰথম মাহৰ মাত্ৰ দহ টকাৰ বাদে বাকীখিনি ভূঞাদেৱৰ পৰা আনি এগৰাকীয়ে ৰাখি থোৱাৰ কথাও উল্লেখ কৰিছে।

তাৰ পিছত গুণেশ্বৰী ৰৱদলৈ নগাওঁ মহিলা সমিতিত ভৰ্ত্তি হয়গৈ। হাটবৰ প্ৰাথমিকত এটা খাদি কেন্দ্ৰ প্ৰতিষ্ঠা কৰে। শিপিনী সংঘ খোলে।

কলিয়াবৰৰ জে'ল যাত্ৰী

১৯২১ চন, ১৯৩০ চন, ১৯৪০ চন আৰু ১৯৪২ চনত কলিয়াবৰৰ জেল নিৰ্য্যাতন ভোগ কৰা ব্যক্তি সকলৰ তালিকা এখন যুগুতাই শ্ৰদ্ধেয় শ্ৰীসোমেশ্বৰ ৰৱাদেৱে 'জে'ল ডাযেৰী' নামেৰে ১৯৪৩-৪৪ চনৰ ভিতৰতে সংৰক্ষণ কৰি ৰাখিছিল। কিন্তু দুভাগ্যবশতঃ এই ডাযেৰীখন শ্ৰীতুৰাকান্ত গোস্বামী দেৱৰ হাতৰ পৰা কেনেবাকৈ হেৰাল। তাৰ পিছত শ্ৰীৰৱাদেৱে আকৌ জে'লখোৱা সকলৰ নামবোৰ লিখি এখন তালিকা তৈযাৰ কৰিলে। ২২/৬/৫৭ তাৰিখে তেতিয়াৰ কলিয়াবৰ কেন্দ্ৰীয় কংগ্ৰেছ কমিটিৰ সভাপতি শ্ৰীসোমকান্ত হাজৰিকা দেৱে 'গৃহিত হয়' বুলি তালিকাৰ শেষত লিখি চহী কৰা আছে। কোনে কিমান দিন জে'লত থাকিব লগা হৈছিল তাৰ কোনো বিৱৰণ কেইজন মানৰ বাহিৰে সেই তালিকাত লিখা নাই। গতিকে ইয়াতো সেই সম্বন্ধে লিখিব পৰা নাই। নামৰ বিপৰীতে আমি মাথো কোন চনত জেল হৈছিল উনুকিওৱাতে আৱদ্ধ থাকিব লগা হৈছে। ১৯৪২ চনৰ খিনি একেলগে দিযা হৈছে।

ইয়াৰ উপৰিও জে'ললৈ নোযোৱা আৰু আত্মগোপন কৰি পলাতক হৈ থাকি সক্ৰিয় অংশ গ্ৰহণ কৰা সকলৰ নামো ওপৰোক্ত শ্ৰীহাজৰিকাদেৱে গৃহিত কৰা তালিকাত আছে। সেই সকলৰ নামো তুলি দিয়া হ'ল। কোনোবা যদি বাদ পৰিছে তাৰ বাবে এতিয়া আমি কোনো কৈফিয়ৎ দিব নোৱাৰো। আশাকৰোঁ সহৃদয় পাঠক সমাজে আমাৰ অপাৰগতাৰ কথা বুজিব আৰু কিবা বিসঙ্গতি থাকিলেও ক্ষমাৰ চকুৰে চাব।

জে'ললৈ যোৱা সকলৰ তালিকা

১।	শ্ৰীঠানুৰাম ভূঞা	১৯২১ চনত ৭ মাহ জে'ল আৰু ২৫ টকা জৰিমণা
	(কুৰ্ৱীটোল চাৰিআলি,)	১৯৩০ চনত ডেৰ মাহ জে'ল
		১৯৩২ চনত ৪ মাহ জে'ল আৰু ১০০ টকা জৰিমণা
		১৯৪১ চনত ৩ মাহ জে'ল আৰু ৫০ টকা জৰিমণা
		১৯৪২ চনত ১৮ মাহ জে'ল
		১৮ মাহ নিৰাপত্তা বন্দী
		মুঠ ৫১ মাহ- ৪ বছৰ ৩ মাহ ১৫ দিন
২।	শ্ৰীগনেশচন্দ্ৰ বৰঠাকুৰ	১৯২১ চনত ৭ মাহ জে'ল
	(জখলাবন্ধা,)	১৯৩০ চনত ৩ মাহ জে'ল
		১৯৪২ চনত জে'ল হৈছিল

১৯২১ চনত জে'ল খোৱা সকলৰ ভিতৰত আছে-

৩। শ্ৰীঈশেশ্বৰ গোহাঁই (৬ মাহ), ৪। শ্ৰীমাণিক চন্দ্ৰ মহন্ত (৬ মাহ), ৫। শ্ৰীৰজনীকান্ত গোস্বামী (৬ মাহ আৰু '৪২ চনতো জেল হয়), ৬। শ্ৰীলক্ষ্মীপ্ৰসাদ (বৰা) গোস্বামী (১ বছৰ), ৭। শ্ৰীভুবন চন্দ্ৰ বৰা (৬ মাহ), ৮। শ্ৰীমহবুব আলি বি এ (৬ মাহ),৯। শ্ৰীনদেশ্বৰ বৰা (৬ মাহ), ১০। শ্ৰীগগণ চন্দ্ৰ খাওন্দ (৬ মাহ), ১১। শ্ৰীকালী প্ৰসাদ বৰা (৬মাহ), ১২। শ্ৰীকালীনাথ ভূঞা (৯ মাহ), ১৩। শ্ৰীনীল গোহাঁই (৬ মাহ), ১৪। শ্ৰীপুহিৰাম কলিতা (৬ মাহ), ১৫। শ্ৰীগোলোক চন্দ্ৰ হাজৰিকা (৬ মাহ), ১৬। শ্ৰীগোপন হাজৰিকা (৬ মাহ), ১৭। শ্ৰীনুকদ্দিন আহমদ (৬ মাহ), ১৮। শ্ৰীগোলাপ বৰুৱা (৬ মাহ),১৯। শ্ৰীকমল চন্দ্ৰ ভূঞা (৬ মাহ), ২০। শ্ৰীফটিক বৰা (৬ মাহ), ২১। শ্ৰীমহবুব দেৱান (৬ মাহ), ২২। শ্ৰীউত্তম চন্দ্ৰ বৰা (৬ মাহ), ২৩। শ্ৰীভোগৰাম ভূঞা (৬ মাহ), ২৪। শ্ৰীবকুল ভূঞা (৬ মাহ), ২৫। শ্ৰীঅভিৰাম ভূঞা (৬ মাহ), ২৬। শ্ৰীভগীৰত ভূঞা (৬ মাহ), ২৭। শ্ৰীধৰণী মজুমদাৰ (জেল দিছিল কিন্তু লিখি দি গুছি আহিল), ২৮। শ্ৰীলক্ষ্মীকান্ত বৰকটকী (?) - (৬ মাহ),।

১৯৩০ চন আৰু পিছৰ আন্দোলনত জে'ল খোৱা সকলৰ ভিতৰত আছে-

২৯। শ্ৰীৰদন চন্দ্ৰ বৰদলৈ (১৯৩০ চনত- ৭ মাহ, '৩২-৩ মাহ, '৪০ - ৩ মাহ ৪২- ১ বছৰ), ৩০। গুণেশ্বৰী দেৱী (১৯৩০-১৫ দিন, '৩২-৩ মাহ, '৪২- ১ বছৰ), ৩১। শ্ৰীতুৰাকান্ত গোস্বামী (১৯৩০- জেললৈ নিয়ে, '৪২- জেল হয়), ৩২। শ্ৰীগিৰিকান্ত মহন্ত (১৯৩০- ৩ মাহ), ৩৩। শ্ৰীগোলোক বৰদলৈ- (১৯৩০- ৬ মাহ , ৩৪। শ্ৰীভোলানাথ হাজৰিকা- বৰভকতি ('৩০ জেল হয়), ৩৫। শ্ৰীজয়ৰাম বৰা ('৩০- ৬ মাহ, '৪২ জেল হয়), ৩৬। শ্ৰীউপেন্দ্ৰ চৌধুৰী (১৯৩০- ৬ মাহ, ৩৭। শ্ৰীৰামেশ্বৰ হাজৰিকা (সোণাৰি গাওঁ- ১৯৩০-৩

মাহ, '৪২- ৬ মাহ), ৩৮। শ্ৰীমুহিৰাম নাথ- ('৩০-৩ মাহ), ৩৯। শ্ৰীভোগৰাম বৰা ('৩০-৩ মাহ), ৪০। শ্ৰীতদৰাম বৰা- জেঙনি ('৩০- ৩ মাহ), ৪১। শ্ৰীহেমেন্দ্ৰ নাথ শৰ্ম্মা (১৯৩০-৩ মাহ, '৪২- ৬ মাহ), ৪২। শ্ৰীদণ্ডিধৰ শৰ্ম্মা ('৩০ জেল), ৪৩। শ্ৰীমোহিনী গোহাঁই- জখলাবন্ধা ('৩০- ১৫ দিন), ৪৪। শ্ৰীতাহিৰাম শইকীয়া- লাচীচুক ('৩০- ডেৰ মাহ জেল), ৪৫। শ্ৰীশশীকান্ত বৰদলৈ- কুৰ্ম্মবীটোল (১৯৩০- ডেৰ মাহ জেল) ৪৬। শ্ৰীপদ্মকান্ত হাজৰিকা-উলুবনী ('৩০- ডেৰ মাহ), ৪৭। শ্ৰীমুক্তিনাথ গোস্বামী (১৯৩০- ডেৰ মাহ), '৪২- ৫ মাহ) ৪৮। শ্ৰীকপীৰাম বৰা- চতিয়াল ('৩০- তিনি মাহ, '৪২- ৬ মাহ), ৪৯। শ্ৰীবৰিৰাম বৰা- চতিয়াল ('৩০- ৩ মাহ), ৫০। শ্ৰীপুহিৰাম বৰা-চতিয়াল ('৩০-৩ মাহ, '৪২- ৬ মাহ), ৫১। শ্ৰীবিৰহ চন্দ্ৰ বৰা- চামগুৰি ('৩০- ৩ মাহ), ৫২। শ্ৰীমইনা (বৰি কান্ত) মহন্ত- বালিসত্ৰ ('৩০- ৬ মাহ), ৫৩। উপেন্দ্ৰ নাথ বকৰা -শাকমুঠি (১৯৩০- ৩ মাহ), ৫৪। শ্ৰীচুৰাই কছাৰী (১৯৩০- ৩মাহ ২৮ দিন), ৫৫। শ্ৰীহলধৰ বকৰা বৰভকতি ('৩০ - ২ মাহ ২৫ দিন)।

১৯৪০-৪১ চনৰ সত্যাগ্ৰহ আন্দোলনত কলিয়াবৰৰ যদিও ১৪ জন সত্যাগ্ৰহীয়ে কলিয়াবৰৰ এলেকাৰ উপৰিও নগাওঁ জিলাৰ নানা ঠাইত সত্যাগ্ৰহ কৰিছিল তেওঁলোকৰ ভিতৰৰ মাত্ৰ দুজন, শ্ৰীঠানুৰাম ভূঞা আৰু শ্ৰীবদন চন্দ্ৰ বৰদলৈদেৱকহে ৩ মাহকৈ জে'ল দিয়াৰ কথা লিখা আছে। বাকী কাৰো বিষয়ে লিখিত তথ্য নথকাতজে'ল খাইছিল নে নাই জনা নগ'ল।

১৯৪২ চনৰ গণ আন্দোলনত কলিয়াবৰৰ কংগ্ৰেছ নেতা, কৰ্ম্মী, শান্তিসেনা, ছাত্ৰ আৰু মৃত্যু বাহিনীৰ যি সকলে ১ দিনৰ পৰা ৩ বছৰ পৰ্য্যন্ত জেল খালে তেখেত সকলৰ নাম বোৱহে তলত উল্লেখ কৰা হ'ল। শ্ৰীসোমকান্ত হাজৰিকাদেৱে 'গৃহিত হয়' বুলি- ২৬/৬/৫৭ তাৰিখে চহী কৰি থৈছে।

৫৬। শ্ৰীপূৰ্ণ চন্দ্ৰ ভূঞা (ভিএনবি চুক), ৫৭। শ্ৰীবিনদ চন্দ্ৰ হাজৰিকা (সৰুভগীয়া), ৫৮। শ্ৰীলীলাকান্ত বৰা (শাকমুঠি), ৬০। শ্ৰীৰমাকান্ত বৰা (গাৰিকুৰি), ৬১। শ্ৰীসোমেশ্বৰ বৰা (পূবখৰীয়া), ৬২। শ্ৰীসোমকান্ত হাজৰিকা (আৰিবণ্ডা), ৬৩। শ্ৰীগোলোক চন্দ্ৰ বৰঠাকুৰ (আফ্ৰোহি চুক, গৃহবন্দী), ৬৪। শ্ৰীঈশধৰ হাজৰিকা (সোণাৰি গাওঁ), ৬৫। শ্ৰীবলোৰাম ভূঞা (চামধৰা-পূবখৰীয়া), ৬৬। শ্ৰীবাপাৰাম বৰা (গাৰিকুৰি), ৬৭। শ্ৰীডাৰিৰাম বৰা (দাঠকটা-হাটবৰ), ৬৮। শ্ৰীভোগৰাৰ বৰা (দাঠকটা,হাটবৰ), ৬৯। শ্ৰীশশীকান্ত বৰগোহাঁই (জখলাবন্ধা), ৭০। শ্ৰীনলিনীকান্ত শইকীয়া (ভিএনবি চুক), ৭১। শ্ৰীভোগেশ্বৰ নেওগ (পূবখৰীয়া), ৭২। শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা (ভিএনবি), ৭৩। শ্ৰীহেম কান্ত হাজৰিকা (ধৰমপুৰ) ৭৪। শ্ৰীগোলোক চন্দ্ৰ মহন্ত (বৰভকতি), ৭৫। শ্ৰীমিশাকান্ত বৰা (নলতলি-ধৰমপুৰ), ৭৬। শ্ৰীভোগেশ্বৰ বৰা (দাঁতকটা-হাটবৰ), ৭৭। শ্ৰীভূজেন্দ্ৰ নাথ বকৰা (বৰভগীয়া), ৭৮। শ্ৰীনিশিকান্ত মহন্ত (সৰুভগীয়া), ৭৯। শ্ৰীভোগেশ্বৰ বকৰা (বৰভগীয়া), ৮০। শ্ৰীৰভিন্দ্ৰ নাথ বেনাৰ্জি (সৰুভগীয়া), ৮১। শ্ৰীদণ্ডি সূত (বগাজন),৮২। শ্ৰীউপেন্দ্ৰ নাথ মেধী (পানীগাওঁ), ৮৩। শ্ৰীদিবাকৰ মুদৈ (পানীগাওঁ),৮৪। দণ্ডিৰাম ভূঞা (পানীগাওঁ), ৮৫। চেনীৰাম হাজৰিকা (পানীগাওঁ), ৮৬। দুৰ্ল্লভ চন্দ্ৰ কোছ (?), ৮৭। শ্ৰীলখাই কোছ (পানীগাওঁ), ৮৮। শ্ৰীজেঠু গাবা (পানীগাওঁ), ৮৯। শ্ৰীৰূপৰাম কোছ (মিচামুখ), ৯০। শ্ৰীদেইৰাম বৰা (মিছামুখ), ৯১। বোকাই কোছ (?), ৯২। কিনাৰাম তাঁতি (?), ৯৩। শ্ৰীবীৰেন্দ্ৰ নাথ বকৰা (বৰভগীয়া), ৯৪। শ্ৰীলীলা কান্ত বৰা (পানীগাওঁ), ৯৫। মাণিক চন্দ্ৰ বৰা (নিজ বৰভগীয়া), ৯৬। দীলকান্ত শইকীয়া (নিজ বৰভগীয়া), ৯৭। শ্ৰীৰূপৰাম কলিতা (নিজ বৰভগীয়া), ৯৮। শ্ৰীকপাম বৰা (বৰভগীয়া), ৯৯। শ্ৰীস্ফটিক চন্দ্ৰ ভূঞা (গড়গুৰি), ১০০। শ্ৰীকানুৰাম বৰা (খালে আটি), ১০১। শ্ৰীমহেন্দ্ৰ নাথ শৰ্ম্মা (কুৰ্ম্মবীটোল), ১০২। ভোকোদাই কলিতা (গড়গুৰি), ১০৩। শ্ৰীহেমোৰাম বৰা (গোমোঠা), ১০৪। উমাৰাম

বরা (গোমোঠা), ১০৫। কেছোরাম বরা (গোমোঠা), ১০৬। চেনীরাম বরা (গোমোঠা), ১০৭। শ্রীবীরেন্দ্র নাথ বরুৱা (শাকমুঠি), ১০৮। শ্রীঠগীরাম বরা (গোমোঠা), ১০৯। শ্রীরূপরাম বরা (গোমোঠা), ১১০। শ্রীভুৱারাম বরা (গোমোঠা), ১১১। শ্রীজয়েশ্বর বরদলৈ (কুৰ্ৱীটোল), ১১২। শ্রীলাল মহম্মদ (লেনচোৱা-বাজক চুক), ১১৩। কনক চন্দ্র বরা (তলাগুৰি), ১১৪। শ্রীবিদ্যাকান্ত হাজৰিকা (শান্তিপুৰ), ১১৫। বতীন্দ্র নাথ গাওঁবৰ (জখলাবন্ধা), ১১৬। শ্রীমেহেকা গায়ন (ধৰমপুৰ), ১১৭। গুণারাম বরা (ধৰমপুৰ), ১১৮। শ্রীকলা'ৰ কেণ্ট (ধৰমপুৰ), ১১৯। শ্রীনকান্ত হাজৰিকা (ধৰমপুৰ), ১২০। শ্রীসৰৰাম বরা (ধৰমপুৰ), ১২১। শ্রীসেৱেলা কোছ (ধৰমপুৰ), ১২২। শ্রীপ্রসন্ন কুমাৰ বিশ্বাস (ধৰমপুৰ), ১২৩। শ্রীনবীন চন্দ্র ভূঞা (ধৰমপুৰ), ১২৪। দেবেন্দ্র নাথ বরা (ধৰমপুৰ), ১২৫। শ্রীজিলিৰাম নাথ (ভোমোৰাগুৰি), ১২৬। শ্রীবসোৱাম বরা (ধৰমপুৰ), ১২৭। শ্রীধনীরাম দেৱ নাথ (হাতীয়ে খোৱা), ১২৮। শ্রীকমলকান্ত হাজৰিকা (নলতলি), ১২৯। শ্রীধনীরাম বরা (নলতলি), ১৩০। চেনারাম সুত (নলতলি), ১৩১। শ্রীজয়ন্ত কলিতা (নলতলি), ১৩২। শ্রীকলিৰাম বরা (কলাজন), ১৩৩। শ্রীগঙ্গারাম বরা (কুৰ্ৱীটোল), ১৩৪। শ্রীলালিয়া বাম বরা (কুৰ্ৱীটোল), ১৩৫। শ্রীবিনদ চন্দ্র শইকীয়া (চতিয়াল), ১৩৬। শ্রীনবকান্ত ওজা (চতিয়াল), ১৩৭। শ্রীনোমল চন্দ্র শইকীয়া (চতিয়াল), ১৩৮। শ্রীঅতিৰাম ওজা (চতিয়াল), ১৩৯। শ্রীজয়ন্ত বরা (চতিয়াল) ১৪০। শ্রীচন্দ্র কান্ত বরুৱা (চতিয়াল-বজাচুক), ১৪১। শ্রীবনীধৰ হাজৰিকা (ভৰালিচুক), ১৪২। শ্রীআলিৰাম গোহাঁই (ভাঁৱালী চুক), ১৪৩। শ্রীমূলাল কলিতা (আমবাগান), ১৪৪। শ্রীশান্তিৰাম বাজবংশী (বালিচিকা-শিলঘাট), ১৪৫। শ্রীমহেন্দ্র নাথ মহন্ত (চিপহা সত্র), ১৪৬। শ্রীভুৱারামডেকা (ৰবভগীয়া), ১৪৭। শ্রীকমলা কান্ত বরা (যমথলা), ১৪৮। শ্রীকমল চন্দ্র মহন্ত (বালিসত্র), ১৪৯। শ্রীগঙ্গারাম বরা (কুঠবী), ১৫০। শ্রীনবীন চন্দ্র শইকীয়া (কুঠবী), ১৫১। শ্রীকানুৰাম শইকীয়া (কুঠবী), ১৫২। শ্রীলক্ষ্মণ চন্দ্র বরা (কুঠবী), ১৫৩। শ্রীআনন্দ বাম বরুৱা (কুঠবী), ১৫৪। শ্রীজয়ৰাম বরা (কুঠবী), ১৫৫। শ্রীমোহন চন্দ্র বরা (যমথলা), ১৫৬। জালিৰাম ওজা (গোমোঠা), ১৫৭। শ্রীউমাকান্ত বরা (গোমোঠা), ১৫৮। শ্রীডম্বক ধৰ কেণ্ট (হাতীগাওঁ, ১৫৯। শ্রীৰতিৰাম কেণ্ট (সোণাৰি গাওঁ), ১৬০। শ্রীগোলোক চন্দ্র হাজৰিকা ওৰফে ভিৰিৰাম (ধলেখোৱা), ১৬১। শ্রীভোলাৰাম বরুৱা (কুটি খাৰী), ১৬২। শ্রীকটিক ভূঞা (ধৰমপুৰ), ১৬৩। শ্রীভনুৰাম বরা (ধৰমপুৰ), ১৬৪। শ্রীসুধীৰ কুমাৰ ঘোৰ (শিলঘাট), ১৬৫। শ্রীৰূপৰাম হাজৰিকা (পানীগাওঁ), ১৬৬। শ্রীপদ্মকান্ত হাজৰিকা (সোণাৰি গাওঁ), ১৬৭। শ্রীভূমিধৰ মুদৈ (পানীগাওঁ), ১৬৮। শ্রীমোহন হাজৰিকা (মিছামুখ), ১৬৯। শ্রীদুর্লভ বরা (নামগাওঁ), ১৭০। শ্রীকটিক বরা (নামগাওঁ), ১৭১। শ্রীকৃষ্ণলাল বিশ্বাস (নামগাওঁ), ১৭২। শ্রীঅমূল্য লাহিৰি- ডাক্তৰ (আমবাগান), ১৭৩। শ্রীদোলন হাজৰিকা (চামধৰা), ১৭৪। শ্রীজেন্দ্ৰাৰাম শইকীয়া (চামধৰা), ১৭৫। শ্রীকলিৰাম বরুৱা (বজাচুক), ১৭৬। শ্রীভোলানাথ বরদলৈ (সকতগীয়া), ১৭৭। শ্রীগোলোক চন্দ্র বরুৱা (কুৰ্ৱীটোল), ১৭৮। শ্রীপদ্মধৰ হাজৰিকা (শিলঘাট), ১৭৯। শ্রীপুষ্পকান্ত হাজৰিকা (সোণাৰি গাওঁ), ১৮০। শ্রীপদুম চন্দ্র ভূঞা (নলতলি), ১৮১। শ্রীভুৱারাম কোছ (ধৰমপুৰ), ১৮২। শ্রীডিম্বেশ্বর বরা (ধৰমপুৰ), ১৮৩। শ্রীহরনাথ বরা (ধৰমপুৰ),১৮৪। শ্রীমুক্তৰাম বরা (নলতলি), ১৮৫। শ্রীখুলেশ্বর হাজৰিকা (সোণাৰিগাওঁ), ১৮৬। শ্রীকমকান্ত হজৰিকা (সোণাৰি গাওঁ), ১৮৭। শ্রীমোলাল চন্দ্র ভূঞা (ভিঞাৰি চুক), ১৮৮। শ্রীমোলাল চন্দ্র শইকীয়া (তেলিয়া চুক), ১৮৯। শ্রীকুলেশ্বর বরা (তেলিয়া চুক), ১৯০। শ্রীযজ্ঞেৰাম হাজৰিকা (তেলিয়া চুক), ১৯১। শ্রীটকেশ্বর পাঠক (পূবথবীয়া), ১৯২। শ্রীনকেশ্বর মহন্ত (প্রকনী সত্র), ১৯৩। শ্রীযোগেন্দ্র নাথ বরা (ওৰফে নোমল- গাৰিকুৰি), ১৯৪। শ্রীমিত্রধৰ গায়ন (গাৰিকুৰি), ১৯৫। শ্রীদেউৰাম বরা (গাৰিকুৰি), ১৯৬। শ্রীমোহন চন্দ্র ভূঞা (নলতলি), ১৯৭। শ্রীআনন্দৰাম শইকীয়া (পূবথবীয়া), ১৯৮। শ্রীপুৰন্দৰ মহন্ত (প্রকনী সত্র), ১৯৯। শ্রীনলিন বরা (নেগা-বড়িগাওঁ), ২০০। শ্রীলোকেশ্বর বরা (পূবথবীয়া), ২০১। শ্রীকেশৰাম বরা (নলতলি), ২০২। ডিম্বেশ্বর নাথ (হাতীয়ে খোৱা), ২০৩। শ্রীবদ্রকান্ত ভূঞা (ধৰমপুৰ), ২০৪। শ্রীকলাই বরা (ধৰমপুৰ), ২০৫। শ্রীবুদ্ধি নাথ কলিতা (পূবথবীয়া), ২০৬। শ্রীতন্ত্রকান্ত কাকতি (পূবথবীয়া), ২০৭। শ্রীনবীন ভূমিজ (মিৰিভেটি) ২০৮।

শ্ৰীবানেশ্বৰ নেওগ (গাৰিকুৰি), ২০৯। শ্ৰীবামেশ্বৰ শইকীয়া (আখিবঙা), ২১০। শ্ৰীমাধৱ বাজবংশী (মিৰিঙেটি), ২১১। শ্ৰীনৰাম গাওঁবুঢ়া (লাঙীচুক), ২১২। শ্ৰীকিনাৰাম বৰা (লাঙীচুক), ২১৩। শ্ৰীকলাই শইকীয়া (লাঙীচুক), ২১৪। শ্ৰীচনকান্ত শইকীয়া (তেলিয়া চুক), ২১৫। শ্ৰীনবীন চন্দ্ৰ বৰা (তেলিয়া), ২১৬। শ্ৰীহিতৰাম হাজৰিকা (সোণাৰি গাওঁ), ২১৭। শ্ৰীচনকান্ত বৰঠাকুৰ (কামাখ্যা), ২১৮। শ্ৰীভদ্ৰ কৃষ্ণ গোস্বামী (?), ২১৯। শ্ৰীনন্দৰাম কোছ (উলুবলী), ২২০। শ্ৰীজগীষ চাৰ (উলুবলী), ২২১। শ্ৰীমহোৰাম শইকীয়া (গাৰিকুৰি), ২২২। শ্ৰীমহোৰাম বৰা (অকন)-(দলগাওঁ), ২২৩। শ্ৰীৰাধিকা প্ৰসাদ বৰা (অকণাবন্ধা), ২২৪। শ্ৰীপুনিৰাম ওজা (?), ২২৫। শ্ৰীমিশাৰাম হাজৰিকা (সোণাৰি গাওঁ), ২২৬। শ্ৰীজয়ৰাম বৰদলৈ (সোণাৰি), ২২৭। শ্ৰীকেশৰাম হাজৰিকা (সোণাৰি গাওঁ), ২২৮। শ্ৰীনন্দৰাম হাজৰিকা (সোণাৰি গাওঁ), ২২৯। শ্ৰীকটিৰাম হাজৰিকা (সোণাৰি গাওঁ), ২৩০। শ্ৰীনন্দিৰাম ভূঞা (পূৱখৰীয়া), ২৩১। শ্ৰীনবীন চন্দ্ৰ গোস্বামী (ডলাগুৰি), ২৩২। শ্ৰীমোহন চন্দ্ৰ হাজৰিকা (সোণাৰি গাওঁ), ২৩৩। শ্ৰীকনীধৰ হাজৰিকা (সোণাৰি গাওঁ), ২৩৪। শ্ৰীলক্ষেশ্বৰ হাজৰিকা (সোণাৰি গাওঁ), ২৩৫। শ্ৰীদীন বন্ধু শইকীয়া (আখিবঙা), ২৩৬। শ্ৰীবিকুৰাম ভূঞা (পূৱখৰীয়া), ২৩৭। শ্ৰীকিনদ চন্দ্ৰ শইকীয়া (?), ২৩৮। শ্ৰীভুবন চন্দ্ৰ হাজৰিকা (?), ২৩৯। শ্ৰীযোগেন্দ্ৰ ধৰ (?),২৪০। শ্ৰীনাথ বৰা (কুহম তলি), ২৪১। শ্ৰীপূর্ণ বৰদলৈ (কুৰ্ৱীটোল), ২৪২। শ্ৰীসনাতন বৰ্মণ (কুহম তলি), ২৪৩। শ্ৰীমুক্তিৰাম কলিতা (কুৰ্ৱীটোল), ২৪৪। শ্ৰীমেঘাই কলিতা (কুৰ্ৱীটোল), ২৪৫। শ্ৰীমহেশ্বৰ হাজৰিকা (কুৰ্ৱীটোল), ২৪৬। শ্ৰীপদুম হাজৰিকা (কুৰ্ৱীটোল), ২৪৭। শ্ৰীদুৰ্লভ চন্দ্ৰ বৰা (কুৰ্ৱীটোল), ২৪৮। শ্ৰীশিৱৰাম হাজৰিকা (কুৰ্ৱীটোল), ২৪৯। শ্ৰীমোলোকা বৰদলৈ (কুৰ্ৱীটোল), ২৫০। শ্ৰীখগেশ্বৰ বৰদলৈ (কুৰ্ৱীটোল), ২৫১। শ্ৰীনালিয়া বৰদলৈ (কুৰ্ৱীটোল), ২৫২। শ্ৰীসক ল'ৰা বৰা (কুৰ্ৱীটোল), ২৫৩। শ্ৰীকাশীৰাম বৰা (কুৰ্ৱীটোল), ২৫৪। শ্ৰীমিলুৰাম বৰা (গোমোঠা গাওঁ), ২৫৫। শ্ৰীকিনদ শইকীয়া (গোমোঠা)।

ওপৰোক্ত তালিকাত নথকা কে'বাজনেও জে'ল খাইছিল। সেই সকলৰ নাম শ্ৰীনলিনীকান্ত শইকীয়া আৰু শ্ৰীতুৰাকান্ত গোস্বামীদেৱে ৰখা তালিকা দুখনত পোৱা গৈছে। আগতেই কোৱা হৈছে যে কোনো কোনো জনক জে'লত সুমুওৱাৰ দিনাই বা গ্ৰেপ্তাৰ কৰি নিয়াৰ পিছতে গোচৰ খাৰিজ হোৱাত লগে লগে বা পিছৰ দিনাই খালাচ দিয়ে। সেই সকলৰ নাম কাৰোবাৰ জে'ল ৰেকৰ্ডত আছে আৰু কাৰোবাৰ নাই। আমি ওপৰোক্ত দুয়োগৰাকীৰ তালিকাত থকা নামবোৰো উল্লেখ কৰিলো-

২৫৬। শ্ৰীৰবি সিং গাওঁবুঢ়া (আমাবাগান, সেমলালী), ২৫৭। শ্ৰীপুণ্যধৰ ভূঞা (নলতলি), ২৫৮। শ্ৰীপদৰাম শইকীয়া (আমবাগান), ২৫৯। শ্ৰীকিনাৰাম বৰা (মিচামুখ), ২৬০। শ্ৰীফটিক পাটোৱাৰী (?), ২৬১। শ্ৰীগিৰিশ বৰুৱা (বৰুৱাগীয়া), ২৬২। শ্ৰীকানুৰাম গায়ন (খালে আটি), ২৬৩। শ্ৰীফটিক বৰা (খালে আটি), ২৬৪। শ্ৰীধৰ নমঃ শূদ্ৰ (খালে আটি), ২৬৫। শ্ৰীভোটোক বৰা (খালে আটি), ২৬৬। শ্ৰীকান্ত নমঃ শূদ্ৰ (খালে আটি), ২৬৭। শ্ৰীভুবন হাজৰিকা (হালোৱা গাওঁ), ২৬৮। শ্ৰীকমলা গোস্বামী (হালোৱা গাওঁ), ২৬৯। শ্ৰীমুকুল মুদৈ (পানীগাওঁ), ২৭০। শ্ৰীহেকেৰা বৰা (গেমোঠা), ২৭১। শ্ৰীশুকান বৰা (গোমোঠা), ২৭২। শ্ৰীদেউৰাম হাজৰিকা (বৰুৱাচুক), ২৭৩। শ্ৰীলুহিত শইকীয়া (মিৰিঙেটি), ২৭৪। শ্ৰীনশিৰাম বৰা (ধৰমপুৰ), ২৭৫। শ্ৰীধুল মহন্ত (চিপহা), ২৭৬। শ্ৰীহেমোৰাম নেওগ (মামতাৰি), ২৭৭। শ্ৰীকান্ত ভূঞা (ধৰমপুৰ), ২৭৮। শ্ৰীপুনাৰাম বৰা (ধৰমপুৰ), ২৭৯। শ্ৰীবত্ন কান্ত ভূঞা (ধনেশোৱা), ২৮০। শ্ৰীমুকুন্দ চন্দ্ৰ বৰা (চতিয়াল), ২৮১। শ্ৰীযজ্ঞেৰাম ভূঞা (নলতলি), ২৮২। শ্ৰীমুকুট ৰাম বৰা (নলতলি), ২৮৩। শ্ৰীওগাই বিশ্বাস (ধনেশোৱা), ২৮৪। শ্ৰীকপক বৰা (গাৰিকুৰি)।

সক্ৰিয় কৰ্ম্মী সকলৰ তালিকা। এই সকলৰ কোনোৱেই কাৰাবৰণ কৰ নাছিল। কোনো কোনোৱে ১৯৩০ চনতো আন্দোলনত যোগ দিছিল।

সোণাৰি গাভৰু গাৱৰ- ১। শ্ৰীজীৱন চন্দ্ৰ হাজৰিকা, ২। শ্ৰীতিলক হজৰিকা, ৰৱভকতিৰ- ৩। শ্ৰীকনক্ষ ৰৱদলৈ, সৰভগীয়াৰ- ৪। শ্ৰীটকেশ্বৰ হাজৰিকা, ৫। শ্ৰীনাৰায়ন মুক্তিয়াৰ, ৬। শ্ৰীজয়কান্ত হাজৰিকা, ৭। শ্ৰীঘনুৰাম শইকীয়া, ৮। শ্ৰীতিতাৰাম বৰুৱা, ৯। শ্ৰীপূর্ণ শইকীয়া, ১০। শ্ৰীগনেশ হাজৰিকা, ১১। শ্ৰীউপেন্দ্ৰ নাথ ভূঞা (নায়ক), হাটৰৱৰ- ১২। শ্ৰীৰত্ন গায়ন, ১৩। শ্ৰীনীল কান্ত গায়ন, ১৪। শ্ৰীগুণেশ্বৰী ৰৱদলৈ (দাঁতকটা), ১৫। শ্ৰীৰতিৰাম গগৈ, ১৬। শ্ৰীনাৰায়ন গোহাঁই (ৰড়িগাওঁ), গাৰিকুৰিৰ- ১৭। শ্ৰীমিনাৰাম হজৰিকা, ১৮। শ্ৰীচন্দ্ৰকান্ত ৰৱা, ১৯। শ্ৰীসূর্য্যকান্ত নেওগ, ২০। শ্ৰীনৰেন্দ্ৰ নাথ ৰৱা, ২১। শ্ৰীযতীন গায়ন, শাকমুঠি- ভৰালীৰ ২২। শ্ৰীধনেশ্বৰ ৰৱা, ২৩। শ্ৰীলম্বোদৰ ৰৱা, ২৪। শ্ৰীগোলাপ চন্দ্ৰ ৰৱা, ২৫। শ্ৰীৰঙালি চন্দ্ৰ ৰৱা, ২৬। শ্ৰীৰত্নেশ্বৰ ৰৱা, আখিৰভাৰ- ২৭। শ্ৰীমজোৰাম হাজৰিকা, ২৮। শ্ৰীধুনাই শইকীয়া, কেনকেনিয়াৰ- ২৯। শ্ৰীভোগেশ্বৰ ৰৱা, ৩০। শ্ৰীপদ্ম শৰ্ম্মা, ৩১। শ্ৰীৰগীৰাম ৰৱা ('৩০ চনত মাৰ খাইছিল), ন-সত্ৰৰ ৩২। শ্ৰীফটিক ভৰালী, দ'লালৰ- ৩৩। শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা, দেৱসত্ৰৰ- ৩৪। শ্ৰীযোগদেৱ শৰ্ম্মা (১৯৩০), জখলাবন্ধাৰ- ৩৫। শ্ৰীকনক ৰৱগোঁহাই, ৩৬। শ্ৰীসত্য ৰৱঠাকুৰ, চতিয়ালৰ- ৩৭। শ্ৰীগোলোক হাজৰিকা, ৩৮। শ্ৰীসাৰিত্ৰী শইকীয়া। বৰুৱাচুকৰ-৩৯। শ্ৰীনগেন্দ্ৰ নাথ বৰুৱা, ৪০। শ্ৰীডিম্বেশ্বৰ বৰুৱা, ৪১। শ্ৰীহৰিপদ দাস, ৪২। শ্ৰীডিম্বেশ্বৰ ৰৱা (কতিয়া), ৪৩। শ্ৰীদেউনাথ হাজৰিকা (১৯৩০), কূৰ্ৱীটোলৰ- ৪৪। শ্ৰীসাৰিত্ৰী ভূঞা (লাঙ্কিতা), ভলাগুৰিৰ- ৪৫। শ্ৰীলৰ চন্দ্ৰ গোস্বামী, ৪৬। শ্ৰীকাতিৰাম ৰৱা (ভিঞাৰি), ৪৭। শ্ৰীউপেন্দ্ৰ নাথ বৰুৱা (ভিঞাৰি), ৪৮। শ্ৰীকালিৰাম ৰৱা, ৪৯। শ্ৰীভগীৰথ গোস্বামী, ৫০। শ্ৰীৰবিৰাম ভূঞা (ভিঞাৰি), পূবথৰীয়াৰ- ৫১। শ্ৰীগোলাপ নাথ, ৫২। শ্ৰীদেউৰাম ভূঞা, মেধি চুকৰ- ৫৩। শ্ৰীৰমাকান্ত শৰ্ম্মা, পোৰাভেটিৰ- ৫৪। শ্ৰীচন্দ্ৰ কান্ত মহন্ত, মাধতাৰিৰ- ৫৫। শ্ৰীসোমেশ্বৰী ভূঞা, পুৰণি সত্ৰৰ- ৫৬। শ্ৰীগেৰেলী নট, ৫৭। শ্ৰীমোলানী নট (ধনাইৰ মাক), উলুবনীৰ- ৫৮। শ্ৰীলক্ষীৰাম ওজা, তেলিয়া গাৱঁৰ- ৫৯। শ্ৰীচেনাৰাম ৰৱা, ৬০। শ্ৰীমজোৰাম ভূঞা, ৰৱভকতিৰ- ৬১। শ্ৰীনগেন্দ্ৰ নাথ খাওন্দ, ৬২। শ্ৰীশান্তি ৰৱদলৈ, পূথৰীয়াৰ- ৬৩। শ্ৰীআনন্দ কাকতি, ৬৪। শ্ৰীগঙ্গাৰাম ভূঞা, অৰ্কৰা ৰৱা, চুকৰ- ৬৫। শ্ৰীভোগৰাম (আঁৰবীয়া- ১৯৩০), বালিটিকাৰ- ৬৬। শ্ৰীগোলোক ৰৱা, ৬৭। শ্ৰীৰসেশ্বৰ ৰৱা, ৬৮। শ্ৰীনোমল চন্দ্ৰ ৰৱা, দেউৰী চিলাবন্ধাৰ- ৬৯। শ্ৰীকনক বাজখোৱা, ৭০। তুৰাৰাম ৰৱা, ৭১। শ্ৰীহেম কান্ত কাকতি, নিজ চিলাবন্ধাৰ- ৭২। শ্ৰীডম্বৰুধৰ হাজৰিকা, বাঘৰ চুকৰ- ৭৩। শ্ৰীভৃধৰ শইকীয়া, চামধৰাৰ- ৭৪। শ্ৰীভৃধৰ ৰৱা, ৭৫। শ্ৰীভৱ কান্ত হাজৰিকা, যমন্তলাৰ- ৭৬। শ্ৰীধীৰেশ্বৰ শৰ্ম্মা, হাতীয়ে খোৱাৰ- ৭৭। শ্ৰীসুৰথ দেৱ নাথ, ভোমোৰাগুৰিৰ- ৭৮। শ্ৰীমুহিৰাম নাথ, পোকে খাটিৰ- ৭৯। শ্ৰীৰামধনী ৰাজভৰ, ৮০। শ্ৰীজানেকী সিং, নলতলিৰ- ৮১। শ্ৰীজালিৰাম শইকীয়া, ধনেখোৱাৰ- ৮২। শ্ৰীমহিপতি শৰ্ম্মা, ৮৩। শ্ৰীমহেশ্বৰ উপাধ্যায়, ৮৪। শ্ৰীদীঘিৰাম উপাধ্যায়, আমৰাগানৰ- ৮৫। শ্ৰীৰবিচৰণ সিংহ (১৯২১, '৩০, '৪২), ৮৬। শ্ৰীহৰিদাস বিশ্বাস, ৮৭। শ্ৰীপদৰাম শইকীয়া, ৮৮। শ্ৰীঅধৰ সিং, ৮৯ শ্ৰীযোগেশ চৰকাৰ, কুটিমাৰীৰ- ৯০। শ্ৰীৰৰি (?), হাতীবন্ধাৰ-৯১। শ্ৰীকন্দ্ৰ কান্ত হাজৰিকা, ভৰিধোৱাৰ- ৯২। শ্ৰীযতীন্দ্ৰ চৰকাৰ, মিছামুখৰ- ৯৩। শ্ৰীমিনাৰাম হাজৰিকা ওৰফে মনপুৰ, গৰৈমাৰীৰ- ৯৪। শ্ৰীমিহিৰাম লস্কৰ, গাৰিকুৰিৰ- ৯৫। শ্ৰীমনেশ্বৰী নেওগ (১৯৩০), ৯৬। শ্ৰীপদ্মী ৰৱা (ভূঞা) (১৯৩০), ৯৭। শ্ৰীকমলেশ্বৰী গায়ন (ভূঞা), আখিৰভাৰ- ৯৮। শ্ৰীমনোমাই ৰৱুৱা, দয়ালচুকৰ- ৯৯। শ্ৰীনৰেশ্বৰী হাজৰিকা, চতিয়ালৰ- ১০০। শ্ৰীদণ্ডিৰাম বৰুৱা, পূবথৰীয়াৰ-১০১। শ্ৰীৰঙোৰাম শইকীয়া, ১০২। শ্ৰীগুণাৰাম ৰৱা (হাটৰৱ)।

এই সকলক নিৰ্য্যাতিত সক্ৰিয় কৰ্ম্মী বুলি ২২/৬/৫৭ তাৰিখে সভাপতিয়ে গৃহিত কৰি চহী কৰি থৈছে।

১৯৭১ চনৰ পিছত সংগ্ৰহ কৰি ৰখা সকলৰ নামৰো তালিকা দিয়া হ'ল-

মিছামুখ হালোৱা গাঁৱৰ- ১। শ্ৰীলভোৱাম কাকতি, কুৰ্বীটোলৰ- ২। শ্ৰীভেকেলা ৰবদৈ, ৩। শ্ৰীসুমিত্ৰা ভূঞা, ৪। শ্ৰীভিষ্ণেশ্বৰ শৰ্ম্মা, ৫। শ্ৰীযজ্ঞেশ্বৰ ৰবা, ৬। শ্ৰীবিষ্ণু ৰবহা, ৭। শ্ৰীখুলেশ্বৰ ৰবা, উলুবনীৰ- ৮। শ্ৰীভগীৰাম চাহু, আৰু ৯। শ্ৰীশান্তি চুতীয়া (বালিটিকা), ১০। শ্ৰীনবেন্দ্ৰ নাথ হাজৰিকা (শান্তিপুৰ), ১১। শ্ৰীভূমিধৰ ৰবা (ফুটিমাৰী) ১২। শ্ৰীওলাডী ৰবহা (শান্তিপুৰ), ১৩। শ্ৰীভোগেশ্বৰ ৰবা (পুৰখৰীয়া), ১৪। শ্ৰীগোলাপ ৰবদলৈ (ৰবভকতি), ১৫। শ্ৰীকণক ৰবা (নায়ক-হাতীৰঙা), ১৬। শ্ৰীমহেশ্বৰী ভূঞা (পুৰখৰীয়া), ১৭। শ্ৰীপীতাম্বৰ ভূঞা (পুৰখৰীয়া), ১৮। শ্ৰীখগেশ্বৰ ৰবা (দলগাওঁ), ১৯। শ্ৰীমহিম চন্দ্ৰ ৰবা (হাটৰৰ), ২০। শ্ৰীপূৰ্ণ কান্ত হাজৰিকা (আখিৰঙা), ২১। শ্ৰীপুৰোষোত্তম গোস্বামী (ন-সত্ৰ), ২২। শ্ৰীজাতি ৰাম কেওট (গোমোঠা), ২৩। শ্ৰীকদ্ৰকান্ত হাজৰি মেধি (?), ২৪। শ্ৰীচন্দ্ৰ ৰবা ওৰকে মলপু (উঁৱালী চুক), ২৫। শ্ৰীযজ্ঞেশ্বৰ ৰবা (বালিটিকা), ২৬। শ্ৰীলোক নাথ ৰবা (চেলেং চুক, হাটৰৰ), ২৭। শ্ৰীঠানুৰাম (?) হাটৰৰ, ২৮। শ্ৰীকুশল ৰবঠাকুৰ (দ'লাল মাধৱ), ২৯। শ্ৰীগোপীনাথ ৰবা (ন-সত্ৰ), ৩০। শ্ৰীমোলান ৰবহা (কুঠৰী), ৩১। শ্ৰীশিকনাথ ৰবঠাকুৰ (নাগ-শঙ্কৰ), ৩২। শ্ৰীকেশৰাম নাথ ৰবা (চিলাৰঙা), ৩৩। শ্ৰীবিষ্ণু ৰাম ভূঞা (ভিঞাৰি চুক), ৩৪। শ্ৰীজীৱধৰ ভূঞা (ৰড়িগাওঁ, হাটৰৰ), ৩৫। শ্ৰীটকেশ্বৰ ৰবহা (গ্ৰাগ-ৰঙ্গা), ৩৬। শ্ৰীভৱানী চট্টোপাধ্যায় (সকভগীয়া), ৩৭। শ্ৰীৰবিৰাম চাউলখোৱা (অখলাৰঙা), ৩৮। শ্ৰীকুঞ্জলালদাস (সকভগীয়), ৩৯। শ্ৰীলীলাধৰ গগৈ (ভৰালীচুক), ৪০। শ্ৰীইন্দ্ৰেশ্বৰ গোস্বামী (কাঠপাৰ-ৰবভকতি), ৪১। শ্ৰীভোলানাথ ভূঞা (কুৰ্বীটোল), ৪২। শ্ৰীকলৰাম গায়ন (খালৈ আটি), ৪৩। শ্ৰীকনীধন হাজৰিকা (কাঠপাৰ-ৰবভকতি), ৪৪। শ্ৰীলুহাৰাম ৰবা (শিলঘাট), ৪৫। শ্ৰীৰোহেশ্বৰ ৰবা (ৰাঙ্গ চুক), ৪৬। শ্ৰীখোলোক হাজৰিকা (সোণাৰি গাওঁ), ৪৭। শ্ৰীবুদ্ধেশ্বৰ ভট্টাচাৰ্য্য (আত্ৰেশহি চুক)

শাকমুঠিৰ বাগ্মী সত্ৰৰ শ্ৰীহলধৰ কাকতি ৰবা, ধৰ্ম্মাচাৰ্য্য দেৱ মহাত্মা গান্ধীৰ এজন একনিষ্ঠ ভক্ত হিচাপে কংগ্ৰেছত থকাৰ কথা তেতিয়া বহুতে জনা নাছিল। যি সময়ত অন্য নেতা সকলে আত্মগোপন কৰি পলাই ফুৰিছিল তেতিয়াও মূৰত গান্ধী টুপি পিন্ধি নিৰ্ভয়ে ঘুৰি ফুৰিছিল। পুলিছ-মিলিটাৰীক কথাৰেই জব্দ কৰিছিল। তেখেতকো গ্ৰেপ্তাৰ কৰাৰ লোভ আছেনে সুধিছিলহে। ১৯৪০ চনৰ সত্যাগ্ৰহৰ সময়তে পিঙ্গিৰলৈ যি আৱন্ত কৰিলে মৃত্যুৰ সময়লৈকে গান্ধী টুপিটো নেৰিলে। তেখেতৰ অবাধ গতি। অসমৰ আগশাৰীৰ প্ৰতিজন ৰাজনৈতিক নেতাৰ লগত তেখেতৰ চিনাকি।

কলিয়াবৰৰ জীৱিত পেঞ্চন ভোগ কৰি থকা মুক্তি যুঁজাক সকল
(ইং ৯-৯-৯৯ তাৰিখত)

কেন্দ্ৰীয় পেঞ্চন পাওঁতা

১। শ্ৰীসোমেশ্বৰ ৰবা (পুৰখৰীয়া), ২। শ্ৰীনশিৰাম ৰবা (পুৰখৰীয়া), ৩। শ্ৰীভবেন্দ্ৰ ভূঞাৰ ভূঞা (ভিঞাৰি চুক), ৪। শ্ৰীনন্দেশ্বৰ মহন্ত (শ্ৰৱনী সত্ৰ), ৫। শ্ৰীপদ্মচৰণ হাজৰিকা (শিলঘাট), ৬। শ্ৰীহিতৰাম হাজৰিকা (সোণাৰি গাওঁ), ৭। শ্ৰীহেমকান্ত হাজৰিকা (ধৰমপুৰ-নলতলি), ৮। শ্ৰীভোগৰাম ৰবা (ন-পুৰখৰীয়া), ৯। শ্ৰীবিনাৰাম ৰবা (লাদিচুক), ১০। শ্ৰীমোহন ৰবা (ৰমণলা), ১১। শ্ৰীখগেশ্বৰ ৰবদলৈ

(কুৰ্ৱীটোল), ১২। শ্ৰীদুৰ্লভ চন্দ্ৰ বৰা (কুৰ্ৱীটোল), ১৩। শ্ৰীক্ষিতিৰাম কলিতা (গোমোঠা গাওঁ), ১৪। শ্ৰীউপেন্দ্ৰ নাথ বৰুৱা (শাকমুঠি)।

ৰাজ্যিক পেঞ্চন পাওঁতা

ৰ। শ্ৰীমথুৰা গোস্বামী (হৰিদেৱ)- গোলাঘাট-হাটবৰ, ২। শ্ৰীদুৰ্লভ গোস্বামী (জলাগুৰি), ৩। শ্ৰীবিজয় বৰা (কুৰ্ৱীটোল), ৪। শ্ৰীঠগীৰাম বৰা (গোমোঠা), ৫। শ্ৰীউমাৰাম বৰা ওৰফে চাকি (গোমোঠা), ৬। শ্ৰীচেনাৰাম বৰা(গোমোঠা), ৭। শ্ৰীযোগেন্দ্ৰ নাথ বৰা ওৰফে নোমল (গাৰিকুৰি), ৮। শ্ৰীদেউৰাম বৰা (গাৰিকুৰি), ৯। শ্ৰীগোলোক চন্দ্ৰ মহন্ত (বৰভকতি), ১০। শ্ৰীডিম্বেশ্বৰ শইকীয়া (হাতীয়ে খোৱা), ১১। শ্ৰীদেবেন বৰা (ধৰমপুৰ), ১২। শ্ৰীযজ্ঞেশ্বৰ ভূঞা (নলতলি), ১৩। শ্ৰীভাৰত চন্দ্ৰ ভূঞা (নলতলি), ১৪। শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা (কুৰ্ৱীটোল চাৰিআলি), ১৫। শ্ৰীমিনাকান্ত বৰা (ধৰমপুৰ-নলতলি), ১৬। শ্ৰীমোহন বৰা (গড়গুৰি-ফলংপাৰ), ১৭। শ্ৰীগম্ভীৰ বৰা (গড়গুৰি), ১৮। শ্ৰীকমলেশ্বৰী ভূঞা (কুৰ্ৱীটোল চাৰিআলি), ১৯। শ্ৰীতৰুণ ভট্ট (হাটবৰ), ২০। শ্ৰীদুৰ্লভ বৰা (নামগাওঁ)।

পৰিয়ালে পেঞ্চন পাই থকা মুক্তি যুঁজাৰু সকলৰ নাম

ক্ৰ নং	মুক্তি যুঁজাৰুৰ নাম	উত্তৰাধীকাৰী পেঞ্চন পাওঁতাৰ নাম	গাওঁ
১	বিনাধৰ হাজৰিকা	শ্ৰীমতী তিলমাই হাজৰিকা	সোণাৰি গাওঁ
২	ৰামেশ্বৰ হাজৰিকা	,, আইটি হাজৰিকা	,,
৩	মোহন হাজৰিকা	,, মাইকণ হাজৰিকা	,,
৪	ঘনকান্ত বৰঠাকুৰ	,, সোমেশ্বৰী বৰঠাকুৰ	,,
৫	লাল মহম্মদ	,, আনোৱাৰা বেগম	সেনচোৱা
৬	কলাই শইকীয়া	,, চিকুনি শইকীয়া	লাঙ্গিচুক
৭	কুশেশ্বৰ বৰা	,, নাড়ু বৰা	শান্তিপুৰ
৮	মোলান শইকীযা	,, কিনেশ্বৰী শইকীযা	শান্তিপুৰ
৯	ডিম্বেশ্বৰ বৰা	,, পদ্মা বৰা	আমনি(পঃ পুৰথৰীয়া)
১০	ক'লাই বৰা	,, ফুলমাই বৰা	ধৰমপুৰ
১১	ফটিক ভূঞা	,, পুহিলা ভূঞা	,,
১২	ৰুৎৰাম বৰা	,, উমেশ্বৰী বৰা	,,
১৩	লীলাধৰ বৰা	,, উমে বৰা	নামগাওঁ
১৪	চেনিৰাম হাজৰিকা	,, কেতেকী হাজৰিকা	পানীগাওঁ
১৫	দুৰ্লভ কোছ	,, ধৰমি কোছ	পানীগাওঁ
১৬	ভদ্রেশ্বৰ কাকতি	,, গোলনাই কাকতি	,,
১৭	কানুৰাম গায়ন	,, সোণামাই গায়ন	খালৈ আটি
১৮	পদুম হাজৰিকা	,, সাৱদা হাজৰিকা	উলুনী
১৯	নবীন বৰা	,, সৰুমাই বৰা	বৰুৱাআটি
২০	গোলোক বৰুৱা	,, আইটি বৰুৱা	বৰভগীয়া
২১	ৰূপৰাম বৰা	,, প্ৰেমেশ্বৰী বৰা	,,
২২	নীল শইকীয়া	,, ভেৰী শইকীয়া	,,
২৩	ভোগেশ্বৰ বৰুৱা	,, বৰুৱা	,,

২৪	পানীৰাম শইকীয়া	,, পুতুমাই শইকীয়া	হাতীগাওঁ
২৫	পদুম হাজৰিকা	,, এধান হাজৰিকা	কুৰ্ৱীটোল
২৬	যদন চন্দ্ৰ বৰদলৈ	,, লীলাৱতী বৰদলৈ	,,
২৭	শশী বৰদলৈ	,, গুণেশ্বৰী বৰদলৈ	,,
২৮	মিলুৰাম বৰা	,, আইটি বৰা	গোমোঠা
২৯	তুৰাৰাম বৰা	,, কনকেশ্বৰী বৰা	,,
৩০	দৰীন শৰ্ম্মা	,, সকমাই দেৱী	,,
৩১	উমাৰাম বৰা	,, কমলেশ্বৰী বৰা	,,
৩২	কেহোৰাম বৰা	,, গোলাপী বৰা	,,
৩৩	বাপৰাম বৰা	,, ভদ্ৰেশ্বৰী বৰা	,,
৩৪	যজ্ঞোৰাম বৰা	,, অকণমান বৰা	চতিয়াল
৩৫	নৰকান্ত কলিতা (ওজা)	,, তিলেশ্বৰী কলিতা	,,
৩৬	চন্দ্ৰ বৰুৱা	,, ধনেশ্বৰী বৰুৱা	বৰুৱাচুক
৩৭	ঈশেশ্বৰ গোহাঁই	,, বিমলা গোহাঁই	বড়িগাওঁ, হাটবৰ
৩৮	ভাবিৰাম বৰা	,, চন্দ্ৰপ্ৰভা বৰা	দাঁতকটা, হাটবৰ
৩৯	ফনিধৰ হাজৰিকা	,, চিতন হাজৰিকা	ভঁৰালীচুক, হাটবৰ
৪০	মহোৰাম শইকীয়া	,, চিত্ৰা শইকীয়া	গাৰিকুৰি, হাটবৰ
৪১	মিত্ৰধৰ গায়ন	,, দুগৰাকী জীয়েক	গাৰিকুৰি,হাটবৰ
৪২	অকন (মহোৰাম) বৰা	,, ফুলমাই বৰা	দলগাওঁ, হাটবৰ
৪৩	শিৱ হাজৰিকা	,, পাৰুল হাজৰিকা	ভঁৰালীচুক, হাটবৰ
৪৪	নিশি মহন্ত	,, আইধান মহন্ত	সৰুভগীয়া
৪৫	ভোলা বৰদলৈ	,, আইদেউ বৰদলৈ	,,
৪৬	গনেশ চন্দ্ৰ বৰঠাকুৰ	,, গুণেশ্বৰী বৰঠাকুৰ	জখলাবন্ধা
৪৭	কালী প্ৰসাদ বৰা	,, দুগৰাকী জীয়েক	,,
৪৮	বুদ্ধি বৰা	,, যোগেশ্বৰী বৰা	পুবথৰীয়া
৪৯	বলো ভূঞা	,, যোগমাই ভূঞা	,,
৫০	মোলান ভূঞা	,, ৰেখা ভূঞা	,,
৫১	টঙ্কেশ্বৰ বৰুৱা	,, পদুমী বৰুৱা	,,
৫২	মহেশ্বৰ বৰা	,, মাজুছোৱালী বৰা	,,
৫৩	তুৰাৰাম শৰ্ম্মা	,, সোমেশ্বৰী দেৱী	কেনকেনিযা (ন-সত্ৰ)
৫৪	তুৰাকান্ত গোস্বামী	,, পোনামাই গোস্বামী	পোৱাভেটি সত্ৰ
৫৫	ভদ্ৰেশ্বৰ(ল'ৰা) কাকতি	,, নিতেশ্বৰী কাকতি	ভলাগুৰি
৫৬	কালিৰাম বৰা	,, কামেশ্বৰী বৰা	,,
৫৭	ৰজনী গোস্বামী	,, পদ্মেশ্বৰী দেৱী	,,
৫৮	ভগীৰথ গোস্বামী	,, গোস্বামী	,,
৫৯	ৰবিৰাম ভূঞা	,, ফুলমাই ভূঞা	ভিএগনি চুক
৬০	বকুল ভূঞা	,, যোগেশ্বৰী ভূঞা	,,
৬১	কমল চন্দ্ৰ মহন্ত	,, কাঞ্চন মহন্ত	বালিসত্ৰ
৬২	পূৰ্ণকান্ত ভূঞা	,, শুভেশ্বৰী ভূঞা(জী)	ভিএগনি চুক

৬৩	গোলোক বৰুৱা	„ আইটি বৰুৱা	বৰভগীয়া
৬৪	বীৰেন বৰুৱা	„ নানু বৰুৱা	„
৬৫	মোহন হাজৰিকা	„ কমলেশ্বৰী হাজৰিকা	মিছামুখ
৬৬	ভোলা হাজৰিকা	„ ফুলমাই হাজৰিকা	কাঠপাৰা
৬৭	লখাই কোছ	„ অনুমাই কোছ	পানীগাওঁ
৬৮	দতিৰাম ভূঞা	„ বিলিমাই ভূঞা	„
৬৯	নালিয়া বৰা	„ নমি বৰা	দেউবীগাওঁ- কুৰ্বীটোল
৭০	লক্ষীনাথ ভূঞা	„ সোমেশ্বৰী ভূঞা	মাধতাৰী
৭১	ৰুদ্র হাজৰিকা	„ নিৰমাই হাজৰিকা	নলতলি
৭২	তৃষাকান্ত বৰা	„ কনকেশ্বৰী বৰা	„
৭৩	বিদ্যাকান্ত হাজৰিকা	„ নিৰ্ম্মলী হাজৰিকা	শান্তিপুৰ
৭৪	নৰকান্ত হাজৰিকা	„ হাজৰিকা	ধৰমপুৰ
৭৫	জিলিৰাম নাথ	„ তিলমাই নাথ	ভোমোৰাগুৰি
৭৬	লক্ষীকান্ত শইকীয়া	„ মেগেতি শইকীয়া	কুঠৰী
৭৭	পুৰন্দৰ মহন্ত	„ মহন্ত	শ্রেষ্ঠী সত্র

যি সকলে পেঞ্চন পাইছিল, কিন্তু এতিয়া কোনো আইন সঙ্গত উত্তৰাধিকাৰী নথকাত পেঞ্চন বন্ধ কৰা হ'ল, তেখেত সকলৰ নাম

১। ঠানুৰাম ভূঞা, ২। ভগীৰথ ভূঞা, ৩। মুক্তি গোস্বামী, ৪। নন্দিৰাম ভূঞা, ৫। হৰেন্দ্র নাথ শর্ম্মা, ৬। আনন্দ শইকীয়া, ৭। জয়ৰাম বৰা, ৮। দোলন হাজৰিকা, ৯। পুনিৰাম ওজা, ১০। হেমোৰাম বৰা, ১১। তনুৰাম বৰা, ১২। পুনি ওজা, ১৩। নবীন ভূমিজ, ১৪। মাধৱ বাজবংশী, ১৫। শান্তি বৰদলৈ, ১৬। ৰূপ শইকীয়া, ১৭। যজ্ঞোৰাম হাজৰিকা, ১৮। ডালিৰাম বৰা, ১৯। অভিৰাম ভূঞা, ২০। লীলা বৰা (এম এল এ), ২১। কলিয়া বৰুৱা, ২২। দেবেন হাজৰিকা, ২৩। ফিদ শইকীয়া, ২৪। খৰ্গেশ্বৰ হাজৰিকা, ২৫। ঈশ্বৰ হাজৰিকা, ২৬। শশী বৰগোহাঁই, ২৭। ৰতিন্দ্র কোৰ্জি, ২৮। ভোগেশ্বৰ নেওগ, ২৯। মহেন্দ্র মহন্ত, ৩০। লুহিত শইকীয়া, ৩১। হেম কাকতি, ৩২। কমলা বৰা, ৩৩। চম্পা বৰা, ৩৪। ভোগেশ্বৰ ভূঞা, ৩৫। কেশৰাম বৰা, ৩৬। ধনীৰাম বৰা, ৩৭। ভোগৰাম বৰা, ৩৮। ভিখি (ওৰফে গোলোক) হাজৰিকা, ৩৯। গিৰিকান্তি মহন্ত, ৪০। কালীনাথ ভূঞা, ৪১। বিৰহ বৰা, ৪২। পুহিৰাম বৰা, ৪৩। সৰু ল'ৰা বৰা, ৪৪। নোমল শইকীয়া, ৪৫। যজ্ঞোৰাম শইকীয়া, ৪৬। বিষ্ণু বৰুৱা, ৪৭। নুৰুদ্দিন আহমদ, ৪৮। উপেন চৌধুৰী, ৪৯। গোলোক বৰঠাকুৰ, ৫০। দুখীৰাম (?) ৫১। গগণ খাওন্দ, ৫২। পূর্ণ বৰদলৈ, ৫৩। অকনি কোছ, ৫৪। লীলাধৰ বৰদলৈ, ৫৫। দেৱাই কলিতা, ৫৬। তুলাৰাম ডেকা, ৫৭। নদৰাম কোছ, ৫৮। মেলেকা গগৈ, ৫৯। কল বৰা, ৬০। বলো বৰা, ৬১। নালিয়া বৰদলৈ, ৬২। উপেন মেধি, ৬৩। ভূমি মুদৈ, ৬৪। গোলোক গোস্বামী, ৬৫। পদ্মকান্ত হজৰিকা, ৬৬। ফটিক পাটোৱাৰী, ৬৭। ৰুদ্র গোস্বামী, ৬৮। গোপন হাজৰিকা, ৬৯। দুখীৰাম কলিতা, ৭০। পূর্ণ বৰদলৈ, ৭১। বোকাই কোছ, ৭২। ৰামধনী বাজভৰ, ৭৩। মাইচেনা শইকীয়া, ৭৪। কুঞ্জলতা মহন্ত, ৭৫। ভদ্র বৰা, ৭৬। ভগীৰথ চাহ , ৭৭। ৰমাকান্ত বৰা, ৭৮। বাপাৰাম বৰা।

কলিয়াবৰ মুক্তি যুঁজাক স্মৃতি ভৱনৰ ইতিবৃত্ত

অকল স্বাধীনতা সংগ্ৰামৰেই নহয় অন্যান্য যিকোনো বিপ্লৱ আৰু আন্দোলনৰে স্মৃতি জীয়াই ৰাখিবলৈ ভাৰতৰ অনেক ঠাইত চৰকাৰী বে-চৰকাৰী অনেক অনুষ্ঠান প্ৰতিষ্ঠানে ভৱন, সৌধ, স্তম্ভ আদি নিৰ্ম্মাণ কৰিছে। বহু কেইগৰাকী স্বাধীনতা সংগ্ৰামীৰ প্ৰতিমূৰ্ত্তিও স্থাপন কৰিছে। পৃথিৱীৰ সকলো দেশৰ সকলো মানুহৰে এই আকাঙ্খা চিৰ বিদ্যমান।

এনে এটা চিন্তা কৰিয়েই কলিয়াবৰৰ সৰ্ব্বশ্ৰী বদন বৰদলৈ, ঠানুৰাম ভূঞা, সোমেশ্বৰ বৰা আদি মুক্তি যুঁজাক সকলে কুঁৱৰীটোলৰ গান্ধী পথাৰৰ একাষে এডোখৰ মাটি সংৰক্ষণ কৰি ৰাখে।

ইয়াৰ পিছত কলিয়াবৰৰ মুক্তি সংগ্ৰামী সকলে এই সংৰক্ষিত মাটিতে "স্মৃতি সংৰক্ষণ ভৱন" নিৰ্ম্মাণ কৰিবলৈ সংকল্প গ্ৰহণ কৰি ১৯৭১ চনৰ ১ অক্তোবৰ তাৰিখে এখন শক্তিশালী কমিটি গঠন কৰে। এই সমিতিৰ বিষয়ৱৰীয়া সকল আছিল-

সৰ্ব্বশ্ৰী- ঠানুৰাম ভূঞা (সভাপতি), বদন চন্দ্ৰ বৰদলৈ (কাৰ্য্যকৰী সভাপতি), নোমল চন্দ্ৰ বৰা (সম্পাদক), দুৰ্ল্লভ বৰা (সহঃ সম্পাদক) আৰু সদস্যবৃন্দ হ'ল সৰ্ব্বশ্ৰী ৰতীন্দ্ৰ বেনাৰ্জি, সোমেশ্বৰ বৰা, তুৰাকান্ত গোস্বামী, অভিৰাম ভূঞা (কোষাধ্যক্ষ) নলিনীকান্ত শইকীয়া।

১৯৭২ চনৰ ২ অক্তোবৰ তাৰিখে ৰাজ্যিক মুক্তি যুঁজাক সম্মিলনৰ সভাপতি শ্ৰীমহেন্দ্ৰ হাজৰিকা দেৱে ওপৰোক্ত সংৰক্ষিত মাটিত 'স্মৃতি ভৱনৰ' আধাৰ শিলা স্থাপন কৰে। কিন্তু ১৯৭৩ চনৰ প্ৰবল ৰানপানীযে কলঙৰ পাৰৰ এই আধাৰ শিলা ধ্বংস কৰে। তাৰ পিছত শ্ৰীঠানুৰাম ভূঞা আৰু শ্ৰীবদন বৰদলৈ দুয়ো গৰাকী অসুস্থ হৈ পৰাত নিৰ্ম্মাণৰ কাম স্থগিত ৰখা হয়। ১৯৭৮ চনৰ ১২ চেপ্টেম্বৰত শ্ৰীভূঞা দেৱৰ পৰলোক প্ৰাপ্তি হোৱাত শ্ৰীতুৰাকান্ত গোস্বামী দেৱক সভাপতি আৰু শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা আৰু শ্ৰীদুৰ্ল্লভ বৰাক যুটীয়া সম্পাদক পাতি নিৰ্ম্মাণৰ দায়িত্ব দিয়ে। তেখেত সকলে স্মৃতি ভৱন নিৰ্ম্মাণ আৰু কলিয়াবৰৰ স্বাধীনতা সংগ্ৰামৰ এখন বুৰঞ্জী ৰচনা আৰু প্ৰকাশৰ কাৰণে বহুবাৰ সভা সমিতি পাতি কিছু আগ বাঢ়িছিল। কিন্তু বিদেশী বিতাৰণ আন্দোলনত অংশ গ্ৰহণ কৰাত ভৱনৰ নিৰ্ম্মাণ কাৰ্য্যৰ উদ্যম একেবাৰে হেৰাই যায়।

অসম গণ পৰিষদ চৰকাৰ গঠন হোৱাৰ পিছত মুক্তি যুঁজাক স্মৃতি ভৱন আৰু ৰাজহুৱা পুথি ভঁৰাল নিৰ্ম্মাণৰ কাৰণে আৰ্থিক অনুদান পোৱাত শ্ৰীদিলীপ মহন্ত, বিধায়ক তথা উদ্যোগ মন্ত্ৰী শ্ৰীগুণীন হাজৰিকা, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীকেশৰ মহন্ত আৰু কলিয়াবৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীশশীধৰ দত্তদেৱৰ আলোচনা মৰ্ম্মে কলিয়াবৰ

কেন্দ্ৰীয় ছাত্ৰ সস্থাই মুক্তি যুঁজাক স্মৃতি ভৱন আৰু ৰাজহুৱা পুথিভৰাল নিৰ্ম্মাণৰ কাৰণে আগবাঢ়ি আহে। কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ সস্থাৰ সম্পাদক শ্ৰীঅঞ্জন কুমাৰ শৰ্ম্মাই মুক্তি যুঁজাক সম্মিলনলৈ এখনি আৱেদন প্ৰেৰণ কৰে। ১৫/৩/৮৬ তাৰিখে মুক্তি যুঁজাক সম্মিলনৰ সাধাৰণ সভা বহে আৰু আবেদন খনৰ ওপৰত আলোচনা হয়। কে'ৰাজনো মুক্তি যুঁজাৰুৱে ইতস্ততঃ প্ৰকাশ কৰি কয় যে মুক্তি যুঁজাক সকলে সংৰক্ষণ কৰি ৰখা মাটি খিনি এৰি দিলে আমাৰ অধিকাৰ আৰু স্বত্ত একো নাথাকিব। ইয়াৰ পিছত ৯/৪/৮৬ তাৰিখে শ্ৰীতুৰাকান্ত গোস্বামীৰ সভাপতিত্বত এখন খুটীয়া বৈঠক বহে। সভাত কলিয়াবৰ কেন্দ্ৰীয় ছাত্ৰ-সস্থাৰ উপদেষ্টা আৰু সম্পাদক দুয়োয়ে কয় 'মুক্তি যুঁজাক সকলে আধাৰ শিলা স্থাপন কৰা ঠাইতে আমি পুত্ৰ সকলে পিতৃ সকলৰ মহান ত্যাগৰ স্মৃতি ৰক্ষাৰ কাৰণে আগবাঢ়ি আহিছো। কিবা ভুল হ'লে মুক্তি যুঁজাক সকলৰ ওচৰত ক্ষমা বিচাৰো।' দুয়ো পক্ষৰ স্বাক্ষৰ প্ৰদানে এখন চুক্তি পত্ৰ গ্ৰহণ কৰা হয়।

৫/১০/৮৬ তাৰিখে অসমৰ মুখ্য মন্ত্ৰী মহোদয়ৰ উপস্থিতিত প্ৰবীন মুক্তি যোদ্ধা শ্ৰীমুক্তি নাথ গোস্বামীদেৱে ভৱনৰ আধাৰ শিলা স্থাপন কৰে। সেইদিনাৰ এই অনুষ্ঠানত প্ৰায় দহ হেজাৰ লোক উপস্থিত আছিল।

চৰকাৰী অনুদানেৰেই মুক্তি যুঁজাক স্মৃতি ভৱন আৰু ৰাজহুৱা পুথি ভঁৰালটি নিৰ্ম্মাণ কৰা হৈছে। আধৰুৱা কামখিনি সম্পূৰ্ণ কৰিবলৈ প্ৰাক্তন সাংসদ শ্ৰীকেশৱ মহন্ত আৰু বিধায়ক তথা উদ্যোগ মন্ত্ৰী শ্ৰীগুণীন হাজৰিকাদেৱে আপ্ৰাণ চেষ্টা কৰি আছে। তেখেতসকলৰ চেষ্টাতে আধৰুৱা কামখিনি সম্পূৰ্ণ হ'ব বুলি কলিয়াবৰ মুক্তি যুঁজাক সম্মিলনে আশা কৰে।

শ্ৰীহেমকান্ত হাজৰিকা, সভাপতি
শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা]
শ্ৰীদুৰ্লভ চন্দ্ৰ ববা] খুটীয়া সম্পাদক

ইং ৯/৯/৯৯ কলিয়াবৰ মুক্তি যুঁজাক সম্মিলন

❑❑❑

সামৰণিত একাষাৰ

ঐতিহ্যমণ্ডিত কলিয়াবৰৰ ইতিহাস বিস্তৃত। স্বাধীনতাৰ বুৰঞ্জীও সেইদৰে আৰু ব্যাপক। এই পুথিত যি খিনি লিখা হৈছে সেয়া কলিয়াবৰৰ স্বাধীনতাৰ বুৰঞ্জী বুলি আমি ক'ব নোৱাৰো আৰু তেনে স্পৰ্দ্ধা আমাৰ নাই। সৰু সৰু কথা আৰু কাহিনী যোৰৰ সমগ্ৰ সম্ভাটোৱেই বুৰঞ্জীৰ সমল হ'ব পাৰে। সেই ফালৰ পৰা চাবলৈ গ'লে অৱশ্যে এই পুথি খনিত তেনেকুৱা সমল বিচাৰি পোৱা যাব পাৰে। লিখিত নথি পত্ৰ নথকাত অনেক ঘটনাৰ কথা ইয়াত উল্লেখ কৰা নাই। অনেক ত্যাগী আৰু প্ৰকৃত সংগ্ৰামীৰ জীৱনৰ সেই সময়ত ঘটা ঘটনাৰ কথা জনা সত্ত্বেও সেই একে কাৰণতে ইয়াত লিখা নাই। কলিয়াবৰ মুক্তি যুঁজাৰু সম্মিলনে যুগুতাই উলিওৱা বুৰঞ্জী খনত নিশ্চয় বহুত কথা থাকিব। আমাৰ এই লিখা খিনি পুথি আকাৰে প্ৰস্তুত কৰি উলিওৱাৰ বহুত পিছতহে সম্মিলনে এনে এখন বুৰঞ্জী লিখি উলিয়াইছিল বুলি অলপতে জানিব পাৰিছো।

কলিয়াবৰৰ দৰেই অসমৰ প্ৰায় সকলো ঠাইতেই বিয়াল্লিশৰ বিপ্লৱৰ সময়ত অনেক ঘটনা ঘটিছিল। হিংসাৰ ৰূপটোও অনেক ঠাইত প্ৰত্যক্ষভাৱেই প্ৰকাশ পাইছিল।

২৫/৪/৮৫ তাৰিখে মুক্তি যুঁজাৰু শ্ৰীসোমেশ্বৰ বৰাদেৱে ব্যক্তিগত চিঠিত আমালৈ লিখিছিল " . যাইহওক আৰু বহুত ৰেকৰ্ড নোহোৱা হৈ গ'লেও কথা নাইকিয়া নহয়। সেইবোৰ পত্ৰ আকাৰে ল'লে বা কিছুমান টোকা বাঞ্ছনীয় ঠাইৰ পৰা ল'ব পাৰিলে তোমাৰ আশা পূৰ্ণ হ'ব।" এই উদগনি পোৱাৰ পিছৰে পৰাই কেঁবা গৰাকীও মুক্তি যুঁজাৰুলৈ চিঠি লিখাৰ উপৰিও যেতিয়াই সুবিধা কৰিব পাৰোঁ বহুজনক লগ ধৰি তেখেত সকলৰ অভিজ্ঞতাৰ টোকা লিখি লৈছিলো। এই সকলৰ ছগাৰাকীয়ে ইতিমধ্যে ইহলীলা সম্বৰণ কৰিলে। ১৯৫৫ চনতে শ্ৰীবৰাদেৱে অনুৰোধ কৰা সকলৰ এগৰাকীমানেও এই কামটো হাতত লোৱা হ'লে কলিয়াবৰৰ বহুত কথা সংগ্ৰহ কৰিব পাৰিলেহেতেন। তাৰ পৰা প্ৰায় ৩০ বছৰৰ পিছত ১৯৮৩-৮৫ চনলৈ বহুত নথি পত্ৰ হয়তো নোহোৱা হ'ল। সময়ৰ আঁচোৱতো এইবোৰৰ অনেক নষ্ট হ'ল। ইয়াৰ দ্বাৰা আমি কাকো দোষ দিব খোজা নাই। এতিয়া থকা খিনিকে সাৰোগত কৰি আমাৰ অনভিজ্ঞ আৰু অপৈনত হাতেৰে যুগুতাই উলিওৱা এই পুথি খনিত অনেক ভুল-ভ্ৰান্তি থাকিব পাৰে। সদাশয় ৰাইজে সেইবোৰ দেখুৱাই দিলে নথৈ আনন্দিত হ'ম।

১৯৪২ চনৰ আন্দোলন সম্পৰ্কে মহাত্মা গান্ধীয়ে কৈছিল- " আগৰ আন্দোলনবোৰৰ দৰে এইবাৰ জনগণে স্ব-ইচ্ছাই গ্ৰেপ্তাৰ হৈ জে'ললৈ নাযায়; তেওঁলোকে গ্ৰেপ্তাৰ হোৱাৰ পৰা আঁতৰি থাকিব.....। .....অহিংস হৈ থাকি বৃটিছক কাবু কৰিবলৈ সকলো উপায় অৱলম্বন কৰিবলৈ জনগণক

অনুমতি দিয়া হ'ব।"

অতি তাৎপর্য্যপূর্ণ গান্ধীজীৰ এই কথাই ভাৰতীয় জনগণক ছদ্মবেশ ধৰি ইচ্ছা অনুসৰি কাম কৰিবলৈ আৰু নাশকতামূলক কামৰ দ্বাৰা বৃটিছ প্ৰশাসনৰ ওপৰত প্ৰচণ্ড হেঁচা প্ৰয়োগ কৰিবলৈ উদ্বাউল কৰি তুলিছিল। কংগ্ৰেছ কমিটিৰ পৰা দিয়া গোহাৰি নির্দ্দেশ বোৰ যি কোনো উপায়ে চৰকাৰী প্ৰশাসনে, বিশেষকৈ পুলিছে, সংগ্ৰহ কৰিছিল। এইবোৰত কোৱা হৈছিল যে শান্তিসেনা, মৃত্যু বাহিনী আৰু নায়ক সকলে তেওঁলোকৰ ইউনিফর্ম (খদ্দৰৰ হাফ পেণ্ট, হাফছার্ট, গান্ধী টুপি আৰু বেজ) সকলো সময়তে পৰিধান কৰিব লাগিব; কাৰণ 'এইখন আমাৰ সমুখ সমৰ আৰু মুকলি সংগ্ৰাম।' এই নির্দ্দেশ বোৰে ছদ্মবেশ ধৰি কাম কৰাত পৰোক্ষ ভাৱে প্ৰথম অবস্থাত সহায়ো কৰিছিল। কাৰণ পুলিছ-মিলিটাৰীয়ে সম্পূর্ণ ইউনিফর্ম পিন্ধা সকলৰ ওপৰতহে বেচিকৈ চকু দিছিল। শ্ৰীমহেন্দ্ৰ হাজৰিকায়ো এনে ধৰণৰ নির্দ্দেশ নমনা সকলক উগ্ৰ শাস্তি দিয়া হ'ব বুলি লিখিছিল। এইবোৰে কিছু পৰিমানে পুলিছ-মিলিটাৰীক বিপথে পৰিচালিত কৰিছিল। শ্ৰীমহেন্দ্ৰ হাজৰিকাই নিজেই কেতিয়াবা কাবুলিৱালা, মিঞা বা নেপালি হৈ ঘুৰি ফুৰিছিল।

এই পুথি খনিত আমি ঐতিহাসিক দলিল বুলি বিবেচনা কৰা নথি পত্ৰবোৰৰ লগতে কে'বাখনো ব্যক্তিগত ভাৱে লিখা চিঠিও সন্নিবিষ্ট কৰা হৈছে। ৰাজহুৱা স্বাৰ্থজড়িত এই চিঠি পত্ৰ বোৰত একোটা আঞ্চলিক পৰিস্থিতিৰ বহুত কথা সোমাই আছে। এইবোৰত কে'বা গৰাকীও সম্মানীয় ব্যক্তিৰ বিষয়ে কিছু কথা প্ৰকাশ পাইছে। যি ঘটিছিল সেইবোৰ, আন কথাবোৰৰ দৰেই, ৰাইজক জনাবৰ কাৰণেই তেনেবোৰ চিঠি পত্ৰ ইয়াত প্ৰকাশ কৰিব লগা হৈছে। কাৰো প্ৰতি আমাৰ তিলমানো ব্যক্তিগত আখেজ বা বেয়া ভাব নাই। বহুতক আমি ব্যক্তিগত ভাৱেও জানিছিলো। তেখেত সকল বা এতিয়া যি সকল নাই তেখেত সকলৰ সন্তান সন্ততিয়ে তাৰ বাবে যেন অকণো অসন্তোষ নকৰে। সময় পৰিবর্ত্তনৰ লগে লগে মানুহৰ মনৰো সলনি হয়। মানুহ সময়ৰ দাস। তথাপিও অজানিতে যদি আমি কিবা দোষ কৰিছো সুধীজনৰ ওচৰত ক্ষমা প্ৰার্থনা কৰিছো।

কলিযাবৰৰ মুক্তি যোদ্ধা যি সকলে পেঞ্চন পাইছিল বা এতিয়াও পাই আছে তেখেত সকলৰ নামবোৰ আমি মুক্তি যুঁজাৰু সম্মিলনৰ কার্য্যালয়ৰ পৰা শেষ পর্যায়ত সংগ্ৰহ কৰিছো আৰু সম্মিলনৰ পৰামর্শ মতেই নামবোৰ এই পুথিত সংযোজন কৰা হৈছে।

দুই এগৰাকী পৰিয়াল পেঞ্চন ভোগীয়ে আপত্তি দর্শাইছে যে অন্য কে'বা গৰাকীৰো গৃহস্থই কৰা দুঃসাহসিক কামৰ বিষয়ে লিখাৰ দৰে তেখেত সকলৰ গৃহস্থৰ বিষয়ে একো লিখা নাই। এনে আশা কৰাটো প্ৰতি গৰাকী নাৰীৰে স্বাভাৱিক হাবিয়াস। পিছে এই সংক্ৰান্তত তেখেত সকলৰ কে'বা গৰাকীৰো গৃহস্থৰ বিষয়ে লিখিবলৈ একোৱেই নাই। তেখেত সকলে মাত্ৰ জে'লহে খাটিছিল। তাৰোপৰি আঞ্চলিক চৰিত্ৰ থাকিলেও এনেকুৱা সামগ্ৰিক লিখনিত প্ৰতিজন মানুহৰ বিষয়ে সুকীয়াকৈ লিখাটো সম্ভৱ নহয়। আমাৰ অপাৰগতাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা আৰম্ভ কৰি ১৯৪২ চনৰ গণ বিপ্লৱলৈকে কলিয়াবৰৰ যি সকলে ভাৰতৰ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিলে, সেই মহান ত্যাগী পুৰুষ-মহিলা সকলৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ কলিয়াবৰৰ কুৰ্ৱীটোল-গান্ধী পথাৰত যিটি পবিত্ৰ স্মৃতি-ভৱন নিৰ্ম্মাণ কৰা হৈছে, এই পুথি খনিৰ প্ৰকাশকৰ ইচ্ছানুসাৰে তাৰ এটি ইতিবৃত্তি আৰু লগতে আধকৰা হৈ থকা মুক্তি যুজাঁৰু স্মৃতি-ভৱনটিৰ ছবি আৰু মুক্তি যুঁজাৰু সম্মিলনৰ বৰ্ত্তমান কাৰ্য্যকৰী কমিটিৰ কৰ্ম্ম কৰ্ত্তাসকলৰ ফটো এখনিও সন্নিবিষ্ট কৰা হ'ল।


শ্ৰীঠানুৰাম ভূঞাদেৱৰ নামৰ বানানটো লৈ কিছু চিন্তা কৰিব লগা হৈছিল। তেখেতৰ বিষয়ে লিখা বহুজনে 'থানুৰাম' বুলি লিখে। কিন্তু ভূঞাদেৱৰ লগত কিছুদিন কাম কৰা শ্ৰীডিম্বেশ্বৰ শৰ্ম্মাদেৱে কোৱামতে ভূঞাদেৱে 'ঠানুৰাম' বুলিহে লিখিছিল। আমিও 'ঠানুৰাম' বুলিয়েই লিখিছো। অৰ্থৰ ফালৰ পৰা আৰু ভূঞাদেৱৰ চেহেৰাৰ ফালৰ পৰাও এইটোহে মিলে।

এইখিনিতে জনাব খুজিছো যে যি কেইগৰাকী ব্যক্তিৰ বিষয়ে (১৯৯৩ চনতে লিখা) চিনাকি দিয়া হৈছিল তেখেত সকলৰ এতিয়াৰ চিনাকিটোও সংযোজন কৰা হৈছে।

এই পুথি খনিত বানান যাতে শুদ্ধ হয়, যিমান পৰা যায় চেষ্টাৰ ত্ৰুটি কৰা নাই। তাৰ মাজতো হয়তো বানানৰ ভুল থাকিব পাৰে। সহৃদয় পাঠকে যেন তাৰ বাবে ক্ষমাৰ চকুৰে চায়।


সৰ্ব্বশেষত সকলো দোষ-ত্ৰুটিৰ বাবে পৰম শ্ৰদ্ধাভাজন ৰাইজৰ ওচৰত ক্ষমা মাগিছো।

তাং ৯/১১/৯৯



কলিয়াবৰ মুক্তি যুঁজাৰু সম্মিলনৰ কার্য্যকৰী সভাৰ সদস্য বৃন্দ (১৯৯৯ চন)

বাওঁফালৰ পৰা ক্ৰমে : শ্ৰীউমাৰাম বৰা, শ্ৰীসোমেশ্বৰ বৰা, শ্ৰীগোলোক মহন্ত, শ্ৰীভবেন্দ্ৰ কুমাৰ ভূঞা, শ্ৰীহেমকান্ত হাজৰিকা (সভাপতি), শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা (যুটীযা সম্পাদক), শ্ৰীনন্দেশ্বৰ মহন্ত, শ্ৰীনন্দিৰাম বৰা, শ্ৰীদুৰ্লভ চন্দ্ৰ বৰা (যুটীযা সম্পাদক)।
শ্ৰীমিনাকান্ত বৰা আৰু শ্ৰীকিনা বৰা ফটোত নাই।



আধকৰা অৱস্থাত কলিয়াবৰ মুক্তি যুঁজাৰু স্মৃতি ভৱন